# সম্পূৰ্ণ অসমীয়া

# কথা-ভাগৱত

(শব্দাৰ্থ, চৰিত্ৰাৱলী, প্ৰাসঙ্গিক টোকা সম্বলিত )

## শ্ৰী বিপিন চুতীয়া

কিৰণ প্ৰকাশন
ধেমাজি



সম্পূৰ্ণ অসমীয়া **কথা-ভাগৱত**

**Sampurna Asomiya Katha-Bhagawat :** *The brief description of subject matters of the whole Bhagawata- Purana and the comments of Bhakti- Tattwa along with the meanings of words, referencial nots and characters etc. written by **Shri Bipin Chutia M.A., Bt.** retired Principal (National and State awardess teacher) and published by**Sri Naba Kalita** of Kiran Prakashan, Dhemaji- 787057 (Assam)*

First Edition : **August, 2012** Price : **0000/-**

লেখক ঃ বিপীন চুতীয়া

প্ৰকাশক ঃ নৱ কলিতা
কিৰণ প্ৰকাশন, ধেমাজি চাৰিআলি
ধেমাজি

প্ৰথম প্ৰকাশ ঃ ২০ এপ্ৰিল, ২০১১ চন

বেটুপাত ঃ

মূল্য ঃ ০০০.০০ টকা

অক্ষৰ বিন্যাস ঃ টুটুমণি ঠাকুৰীয়া

মুদ্ৰক ঃ ধেমাজি অফ্‌চেট্ প্ৰিণ্টাৰ্চ
ৰতনপুৰ, ধেমাজি -৭৮৭০৫৭

## ।। ভাগৱত ঃ দ্বাদশ স্কন্ধ।।

“শুনা সভাসদ পদ মহাভাগৱত।
পৰম অমৃত ইটো সংসাৰ মধ্যত।।৩০১
পিয়া কৰ্ণভৰি আৰ দেখা কেনে স্বাদ।
সংসাৰ তাপক কৰে তিলেকে উচ্ছাদ।।
বিষয় সম্পদ মহা আপদৰ ঘৰ।
আন কোন নাহি সুখ দেখিয়ো ইন্দ্ৰৰ।।৩০২।।
খনেকে মিলান্ত সুখ খনেকে বিষাদ।
ইটো কৃষ্ণ কথা সুখ সাগৰ সাক্ষাত।।” ৩০৩।।

## ।। ভাগৱত ঃ প্ৰথম স্কন্ধ।।

“পৰম ঈশ্বৰ কৃষ্ণ দেৱনাৰায়ণ।
তানে মহা ভক্তি ইটো শ্ৰৱণ-কীৰ্তন।।
ইহাক নাজানি আন কৰ্ম কৰি মৰো।
কৈয়ো কৃষ্ণ কথা সূত যেনমতে তৰো।।” ৮।।
“একক্ষণ মানে যিটো শুনে কৃষ্ণ কথা।
তাৰ বিনে আনৰ জীৱন যায় বৃথা।।” ১০।।
“বৈকুণ্ঠৰ শাস্ত্ৰ যিটো বেদান্তৰো তত্ত্ব।
সাত দিনে কৈলা যিটো মহাভাগৱত।।” ১৬।।

— **শ্ৰী বিপিন চুতীয়া**



# ।। লিখকৰ বক্তব্য।।

বৈকুণ্ঠৰ মহাশাস্ত্ৰ, সৰ্ব্বশ্ৰুতি বেদান্তৰ সাৰ মহাভাগৱত বিশ্বৰ এক মহাগ্ৰন্থ আৰু ভাৰতীয় ধৰ্ম-বিজ্ঞান আৰু দৰ্শনৰ অদ্বিতীয় ধৰ্ম্মীয় সাহিত্য। অষ্টাদশ পুৰাণৰ ভিতৰত ভাগৱত পুৰাণ সৰ্ব্বশ্ৰেষ্ঠ পুৰাণ সাহিত্য। সমস্ত পুৰাণৰাজি, মহাভাৰত, ৰামায়ণ, বেদ-বেদান্ত, গীতাৰ সাৰভাগ মহাপুৰাণ মদ্ভাগৱতৰ অন্তৰ্গত। ভগৱৎ নিৰ্ণয়ৰ ক্ষেত্ৰত ভাগৱত নিৰ্ণায়ক গ্ৰন্থ। সাহিত্যৰ বিভিন্ন সম্ভাৰে সমৃদ্ধ আৰু সংপৃক্ত সাহিত্যকলাৰে ভৰপূৰ ভাগৱতৰ ছন্দে ছন্দে প্ৰতিফলিত হৈছে— সাহিত্য সুষমা আৰু সত্য-শিৱ-সুন্দৰৰ মনোৰম প্ৰতিচ্ছবি। অনাদি অনন্ত কালৰ পৰা বিশ্বত প্ৰবাহিতহৈ অহা কৃষ্টি-সংস্কৃতি, ধৰ্ম্মীয় পৰম্পৰা, আধ্যাত্মিক চিন্তাচৰ্চ্চা, সামাজিক, ৰাজনৈতিক পৰিবৰ্ত্তন, বৈদিক-অবৈদিক ভাৱধাৰা, দৰ্শনশাস্ত্ৰৰ তত্ত্বৰ মাজৰ সমন্বয়, উপনিষদীয় অভিব্যক্তি আৰু বিশেষভাৱে ভগৱৎ-তত্ত্বৰ ব্যাখ্যাত্মক সিদ্ধান্ত ভাগৱত মহাশাস্ত্ৰত বিদ্যমান। সকলো মানৱৰ হৃদয় পৰশি যোৱা ভাগৱতৰ অমৰ বাণী আৰু প্ৰেম ভকতিৰ প্ৰবাহিত ফল্‌গু ধাৰাই বৰ্ত্তমানৰ কলিযুগৰ জীৱ-তৰণৰ উপায় অমৰ গ্ৰন্থ ভাগৱতে বহন কৰিছে।

সংস্কৃত ভাষাত ৰচিত ব্যাসকৃ ত মদ্ভাগৱতৰ অনুবাদ ভাৰতীয় বিভিন্ন নব্যভাষালৈ অনুদিত হোৱাৰ উপৰিও বিশ্বৰ কোনো কোনো দেশে দেশীয় ভাষালৈ অনুবাদ কৰি ভাগৱতৰ সোৱাদ ল’বলৈ আৰু গৱেষণা কৰিবলৈ উদ্যত হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে তেৰাৰ শিষ্য-প্ৰশিষ্যসকলৰ সমন্বয়ত অসমীয়া ভাষাত মদ্ভাগৱত শাস্ত্ৰ লিখি থৈ গৈছে। এই গ্ৰন্থই তেৰাৰ আহ্বানত বৈকুণ্ঠ নাথ ভট্টদেৱে কথা ৰূপত সকলোৱে বুজিবৰ কাৰণে কথাভাগৱত আৰু কথাগীতা লিখি থৈ গৈছে। সকলোকে আকৰ্ষণ কৰিব নোৱাৰিলে বুলি পণ্ডিত সকলে মন্তব্য কৰিছে। পদ্যত লিখা ভাগৱতৰ কথা-বস্তু গদ্যৰূপত পাবলৈ লোকে আশা কৰে। ভাগৱতৰ কথা-বস্তুৰ ওপৰত খণ্ডিত ভাৱে বা সংক্ষিপ্ত আকাৰে অতি কম সাহিত্য সৃষ্টি হৈছে। ভাগৱতৰ কাহিনীবোৰৰ ৰূপক ধৰ্মীতাৰ পৰা আঁতৰি তত্ত্ব-ভাগৰ ওপৰত লিখা গ্ৰন্থ তেনেই বিৰল। ভকত-বৈষ্ণৱৰ আৰু

জিজ্ঞাসু সকলৰ চাহিদা পূৰণৰ বাবে ভাগৱতৰ গভীৰ তত্ত্বসমূহক উৎঘাটন কৰি লিখা গ্ৰন্থৰ প্ৰয়োজন নিশ্চয়ে সময়-সাপেক্ষ হৈছে। অভাজনে এনে আকাংক্ষাকে শিৰোগত কৰি ভাগৱতৰ ওপৰত **"সম্পূৰ্ণ অসমীয়া কথা-ভাগৱত"** শাস্ত্ৰভাগ লিখি প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰা হ'ল।

মহাভাগৱতৰ বুকুত নিহিত হৈ থকা মহান তত্ত্ববোৰ উপলব্ধি কৰা এই নিকিঞ্চনৰ বাবে একেবাৰে অসম্ভৱ। তৎসত্ত্বেও ভগৱন্তৰ কথা উপলব্ধি কৰাৰ দুৰ্ব্বাৰ হেঁপাহ থকাৰ বাবে নিজৰ বুদ্ধিমত্তাৰ ওপৰত নিৰ্ভৰ কৰি এনে মহান কাৰ্যত হাত দিয়া হ'ল। শ্ৰীধৰ স্বামীৰ ভাগৱত ভাবাৰ্থ **"দীপিকা"**-ৰ ওপৰত নিৰ্ভৰ কৰি গুৰুজনে আৰু তেৰাৰ শিষ্যগণে লিখা ভাগৱতৰ সমগ্ৰ কাহিনী অতি সংক্ষেপে ক্ৰমাগতভাৱে বৰ্ণনা কৰি, তাৰ অন্তৰ্গত ভক্তিমূলক আৰু তত্ত্বমূলক কথাখিনি এই গ্ৰন্থত উল্লেখ কৰিবলৈ প্ৰয়াস কৰা হৈছে। ইয়াৰ দ্বাৰা ভক্তপ্ৰাণ বৈষ্ণৱ বৃন্দ, জ্ঞান-ভক্তি-পিপাসু সহৃদয় পাঠক, ছাত্ৰ-গৱেষক আৰু অন্য অন্য জ্ঞানাগ্ৰহী লোকে উপকৃত হ'লে আমাৰ পৰিশ্ৰম সাৰ্থক হ'ব।

তদুপৰি সমস্ত ভাগৱতৰ কঠিন শব্দাৱলীৰ অৰ্থ আৰু চৰিত্ৰাৱলীৰ চমু বিকাশ গ্ৰন্থখনিৰ শেষত পৰিশিষ্ট হিচাবে সন্নিবিষ্ট কৰা হৈছে। ভাগৱতত প্ৰাসঙ্গিকটোকাও ইয়াত সামৰি লোৱা হৈছে যাতে সকলো পাঠকে ভাগৱত অমৃত পান কৰাত সুবিধা লাভ কৰিব পাৰে।

ইতিপূৰ্বে আমি আমাৰ আধ্যাত্মিক তত্ত্ব, শঙ্কৰী সাহিত্য-সংস্কৃতি, শিক্ষাতত্ত্ব আদিৰ ওপৰত আৰু অসমীয়া সাহিত্য-সংস্কৃতিৰ সম্পৰ্কীয় অদ্যপৰিমিত ২২খন গ্ৰন্থ আৰু প্ৰায় ৩০০ৰো অধিক প্ৰবন্ধ লিখি প্ৰকাশ কৰি আহিছোঁ। প্ৰবন্ধবোৰ বিভিন্ন স্মৃতিগ্ৰন্থ, স্মৰণিকা, মুখপত্ৰ, বাতৰি কাকতত প্ৰকাশ হৈ আহিছে। গ্ৰন্থসমূহৰ ভিতৰত "গীতাৰ প্ৰতিধ্বনি, আধ্যাত্মিক আৰু নৈতিক শিক্ষা, উপনিষদ বৰগীত আৰু নামঘোষাৰ তত্ত্বৰহস্য, কথা-কীৰ্ত্তন-ঘোষা, পাৰমাৰ্থিক তত্ত্ব, প্ৰাচীন অসমীয়া অভিধান, গদ্য ৰামায়ন, কৃষ্ণ-গীতা, চাৰিবেদ, পদ্মপুৰাণ, শিক্ষা-শিক্ষাদান-অধ্যয়ন প্ৰণালী, নিষ্ঠা আৰু আন্তৰিকতাৰে শিক্ষকতা, কথা কবিতাঃ হৃদয় তৰঙ্গ আদি উল্লেখযোগ্য।

এই অভাজনে বিভিন্ন ধৰ্ম্মালোচনী সভা, ধৰ্ম্মীয় আলোচনা চক্ৰ আলোচনা সত্ৰ আদিত গীতা, ভাগৱত, নাম-ঘোষা, ভক্তিৰত্নাকৰ, ভক্তিৰত্নাৱলী, বেদ, কীৰ্ত্তন, দশম আদিৰ ব্যাখ্যা কৰি অহা হৈছে। ধৰ্ম্মীয় সভাবোৰত ভক্তপ্ৰাণ ৰাইজৰ পৰা বিপুল সহাঁৰি পোৱা হৈছে, তেৰা সবৰ সান্নিধ্যই





আমাক উৎসাহিত কৰি আহিছে।

ধেমাজি কিৰণ প্ৰকাশনৰ স্বত্বাধিকাৰী শ্ৰীমান নৱ কলিতাই আমাৰ সৰহখিনি গ্ৰন্থ প্ৰকাশ কৰি আহিছে। তেওঁৰ অকৃত্ৰিম সেৱাৰ বাবে নথৈ কৃতজ্ঞ আৰু প্ৰকাশনৰ কৰ্ম্মীসকললৈও কৃতজ্ঞতা জনালো।

অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে সদৌটিৰে ওচৰত ক্ষমা বিচাৰিলো। অন্য গ্ৰন্থৰ দৰে এই মহা গ্ৰন্থখনে সুহৃদ-পাঠক, ভক্তপ্ৰাণ ৰাইজ আৰু সত্য-শিৱ-সুন্দৰ-সাধকসকলৰ পৰা সমাদৰ পালে আমাৰ শ্ৰম সাৰ্থক হ'ব। সৰ্ব্বশেষত সকলোলৈকে সেৱাজনাই বক্তব্য সামৰণি মাৰিলোঁ।

কৃষ্ণ-শঙ্কৰ-গুৰু হৰি ৰাম, ৰাম।

-সেৱাৰে-

**বিপিন চুতীয়া**

# ভাগৱত সম্পৰ্কে লিখকৰ দ্বাৰা কেইটিমান উদ্ধৃতিৰ অৱতাৰণা

4

**(ক) পদ্মপুৰাণত ভাগৱত মহাশাস্ত্ৰৰ ৰূপকল্পনা কৰিছে —**

পাদৌ যদীয়ৌ প্ৰথম দ্বিতীয়ৌ তৃতীয়তু যৌ কথিতৌমদূৰ্ৰূ।
নাভিস্তথা পঞ্চম এব ষষ্ঠোভূজান্তৰং দোৰ্যুগলং তথান্যৌ।।
কণ্ঠস্তৰাজন্ নৱমো মদীয়ো মুখাৰ বিন্দং দশমং প্ৰফুল্লম।
একাদশোযশ্চ ললাট পট্টং শিৰোহপি যদদ্বাদশ এৱভাতি।।
নমামিদেৱং কৰুণাং নিধানং তমালবৰ্নং সুহিতাৱতাৰম্।।
অপাৰ সংসাৰ সমুদ্ৰ হেতুং ভজামহে ভাগৱত স্বৰূপম।।

দেহকেই ভাগৱত বুলি ধৰি দ্বাদশ স্কন্ধ দেহতেই প্ৰোজ্জ্বল হৈ উঠিছে। দুই চৰণ প্ৰথম আৰু দ্বিতীয় স্কন্ধ, দুই উৰু তৃতীয় আৰু চতুৰ্থ স্কন্ধ, নাভি পঞ্চম স্কন্ধ, বক্ষ ষষ্ঠস্কন্ধ, বাহু যুগল সপ্তম আৰু অষ্টম স্কন্ধ, কণ্ঠ নৱম স্কন্ধ, মুখ দশম স্কন্ধ, ললাট একাদশ আৰু শিৰ দ্বাদশ স্কন্ধ বুলি ধৰি ভগৱানক চৈতন্যস্বৰূপ কৰি লোৱা হৈছে। কায়ৰ লগত বৰণৰো সমাৱেশ ঘটিছে— তমাল ফুলৰ দৰে শ্যামবৰণৰ।

বেদ-বেদান্তত প্ৰকাশ পোৱা পৰম পুৰুষ জনেই ভগৱান। ভগৱন্তৰ গুণলীলাৰ বৰ্ণনা য'ত থাকে সেয়ে ভাগৱত শাস্ত্ৰ। ভাগৱতত ভগৱানৰ সৃষ্টিতত্ব, পালনতত্ত্ব, সংহাৰতত্ত্ব, অৱতাৰ ও অৱতাৰ কৰ্ম্ম, ভক্তৰ চৰিত্ৰ প্ৰকাশ পাইছে। গুণ প্ৰকাশ কৰিবৰ কাৰণে ভগৱন্তৰ পূৰ্ণ অৱতাৰ কৃষ্ণৰ লীলা বৰ্ণনা কৰা হৈছে। ভগৱান প্ৰকৃতাৰ্থত নিৰ্গুণ হলেও গুণ প্ৰকাশৰ বাবে সগুণ ৰূপে লৈ ভগৱানৰ নাম গুণ শ্ৰৱণ কীৰ্তন, নিবৃত্তি পথৰ উপদেশ দিয়া হৈছে আৰু প্ৰথমাৱস্থাত সাধন ভক্তি আৰু অচলাভক্তি লাভ হ'লে সাধ্য-ভক্তিত উপনীত হ'বলৈ পৰমাৰ্শ দিয়া হৈছে; এয়ে পঞ্চম পুৰুষাৰ্থ। সনক, সনন্দ, সনতকুমাৰ



আৰু সনাতন পঞ্চম পুৰুষাৰ্থ প্ৰতিপাদক বাবে তেওঁলোক মহাভাগৱত।

**(খ) ভাগৱতৰ আৰম্ভণিতে বাৰটা সত্য বা শ্লোক উল্লিখিত হৈছে।**

"ওঁ+ ন + মো + ভ+ গ+ ৱ + তে + বা + সু + দে + বা + য় " ইয়াক দ্বাদশাক্ষৰ বোলা হয়।

(ক) নাৰায়ণে — অ + উ + ম = ওঁ শব্দ ব্ৰহ্মাক দিয়ে।

(খ) ব্ৰহ্মাই নাৰদক — জ্ঞান - বিজ্ঞান - তদং - ৰহস্য শ্লোকেৰে

(গ) নাৰদে ব্যাসক — জ্ঞান-বিজ্ঞান - তদং - ৰহস্য, ক্ৰিয়া, গুণ = শ্লোকেৰে

(ঘ) ব্যাসে শুকক — জ্ঞান-বিজ্ঞান-তদং- ৰহস্য -ক্ৰিয়া - গুণ -জাতি দ্ৰব্য = শ্লোকেৰে,

(ঙ) শুকে পৰীক্ষিতক = জ্ঞান-বিজ্ঞান -তদং-ৰহস্য-ক্ৰিয়া- গুণ-জাতি-দ্ৰব্য-মায়া- ঈশ- জীৱ তৰণ =শ্লোকেৰে দিছিল।

সেইমতে শ্লোকৰ ক্ৰম হ'ব নাৰায়ণে —৩, ব্ৰহ্মাই -৪, নাৰদে -৬, ব্যাসে -৮, শুকে -১২, শ্লোক।

ক্ৰমানুসাৰে বাৰটা শ্লোক —

জ্ঞান, বিজ্ঞান, তদং, ৰহস্য।।
জাতি, দ্ৰব্য, ক্ৰিয়া, গুণ।।
মায়া, ঈশ্বৰ, জীৱ, তৰণ।।

(১) জ্ঞান — গুৰু, গুৰুআগ।

(২) বিজ্ঞান — দেৱ (কৃষ্ণ)

(৩) তদং — ভগৱন্তৰ নাম (প্ৰেমভক্তি)।

(৪) ৰহস্য — কৃষ্ণৰ একান্ত ভকত।

(৫) জাতি — সকলো জাতিয়ে ঈশ্বৰক ভক্তি কৰিব পাৰে।

(৬) দ্ৰব্য — (ভাগৱত) - যি পবিত্ৰ দ্ৰব্য ঈশ্বৰৰ অৰ্চ্চনা কৰা হয়।

(৭) ক্ৰিয়া — ঈশ্বৰে যি কৰে, ভকতেও তাকে কৰে।

(৮) গুণ — ঈশ্বৰৰ যি গুণাৱলী, ভকতৰো সেই গুণাৱলী।

(৯) মায়া — পুত্ৰ-ভাৰ্য্যা-ধন-ধান- ঐশ্বৰ্য্য-বিভূতি-মায়া।

(১০) ঈশ্বৰ — ঈশ্বৰ আত্মাত অধিষ্ঠিত থাকে, বুদ্ধিৰে লগ পোৱা যায়।

(১১) জীৱ — দেহৰ লগত জীৱৰ সম্বন্ধ, জীৱক মঙ্গলময় কৰি তুলিব লাগে।

(১২) তৰণ — ভব-সংসাৰৰ পৰা ত্ৰাণ পোৱাৰ উপায়, (শ্ৰৱণ-কীৰ্তন)

(গ) ভাগৱত শাস্ত্ৰ কোন কোন সুঁতিয়েদি আহিল—?

১। **প্ৰথমটি সুঁতি ঃ-**

আদিনিৰঞ্জন, অনাদিক ক'লে, অনাদিয়ে অনন্তক ব্যক্ত কৰিলে, অনন্তৰ পৰা কালপুৰ নাৰায়ণে পালে, কালপুৰে হংস নাৰায়ণক দিলে, হংস নাৰায়ণে শ্ৰী নাৰায়ণক প্ৰদান কৰিলে, শ্ৰীনাৰায়ণে ব্ৰহ্মা, বিষ্ণু, মহেশক দিলে। ব্ৰহ্মাই নাৰদক, নাৰদে ব্যাসক, ব্যাসে শুকক, শুকে পৰীক্ষিতক কলে। উগ্ৰসবা সুতে পৰীক্ষিতে কওঁতে শুনি- নৈমিষাৰণ্যৰ ঋষি সমস্তক কোৱাৰ উপৰিও শঙ্কৰাচাৰ্য্যক ক'লে, শঙ্কৰাচাৰ্য্যই নৃসিংহক ক'লে, নৃসিংহই পৰমানন্দক কলে, পৰমানন্দই মহাভাৰতী আৰু পুৰুষোত্তমক ক'লে, পুৰুষোত্তমে বিষ্ণুপুৰী সন্ন্যাসীক ক'লে, বিষ্ণুপুৰীয়ে নিজ শিষ্য ব্ৰহ্মানন্দ ভট্টাচাৰ্য্যক দিলে, ব্ৰহ্মানন্দই জগদীশ মিশ্ৰক প্ৰদান কৰিলে; জগদীশে জগন্নাথ প্ৰভুৰ আজ্ঞাপৰ হৈ শ্ৰীকৃষ্ণ শঙ্কৰদেৱক প্ৰদান কৰিলে আৰু শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰচাৰ কৰিলে।

২। **দ্বিতীয়টি সুঁতি ঃ-**

অনন্তৰূপী হৰিয়ে চাৰিসিদ্ধক, চাৰিসিদ্ধই সাংখ্যায়নক, সাংখ্যায়নে পৰাশৰ মুনিক, পৰাশৰে মৈত্ৰেয়ক, মৈত্ৰেয়ই বিদুৰক মহাভাগৱত শাস্ত্ৰ ব্যক্ত কৰিলে।

ভাগৱত কল্পতৰু বৃক্ষ সদৃশ বাবে কল্পতৰু শাস্ত্ৰ বোলা হয়। বৈকুণ্ঠৰ পৰা অহাৰ বাবে বৈকুণ্ঠৰ কল্পতৰু শাস্ত্ৰও বোলে। ইয়াক কল্পতৰু বৃক্ষৰ লগত তুলনা কৰা হয়—

| (ঘ) **কল্পতৰু বৃ** | **ভাগৱত শাস্ত্ৰ** |
|---|---|
| ১। উত্তম বীজ বা গুটি | সজ্জ্বন সকল (ভকত) |
| ২। অবয়ব (আলি বা পানী ৰখা ঢাপ) | প্ৰেমৰ অনুৰাগ, বিভাব আদি। |
| ৩। বাৰটা ডাল | বাৰটা স্কন্ধ |
| ৪। ঠাল সমূহ | ৩৩৫ টা অধ্যায় |
| ৫। পাত সমূহ | ১৮,০০০ টা শ্লোক। |
| ৬। পাঁচটা গুটি বা ফল | ধৰ্ম-অৰ্থ-কাম-মোক্ষা ভক্তি। |



(ঙ) **ভাগৱত শাস্ত্ৰৰ প্ৰধান বৈশিষ্ট্যসমূহ ঃ-**

১। পুৰাণ সমূহৰ ভিতৰত সূৰ্য্য স্বৰূপ।

২। পৰম ঈশ্বৰ তত্ত্বেৰে ভৰপূৰ।

৩। সমস্ত বেদ-বেদান্তৰ সাৰতত্ত্ব।

৪। তিনি তাপৰ পৰা উদ্ধাৰ কৰি পৰম আনন্দ দিয়ে।

৫। মহন্ত-সাধু-সন্ত-পুণ্যশীল লোকেহে শুনাৰ অধিকাৰী।

৬। ইয়াৰ তত্ত্ব-শাশ্বত, অবিনাশী।

৭। সংসাৰ-সাগৰত তৰণৰ একমাত্ৰ নৌকাস্বৰূপ।

৮। পুণ্যশীল লোকৰ চিৰকলীয়া আচৰণীয় ধৰ্ম-বস্তুৰে ভৰা।

(চ) **বাৰস্কন্ধৰ তাৎপৰ্য**

| **স্কন্ধ................দ্বাদশা ৰ** | | **েকাৰ্থ** | **তত্ব** |
|---|---|---|---|
| ১ম স্কন্ধ | ওঁ | জ্ঞান | পৰমায়ু। |
| ২য় স্কন্ধ | ন | বিজ্ঞান | দোষ দৃষ্টি। |
| ৩য় স্কন্ধ | মো | তদং | নিৰ্গুণ। |
| ৪ৰ্থ স্কন্ধ | ভ | ৰহস্য | ছয়উৰ্ম্মি। |
| ৫ম স্কন্ধ | গ | মায়া | প্ৰাণ। |
| ৬ষ্ঠ স্কন্ধ | ৱ | ঈশ | ষোড়শ বিকাৰ। |
| ৭ম স্কন্ধ | তে | জীৱ | সপ্ত আবৰণ। |
| ৮ম স্কন্ধ | বা | তৰণ | অষ্টাদশ পদ্ম। |
| ৯ম স্কন্ধ | সু | জাতি | নবদ্বাৰ। |
| ১০ম স্কন্ধ | দে | দ্ৰব্য | দশইন্দ্ৰিয়। |
| ১১শ স্কন্ধ | বা | ক্ৰিয়া | জীৱাত্মা। |
| ১২শ স্কন্ধ | য় | গুণ | পৰমাত্মা। |

(ছ) **ভাগৱতৰ (ব্যাসকৃত) মঙ্গলাচৰণত থকা েক আৰু ইয়াৰ সংপে ভাবাৰ্থ** —

'জন্মাদস্যযতোহন্বয়াদিতৰত শ্চাৰ্থেত্বভিজ্ঞঃ স্বৰাট।
তেনে ব্ৰহ্মহৃদা য আদিকবয়ে মুহ্যন্তি যৎ সুৰয়ঃ।।
তেজোবাৰি মৃদাং যথা বিনিময়োয়ত্ৰ ত্ৰিস্বৰ্গোহমৃষা।
ধাম্না স্বেন সদা নিৰস্তকুহকং সত্যং পৰং ধীমহি।।

**ভাবাৰ্থ —** যিজন জগতৰ সৃষ্টি-স্থিতি সংহাৰৰ মূলকাৰণ, যাক অন্বয় নকৰাকৈ উভয় বিচাৰতে সৎ আৰু অসৎ নতুবা কাৰ্য্য-অকাৰ্য্যৰূপী জগতকে উপলব্ধি কৰা হয়, দেৱতাগণকো মোহিত কৰিব যি পাৰে, যি বেদৰ তত্ত্ব-জ্ঞান আদি কবি ব্ৰহ্মাৰ হৃদয়ত স্থাপন কৰিলে, মাটিতে তাপৰ ক্ৰিয়াৰে পানীৰ ভ্ৰম (মৰীচিকা)ৰ নিচিনা অসত্যতে সত্যৰ ভ্ৰম সৃষ্টি কৰি থকা মায়াজাল যিজনৰ প্ৰভাৱত আতৰ হয়, সেই সত্যৰূপী পৰম তত্ত্বক ধ্যান কৰোঁ।"

"ধৰ্মঃ প্ৰোজ্‌ঝিতকৈতৱোঽত্ৰ পৰমো নিৰ্মৎসৰানাং সতাং।
বেদ্যং বাস্তৱমত্ৰৱস্তু শিবদং তাপত্ৰয়োন্মুলম্।।
শ্ৰীমদ্ভাগৱতে মহামুনিকৃতে কিংৱা পৰৈৰীশ্বৰঃ।
সদ্যো হৃদব্যৰু ধ্যতেঽত্ৰ কৃতিভিঃ শুশ্ৰূষু ভিস্তৎক্ষণাৎ।।"

**ভাবাৰ্থ —** মহামুনি নাৰায়ণে কোৱা ভাগৱত ঈৰ্ষাশূন্য প্ৰাণীৰ বাবে হিতকাৰী আৰু মহন্তজনৰ অনুষ্ঠানৰ যোগ্য অৰ্থাৎ পালনীয়, মুক্তিত নিস্পৃহ সৰ্ব্বশ্ৰেষ্ঠধৰ্মৰ বিধান দিছে। ই তিনি তাপ বিনাশক, পৰমসুখময়, পৰমাৰ্থতত্ত্ব সম্বলিত। অন্যান্য শাস্ত্ৰৰ দ্বাৰা ভাগৱক ভাল কৰিবলৈ বহু সময়ৰ প্ৰয়োজন, কিন্তু ভাগৱত শাস্ত্ৰৰ দ্বাৰা ভাগৱত শ্ৰৱণৰ প্ৰতি ইচ্ছা হোৱাৰ লগে লগে সেই ভগৱৎ ভক্ত সকলৰ হৃদয়ত ভগৱান আৱদ্ধ হৈ পৰে।

"নিগম কল্পতৰু গলিতং ফলং শুকমুখাদ মৃতদ্ৰৱ সংযুক্তম।
পিবতঃ ভাগৱতং ৰসমালয়ং মূহুৰহোৰসিকা ভূবি ভাবুকাঃ।"

**ভাবাৰ্থ —** "ৰসপিপাসু ৰসজ্ঞসকল! শুকমুনিৰ মুখ নিসৃত বেদৰূপ কল্পতৰু বৃক্ষ ভাগৱতৰ নাম পৰমানন্দ স্বৰূপ ৰসময়ীফল সাধনাৰ আৰম্ভণিৰ পৰা মোক্ষলাভৰ সময়লৈকে অহৰহ পালন কৰা উচিত।

**(জ) ভাগৱতৰ চতু ঃ শ্লোক ঃ-**

**প্ৰথম ্েক —**

অহমেবা সমেবাগ্ৰে নানাদ যৎ সদসৎ পৰম।
পশ্চাদহং যদেতচ্চ যোঽৱাশয্যেত সোঽস্ম্যহম।।

**ভাবাৰ্থ —** "মহাপ্ৰলয়ৰ সময়ত মইহে আছিলো। ময়েই কাৰ্য-কাৰণ অতীত বস্তু ব্ৰহ্মবস্তু। সৃষ্টিৰ পিছতো ময়েই থাকো, জগত মোৰ পৰা অভিন্ন। প্ৰলয়ৰ পাচতো ময়ে মাত্ৰ থাকোঁ।"

**শ্ৰীমন্ত শঙ্কৰদেৰৰ অনুবাদ—**

ব্ৰহ্মাৰ প্ৰাৰ্থনা শুনি কৃষ্ণ নিগদতি।



চতুঃ শ্লোক ভাগৱত লোৱা প্ৰজাপতি।।
জগতৰ পূৰ্ব্বে মই মাত্ৰ থাকো জান।
কাৰ্য্য-কাৰণৰ কিছু নাছিলেক আন।।৬৮৪
মোক মাত্ৰ দেখিয়োক সৃষ্টিৰ মধ্যত।
দেখা শুনা মানে সবে মই বিচাৰত।।
মই মাত্ৰ অৱশেষ থাকোহো অন্তত।
কুণ্ডল ভাঙিলে যেন সোনা স্বৰূপত।"৬৪৯

**দ্বিতীয় ্েক ঃ**

ঋতেঽৰ্থং যৎ প্ৰতীয়েতেন প্ৰতীয়েত চাত্মনি।
তদ্বিদ্যা দাত্মনো মায়াং যথাভাসো যথা তমঃ। ২।৯।৩৩

**ভাবাৰ্থ —** "যাৰ প্ৰভাৱত পদাৰ্থত প্ৰকৃত অস্তিত্ব নাথাকিলেও অনিৰ্বাচনীয় ৰূপে আত্মাত প্ৰকাশিত হয়, অথচ আত্মা থকা সত্ত্বেও যাৰ প্ৰতীতি নহয়, তাকেই ভগবানৰ মায়া বোলে।

**শ্ৰীমন্ত শঙ্কৰদেৰৰ অনুবাদ ঃ**

অবস্তুক দেখাৱয় বস্তুক আবৰি।
এহিসে মোহোৰ মায়া জানা নিষ্ঠকৰি।।
নাথাকিতো দেখিযেন চন্দ্ৰমা দুতয়।।
থাকিতো ৰাহক যেন কেহো নেদেখয়।।৬৫০
এহিমতে মায়া আঁৰ কৰি ঈশ্বৰক।
আশাৰ বিষয় তাক দেখাৱে জীৱক।।

**তৃতীয় শ্লোক ঃ**

যথা মহান্তি ভূতানি ভুতেষুচ্চাৰ চেৰণু।
প্ৰবিষ্টন্য প্ৰবিষ্ঠানি তথাতেষু ন তেষৱহম।

**ভাবাৰ্থ —** দেৱতা-মনুষ্য আদিৰ জীৱদেহ পঞ্চমহাভূতেৰে নিৰ্ম্মিত। গতিকে আকাশ আদি পঞ্চমহাভূত জীৱদেহতপ্ৰবিষ্ট হৈ থাকে আৰু জীৱদেহৰ বাহিৰতো এই পঞ্চ মহাভূত থাকে কিন্তু তাত অপ্ৰবিষ্ট হৈ থাকে।"

**শ্ৰীমন্ত শঙ্কৰদেৰৰ অনুবাদ -**

" যেনমহাপঞ্চভূতে কৰিয়া নিবাস।
স্থাৱৰ জঙ্গম সদা কৰয় প্ৰকাশ।।৬৫১
ময়ো সেহিমতে আছোঁ জগতকে ব্যাপি।

তাৰ দোষগুণে মোক নোছোৱে তথাপি।।
হেনমোক বিচাৰিব সাধুৰ সঙ্গত।
জ্ঞান বিজ্ঞানে তেবে হৈবেক বেকত।।” ৬৫২

**চতুৰ্থশ্লোক ঃ-**

এতাবদেৱ জিজ্ঞাস্যং তত্ত্ব জিজ্ঞাসুনাত্মং নঃ।
অন্বয় ব্যতিৰেকাভ্যাং যৎ স্যাৎ সৰ্ব্বত্ৰ সৰ্ব্বদা।।

**ভাবাৰ্থ —** সেইদৰে ময়ো সকলোৰে ভিতৰত আৰু বাহিৰত আছো।

**শ্ৰীমন্ত শঙ্কদেৱৰ অনুবাদ ঃ**

“যিটো তনু তয়ু আগে কৰিছোঁ বেকত।
এহিমোৰ নিজৰূপ কৈলো স্বৰূপত।৬৫৩
সৃষ্টি স্থিতি আদি মোৰ লীলা অনুপাম।
ব্ৰহ্মণ্য শৰণ্য আদি গুণ আৰু নাম।
তয়ু আগে চাৰিশ্লোক কৈলো ভাগৱত।
মোৰ আশীৰ্বাদে সবে হৈবে কণ্ঠাগত।” ৬৫৪

**(ঝ) ভাগৱত মাহাত্ম্য আৰু ঈশ্বৰ কৃষ্ণ -**

- ভাগৱতেই কৃষ্ণ আৰু কৃষ্ণই ভাগৱত-

“কৃষ্ণস্তু ভগবান স্বয়ম্”— ১।৩।২৮

কলিযুগৰ তৰণৰ নৌকা হিচাবে কৃষ্ণই বৈকুণ্ঠ প্ৰয়াণৰ পাচত মৰ্ত্যত ভাগৱত হিচাবে থাকি গ’ল। কৃষ্ণই নাৰদ হিচাবে নামধৰ্ম প্ৰচাৰ কৰিছিল —

“কৃষ্ণ সূৰ্য্য ভৈলন্ত উদিত।
নাম ধৰ্ম কৰিলা বিদিত।।” কীৰ্তন ঘোষা, সংখ্যা— ১৬৭।।

**নাৰদ পাঞ্চৰাত্ৰ তন্ত্ৰত আছে—**

“গণেশ শেষ ব্ৰহ্মেশ দিনেশ প্ৰমুখঃ সুৰাঃ।
কুমাৰাদ্যাশ্চ মুনয়ঃ সিদ্ধাশ্চ কপিলাদযঃ।।
লক্ষ্মী সৰস্বতী দুৰ্গা সাবিত্ৰী ৰাধিকা পৰা।
ভক্ত্যা নমস্তি যঃ শশ্বত্তং নমামি পৰাৎপৰম্।।”

**ভাবাৰ্থ —** “গনেশ, শেষ অৰ্থাৎ অনন্ত, ব্ৰহ্মা, মহেশ সূৰ্য্যাদি প্ৰধান প্ৰধান দেৱগণে, সনৎকুমাৰাদি মুনিসকলে, কপিলকে আদি কৰি সিদ্ধগণে, লক্ষ্মী-সৰস্বতী-দুৰ্গা-সাবিত্ৰী-ৰাধিকাদি দেৱীসকলে -যি পৰমব্ৰহ্ম সনাতন কৃষ্ণক নমস্কাৰ কৰে, -সেই পৰমব্ৰহ্মৰূপী কৃষ্ণক মই নমস্কাৰ জনাওঁ।।” তেওঁ পৰম





ব্ৰহ্ম আৰু তেওঁকেই ওম্ (ওঁ) সূচকেৰে পৰিচয় দিয়া হৈছে গীতাত। গীতাত তেওঁ একাক্ষৰ ওঙ্কাৰ ধ্বনিক ‘মই’ বুলি কৈছে, —, সেয়ে প্ৰণৱ-ওঁ।। গতিকে অৱতাৰী কৃষ্ণই ওম্ আৰু বাণীময় মূৰ্তি ভাগৱতেই কৃষ্ণ।

পদ্মপুৰাণৰ উত্তৰ খণ্ডত ভাগৱত মহিমা সম্পৰ্কে ৬ টা অধ্যায় আছে। তাত কৃষ্ণ ভাগৱতৰ অভিন্নতাৰ সম্পৰ্কে সবিশেষ তথ্য দিয়া হৈছে। কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ সময়ত উদ্ধৱে কৃষ্ণক সুধিছিল— “আপোনাৰ অবিহনে কলিত ভক্তই কেনেকৈ কালায়াপন কৰিব? নিৰ্গুণ উপাসনা লোকৰ বাবে অতি দুসাধ্য আৰু কষ্টকৰ, গতিকে উপায় কি হ’ব? কৃষ্ণই উত্তৰ দিলে—“মই মোৰ সমস্ত শক্তি ভাগৱততে স্থাপন কৰি অন্তৰ্দ্ধান হ’ম আৰু এই ভাগৱততেই মই থাকিম, সেই ভাগৱতক সেৱা কৰিলে, শ্ৰৱণ কৰিলে, পাঠ কৰিলে, দৰ্শন কৰিলে কলিৰ পাপ বিনাশ হ’ব।”

“তেনয়ং বাঙ্ময়মূৰ্ত্তিঃ প্ৰত্যক্ষাৰৰ্ত্ততে হৰেঃ।
সেৱনাৎ শ্ৰৱণাৎ পাঠাৎ দৰ্শনাৎ পাপনাশিনী।।” — ভাগৱত-৩/৬২

-সেৱাৰে-
শ্ৰীবিপিন চুতীয়া

# সূচীপত্ৰ


| | | |
|---|---|---|
| ১। | প্ৰথম স্কন্ধ | ১ |
| ২। | দ্বিতীয় স্কন্ধ | ১ |
| ৩। | তৃতীয় স্কন্ধ | ১ |
| ৪। | চতুৰ্থ স্কন্ধ | ১ |
| ৫। | পঞ্চম স্কন্ধ | ১ |
| ৬। | ষষ্ঠ স্কন্ধ | ১ |
| ৭। | সপ্তম স্কন্ধ | ১ |
| ৮। | অষ্টম স্কন্ধ | ১ |
| ৯। | নৱম স্কন্ধ | ১ |
| ১০। | দশম স্কন্ধ | ১ |
| ১১। | একাদশ স্কন্ধ | ১ |
| ১২। | দ্বাদশ স্কন্ধ | ১ |
| ১৩। | ভাগৱত অভিধান ও চৰিত্ৰাৱলীৰ পৰিচয় | ১ |


## সম্পূৰ্ণ অসমীয়া

# কথা-ভাগৱত

# ।। প্ৰথম স্কন্ধ ।।

## মহাপুৰুষ শঙ্কৰদেৱ বিৰচিত

**মূল বিষয় ঃ**

১। ব্যাসৰ অশান্তি।

২। নাৰদৰ জন্ম-বৃত্তান্ত আৰু ব্যাসক ভাগৱত প্ৰদান।

৩। অশ্বত্থামাৰ ব্ৰহ্ম অস্ত্ৰ প্ৰয়োগ আৰু কুন্তীৰ কৃষ্ণস্তুতি।।

৪। ভীষ্মৰ দেহাবসান, কৃষ্ণৰ দ্বাৰকাগমন, পৰীক্ষিতৰ জন্মবৃত্তান্ত ধৃতৰাষ্ট্ৰৰ বাণপ্ৰস্থ গ্ৰহণ

৫। ধৰ্ম আৰু পৃথিৱীৰ কথোপকথন, পৰীক্ষিতৰ কলি নিগ্ৰহ।

৬। পৰীক্ষিতৰ ওপৰত শাপ, শুকৰ পৰা ভাগৱত শ্ৰৱণ

৭। প্ৰথম স্কন্ধৰ তত্ত্ব-কথা



## প্ৰথমস্কন্ধ

**মঙ্গলাচৰণ —**

যি পৰম ব্ৰহ্ম কৃষ্ণৰ আদেশ ব্ৰহ্মা, হৰি, হৰেও নতশিৰে মানি চলে, সেই কৃপাময় মহেশ্বৰ কৃষ্ণৰ জয় হওঁক। সেই পৰম ঈশ্বৰে জগতৰ মহাকল্যাণৰ অৰ্থে মৎস্য, কূৰ্ম্ম, বৰাহ, নৰসিংহ বামণ, পৰশুৰাম, শ্ৰীৰাম, হলিৰাম, বৌদ্ধ, কল্কি — দহটি প্ৰধান অংশ অৱতাৰ আৰু সনতকুমাৰ, পৃথু, নাৰদ, নৰনাৰায়ণ, কপিল, দত্তাত্ৰেয়, যজ্ঞ, ঋষভ, ধন্বন্তৰি, মোহিনী, ব্যাস, হৰি,হয়গ্ৰীৱ— চৈধ্যটি কলা আৰু বিভূতি অৱতাৰ অৰ্থাৎ চৰ্তুবিংশতি অৱতাৰ গ্ৰহণ কৰে। সেই কৃষ্ণক কোটি কোটি বাৰ নমস্কাৰ জনাওঁ। মধু আৰু মূৰ দৈত্যক যি মহাহৰিয়ে বধ কৰিছিল, যাক স্মৰণ কৰি অন্ত্যজাতিয়েও উত্তমগতি লাভ কৰিব পাৰে, যাৰ পৰমমঙ্গল নামে সমস্ত বিশ্বব্ৰহ্মাণ্ডক উদ্ধাৰ কৰিব পাৰে, তেনেজন পৰমাত্মা কৃষ্ণলৈ সহস্ৰ বাৰ প্ৰণাম যাছো।

ভগৱন্ত প্ৰভু ভক্তবৃন্দৰ বাবে নৰৰত্ন সদৃশ। তেনে ঈশ্বৰ কৃষ্ণক স্মৰণ কৰো, যাতে মহান ভাগৱত শাস্ত্ৰ প্ৰণয়নৰ মহান কৰ্ম সাধিত হয়। পৰীক্ষিতৰ মোক্ষ লাভৰ অমৃত কথাৰে ভৰা দ্বাদশস্কন্ধৰ ইতিবৃত্ত বৰ্ণনা কৰিবলৈ কৃষ্ণৰ চৰণাবিন্দত কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে সেৱা জনাইছে। প্ৰথম স্কন্ধৰ পৰা দ্বাদশস্কন্ধৰ কথা মহামহন্ত শুকমুনিয়ে মহাৰাজ পৰীক্ষিতৰ আগত কৈছিল। সেই মহান কথা-অমৃতৰ সাগৰ মন্থন কৰি অতি সংক্ষেপে কৃষ্ণ কথা পয়াৰ ছন্দত শঙ্কৰদেৱে ৰচনা কৰিলে। গঙ্গা নদীৰ পাৰত মহামুনি শুকদেৱে মুমুৰ্যু পৰীক্ষিতক মহাভাগৱত ব্যাখ্যা কৰোঁতে সুত প্ৰমুখ্যে ৬৪,০০০ ঋষি মুনি-সাধক বৃন্দই শ্ৰৱণ কৰিছিল আৰু তাৰ পাছত সুত মুনি গোমতী নদীৰ পাৰত অৱস্থিত মহাপুণ্যক্ষেত্ৰ নৈমিষ অৰণ্যাশ্ৰমত ২৮,০০০ বেদজ্ঞ মুনিৰ সভাত উপস্থিত হয়। তেৰাসবে মহাসত্ৰ প্ৰতিষ্ঠা কৰি আদৰ সাদৰ কৰি মহামুনি সুতক ভাগৱত ব্যাখ্যা কৰিবলৈ প্ৰাৰ্থনা জনালে। মুনিসমস্তৰ ভিতৰত শ্ৰেষ্ঠ শৌনককে আদি কৰি মুনিগণে ভাগৱত অমৃত পান কৰিবলৈ সাজু হ'ল।

**শৌনক প্ৰমুখ্যে মুনিগণৰ সুতক প্ৰা —**

কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ পাচত কলিযুগ আৰম্ভ হয় আৰু মহাকলিয়ে পৃথিৱী

গ্ৰাস কৰিলে বুলি জানি মহামুনি সুতক শৌনকে ক'লে-পৰম পাতকী কলিৰ পৰা ৰক্ষা পোৱাৰ উদ্দেশ্যে হাজাৰ বছৰ জোৰা যজ্ঞ আমি আৰম্ভ কৰিলোঁ; যজ্ঞৰ হোমৰ ধোঁৱাৰে আমাৰ শৰীৰ ধূম্ৰবৰ্ণ হ'ল। কৰ্ম্মকান্তী যজ্ঞৰ ওপৰত বিশ্বাস কৰি যি কৰ্মাচৰণ কৰিলো তাৰ ফল নধৰিল, কাৰণ কলিযুগত যাগ-যজ্ঞ নিষ্ফল। গতিকে কেৱল আয়ুস পঠিওৱাহে হ'ল। এতিয়া আমাৰ কেনেকৈ হিত সাধন হ'ব, হে মুনিবৰ তাৰ কথা চিন্তা কৰক; কৃষ্ণৰ পৰম অমৃতময় চৰিত্ৰ আৰু লীলাৰ অমিয়া আমাক পান কৰাওক। পৰম ঈশ্বৰ কৃষ্ণ, দেৱ নাৰায়ণক শ্ৰৱণ-কীৰ্তন ভক্তিৰে আমি সেৱা কৰিব বিচাৰো, কাৰণ শ্ৰবণ কীৰ্তন বোলে মহাভক্তি। এই কথা আমি নাজানি কৰ্মকাণ্ডত লিপ্ত হৈ মৃতপ্ৰায় হৈছোঁ। গতিকে আমি যাতে তৰিব পাৰোঁ— তাৰ বাবে আমাক কৃষ্ণ কথা কওক।

সাধু-মহন্ত-সন্তজনৰ সান্নিধ্য লাভ কৰিবলৈ পোৱাটো মহান ভাগ্য। তোমাৰ দৰে এজন মহাসন্তক ভাগ্যে লগ পাইছো, কাৰণ

"যত স্বৰ্গসুখ যিটো মোক্ষ সুখ মূল।
ভকতৰ সঙ্গৰ অল্পকো নুহি তুল।।" ৯।।

যিমানবোৰ স্বৰ্গ সুখ আছে, সেই সমস্ত সুখেই ক্ষণস্থায়ী; মোক্ষ বা মুক্তি লাভ চিৰস্থায়ী; মোক্ষলাভৰ তুলনা নাই। জগতৰ জীৱৰ আয়ুস সূৰ্য্যৰ গতিৰ লগে লগে কমি আহে। আকাশ মাৰ্গেদি সূৰ্য্যৰ ৰথ অবিৰাম গতিৰে গতি কৰি জীৱৰ আয়ুস হৰণ কৰে।

"একক্ষণ মানে যিটো শুনৈ কৃষ্ণ কথা।
তাৰ বিনে আনৰ জীৱন যায় বৃথা।" ১০।।

কৃষ্ণ কথা ইমানেই মহান আৰু শক্তিশালী যে একক্ষণমান কৃষ্ণকথা শুনিলেও জীৱন সাৰ্থক হয় আৰু নুশুনা জনৰ জীৱন বৃথাই যায়। সেইবাবে কৃষ্ণ কথা অমৃতৰ তুল্য আৰু ইয়াক শ্ৰৱণ কৰিলে কৃতাকৃত্য হোৱা যায়। যাগ-যজ্ঞ আদি কৰ্মানুষ্ঠান দুখৰ মূল। সেয়ে পৰীক্ষিতৰ মোক্ষ কথা আমাৰ শুনিবৰ ইচ্ছা হৈছে। তেওঁ মহাৰাজ হৈও তৰুণ বয়সতে কেনেকৈ কৃষ্ণৰ ভকত হ'ব পাৰিছিল আৰু মহাভাগৱত বুলি পৰিগণিত হৈছিল ও কৃষ্ণত নিজকে অৰ্পণ কৰি অনুত্যাগ কৰিছিল—সেই কথা আমাক কওক।

**বেদান্তৰ তত্ত্ব** ও বৈকুণ্ঠৰ শাস্ত্ৰ শুকে পৰীক্ষিতৰ আগত যে সাতদিন কৈছিল আৰু পৰীক্ষিতক কিয় সৰ্পই দংশন কৰিলে আৰু সেই মহাশাস্ত্ৰ ভাগৱত শুনি তেওঁ কেনেকৈ তৰি গ'ল— সেই কথা আমাক কওক। তেতিয়া সুতে





মহানন্দে মহাশাস্ত্ৰ ভাগৱতৰ কথা ক'বলৈ ধৰিলে— তেওঁ ক'লে গ্ৰাম্যকথা শ্ৰৱণত যি পাপ সঞ্চয় হয়, তাক কৃষ্ণ কথা শ্ৰৱণ কৰি নাশ কৰিব লাগে। কৃষ্ণ কথা কওঁতা জনৰো মহালাভ হয়। কৃষ্ণ কথা শ্ৰৱণত জাতি-অজাতিৰ বাচ-বিচাৰ নাই।

"বৈকুণ্ঠৰ শাস্ত্ৰ ইটো মহাভাগৱত।
যেনমতে পৃথিৱীত ভৈলন্ত বেকত।। ২১।।

বৈকুণ্ঠৰ শাস্ত্ৰ মহাভাগৱত বসুধাত কেনেকৈ ব্যক্ত হ'ল, ব্যাসদেৱে কিয় আৰু কেনেকৈ এই শাস্ত্ৰ প্ৰণয়ন কৰিব লগা হ'ল— তাৰ সবিশেষ কৃষ্ণক স্মৰণ কৰি কম আৰু আপোনাসবে শ্ৰদ্ধাৰে শুনক—

## ব্যাসৰ অশান্তি আৰু নাৰদৰ আগমন ঃ

পৰাশৰ পুত্ৰ ব্যাসদেৱ বদৰিকাশ্ৰমত উগুল-থুগুল মনেৰে বহি আছিল। তেওঁৰ মনত অকাৰণতে সুখ-শান্তি নাছিল, ব্ৰহ্মচিন্তা কৰিও মনলৈ আনন্দ আনিব পৰা নাছিল। কি কাৰণেনো দুখ হৈছে তাকো ভাবি-চিন্তি পোৱা নাছিল আৰু অধোমুখে নিশব্দে বহি আছিল। ইতিমধ্যে হাতত দিব্যবীণালৈ, মুখে ৰাম নাম উচ্চাৰণ কৰি, হৃদয়ত কৃষ্ণমূৰ্তি ধৰি ৰোমাঞ্চ শৰীৰে, নয়নৰ প্ৰেমধাৰা বোৱাই নাৰদ ব্যাসৰ সন্মুখত উপস্থিত হ'লহি। নাৰদক দেখি ব্যাসে আথেবেথে উঠি কৃতাঞ্জলি কৰি সেৱা জনালে।

## নাৰদ-ব্যাস সংবাদ ঃ

ব্যাসে আসন আগবঢ়াই পাদ্য-অৰ্ঘ্যে-গন্ধে-ধূপে আপ্যায়ন কৰি নাৰদক প্ৰণিপাতে আগমনৰ কাৰণ সুধিলে। নাৰদে ব্যাসক সুধিলে —তোমাৰ চিত্ত কিয় অশান্ত? মহন্তৰ এনে অস্থিৰ চিত্ৰ হোৱা অতি আচৰিত কথা। তুমি চাৰিও বেদৰ শাখা প্ৰণয়ন কৰি জাতি, ধৰ্মৰ ব্যৱস্থা কৰিলা, অষ্টাদশ পুৰাণ, মহাভাৰত ৰচনা কৰিলা। তোমাৰ যশ জগতত বৈ বৈ গ'ল আৰু তুমি ইচ্ছা কৰি ব্ৰহ্মাকো সাক্ষাত কৰিব পাৰা; তেনে ক্ষেত্ৰত তোমাৰ এনে অস্থিৰতাৰ কাৰণ কি হ'ব পাৰে মোক কোৱাচোন।

ব্যাসে ক'লে—"আপোনাক প্ৰণিপাত কৰি কৈছোঁ— মই বেদত পাৰ্গত হ'লেও, সকলো কৰ্ম ঈশ্বৰত অৰ্পণা কৰি কৰিলেও মহাজ্ঞানৰ অধিকাৰী হ'লেও, সমাধিত ব্ৰহ্মাক সাক্ষাত কৰিব পাৰিলেও মই মোৰ মনত অসন্তোষৰ কাৰণ বিচাৰি পোৱা নাই, কিবা দোষ কৰি আহিছোঁ যদি তাকো মনত পৰা নাই। গতিকে হে মহামুনি, আপুনি অগাধ বুদ্ধিৰ অধিকাৰী আৰু অংশ অৱতাৰী

ব্যক্তি; ইয়াৰ কাৰণ তোমাক সুধিছোঁ। তেতিয়া নাৰদে ক'বলৈ ধৰিলে—

"নাৰদ বদতি শুনা মহামুনি ব্যাস।
তুমিসে কৰিলা সবে জগতকে নাশ।।
নিৰন্তৰে পশুৰ লৱাইলা তুমি প্ৰাণ।
নাহিমন্দ কৰ্ম আৰু ইহাৰ সমান।"

"হে মহামুনি ব্যাস, তুমি সমস্ত জগতৰে বিনাশৰ কাৰণ হ'লা, কিয়নো ব্ৰহ্ম অংশী পশুবোৰৰ প্ৰাণনাশ কৰিবলৈ সিদ্ধান্ত দিলা। জীৱ হিংসা মহাপাপ। বেদৰ বহিঃ ভাগত থকা কৰ্ম কাণ্ডক অৱলম্বন কৰি পশুবলিদানৰ বিধান দিলা আৰু কৰ্ম কাণ্ডক উচটনি দিলা; কিন্তু বেদৰ অন্তঃভাগৰ জ্ঞানকাণ্ডক অৱহেলা কৰিলা আৰু বেদৰ তত্ত্ব-মৰ্মক জলাঞ্জলি দি গৰ্হিত ধৰ্ম প্ৰচলন কৰিলা।" সেই সময়ৰ লোক এনেয়ে স্বভাৱতে লম্পট, তাতে তোমাৰ বচনত প্ৰেৰণা লাভ কৰি স্বৰ্গ পোৱাৰ আশাৰে পশু-পক্ষীক বলি দিবলৈ ধৰিলে। নানা দেৱ -দেৱতাক পূজা কৰি স্বৰ্গ লাভ কৰিলেও পুণ্যৰাশি ক্ষয় হোৱাৰ লগে লগে পুনঃ নৰকগামী হয়। জ্ঞানী সকলে গৰ্হিত কৰ্মানুষ্ঠান নকৰিবলৈ ক'লেও-লোকে কয় "ব্যাসতকৈও তোমালোক মহাপণ্ডিত নেকি?" গতিকে তুমি প্ৰকৃত ধৰ্ম এৰি অধৰ্মকহে প্ৰচাৰ কৰিলা; কিন্তু কৃষ্ণ-কীৰ্তনৰ কথা মুঠেই নক'লা। সেই বাবেহে তোমাৰ মনৰ এই সঙ্কটাৱস্থা হৈছে—

"প্ৰকটি কহিলা তুমি আনসে ধৰ্ম্মক।
নকৈলা প্ৰখ্যাত কৰি কৃষ্ণ কীৰ্তনক।।
সিজিল তোমাত ঋষি পৰম অন্যায়।
নাহি সুখ চিত্ত তব সেহি অভিপ্ৰায়।।"

কুকৰ্ম্ম কৰিবলৈ যিজনে লোকক উপদেশ দিয়ে, সেই জন ব্যক্তিয়েই সেই অসৎ উপদেশৰ বিপৰীতে সু-কৰ্ম্ম কৰিবলৈ ক'লেহে লোকে তাক গ্ৰহণ কৰে। গতিকে ব্যাসৰ দ্বাৰাই কৰ্ম্মকাণ্ডৰ অসাৰতাৰ বাণী প্ৰচাৰ কৰোৱাই যুগধৰ্ম অনুসৰি এক কৃষ্ণদেৱৰ চৰ্তুবিধ লীলাৰ প্ৰাধান্য প্ৰদৰ্শন কৰি শ্ৰৱণ-কীৰ্তন ধৰ্মৰ মাহাত্ম্য প্ৰচাৰ কৰিবলৈ নাৰদে উপদেশ দিলে— "মোৰ উপদেশে কৰা ভাগৱত শাস্ত্ৰ।

প্ৰচাৰোক গোবিন্দৰ গুণ নাম মাত্ৰ।।
শ্ৰৱণ কীৰ্তনে তেবে তৰোক নিঃশেষ।
দূৰ হৌক তোমাৰ মনৰ মহা ক্লেশ।।" ৩৭।।





ভগৱন্তৰ ভক্তি ৮১ বিধ। তাৰ ভিতৰত নববিধ ভক্তি প্ৰধান। নববিধৰ ভিতৰতে শ্ৰৱণ-কীৰ্তন শ্ৰেষ্ঠতম। ভকতে যিমানবোৰ ভগৱন্তৰ নাম লয়, তাৰ নাম-মালা গান্থি, ঈশ্বৰে হৰ্ষোল্লাস কৰে। গতিকে কৃষ্ণ-চৰিত্ৰ প্ৰধান শাস্ত্ৰ নিৰ্মাণ কৰিবলৈ নাৰদে ব্যাসক উপদেশ দিলে।

যি বাক্যত কৃষ্ণৰ নাম উল্লেখ নাথাকে সেই বাক্য উচ্ছিষ্ট গৰ্ভত কৰিও অপবিত্ৰ। কাউৰীৰ দৰে কামীপুৰুষেহে তেনে গৰ্ভত বা কাকতীৰ্থত বিচৰণ কৰে। বেদান্তৰ তত্বমতে যি শাস্ত্ৰত মাধৱৰ গুণ-নাম আছে, সেই গুণ-নাম থকা বাক্যই জন সমুদ্ৰৰ পাপ হৰণ কৰে। ভক্তি বিহীন জ্ঞান আৰু কৰ্ম অসাৰ্থক।

"যিটো শাস্ত্ৰে আছে গুণ নাম-মাধৱৰ।
সিটো বাক্যে হৰে পাপ জনসমূহৰ।।
ভকতি বিহীন জ্ঞান কৰ্ম সবে ব্যৰ্থ।
কহিলো স্বৰূপে বেদান্তৰ তত্ত্ব-অৰ্থ।।" ৪১।।

সেইবাবে, 'হে ব্যাস, লোকত ভকতিৰ উপদেশ দিয়া" বুলি নাৰদে কৈছে। অধম জাতিয়েও ভকতি কৰি জ্ঞানী আৰু কৰ্মীতকৈ শ্ৰেষ্ঠতৰ গতি পায়। কাল আৰু কৰ্মই বিষয়ৰ সুখ মিলালেও ভকতে তাৰ প্ৰতি বীতশ্ৰদ্ধহৈ কৃষ্ণ-ভক্তিত হে ৰত থাকিব।

২। **নাৰদৰ পূৰ্ব্বজন্ম বৰ্ণনা আৰু ব্যাসক ভাগৱত প্ৰদান** —

ব্যাসক মহাজ্ঞান দিয়া পৰমবৈষ্ণৱ নাৰদে তেওঁৰ পূৰ্ব্বজন্ম সমূহৰ কথা ইয়াত ব্যাসৰ আগত বৰ্ণনা কৰিছে। ব্ৰহ্মাৰ কণ্ঠৰ পৰা নাৰদৰ জন্ম হয়। নাৰদে সৃষ্টি কাৰ্য কৰিবলৈ অমান্তি হোৱাত ব্ৰহ্মাই তেওঁক অভিশাপ দিয়ে। এই অভিশাপৰ ফলত তেওঁ দেৱদেহ এৰি গন্ধৰ্ব্বজন্ম লৈ উপবৰ্হন নাম লয় আৰু ৫০ গৰাকী ৰমণী বিয়া কৰাই সংসাৰ ধৰ্ম্ম পালন কৰে। গন্ধৰ্বজন্ম সাং কৰি শূদ্ৰদেহ ধাৰণ কৰি দাসী পুত্ৰ হিচাবে জন্ম লাভ কৰে (ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ মতে)। পাচবছৰ বয়সত বাৰিষা কালত চাৰিজন বৈষ্ণৱ সন্ন্যাসী আহি ব্ৰাহ্মণৰ ঘৰত বাস কৰাত দ্বিজ দাসীৰ পুত্ৰ নাৰদে আজ্ঞানুসৰি সন্ন্যাসীৰ আল-পৈচান কৰিলে। তেওঁলোকৰ পৰা কৃষ্ণ-কথা শ্ৰৱণ কৰি , তেৰাসৱৰ উচ্ছিষ্ট ভোজন কৰিছিল।

"পাঞ্চ বৰিষৰ আমি অবোধ ছৱাল।
পাঞ্চিলেসে ধৰোনিতে তাসম্বাৰ আল।।
শুনো কৃষ্ণ কথা নিতে কৰন্ত কীৰ্তন।
তাসম্বাৰ কৰো আৰো উচ্ছিষ্ট ভোজন।।" ৪৭।।

সাধু সঙ্গৰ সংগতি লাভ কৰাত তেওঁৰ মনৰ মলি দূৰ হ'ল আৰু কৃষ্ণ-কথা শুনি মন দ্ৰৱীভূত হ'ল আৰু অহৰ্নিশে কেশৱৰ গুণ-যশ গাবলৈ ধৰিলে। সন্ন্যাসীয়ে গৃহ এৰি যোৱাৰ সময়ত নাৰদে তেওঁলোকৰ পৰা ভকতিৰ মহাজ্ঞান, পৰম ৰহস্য কথা লাভ কৰিলে আৰু আন দেৱ ধৰ্মক মায়াময় বুলি জ্ঞান কৰিলে। তাৰ পাচতে তেওঁৰ বৃদ্ধ পিতৃ-মাতৃক সৰ্পই দংশন কৰাত পৰলোক প্ৰাপ্ত হয়। তেতিয়া নাৰদে উত্তৰ দিশে গৈ ঘোৰ অৰণ্যত প্ৰৱেশ কৰি শিশু অশ্বত্থৰ তলত বহি হৃদয়কমলত কৃষ্ণক চিন্তিলে; আনন্দ সিন্ধুত মন নিৰ্ব্বিষ্ঠ কৰি ঈশ্বৰ মূৰ্ত্তিৰ দৰ্শন লাভ কৰিলে। আকাশী বাণীয়ে ক'লে—"ইহজনমত মোক আৰু লগ নাপাবা, ইয়াৰ পাচত পাৰিষদী তনুলাভ কৰিবা।" ইতিমধ্যে মহাপ্ৰলয় হোৱাত নাৰদে ব্ৰহ্মাৰ হৃদয়ত প্ৰৱেশ কৰিলে আৰু পুনৰ সৃষ্টি হোৱাত ব্ৰহ্মাৰ মানস পুত্ৰৰূপে অৱতাৰ লাভ কৰে। সেইবাবে, "হে, ব্যাস, জগতৰ মঙ্গলৰ কাৰণে কৃষ্ণ-গুণ-নাম-যশৰ বাবে অদ্বিতীয় শাস্ত্ৰ লিখা।"

"- কৃষ্ণগুণ নামধৰ্ম কৰিয়ো বেকত।
শ্ৰৱণ-কীৰ্তন কৰি তৰোক জগত।।" ৬৪।।

ব্যাসেও লগে লগে কৃষ্ণ মূৰ্তি ধ্যান কৰি হৃদয়তে কৃষ্ণক দেখা পালে। বামপাশে মায়া, দক্ষিণত ভক্তি মাতৃক দেখা পালে। মায়াই বান্ধে আৰু ভক্তিয়ে দুৱাৰ মেলে। মধ্যত ভগৱন্তই বিৰাজ কৰি থাকে।

"—কৃষ্ণৰ মূৰ্ত্তিক পাছে কৰিলন্ত ধ্যান।
হৃদয়তে কৃষ্ণক দেখিলে বিদ্যমান।।
বাম পাশে মায়া দক্ষিণত ভক্তিমাৱ।" ৬৫।।
মায়ায়ে বান্ধন্ত ভক্তিমাতৃ মেলাৱন্ত।
দুহানো মধ্যত আছা দেৱ ভগৱন্ত।।
বন্ধৰ মোক্ষৰ হেতু দেখি ব্যাস ঋষি।
ভাগৱত শাস্ত্ৰ পাছে কৰিলা হৰিষি।। ৬৬।।

এয়ে ভাগৱত শাস্ত্ৰৰ সৃষ্টিৰ প্ৰেৰণা। মায়ায়ে জীৱক বান্ধি থোৱাৰ বাবে মায়া জৰি কাটিবলৈ ভক্তিৰ প্ৰয়োজন। ভগৱন্ত মায়া-মোক্ষৰ মাজত নিৰ্ব্বিকাৰ ভাৱে বিৰাজমান। ঈশ্বৰ, জগত, মুক্তজীৱ, বদ্ধজীৱ ভক্তি-মুক্তিৰ পৰম ৰহস্য-তত্বেৰে মহাশাস্ত্ৰ মহাভাগৱত ব্যাসে প্ৰণয়ন কৰি নিজ পুত্ৰ শুকদেৱক পঢ়ালে।

মহাভাগৱত-পুৰাণৰ সূৰ্য্য, বৈকুণ্ঠৰ শাস্ত্ৰ, কলিযুগৰ তৰণৰ নৌকা। ব্যাসে সাংসাৰিক সকলৰ বাবে প্ৰচাৰ কৰিলে— যাক শুনিলে পৰম্পদ লাভ হয়, মায়া দূৰ হয়।





**অশ্বত্থামাৰ ব্ৰহ্ম অস্ত্ৰ প্ৰয়োগ আৰু কুন্তীৰ কৃষস্তুতি ঃ- অৰ্জ্জুনৰ দ্বাৰা অশ্বত্থামাক বন্ধন—**

কুৰুক্ষেত্ৰ মহাসমৰৰ শেষত দুৰ্য্যোধনৰ উৰুভঙ্গ হয় আৰু অশ্বত্থামাই কৌৰৱৰ প্ৰীতি সাধনৰ কাৰণে শিবিৰত নিদ্ৰিত অৱস্থাত থকা পাণ্ডৱৰ পঞ্চ পুত্ৰৰ শিৰ কাটি আৰু দুৰ্য্যোধনক প্ৰদৰ্শন কৰাত দুৰ্য্যোধনে অশ্বত্থামাক ভাসনা কৰে আৰু দ্ৰৌপদীয়ে পুত্ৰ নিধনৰ বাৰ্তা পাই হিয়াধুনি কান্দিলে। বীৰ অৰ্জ্জুনে অশ্বত্থামাৰ শিৰচ্ছেদ কৰি আনি দিয়াৰ প্ৰতিজ্ঞা কৰি দ্ৰৌপদীক শান্ত্বনা দিয়ে আৰু ৰথে চৰি দ্ৰোণাচাৰ্যৰ তনয়ক আক্ৰমণ কৰে। অশ্বত্থামাই উপায় হীন হৈ ব্ৰহ্মাস্ত্ৰ প্ৰয়োগ কৰে। প্ৰচণ্ড অগ্নিয়ে অৰ্জ্জুনক ছানি ধৰাত অৰ্জ্জুনে কৃষ্ণত শৰণ লয় আৰু কৃষ্ণৰ আদেশত অৰ্জ্জুনেও ব্ৰহ্মাস্ত্ৰ প্ৰয়োগ কৰে। দুয়ো ব্ৰহ্মবাণ একস্থান হৈ ভয়ঙ্কৰ প্ৰলয়ৰ সৃষ্টি কৰে। জগত বিনাশ হোৱাৰ উপক্ৰম হোৱাত অৰ্জ্জুনে কৃষ্ণৰ আদেশত ব্ৰহ্মবাণ সংহাৰ কৰে আৰু অশ্বত্থামাক হাতে-ভৰিয়ে বান্ধি দ্ৰৌপদীৰ আগত দিয়েহি। পুত্ৰশোকত ব্যাকুল দ্ৰৌপদীয়ে অশ্বত্থামাক দেখি প্ৰতিশোধ লওক চাৰি বান্ধ মুকলি কৰি দিবলৈ অজ্জুৰ্নক আহবান জনালে আৰু গুৰু পুত্ৰৰ চৰণত প্ৰণাম কৰিলে। দ্ৰৌপদীয়ে ক'লে— "মই পুত্ৰ শোকত যি বেদনা অনুভৱ কৰিছোঁ, অশ্বত্থামাৰ মৃত্যুতো গৌতমীয়ে তেনে দাৰুণ বেদনাই পাব—

" মই যেন মৰো পুৰি পুত্ৰ শোকে
অগনি হিয়া দহয়।
আহান অৱস্থা শুনি সেহিমতে
গৌতমী তেজিব জীৱ।।" ৮৬।।

এয়ে দ্ৰৌপদী চৰিত্ৰৰ মহানতা। পুত্ৰ প্ৰাণ বৈৰীক এনেদৰে ক্ষমা কৰিব পৰা শান্তি কন্যা পৃথিৱীত অতি বিৰল। তদুপৰি শত্ৰুৰ চৰণ চুই সেৱা কৰা কাৰ্য্য দ্ৰৌপদীৰ হৃদয়ৰ কোমলতাৰ পৰিচায়ক। ক্ষমা স্বৰ্গীয় সত্তা। দ্ৰৌপদীৰ এই আদৰ্শ জগতৰ সকলোৰে আদৰণীয় আৰু প্ৰশংসনীয়। অৰ্জ্জুনক ব্ৰহ্মাস্ত্ৰৰ পৰা ৰক্ষা কৰিলে সখা কৃষ্ণই। ভক্তৰ অধীন ভগৱান।

**অশ্বত্থামাৰ চূড়ামনি ছেদন, দ্ৰোণীৰ দ্বাৰা পুনৰ ব্ৰহ্মবাণ নিক্ষেপ—**

পুত্ৰহন্তাক শিৰচ্ছেদ কৰিবলৈ ভীম উদ্যত হোৱাত দ্ৰৌপদীয়ে অশ্বত্থামাৰ প্ৰাণ ৰক্ষা কৰিবলৈ প্ৰাৰ্থনা কৰে। অৰ্জ্জুনেও দ্ৰোণীৰ মূৰ কাটি আনি দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। তিনি সঙ্কটত উপায়হীন হৈ অৰ্জ্জুনে চূড়ামনি সহিতে তাৰ

কেশ ছেদন কৰিলে। কৃষ্ণই অৰ্জ্জুনৰ কাৰ্যত প্ৰশংসা কৰিলে। অৰ্জ্জুনে তাক ঢকা মাৰি বান্ধ খুলি খেদি পঠালে।

ইয়াৰ পাছতে কৃষ্ণই পাণ্ডৱৰ পৰা মেলানি মাগি দ্বাৰকাভিমুখী হয়। অশ্বত্থামাই লাজ-অপমানত বিব্ৰত হৈ পাঁচ পাণ্ডৱলৈ একোপাতকৈ ব্ৰহ্ম অস্ত্ৰ নিক্ষেপ কৰিলে। কৃষ্ণই চক্ৰ প্ৰহাৰ কৰি ব্ৰহ্মাস্ত্ৰ ভস্ম কৰে। কৃষ্ণৰ কৃপাত পাণ্ডৱ সকল ৰক্ষা পৰিলে যদিও গৰ্ভৱতী উত্তৰাৰ প্ৰতি অস্ত্ৰ অগ্ৰসৰ হ'ল। গৰ্ভ নষ্টৰ ভয়ত উত্তৰাই কৃষ্ণৰ চৰণত শৰণ লোৱাত কৃষ্ণই অঙ্গুষ্ঠ প্ৰমাণ হৈ উত্তৰাৰ গৰ্ভত প্ৰৱেশ কৰে আৰু গদাধৰি ব্ৰহ্মাস্ত্ৰ নিবাৰণ কৰিলে আৰু অমৃত পান কৰোৱাই গৰ্ভস্থ শিশুক সজীৱ কৰিলে। মহাপুৰুষ কৃষ্ণক শিশুৱে গৰ্ভতে দেখা পালে। কৃষ্ণৰ চাৰুময় চতুৰ্ভূজ ৰূপ দৰ্শন কৰি শিশু পৰীক্ষিত কৃত্যকৃত্য হ'ল।

**কুন্তীৰ কৃষ্ণ স্তুতি —**

জগতৰ ঈশ্বৰ কৃষ্ণই উত্তৰাৰ গৰ্ভ ৰক্ষা কৰি যাবলৈ ওলোৱাত পৰম কৃষ্ণ-ভক্তা কুন্তীদেৱীয়ে কৃষ্ণক প্ৰণিপাত জনাই স্তুতি কৰিবলৈ ধৰিলে— হে কৃষ্ণ, তুমি পৰম ঈশ্বৰ, তোমাৰ চৰনাৰবিন্দত প্ৰণাম জনাওঁ। তুমি ভক্তৰ প্ৰাণ স্বৰূপ, তুমি পিতা-মাতা, দুৰ্গতিৰ পৰা উদ্ধাৰ কৰ্তা। দুৰ্ঘোৰ বনবাস কালত তুমি সকলো প্ৰকাৰে সহায় কৰি বৰ্তমান অশ্বত্থামাৰ ব্ৰহ্মাস্ত্ৰৰ পৰাও ৰক্ষা কৰিলা। তুমি বিপদ ভঞ্জন। শ্ৰীমদত ভুল গৈ তোমাক লোকে পাহৰি পেলায়, তুমি জগতৰ আত্মা, তোমাৰ চৰণ-সেৱা কৰি সমস্ত জগতে মুক্তি লাভ কৰে, এনে বিপদতাৰণ তোমাক এৰি আমি কেনেকৈ জীৱন ধৰিম ? তোমাতে যেন নিৰন্তৰে ৰতি হওঁক। এইদৰে সপ্ৰেম ভকতিৰে কৃষ্ণক স্তুতি কৰি কুন্তীদেৱীয়ে বিনাবলৈ ধৰিলে। কৃষ্ণই শোকাতুৰ কুন্তীৰ ভক্তিত তুষ্ট হৈ পুনৰ গৃহলৈ ঘূৰি আহিব লগা হ'ল।

৪।। **ভীষ্মৰ দেহাবসান, কৃষ্ণৰ দ্বাৰকাগমন, ধৃতৰাষ্ট্ৰৰ বান প্ৰস্থ গ্ৰহণ আৰু পৰীক্ষিতৰ জন্ম বৃত্তান্ত ভীষ্মৰ মোক্ষ -উৎসৱ ঃ**

মহাৰাজ যুধিষ্ঠিৰে বংশ হত্যাৰ পাতকৰ বাবে কৃষ্ণৰ প্ৰবোধত সন্তোষ্ট হ'ব পৰা নাছিল। ব্যাসৰ বুজনিতো তেওঁ শান্তি লভা নাছিল। তেতিয়া সখা কৃষ্ণই ভাবিলে—

"ঈশ্বৰ ইচ্ছাক কোনে কৰাইবে নিৰোধ।
ভীষ্মৰ মুখেৰে আঙ্ক কৰাইবো প্ৰবোধ।।" ১৩৩।।





ভীষ্মৰ কাষলৈ নি প্ৰবোধ দিয়াবলৈ কৃষ্ণই পাণ্ডৱক সপৰিয়ালে লৈ গ'ল। মহাবীৰ দেৱব্ৰত শৰ শয্যাত তেতিয়াও পৰি আছিল। দেৱৰ্ষি, ৰাজৰ্ষি, ব্ৰহ্মঋষি, নাৰদ প্ৰমুখ্যে সিদ্ধগণ ভীষ্মৰ কাষত উপনীত হ'ল। কৃষ্ণকো পাণ্ডৱৰ সহিতে দেখি মহৰ্ষি সকলে প্ৰণাম জনালে। যুধিষ্ঠিৰে সকলোকে যথাযোগ্য সত্‌কাৰ কৰিলে। সত্যৱতী, কুন্তী আদিয়ে ভীষ্মলৈ চাই কান্দিবলৈ ধৰিলে। ভীষ্মই পাণ্ডৱৰ অতীত কালৰ দুখ-দুৰ্গতিৰ বৰ্ণনা কৰি ক'বলৈ ধৰিলে। আৰু এইবোৰ বিধিৰ লিখন বুলি ক'লে—

"জানো নাহি ইটো দুখ লিখিত তোমাৰ।
কালে ঘটাইলেক আসি ইসব নিকাৰ।।
ঈশ্বৰ কালেসে হৰে জগতৰ আয়ু।
সংসাৰত ভ্ৰমাৰে মেঘক যেন বায়ু।। ১৪০।।

সকলো কালৰ অধীন। ভগৱানৰ আদেশতে সংসাৰৰ সকলোবোৰ কৰ্ম ঘাট-প্ৰতিঘাট, সংঘাত-আঘাত, উত্থান-পতন, সুখ-দুখ সংঘটিত হয়। মহাকালৰ গ্ৰাসত জগতৰ সকলো এদিন বিলীন হৈ যাব। ভগৱন্তৰ অচিন্ত্য মহিমাক-ব্ৰহ্মা-হৰ আদিয়েও তত্‌ ধৰিব নোৱাৰে।

**ভীষ্মৰ পাণ্ডৱলৈ উপদেশ ঃ**

হে পাণ্ডৱ সকল, যি দৈৱকীতনয় তোমালোকৰ লগত আছে— তেওঁ স্বয়ং সৃষ্টি-স্থিতি-লয়ৰ অধিকাৰী। এওঁ কোটি কোটি ব্ৰহ্মাণ্ডৰ নাথ, তেওঁ মায়া-মনুষ্য হৈ জগতকে মোহি আছে। তোমালোকৰ পৰম ভাগ্য যে গৃহতে থাকি জগতৰ ঈশ্বৰক লগ পাইছা। কেতিয়াবা তেওঁক দূত পাতিছা, কেতিয়াবা সাৰথি পাতিছা। তেওঁ মন্ত্ৰীৰ দৰে তোমালোকক মন্ত্ৰণা দান কৰিছে।

"কোটি ব্ৰহ্মাণ্ডৰ নাথ এন্তে মহাহৰি।
মায়ায়ে লোকক মোহি আছে ছদ্ম কৰি।।
কিনো পাণ্ডু পুত্ৰ তোমাসাৰ মহাভাগ।
পাইলাহা গৃহতে হেন ঈশ্বৰক লাগ।।"১৪৫।।

ঈশ্বৰ কৃষ্ণক পৰিচয় কৰাই-দান-ধৰ্ম, ৰাজ ধৰ্ম, মোক্ষ ধৰ্ম, ভাগৱত ধৰ্ম আদিৰ বিষয়ে সম্যক ভাবে জ্ঞানদান কৰি ভীষ্মই যুধিষ্ঠিৰক ৰাজ্য শাসন কৰিবলৈ পৰামৰ্শ দিয়ে। কৃষ্ণই ভীষ্মৰ মুমুৰ্যু অৱস্থাত চতুৰ্ভূৰ্জ মুৰ্ত্তি প্ৰদৰ্শন কৰে আৰু শৰাঘাটৰ জ্বালা-যন্ত্ৰণাৰ উপশম ঘটে।

**ভীষ্মৰ দেহান্তৰ —**

ভীষ্মই কৃষ্ণৰ সীমাহীন গুণৰাশি বৰ্ণাই স্তুতি কৰিবলৈ ধৰিলে। কুৰুক্ষেত্ৰ মহাসমৰত ভক্তক ৰক্ষা কৰিবলৈ আনকি নিজৰ প্ৰতিজ্ঞাকো ছেৰ পেলাই অস্ত্ৰ ধৰিছিল কৃষ্ণ-কৃপাময়ে। গোপীসৰৰ প্ৰাণধন কৃষ্ণই ৰাজসূয় যজ্ঞত দেৱঋষি সকলক কেনেকৈ অৰ্চ্চনা কৰিছিল আৰু নিজ মাহাত্ম্য প্ৰকাশ কৰিছিল সবিশেষ সুঁৱৰি সুঁৱৰি কৃষ্ণৰ চৰণত ভীষ্মই সেৱা জনাই প্ৰাণ ত্যাগ কৰিলে। স্বৰ্গৰ বসুৰে অভিশপ্ত হৈ গঙ্গা পুত্ৰ হিচাবে বসুধাত জন্ম গ্ৰহণ কৰি পিতৃ শান্তনুৰ সন্তোষ্টিৰ বাবে প্ৰতিজ্ঞা কৰি চিৰজীৱন অবিবাহিত হিচাবে থাকি, নিজ বীৰত্ব ও মাহাত্ম্য প্ৰকাশ কৰি পাৰিষদী তনু লাভ কৰিলে। বাৰ বৈষ্ণৱৰ ভিতৰত ভীষ্ম অন্যতম আৰু কৃষ্ণভক্ত আছিল।

**দ্বাৰকা অভিমুখে কৃষ্ণৰ যাত্ৰা আৰু দ্বাৰকাত প্ৰৱেশ**

কুৰুক্ষেত্ৰৰ যুদ্ধৰ সমাপ্তি ঘটাই যুধিষ্ঠিৰক শাসনত অধিষ্ঠিত কৰি, ভূমিৰ ভাৰ সাম্য কৰি জগতৰ ঈশ্বৰ কৃষ্ণই দ্বাৰকালৈ যাত্ৰা কৰিলে। মহামহোৎসৱ কৰি দণ্ডে ছত্ৰে কৃষ্ণই গমন কৰে, অৰ্জ্জুন মূৰৰ ওপৰত ছত্ৰ ধৰিলে, উদ্ধৱ সাত্যকিয়ে চামৰে বিচিলে। এইদৰে পঞ্চ পাণ্ডৱে কৃষ্ণক আগবঢ়াই থৈ প্ৰত্যাবৰ্তন কৰে। দ্বাৰকা নগৰৰ সমীপ পাই তেওঁ পাঞ্চজন্য শঙ্খৰ নিনাদ কৰিলে। বসুদেৱ প্ৰমুখ্যে যাদৱ সকলে মহানন্দে কৃষ্ণক অভিনন্দন জনালে। বসুদেৱ-দৈৱকী সকলোকে কৃষ্ণই প্ৰণাম জনালে। দ্বাৰকাৰ প্ৰজাগণে, নাৰীসকলে কৃষ্ণৰ দৰ্শন লাভ কৰি পৰম শান্তি লভিলে।

“এহিমতে জগতৰ নাথ নাৰায়ণ।
সাধন্ত সততে ভকতৰ প্ৰয়োজন।।
মনুষ্য চেষ্টাক দেখাই থাকিলন্ত তথা।” ২১৭।।

**পৰীক্ষিতৰ জন্ম বৃত্তান্ত —**

পৰীক্ষিতে গৰ্ভত থাকোঁতে কৃষ্ণৰ দৰ্শন লাভ কৰে। বিষ্ণুৱে গৰ্ভতে ৰক্ষা কৰাৰ বাবে পৰীক্ষিতৰ নাম বিষ্ণুৰাত। ঋষিগণে গণি-পঢ়ি পৰীক্ষিত যে পৰম কৃষ্ণ-ভক্ত হ'ব সেই কথা ব্যক্ত কৰে। তেওঁ ঈক্ষ্বাকুৰ দৰে প্ৰজা-পালন কৰিব, ৰামৰ দৰে দেৱ-দ্বিজক পূজিব, উশীনৰ দৰে শৰণদান কৰিব, ভৰতৰ দৰে যশস্বী হ'ব, অৰ্জ্জুনৰ দুগুণ ধনুৰ্দ্ধৰ হব, অগনিৰ দৰে প্ৰতাপী আৰু সাগৰৰ দৰে গম্ভীৰ হ'ব, ব্ৰহ্মা-পশুপতিৰ দৰে দেৱতুল্য হ'ব, ৰন্তিদেৱৰ দৰে উদাৰ,





যযাতিৰ দৰে ধাৰ্ম্মিক, বলি আৰু প্ৰহ্লাদৰ দৰে কৃষ্ণত ভকতি ৰাখিব বুলি মুনিগণে মন্তব্য কৰিলে। এওঁ সপ্তদ্বীপা বসুমতিৰ অধীশ্বৰ হ'ব আৰু কলিক নিগ্ৰহ কৰিব, তক্ষকৰ দ্বাৰা দংশন হ'ব বুলি জানি শুকৰ মুখৰ পৰা মহাভাগৱত শ্ৰৱণ কৰি বৈকুণ্ঠগতি লাভ কৰিব।

**ধৃতৰাষ্ট্ৰৰ বানপ্ৰস্থ গ্ৰহণ**

মৈত্ৰেয়ৰ ওচৰত মহাজ্ঞান লাভ কৰি বিদুৰ পাণ্ডৱৰ ওচৰ পালেহি আৰু ৰাতি ধৃতৰাষ্ট্ৰক লৈ প্ৰস্থান কৰে। ইফালে-কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ বাতৰি লৈ শোকাকুল হৈ অৰ্জ্জুনো পালেহি। ধৃতৰাষ্ট্ৰৰ নিৰ্দ্দেশ আৰু কৃষ্ণৰ নিৰ্যানৰ বাতৰি পাই পাণ্ডৱ সকলে মৰ্ম্মাহত হ'ল আৰু পৰীক্ষিতক ৰাজপাটত অধিষ্ঠিত কৰি পাণ্ডৱসকলে উত্তৰ দিশে গতি কৰিলে, কৃষ্ণৰ শোকত কুন্তীদেৱীয়ে প্ৰাণ বিসৰ্জ্জন দিলে, দ্ৰৌপদীয়েও কৃষ্ণস্মৰি কুন্তীদেৱীকে অনুসৰণ কৰিলে। ইয়াৰ পাচতে পৰীক্ষিত মহাপ্ৰতাপী ৰজা হৈ ৰাজ্যশাসন কৰিবলৈ ধৰিলে—

“ ভৈল পৰীক্ষিত আছে প্ৰধান নৃপতি।”— ২৩৫
“সঞ্চাৰে যাহাৰ ঘোঁৰা আকাশৰ পথে।
জিনিলন্ত জম্বুদ্বীপ ৰাজা একেশ্বৰে।।”—২৩৬।।

**ধৰ্ম্ম আৰু পৃথিৱীৰ কথোপকথনৰ পৰীক্ষিত, কলি নিগ্ৰহ—**

ৰজা পৰীক্ষিতে ইৰাৱতী নামে কন্যাক বিবাহ কৰে আৰু জন্মেজয়কে আদি কৰি চাৰিজন পুত্ৰ জন্মে আৰু তেওঁ তিনিটা অশ্বমেধ যজ্ঞ সমাপন কৰে। ইতিমধ্যে পৃথিৱীত কলিয়ে প্ৰৱেশ কৰা শুনি পৰীক্ষিতে শৰধনু তুলি ল'লে আৰু সামৰাজে অগ্ৰসৰ হ'ল আৰু দিনে -ৰাতিয়ে প্ৰজাক ৰক্ষা কৰি ফুৰে।

কলিয়ে একভৰিযুক্ত বৃষৰূপী ধৰ্ম্মক দণ্ডলৈ মাৰ প্ৰহাৰ কৰে আৰু ধেনুৰূপী পৃথিৱীক লগ পায়। শোকাকুল পৃথিৱীক ধৰ্ম্মই দেখি সুধিলে—তোমাৰ বেশ কিয় বিমৰ্ষ আৰু কিয় কান্দিছা ঃ পৃথিৱীয়ে ধৰ্ম্মক ক'লে—তোমাৰ দেখোন মাত্ৰ এখন ভৰি, তোমাৰ নিজৰ দুখ থকা সত্বেও মোৰ কাৰণে কিয় কন্দন কৰিছা? ধৰ্ম্মই পৃথিৱীক ক'লে—ভগৱন্ত কৃষ্ণই অৱতাৰ গ্ৰহণ কৰি তোমাৰ ভাৰ হৰণ কৰিছিল, সেই কৃষ্ণৰ পৰা বঞ্চিত হৈছোঁ। হৰিৰ বিৰহত তোমাৰ দেহ ক্ষীণাই শুকাই গৈছে। বসুমতীয়ে কৃষ্ণৰ বিৰহত কান্দি কান্দি উত্তৰ দিলে, ভগৱন্তৰ কৃপাত মই মহা অহঙ্কাৰী হলোঁ, মোৰ গৰ্ব্বভাব বাঢ়ি গ'ল। অনেক দুমৰ্দ ৰজাই মহন্তৰ অপকাৰ সাধন কৰিলে আৰু ভগৱানে সেই সকলক

নিৰ্মূল কৰি ভূমিৰ ভাৰ হৰণ কৰিলে আৰু তেতিয়া তুমি চাৰি ভৰিৰে মুক্তভাৱে বিচৰণ কৰিব পাৰিলা। কিন্তু সেই পৰম ঈশ্বৰ কৃষ্ণই এৰি যোৱাত দুৰ্জ্জন সকলে কৰিলে পীড়ন কৰিছে—। এইদৰে কৃষ্ণ গুণ স্মৰণ কৰি বসুমতিয়ে কান্দিবলৈ ধৰিলে।

**কলি ঃ পৰীক্ষিত সংবাদ ঃ পৰীক্ষিতৰ কলি নিগ্ৰহ**

দিগ বিজয় কৰি কৰি গৈ পৰীক্ষিতে কুৰুক্ষেত্ৰ সমীপত বৃষৰূপী ধৰ্ম আৰু ধেনুৰূপী পৃথিৱীক দেখা পালে। এজন শূদ্ৰই দণ্ডধৰি ধেনুক উগ্ৰশাস্তি দিয়া দেখি পৰীক্ষিতে শূদ্ৰৰূপী ৰজাক আক্ৰমণ কৰিলে আৰু ধেনু আৰু বৃষভৰ পৰিচয় বিচাৰিলে। ধৰ্ম্মই উত্তৰ দিলে— হে নৃপতি কোনে আমাক দুঃখ দিছে তাক নিশ্চিত কৰি ক'ব নোৱাৰো। জ্ঞানীয়ে কয়— আত্মায়ে আত্মাক দুখ দিয়ে, কুৰ্তকী পণ্ডিতে দুখৰ কাৰণ দেৱতা বুলি কয়, দৈৱজ্ঞই গ্ৰহৰ উৎপীড়নত দুখ হয় বুলি কয়, মীমাংসাবাদীয়ে কৰ্ম্মক দুখৰ কাৰণ বোলে আৰু ভকতে কয় ঈশ্বৰৰ ইচ্ছাতহে দুখ হয়। গতিকে আপুনিয়েই ইয়াৰ তত্ত্ব প্ৰকাশ কৰক। পৰীক্ষিতে বুজি পালে যে এওঁ ধৰ্ম্ম; বৃষৰূপত অৱতীৰ্ণ হৈছে। পৰীক্ষিতে ক'লে— "ধৰ্ম্ম তোমাৰ তপ, শৌচ ধৰ্ম্ম এই তিনি পদ ভাঙিলে, মাত্ৰ সত্য নামৰ পদটোৰে নভঙাকৈ আছে।" এই পদকো কলিয়ে ভাঙিবলৈ চাইছে। ধেনুৰূপত এওঁ বসুমতীয়ে কৃষ্ণৰ বিৰহত কান্দিছে। ভগৱন্ত কৃষ্ণৰ ধ্বজ, ব্ৰজ, পঙ্কজৰ চিহ্নৰ অলঙ্কাৰ আৰু বসুমতিক পিন্ধাবলৈ কৃষ্ণ আৰু নাহে। এতিয়া আৰু ভয় নাই, মই কলিক নিগ্ৰহ কৰিম তোমালোক নিচিন্ত হোৱা বুলি পৰীক্ষিতে ধৰ্মও বসুমতিক আশ্বাস দিলে।

ৰজাৰ প্ৰচণ্ড আক্ৰমণত কলিয়ে শৰণ ল'লে আৰু প্ৰাণ ভিক্ষা কৰিলে। কলিৰ কাকূতিত ৰজা তুষ্ট হৈ ভাবিলে যে কলিৰো কিছু মহৎ গুণ আছে। কলিত ইচ্ছা কৰিলেই মহাপূণ্য অৰ্জ্জন কৰিব পাৰে, ইচ্ছা নকৰিলে পাপ অৰ্জ্জন নহয়েই। সেইবাবে ৰজাই কলিক ক্ষমা কৰিলে আৰু দেশ এৰি যাবলৈ ক'লে। কলি অধৰ্ম্মৰ বন্ধু, পাপৰ উৎস। কলিৰ সঙ্গী হৈছে কলহ (কাজিয়া) লোভ, দম্ভ, দুষ্টামি, শঠতা, কপটতা, চৌৰ্য্য, মিথ্যা আদি। কলিয়ে ৰজাৰ ওচৰত অৰ্থাৎ ৰজাৰ ৰাজ্যতে প্ৰজা হিচাবে থাকিবলৈ স্থান দিবলৈ কাকূতি কৰিলে; তাকে নকৰিলে কলিক প্ৰাণে মাৰক বুলি ক'লে। কলিয়ে পটন্তৰ দি ক'লে—

সাগৰত থাকে যেন মহাৰত্নচয়।
তেবেকি শামুকে তাক নকৰে আশ্ৰয়।। ২৯২ ।।



কোন গ্ৰাম নগৰত অন্ত্যজাতি নাই।
চণ্ডালতোধিক ভৈলোঁ নেদা মোক ঠাই।।
শৰণা গতক বাপ নকৰিও ত্যাগ।
এই বুলি কান্দে কলি কৰিয়া বিলাপ।। ২৯৩।।

তেতিয়া ৰজাই কলিক থাকিবলৈ নিম্নোক্ত স্থান সমূহ দান কৰে— জুৱা-পাশা খেলা ঠাই, মদ্যপান কৰা স্থান, নাৰী, গৃহস্থৰ পঞ্চসূনা-চাৰিস্থান। গৃহস্থৰ পঞ্চসূনা হৈছে -জলকুম্ভ (পানীৰ কলহ), জোহাল, বাঢ়নী, ঢেকী, পটা-

"নৃপাত বোলন্ত কলি তোক দিলো স্থান।
যৈত খেলে জুৱা পাশা কৰে মদ্যপান।
স্ত্ৰী পঞ্চসূনা গৃহস্থৰ থাকে যৈত।
এহি চাৰি ঠাই দিলো বঞ্চগৈয়া তাত।।" ২৯৪।।
জলকুম্ভ চুলিয়া বাঢ়নী ঢেঁকী পটা।
গৃহস্থৰ ঘৰে এহি সূনা পঞ্চ গোটা।।
বলি বিশ্বদেব পঞ্চ যজ্ঞ যাৰ নাই।
তাৰ পঞ্চস্থানত থাকিবি সৰ্ব্বদায়।" ২৯৫

'পঞ্চসূনা' পাপৰ পৰা উদ্ধাৰ পাবলৈ পঞ্চ যজ্ঞৰ বিধান দিয়া হৈছে আৰু প্ৰতিদিনে গৃহস্থই এই পঞ্চ যজ্ঞ সমাপন কৰিব লাগে।

১। বলি— ইন্দ্ৰিয়সমূহক বলি দিব লাগে অৰ্থাৎ ইন্দ্ৰিয়ক সংযম কৰিব লাগে।
২। বিশ্বদেৱ— ঈশ্বৰ সেৱা কৰিব লাগে।
৩। পঞ্চম যজ্ঞ — অৰ্থাৎ পাঞ্চ ভৌতিক দেহ ৰক্ষাৰ বাবে আহুতি দিব লাগে।
৪। শ্ৰৱণ-কীৰ্ত্তন— ঈশ্বৰৰ নাম-গুণ গাব লাগে।
৫। অতিথি সেৱা— আলহী অতিথি আৰু গৃহস্থ অন্য জীৱ বৰ্গক শুশ্ৰূষা কৰিব লাগে।

ওপৰত উল্লেখ কৰা জুৱা-পাশাৰ স্থান, মদ্যপানৰ স্থান, স্ত্ৰী, পঞ্চসূনা— মুঠ চাৰিখন ঠাইত কলিক থাকিবলৈ পৰীক্ষিতে অনুমোদন জনায়। কিন্তু যি ঠাইত কেশৱৰ শ্ৰৱণ-কীৰ্ত্তণ চলে তাক কলিৰ প্ৰৱেশ নিষিদ্ধ কৰে। কলিয়ে এই চাৰিখনত থাকিবলৈ নোযোৱাৰ বাবে আৰু স্থান পাবলৈ কাকুতি-মিনতি কৰে। ৰজাই দয়া কৰি— সুবৰ্ণত স্থান দিয়ে। তেতিয়া কলিয়ে ৰজাক সেৱা জনাই পঞ্চ স্থানলৈ গতি কৰিলে।

"জুৱা মদ্য স্ত্ৰী সূনা সুবৰ্ণক পায়।
নৃপতিৰ আদেশে পাঞ্চতো লৈলা ঠাই।।

হেন জানি যিজন উত্তম মহামতি।
স্ত্ৰী সুবৰ্ণত নকৰিবা আসকতি।।” ৩০০।।

পৰীক্ষিতে কলিক এইদৰে নিগ্ৰহি ধৰ্ম্মৰ তপ, শৌচ, দায়া— তিনি ভৰি যোৰা দিলে আৰু পৃথিৱীকো আশ্বাসি নিজস্থানলৈ গতি কৰিলে।

কলিৰ প্ৰৱেশৰ লগে লগে ধৰণী মণ্ডলত পাপে গ্ৰাহ কৰিলে, কিন্তু লগে লগে হৰিৰ শ্ৰৱণ-কীৰ্ত্তনৰ মাহাত্ম্যও প্ৰৱলভাৱে প্ৰতিষ্ঠিত হ'ল। ঘোৰ কলি কালত তৰণৰ একমাত্ৰ পথ হ'ল— হৰিনাম শ্ৰৱণ-কীৰ্ত্তন-ভকতি।

“শুনা সামাজিক লোক কৃষ্ণৰ চৰিত্ৰ।
আত পৰে আন ধৰ্ম্ম নাহিকে কলিত।।
জানিবাহা সমস্তে শাস্ত্ৰৰ ইসে সাৰ।
আতপৰে নাহি ভক্তি কলিৰ প্ৰজাৰ।” ৩০৯

**সূতৰ সৈতে মুনিগণৰ কথোপকথন**

ঋষিগণে কৰ্ম্মকাণ্ডৰ প্ৰতি বীতশ্ৰদ্ধ হ'ল আৰু কৃষ্ণ-ভক্তিত আপ্লুত হ'ল। সূতৰ পৰা কৃষ্ণ কথা অমৃত পান কৰিবলৈ তেওঁলোক বাউল হৈ পৰিল। ঋষিগণৰ কৃষ্ণ ভক্তিৰ আগ্ৰহ দেখি সূতে পৰম ঈশ্বৰৰ মাহাত্ম্য ব্যাখ্যা কৰিবলৈ ধৰিলে— মহামহা ভকতৰ আশ্ৰয় পৰমাত্মা ভগৱান। তেনে, ভকতৰ নাম ল'লে চণ্ডালো উত্তম হয়। ভকতৰ প্ৰতি ভগৱান সদায়ে কৃপালু। ব্ৰহ্মাণ্ডক ফুটাই ভগৱানে ভক্তি গঙ্গাজল মৰ্ত্তলৈ বোৱাই দিলে সেই ভক্তিজল —ব্ৰহ্মাই কমণ্ডলুত ভৰাই ল'লে, শিৱই প্ৰভুৰ পাদোদক বুলি মাথাত তুলি ল'লে।

**৬। পৰীক্ষিতৰ ওপৰত শাপ, শুকৰ পৰা ভাগৱত শ্ৰৱণ ঃ-**

**শৃঙ্গীমুনিৰ অভিশাপ ঃ**

এদিন ৰজাই মৃগ মাৰিবৰ কাৰণে বনলৈ অগ্ৰসৰ হ'ল। মৃগই আগে আগে দৌৰিবলৈ ধৰিলে, ৰজাই খেদি খেদি ভাগৰি পৰিল। তেওঁ ক্ষুধা -তৃষ্ণাত আতুৰ হৈ পৰিল। জলৰ অন্বেষণত আশ্ৰমত প্ৰৱেশ কৰিলে। আশ্ৰমত শমীক মুনিয়ে পদ্মাসন কৰি ধ্যানত আছিল। মুনিৰ সমাধি অৱস্থা প্ৰাপ্ত হৈছিল। ৰজাই কেইবাবাৰো ঋষিক পানী খুজি নাপাই খঙৰ বেগত ধনুৰে মৰা সাপ শমীকৰ গলত আৰি দিলে আৰু হস্তিনাপুৰলৈ প্ৰত্যাৱৰ্তন কৰিলে। শমীক মুনিৰ পুত্ৰ শৃঙ্গীয়ে এই কথা জানিব পাৰি খঙত জাজ্বল্যমান হৈ দাঁত কৰচি কৌশিকৰ জল চুই পৰীক্ষিতক প্ৰচণ্ড শাপ দিলে আৰু সাতদিনৰ মূৰত তক্ষকে দংশন





কৰিব বুলি ক'লে, বিষ বহ্নি লাগি শৰীৰ ভস্ম হ'ব বুলি ক'লে। পিতৃৰ মৃত্যু হৈছে বুলি শৃঙ্গীয়ে কান্দিবলৈ ধৰিলে আৰু বিলাপ শুনি শমীকে সমাধিৰ পৰা সাৰ পাই সকলো কথাৰ উৱাদিহ পালে আৰু পুতেকক শাপ দিয়াৰ বাবে দোষী কৰিলে। ৰজাৰ অবিহনে দেশত অৰাজক হ'ব বুলি ঋষিয়ে দুখ কৰিলে।

**পৰীক্ষিতৰ অনুতাপ ঃ**

মৰা সাপ মুনিৰ ডিঙিত আৰি থৈ গৈ ৰজাই অনুতাপ কৰিবলৈ ধৰিলে। ইতিমধ্যে শমীকৰ শিষ্যই আহি ৰজাক কলেহি যে সপ্তম দিৱসত শৃঙ্গীৰ শাপত তক্ষকে ৰজাক দংশন কৰিব। পৰীক্ষিত এই বাৰ্ত্তা পাই প্ৰায়শ্চিত্তৰ বাবে ভালহে পালে। তেওঁ ৰাজ্য, পুত্ৰ, পত্নী, বিষয়ৰ প্ৰতি বিৰক্ত হ'ল, ইহপৰলোক কেৱল মায়াময় দেখিলে আৰু কৃষ্ণভক্তিৰ বাবে মন স্থিৰ কৰিলে। পুত্ৰ জন্মেজয়ক অভিষেকৰ আয়োজন কৰি ৰাজ্য-ভাৰ অৰ্পণ কৰে আৰু গঙ্গানদীৰ পাৰত কুশ পাৰি উপবেশন কৰিলে, হৃদয়ত মুকুণ্ডৰ পাদ পদ্ম ধৰি সাৰতি ধৰিলে। তক্ষকে ৰজাক দংশন কৰিব বুলি জানি অসংখ্য মুনি তাত সমবেত হ'লহি। সমস্ত মুনিগণক ৰজাই সাদৰে আসনত বহুৱালে, পাদোদক মূৰত ল'লে। ৰজাই ক'লে,— হে মহা মুনিগণ, গৃহ অন্ধকূপত মই পৰি আছিলোঁ; কৃষ্ণৰ কৃপাত ঋষি শাপ লাভ কৰিলোঁ। ভয় নুপজা লৈকে বৈৰাগ্য নাহে, বৈৰাগ্য নাহিলে হৰি পদত ভক্তি নিসিজে।

“ভয় যেবে নুপুজে বৈৰাগ্য নাহি তাৰে।
বিৰকতি নভৈলে নভজে হৰি পাৰে।।
হেন জানি প্ৰভুকৃষ্ণ ইষ্টদেৱ মোৰ।
শাপ ছলে ছেদিলন্ত সংসাৰ দুৰ্ঘোৰ।।” ৩৭৬।।

হে ঋষি সব, এই শাপ ব্যৰ্থ নকৰিব, ই মোৰ বাবে পৰম প্ৰসাদহে। আপোনালোক সকলোকে সাক্ষী কৰি কৃষ্ণত এক শৰণ ল'লো। মোক জন্মতে কৃষ্ণই ৰক্ষা কৰিলে। তেওঁ উত্তৰ মুখে কুশৰ ওপৰত উপবিষ্ট হ'ল, দেৱগণে পুষ্পবৃষ্টি কৰিলে। পৰীক্ষিতে মুনিসকলক সুধিলে— কোন মহাধৰ্ম্ম? কৰ্তব্য কি? কৰ্ম্ম কি? পাপৰ পৰা কি দৰে উদ্ধাৰ হ'ব পাৰি? কি কৰ্ম্ম কৰিলে সংসাৰৰ পাৰ পাব পাৰি? মুমুৰ্ষুলোকৰ কৰ্ত্তব্য কি? এই প্ৰশ্নমালাৰ উত্তৰত মুনিগণে নিজৰ নিজৰ মত প্ৰকাশ কৰিলে ক'লে যে— তপকৰি, যজ্ঞকৰি, তীৰ্থস্নান কৰি গতি পায়। কোনোৱে মহাযজ্ঞ মহাজ্ঞানৰ পথ প্ৰদৰ্শন কৰে যদিও ৰজাই সিবোৰ দুষ্কৰ জ্ঞান কৰে আৰু সুগমপথৰ সন্ধানত থকিল।

**ব্যাস শিষ্য শুকদেৱৰ আগমন**

যোল্ল বছৰীয়া সুকুমাৰ যেন শ্যামল শৰীৰধাৰী কৃষ্ণ-সদৃশ শুকদেৱ তাত উপস্থিত হ'লহি। শুকদেৱক দৰ্শন কৰি সকলোৱে অভিনন্দন যাছিলে। ৰজাই সুবৰ্ণ আসন মূৰত তুলি আনি বহুৱালে, সুবৰ্ণ ভৃঙ্গাৰক জলেৰে পদ প্ৰক্ষালন কৰি ৰজাই পাদোদক শিৰত ল'লে। গন্ধো পুষ্পে-ধূপে-দীপে পূজি চৰণত সেৱা জনালে। মায়াহীন অৱধূতৰ বস্ত্ৰহীন শৰীৰ দেখি স্ত্ৰী আৰু শিশুসকল তাৰ পৰা আতৰি গ'ল। নানা ভাৱে স্তুতি মিনতি কৰি ৰজাই শুকদেৱৰ ওপৰত মৰণৰ সময়ত সুধিলে ম্ৰিয়মান লোকে কি কৰ্ম্ম কৰিব? কি শুনিব? কাক জপিব? কাক স্মৰণ কৰিব? ভজনীয় দেৱ কোন? শুকে ৰজাক সাধুবাদ কৰি ভাগৱতৰ পাতনি মেলিলে।

মহাভাগৱতৰ পদত পৰম অমৃত কৃষ্ণ নামৰ নিজৰা বয়। ইহলোক পৰলোকৰ মহা হিতকৰ ভকতি মুকুতি ভাগৱতত বিৰাজমান। পৃথিৱীত পূৰ্ব্বতে ই নাছিল শুকদেৱেহে কলিযুগত প্ৰথম প্ৰকাশ কৰে। মহা ভাগ্যবান জনে বেদ-বেদান্তৰ তত্ত্ব পৰম ঈশ্বৰ কৃষ্ণৰ কথা মহা ভাগৱতত পান কৰক।

**৭। প্ৰথম খণ্ডৰ তত্ত্ব কথা—**

প্ৰথম স্কন্ধৰ কাহিনী ফলকত— শৌনক প্ৰমুখ্যে ঋষিসকল, সূতমুনি, মহামুনি ব্যাস, দেৱৰ্ষি-মহৰ্ষি নাৰদ, অশ্বত্থামা, কুন্তী, দ্ৰৌপদী, অৰ্জ্জুন, কৃষ্ণ, ভীষ্ম, ধৃতৰাষ্ট্ৰ, ধৰ্ম্ম আৰু পৃথিৱী, কলি, পৰীক্ষিত শমীক আৰু শৃঙ্গীমুনি, বিদুৰ আৰু শুকদেৱৰ বিশেষ কাৰ্য্যাৱলী প্ৰতিভাত হৈছে। নৈমিষাৰণ্যৰ আঠাইশ হেজাৰ ঋষিৰ ভিতৰত শৌনক প্ৰধান। কলিকালৰ প্ৰাৰম্ভণিত তেওঁলোকে যাগ-যজ্ঞ-সোম আদি কৰ্ম্মকাণ্ডত লিপ্ত হৈ যুগ বিৰুদ্ধ কৰ্ম্ম সম্পাদন কৰি কোনো ফল নাপাই সূতৰ মুখে ভাগৱত শ্ৰৱণ কৰিহে মহাফল পালে। যুগধৰ্ম্ম অনুসৰি কলিত শ্ৰৱণ-কীৰ্ত্তনহে তৰণৰ উপায়। নৈমিষাৰণ্য হ'ল শ্ৰৱণ-কীৰ্ত্তনৰ পৰিৱেশ প্ৰধান এখন ধৰ্ম্ম ক্ষেত্ৰ। হৰি কথা শ্ৰৱণ-কীৰ্ত্তনৰ বাবে এনে মহাসত্ৰহে অনুকূল। কৃষ্ণ কথামৃত পান কৰিবলৈ লাগে সাধুসঙ্গ। নৈমিষাৰণ্যত এনে সৎ সঙ্গৰ মিলন ঘটিছিল। শৌনক প্ৰমুখ্যে ঋষিগণৰ ভুল হৈছিল কৰ্ম্মকাণ্ডত বিশ্বাস কৰি; গতিকে কলিযুগৰ লোক তৰণৰ একমাত্ৰ উপায় একমাত্ৰ কৃষ্ণভক্তি ঃ শ্ৰৱণ কীৰ্ত্তনহে।

সূতমুনিয়ে শুকদেৱৰ পৰা ভাগৱত শুনি ঋষিসকলক সাইলাস ব্যক্ত কৰিব পৰাটো গুৰু কৃপা। নাৰায়ণে ব্ৰহ্মাকো কৈছিল—"মোৰ উপদেশে সবে





হৈব কণ্ঠাগত" বুলি। সেই পৰম্পৰা অনুসৰি ব্ৰহ্মাই নাৰদক, নাৰদে ব্যাসক, ব্যাসে শুকক ভাগৱত ব্যক্ত কৰিছিল। ই আজ্ঞাপৰ ভক্তি। ভগৱন্তৰ গুণ, লীলা, চৰিত্ৰ, মাহাত্ম্য, সৃষ্টি-স্থিতি সংহাৰৰ বিষয়ে ব্যাখ্যা কৰোঁতাজন ভগৱন্তৰ অতি প্ৰিয়। সূতমুনিও মহামহন্ত, ভগৱন্তৰ প্ৰিয়।

ব্যাসে চাৰিবেদ, চৈধ্যশাস্ত্ৰ, ওঠৰপুৰাণ লিখি সকলো লোকৰ বাবে ধৰ্ম্মৰ ব্যৱস্থা কৰিছিল। আগম শাস্ত্ৰেৰে কৰ্ম্মকাণ্ডৰ প্ৰতিষ্ঠা কৰি জগতৰ যিমান উপকাৰ সাধিছিল তাতোতকৈ অধিক ভাৱে জগতৰ ধ্বংস নমাই আনিছিল। মহান বেদজ্ঞ, শাস্ত্ৰজ্ঞ পণ্ডিতৰ সৃষ্টিয়ে জগতৰ বিনাশ নমাই অনাৰ বাবে ভগৱন্তৰ ইচ্ছাত নাৰদ আহি ব্যাসৰ ওচৰ পালেহি। মনৰ শান্তি হেৰুৱাই বিভ্ৰান্ত হোৱা ব্যাসক নাৰদে মনৰ অশান্তিৰ কাৰণ প্ৰদৰ্শন কৰি ভগৱন্তৰ কৃষ্ণৰ গুণ লীলা প্ৰকাশক মহান নিগম শাস্ত্ৰ-ভাগৱত প্ৰণয়ন কৰিবলৈ উপদেশ দিলে। ব্যাসৰ দৰে মহাপণ্ডিতৰো ভ্ৰম হয় আৰু অনুতপ্ত হৈ ভাগৱত লিখিহে মহাশান্তি লাভ কৰে। জ্ঞানীতকৈ ভক্তিযুক্ত লোকহে উত্তম। জ্ঞানক ভক্তিৰ আৰ্চীত দেখিলেহে মোক্ষ লাভ হয়।

নাৰদ ভগৱানৰ অৱতাৰ। ব্ৰহ্মাৰ মানসপুত্ৰ নাৰদে কৃষ্ণভক্তিত ব্যতিক্ৰম হ'ব পাৰে বুলিয়েই সৃষ্টিকৰ্ম্ম ত্যাগ কৰিছিল। পৰম বৈৰাগ্য পুৰুষ নাৰদে ব্ৰহ্মাৰ অভিশাপত গন্ধৰ্ব্ব জন্মলৈ পঞ্চাশ গৰাকী ৰমণীক বিয়া কৰাই গৃহবাস কৰিব লগা হৈছিল উপবৰ্হন নাম লৈ। তদুপৰি তেওঁ শূদ্ৰৰ কুলত দ্বিজ দাসীৰ গৰ্ভত জন্ম গ্ৰহণ কৰি দাসীপুত্ৰ হিচাবে জীৱন অতিবাহিত কৰি থাকোঁতে বাৰিষা চাৰিজন বৈষ্ণৱ সেৱা শুশ্ৰূষা কৰি বৈষ্ণৱ-জ্ঞান লাভ কৰিছিল। বৈষ্ণৱ ভক্তৰ সান্নিধ্য লাভ কৰি পৰম জ্ঞান পাই তেওঁ কৃষ্ণৰ একান্ত ভকত হ'ল। মহা প্ৰলয়ত তেওঁ ব্ৰহ্মাৰ গৰ্ভত বিলীন হয় আৰু নৱ সৃষ্টিত পাৰিষদী তনু লাভ কৰে। বৈষ্ণৱৰ সান্নিধ্য, ভগৱন্তৰ ভক্তৰ সান্নিধ্য, ভগৱন্ত নাৰায়ণৰ নাম কিমানযে মহান তাক নাৰদৰ জীৱনৰ মাজেদি প্ৰতিভাত হৈছে। নাম অঞ্জনীয়াজনৰ পৰম ভাগ্য যে ভগৱানৰ নাম লোকত বিলাব পাৰে।—

কুৰুক্ষেত্ৰ মহাসমৰৰ সামৰণিত অশ্বত্থামাৰ দ্বাৰা এক নাৰকীয় কাৰ্য্য সম্পাদিত হয় — সেয়া নিদ্ৰিত অৱস্থাত পাণ্ডৱৰ শিবিৰত অশ্বত্থামাই প্ৰৱেশ কৰি অগণন লোকক হত্যা কৰা। পাণ্ডৱৰ পাঁচ পুত্ৰৰ শিৰ কাটি নি দুৰ্যোধনৰ ওচৰত বাঃ বাঃ ল'বলৈ যোৱা গুৰুপুত্ৰ অশ্বত্থামাৰ ঘৃণনীয় ইতিহাস। বীৰৰ কাৰ্য্য নহয়, ভীৰুৰ হে কাৰ্য্য। অশ্বত্থামাৰ মনত প্ৰতিহিংসাৰ ভাৱ পশুৰ দৰে জাগি উঠিল আৰু বিবেকৰ দংশন হ'ল। অৰ্জ্জুনে শিৰোমণি ছেদ কৰাৰ অপমান,

বন্ধনৰ অপমান পাই তাৰ ভিতৰত পশুটো বলিয়া হৈ উঠিল আৰু বন্ধনৰ পৰা মুক্তি পালেও— সকলো পাহৰি পাঁচ পাণ্ডৱলৈ পাঁচ পাত ব্ৰহ্মাস্ত্ৰ প্ৰয়োগ কৰিছিল যদিও কৃষ্ণৰ সহায়ত ব্ৰহ্মাস্ত্ৰ বিনাশ ঘটিল। পাণ্ডৱ বংশ নিৰ্মূলৰ কাৰণে পুনৰ ব্ৰহ্মাস্ত্ৰ নিক্ষেপ কৰাত উত্তৰাৰ গৰ্ভ নাশ হলহেঁতেন যদিহে কৃষ্ণই উত্তৰাৰ গৰ্ভ ৰক্ষা নকৰিলেহেঁতেন। অনুপযুক্ত আৰু বিবেকহীন জনৰ ওচৰত তেনে অমোঘ অস্ত্ৰ থকা অনুচিত। ব্ৰহ্মাস্ত্ৰৰ প্ৰয়োগ হ'ব লাগে জগতৰ মঙ্গলৰ কাৰণেহে, প্ৰতিশোধৰ বাবে নহয়। অশ্বত্থামাৰ কলঙ্ক— চিৰদিন জগতত ৰ'ল।

দ্ৰৌপদীয়ে চেতনাশক্তি ৰূপে পাণ্ডৱৰ সুখ-দুখৰ সহচৰী হ'ল। কুৰুক্ষেত্ৰৰ মহাসমৰৰ আগলৈকে তেওঁ— যিমানবোৰ দুখ-কষ্ট সহ্য কৰি গ'ল— তাৰ ভিতৰত ৰাজ সভাত পোৱা বস্ত্ৰ হৰণৰ নিৰ্য্যাতন সবাতোকৈ ক্লেশজনক। মহাসমৰৰ সামৰণিত পঞ্চ পুত্ৰৰ কটা শিৰ দেখি দেৱীয়ে তাতোতকৈ অধিক বেদনা ভুগিছিল। অৰ্জ্জুনে পুত্ৰ সন্তাক বান্ধি আনি দিয়াত দ্ৰৌপদীয়ে গুৰু পুত্ৰৰ শিৰচ্ছেদ কৰাৰ কথা দূৰৰেই, বান্ধ মুকুলাই দিবলৈহে অৰ্জ্জুনক খাটিছিল। কিয়নো অশ্বত্থামাক শিৰচ্ছেদ কৰিলে তেওঁৰ মাকেও দ্ৰৌপদীৰ দৰে অনুতাপ পাব তদুপৰি হিংসাৰ অগনি হিংসাৰে নিৰ্ব্বাপিত নহয়, নিৰ্ব্বাপিত হ'ব ক্ষমাৰ দ্বাৰাইহে। দ্ৰৌপদীৰ হৃদয়ৰ এই মহানতা জগতত তেনেই বিৰল।

কুন্তীদেৱী কৃষ্ণৰ পৰম ভক্তা। জীৱনৰ আদিৰ পৰা অন্তলৈকে সকলো সময়তে কৃষ্ণক ঈশ্বৰ ৰূপে ভক্তি কৰি আহিছে। সীমাহীন বিপদ-আপদৰ পৰা কুন্তীৰ পৰম ভক্তিত তুষ্ট হৈ তেওঁ পাণ্ডৱ সকলক ৰক্ষা কৰি আহিছে। কুৰুক্ষেত্ৰ মহাসমৰত পাচত যুধিষ্ঠিৰক ৰজা পাতি দ্বাৰকালৈ যাবৰ বেলা কুন্তীয়ে কৃষ্ণক হিয়া উজাৰি স্তুতি কৰিছিল।

কৃষ্ণ কুটস্থ চৈতন্য শক্তি ৰূপে থাকি ভূমিৰ ভাৰ হৰণৰ বাবে পাণ্ডৱ আৰু কৌৰৱৰ মাজত কুৰুক্ষেত্ৰ মহাসমৰ কৰোৱালে। যুদ্ধৰ সামৰণিত অশ্বত্থামাই প্ৰহাৰ কৰা ব্ৰহ্মাস্ত্ৰকো ধ্বংস কৰি পাণ্ডৱক ৰক্ষা কৰিলে আৰু উত্তৰাৰ গৰ্ভস্থ সন্তান পৰীক্ষিতক গদাধৰি গৰ্ভতে ব্ৰহ্মাস্ত্ৰৰ পৰা ৰক্ষা কৰিলে। দুষ্কৃতিকাৰীক সমূলঞ্চে ধ্বংস কৰি, সাধুক পৰিত্ৰাণ কৰি, পুনৰ ধৰ্ম্মসংস্থাপন কৰি তেওঁ পাণ্ডৱৰ পৰা বিদায় লৈ দ্বাৰকালৈ গমন কৰিলে।

অৰ্জ্জুন কৃষ্ণৰ পৰম সখা আৰু ভক্ত। কৃষ্ণৰ সাৰথ্যত মহাবীৰ অৰ্জ্জুনে কুৰুক্ষেত্ৰ মহাসমৰ জিনি যুদ্ধৰ শেষত পুত্ৰঘাটী অশ্বত্থামাৰ ব্ৰহ্মাস্ত্ৰক ব্ৰহ্মাস্ত্ৰৰে নিঃশেষ কৰি অশ্বত্থামাক বন্দী কৰি আনি দ্ৰৌপদীৰ আগত হাজিৰ কৰে। নিজ প্ৰতিজ্ঞা ৰক্ষা, ভীমৰ আজ্ঞা অনুসৰি অশ্বত্থামাক অৰ্জ্জুনে শিৰচ্ছেদ কৰিব লাগে।





দ্ৰৌপদীৰ অনুৰোধ মতে মুকলি কৰি দিব লাগে। এই তিনিটা কথা ৰক্ষাৰ্থে অৰ্জ্জুনে নিজস্ব ভাৱে সিদ্ধান্ত গ্ৰহণ কৰি অশ্বত্থামাৰ শিৰোমণি কেশ সহঃ কৰ্ত্তন কৰে। এই কৰ্ম্মক আনকি কৃষ্ণয়ো প্ৰশংসা কৰে। কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ বাতৰিও আনি অৰ্জ্জুনেই যোগায়হি। কৃষ্ণৰ প্ৰতি সাখ্য ভক্তিৰে ক্ষত্ৰিয় ধৰ্ম্ম পালন কৰি অৱশেষত স্বৰ্গাৰোহন কৰে।

মহাবীৰ ভীষ্মই কৃষ্ণৰ পৰম ভক্ত আৰু বাৰ -বৈষ্ণৱৰ এজন বৈষ্ণৱ। কুৰুক্ষেত্ৰ মহাসমৰত কৌৰৱৰ পক্ষত থাকিও—পাণ্ডৱৰ সততা, নৈতিকতা, অন্তৰে সৈতে মানিলৈ পাণ্ডৱৰ জয় সুনিশ্চিত কৰিলে আৰু কৃষ্ণৰ সকলো কৰ্ম্মক স্বাগতম জনাই শৰশয্যাত পৰিল। কুৰুক্ষেত্ৰ সমৰত অন্তত পাণ্ডৱ সকলক ধৰ্ম্মনীতি, ৰাজনীতি আদি পৰামৰ্শ দি প্ৰাণ ত্যাগ কৰিলে। মহাভক্ত বিদুৰেও পাণ্ডৱৰ হিত সাধি মৈত্ৰেয়ৰ পৰা মহাজ্ঞান লাভ কৰি পাণ্ডৱৰ ওচৰ পাই ধৃতৰাষ্ট্ৰক পৰি নিৰ্বাচনৰ বাবে আতৰাই নিয়ে।

পৰীক্ষিতে মৃগয়া কৰিবলৈ যোৱাটো ভক্ত হিচাবে অনুচিত নাছিল। প্ৰাণী বধ মহা পাপ। মৃগয়াত ক্ষুধা-তৃষ্ণাৰ বশৱৰ্ত্তী হৈ ধ্যানমগ্ন শমীক মুনিক হিতাহিত জ্ঞান হেৰুৱাই খঙৰ বেগত মৰা শাপ ডিঙিত মেৰাই মহান ভুল কৰিছিল, যাৰ বাবে শমীকৰ পুত্ৰ শৃঙ্গীৰ পৰা সৰ্প দংশনৰ অভিশাপ পাবলগীয়া হ'ল। তাৰ আগতে তেওঁ ধৰ্ম্ম, বসুমতীৰ দুৰৱস্থা দেখি আৰু তেওঁলোকক কলিয়ে দুখ-কষ্ট দিয়াত কলিক নিগ্ৰহ কৰা উচিত আছিল। ধৰ্ম্ম ৰক্ষাৰ বাবে ধৰ্ম্মৰ তিনিপদ সংযোজন কৰা আৰু বসুমতীক সুৰক্ষা দিয়া কৰ্ম্ম একছত্ৰী সম্ৰাট হিচাবে উপযুক্ত হৈছে। কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ পাচত কলিৰ প্ৰাৰ্দুভাৱ দেখি ৰজাই কলিক নিগ্ৰহ কৰিলে আৰু কলিয়ে শৰণাপন্ন হৈ থাকিবলৈ স্থান বিচৰাত ৫ খন স্থান দিলে। কলিক সমূলে উচ্ছেদ নকৰি পাঁচখন স্থান দিয়াত কলিযুগৰ মানৱৰ কাৰণে দুৰ্য্যোগ নামি আহিল। জুৱা-পাশাৰ বাবেই কুৰুক্ষেত্ৰ মহাসমৰৰ সূত্ৰ পাত হয় আৰু সমাজ ব্যৱস্থাত দ্বন্দ, হাই-কাজিয়া, অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হয়। মদ্যপান আন এক মহা পাপ। মদ্যপানৰ দ্বাৰা বিবেক -বিভ্ৰান্ত লৈ ভয়ঙ্কৰ অঘটন ঘটে। নাৰী মায়াত বিভুল হৈ -কাম-ক্ৰোধ-লোভ-মোহৰ বশবৰ্ত্তী হৈ ব্যক্তিগত আৰু সামাজিক জীৱনত ধ্বংস -অশান্তি আহে। সুবৰ্ণই সকলোকে আকৰ্ষণ কৰে আৰু তাৰ প্ৰভাৱত সমাজত অশুভ কাৰ্য্য চলে। কাম-ক্ৰোধ-লোভ -মোহ -মদ -মাৎসৰ্য্য, হিংসা, -দম্ভ-দ্বেষ্য আদি বোৰ কলিৰ মুক্ত প্ৰভাৱ। মিছা বেশ্যা কৰ্ম্মই মানুহৰ অধুন্নতি সাধন কৰে। পঞ্চসূনা পাপ নিতৌ গৃহস্থৰ ঘৰত ঘটে আৰু তাৰবাবে পঞ্চ যজ্ঞৰ বিধান শাস্ত্ৰই দিছে। কিন্তু পৰীক্ষিতে

কলিৰ বিভিন্ন প্ৰভাৱৰ পৰা ৰক্ষা পাবলৈ হৰিনাম শ্ৰৱণ-কীৰ্ত্তনৰ অমোঘ অস্ত্ৰ কলিৰ জনগণলৈ প্ৰতিষ্ঠা কৰি থৈ গ'ল। হৰিনাম লোৱা লোকক কলিয়ে অনিষ্ট কৰিব নোৱাৰে।

পৰীক্ষিতক কৃষ্ণই গৰ্ভতে দৰ্শন দি ৰক্ষা কৰিলে। এনে কৃষ্ণ দৰ্শন পোৱা মহাভাগৱত জনে মৃগয়া কৰা, মুনিক অপমান কৰা অনুচিত আছিল যদিও মোক্ষ লাভৰ পথ প্ৰশস্ত কৰাৰ কাৰণে ঈশ্বৰে পৰীক্ষিতক অভিশাপ দিয়ালে আৰু ঘটনাক্ৰমে মহাভাগৱত পৃথিৱীত প্ৰকাশ হোৱাত সুবিধা ঘটিল। সৰ্প দংশন তেওঁৰ বাবে কৃষ্ণৰ প্ৰসাদ বুলিহে ৰজাই উল্লেখ কৰিছে।

পৰীক্ষিতে মুনিক কৰা অপকৰ্ম্মৰ বাবে অনুতপ্ত হৈছিল। কু-কৰ্ম্ম কৰাৰ পাচত অনুপপ্ত হৈ ভৱিষ্যতে তেনে কৰ্ম্ম নকৰিবলৈ বদ্ধপৰিকৰ হোৱা উচিত। মহাভাগৱত মহা মুনি শুকৰ পৰা শুনি তেওঁ মোক্ষ লাভ কৰিলে।

শমীক মুনিয়ে সমাধিৰ পৰা সাৰ পাই ৰজাক পুত্ৰই অভিশাপ দিয়া কথা শুনি শমীকে পুত্ৰক ভসনাহে কৰিলে। মহান পুৰুষৰ ক্ষমাহে ভূষণ। শৃঙ্গী মুনিয়ে লঘু দোষত ৰজাক অভিশাপ দিয়া উচিত নাছিল বুলি শমীকে কৈছিল। বিবেকহীন ভাৱে মহৎলোক খঙৰ প্ৰভাৱত অনিষ্টকাৰী কৰ্ম্ম কৰিব নেলাগে।

মহামুনি শুকদেৱ পৰমবৈষ্ণৱ অৱধূতলোক। পিতৃ ব্যাসৰ পৰা মহাভাগৱত শুনি গঙ্গা নদীৰ তীৰত পৰীক্ষিত প্ৰমুখ্যে ৬৪,০০০ লোকৰ আগত ভাগৱত শাস্ত্ৰ ব্যাখ্যা কৰে। শুকদেৱৰ যোগে বৈকুণ্ঠৰ শাস্ত্ৰ ভাগৱত পৃথিৱীত প্ৰকাশ পায়। ভাগৱত শাস্ত্ৰই কলিৰ মানৱৰ কাৰণে একমাত্ৰ তৰণৰ উপায়। কাহিনীৰ যোগে বেদ-বেদান্তৰ তত্ত্ব-ৰাজি ভাগৱতৰ বিভিন্ন পদত ব্যক্ত হৈছে। ইয়াত কেৱল পৰমানন্দৰ অনাবিল আনন্দ ৰস প্ৰবাহিত হৈছে। ৰস পিপাসু সকলে কাহিনীৰ মাজৰ পৰা ভক্তি তত্ত্বৰ -ৰহস্য পান কৰিব পাৰিব। সাধু সঙ্গত কৃষ্ণ ৰস-কথা কৰ্ণ ভৰি শুনি জীৱন সাৰ্থক কৰিবলৈ দঢ়াই দঢ়াই কোৱা হৈছে।





# ।। দ্বিতীয় স্কন্ধ ।।

## মহাপুৰুষ শঙ্কৰদেৱ বিৰচিত

**মূল বিষয় ঃ**

১। ভাগৱত ধৰ্ম্মৰ মহিমা।

২। জগত সৃষ্টিৰ বৰ্ণনা।

৩। বিষ্ণুৰ অৱতাৰ লীলাঃ কৃষ্ণৰ লীলামালা।

৪। ভাগৱতৰ দশ লক্ষণ

**ভাগৱত ধৰ্ম্মৰ মহিমা ঃ**

ঘোৰ কলিযুগৰ তৰণৰ একমাত্ৰ সহজ লভ্য উপায় হৰিনাম শ্ৰৱণ-কীৰ্ত্তন। কৃষ্ণ কথা অমৃতৰো অমৃত, হৰিনাম মহাফলদায়ক মহৌষধ। হৰি ভক্তি মহাধৰ্ম্ম। হৰিনামে কলিৰ মলি অৰ্থাৎ কাম, ক্ৰোধ, লোভ, মোহ, মদ, মাৎসৰ্য্য, দম্ভ, দ্বেষ্য-অহঙ্কাৰ মিছা, বেশ্যা আদি দোষবোৰ আতৰ কৰে —

"ঘোৰ কলিযুগে মলমতি মনুষ্যৰ।
নাহি আন ধৰ্ম্ম হৰি ভকতিত পৰ।।
শৰীৰত আছে কলি কৃত যত দোষ।
গুচোক প্ৰথমে কৰা হৰি হৰি ঘোষ।" ৩।।

ইয়াৰ আগৰ অধ্যায়ত পৰীক্ষিতে শুকক সুধিছিল— যে মুমূৰ্ষু জনে কি কৰ্ম্ম কৰিব, কি জপিব, কি শুনিব, কাক জপিব আৰু পৰম ভজনীয় কোন? ৰজাৰ প্ৰশ্নৰ উত্তৰত শুকে ক'বলৈ ধৰিলে— হৰি বিমুখহৈ যি আয়ু ক্ষয় কৰে, দিনৰ ভাগত কেৱল ধনৰ আশাত, নিজ প্ৰিয় কুটুম্বৰ সান্নিধ্যৰ আশাত কাল কটায়; ৰাত্ৰি কালত প্ৰিয় পত্নীৰ বা নাৰীৰ লগত মধুৰ আলাপ আৰু উপভোগত নিদ্ৰা এৰি সময় অতিবাহিত কৰি বিষয়ত লিপ্ত থাকে; তেনেলোকে নিজৰ সৰ্ব্বনাশহে কৰে।

" দিন ভৈলে ধন কুটুম্বৰ চিন্তা কৰে।
নিদ্ৰাস্ত্ৰী- আলাপ ৰাত্ৰিৰো আয়ুহৰে।।
মিছা বিষয়ত মাত্ৰ কৰে অভিলাষ।
সিহেতু নেদেখে নৰে আপোনাৰ নাশ।। ৭।।

কিন্তু মোক্ষ লাভ কৰিবলৈ অভিলাষ কৰা সকলে, ধন আৰু স্ত্ৰী সম্ভোগ ত্যাগ কৰি কৃষ্ণ-নাম-গুণত চিত্তক ব্যস্ত ৰাখিব লাগিব। হৃদয়ত কৃষ্ণক প্ৰতিষ্ঠা কৰি কৃষ্ণৰ পাদ-পদ্মত মন প্ৰবৃত্ত কৰিব।

"দিবে চিত্ত কৃষ্ণ গুণ নাম কীৰ্ত্তনত।
কৃষ্ণৰেসে পাদ পদ্ম স্মৰিৰে মনত।। ৮।।

নাৰায়ণক স্মৰণ কৰাহে মঙ্গলজনক আৰু তেহে জীৱন সম্ফল হয়। মুমূৰ্ষু কালত হৰি স্মৰণ কৰা জন পৰম ভাগ্যবান; কিয়নো, তাৰ মুক্তি অৱশ্যাম্ভাবী, তেনেজনৰ ভাগ্যৰ মহিমা অনন্ত অসীম।



"অন্তকালে হৰিস্মৰে যিটো ভাগ্যৱন্ত।
তাহাৰ মহিমা কহি কোনে পাৰে অন্ত।।" ৯।।

যিজনে সমস্ত জগতকে ব্ৰহ্মসম দেখে, তেওঁ সমস্ত পাপ পুণ্যৰ পৰা নিবৰ্ত্তন হয়। মহাভাগৱত শাস্ত্ৰ অপ্ৰপঞ্চৰ শাস্ত্ৰ আৰু ইয়াৰ মহাধৰ্ম্ম হৈছে হৰিনাম। হৰিনাম শ্ৰৱণ কৰাৰ লগে লগেই কৃষ্ণৰ সাক্ষাত লাভ হয়। স্ত্ৰী, বালক-বালিকা বৃদ্ধ-বৃদ্ধা, চাণ্ডাল আদিৰো হৰিনাম লোৱাৰ অধিকাৰ আছে। নামে এইসকলক উদ্ধাৰ কৰে। শুকে কলিৰ সন্ধ্যাকালত পিতৃ ব্যাসৰ পৰা এই মহাশাস্ত্ৰ জ্ঞান লাভ কৰিছিল।

"স্ত্ৰী বাল্য বৃদ্ধ সমস্তৰে অধিকাৰ।
চাণ্ডালকো কৰে নামে তেখনে উদ্ধাৰ।।
কলিৰ সন্ধ্যাত মই পঢ়িলো পিতৃত।
তুমি মহা বৈষ্ণৱত কৰিবো বিদিত।।" ১৩।।

হৰিনামে মনৰ অভিলাষ পৰিপূৰ্ণ কৰে; মোক্ষ কামনা কৰাজনে অপ্ৰয়াসে মোক্ষ লাভ কৰে। চাৰিবেদেও পৰম মঙ্গল হৰিনামক হে সাৰতত্ব বুলি কৈছে। কৃষ্ণ ভক্তই অন্তকালত ভগৱন্তৰ নাম লৈ পৰম গতি লাভ কৰে। অল্প সময় ভগৱানৰ নাম লৈ অৰ্থাৎ দুই দণ্ড (৪৮ মিনিট) সময়ৰ ভিতৰতে খটাঙ্গ ৰজাই হৰি নামলৈ পৰম ধাম লাভ কৰিলে।

"অল্প কালে সাধে সিদ্ধি কৃষ্ণৰ ভকতি।
দুই দণ্ডে পাইলা গতি খটাঙ্গ নৃপতি।।" ১৬।।

ৰজা খটাঙ্গই দেৱতাসকলক ৰক্ষা কৰি বহুকাল আছিল। পৃথিৱীলৈ প্ৰত্যাৱৰ্তন কৰিবলৈ লোৱাৰ সময়ত দেৱগণে ৰজাক বৰ ল'বলৈ ক'লে। ৰজাই দেৱগণৰ পৰা বৰ লোৱাৰ আগতে সুধিলে —তেওঁ কিমান দিন জীয়াই থাকিব। তেওঁ মাত্ৰ দুই দণ্ডহে জীয়াই থাকিব বুলি ক'লে। ৰজাই লগে লগে আকাশ মাৰ্গেদি বিমানেৰে পৃথিৱীলৈ আহি থাকোঁতে কৃষ্ণনাম লৈ মোক্ষ লাভ কৰিলে। পৰীক্ষিত কিন্তু সাত দিন জীয়াই থাকিব; গতিকে মোক্ষ লাভৰ কাৰণে পৰীক্ষিতে মহাভাগৱত সাতদিন শুনিবলৈ পাব। সেইবাবে চিন্তাৰ কাৰণ নাই বুলি শুকে পৰীক্ষিতক শান্ত্বনা দিছে। সংসাৰত জীৱই তৰণৰ বাবে অসংখ্য পথ আছে; কিন্তু সেইবোৰ বিঘিনিদায়ক, শ্ৰৱণ-কীৰ্ত্তনহে বিঘিনিমুক্ত সুগমপথ—

"শ্ৰৱণ কীৰ্ত্তনে মাত্ৰ কৃষ্ণক আৰাধে।
মহা সুখ পথ ইটো বিঘিনি নবাধে।। ২০ ।।

পূৰ্ব্বতে ব্ৰহ্মাই তিনিবাৰ বেদ প্ৰমাণ কৰি এই সাৰতত্বকে পালে। এই সাৰতত্ব অৰ্থাৎ ভগৱন্তৰ নাম শ্ৰৱণ-কীৰ্ত্তনেই সুগম ভকতি। ভকতিয়েহে কেৱল মায়া দূৰ কৰিব পাৰে। যিসকল অজ্ঞানী, তেওঁলোকে নানা দেৱ-দেবী সকলক পূজা-সেৱা কৰে। ভকতৰ সঙ্গত শ্ৰৱণ-কীৰ্ত্তন অনবৰতে কৰি থাকিলে পৰম পুৰুষাৰ্থ লাভ কৰিব পাৰে; অন্য কৰ্ম্মৰ দ্বাৰা হৰি বিমুখ হোৱা মুখামি—

"ভকত জনৰ সঙ্গে ৰঙ্গে সৰ্ব্বক্ষণ।
কৃষ্ণক আৰাধি কৰে শ্ৰৱণ-কীৰ্ত্তন।।
এহিমানে মাত্ৰ পুৰুষাৰ্থ পুৰুষৰ।
আন কৰ্ম্ম সবে ব্যৰ্থ হৰি বিমুখৰ।।" ২৫।।

কৃষ্ণ-কীৰ্ত্তন শুনাৰ লগে লগে জ্ঞানৰ উদয় হয়, মন পবিত্ৰ হয়, সুখৰ প্ৰতি বিৰক্তি আহে। কৃষ্ণ কথা নুশুনা জনৰ আয়ু অবাবতে ক্ষয় হয়। কাণেৰে যি হৰি কথা নুশুনে, তেওঁ কুকুৰৰ দৰে নিষ্ঠুৰ। গাহৰিয়ে বিষ্ঠা -মুত্ৰ ভক্ষণ কৰি, উটে কাঁইট চোৱাই, গাধই অত্যাধিক বোজা বহন কৰি, কুকুৰে টঙনিয়ালে পুনৰ আহাৰ খাই ভাল পায়। উটে কাইট চোবাই খাওঁতে ওঠ দুটা ফাটি তেজ বাহিৰ হ'লেহে তৃপ্তি পায়। এই চাৰিবিধ প্ৰাণীয়ে যেনেকৈ নিজ নিজ অভিপ্ৰেত কাৰ্য্য ভাল পায়, তেনেকৈ অধম লোকে কৃষ্ণ কথা এৰি অন্য কথাহে কাণেৰে শুনে। তেনেজনৰ মূল্যবান জিভাখন মাণ্ডুক্যৰ দৰে ওলোটা, কিৰীটিৰে ভূষিত শিৰৰ ভাৰ বৃথায়ে বহন কৰে, সুবৰ্ণ খাৰুৰে অলঙ্কৃত দুই হস্ত মৃতপ্ৰায়। কিয়নো শিৰেৰে কৃষ্ণক নমস্কাৰ নকৰিলে, হাতেৰে কৃষ্ণ কৰ্ম্ম নকৰিলে, শিৰ আৰু হস্ত অথলে যায়। চক্ষুৰে কৃষ্ণৰ ৰূপ অৰ্থাৎ জগতৰ ভগৱন্ত মায়া ৰূপ নেদেখিলে দুই চক্ষু মৈৰাৰ চকাৰ সদৃশ হয়। ভৰিৰে কৃষ্ণ স্থানলৈ গমন নকৰিলে ভৰি দুটিও বৃক্ষৰ সদৃশ হয়। নাকেৰে কৃষ্ণপদ তুলসীৰ ঘ্ৰান ন'ললে সেই নিশ্বাস কমাৰৰ ভাটিৰ দৰে হয়। ভকতৰ পদৰ ধূলি তুলি ল'লেহে কৃষ্ণ সন্তোষ্ট হয়। হৰি হৰি বুলি কওঁতে যিজনৰ চিত্ত ৰোমাঞ্চিত নহয়, তেওঁৰ চিত্ত বজ্ৰৰ দৰে কঠিন।

ইন্দ্ৰিয় গণক সংযমত ৰাখিবৰ কাৰণে সন্তৰ সান্নিধ্য অতি অপৰিহাৰ্য্য। লিঙ্গ, উদৰক জয় কৰিব পৰা অতি কঠিন। বিশ্বামিত্ৰ, পৰাশৰ আদি মহামুনি সকলেও কামত বিমোহিত হৈছিল। জিভাৰ তৃপ্তি ত্যাগ কৰাও কঠিন। সুমিষ্ট আহাৰৰ মোহ জিভাই সামৰিব নোৱাৰে, তেনে লোভত আকৃষ্টজনে ইন্দ্ৰিয়ক দমন কৰা অসম্ভৱ—

"বিশ্বামিত্ৰ পৰাশৰ আদি মুনিগণে।





জলবায়ু পত্ৰমাত্ৰ কৰয় ভোজন।। ৪০।।
কামিনীজনৰ মুখ পদ্ম সুললিত।
দেখি তাৰাসবো আতি ভৈলা বিমোহিত।।
দধি দুগ্ধ ঘৃত মিশ্ৰ কৰি শালি অন্ন।
প্ৰবন্ধিয়া প্ৰতি নিতে ভুঞ্জে যিটোজন।। ৪১।।
সিয়ো জনে পাৰে যদি ইন্দ্ৰিয় জিনিত।
বিন্ধাগিৰি পাৰে তেবে সাগৰ তৰিত।। ৪২।।

### সূত আৰু শৌনকৰ কথোপকথন ঃ

শুকমুনিৰ মুখে পৰমাৰ্থতত্ব শুনি পৰীক্ষিতে ভাৰ্য্যা, পুত্ৰ, ধন, শৰীৰৰ, ৰাজ্যৰ প্ৰতি বীতশ্ৰদ্ধ হৈ ভগৱন্তৰ কথা শুনিবলৈ শ্ৰদ্ধাবান হ'ল। আসন্ন মৃত্যুক নিশ্চিত কৰি ধৰ্ম্ম-অৰ্থ- কাম ত্যাগ কৰিলে আৰু গুৰুৰ চৰণত ধৰি ভৱন্তৰ সৃষ্টিকৰ্ম্মৰ বিষয়ে জানিবলৈ মন কৰিলে। এই বিশ্বখন ভগৱন্তৰ কেনেধৰণে স্ৰজন কৰিলে, কেনেকৈ পালন কৰিছে, আৰু কেনেদৰে সংহাৰ কৰিব, তাক জানিবৰ বাবে ব্যগ্ৰ হৈ পৰিল—

"ইটো বিশ্বখন প্ৰভু নাৰায়ণ
কিমতে কৰা স্ৰজন।।
যিমতে পালন্ত পুনু সংহাৰন্ত
যিসৰ মূৰ্ত্তিক ধৰি।।
ইসব সংশয় ছেদিবে লাগয়
গুৰু মোক কৃপা কৰি।।"

শুকে ক'লে— ঈশ্বৰে সৃষ্টি -স্থিতি- অন্ত কৰিবলৈ ব্ৰহ্মা আদি নাম ধৰে। জীৱৰ হৃদিকমলত থাকি ভগৱন্তই জীৱৰ স্পন্দন শক্তি ৰূপে কৰ্ম্ম কৰায়; কিন্তু জীৱই চকুৰে নেদেখাৰ বাবে তাক বুজিব নোৱাৰে। স্ব-ধৰ্ম্ম পালন কৰাজনৰ দুখ-ভয় তেওঁ দূৰ কৰে আৰু অধাৰ্ম্মিকক সংহাৰ কৰে। ভক্তিহীনজনে যিমানবোৰ কৰ্ম্ম কৰে সেই সকলোবোৰ ব্যৰ্থ প্ৰয়াস মাত্ৰ। তপ-জপ-আদিবোৰ বিড়ম্বনা মাত্ৰ। ব্ৰহ্মা হৰেও তেওঁৰ চৰণত পাৰি সেৱা যাছে। ভগৱানে ক্ষিতি-অপ-তেজ-মৰুৎ ব্যোমেৰে অৰ্থাৎ পঞ্চ মহাভূতেৰে শৰীৰ নিৰ্ম্মাণ কৰি তাতে ভগৱান সোমাই থাকে। কবিয়ে কৈছে— কৃষ্ণদেৱক নমস্কাৰ কৰোঁ, তেওঁৰ পদকমলত সেৱা জনাওঁ, পৰীক্ষিতৰ দৰে আমাৰো মৃত্যুকাল সন্নিকত। কেশ গুচ্ছ পকিল, দাঁত ক্ষয় হ'ল, ছাল সোটোৰা সোটোৰি হ'ল, মুখৰ বাক্য কমি আহিল; তথাপি

আমাৰ জীৱনৰ আশা-ধন-মোহ- অদ্যাপি দূৰ হোৱা নাই। গতিকে ভক্তৰ সঙ্গত কৃষ্ণ কথা ৰঙ্গমনে শ্ৰৱণ-কীৰ্ত্তন কৰি পৰকালৰ বিত সংগ্ৰহ কৰা উচিত।

**জগৎ সৃষ্টিৰ বৰ্ণনা ঃ**

শুকে পৰীক্ষিতক ক'লে— "এই সম্পৰ্কত তোমাক ব্ৰহ্মা-নাৰদ-সংবাদ'ৰ বিষয়ে কম"। এদিন প্ৰজাপতি ব্ৰহ্মাই-চিত্ত স্থিৰ কৰি, শুদ্ধস্থানত উপবেশন কৰি, যম নিয়ম কৰি, প্ৰজাৰ মঙ্গল কামনা কৰি কৃপাময় কৃষ্ণক সেৱা জনালে। তেওঁৰ লগত ব্ৰহ্মাৰ পুত্ৰ সকলো উপস্থিত আছিল। তেওঁলোকে পিতা ব্ৰহ্মাক সুধিলে— প্ৰথমে নাৰদে প্ৰশ্ন কৰিলে—

কাৰ আশ্ৰয়ত জগতে প্ৰকাশ পায়?
কোনে স্ৰজন কৰে আৰু প্ৰলয়ত কোন থাকে?
কাৰ অধীনত সমস্ত জীৱ-জগত তিষ্ঠে?
তোমাৰ জ্ঞানদাতা গুৰু কোন? তোমাৰ সেব্য কোন
আৰু দেৱসৰ কাৰ অধীন?

নাৰদৰ প্ৰশ্নৰ উত্তৰত ব্ৰহ্মাই ক'বলৈ ধৰিলে— "মোক তোমালোকে ঈশ্বৰ বুলি মানা, অৱশ্যে ঈশ্বৰৰ কৰ্ম্মই কৰিছোঁ; কিন্তু মই ঈশ্বৰ নহয়, ঈশ্বৰৰ কৃপাত হে মই কৰ্ম্ম কৰিছোঁ। মোৰ ইষ্টদেৱ দৈৱকীনন্দন কৃষ্ণহে তেওঁৰ বাদে মোৰসেব্য আন নাই। ঈশ্বৰ কৃষ্ণৰ আদেশত মই সৃষ্টিকৰ্ম্ম কৰো। ঈশ্বৰৰ সন্মুখত মায়াই তিষ্ঠিবই নোৱাৰে। কিন্তু তোমালোক সকলোৰে সেই মায়াত আচ্ছন্ন হৈ আছা। মায়ায়ে মোহিব নোৱাৰাৰ বাবেই ঈশ্বৰক জগতৰ গুৰু বোলা হয়। চাৰিবেদ, চৈধ্যশাস্ত্ৰ কৃষ্ণকে কোৱা হয় আৰু দেৱসৰ তেওঁৰে অংশ—

"চাৰিবেদ চৌদ্ধশাস্ত্ৰ কৃষ্ণক কহয়।
কৃষ্ণৰেসে অংশ সবে যত দেৱচয়।।" ৭৬।।

যাগ-যজ্ঞ, তপ, জপ কৰি কৃষ্ণকেইপায়। জ্ঞানীগণে জ্ঞানমাৰ্গেৰে সেই কৃষ্ণকেই সেৱা কৰে। গতিকে কৰ্ম্মমাৰ্গ, জ্ঞানমাৰ্গৰ দ্বাৰা কেৱল কৃষ্ণকে সেৱা কৰা হয়।

কৃষ্ণই মায়াক মাধ্যম হিচাবে লৈ লীলাৰ যোগেদি প্ৰকৃতিৰ দ্বাৰা ব্ৰহ্মাণ্ডৰ নিৰ্ম্মাণ কৰোৱালে। ব্ৰহ্মাণ্ডৰ মাজত তেওঁ বিৰাট শৰীৰ অৱধাৰণ কৰি ওপৰলৈ সপ্তলোক আৰু বিতল-অতল-তলাতল আদি সপ্ত পাতাল অধত সৃষ্টি কৰিলে।

"লীলা কৰি তেহোপাছে প্ৰকৃতি স্ৰজিলা।
মায়া গুণ দ্বাৰে ইটো ব্ৰহ্মাণ্ড নিৰ্ম্মিলা।।" ৭৭।।





"তাহাৰ ভিতৰে ভৈলা- বিৰাট শৰীৰ।
উৰ্দ্ধে সাত লোক তাতে বোজা মহাধীৰ।
অধত অতল আৰু বিতল সুতল।
তলাতল আদি সাতো পৰম বহল।।"

দেৱতা, দৈত্য, মানৱক তাতে স্থান দিলে আৰু চাৰি বৰ্ণ কৃষ্ণৰ দেহৰ পৰা ব্যক্ত হ'ল। সেই সমস্তৰে সেৱা হিচাবে কৃষ্ণই বিৰাজ কৰি থাকিল। মায়াৰ সৃষ্ট হোৱা ব্ৰহ্মাণ্ডৰ সকলোবোৰ বিনাশী; কিন্তু ব্ৰহ্মাণ্ডৰ ওপৰত থকা কৃষ্ণৰ বৈকুণ্ঠ অবিনাশী। বৈকুণ্ঠ— অপ্ৰপঞ্চ আৰু ব্ৰহ্মাণ্ড প্ৰপঞ্চ। ভকতৰ কাৰণে বৈকুণ্ঠ নিৰ্মিত, ব্ৰহ্মাণ্ড নহয়। জ্ঞান-কৰ্ম্ম, যোগ-যাগ তপস্যা কৰা সকলে — বৈকুণ্ঠলৈ যাব নোৱাৰে। শ্ৰৱণ-কীৰ্ত্তন মহাধৰ্ম্ম কৰি ভকতে বৈকুণ্ঠলৈ গতি কৰে। কৃষ্ণ সবাৰে ভজনীয় দেৱ, বেদ-শিৰোৰত্নৰ মন্ত্ৰই এই কথাকে কয়।

নাৰদে ব্ৰহ্মাক পুনৰ সুধিলে— "কৃষ্ণ যদি সৰ্ব্বত্ৰতে বিৰাজমান কৃষ্ণক কেনেকৈ পূজা কৰা হয় আৰু কি দ্ৰবোৰে কৃষ্ণক পূজা কৰা হয়?" জগতত যদি কৃষ্ণ বিনে কোনো বস্তুৰেই নাই, কৃষ্ণময় দ্ৰব্যৰে নিতৌ কৃষ্ণক পূজা কৰা হয়। মনু আদিয়েও হৰিৰূপ দ্ৰব্যেৰে কৃষ্ণক আৰাধনা কৰে বুলি ব্ৰহ্মাই উত্তৰ দিলে। কৃষ্ণৰ আজ্ঞামতে ময়ো সমস্ত জগত স্ৰজন কৰো আৰু হৰিৰ অধীন হৈয়ে হৰেও জগত সংহাৰ কৰে। কৃষ্ণৰ শক্তিয়েহে সকলো কৰায় আৰু কৃষ্ণই মোক প্ৰদান কৰা শক্তিৰে মই বেদময়, তপোময় হ'ব পাৰিছোঁ আৰু প্ৰজাপতি সকলেও মোৰ ভগৱান প্ৰদত্ত শক্তিক সেৱা জনাই সৃষ্টি কৰ্ম্ম কৰিছে। গতিকে— হে নাৰদ, তুমি, আমি সনক আদি, মহেশ্বৰ, দেবাসুৰ, পিতৃগণ, নাগ, চৰণ, কিন্নৰ সমন্বিতে সকলোৰে কৃষ্ণৰ মায়াত বিমোহিত হৈ আছো আৰু কৃষ্ণৰ গুণৰ অন্ত নাপাওঁ। কৃষ্ণৰ অৱতাৰ সমূহ হৈছে—

"কালমায়া মন প্ৰাণ ইন্দ্ৰিয় চৰাচৰ।
মই তুমি সনকাদি প্ৰজাপতি হৰ।। ৯৭
দেবাসুৰ গন্ধৰ্ব্ব চাৰণ নৰেশ্বৰ।
যক্ষ ৰাক্ষস পিতৃ সিদ্ধ বিদ্যাধৰ।।
ভুত প্ৰেত পিশাচাদি মুখ্য তাসম্বাৰ।
সমস্তে জানিবা কৃষ্ণৰেসে অৱতাৰ। ৯৮।।

ভগৱন্তৰ অংশ কলা-বিভূতি অৱতাৰ সমূহৰ চৰিত্ৰ কথাই মনৰ মলি সমূহ দূৰ কৰে।

**বিষ্ণুৰ অৱতাৰ লীলাবৰ্ণন ঃ**

কৃষ্ণৰ মূল অৱতাৰ ৰাজিৰ সম্পৰ্কে বিৰিঞ্চিয়ে নাৰদৰ আগত ক'বলৈ ধৰিলে; সংসাৰী লোকৰ নিস্তাৰৰ বাবে কৃষ্ণই অৱতাৰ গ্ৰহণ কৰি নানান লীলা প্ৰদৰ্শন কৰি গ'ল। বৰাহৰূপে অৱতাৰ লৈ তেওঁ পৃথিৱীক উদ্ধাৰ কৰে আৰু দাঁতেৰে ছিৰি হিৰণ্যাক্ষক বধ কৰে। ৰুচি প্ৰজাপতিৰ ভাৰ্য্যা আকুতি কন্যাৰ গৰ্ভত ভগৱানে যজ্ঞ অৱতাৰলৈ দক্ষিণা পত্নীত যম নামৰ আৰু দেৱক জন্ম দি নিজে ইন্দ্ৰ হৈ লোকৰ দুখ হৰণ কৰিছিল। কৰ্দ্দমৰ ঔৰসত দেৱহুতিৰ গৰ্ভত ভগৱানে কপিল নামে অৱতাৰ গ্ৰহণ কৰি মাতৃক সাংখ্য ভক্তি দৰ্শন ব্যক্ত কৰিছিল আৰু মাতৃক তাৰিছিল। ঈশ্বৰে দণ্ডাত্ৰেয় নামলৈ অত্ৰিৰ পুত্ৰ হিচাবে অৱতাৰ লয় আৰু দত্তাত্ৰেয়ৰ পদ -পদ্মত সেৱা কৰি যদু, হৈহয় আদিয়ে ভক্তিমুক্তি লাভ কৰিলে। মোৰ অখণ্ড তপস্যাত সনক, সনন্দ, সনাতন, সনত কুমাৰ— চাৰিৰূপ ধাৰণ কৰি পৃথুক জ্ঞানযোগ প্ৰকাশ কৰিলে। ধৰ্ম্মৰ পত্নী মূৰ্ত্তিৰ গৰ্ভত নৰনাৰায়ণ অৱতাৰ লভি দুষ্কৰ -মহাতপ আচৰিলে আৰু ইন্দ্ৰপ্ৰেৰিত কামদেৱেও আহি তপ ভঙ্গ কৰিব নোৱাৰিলে। সপত্নী মাতৃ সুৰুচিৰ বাক্যত ব্যথিত হৈ উত্তানপাদৰ পুত্ৰ ধ্ৰুৱই মাতৃ সুনীতিৰ পৰামৰ্শ ক্ৰমে হৰিক আৰাধনা কৰিবলৈ যোৱাত কৃষ্ণি অৱতাৰ লৈ ঈশ্বৰে ধ্ৰুৱক জ্ঞানদানেৰে ধ্ৰুৱলোক দিলে।

বিপ্ৰশাপত দুষ্ট-বেন নষ্ট যোৱাত বিপ্ৰসবৰ প্ৰাৰ্থনাত ভগৱানে পৃথু অৱতাৰ হৈ পৃথিৱীক দুহন কৰে। নাভিৰ পত্নী মেৰু দেৱীৰ পৰা তেওঁ ঋষভ অৱতাৰ লয় আৰু যোগচৰ্য্যা আচৰণ কৰিছিল। মোৰ (ব্ৰহ্মাৰ) যজ্ঞত হয়গ্ৰীৱ অৱতাৰ লৈ নাসিকাৰ পৰা বেদ-সৃষ্টি কৰিছিল। ক্ষীৰ সাগৰত দেৱতা-দৈত্যগণে অমৃত মন্থন কৰোঁতে মন্দৰগিৰি পৰ্ব্বত দাঙি আনিব পৰা নাছিল আৰুতেতিয়া ভগৱন্তই— কচ্ছপ ৰূপলৈ মন্দৰক পৃষ্ঠভাগে ধাৰণ কৰিছিল। ৰজা সত্যব্ৰতক মৎস্য ৰূপ দেখাই প্ৰলয় জলত সত্যব্ৰতক ৰক্ষা কৰিছিল। নৰসিংহ ৰূপে আদিদৈত্য হিৰণ্যকশিপুক উৰুত থাপি ব্ৰজ সম নখৰ আগেৰে বুকু ছিৰি লীলা কৰি বধ কৰিছিল। গ্ৰাহে গজেন্দ্ৰক মুখেৰে কামুৰি জলৰ তললৈ নিয়াত গজেন্দ্ৰই আৰ্ত্তৰাৱে ত্ৰাহি হৰি বুলি প্ৰাৰ্থনা কৰাত ভগৱানে হৰিৰূপে হস্তে চক্ৰধৰি গ্ৰাহৰ মুখ ফালি গজেন্দ্ৰক মুক্তি দিয়ে। অদিতিৰ গৰ্ভত বামন ৰূপে ঈশ্বৰে অৱতাৰ লৈ বলিৰ যজ্ঞত উপস্থিত হয় আৰু তিনিপদ ভূমি দান লৈ বলিক কৌশলেৰে ছলি সুতল পুৰীলৈ পঠালে আৰু বলিৰ ভক্তিত তুষ্ট হৈ নিজেই দ্বাৰী হৈ বলিক সুৰক্ষা দি থাকিল। তেওঁ হংস ৰূপে অৱতাৰ লৈ জ্ঞান-ভক্তি প্ৰকাশ কৰিলে।





প্ৰতি মন্বন্তৰতে অৱতাৰ লৈ নিজ কীৰ্তিসমূহ প্ৰকাশ কৰিলে। সমুদ্ৰ মন্থনত ধন্বন্তৰি ৰূপে হৰিয়ে অমৃতৰ ঘট লৈ যুৱতীবেশেৰে দেৱগণক অমৃত পান কৰোঁৱালে। পৰশুৰাম ৰূপে অৱতাৰ হৈ হাতত কুঠাৰ ধৰি একবিংশতি বাৰ প্ৰদক্ষিণ কৰি দুষ্টক্ষত্ৰিয় সকলক বধ কৰিছিল। বিশ্ৰশ্ৰুৱা মুনিৰ ঔৰষত নিকষাৰ গৰ্ভত ৰাৱণে জন্মলৈ জগতত অনিষ্ট সাধন কৰি দেৱগণকো অত্যাচাৰ উৎপীড়ন কৰাত ৰামচন্দ্ৰ অৱতাৰ গ্ৰহণ কৰি ভগৱানে মনুষ্যৰূপে পিতৃবাক্য পালি বনবাস খাটে আৰু তেওঁৰ লগতে লক্ষ্মণ-ভৰত-শত্ৰুঘ্ন-চাৰি অংশে অৱতাৰ লয়। লক্ষ্মণ-সীতা সহ বনবাসত থাকোঁতে শূৰ্পনখা, খৰ-দুষণ, চৈধ্যকোটি নিশাচৰক বধ কৰে। মাৰিচৰ হতুৱাই মায়া মৃগৰূপলৈ ৰাম-লক্ষ্মণক আঁতৰাই ৰাৱণে সীতাক হৰণ কৰে আৰু ৰাম-লক্ষ্মণে জটায়ুৰ মুখে সকলো কথা গম পাই—সুগ্ৰীৱ, হনুমানৰ লগত মিত্ৰতা কৰে। বালীক বধ কৰি সুগ্ৰীৱক ৰজা পাতে আৰু বানৰ সৈন্যক লৈ লঙ্কাত প্ৰৱেশ কৰে সাগৰত সেতু বান্ধি লঙ্কাত ৰাৱণ- কুম্ভকৰ্ণ, মেঘনাদ আদি ৰাক্ষসক বধ কৰি ভক্ত বিভীষণক ৰজা পাতে আৰু সীতাক উদ্ধাৰ কৰি অযোধ্যালৈ আহি দহ হাজাৰ বছৰ ৰাজত্ব কৰি বৈকুণ্ঠ গতি কৰে।

কবিয়ে ভগৱন্তৰ ওপৰত উল্লেখ কৰা অৱতাৰসমূহৰ কথা ব্যক্ত কৰি মানৱ সমাজক উপলক্ষ্য কৰি উপদেশ দিছে— অন্য সকলো বৈষয়িক চিন্তা-চৰ্চ্চা এৰি হৰিক ভজা, আয়ু কমি আহিছে, বৃদ্ধত্ব আহি পৰিছে।

"ওবা নৰলোক হৰি ভজিয়োক
ধৰা ইটো উপদেশ।
এৰা আল জাল জীৱাকত কাল
জৰা ভৈল পৰবেশ।।
অন্য দেৱীদেৱ নকৰিবা সেৱ
নাখাইবা প্ৰসাদ তাৰ।
মূৰ্ত্তিকো নচাইবা গৃহো নপশিবা
ভক্তি হৈব ব্যভিচাৰ।" ১২৪।।

অন্য দেৱ-দেৱী সেৱা ত্যাগ কৰি, প্ৰসাদ ত্যাগ কৰি, দেৱ-দেৱীৰ মূৰ্ত্তি দৰ্শন নকৰি, দেৱ-দেৱীৰ স্থানত প্ৰৱেশ নকৰি, একশৰণ ভক্তি ৰক্ষা কৰিবলৈ মানৱক উপদেশ দিছে। ইয়াৰ পৰিবৰ্ত্তে এক কৃষ্ণদেৱক সেৱা কৰি, তেওঁৰ নাম কীৰ্ত্তন কৰি, কৃষ্ণৰ দাস হৈ তেওঁৰ প্ৰসাদ গ্ৰহণ কৰি হাতেৰে ঈশ্বৰ কৃষ্ণৰ কৰ্ম্ম সম্পাদন কৰি, কৃষ্ণৰ স্থানলৈ গৈ তেওঁৰ নাম ল'বলৈ মানৱক আহবান

জনাইছে—

"এক কৃষ্ণদেৱ করিয়োক সেৱ
ধৰিও তাহান নাম।
কৃষ্ণ দাস হয়া প্ৰসাদ ভূঞ্জিয়া
হস্তে কৰা তান কাম।।
কৃষ্ণৰ স্থানক যত্নে চলিযোক
ধৰিও তাহান নাম।" ১২৫।।

## শ্ৰীকৃষ্ণৰ লীলা-মালা

ব্ৰহ্মাই নাৰদৰ আগত শ্ৰীকৃষ্ণৰ লীলা বৰ্ণনা কৰিবলৈ ধৰিলে। বসুমতীয়ে পৃথিৱীৰ দুষ্টসকলৰ দ্বাৰা সংঘটিত মহাভাৰ বহন কৰিব নোৱাৰি ব্ৰহ্মাৰ ওচৰত মহাভাৰ দূৰ কৰিবৰ কাৰণে প্ৰাৰ্থনা জনোৱাত ব্ৰহ্মাই বসুমতীক লৈ ক্ষীৰ সাগৰত শয়ন কৰি থকা ইষ্টদেৱ কৃষ্ণৰ কাষ চাপি সবিশেষ জনোৱাত ভগৱানে বসুধাত স্বয়ং অৱতাৰ হৈ পৃথিৱীৰ মহাভাৰ দূৰকৰাৰ প্ৰতিশ্ৰুতি দিয়ে। সেইমতে কৃষ্ণই দৈৱকীৰ গৰ্ভত নৰৰূপে অৱতাৰ ল'লে আৰু তেওঁ আদেশত দেৱসৱে বসুধাত জন্ম গ্ৰহণ কৰে আৰু নন্দৰ ঘৰত ডাঙৰ দীঘল হ'বলৈ ধৰে। অজ্ঞ সকলে তেওঁক ঈশ্বৰ বুলি জানিব নোৱাৰিলে।

প্ৰথমেই তেওঁ পুতনাৰ স্তন পান কৰি লীলা আৰম্ভ কৰি পুতনাক বধ কৰে। ৩ য় মাহত শকটক ওভোটাই শকটাসুৰক বধ কৰে। তাৰ পাচত চক্ৰবাত অসুৰক গলত চেপি বধ কৰে। হামি মাৰোঁতে যশোদাই কৃষ্ণৰ মুখৰ ভিতৰতে ত্ৰিভুৱন দেখিবলৈ পায়। গৰ্গঋষিয়ে গণিপড়ি তেওঁৰ নাম ৰাখে কৃষ্ণ। কৃষ্ণৰ অগ্ৰজ বলোৰামৰ সৈতে গোকুলত কৃষ্ণই ক্ৰীড়া আৰম্ভ কৰিলে। গোপ শিশুসকলৰ লগত গোপীৰ ঘৰে ঘৰে লৱণু খাবলৈ ধৰিলে। কৃষ্ণই মাটি খাইছে বুলি লগৰীয়াৰ মুখে শুনি যশোদাই সোধাত কৃষ্ণই নাইখোৱা বুলি মুখমেলি দিয়াত চৈধ্য ভুৱন দেখা পালে। যশোদাই দধি মথোতে কৃষ্ণই স্তন পান কৰিবলৈ বিচাৰে আৰু স্তন খাবলৈ নাপাই কৃষ্ণই পটাগুটিৰে দধিৰ ভাণ্ড ভাঙিলে। সেই দোষতে যশোদাই জৰীৰে বান্ধিবলৈ ধৰে, কিন্তু জৰীয়ে নাটে। পৰম ভক্তা যশোদাৰ ব্যথা পৰিশ্ৰম হোৱা দেখি নিজে বন্ধন ল'লে আৰু বন্ধা উৰল লগাই অৰ্জ্জুন বৃক্ষ দুজোপা ওঘালি পেলালে। গোপীসকলৰ লৱণু ভক্ষণ কৰি আনন্দমনেৰে গৰুৰ পোৱালী চৰাই ফুৰিবলৈ ধৰিলে আৰু বৃন্দাবনত বৎসাসুৰ, অঘাসুৰ আদিক বধ কৰিলে অৰ্থাৎ ব্ৰহ্মাই বৎস আৰু বৎসপালক





হৰণ কৰি নি অৱশেষত কৃষ্ণক ঈশ্বৰ বুলি জানি স্তুতিনতি কৰি সত্যলোকলৈ গলো।" তালবনত ধেনুকাসুৰক বধ কৰি কালিন্দী হ্ৰদত বিষ পানী খাই গৰুগৰখীয়াৰ মৃত্যু হোৱাত কালি নাগক দমন কৰি তাৰ পৰা খেদাইছিল।

বনজুইত গোপগোপীক অগ্নিপান কৰি কৃষ্ণই ৰক্ষা কৰিছিল। তেওঁ বলৰামৰ হতুৱাই প্ৰলম্বাসুৰক বধ কৰাইছিল। তেওঁ তাৰ পাচতে গোপিনীৰ বস্ত্ৰহৰণ কৰিছিল আৰু অশোক বনলৈ গমন কৰিছিল। তাত বিপ্ৰ পত্নী সকলক প্ৰসাদ দান কৰি ব্ৰাহ্মণৰ কৰ্ম্ম-গৰ্ব্বৰ খৰ্ব কৰিছিল। তেওঁ 'ইন্দ্ৰমখ' যজ্ঞ ভঙ্গ কৰিছিল, তাতে ইন্দ্ৰই খং কৰি বাত-বৃষ্টিৰ সৃষ্টি কৰি ভক্তক দুখ দিয়াত সাতবছৰীয়া কৃষ্ণই গোৱৰ্দ্ধন পৰ্ব্বত ধাৰণ কৰি বাত-বৃষ্টিৰ পৰা ৰক্ষা কৰিছিল আৰু ইন্দ্ৰই স্তুতি কৰি গোৱ ইন্দ্ৰ- পাতিছিল। বৰুণৰ পাশেৰে নন্দক বান্ধি নিয়াত কৃষ্ণই বৰুণৰ ওচৰৰ পৰা উদ্ধাৰ কৰি আনে। শৰতৰ পূৰ্ণিমাৰ ৰাতিত কৃষ্ণই গোপীসকলৰ লগত ৰাসক্ৰীড়া কৰি ভক্তাৰ মনোৰঞ্জন কৰিছিল। গোপীসকলে গৰ্ব্ব কৰাত কৃষ্ণ অন্তৰ্দ্ধান হয় আৰু গোপীসকলে গৰ্ব্ব এৰি আকুল হোৱাত পুনৰ দেখা দি নানান নৃত্য—ভঙ্গিমাৰে ৰাসক্ৰীড়া সম্পন্ন কৰে। শঙ্খচূড়ে গোপীক অপহৰণ কৰাত কৃষ্ণই মুষ্ঠিমাৰি শিৰচ্ছেদ কৰি বলৰামক দিয়ে। কৃষ্ণই ইয়াৰ পাচতে অৰিষ্টাসুৰ, কেশী, ব্যোমাসুৰক বধ কৰে। কংসৰ নগৰী মথুৰাত প্ৰৱেশ কৰি কৃষ্ণ বলোৰামে লীলা কৰিবলৈ ধৰিলে। এওঁলোকক কংসৰ আদেশত অক্ৰূৰে গোকুলৰ পৰা মথুৰালৈ নিছিল। প্ৰথমে ধোবাক বধি মালা পিন্ধি, কুঁজীৰ চন্দন ঘাঁহি তাইক ভাল কৰিলে। কুবলয়ক বধ কৰি ৰঙ্গশালত প্ৰৱেশ কৰে আৰু মালবোৰক বধ কৰে। কংসক বধ কৰি কংসৰ পিতৃ উগ্ৰসেনক কৃষ্ণই ৰজা পাতে। ব্যাকুল গোপীসকলৰ ওচৰলৈ উদ্ধৱক পঠাই গোপীক শান্ত কৰোৱায়। কুঁজীৰ বাঞ্ছা পূৰণ কৰি অক্ৰূৰক পঠাই পাণ্ডৱৰ খা-খবৰ লয়। জৰাসন্ধৰ সৈন্যক মযিমূৰ কৰি তেওঁ কালযৱনক মুচুকুন্দৰ ওচৰলৈ কৌশলেৰে পঠাই বধ কৰোৱায়।

কৃষ্ণই ৰুক্মিণীদেৱীক বিয়া কৰায় আৰু পুত্ৰ প্ৰদুম্নৰ হতুৱাই সম্বৰাসুৰক বধ কৰোৱায়। স্যমন্তক মণিৰ বাবেই সত্যভ্ৰমাস জাম্বৱতীক তেওঁ বিবাহ কৰায়। সেইদে মিত্ৰাবৃন্দা, কালিন্দী, ভদ্ৰা আৰু লক্ষ্মণাক বিবাহ কৰে। নৰকক বধ কৰি যোলহাজাৰ ৰমণীক তেওঁ বিবাহ কৰে আৰু বলদেৱৰ হতুৱাই ৰুক্মীক বধ কৰোৱায়া তাৰ পাছত বানৰজাৰ বাহুছেদন কৰি কাশীৰাজ পৌণ্ড্ৰ কৰো প্ৰাণ সংহাৰ কৰে। তেওঁ ৰীমৰ হতুৱাই জৰাসন্ধক বধ কৰোৱাই পাণ্ডৱৰ ৰাজসূয়

যজ্ঞ সম্পাদন কৰে আৰু তাতে চক্ৰেৰে শিশুপালক বধ কৰে। কৃষ্ণই ভীমাৰ্জ্জুনৰ হতুৰা ?ই অষ্টাদশ অক্ষৌহিনী সেনা নিধন কৰোৱায়। কৃষ্ণই শাল্ব, দন্তবক্ৰ, বিদুৰথ আদিক বধ কৰে। কৃষ্ণৰ লীলা শুনি নাৰদ ৰোমাঞ্চিত হৈ উঠিল। বেদৰ অৰ্থ প্ৰকাশ কৰিবলৈ কৃষ্ণই ব্যাস ৰূপ ধাৰণ কৰি বেদৰ শাখা কৰে। ইয়াৰ পাচত কৃষ্ণই বুদ্ধ ৰূপে দৈত্যসকলক আৰু কলিযুগৰ অন্তত ভগৱানে কল্কিৰূপে অৱতাৰ হৈ অধৰ্ম্মীক নিঃশেষ কৰিব।

কৃষ্ণৰ লীলা-চৰিত্ৰৰ অন্ত নাই, তেনে ক্ষেত্ৰত অজ্ঞ সকলে কেনেকৈ উদ্ধাৰ পাব বুলি নাৰদে ব্ৰহ্মাক প্ৰশ্ন কৰে। ব্ৰহ্মাই উত্তৰদি ক'লে— সাধুসঙ্গৈ অকপট ভাৱে মন স্থিৰ কৰি অন্যদেৱ-দেৱীক এৰি কৃষ্ণত একান্ত শৰণ ল'লে কৃষ্ণৰ কৃপা লাভ হয়। মায়াৰ অজ্ঞানতা তেওঁ দূৰ কৰে। কুকুৰ-শিয়ালে ভক্ষণ কৰা দেহৰ বাবে অভিমান ত্যাগ কৰিব পাৰিলে, ভাৰ্য্যা পুত্ৰাদিক মোৰ বুলি নধৰিলে, মনলৈ ভক্তি আহে। এনে ভাৱ গ্ৰহণ কৰি কৃষ্ণক ভক্তি কৰি— ব্ৰহ্মা, হৰ, প্ৰহ্লাদ, কুমাৰ বৰ্গ, শতৰূপা, আকুতি, দেবাহুতি, স্বায়ম্ভুব মনু, প্ৰিয়ব্ৰত, উত্তানপাদ, প্ৰাচীন বৰ্হি, ঋভু, অঙ্গ, ধ্ৰুব, ঈক্ষ্বাকু সগৰ, গাধি, মুচুকুন্দ, ৰঘু গয়, খটাঙ্গ, ভৰত, অম্বৰীষ, অজ, পুৰুৰবা, মান্ধাতা, যযাতি, অলৰ্ক, শৰ্য্যাতি, শতধনু, ৰন্তিদেৱ, ভীষ্ম, বলি, আদিয়ে সংসাৰ তৰি গ'ল। তদুপৰি দিলীপ, সৌভৰি, উতঙ্ক, শিবি, বশিষ্ঠ, শুকদেৱ, গালৱ, মৈত্ৰেয়, অগস্তি, পৰামৰ্শ, গৌতম, ভৃগু, উদ্ধৱ, ভীম, হনুমান, গৃধ্ৰ, জাম্বুবান, বিভীষণ, আস্তিসেন, অৰ্জ্জুন, বিদুৰ, দ্ৰুপদ, অক্ৰূৰ, শ্ৰুতদেৱ, উগ্ৰসেন আদিয়েও মায়াৰ পৰা উদ্ধাৰ হৈছিল।

এই মহাভক্তিশাস্ত্ৰ ব্ৰহ্মাই নাৰদক প্ৰচাৰ কৰিবলৈ উপদেশ দিয়ে। নাৰদে কৃষ্ণ কথা শুনি পৰম আনন্দ লাভ কৰিলে আৰু ব্ৰহ্মাৰ পদৰ ধূলি-শিৰত তুলি ল'লে।

## শুকদেৱৰ ওচৰত পৰীক্ষিতৰ কৃষ্ণকথাৰ সম্পৰ্কে প্ৰশ্ন —

মহামুনি নাৰদে ব্ৰহ্মাৰ মুখে কৃষ্ণকথা শুনি ভাগৱতৰ ভক্তি-তত্ত্ব প্ৰচাৰ কৰি ফুৰে আৰু সেই কথা পৰীক্ষিতে শুকক ক'বলৈ প্ৰৰ্থানা জনায়। শ্ৰৱণ-কীৰ্তনে হৃদিকমলত ক্ৰিয়া কৰাৰ লগে লগে ভগৱন্তই প্ৰৱেশ কৰে আৰু হৃদয়ত থকা মলিবোৰ ধুই পেলায়। তেওঁৰো মনত জমাহৈ থকা অজ্ঞানতাৰ মলি দূৰ কৰিবলৈ কৃষ্ণ কথা শ্ৰৱণ কৰাবলৈ শুকক অনুৰোধ কৰে। পদ্ম কল্পত ব্ৰহ্মাৰ আগত নাৰায়ণে কোৱা তত্ত্ব কথাবোৰ শুকে পৰীক্ষিতক ক'বলৈ ধৰিলে—





কৃষ্ণৰ সেৱাৰ বাহিৰে আন ধৰ্ম্ম নাই। কিয়নো কৃষ্ণ ভক্তিতহে মাত্ৰ জ্ঞানৰ উদয় হয়। কৃষ্ণ কৃপাৰ অবিহনে কাৰ্য্য সিদ্ধি নহয়।

## ব্ৰহ্মাৰ জন্ম

অনন্ত শয্যাত শয়ন কৰি থকা পৰমপুৰুষৰ নাভি কমলৰ পৰা উদ্ভূত পদ্মত উপবিষ্ট হৈ ব্ৰহ্মাই ভাবিলে, তেওঁনো কোন? তেওঁ পদ্মৰ নলাৰে ঘূৰি আহি ভগৱন্তৰ ভিতৰত প্ৰৱেশ কৰিলে আৰু নানা চেষ্টা কৰিও একো উৱাদিহ নাপাই পুনৰ পদ্ম-চক্ৰত উপবিষ্ট হ'লহি। তেওঁ 'তপ' শব্দ শুনিবলৈ পাই দিব্যহাজাৰ বছৰ তপ কৰিলে। তপত সন্তোষ্ট হৈ পৰমেশ্বৰে ব্ৰহ্মাক প্ৰথমে বৈকুণ্ঠ প্ৰদৰ্শন কৰালে।

## বৈকুণ্ঠৰ বৰ্ণনা ঃ

বৈকুণ্ঠতকৈ শ্ৰেষ্ঠলোক নাই। তাত কাম-ক্ৰোধ-শোক-মোহ ভয়ভাৱ নাই। তাত আত্মজ্ঞানীসকলেও কেৱল স্তুতিহে কৰে। কালৰ বিক্ৰম, প্ৰকৃতিৰ গুণসমূহ তাত নাই, সৰ্ব্বক্ষণতে কেৱল আনন্দই বিৰাজ কৰি থাকে। ভকত সকলে অনবৰতে ভগৱন্তৰ নাম লৈ থাকে। সকলোৰে গাৰ বৰণ শ্যামবৰণৰ, লোচন কমলৰ দৰে পীতবসন, সৰ্ব্বাঙ্গসুন্দৰ, কৰ্ণে কুণ্ডল, চৰ্তুভূজী, মণিময়, মুকুট, অলকাতিলক, সুন্দৰ নখচন্দ্ৰ, কণ্ঠত পদক, বুকুত হেম মুকুতাৰ মালা, সৰ্ব্বাঙ্গত অলঙ্কাৰ আভৰণ আৰু প্ৰবাল-মৃণালসম সুবৰ্ণ শৰীৰে জ্যোতিময় হৈ থাকে।

তেওঁলোকে বিমানত শাৰী শাৰী হৈ থাকি হাতত তাল লৈ হৰিনাম গায়, কৃষ্ণকথা পাতে, অন্যান্যসকলে শ্ৰৱণ কৰে, কোনোৱে চাপৰি বজায়, কৃষ্ণ অভিনয় কৰে। লক্ষ্মী, দিব্যনাৰীগণেও শাৰী শাৰী হৈ কৃষ্ণ গুণ গায়, কৃষ্ণক দোলাত তুলি দোলন খেল খেলে। সকলোৱে জয় জয় কৃষ্ণ বুলি ফাগু সিঁচে।

## কৃষ্ণৰ দৈহিক ৰূপ বৰ্ণনা

মনোহৰ বৈকুণ্ঠ নগৰ প্ৰত্যক্ষ কৰি ব্ৰহ্মাই জগতৰ ঈশ্বৰ কৃষ্ণক দেখিলে। ভকতৰ পতি, যজ্ঞপতি, লক্ষ্মীপতি, পতিতৰ পতি ত্ৰৈলোক্য মোহনৰ মূৰত শ্বেতছত্ৰই শোভা কৰিছে। তেওঁৰ শিৰত ৰত্নৰ কিৰীটি, কপালত অলকাতিলক পূৰ্ণচন্দ্ৰসম বদন, কৰ্ণদ্বয়ত মকৰ কুণ্ডল, বন্দুলীসদৃশ ওষ্ঠ, মুকুতা মণিৰ সদৃশ দাঁত, কণ্ঠত কৌস্তুভ, হৃদয়ত গছ মুকুতাৰ মালা পৰিহিত আৰু তেওঁৰ বাসপাশে

লক্ষ্মীদেৱীয়ে শোভা কৰি আছে। সোঁপাশে শ্ৰীবৎসৰ শাৰী, আজানুলম্বিত বৰ্ণমালা, নানা অলঙ্কাৰ বিভূষিত চাৰিভুজ, কটিত মেখলা, কৰিকৰ সম উৰু যুগল আৰু মনোহৰ জঙঘা, ৰত্ন মঞ্জীৰে সুশোভিত চৰণ কমল, উন্নত আঙ্গুলিচয়, পদতলে ধ্বজ- বজ্ৰ-পদ্ম-যৱ-অঙ্কুশে অঙ্কিত পথত চিহ্নই বিৰাজ কৰি আছে। কোটি মদনকো ছেৰ পেলোৱা মনোহৰ ৰূপ লাৱণ্যেৰে দিব্য সিংহাসনত মূৰ্ত্তিমন্ত হৈ ভগৱন্তই বিৰাজ কৰি আছে।

মূৰ্ত্তিমন্ত তত্ত্বগণে তেওঁক চাৰিওদিশে আবৰি আছে। ভক্তগণে চামৰে বা দিছে সুনন্দ আদিভক্তগণে উপাসি আছে আৰু নানা বাদ্য ধ্বনি কৰি গীত গাই আছে, কোনোৱে স্তুতি -নমস্কাৰ জনাই পুষ্পবৃষ্টি কৰি আছে। ব্ৰহ্মাই এনে মনোহৰ দৃশ্য দেখি সৰ্ব্বাঙ্গতে পুলক অনুভৱ কৰিলে আৰু দণ্ডৱতে পৰিলে। কৃষ্ণই বিধাতাৰ হাতত ধৰি ক'লে— "হে বিৰিঞ্চি, তুমি মোক দেখিলা— যেতিয়া মনোমত বৰ লোৱা।" ব্ৰহ্মাই কৃষ্ণৰ পৰা ভগৱানৰ স্থূল-সূক্ষ্মৰূপ জগত সৃষ্টি আৰু পালন, কোন শক্তিৰে ভগৱানে অৱতাৰ গ্ৰহণ কৰে— সেই বিষয়ে জানিব বিচাৰে।

ব্ৰহ্মাৰ প্ৰাৰ্থনা শুনি কৃষ্ণই ব্ৰহ্মাক চৰ্তুশ্লোকী ভাগৱত প্ৰদান কৰি ক'লে— যে জগতৰ পূৰ্ব্বত তেঁৱেই কেৱল থাকে আৰু তেতিয়া কাৰ্য্য কাৰণ একোৱেই নাছিল। সমস্ত সৃষ্টিত কেৱল তেৱেঁই বিৰাজমান অন্তকালতো কেৱল তেৱেঁই থাকেগৈ। সকলো অলঙ্কাৰ ভাঙি-ছিঙি শেষত কেৱল সোণহে ৰয়গৈ, সেইদৰে সৃষ্টিৰ সকলো তেওঁতেই লয় পায়। এই তত্ত্বই প্ৰথম শ্লোক—

"ব্ৰহ্মাৰ প্ৰাৰ্থনা শুনি কৃষ্ণ নিগদতি।
চতুঃ শ্লোক ভাগৱত লোৱা প্ৰজাপতি।।
জগতৰ পূৰ্ব্বে মই মাত্ৰ থাকো জান।
কাৰ্য্য কাৰণৰ কিছু নাছিলেক আন।। ১২৭ ।।
মোক মাত্ৰ দেখিয়োক সৃষ্টিৰ মধ্যত।
দেখা শুনা মানে সবে মই বিচাৰত।।
মঞি মাত্ৰ অৱশেষ থাকোহো অন্তত।
কুণ্ডল ভাঙিলে যেন সোণা স্বৰূপত।।" ২২৮।।

দ্বিতীয় শ্লোকৰ বিষয় বস্তু ভগৱানৰ মায়া। মায়াৰ দ্বাৰা জগত সৃষ্টি হয়। মায়াৰ কাম দুটা— আবৰণ আৰু বিক্ষেপণ। আৱৰণৰ দ্বাৰা সত্য ব্ৰহ্মক ঢাকি ৰখা হয় আৰু বিক্ষেপণৰ দ্বাৰা অসত্যকে সত্য বুলি ভ্ৰম হয়। নথকা বস্তুকে





থকা যেন লাগে আৰু থকা বস্তুকো নাই যেন লাগে। এনে মায়াৰ দ্বাৰা ভগৱান আচ্ছাদিত হৈ থাকে আৰু ভগৱানক নেদেখি জীৱ বঞ্চিত হৈ মায়াত পৰি দুখ-কষ্ট ভুগি মৰে—

"অবস্তুক দেখাৱয় বস্তুৰ আবৰি।
এহিসে মোহোৰ মায়া জানা নিষ্ঠ কৰি।।
নাথাকিতো দেখি যেন চন্দ্ৰমা দুতয়।
থাকিতো ৰাহকযেন কেহো নেদেখয়।। ২২৯।।
এহিমতে মায়া আৰ কৰি ঈশ্বৰক।
(আশাৰ বিষয় মাত্ৰ দেখাৱে জীৱক।।") (২৩০= $\frac{১}{২}$)

তৃতীয় শ্লোকৰ অৰ্থ হৈছে— পঞ্চমহাভুতেৰে সৃষ্টি, গুণময় সৃষ্টি কৰি ভগৱন্ত নিগুণ, সাধুৰ সঙ্গত-জ্ঞান বিজ্ঞানৰ উৎপত্তি আৰু ৰহস্য ভকতিৰ মাহাত্ম্য। স্থাৱৰ-জঙ্গম সকলোকে ভগৱানে মাটি, পানী, আকাশ, অগ্নি আৰু জল এই পঞ্চ মহাভুতেৰে সৃষ্টি কৰিছে। কিন্তু ভগবানক পঞ্চমহাভূতে স্পৰ্শ কৰিব নোৱাৰে। সাধুৰ সঙ্গত হে ভগৱান পৰিব্যাপ্ত হৈ থাকে। শ্ৰৱণ-কীৰ্তনৰ দ্বাৰা ভক্তি কৰিলে ভগৱানক লাভ কৰিব পাৰে।

"যেন মহা পঞ্চভুতে কৰিয়া নিবাস।
স্থাৱৰ জঙ্গম সদা কৰয় প্ৰকাশ ।। (২৩০= $\frac{১}{২}$)
ময়ো সেহিমতে আছো জগতকে ব্যাপি।
তাৰ দোষ-গুণে মোক নোছোৱে তথাপি।।
হেন মোক বিচাৰিবে সাধুৰ সঙ্গত।
জ্ঞান-বিজ্ঞানত তোৰ হৈবেক বেকত।। ২৩১।।
শ্ৰৱণ-কীৰ্তন মোৰ ৰহস্য ভকতি.....।"

চতুৰ্থ শ্লোকত ভগৱন্তৰ নিজ ৰূপ ব্যক্ত কৰিছে। সৃষ্টি-স্থিতি ভগৱানৰ লীলা কৰ্ম্ম আৰু ব্ৰহ্মণ্য শৰণ্য গুণ, নাম তেওঁৰ চাৰিটি তত্ত্ব আৰু তাতে তেওঁ প্ৰকাশ লাভ কৰে।

"যিটো তুন তযু আগে কৰিছো বেকত।
এহিমোৰ নিজৰূপ কৈলো স্বৰূপত।। ২৩২।।
সৃষ্টি-স্থিতি আদি মোৰ লীলা অনুপাম।
ব্ৰহ্মণ্য শৰণ্য আদি গুণ আৰো নাম।।

তযু আগে চাৰি শ্লোক কৈলো ভাগৱত।
মোৰ আশীৰ্বাদ সবে হৈবে কণ্ঠাগত।। ২৩৩।।

এই তত্বকে লৈ ব্ৰহ্মাক সংসাৰত শ্ৰৱণ-কীৰ্তন ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ কৃষ্ণই আজ্ঞা কৰে। এই ভাব লৈ প্ৰজা সৃষ্টি কৰিলে ব্ৰহ্মা কেতিয়াও মোহিত হ'ব নোৱাৰে। ইয়াকে কৈ কৃষ্ণ অন্তৰ্ধ্যান হয়। ব্ৰহ্মাই তদনুসাৰে প্ৰজা সৃষ্টি কৰাত লাগিল। এইদৰে পদ্মকল্পৰ সামৰণি পৰে আৰু বৰাহ কল্পৰ আৰম্ভণি হয়। ব্ৰহ্মাৰ পৰা নাৰদে আৰু নাৰদৰ পৰা ব্যাসে ভাগৱত গ্ৰহণ কৰে আৰু ব্যাসৰ পৰা শুকে ভাগৱত শুনি পৰীক্ষিতৰ আগত ব্যক্ত কৰে।

**ভাগৱতৰ দশ ল ণ ঃ**

শুকে পৰীক্ষিতক ভাগৱতৰ দশ লক্ষণ কৰিছে—

১। সৰ্গ- কাৰণ সৃষ্টি = মায়াৰ পৰা পঞ্চমহাভূত আৰু পঞ্চ তন্মাত্ৰ + ১১ ইন্দ্ৰিয় বাক্যাৰণ ব্ৰহ্ম) + মহতত্ব + অহঙ্কাৰ = নিজ ৰূপে বা বিৰাট ৰূপে জন্মলাভ কৰাকে সৰ্গবোলা হয়।

২। বিসৰ্গ - কাৰ্য্যব্ৰহ্ম বা কাৰ্য্য সৃষ্টি = পৌৰুষ অৰ্থাৎ ব্ৰহ্মাৰ সৃষ্টি।

৩। স্থিতি - (স্থান) - সৃষ্টি সমূহৰ উৎকৰ্ষ, মৰ্য্যদা, পালনক 'শ্ৰী' বা স্থিতি বোলে।

৪। পুষ্ঠি- (কৃপা)- ভকতৰ প্ৰতি ভগৱন্তৰ কৃপা 'পোষণ' বোলে।

৫। মন্বন্তৰ - (সৎ সকলৰ)- মন্বন্তৰ অধিপতি সকলৰ ধৰ্ম্মক মন্বন্তৰ বোলে।

৬। উতি - কৰ্ম্মৰ বাসনাক উতি বোলা হয়।

৭। ঈশানুকথা- (ঈশ্-কথা) লীলা অৱতাৰ সমূহৰ বৰ্ণনা আৰু আখ্যান সমূহক ঈশানুকথা বোলে।

৮। নিৰোধ - (শয়ন বা লয়) = শক্তি বা উপাধি সমূহেৰে জীৱক লয় কৰোৱাকে নিৰোধ কোৱা হয়।

৯। মুক্তি - অবিদ্যা বা অহঙ্কাৰ পৰিহাৰ কৰি স্বৰূপ ব্ৰহ্মত অৱস্থিতি লাভ কৰাই মুক্তি।

১০। আশ্ৰয় - সৃষ্টি (আভাস) আৰু লয় (নিৰোধ) যাৰ পৰা প্ৰকাশিত হয়, তাকে আশ্ৰয় বোলা হয়।





# ।। তৃতীয় স্কন্ধ ।।

মূল বিষয় ঃ

মহাপুৰুষ শঙ্কৰদেৱ বিৰচিত ১। (ক) অনাদি পাতন।

গোপাল চৰণ দ্বিজ বিৰচিত —

১। (খ) বিদুৰ-মৈত্ৰেয় -উদ্ধৱৰ কৃষ্ণ-লালীৰ প্ৰতি মোহ
২। ভগৱন্তৰ সৃষ্টিলীলা বৰ্ণনা, পদ্মকল্পৰ বৰ্ণনা
৩। কালৰ মহিমা বৰ্ণনা।
৪। ব্ৰহ্মাৰ সৃষ্টিতত্ত্ব বৰ্ণনা।
৫। বৰাহ কল্পৰ বৰ্ণনা।
৬। হিৰণ্য কশিপু আৰু হিৰণ্যাক্ষৰ বৃত্তান্ত
৭। কৰ্দ্দম -দেৱহুতিৰ বৃত্তান্ত।
৮। কপিল অৱতাৰ, সাংখ্যদৰ্শন, ভক্তিতত্ত্ব, সংসাৰতত্ত্ব।
চৌবিশ তত্ত্বৰ বিৰৰণ, জ্যোতিষ -তত্ত্ব।

## ।। অনাদি-পাতন ।।
## মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিৰচিত

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰচাৰ কৰা একশৰণ হৰিনাম ধৰ্ম্মৰ শাস্ত্ৰৰাজিৰ ভিতৰত অনাদি পাতন গূঢ়-তত্ত্ব সম্বলিত শাস্ত্ৰ। গুৰুজনাই ভাগৱত পুৰাণৰ তৃতীয় স্কন্ধৰ ষষ্ঠ অধ্যায়ৰ পৰা দ্বাদশ অধ্যায় পৰ্য্যন্ত বিষয়-বস্তুৰ লগত বাম পুৰাণৰ কথা-বস্তুৰ সংমিশ্ৰন কৰি অনাদি পাতন শাস্ত্ৰখনি ৰচনা কৰে।

"মহাভাগৱত পদ অমৃত সাক্ষাত।
বামন পুৰাণ কিছো মিশ্ৰদিলো তাত।।
দুয়ো কথা নিবন্ধিলো একত্ৰ মিসলে।
মধু সমে দুগ্ধযেন অতি স্বাদ মিলে।।" ৩৬।।

**৩.০০** ত্ৰি পদ আৰু দুলড়িৰ মাজেদি পৃথিৱীৰ স্থিতি, মহাপ্ৰলয় মায়াজগত, ব্ৰহ্মাৰ দ্বাৰা সৃষ্টিপাতন, চৌবিশ-তত্ত্ব, জ্যোতি-চক্ৰ, চন্দ্ৰ, সাতাইশটি নক্ষত্ৰ, পদ্মকল্প আৰু চৌৰাশি নৰকৰ বৰ্ণনা তেৰাই সাৰলীল ভাষা, শব্দালঙ্কাৰ-অৰ্থলঙ্কাৰ, ছন্দোময় ৰূপত প্ৰকাশ কৰিছে। দুৰ্ব্বোধ্য তত্ত্বৰাশি শুকমুনি আৰু পৰীক্ষিতৰ কথোপ-কথনৰ মাজেদি সহজবোধ্য ভাৱে বৰ্ণনা কৰিছে।

**।। অনাদি-পাতন ।।** (বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টি-তত্ব)

ৰজা পৰীক্ষিতে শুকদেৱক সুধিছে— নাৰায়ণে জগত সৃষ্টি কৰিলে ব্ৰহ্মাদিদেৱগণ, সপ্তস্বৰ্গ, সপ্তপাতাল, সপ্তদ্বীপা, বসুমতী, সপ্তসাগৰ, নদ-নদী সৰোবৰ, পশু-পক্ষী, বৃক্ষ-লতা, চৰাচৰ সকল, মেৰু মন্দৰাদি পৰ্ব্বত অৰ্থাৎ ব্ৰহ্মাণ্ডক কেনেদৰে সৃষ্টি কৰিলে— এই সমস্ত কথা- মোক শুনাওক বুলি ৰজাই প্ৰশ্ন উত্থাপন কৰিলে। তদুপৰি সসাগৰা বসুমতীক কোনে ধৰি আছে আৰু বিশ্ব বসুমতীৰ কম্পন হয়, সেই সম্পৰ্কেও জানিব বিচাৰে।

শুকে-ক'লে-মাধৱৰ লীলা প্ৰধানত ঃ তিনিবিধ— সৃষ্টি-স্থিতি আৰু লয়। পৃথিৱীৰ অধত সাত পাতালৰ তলত ব্ৰহ্মাণ্ডক জলে বেঢ়ি আছে। জলৰ ওপৰত হৰিয়ে কূৰ্ম্ম (কাছ) ৰূপে পঞ্চাশ কোটি প্ৰহৰ বহল শৰীৰ ধাৰণ কৰি আছে। আৰু কূৰ্ম্মৰ ওপৰত ভগৱন্তই সৰ্পৰূপ ধৰি আছে আৰু তেঁৱেই সহস্ৰফ নাযুক্ত অনন্ত। অনন্তৰ আঠফনা আঠদিশে গৈ আঠটা দিগ্ গজ (হাতী)





হৈ ওপৰত স্থিতাপি ল'লে প্ৰতিটো হাতীয়ে আঠটা পৰ্ব্বত মূৰত বহন কৰি আছে আৰু তাৰ ওপৰত সসাগৰা মহী (পৃথিৱী) অৱস্থিত। প্ৰতিটো গজে নিজৰ শৰীৰ লৰচৰ কৰিলে ভূমিকম্প হয় আৰু কাছই হামি মাৰিলে মন্দৰ সহিতে সপ্তমহী কঁপি উঠে। এই তত্ব বিজ্ঞানৰ ৰহস্য।

**মহাপ্ৰলয়ৰ বৰ্ণনা**

ব্ৰহ্মাৰ এশবছৰ অতিক্ৰম হ'লে হৰিয়ে ৰুদ্ৰ ৰূপে জগত সংহাৰ কৰে। ভয়ঙ্কৰ আকাৰ ধাৰণ কৰি, ভ্ৰূকুটি-কুটিৰ মুখেৰে আউল-বাউল জটাৰে, হাতত ত্ৰিশূল ধাৰণ কৰি দুৰ্ঘোৰ মূৰ্তিৰে ৰুদ্ৰই জগত সংহাৰ কৰে। পৰ্ব্বতৰ শৃঙ্গৰ দৰে দন্ত মেলি প্ৰজাক ৰুদ্ৰই চোবাবলৈ ধৰে। ঘোৰ শব্দ কৰি দিগ্গজক ওপৰলৈ তুলি নচুৱায়। তিনিগোটা চক্ষুৰ পৰা জলন্ত অগ্নি যেন নিৰ্গত হয়, তেজেৰে দেহ ৰঙা হৈ উঠে, তিনি ত্ৰৈলোক্য থৰথৰকৈ কঁপিবলৈ ধৰে। এইদৰে ৰুদ্ৰই জগত সংহাৰ কৰে।

ইয়াৰ পাচত বাৰ বছৰ অনাবৃষ্টি হয়, বাৰটা সূৰ্য্যই দুৰ্ঘোৰ তাপ বিকিৰণ কৰে, শুকান বায়ু প্ৰৱাহিত হয়, সাগৰ পৰ্য্যন্ত তাপত শুকাই যায়। তাৰ পাচত অনন্তৰ মুখৰ পৰা প্ৰচণ্ড অগ্নি বাজ হয়, হাজাৰখন মুখৰ পৰা বিষ বহ্নি নিৰ্গত হয়, সাগৰ পুৰি অগ্নি উৰ্দ্ধমুখী হয় আৰু সপ্তস্বৰ্গ পুৰি ভস্মিভূত কৰে। এইদৰে ব্ৰহ্মাণ্ডক ছাৰখাৰ কৰি অগ্নি নিৰ্ব্বাপিত হয়।

ইয়াৰ পাচত বাৰ বছৰ অনৰ্গলি ধাৰাসাৰে বৰষুণ হৈ থাকে। মেঘৰ গৰ্জন, বিজুলিৰ চমক, বজ্ৰপাত, শিলাবৃষ্টি হৈ জলে দশোদিশ আবৰি পেলায়। ব্ৰহ্মাণ্ডক জলেৰে প্লাৱিত কৰি পেলায়। মহামহী খণ্ড জলত নিমগ্ন হয়। জল অগ্নিত প্ৰৱেশ কৰে, নিঃশেষ হয়, অগ্নি বায়ুত পশি, মহাবায়ু মহাকাশত বিলীন হয়। মহাকাশ অহঙ্কাৰত, মহা অহঙ্কাৰ মহতত্ত্বত, মহতত্ত্ব, প্ৰকৃতিত আৰু প্ৰকৃতি পুৰুষত লীন যায়। পুৰুষ-প্ৰকৃতি অভিন্ন হৈ পৰে।

তেতিয়া জল -স্থল-আকাশ-বায়ু-চন্দ্ৰ- সূৰ্য্য- শীত-উষ্ম- ৰাত্ৰি দিন— সকলোবোৰ ঈশ্বৰত মিলি গ'ল।

"নাহি জল নাহি থল নাহিকে আকাশ।
নাহি মহা বায়ু চন্দ্ৰ সূৰ্য্যৰ প্ৰকাশ।।
নাহি শীত উষ্ণ ঋতু নাহি ৰাত্ৰি দিন।
সমস্তে সংসাৰ ঈশ্বৰত গৈলা লীন।।" — ৩৮।।

ঈশ্বৰ পুৰুষ স্বতন্ত্ৰ বাবে প্ৰকৃতি ঈশ্বৰ পুৰুষৰ অধীন। ব্ৰহ্মাৰ বাহিৰ ভিতৰ

নাই। জগতৰ সমস্ত জীৱক ঈশ্বৰে নিজ উদৰত স্থান দিয়ে আৰু কেৱল ঈশ্বৰহে প্ৰকাশ মান হৈ থাকে—

“প্ৰকৃতিৰো ঈশ্বৰ পুৰুষ স্বতন্ত্ৰৰ।
নাহি যিটো ব্ৰহ্মৰ বাহিৰ অভ্যন্তৰ।।
জগতৰে জীৱ উদৰতে দিয়া বাস।
কেৱলে ঈশ্বৰ কৃষ্ণ কৰন্ত প্ৰকাশ।।” ৩৯।।”

অনাদি ঈশ্বৰেই ব্ৰহ্ম নিৰঞ্জন, জ্ঞানময়, সত্য, সনাতন। তেওঁ নয়ন কমল মুদি যোগ নিদ্ৰাৰ ছলেৰে নিজকে চিন্তা কৰি থাকিল।

**ভগৱন্তৰ শক্তি মহামায়াৰ জন্ম**

যোগ নিদ্ৰাত অনাদি ঈশ্বৰে অনেক হাজাৰ যুগ অতিক্ৰম কৰিলে। ঈশ্বৰৰ পুনৰ সৃষ্টি ইচ্ছা হ'ল। অকলশৰে থাকি নিজকে অশোভন বুলি ভাবিলে; তেওঁৰ গৰ্ভৰ ভিতৰতে প্ৰকৃতিদেৱী আৰু চৈধ্য ব্ৰহ্মাণ্ড সোমাই আছে আৰু সেই সকলো জড় হৈ আছে; মাত্ৰ ভগৱানহে চৈতন্যময় হৈ আছে।

“একেশ্বৰে আছো আমি আদি নিৰঞ্জন।
সৃষ্টিনাহি আমাক যে নকৰে শোভন।। ৪১।।
চৈধ্যয় ভুৱন উদৰতে দিলো ঠাই।
প্ৰকৃতি মহামায়া আছা গৰ্ভতে সোমাই।।” ৪২ ।।

অকলশৰে থাকি ভগৱানে সৃষ্টি কৰিবলৈহে মন কৰিলে। মায়াৰ আশ্ৰয়ত জগত আৰু জীৱক সৃষ্টি কৰি বিনন্দ, বিলাস কৰিবলৈ ইচ্ছা কৰি মায়াক আহ্বান জনালে। জড় প্ৰকৃতিত জীৱদান কৰি আঠ গুণ তেজ, যোল গুণ প্ৰাণ প্ৰদান কৰিলে—

“মায়াৰ হাতত কৰাওঁ জগত প্ৰকাশ।
কৰোঁ সৃষ্টি লীলা আবে বিনোদ বিলাস।। ৪৩
এহি বুলি মেলি পদ্ম নয়ন অনন্তে।
মায়াক কটাক্ষে চাহিলন্ত ভগৱন্তে।।
জড় প্ৰকৃতিত কৰিলন্ত জীৱ দান।
অষ্ট গুণে তেজ যোল্ল গুণে ভৈল প্ৰাণ।। ৪৪।।

লগে লগে পুৰুষৰ ইচ্ছাত প্ৰকৃতি ব্যক্ত হ'ল আৰু পুৰুষক সেৱা জনাই কোন কৰ্ম্ম সম্পাদন কৰিব লাগে আদেশ বিচাৰিলে। পুৰুষে ক'লে যে তেওঁ আৰু প্ৰকৃতি অভিন্ন। পুৰুষে মহা প্ৰকৃতিক জগত নিৰ্ম্মাণ কৰিবলৈ ক'লে।





**জগত সৃষ্টি কৰিবলৈ মহামায়াক নিৰ্দ্দেশ প্ৰদান ঃ**

ভগৱন্তই ক'লে— “হে মহামায়া, তুমি মোৰ অৰ্দ্ধকায়; তুমি জগত সৃষ্টি কৰা আৰু মই তাত থাকি বিনোদ বিলাস কৰোঁ। মাহামায়াৰ গৰ্ভত ঈশ্বৰৰ কটাক্ষৰ পৰা গৰ্ভাধান হয় আৰু গৰ্ভৰ পৰা মহত্ত্বৰ উৎপত্তি হয়। মহত্ত্বৰ তিনিপুত্ৰ ত্ৰিগুণ— সত্ব ৰজ- তমৰ সৃষ্টি হয়। সিহঁত ত্ৰিতয়ক - তামসিক, ৰাজসিক আৰু সাত্বিক বোলা হয়। তিনিওকে -মহাঅহঙ্কাৰ বোলা হয়।

তামসৰ পৰা — শব্দ গুণৰ সৃষ্টি হ'ল আৰু শব্দৰ পুত্ৰ-আকাশ, আকাশৰ পৰা পৰাগুণৰ উৎপত্তি হ'ল। পৰাৰ পুত্ৰ বায়ু। বায়ুৰ পৰা ‘ৰূপ’ গুণৰ সৃষ্টি হ'ল আৰু ৰূপৰপুত্ৰ অগ্নি। অগ্নিৰ পৰা ‘ৰস’ গুণৰ সৃষ্টি আৰু ৰসৰ পুত্ৰ জল। জলৰ পৰা ‘গন্ধ’ গুণৰ সৃষ্টি আৰু গন্ধৰ পুত্ৰ— পৃথিৱী। গতিকে পঞ্চগুণময় শব্দ, স্পৰ্শ, ৰূপ, ৰস, গন্ধ—পঞ্চতন্মাত্ৰ আৰু পঞ্চ অদৃশ্যমান তন্মাত্ৰৰ পৰা আকাশ, বায়ু, অগ্নি, জল আৰু পৃথিৱী এই পঞ্চ মহাভূত (দৃশ্যমান) ৰ সৃষ্টি হয়।

তামস

| পঞ্চ তন্মাত্ৰ | | পঞ্চমহাভূত |
|---|---|---|
| ১। শব্দ | ⟶ | ১। আকাশ |
| ২। স্পৰ্শ | | ২। বায়ু |
| ৩। ৰূপ | | ৩। অগ্নি |
| ৪। ৰস | | ৪। জল |
| ৫। গন্ধ | | ৫। পৃথিৱী |

ৰাজসৰ পৰা দহ ইন্দ্ৰিয়ৰ জন্ম হয়। চক্ষু, কৰ্ণ, নাক, বাক্য, চৰ্ম্ম—এই পাঁচটা জ্ঞানেন্দ্ৰিয় আৰু জিভা হাত, পদ, গুহ্য, লিঙ্গ, — এই পাঁচটি কৰ্ম্মেন্দ্ৰিয়।

সাত্বিকত ইন্দ্ৰিয়গণৰ অধিষ্ঠাতা দেৱতাসকলক বুজায় আৰু দহ ইন্দ্ৰিয়ত দহ জন দেৱতাই অধিষ্ঠান কৰে—চক্ষুত আদিত্য, কৰ্ণত দিশ, নাসিকাত অশ্বিনী কুমাৰদ্বয়, বাক্য অগ্নি (হুতাসন), চৰ্ম্মত বায়ু, জিভাত বৰুণ, হস্তত ইন্দ্ৰ, পদত বিষ্ণু, গুহ্যত মিত্ৰ (সূৰ্য্য), লিঙ্গত প্ৰজাপতি থাকে। হৃদয়ত মন, বুদ্ধি, অহঙ্কাৰ, চিত্ত—এই অন্তৰেন্দ্ৰিয় থাকি কৰ্ম্ম কৰে।

**মনৰ স্বৰূপ বৰ্ণন।।**

লক্ষণ আৰু কৰ্ম্মাৱস্থা অনুসৰি মনৰ নাম চাৰিটা—

১। মন- যেতিয়া মনে নানা কৰ্ম্ম কৰিবলৈ আলোচনা কৰে কিন্তু একো কাৰ্যাতে যেতিয়া স্থিৰ সিদ্ধান্তত উপনীত হ'ব নোৱাৰে তেতিয়া তাক ‘মন’

বোলা হয়।

"নানা কৰ্ম্ম কৰিবাক কৰে আলোচনা।
একো কাৰ্য্য স্থিৰনোহে তাৰে নাম মন।" ৬৩।।

২। বুদ্ধি- সংকল্প -বিকল্প কৰ্ম্মৰাজি মনে কৰিলে তাক বুদ্ধি নাম দিয়া হয়।

"সংকল্প বিকল্প কৰ্ম্ম কৰয় নিশ্চয়।
বুদ্ধি নাম বুলি তাক জানিবা নিৰ্ণয়।।" ৬৪।।



৩। অহঙ্কাৰ — সমস্ত কৰ্ম্মৰাজি ময়ে কৰিছোঁ বুলি ভবা মনৰ

অৱস্থাটোক অহঙ্কাৰ বুলি কোৱা হয়।"

"সমস্তে কৰ্ম্মতে মই কৰোঁ বুলি মানে।
অহঙ্কাৰ বুলি তাক জানিবা আপোনে।।" ৬৪।।

৪। চিত্ত — নিতৌ নিতৌ সদ্ কৰ্ম্মকে কৰিলে মনৰ তেনে অৱস্থা চিত্ত বোলে।

"নানা সদ কৰ্ম্মক কৰয় নিতে নিত।
নিশ্চয়ে জানিবা ৰাজা তাৰে নাম চিত্ত"।। ৬৫।।

এজন লোকেই বিভিন্ন বেশ পৰিধান কৰিলে বেলেগ বেলেগ ৰূপে দেখা দিয়াৰ দৰে মনো বিভিন্নৰূপে দেখা দিয়ে। মনৰ তিনিটা অৱস্থা হৈছে জাগন, স্বপন আৰু নিদ্ৰাৱস্থা। সমস্ত প্ৰাণীৰে মন থাকে আৰু ই হৃদয়ত থাকে। মন ঈশ্বৰৰ প্ৰতিবিম্ব বুলি ক'ব পাৰি। দেহস্থ জীৱ আৰু মন অভিন্ন হৈ থাকে। লোত অগ্নি থকাৰ দৰে জীৱত মন মিহলি হৈ থাকে।

"তাকে বুলি জীৱ মন এৰে ভিন্ন নুই।
এক পিণ্ড ভৈলে যেন লোহ অগ্নি জুই।

মনে দুখ পালে জীৱই দুখ পাওঁ বোলে, মন য'লৈকে যায় জীৱও তলৈকে যায়, মনে কৰা কামকে জীৱই কৰা কাম বোলে, মনৰ মৃত্যু হ'লে জীৱয়ো মৰো বোলে। পানী লৰিলে তাত পৰা সূৰ্য্যৰ প্ৰতিবিম্ব ল'ৰে আৰু জলস্থিৰ হ'লে প্ৰতিবিম্বও স্থিৰ হয়। তেনেদৰে জীৱন্ত মনৰ প্ৰতিবিম্বৰ দৰে লৰচৰ বা স্থিৰ হয়।

মনে কৰ্ম্মকৰে, তেনেহলে সেই কৰ্ম্ম ভালেই হওক বা বেয়াই হওক, তাক জীৱই নিজেই কৰা বুলি নিৰ্ব্বিবাদে গ্ৰহণ কৰাৰ বাবে সেই কৰ্ম্মফল জীৱই গ্ৰহণ কৰে; ফলতঃ জীৱ কৰ্ম্মপাশে বন্দী হয়। আত্মাৰ প্ৰসঙ্গত মন সচেতন হৈ থাকে। চৈধ্য ব্ৰহ্মাণ্ড মনতেই বিৰাজমান। গতিকে মনেই পাপ, মনেই পূণ্য, মনেই স্বৰ্গ আৰু মনেই নৰক।



আপোন-পৰ ভেদ মনৰ হে সৃষ্টি। ইন্দ্ৰিয়বোৰ মনৰ অধীন, মনৰ আদেশ পালন কৰি থাকে। মনতেই সৃষ্টি, মনতেই মৃত্যু নিৰ্ভৰ কৰে। মনুষ্যৰ বন্ধন আৰু মুক্তি মনৰ দ্বাৰাই সংঘটিত হয়।

মনৰ অধিষ্ঠাতাদেৰ চন্দ্ৰ, বুদ্ধিৰ ব্ৰহ্মা, অহঙ্কাৰৰ ৰুদ্ৰ আৰু চিত্তৰ বিষ্ণুদেৰ। গতিকে মনে কৃষ্ণত শৰণ ল'লে মোক্ষ লাভ হয়।

## চৈধ্য ভুবন সৃষ্টি

শব্দ-স্পৰ্শ-ৰূপ-ৰস-গন্ধ-এই পঞ্চতন্মাত্ৰ আৰু এঘাৰ ইন্দ্ৰিয়ক লৈ যোড়শ বিকাৰৰ সৃষ্টি। পঞ্চমহাভূত, প্ৰকৃতি, মহতত্ত্ব আৰু অহঙ্কাৰক লৈ চৌবিশ তত্ত্ব। এই চৌবিশ তত্ত্বই ব্ৰহ্মাণ্ড সৃষ্টি কৰিবলৈ অসমৰ্থ হোৱাত তত্ত্বসমূহে কৃষ্ণক স্তুতি কৰিলে। ঈশ্বৰে তেতিয়া জীৱ ৰূপে চৌবিশ তত্বেৰে গঠিত দেহত প্ৰৱেশ কৰিলে। তেতিয়া ঈশ্বৰৰ ইচছাত ব্ৰহ্মাণ্ডৰ সৃষ্টি হয়। বহলে পঞ্চাচ কোটি প্ৰহৰৰ সমান সুৱৰ্ণ ব্ৰহ্মাণ্ডই এক কোটি সূৰ্য্যৰ পোহৰৰ সমান জ্যোতি লৈ জলৰ ওপৰত ভাঁহি উঠিল। জলক মহাবায়ুয়ে আগুৰিলে আৰু আকাশক মহা অহঙ্কাৰে আবৰিলে। মহত্বই অহঙ্কাৰক আগুৰি থাকিল আৰু প্ৰকৃতি মহত্বৰ ওপৰত থাকিল। এয়ে সাত আবৰণ




ভগৱন্তই তাৰ মাজত প্ৰৱেশ কৰিলে আৰু তেতিয়া তাত চৰাচৰ নাছিল। ঈশ্বৰে মায়াক কটাক্ষে চাই তাত লীলা কৰিবলৈ স্থান নিৰ্ম্মাণৰ বাবে আদেশ কৰিলে আৰু প্ৰকৃতিয়ে তেতিয়া সপ্ত স্বৰ্গ নিৰ্ম্মাণ কৰিলে। সপ্ত স্বৰ্গৰ প্ৰথমখন— ভূলোক, ইয়াত নৰ আৰু কিঙ্কৰৰ বাসস্থান, ২ য় খন ভূবলোক; ইয়াত গন্ধৰ্ব্ব, ৩ য়খন -স্বলোক, ইয়াত ইন্দ্ৰ আৰু দিগ্‌পাল; চতুৰ্থখন মহালোক, ইয়াত ধ্ৰুৱ; পঞ্চমখন- জনলোক, ইয়াত মহামুনিগণ; ষষ্ঠখন-তপলোক, ইয়াত মহাসিদ্ধগণ; আৰু সপ্তমখন- সত্যলোক, ইয়াত ব্ৰহ্মা, শিৱ, বিষ্ণুৰ স্থান।

সত্যলোকৰ অধত-ব্ৰহ্মা, তাৰ ওপৰত শিৱ আৰু তাৰোউৰ্দ্ধত বিষ্ণুৰ বাসস্থান। সত্যলোকৰ উৰ্দ্ধত বৈকুণ্ঠ আৰু ইয়াত প্ৰপঞ্চৰ বাহিৰত অৱস্থিত। কৃষ্ণই লক্ষ্মীসমে ইয়াত বাস কৰে। বৈকুণ্ঠত কালৰ বিক্ৰম নাই, তাত ভকতৰ আৰু হৰিনামৰ হে প্ৰয়োভৰ।

| | | | |
|---|---|---|---|
| | বৈকুণ্ঠ | - | কৃষ্ণৰ নিবাস- অগ্ৰপথত |
| ৭ | সত্যলোক | - | ব্ৰহ্ম, শিৱ, বিষ্ণুৰ বাস স্থান |
| ৬ | তপলোক | - | মহাসিদ্ধগণৰ বাসস্থান |
| ৫ | জনলোক | - | মহামুনি গণৰ বাসস্থান |
| ৪ | মহলোক | - | ধ্ৰুৱৰ বাসস্থান |
| ৩ | স্বলোক | - | ইন্দ্ৰ, দিগ্‌পালৰ বাসস্থান |
| ২ | ভূৱলোক | - | গন্ধৰ্বৰ বাসস্থান |
| ১ | ভূলোক | - | নৰ আৰু কিঙ্কৰৰ বাসস্থান |

### সপ্ত পাতালৰ বৰ্ণনা —

অতলত ময়দান, বিতলত হৰ-পাৰ্ব্বতী, সুতলত বলিৰ নিবাস। বলিৰ দ্বাৰত থাকি বিষ্ণুয়ে গদাধৰি বলিক ৰক্ষা কৰি থাকে আৰু বলিয়েও সদায় গোবিন্দক সেৱা জনাই থাকে। তলা তলত বিশ্বকৰ্ম্মাৰ বাসস্থান আৰু মহাতলত তক্ষকাদি সৰ্পগণে বাস কৰে। ৰসাতলত দৈত্য-দানবগণে বাস কৰে আৰু পাতালত বাসুকী আদি নাগগণৰ বাসস্থান। পাতলৰ অধত অনন্তই কচ্ছপৰ ওপৰত প্ৰতিষ্ঠিত হৈ আছে।

| | | | |
|---|---|---|---|
| ১ | অতল | - | ময়দানবৰ বাসস্থান |
| ২ | বিতল | - | হৰ-পাৰ্বতীৰ বাসস্থান |
| ৩ | সতল | - | বলিৰ বাসস্থান |
| ৪ | তলাতল | - | বিশ্বকৰ্মাৰ বাসস্থান |
| ৫ | মহাতল | - | তক্ষকাদি সৰ্পৰ বাসস্থান |
| ৬ | ৰসাতল | - | দৈত্য-দানবৰ বাসস্থান |
| ৭ | পাতাল | - | বাসুকী-নাগৰ বাসস্থান |

### সপ্ত পৃথিৱীৰ বৰ্ণনা —

জম্বু, প্লক্ষ, কুশ ক্ৰৌঞ্চ, শাক, শাল্মলী আৰু পুষ্কৰ দ্বীপ হৈছে সপ্তন পৃথিৱী আৰু প্ৰতিদ্বীপকে সপ্ত সাগৰে বেঢ়ি আছে। লোন, গুৰ, সুৰা, ঘৃত, দধি, দুগ্ধ আৰু জল— এই সপ্ত সাগৰ। জম্বুদ্বীপৰ মাজত মেৰুপৰ্ব্বত অৱস্থিত।





মেৰুৰমূলক—ত্ৰিকুট, বৈকুণ্ঠ, কুসুম আদি বহুত পৰ্ব্বতে আবৰি আছে। মেৰুৰ চৌপাশে চাৰিটা পৰ্ব্বত অৱস্থিত। জম্বু দ্বীপেই ভাৰতবৰ্ষ। ভাৰত এখন পুণ্যভূমি আৰু হৰিভক্তিৰ স্থান। জম্বুদীপক লৱণ সাগৰে বেঢ়ি আছে।

গুৰ সাগৰে প্লক্ষ দ্বীপক আগুৰি আছে। সুৰাৰ সাগৰে কুশদ্বীপক আবৰি আছে আৰু ক্ৰৌঞ্চ দ্বীপৰ চাৰিওফালে ঘৃত সাগৰ আছে। দধিৰ সাগৰে শাক দ্বীপক, দুগ্ধৰ সাগৰে শাল্মলী-দ্বীপক, আৰু জল সাগৰে পুষ্কৰদ্বীপক বেঢ়ি আছে।

### ব্ৰহ্মা, শিৱ, বিষ্ণুৰ সৃষ্টি —

ঈশ্বৰে ত্ৰিজগত সৃষ্টি কৰি তিনিগুণত তিনিদেৱতাক সৃষ্টি কৰিলে— তমো গুণত ৰুদ্ৰ বা শিৱই পঞ্চমুখেৰে প্ৰকাশ পালে। তেওঁৰ প্ৰতিখন মুখত তিনিটাকৈ চকু, বাহুত-ত্ৰিশূল আৰু ডম্বৰু, কটিও বাঘছাল, গলে মুণ্ডমালা, জটা সৰ্ব্বাঙ্গে ভস্মেৰে আবৃত।

ৰজোগুণত ব্ৰহ্মাৰ সৃষ্টি। তেওঁৰ শৰীৰ সুবৰ্ণ গৌৰাঙ্গ (সোণালী বগা), ডিঙিত উত্তৰী নবগুণ, হাতত কমণ্ডলু, ও জাপ্যমালা মুখত বেদধ্বনি।

সত্বগুনত বিষ্ণুৰ সৃষ্টি। তেওঁৰ শ্যাম কলেৱৰ, পীতবস্ত্ৰ, চাৰিভূজত চাৰিঅস্ত্ৰ; মুখ-পদ্মকোষ-মৃদু হাঁহিৰে ভৰা, পঙ্কজ নয়ন, মূৰত কিৰীটি, হৃদয়ত মণিময় হাৰ, অৰুণ অধৰ আৰু চাৰুময় দাঁত, হাতত কঙ্কন আৰু আপাদলম্বিত বনমালাই শোভা কৰে। তেওঁৰ কটিত মেখলা, পদত নূপুৰে, ৰঞ্জিত কৰে।

তিনিয়ে মই বৰ ভাব লৈ কোনেও কাকো নামাতে। এই ভাব প্ৰত্যক্ষ কৰি ঈশ্বৰে মাত্ৰ হাঁহিলে।

কবি শঙ্কৰে কৈছে মানুহৰ জীৱন জলৰ বুদবুদৰ দৰে অস্থিৰ, কেতিয়া জীৱনৰ সমাপ্তি ঘটিব তাৰ কোনো ঠিক নাই। গতিকে কৃষ্ণক জীয়াই থকা অৱস্থাতে ভকতি কৰিব লাগে। চিন্তামণি জন্ম অথলে যাবলৈ দিব নালাগে।

### ভগৱান বনমালীৰ প্ৰকাশ ঃ

পৰমব্ৰহ্ম কৃষ্ণই চতুৰ্ভূজৰূপে তিনিওৰ সন্মুখতে আবিৰ্ভাব হ'ল। নীল মেঘৰ দৰে শ্যামতনু, পীতবাস, মহামনোহৰ কলেৱৰ, ভুবন মোহন বেশ, শিৰত ৰত্নৰ কিৰীটি, নীল আকুঞ্চিত কেশগুচ্ছ, ললাটত অলকাৰ মাজত ৰত্নৰ তিলকে ৰঞ্জিত কৰিছে— বনমালীৰ দেহাবয়বত। সুন্দৰ কৰ্ণত মকৰ কুণ্ডলে জ্বলমল কৰিছে, ভ্ৰুবযুগৰ মনোহৰ কান্তি, ঈষৎ হসিত বয়ন (মুখমণ্ডল), তিলফুল নাক

ৰাতুল ওঁঠ, কণ্ঠত কৌস্তুভ, কিশলয় সদৃশ কৰতল, ৰত্নৰ কেয়ুৰ-কঙ্কনে তেওঁৰ দেহৰ সৌষ্ঠৱ বঢ়াই তুলিছে। বক্ষস্থলত শ্ৰীবৎসৰপান্তি, কটিত ৰত্নময় মেখলা, ডিঙিত বৈজয়ন্তী মালাই তিৰবিৰাবলৈ ধৰিলে। চম্পাৰ পাকৰিৰ দৰে আঙুলি পদত পঞ্চচিহ্নেৰে ভগবানৰ মধুৰ মুৰুতি অতি চমৎকাৰ, যাক কোটি কোটি ৰবি-শশীৰ জ্যোতিয়েও ঢুকি নাপায়; সেই মনোহৰ ৰূপ-মাধুৰী ভকতে পান কৰি মহানন্দ লাভ কৰে।

## শিৱ-ব্ৰহ্মা-বিষ্ণুৰ স্তুতি —

বনমালীৰ অপৰিসীম ৰূপ দেখি শিৱ-ব্ৰহ্মা-বিষ্ণুৱে হাতযোৰ কৰি স্তুতি কৰিবলৈ ধৰিবলৈ— 'হে অনাদি ঈশ্বৰ, দেৱৰোদেৱ, অনন্তকোটি ব্ৰহ্মাণ্ডৰ অধিকাৰী হে ব্ৰহ্মতত্ত্ব- তোমাক নমস্কাৰ।" তোমাৰ চৰণে পশিলো। তুমি প্ৰকৃতিৰো নিয়ন্ত ঈশ্বৰ, তুমি সনাতনস্বামী, তুমি আমাক স্ৰজন কৰিলা, আমি কি কৰ্ম্ম কৰিব লাগে আদেশ কৰক।"

## ভগৱন্তৰ তিনিওৰ প্ৰতি নিৰ্দ্দেশ —

মেঘৰ গম্ভীৰ ধ্বনিৰে ভগৱন্তই তিনিজনক ক'লে— আজিৰ পৰা তোমালোকে তিনি জনক জগতৰ অধিকাৰী পাতিলো; স্থিতি, সৃষ্টি, প্ৰলয়- তিনিওৰ কাম হ'ব। ব্ৰহ্মাক সৃষ্টি, বিষ্ণুক পালন, শিৱক প্ৰলয় ঘটাবলৈ আদেশ দিলে। প্ৰলয়ৰ সময়ৰ সম্পৰ্কেও ভগৱন্তই শিৱক জানিবলৈ দিলে— মানুহৰ যাঠীটা শ্বাসত এক দণ্ড, আঠ দণ্ডত এক প্ৰহৰ, আঠ প্ৰহৰত এদিন এৰাতি। সূৰ্য্যই মেৰুক প্ৰদক্ষিণ কৰিলে এমাহ, দুমাহত এক ঋতু , তিনি ঋতুয়ে দুই অয়ন, দুই অয়নে এবছৰ হয়। সত্য-ত্ৰেতা-দ্বাপৰ-কলি কালৰ পৰিমাণ তিৰাল্লিশ লাখ হাজাৰ বছৰ। এই চাৰিযুগে দেৱতাৰ একযুগ, দিব্য হাজাৰ যুগে ব্ৰহ্মাৰ এদিন। এদিনত চৈধ্য ইন্দ্ৰ চৈধ্য মনুৰ দিন অতিবাহিত হয়। এদিন শেষ হ'লে প্ৰলয় হয় আৰু ব্ৰহ্মাই পুনৰ জগত স্ৰজিব। ভগৱন্তই কলে যে তেওঁ - মৎস্য, কুৰ্ম্ম, বৰাহ, হংস, পৃথু, বামণ, বুদ্ধ, কল্কি আদি বিভিন্ন অৱতাৰ গ্ৰহণ কৰি বিভিন্ন কাম সম্পাদন কৰিব। শিৱক ৰাতিৰ অৱসানত জগত সংহাৰ কৰিবলৈ ভগৱন্তই আদেশ দিয়ে। ভগৱন্তই পুনৰ জগত সৃষ্টি কৰিব বুলি ক'লে। ব্ৰহ্মাক ভগৱন্তই ক'লে যে তেওঁৰ পৰা চাৰিবেদ, ওঠৰ পুৰাণ স্মৃতি, মহাভাৰত- ব্ৰহ্মাৰ শৰীৰলৈ যাব আৰু ব্ৰহ্মাৰ কণ্ঠাগত হ'ব।

## ব্ৰহ্মাদিৰ জগৎসৃষ্টি





ব্ৰহ্মাই বেদতে জগত দেখা পালে। বিষ্ণুৱে গৰুড়কলৈ বিষ্ণুলোকে পালেগৈ আৰু শিৱই বৃষভত উঠি কৈলাসলৈ গতি কৰিলে আৰু হংসত উঠি ব্ৰহ্মা ব্ৰহ্মলোকত থিতাপি হ'লগৈ। ব্ৰহ্মাই হৰিক সহস্ৰ প্ৰণাম জনাই সৃষ্টি কৰিবলৈ উদ্যত হ'ল।

প্ৰথমে সনকাদি চাৰিসিদ্ধক ব্ৰহ্মাই স্ৰজন কৰিলে; কিন্তু তেওঁলোকে সৃষ্টিকৰ্ম নকৰি বিষ্ণুৰ চৰণ চিন্তাত লাগিল। ব্ৰহ্মাৰ মনৰ পৰা নাৰদৰ সৃষ্টি হয় আৰু হাতত বীণা যন্ত্ৰলৈ কৃষ্ণগীত গাই ভ্ৰমি ফুৰিল। তাৰ পাচত মৰীচি, দক্ষাদি প্ৰজাপতিক ব্ৰহ্মাই সৃষ্টি কৰে। মৰীচিৰ পৰা কশ্যপ প্ৰজাপতিৰ সৃষ্টি হয় আৰু দক্ষৰ কন্যাগণক একেদিনাই বিয়া কৰে। অদিতিৰ পুত্ৰ বাৰজন সূৰ্য্য, (দ্বাদশ আদিত্য) বিৱস্বান, ত্বষ্টা, পুষা, ভগ, অৰ্য্যমা, সবিতা, শত্ৰু, মিত্ৰ, ধাতা, উৰুক্ৰম, বৰুণ বায়ুগণ আদি। দিতিৰ পৰা -অসুৰ, দনুৰ পৰা দানব, সুৰেসাৰ পৰা গন্ধৰ্ব্ব, ৰাক্ষস, পুৰঞ্জৰ পৰা অপেস্বৰাগণ, ইলাৰ পৰা তৰু আদি, আৰু অন্যান্য সকলৰ পৰা সৰ্প, গৰু, কুকুৰ, জলচৰ, বিছা ফৰিঙ্গ, বিনতাৰ পৰা অৰুণ, গৰুড় জন্ম হয়।

ব্ৰহ্মাৰ তনুৰ পৰা অষ্টবসুৰ জন্ম হয়। তাৰ পাচত ব্ৰহ্মাই চৈধ্যশাস্ত্ৰ, অষ্টাদশ পুৰাণ, মহাভাৰতৰ সৃষ্টি কৰে। মুখৰ পৰা ব্ৰাহ্মণ, বাহুত ক্ষত্ৰিয়, পদত শূদ্ৰ, উৰুত বৈশ্যৰ জন্ম হ'ল। তাৰ পাচত চাৰি আশ্ৰমৰ সৃষ্টি হ'ল। আৰু মনুষ্যৰ বাবে চাৰি আশ্ৰম, চাৰিপুৰুষাৰ্থ জপ-যজ্ঞ-দান-তীৰ্থ-ব্ৰত-সদাচাৰ ধৰ্ম্ম নৰৰ কাৰণে ব্যৱস্থা কৰা হ'ল।

ব্ৰহ্মাণ্ডত থকা সকলো গুণ মানৱদেহতে বিৰাজমান।

"দেহৰ মহিমা আবে শুনিয়োবেকতে  
ব্ৰহ্মাণ্ডৰ গুণমান আছে শৰীৰতে।।" ২০০।।

চৌবিশ তত্বেৰে ভগৱন্তই জীৱ সৃষ্টি কৰিলে। তেওঁৰ পৃষ্ঠৰ মধ্যত মেৰুমণ্ডল প্ৰকাশ পালে। তেওঁৰ উৰ্দ্ধত সূৰ্য্য আৰু অধত চন্দ্ৰ প্ৰকাশমান হ'ল। দেহত নখন দুৱাৰ, সতৰী হাজাৰ নাড়ী, দহবিধ প্ৰাণ-বায়ু, নখ, কেশ, দহ- ইন্দ্ৰিয় দিয়া হ'ল। নাড়ীৰ ভিতৰত সুযুস্না, ইড়া, পিঙ্গনা এই তিনি নাড়ী প্ৰধান। শৰীৰৰ ছয় স্থানত ছয়চক্ৰ, গুহ্য, লিঙ্গ, নাভি, তালু, ললাট বিৰাজমান। হৃদয়ত ভগৱন্তই বিৰাজিত হৈ থাকি শুভাশুভ কৰ্ম্মফল জীৱক ভূঞ্জায়। গুহ্যস্থানৰ পৰা দুই আঙুল ওপৰত অণ্ডকোষৰ পৰা দুই আঙুল পৰত মধ্যদেহ আৰু তাত অগ্নিয়ে বাস কৰে। প্ৰাণবায়ু দহবিধ-পান, অপান, সমান, উদান, নাগ, কুৰ্ম্ম,

কৃকৰ দেৱদত্ত, আৰু ধনঞ্জয়। দেহত চৈধ্যজন দেৱতা স্থানে স্থানে অধিষ্ঠান কৰি আছে। আৰু এওঁলোক পাপ-পুণ্যৰ সাক্ষী। ঈশ্বৰ হৃদয়ত স্থিত হৈ প্ৰধান সাক্ষীৰূপে বিদ্যমান।

**জ্যোতিষ চক্ৰৰ কথা —**

হৰিয়ে দহদিক পালক দহদিকত প্ৰতিষ্ঠিত কৰিলে। ইন্দ্ৰই পূব, অগ্নিয়ে অগ্নিকোণত, দক্ষিণত যম, নৈঋত কোনত নিঋত, পশ্চিমত বৰুণ, বায়ু, বায়ু দিশত, উত্তৰে কুবেৰ, ঈযান কোণত মহেশে স্থান ল'লে।

লক্ষ প্ৰহৰৰ ওপৰত সূৰ্য্য থাকি মেঘ -বৃষ-সিংহ, -বিছা-মিথুন, কৰ্কট, কন্যা-তুলা-ধনু-মকৰ-কুম্ভ আৰু মীন ৰাশিত প্ৰতিমাহে মাহে (ক্ৰমে) সঞ্চৰণ কৰিবলৈ ধৰিলে। সূৰ্য্যৰ অযুত যোজন তলত ৰাহুৱে ভ্ৰমণ কৰিলে। দুই লাখ যোজনৰ অন্তত (উৰ্দ্ধত) চন্দ্ৰই, পাঁচ লাখ যোজন ওপৰত নক্ষত্ৰ মণ্ডলে বিৰাজ কৰিলে। শুক্ৰই সাত লক্ষ, বুধে নলক্ষ, মঙ্গলে এঘাৰ লক্ষ, বৃহস্পতিয়ে তেৰ লক্ষ, শনিয়ে পঞ্চদশ লক্ষ যোজন ওপৰত স্থিৰ হৈ ধ্ৰুৱ নক্ষত্ৰৰ চাৰিওফালে ঘূৰিবলৈ ধৰিলে। তিৰাল্লিচ লাখ ওপৰত ধ্ৰুৱৰ স্থান আৰু ৰাহুৰ লগত কেতুৱেও স্থান ল'লে। এই চৈধ্যব্ৰহ্মাণ্ড কৃষ্ণৰ স্থুল ৰূপ।

এই বৃহৎ ব্ৰহ্মাণ্ডৰ অধিপতি পৰম ঈশ্বৰ কৃষ্ণ ; তেওঁৰ নাম অনুপম আৰু তেওঁৰ গুণ অমৃতোপম। কবিয়ে কৈছে যে এই কথা সাৰ কৰি, দেৱ ধৰ্ম্ম ত্যাগি কৃষ্ণকে ভক্তি কৰা। কাৰণ কৃষ্ণৰ অমৃতময় চৰিত্ৰৰ সমান একো হ'ব নোৱাৰে।

"কৃষ্ণৰ চৰিত্ৰ পৰম অমৃত
আতপৰে নাহি আন! ২২৯।।
" কৃষ্ণ গুণ নাম ধৰ্ম্ম অনুপাম
আকসাৰ কৰি ধৰা।
যত দেৱ ধৰ্ম্ম দূৰতে তেজিয়া
কৃষ্ণত ভকতি কৰা।।
হেন তত্ত্ব জানি চিন্তা চক্ৰপানি
অনাদৰি আন কাম।" ২৩০।।

**গ্ৰহাদি আৰু পদ্মকল্পৰ বৰ্ণন।।**

পৰীক্ষিতে শুকক চন্দ্ৰৰ বিষয়ে আৰু পদ্মকল্পত ব্ৰহ্মাৰ উৎপত্তি সম্পৰ্কে ক'বলৈ প্ৰাৰ্থনা জনালে। শুকে ক'লে - অত্ৰিৰ পুত্ৰ চন্দ্ৰই দক্ষৰ সাতাইশ গৰাকী





কন্যা বিবাহ কৰিলে। তেওঁলোকৰ নাম- অশ্বিনী, ভৰণী, আদ্ৰা, ৰোহিনী, মৃগশিৰা, শ্ৰৱণা, জ্যেষ্ঠা, ভাদ্ৰপদ, ৰেৱতী আদি সাতাইশ বিধ যোগৰ কথাত ইয়াত উল্লেখ কৰা হৈছে। দহজন দেৱতাৰ স্থান সমূহ হৈছে —পূবদিশে ইন্দ্ৰপুৰী নিৰ্ম্মাণ কৰি ইন্দ্ৰক স্থান দিয়া হ'ল। অগ্নিকোণে অগ্নি, দক্ষিণ দিশে যম, নিঋত কোনে নৈঋত, পশ্চিমে বৰুণ, বায়ব্য কোনত বায়ু, উত্তৰে কুবেৰ, ঐশান কোণত মহেশ্বৰ, সকলোৰে মধ্যত ব্ৰহ্মাৰ স্থান নিৰ্ণয় হ'ল। ব্ৰহ্মাৰ সভাৰ জ্যোতিয়ে মেৰুত ছাঁ পেলোৱাৰ বাবে মেৰুত অন্ধকাৰ হয়।

ব্ৰহ্মাৰ পঞ্চাশ বছৰৰ অতিক্ৰম হোৱাত মহাপ্ৰলয়ৰ সৃষ্টি হয় আৰু সমস্ত জীৱ-জগত কৃষ্ণৰ উদৰত প্ৰবেশ কৰে। ব্ৰহ্মাও গৈ ভগৱন্তৰ উদৰত স্থিতাপি ল'লে। দিব্য হাজাৰ বছৰ পাৰ হোৱাৰ পাচত ভগৱন্তৰ নাভিকমলৰ পৰা ব্ৰহ্মাৰ জন্ম হয়। প্ৰলয় জল আকাশ লঙ্ঘি উঠিল আৰু ব্ৰহ্মায়ে নিজেনো কোন তাক ক'ব নোৱাৰা হ'ল। পদ্ম চক্ৰত তেওঁ উপবিষ্ট হ'ল আৰু চাৰিদিশে চাৰিখন মুখ হ'ল। সেইদিন ধৰি তেওঁক চৰ্তুমুখ বা চতুৰানন বোলা হয়। পদ্মনলাৰে বুৰ মাৰি গৈ একো নাপালে আৰু 'তপ' শব্দ কৰ্ণগোচৰ হ'ল। তেওঁ সহস্ৰ বছৰ তপস্যা কৰিলে আৰু সন্মুখত ঈশ্বৰ পুৰুষক দেখা পালে আৰু স্তুতি কৰিবলৈ ধৰিলে। ব্ৰহ্মাই ঈশ্বৰৰ ইচ্ছাত হৃদয়তে বেদসমস্তক লাভ কৰিলে। কৃষ্ণৰ কৃপাত সৃষ্টি কৰিবলৈ প্ৰজাপতিয়ে আদেশ প্ৰাপ্ত হয়।

প্ৰথমে ব্ৰহ্মাৰ মনৰ পৰা চাৰিসিদ্ধৰ জন্ম হয়। তেওঁলোকক সৃষ্টি কৰ্ম্ম কৰিবলৈ কোৱাত চাৰিসিদ্ধ অসন্মত হয়। ব্ৰহ্মাৰ ললাটৰ পৰা ৰুদ্ৰৰ জন্ম হয় আৰু পিতৃৰ আদেশত ভূতগণক সৃষ্টি কৰে। তাৰ পাচত ব্ৰহ্মাই দহজন পুত্ৰৰ জন্ম দিলে। কোলাত নাৰদ, আঙুলিত দক্ষ, প্ৰাণত বশিষ্ঠ, নাভিত পুলহ, ছালত ভৃগু, কৰ্ণত পুলস্তি, হস্তত ক্ৰতু, মুখত অঙ্গিৰা, চকুত অত্ৰি, মনত মৰীচি, দক্ষিণ স্তনত ধৰ্ম্ম, পিঠিত অধৰ্ম্ম, হৃদয়ত কাম, ভ্ৰূৰ মধ্যে ক্ৰোধ, অধৰত লোভ, মুখত বাক্য, অশুকোষত সপ্তসাগৰ, গুহ্যত নিঋতি, ছাঁয়াত কৰ্দ্দম, শৰীৰত সমস্ত দেৱতা আৰু স্বায়ম্ভুৱ মনু ব্ৰহ্মাৰ পৰা জন্ম পালে।

ব্ৰহ্মাই স্বায়ম্ভুৱ মনুক মনুষ্য জন্ম দিবলৈ আদেৰ্শ কৰিলে। মনুৱে স্থান বিচৰাত ব্ৰহ্মাই স্থান দিবলৈ মন কৰি দেখিলে যে মহী (পৃথিৱী) জলত মগ্ন হৈ আছে। মহীক কিদৰে উদ্ধাৰ কৰিব এই কথা ভাবি ঈশ্বৰক ধ্যান কৰিলে আৰু ভগৱানৰ ইচ্ছাত তেওঁৰ নাকৰ পৰা বৰাহৰ সৃষ্টি হ'ল। লগে লগে সি প্ৰকাণ্ড আকাৰ ধাৰণ কৰিলে। বিষ্ণুৰ অৱতাৰ বুলি জানি ব্ৰহ্মাই স্তুতি আৰম্ভ কৰিলে।

বৰাহে জলত জাম্প দি জলৰ তলত পৃথিৱীক পাই দন্তৰ আগেৰে উদ্ধাৰ কৰি আনিলে। হিৰণ্যাক্ষ অসুৰে গদাধৰি বৰাহৰ লগত তুমুল সংগ্ৰাম কৰিলে আৰু বৰাহে দান্তেৰে ছিৰি হিৰণ্যাক্ষক বধ কৰে। তেতিয়া পৃথিৱীৰ চাৰিজাতি মনুষ্য, পশু- পক্ষী, বৃক্ষাদিৰ সৃষ্টি হ'ল আৰু ব্ৰহ্মা ই স্ৰজন ও বিষ্ণুৱে পালন কৰি থাকিল, সপ্ত পাতালৰ তলত আৰু জলৰ ওপৰত সঞ্জমণি নামেৰে যমৰ নগৰ নিৰ্ম্মাৰ্ণ হ'ল আৰু তাত নৰকবোৰ প্ৰতিষ্ঠা হ'ল। ৰৌৰৰ, তামিশ্ৰ, কুম্ভীপাক আদি তোৰাশী নৰকৰ সৃষ্টি কৰে। তাৰে ভিতৰত আঠাইশখন মুখ্য নৰক।

পৰভাৰ্য্যা, পৰপুত্ৰ, পৰধন হৰণ, পৰহিংসা, পশুবধ, ব্ৰহ্মবধ, চৌৰ্য্য কৰ্ম্ম, অগম্যাগমন, বেদপন্থছন্ন, গৃহদাহ, সুৰাপান,বলিপূজা, আদি বিভিন্ন কু-কৰ্ম্মৰ বাবে বিভিন্ন নৰক যান্ত্ৰণা ভুগিব লাগে।

শুকে বৈকুণ্ঠৰ শাস্ত্ৰ আনি সাংসাৰিক লোকক উদ্ধাৰ কৰিবৰ কাৰণে জগতত প্ৰচাৰ কৰিলে।

"বৈকুণ্ঠৰ শাস্ত্ৰ আনি পৰম উৎসুকে।
সাংসাৰিক কৰি কৃপা প্ৰচাৰিলা শুকে।।" ২৯৬।।

সেইবাবে একচিত্তে কৃষ্ণত কথা শ্ৰৱণ কৰি মনুষ্য জন্ম সম্ফল কৰিবলৈ কবি (গুৰুজনে) উপদেশ দিছে। জীৱন বিজুলীৰ চমকৰ দৰে, কেতিয়া শৰীৰৰ অৱসান ঘটিব তাৰ ঠিক নাই, গতিকে কৃষ্ণভক্তি কৰি জীৱনক মহীয়ান কৰিবলৈ কবিয়ে সাংসাৰিক লোকক আহ্বান জনাইছে।

**বিদুৰ মৈত্ৰেয়-উদ্ধৱৰ কৃষ্ণ-লীলাৰ প্ৰতি মোহ —**

পদ্মকল্পত নাৰায়ণে ব্ৰহ্মাৰ আগত ভাগৱত ব্যক্ত কৰিছিল। ব্ৰহ্মাই নাৰদক, নাৰদে ব্যাসক, ব্যাসে শুকক, শুকে পৰীক্ষিতক ভাগৱত ব্যক্ত কৰে। এইটো এটা সূঁতি। আন এটা সূঁতী হৈছে— অনন্তই চাৰিসিদ্ধক, চাৰিসিদ্ধই সাংখ্যায়নক, সাংখ্যায়নে পৰাশৰক, পৰাশৰে মৈত্ৰেয়ক, মৈত্ৰেয়ে বিদুৰক ভাগৱত শুনায় আৰু ইয়াক নাৰায়ণ সম্প্ৰদায় বোলে।

**বিদুৰ আৰু উদ্ধৱৰ কথোপকথন —**

বিদুৰ কৃষ্ণৰ পৰম ভকত। বিদুৰে গৃহ-বন্ধু বান্ধৱ আৰু ধৃতৰাষ্ট্ৰ আদিক এৰি বনাগমন কৰে আৰু মৈত্ৰেয়ক লগ কৰেগৈ। পৰীক্ষিতে শুকক মৈত্ৰেয় বিদুৰৰ মাজত হোৱা তত্ব কথাখিনি কবলৈ অনুৰোধ কৰে। লগতে প্ৰশ্নকৰে যে বিদুৰে কিয় ধৃতৰাষ্ট্ৰক পৰিত্যাগ কৰে।

ধৃতৰাষ্ট্ৰৰ মহাদুষ্টমতি পুত্ৰসকলে ঘোৰ অধৰ্ম্ম আচৰণ কৰিছিল আৰু তাকে দেখি বিদুৰৰ চিন্তাজ্বৰ হয়। জতুগৃহত পাণ্ডৱক থৈ অগ্নি সংযোগ কৰা, সভাত দ্ৰৌপদীৰ বস্ত্ৰহৰণ কৰা, কপট পাশাখেলা, পাণ্ডৱক বনবাস দিয়া আদিবোৰ কৌৰৱৰ মহা পাপ কাৰ্য্য আৰু ধৃতৰাষ্ট্ৰই কাৰ্য্যক বাধা দিব পৰা নাছিল।



**বিদুৰ ধৃতৰাষ্ট্ৰৰ কথোপকথন —**

কৌৰৱৰ অন্যায় কামবোৰ দেখি কৃষ্ণক পাণ্ডৱে পঠোৱাত মাধৱে যি অমূল্য উপদেশ দিছিল তাক দুৰ্য্যোধনে মুঠেই গুৰুত্ব নিদিলে আৰু তাতে বিদুৰে মৰ্ম্মান্তিক দুখ অনুভৱ কৰিলে। এদিন ধৃতৰাষ্ট্ৰই বিদুৰৰ হিতোপদেশ বিচৰাত বিদুৰে পাণ্ডৱৰ সৎ সংকল্পৰ কথা কয় আৰু ৰাজ্যভাৰ অৰ্পণ কৰিবলৈ কয়। কিয়নো ভগৱান কৃষ্ণও পাণ্ডৱৰ পক্ষত আছে। অৱশ্যে দুৰ্য্যোধনে এই কথা মানি নললেে নাই; কিয়নো তেওঁ কলিৰ মূৰ্ত্তি, অধম আৰু কৃষ্ণ দ্ৰোহী। গতিকে দুৰ্য্যোধনক ত্যাগ কৰা উচিত বুলি বিদুৰে মত দাঙি ধৰে।

**বিদুৰৰ প্ৰতি দুৰ্য্যোধনৰ দুৰ্বচন —**

দুৰ্যোধনে ওপৰত উল্লেখ কৰা কথা শুনি বিদুৰক কপটীয়া, দাসীৰ পুত্ৰ, আদি বিভিন্ন আখ্যা দি ভৎসনা কৰে আৰু ধন কাঢ়ি নগৰৰ পৰা বাজ কৰি দিবলৈ দুঃশাসন আৰু শকুনিক আদেশ দিয়ে।

**বিদুৰৰ হস্তিনাপুৰ ত্যাগ —**

দুৰ্য্যোধনৰ বাক্যবানত মৰ্মান্তিক বেজাৰ পালে যদিও ইয়ো মাধৱৰ মায়া আৰু অজ্ঞানীৰ আচৰণ বুলি দিব্যধনু দুৱাৰত থৈ হস্তিনাপুৰীৰ পৰা অন্তৰ্হিত হ'ল। বিদুৰৰ প্ৰস্থানৰ লগে লগে হস্তিনাৰ পুণ্যৰাশি শূন্য হৈ পৰিল। শৰীৰত বাকলি বসন পৰিধান কৰি, ভূমিত শয়ন কৰি অৰণ্যত কৃষ্ণক চিন্তি জীৱন অতিবাহিত কৰে। এইকাল ছোৱাতে কৌৰৱ-পাণ্ডৱৰ যুদ্ধত পৃথিৱীৰ নৃপতিসকল হত হ'ল, যুধিষ্ঠিৰ একছত্ৰী সম্ৰাট হ'ল।

**উদ্ধৱৰ সৈতে বিদুৰৰ সাক্ষাৎ —**

বিদুৰে নানা পুণ্যস্থান পৰ্য্যটন কৰি কৰি যমুনাৰতীৰত অৱতীৰ্ণ হ'লগৈ আৰু তাতে মহাভাগ উদ্ধৱক লগ পায়। দুয়ো গলাগলি কৰি গোবিন্দৰ কথাকৈ চকুলোৰে নৈ বুৱালে। উদ্ধৱে প্ৰাণপ্ৰভুৰ বৈকুণ্ঠপ্ৰয়াণৰ কথা আৰু তেওঁ কোৱা ভক্তিতত্ত্বৰ কথা বিদুৰক ক'লে। ৰজনীৰ অৱসান ঘটাত পুৱা উদ্ধৱক বদৰিকাশ্ৰমত এৰি বিদুৰে মৈত্ৰেয়ৰ আশ্ৰম পালেগৈ।

ভক্ত দ্ৰোহী হ'লে নিজ বংশক ত্যাগ কৰা উচিত; বিদুৰ তাৰ প্ৰত্যক্ষ প্ৰতীক। দুৰ্জ্জনৰ সঙ্গ ত্যাগ সাধুৰ লক্ষণ; সাধু-সঙ্গত শ্ৰৱণ-কীৰ্তন কৰাহে ভক্তৰ লক্ষণ। মহান ত্যাগী বিদুৰে মানৱ সমাজলৈ মহান আদৰ্শ এৰি থৈ গৈছে।

**বিদুৰৰ মৈত্ৰেয় দৰ্শন লাভ ও কৃষ্ণ-জিজ্ঞাসা —**

কিছুদিনৰ পাচতে বিদুৰে হৰিদ্বাৰ পালেগৈ। মহাসন্ত মৈত্ৰেয়ক বিদুৰে দৰ্শন লাভ কৰি চৰণ চুই সেৱা জনালে। মৈত্ৰেয়েও বিদুৰক পাই পৰমানন্দ লাভ কৰিলে। বিদুৰে পৰম ঈশ্বৰ কৃষ্ণৰ বিষয়ে সবিশেষ ব্যক্ত কৰিবলৈ মৈত্ৰেয়ক প্ৰাৰ্থনা জনালে। সুখ আশা কৰি সংসাৰত লোকে নানা কুকৰ্ম্ম কৰে; কিন্তু সুখ লাভ নহয় আৰু দুঃখো নুগুচে; তেনে ক্ষেত্ৰত কি কৰ্ম্ম কৰিলেনো পৰম সুখ লাভ হয়? ভগৱন্তই কি ধৰণে জগত সৃষ্টি কৰিলে আৰু কেনেদৰে পালন ও সংহাৰ কৰে? কি তত্ত্ব সমূহক লৈ ভগৱানে ব্ৰহ্মাণ্ড সৃষ্টি কৰিলে আৰু জীৱকুলে নাম-ৰূপ-কৰ্ম্ম কিমতে সাধন কৰিব— আদি প্ৰশ্নসমূহৰ উত্তৰ বিদুৰে মৈত্ৰেয়ৰ ওচৰত বিচাৰিলে।

মৈত্ৰেয়ই বিদুৰৰ হৰি কথাৰ প্ৰতি আসক্তি দেখি বৰ আনন্দ পালে আৰু বীভৎস বিষয়ত মজি থকাতকৈ কৃষ্ণ পদত ৰতি জন্মাবলৈ কৃষ্ণৰ গুণ বৰ্ণাবলৈ ধৰিলে। প্ৰজাৰ নিয়মকাৰী যম মাণ্ডব্য ঋষিৰ অভিশাপত মানৱী তনুধাৰী মহাভক্ত বিদুৰক প্ৰশংসা কৰি মৈত্ৰেয়ে যদুপতিৰ আদেশত বিদুৰক ভগৱন্তৰ সৃষ্টি লীলা বৰ্ণনা কৰিলে—

**ভগৱন্তৰ সৃষ্টি লীলা (পদ্মকল্পৰ বৰ্ণনা)**

ঈশ্বৰে সমস্ত জগত সংহাৰ কৰি একেশ্বৰে থাকি সৃষ্টি কৰিবলৈ মনস্থ কৰিলে আৰু নিজে দুভাগত বিভক্ত হ'ল— পুৰুষ আৰু প্ৰকৃতি । প্ৰকৃতি বা মহামায়াত পুৰুষে গৰ্ভাধান কৰিলে। প্ৰকৃতিৰ গৰ্ভত মহত্ত্ব, মহতত্ত্বৰ পৰা তামসিক, ৰাজস আৰু সাত্ত্বিকৰ সৃষ্টি হয়। সাত্ত্বিকত -দেৱগণ আৰু অহঙ্কাৰৰ সহযোগত ইন্দ্ৰিয় দেৱগণৰ উৎপত্তি হয়। তামস অহঙ্কাৰত-ভূত-শব্দ-তন্মাত্ৰৰ পৰা আকাশ, আকাশৰ পৰা স্পৰ্শ, স্পৰ্শৰ পৰা বায়ু, বায়ুৰ পৰা ৰূপ আৰু ৰূপৰ পৰা তেজ বা অগ্নি, অগ্নিৰ পৰা ৰস, ৰসৰ পৰা জল, জলৰ পৰা গন্ধ আৰু গন্ধৰ পৰা স্থূল পৃথিৱীৰ সৃষ্টি হয়। তত্ত্বগণে ভগৱন্তক প্ৰণাম জনালে।

সংসাৰত তিনিতাপত পৰি জীৱগণে তৰণি নাপাই কৃষ্ণত শৰণ ল'লে। ভাগৱতৰ পৰা সৃষ্টি হোৱা গঙ্গাদেৱী অৰ্থাৎ ভক্তি গঙ্গাক হৃদয়ত ধৰি বৈকুণ্ঠ গতি লাভ কৰে। ভকতক দয়া কৰি সংসাৰ সাগৰৰ পৰা উদ্ধাৰ কৰিবৰ কাৰণে





তেওঁ নানা অৱতাৰ গ্ৰহণ কৰে। হৃদয়ত ভগৱান থকাত আৰু দেহতে তত্ত্বগণে বসতি কৰা সত্ত্বেও বহিৰ্মুখী ইন্দ্ৰিয়গণে মনক হৰণ কৰাৰ বাবে ভগৱান উপলব্ধি কৰিব নোৱাৰে। কিন্তু সাধুগণে অন্তৰ্মুখী চিন্তাৰে দেহ-জ্ঞানক বিষ্ঠাৰ দৰে ভাবে। সাধু-সঙ্গত শ্ৰৱণ-কীৰ্তন কৰিলে জীৱগণে—প্ৰকৃত আত্ম-তত্ত্ব জ্ঞান উপলব্ধি কৰিব পাৰে। এইদৰে তত্ত্বগণে মাধৱক স্তুতি কৰিলে আৰু তেওঁলোকে প্ৰাৰ্থনা কৰি তিনিগুণৰ পৰা উদ্ধাৰ কৰিবলৈ খাটিলে। ভগৱানে তত্ত্বগণৰ স্তুতিত দেহৰ মাজত চৈতন্যস্বৰূপে প্ৰৱেশ কৰিলে।

তেতিয়া অন্তৰ্যামী ঈশ্বৰে অধিষ্ঠান কৰি সুবৰ্ণময় অণ্ড নিৰ্মাণ কৰি তাৰ ভিতৰত সহস্ৰ বৎসৰ বাস কৰিলে আৰু তাৰ পাচত ঈশ্বৰ পুৰুষে লীলা কৰি নাৰায়ণৰূপে অণ্ডত প্ৰৱেশ কৰিলে। তেওঁ ব্ৰহ্মাণ্ডক নানা ভাগত বিভক্ত কৰিলে। প্ৰথমে তেওঁৰ মুখ ব্যক্ত হ'ল আৰু তাত বচন সহিতে অগ্নি প্ৰকাশ পালে। মুখত তালু, জিভাৰ সৃষ্টি হল আৰু জিভাত ৰসৰ আস্বাদৰ সৃষ্টি হ'ল। চকু, নাক, কাণ, চৰ্ম্ম,গুহ্য লিঙ্গাদি সৃষ্টি হোৱাত দেৱগণ ইন্দ্ৰিয়ত অধিষ্ঠিত হয়। মন, বুদ্ধি, চিত্ত আৰু অহঙ্কাৰ —এই চাৰিটি অন্তৰ্ৰেন্দ্ৰিয়ত চাৰিজন দেৱ প্ৰতিষ্ঠিত হয়। ঈশ্বৰত সেই সকলোবোৰ বিষয়-কল্পনা ৰূপে থাকিল আৰু জীৱাত্মা তাৰ প্ৰতীক ৰূপে ৰ'ল। ভগৱানৰ বিৰাট ৰূপৰ মস্তকত (মূৰত) স্বৰ্গ, নাভিত আকাশ, চৰণত পৃথিৱী— এই তিনিলোকৰ উৎপত্তি হয়। সত্ব গুণত দেৱসৰে স্বৰ্গলোক, ৰজগুণে মনুষ্যই মৰ্ত্যলোক, তমোগুণে ভূত-প্ৰেত গণে আকাশত স্থান পালে। বৃত্তিৰ ওপৰত ভিত্তি কৰি — ভগবানৰ মুখৰ পৰা ব্ৰাহ্মণৰ জন্ম হ'ল— আৰু তেওঁলোকৰ সত্য-শৌচ আদি গুণ থাকিল; বাহুত ক্ষত্ৰিয় জন্মি তিনিবৰ্ণক ৰক্ষা কৰি থাকিল। উৰুত বৈশ্যই জন্মি সবাকে পোষি আৰু চৰণত শূদ্ৰই জন্মলাভ কৰি তিনিজাতিক সেৱা আগবঢ়ালে।

ভগৱানে প্ৰকৃতিৰ যোগে মহত্ত্বৰ স্ৰজন কৰিলে— আৰু এৱেঁ প্ৰথম পুৰুষ, ব্ৰহ্মাণ্ডৰ মাজত ব্যাপি থকা নাৰায়ণ দ্বিতীয় পুৰুষ আৰু সমস্তভূতৰ হৃদয়ত থকা জন তৃতীয় পুৰুষ।

বিদুৰে মৈত্ৰেয়ক পুনৰ সুধিলে— যে নিৰ্ব্বিকাৰ হৰিয়ে কেনেকৈ কৰ্ম্মৰ আশ্ৰয় লৈছে, নিৰ্গুণ হৈয়ো গুণৰ লগত কিয় সম্বন্ধ ৰক্ষা কৰিছে,। মৈত্ৰেয়ে ইয়াৰ উত্তৰত কৈছে যে বিষ্ণুৰ মায়া অপাৰ। মায়াৰ দ্বাৰাহে কৰ্ম্ম কৰিছে আৰু মায়াৰে গুণৰ অধিকাৰী হৈ দেখুৱাইছে। গতিকে মায়া দূৰ হ'লেহে ভগবানৰ সান্নিধ্য লাভ হয়। ভক্তিৰে সাধুৰ সঙ্গত কৃষ্ণ সেৱা কৰিলেহে মায়া তৰণ হ'ব

পাৰে। বিদুৰে মৈত্ৰেয়ৰ পৰা মহাজ্ঞান লাভ কৰি কৃত্যকৃত্য হ'ল।

ইয়াৰ পাচতে বিদুৰে কল্পান্তৰ, পৃথিৱীৰ উৰ্দ্ধে-অধে থকা লোক, বৰ্ণাশ্ৰম বিভাগ, ঋষিসকলৰ জন্ম-কৰ্ম্ম, মনু-মন্বন্তৰৰ পালক, স্বেদজ, অণ্ডজ, উদ্ভিদজ, জয়ায়ুজ প্ৰাণীৰ বিভাগ, গ্ৰহ-নক্ষত্ৰৰ স্থিতি, শ্ৰাদ্ধৰ বিধান, চাৰি আশ্ৰমীৰ ধৰ্ম্ম-কৰ্ম্ম, জগত সংহাৰ কৰি হৰিয়ে কি কৰে আৰু ঈশ্বৰক কি উপায়েৰে তুষ্ট কৰিব পাৰি,— সেইবোৰৰ সম্পৰ্কে জানিব বিচাৰিলে। মৈত্ৰেয়ে বিদুৰৰ প্ৰশ্নৰ উত্তৰত ভগৱন্তৰ লীলা বৰ্ণনা কৰিববৈলে ধৰিলে।

পাতাল পুৰত হৰিয়ে অনন্ত ৰূপত আছিল, তেওঁক নাগনাৰীগণে নানা বিধ দ্ৰব্যেৰে স্তুতি কৰিছিল। তেওঁৰ চাৰিওকাষে চাৰিসিদ্ধই আবৰি আছিল। তেওঁৰ পৰা ভাগৱত শ্ৰৱণ কৰিববৈলে নাৰায়ণে গৈ প্ৰণাম কৰিলে। নাৰায়ণে অনন্তৰ পৰা ভাগৱত লাভ কৰি সাংখ্যায়ন ঋষিক ক'লে, সাংখ্যায়নে পৰাশৰক ক'লে আৰু গুৰু পৰাশৰ পৰা মৈত্ৰেয়ে শুনিলে আৰু তেওঁ বিদুৰৰ আগত ব্যক্ত কৰিববৈলে ধৰিলে। মৈত্ৰেয়ে প্ৰথমতে পদ্ম-কল্পৰ বৰ্ণনা দাঙি ধৰিলে।

**মৈত্ৰেয়ৰ পদ্ম-কল্পৰ বৰ্ণনা**

জগত সংহাৰ কৰি, সমস্ত জীৱক উদৰত স্থানদি যোগ নিদ্ৰাছলেৰে প্ৰভু নৰোয়ন অনন্ত শয্যাত শয়ন কৰি আছিল। সেই সময়তে জলে তিনিলোক নিমগ্ন কৰিলে। মহাজলধিত শয়নৰত ভগৱন্তৰ সৃষ্টিৰ বাবে ইচ্ছা হ'ল। লগে লগে তেওঁৰ নাভি কমলৰ পৰা পদ্ম ব্যক্ত হ'ল। অতি চমৎকাৰ সূৰ্য্যকান্তিৰে পদ্মজলত জিলিকি উঠিল। পদ্মত বিৰিঞ্চিয়ে জন্মলাভ কৰি পদ্ম কৰ্ণিকাত উপবিষ্ট হৈ সচকিত ভাবে চৌদিশে দৃষ্টি নিক্ষেপ কৰিলে। প্ৰলয়-বিকম্পিত জলে পদ্মক কঁপাই তুলিলে, তেওঁ কেৱল পদ্ম আৰু নিজৰ বাহিৰে আন কাকো নেদেখি ভাবিলে যে ইয়াৰ তলত নিশ্চয়ে সুন্দৰ আধাৰ থাকিব পাৰে। তেওঁ পদ্মনলাৰে নামি গৈ এশ বছৰ বিচাৰি একো নাপাই পদ্মৰ ওপৰত বহিলে আৰু তপ শব্দ শুনিববৈলে পালে। চাৰিওফালে একেসময়তে চোৱাৰ বাবে তেওঁৰ চাৰিবদনৰ সৃষ্টি হ'ল আৰু হাজাৰ বৎসৰ তপ আচৰিলে; বিধিয়ে হৃদয় কমলতে ভগৱন্তক দেখা পালে।

পদ্মৰ মৃণাল সম অনন্ত আসনত ঘনশ্যাম সন্ধ্যাৰ মেঘৰ ছাঁয়াৰ দৰে, পীতবাসেৰে সুশোভিত হৈ থকা দেখিলে। তেওঁৰ মূৰত মনোময় কিৰীটি, অলকা-তিলক প্ৰজ্জ্বলিত সুন্দৰ কপোল, ৰাতুল অধৰ, মন্দহাস্য মুখ, তিলফুল নাক, মুকুতাৰ শাৰীৰ দৰে দন্ত পান্তি, কৰ্ণত মকৰ কুণ্ডল, কণ্ঠত কৌস্তভমণি,

36



ডিঙিত পুষ্পমালা, বক্ষত শ্ৰীবৎসৰ শাৰী, ৰত্নে সুশোভিত ললিত-বলিত বাহুদ্বয় কটিদেশত মেখলা, কদম্ব পুষ্প সদৃশ কেশগুচ্ছই শোভা কৰি আছে। ৰামকলৰ দৰে উৰুদ্বয়, সুবলিত জঙ্ঘা, চন্দ্ৰমা-যুক্ত নখচয়, ৰাতুল চৰণে প্ৰভুৰ দেহ ৰঞ্জিত-মঞ্জিত। সৃষ্টিকৰে ভগৱন্তৰ এনে মনোময় ৰূপ দেখি আনন্দ সাগৰত তল গ'ল।

ব্ৰহ্মাই ভগৱন্তক স্তুতি কৰিববৈলে ধৰিলে আৰু ভগৱন্তৰ অদ্বৈত মহামনোহৰ ৰূপত একান্তভাৱে শৰণ ল'লে। ব্ৰহ্মাৰ স্তুতিত ভগৱন্তৰ মহিমা অতি নিতুল ৰূপত প্ৰকাশ পাইছে। সাধু সঙ্গত কৃষ্ণৰ কথামৃত কৰ্ণ ভৰি শুনিলে সপ্ৰেম ভকতিৰ উদয় হয়। দৃঢ়ভাৱে তেওঁৰ ৰাতুল চৰণ সাবটি ধৰিলে হৃদয়ৰ পৰা তেওঁ আতৰি যাবই নোৱাৰে আৰু তেতিয়া দেহ-গেহ -ভাৰ্য্যা-পুত্ৰ, শোক, মোহ, ভয় আদি দূৰ হয়।

"সাধু সঙ্গে তযুপদ কৰিয়া আশ্ৰয় ।
কৰ্ণ ভৰি কথামৃত যি নৰে শুনয়।
উপজয় সপ্ৰেম ভকতি বিতোপন।
দৃঢ় কৰি ধৰে এহি ৰাতুল চৰণ।। ৫১৮।।

তেবে তাসম্বাৰ হৃদি কৰি পৰিহাৰ।
যাইবাক নপাৰা প্ৰভু কহিলোহো সাৰ।।
তাবতেসে দেহ গেহ ভাৰ্য্যা পুত্ৰ যত।
এসম্বাত শোক মোহ থাকে নানামত। ৫১৯।।

যাব সৰ্ব্বভয় হৰ তোমাৰ চৰণে।
শৰণ নলয় নৰে কায় বাক্য মনে।।
যেবে পাদ পঙ্কজত কৰিলে আশ্ৰয়।
তেবে ভাৰ্য্যাপুত্ৰ আদি দেখে বিষ্ঠা প্ৰায়।।" ৫২০।।

সকাম কৰ্ম্ম কৰা সকলে বঞ্চিত হয়। অল্প সুখ লাভৰ দৰে সৰ্ব্বদায়ে কাম্য-কৰ্ম্ম আচৰণ কৰিলে ক্ষুধা, তৃষ্ণা, বাত, পিত্ত, শীত, উষ্ণভয়ে পীড়ন কৰে। দুঃসহ কামাগ্নিয়ে হৃদয় দহি ছাৰখাৰ কৰে।

" অল্প সুখ অৰ্থে আতি লোভবিষ্ট হই।
সৰ্ব্ব কালে সুখ কাম্য কৰ্ম্ম আচৰয়।। ৫২২।।
ক্ষুধা তৃষ্ণা বাত পিত্ত শীত উষ্ণ ভয়।

দুষ্পহ কামাগ্নি আৰো হৃদয় দহয়।।" ৫২৩।।

অজ্ঞানীসকলে অল্পসুখৰ বাবে মন্দ কৰ্ম্ম কৰিলেও বিবেকী সকলে তাৰ পৰা মুক্ত হৈ থাকিব লাগে; কিন্তু তেওঁলোকে যদি দিনৰ ভাগত নানা কৰ্ম্মত কাল কটাই ৰাতি ভাগত টোপনিত সময় নিয়ায়, তেন্তে ভকতি কৰিব কেতিয়া? নানা শাস্ত্ৰাদি অধ্যয়ন কৰিলেও সাধুসঙ্গত হৰিৰ শ্ৰৱণ-কীৰ্তন নকৰিলে ভক্তি সিদ্ধ নহয়। নিষ্কামীয়ে ঈশ্বৰত অৰ্পণ কৰি তেওঁৰ চৰণত আশ্ৰয় কৰিহে প্ৰকৃত ফললাভ কৰে। মৃত্যু কালত ঈশ্বৰৰ গুণলীলা শ্ৰৱণ কীৰ্তন বা স্মৰণ কৰা জনে মুক্তিলাভ কৰে। নিষেধ কৰ্ম্মাচৰণ কৰিলে অধোগতি হয়। এইদৰে নানাভাৱে ব্ৰহ্মাই স্তুতিমিনাত কৰি সৃষ্টি কৰ্ম্মত কৃপা কৰিবলৈ ভগবানক সন্তোষ্ট কৰে। ভগৱন্তই প্ৰজাপতিক ক'লে যে তেওঁ পুনৰ তপস্যা কৰি হৃদয়তে সকলো দেখিবলৈ পাব। ৰজোগুণত জীৱ-সৃষ্টি কৰিলেও ভগৱানৰ কৃপাত ব্ৰহ্মাক দোষে নুচুব। ইয়াকে ব্যক্ত কৰি ভগবান অন্তৰ্দ্ধান হয়।

সৃষ্টি কৰ্ম্ম কৰিবলৈ ব্ৰহ্মাই যি দৰে 'মহাস্তোত্ৰ' কৰি ভগবানৰ আদেশ লাভ কৰিবলৈ যত্ন কৰিলে, সংসাৰী জীৱয়ো সৃষ্টিকৰ্ম্ম কৰিবলৈ আগবঢ়াৰ আগতে ভগৱানত একশৰণ হৈ ভক্তি লাভ কৰিব লাগে। তেতিয়াহে তেওঁক কৰ্ম্ম দোষে স্পৰ্শ নকৰিব আৰু সৃষ্টিত হ'ব মহান।

"ভকতিক ধৰি যত কৰা কৰ্ম্মচয়।
সমস্তে সম্পূৰ্ণ হৈবে নাহিকে সংশয়।।" -৫৬১।।

**ব্ৰহ্মাৰ ত্ৰিলোক সৃষ্টি —**

প্ৰভুৰ আদেশমতে ব্ৰহ্মাই দিব্যশত বছৰ তপস্যা কৰি তপস্যাৰ বলেৰে জল সহ বায়ু পান কৰাত পদ্ম প্ৰকাশিত হ'ল। পদ্মকোষত বহি ব্ৰহ্মাই তিনিলোক বিভাগ কৰিলে আৰু প্ৰতিদিনৰ অন্তত তিনিলোক বিনাশ হয়। ব্ৰহ্মাৰ সম্পূৰ্ণ আয়ু হ'লে কালে তিনিলোক বিনাশ কৰে। বিদুৰে কালৰ মহিমাৰ তত্ত্বৰ বিষয়ে জানিব বিচাৰিলে।

৩। **কালৰ মহিমা বৰ্ণনা —**

**কালৰ মহিমা আৰু কালৰ তত্ব নিৰ্ণয়।।**

কালক কালমায়াও বোলা হয়। ভগৱন্তই প্ৰকৃতিৰ আশ্ৰয়ত সৃষ্টি কৰা মহত্বতাদি তত্ত্বকে কাল বুলি কোৱা হয়। কালে তিনি বিধ প্ৰলয় সূচীত কৰে আৰু সেইবোৰ হৈছে— নিত্য প্ৰলয়, নৈমিত্তিক প্ৰলয় আৰু প্ৰাকৃত প্ৰলয়। কালৰ গুণ অনুসৰি দহ বিধ সৃষ্টি সম্পন্ন হয়।





১। আদ্য সৰ্গ মহতত্ত্ব।
২। অহঙ্কাৰ সৰ্গ।
৩। পঞ্চ তন্মাত্ৰ সৰ্গ।
৪। জ্ঞানেন্দ্ৰিয় - কৰ্ম্মেন্দ্ৰিয় সৰ্গ।
৫। অধিষ্ঠাতা দেবগণ—।
৬। পঞ্চপৰ্বাক অবিদ্যা।
৭। ছয় বিধ বৃক্ষ।
৮। আঠাইশ প্ৰকাৰৰ পশু।
৯। মনুষ্যগণ।
১০। সনত কুমাৰাদি দেৱগণ।

কালৰ ব্যৱস্থাত ঈশ্বৰৰ লীলা কথা অন্তৰ্ভুক্ত হৈ আছে। মহাশাস্ত্ৰ ভাগৱতৰ অন্তৰ্গত ঈশ্বৰৰ লীলা কথাক কবিয়ে ব্যাখ্যা কৰি কৈছে যে সাধুৰ সঙ্গত একমাত্ৰ শাস্ত্ৰ ভাগৱত শ্ৰৱণ, এক ভজনীয় দেৱ দৈৱকীৰ পুত্ৰক সেৱা, তেওঁৰ নাম লোৱা— মনুষ্যৰ বাবে একান্ত প্ৰয়োজনীয়।

একান্ত সাধুৰ সঙ্গ কৰিয়ো যতন।
ইটো ভাগৱত শাস্ত্ৰ কৰিয়ো শ্ৰৱণ।।
একখানি শাস্ত্ৰ মাত্ৰ বুজা নৰগণ।
দৈৱকীৰ পুত্ৰ যাক কৰিছা বৰ্ণন।। -৫৮৩।।
ভজনীয় দেব একে দৈৱকীৰ সুত।
তান পাৱে সেবা মাত্ৰ কৰ্ম্ম অদ্‌ভূত।।
মন্ত্ৰো একে ঈশ্বৰ কৃষ্ণৰ নামচয়।
এহিমানে শাস্ত্ৰ অৰ্থ কৰিয়ো আশ্ৰয়।।" -৫৮৪।।

সূৰ্য্যৰ গতিৰ ওপৰত নিৰ্ভৰ কৰি কালৰ সূক্ষ্ম আৰু স্থূল কাল নিৰ্ণয় কৰা হয়। যাক ভাগ কৰিব নোৱাৰি তাক পৰমাণু বোলা হয়। দুই পৰমাণুৱে এক অনু কাল হয়, তিনি অনুৱে এক ত্ৰসৰেণু আৰু তিনি ত্ৰসৰেণুমিলি এক ত্ৰুতি কাল হয়। শতেক ত্ৰুতিয়ে বেধ, তিনিবেধে- একলব, তিনি লবয়ে এক নিমেষ, তিনি নিমেষে ক্ষণ, পাঁচ ক্ষণে— কাষ্ঠা, পঞ্চদশ কাষ্ঠায়ে লঘুতা, পোন্ধৰ লঘুৱে নাড়িকা বা দণ্ড হয়। ছয় সপ্ত দণ্ডে প্ৰহৰ, চাৰি প্ৰহৰে দিন-ৰাতি, পোন্ধৰ দিনত পক্ষ, দুই পক্ষই- এমাহ, ছয় মাহে অয়ন, দুই অয়নে বছৰ, বাৰ মাহে সম্বৎসৰ হয়। কালৰ এইবোৰ ভাগ পিতৃলোক আৰু মনুষ্যৰ ক্ষেত্ৰত হয়।

ব্ৰহ্মাদি দেৱৰ আয়ুৰ পৰিমাণ বেলেগ। সত্যযুগত দিব্য চাৰি হাজাৰ আঠশ বছৰ, ত্ৰেতাত তিনি হাজাৰ ছয়শ, দ্বাপৰত দুহেজাৰ চাৰিশ, কলিযুগত এক হাজাৰ দুইশ বছৰ। চাৰিযুগত মুঠ বাৰ হেজাৰ বছৰ হয়। আমাৰ তিনিশ ষাঠী বছৰে দেবৰ এক বছৰ হয়।

দিব্যবছৰৰ লেখত—

| | | | |
|---|---|---|---|
| (১) | সত্যযুগত | - | ৪,৮০০ বছৰ। |
| (২) | ত্ৰেতা যুগত | - | ৩,৬০০ বছৰ। |
| (৩) | দ্বাপৰ যুগত | - | ২,৪০০ বছৰ। |
| (৪) | কলি যুগত | - | ১,২০০ বছৰ। |
| | চাৰিযুগত মুঠ | - | ১২, ০০০ বছৰ । |

ব্ৰহ্মাৰ দিনত তিনিলোক প্ৰবৰ্ত্তন হয় আৰু তাত চৈধ্য ইন্দ্ৰ, চৈধ্য মনু হয়। এজন মনুৰ ৰাজত্ব কাল একসত্তৰ যুগ। ব্ৰহ্মাৰ ৰাতি হোৱাৰ লগে লগে ত্ৰিলোক সংহাৰ হয় আৰু ব্ৰহ্মাই নাৰায়ণৰ লগত অনন্ত শয্যাত নিদ্ৰা যায়। পুনৰ পৰৱৰ্ত্তী দিনা স্ৰজন কৰে; এইদৰে এশ বছৰ পৰমায়ু ব্ৰহ্মাৰ। ব্ৰহ্মাৰ প্ৰথম দিন পদ্মকল্প, পাচৰ দিনক বৰাহ কল্প হয়। পদ্ম কল্পত পদ্ম আৰু ব্ৰহ্মাৰ উৎপত্তি আৰু বৰাহ কল্পত ভগৱন্তৰ অৱতাৰ হয়। কল্প তিনিটা -ব্ৰহ্মকল্প, পদ্মকল্প আৰু বৰাহ কল্প বেদময় ব্ৰহ্মাই যি দিনাই জন্ম লাভ কৰিলে— সেই কল্পক ব্ৰহ্মকল্প বোলা হয়। ব্ৰহ্মকল্পৰ পাচতে ব্ৰহ্মাৰ পূৰ্ব্ব অৰ্দ্ধবয়স হোৱাত পদ্মকল্প হয় আৰু তাৰ পাচত অৰ্দ্ধবয়স যোৱাত বৰাহ কল্প আৰম্ভ হয়। ঈশ্বৰ কৃষ্ণ অনন্ত, অনাদি, পৰিপূৰ্ণ মহাহৰি। কালে মহাহৰিৰ আজ্ঞা নতশিৰে পালন কৰে। ঈশ্বৰ অখণ্ড মহিমাযুক্ত, সত্য নিৰুপম। তেওঁৰ লোমৰন্ধত পৰমাণু আকাৰত অসংখ্য ব্ৰহ্মাণ্ড ওলমি আছে। সমস্ত জীৱৰ কাৰণ তেঁৱেই, তেওঁ সদানন্দ- সনাতন- দেৱ নাৰায়ণ। কালৰ মহত্বই তেওঁক স্পৰ্শই কৰিব নোৱাৰে। বিধাতাৰ এশ বছৰ প্ৰভুৰ মাত্ৰ এক নিমেষ মাত্ৰ আৰু কালৰূপী ঈশ্বৰৰ মহত্বৰ অন্ত নাই। এনে ঈশ্বৰক স্মৰণ কৰি ব্ৰহ্মাই সৃষ্টি কৰিবলৈ আগবাঢ়িল। তেওঁ প্ৰথমে পঞ্চ পৰ্ব্বা অবিদ্যাক সৃষ্টি কৰিলে; এই পঞ্চ পৰ্ব্বা অবিদ্যা হৈছে—

১। তম।

২। মোহ।

৩। মহামোহ।

৪। তামিশ্ৰ।





৫। অন্ধতামিশ্ৰ।

স্বৰূপক পাহৰি যোৱাক তম, দেহাদিত অহঙ্কাৰ জন্মোৱাক মোহ, ভোগাদিত ইচ্ছা জন্মোৱাক মহামোহ, ভোগৰ প্ৰতিস্নেহ জন্মোৱাক তামিশ্ৰ ক্ৰোধ আৰু বিষয়-বাসনাত মৃত প্ৰায় হোৱাক অন্ধতামিশ্ৰ বোলা হয়। পঞ্চ অবিদ্যাক সৃষ্টি কৰি ব্ৰহ্মাই মনত অশান্তি পালে; কিয়নো এইবোৰ পাপ সৃষ্টিহে।

ব্ৰহ্মাই পুনৰ ঈশ্বৰক ধ্যান কৰি সনক, সনন্দ, সনতকুমাৰ আৰু সনাতন -এই চাৰিজন দিব্য মুনিক সৃষ্টি কৰিলে আৰু তেওঁলোকক প্ৰজা সৃষ্টি কৰিবলৈ আদেশ দিলে। তেওঁলোকে সৃষ্টি কৰিবলৈ অসন্মতি প্ৰকাশ কৰাত ব্ৰহ্মাৰ অত্যন্ত খং উঠিল। খঙত তেওঁৰ ভ্ৰৱৰ পৰা ৰুদ্ৰৰ জন্ম হ'ল। তেওঁৰ শৰীৰ নীল-ৰক্তবৰ্ণ আৰু তেঁৱেই হৰ নামে আদ্যদেব। তেওঁ জন্মিয়েই কান্দিবলৈ ধৰিলে আৰু পিতৃক নাম দিবলৈ আৰু থাকিবলৈ স্থান পাবলৈ প্ৰাৰ্থনা কৰিলে। ব্ৰহ্মাই তেওঁক ক'লে—"তুমি কন্দাৰ বাবে তোমাৰ নাম ৰুদ্ৰ হ'ব; তদুপৰি তোমাৰ নাম একাদশ হ'ব। একাদশ নাম হৈছে—ঋতুধ্বজ, উগ্ৰৰেতা, ভৱ, মনু, কাল, মনুষ্য, বামদেৱ, ধৃতব্ৰত, সৰ্ব্বকাল, শিৱ, মহীনস।

ব্ৰহ্মাই এঘাৰজনক এঘাৰ গৰাকী পত্নী দিলে আৰু — বায়ু, জল, মহী অগ্নি, হৃদি, ইন্দ্ৰ, প্ৰাণ, সূৰ্য্য, চন্দ্ৰ, তপ, আকাশ— এই এঘাৰ স্থানত স্থাপিলে আৰু প্ৰজা সৃষ্টি কৰিবলৈ আজ্ঞা দিলে। তদনুসৰি শিৱই ভূত-প্ৰেত পিশাচ আদিক সৃষ্টি কৰিলে আৰু সিহঁতে চতুৰ্ভিতি বেঢ়ি জগতক গিলিবলৈ ধৰিলে। শিৱই ভকতি বিহীন হৈ সৃষ্টিকৰা জীৱই জগতৰ অনিষ্টকৰাৰ বাবে কৃষ্ণক ভক্তিভাবে সন্তোষ্ট কৰি সৃষ্টি কৰিবলৈ ব্ৰহ্মাই শিৱক আহ্বান জনালে। সেইবাবে সৃষ্টিকৰাৰ আগমুহূৰ্তক সৃষ্টিকাৰীয়ে ভগৱন্ত কৃষ্ণক ভক্তি কৰিব লাগে।

"ভকতিসে পুৰুষক (জীৱক) শান্ত কৰাবয়।
কহিলো তোমাত ইটো শাস্ত্ৰৰ নিৰ্ণয়।।—৬৪২।।

শিৱই ব্ৰহ্মাক প্ৰদক্ষিণ কৰি সৃষ্টিকাৰ্য্যৰ বাবে কৃষ্ণক তপ কৰিবলৈ গ'ল। ব্ৰহ্মাই পুনৰ প্ৰজা সৃষ্টি কৰিবলৈ চিন্তা কৰাৰ লগে লগে শৰীৰৰ পৰা দহজন পুত্ৰৰ জন্ম হ'ল; তেওঁলোক হ'ল— নাৰদ, অঙ্গিৰা, অত্ৰি, পুলস্তি, বশিষ্ঠ, দক্ষ, ভৃগু, মৰীচি, পুলহ আৰু ক্ৰতু। কোলাত নাৰদ, আঙুলিত—দক্ষ, নাভিত পুলহ, প্ৰাণত বশিষ্ঠ, মুখত অঙ্গিৰা, কৰ্ণত পুলস্তি, ছালত ভৃগু হাতত ক্ৰতু, লোচনত অত্ৰি মনত মৰীচিয়ে জন্ম লাভ কৰে। ব্ৰহ্মাৰ সোঁস্তনৰ পৰা ধৰ্ম্ম, পিঠিৰ পৰা অধৰ্ম্ম, ভ্ৰুৰ পৰা ক্ৰোধ, হৃদয়ত কাম, তলৰ ওঠত লোভ, মুখত বাক্যসমূহ, লিঙ্গত-সপ্তসাগৰ, ছাঁয়াত কৰ্দ্দম

-ভগৱন্ত কৃষ্ণৰ পৰা ব্ৰহ্মাৰজন্ম

ব্ৰহ্মাৰ প্ৰথম সৃষ্টি ১। পঞ্চপৰ্ব্বা- অবিদ্যা-তম, মোহ, মহামোহ, তামিশ্ৰ অন্ধ তামিশ্ৰ — (পাপসৃষ্টি)

দ্বিতীয় ঃ ২। চাৰি সিদ্ধ - সনক, সনন্দ, সনাতন, সন্তকুমাৰ। (সৃষ্টিকাৰ্যত অসন্মত)

তৃতীয় ঃ খঙত ভ্ৰুৰ পৰা - একাদশ ৰুদ্ৰ ঋতুধবজ, উগ্ৰৰেতা, ভৱ, মনু, কাল, মনুষ্য, ৰামদেৱ, ধৃতব্ৰত, সৰ্ব্বকাল, শিৱ মহীনস্।

শিৱই ভক্তিবিহীনভাৱে সৃষ্টি কৰে— ভূত, প্ৰেত, পিশাচৰ

চতুৰ্থ— দহজন পুত্ৰ— নাৰদ, অঙ্গিৰা, অত্ৰি, পুলস্তি, বশিষ্ঠ, দক্ষ, ভৃগু, মৰীচি, পুলহ, ক্ৰতু।

সোঁ স্তনৰ পৰা — ধৰ্ম্ম, পিঠিৰ পৰা -অধৰ্ম্ম, ভ্ৰুৰ পৰা ক্ৰোধ, হৃদয়ৰ পৰা কাম, তল ওঠৰ পৰা লোভ, মুখৰ পৰা বাক্যচয়, লিঙ্গৰ পৰা সপ্ত সাগৰ আৰু ছাঁয়াৰ পৰা কৰ্দ্দম।

ওপৰত উল্লেখ কৰা সকলৰ ভিতৰত কিছুমান ব্ৰহ্মাৰ দেহৰ পৰা আৰু কিছুমান মনৰ পৰা (দেজন আৰু মনজ) জন্ম হয়। ইয়াৰ পাচত তেওঁ ভিন্নদেহত সৃষ্টি কৰে— সৰস্বতী নামৰ কন্যাক। সৰ্ব্বাঙ্গ সুন্দৰী দেৱী সৰস্বতীক দেখি ব্ৰহ্মাৰ কামভাবৰ উদ্ভৱ হয়। তাকে দেখি মৰীচি আৰু পুত্ৰ গণে ব্ৰহ্মাক নানা ভাৱে বুজনি দিও পাপ কৰ্ম্মৰ পৰা নিবৃত্ত কৰিব নোৱাৰি কৃষ্ণক প্ৰাৰ্থনা কৰিলে যাতে পিতৃ ধৰ্ম্ম সঙ্কটৰ পৰা ৰক্ষা পৰে। ব্ৰহ্মাই সন্মুখতে নিজ পুত্ৰগণক দেখি জ্ঞান ঘূৰি আহিল আৰু নিজ দেহ পৰিহাৰ কৰিলে।

নাৰী মায়াই পিতৃ-মাতৃ-ভাতৃ-পুত্ৰ বিচাৰ নকৰে, কৃষ্ণক প্ৰেমভাবে ভজিলে— নাৰী মায়াৰ পৰা ৰক্ষা পাব পাৰে।

“ইটো কিনো নাৰী মায়া মহাবলী আৰ।
পিতৃ মাতৃ ভাতৃ পুত্ৰ নকৰে বিচাৰ।। ৬৬৮।।
দৰশনে মাত্ৰ সবাৰো হৰে মন,
ব্ৰহ্মাত দেখিয়ো আৰ প্ৰত্যক্ষ প্ৰমাণ।।
এতেকে ইহাক যাৰা তেজিবাক চাৰে।
প্ৰাণ বন্ধু কৃষ্ণক ভজিয়ো প্ৰেমভাৱে।। ৬৬৯।।

ব্ৰহ্মাই তাৰ পাচত চাৰিমুখে চাৰিবেদ সৃষ্টি কৰিলে। পূৰ্বস্থ মুখে ঋক, দক্ষিণস্থ মুখে যজু, পশ্চিমস্থ মুখে সাম আৰু উত্তৰস্থ মুখে — অৰ্থৱ্ব বেদ ব্যক্ত





কৰিলে। তদুপৰি চৰ্তুমুখে মহাভাৰত, পুৰাণ আদি শাস্ত্ৰ; সত্য-শৌচ-দয়া-তপ-ধৰ্ম্মৰ চাৰি চৰণ; ব্ৰহ্মাচাৰী--গৃহী-বাণপ্ৰস্থী আৰু যতী-চাৰি আশ্ৰম— সৃষ্টি কৰে।

সিমানতো সৃষ্টি নবঢ়া দেখি ব্ৰহ্মাই স্ত্ৰীৰ সৃষ্টিৰ বাবে নিজকে দুভাগত বিভক্ত কৰিলে। সেই তনুক মৈথুন বোলা হয়। তেওঁৰ বাওঁভাগৰ পৰা সৰ্বাঙ্গ সুন্দৰী শতৰূপা আৰু সোঁভাগৰ পৰা সৰ্ব্বাঙ্গ সুন্দৰ স্বায়ম্ভুৱ মনুৰ জন্ম হয়। দুয়োয়ে পত্নী-স্বামী হিচাবে প্ৰজা সৃষ্টিত লাগিল। তেওঁলোকৰ প্ৰথম পুত্ৰ প্ৰিয়ব্ৰত, ২য় পুত্ৰ উত্তানপাদ, আকুতি-প্ৰসূতি-দেৱহুতি নামে তিনিগৰাকী কন্যা জন্ম হয়। ৰুচি প্ৰজাপতিক আকুতি, দক্ষক প্ৰসূতি আৰু কৰ্দ্দম প্ৰজাপতিক দেৱহুতিক বিয়া দিয়ে।

**।। ব্ৰহ্মাৰ ভিন্নদেহৰ সৃষ্টি।।**

ভিন্ন দেহৰ পৰা → সৰস্বতীৰ জন্ম।

চাৰি মুখৰ পৰা → চাৰিবেদ, মহাভাৰত, পুৰাণাদি শাস্ত্ৰ। ধৰ্ম্মৰ চাৰিচৰণ-সত্য-শৌচ-দয়া-তপ। চাৰি আশ্ৰম-ব্ৰহ্মাচৰ্য্য, গৃহাশ্ৰম, বানপ্ৰস্থ, যতী।

নিজতনুক দুভাগ কৰি → স্বায়ম্ভুব মনু, শতৰূপা (পতি-পত্নী) স্বায়ম্ভুব মনু শতৰূপাৰ পুত্ৰ-প্ৰিয়বত, উত্তান পাদ, কন্যা। আকুতি, প্ৰসূতি, দেৱহুতি। আকুতিক — ৰুচিত, প্ৰকুতিক-দক্ষত আৰু দেৱহুতিক কৰ্দ্দমত বিয়া দিয়ে।

**৫। বৰাহ কল্পৰ বৰ্ণনা ঃ**

**বৰাহ আখ্যান ঃ**

বিদুৰৰ আহ্বান অনুসৰি মৈত্ৰেয়ে স্বায়ম্ভুব মনুৰ কৰ্ম্মৰ বিষয়ে ক'বলৈ ধৰিলে। মনুয়ে পিতৃ ব্ৰহ্মাৰ ওচৰত কিমতে কৰ্ম্ম কৰিব লাগে অৰ্থাৎ যি কৰ্ম্মৰ যোগে কৃষ্ণ-সেৱা হয় আৰু ইহলোকে পৰলোকে পৰম গতি লাভ হয়— সেই বিষয়ে প্ৰাৰ্থনা জনালে। ভাৰ্য্যাৰ গৰ্ভত উপযুক্ত পুত্ৰ জন্মাবলৈ ব্ৰহ্মাই মনুক

পৰামৰ্শ দিলে। সৰ্ব্বক্ষণে ঈশ্বৰ কৃষ্ণৰ শ্ৰৱণ-কীৰ্তন নিজে কৰি প্ৰজাগণকো তাকে কৰাবলৈ ক'লে।

আত্মা ঈশ্বৰক নভজিপামৰ
কৰে যত যত কৰ্ম্ম।
সমস্তে বিফল নিমিলে কুশল
কহিলো সমস্তে মৰ্ম্ম।। ”- ৭০৫।।

তেতিয়া মনুৱে তেওঁৰ প্ৰজাগণৰ বাবে মহাজলত তলগৈ থকা বসুমতীক উদ্ধাৰ কৰি আনি দিবলৈ ব্ৰহ্মাক প্ৰাৰ্থিলে। তেতিয়া ব্ৰহ্মাই সৃষ্টি নিয়ন্তা কৃষ্ণক চিন্তিলে

“যিটো ঈশ্বৰৰ হৃদয়ত হন্তে
ভৈলো মই উৎপন্ন।
সেহি ভগৱন্তে পৃথিৱী উদ্ধাৰি
সাধন্তোক প্ৰয়োজন।।”—৭১০।।

কৃষ্ণই ব্ৰহ্মাৰ ইচ্ছানুসৰি অঙ্গুষ্ঠ প্ৰমাণ হৈ শূকৰ আকৃতি গ্ৰহণ কৰি বিধাতাৰ নাসাৰন্ধ্ৰে (নাকৰ বিন্ধাৰে) বাজ হৈ আকাশত স্থিত হ'ল— আৰু ক্ৰমে দেহ বাঢ়ি ভয়ঙ্কৰ আকৃতি ধৰিলে। ব্ৰহ্মাই বিস্ময় মানিলে আৰু মহেশ্বৰে দিব্য ৰূপ ধাৰণ কৰি মেৰু সদৃশ স্থুল হ'ল। তাৰ দাঁত শুক্ল, কেশচয় কঠিন আৰু ত্ৰিশূলৰ দৰে ওলমি পৰা, চক্ষুৰ জ্যোতি সূৰ্য্যৰ ৰশ্মিত কৈ উজ্জ্বল, ভয়ঙ্কৰ চাৰিভৰি, নেজ দীঘল। বৰাহে ত্ৰিদশ কঁপাই গৰ্জ্জন কৰিলে, দেৱগণে ভগৱানৰ অৱতাৰ বুলি জানি পুষ্পবৃষ্টি কৰিলে আৰু বৰাহ বিষ্ণুক জয় জয় কৃষ্ণ বুলি বেদমন্ত্ৰ উচ্চাৰণ কৰিলে। মহাকাশত থাকি বৰাহে সকলোকে মূৰ দাঙি চালে আৰু জাম্প দিলে। বৰাহে জলত পৃথিৱীক অন্বেষণ কৰিলে আৰু ৰসাতলত পৃথিৱীক দেখা পালে। দাঁতৰ আগেৰে বসুমতীক আকোঁৱালি লৈ জলৰ ওপৰলৈ আহোঁতে হিৰণ্যাক্ষই গদাৰে বৰাহক তীব্ৰ ভাৱে আক্ৰমণ কৰিলে। বৰাহে আক্ৰমণ প্ৰতিহত কৰি দৈত্যেন্দ্ৰক দাঁতেৰে ছিৰি বধ কৰিলে। তাৰ শোণিতেৰে পলাশ বৰণীয়া হোৱা বৰাহক দেখি ব্ৰহ্মাদি ঋষিসবে স্তুতি কৰিবলৈ ধৰিলে—

“পাছে দেখিলন্ত ব্ৰহ্মা আদি ঋষিচয়।
পৃথিৱীক তুলি লৈয়া আসে কৃপাময়।।
ওমাল সদৃশ নীলদেহা প্ৰকাশয়।
শুক্ল দান্ত অগ্ৰে বসুমতী বিৰাজয়।।”—— ৭৩৮।।

40



“বেদময় মূৰ্তিতযু পদে কৰোঁ সেৱ।”——৭৩৯।।
যাৰ লোম ৰন্ধ্ৰে জাত ভৈলেক সাগৰ।।
নমো নমো হেন মহা অদ্ভূত শূকৰ।।
তুমি পূৰ্ণ চৈতন্য মুৰুতি হৃষীকেশ।
পৃথিৱীক উদ্ধাৰিতে ভৈলাইটো বেশ।।——৭৪০।

পৃথিৱীক মহাজলধিৰ পৰা উদ্ধাৰ কৰিবৰ কাৰণে বেদময় চৈতন্যমূৰ্ত্তি হৃষীকেশে “বৰাহ মুৰ্ত্তি, অবগাহন কৰিছিল। সাধুসঙ্গে হৃষীকেশৰ মধুৰ মুৰুতিৰ অমৃতকথা সৰ্ব্বদায় শ্ৰৱণ কৰিলে দুঃখ সাগৰৰ পৰা উদ্ধাৰ হ'ব পাৰি। স্থাৱৰ জঙ্গমৰ বসতিৰ বাবে কৰুণাময়ে বসুমতীক প্ৰতিষ্ঠা কৰিলে। ব্ৰহ্মাদি দেৱে ভগৱন্তক নানা স্তুতি কৰিলে আৰু তেওঁ জলাধিৰ ওপৰত বসুমতীৰ স্থাপন কৰাত বৰ আনন্দ পালে আৰু বৰাহৰূপী ভগৱন্তই নিজস্থানে গতি কৰিলে।

মনুৱে প্ৰাৰ্থনা কৰাত ব্ৰহ্মাই ভক্তিভাৱে ঈশ্বৰক চিন্তা কৰাৰ লগে লগে তেওঁ কৃপা কৰি জীৱৰ বাবে পৃথিৱীক যোগান ধৰিলে। ভগৱন্তক ভক্তি কৰিলে দুল্লৰ্ভ্য বস্তু সুলভ্য হৈ উঠে।

“মিলিবে মঙ্গল চয় সমস্তে লোকৰ।
শ্ৰৱণ কীৰ্ত্তন কৰে আক যিটো নৰ।।
তাত অল্পকালে তুষ্ট হোৱে কৃপাময়।
হৰি তুষ্ট হৈলে কিবা দুৰ্ল্লভ আছয়।।”—— ৭৫৮।।

নৰকতো উচ্চ বিষয় সুখ পোৱা যায়; কিন্তু চকু থকা জনে (জ্ঞানীজনে) বিষয় সুখ কেতিয়াও বাঞ্ছা নকৰে। ভগৱন্তই পশুৰ ভিতৰতে নিকৃষ্ট শূকৰো আকৃতি গ্ৰহণ কৰিছিল; সেয়ে পশুও ভগৱানৰে অৱতাৰ বুলি জানি সৰ্ব্বত্ৰতে ভগৱানময় দেখিব লাগে।

হিৰণ্যাক্ষৰ নিধনৰ কথা শুনি বিদুৰে মৈত্ৰেয়ৰ পৰা দৈত্যবংশৰ বিষয়ে আৰু ভগৱন্তৰ অৱতাৰ সম্পৰ্কে জানিব বিচাৰিলে আৰু মৈত্ৰেয়ে দৈত্যবংশৰ বিষয়ে প্ৰথমে ক'বলৈ ধৰিলে।

## ।। দিতিৰ মদন-পীড়া।।

ব্ৰহ্মাৰ মানসপুত্ৰ মৰীচি, মৰীচিৰ পুত্ৰ কশ্যপ। তেওঁ দক্ষৰ নন্দিনী দিতিক বিয়া কৰাইছিল। কশ্যপে দক্ষৰ কন্যা অদিতিকো বিবাহ কৰাইছিল আৰু অদিতিৰ পুত্ৰসকল দেৱগণ। দিতি অদিতিৰ সতিনী আৰু সতিনীৰ পুত্ৰ দেখি দিতিয়ে অত্যন্ত হিংসুক হৈ এদিন সাছি পাৰি বিষ্ণু গৃহত থকা স্বামী কশ্যপৰ কাষ চাপিল

আৰু ইতিমধ্যে সন্ধ্যা নামি আহিল। পুত্ৰ অভিলাষে কামাতুৰ হৈ দিতিয়ে কশ্যপক ক'লে “মদনৰ পঞ্চবানে মোক থকাসৰকা কৰিছে প্ৰভু। তদুপৰি সতিনীৰ পুত্ৰদেখি মোৰ দেহত অগনি জ্বলিছে।” পত্নীৰ মনোভাৱ বুজি কশ্যপে সন্ধ্যাকাল পাৰ কৰিবলৈ দিতিক আহ্বান কৰিলে। সন্ধ্যা কালৰ কু-গুণ সমূহৰ বিষয়ে কশ্যপে দিতিক বুজাই দিলে—“সন্ধ্যাকাল কোনো কৰ্ম্মৰ বাবে শুভ নহয়, এইসময়ত প্ৰবিৰ্তলে সৰ্ব্বলোকে উপহাস কৰিব, সন্ধ্যাকাল—ঘোৰতৰ আৰু ভয়ঙ্কৰ, এইকাল ভূত-প্ৰেতৰ চৰণৰ সময়, ভগৱন্ত পশুপতিয়েও এই সময়ত বিচৰণ কৰে, অন্য স্থানলৈ গলেও দেৱ মহেশ্বৰ সকলো স্থানতে এই সময়ত বিৰাজমান হৈ থাকে, এই সময়ত ভূত-নামৰ অভিশাপত পৰিব লাগিব।” দিতিয়ে স্বামীৰ বুজনিত স্বস্থ হ'ব নোৱাৰিলে, নিৰ্লজ বেশ্যাৰ দৰে কশ্যপৰ বস্ত্ৰত ধৰিলে। পত্নীৰ দুৰ্ব্বাৰ কাম বাসনা দেখি কশ্যপে কৃষ্ণৰ চৰণত সেৱা জনাই গুপ্যস্থানলৈ গৈ দিতিৰ কামনাৰে দাবানল পূৰণ কৰিলে।

ক্ৰীড়াৰ অৱসানত কশ্যপে স্নান কৰি পদ্মাসনত বহিলে আৰু গায়ত্ৰী মন্ত্ৰ জপ কৰি পাপ বিমোচন আৰু মহাহৰিক চিন্তা কৰে।

গৰ্হিত কৰ্ম্ম কৰি দিতিয়ে লৰ্জ্জিত হৈ স্বামীক ক'লে—“ মোৰ গৰ্ভস্থ সন্তান হৰে যেন নষ্ট নকৰে আৰু মোৰ সমস্ত অপৰাধ হৰে যেন ক্ষমা কৰে।” শিৱৰ প্ৰতি দিতিয়ে প্ৰাৰ্থনা জনোৱাৰ উপৰিও স্বামীৰ ওচৰতো ক্ষমা বিচাৰে। কশ্যপে দিতিক ক'লে “হে অনাচাৰী, তুমি মোৰ আজ্ঞাক অৱমাননা কৰিছা, দেৱতাক হেলা কৰিছা, সন্ধ্যাকাল আৰু অশুদ্ধমন— এই চাৰি দোষৰ বাবে তোমাৰ যি পুত্ৰৰ জন্ম হ'ব— সি পৰম অসাধু আৰু অভদ্ৰ হ'ব। তোমাৰ দুটি পুত্ৰ জন্ম হ'ব আৰু সিহঁতৰ গুণবোৰ হ'ব—

লোকক কন্দুৱাব আৰু অধৰ্ম্মীও নিদাৰুণ হ'ব।
লোক পাল আৰু ত্ৰিভুবনক বহুত দুখ দিব।
সাধু সকলক নানান কষ্ট দিব।
বিনা অপৰাধে প্ৰজাক বধ কৰিব।
শান্তি কন্যা হৰণ কৰি আনিব।
বৈষ্ণৱক বৰ দুখ-কষ্ট দিব আৰু ভগৱন্তে সহ্য নকৰিব।
ভগৱন্তই অৱতাৰ লৈ দুয়োকে বিনাশ কৰিব।

এই কথা শুনি দিতিয়ে ক'লে যে নাৰায়ণৰ হাতত তেওঁৰ পুত্ৰৰ মৃত্যু হোৱাত তেওঁৰ অনুতাপ নহ'ব।” কশ্যপে ক'লে—





“তুমি অপৰাধ কৰি অনুতপ্ত হলা,
ভাল মন্দ বিচাৰ কৰিলা,
ভগৱন্তক নমস্কাৰ জনালা,
ৰুদ্ৰক নমিলা— আৰু
মোকো আদৰিলা—।

ইয়াৰ ফলত তোমাৰ ভৱিষ্যতে যি নাতি হ'ব, তেওঁ হ'ব পৰম ভকত। তেওঁৰ নাম হ'ব প্ৰহলাদ আৰু তেওঁৰ মহিমা আৰু গুণাৱলীয়ে সমস্ত বসুন্ধৰীকে ঢাকিব, —মাধৱত তেওঁৰ মন মগ্ন থাকিব, তেওঁৰ বিষ্ণুত অনন্য ভক্তি থাকিব, সমস্ত জগতক সন্তোষ প্ৰদান কৰিব, ভগবানৰ ভক্তি প্ৰচাৰ কৰিব মহাভাগৱত হ'ব, ভগৱন্ত কৃষ্ণৰ মাধুৰ্য্যমূৰ্ত্তিক তেওঁ দৰ্শন কৰিব। এনে বৈষ্ণৱ পৰায়ণ নাতি আমাৰ কুলত জন্মি একৈশপুৰুষ উদ্ধাৰ কৰিব বুলি কৈ কশ্যপে দিতিক আশ্বাসিলে। নিজ দুই পুত্ৰক নাৰায়ণে বধ কৰিব যদিও নাতি প্ৰহলাদে যশস্যা আনিব এই মিশ্ৰিত আনন্দ বিষাদত দিতিৰ মন উজ্বলি উঠিল।

কাম অপৰাজেয়, অনিৰুদ্ধ আৰু দুৰ্দ্দমনীয়। দিতিক কামে পীড়ন কৰিলে, দিতিৰ ভুল হৈ গ'ল, ভুল কৰ্ম্মৰ ফল- কু-পুত্ৰ লাভ হ'ল। ভুল কৰি অনুতপ্ত হৈ ঈশ্বৰমুখী হোৱাৰ বাবে কু-পুত্ৰৰ ঔৰষত সুপুত্ৰৰ আৰ্বিভাৱ সম্ভৱ হ'ল। দিতিৰ কামনাৰ অগ্নি হঠাতে জ্বলি উঠাৰ অন্তৰালত অৱশ্যে ভগৱানৰ পৰিকল্পনা নিহিত আছে, ই নিমিত্ত কাৰণহে। ভগৱানৰ নিৰ্দ্দেশত হে সকলোবোৰ ঘটনা পৰিঘটনা সংঘটিত হয়। দিতি, কশ্যপ, প্ৰহ্লাদ হিৰণ্যাক্ষ হিৰণ্যকশিপু তাৰ ব্যতিক্ৰম নহয়, মাত্ৰ ভগৱানৰ মহান লীলাক আগবঢ়াই নিয়াৰ যন্ত্ৰহে, যন্ত্ৰী ভগৱান স্বয়ং।

## ।। চাৰি সিদ্ধৰ দ্বাৰা জয় -বিজয়ৰ অভিশাপ।।

দক্ষৰ দুহিতা দিতিয়ে কশ্যপৰ বীৰ্য্য গৰ্ভত ধাৰণ কৰাৰ লগে লগে চন্দ্ৰ-সূৰ্য্য নিষ্প্ৰভ হ'ল, লোক পালসকলৰ প্ৰতাপ কমিল, দশোদিশে অন্ধকাৰসন্ন হ'ল। দিতিয়ে জানিলেযে তেওঁৰ পুত্ৰই দেৱগণৰ আসন্ন বিপদ ঘটাব; সেইবাবে তেওঁ সন্তানটি এশবছৰ গৰ্ভত ধাৰণ কৰিলে যাতে দেৱগণে কিছুকাল সুখত থাকিব পাৰে। দেৱগণে ইয়াৰ কাৰণ বুজিব নোৱাৰি ব্ৰহ্মাৰ কাষ চাপি ব্ৰহ্মাকে ঈশ্বৰ বুলি স্তুতি কৰিলে আৰু দিতিৰ গৰ্ভৰ অভিপ্ৰায় কি জানিব বিচাৰিলে।

ব্ৰহ্মাই ইন্দ্ৰাদি দেৱগণক উত্তৰ দিলে- যে ব্ৰহ্মাৰ মানস পুত্ৰ চাৰিসিদ্ধই এদিন বৈকুণ্ঠলৈ গমন কৰিলে। ব্ৰহ্মাণ্ডৰ বাহিৰত থকা বৈকুণ্ঠ পুৰীৰ বৰ্ণনা তেওঁ দাঙি ধৰিলে। বৃক্ষ-লতা-পক্ষীগণ ব্ৰহ্মময়, কাল মায়াৰ অধিকাৰ তাত

নাই, তাত থকা ভক্তগণ কৃষ্ণ সদৃশ, তাত মহানন্দই বিৰাজ কৰি থাকে, বিভিন্ন বৃক্ষ ফুলে-ফলে গন্ধে ভৰা, দিব্য বিমানবোৰ শাৰী শাৰীকৈ বিৰাজি থাকে। তাত থকা সকলোৰে চতুৰ্ভূজ, শ্যামল, বিভিন্ন অলঙ্কাৰে সুশোভিত, পীতবসন, বনমালাই জিক মিকাই থাকে; কেৱল তেওঁ লোকৰ দেহত শ্ৰীবৎস আৰু কৌস্তুভ মনিহে নাই। তাত কেৱল হৰিনামৰ ধ্বনিয়ে মুখৰিত আকাশ বায়ু। অনিন্দ সুন্দৰী ৰমণীসকলে তাত হাস্যভৰা মুখেৰে আনন্দত আপ্লুত হৈ থাকে যদিও তাত কামনাৰ ভাৱ-উদ্ৰেক নহয়। বৈকুণ্ঠৰ মধ্যস্থলত কৃষ্ণৰ উপমাহীন মন্দিৰ অৱস্থিত। কৃষ্ণৰ কাষতে লক্ষ্মীদেৱীয়ে মনোহৰ মূৰ্তি ধৰি কৃষ্ণ-ভক্তিত আপ্লুত।

এনে মনোহৰপুৰী বৈকুণ্ঠৰ দুৱাৰ এখন দুখন তিনিখন-চাৰিখন -পাঁচখন -ছখন অতিক্ৰমি সপ্তম দুৱাৰ পালেগৈ। দুৱাৰত গদাধৰি থকা দুজন দিব্যপুৰুষে চাৰিসিদ্ধক বাধাপ্ৰদান কৰিলে আৰু হাতত বেতলৈ খেদি পঠালে। কৃষ্ণ দৰ্শনৰ আশা নেদেখি দ্বাৰপালদ্বয়ক ব্ৰহ্মশাপ দিলে যে— তেওঁলোকে বৈকুণ্ঠ এৰি যাব লাগিব। ব্ৰহ্মশাপ পাই দুয়ো মহাভয়ত কম্পিত হৈ উঠিল। চাৰিসিদ্ধয়ো অভিশাপ দি অনুতপ্ত হ'ল। কৃষ্ণই লক্ষ্মীসমে আহি দুৱাৰত উপস্থিত হলহি আৰু ভগৱন্ত কৃষ্ণৰ চমৎকাৰ মূৰ্ত্তি দেখি চাৰিসিদ্ধই চৰণত পৰি সেৱা জনালে আৰু অৱনত হৈ স্তুতি আৰম্ভলি—

"হে ভগৱন্ত যিটো ৰূপ আছা ধৰি।
সৰ্ব্বক্ষণ ভক্তক আনন্দ আছা কৰি।।
তযু কৃপাগুনে লভি শ্ৰৱণ কীৰ্তন।
হৃদয়ে তোমাক দেখা পাৰে মুনিগণ।। ৯৩৪ ।।
ভকত সবৰ নাথ সুখ আতিশয়।
কহো আবে সবে তাক শুনা কৃপাময়।।
একান্ত শৰণ হুৱা তযু চৰণত।
শ্ৰৱণ কীৰ্তন কৰে তাহাৰা সতত।। ৯৩৫ ।।

সৰ্ব্বক্ষণে ভক্তক আনন্দ দিবৰ কাৰণেই ভগবন্তই মাধুৰ্য্যমূৰ্ত্তি ধাৰণ কৰে। কেৱল শ্ৰৱণ -কীৰ্ত্তন কৰিয়েই মুনিগণে হৃদয়ত ভগৱন্তৰ দৰ্শন লাভ কৰে। ভগৱন্তৰ একান্ত ভাৱে শৰণলৈ যিসকলে ভগৱন্তৰ গুণ-লীলা। শ্ৰৱণ কীৰ্তন কৰে, তেওঁলোকে মুকুতি-সুখ লাভ কৰে। চাৰিসিদ্ধই জয়-বিজয়ক দিয়া অভিশাপৰ বাবে যি অপৰাধ হ'ল তাৰ দণ্ড বিচাৰিলে। বৈকুণ্ঠনাথে মেঘ-গম্ভীৰ স্বৰে সিদ্ধগণক ক'লে— "মোৰ ভক্তদ্বয়ে তোমালোকক বহুত ককৰ্থনা কৰিলে,





বেত্ৰৰ দ্বাৰা খেলিলে, তাৰ বাবে উপযুক্ত শাস্তি বিহিলা আৰু তাক মই অনুমোদন জনালো। মোৰ ভৃত্যই তোমালোকক লগোৱা দোষৰ বাবে মোক ক্ষমা কৰিবা; কাৰণ ভৃত্যই লগোৱা দোষ গিৰিহঁতৰহে। তোমালোক মোৰ পৰম ভক্ত, গতিকে ভকতক কৰা অপমান কেতিয়াও সহ্য নকৰোঁ।

"এতেকে তোমাৰ যিবা দ্ৰোহক চিন্তয়।
মোৰ চক্ৰে বাহু তাৰ কাটিবো নিশ্চয়।।
যাহাৰ সেৱায়ে গুণ লভিলো বিচিত্ৰ।
চৰণৰ ৰেণু যাৰ কৰয় পবিত্ৰ।।" ৯৪৮

ভকত-দ্ৰোহীক ভগৱন্তৰ চক্ৰই কাটি খণ্ড খণ্ড কৰে। কিয়নো ভকতৰ সেৱাত হে বোলে ভগৱন্তই উজ্জ্বলি উঠে, ভকতৰ চৰণৰ ধূলিৰে বোলে ভগৱন্তই পৰম পবিত্ৰ হৈ উঠে। ভকতৰ দোষ লগালে বাবে জয়-বিজয়ৰ শাস্তি অনিবাৰ্য; কিন্তু ভগৱন্তই চাৰিসিদ্ধক-প্ৰাৰ্থনা জনালে যে জয়-বিজয় যেন অল্পকালে পাপ মোচন হৈ বৈকুণ্ঠলৈ ঘূৰি আহিব পাৰে।

চাৰি সিদ্ধই কৃষ্ণৰ মুখে ব্যক্ত হোৱা কথা শুনি আনন্দত অধীৰ হ'ল, আৰু কৃষ্ণৰ দ্ব্যৰ্থবোধক কথা-শুনি আচৰিতো হ'ল। তেওঁলোকে ক'লে—

"অখণ্ড ঐশ্বৰ্য্যশালী দেব কৃপাময়।
আমি একো স্বামী তযু নুবুজো আশয়।। ৯৬১
জগতৰ নাথ হুয়া বোলা হেন কৰি।।
ব্ৰাহ্মনেসে মোক অনুগ্ৰহ আছো কৰি।।
কিন্তু আমি নিশ্চয় কৰিছো এহিমানে।
বুলিলা যতেক লোক শিক্ষাৰ কাৰণে।। ৯৬২

লোক-শিক্ষাৰ বাবে ভগৱন্তই ভক্তৰ দাস হৈ দেখুৱাইছে বুলি চাৰি সিদ্ধই ভাবিবলৈ বাধ্য হৈছে। জগতৰ গৰাকী হৈ ব্ৰাহ্মণকে উপাস্য হিচাবে লৈ ভগৱন্তৰ মাহাত্ম্য যে কিমান গভীৰ তাক প্ৰকাশ কৰিছে। ভগৱন্তৰ অপাৰ মহিমা জানি চাৰি সিদ্ধই জয়-বিজয়ক কি শাস্তি বা কি প্ৰসাদ দিব লাগে তাৰ দায়িত্ব কৃষ্ণত হে অৰ্পণ কৰে আৰু ভৃত্যক অভিশাপ দিয়াৰ অপৰাধৰ বাবে চাৰিসিদ্ধই ভগৱানৰ ওচৰত দণ্ড বিচাৰিলে।

কৃষ্ণই সিদ্ধৰ মনৰ দুখ দেখি ক'লে—

"তোমাসাৰ অপৰাধ কিছু নাহি কয়।
মইসে দিয়াইলো শাপ জানিবা নিশ্চয়।। ৯৭১

ইটো দুই সাক্ষাত অসুৰ যোনি যায়।
ক্ৰোধ মনে মোক চিন্তিবেক সৰ্ব্বদায়।।
পাছে অল্পকালে মোৰ সমীপে আসোক।
এহি মাত্ৰ অনুগ্ৰহ কৰা মুনিলোক।। ৯৭৩

কৃষ্ণৰ উক্ত কথা শুনি চাৰিসিদ্ধই কৃষ্ণক সেৱা জনাই অন্তৰ্হিত হ'ল।

ইয়াৰ পাচত নাৰায়ণে জয়-বিজয়ক ক'লে "চাৰিসিদ্ধৰ অভিশাপ অনুসৰি শীঘ্ৰে মৰ্ত্যলোকলৈ গৈ বৈৰভাৱে চিন্তি শাপ মুক্ত হৈ আহা। লগে লগে জয়-বিজয় বৈকুণ্ঠ চ্যুত হৈ মৰ্ত্যলৈ নামি আহিল।

ব্ৰহ্মাই দেৱগণক ক'লে— জয়-বিজয় মহাভক্ত আৰু বৈকুণ্ঠৰ পাৰিষদ তেওঁলোকৰ এই বিপৰ্যয় হৈছে ভগৱন্তৰ আঁচনি। চাৰি সিদ্ধৰ মনত ক্ৰোধ থাকিব নোৱাৰে, ভগৱানে এই ক্ৰোধ মনলৈ আনি দিলে, জয়-বিজয়েও সিদ্ধগণক বাধা প্ৰদান কৰাৰ মন দিলে ভগৱানে। বৈকুণ্ঠবাসীৰ পুনৰ জন্ম নাই, তথাপিও কৃষ্ণৰ যুঁজিবৰ মন হ'ল বাবে সিদ্ধকো সেই ঠাইলৈ অনালে, দুৱৰীকো বাধা দিয়ালে, সিদ্ধৰ মনতো ক্ৰোধ উপজালে, অভিশাপো দিয়ালে আৰু অৱশেষত ঈশ্বৰে মধ্যস্থতা কৰি পুনৰ জন্মকো সম্ভৱ কৰিলে। কৃষ্ণৰ ইচ্ছাতে অঘটনো ঘটে। দুই দুৱৰী কশ্যপৰ বীৰ্যত প্ৰৱেশ কৰিলেহি। সন্ধ্যাকালে দিতিৰ গৰ্ভত স্থিতাপি ল'লে। এই দৈত্যৰ পৰা দেৱসবৰ নানা দুঃখ কষ্ট হবই। গতিকে অনাথৰ নাথ, জগতৰ আধাৰ, যোগেশ্বৰ কৃষ্ণত ভক্তি কৰি অনাগত বিপৰ্যয়ৰ পৰা ৰক্ষা পাবলৈ দেৱগণক ব্ৰহ্মাই পৰামৰ্শ দি ধ্যানস্থ হ'ল।

দেৱগণে ব্ৰহ্মাকেই জগতৰ ঈশ্বৰ জ্ঞান কৰি ৰক্ষাৰ উপায় বিচাৰি শৰণাগত হৈছিল। এই ভুল ভাঙিবলৈ ব্ৰহ্মাই পৰমব্ৰহ্ম ভগৱন্তৰ অচিন্ত্য মহিমা বৰ্ণনা কৰি তেওঁক ভক্তি কৰিবলৈ উপদেশ দিলে।

## ৬। হিৰণ্যকশিপুৰ জন্ম —

দিতিয়ে শতবছৰ গৰ্ভধাৰণ কৰি দুটি পুত্ৰক জন্ম দিলে। সেই সময়ত স্বৰ্গ-মৰ্ত্য পাতালত নানা অমঙ্গল আৰু দুৰ্ঘটনা ঘটিবলৈ ধৰিলে। দশোদিশে ধূমকেতু ওলাল, প্ৰচণ্ড বায়ু বলিবলৈ ধৰিলে, মহামেঘ গণত বিদ্যুৎ -গৰ্জন হ'বলৈ ধৰিলে, অন্ধকাৰে আগুৰি ধৰিলে, নানা পশু-পক্ষীয়ে বিকত আৰাও কৰিলে, বৃক্ষগণ উঘলি পৰিলে— এইদৰে মহাপ্ৰলয়ৰ সৃষ্টি হ'ল। দিতিৰ দুই পুত্ৰ দিনে দিনে বাঢ়িবলৈ ধৰিলে, বজ্ৰৰ সদৃশ দৃঢ় আৰু পৰ্ব্বতৰ সমান থুলন্তৰ দেহ, — দেখি কশ্যপে অদ্ভুত মানিলে আৰু শ্ৰেষ্ঠজনৰ নাম হিৰণ্যকশিপু





কনিষ্ঠজনৰ নাম হিৰণ্যাক্ষ ৰাখিলে। দুয়ো বিষ্ণু আৰু দেৱ বিদ্বেষী হৈ পৰিল। হিৰণ্যকশিপুৱে ব্ৰহ্মাক উপাসা কৰি বৰ লাভ কৰিলে আৰু সিংহাসনত বহিল। ত্ৰিজগতৰ অধিপতি হৈ সকলোকে বশ কৰিলে। হিৰণ্যকশিপুৰ মহাবলী, দৰ্পী, অধাৰ্ম্মিক, সন্ত-মহন্তৰ কালান্তক যম। হিৰণ্যাক্ষও অত্যন্ত বলী, পৰাক্ৰমী, মদগৰ্ব্বী আৰু হাতত গদালৈ যুদ্ধ বিচাৰি স্বৰ্গত উপনীত হ'লগৈ। দেৱগণে দুৰ্দ্দান্ত দৈত্যৰ প্ৰতাপ দেখি আঁতৰি গ'ল।

### ।। বৰাহৰূপী বিষু আৰু হিৰণ্যা ৰ যুদ্ধ আৰু হিৰণ্যা  বধ।।

হিৰণ্যাক্ষই স্বৰ্গৰ পৰা নামি সমুদ্ৰত প্ৰৱেশ কৰিলে। অগাধ জলধিত বহুকাল ধৰি ক্ৰীয়া কৰি ভ্ৰমিবলৈ ধৰিলে। জলত থকা বৰুণৰ বিভাৱৰী নগৰত প্ৰৱেশ কৰি বৰুণৰ ওচৰত যুদ্ধ কৰিবলৈ আহ্বান কৰিলে। বৰুণে দৈত্যৰ অমিত প্ৰভাৱ জানি কলেযে তেওঁ বৃদ্ধ, যুদ্ধ কৰিবৰ বয়স নাই, তেওঁৰ লগত যুদ্ধ কৰি একো লাভ নাই। হিৰণ্যাক্ষৰ লগত বিষ্ণুয়েহে যুদ্ধ কৰিলে ভাল হয়, গতিকে বিষ্ণুৰ ওচৰলৈ যাবলৈ হিৰণ্যাক্ষক কুবেৰে পৰামৰ্শ দিলে আৰু হিৰণ্যাক্ষই তৎকালে সেই স্থান এৰি আগবাঢ়িল। বাটতে নাৰদে লগ পাই তাক ৰসাতললৈ গৈ দিলে। হিৰণ্যাক্ষই মহানন্দ কৰি ৰসাতললৈ যাবলৈ পৰামৰ্শ পালেগৈ। বৰাহৰূপী বিষ্ণুৱে দাঁতৰ আগেৰে পৃথিৱীক জলৰ পৰা তুলি আনিছিল। দৈত্যই বৰাহক দেখি ব্যঙ্গ কৰি ক'লে যে পৃথিৱী তেওঁৰহে সম্পদ, তাক আনে নিব নোৱাৰে। গদাধৰি দৈত্যই বৰাহক আক্ৰমণ কৰি নানা ভৰ্সনা কৰিবলৈ ধৰিলে। বৰাহে তাৰ কথা সহ্য কৰি পৃথিৱীক জলৰ ওপৰ পোৱালেহি। লগে লগে ব্ৰহ্মাদি দেৱগণে পুষ্পবৃষ্টি কৰি স্তুতি কৰিলে। দৈত্যই ওপৰলৈ চাই সকলো দেখা পালে। বৰাহে হিৰণ্যাক্ষক দৃষ্টি কৰি ভয়ানক গদা হাতত লোৱা প্ৰত্যক্ষ কৰিলে। তাৰ শৰীৰত বিচিত্ৰ কবচ, সুবৰ্ণ অলঙ্কাৰ, বিকৃত দন্ত সমূহ, সোণালী কেশ গুচ্ছ— দেখিবলৈ পালে।

বৰাহে হিৰণ্যাক্ষক যুদ্ধ কৰিবলৈ আহ্বান জনালে আৰু দৈত্যৰ খং উঠালে। হিৰণ্যাক্ষই অতি ক্ৰোধ কৰি প্ৰচণ্ড বেগে আহি বৰাহৰ বুকুত গদাৰে প্ৰহাৰ কৰিলে। বৰাহে কৌমুদকী গদা হাতত লৈ দৈত্যক খেদি গ'ল। দুয়ো ভয়ঙ্কৰ গদা যুদ্ধ কৰিবলৈ ধৰিলে। বৰাহৰূপী বিষ্ণু -হিৰণ্যাক্ষৰ যুদ্ধ চাবলৈ ব্ৰহ্মাদি দেৱগণ বিমানেৰে আহি উপনীত হ'লহি। প্ৰজাপতি ব্ৰহ্মাই ভগৱন্তক প্ৰাৰ্থনা কৰি ক'লে যে গধূলি হোৱাৰ লগে লগে দৈত্যৰ মায়া বৃদ্ধি পাব, দৈত্যৰ মৃত্যুৰ অভিজিত ক্ষণ মিলিব ধৰিছে, গতিকে দুষ্ট দৈত্যক বধ কৰি ভূমিৰ ভাৰ হৰণ

কৰে যেন। বৰাহ ৰূপী নাৰায়ণে ব্ৰহ্মাৰ ইঙ্গিত শিৰোগত কৰি পুনঃ যুদ্ধত অৱতীৰ্ণ হ'ল। তেওঁ গদা এৰি চক্ৰক স্মৰণ কৰা মাত্ৰে সুদৰ্শন চক্ৰ আহি পালেহি। হিৰণ্যাক্ষই ত্ৰিশূল প্ৰহাৰ কৰাত বৰাহে চক্ৰৰে কাটি খণ্ড খণ্ড কৰে। তেতিয়া দৈত্যই বৰাহৰ বক্ষস্থলত মুষ্টি প্ৰহাৰ কৰে আৰু অন্তৰ্ধ্যান হৈ মায়াৰ আশ্ৰয় লয়। ভগৱন্ত মায়াপতি, মায়াপতিৰ আগত মায়াই কি কৰিব? সুদৰ্শন চক্ৰ মায়া বিনাশী অস্ত্ৰ। চক্ৰ প্ৰহাৰ কৰাৰ লগে লগে দৈত্যৰ মায়া বিনাশ ঘটিল। সেই সময়ত দিতিৰ স্তনৰ পৰা ৰক্ত প্ৰবাহিত হ'বলৈ ধৰিলে আৰু দিতিয়ে স্বামীৰ বচন স্মৰি হাঁপুত্ৰ, হা-পুত্ৰ বুলি কান্দিবলৈ ধৰিলে। বৰাহে দৈত্যৰ কৰ্ণমূলে চৰ সোধালে— দৈত্য ঘূৰি ঘূৰি মাটিত ঢলি পৰিল। বৰাহে দাঁতেৰে তাৰ হৃদয় ছিৰি পেলালে। আকাশৰ পৰা দেৱসবে পুষ্প বৃষ্টি কৰিলে, জয় জয় ধ্বনি ঘোষিত হ'ল। ব্ৰহ্মাদি দেৱগণে স্তুতি আৰম্ভ কৰিলে।

ভগৱন্তই মৎস্য অৱতাৰ গ্ৰহণ কৰি প্ৰথমে চাৰিবেদক প্ৰলয় জলৰ পৰা উদ্ধাৰ কৰাৰ পাচত জলমগ্ন পৃথিৱীক জলৰ পৰা উদ্ধাৰ কৰিবলৈ বৰাহৰূপ অৱগাহন কৰে। পৃথিৱীক উদ্ধাৰ কৰাৰ লগতে অত্যাচাৰী হিৰণ্যাক্ষক বধ কৰি দেৱগণৰ উপকাৰ সাধে। মৎস্য -কচ্ছপ ৰূপেও ভগৱানে মহৎ কাৰ্য্য সাধন কৰাৰ আদৰ্শ দাঙি ধৰিছে। ভক্তিয়ে পশু-পক্ষীকো উদ্ধাৰ কৰে। গ্ৰাহৰ মুখৰ পৰা গজেন্দ্ৰক উদ্ধাৰ কৰে শ্ৰী হৰিয়ে। ব্ৰহ্মবধীয়ে ভক্তি কৰি উদ্ধাৰ হয়, কামনা কৰি ভগৱন্তৰ গুণ গান শ্ৰৱণ কৰিলেও ধন জয় আয়ু কীৰ্ত্তি লাভ কৰিব পাৰে। একান্ত ভক্তই অৱশ্যে ভগবানৰ পৰা একো নিবিচাৰে; তথাপি ভগৱন্তই সকলো দিয়াৰ উপৰিও মুকুতি দিয়ে। বৰাহৰ যুদ্ধ হৈছিল প্ৰকৃত পক্ষে ভক্তৰ লগত হে। জয় বিজয় বৈকুণ্ঠৰ দুৱৰী হৈয়ো পৰমভক্ত। ভগৱানৰ আদেশ ক্ৰমে দিতিৰ গৰ্ভত হিৰণ্যাক্ষ হিৰণ্য কশিপু হৈ জন্মগ্ৰহণ কৰি বৈৰীভাৱে চিন্তি তিনিজন্মত মুক্তি লাভ কৰি পুনৰ বৈকুণ্ঠত স্থান পালে।

"দেখা কেনে মাধবৰ লীলাৰ মহত্ত্ব।
লোকৰ নিমিত্তে কৰে চৰিত্ৰ বেকত।।
ভক্ত সমে যুদ্ধ কৰি থৈলা কীৰ্তিচয়।
আক শুনি লোকে নিস্তাৰোক ভৱভয়।। ১১১৮

## ব্ৰহ্মাৰ বিভিন্ন সৃষ্টি।।

বিদুৰে মৈত্ৰেয়ৰ ওচৰত ব্ৰহ্মাৰ বিভিন্ন সৃষ্টি সম্পৰ্কে ব্যাখ্যা কৰিবলৈ অনুৰোধ জনোৱাত মৈত্ৰেয়েই ক'বলৈ ধৰিলে— মৰীচি প্ৰমুখ্যে





প্ৰজাপতিসকলে প্ৰজা সৃষ্টি কৰিলে। ব্ৰহ্মাই প্ৰথমে নানা প্ৰাণী সৃষ্টি কৰি অন্যান্য প্ৰজা সৃষ্টি কৰিবলৈ চিন্তা কৰিলে। দৈত্যসবে জন্ম গ্ৰহণ কৰি কামোন্মত্ত হৈ শৃঙ্গাৰ কৰিভলৈ ব্ৰহ্মাকে খেদিবলৈ ধৰিলে। ব্ৰহ্মাই ভয় কৰি বিষ্ণুৰ ওচৰ পালেগৈ। বিষ্ণুৱে ব্ৰহ্মাক এই অমঙ্গলীয়া দেহ পৰিত্যাগ কৰিবলৈ ব্ৰহ্মাক আদেশ দিয়ে। বিষ্ণুৰ কথামতে তেওঁ দেহত্যাগ কৰিলে আৰু সন্ধ্যাকাল উপগত হ'ল। অসুৰ সকল মোহত পৰিল। ব্ৰহ্মাৰ বেদময় তনু সদায়েই থাকে, কিন্তু মানসভাৱে প্ৰয়োজন হলে এৰে বা ধৰে। তাৰ পাচত ব্ৰহ্মাই গন্ধৰ্ব্ব গণক সৃষ্টি কৰিলে আৰু অপেস্বৰা গণক সৃষ্টি কৰিলে আৰু অপেস্বৰা গণক সৃষ্টি কৰি দেৱলোকক দিলে। ব্ৰহ্মাই পুনৰ অন্তৰ্দ্ধান হৈ সাধ্য পিতৃ বসুগণক সৃষ্টি কৰিলে। পুনৰ সেই কলেবৰ ত্যাগ কৰি আৰু তাৰ পাচত তেওঁ সৰ্পগণক, সৰ্পৰ পিচত মনুষ্যক স্ৰজিলে। মনুষ্যগণ অতিধীৰ আৰু পৰম জ্ঞানী হ'ল। তাৰ পাচত তপ-বিদ্যা সমাধিত মগ্ন হৈ তেওঁ ঋষিগণক সৃষ্টি কৰি শম-দম দান কৰিলে।

## ৭। কৰ্দ্দম-দেবহুতি বৃত্তান্ত —

ব্ৰহ্মাদেৱে প্ৰজাপতি কৰ্দ্দমক প্ৰজা সৃষ্টি কৰিবলৈ আদেশ কৰাত কৰ্দ্দমে সৰস্বতী নদীৰ পাৰলৈ গৈ দহ হাজাৰ বছৰ তপস্যা কৰিলে। ভগৱন্তই তুষ্ট হৈ কৰ্দ্দমক দেখা দিলে। চতুৰ্ভূজ ৰূপে ভগৱন্তই দেখা দিয়াত আনন্দত অধীৰ হৈ কৰ্দ্দমে স্তুতি কৰিলে আৰু সকাম ভাবে ভগৱানক সেৱিলে মোহত পৰিব লাগে যদিও তেওঁ ভাৰ্য্যা বিয়া কৰিবৰ নিমিত্তেই উপাসা কৰিছো— বুলি কৈছে। কাৰণ ব্ৰহ্মাই কৰ্দ্দমক প্ৰজা সৃষ্টি কৰিবলৈ আদেশ দিছে; গতিকে প্ৰথমে তেওঁক ভাৰ্য্যা, তাৰ পাছত মোক্ষ দিবৰ কাৰণে বাঞ্ছা কৰিছে। ভগৱন্তই কৰ্দ্দমৰ মনোবাঞ্ছা পূৰণ কৰি ক'লে যে স্বায়ম্ভুৱ মনু আৰু শতৰূপাৰ কন্যা দেবহুতিক পৰহিলৈ তেওঁলোকে আনি কৰ্দ্দমক দিবহি। কৰ্দ্দমৰ ঔৰসত, দেবহুতিৰ গৰ্ভত মহাসতী ৰাজকন্যা জন্মিব আৰু ভগবানে নিজেই দেবহুতিৰ গৰ্ভত জন্ম গ্ৰহণ কৰি সাংখ্যমত প্ৰকাশ কৰিব বুলি কথা দি অন্তৰ্দ্ধান হ'ল।

স্বায়ম্ভুৱ মনু আৰু শতৰূপাই কন্যা দেবহুতিক বিমানত লৈ বৰৰ অনুসন্ধানত আহি কৰ্দ্দমৰ আশ্ৰম পালেহি। আশ্ৰমৰ সৌন্দৰ্য্য, গাম্ভীৰ্য্য, বিতোপন পৰিবেশ আৰু কৰ্দ্দমৰ অগাধ তপস্যাত মনু বিমোহিত হ'ল। কৰ্দ্দমে যথাযোগ্য সতকাৰ কৰিলে আৰু মনুৱেও যথোচিত সন্মান প্ৰদৰ্শন কৰি -কন্যা দেবহুতিকৰ ঋষিলৈ বিয়া দিয়াৰ প্ৰস্তাৱ আগবঢ়ালে আৰু ঋষিয়েও প্ৰস্তাৱক আদৰণি জনালে। কন্যাদেৱহুতিক দান কৰি মনু সপত্নীক নিজস্থানে গতি কৰিলে। স্বায়ম্ভুৱ

মনুৱে নিজস্থানত উপনীত হৈ হৰি কীৰ্তনত ব্ৰতী হ'ল।

"ক্ষণো নিজ বাক্য কৰা হৰিৰ কীৰ্তন।"
এহি মতে কৃষ্ণ কথা প্ৰসঙ্গে সদায়।
এগোটা দিবসো তান বিকলে নাযায়।। ১২১১।।

স্বায়ম্ভুৱ মনু বাৰ বৈষ্ণৱৰ এজন। ভগৱন্তৰ গুণ-গান শ্ৰৱণ কীৰ্তন ভক্তিতে এসত্তৰ যুগ পাৰ কৰিলে। যিজন কৃষ্ণৰ একান্ত ভক্ত বা দাস তেওঁৰ শৰীৰ মনৰ শত্ৰু থাকিব নোৱাৰে। মনুৰ আদৰ্শত ভগবানক ভক্তি কৰিবলৈ মনুষ্যগণক শাস্ত্ৰই দঢ়াই দঢ়াই কৈছে; তেহে পৰমানন্দ লাভ কৰি মুক্তি লভিব পাৰে।

দেবহুতিয়ে স্বামী কৰ্দ্দমক সেৱা সতকাৰ কৰিলে। কৰ্দ্দমেও পত্নী দেবহুতিক বিন্দু সৰোবৰত স্নান কৰাই বিচিত্ৰ বিমানত উঠি বিহাৰ কৰিলে আৰু দেবহুতিৰ লগত নানা ভাৱে ক্ৰীড়ি শত বছৰ অতিক্ৰম কৰি পুনৰ আশ্ৰম পালেহি। স্ত্ৰীৰ মনৰ বাঞ্ছা পূৰণৰ বাবে ঋষিয়ে নবধাৰা বীৰ্য্য স্খলন কৰিলে আৰু দেবহুতিৰ গৰ্ভৰ পৰা ন-গৰাকী দুহিতাৰ জন্ম হ'ল। ইতিমধ্যে ঋষিয়ে সন্ন্যাস গ্ৰহণ কৰিবলৈ মনস্থ কৰাত দেবহুতিয়ে পুত্ৰ লাভৰ কামনাৰে কিছুকাল অপেক্ষা কৰিবলৈ অনুৰোধ কৰিলে। কিন্তু দেবহুতিয়ে বিষয় কামনা কৰিলেও পৰমাৰ্থ লাভৰ বাবেও ইচ্ছা কৰে। দেবহুতিয়ে ব্যক্ত কৰিলে যে ইন্দ্ৰিয় প্ৰীতি, বিষয়-ভোগত লোক আপ্লুত হৈ থাকিব নালাগে, বৈষ্ণৱৰ সঙ্গত, মহন্তৰ সঙ্গত থাকি হৰিকথাত মগ্ন থাকিলেহে মোক্ষলাভ হয়। স্বামীৰ সান্নিধ্য লাভ কৰি পৰমাৰ্থ অৰ্জ্জন কৰাৰ পৰিবৰ্ত্তে সংসাৰ ভাবত কাল কটোৱাটো তেওঁৰ উচিত হোৱা নাই, তেওঁ কৈছে—

"তুমিহেন স্বামীক লভিয়া এতদিন।
ইন্দ্ৰিয়ৰ প্ৰীতি সাধি আয়ু কৈলো ক্ষীণ।। ১২৪৩।।
তোমাৰ মহিমা মই নজানি অভাগী।
কৰিলো প্ৰসঙ্গ মিছা বিষয়ক লাগি।।
দুৰ্জ্জন জনৰ দোষে সংসাৰী হোৱয়।
বৈষ্ণৱৰ সঙ্গেপুনু মুকুতি সাধয়।। ১২৪৪।।
সাধু সঙ্গে হৰি কথা নুশুনে যি নৰ।
জীৱন্ততে মৰা সিটো অধম পামৰ।।
হৰিৰ মায়ায়ে মোক কৰিলে বন্ধন।
তোমাক পাইয়া মোক্ষে নকৰিলো মন।। ১২৪৫।।





বিষ্ণু-মায়াত দেৱীয়ে সংসাৰ বন্ধনত লিপ্ত হোৱা দেখি কৰ্দ্দমে ক'লে—

"শুনা প্ৰানেশ্বৰী হেন খেদ নুযুৱায়।
অল্প কালে তযু গৰ্ভে হৰি লৈবে ঠাই।।

গতিকে দৃঢ় ব্ৰত ধৰি মহা হৰিক ভজিবলৈ পত্নীক উপদেশ দিলে। দেবহুতিয়ে হৰিক শ্ৰদ্ধাৰে ভজিলে আৰু কৰ্দ্দমৰ ঔৰসত তেওঁৰ গৰ্ভসম্ভূত হ'ল। ভগৱান কপিলে জন্ম গ্ৰহণ কৰিলে। কৰ্দ্দমৰ আশ্ৰমলৈ বিদ্যাধৰ, গন্ধৰ্ব্ব, অপেস্বৰা, প্ৰজাপতি ব্ৰহ্মা, গণ আহিল, লোকত আনন্দই বিৰাজ কৰিলে, জয় জয় কৃষ্ণৰবে বিমানৰ পৰা পুষ্প বৃষ্টি হ'ল। ব্ৰহ্মাই পুত্ৰ কৰ্দ্দম আৰু দেৱহুতিক ক'লে যে তত্বজ্ঞান প্ৰকাশ কৰিবলৈ তেওঁলোকৰ গৃহত কৈটভ মৰ্দ্দনে নিজ অংশে অৱতাৰ হ'ল। পিতৃ বাক্য মতে নিজৰ ন-গৰাকী কন্যাক নজন ঋষিলৈ বিয়া দিলে। মৰীচিক কলা, অত্ৰিক অনসূয়া, অঙ্গিৰাক শ্ৰদ্ধা, ক্ৰতুক ক্ৰিয়া, পুলস্তিক হবিভূৰি, পুলহক গতি, ভৃগুক খ্যাতি, বশিষ্ঠক অৰুন্ধতী, অথৰ্ব্বাক শান্তিক বিয়া দিলে। তাৰ পাচত কৰ্দ্দমে পুত্ৰ কপিলক পৰম ঈশ্বৰ বুলি জানি চৰণত নমস্কাৰ কৰিলে। কৰ্দ্দমে পুত্ৰৰ ওচৰত সন্ন্যাস প্ৰাৰ্থনা কৰিলে আৰু কপিলে সন্মতি জনালে। পিতাকক কপিলে উপদেশ দিলে যে সমস্ত প্ৰাণীতে ঈশ্বৰক দেখিব লাগিব আৰু মাক দেবহুতিক অধ্যাত্ম জ্ঞান দিব বুলি ক'লে। ঋষিয়ে সন্ন্যাস গ্ৰহণ কৰিলে আৰু কাম-ক্ৰোধ-ৰাগ দ্বেষ সকলো পৰিহাৰ কৰি নিশ্চেসভাৱে সমাধিত থাকি ভগৱন্ত গতি লাভ কৰিলে।

**কপিল অৱতাৰ, আৰু সাংখ্যদৰ্শন, ভক্তিতত্ত্ব, সংসাৰ তত্ত্ব, চৌবিশতত্ত্বৰ বিৱৰণ ও জ্যোতিৰ তত্ত্ব —**

**কপিলিৰ সাংখ্য-ভক্তি যোগ বৰ্ণন**

"কপিল স্বৰূপে কৃপাময় ভগৱন্ত।
যোগ মাণিকৰ পেৰা মাতৃ ক দিলন্ত।।"
মই আক দেও আবে মুকলি কৰিয়া।
যাক যিবা ৰত্ন লাগে লৈয়ো বিচাৰিয়া।।" ১২৭৩।।

কপিলে ওপৰত উল্লিখিত কথাৰ যোগেদি মাতৃ দেবহুতিক কোৱাৰ চলেৰে জগতক সাংখ্যদৰ্শনৰ তত্ব ব্যাখ্যা কৰিলে। দেবহুতিয়ে ভগবান কপিল পুত্ৰক ক'লে—

"দেবহুতি বদতি শুনিয়ো মহাশান্ত।
ইন্দ্ৰিয় পোষন্তে মই ভৈলো মহাশ্ৰান্ত।। ১২৭৮।। ভাঃ
তযু অনুগ্ৰহে আবে জন্ম সীমা পাইলো।

এতেকেসে শান্ত চক্ষু তোমাক দেখিলো।।
তমো গুণে অন্ধ চক্ষু ইটো নৰচয়।
সূৰ্য্য যেন তাৰ অৰ্থে প্ৰকাশ কৰয়।। ১২৭৯।। ভাঃ
আৰো মোৰ মোহ দূৰ কৰিবে যুৱাই।
অহম্মম ভাৱ তুমি আচাহা কৰাই।
তযু পাৰে শৰণ লৈলোহো কৰি সাৰ।
ভৃত্যৰ সংশয় তযু ছেদন কুঠাৰ। ১২৮০।। ভাঃ

দেবহুতি সংসাৰী মানৱৰ প্ৰতীক, যি ইন্দ্ৰিয় তৃপ্তিৰ বাবে সংসাৰ বন্ধনত লিপ্ত থাকে। বিষয়-বাসনাত থাকিলে শ্ৰান্ত-ক্লান্ত হ'ব লাগে। ভগৱন্তৰ কৃপাহলে-সংসাৰ -বন্ধন ছেদ্‌ন হয়। সেয়ে দেৱহুতিয়ে কৈছে যে ভগবান কপিলক দৰ্শন লাভ কৰি তেওঁৰ জ্ঞানৰ চক্ষু মেল খালে। নৰগণক তমোগুণে চক্ষু অন্ধ কৰি কৰি ৰাখে। ভক্তি সূৰ্য্য হৃদয় আকাশত উদিত হ'লে তমসা আঁতৰি যায়। মানুহক অহম্মম ভাবে প্ৰভাৱ বিস্তাৰ কৰি ভগৱানৰ পৰা আতৰাই ৰাখে। কিন্তু কৃষ্ণৰ চৰণত একান্ত ভাৱে শৰণ ল'লে- ভক্ত-ভৃত্যই ভক্তি কুঠাৰে মায়া ছেদন কৰিব পাৰে।

কপিলে সাংখ্য দৰ্শন তত্ব সম্পৰ্কে মাতৃক কবলৈ গৈ প্ৰথমে ভক্তিযোগৰ কথা অৱতাৰণা কৰিছে। দেবহুতিয়ে প্ৰথমে প্ৰকৃতি পুৰুষ-তত্ত্বৰ বিষয়ে কপিলৰ পৰা জানিব বিচাৰিছিল।

ভক্তিযোগৰ মূল-চিত্ত সংযম। জীৱৰ বন্ধ আৰু মুক্তিৰ মূল কাৰণ চিত্ত বা হৃদয়। চিত্ত আৰু মন সংমিশ্ৰিত সত্তা, পানীত চেনি মিহলি হৈ থকা দ্ৰবন মাত্ৰ। মন বিষয়ত আসক্ত হ'লে সংসাৰত বদ্ধ হয়। মনক শুদ্ধ কৰিব পাৰিলেহে ভক্তি সাধন সম্ভৱপৰ হয়। ভক্তি মহা কল্যানক পদ্ম। ঈশ্বৰত চিত্ত দিলে মুক্তি লাভ কৰে। মন শুদ্ধ কৰাৰ একমাত্ৰ পথ সৎসঙ্গৰ সান্নিধ্য। সৎসঙ্গ যিমান কল্যাণকৰ, দুৰ্জ্জনৰ সঙ্গ অতি ক্ষতি কাৰক। সেয়ে দুৰ্জ্জনৰ সঙ্গ ত্যাগ কৰি সৎসঙ্গৰ সান্নিধ্য লাভ কৰিলে চিত্ত-মন শুদ্ধ হয়, ভক্তি সিজে আৰু মুক্তি লাভ হয়। তলৰ পদত কপিলে ব্যক্ত কৰিছে— এই কথাকেই—।

"সিযোগ অধীন চিত্ত সংযমৰ জ্ঞান।
চিত্তেনে জীৱন বন্ধ মোক্ষৰ নিদান।।
বিষয় আসক্ত ভৈলে আতিবদ্ধ হই।

46



মন শুদ্ধ হেতু ভক্তি বিনে আন নাই। ১২৮৩।। ভাঃ
ভক্তিসে কল্যাণ পথ কহিলো বুজাই।
ঈশ্বৰত চিত্ত দিলে মুকুতি হোৱয়।।
মন শুদ্ধি আদি কৰি যতেক আছয়।
সৎসঙ্গ সবাৰে মূল জানিবা নিশ্চয়।। ১২৮৪।। ভাঃ
জীৱৰ দুল্লৰ্ভ পাশ সঙ্গক কহয়।
কিন্তু দুৰ্জ্জনৰ সঙ্গ এৰিবে লাগয়।
সেহি সঙ্গে নিতে যদি কৰিয়া সাধুত।
মোক্ষৰ দুৱাৰ তেবে হোৱয় মুকুত।। ১২৮৫।। ভাঃ

সন্ত-মহন্ত-সাধুৰ লক্ষণ সম্পৰ্কে কপিলে কৈছে— যে যাৰ চিত্ত কৰুণাৰে ভৰা, সকলোৰে সুহৃদ, শাস্ত্ৰানুৱৰ্ত্তী, যাৰ শত্ৰু নাই, সুশীল কৃষ্ণত একান্ত ভক্ত, ঈশ্বৰৰ কথাত অনুৰক্ত, তেনে সঙ্গইহে বাঞ্চনীয়। তেনে সাধুৰ সঙ্গলাভৰ অখণ্ডিত অখণ্ডিত বিদ্যা লাভ হয়, কৰ্ণৰ মল দূৰ হয়, অল্পকালে অনুক্ৰমে শ্ৰদ্ধা-ৰতি-ভক্তি জন্মে আৰু বৈৰাগ্য আহি পৰে ও মুক্তি লাভ হয়।

মাতৃদেৱহুতিয়ে কপিলৰ মুখে ধ্যান কেইবিধ শুনিবলৈ বাঞ্ছা কৰিলে। কপিলে সাংখ্য ভক্তিযোগ অনুসৰি ক'বলৈ ধৰিলে; প্ৰথমে তেওঁ উত্তম- ভকতি কাকবোলে, তাক ব্যক্ত কৰিলে—

"পুৰুষৰ সহজে ইন্দ্ৰিয় বৃত্তিচয়।
যেন মতে নিষ্কামে হৰিত প্ৰৱৰ্ত্তয়।।
ভাগৱত ভক্তি তেবে ইহাক বোলয়।
মোক্ষতো অধিক অতি গৰিষ্ঠ হোৱয়।। ১২৯৪।। ভাঃ

জীৱৰ ইন্দ্ৰিয় বৰ্গক সংযত কৰি কামনাহীন কৰি কেৱল হৰিক একাগ্ৰ কৰিব পাৰিলেই ভক্তি ঐকান্তিক হয় আৰু তাকেই ভাগৱত ভক্তি বোলা হয়। তেতিয়া লিঙ্গদেহা অৰ্থাৎ মন-বুদ্ধি -চিত্ত-অহঙ্কাৰাদি অন্তৰেন্দ্ৰিয়, পঞ্চপ্ৰাণাদিক জীৰ্ণকৰাই অন্নপান, গভাগ্নিক ঈশ্বৰীমুখী কৰি তোলে। উত্তম ভক্তি হ'লে— মনৰ অসূয়া নাথাকে, সাযুজ্য মোক্ষৰো ইচ্ছা নাথাকে, ঈশ্বৰৰ নাম-গুণ সদায় গায়, ভগৱানৰ দিব্যৰূপ হৃদয়ত ধাৰণ কৰে, মোক্ষক তৃণসম জ্ঞান কৰে, অবিদ্যা আতৰ হোৱাৰ লগে লগে ভগৱানৰ বিভূতি ৰাশি ভকতৰ পাছে পাছে ফুৰে। ভগৱন্তক ভজাজনক কালচক্ৰই নাশ কৰিব নোৱাৰে।

"যাৰা সৰ্ব্বভাবে মোক ভজিয়া আছয়।
কালচক্রে তাসম্বাক নাশ নকৰয়।।" ১৩০০।। ভাঃ
"পৰম পুৰুষ মই আত্মা জগতৰ।
মোক এৰি আনক ভজয় যিটোনৰ।।
তাহাৰ দুৰ্ঘোৰ ভাব নোহে নিবাৰণ।
নিকাৰ ভুঞ্জয় সিটো অধম দুৰ্জ্জন।। ১৩০২।। ভাঃ
মোক ভয়ে বায়ু সূৰ্য্য অগ্নি পুৰন্দৰে।
কালে বৃষ্টি আদি কৰি কৰ্ম্মক আচৰে।।

যিজনে পৰম সত্তাক এৰি আনক ভজে, তেওঁক দুৰ্ব্বাসনাই লগ নেৰে, তেওঁ যিজনে পৰম সত্ত্বাক এৰি আনক ভজে, তেওঁক দুৰ্ব্বাসনাই লগ নেৰে, তেওঁ নিকাৰ ভোগে, তেওঁ নৰাধম। পৰমব্ৰহ্মক বায়ু-সূৰ্য্য-অগ্নি-ইন্দ্ৰ -যম আদিয়েও সেৱা কৰি থাকে আৰু তেওঁৰ আদেশনুবৰ্তী হৈ থাকে।

## চৌবিশ তত্ত্বৰ সৃষ্টি ঃ

কপিলে মাতৃ দেবহুতিক সাংখ্যা-যোগৰ বিষয়ে বৰ্ণনা কৰিলে। সৃষ্টি কৰিবৰ কাৰণে প্ৰথমে অনাদি নিধন দুভাগত বিভক্ত হ'ল-পুৰুষ ৰূপধাৰণ কৰি মায়াৰ গৰ্ভত বীৰ্য্যধান কৰিলে। মহামায়াৰ পৰা মহত্তৰ সৃষ্টি হ'ল। তাৰ পাছত তিনিবিধ অহঙ্কাৰৰ সৃষ্টি হয়। এইদৰে ঈশ্বৰৰ ইচ্ছাত তত্ত্বগণৰ সৃষ্টি হয়, আৰু সকলো মিলি ব্ৰহ্মাণ্ডৰ সৃষ্টি হয়। বহুকাল পৰ্য্যন্ত ব্ৰহ্মাণ্ড নিশ্চেষ্ট হৈ আছিল আৰু ভগৱানে নাৰায়ণ নামলৈ তাত প্ৰৱেশ কৰি চৈধ্যভুবন সৃষ্টি কৰি স্থানে স্থানে স্থাপন কৰে আৰু দৈত্য-দানব-দেবক বিভিন্ন লোকত প্ৰৱৰ্ত্তন কৰে। ব্ৰহ্মাণ্ডই ভগৱানৰ বিৰাট শৰীৰ। ব্ৰহ্মাণ্ডৰ সকলো গুণ-লক্ষণ দেহৰ ভিতৰতে থকাৰ বাবে দেহেই ক্ষুদ্ৰব্ৰহ্মাণ্ড। এই সাংখ্য তত্ত্ব শ্ৰৱণ কৰি দেবহুতিয়ে কপিলক সুধিলে যে প্ৰকৃতি আৰু পুৰুষতত্ত্ব কি, পুৰুষ আৰু প্ৰকৃতিৰ ভিতৰত কোনটি স্বতন্ত্ৰ?

"প্ৰকৃতি পুৰুষ দুইৰো এৰা এৰি নাই।
অন্যো অন্যে আশ্ৰয় কৰিছে একঠাই।।
নাহি ভিন্ন ভাব যেন জলৰ ৰসৰ।
প্ৰকৃতি পুৰুষ দুইয়ো সেহি পটন্তৰ ।। ১৩১১।। ভাঃ
মুক্ত হেন কদাচিতো দেখি কোনজন।
তাৰো পুনু সংসাৰ হোৱয় উত্তপন।।





এতেকে লোকৰ মোক্ষ কেনমতে হয়।
ইটো মোৰ সংশয় ছেদিয়ো কৃপাময়। ১৩১২।। ভাঃ

প্ৰকৃতি আৰু পুৰুষ অভিন্ন। দুয়ো একে ঠাইতে স্থিতাপি লয়। পানীৰ লগত ৰস মিহলি হৈ থকাৰ দৰে পুৰুষৰ লগত প্ৰকৃতি একহৈ থাকে। ইহঁতৰ ভিতৰত কোনটি মুক্ত? কোনটিৰ পৰা সংসাৰ বন্ধন হয়? এনে ক্ষেত্ৰত সংসাৰ বন্ধনৰ পৰা মোক্ষলাভৰ উপায় কি হ'ব পাৰে? এই প্ৰশ্ন সমূহৰ উত্তৰ দি দেৱহুতিৰ মনৰ সংশয় দূৰ কৰিবলৈ কপিলক অনুৰোধ কৰে।

ভগৱান কপিলে মোক্ষলাভৰ বাবে কি সাধন পদ্ধতি গ্ৰহণ কৰিব লাগিব সেই বিষয়ে ব্যাখ্যা কৰে—

## মোক্ষ লাভৰ বাবে যোগ-পথে হৰিৰ ধ্যান

প্ৰকৃতিৰ গুণৰ পৰা আসক্তি আহে; আসক্তি আতৰ হ'লে মোক্ষ বা মুক্তি লাভ হয়। মুক্তি লাভৰ বাবে প্ৰথমেই সাধুৰ সঙ্গ ল'ব লাগে আৰু সাধুৰ সঙ্গত ভগৱানৰ গুণ-নাম কীৰ্ত্তন হয় আৰু তাক শ্ৰৱণ কৰিব লাগে; তেতিয়া ভক্তি বাঢ়ে। ভক্তিয়ে মায়া দূৰ কৰি মুক্তি দিয়ে। মোক্ষ লাভৰ এইটো সৰ্ব্বোৎকৃষ্ট সাধন মাৰ্গ।

দ্বিতীয়তে ঈশ্বৰত ধ্যানৰ যোগে সাধন কৰিবলৈ বৈষ্ণৱৰ অষ্টাঙ্গ যোগ-সাধনা সাধন পুৰুষৰ অপৰিহাৰ্য্য পদ্ধতি। প্ৰথমে একাদশ ইন্দ্ৰিয় মনক বশ কৰিব লাগিব। তাৰ বাবে প্ৰথমে যমকে আদি কৰি দ্বাদশ নিয়ম পবিত্ৰ স্থানত আসন পাতি অভ্যাস কৰিব। বৈকুণ্ঠৰ লীলা ধ্যান কৰি মনক চৈতন্য কৰিব। মনত একাগ্ৰ হোৱাৰ লগে লগে নাকৰ অগ্ৰভাগৰ দৃষ্টি ৰাখিব আৰু ভগৱানৰ বিতোপন ৰূপ চিন্তা কৰিব।

ভগৱন্তৰ মনোহৰ ৰূপ ধ্যানৰ যোগে চিন্তা কৰিব। ভগৱন্তৰ বদন পদুমৰ দৰে সুপ্ৰসন্ন, নয়ন-অৰুণৰ দৰে ৰক্তিম, নাভি পদ্ম সদৃশ, নীলপদুমৰ দৰে শ্যাম তনু, চাৰিভুজ-শঙ্খ-চক্ৰ-গদা-পদ্মেৰে শোভিত, গাতপীতবসন, কণ্ঠত কৌস্তুভ মনি, কৰ্ণত মকৰ কুণ্ডল, বক্ষস্থলে শ্ৰীবৎসৰ শাৰী, মূৰত মনিময় কীৰিতি, ডিঙিত অমূল্য ৰত্নৰ হাড়, কটিত মেখলা, চৰণত নুপুৰে ৰঞ্জিত ভগৱন্তৰ ৰূপ সামগ্ৰিক ভাৱে আৰু তাৰ পাচত অঙ্গে অঙ্গে একাকী ভাৱে চিন্তিব। পদত-ধ্বজ, বজ্ৰ-যৱ-অঙ্কুশ-পদ্মক দেখিব আৰু ক্ৰমে উৰ্দ্ধ অঙ্গক মনত চিন্তি যাব। হৃদিপদ্মত থকা মহাহৰিক হৃদয়তে প্ৰত্যক্ষ কৰিব। এইদৰে আনন্দ-সাগৰত নিমগ্ন হৈ থাকি, অহঙ্কাৰ এৰি কৃষ্ণকথাকে শ্ৰৱণ-কীৰ্ত্তম কৰিব। তেতিয়া জীৱই দেহ-জ্ঞান এৰি

পেলায়, তনুৰোমাঞ্চিত হয়, আনন্দৰ লোতক বয়, জীৱ মুক্ত হয়।

## বিভিন্ন ভক্তি

পুৰুষৰ সংকল্প অনুসাৰে ভক্তি বহুবিধৰ হয়। শত্ৰুক বধিবৰ কাৰণে যি ভক্তি কৰা হয় তাক প্ৰাকৃত তামস ভক্তি বোলে। দম্ভ ভাবে ভক্তি কৰিলে— মধ্যতামস ভক্তি  বোলা হয়। মৎসৰ ভাৱলৈ কৰিলে উত্তম তামস বোলা হয়। তামসৰ তিনিবিধ ভক্তি থকাৰ দৰে ৰাজসৰো তিনিবিধ ভক্তি থাকে। ভোগৰ আশাৰে কৰিলে প্ৰাকৃত ৰাজস, যশ লাভৰ আশাৰে কৰিলে মধ্যম ৰাজস আৰু ঐশ্বৰ্য্যৰ আশাৰে কৰিলে—উত্তম ৰাজস ভক্তি বোলে। পাপ ক্ষয়াৰ্থে কৰিলে প্ৰাকৃত সাত্ত্বিক, হৰিক প্ৰীতিৰ অৰ্থে কৰিলে মধ্যমসাত্ত্বিক, মোৰ কৰ্তব্য বুলি কৰিলে উত্তম সাত্ত্বিক ভক্তি বোলে। এইদৰে তিনি বিধৰ পৰা ন বিধ ভক্তি আৰু নবিধৰ প্ৰত্যেক বিধৰ পৰা নবিধকৈ মুঠ একাশী বিধ ভক্তি হয়। এই একাশী বিধ সগুণ ভক্তি আৰু নিৰ্গুণ ভক্তি মাত্ৰ এবিধ।




ভগৱন্তৰ গুণ শ্ৰৱণ কৰি নিষ্কাম ভাৱে মনক ভগৱন্তত অৰ্পণ কৰিলে নিৰ্গুণ ভক্তি হয়। মনৰ বৃত্তিসমূল ঈশ্বৰত লাগি থাকিলে গুণে আক্ৰমণ কৰিব নোৱাৰে। পঞ্চমুক্তিকো ভকতে আশা নকৰি কেৱল ভক্তিকে পৰম সুখ বুলি মানে। এই ভক্তি সাধনাৰ বাবে তলত দিয়া সাধন প্ৰক্ৰিয়াক গ্ৰহণ কৰিব লাগিব। কপিলে কৈছে—

- মোত অৰ্পিয়া নিষ্কামভাৱে স্বধৰ্ম্ম কৰিব।
- নিতে পূজা কৰিভ।





- মোৰ প্ৰতিমাক দৰ্শন, স্পৰ্শন, প্ৰণাম কৰিব।
- প্ৰাণীত হৰিবুদ্ধি, বিষয়ত বিৰকতি, মহন্তক মান্য, দীনক দয়া, সমানত মৈত্ৰী কৰিব।
- মোৰ নাম-কীৰ্তন কৰিব, মহন্তৰ সঙ্গ ল'ব, মোৰ কথা শুনিব।

তেহে সাধন চিত্ত-শুদ্ধ হৈ পুৰুষে সাক্ষাতে মোক পাব। মই সকলো প্ৰাণীৰ হৃদয়ত থাকো।”

জ্যেষ্ঠ শ্ৰেষ্ঠজনক সৎকাৰ কৰিব লাগে; বৃক্ষতকৈ পক্ষীবোৰ শ্ৰেষ্ঠ, পক্ষীত কৈ পশুশ্ৰেষ্ঠ, পশুতকৈ মানুহ শ্ৰেষ্ঠ। মানুহৰ মাজত পণ্ডিত শ্ৰেষ্ঠ, পণ্ডিতকৈ একান্ত ভক্ত শ্ৰেষ্ঠ। কাৰণ ভকতে জগতকে মান্য কৰে, ভগৱন্তৰ কথা নিৰন্তৰে শ্ৰৱণ-কীৰ্তন কৰে।

বৃক্ষ- পক্ষী- পশু-মনুষ্য- পণ্ডিত- একান্ত ঈশ্বৰ ভক্ত শ্ৰেষ্ঠ।

কপিলে মাতৃক কাল আৰু কালৰ প্ৰভাৱ সম্পৰ্কে কৈছে যে জীৱ ও সংসাৰৰ ওপৰত কালৰ প্ৰভাৱ দুৰ্ণিবাৰ। কালেই সকলোকে পৰিচালনা কৰে, ভগৱন্তই কালৰূপে জীৱ-জগতৰ ওপৰত নিয়ন্ত্ৰণ চলাই থাকে। মেঘগণক বায়ুৱে চলাই লৈ ফুৰে যদিও মেঘে বায়ুৰ অস্তিত্ব অনুভৱ কৰিব নোৱাৰে। মানুহে সুখ পাবৰ বাবে অৰ্থ উপাৰ্জ্জন কৰে, কিন্তু কালে তাক বিনাশ কৰে। পাৰমাৰ্থিক বিচাৰত গৃহ-পুত্ৰ-ভাৰ্য্যা-ক্ষেত্ৰ-মিত্ৰ-দেহাদিৰ অৰ্থ নাই। যতেই আশা তাতে দুঃখ, যতেই বিৰকতি তাতেই সুখ। শৰীৰ নৰক সদৃশ, বিষ্ঠা-মুত্ৰাদি ভক্ষণ কৰিও শৰীৰক ৰক্ষা কৰিবলৈ নৰে বিচাৰে। মিটিৰ কুটুম্বৰ প্ৰতি অশেষ ধাউতি ৰাখি ভগৱন্তৰ প্ৰতি, ভকতৰ প্ৰতি পিঠি দিয়ে। সাধু সঙ্গলাভত যে ভক্তি কৰিব লাগে তাক পাহৰি যায়। ভাৰ্য্যা-পুত্ৰ-ভৃত্য গণক পালন-পোষণৰ চিন্তাজ্বৰতে সময় থাকিও কেচুৱা সন্তানৰ মধুৰ মাতত মোহ গৈ থাকে। তেওঁলোকৰ পোষণৰ বাবে অতি অন্যায় কামো কৰে।

“সুখ পাইবো বুলি নানা কৰয় প্ৰয়াস।<br>
যিবা অৰ্থ আৰ্জ্জে তাকো কালে কৰে নাশ।।<br>
তেবে তাৰ অৰ্থে শোক কৰে দিনে ৰাতি।<br>
কালৰ বিক্ৰম তাক বুজিবাহা আতি।।” ১৩৭২।। ভাঃ

.......................................................

“ঘোৰ সংসাৰত যেইসেই যোনি যায়।<br>
নাহি বিৰকতি তৈতে তৈতে দুঃখ পায়।।

তভো তাৰ দেহ এৰিবাক ইচ্ছা নাই।"
নাৰকী শৰীৰ পায় বিষ্ঠা মূত্ৰ খাই।। —১৩৭৭।। ভাঃ
...................................................
ক্ষণো বেশ্যা নাৰীৰ শৃঙ্গাৰ ৰস পাই।
বোলে আৰ আত পৰে কিছু সুখ নাই।। ১৩৭৭।। ভাঃ

এইদৰে মানুহে যুৱাকাল বিফলে অতিক্ৰম কৰি বৃদ্ধকাল পায়। বৃদ্ধকালত কুটুম্বক পোহ-পালন কৰিবলৈ অসমৰ্থ হয়, ভাৰ্য্যা-পুত্ৰয়ো আগৰ দৰে আদৰ নকৰে, কথাকলেও উত্তৰ নাৰায়ণ, "খাবহে পাৰ কাম কৰিব নোৱাৰে" বুলি ভেকাহি যায়। অনুমতি দিলেও—" মৰ্ মৰ্ বুলিহে" দিয়ে।

" বুঢ়া বলধক যেন গৃহস্থ নাদৰ।।
তাকো ভাৰ্য্যা পুত্ৰ সাৰ সেহিমতে কৰে।।
তথাপি পাপীৰ তাৰ নাহি বিৰকতি।
নলৰে সাধুৰ সঙ্গ নকৰে ভকতি।। ১৩৮২।।

সিমানতো মনলৈ বিৰক্তি নাহে আৰু সাধুৰ সঙ্গত ভকতি কৰিবলৈ চেতনা নাহে। জৰা আৰু ৰোগে শৰীৰক বিবৰ্ণ কৰে, চুলি পকে, দাঁত সৰে উদৰৰ জঠৰ অগ্নি কমি যোৱাৰ বাবে অলপমাত্ৰ আহাৰ খায় যদিও হজম কৰিব নোৱাৰা হয়। খোজ কাঢ়িবও নোৱাৰে, গাৰ শক্তি নোহোৱাৰ বাবে কফে ধৰে, বিচনাতে শৌচ-মূত্ৰ এৰে। সেই সময়ত কুটুম্বই কয়—

" কোৱা পিতৃ কৈত থৈয়া আছা দ্ৰব্যচয়।
কালৰ অধীন হয়া উত্তৰ নেদয়।" ১৩৮৫।। ভাঃ

## সংসাৰ ও তামসী গতিঃ বিষয়ীৰ অধোগতি ।।

মৃত্যুৰ আগমুহূৰ্তত ৰোগাক্ৰান্ত হৈ থকা অৱস্থাত জীৱই অশেষ নিকাৰ নিৰ্য্যাতন ভোগ কৰিব লগা হয়। প্ৰৌঢ় অৱস্থাত ভোগ কৰা যাতনা সমূহেই হয়তো নৰক-যাতনা। দেহৰ পৰা জীৱ নিৰ্গত হোৱাৰ পাচত ইহ জন্মৰ কৰ্মফল খিনি সংস্কাৰ হিচাবে জীৱই লগত লৈ যায় আৰু ইয়েই প্ৰাৰব্ধ কৰ্ম্ম ফল হিচাবে পৰিগণিত হয় ও তাৰ পৰিণামত পুনৰ জন্ম গ্ৰহণ কৰে। মুমুৰ্ষু অৱস্থাত কালে 'যমদূত' হিচাবে জীৱক নিৰ্য্যতন দিয়াত জীৱ অতীষ্ঠ হৈ উঠে। শৰীৰ জ্বালা যন্ত্ৰণা আৰু মানসিক দুঃচিন্তাক দুই যমদূত বুলি ধৰা হৈছে। এনেদৰে চাৰিদণ্ড সময় কমেও অতিবাহিত কৰিব লগা হয়। জীৱই তামিশ্ৰ নৰক ভোগ কৰি পাপৰ শাস্তি ভোগ কৰে।





স্ত্ৰী বা পুৰুষ— দুয়োবিধেই পাপ কৰে আৰু নাৰকী জীৱনৰ নিকাৰ ভোগে। পুণ্য অৰ্জ্জুনৰ বাবে সুখ বা স্বৰ্গ ভোগ আৰু পাপ অৰ্জ্জুনৰ বাবে নৰক যন্ত্ৰণা ভূগি প্ৰাণ এৰিব লগা হয়। এই সংসাৰতে, এই জীৱনতে স্বৰ্গ ভোগ আৰু নৰক ভোগ বিদ্যমান।

"স্ত্ৰী বা পুৰুষ যেই পাতক কৰয়।
সেহি যায় দুৰ্ঘোৰ নৰক ভাগী হয়।।
স্বৰ্গ নৰকক দুইকো ঐতে দেখাৱয়।
কতো সুখী কতোহো দুঃখত প্ৰাণ যায়।।" ১৩৯৮।। ভাঃ

মৃত্যুৰ সময়ত জীৱনৰ সম্বল মাথো পাপৰ টোপোলাটোহে থাকে; তাকে পথৰ সম্বল হিচাবে পাপীসকলে বহন কৰি নিয়ে।

"পথৰ সমল মাত্ৰ পাপখানি লই।
শৰীৰক এৰি নৰকত পৰে যাই।।" ১৩৯৯।। ভাঃ

অৰ্জ্জিত পাপৰ ফলত সেই জীৱই পশু বা পক্ষী হৈ জন্ম গ্ৰহণ কৰে অৰ্থাৎ বিষয়ীৰ অধোগতি হয়। কৃমি-কীট আদি নানা যোনিত জন্মগ্ৰহণ কৰি জীৱই ভোগ ভূঞ্জি পাপ ক্ষয় কৰি পুনৰ মনুষ্য তনু লাভ কৰে।

"পাছে অৱশেষ পাপ লৈয়ে দুৰাশয়।
পৃথিৱীত আসি পশু পক্ষী বৃক্ষ হয়।। ১৪০০।। ভাঃ
কৃমি কীট আদি নানাবিধ যোনি পায়।
তভো তাৰ দুঃখ দণ্ডে সুখসৰ যায়।।
অনুক্ৰমে ভোগভূঞ্জি পাপ কৰি ক্ষয়।
পুনৰপি আসি সিটো মনুষ্য হোৱয়।। ১৪০১।। ভাঃ

অমূল্য মনুষ্য জীৱন পুনৰ লাভ কৰিবলৈ আৰু মনুষ্য জীৱতে মুক্তি লাভ কৰিবৰ কাৰণে সাধু সঙ্গত ৰান্না নাম লবলৈ জীৱই যত্ন কৰা উচিত যাতে যমৰ যাতনাৰ পৰা হাত সাৰিব পৰা যায়।

## সন্তান উৎপন্ন —

কৰ্ম্ম বাসনাই জন্মৰ মূল কাৰণ। পুৰুষৰ মনত কৰ্ম্মবাসনা জাগি উদৰত স্থিতি লাভ কৰে, আৰু নাৰীৰ সান্নিধ্য লাভ কৰি শৃঙ্গাৰত আপ্লুত হৈ থকা অৱস্থাত ৰেতসৰ সৈতে স্ত্ৰীৰ জৰায়ুত শোণিতৰ লগ লাগি একত্ব হৈ উদৰত স্থিত হয়।

"কৰ্ম্মৰ ইচ্ছাই পুৰুষৰ মন

প্ৰৱেশয় উদৰত।। ১৪০৫।। ভাঃ

নাৰীৰ শৃঙ্গাৰ সময়বেলাত
ৰেতস সহিতে যায়।
স্ত্ৰীৰ শোণিতে একলগ হুয়া
উদৰতলৰে ঠাই।। ১৪০৬।। ভাঃ



এক ৰাত্ৰিত একেলগে হয়, পাচৰাতিত বৰ্তুল পৰিমাণ, দশমদিনত বগৰীৰ সমান, দুই মাহত শিৰ-বাহু, ৩ য় মাহত নোম-নখ, লিঙ্গ চিহ্ন, চাৰি মাহত সপ্তধাতু, পঞ্চম মাহত- ক্ষুধাতৃষ্ণা, ছয়মাহত ছাল, ৰ সৃষ্টি হয় আৰু মাতৃৰ সোঁগৰ্ভত ভ্ৰমণ কৰে। আপ্যায়নী নাৰীৰ লগত তাক বন্ধা থাকে আৰু সেই নাৰীয়েদি গৰ্ভস্থ সন্তানে আহাৰ সংগ্ৰহ কৰে। এই সময়ত সন্তানৰ অত্যন্ত গাৰ বিষ হয়। মাতৃয়ে খোৱা জ্বলা, তিতা, লোণীয়া, খাৰৰ ৰস তাৰ দেহত পৰে আৰু মূৰ্চ্চা যায়। ছালৰ দৰে মোনাৰ ভিতৰত থাকি সন্তানে গা-লৰচৰ কৰিব নোৱাৰি বহু কষ্ট পায়। সেই সময়ত জীৱই পূৰ্ব্বজন্মৰ কৰ্ম্ম সোঁৱৰি অশান্তি ভোগ কৰে। ৭ ম মাহত বোধ জন্মাৰ লগে লগে ভয়ৰ সৃষ্টি হয় আৰু প্ৰসূতি বায়ুৰে লগ লয়।

**গৰ্ভস্থ সন্তানৰ ভগৱন্তৰ স্তুতি —**

গৰ্ভস্থ সন্তানে হাতেৰে কৃতাঞ্জলি কৰি সৃষ্টিকৰ্তা পৰমেশ্বৰক স্তুতি কৰে। সন্তানে কয়— " হে কৃপাময়, তুমি লীলা কৰি ৰাম, কৃষ্ণাদি অৱতাৰ লৈছে, মই অধম, তোমাত শৰণ লৈছো, তুমি সেব্য সেই সেৱক, মই মাতৃৰ গৰ্ভত পৰি আছোঁ, পঞ্চভূতৰ দেহ লৈ চিৰকাল বন্দী হৈ আছোঁ, এইদেহে তোমাক পোৱা দুৰুহ—

"পঞ্চভূত দেহে পৰি আছোঁ মই
বন্দী হুয়া চিৰকাল।
ইটো দেহে যাক বান্ধিবে নাপাৰে
প্ৰণামো হেন কৃপাল।। ১৪১৪।। ভাঃ

মায়াৰে আবৰা দেহে তুমি সত্য ব্ৰহ্মক চিনিবলৈ টান হ'ব, গতিকে নানা ক্লেশ পাব লগা হ'ব। সেই বাবে হে পৰমপিতা তুমি অনুগ্ৰহ কৰা যাতে আমি জীৱকুলে তোমাক চিনিব পাৰোঁ। তিনি তাপাময় সংসাৰত তৰিবৰ বাবে তোমাক ভজোঁ। মই মাতৃৰ গৰ্ভত বিষ্ঠা মূত্ৰৰ লগত পৰি আছোঁ, গভাগ্নিয়ে দেহ দহিছে; গতিকে মোক বেগতে গৰ্ভৰ পৰা উদ্ধাৰ কৰা প্ৰভু।



" হে প্ৰভু ভগৱন্ত মই যেন দুঃখ পাওঁ
তয়ু পদে কৰো নিবেদন।
মাতৃৰ উদৰে ঘোৰ বিষ্ঠাৰ মূত্ৰৰ গৰ্ত্তে
পৰি মই আছোহে দুৰ্জ্জন।। ১৪১৭।। ভাঃ
আতে আৰু গভাগ্নিয়ে সমস্ত শৰীৰ দহে
দিন মাহ কৰোহোঁ গনন।
ইটো নিকাৰৰ হন্তে কোন দিন কৃপা কৰি
বাহিৰ কৰিবা নাৰায়ণ।। ১৪১৮।। ভাঃ

গৰ্ভস্থ সন্তানে ভগৱন্তক বাহিৰ কৰিবলৈ স্তুতি কৰি পাচ মুহূৰ্ততে গৰ্ভতে থাকিবলৈ ইচ্ছা কৰিছে, কিয়নো জন্ম হোৱাৰ লগে লগে অন্ধকুপ সদৃশ সংসাৰত পৰি -মায়াৰ আবৰণৰ মাজত থাকি, অহঙ্কাৰত মতলীয়া হৈ থাকি পুনৰ এনে গৰ্ভবাসৰ কষ্ট সহ্য কৰিব লাগিব। গতিকে এই গৰ্ভত থাকিয়েই নিজক উদ্ধাৰ কৰিব লাগিব।" এনেদৰে স্তুতি কৰি থাকোতেই প্ৰসূতি বায়ুয়ে অধোমুখ কৰি যোনিদ্বাৰ বাহিৰ কৰিলে।

"বিষ্ঠায়ে শোণিতে আতি শৰীৰে লিপিত হুয়া
পৃথিৱীত পৰি বাগৰয়।
গৰ্ভৰ যতেক জ্ঞান সমস্তে গুচিল তাৰ
তেঁয়া তেঁয়া কৰিয়া কান্দয়।। ১৪২১।। ভাঃ

মাতৃয়ে তেতিয়া স্তন দি কান্দন বন্ধ কৰে। বিষ্ঠা মূত্ৰেৰে বিচনাত শুই থাকে, ডাঁহে-মহে কামোৰে, এইদৰে পাচ বছৰ পৰ্য্যন্ত নানা যাতনা। ভূগি কটায়।

জন্মললেই সংসাৰ অৰণ্যত ভ্ৰমিব লাগিব। মায়াৰে আবৰা হৰিণৰ পাছে পাছে ঘেতিব লাগিব, আশা নদীৰ পাৰে পাৰে দৌৰিব লাগিব, তিনিতাপৰ তিনিকুৰা জলন্ত অগ্নিৰ মাজত জীৱন কটাব লাগিব, তিনি তাপৰ তিনিকুৰা জলন্ত অগ্নিৰ মাজত জীৱন কটাব লাগিব, চিন্তা-জৰা-ব্যাধিত জ্বলা কাল হ'ব লাগিব, নোপোৱাৰ বেদনাত হিয়াধাকুৰী কান্দিব লাগিব, অফুৰন্ত সম্পদ পায়ো ভোগ কৰিব নোৱাৰো বেদনাত মৰ্ম্মাহত হ'ব লাগিব, আৰু এইদৰে চাৰিওফালে কেৱল হাঁহাকাৰৰ মাজত জীৱন অতিক্ৰম কৰি মৃত্যুক সাবটি ল'ব লাগিব আৰু পুনৰ একে গৰ্ভবাসৰ নিৰ্য্যাতন।

ইয়াৰ পৰা উদ্ধাৰ পোৱাৰ সুদৃঢ়-সুগম পথ সাধু সঙ্গত ভগৱন্তৰ -সৃষ্টি-স্থিতি-সংহাৰ-অৱতাৰ লীলাৰ অমৃতময় গুণগান শ্ৰৱণ-কীৰ্তন কৰা। পৰম

কৃপালু ভগৱন্তত অচলা ভক্তি কৰি কৰ্ম্মবন্ধনৰ পৰা মুক্তি লাভ কৰা আৰু ভক্তি-সিন্ধুত, পৰমানন্দ সাগৰত বুৰ গৈ থকা।

## দেবহুতিক কপিলৰ জ্ঞানদান —

।। স্ত্ৰীৰসঙ্গ।। কপিলে দেবহুতিক ক'লে—যে পৌগ (ল'ৰালি) কালত জীৱই বিদ্যা অৰ্জ্জুনৰ ক্ষেত্ৰত বহু কষ্ট পায়, যৌৱন কাল আহি পোৱাৰ লগে লগে মনৰ বাঞ্ছাপূৰণ কৰিব নোৱাৰাত ক্ৰোধ-শোক কৰিব লগা হয়। ক্ৰোধ-অভিমান বাঢ়ি কামাতুৰ হৈ নানা দুষ্কৰ্ম্ম কৰে। দুৰ্জ্জনৰ সঙ্গলাভ কৰি পাঞ্চভৌতিক দেহৰ সুখৰ বাবে নানা ধৰ্ম্ম কৰে। কেৱল **শিশ্ন** (লিঙ্গ) আৰু উদৰ (পেট) ৰ বাবে সৰ্ব্বক্ষণ অতিবাহিত কৰে।

"শিশ্ন উদৰক মাত্ৰ পোষে সৰ্ব্বক্ষণ।" ১৪৩০।।

সত্য -শৌচ-তপ আদি সদগুণ সমূহ অসাধুৰ সঙ্গত নষ্ট হয় আৰু স্ত্ৰী সঙ্গত খেলাৰ বান্দৰৰ দৰে ক্ৰীড়া কৰে।

"স্ত্ৰী সমস্তৰ যেন ক্ৰীড়া বানৰ"।। ১৪৩২।।

স্ত্ৰীৰ সঙ্গত অনৰ্থ মাত্ৰহে হয়। আনকি সৃষ্টিকৰ্তা ব্ৰহ্মাই নিজ দুহিতাৰ ৰূপত মোহ গৈছিল। স্ত্ৰীৰ সঙ্গত অনৰ্থ মাত্ৰহে হয়। সৃষ্টিকৰ্তা ব্ৰহ্মাই নিজ দুহিতাৰ ৰূপ সৌন্দৰ্য্যত মোহ যোৱাই ইয়াৰ উদাহৰণ।ব্ৰহ্মাই মোহ গৈ মৃগৰূপ ধৰি সৰস্বতীক প্ৰেমালিঙ্গন কৰাত সৰস্বতী দৌৰি পলাব লগীয়া হৈছিল। স্ত্ৰী মায়াত মোহ নোযোৱা লোক পাবলৈ টান।

"তাহান সৃষ্টিত যত যত প্ৰাণীচয়।
স্ত্ৰীয়ে নুমুহিবে হেন কেহো নাহিকয়।।
কিন্তু নাৰায়ণ বিনে নেদেখো বিচাৰি।
তাঙ্ক মাত্ৰ মুহিবে নোৱাৰে অন্যনাৰী।।" ১৪৩৫।।

পৰম বৈৰাগী যোগীসকলে স্ত্ৰীক নৰকৰ দুৱাৰ বুলি স্ত্ৰী সঙ্গ ত্যাগ কৰে। পাৰ্থিব স্বামীক ভাৰ্য্যাই স্বামী বুলি ভাবিলেও পৰমাৰ্থ বিচাৰত তেওঁ স্বামী নহয়; কাৰণ তেওঁৰ স্বামীয়ে তেওঁক ৰাখিব নোৱাৰে। মৃত্যু বিচাৰত ঈশ্বৰ হে স্বামী।

"যাক স্বামী কৰি মই মানোসো জ্ঞানত।
নুহি কেহোপতি ইটো মৃত্যু বিচাৰত।।
এহিমতে শুনি যিটো হোৱে ভাগ্যৱতী।
পতি পুত্ৰ এৰি মোত কৰোক ভকতি।।" ১৪৪০।।

"নাৰীৰ দৰে পুৰুষেও পুত্ৰ-ভাৰ্য্যাৰ সঙ্গ পৰিত্যাগ কৰি অহৰ্নিশে মোক





ভজিব।"

## সকাম কৰ্ম্মৰ ফল —

ইয়াৰ পাচত সকাম কৰ্ম্মৰ ফল সম্পৰ্কে কপিলে কৈছে— যে গৃহাশ্ৰম ধৰ্ম্মত থাকি বেদৰ পুষ্পিত বাক্যক সাৰ বুলি ভাবি যিলোক আনন্দ মনেৰে নানা দ্ৰব্য গোটাই পশু বধ কৰি যজ্ঞ কৰে আৰু দেৱ-পিতৃক পূজা কৰে, স্বৰ্গলাভৰ কামনাৰে কৰ্ম্ম কৰে তাকে সকাম কৰ্ম্ম বোলা হয়। স্বৰ্গলাভ কৰি অপেস্বৰাৰ লগত কামকেলি কৰিম বুলি মনত সংকল্প কৰে, ধৰ্ম্ম-অৰ্থ- কাম লাভৰ বাবেই তেওঁলোক লালায়িত হয়। তেওঁলোকে কৃষ্ণ কথামৃতক তুচ্ছ জ্ঞান কৰে, কাৰণ গাহৰিয়ে বিষ্ঠা ভোজন কৰি আমোদ পোৱাৰ দৰে কুকথাহে শুনে।

"অচ্যুতৰ কথা এৰি কুকথা শুনয়।
যেহেন শূকৰে ৰঙ্গে বিষ্ঠাক ভূঞ্জয়।।" ১৪৪৫।।
" পাচে সিটো পাপীচয় দেহাক এৰায়।
পৰম আনন্দে স্বৰ্গ পুৰক পাৱয়।।" ১৪৪৬।।

এওঁলোকে দেহা এৰাৰ পাচত স্বৰ্গ পায় যদিও পুণ্যক্ষয় হোৱাৰ লগে লগে পুনৰ পৃথিৱীলৈ ঘূৰি আহি সংসাৰ চক্ৰত পৰেহি। সেই হেতু মাতৃক কপিলে ভকতি কৰিবলৈহে উপদেশ দিছে—

"এহি জানি মাৰ তুমি এৰি কৰ্ম্মগণ।
সাবধান কৰি আতি কায়-বাক্য-মন।। ১৪৫১।।
একান্ত ভকতি ভাবে কৰিয়া যতন।
মই ঈশ্বৰত মাত্ৰ পশিয়ো শৰণ।।
সমস্তে ভূতৰ মই হৃদয় পথত।
নিবাস কৰিয়া মাতৃ থাকোহো সতত।।" ১৪৫২

হৃদয় পদ্মত থকা ঈশ্বৰক সযতনে ভক্তি কৰিলে অল্প কালে সংসাৰক মায়াময় বুলি উপলব্ধি কৰিব পৰা জ্ঞান জন্মে। জ্ঞান আৰু ভক্তি অৰ্থাৎ ভক্তিযুক্ত জ্ঞান লাভ হ'লে ভগৱন্তৰ স্বৰূপ দৰ্শন হয়। ওপৰত কৈ অহা সমস্ত তত্ত্ব দুৰ্জ্জন, চটুৱা, অধাৰ্ম্মিক, দুৰাচাৰ, লুভীয়া, গৃহ সুখত ৰত থকা জন, ঈশ্বৰভক্তৰ বিদ্বেষীক কেতিয়াও কব নালাগে।

"কহিলো, তোমাত ইটো কথা গুহ্য তত্ত্ব।
থলুৱা চটুৱা ধৰ্ম্ম যিটো গৰিহিত
ইসবত পুনু নকহিবা কদাচিত।। ১৪৫৯।।

দুৰাচাৰ লুভীয়া যে গৃহ সুখে ৰত।
মোহোৰ ভকত দ্বেষী যিটো অভকত।।
এনয় লোকত নিষ্ঠে নকহিবা আই।
উপদেশ দিবাৰ কহও আবে ঠাই।।" ১৪৬০।।

ভক্তি-তত্ত্ব কাক ক'ব লাগে তাকো ভগৱান কপিলে স্পষ্ট কৰি কৈছে— পৰমভক্ত, প্ৰাণীক হিংসা নকৰা জনক, অসূয়াহীন জনক, বিষয় বিৰক্ত, শান্তমতি, শুদ্ধমতি, ভগবানত শ্ৰদ্ধা থকা জনকহে ক'ব লাগে।

"শ্ৰদ্ধালু পৰমভক্ত আতি সুবলিত।
নকৰে প্ৰাণীক দ্ৰোহ অসূয়া বৰ্জ্জিত।।
বিষয়-বিৰক্ত শান্ত মতি শুদ্ধচিত্ত।
মই মাত্ৰ প্ৰিয় তাৰ কহিলো নিশ্চিত।। ১৪৬১।।
তাসম্বাত মাতৃ কহিবাহা যত্ন কৰি।
তেবে আসি অল্পতে সন্তুষ্ট হৈব হৰি।।
যাৰা সবে শ্ৰদ্ধা কৰি ই কথা শুনয়।
মোত মন দিয়া যিটো কীৰ্তন কৰয়।। ১৪৬২।।
ভগবান তেনেজনৰ সদায় অনুগত হৈ থাকে।

## মাতৃ দেৱহুতিৰ জ্ঞান লাভ আৰু মুক্তি—

ভগৱান কপিলৰ মুখে- দেৱহুতিয়ে তত্ত্ব জ্ঞান লাভ কৰি পৰম কৃতাৰ্থ হ'ল আৰু পুত্ৰ কপিলক স্বয়ং ভগৱান বুলি জানি স্তুতি কৰিলে। কপিলে মাতৃক তেওঁ কোৱা ভক্তিপথ ধৰি আশ্ৰমতে থাকিবলৈ ক'লে, আৰু মাতৃৰ পৰা বিদায় ল'বলৈ ইচ্ছা কৰিলে। দেৱহুতিয়ে পুত্ৰক ইচ্ছানুসৰি পথ গ্ৰহণ কৰিবলৈ কলে। কপিলে মাতৃৰ পৰা বিদায় লৈ উত্তৰ দিশে গমন কৰিলে আৰু দেৱহুতিয়ে পুত্ৰক বিদায় দি পুত্ৰ স্নেহত কাতৰ হৈ শোৰ্কাত্ত হ'ল. অশেষ ধৈৰ্য্য ধৰি দেৱহুতিয়ে সাংখ্য-ভক্তি গ্ৰহণ কৰিলে। ভক্তি-বিৰক্তি-জ্ঞানৰ বলত। জীৱন্মুক্ত হ'ল। তৃতীয় স্কন্ধৰ বিষয় ইমানতে সমাপ্ত হ'ল।

## ৩ য় স্কন্ধৰ সামৰণি —

ভাগৱতৰ তৃতীয় স্কন্ধত মহাপুৰুষ শ্ৰী মন্ত শঙ্কৰদেৱে সৃষ্টিতত্ত্ব বৰ্ণনা কৰিছে— তাত জগতৰ মহাপ্ৰলয়, মহামায়াৰ উৎপত্তি, জগৎ সৃষ্টি, চৈধ্যব্ৰহ্মাণ্ডৰ সৃষ্টি, তিনিদেৱৰ উৎপত্তি, গ্ৰহ নক্ষত্ৰৰ উৎপত্তি আৰু পদ্ম কল্পত তাত্ত্বিক বৰ্ণনা





বিস্তৃতভাবে প্ৰকাশ পাইছে আৰু সমস্ত কাহিনীক লৈ অনাদি পাতন শাস্ত্ৰ, নামেৰে নামাঙ্কন কৰা হৈছে। গোপালচৰণ দ্বিজৰ দ্বাৰা বৰ্ণিত ৩ য় স্কন্ধ ভাগৱতৰ কাহিনীৰ মূল কথা কৈছে— পদ্মকল্পৰ বৰ্ণনা, ব্ৰহ্মাৰ সৃষ্টি, কালৰ মহিমা, বৰাহ অৱতাৰ লীলা, জয়-বিজয়ৰ ওপৰত অভিশাপ, হিৰণ্যাক্ষ -হিৰণ্যকশিপুৰ জন্ম, হিৰণ্যাক্ষ বধ, আৰু ভগৱান কপিলৰ অৱতাৰ ও সাংখ্য-ভক্তি যোগ আদি।

'অনাদি পাতন'ত বৰ্ণনা কৰা সৃষ্টিতত্ত্ব তত্ত্বগধুৰ ভাৱেৰে সমৃদ্ধ। ভগৱন্তৰ লীলা চাৰিবিধ-সৃষ্টি-স্থিতি, সংহাৰ আৰু অৱতাৰ কৰ্ম্ম লীলা। ভগৱন্তই জগত সৃষ্টি কৰি পালন কৰে আৰু সময়ত সংহাৰ কৰে। তেওঁ সৃষ্টি কৰিবৰ কাৰণে প্ৰধান শক্তি মহামায়াক বা প্ৰকৃতিক সৃষ্টি কৰে আৰু তেওঁৰ দ্বাৰাই জগত সৃষ্টি কৰোৱায়। সৃষ্টি সম্পন্ন হোৱাৰ পাচত নিজে পালন কৰে। সৃষ্টিৰ বাবে ব্ৰহ্মাক আৰু সংহাৰৰ বাবে শিৱ বা ৰুদ্ৰক স্ৰজন কৰে। প্ৰধান দেৱতা তিনিজনৰ উপৰিও ভগৱন্তই নিজ শক্তিৰ পৰা দেৱ-দেৱতা, সিদ্ধমুনি আদি কৰি উৰণ-বুৰণ-গজন ভ্ৰমণ চাৰিবিধ প্ৰাণীৰ সৃষ্টি কৰি স্থানে স্থানে স্থাপন কৰিলে। প্ৰপঞ্চ বা চৈধ্যভুবন সৃষ্টি কৰি সমস্তৰে অধিৰ্কতা হিচাবে ভগবানে ব্ৰহ্মাণ্ড পৰিচালনা কৰিলে। এই বৃহৎ ব্ৰহ্মাণ্ডত থাকি ভগবানে ক্ষুদ্ৰ ব্ৰহ্মাণ্ড অৰ্থাৎ প্ৰাণীৰ হৃদয়ত থাকি প্ৰাণীৰ দেহ পৰিচালনা কৰিলে। ব্ৰহ্মাণ্ডৰ সকলো গুণ দেহতেই বিদ্যমান।

ভগৱানে প্ৰথমে পদ্ম কল্পত ব্ৰহ্মাণ্ডৰ সৃষ্টি সূচনা কৰি প্ৰয়োজন সাপেক্ষে বৰাহ প্ৰমুখ্যে বিভিন্ন অৱতাৰ গ্ৰহণ কৰি লীলা কৰি থাকে। ভগৱানে কপিলৰূপে অৱতাৰ লৈ মাতৃক জ্ঞান-দান-কৰিলে, প্ৰলয়জলৰ পৰা বেদ উদ্ধাৰ কৰিলে। আত্ম-তত্ত্বজ্ঞান জীৱক-দিবৰ কাৰণেই তেওঁ নানা অৱতাৰ লৈ জগতৰ জ্ঞান - বিজ্ঞান-তদং-ৰহস্য জ্ঞান দি জীৱক উদ্ধাৰৰ পথ দিলে। মায়াৰ পৰা তৰণৰ কাৰণে জীৱক নানা লোক শিক্ষা প্ৰদান কৰিলে।

"ব্ৰহ্ম, পৰমাত্মা, ভগৱন্ত- একতত্ত্ব' একৰেসে তিনিনাম লক্ষণ ভেদত।"— এই তত্ত্ব সাৰোগত কৰি গুৰু-শাস্ত্ৰৰ উপদেশ মতে ভক্তৰ সঙ্গত ভগৱন্তত পৰম মঙ্গল নাম-শ্ৰৱণ-কীৰ্তন কৰি সুখে সংসাৰত তৰি মুক্তি লভিবলৈ সকলোৰে ভাগৱত পৰায়ন হোৱা নিতান্তই বাঞ্ছনীয়।

———— ঃঃ————

# ।। চতুৰ্থ স্কন্ধ ।।

**মূলবিষয় ঃ**


| | |
|---|---|
| জয়ৰাম বিৰচিত - | ১। মনুকন্যাৰ বিৰৰণ। |
| কলাপ চন্দ্ৰ দ্বিজ বিৰচিত - | ২।প্ৰজাপতি দক্ষ, সতীৰ দেহত্যাগ, শিৱৰ মহিমা। |
| বিষ্ণু ভাৰতী কৃত— | ৩। ধ্ৰুৱৰ চৰিত্ৰ। |
| কলাপ চন্দ্ৰ দ্বিজ বিৰচিত — | ৪। বেনৰ অত্যাচাৰ। |
| | ৫। পৃথুৰ অৱতাৰ আৰু কৰ্ম্মলীলা। |
| | ৬। ৰুদ্ৰগীত বৰ্ণন। |
| ৰত্নাকৰ মিশ্ৰ বিৰচিত- | ৭। পুৰঞ্জন আখ্যান |
| | ৮। প্ৰাচীন বৰ্হিৰ দেহ ত্যাগ আৰু দশ প্ৰচেতাৰ কথা। |


১।। **মনু কন্যাৰ বিৰৰণ**।।

।। **মনু কন্যাৰ বংশ**।।

ব্ৰহ্মাৰ পুত্ৰ স্বায়ম্ভুব মনুৱে শতৰূপাক বিয়া কৰে আৰু তেওঁলোকৰ তিনি গৰাকী দুহিতাৰ জন্ম হয়, আৰু তেওঁলোক হৈছে— আকুতি, প্ৰসূতি আৰু দেৱহুতি। তদুপৰি মনুৰ দুই পুত্ৰ হৈছে প্ৰিয়ব্ৰত আৰু উত্তান পাদ। আকুতিক ৰুচি প্ৰজাপতিত বিয়া দিয়ে আৰু তেওঁলোকৰ - যজ্ঞ নামে এটি পুত্ৰ আৰু দক্ষিণা নামৰ এগৰাকী কন্যা জন্মে। মনুৱে দক্ষিণাক যজ্ঞলৈ বিয়া দিয়ে। মনুৰ দুহিতা দেবহুতিক কৰ্দ্দম ঋষিলৈ বিয়া দিয়ে আৰু তেওঁলোকৰ ন জনী কন্যা জন্মে। নগৰাকীৰ ভিতৰতে ‘কলা' নামৰ কন্যা গৰাকীক মৰীচিত বিয়া দিয়ে আৰু পূৰ্ণিমা কশ্যপ নামে দুই পুত্ৰ হয় অনসূয়াক অত্ৰি ঋষিলৈ বিয়া দিয়ে। চন্দ্ৰ, দুৰ্ব্বাসা আদি অত্ৰি— অনসূয়াৰ পুত্ৰ। অত্ৰি আৰু অনসূয়া গৃহত ব্ৰহ্মা-বিষ্ণু- হৰে একত্ব হৈ জন্ম গ্ৰহণ কৰে। অত্ৰিয়ে পিতৃবাক্য পালি স্ৰজন কৰ্ম্ম কৰিবলৈ ভাৰ্য্যা সহ শতবছৰ দুৰ্ঘোৰ তপস্যা কৰি ঈশ্বৰৰ সম পুত্ৰ বাঞ্ছা কৰিলে। তপৰজুয়ে সংসাৰ আগুৰি পেলোৱা দেখি ব্ৰহ্মা শিৱ-বিষ্ণুৱে আহি উপস্থিত হৈ মনোমত বৰ দিয়ে আৰু অনসূয়াৰ গৰ্ভত ব্ৰহ্মাৰ অংশে— চন্দ্ৰ, বিষ্ণুৰ অংশে -দত্ত আৰু শিৱৰ অংশে দুৰ্ব্বাসাৰ জন্ম হয়। শ্ৰদ্ধাক অঙ্গিৰাত বিয়া দিয়ে আৰু তেওঁলোকৰ পুত্ৰ বৃহস্পতি আৰু উতথ্য। হাৰ্বিভুক পুলস্তিৰ লগত বিয়া দিয়া হয় আৰু অগস্তি; বিশ্ৰবা এওঁলোকৰ পুত্ৰ। পুলহৰ ভাৰ্য্যা গতিত তিনিপুত্ৰ, ক্ৰতুৰ ভাৰ্য্যা ক্ৰিয়াত বালখিল্য নামে ষাঠী হেজাৰ অঙ্গুষ্ঠ প্ৰমাণ ঋষি, বশিষ্ঠৰ ভাৰ্য্যা আৰু আকুতিত চিত্ৰকেতু আৰু সপ্তঋষি, অথৰ্বনৰ ভাৰ্য্যা চিত্তিত দধ্যঞ্চ, ভৃগুৰ পত্নী খ্যাতিত ধাতা-বিধাতাৰ জন্ম হয়। কৰ্দ্দম-দেবহুতিৰ -কলা, অনসূয়া, শ্ৰদ্ধা, হৰ্বিভূক, গতি, ক্ৰিয়া, অৰুন্ধতী, চিত্তি আৰু খ্যাতি- নগৰাকী কন্যাক বিয়া দি ওপৰত উল্লিখিত পুত্ৰসকলৰ সৃষ্টি হয়।

মনুহ দুহিতা প্ৰসূতিক দক্ষলৈ বিয়া দিয়া হয়। দক্ষ-প্ৰসূতিৰ যোল গৰাকী কন্যাৰ জন্ম হয়; তাৰে তেৰ গৰাকী ধৰ্ম্মলৈ, অগ্নিলৈ এগৰাকী, পিতৃগণক এক কন্যা আৰু শিৱক এক কন্যা বিয়া দিয়ে।




ধৰ্ম্মৰ গৃহত ভগৱন্তই ঋষিৰূপলৈ নৰ আৰু নাৰায়ণৰ জন্ম হয়। দুয়োকে একেলগে নৰনাৰায়ণ বোলা হয়। পূৰ্ণ ব্ৰহ্ম কৃষ্ণই নাৰায়ণ আৰু অৰ্জ্জুনেই নৰ। কুৰুবংশত অৰ্জ্জুন আৰু যদুবংশত কৃষ্ণই জন্ম গ্ৰহণ কৰে। পূৰ্ব্ব জন্মত অৰ্জ্জুন আৰু কৃষ্ণই নৰনাৰায়ণ নামৰ ঋষি আছিল।

**প্ৰজাপতি দ ঃ** সতীৰ দেহত্যাগ - শিৱৰ মহিমা

দক্ষৰ পত্নী প্ৰসূতিৰ যোলজনী কন্যাৰ জন্ম হয় আৰু কন্যাগণক বিভিন্ন জনত বিয়া দিয়াৰ কথা কৈ অহা হৈছে। শিৱলৈ বিয়া দিয়া কন্যা সতীৰ কোনো সন্ততিৰ জন্ম নহ'ল, কিন্তু অন্যান্য কন্যাগণৰ সতি-সন্ততিয়ে জগত ভৰি পৰিল। দক্ষ শহুৰ আৰু শিৱ জোঁৱায়েক; কিন্তু দৈৱ-দুৰ্বিপাকত দুয়োৰে মাজত দ্বন্দ্বৰ সৃষ্টি হ'ল। একালত প্ৰজাপতি সকলে মহাসত্ৰ যজ্ঞ অনুষ্ঠিত কৰিলে। এই যজ্ঞত- ব্ৰহ্মা, শিৱ, দেৱঋষি, বিদ্যাধৰ, গন্ধৰ্ব্ব, কিন্নৰ সকল সমবেত হ'ল আৰু দক্ষ প্ৰজাপতিয়ে এই সভাত প্ৰৱেশ কৰাৰ লগে লগে সকলোৰে অভিনন্দন





জনালে, ব্ৰহ্মাই দক্ষক আসন গ্ৰহণ কৰিবলৈ কলে কিন্তু শিৱই একো আনগত্য নেদেখুৱালে। দক্ষই শিৱৰ এই আচৰণত ক্ষুব্ধ হৈ শিৱক অশেষ তিৰস্কাৰ কৰিবলৈ ধৰিলে অনিন্দ সুন্দৰী সতীৰ লায়কৰ স্বামী শিৱ নহয়, বুলি দক্ষই বোলে। কন্যাদান কৰিবলৈ হ'লে— জোঁৱায়েক নিৰ্ব্বাচন কৰোতে— বহুজনে বহুভাগে বিচাৰ-বিবেচনা কৰে বুলি তেওঁ মন্তব্য কৰিলে। সম সদৃশ, সদগুণী, ধনৱন্ত, কুলৱন্ত, বিদ্যাৱন্ত, শান্ত-শুদ্ধ আদি গুণেৰে বিভূষিত জনকহে কন্যাদান কৰিব লাগে, কিন্ত এই ক্ষেত্ৰত শিৱৰ এটিও নাই। শাৰীৰিকভাৱে শিৱৰ চকু বান্দৰৰ দৰে, তিনিকুল; কুল-ক্ৰিয়া হীন, আৰু অহঙ্কাৰী, ভূত-প্ৰেত-পিশাচ-প্ৰমথগণৰ সঙ্গী, শ্মশান বাসী, দিগম্বৰ, মুক্তজটাধাৰী, চিতাভস্ম আদিৰে আবৃত শৰীৰ, মৃতকৰ অস্থিৰ অলঙ্কাৰ ধাৰী, ডিঙিত মুণ্ডমালা পৰিধান কাৰী। এনে এজন লোকলৈ সতীক বিয়া দিয়াৰ বাবে দক্ষই অনুতপ্ত হৈ শিৱৰ প্ৰতি বিদ্বেষৰ ভাৱ পোষণ কৰি থাকিল।

দক্ষ প্ৰজাপতি স্বয়ং ব্ৰহ্মাৰ নন্দন হৈয়ো বিবাদকে গ্ৰহণ কৰিলে; মহন্তই বিবাদ কৰা অনুচিত। অহঙ্কাৰত মত্ত হৈ শিৱৰ প্ৰতি যি বিদ্বেষ ভাৱ দেখুৱালে তাতে দক্ষৰ মাহাত্ম্য হ্ৰাস পালে। অৱশ্যে ঈশ্বৰৰ অৰ্তক মহিমাৰ অধীন হৈ দক্ষই শিৱৰ দ্ৰোহ আচৰণ কৰিলে।

অতৰ্ক মহিমা ইটো ঈশ্বৰৰ মায়া।<br>
আনে কোনে তৰ্কিবেক বিষয়ক পায়া।। ১৩০।।

জগত ঈশ্বৰ দেৱমহেশ্বৰে দক্ষৰ সীমাহীন ককৰ্থনাতো একো নামাতি মৌন হৈ ৰ'ল। মহন্তৰ সহনশীলতাই ধৰ্ম্ম।

জগত ঈশ্বৰ দেৱ মহেশ্বৰ<br>
তথাপি আছা নামাতি ।১৩৭।।

দক্ষই হৰক অভিশাপ দিলে যে— ইন্দ্ৰ, চন্দ্ৰ, অগ্নি, বৰুণ, উপেন্দ্ৰ, দেৱসৰৰ যজ্ঞত শিৱই ভাগ নাপাওক"। শিৱক এই অভিশাপ দিয়াত শিৱৰ পৰম ভক্ত নন্দীয়েও দক্ষক অভিশাপ দিয়ে। নন্দীয়ে দক্ষক দিয়া অভিশাপ হৈছে— "দক্ষই তত্ব নাজানক, ব্ৰহ্মত বিমুখ হওক, কু-কৰ্ম্ম কৰি সংসাৰ সুখতে মজি যাওক। প্ৰবৃত্তি পথত নিৰন্তৰে কৰ্ম্ম কৰক, মহাকামাতুৰ হৈ লম্পত হওক, ছাগৰ দৰে কদাকাৰ মুখ হওক।" শিৱ-ককৰ্থনা শুনিও নীৰবতা অৱলম্বন কৰা সভাত থকা সকলে বেদবাদী হ'বলৈও নন্দীয়ে অভিশাপ দিয়ে।

সভাত থকা ভৃগুমুনিয়ে শিৱৰ অনুবৰ্ত্তী সকলকো অভিশাপ দিয়ে।

ভিগুৰে তেওঁলোকক চণ্ড শাপ দিয়ে আৰু এই শাপ অনুসৰি লোক পাষণ্ড হয়, শাস্ত্ৰমত এৰে, নিষেধক আদৰে, বেদক মিথ্যা মানে, ভয়ানক বেশ ধাৰণ কৰে, শিৱৰ বাহিৰে আন দেৱতাক নাদৰে।

ইয়াৰ পাচত ব্ৰহ্মাই প্ৰজাপতি সকলক একত্ৰিত কৰি দক্ষক আনি সকলোৰে অধিকাৰী পাতিলে। দক্ষই এই সন্মান লাভ কৰি বাজপেয় যজ্ঞ অনুষ্ঠিত কৰিলে। তালৈ— দেৱঋষি, ৰাজৰ্ষি ব্ৰহ্মৰ্ষি, পিতৃগণ, গন্ধৰ্ব্ব, সিদ্ধ, বিদ্যাধৰ আদি সকল আহিল।

বাজপেয় যজ্ঞৰ কথা শুনি দক্ষৰ দুহিতা সতীয়ে স্বামী শিৱৰ ওচৰত যজ্ঞলৈ যাবলৈ প্ৰৰ্থানা জনালে। অন্যান্য কন্যাগণে স্বামী সমন্বিতে যজ্ঞলৈ যাব আৰু পিতৃগৃহত সকলোৰে দেখা দেখি হ'ব। সতীয়ে নানা ধৰণে বুজাই বঢ়াই শিৱক যজ্ঞলৈ যাবলৈ আহবান জনালে যদিও শিৱ নিঃশ্চল হৈ ৰ'ল। কিয়নো সেই যজ্ঞলৈ শিৱক নিমন্ত্ৰণ জনোৱা হোৱা নাই। অনিমন্ত্ৰিত হ'লেও সতীয়ে যজ্ঞলৈ যাবলৈ একান্ত ইচ্ছা কৰিলে; কিন্তু শিৱই সকলো শুনিও দক্ষৰ নিন্দাবচন ও অভিশাপৰ স্মৃতি ৰোমন্থন কৰি হাস্যবদনে সতীক ক'লে— দক্ষ মহা অহঙ্কাৰী, দুৰ্জ্জন, বিবেক-শূন্য, অসাধু, সাধু নিন্দুক, কুটুম্ব-বিদ্বেষী। এনে লোক অতি আপোন হ'লেও ত্যাগৰ উপযুক্ত। তেওঁ সম্বন্ধত শহুৰ হ'লেও অনাচাৰী আৰু দুৰাশয় হোৱাৰ বাবে তেনেজনৰ যজ্ঞলৈ যোৱা উচিত নহ'ব।

হৰে সতীক প্ৰজাপতি সকলৰ সভাত দক্ষই কৰা ঘোৰ অপমানৰ কথা বিবৰি ক'লে। শত্ৰুৰ সন্ধানেও সিমান দুখ দিব নোৱাৰে সিমান দুখ দিব পাৰে মিত্ৰৰ বাক্যবানে।

"নকৰে ততেক পীড়া শত্ৰুৰ সন্ধানে।
শিলিমুখ ভিণ্ডিপাল আনো নানা বানে।।
অল্প কাল মাত্ৰ পীড়া শত্ৰুৰ প্ৰহাৰে।
প্ৰথমতে তাপ পাচে গুচে নিৰন্তৰে।। ২৩৭।।
সুহৃদ সবৰ বাক্য শায়ক সন্ধান।
মৰ্ম্মক ভেদয় ইটো আতি বৰ টান।। ২৩৮।।

গতিকে সেই যজ্ঞলৈ গলে সতীয়ে অনাদৰ হে পাব। শিৱৰ বাক্য নুশুনি সতীয়ে যদি যজ্ঞলৈ যায়, তেন্তে নিশ্চয়ে অকাৰ্য্য হে মিলিব—

"মোৰ বাক্য অতিক্ৰমি যেবে যাইবা চলি।
মিলিবে তোমাৰ তথা অকাৰ্য্য সমূলি।। ২৫৬।।



শিৱই চিন্তা কৰি ক'লে যে সতী গ'লেও বিপদ, নগলেও শান্তি নাপাব।

ইমানকে কৈ শিৱ নিমাত হ'ল আৰু সতীয়ে শিৱক অৱজ্ঞা কৰি গ'লেও বিপদ, নগলেও মহা অশান্তিত উত্ৰাৱল হৈ কান্দিবলৈ ধৰিলে। অৱশেষত শিৱৰ প্ৰতি সতীৰ ক্ৰোধৰ সৃষ্টি হ'ল আৰু শিৱৰ আজ্ঞা নেওচি তেওঁ পিতৃ-যজ্ঞলৈ গমন কৰিলে। শিৱৰ অনুচৰ সকলেও সতীৰ লগত অগ্ৰসৰ হ'ল। সতী অনুচৰ সহ যজ্ঞ সভাত উপস্থিত হৈ ভূতগণ সহিতে উপবিষ্ট হৈ থাকিল। সতীয়ে পিতৃৰ ভয়ানক যজ্ঞ প্ৰত্যক্ষ কৰিলে। যজ্ঞৰ বিপ্ৰগণে মন্ত্ৰ পঢ়িছে, মাংসৰ বাবে অসংখ্য পশুবধ কৰিছে আৰু দক্ষই নিজে যজমান হৈ মাংসৰ আহুতি দান কৰিছে।

মহন্ত হৈয়ো দক্ষই পশুবধ কৰি যজ্ঞ কৰিছে। কৰ্ম্মকাণ্ডৰ প্ৰতি দক্ষৰ শ্ৰদ্ধা দেখি সতীয়ে আশ্চৰ্য্য প্ৰকাশ কৰিছে,মায়ায়ে মহন্তৰ সঙ্গ লোৱা দেখি তেওঁ, বিষয়ত মহন্ত আসক্ত হোৱা দেখি সতীয়ে ভাবিছে তেওঁৰ পিতৃ মায়া চক্ৰত আৱদ্ধ হৈছে। দক্ষৰ ভয়ত সভাত থকা কোনেও সতীক আদৰ সম্ভাষণ নকৰিলে যদিও দক্ষৰ পত্নীয়ে সতীৰ আগমন শুনি কন্যাগণ সমন্বিতে আদৰি আসনত উপবিষ্ঠ কৰালে। দক্ষৰ অবজ্ঞা দেখি সতীয়ে স্বামীৰ শিৱৰ কথাবোৰলৈ মনত পৰিল। নিজস্বামীৰ আসন নেদেখি সতী ক্ৰোধত জ্বলি উঠিল। সতীক অৱজ্ঞা কৰা দেখি ভূতগণ যজ্ঞ এৰি যাবলৈ বিচৰাত সতীয়ে বাধা কৰিলে। সতীয়ে সভালৈ চাই দক্ষৰ প্ৰতি বাক্যবান মাৰিলে—"তুমি শিৱৰ বিপক্ষ, দম্ভ, কৰ্ম্মমাৰ্গত আসক্ত। সমস্তৰে আত্মা- অভিন্ন হৃদয়ৰ শঙ্কৰক বিদ্বেষ কৰিলা। সন্তক এৰি সামান্যসবক দক্ষই সন্মান দিছে, দেহকেই আত্মা বুলি ভাবিছে, মহন্তক এৰি কৰ্ম্মকাণ্ডী দ্বিজগণক গুৰুত্ব দিছে—

"সদা জড়ময় যেন শৱচয়
ইটো দেহ ক্ষণ মাত্ৰ
তাত অহঙ্কাৰ কৰি বাৰম্বাৰ
নভৈলা কিছোৰো পাত্ৰ।।" ৩১৭।।

জড় দেহকেই অহঙ্কাৰত মত্ত হৈ শ্ৰেষ্ঠত্ব দিছে, তেওঁ মুঠেই ভক্তি পৰায়ণ নহয়। শিৱৰ চৰণ স্পৰ্শ কৰাৰ যোগ্যতা দক্ষৰ নাই। গতিকে দক্ষৰ নামত হে প্ৰজাপতি। বিপ্ৰ হৈ ব্ৰহ্মক চিনি নোপোৱাটো কেনেকুৱা কথা। মহা মহন্ত সকলে যি শিৱৰ চৰণ সেৱা দিনে-ৰাতিয়ে কৰে সেই চৰণক তুমি ঘৃণা কৰিলা।" শিৱই মাথাত জটা, শীৰৰত ভষ্ম, ডিঙিত অস্থিৰ অলঙ্কাৰ পৰিধান কৰাৰ তাত্বিক অৰ্থ তুমি বুজিব নোৱাৰিলে। ব্ৰহ্মা-ইন্দ্ৰ-চন্দ্ৰ আদি দেৱগণেও শিৱৰ তত্ব উদ্ধাৰ

কৰিব নোৱাৰি সেৱাহে জনায় 'চৰাচৰ জগতৰ সকলোৰে শিৱক ব্ৰহ্মৰূপে সেৱা জনায়, তেনে ব্ৰহ্মৰূপী শিৱক তুমি নিন্দাকৰাৰ বাবে তোমাক শাস্তি দিব লাগিছিল; কিন্তু মই তাকে নকৰি নিজৰ ওপৰতে প্ৰায়শ্চিত বিহিম' বুলি সতীয়ে ব্যক্ত কৰে। কিয়নো চাণ্ডালৰ অন্ন অবিচাৰে গ্ৰহণ কৰিলে বা বিপদত পৰি ভক্ষণ কৰিলেও কেতিয়াও শুদ্ধ হ'ব পৰা নাযায়; সেইদৰে শিৱ-নিন্দাৰ পাতকৰ বাবে দক্ষক বধ কৰিলেও নিন্দা পাপ নিৰ্ম্মূল হৈ নাযায়। তদুপৰি দক্ষৰ পৰা তেওঁ উৎপন্ন হৈছে বাবে দক্ষক ধ্বংস নকৰি সতীয়ে নিজেই মৃত্যুক সাবটি ল'ব বিচাৰিছে। শিৱ নিজেই নিৰ্ব্বেদ, গতিকে, নিবৃত্তি মাৰ্গী শিৱক নিন্দা কৰা নিৰৰ্থক।

"নিবৃত্তি মাৰ্গত যিটো সদায়ে নিৰত।
যাহাৰ আনন্দ সদা কেৱল ব্ৰহ্মত।।
তাৰ কিবা কৰ্ম্মে ধৰ্ম্মে আছে অধিকাৰ।
কিবা শৌচ আচাৰ সামান্য সদাচাৰ।।" ৩৪৩।।

নিবৃত্তি মাৰ্গত থকা শিৱই কেৱল ব্ৰহ্মচিন্তাতে আনন্দিত, ধৰ্ম্ম-কৰ্ম্ম, শৌচ-আচাৰ, সদাচাৰ আদিৰ উদ্ধত থাকি তেওঁ নিৰন্তৰে আত্মা নন্দত ৰত থাকে।

"নিজ ধৰ্ম্মে থাকি কাকো নকৰা বিদ্বেষ।
যাৰ যেন মত ধৰ্ম্ম থাপন্ত নিশেষ।।
যেন ভিন্ন মতি দেৱ মনুষ্য সৱৰ।
কাকো কেৱে নচাৰয় কদাপি মৎসৰ।।
প্ৰবৃত্তি নিবৃত্তি বেদমাৰ্গ দুই মত।
পুৰুষৰ অনুৰূপে প্ৰকাশে লোকত।। ৩৪৫।।
কদাপি নাথাকে দুয়ো একে পুৰুষত।
কেহো প্ৰবৃত্তিত কেহো নিবৃত্তিতে ৰত।।

তেওঁ সদায় নিজ ধৰ্ম্মত অৰ্থাৎ এক পৰমাত্মাত মন নিবিষ্ট ৰাখে আৰু কাকো বিদ্বেষ নকৰো, দেৱ মনুষ্যই মৎসৰ বা হিংসা ত্যাগ কৰিব নোৱাৰে, বেদৰ মাৰ্গ দুটা প্ৰবৃত্তি-নিবৃত্তি। পুৰুষ ভেদে বৰ্ত্তে। এজন পুৰুষত তাৰে এটা হে থাকে। কিন্তু শিৱৰ দুযোটাই নাই, অৰ্থাৎ একমাত্ৰ ব্ৰহ্মত হে নিমগ্ন থাকে এইদৰে শিৱৰ মাহাত্ম্য বৰ্ণন কৰি আৰু দক্ষৰ নীচতা ব্যক্ত কৰিলে সতীয়ে আৰু এই শৰীৰৰ কাৰ্য্য শেষ হ'ল বুলি— শৰীৰ ত্যাগৰ সিদ্ধান্ত ল'লে।

সতীয়ে সভাত পুনৰ ঘোষণা কৰিলে—" আজি ইহজন্মৰ পৰিচ্ছেদ ঘটাম। এনে অপকাৰী পিতৃৰ সন্তান হৈ মোৰ নিজৰ ওপৰতে ধিক্কাৰ জন্মিছে। দক্ষৰ নন্দিনী বা দাক্ষায়নী বুলি মোৰ স্বামী ত্ৰিলোচনো যাতে আৰু মাতিবলৈ নাপায়, চৈধ্যভুবনৰ নাথ দেৱ পশুপতিৰ লগত মোৰ পত্নীত্ব সম্বন্ধৰ উপযুক্ত নহ'ব।"— এই বুলি কৈ সতীয়ে উত্তৰ মুখে চাই বহি পৰিল। সতীয়ে পীতবস্ত্ৰ পৰিধান কৰি যোগাসনত বহিল—

"পিন্ধিলন্ত শুদ্ধপীত উত্তমবসন।
কৰিলা সৰ্ব্বাঙ্গে আৰো বস্ত্ৰে আবৰণ।।" ৩৬০।।

এইদৰে প্ৰাণ-অপান বায়ুক একত্ৰ কৰি নাভি চক্ৰত স্থাপন কৰিলে আৰু বায়ুক উৰ্দ্ধ কৰি হৃদয়ৰ পৰা বক্ষস্থললৈ, তাৰ পৰা কণ্ঠ দেশলৈ, কণ্ঠৰ পৰা ভ্ৰৱলৈ নি ব্ৰহ্মময় শঙ্কৰক সাক্ষাত কৰি, তেওঁৰ চৰণ চিন্তি দেহত্যাগ কৰে।

সতীৰ দেহ ত্যাগৰ লগে লগে— দক্ষ যজ্ঞত ঘোৰ প্ৰমাদ মিলিল, সকলো সভাষদ নিৰ্ব্বাক হ'ল, হাঁহাকাৰ ধ্বনি উঠিল, দেৱগণে ব্যক্ত কৰিলে যে জগত-নায়ক শিৱৰ জায়াই দেহ ত্যাগ কৰা দেখিও দক্ষব হৃদয়ত কোনো প্ৰতিক্ৰিয়া নাই, এওঁ অধম ব্ৰাহ্মণ, ক্ৰোধী লোক, আৰু শঙ্কৰক দ্বেষ আচৰি নিজৰ মৃত্যুক মাতি আনিছে। নিজ কন্যাক মৃত্যুৰ মুখলৈ অগ্ৰসৰ হোৱা দেখিও বাধা নিদিলে; এওঁ অতি অধম লোক বুলি দেৱগণে দক্ষক গ্লানি কৰিলে। অন্যান্য সকলেও সতীৰ দেহ ত্যাগৰ বাবে দক্ষক জগৰীয়া কৰিলে। শিৱৰ ভৃত্যগণে দক্ষক বধ কৰিবৰ কাৰণে অস্ত্ৰ-শস্ত্ৰ ধৰি উদ্যত হোৱা দেখি ভৃগু মুনিয়ে হিংসা মন্ত্ৰ পঢ়ি আহুতি দিলে আৰু মহাবলৱন্ত ৰিভু নামৰ দেৱগণ আহুতিত উৎপন্ন হ'ল, লগে লগে সিহঁতে প্ৰমথগণক প্ৰত্যাক্ৰমণ কৰিলে। শিৱৰ অনুচৰ সকল পলাই যাব লগা হ'ল। সংসাৰত বিষয়-বাসনা ভোগৰ শান্তি যে নাই সতীয়ে ভোগ কৰা অশান্তিয়েই তাৰ প্ৰমাণ। দক্ষ প্ৰজাপতিৰ সাধবী কন্যাই হৰিৰ একে আত্মা হৰক স্বামী হিচাবে পায়ো সাংসাৰিক সুখ লাভ কৰিব নোৱাৰে। সতীৰ জন্ম দোষ ঘটিছিল। অসাধু, অহঙ্কাৰী, প্ৰবৃতিমাৰ্গী প্ৰজাপতি দক্ষৰ দুহিতা হোৱাৰ বাবে নিবৃত্তি মাৰ্গী শিৱৰ লগত সম্বন্ধ হোৱাত সতীয়ে প্ৰবৃতি আৰু নিবৃত্তিৰ মাজত মধ্যস্থতা কৰিব লগাত পৰিল; কিন্তু দুয়ো পন্থ কেতিয়াও একত্ৰিত হ'ব নোৱাৰে। শিৱক অৰ্থাৎ নিবৃত্তি পক্ষক দক্ষই নিন্দা কৰিলে, নিবৃত্তিয়ে সহ্য কৰিলে, কিন্তু সতীয়ে শিৱ নিন্দা সহ্য কৰিব নোৱাৰি প্ৰাণ ত্যাগ কৰিলে। আন প্ৰকাৰে শিৱৰ পৰামৰ্শ সতীয়ে শুনিব লাগিছিল, সত্যৰ বাবে, ভক্তিৰ বাবে পিতৃকো ত্যাগ কৰা উচিত আছিল সতীৰ বাবে। স্বামীক অৱজ্ঞা কৰা সত্যৰ অন্য এক

দোষ। পিতৃ যজ্ঞৰ প্ৰতি, পিতৃৰ প্ৰতি থকা আকৰ্ষণ সাংসাৰিক বা পাৰ্থিৱ আকৰ্ষণ, আধ্যাত্মিক হ'ব নোৱাৰে। এই ঘটনা পৰম্পৰাত ভগৱন্তৰ মায়া প্ৰহেলিকা জড়িত হৈ আছে। কৰ্ম্মকাণ্ডৰ অসাৰতা বা পৰাজয় দেখুৱাবলৈকে সতী-নিমিত্ত কাৰণ হৈছে। দক্ষৰ অহঙ্কাৰ ভঙ্গৰ বাবেই সতীৰ দেহত্যাগৰ ঘটনা সংঘটিত কৰালে। সৰ্ব্বসাধাৰণৰ দৃষ্টিত দুটা পৰিয়ালৰ মাজত ঘটা দ্বন্দই হৈছে দক্ষ যজ্ঞ আৰু সতীৰ দেহত্যাগৰ ঘটনাফলক। সেই বাবে বিষয়ত কেতিয়াও সুখ হ'ব নোৱাৰে—

"দেখিয়োক বিষয়ত কিমত অৱস্থা।
নুগুচে মনৰ ৰাত্ৰি দিনে ঘোৰ ব্যথা।।
যত দেখা ভাৰ্য্যা পুত্ৰ সুহৃদ বান্ধৱ।
নাহি কতো সুখ মিলাৱয় পৰাভৱ।। ৩৮৩।।
ক্ষণে ক্ষণে মিলে তাপ হৃদয়ৰ খেদ।
কন্দলত বাক্যবান কৰে মৰ্ম্ম ছেদ।। ৩৮৪।।

সেইবাবে, বিষয়ত লিপ্ত নাথাকি নিজানন্দ-ঘন-আত্মা ঈশ্বৰত মন লিপ্ত ৰাখিব লাগে।

সতীৰ দেহ ত্যাগৰ কথা দেৱৰ্ষি নাৰদে শিৱক জনোৱাত শিৱই ক্ৰোধত অস্থিৰ হৈ মূৰৰ জটা খহাই পেলালে আৰু প্ৰকাণ্ড চিঞৰ মাৰিলে। জটাৰ পৰা কালান্তক মূৰ্ত্তি ধৰি হাজাৰ বাহুলৈ এক প্ৰকাণ্ড শৰীৰ ধাৰী পুৰুষ আৰ্বিভাৱ হ'ল আৰু শঙ্কৰৰ পৰা কি কৰ্ম্ম সাধন কৰিব লাগে বুলি সুধিলে। শিৱই আৰ্বিভাৱ হোৱাৰ বীৰভদ্ৰক আজ্ঞা কৰিলে যে দক্ষ যজ্ঞলৈ অনুচৰ সমন্বিতে গৈ দক্ষ ক বধ কৰিব লাগে। বীৰভদ্ৰই প্ৰভুৰ আজ্ঞামতে সেনানীক লৈ প্ৰচণ্ড প্ৰতাপেৰে যজ্ঞ আক্ৰমণ কৰিলে। দক্ষৰ পত্নীয়ে ক'বলৈ ধৰিলে যে পৰম পাতকী দুষ্টচিত্ত দক্ষৰ কাৰণেই এনে মহাবিপদ নামি আহিছে। চৰাচৰৰ ঈশ্বৰ ভূত পতিয়ে নিমিষতে তিনি ত্ৰৈলোক্য সংহাৰ কৰিব পাৰে—।

"যিটো চৰাচৰগুৰু জগত ঈশ্বৰ।"—৪৩১।।
"যাৰ অল্প ক্ৰোধত ব্ৰহ্মাণ্ডৰ হোৱে অন্ত।" ৪৩২
"তান আগে কোন বস্তু দক্ষ প্ৰজাপতি ।।৪৩৪

সেনাগণে যজ্ঞশালাক লণ্ডভণ্ড কৰে আৰু দক্ষক নানা কটুক্তি কৰে, যজ্ঞৰ হোমকুণ্ডত ক্ষুদ্ৰ-শৌচ ত্যাগকৰে, সভাসদ গণক ভৎসৰ্না কৰে। মণিমন্ত পাৰিষদে ভিগুক টানকৈ বান্ধি পেলালে, বীৰভদ্ৰই দক্ষক টানিটানি বান্ধি





পেলালে আৰু ভাগে ভাগে হোম কৰ্তা সকলক বান্ধি থলে আৰু নানা উগ্ৰশাস্তি দিবলৈ ধৰিলে। কাৰোবাৰ চকু কাঢ়িলে, কাৰোবাৰ দাত উঘালি পেলালে। কিয়নো দক্ষই শাপ দিওঁতে তেওঁলোকে চকুৰে সমৰ্থন জনাইছিল। তাৰ পাচত বীৰভদ্ৰই দক্ষৰ ওপৰত বহি ললে আৰু শিৰচ্ছেদ কৰিলে, ঋষিগণে হাঁহাকাৰ কৰিলে, দক্ষৰ শিৰ হোমৰ জুইত পৰি ভষ্মিভূত হ'ল। অৱশেষত বীৰভদ্ৰই অনুচৰ সহ কৈলাসত উপস্থিতি হ'লগৈ।

দক্ষযজ্ঞত থকা দেৱতাসবৰ দেহ ক্ষতবিক্ষত হ'ল আৰু শিৱৰ বিৰোধত পৰি উপায়হীন হৈ ব্ৰহ্মাৰ ওচৰ পালেগৈ আৰু দক্ষযজ্ঞত ঘটা সমস্ত ঘটনা ব্ৰহ্মাক অবগত কৰিলে। ব্ৰহ্মা-বিষ্ণু এই যজ্ঞলৈ যোৱা নাছিল। ব্ৰহ্মাই সকলো ঘটনা শুনি শিৱ নিদোৰ্ষী বুলি ক'লে। গতিকে দেৱসৱে কৈলাসলৈ গৈ হৰৰ ওচৰত দোষৰ ক্ষমা বিচাৰিব লাগে আৰু দক্ষক পুনৰ জীৱন দান দিব লাগে। ব্ৰহ্মাই দেৱসবক লৈ মহামনোহৰ কৈলাসপুৰ দৈখিবলৈ পালে। কৈলাসৰ অশেষ মহিমা দেখি দেৱগণ বিস্মিত হ'ল। তাতোতকৈ শিৱৰ দৈহিক সৌন্দৰ্য্য প্ৰত্যক্ষ কৰি ব্ৰহ্মাদি দেৱগণে অদ্ভুত মানিলে।

"তপস্বীৰ বেশ ভস্ম শৰীৰ গুণ্ঠিত।
হাতে দিব্য দণ্ড মাথে জট বিভূষিত।।
কপালত অৰ্দ্ধচন্দ্ৰ কৰয় প্ৰকাশ।
শৰীৰৰ বৰ্ণ সন্ধ্যা মেঘৰ আভাস"।।৫০৯।।
"জাপ্যমালা হাতেধৰি কৰি বীৰাসন।
আছন্ত সভাত বসি দেৱ ত্ৰিলোচন।। ৫১০।।

শিৱৰ সভাত ব্ৰহ্মাদিদেবগণে প্ৰৱেশ কৰি হৰক সেৱা জনালে। শিৱই পিতৃবুলি ব্ৰহ্মাৰ চৰণত নমস্কাৰ জনালে। ব্ৰহ্মাই হাঁহিমাৰি ক'লে— মহেশ্বৰ হৈয়ো আমাক কিয় সেৱা জনাইছা? তুমি নিৰাকাৰ ব্ৰহ্ম, জগতৰ কাৰণ, তুমি-ঈশ্বৰ-সৃষ্টি-সংহাৰৰ তাৰণ। মকৰাই জালপাতি জীৱক জালত পেলাই সংহাৰ কৰাৰ দৰে তুমিও চাৰিবিধ বেশৰূপী প্ৰাণীক সংহাৰ কৰা। গৰুৱে খুচিলেও মনুষ্যই গৰুক বধ নকৰে, সেইদৰে দক্ষই কৰা সকলো দোষে তোমাক স্পৰ্শই কৰিব নোৱাৰে। অজ্ঞানীৰ দোষ নধৰি দক্ষক অনুগ্ৰহ কৰি উদ্ধাৰ কৰা।

ব্ৰহ্মাদিদেবৰ প্ৰাৰ্থনাত শিৱ সন্তোষ্ট হৈ ক'লে— "অগ্নিত ভস্ম হোৱা দক্ষৰমূৰ ছাগলী মূৰৰ হওক। দক্ষই পুনৰ জীৱন পাওক" ভৃগুৰ দাড়ি ছাগলীৰ দাড়িৰ দৰে গজি উঠক।" ব্ৰহ্মাই পৰম সন্তোষ লাভ কৰি দক্ষৰ যজ্ঞলৈ শিৱক

আমন্ত্ৰণ জনালে। শিৱই যজ্ঞত প্ৰৱেশ কৰি দক্ষৰ নষ্ট হোৱা অঙ্গবোৰ সজীৱ কৰিবলৈ আদেশ কৰিলে ছাগলীৰ মূৰলৈ দক্ষ উঠি বহিল। হৰক দেখি দক্ষই লাজে-ভয়ে আৰু শোকাৰ্ত্ত হৈ কান্দিবলৈ ধৰিলে। সতীক স্মৰণ কৰি দক্ষ শোকত বিহ্বল হৈ পৰিল। দক্ষই হৰকস্তুতি কৰিবলৈ ধৰিলে—

"পালিয়োক প্ৰভূ মোৰ দোষ মৰষিয়া।
আচৰিলো দ্ৰোহ তযুমায়ায়ে মোহিয়া।।" ৫৩৭।।
"তুমি নিজব্ৰহ্মক নজানি সমজ্যাত।
কৰিলো আক্ষেপ দেবগনৰ সাক্ষাত।।
নাহি প্ৰায়শ্চিত মোৰ সিটো পাতকৰ।
উদ্ধাৰিলা মোক দণ্ড কৰিয়া ঈশ্বৰ।। ৫৩৮।।



দক্ষই কৰা অমাৰ্জ্জনীয় দোষৰ বাবে হৰৰ ওচৰত ক্ষমা ভিক্ষা কৰিলে। ব্ৰহ্মাই দক্ষক পুনৰ যজ্ঞ আৰম্ভ কৰিবলৈ কোৱাত দক্ষই প্ৰথমে বৈষ্ণৱ যজ্ঞ আৰম্ভ কৰিলে। ব্ৰহ্মাই হৃদয়ত ঈশ্বৰ কৃষ্ণক চিন্তাকৰাৰ লগে লগে কোটি সূৰ্য্যৰ উদয় হোৱাৰ দৰে ভগৱন্তই দক্ষক দৰ্শন দিলে। ব্ৰহ্মা-হৰে থিয় হৈ নাৰায়ণক দণ্ডবতে নমস্কাৰ কৰিলে। সভাষদে পৰিপৰি প্ৰণাম জনালে। দক্ষই ভগৱন্তক স্তুতি কৰি ক'লে— যে ভগৱান শুদ্ধ-সত্ত্ব-মায়াতীত-নিত্য-বিদ্যানন্দ-জ্ঞানময়। তথাপি তেওঁ লোক শিক্ষাৰ বাবেই মায়াক আশ্ৰয় কৰি মনুষ্য চেষ্টা প্ৰদৰ্শন কৰিছে। ৰাম-কৃষ্ণাদি নাম লৈ অৱতাৰ গ্ৰহণ কৰি লীলা কৰি দেখুৱাইছে।

" তুমি শুদ্ধ বুদ্ধ সত্য মায়াৰ অতীত নিত্য
চিদানন্দ একজ্ঞানময়।
আপুনি স্বতন্ত্ৰ হুয়া লোক শিক্ষা দৰশিয়া
কৰা নিজ মায়াক আশ্ৰয়।। ৫৫৫।
মনুষ্যৰ চেষ্টা কৰি ৰাম কৃষ্ণ নাম ধৰি
ধৰা অসংখ্যাত অৱতাৰ।
তোমাক নজানে কেৱ তুমি জগতৰ দেৱ
এৱে মোক কৰিও নিস্তাৰ।। ৫৫৬।।

ভগৱন্তই যে জগতৰ 'একমেৱাদ্বিতীয়' এই কথা লোকে নজনাৰ বাবেই সংসাৰ মুক্ত নহয়। কৰ্ম্মজড় বুলি দক্ষই ভগৱন্তৰ মায়াৰে আশ্ৰিত হৈ যজ্ঞকৰি অৱশেষত সৰ্ব্বস্বান্ত হোৱাৰ পাচতহে ভগৱন্তক চিনি পালে আৰু স্তুতিৰে নিস্তাৰ হ'বলৈ বিচাৰিলে। দক্ষৰ পাৰিষদ সকলেও প্ৰভূভগৱন্তক স্তুতি কৰি ক'লে যে সংসাৰৰ পথত সদায়ে ভয় থাকে, লোভ-মোহ কাম ক্ৰোধ সংসাৰ বন্ধনৰ



অন্ধকূপ। পুত্ৰ-ভাৰ্য্যা-ধন-জন-দেহ-গেহ সংসাৰৰ দুৰ্ম্মহ বোজামাত্ৰ। দুপৰীয়া সূৰ্য্যৰ প্ৰসৰ তাপত তৃষ্ণাতুৰ পাথকে তপত বালিত পানী বিচাৰি যোৱাৰ দৰে এইবোৰো শুকাগ্নি মাত্ৰ।

'সংসাৰ পথকস্মৰি নুগুচে সদায় ত্ৰাস
নাহি ৰক্ষা তুমি বিনে কেৱ।
লোভ মোহ কাম-ক্ৰোধে সুখ দুখ অন্ধকূপে
পৰিসবে তাকে কৰে সেৱ।
ধন জন পুত্ৰ ভাৰ্য্যা যত দেহ গেহ প্ৰজা
ইটো গুৰুভাৰে মহাত্ৰাস।
যেন মহা তৃষ্ণা হুয়া মধ্যাহ্ন ৰৌদ্ৰত গৈয়া
তপত বালাত কৰে বাস।। ৬৫৮।।

ইয়াৰ পাচত হৰ, ভৃগু, ইন্দ্ৰ, দক্ষপত্নীগণ, ঋষিগণ, সিদ্ধগণ, সভাস্বদগণে নাৰায়ণক নানা ভাবে স্তুতি-মিনতি কৰিলে, আৰু নাৰায়ণে সন্তোষ্টি হৈ দক্ষক যজ্ঞ কৰিবলৈ অনুমতি দিলে। নাৰায়ণে দক্ষক ক'লে— 'মহাজ্ঞানী হৈয়ো দক্ষই মহা ভুল কৰিছে। ব্ৰহ্মা-বিষ্ণু মহেশ্বৰ তেওঁৰ তিনিদেহ, তিনিজনৰ মাজত কোনো ভেদাভেদা নাই; মায়াক আশ্ৰয় কৰি তিনিদেহ ধাৰণ কৰিছো। জগতৰ সৃষ্টি স্থিতি-লয়ৰ বাবে মই শুদ্ধ ব্ৰহ্মই ব্ৰহ্মা-বিষ্ণু মহেশ এই ত্ৰিমূৰ্ত্তি ধাৰণ কৰিছো। এই তিনি দেহক ভেদ নকৰাজনে পুৰুষাৰ্থ লাভ কৰে।

"শুনা প্ৰজাপতি কহোঁ সবে বিদ্যমান।
মহাজন হুয়া হৰা কিসক অজ্ঞান।।
যিটো ব্ৰহ্ম বিষ্ণু মহেশ্বৰ তিনিৰূপ।
নাহিকে অন্তৰ ইটো আমাৰ স্বৰূপ।। ৫৬৮।।
মায়াক আশ্ৰয় কৰি কৰো তিনি দেহ।
কহিলো স্বৰূপ আত নাহিকে সন্দেহ।।
জগতৰ সৃষ্টি স্থিতি সংহাৰ নিদানে।
ব্ৰহ্মা হৰ বিষ্ণু তিনি নাম ধৰো ভিনে।। ৫৬৯।।

দক্ষই নাৰায়ণত যজ্ঞ অৰ্পণ কৰি সমাপন কৰে। সতীয়ে হেমগিৰিৰ ঔৰসত মেনকাৰ গৰ্ভত পাৰ্ব্বতীৰূপে জন্মগ্ৰহণ কৰে আৰু পুনৰ সতীয়ে পাৰ্ব্বতীৰূপে চন্দ্ৰশেখৰৰ পত্নীত্ব গ্ৰহণ কৰে।

## ৩।ধ্ৰুৱ-চৰিত্ৰ

ব্ৰহ্মাৰ পুত্ৰ স্বায়ম্ভূৱ মনুৰ দুই পুত্ৰ— জ্যেষ্ঠ প্ৰিয়ব্ৰত আৰু কনিষ্ঠ উত্তানপাদ। প্ৰিয়বত অতি ধৰ্ম্মিষ্ঠ আৰু কুমাৰ কালতেই বিষয়সুখ ত্যাগ কৰি তপোবনত গৈ নাৰদৰ পৰা বিষ্ণুভক্তি লাভ কৰি পৰমআনন্দত জীৱন কটালে। উত্তান পাদে ৰাজ সিংহাসনত আৰোহন কৰি কুশাবৰ্ত্তা দেশৰ ৰাজ ৰাজেশ্বৰ হ'ল। তেওঁ দুগৰাকী অনিন্দসুন্দৰী কন্যা বিবাহ কৰিলে, তাৰে এগৰাকীৰ নাম সুৰুচি আৰু আন গৰাকীৰ নাম সুনীতি। ৰজাই সুৰুচিক অধিক স্নেহ কৰিছিল। সুৰুচিৰ উত্তম নামৰ এটি পুত্ৰ আৰু সুনীতিৰ ধ্ৰুব নামৰ এটি পুত্ৰৰ জন্ম হয়। উত্তান পাদৰ সমভাব নথকাৰ বাবেই সুনীতিয়ে দুৰ্ভগীয়া জীৱনৰ পাতনি মেলিলে। ভেদভাবৰ বাবেই জীৱনৰ অশান্তিৰ সূচনা হয়।

এদিন ৰজাই ৰত্নময় সিংহাসনত বহি থাকোঁতে উত্তমক কোলাত তুলি স্নেহ পাশত আবদ্ধ হৈ থকা দেখি ধ্ৰুবয়ো পিতৃৰ মৰম আকলুৱা হৈ পিতৃৰ কোলাত উঠিবলৈ যত্ন কৰোঁতেই ৰজাই ধ্ৰুবকো পিতৃৰ কোলাত লবৰ কাৰণে মনতে ভাবিছিল যদিও সুৰুচিৰ কটাক্ষ চাৱনিত ধ্ৰুবক কোলাত ল'ব নোৱাৰিলে। সুৰুচিয়ে ধ্ৰুবলৈ চাই ক'লে—

"দুৰ্ভাগাৰ পুত্ৰ হই        ৰজাৰ খাটত তই
কোনমতে চাস উঠিবাক।।" ৬০৯।।
সপত্নী ভাবতে থাকি        ধ্ৰুবক বোলন্ত ডাকি
শুন পুত্ৰ বচন আমাৰ।
ইটো নৃপতিৰ পাট        ৰত্ন সিংহাসন খাট
পাট কুমাৰেসে অধিকাৰ।। ৬১০।।

সুৰুচিয়ে ক'লে— 'তই মোৰ পুত্ৰ হৈ জন্মগ্ৰহণ কৰা হ'লে সিংহাসনত উপবিষ্ঠ ৰজাৰ কোলাত বহিব পাৰিলিহেঁতেন; কিন্তু দুভৰ্গীয়া সুনীতিৰ গৰ্ভত জন্ম হলি। গতিকে চিৰকাল ব্ৰত কৰি বিষ্ণুত আৰাধনা কৰি মোৰ পুত্ৰৰূপে জন্ম গ্ৰহণ কৰিলেহে এই আসনৰ অধিকাৰী হবি। সুৰুচিৰ এনে কঠোৰ আৰু নিদাৰুণ বাক্যত এটি অকণমানি বালকে কিমান দুখ পাব পাৰে তাক এগৰাকী নাৰীয়ে অনুভৱ কৰিব নোৱাৰিলে। সতীনিৰ প্ৰতি হিংসা সুৰুচিৰ যোগে প্ৰকাশ পাইছে। সুৰুচিৰ হৃদয় অতি নিষ্ঠুৰ আৰু ঈৰ্ষাপৰায়ণা। নাৰীৰ বাবে নাৰী আৰু পুৰুষৰ বাবে পুৰুষ শত্ৰু অতি ভয়ানক। তদুপৰি একে পতিৰ একাধিৰ পত্নী থাকিলে পতিৰ পৰা প্ৰতি গৰাকী পত্নীয়ে মৰম-আদৰ বিচৰাটো স্বাভাৱিক আৰু সেইখিনি অধিকাৰ প্ৰতি গৰাকী পত্নীৰে আছে; তেনেস্থলত সুৰুচিয়ে পতিৰ সমুদায় আদৰ-মৰম আৰু অধিকাৰ অকলে দাবী কৰাটো সমীচিন হোৱা নাই। স্বামী হিচাবে ৰজা উত্তান পাদৰ সমবিচাৰ আৰু স্বাধীন মনৰ অভাব আছিল; তেওঁ তিৰোতা সেৰুৱা হোৱাৰ বাবেই সুৰুচিৰ মতামতৰ ওপৰতে নিৰ্ভৰ কৰি চলিছিল; যাৰ বাবে প্ৰতিব্ৰতা সুনীতি আৰু সু-পুত্ৰ ধ্ৰুৱৰ পুতৌ লগা অৱস্থা হৈছিল। অৱশ্যে এনে নিষ্ঠুৰতাৰ সন্মুখীন নোহোৱা হ'লে ধ্ৰুৱৰ জীৱনলৈ মহান-সমৃদ্ধি নাহিলহেতেঁন। অত্যন্ত দুখ হলেহে পৰম দয়ালু পৰমেশ্বৰৰ কৰুণা লাভ কৰিবলৈ লোক আগ্ৰহান্বিত হয় আৰু ভগৱানৰ কৰুণাও লাভ কৰিব পাৰে। সম্পূৰ্ণ পাৰিবাৰিক ঘটনাৰ আৰম্ভণিৰে সকাম ভক্তিৰ মাহাত্ম্য লাভৰ ছবি লোকমানসত জগাই তুলিছে। তত্ত্ব-বিচাৰত সুৰুচি-হিংসাৰ, সুনীতি ধৈৰ্য্য, আৰু উদাৰতাৰ, উত্তান পাদ মায়া মুগ্ধ বিবেকৰ আৰু ধ্ৰুৱ অদম্য-সাহস ও সত্য উদঘাটন প্ৰতীক মাত্ৰ।

ধ্ৰুৱই বৈমাতৃৰ নিষ্ঠুৰ বাক্য শুনি বজ্ৰাঘাতত আহত হোৱা ব্যক্তিৰ দৰে অতীষ্ট হৈ পৰিল, হৃদয় খণ্ড-বিখণ্ড হৈ গ'ল, শোক-দুখত অধীৰ হৈ উঠিল, মুখৰ মাত হৰিল, দুয়ো হাতে চকুলো মোহাৰিবলৈ ধৰিলে। তেওঁ সুৰুচিৰৰ নিষ্ঠুৰ মুখখনলৈ দৃষ্টি নিক্ষেপ কৰিলে, পিতৃৰ ফালেও চালে, কিন্তু দুয়োৰে পৰা অকণো সহাৰি নাপাই মাতৃ সুনীতিৰ কাষ পালেগৈ আৰু হুৰাহুৰে কান্দিবলৈ ধৰিলে। মাতৃয়ে ধ্ৰুৱৰ ক্ৰন্দনত মৰ্ম্মাহত হৈ কন্দাৰ কাৰণ সোধাত ধ্ৰুৱই একো ক'ব নোৱাৰিলে, সভাত থকা বালিকা সকলে সুৰুচিয়ে প্ৰহাৰ কৰা বাক্যবানৰ কথা আৰু পিতৃৰ অসহায়তাৰ কথা ব্যক্ত কৰিলে। সুনীতিক সপ্ত দুৱাৰৰ বাহিৰত আবাস দি ৰখাৰ কথা আৰু তেনে পত্নীৰ ল'ৰাই ৰজাৰ কোলাত বহিবলৈ হাবিয়াস কৰা অবাঞ্চনীয় বুলি সুৰুচিয়ে কৰা মন্তব্যকো বালিকাসকলে প্ৰকাশ কৰিলে। সুৰুচিয়ে কৈছিল—

"দৰিদ্ৰ প্ৰাণীৰ যেন বাঞ্ছা বহুধন।
ভিক্ষুকে খোজয় যেন পঞ্চামৃত অন্ন।।" ৬২৫।।

লগৰীয়াৰ মুখে এনে নিষ্ঠুৰ বাণী শুনি শোকাগ্নিয়ে সুনীতিৰ হৃদয়ৰ অগ্নি জ্বলি উঠিল।

"দুষ্মহ দাৰুণ বাক্যশৰে সুৰুচিৰ।
অন্তৰ্গত পশি দেহা দহে সুনীতিৰ।। ৬৩০।।

শোক সাগৰত নিমগ্ন হৈ সুনীতিয়ে কান্দিবলৈ ধৰিলে, নয়নৰ নীৰ ধাৰাসাৰে ব'বলৈ ধৰিলে—

“পশি গৈল শোক শেল নোহয় বাহিৰ।
পাছে কতোক্ষণে চিত্ত কৰিলন্ত থিৰ।।” ৬৩৪।।

সুনীতিয়ে ইমানতো সপত্নী সুৰুচিক দোষ নিদি ধ্ৰুৱক বুজাবলৈ ধৰিলে— তেওঁ ক'লে— “সুৰুচিক দোষ নিদিবা, ই মোৰ ভাগ্যৰ লিখন, পূৰ্ব্বজন্মত আৰ্জ্জি অহা ফলহে, যাৰ বাবে ইহজন্মত মনোকষ্ট পাব লগা হৈছো।”

“সাবধান মনে বাপু শুনা মোৰ কথা।
সুৰুচিক অসূয়া নকৰা আৰু বৃথা।।
মই মন্দভাগী দোষ নকৰো পৰৰ।
ভূঞ্জিবাক লাগে দুখ বিধি লিখিতৰ।। ৬৩৬।।
পূৰ্ব্বতে লোকক আমি কৰিলোহো নষ্ট।
যি কাৰণে ইজন্মত পাঁও মনোকষ্ট।।” ৬৩৭।।

সুনীতিৰ মহানতা ইয়াত সুন্দৰ কৈ ফুটি উঠিছে। সুৰুচিক দোষাৰোপ নকৰি নিয়তিৰ পৰিহাস বুলি নিজকে দোষী কৰিছে। পূৰ্ব্বজন্মত অসৎ কৰ্ম্মৰ ফল ইহজন্মত ভোগ কৰিব লগা এই কৰ্ম্মফলবাদক তেওঁ নতশিৰে মানি লৈছে আৰু বিনা প্ৰতিবাদে পুত্ৰক ভগৱন্ত মুখী কৰিবলৈ চেষ্টা কৰিলে। পূৰ্ব্বজন্মত হৃষীকেশক আৰাধনা নকৰাব বাবেই হয়তো দুৰ্ভাগ্যবশতঃ ধ্ৰুৱক গৰ্ভত ধাৰণ কৰিলে বুলি ভাবি পুত্ৰক নাৰায়ণৰ সান্নিধ্য বিচাৰিবলৈ পৰামৰ্শ দিলে।

“ ইজন্মত মাধৱক আৰাধ সাক্ষাত।।”
কমল নয়ন একে নাৰায়ণ বিনে।
তোৰ ইটো দুখ খণ্ডিবেক আনে কোনে।।”

পূৰ্ব্বপুৰুষে ভগৱন্তক সেৱি পৰামৰ্থ লাভ কৰাৰ দৰে ধ্ৰুৱকো তেওঁ এক নাৰায়ণক ভজিবলৈ অনুপ্ৰাণীত কৰিলে। মাতৃৰ বচন অনুসৰি ধ্ৰুৱই একেশ্বৰে, নিৰ্ভয় মনেৰে ঘৰৰ বাহিৰ হৈ অৰণ্য অভিমুখে যাত্ৰা কৰিলে— ভগৱন্তক বিচাৰি। হৃদয়ত ভক্তিভাব লৈ আগবঢ়িয়েই দেৱৰ্ষি নাৰদক লগ পালে। নাৰদৰ ওচৰত ধ্ৰুৱই সবিশেষ ব্যক্ত কৰাত নাৰদে ধ্ৰুৱক নানা পৰামৰ্শ দি প্ৰত্যাগমন কৰিবলৈ ক'লে।

শিশুকাল তপস্যাৰ কাল নহয়, শিশুকালত মান-অপমানৰ কথাও গাঢ় নহয়, কোনেও কাকো দুখ দিব নোৱাৰে, ‘শুভ-অশুভ কৰ্ম্মফলৰ বাবেহে জীৱই সুখ-দুখ আদি ভোগ কৰে বুলি নাৰদে - নানা কথাৰে ধ্ৰুৱক বুজনি দিলে।

“যদি মান-অপমানে সুখ দুখ মানা মনে





সিয়ো নিজ অজ্ঞানীৰ কৰ্ম্ম।
শুভাশুভ কৰ্ম্মফলে সুখ দুখ দুয়োমিলে
সমস্তে প্ৰাণীৰ এহি ধৰ্ম্ম।। ৬৪৮।।
কোন কাক দেয় দুখ কোনে বা কৰাৱে সুখ
কোনে কাক আছে অধিকাৰ।
য'ত দেখা চৰাচৰ কেহো নোহে স্বতন্তৰ
ফলদাতা ঈশ্বৰ সবাৰ।।” ৬৪৯।।

ধ্ৰুৱই নাৰদৰ সকলো কথা শুনি ঘৰলৈ ঘূৰি যোৱাৰ পৰিবৰ্ত্তে ঈশ্বৰক আৰাধনা কৰিবলৈ সিদ্ধান্ত কৰিলে। ধৰ্ম্ম-অৰ্থ-কাম মোক্ষকো নাবাঞ্চি পূৰ্ব্বপুৰুষে নোপোৱা স্থান হে বাঞ্ছা কৰিলে। নাৰদে তেতিয়া ধ্ৰুৱক পৰম উপদেশ প্ৰদান কৰিলে। নাৰদে ক'লে “মাধৱক অপকটে ভজিলে সৰ্ব্বসিদ্ধি লাভ কৰিব পাৰে, মাধৱৰ চৰণত কেনেদৰে ভজনা কৰিব লাগে তাক ব্যক্ত কৰিলে। যমুনাৰ তীৰত থকা মধুবনত স্নান কৰি, ত্ৰিসন্ধ্যা কৰি কুশ আসনত উপবিষ্ট হ'ব, প্ৰাণায়ম কৰি প্ৰাণ-মন নিয়মি, প্ৰণৱ উচ্চাৰণ কৰি হৃদয়পদ্ম কৃষ্ণক চিন্তিবা; তাৰপাচত কৃষ্ণৰ বিভূতি বৰ্ণনা কৰিবা অৰ্থাৎ শিৰৰ পৰা পাদমূললৈ বৰ্ণনা কৰি তেওঁক বিভিন্ন লীলা চিন্তি দ্বাদশাক্ষৰ মন্ত্ৰ জপ কৰিবা। এইদৰে ভক্তিভাৱে হৰিক আৰাধনা কৰিবা।” আৰু শেষত দণ্ডৱতে পৰি প্ৰণাম কৰিবা। ধ্ৰুৱই নাৰদক প্ৰণাম জনালে আৰু ধ্ৰুৱ মধুবনলৈ গমন কৰে।

নাৰদে ধ্ৰুৱক জ্ঞান দান কৰি ৰজা উত্তান পাদৰ ওচৰত উপনীত হ'লগৈ। ৰজাই নাৰদক যথোচিত আপ্যায়ন কৰি বিমৰ্ষমনে নাৰদৰ ওচৰত বহিল। নাৰদে ৰজাৰ বিমৰ্ষতাৰ কাৰণ সুধিলে। ৰজাই ‘সুৰুচিৰ ক্ৰীড়াৰ বানৰ যেন ভৈলো’ বুলি আৰু তাইৰ বশ্য হৈ সুনীতিৰ প্ৰতি অবিচাৰ কৰি ধ্ৰুৱক হেৰোৱালো বুলি ব্যক্ত কৰিলে।

নাৰদে ৰজাক ক'লে যে ধ্ৰুৱৰ কাৰণে চিন্তা কৰিব লগা নাই, তেওঁ কুলত কমল সদৃশ, তিনি ত্ৰৈলোক্যত তেওঁ যশী হ'ব, তেওঁ উগ্ৰতপ কৰি হৰি আৰাধনা কৰিব। ৰজাই নাৰদৰ কথাত সন্তোষ লাভ কৰি নাৰদক বিদায় দিয়ে আৰু নিজৰ ভুলত অনুতপ্তই সুনীতিক আশ্বাস কৰিলে আৰু ধ্ৰুৱৰ আগমনত অপেক্ষাত ৰ'ল।

ধ্ৰুৱই নাৰদৰ উপদেশ মতে মধুবনত কঠোৰ তপস্যাত বহিল। ১ম মাহত সাদৃশ তিনিৰাত্ৰ, ২য় মাহত সপ্তৰাত্ৰ উপবাস, ৩য় মাহত নবৰাত্ৰ, ৪ৰ্থ

মাহত বায়ুপান কৰি, ৫ম মাহত দীৰ্ঘব্ৰত কৰি মাধৱক ধ্যান কৰে। চিত্ত-বুদ্ধি-প্ৰাণক একত্ৰ কৰি মহাযোগত থাকি ভগৱন্তক মনত ধাৰণ কৰিলে। ৬ষ্ঠ মাহত বৃদ্ধাঙ্গুষ্ঠই ভূমি চুই থিয় হৈ থাকিল। ধ্ৰুৱৰ মহা তপত ব্ৰহ্মা আদি সকলোৰে শ্বাস ৰূদ্ধ হ'ল। আৰু সকলোৰে ভগৱন্তক স্তুতি কৰিলে। ভগৱন্তই ত্ৰিদশৰ স্তুতিত সন্তোষ্ট হৈ ধ্ৰুৱৰ তপস্যাৰ বলত এনে হৈছে বুলি কৈ ধ্ৰুৱৰ কাষ পালেহি।

গৰুড়ৰ স্কন্ধত চৰি ভগৱন্তই ধ্ৰুৱৰ আগত সমাগত হ'ল আৰু ধ্ৰুৱই চকু মেলি চোৱা নাছিল মাত্ৰ হৃদি পদ্মত ভগৱন্তক দৰ্শন কৰিলে। চতুৰ্ভূজৰূপী ভগৱন্তৰ মাধুৰ্য মূৰ্ত্তিত ধ্ৰুৱ নিমগ্ন হ'ল আৰু স্তুতি আৰম্ভ কৰিলে। ভগৱন্ত ধ্ৰুৱৰ হৃদয়ৰ পৰা অন্তৰ্ধান হ'ল আৰু চকু মেলি সাক্ষাত ঈশ্বৰক দেখা পালে আৰু প্ৰত্যক্ষভাৱে স্তুতি কৰিবলৈ ধৰিলে।

ভগৱন্তৰ বিশ্ববিমোহন ৰূপ দৰ্শন কৰি ধ্ৰুৱই বিমোহিত হৈ আনন্দত আপ্লুত হ'ল আৰু মাধৱক কি বুলি স্তুতি কৰিব তাক নজনাত মাধৱে ইঙ্গিততে বুজিব পাৰিলে।

"ভূবন মোহন ৰূপ দেখি মোহ ভৈলা।।
দুই নেত্ৰে যেনপান কৰিবাক চান্ত।
মুখে যেন মাধৱক চুম্বন্ত দিয়ন্ত।। -৭২২।।
দুই বাহু মেলিয়া খোজন্ত আলিঙ্গিত।
আনন্দে দ্ৰবিল চিত্ত অঙ্গ পুলকিত।
মনে মাধবক খোজে তুতি আৰম্ভিও।
নজানন্ত শাস্ত্ৰ সিত্ত নুৰাৰা বুলিত।। ৭২৩।।

ঈশ্বৰে শঙ্খেৰে ধ্ৰুৱক কঁপালত স্পৰ্শ কৰাৰ লগে লগে সমস্ত বেদশাস্ত্ৰৰ মন্ত্ৰেৰে কৃষ্ণক স্তুতি কৰিবলৈ ধৰিলে। পঞ্চবৰিষৰ এটি শিশুৱে ভগৱন্তৰ কৃপাত সমস্ত তত্ব-উপলব্ধি কৰি ভগৱন্তক ভজিবলৈ সক্ষম হ'ল। ধ্ৰুৱই প্ৰাৰ্থনা কৰিলে—

" নমো পৰমাত্মাৰূপে জগত ঈশ্বৰ -।
যিটো মায়াগুণে আছে সবে চৰাচৰ।
অন্তৰ্য্যামী ৰূপে তাতে প্ৰবেশি আপুনি।
নকৰা প্ৰকাশ যেন কাষ্ঠ মধ্যে বহ্নি।।" ৭২৬।।

ধ্ৰুৱই ভগৱন্তৰ প্ৰাৰ্থনাত ব্যক্ত কৰিছে—" হে ঈশ্বৰ, তুমি প্ৰপঞ্চত ব্যাপ্ত হৈ আছা; কিন্তু অজ্ঞানতাৰ বাবেহে তোমাক দেখিবলৈ নাপায়। যি ভক্তই তোমাৰ





পাদ-পদ্মত সেৱা কৰে, ব্ৰহ্মজ্ঞান চিন্তি তোমাক ভজে, - তেওঁ মোক্ষলাভ কৰে। ভকতৰ সঙ্গত শ্ৰৱণ-কীৰ্ত্তন কৰি পোৱা সুখ মোক্ষতকৈ সুখকৰ। দুস্তৰ সংসাৰ -মায়াৰ পৰা তৰিবৰ বাবে ভক্তিয়েই একমাত্ৰ উপায়। তুমি কোটি কোটি ব্ৰহ্মাণ্ডৰ ঈশ্বৰ, প্ৰলয় কালত তুমি গৰ্ভত সকলোকে গৰ্ভত ভৰাই থৈ অনন্ত শয্যাত শয়ন কৰি থাকা। তুমি অসংখ্য ব্ৰহ্মাণ্ডৰ অসংখ্য মায়া ক্ষণিকতে ধ্বংস কৰিব পাৰা, তুমি আৰ্ত্তজনৰ বন্ধু, তুমি সকলোৰে পিতৃ, আমি তোমাৰ পুত্ৰ। তোমাৰ চৰণত সেৱা জনাওঁ।"

ধ্ৰুৱৰ কাতৰ স্তুতিত তুষ্ট হৈ দামোদৰ ক'লে— "হে ধ্ৰুৱ, তোমাৰ ভক্তি মিনতিত মই পৰম সন্তোষ লাভ কৰিছোঁ, দেৱ নৰ, মুনি - এই তিনিলোকৰ ওপৰত এখন লোক তোমাক দিলো, যত বহি তুমি চৈধ্যব্ৰহ্মাণ্ড দেখি থাকিবলৈ পাবা সদ্যহতে তুমি পিতৃ ৰাজ্যলৈ গমন কৰা, তোমাক ৰাজ্য দি ৰজা বনবাসলৈ যাব, তোমাৰ ভাতৃ উত্তমক যক্ষই বধ কৰিব, তাৰ বেজাৰত মাতৃ সুৰুচিয়ে প্ৰাণ এৰিব, আৰু তুমি ছত্ৰিশ হাজাৰ বছৰ ৰাজভোগ কৰি পুত্ৰক ৰাজ্য ভাৰ দি তপোবনলৈ যাবা আৰু পুনৰ আহি ধ্ৰুৱলোক পাবাহি।" এই লোক দ্বিতীয় বৈকুণ্ঠ, ব্ৰহ্মা-মহেশ্বৰেও বাঞ্ছা কৰি নাপায়। এনে মনোময় লোক ধ্ৰুৱই লাভ কৰিলে। মাধৱে ধ্ৰুৱক এৰি বৈকুণ্ঠগমন কৰিলে আৰু ধ্ৰুৱই প্ৰদক্ষিণ কৰি প্ৰত্যাগমন কৰে। ধ্ৰুৱই উত্তমস্থান লাভ কৰিলেও মনত অসন্তোষৰ আৰ্বিভাৰ প্ৰবলভাবে ধাৰণ কৰি উৎকৃষ্টপদ মাধৱত খুজিবলৈ পাহৰি গ'ল, মোক্ষপদহে আচল পদ আছিল; উত্তমস্থান-মোক্ষৰ সমকক্ষ নহয়।

"ভকতি দুল্লভ পদ নবাঞ্ছিল মনে।
বাঞ্ছিলা উত্তমস্থান মাতৃৰ বচনে।।" ৭৫৩।।

বিনাশী বস্তু পালে যদিও ধ্ৰুৱই অনুতপ্ত হ'ল। অৰ্থাথী ভক্তিৰ যোগে কাম্যবস্তু লাভ কৰিলেও জ্ঞান-ভক্তিৰ অবিহনে পৰমপদ লাভ কৰিব নোৱাৰি। ধ্ৰুৱই বৈমাতৃৰ দাৰুণ বাক্যৰ আঘাটৰ তীব্ৰতাৰ বাবে হিত্বাহিত জ্ঞান হেৰুৱাই পেলাইছিল। পাৰ্থিব কৰ্কশতাৰ চিত্তক বিচলিত কৰিবলৈ দিব নালাগে। মান-অপমান, নিন্দা-ভৎসৰ্না, সুখ-দুখক সম কৰি ল'ব পাৰিলেহে ভক্তিয়ে ফল দিয়ে। ধ্ৰুৱৰ ভক্তি নিৰ্ম্মল হ'লেও চিত্তত সুৰুচিৰ বাক্যৰ প্ৰহাৰ উপশম নঘটাৰ বাবেই ভগৱন্তক পায়ো মোক্ষ বিচাৰিবলৈ পাহৰি উত্তমস্থানহে বিচাৰিলে- যিটো বিনাশী আৰু অশ্বাশ্বত।

মাধৱৰ বাক্যানুসৰি ধ্ৰুৱ নিজৰাজ্যত প্ৰবেশ কৰাত পিতৃ উত্তানপাদ

ৰজাই মহা সমাৰোহেৰে ধ্ৰুৱক আদৰি আনিলে, ধ্ৰুৱই পিতৃৰ চৰণ চুই, সুৰুচি সুনীতিক সেৱা জনালে। পূৰ্বৰ দোষ থকা সত্বেও ধ্ৰুৱই সুৰুচিৰ প্ৰতি কোনো বিদ্বেষ ভাব প্ৰদৰ্শন নকৰাটো মহাত্মাপুৰুষৰ লক্ষণ। ৰজাই ৰাজ্যভিষেক মহা সমাৰোহেৰে আয়োজন কৰি ধ্ৰুৱক সিংহাসনত আৰোহন কৰোৱালে আৰু পুত্ৰ -দেহ-ধন জন- ৰাজ্যভাৰ সপোনৰ নিধিৰ দৰে ভাবি তপোবনলৈ গমন কৰিলে।

ধ্ৰুবই দুই কন্যা বিবাহ কৰি কৰিলে এগৰাকীৰ নাম শিশুমাৰ আৰু আন এগৰাকী নাম ইলা। ইতিমধ্যে তেওঁৰ ভাতৃ উত্তম মৃগয়ালৈ যাওঁতে যক্ষৰ হাতত নিধন হয়। মাতৃ সুৰুচিয়ে এই খবৰ পাই বনলৈ যাওঁতে বনপুৱা জুইত মৃত্যুক সাবটি লয়। ধ্ৰুৱই খবৰ পাই যক্ষগণৰ উত্তমক বধ কৰিবলৈ বুলি সমৰৰ বাবে উত্তৰ দিশে যাত্ৰা কৰিলে আৰু মনোৰম হেমৱন্ত গিৰিত উপনীত হ'লগৈ। গুহ্যক বা যক্ষসকলক লক্ষ্য কৰি ধ্ৰুৱই শৰ প্ৰহাৰ কৰিলে আৰু যক্ষ গণেও ধ্ৰুৱক আগুৰি পেলালে। যক্ষ গণ আৰু ধ্ৰুৱৰ মাজত তুমুল সংগ্ৰাম হ'ল। তেওঁ যক্ষৰ মায়া  নিৰ্য্যান কৰে আৰু যক্ষগণ অগ্নিত জাহ যোৱাৰ দৰে মৃত্যু বৰণ কৰে।

ব্ৰহ্মাৰ পুত্ৰ মনুৱে ধ্ৰুৱক কৃপা কৰিবৰ কাৰণে ধ্ৰুৱৰ ওচৰ পালেহি আৰু পিতামহক ধ্ৰুৱই প্ৰণাম জনালে। ধ্ৰুৱৰ ক্ৰোধ উপশম কৰিবৰ কাৰণে নানা উপদেশ দিবলৈ ধৰিলে। কোনোবাই উত্তমক বধ কৰিলে বুলিয়েই যক্ষগণক যধে মধে বধ কৰা উচিত হোৱা নাই, মনুবংশত এনে অবিচাৰ পৰম্পৰা নাই, সিংহা ধৰ্ম্ম পাষণ্ডৰহে কৰ্ম্ম, প্ৰাণীবধ সাধুসবৰ নিন্দিত, ক্ৰোধ-অহঙ্কাৰ-হিংসা-পৈশুন্য অজ্ঞানীৰহে কৰ্ম্ম-বুলি জানি পৰিত্যাগ কৰা উচিত বুলি মনুৱে জ্ঞান দিলে—

" কোনেবা তোহোৰ ভাতৃ নিলে যমঘৰ।
তাৰ দোষে মাৰিলি গুহ্যক নিৰন্তৰ।। ৯০৪।।
বৈষ্ণৱ পথৰ বাপু নাই ইটো ধৰ্ম্ম।
হিংসল ব্যসন ইটো পাষণ্ডৰ কৰ্ম্ম।।
আমাৰ বংশৰ ইটো নুহিকে উচিত।
প্ৰাণীবধ বিধি সাধু সবৰ নিন্দিত।। ৯০৫।।
ক্ৰোধ অহঙ্কাৰ হিংসা পৈশুন্য যতেক।
ইটো অজ্ঞানৰ কৰ্ম্ম জানিবা প্ৰত্যেক।।" ৯০৬।।





তদুপৰি চৰাচৰ বিশ্বত সবে হৰিময়, পৰমাৰ্থৰূপে সকলোতে ব্যাপ্ত হৈ আছে। দেহৰ কুশলৰ কাৰণে আনৰ দ্ৰোহ কৰা অনুচিত। একে আত্মাধাৰী কাকো আত্ম-পৰ বুলি ভাবিব নালাগে।

"যত চৰাচৰ দেখা সবে হৰিময়।
পৰমাৰ্থ ৰূপে হৰি সবাতে আছয়।।"

সাংখ্য- যোগৰ মতেও প্ৰকৃতি -পুৰুষৰ সংযোগত পঞ্চভূতেৰে ঈশ্বৰে জীৱ সৃষ্টি কৰে, গুণৰ সংসৰ্গত জীৱই প্ৰবৰ্ত্তন কৰে, ঈশ্বৰ অধিষ্ঠান ৰূপে নিজতেই নিজক স্ৰজন কৰে।

"মহাপঞ্চভূতে হৰি স্ৰজন্ত সংসাৰ।
প্ৰকৃতি পুৰুষ দুইৰো সংযোগ ব্যৱহাৰ।। ৯১১।।
গুণৰ সংসৰ্গে সংসাৰত প্ৰৱৰ্ত্তয়।।
চুম্বক সহিতে যেন লোহায়ো ভ্ৰময়।।
সেহিমতে অধিষ্ঠান ৰূপে- দামোদৰ।
আপোনাতে আপুনি স্ৰজন্ত নিৰন্তৰ।।

মনুৱে ক'লে 'একে আত্মাধাৰী জীৱই কিয় সুখ-দুখ ভোগ কৰিব লগীয়া হয়-?'

গুণৰ ইচ্ছাত জীৱই শুভ-অশুভ কৰ্ম্ম কৰে আৰু কৰ্মানুসৰি সুখী-দুখী হয়। বিষ্ণুমায়াই সকলো জীৱকে আবৰি থাকে আৰু কোনেও ইয়াৰ অন্ত নাপায়, কোনোৱে দৈব্য, কোনোৱে ঈশ্বৰ বোলে। কোনে কাক ৰাখিব পাৰে, কোনে কাক মাৰিব পাৰে, আত্মা অজৰ-অমৰ। অহঙ্কাৰৰ বাবেই শৰীৰৰ সুখ-দুখকেই সুখ-দুখ বুলি জীৱই ভাবে। কৰ্ম্মানুসৰি সুখ-দুখ বা জন্ম-মৃত্যু সংঘটিত হয়—

"কোনোবা কাহাক মাৰে কোনেবা ৰাখয়।
যিটো আত্মা সিটো নমৰয় নুপজয়।।
অহঙ্কাৰ কৰাই আছে দেহত সন্মুখ।
শৰীৰক অভেদে মানয় সুখ দুখ।। ৯১৭।।
কৰ্ম্ম অনুসাৰে সবে সুখ দুখ পায়।
কৰ্ম্ম অনুসাৰে সবে মৰে উপজয়।।" ৯১৮।।

সেইবাবে যক্ষগণক বধ কৰাৰ অধিকাৰ ধ্ৰুৱৰ নাই বুলি মনুৱে জ্ঞান দিছে। সৃষ্টি স্থিতি-সংসাৰ কৰ্তা ঈশ্বৰহে; মহেশ্বৰ- ব্ৰহ্ম-ইন্দ্ৰাদি নাকিলগা জন্তুৰ দৰে ঈশ্বৰৰ অধীন। মহেশ্বৰ ঈশ্বৰৰ পৰমভক্ত, শিৱৰ লগত কুবেৰৰ সখিত্ব

ঘণীভূত, যক্ষগণক বধ কৰাৰ বাবে কুবেৰৰ খং উঠিলে শিৱৰো ক্ৰোধৰ সৃষ্টি হ'ব আৰু ভয়ানক শাপদি ভস্ম কৰিব। গতিকে মনুৰ বচন মানি ধ্ৰুৱই ৰাজ্যলৈ প্ৰত্যাগমন কৰিলে। কুবেৰে ধ্ৰুৱক বৰ প্ৰশংসা কৰিলে। ধ্ৰুৱই প্ৰজাগণক অতি সাদৰে পালন কৰিবলৈ ধৰিলে। নিজধৰ্ম্ম, সদাচাৰ কৰ্ম্ম, কৰ্ম্ম কৰি ছত্ৰিশ হাজাৰ বছৰ ধ্ৰুৱই অকণ্টকা ৰাজ্য কৰি পৰম বৈৰাগ্য লাভ কৰিলে আৰু নিজ তনয়ক ৰাজ্য ভাৰ সমৰ্পি বানপ্ৰস্থ গ্ৰহণ কৰে। বদৰিকাশ্ৰম মাধৱৰ স্থূলমূৰ্ত্তি চিন্তি সূক্ষ্মৰূপে ব্ৰহ্মাত স্থিতহৈ থাকোতেই দুজন পাৰিষদে বিমানত তুলি ধ্ৰুৱক ধ্ৰুৱলোকলৈ লৈ গ'ল। নন্দ-সুনন্দই নাৰায়ণে পঠোৱা বিমানত ধ্ৰুৱক নি ধ্ৰুৱলোকত প্ৰতিষ্ঠা কৰিলে।

৪। **বেনৰ অত্যাচাৰ**

ধ্ৰুৱৰ পুত্ৰ উতকলে বৈৰাগ্য গ্ৰহণ কৰাত তেওঁৰ ভাতৃ বৎসৰ ৰজা হ'ল। তেওঁৰ বংশত অঙ্গ আৰু পত্নী সুনীথাৰ পুত্ৰ বেনৰ জন্ম হয়। বেনৰ জন্ম সম্পৰ্কত বৈপৰীত্য কাহিনীৰ উল্লেখ আছে। অঙ্গ ৰজা পৰমভক্ত আৰু সৰ্বগুণ সম্পন্ন আছিল কিন্তু তেওঁ অপুত্ৰক আছিল। পুত্ৰকামে তেওঁ অশ্বমেধ যজ্ঞ কৰাইছিল কিন্তু দেৱগণ যজ্ঞলৈ নহাত ইয়াৰ কাৰণ সভাসদৰ পৰা জানিব পাৰিলে যে পূৰ্বজন্মৰ পাতকৰ বাবেহে তেওঁৰ পুত্ৰ হোৱাৰ যোগ্যতা নাই। সেইবাবেই দেব সব যজ্ঞলৈ নাহে। নাৰদে ৰজাক পুত্ৰ পাবৰ বাবে শ্ৰীহৰিক ভজিবলৈ কলে। পুৰোডাশ নামে যজ্ঞ কৰি ৰজাই বিষ্ণুক চিন্তিলে আৰু যজ্ঞত দিব্যপুৰুষে আবিৰ্ভাৰ হৈ সুবৰ্ণৰ পাত্ৰত পায়স আনি ৰজাক দিলে ৰাণীয়ে পুংসবন পায়স মনত ধৰাত এটি পুত্ৰৰ জন্ম হয়। ল'ৰা কালতেই সি অতি দুৰ্বিনত আছিল। সি পিতৃ-মাতৃক এৰি অত্যন্ত অধাৰ্ম্মিকা মাতামহৰ সঙ্গত ডাঙৰ-দীঘল হয়। সি অত্যন্ত শক্তিশালী, নিকৰুণ, অসৎস্বভাৱৰ, পশুবধী, অবিবেচক। আনকি লগৰ ক্ৰীড়াৰ সঙ্গীকো সি বধ কৰে। ব্ৰাহ্মণৰ শিশু, বাঘ-হৰিণা, পক্ষীক বধ কৰি সি আনন্দ লভে। প্ৰজাই তাৰ ঘোৰ অত্যাচাৰ সহিব নোৱাৰি ৰজাক কোৱাত ৰজাই তাক বহুত জ্ঞানদিয়াৰ পাচতো একে কৰ্ম্মকে পুনঃ পুনঃ কৰিলে। পুত্ৰহীন হোৱাৰ দুখতকৈ অসৎ পুত্ৰৰ বাবে ৰজাই পৰম সন্তাপিত হ'ল, — যাৰ পুত্ৰ নাই তেওঁহে পুণ্যবান লোক,—

"যাৰ পুত্ৰ নাহি সেহি লোক পুণ্যবন্ত।
ঈশ্বৰকো ভজিল সেহিসে মহাসন্ত।।"১০৮৪।।
কুপুত্ৰত হন্তেহোৱে পিতৃৰ দুৰ্যশ।





প্ৰতিদিনে বাঢ়ে আৰো অধৰ্ম্ম অশেষ।। ১০৮৬।।
অহৰ্নিশে মনৰ নুগুচে অসন্তোষ।
কুপুত্ৰৰ সম একা নাহি আন দোষ।। ১০৮৬।।

কুপুত্ৰ পৰা মহা অশান্তিৰ বাবে অঙ্গৰজাৰ সংসাৰৰ প্ৰতি বৈৰাগ্যৰ সৃষ্টি হ'ল। ৰাজপদ ৰাজ্যভাৰ তেওঁৰ মনত অলীকস্বপ্ন সদৃশ হৈ দেখা দিলে; সাৰ বস্তু-কৃষ্ণপদ সেৱাহে বুলি বনত বাস কৰাকে সিদ্ধান্ত কৰি মধ্যৰাত্ৰি পুত্ৰ-ভাৰ্য্যা-ৰাজ-ভাৰ এৰি তপোবনলৈ গতি কৰিলে। ঋষি গণে ভাবিচিন্তি বেনৰ ৰাজ্যভিষেক পাতিলে। এনেয়ে উদণ্ড-উন্মত্ত, তাতে ৰাজ্য ভাৰ পাই বেনে মহন্তসকলৰ ওপৰত ঘোৰ অত্যাচাৰ আৰম্ভ কৰি দিলে। বেনে নিজকে স্বয়ং ভগবান বুলি ঋষিসমস্তক আদেশ কৰিলে যে তেওঁলোকে বেনক ঈশ্বৰ বুলি ভজিব লাগে, কোনেও বেদ আচৰিব নোৱাৰিব, প্ৰজাগণে নিজ ধৰ্ম্ম পালন কৰিব নোৱাৰিব, হৰিবোলা জনক বান্ধি আনিব লাগিব--- এনে ব্যৱস্থাৰে বেনে ৰাজ্যত দূত মেলি আদেশ কাৰ্য্যকৰী কৰিবলৈ ধৰিলে।

ৰাজ্যত অত্যাচাৰৰ অগণি জ্বলি উঠা দেখি ঋষিগণে একত্ৰিত হৈ বেনৰ ওচৰলৈ গৈ বেনক নানাভাৱে সৎপৰামৰ্শ দি বুজাবলৈ যত্ন কৰিলে। অধৰ্ম্মক এৰি ধৰ্ম্মপথত চলিবলৈ প্ৰজাগণক স্বাধীনতা দিব লাগে বুলি ৰজাক আহ্বান জনালে। বেদধৰ্ম্ম পালনত বাধা নিদিবলৈ, ঈশ্বৰ কৃষ্ণক ভক্তিভাবে ভজিবলৈ ঋষিগণে ৰজাক পৰামৰ্শ দিলে। বেনে ঋষিৰ স্যপৰামৰ্শক নামনি ঋষিগণক মহামুৰ্খ বুলি নানা ককৰ্থনা কৰি ৰজাক ভজিবলৈহে ঋষিগণক কলে। তেতিয়া ঋষিগণে শাপদি বেনক মাৰি পেলালে। বেনৰ মাতৃ সুনীথাই পুত্ৰৰ বেজাৰত মৰ্ম্মাহঁত হ'ল আৰু ঋষিগণক তুষ্ট কৰি বেনৰ পুণৰ জীৱন ঘূৰাই আনিবলৈ আশা কৰি বেনৰ শৰীৰ বিদ্যাযোগে ৰক্ষণ কৰি থলে।

ঋষিসকলে তীৰ্থ স্নান কৰি অগ্নিত আহুতি দিলে, তেওঁলোকে দেখিলে যে চৌদিশে উৎপাত আৰম্ভ হৈছে, তেজৰ বৃষ্টি হৈছে, সঘনে বজ্ৰপাত পৰিছে— দস্যুৰ প্ৰভাবত দুৰ্ঘোৰ অত্যাচাৰ আৰম্ভ হ'ল।

৫। **পৃথুৰ অৱতাৰ গ্ৰহণ কৰ্ম্মলীলা**

পৃথিৱীত অবৰ্ণনীয় অধৰ্ম্ম, ব্যভিচাৰ প্ৰজাৰ হাৰা শান্তি, অৰাজক হোৱাত মুনি গণে একত্ৰিত হৈ মৃতবেনৰ শৰীৰৰ উৰু মথিবলৈ ধৰিলে। মন্থনত এটা বিকৃতাকাৰ, দুৰাচাৰী, কলাবৰণৰ, বিপৰ্য্যয় অঙ্গৰ কদাকাৰ পুৰুষ এজন আবিৰ্ভাৰ হৈ মুনিগণক সেৱাজনাই আজ্ঞা কৰিবলৈ ক'লে। ঋষিগণে তাক 'নিষীদ' নাম দিলে আৰু তাৰ পৰাই চাণ্ডাল বেশী নিষাদৰ সৃষ্টি হয়। বেনৰ কু-কৰ্ম্মৰ আৰু

পাপৰ মূৰ্ত্তিয়েই এই পুৰুষ বুলি ঋষিগণে ঠাৰৰ কৰিলে আৰু বেনৰ পাপৰাশি খণ্ডিল। তেওঁলোকে পুনৰ বেনৰ দুই বাহু মথিবলৈ ধৰিলে আৰু মন্থনত লক্ষ্মীনাৰায়ণৰ সৃষ্টি হয়। পতি-পত্নীৰূপে আবিৰ্ভাব হোৱা ভগৱন্ত আবিৰ্ভাব হোৱাৰ লগে লগে চাৰিওফালে সুমঙ্গল ব্যাপি পৰিল। ঋষিগণে উত্তম পুৰুষজনক পৃথু আৰু পত্নী গৰাকীক অৰ্চ্চি নাম দিলে। অৰ্চ্চিয়েই লক্ষ্মী আৰু পৃথুয়েই নাৰায়ণ।ব্ৰহ্মা-বিষ্ণু-ইন্দ্ৰ-শিব-দেৱগণ-সিদ্ধমুনিগণ উপস্থিত হৈ পৃথুক অভিনন্দন জনালে, আৰু অভিষেকৰ মহাআয়োজন কৰিলে। গঙ্গাজল অনা হ'ল, সুবৰ্ণৰ ঘট অনা হ'ল, বিভিন্ন দ্ৰব্যাদি গোটোৱা হ'ল, কল্পতৰু বৃক্ষ-কামধেনু- পঞ্চদ্ৰব্যাদি সংগৃহীত হ'ল। গৰুড় আদি পক্ষীগণ, সিংহ আদি পশুগণ, সকলোপ্ৰাণী পৃথুৰ অভিষেক উৎসবলৈ আহিল। পৃথু আৰু অৰ্চ্চিক বসন-ভূষণ পৰিধান কৰোৱাই মহাভিষেক পাতিলে।

কুবেৰে পৃথু সুবৰ্ণ সিংহাসন, বৰুণে ধ্বল ছত্ৰ, বায়ুয়ে চামৰ ব্যজন, ধৰ্ম্মৰাজে কীৰ্তিময় মালা, ইন্দ্ৰই কিৰীটি, যমে সংযমন দণ্ড, ব্ৰহ্মাই অভেদ কবচ, সৰস্বতীয়ে সুবৰ্ণৰ হাৰ, দেবনাৰায়ণে সুদৰ্শন চক্ৰ, লক্ষীয়ে অখণ্ড সম্পত্তি মহেশে খগড়, মহামায়াহ চাৰুবাৰ চন্দই অশ্ব, ত্বষ্টাই দিব্যৰথ, অগ্নিয়ে অজগৰ সাপ, সূৰ্য্যৰ অসংখ্য শৰ, পৃথিবীয়ে পাদুকা, গন্ধৰ্বই বিদ্যা, সাগৰে শঙ্খ, দান কৰিলে। সকলোৱে পৃথুক স্তুতি কৰিবলৈ ধৰিলে। পৃথুৱে সকলোকে স্তুতি কৰিবলৈ নিষেধ কৰিলে। ইয়াৰ পৰ্ব্বিতে কৃষ্ণ স্তুতি কৰিবলৈহে সকলোকে উপদেশ দিলে।

পৃথুৱে ক'লে যে মহন্তসকলে কৃষ্ণ গুণক এৰি আন শ্ৰবণ নকৰে, কৃষ্ণ গুণ নামৰ বাহিৰে অন্যবাক্য পৰম নিন্দিত।

"যিটো সভাসদ বৰ্গ হোৱে মহাজন
কৃষ্ণগুণ ছাৰি আন নকৰে শ্ৰবণ
যদি আন বাক্যচয় হোৱে আৰম্বৰ
পৰম নিন্দিত তথাপিতো উত্তমৰ।।"১২২২।

আনৰ স্তুতি মিনতি মহন্তই গ্ৰহণ নকৰে, আনৰ প্ৰশংসাও নিবিচাৰে। আনৰ স্তুতি প্ৰশংসা শ্ৰবণ কৰিলে নিজৰ গৰ্ব্ব বা অহঙ্কাৰ বাঢ়ে। তিনিও লোকৰ যশস্যা থাকিলেও যি নিজকে ক্ষুদ্ৰবুলি ভাৱে, তেওঁহে মহন্ত। বালকেহে স্তুতি বাক্যত আনন্দ লাভ কৰে।

"তিনিও জগতে যদি যশস্যা বিদিত।





তথাপিতো আপোনাক কৰে গৰিহিত।।
নকৰাৱে স্তুতি কদাচিতো আপোনাক।
প্ৰশংসা শুনিলে বোলে মহা খৰ্ব্বাক।।"

আত্মা প্ৰশংসা বাঞ্ছা নকৰাৰ বাবে পৃথুৰ ঈশ্বৰত্ব প্ৰতীয়মান হৈছে। পৃথুৰ এই মহানতা লোকশিক্ষাৰ বাবে অতি প্ৰয়োজনীয়া আদৰ্শ। তৎসত্বেও ঋষি সকলে গায়ক সকলক পৃথুৰ নিৰ্ম্মল চৰিত্ৰ গাবলৈ কোৱাত তেওঁলোকে গাবলৈ ধৰিলে। ভগৱন্তই পৃথুৰ মৎস্যাদি অৱতাৰ গ্ৰহণ কৰিছিল যদিও অৱতাৰ শ্ৰেষ্ঠ অৱতাৰ। এই অৱতাৰে তেওঁ সমস্তলোককে ধৰ্মত স্থাপন কৰিব বৰ্ণাশ্ৰম ধৰ্ম ৰক্ষা কৰিব, ধৰ্ম বিৰোধী আৰু দুৰ্জ্জন-শঠক উগ্ৰদণ্ড কৰিব, লোকৰ উপকাৰ সাধন কৰিব, দুভিক্ষত লোকক নিস্তাৰিব, সকলোকে সমভাবে চাব, সকলো প্ৰাণীৰ প্ৰতি দয়া আৰু দৰিদ্ৰক কৃপা কৰিব, সকলো দেৱতাৰ গুণাৱলী ও শক্তি পৃথুৰ থাকিব আৰু ইচ্ছাকৰি বৰষুণ দিয়াব, প্ৰজাগণৰ ৰঞ্জক হ'ব আৰু ন্যায়-নীতিৰে ৰাজ্য শাসন কৰিব।

তেওঁ নিজ পত্নীক অৰ্দ্ধাঙ্গিনী ভাৱে মানিব আৰু পৰতিৰীক মাতৃসম ভাৱিব, লোভ-মোহ-কাম-ক্ৰোধ ত্যাগ কৰিব, পৃথিৰীক দোহন কৰিব, পৃথিৰীক সমান কৰিব, একছত্ৰী সম্ৰাট হৈ অসনক পৃথিৰী শাসন কৰিব, একশত মহাযজ্ঞ কৰিব আৰু সনক কুমাৰৰ পৰা দিব্যজ্ঞান লাভ কৰিব।

**।।পৃথুৰ কৰ্মলীলা।।**

(১) পৃথিৰীৰ লগত বিবাদ, পৃথিৰী দোহন।
(২) শতক্ৰুতু যজ্ঞ সমাপন।
(৩) ইন্দ্ৰৰ লগত বিবাদ আৰু ইন্দ্ৰৰ পৰাভৱ, বিষ্ণুৰ পৰা উপদেশ প্ৰাপ্তি।
(৪) প্ৰজা সাধাৰণক পৃথুৰ আধ্যাত্মিক উপদেশ দান।
(৫) চাৰি সিদ্ধৰ পৰা ভগৱত তত্ব-জ্ঞান লাভ।
(৬) সন্ন্যাস গ্ৰহণ আৰু বৈকুণ্ঠপ্ৰাপ্তি।

**(১) পৃথিৰীৰ লগত বিবাদঃ পৃথিৰীদোহন।।**

পৃথুৰ ৰাজ অভিষেকৰ পাছতে ৰাজ্যত প্ৰজাগণে অন্নৰ বাবে শুকাই ক্ষীণাই যাবলৈ ধৰিলে আৰু ৰজাৰ ওচৰত উদ্ধাৰৰ উপায় বিচাৰিলে। বেনৰ কালত পৃথিৰীয়ে শস্যসমূহ খাই পেলাইছিল। গতিকে পৃথুৱে পৃথিৰীক বধ কৰো বুলি শৰ জুৰিলে। পৃথিবীয়ে ভয়ত ধেনুৰূপ ধাৰণ কৰি পলাবলৈ ধৰিলে।

তিনি ত্ৰৈলোক্যত ৰক্ষা নাপাই পৃথিৱীয়ে পৃথত শৰণ ললে। ধৰিত্ৰীয়ে নানা প্ৰকাৰে পৃথুক স্তুতি মিনতি কৰি শান্ত কৰিবলৈ চেষ্টা কৰিলে। বসুমতীৰ স্তুতিত ভগৱন্ত ভক্তিৰ মাহাত্ম্য প্ৰকাশ পাইছে।

"পৃথিৱী আকাশ বায়ু তেজ জল পঞ্চ।
কাল দিশ মন আত্মা দ্ৰব্যৰ প্ৰপঞ্চ।। ১৩২৬।।
ওষ্ঠ ত্বক চক্ষু জিহ্বা নাসিকা প্ৰধান।
পায়ুপস্থ হস্ত পদ বাক্য বিদ্যমান।।
আসম্বাৰ অধিষ্ঠাতা আৰু দেবগন।
সহজে ত্ৰিতয় তাপ সংসাৰ দহন।। ১৩২৭।।
তাহাত বাঢ়িয়া আছে যিটো অহঙ্কাৰ।।
অহঙ্কাৰ সাধ্য ৰাগ-দ্বেষৰ প্ৰচাৰ।
ইসৱ দুস্ত্যেজ সংসাৰৰ উৰ্ম্মিচয়।
তুমি বিষয়ত কিছুনুহি সমস্তয়।। ১৩২৮।।

"মাটি-পানী-বায়ু-আকাশ-অগ্নি- এই পঞ্চ মহাভূতৰ, কাল-দিশ-মন-আত্মা-দ্ৰব্যৰ, ওঁঠ-ছাল-চকু-জিভা-নাক- এই পঞ্চজ্ঞানেন্দ্ৰিয়ৰ, হাত-ভৰি-মুখ-গুহ্য-দাৰ-মূত্ৰদাৰ- এই পঞ্চকৰ্ম্মেন্দ্ৰিয়ৰ অধিষ্ঠাতা দেৱগণৰ অধীশ্বৰ হে পৃথুৰূপী ভগৱান, তোমাক সেৱা জনাওঁ বুলি বসুমতীয়ে স্তুতি কৰিছে।"এইবোৰৰ ওপৰিও অহঙ্কাৰ-ৰাগ-দ্বেষ-ছয় উৰ্ম্মিয়ে লোকক বিষয়ত ৰাখি কষ্ট দিয়ে আৰু তিনিতাপে লোকক শোষণ কৰে বাবে হে ঈশ্বৰ, তোমাত শৰণ লোৱাৰ বাহিৰে তৰণৰ উপায় নাই।

পৃথিৱীয়ে পৃথুক কৈছে— "হে ভগৱান, মোক পূৰ্ব্বতে চাৰিবিধ জীৱক ধাৰণ কৰিবৰ কাৰণে সৃষ্টি কৰিছা, বৰ্ত্তমান তুমি মায়াক আশ্ৰয় কৰি লক্ষ্মীসমে অৱতাৰ ধৰিছা, তুমি মোৰ নিজ পিতৃ, মই তোমাৰ নিজ জায়া, গতিকে ক্ৰোধ এৰি মোক ৰক্ষা কৰা, ইমানতো পৃথুৰ খং নকমাত পৃথিৱীয়ে হৰিভক্ত গণক প্ৰাৰ্থনা জনালে যাতে হৰিভক্তই পৃথুৰ খং উপশম কৰে। এই কাহিনী বৰ্ণনা কৰি কবিয়ে নৰলোকক উপদেশ দিছে— কবিয়ে কৈছে— যে ভাগৱত শ্ৰৱণ কৰি পৰম সম্পদ সঞ্চয় কৰিব লাগে।

ঘোৰ কলিযুগত পাপৰ জলধিয়ে মহাসাগৰৰ দৰে জীৱক নিমগ্ন কৰায়। মনৰ পৰা সংসাৰ কামনা-বাসনা মুঠেই নাতৰে, যমৰ যাতনাই জীৱক অতীষ্ঠ কৰি তোলে। মন পৰম দুৰ্জ্জনহৈ বিষয়ত কষ্ট ভোগায়। হিংসা, ক্ৰোধ, মৎসৰ, কপট মনৰ পৰা নুগুছে, ৰমণীৰ পাছে পাছে মন ৰঙা ঘোঁৰাৰ দৰে দৌৰি ফুৰে। শৰীৰৰ মাংস গেলি পচি খহিপৰে, মহাশোকগ্ৰস্ত হৈ কান্দিব লাগে, সুৰপান কৰি মত্তহৈ বাটকোটি কৰি কান্দলত ভোগ; তথাপি বিষয়কে অমৃত যেন মানি তাতে আশ্ৰয় কৰে আৰু মহাসুখ শান্তিৰ আধাৰ কৃষ্ণৰ পৰম মঙ্গল নাম নলয়। এই দৰে জীৱই অধোগতি যায়।

"নমোনমো ভগৱন্ত তযুপাৱ ছত্ৰ।
বিষম দুৰ্জ্জয় ইটো সংসাৰ বিচিত্ৰ।।
নজানিলো ভালমন্দ ইটো বিশ্বমান।
কিবা বিষময় পৰা অমৃত সমান।।" ১৩৪৮।।

পৃথুৰ খং দমন নোহোৱাত পৃথিৱীয়ে পুনৰ এটি বিকল্প অনুৰোধ জনালে। তেওঁ ক'লে পূৰ্ব্বে ব্ৰহ্মাই প্ৰজাপতিয়ে বিভিন্ন ঔষধ স্ৰজন কৰিছিল, কিন্তু দুৰ্জ্জন সকলে সেইবোৰ সংহাৰ কৰিলে, লোকপালক সকলেও সংৰক্ষণ নকৰিলে আৰু পৃথিৱীয়ে যজ্ঞৰ বাবে ভক্ষণ কৰি জীৰ্ণ নিয়াইছে। পৃথিৱীয়ে পুনৰ কামধেনু হৈ সমস্তকে ৰজাক দান কৰিব—

"মই পুনু কাম ধেনু পূৰিবো তোমাৰ মন
কিন্তু এক বৎসৰ কল্পিয়ো।
হুইবে মহা সুশোভিত অন্নৰূপে যথোচিত
তেবে ৰাজা মোহোক দোহিয়ো।।" ১৩৬১।।

ভাল শস্য পাবলৈ হ'লে খাল বাম সমান কৰিবলৈ পৰামৰ্শ দিয়ে। উপযুক্ত পাত্ৰ, বৎস সৃষ্টি কৰিবলৈ পৃথুক আহ্বান জনালে। পৃথুৱে পৃথিৱীৰ আহ্বানক সমৰ্থন কৰি মনুক বৎস কৰিলে আৰু নিজে গোপাল হ'ল। প্ৰথমতে হস্ত দোহন কৰি শস্য, ঔষধি দোহন কৰিলে। ঋষি, পিতৃ, দেবগনেও দোহন কৰিলে। ইন্দ্ৰিয়ক পাত্ৰ কৰি, বৃহস্পতিক বৎস কৰি দেৱগণে ক্ষীৰময়বেদ, দৈত্যগণে প্ৰহ্লাদক বৎস কৰি ক্ষীৰময়মদ্য, চিত্ৰসেন গন্ধৰ্ব্বকে আদি কৰি বিধে বিধে দোহন কৰিলে। এইদৰে নানাপাত্ৰ, নানা বৎস কৰি বিশ্বৰ সমস্তকে দুহিলে।

"এহিমতে সবে পৃথিৱীক দুহিলন্ত।
যাৰ যিবা মুখ্য তাকে বৎস কৰিলন্ত।।" ১৩৯৩।।
"নানা বৎস নানা পাত্ৰ নানা ক্ষীৰচয়।
এহি নানা ভাৱে দুহিলন্ত সমস্তয়।।" ১৩৯৪।।

ইয়াৰ পিচত পৃথুৱে ধনুৰে সমস্ত পৰ্ব্বত ভাঙি সমান ভূমিক সৃষ্টি কৰিলে, নগৰ-গ্ৰাম-অৰণ্য-দেশ-হাটী-বাটীৰ সৃষ্টি কৰিলে, অনেক দুৰ্গ-গড় তৈয়াৰ কৰি

ৰাজধানী নিৰ্ম্মাণ কৰিলে। সকলো নিৰ্ম্মান কৰি পৃথুৱে কৃষ্ণৰ ভৱন নিৰ্ম্মাণ কৰিলে।

**(২) শতক্ৰুতু যজ্ঞ সমাপন**।।

পৃথিৱী দোহনৰ পাচতে ৰজা পৃথুৱে শতক্ৰুতু যজ্ঞ আৰম্ভ কৰিলে। মহা সমাৰোহৰে যজ্ঞ আৰম্ভ কৰি ব্ৰহ্মাবৰ্ত্ত স্থানলৈ ব্ৰহ্মা, মহাদেৱ, ইন্দ্ৰ, চন্দ্ৰ আদি দেৱগণক আমন্ত্ৰন জনালে আৰু তেওঁসব আহি যজ্ঞত উপস্থিত হ'লহি। ৰজাই নিজে যজ্ঞপতি হ'ল। যজ্ঞলৈ চিত্ৰসেন গন্ধৰ্ব্ব, স্বৰ্গৰ সুন্দৰী, সিদ্ধ, বিদ্যাধৰ, চাৰিসিদ্ধ, চৈধ্যপৰিষদ, স্বয়ংমাধৱ, কপিল, নাৰদ, দত্তাত্ৰেয়, কৃষ্ণ ভক্তগণ আহি উপবিষ্ট হ'ল। ধেনুৰূপী বসুন্ধৰীয়ে- হাবিদ্ৰব্য সমূহৰ যোগান ধৰিলে, সমুদ্ৰে নানা ৰত্নসমস্ত দিলে, লোকপল সকলেও অপাৰ দ্ৰব্যৰ যোগান ধৰিলে। ভগৱন্তৰূপী পৃথুৱে আয়োজন কৰা মহাযজ্ঞ দেখি সুৰপতিয়ে, দেৱতাহঁয়ো বাধাদান কৰিলে। ইন্দ্ৰই মায়াত পৰি শঙ্কিত হ'ল জানোচা তেওঁৰ ইন্দ্ৰপদ যায়েইবা। শতক্ৰুতু যজ্ঞ সমাপন হ'বলৈ নিদিবলৈ ইন্দ্ৰই মনস্থ কৰিলে।

**(৩) ইন্দ্ৰৰ লগত বিবাদ ইন্দ্ৰৰ পৰাভৱ, বিষ্ণুৰ পৰা উপদেশ প্ৰাপ্তি**।।

শৰীৰৰ ইন্দ্ৰিয়গন সদায়ে শঙ্কিত, মন সদায়ে সন্দেহ যুক্ত। ভগৱন্তৰ সংকল্পক দেহমনে তত্ব পাব নোৱাৰি বিপথে পৰিচালিত হয়। ইন্দ্ৰৰ সংকল্প জীৱৰ সংকল্পৰ লগত একে। যাৰ হৃদয়ত পাৰ্থিব ভয় থাকে তেওঁ য'তে ত'তে ভূত বা শত্ৰু দেখা পায়। পৃথুৱে অশ্বমেধ যজ্ঞ কৰাত শশীপতি ইন্দ্ৰই অহৈতুকী ভয়ত ত্ৰ্যস্তমান হৈ দেৱতাৰ বেশ এৰি মায়া বেশী হৈ পাষণ্ডৰূপে যজ্ঞৰ ঘোঁৰা অপহৰণ কৰিলে। অত্ৰি ঋষিয়ে পৃথুৰ পুত্ৰক এই কথা কোৱাত পুত্ৰ নিকাৰুণে অস্ত্ৰলৈ ইন্দ্ৰক খেদি গৈ পাষণ্ডৰ বেশত থকা ইন্দ্ৰক ইন্দ্ৰ বুলি নাজানি ঘূৰি আহিল। পুনৰ অত্ৰিয়ে তেৱেঁই যে ইন্দ্ৰ বুজাই কোৱাত পুত্ৰই গৈ ইন্দ্ৰক আক্ৰমন কৰাত ইন্দ্ৰই পৃষ্ঠভক্ষ দিলে। আৰু অশ্বঘোঁৰা লৈ পৃথুনন্দনে যজ্ঞত প্ৰৱেশ কৰিলে আৰু পুনৰ যজ্ঞ আৰম্ভ হ'ল। ইন্দ্ৰই পুনঃ মায়াৰ সৃষ্টি কৰি যজ্ঞস্থলী আবৰি পেলালে আৰু ঘোঁৰা হৰণ কৰি আনিলে। অত্ৰিৰ পৰামৰ্শক্ৰমে পৃথুনন্দন বিজিতাশ্বই ইন্দ্ৰক খেদি ঘোঁৰা উদ্ধাৰ কৰি আনিলে। ইন্দ্ৰই তিনিবাৰ ঘোঁৰা অপহৰণ কৰিবলৈ যি পাষণ্ডৰ বেশ ধাৰণ কৰিছিল পৰবৰ্ত্তীকালত মনুষ্যই সুকৰ্মত বিঘিনি ঘটাবলৈ সেই আদৰ্শকে গ্ৰহণ কৰিলে। বেশ বুলিলে- মূৰত জটাৰ পটল, কৰ্ণত মনুষ্যৰ অস্থিৰ মালা, উলঙ্গ, হাতত মনুষ্যৰ মালা, মদ্য-মাংস ভক্ষক,





মুখত কুবাক্যকে বুজায়।

পৃথুৱে ইন্দ্ৰৰ পাষণ্ড আচাৰ জানি ইন্দ্ৰ বধৰ বাবে অগ্ৰসৰ হোৱাত ঋষিগণে বাধা প্ৰদান কৰিলে আৰু মন্ত্ৰপঢ়ি তেওঁলোকে ইন্দ্ৰক বধ কৰিবলৈ ল'লে। ব্ৰহ্মাই আহি ঋষিগণক আহুতি প্ৰদান কৰিবলৈ মানা কৰিবলৈ আৰু পৃথুকো যজ্ঞৰ সামৰণি মাৰিবলৈ অনুৰোধ কৰিলে। পৃথুৱে সকলোৰে মঙ্গলৰ কাৰণে যজ্ঞৰ পৰিসমাপ্তি ঘটালে। যজ্ঞত উপস্থিত থকা বিষ্ণুৱেও ইন্দ্ৰৰ প্ৰতি থকা ক্ৰোধ পৰিত্যাগ কৰিবলৈ পৃথুক ক'লে। হিংসা ধৰ্ম আচৰাজন দুৰ্জ্জন আৰু অবোধ। প্ৰাণী হিংসা নকৰাজন মহন্তলোক। সমস্ত দেহ মায়াময়, অবিদ্যাৰে আবৰা। দেহ-জ্ঞান-কৰ্ম-ইন্দ্ৰিয়-মন আদিৰ অধিষ্ঠাতা নাৰায়ন। সুখে-দুখে ইন্দ্ৰিয়ক- সংযম কৰি কৰ্তব্য কৰ্ম কৰি যাব লাগে।

পৃথুৱে বিষ্ণুৰ উপদেশ লাভ কৰি পৰম কৃতাৰ্থ হ'ল আৰু বিষ্ণুক প্ৰাৰ্থনা কৰিবলৈ ধৰিলে। ইন্দ্ৰয়ো আহি পৃথুৰ চৰনত ধৰি প্ৰাৰ্থনা কৰিলে। পৃথুৰ পৰম ভক্তিত সন্তোষ্ট হৈ বিষ্ণুৱে পৃথুক বৰ দিব খুজিলে। পৃথুৱে ভগৱন্তৰ চৰণ কমলত সেৱা কৰিবলৈহে বৰ ল'লে। ঈশ্বৰে লোকক মুহিবৰ বাবেহে বৰ লবলৈ কয়। বাক্য জৰীত বদ্ধ হৈ সংসাৰীলোকে বৰম্বাৰ দুখভোগে। ভগৱানৰ মায়া দুস্তৰা, আপাত দৃষ্টিত ই সুন্দৰ হ'লেও প্ৰকৃতাৰ্থত ই মায়াৰ চালনাহে।

"বাক্যৰজ্ঞু বদ্ধ হুয়া সকলে সংসাৰ।
ভুঞ্জে পৰলোক দুখ অসংখ্যাত বাৰ।।" ১৫৫৪।।
"তোমাৰ দুস্তৰমায়া অপাত মধুৰ।
ভ্ৰমে চৰাচৰ দেৱ মনুষ্য শৰীৰ।।" ১৫৫৫।

পৃথুৰ ভক্তিত তুষ্ট হৈ নানা উপদেশ দি বিষ্ণু বৈকুণ্ঠলৈ গমন কৰিলে।

**(৪) প্ৰজা সাধাৰনক পৃথুৰ আধ্যাত্মিক উপদেশ দান**।।

প্ৰজাগণ ভগৱানৰ দ্বাৰা সৃষ্টি অমৃতৰ পুত্ৰ আৰু পৰমাত্মাৰ অংশ আত্মাধাৰী প্ৰাণী। ৰজা পৃথু ভগৱানৰ অৱতাৰ বিশেষ। সেইবাবে ভগৱানৰ আজ্ঞাবাহী ৰজা হিচাবে প্ৰজাগণক পৃথুৱে পুত্ৰসম ভাৰি আধ্যাত্মিক উপদেশ দিছিল। আধ্যাত্মিকজ্ঞান ৰজা প্ৰজা দুয়োৰে প্ৰয়োজন। দুৰ্জ্জনৰ চিত্ত শুদ্ধিৰ বাবেই মহাধৰ্মৰ প্ৰয়োজন। মহাধৰ্ম ৰক্ষাৰ বাবেই ভগৱানে ৰজাসকলক নিয়োজন কৰে। প্ৰজাৰ হিত সাধনৰ বাবে বেদত প্ৰজাৰ ধৰ্ম হিচাবে প্ৰথমেই শুদ্ধচিত্তে ৰজাৰ আজ্ঞা মানি চলিব লাগে। ৰজাক পিতৃ বুলি ধৰিলে, ৰজাই প্ৰজাক

পুত্ৰৰূপে ব্যৱহাৰ কৰিব। পুত্ৰই পিতৃৰ পিণ্ডদান দিয়াৰ দৰে প্ৰজাই ঈশ্বৰক ভজিব লাগে। দিয়াৰ দৰে প্ৰজাই ঈশ্বৰক ভজিব লাগে। প্ৰজাই সকলো কৰ্ম কৃষ্ণত অৰ্পণ কৰি কৰিব লাগে বুলি পৃথুৱে উপদেশ দিছে—

"এহিসে প্ৰজাৰ ধৰ্ম বেদৰো বিহিত।
পালিবে ৰজাৰো আজ্ঞা হুয়া শুদ্ধচিত।।
হেনজানি কৰিয়োক আমাৰ আদেশ।
অন্তৰ্য্যামী দৃষ্টি কৰি ভজা হৃষিকেশ।। ১৬১১।।
কৰিয়ো আমাৰ পৰলোক উপকাৰ।
প্ৰজাভৈলে হোৱে পুত্ৰ সমান ৰাজাৰ।।
পুত্ৰভৈলে লাগে পিণ্ড দিবাক বাপৰ।
মোৰ পিণ্ড দান হোৱে ভজিলে ঈশ্বৰ।। ১৬১২।।
যত কৰ্ম ধৰ্মকৰা কৃষ্ণত অৰ্পণ।
তেৱে অপ্ৰয়াসে সিজিবেক প্ৰয়োজন।।" ১৬১৩।।

কৃষ্ণৰ চৰণ ছাঁয়াত আশ্ৰয় লোৱা জনক সংসাৰৰ তাপে স্পৰ্শ কৰিব নোৱাৰে। গতিকে সকলো প্ৰজাই কায়-বাক্য-মনে স্বকৰ্ম্ম আচৰি মহাহৰিক ভজিব লাগে।

"কৃষ্ণৰ চৰণ ছত্ৰ কৰয় আশ্ৰয়।
পুনৰপি সংসাৰৰ তাপে নপাৱয়।।
তুমি সৱে আপোনাৰ স্বধৰ্ম আচৰি।
কায় বাক্য মনে ভজিয়োক মহাহৰি।।" ১৬২৭।।

এইদৰে পৃথুৱে প্ৰজাগণক নানান আধ্যাত্মিক তত্ব-জ্ঞান প্ৰদান কৰিলে।

(৫) **চাৰি সিদ্ধৰ পৰা ভাগৱত তত্ত্ব-জ্ঞান লাভ**।।

পৃথুৰ সভাত চাৰিসিদ্ধ উপনীত হ'লহি আৰু পৃথুৱে শ্ৰদ্ধাৰে সৎকাৰ কৰিলে। যাৰ গৃহত হৰিভক্ত উপগত নহয় তেওঁ সৰ্প সদৃশ আৰু তেওঁৰ গৃহো সৰ্পগৰ্তৰ দৰে। পৃথুৱে চাৰি সিদ্ধক প্ৰাৰ্থনা জনাই কৈছে—

"চৈধ্যয় ভুৱনে যাৰা সৰ্ব্বক্ষণে
তথাপি কেহো নেদেখে।
যেন সমস্তৰ ব্যাপক আত্মাক
প্ৰাণীত কেহো নলখে।।" ১৬৭২।।
যাহাৰ গৃহত নোহি উপগত





একান্ত হৰিভকত।
তাৰ গৃহচয় সৰ্পৰ আলয়
মহন্তৰ ইটো মত।।" ১৬৭৪।।

পৃথুৰ প্ৰাৰ্থনাত তুষ্ট হোৱাত পৃথুৱে সিদ্ধগণক প্ৰশ্ন কৰিলে— কিমতে মায়াময় সংসাৰত সুখে তৰিব পাৰে বুলি। সিদ্ধগণে বেদৰ গুহ্যতত্ত্ব সমূহ ব্যক্ত কৰি ক'লে— যে প্ৰথমতে হৰিৰ চৰণত শ্ৰদ্ধা কৰিব, ৰতি কৰিব, কৃষ্ণ কথা শ্ৰৱণ কৰিব, মুকুন্দৰ পাদপদ্ম হৃদয়ত ধাৰণ কৰি সৰ্ব্বক্ষনতে চিন্তিব আৰু তেৱে সংসাৰ তৰি যাব।

"হৰি চৰণত শ্ৰদ্ধা প্ৰথমত
কৰিবেক পাছে ৰতি।
তেবেসে সংসাৰ গুচে পুৰুষৰ
শাস্ত্ৰৰ এহি সন্মতি।।" ১৬৮১।।
"কৃষ্ণ কথায়ে আতি সুধাময়
কৰিবে কৰ্ণে ভূষণ।
মুকুন্দৰ পদ ধৰি হৃদয়ত
চিন্তিবেক সৰ্ব্বক্ষন।।"

ন-বিধ ভক্তি কৰিব, গুৰু উপদেশ ল'ব, শাস্ত্ৰৰ তত্ত্ব উপলব্ধি কৰিব, কৃষ্ণত একান্ত ভকতি কৰিব, ক্ৰমে বৈৰাগ্য আহিব, ক্ৰমে ক্ৰমে হৃদয়ৰ বাসনা দূৰ হ'ব। হৰি ভকতিৰ প্ৰভাৱত জীৱৰ জ্ঞানোদয় হ'ব, বিষয় সমূহক স্বপ্নময় দেখিব।

সংসাৰত লোকে ঘোৰ বিষয় বাসনাত থাকি ইন্দ্ৰিয় ভোগত আসক্ত হৈ ধন-জন-পুত্ৰ-ভাৰ্য্য-গছ-বাজি-মনৰ বিলাসত ভোল হৈ থাকে। সংসাৰীৰ আশা কোনো দিনে পূৰ্ণ নহয় কোনো দিনে সুখ, বুদ্ধিৰ বিভ্ৰম ঘটে আৰু সংসাৰ দুখত প্ৰীড়িত হয়।

"ধনজন পুত্ৰ ভাৰ্য্যা গজবাজি নানা প্ৰজা
তাতে মাত্ৰ মনৰ বিলাস।
স্বপ্নতো নাহিকে আন কেৱল বিষয় ধ্যান
তথাপি নুপুৰে তাৰ আশ।।" ১৬৮৬।।
"নিমিলন্ত কিছুসুখ কেৱলে পাৱয় দুখ
এৰি কৃষ্ণ সেৱা নবনিধি।

বুদ্ধিৰ বিবেক হৰে বিষয়ত পুৰি মৰে।
বঞ্চিলেক তাক জানা বিধি।।" ১৬৮৭।।

এইদৰে বিষয়ৰ ধ্যান কৰি কৰি মৃত্যু বৰন কৰে আৰু অধম যোনিত জন্ম গ্ৰহণ কৰে। জগতত বিৰাজমান-স্থুল সূক্ষ্ম জীৱৰ আত্মা ভগৱান আৰু সকলো কাৰ্য্য কাৰণৰ মূলত ঈশ্বৰে মায়াক আশ্ৰয় কৰি বিবেকক ধৰি প্ৰকাশ মান হৈ আছে। ভকতি বিনে তেওঁক পোৱা কঠিন; মহামাহঋষিয়েও ভকতি বিহনে ঈশ্বৰক লাভ কৰিব নোৱাৰে; গতিকে পৃথুক সিদ্ধিগনে তত্ত্ব-জ্ঞান প্ৰদান কৰিছে।

**(৬) পৃথুৰ সন্ন্যাস গ্ৰহন আৰু বৈকুণ্ঠ প্ৰাপ্তি।।**

ৰজাই সিদ্ধগণক প্ৰনাম জনাই বিদায় দিলে আৰু ব্ৰহ্মজ্ঞান লভি পঞ্চপুত্ৰৰ মহোৎসৱ অনুষ্ঠিত কৰিলে। জ্যেষ্ঠপুত্ৰ বিজিতাশ্বক ৰাজ্যসমৰ্পন কৰি ভাৰ্য্যাসমে বনগমন কৰিলে। বনত পঞ্চতপা তপ আচৰন কৰি পৃথুৱে প্ৰাণাময়ৰ যোগে দেহত্যাগ কৰে। পত্নী আৰ্চ্চিয়েও প্ৰচণ্ড অগ্নিৰ মাজত প্ৰৱেশ কৰি স্বামী সমন্বিতে বৈকুণ্ঠী হয়। মানুহৰ দেহা ক্ষনিক হ'লেও বিষ্ণুক আৰাধি অমৰ হ'ব পাৰে।

"যদ্যপি ক্ষনিক মাত্ৰ দেহামনুষ্যৰ।
বিষ্ণুক আৰাধি হোৱে তথাপি অমৰ।।" ১৭৪২।।

বিজিতাশ্বৰ পাচত তেওঁৰ বংশধৰ সকলে ৰাজভোগ কৰাৰ পাচত প্ৰাচীন বহিৰ ৰজা হয়। তেওঁ শতদ্ৰুতিক বিয়া কৰায় আৰু তেওঁৰ গৰ্ভত দহজন পুত্ৰৰ জন্ম হয়। এওঁলোকক দশ প্ৰচেতা বা প্ৰচেতক গণ বোলা হয়। এওঁলোক দহজনৰ একেকৰ্ম, একেআচাৰ, একেনীতি। প্ৰাচী বহিৰে পুত্ৰসকলক সৃষ্টি কৰিবলৈ কলে আৰু তেওঁলোক পশ্চিম দিশে গৈ সিজু জলতস্নান কৰি মাধৱক ধ্যান কৰিবলৈ গ'ল। পথত মনোৰম হ্ৰদত মহাদেৱ শিৱক দৰ্শন পাই দণ্ডৱতে প্ৰনাম জনালে। ৰুদ্ৰই তেওঁলোকৰ আগমনৰ কথা জানি মাধৱৰ মহাভক্ত বুলি তেওঁলোকক মহামন্ত্ৰ শিক্ষাই দিলে আৰু এই স্তোত্ৰ জপ কৰিবলৈ কলে।

প্ৰচেতাগন মহাভক্ত হোৱা বাবে সৃষ্টি কৰ্ম কৰিবলৈ শক্তি আহৰণৰ বাবে মাধৱক ভজিবলৈ মন মেলিলে। যিকোনো কৰ্ম বা সৃষ্টি কৰাৰ আগতেই ভগৱানক যে চিন্তা কৰিব লাগে তাকে মানবক শিক্ষা দিবৰ কাৰনে এই আদৰ্শ দাঙি ধৰা হৈছে। দৰ্শ প্ৰচেতা দহজন যদিও চিত এখন মাত্ৰ; আমাৰ দেহস্ত দহইন্দ্ৰিয় বেলেগ হলেও আত্মা এটাহে।

৬। **ৰুদ্ৰগীত বৰ্ণন ঃ**





প্ৰচেতাসকলক যি স্তোত্ৰ শিৱই কৰিবলৈ কলে তাৰ সাৰমৰ্ম্ম ৰুদ্ৰগীতত প্ৰকাশমান হৈছে। ৰুদ্ৰই ভগৱন্ত মাধৱক কৈছে— " হে সৰ্ব্বৰূপী, আত্মাৰূপী পৰমঈশ্বৰ, তোমাৰ নাভি পদ্ম অতি মনোহৰ, তুমি সৃষ্টিৰ মূলকাৰণ, মহাপঞ্চভূত, পঞ্চতন্মাত্ৰ, একাদশ ইন্দ্ৰিয়ত তুমি বিৰাজমান, তুমি চিত্তৰ অধিষ্ঠাতা, তুমি বাসুদেৱ তুমি অব্যক্ত, অনন্তলীলাধাৰী, তোমাৰ মুখতেই সৃষ্টি সংহাৰক প্ৰচণ্ড অগ্নি বিৰাজমান হৈ আছে, তোমাক প্ৰনাম জনাওঁ।'

"কৰ্তা-কৰণ-কৰ্ম্ম- এই তিনি শক্তিযুক্ত অহঙ্কাৰ ৰূপী ৰুদ্ৰ তুমিয়েই, জ্ঞান ক্ৰিয়াৰূপী ব্ৰহ্মা তুমিয়েই, তোমাক নমস্কাৰ কৰোঁ আৰু তোমাৰ মনোৰম ৰূপ চাব বিচাৰোঁ।" ভগৱন্তৰ অপৰূপ ৰূপৰ মাধুৰ্য্য শিৱই বৰ্ণনা কৰিবলৈ ধৰিলে। মাধৱৰ ওচৰত শিৱই কৃপা ভিক্ষা কৰিছে আৰু তেওঁৰ চৰণতে কায় বাক্যমনে সদায়ে ৰত থাকিবলৈ ইচ্ছা কৰিছে, মাধৱৰ ৰূপ হৃদয়ত ধৰি মুখত তেওঁৰ নাম লৈ সন্তৰ সঙ্গৰ কটাবলৈ মনস্থ কৰিছে—

"তুমিসে মাধৱ পৰম বান্ধৱ
কৰিয়োক কৃপামোক।
তোমাৰচৰণ কায় বাক্য মনে
সদায়ে ৰতি মিলোক।।
ৰূপ হৃদয়ত থাকোক সতত
মুখত ৰহোক নাম।
সজ্জনৰ সঙ্গ সদা নৌক ভঙ্গ
নমাগোহো আন কাম।।" ১৮৫২।।

সংসাৰ খন এখন চক্ৰ। জীৱই এই চক্ৰ পৰিভ্ৰমণ কৰিবই লাগিব। সংসাৰ চক্ৰ পৰিভ্ৰমণ কৰা অতি দুখময়। ইয়াৰ পৰা উদ্ধাৰ হোৱাৰ একমাত্ৰ পথ অচ্যুত্তৰ পাদ মূলত আত্ম সমৰ্পণ। এই পাদমূলক শৰণ ললে মহাকালেও সংহাৰ কৰিব নোৱাৰে। ভগৱানৰ ভক্তৰ সংগ মোক্ষ লাভৰ প্ৰধান সহায়ক। গঙ্গাস্নানে দেহৰ বাহিৰ ভাগৰ মলি দূৰ হয় আৰু ভগৱন্তৰ নামে দেহৰ অন্তৰভাগৰ পাপ নাশ কৰে। যাৰ চিত্ত বিষয়ত লিপ্ত হৈ নাথাকে তেওঁহে ঈশ্বৰ তত্ব উপলব্ধি কৰিব পাৰে।

ভগৱন্তই বিভিন্ন ক্ৰীড়াৰ কাৰণে নানান ৰূপ ধাৰণ কৰে— কেতিয়াবা জড় প্ৰায়, কেতিয়াবা চৈতন্যৰূপ, সুপ্তা প্ৰকৃতিক চেতনাৰে চৈতন্যৰূপী কৰি তোলে। তিনি গুণৰ দ্বাৰা জৰায়ুজ, উদ্ভিদজ, স্বেদজ, অণ্ডজ চাৰিবিধ প্ৰাণীদেহ

সৃষ্টি কৰি ঈশ্বৰে তাৰ অভ্যন্তৰত সোমাই থাকে; তথাপিও তেওঁৰ দেহৰ লগত লিপ্ততা নাথাকে। দেহটোৱেই এখন পুৰী বা নগৰ আৰু তেওঁ শুই থাকে আৰু তেতিয়া তেওঁক পুৰুষ বা জীৱ বা জীৱত্মা বোলা হয়।

"পুৰ শব্দে দেহ তাতে থাকয় শুতিয়া।
এতেকে তাহাঙ্ক কহে পুৰুষ বুলিয়া।।
আৰো যিটো অবিদ্যায়ে হয়া সমাবৃত।
মধুতুল্য বিষয়ৰ সুখ ভঞ্জে নিত।। ১৮৭৯।।

অবিদ্যা বা অজ্ঞানতাৰ আচৰণত আবৰ্ত্তিত হৈ থকা মধুতুল্য। বিষয়ৰ সুখ নিতৌ উপভোগ কৰি থাকে তাকে সংসাৰী জীৱ বোলা হয়। সি সকল লোক বিষয়ত আত্মহাৰা তেওঁলোকে সদায়ে বিষয় ভোগৰ পাছে পাছে দৌৰি ফুৰে, ভাগ্য কিছু ভোগ্যবস্তু পালে— আৰু পাবৰ কাৰণে লোভ কৰে। তেওঁ ভাবে— কি কৰ্ম্ম কৰো, কলৈ যাওঁ, ক'ত মোৰ বেচিলাভ কৰে। তেওঁ ভাবে— কি কৰ্ম্ম কৰো, কলৈ যাওঁ, ক'ত মোৰ বেচি লাভ হ'ব, কি উপায় অৱলম্বন কৰিলে অধিক সুখ ভোগৰ সামগ্ৰী পাওঁ— আদি..........। এইদৰে আগবাঢ়ি গৈ থাকোত মহাকালে থাপ মাৰি ধৰি হঠাতে বিনাশ কৰে। সেইবাবে বিষয়ৰ ভোগ এৰি ভগৱন্তৰ চৰণত সমস্ত ভোগৰ সামগ্ৰী অৰ্পণ কৰি বৈৰাগ্য গ্ৰহণ কৰিব লাগে আৰু সমস্ত প্ৰাণীত থকা চক্ৰপাণিক বিচাৰিব লাগে আৰু সেই চক্ৰপাণি নিজে দেহতেই আত্মাৰূপে থকাৰ বাবে তেওঁক চিত্তত জপিব লাগে। ......উক্ত স্তোত্ৰৰ নাম যোগাদেশ আৰু এই 'যোগাদেশ' কে দশ প্ৰচেতাক আচৰিবলৈ শিৱই পৰামৰ্শ দিছে।

ৰুদ্ৰই ভগৱন্তক কৰা স্তুতিৰ যোগে দশ প্ৰচেষ্টাৰ প্ৰতি আগবঢ়োৱা যোগাদেশ সকলো সৃষ্টিকামী লোকৰ বাবে মহান আদৰ্শ হ'ব লাগে। কবিয়েও উক্ত অধ্যায়ত উত্তাৰধ্যায়ত উপদেশ হিচাবে কৈছে— কৃষ্ণদেবৰ বাহিৰে অন্য ভজন্তা নাই।

যিটো কৃষ্ণ পদে কৰে একান্ত ভকতি।
তাক দণ্ডিবাক নাহি যমৰো শকতি।। ১৯০৬।।

পুত্ৰ, ধন, ভাৰ্য্যা এটি সপোন, নিজশৰীৰো নিৰৰ্থক, ইষ্ট-মিত্ৰ-কুটুম্বৰো অৰ্থ নাই, নিজৰ বোলা কোনো বস্তুৱেই নাই।

"সুত বিত্ত দাৰা আদি সপোনৰ প্ৰায়।
এতিক্ষণে আছে এতিক্ষণে নাই।।





একেশ্বৰে আসিলা যাইবাহা একেশ্বৰে।
লগৰ সহায় কোহো নহৈব অপৰ।। ১৯০৭।।
যিটো শৰীৰৰ অৰ্থে কৰে কৰ্ম্ম নানা।
প্ৰাণ গৈলে শৱ হৈবে তাহাক নাজানা।।
ইষ্ট মিত্ৰ কুটুম্বৰ বান্ধৱ যত জন।
অশুচি বুলিয়া নকৰিবে দৰিশন।। ১৯০৮।।
কাষ্ঠ যেন থাকিবেক মাটিত পৰিয়া।
হেন দেহ আপোনাৰ বোলা কি লাগিয়া।। ১৯০৮।।

প্ৰচেতাগণে শিৱৰ পৰা মহা স্তোত্ৰ লাভ কৰি শিৱক নানা ভাবে স্তুতি মিনতি কৰিলে আৰু মাধৱক এই স্তোত্ৰেৰে ধ্যান কৰিবলৈ ধৰিলে।

৭। **পুৰঞ্জন-আখ্যান।।**

শিৱৰ পৰা লাভ কৰা যোগাদেশেৰে দশ প্ৰচেতাই অযুত বছৰ জলত তপস্যা কৰি থকাৰ সময়তে দশ প্ৰচেতাৰ পিতৃ প্ৰাচীন বৰ্হিৰ ওচৰত নাৰদ আহি উপনীত হ'লহি। নাৰদে প্ৰাচীন বৰ্হিক ক'লে যে কৰ্ম্ম যোগে তেওঁ কোনো সুফল লাভ কৰিব নোৱাৰে। নাৰদ আহি উপনীতি হ'লহি। নাৰদৰ পৰা তেওঁ কম্মবন্ধনাশৰ উপায় বিচৰাত নাৰদে যোগবলে মৰা পশু এটি আনি পুৰণি এটি কাহিনী ক'বলৈ ধৰিলে আৰু সেই কাহিনীৰ নাম— পুৰঞ্জন আখ্যান।

পুৰঞ্জন নামে এজন ৰজা আছিল তেওঁৰ বন্ধুজনৰ নাম আছিল অভিজ্ঞাত নিজৰ মনৰ বাঞ্ছিত এখন নগৰ বিচাৰি তেওঁ ভূমণ্ডল পৰিভ্ৰমণ কৰিলে। বিখ্যাত ভাৰতবৰ্ষত উপনীত হৈ তেওঁ দেখিলে যে ইয়াত নখন দুৱাৰ, চাৰিওফালে গড়খাৰৈ, ওখওখ গৃহ, সুবৰ্ণ তোৰণ, উদ্যান আছে। ইয়াত সোণ ৰূপৰ লৌহময় তিনিটি শৃঙ্গ, শাৰীশাৰী নগৰ, সভাৰ মণ্ডপ, ৰাজপথ, খেলৰ স্থান, হাট, বাট, ধ্বজ পতাকা উৰি থকা দেখিলে। নগৰত বাহিৰফালে মহামনোহৰ উপবন, সৰোবৰ-উদ্যান নানাপক্ষী -বন্য পশু আৰু সৌন্দৰ্য্যেৰে ভৰা স্থান দেখিবলৈ পালে।

পুৰঞ্জনে নগৰৰ কাষতে ত্ৰৈলোক্য মোহিনী ৰূপে বিতোপনী এজনী অনিন্দ্য সুন্দৰী ৰমণী দেখা পালে। তাইৰ লগত দহজন বীৰ আৰু অজস্ৰ পদাতি আছে আৰু বীৰ সকলৰ পঞ্চটাকৈ শিৰযুক্ত। তাই স্বামীৰ অন্বেষণত এইদৰে ঘূৰি ফুৰিছে। পুৰঞ্জনে নাৰী পুষ্পৰ অঙ্গসৌষ্ঠৱত বিমোহিত হৈ সৰ্পিল গতিৰে মৌকুঁহ বিচাৰি তেনেই ওচৰ পালেগৈ। তেওঁ অতি মৰমেৰে অভিসাৰিকাৰ

প্ৰতি বিমুগ্ধ নয়নে দৃষ্টিপাত কৰি সুধিলে— তেওঁ দেবী নে, অপ্সৰী, নে মানৱী? তেওঁৰ পৰিচয় কি? প্ৰত্যোত্তৰত নাৰী-গৰাকীয়ে ক'লে যে তেওঁৰ পিতৃ-মাতৃ কোন তাক নাজানে, তেওঁনো কোন তাকো নাজানে। তেওঁৰ বংশক কোনে, কেতিয়া ধ্বংস কৰিলে তাকো নাজানে। এই মনোহৰ নগৰখন কোনে সজালে তেওঁ ক'ব নোৱাৰে। তেওঁৰ লগত থকা নাৰীসকল তেওঁৰ সখীগন, পুৰুষসকল মিত্ৰগণ। ৰজাৰ আকুল আহ্বান এৰাব নোৱাৰি নাৰী গৰাকীয়ে ৰজাৰ লগত বিয়া হ'ল আৰু দুয়ো মহাসুখে দাম্পত্যজীৱন উপভোগ কৰি সেই নগৰীতে কাল কটালে।

এই নগৰীখনৰ ওপৰফালে সাতখন আৰু তলৰ ফালে দুখন দুৱাৰ আছে। পূৰ্ব মুখে পাঁচখন, উত্তৰমুখে এখন, দক্ষিণমুখে এখন দুৱাৰ আছে। ৰজাই ৰাজপ্ৰসাদত অৱস্থিত ৰাজসিংহাসনত আৰোহন কৰিলে। এইদৰে ৰাজভোগ ভুঞ্জি ৰজাই ৰাণীৰ লগত দিন নিয়াবলৈ ধৰিলে। পত্নীৰ সুখ, দুঃখ-আনন্দ উল্লাসত ৰজা আত্ম-বিভোৰ হৈ ৰ'ল। কিছুদিনৰ মূৰত ৰজাই এডাল ৰচিৰে পাঁচটা ঘোঁৰা জুটি এখন সোণালীৰথ লৈ তিনিখন ধ্বজা উৰুৱাই মৃগয়া কৰিবলৈ গ'ল। ৰথখনৰ এডাল অক্ষ, দুটা ঈশাদণ্ড, পাঁচডাল জোঁটনি, দুদাল গোটা শূল ৰথৰ আগত সপ্ত আবৰণ, তাত নটা ছিদ্ৰ আদিৰে নিৰ্ম্মিত। ৰজাই পিঠিত দুটা টোণ বান্ধি ল'লে। আৰু একাদশ মহাবীৰ সঙ্গতলৈ পাঞ্চপ্ৰহৰণ সহ বনাগমন কৰিলে।

ৰজাই চোকা শৰ প্ৰয়োগ কৰি অনেক মৃগ অৰণ্যত বধ কৰি ঘৰলৈ ঘূৰি আহিল। ৰজাৰ অনুপস্থিতি ৰাণীয়ে বৰ অসহায় অনুভৱ কৰি, কান্দি কান্দি মাটিত বাগৰি পৰি থকা দেখি ৰজা মৰ্ম্মাহত হ'ল। ৰজাই ৰাণীক মৰম কৰাত ৰাণীয়ে স্বস্তিৰ নিশ্বাস পেলালে। ৰাণীৰ একাদশ শতপুত্ৰ, দশ শত কন্যাৰ জন্ম হ'ল। তেওঁলোকে সমস্ত পুত্ৰ কন্যাৰ বিবাহ কাৰ্য্য সম্পন্ন কৰিলে আৰু ৰজাৰ জৰা উপস্থিত হ'ল।

ইফালে কালৰ দুহিতা জৰাই স্বামীলাভৰ আশাৰে সমস্ত নগৰ পৰিভ্ৰমন কৰি কৰি ব্ৰহ্মলোক পালেগৈ। জৰাৰ মুখৰ আকৃতি কদাকাৰ, দেহৰ ৰূপ ঘৃণনীয়। তাই খাবলৈ বিচাৰে কিন্তু খাব নোৱাৰে, কোনেও তাইক বিবাহ কৰিবলৈ মন নকৰে। ব্ৰহ্মলোকৰ নাৰদক পাই তেওঁক বিয়া কৰাবলৈ ধৰাত নাৰদে প্ৰত্যাখ্যান কৰে তাই তেতিয়া ইহজীৱনত নাৰদৰ গৃহবাস নহ'ব বুলি অভিশাপ দিয়ে। নাৰদে জৰাক ভয় ৰজাৰ ওচৰলৈ পঠালে। জৰাই ভয় ৰজাৰ ওচৰলৈ গৈ তাইক





বিয়া কৰাবলৈ ক'লে। ভয়ে তাইক কেতিয়াও বিয়া নকৰায় বুলি ক'লে। ভয় ৰজাই তাইক পৰামৰ্শ দি ক'লে যে তাইক কোনেও বিয়া কৰিবলৈ নিবিচাৰে বাবে তাই অলক্ষিতে স্বামীবৰণ কৰিব লাগিব আৰু তেতিয়া সকলোৱেই তাইক বিয়া কৰাবই। ভয়ৰজাই নিজ ভাতৃক সেনাপতি হিচাবে সৈন্য-সমস্ত দি জৰাক পুৰঞ্জনৰ ওচৰলৈ পঠালে তেওঁক বধ কৰি তেওঁৰ ৰাজ্য ভোগ কৰিবলৈ।

কাল কন্যাই প্ৰচণ্ডবেগে নগৰত প্ৰবেশ কৰি এফালৰ পৰা পুৰঞ্জনৰ নগৰ ধ্বংস কৰি নিলে। পুত্ৰ-মিত্ৰ-ভাৰ্য্যা সৈন্যসকলে বিপদকালত ৰজাপুৰঞ্জনক এৰি পলাল। পুৰঞ্জনে নিজপত্নীৰ প্ৰতি চিন্তা কৰি কৰি থাকোতেই জৰাই পুৰঞ্জনক বধ কৰিলে। পুৰঞ্জনৰ মৃত্যুৰ সময়ত স্ত্ৰী-চিন্তন কৰি থকাৰ বাবে মৃত্যু হৈ পুনৰ নাৰী হিচাপে জন্ম গ্ৰহণ কৰে আৰু তেওঁৰে নাম বৈদভী। মনয়াধ্বজ ৰজাই সময়ত বৈদভীক বিয়া কৰিলে। তেওঁত এজন পুত্ৰ আৰু সাতগৰাকী কন্যা জন্ম দিলে। এওঁলোকৰ পৰা অৰ্বুদে পুত্ৰ জন্মিল। বৃদ্ধ বয়সত মলয়াধ্বজ ৰজাই পুত্ৰনাতিক ৰাজ্য ভাৰ দি বৈদভীসহ বানপ্ৰস্থী হয়। বনত ৰজাৰ মৃত্যু হয় আৰু বৈদভীয়ে অগ্নিত জাপ দিবলৈ লোৱাত পুৰঞ্জনৰ বন্ধু অবিজ্ঞাত হঠাৎ উপস্থিত হৈ বৈদভীক পূৰ্ব্বজন্মৰ কথা সোঁৱৰাই দি শান্ত কৰে।

**কাহিনীৰ তাত্বিক অৰ্থ ঃ**

কাহিনীটো এটা ৰূপক মাত্ৰ। দেহ-আত্মা-পৰমাত্মা তত্ত্ব কাহিনীৰ যোগে ব্যক্ত হৈছে। পুৰঞ্জন জীৱাত্মা; জীৱাত্মাই দেহত থাকি বিষয়ভোগ কৰে আৰু দেহাবসানৰ পাচত অন্যদেহত প্ৰৱেশ কৰে। মৃত্যুৰ সময়ত যি ভাবেই প্ৰবল হৈ উঠে, পৰবৰ্ত্তী জীৱনত সেই ভাবৰে প্ৰতিফলন ঘটে। স্ত্ৰী চিন্তনৰ দ্বাৰা পুৰঞ্জনে বৈদৰ্ভী হৈ জন্ম লয়। পুৰঞ্জন বিচাৰি পোৱা নগৰখন জীৱাত্মাই বাস কৰা দেহটো। নগৰৰ ন খন দুবাৰ হৈছে দেহৰ নৱদ্বাৰ, যেনে- দুইচকু + দুইকাণ + দুইনাক (নাকৰ বিন্ধা দুটা) + মুখ + গুহ্যদ্বাৰ লিঙ্গদ্বাৰ। ইয়াকে "নবদ্বাৰ পুৰী দেহী" বোলা হয়। পুৰঞ্জন বন্ধ অবিজ্ঞাত হৈছে পৰমাত্মা। অৰ্থাৎ জীৱাত্মাক পৰমাত্মাই বন্ধুভাৱে ৰক্ষা কৰে। বৈদৰ্ভীক বিপদৰ সময়ত জ্ঞান-তত্ব দান কৰি ৰক্ষা কৰিলে। নগৰৰ নাৰীগৰাকী হৈছে 'বুদ্ধি'। ২৪ তত্বৰ শ্ৰেষ্ঠতম তত্ব হৈছে— বুদ্ধি; কিয়নো বুদ্ধিত পৰমাত্মাই প্ৰকাশ মান হয়। আত্মাই প্ৰকাশ হয় বুদ্ধিত। ৰজাই (জীৱাত্মাই) ৰাণীক এৰি (বুদ্ধিক এৰি) চিকাৰলৈ যোৱা কালত নাৰী (বুদ্ধিয়ে) বৰকষ্ট পাইছিল। বিবেক-বুদ্ধিত পৰমাত্মাই প্ৰকাশ মান হয়। আত্মা প্ৰকাশ হয় বুদ্ধিত। বিবেক-বুদ্ধিক জীৱাত্মাই সততে ধৰি ৰাখিব লাগে। বুদ্ধিয়েই মহাজাগতিক

জ্ঞান শক্তি (coumic interlligence) আৰু দেহা-শক্তি সম্পদেই মহাজাগতিক ক্ৰিয়া শক্তি (cosmic energy)। চিকাৰ কৰা হৈছে সংসাৰ কৰ্ম্ম, যত তিনি তাপ আৰু মৃত্যু ভয় থাকে।

নগৰৰ নাৰীগৰাকীৰ লগত থকা সকলেই ইন্দ্ৰিয়গণ ইন্দ্ৰিয়ৰ প্ৰবৃত্তি সমূহেই হৈছে সখীসকল। পঞ্চ প্ৰাণ-পঞ্চ শিৰৰ বীৰসকল। বৃষধ্বজ হৈছে— মন, পঞ্চবিষয় হৈছে পঞ্চতন্মাত্ৰ, খদ্যোবিমুখ হৈছে দুই নয়ন, বিভ্ৰাজিত ৰূপ, দুম্যন্ত -সূৰ্য, নলিনী-নালিনী— দুই নাকৰ বিন্ধা, সৌৰভ-গন্ধ অবধূত-বায়ু, আপন- বা ৰসনা মুখ, বহুদন- নানাঅন্ন, বিপন- বাক্ইন্দ্ৰিয়, ৰসঙ্গ ইন্দ্ৰিয়, পিতৃহ- দঃকান, দেবহুক-বাতকান, দুষ্মদন উপস্থ, ব্যৰয়ত- মৈথুন, নিঋতি-গুহ্য, লুব্ধক- পায়ু অন্ধকাৰ দুই হাতভৰি, অন্তঃপুৰ- হৃদয় আদি।

দ্বিতীয়তে ৰজাই মৃগয়া কৰিবলৈ যোৱা ৰথখনৰ বৰ্ণনা আৰু চিকাৰৰ বৰ্ণনা এটি ৰূপক আৰু ইয়াৰ দ্বাৰা অধ্যত্মযোগৰ কথা ব্যক্ত হৈছে। ৰথখন হৈছে নিজ দেহ, পঞ্চঘোঁৰা — পঞ্চকৰ্ম্মেন্দ্ৰিয়, খৰতৰবেগ— বায়ুৰ গতি, হাতৰধনু— হস্ত কৰ্ম্ম, ৰথৰ দুই ঈশাদণ্ড— অহঙ্কাৰ আৰু মমতা, দুই চকা— পাপ-পুণ্য, প্ৰকৃতিসনকা-ত্ৰিগুণ, বাঘজৰী-পঞ্চপ্ৰাণ, জোটজৰী-মন, দুই গোটা শূল- শোক, মোহ, প্ৰহৰণ- পঞ্চতন্মাত্ৰ, ৰথবৰ সপ্তধাতু, বিকৰ্ম্ম কৰ্ম্মেন্দ্ৰিয়ৰ পাঁচকৰ্ম্ম, সেনাগন- ইন্দ্ৰিয় (একাদশ) চণ্ডবেগ — সম্বৎসৰ, গন্ধবধ— দিবস, গন্ধৰ্ব— ৰাতি, ভয়ৰজা— মৃত্যু, যবন ৰজা- চৌষষ্ঠিৰোগ বা ব্যাধি।

ইন্দ্ৰিয় গনে কৰা সকলো কৰ্ম্ম- অকৰ্ম্ম-বিকৰ্ম্ম হৈছে— এই ৰথ অৰ্থাৎ দেহৰ কৰ্ম্ম। ইন্দ্ৰিয়সমূহে কৰা কৰ্ম্মৰ বাবে জীৱাত্মা বিনাদোষে কৰ্ম্মবন্ধনত আবদ্ধ হয়। ৰথৰ চকা প্ৰবাহমান হৈ থকাৰ দৰে ইন্দ্ৰিয়বৰ্গই কৰ্ম্ম কৰিয়েই থাকে। ৰথ যি পৰ্য্যন্ত চলিব কৰ্ম্মও সেইপৰ্য্যন্ত চলিব। পুৰঞ্জনৰূপী জীৱাত্মা- অবিনশ্বৰ, নগৰৰূপীদেহ নশ্বৰ। নশ্বৰদেহলৈ যৌৱন আহে, যৌৱন উকলি যায়; কিন্তু দেহস্থ জীৱাত্মাৰ যৌৱন নাই, দেহৰ যৌৱনেই যৌৱন। সেইবাবে দেহধাৰী পুৰঞ্জনৰ বৃদ্ধকাল সমাগত হ'ল। বাৰ্দ্ধক্যই দেখাদিয়াৰ লগেলগে জৰাৰূপী বৃদ্ধত্বই স্বামীৰূপী বৃদ্ধক বিচাৰি লগ লয়। তাক কোনেও আদৰ নকৰে, গ্ৰহণ কৰিবলৈও নিবিচাৰে। নাৰদে অৰ্থাৎ চিৰ কৌমাৰ্য্যই তাক নিবিচাৰিলে। জৰাই ইহজন্মত সংসাৰ নহ'ব বুলি অভিশাপ দি আৰ্শীবাদহে দিলে। অৱশ্যে জৰাৰূপী বৃদ্ধত্বৰ লগত ভয়ৰূপী মৃত্যু অনবৰতে একাকী হৈ থাকে। গতিকে ভয়ৰূপী মৃত্যুৰ ওচৰলৈ নাৰদে জৰাক পঠাই দিলে। ভয়ৰজাৰূপী মৃত্যু আহিবলৈ হ'লে কিবা



নহয় কিবা এবিধ ৰোগ হ'বই। ভয়ৰূপী মৃত্যুৱে যবন ৰজাৰূপী চৌষষ্ঠি ৰোগৰ ওচৰলৈ পঠালে। ৰোগৰূপী যবনে অসংখ্য বীজাণু লগত দি পঠালে জৰাক। জৰাই গৈ বীজাণুৰে পুৰঞ্জনৰূপী জীৱাত্মা থকা স্থান দেহক আক্ৰমণ কৰিলে। ৰোগে দেহক ঘৃণনীয় কৰি তোলাৰ লগে লগে সুহৃদ আদিয়েও গা-এৰা দি আতৰ হয়।

বৈদৰ্ভীয়ে অগ্নিত জাপদি মৃত্যু হ'বলৈ আগবাঢ়োতেই পৰমাত্মা ভগবানে ব্ৰাহ্মণৰ বেশত আহি পৰমাৰ্থজ্ঞান দিলে। বৈদৰ্ভী-জীৱাত্মা, ব্ৰাহ্মণ-অভিজ্ঞাত, নামধাৰী পৰমাত্মা। ভগবানে কৈছে— "পূৰ্ব্বতে তুমি মোৰ ওচৰত আছিল। পৃথিৱীত ভোগৰ ইচ্ছা হোৱাৰ বাবে আত্মাক পৰমাত্মাই সংসাৰচক্ৰত এৰি দিয়ে আৰু আত্মাই দেহ অৱস্থান কৰি জীৱাত্মা নামেৰে সংসাৰ ভোগ কৰে। জীৱাত্মাই নগৰ অৰ্থাৎ কমনীয় দেহটোক দেখি ভোল যায়। নবদ্বাৰ, একাদশ ইন্দ্ৰিয় যুক্ত দেহৰ অধিকাৰী বুদ্ধি; ভগবানে বৈৰ্দভীক কৈছে—

"নুহিকা দুহিতা তুমি বিৰ্দভ ৰজাৰ।  
নহয় মলয়াৰায় স্বামীও তোমাৰ।।  
পুৰঞ্জনী স্বামী তুমি নোহা পুৰঞ্জন।  
নগৰত যিবাজনে কৰিলে মোহন।।  
মোহোৰেসে মায়া আৰু ভালমতে জানা।  
স্ত্ৰী আৰু পুৰুষহেন মিছাতেসে মানা।।  
..........................................  
সেইমতে জীৱ আত্মা পৰমাত্মা দুই।  
বিচাৰত একে প্ৰকাশত দিত্ব হই।"

মায়া-বিস্মৃতিয়ে জীৱক পূৰ্ব্বজন্মৰ পৰা পৰজন্মৰ কথা পাহৰাই দিয়ে। ইহজন্মৰ পুৰুযে পৰজন্মত স্ত্ৰী জন্ম ল'ব পাৰে। ইহজন্মৰ অপূৰণীয় বাসনাত তন্ময়হৈ মৃত্যুবৰণ কৰিলে পৰজন্মত সেই বাসনাই প্ৰাধান্য লাভ কৰে। স্ত্ৰী-চিন্তনৰ বাবেই পুৰঞ্জনে স্ত্ৰীজন্ম লাভ কৰিলে। মৃতদেহ প্ৰতিকৃতি প্ৰদৰ্শন কৰি নাৰদে দেহৰ অনিত্যতা প্ৰদৰ্শন কৰিছে।

নাৰদে এই প্ৰসঙ্গত হৈছে— " প্ৰকৃতিৰ গুণে অতিশয় ভৈলা বশ।  
নলৱয় মনে আৰু ব্ৰহ্মানন্দৰস।।

ব্ৰহ্মানন্দ ৰসেই জীৱৰ সংসাৰ তৰণৰ একমাত্ৰ উপায়। তিনিগুণত জীৱই কেতি য়াবা পুৰুষ, কেতিয়াবা নাৰীৰ ৰূপত, কেতিয়াবা পশু-পক্ষীৰ ৰূপত নিজ কৰ্ম্ম ফলে জন্ম ধৰে।

"কৰ্ম্মেসে দুখৰ মূল জানিবা বিদিত।
কৰ্মে পুনু দুখ নুগুচাৰে কদাচিত।।"
কৰ্ম্মতকৈ জ্ঞান শ্ৰেষ্ঠ—
"জ্ঞান বিনে কেৱল যতেক কৰ্ম্মগণ।
পাতকীক নকৰয় অত্যন্ত শোধন।।"

জ্ঞানতকৈ শ্ৰেষ্ঠ ভক্তি—

"যিবা জনে সংসাৰক তৰিবাক চাৰে।
সততে কৰোক সেৱা মাধৱৰ পাৰে।।"
হৰিৰ ভকতি পাৰে সংসাৰৰ পাৰ।
ভক্তি বিনে নাহি জনা ভৱত নিস্তাৰ।"

দেহৰ শোক-মোহ-লোভ -ভয় -ক্ষুধা-তৃষ্ণা- আদি মাধৱৰ ভক্তিয়ে দূৰ কৰে।

"শোক মোহ লোভ ভয় ক্ষুধা তৃষ্ণতাক।
কদাচিতো পুনু নপাৰয় পীড়িবাক।।"

পুৰুষক সংসাৰৰ পৰা উদ্ধাৰকৰ্তা ভগবান আত্মাৰূপে আমাৰ হৃদয়তে আছে বাহিৰত তেওঁক বিচাৰি নেপায়। আত্ম উপলব্ধিয়েই ভগবানক পোৱাৰ উপায়।

"বেদব্ৰহ্ম জানা ইটো পৰম দুষ্পাৰ।
তাহান্ত আছন্ত হৰি বিবিধ আকাৰ।।"

বেদত বিদ্যাক অবিদ্যাই আচ্ছন্ন কৰি ৰাখিছে। বেদ আমাৰ হৃদয়তে বিদ্যমান। দেহৰ সমস্ত সত্তা— অবিদ্যা, আত্মাহে বিদ্যা, আত্মাই পৰমাত্মাক চিনাকি দিলে।

"যি বিদ্যাই মাধৱত দৃঢ়মতি ৰহে।
পৰা বিদ্যা বুলি মহাজন সৱে কহে।।
হৰিসে আতমা জানা সবে জগতৰ ।
স্বতন্ত্ৰ কাচন প্ৰভু পৰম ঈশ্বত।।

সেয়ে মাধৱত ভক্তি কৰাই জীৱৰ সংসাৰ তৰণৰ একমাত্ৰ উপায়। ইয়াক নাৰদৰ মুখে জানি ৰজা প্ৰাচীন বৰ্হিৰ মনৰ সকলো সংশয় দূৰ হয় আৰু সংসাৰৰ সকলো সুখ-সম্ভোগ, আমোদ-প্ৰমোদ, গৃহসুখ ত্যাগ কৰি কপিলৰ আশ্ৰমত যোগাসনত বহি মাধৱত দেহা অৰ্পণ কৰিলে।





## ৮।। প্ৰাচীনবৰ্হিৰ দেহত্যাগ আৰু দশ প্ৰচেতাৰ কথা

নাৰদৰ পৰা তত্ত্বজ্ঞান লাভ কৰি প্ৰাচীনবৰ্হিয়ে পুত্ৰসকল ঘূৰি অহালৈ বাট চাই থাকিল ; কাৰণ তেওঁৰ ইতিমধ্যে বৈৰাগ্য আহি পৰিছে। নাৰীৰ সঙ্গত বিষয় ভোগ কৰিবলৈ তেওঁৰ বাঞ্ছা নাই। নাৰীৰ যৌবন আৰু সৌন্দৰ্য্য ক্ষণস্থায়ী, দহ ইন্দ্ৰিয়ৰ উপভোগৰ বাদে বিষয় সুখত কোনো সাৰ নাই।

"যেন পুষ্প ফুলে কালে পাছে সৰি যায়।
ঠাৰি পত্ৰ থাকে মাত্ৰ মধুগন্ধ নাই।।
সেহিমতে নাৰীৰো যৌবন অনুদিন।
কিছু কিছু কৰি বাঢ়ে পাছে হোৱে হীন।।" ২২৭০।।

পুষ্প-মধুসম গন্ধ আৰু কাম্যকৰ্ম্মত ৰতি কৰি, স্ত্ৰীৰ মৌ বৰষা মাতত অভিভূত হৈ ইন্দ্ৰিয় তৃপ্তি পোৱাৰ বাহিৰে জীৱনৰ লাগতিয়াল পৰম সম্পদ পোৱা নাযায়। নাৰদে ৰজাক জ্ঞান দি কৈছে যে তেওঁ নাৰীসঙ্গ অনতি পলমে ত্যাগ কৰিব লাগে আৰু কৃষ্ণত শৰণ ল'ব লাগে। দেহে ইহলোকত অৰ্জ্জন কৰা পাপ-পুণ্য পৰজীৱনত ভোগ কৰে, লিঙ্গ দেহ যুক্ত হৈ জীৱই অভিমান কৰি ভোগ ভুঞ্জে। টোপনিত নাসিকাৰন্ধ্ৰে জীৱ আতৰি যোৱাৰ সময়ত নাসিকাত মাত্ৰ নিশ্বাসহে থাকে।

" ইহলোকে যেহি দেহে কৰে পুণ্য পাপ।
পৰলোকে সেহিদেহে ভুঞ্জে সুখতাপ।। ২২৮৫।।
লিঙ্গ দেহাযুক্তহুয়া জীৱ অভিমানে।
মই ভোগ ভুঞ্জো বুলি ভুঞ্জে স্থানে স্থানে।।
যেনমতে নিদ্ৰাত শয্যাত তনু ৰহে।
জীৱ যায় নাসিকায়ে নিশ্বাস মাত্ৰ বহে।। ২২৮৬।।

'মই' আৰু 'মোৰ' — এই দুয়োভাবে অহঙ্কাৰৰ লগত মনক বান্ধি জীৱই কৰ্ম্ম কৰে। ইন্দ্ৰিয়গণে কৰ্ম্মকৰে, মনে কৰ্ম্ম প্ৰবৰ্ত্তন কৰে, পূৰ্ব্বজন্মৰ সংস্কাৰ অনুসৰি কৰ্ম্মত জীৱ প্ৰবৃত হয়।

"ইন্দ্ৰিয় কৰয় কৰ্ম্ম মনে প্ৰবৰ্তাৰে।
ই জন্মে কৰয় পূৰ্ব্বে জন্ম অনুভাৰে।। ২২৮৯।।

সুখ-দুখ মনৰ হে সৃষ্টি; আত্মাৰ নহয়। মনৰ সংস্কাৰ অনুসৰিহে কৰ্ম্ম সাধন হয়।

"সুখৰ দুখৰ জানা মনেসে কাৰণ।

মনৰ সংস্কাৰে আচৰয় কৰ্ম্মগণ ।। ২২৯০।।

তিনিগুণক নেওচি দেৱহৰিক চিন্তিব লাগে। যি পৰ্য্যন্ত অহঙ্কাৰ থাকে, সেই পৰ্য্যন্ত জীৱই স্থূলৰূপহে দেখে, যি পৰ্য্যন্ত মন-বুদ্ধিত অহঙ্কাৰ থাকে সেই পৰ্য্যন্ত জীৱক সংসাৰে এৰা নিদিয়ে। মৃত্যু সময়ত, বাল্যাবস্থাত, গৰ্ভস্থ অৱস্থাত অহঙ্কাৰ একাদশ ইন্দ্ৰিয়ৰ যোগে প্ৰকাশমান নহ'লেও ই সুপ্ত হৈ থাকে আৰু যুবাকালত পূৰ্ণ বিকশিত হয়। সংসাৰ এটা স্বপ্ন বাবে ই অলীক। পঞ্চ তন্মাত্ৰ + তিনিগুণ + একাদশ ইন্দ্ৰিয় + মদ বা অহঙ্কাৰ + পঞ্চভূতৰ দেহত চৈতন্যযুক্ত হ'লে তাক জীৱ বোলা হয়। ইন্দ্ৰিয়গণে বিষয় ধ্যান কৰাৰ লগে লগে জীৱই নানা কৰ্ম্ম কৰে, কৰ্ম্মত অবিদ্যা থকাৰ বাবে কৰ্ম্মদোষে জীৱক বান্ধি পেলায়। নাৰদৰ মুখে তত্ব-জ্ঞান পাই ৰজা প্ৰাচীনবৰ্হিৰে মন্ত্ৰীসকলৰ হাতত ৰাজ ভাৰ এৰি দিয়ে আৰু পুত্ৰসকল নহালৈকে মন্ত্ৰীগণে তাক বহন কৰিবলৈ দি ৰজা কপিলৰ আশ্ৰমলৈ গমন কৰিলে আৰু তাতে ঈশ্বৰত দেহা অৰ্পণ কৰি মুক্তি লাভ কৰে।।

**দশপ্ৰচেতা ঃ**

প্ৰাচীনবৰ্হিৰ পুত্ৰসকলে দহ হাজাৰ বছৰ ধৰি জলত তপস্যা কৰি থকাত দেৱনাৰায়ণে দেখা দিবৰ ল'বলৈ ক'লে। বিষ্ণুৱে তেওঁলোক দহজনক একহে এগৰাকী পত্নী বিয়া কৰিবলৈ ক'লে আৰু দহ হেজাৰ দিব্য বছৰ ভোগ কৰিবলৈ ক'লে। ভগবানতে সকলো কৰ্ম্ম অৰ্পণ কৰিবলৈও পৰামৰ্শ দিলে। প্ৰচেতাসকলে হৰিদৰ্শন লাভ কৰি পৰম আনন্দিত হ'ল আৰু বিষ্ণুক স্তুতি কৰিলে। বিষ্ণুৱে প্ৰচেতাগণৰ স্তুতিত সন্তোষ পাই 'মনোবাঞ্চা পূৰ্ণ হওক' বুলি বৰদি অন্তৰ্হিত হয়।

প্ৰচেতাগণে জলৰ পৰা তীৰত উঠি বৃক্ষগণ দেখি মুখৰ অগনিৰে বৃক্ষগণ পুৰি ছাৰখাৰ কৰা দেখি ব্ৰহ্মাই আহি ক'লে যে বৃক্ষগণে কন্যা এগৰাকী প্ৰতিপালন কৰি তোমালোকলৈ ৰাখি থৈছে। বাকী থকা বৃক্ষগণে কন্যাগৰাকীক তেওঁলোকক প্ৰদান কৰিলে আৰু ব্ৰহ্মাৰ আদেশ ক্ৰমে তেওঁক বিবাহ কৰি দশ প্ৰচেতা ৰাজ্যলৈ ঘূৰি আহি ৰাজভোগ কৰিলে।

ৰজাদক্ষই আৰ্চীত নিজৰ ছাগলৰ দৰে মুখ দেখি সন্তাপিত হৈ নিজ শৰীৰ এৰি দশ প্ৰচেতাৰ বীৰ্য্যত স্থান ল'লে আৰু দশপ্ৰচেতাৰ বীৰ্য্য হৈ পত্নী মাৰিষাৰ গৰ্ভত স্থান ল'লে আৰু পুনৰ দক্ষ হৈ জন্ম ল'লে আৰু ব্ৰহ্মাই তেওঁক প্ৰজাপতি পাতিলে।





দশ প্ৰচেতাই ৰাজ্যভোগ ভুঞ্জি মাধৱৰ বচন সুঁৱৰি ভাৰ্য্যাপুত্ৰাদি ত্যাগ কৰি, ৰাজভোগ এৰি হৰিচৰণ সেৱা কৰিবলৈ বনযাত্ৰা কৰে। বনত আসন-প্ৰাণায়ম কৰি পৰম নিৰ্ম্মল চিত্তে থকা দশপ্ৰচেতাক নাৰদে দেখা দিলেহি। নাৰদৰ পৰা তত্বজ্ঞান জানিবলৈ বিচৰাত নাৰদে তত্ব-জ্ঞান দিবলৈ ধৰিলে।

'মাধৱৰ চৰণত অতিশয় প্ৰেমভাবে ভক্তি কৰাই ধৰ্ম্ম আৰু কৰ্ম্ম হ'ব লাগে। নানাবিধ কৰ্ম্মৰ নানাবিধ ফল ; হৰিভক্তি বিনে সকলোবোৰ বিকল হয়। সকলো কালৰ অধিকাৰী কেৱল ঈশ্বৰহে। দেব-দেবীৰ পূজনে মুখ্যফল নিদিয়ে। হৰিতুষ্ট হ'লে সৰ্ব্বদেৱ তুষ্ট হয়।'

" হৰিভক্তি বিনে যেন সকলো বিকল"।। ২৪৪৮।।
" হৰি তুষ্ট ভৈলে তুষ্ট দেবতাসকল"।। ২৪৫১।।
" মাধৱৰ হন্তে হোবে লীন মাধৱত।। ২৪৫৬।।
" সবে দেখা গুণ কাৰ্য্য হৰিসে নিৰ্গুণ ।।
ব্ৰহ্মানন্দ জ্ঞানে ছন্ন কৰি গুণগণ।। ২৪৫৯।।

হৰি ভজনৰ মূলত্বত হৈছে সকলো ভূতৰ দয়া, সদা সন্তোষ, কাম-ক্ৰোধহীন, বিষয়ত অনাসক্ত, হৃদয়ত ভগবানক ধ্যান, ভ কতৰ সঙ্গলাভ।

" শুনা কহোঁ তেবে হৰি ভজনৰৰীত।
সৰ্ব্বভূতে দায়া কৰিবাহা প্ৰতিনিত।। ২৪৬১।।
যি পোৱা তাতে হুইবা সন্তোষিত মন।
এতেক প্ৰকাৰে তুষ্ট হোন্ত নাৰায়ন।।
যিটো পুৰুষক কাম ক্ৰোধ ভৈল ছন্ন।
বিষয়ৰ পৰা আনি স্থিৰ কৰি মন।। ২৪৬২।।
দিনে দিনে হৰি পাৱে ভকতি যাহাৰ।
হৃদয়ে প্ৰকট হৰি হোবয় তাহাৰ।। — ২৪৬৩।।

নাৰদে জ্ঞানদান কৰি বিদায় ল'লে, দশ প্ৰচেতাই পৰম জ্ঞান লাভ কৰি হৰিৰ চৰণত একান্ত ভক্তি কৰি 'পৰম গতি' লাভ কৰিলে।

# ।।পঞ্চম স্কন্ধ।।

১) প্ৰিয়বতৰ কাহিনি
২) ঋষভদেৱৰ মাহাত্ম্য
৩) ভৰতৰ কাহিনী আৰু
ৰহুগণক তত্ত্বজ্ঞান দান
৪) নৱবৰিষ, শঙ্কৰৰ শঙ্কৰিষণ
৫) অন্তৰ্বৰ্ণনা



**।।১।। প্ৰিয়ৱতৰ কাহিনি ঃ**

মনুৰ পুত্ৰ প্ৰিয়বত আৰু উত্তানপাদ আৰু দুহিতা দেৱহুতি। প্ৰিয়ৱতে কুম্মাৰ কালতেই গন্ধমাদন পৰ্ব্বতত ব্ৰহ্মসত্ৰ পাতি গোবিন্দৰ ধ্যান ধাৰণা কৰিছিল আৰু নাৰদেও সেই সত্ৰতে প্ৰিয়বতৰ লগতে আছিল। সমস্ত জগতকে প্ৰিয়বতে বিষ্ণুময় দেখিছিল আৰু সংসাৰৰ পতি বীতশৰ্দ্ধ হৈছিল। পুত্ৰৰ এনে মনোভাৱ জানিব পাৰি সয়ম্ভুৱ মনু পুত্ৰৰ ওচৰলৈ আহিল আৰু প্ৰিয়বতে ৰাজ্য শাসন কৰিবলৈ কলে, কিন্তু প্ৰিয়বতে অনিত্য ৰাজসুখ বাঞ্ছা নকৰিলে। গৃহ অন্ধকূপত তেওঁ পৰিবৰ মন নাই, কিয়নো গৃহ অন্ধকূপত আৱদ্ধ হৈ থাকিলে কৰ্ম জৰীত বান্ধখাই দুখহে ভূগিব লাগিব।

মনুৰ বাক্যত প্ৰিয়বত পতিয়ন নোযোৱাত স্বয়ং ব্ৰহ্মাই তেওঁৰ নাতি প্ৰিয়বতৰ কাষ পালেহি। ব্ৰহ্মাই ক'লে যে প্ৰজাসৃষ্টিৰ বাবেই ভগবানে তেওঁক, মনুক, নাৰদ আদিক সৃষ্টি কৰিছে । প্ৰিয়বতেও ঈশ্বৰৰ সেই আজ্ঞা পালন কৰিব লাগে। ব্ৰহ্মাই ক'লে —

"হুয়োক নৃপতি বাপ, তুমি পৃথিবীত।।" ৩৯।।
কিয়নো ঈশ্বৰৰ আজ্ঞাক কোনেও ভঙ্গ কৰিব নোৱাৰে।
হেন নতু দেখো মই ই তিনিভুবনে ।
কৃষ্ণৰ আজ্ঞাক ভঙ্গ কৰে কোনজনে।।
জন্ম মৰণ যত কৰম আতৰয়।
শোক মোহ সুখ দুখ যতেক আছয়।। ৪০
ঈশ্বৰৰ ইচ্ছায়ে হবে সংযোগ বিয়োগ।
নুহিকো স্বতন্ত্ৰ আমি যতজীৱ লোক।। ৪১

ঈশ্বৰে বেদ জৰী নিৰ্মাণ কৰি অৰ্থাৎ তিনিগুণৰ জৰীৰে জীৱক বান্ধে

ঈশ্বৰৰ বেদ জৰী স্তম্ভ দৃঢ়তৰে।
তিনিগুণ জৰী তাতে বান্ধিলা ঈশ্বৰে।। ৪২

ৰাতিদিনে বলধ গৰুৰ দৰে নাকিজৰীত বদ্ধ হৈ কৰ্ম্মফল অৰ্জন কৰে জীৱই ঈশ্বৰৰ ইচ্ছা। গুণ কৰ্ম্মৰ বাবেই জীৱই সুখৰ ভাগী হয় আৰু এই কৰ্মৰ কৰোতাও ঈশ্বৰেই।

গুণ কৰ্মৰ সঙ্গে সুখ দুখ হোৱে জাত।
ঈশ্বৰেসে কৰ্তা তাক জানিবা সাক্ষাত।। ৪৩
আত্মাৰ নাহিকে সুখ দুখ কদাচিত।

দেহৰেস ধৰ্ম্ম ইটো জানিবা নিশ্চিত।। ৪৪

গৃহত থাকিও, সংসাৰত লিপ্ত থাকিও, দেহৰ যোগে কৰ্ম্মসাধন কৰিলেও জীৱ নিৰ্দোষী হৈ থাকে, যদিহে কৃষ্ণৰ আজ্ঞা মানি, বিষয়ত আসক্ত নাথাকি কৰ্ম্ম সাধন কৰে।

কৃষ্ণৰ আজ্ঞাক মানি কৰে কৰ্ম্ম য'ত।
আসকতি নকৰয় বিষয় সুখত।।
কদাচিতো মন্দ তান নাহি একোকালে।
বিষয় বাসনা তাক কি কৰিতে পাৰে।। ২৬।।

কৰ্ম্ম সাধন হয় ইন্দ্ৰিয় দমনৰ দ্বাৰা। ইন্দ্ৰিয় গণক দমন কৰিব নোৱাৰিলে কৰ্ম্মদোষে লগ লয়। গৃহত খাকিও ইন্দ্ৰিয়ক দমনত ৰাখিলে আসক্তি কমি আহে ভোগ্যবস্তু কিছু কিছু কৰি বিসৰ্জ্জন দিব লাগে। ইন্দ্ৰিয় দমন কৰিব নোৱাৰি বনবাস কৰিলেও তেওঁৰ সংসাৰ-ভয় দূৰ নহয় আৰু সৰ্বনাশ ঘটে —

ইন্দ্ৰিয় নদমিয়া কৰে বনবাস।
সংসাৰ ভয়ত সিটো হৰে সৰ্ব্বনাশ।। ৪৯

গৃহতে থাকিও ই- দমন কৰাহে উচিত আৰু গৃহ আৰু শৰীৰত আসক্তি শূন্য হৈ থাকিব পাৰিলেহে প্ৰকৃত ভকত হ'ব পৰা যায়।

ব্ৰহ্মাৰ আজ্ঞা আৰু তত্ব গ্ৰহণ কৰি প্ৰিয়বতে ৰজা হৈ সপ্তদীপা বসুমতীৰ অধিকাৰী হ'ল আৰু বিশ্বকৰ্মাৰ দুহিতা বহিস্মতীক বিবাহ কৰিলে। তেওঁলোকৰ দহ পুত্ৰৰ জন্ম হ'ল দহজনৰ ভিতৰত আগ্নীধ্ৰ প্ৰমুখে তিনিজনে পৰম হংস ব্ৰত সাধন কৰি পৰম গতি লাভ কৰিলে। প্ৰিয়বতে মেৰুপৰ্ব্বতৰ চাৰিপাশে ৰজনীৰ পৰিৱৰ্তে দিন কৰি সপ্ত সাগৰৰ সৃষ্টি কৰিলে। নাৰদৰ উপদেশ মানি পুতেক সকলক সপ্তদ্বীপৰ অধিপতি পাতি সংসাৰৰ মায়া মমতা ত্যাগ কৰি বানপ্ৰস্থ গ্ৰহণ কৰিলে।

প্ৰিয়বতৰ পুত্ৰ আগ্নীধ্ৰই গন্ধমাদন পৰ্ব্বতত পুত্ৰ কামনাৰে তপস্যা কৰি আছিল আৰু ব্ৰহ্মাৰ আদেশত পূৰ্বচিতি অপ্সৰাই আহি দেখা দিয়াত আগ্নীধ্ৰই অনিন্দ্য সুন্দৰীক বিবাহ কৰে আৰু তেওঁলোকৰ নাভি, কিমপুৰুষ, হৰিবৰ্ষ, ইলাবৃত, কুৰু আদি নজন পুত্ৰৰ জন্ম হয়। পূৰ্বচিতি অপ্সৰাই স্বামী আগ্নীধ্ৰক এৰি স্বৰ্গলৈ গমন কৰে আৰু তেওঁ পুত্ৰ সকলক ৰাজ্যভাগ কৰি দি, যজ্ঞ কৰি ব্ৰহ্মালোকলৈ গতি কৰে।

আগ্নীধ্ৰৰ পাচত তেওঁৰ পুত্ৰ নাভিয়ে সহোদৰ সকলক লৈ ৰজা হয়। মেৰুগিৰিয়ে নগৰাকী দুহিতাক নাভি সমন্বিতে নজন সহোদৰক বিয়া দিয়ে



আৰু মেৰুদেবী নাভিৰ পত্নি হয়। নাভিয়ে সন্তানৰ আশায়ে যজ্ঞ কৰি হৰিক আৰাধনা কৰে আৰু হৰি সন্তোষ্ট হৈ আবিৰ্ভাৱ হয়। সকাম ভাৱে ভগৱন্তৰ সদৃশ পুত্ৰ বিচৰাত হৰিয়ে নাভিৰ ঔৰষত ঋষভদেৱ কলাঅৱতাৰ লৈ জন্ম গ্ৰহণ কৰে। ইন্দ্ৰই ঋষভৰ প্ৰভাব দেখি তেওঁৰ ৰাজ্যত বৰষুণ নিদিয়াত ঋষভে যোগবলে বৰষুণ দিয়ালে আৰু ইন্দ্ৰৰ গৰ্ব খৰ্ব কৰিলে। ইন্দ্ৰই লাজপাই ঋষভত শৰণ লৈ নিজকন্যা জয়ন্তীক ঋষভত বিয়া দিলে। নাভিয়ে ঋষভক ৰজাপাতি সপত্নীক বদৰিকাশ্ৰমলৈ গতি কৰিলে। এশপুত্ৰৰ জন্ম হয় আৰু তেওঁলোকৰ ভিতৰত ভৰত শ্ৰেষ্ঠ আৰু কবি, হৰি, অন্তৰীক্ষ, প্ৰবুদ্ধ, পিপ্পলায়ন, অবিহোত্ৰ, দ্ৰাবিৰ, চমস, কৰভাজন এই নজন মহাভাগৱত তথা একাশীজন ব্ৰাহ্মণ হ'ল। কালে গ্ৰাস বুলি জানি ঋষভক ভগৱানে পুত্ৰসকলক লৈ ব্ৰহ্মাৱৰ্ত নগৰৰ ব্ৰহ্মঋষি সভাত প্ৰৱেশ কৰি কৰিছে পুত্ৰ সকলক বেদৰ ৰহস্য ব্যাখ্যা কৰিলে।

২) **ঋষভদেৱৰ মাহাত্ম্য ঃ-** মনুষ্য জীৱন মুক্তিৰ দুৱাৰ, শূকৰ জনমতো বিষয় ভোগ পোৱা যায়। বিষ্ঠাৰ সদৃশ বিষয়ত নাথাকি হৰিক ভজিব লাগে।

মনুষ্য শৰীৰ জানা মুকমতিৰ দ্বাৰা।
বিষয় সুখত তাকে নকৰিও নৰে।। ১৬৮
শূকৰৰো আছে বিষয়ৰ ভোগযত।
বিষ্ঠাতুল্য বিষয়ক এতেকে তেজিবা।
বিষ্ঠাৰ ভোজনে শূকৰীৰ সম্ভোগত
দিব্য তপ কৰি সবে হৰিক ভজিবা।। ১৬৯

বন্ধৰ মোক্ষৰ পথ দুটা। মহন্তৰ সেৱা মুক্তিৰ দুৱাৰ আৰু স্ত্ৰী-সঙ্গ নৰকৰ দ্বাৰ। ভগৱন্তৰ পাদপদ্মত যাৰ মন সদাৰত, কাম-ক্ৰোধহীন, শুদ্ধচিত্ত, প্ৰাণীৰ প্ৰতি দয়া, ধন-জনত অনাসক্ত সকলেই মহন্ত বা সাধু। ইন্দ্ৰিয় তৃপ্তিৰ বাবে কৰ্ম্মতৰত, পাপ কৰ্ম্মত প্ৰবিষ্ট, অজ্ঞানলোক ঈশ্বৰৰ প্ৰতি শ্ৰদ্ধাহীন, মৈথুন সুখত সদাসক্ত, লোক অসাধু। অসাধুলোক অহঙ্কাৰত আচ্ছন্নহৈ থাকে।

অহঙ্কাৰ বিনাশৰ ক্ষেত্ৰত ঋষভে কৈছে যে অহঙ্কাৰ দূৰ কৰিবৰ কাৰণে পঁচিশ বিধ উপায় আছে।

**অহঙ্কাৰ দূৰকৰা ২৫ বিধ উপায় ঃ-**

(১) এলাহ ত্যাগ কৰিবা।
(২) শাস্ত্ৰ অধ্যয়ন কৰি তত্ববিচাৰি লবা।
(৩) পুণ্যতীৰ্থ সেৱাকৰি কাৰ্য্য শুদ্ধ কৰিবা।

(৪) সদায় ভক্তৰ সঙ্গ লবা।
(৫) ঈশ্বৰ সেৱাৰ অনুষ্ঠান কৰিবা।
(৬) দেহ-গেহত অভিমান এৰিবা।
(৭) ঈশ্বৰৰ কৃপা মনত সদায় ৰাখিবা।
(৮) অসতৰ সঙ্গ ত্যাগ কৰিবা।
(৯) কাম্যকৰ্ম্মক ত্যাগ কৰিবা।
(১০) মহন্তৰ উপদেশলৈ ভক্তি কৰিবা।
(১১) নিৰন্তৰে গুৰুক চিন্তিবা।
(১২) ঈশ্বৰৰ শ্ৰৱণ কীৰ্ত্তন কৰিবা।
(১৩) সমস্ত ভূতেতে আত্ম বুদ্ধি কৰিবা।
(১৪) বৈৰভাব ত্যাগ কৰিবা
(১৫) সকলোকে সমান দেখিবা।
(১৬) তৃষ্ণা বা আশা ত্যাগ কৰিবা।
(১৭) মনক সুস্থ কৰি ৰাখিবা।
(১৮) দম্ভ, মদ পৰিত্যাগ কৰিবা।
(১৯) ঈশ্বৰক তপস্যা কৰিবা।
(২০) আত্মাত বিশ্বাস ৰাখিবা।
(২১) ধ্যান ধাৰণাৰ অভ্যাস কৰিবা।
(২২) মনক নিয়মিবা।
(২৩) ইন্দ্ৰিয় গণক জিনিবা (দমন কৰিবা)।
(২৪) সৰ্ব্বভূতৰ হৃদয়ত এক ঈশ্বৰক দেখিবা।
(২৫) অবিদ্যাৰ বান্ধোনক জ্ঞানৰ খড়্গে চেদন কৰিবা।

এই পঞ্চবিংশতিজ্ঞান শিষ্যকো দিবলৈ, প্ৰজাগণকো দিবলৈ তেওঁ নিজ পুত্ৰসকলক উপদেশ দিছিল। অন্ধলাৰ উপদেশ নলৈ এই উপদেশ তেওঁলোকে গ্ৰহণ কৰা উচিত বুলি কৈছে। মৃত্যুমুখী জনক এই উপদেশ দিবলৈ ঋষভে কৈছে। যিজনে ভক্তি উপদেশ দিয়ে তেওঁহে প্ৰকৃতাৰ্থত মাক বা বাপেক। নিৰানব্বৈজন ভাতৃয়ে ভৰতক মান্য দিবলৈ ঋষভে পৰামৰ্শ দিয়ে। ঋষভদেৱে পৰমবৈষ্ণৱ পুত্ৰ ভৰতক ৰাজপাত দি অবধূত বেশধাৰণ কৰি বিভিন্নস্থানত বিভিন্ন প্ৰানীৰ লগত থাকি দিন কটাবলৈ ধৰিলে। বস্ত্ৰহীন হৈ বাতুলৰ দৰে কেতিয়াৰ গৰুৰ লগত গোহালিত শুই থাকে, কোনোৱে বান্ধি ছাতি শান্তি দিলেও সহি থাকে, আনকি সৰু লৰা-ছোৱালী বোৰে বিষ্ঠামূত্ৰ দলিয়াই ব্যঙ্গকৰে। দুৰ্জ্জনৰ অত্যাচাৰত পৰম হংসধৰ্ম্ম পালনত অসুবিধা পাই অজগৰব্ৰত ধাৰন কৰে। একেঠাইতে মূত্ৰ-বিষ্ঠা ত্যাগ কৰি তাতে লিপিত হৈ থাকে। এইদৰে যোগচয্যা কৰি ঋষভে দিন নিয়াবলৈ ধৰিলে। এই প্ৰসঙ্গতে শুকে পৰীক্ষিতক কৈছে মন পৰমদুৰ্জ্জন, যোগাভ্যাস কৰি মনক একাগ্ৰ কৰিব লগা হয়। মনেই কাম, ক্ৰোধ, লোভ, মোহ, দম্ভ, শোক, ভয় আৰু নানা কৰ্ম্ম বন্ধৰ সৃষ্টিৰ কাৰণ হৈছে — মন।

।। কাম ক্ৰোধ লোভ মোহ দম্ভ শোক ভয় আদি
আনো যত অনৰ্থৰ বীজ।
কৰ্ম্ম বন্ধ নানা মত মনতেসে হোৱে জাত
মনেসে তাহাৰ মূল নিজ।। ২১৯

ঋষভে পৰম দুষ্কৰ যোগচৰ্য্যা কৰি মানবীয় দেহ পৰিত্যাগ কৰি মুক্তি লভিলে।

**।।৩।। ভৰতৰ কাহিনী আৰু ৰহুগণক তত্ত্ব-জ্ঞান দান** ঃ-

ঋষভৰ জ্যেষ্ঠপুত্ৰ ভৰত ৰজা হৈ বিশ্বকৰ্ম্মাৰ কন্যা পঞ্চজনীক বিয়া কৰায় আৰু পাঁচজন পুত্ৰৰ জন্ম হয়। ভৰতৰ নাম অনুসাৰে ভাৰতবৰ্ষ হয়। তলত উল্লেখ কৰামতে ভাগ কৰিব পাৰি-

(১) হৰিণৰ প্ৰতি আকৰ্ষণ।
(২) জড় ব্ৰহ্মনত্ব প্ৰাপ্তি আৰু ৰহুগণৰ দোলাবহন
(৩) ৰহুগণক তত্বজ্ঞান দান।

পৰম ভাগৱত ৰজা ভৰতে প্ৰথকস্তৰত এজন আদৰ্শবান ৰজাহিচাবে প্ৰজাপালন কৰি হৰিণৰ প্ৰতি আসক্তি জন্মাত হৰিণৰ গৰ্ভতে ভৰতে হাৰিণ ৰূপে প্ৰাপ্ত হয়। জড় ভৰতক ৰজা ৰহুগণে দোলাবহন কৰিবলৈ লগায় আৰু জড়ভৰতৰ মাহাত্ম্য দেখি ৰহুগণে ক্ষমা প্ৰাৰ্থনা কৰি তেওঁৰ পৰা পৰমতত্ব আত্মজ্ঞান লাভ কৰে। ভৰাতবী বৰ্ণনা কৰি জড়ভৰতে ৰজা ৰহুগণক পৰমজ্ঞান দান কৰিলে। ভৰতৰ সমস্ত কাহিনীত ত্ৰিবিধ জীৱনৰ মাজেদি হৰিভক্তিৰ প্ৰাধান্য, ইতৰ প্ৰানিৰ প্ৰতি অগাধ মৰম ও আসক্তি, অবধুত অৱস্থাৰ মাহাত্ম্য, সংসাৰৰ প্ৰতি বৈৰাগ্য, আত্ম-তত্ব-জ্ঞান আৰু সংসাৰঅৰন্যৰ প্ৰতিচ্ছবি বৰ্ণনাৰে পৰমাৰ্থ নিৰ্ণয় ব্যক্ত হৈছে।

ভৰতে স্বধৰ্ম্ম ৰক্ষা কৰি প্ৰজাপালন কৰিছিল। তেওঁ ভকত বসল, ধৰ্ম্ম পৰায়ন ৰজা আছিল। যজ্ঞেৰে ঈশ্বৰ উপাসনা কৰি সমস্ত সত্ত্বা ঈশ্বৰত সমৰ্পন কৰিছিল। এইদৰে ৰাজভোগ কৰি বিষয়ত তেওঁ বিৰক্ত হয়, কৰ্ম্মৰ বাসনা নাইকীয়া হয়, আৰু ৰাজ্যভাৰ এৰি পুলহৰ আশ্ৰমলৈ গতি কৰে আৰু ৰাতিয়ে দিনে গোবিন্দৰ চিন্তনত কটায়।

ইন্দ্ৰিয়ক দমি কতো নিয়মি মনক।
হৃদয়ত সাক্ষাত কৰন্ত ঈশ্বৰক।। ২৬৪

এনে মহা সাধকে এদিন নদীতীৰত স্নান কৰিবলৈ যাওঁতে এজনী গাভিনী হৰিণী দেখিবলৈ পালে। এটা সিংহৰ ঘোৰ গৰ্জ্জন শুনি তাইৰ গৰ্ভপাত হয় আৰু এটি পোৱালি জলত এৰি তাই পলাই যায়। ভৰতে সেই হৰিণ পোৱালিটি আশ্ৰমলৈ নি ডাঙৰ দীঘল কৰিবলৈ ধৰিলে।

(১) **হৰিণৰ প্ৰতি আকৰ্ষণ আৰু হৰিণ জন্ম প্ৰাপ্তিঃ-**

আশ্ৰমত ভগৱন্তৰ ভক্তিত গদ্‌গদ্ হোৱা ভৰতৰ মনত হঠাতে হৰিনৰ পোৱালিৰ প্ৰেমত হাবুদুবু খালে।

হৰিন পুত্ৰত ভৈল নিজ অভিমান।
ৰাত্ৰিদিনে চিন্তেমাত্ৰ তাহাৰ কল্যান।। ২৭৬।।
পৰম স্নেহত মুখে কৰন্ত চুম্বন।
কতো গাৱ কণ্ডুৱন্ত হুয়া ৰঙ্গমন।। ২৭৭

ৰজাৰ ক্ৰমে কৃষ্ণভক্তি কমি আহিল আৰু হৰিণৰ প্ৰতি স্নেহ বাঢ়ি গ'ল। হঠাতে হৰিণ-শাবক হেৰাই যোৱাত ভৰত মৰ্ম্মহত হয়, কিন্তু তাক বিচাৰি পোৱাত আগতকৈ অধিক প্ৰীতি কৰিবলৈ ধৰিলে। অসন্ত সঙ্গৰ ৰতি কৰি ভৰতে দিন কটোৱাৰ পাচত আয়ু শেষ হয় আৰু হৰিণীৰ গৰ্ভত হৰিন জন্ম লাভ কৰে। জাতিস্মৰ হোৱাৰ বাবে ভৰতে পূৰ্ব্বজন্মৰ কথা সোঁৱৰি মনত বৰ দুখ পালে। ৰাতিয়ে দিনে কৃষ্ণ-চিন্তা এৰি হৰিণ-চিন্তনৰ বাবে তেওঁ হৰিণ জন্মত অত্যন্ত অনুতপ্ত হ'ল। গণ্ডকীৰ জলত নামি হৰিন ভৰতে প্ৰাণ ত্যাগ কৰে।

(২) **জড়-ব্ৰহ্মনত্ব প্ৰাপ্তি আৰু ৰহুগণৰ দোলাবহনঃ-**

হৰিণ জন্মৰ পাচত তৃতীয় জন্মত ভৰতে জড়-ব্ৰাহ্মনত্ব লাভ কৰে। অঙ্গিৰস গোত্ৰত এজন ব্ৰাহ্মন আছিল আৰু তেওঁ শম-দম-তিতিক্ষা-উপাসনা আদি মানি চলিছিল। তেওঁ দান-ধৰ্ম্ম-তৰ্ক-বিদ্যা-আত্মজ্ঞানত একনিষ্ঠ আছিল। তেওঁৰ দুগৰাকী ভাৰ্য্যাৰ ভিতৰত প্ৰথম গৰাকীৰ নজন পুত্ৰ আৰু পাছৰ গৰাকীৰ



দুটি যমজ সন্তান জন্মে। যমজ সন্তানৰ এটি কন্যা আৰু আনজন পুত্ৰ আৰু তেওঁৰ নাম ভৰত। তেওঁ জাতিস্মৰ আছিল বাবে পূৰ্ব্বজন্মৰ কথা সুঁৱৰি এই জন্মত কেৱল কৃষ্ণপাদ পদ্মত মগ্নথাকি, মাতিলেও নমতাকৈ থাকিবলৈ ধৰিলে। পিতৃয়ে ভৰতক বেদ আৰু তত্ব জ্ঞানৰ শিক্ষা দিলে যদিও ভৰতসিবোৰত তেনেই নিৰাসক্ত। ভৰতৰ পিতৃয়ে সেই বেজাৰতে সপত্নীক মৃত্যুবৰণ কৰে। ভৰতৰ অন্য ভাতৃ সকলে কৰ্ম্মকাণ্ডত ৰত হৈ থাকিল।

ভৰতে কলা-বোবা-উন্মত্তৰ দৰে আচৰণ কৰিলে, কোনোৱে তেওঁক বলেৰে ধৰিনি ভাৰ বোৱালে, অনেক কাম কৰোৱালে, আহাৰ নিদিয়াকৈ ৰাখিলে, যি যেনেকৈ ব্যৱহাৰ নকৰক তালৈ ভৰতৰ কোনো ভ্ৰুক্ষেপ নাই। তেওঁ আগত যি পায় তাকেই খায়, নাপালেও লঘোনে থাকে, তেওঁৰ মান-অভিমান-লাজ-একোৱেই নাই, স্নান নকৰে আৰু মাটিতে বাগৰি শোৱে, দেহত মাত্ৰ এখন ফটাকানি পৰিধান কৰে। ভাতৃগণেও তাক নানা গৃহকৰ্ম্মত ব্যৱহাৰ কৰিলে আৰু মাটিত আহাৰ খাবলৈ দিলে, ভৰতে তাকে খাই জীৱন ধাৰণ কৰিল।

এদিন চোৰৰ ৰজা এজনে বলি দিবলৈ এজন মনুষ্যক ধৰি আনিছিল, কিন্তু দুভাগ ৰাতি মনুষ্যজন পলাই যোৱাত তেওঁ লগৰীয়া লগহৈ টঙিত বহি খেতিৰখি থকা ভৰতক দেখা পাই হাতেগলে বান্ধি দেবগৃহলৈ নি অভিষেক কৰিলে। দেবীক তস্কৰ সকলে নানা প্ৰকাৰে পূজাসেৱা কৰি বলি কাটিবলৈ খৰ্গ তুলি ললে। তেওঁলোকে ভৰতৰ মাহাত্ম্য বুজিব নোৱাৰিলে- আৰু ভদ্ৰকালীৰ সন্মুখত বলি দিবলৈ উদ্যোগ কৰিলে।

সৰ্ব্বভূত সুহৃদ সাক্ষাতে ব্ৰহ্মময়।
নিবিড় স্বভাৱ ব্ৰহ্মঋষিৰ তনয়।
অল্পমাত্ৰ হিংসা কৰিবাৰ নোহে যোগ।
কাটিবাক লাগি তাক কৰিলে উদ্যোগ।। ৩৫৬।।

ভৰতৰ ব্ৰহ্মতেজ দেখি ভদ্ৰকালী থৰথৰকৈ কঁপিবলৈ ধৰিলে আৰু দেবীপ্ৰতিমা ফালি ভদ্ৰকালী বাজ হ'ল। বৈষ্ণৱক অপকাৰ কৰিবলৈ উদ্যত হোৱা দেখি দেবীৰ ভয়ঙ্কৰ ক্ৰোধৰ সৃষ্টি হল আৰু চোৰগণক সংহাৰ কৰি হ'বলৈ মহাবেগে চলি গ'ল-

মহাক্ৰোধে গৈলাজ্বলি।
ভ্ৰুকুটি কুটিল আখি।। ৩৬১

সেহিখড়গ ধৰি ডাটি
সমস্তকে মাথা কাটি।। ৩৬৩।।
তপত ৰুধিৰ যত।
পিয়া ভৈল উন্মত্ত।। ৩৬৪।।

মহন্তৰ দ্ৰোহ আচৰণ কৰা সকলৰ এনে দশাই হয়। দেবীয়ে বৈষ্ণৱ দ্বিজৰ চৰণত ধৰি নমস্কাৰ জনাই বান্ধখুলি দিলে। যিজন বিষ্ণুভক্ত, তেওঁৰ কতো ভয় নাই। তেওঁ সবাৰো সুহৃদ আৰু শত্ৰুহীন।

"সবাৰো সুহৃদ সাৰ।
নাহি শত্ৰু তাসম্বাৰ।। ৩৭০।।
"কালচক্ৰ মাধবৰ।
সৰ্ব্বলোক ভয়ঙ্কৰ।।
তাসম্বাক ফুৰে ৰাখি।
চটকক যেন পাখি।।"—৩৭১।।

মহন্তক কষ্টদিবলৈ প্ৰয়াস কৰাজনে নিজে নষ্ট যায়। দেবীয়ে কেতিয়াও মনুষ্যৰ বধ নিবিচাৰে। মনুষ্যই মনুষ্যক দেব-দেবীৰ বাবে বলি দিয়ে, কিন্তু সেই মনুষ্যৰ বধৰ ভাগি দেবী নহয়, দিওঁতাজনেহে তাৰ ভয়ানক ফল ভোগ কৰিব লগীয়া হয়। অবধূত পুৰুষক ভগৱন্তৰে অংশদেৱ-দেবীয়েও সেৱা জনায়। ভগৱন্ত ভক্ত হ'লে- ভগৱন্তই সুদৰ্শন চক্ৰৰে ৰক্ষা কৰি ফুৰে। জড় ভৰতৰ আদৰ্শই তাকে প্ৰমাণ কৰিলে।

**ৰহুগণৰ দোলাবহনঃ-**

সোবীৰ দেশৰ ৰজা ৰহুগণে কপিলমুনিৰ আশ্ৰমলৈ গৈ আত্মজ্ঞান লভিবৰ বাবে চৌদোলাত উঠি যাত্ৰা কৰিছিল আৰু যাকে যতে পায় মূল্য নিদি জোৰেৰে চৌদোলত ভাৰ বহন কৰিবলৈ লগাইছিল। ইক্ষুনদীতীৰত জড়ভৰতক পাই দুলীয়া কৰি ললে। দোলাখন ভৰতে এনেদৰে টানি নিলে যে বাটত পৰুৱা এটা দেখিলেও জাপমাৰি যায়, ফলত দোলা ইকাতি সিকাতি হয়, ৰহুগণ দোলাত ঢলোপৰোকৈ যাবলগা হোৱাত ৰজাই খঙত ভৰতক নানাধৰণে কদৰ্থনা কৰিলে আৰু দণ্ড দিবলৈ উদ্যত হোৱাত ৰহুগনে কোৱা কথা কিছুমানৰ উত্তৰ ভৰতে দিবলৈ ধৰিলে-। ৰজাই ছটা কথা কৈছিল- যে অনেকদূৰ বিমান বহন কৰিলি, বৰ দুখ পালি, ক্ষীণ কলেবৰ, অকলে বহন কৰিলি, বুঢ়াবয়সীয়া আৰু আন লগৰীয়াই ভাগৰ অনুভব নকৰে।





ভৰতে ক'লে- এই জগতত ভাৰৰ কোনো গধুৰ বোজা নাই, গতিকে ভাৰবোৱা ভাগৰো থাকিব নোৱাৰে। ব্ৰহ্মাৰ ভাগৰ থাকিব নোৱাৰে। কোনো ঠাই শূন্য নহয় যে এঠাইৰ পৰা আন এঠাইলৈ যাব। সকলোতে আত্মা বিৰাজমান। আত্মাৰ ডাঙৰ সৰু নাই, মই সেই পৰমাত্মাসদৃশ বাবে মোৰ শ্ৰম নাই। দেহৰ স্থুল সূক্ষ্ম আধি-ব্যাধি-শোক-মোহ-ভয়-ক্ষুধা-তৃষ্ণা আদি দুখ থাকে, কিন্তু আত্মাৰ এইবোৰ নাই। গতিকে মোৰ দেহৰ লগত এইবোৰ দুখ নাই , কিয়নো মই দেবজ্ঞান এৰি আত্মাজ্ঞানত হে বৰ্ত্তি আছো। আত্মাৰ- বৃদ্ধ-যুব আদিকাল নাই।

বিচাৰত ভাৰ নাহি ইটোজগতত
শূন্য হেন চলিবাক আছে কোনঠাই
যাত ব্যাপি আছে আত্মা চলন নাযায়।। ৩৯৯।।
আত্মাৰ ডাঙৰ সৰু বিচাৰি নাপায়।। ৪০০।।
স্থুল সূক্ষ্ম আধিব্যাধি শোকমোহ ভয়।
ক্ষুধা তৃষ্ণা আদি দুখ যতেক আছয়।। ৪০১।।

মানুহ জীৱন্ততে মৃত, দেহমায়াময়, ক্ষণেক্ষণে মৃত্যু হয়, এইবোৰ সাৰশূন্য। নিজকে স্বামী বা গৰাকী বুলি ভবাৰো স্থল নাই আৰু সেবকো কাকো কৰি লব নোৱাৰি। কোনো ডাঙৰ নহয়, কোনো সৰু নহয়। সকলো সমান আৰু ব্ৰহ্মময়। কোনো কাৰো ওপৰত উঠি ফুৰিবলৈ অধিকাৰ নাই। একে সমান আত্মাই অন্যআত্মাৰ ওপৰত কৰ্তৃত্ব কৰিব নোৱাৰে।

ভৰতৰ কথা খিনি বেদান্তৰ সাৰমৰ্ম্ম। ৰহুগণে ভৰতৰ পৰা এই তত্ব জ্ঞান উপলব্ধি কৰি বিমানৰ পৰা নামি ভৰতৰ চৰণত দণ্ডৱতে পৰি প্ৰণাম জনালে। ৰজাই ক'লে — তুমি নিগুণ, নবগুণী, কৰপৰা আহিছা, কাৰ তনয়, অৱধূতবেশ কিয় ধাৰণ কৰিছা? তুমিয়েই ভগৱান কপিল নেকি? মোক কৃপা কৰি দৰ্শন দিছা নেকি? বৰুণৰ পাশলৈ মোৰ ভয় নাই, ইন্দ্ৰৰ বজ্ৰৰ প্ৰতি মই ভীত গ্ৰস্ত নহওঁ, যমৰ দণ্ড শিৱৰ ত্ৰিশূল বা অন্যদেবতাৰ অস্ত্ৰৰ প্ৰতি মই ভয় কৰানাই। ভয় কৰিছো ব্ৰাহ্মণৰ অপৰাধ কৰাৰ কাৰণেহে। জ্ঞানত তুমি পৰিপূৰ্ণ অথচ বাতুলৰ বেশত ভ্ৰমিছা, জ্ঞানপূৰ্ণ তোমাৰ বাক্য শুনি মই জানিছো তুমি মহান আৰু মোক জ্ঞান দিছা।

জ্ঞানে পৰিপূৰ্ণ তুমি সাগৰ আকাশ।
ফুৰা বাতুলৰ বেশে সবাত উদাস।। ৪০৫।।
হওঁ মই নৰদেব হেন অহঙ্কাৰ।

তুমি হেন সাধুকো কৰিলো তিৰস্কাৰ।। ৪২৩।।

জড়ভৰতে ৰজাক ক'বলৈ ধৰিলে- বিবেকীজনে বিচাৰ কৰিহে কথা কয়, প্ৰপঞ্চক এৰি সত্য কথাহে ব্যক্ত কৰে। যেতিয়ালৈকে তিনিগুণে মনক আবৰি থাকে তেতিয়ালৈকে লোকে নানা কৰ্ম্ম কৰি ফলভোগ কৰে। সত্বগুনত দেব শৰীৰ, ৰজুগুণে মনুষ্যশৰীৰ আৰু তমো গুণে নাৰকী শৰীৰ লাভ কৰে।

বিবেকী পণ্ডিতে কথা বিচাৰ কৰন্তে।

নেদেখে প্ৰপঞ্চ কিছো সত্য কৰি অন্তে।। ৪২৭।।

"যেবে তিনিগুণ থাকে মনক আবৰি।

তাবদেকে ফুৰে লোক নানা কৰ্ম্ম কৰি।। ৪২৯।।

হোৰে তাত নানাবিধ কৰ্ম্মফল ভোগ।

তিনিগুণে তিনিবিধ দেহৰ সংযোগ।। ৪৩০।।

নিগুণ অৱস্থা মনত উপস্থাপন হলেহে জীৱৰ কুশল হয়। মন বৰ চঞ্চল আৰু ই জীৱৰ পৰম শত্ৰু। শোক-মোহ-ৰাগ-লোভ মনতে সৃষ্টি, গতিকে মনক দৃঢ় কৰি ৰাখিবৰ কাৰণে সাধুৰ সঙ্গত কৃষ্ণ কথা আলাপ কৰিব লাগে।

ৰহুগণে অৱধূতৰ কথাত পৰম জ্ঞান লাভ কৰি অনুনয় বিনয় কৰিবলৈ ধৰিলে। তেওঁৰ অধ্যাত্ম যোগৰ কথা শুনি ৰহুগণৰ জ্ঞানচক্ষুমেল খালে বুলি ব্যক্ত কৰিছে। জড় ভৰতে ৰহুগণক ব্ৰহ্মআত্মা, জগত সম্পৰ্কে তত্বজ্ঞান ব্যক্ত কৰি কলে।

কৰ্ম্মফলৰ বাবেহে জীৱই জন্ম লয়। একদেহে আন শৰীৰক বহন কৰিলেও ভাগৰ নালাগে, পৃথিবীয়েহে ভাৰ বহন কৰে, পৃথিৱীৰ ওপৰত ভৰি পৰে, ভৰিৰ ওপৰত দুই জঙঘা থাকে, জঙঘাৰ ওপৰত দুই জানু, জানুৰ ওপৰত দুই উৰু, উৰুৰ ওপৰত কটিভাগ, তাৰ ওপৰত উদৰ আৰু উদৰৰ ওপৰত হিয়া আৰু হিয়াৰ ওপৰে দুই কান্ধ, দুই কান্ধৰ ওপৰত চৌদ্ৰোলা, চৌদ্ৰোলৰ ওপৰত সৌবীৰৰ নৃপ অৱৰ্তীন হৈছে। গতিকে কান্ধৰ পৰা ক্ৰমে ভাৰ পৰ্য্যন্ত ইটোৱে সিটোৰ ভাৰ বহে। পেটৰ ভাত নিদি, কদৰ্থনা কৰি দয়া নকৰি, কপটমায়া কৰি তুমি দুৰ্জ্জন পামৰৰ কাম কৰিছা। পৃথিৱীয়ে পৃথিৱীৰ ভাৰ অসংখ্য পৰমাণুত বিভক্ত দেহক মই বুলি কোৱাৰ অৰ্থ নাই আৰু ই মিছা। সচাঁ মাত্ৰ নিত্য নিৰঞ্জন আত্মাহে। মহন্তৰ মুখে উত্তম শ্লোকৰ গুণ, কৃষ্ণৰ কীৰ্ত্তন কৰ্ণে শ্ৰৱন কৰি মতি নিৰ্ম্মল কৰিব লাগে।

জড়ভৰতে ভৱাতবী ৰূপকৰ আলমেৰে ৰহুগনক তত্বজ্ঞান দান কৰিছে।



**(৩) ৰহুগণক তত্ব জ্ঞানদানঃ-**

'ভৱাটবী' মানে ভৱ-সংসাৰ, অটবী মানে- অৰণ্য - সংসাৰ অৰণ্য। সংসাৰখন অটব্য অৰণ্য। অটবীত নানা হিংস্ৰ প্ৰাণী থকাৰ দৰে সংসাৰত অসংখ্য ধৰণৰ অসৎ লোক আছে, অৰণ্যত প্ৰৱেশ কৰা, বনিজ কৰা লোক এজনৰ যোগেদি সংসাৰ যাত্ৰীৰ দুখ-কষ্ট-বেদনা- সংঘাট, আশা-আকাঙক্ষা-অহঙ্কাৰ-সম্ভোগ সুখাদিৰ নানান ছবি অঙ্কন কৰি জড়ভৰতে ৰহুগণক সংসাৰৰ প্ৰতি বিৰক্ত হ'বলৈ উপদেশ দিছে।

সংসাৰক এটা কুপ বা অন্ধকাৰ কুঁৱা বুলিব পাৰি। প্ৰবৃতিপথত থাকি, তিনি গুনৰ কৰ্ম্মকৰি, পূৰ্ব্বৰ বাসনাৰাশিক মূলধন কৰিলৈ সুখলাভৰ নিমিতে সংসাৰীয়ে কাম্য কৰ্ম্ম আচৰে। বানিজাৰোৱে এজন সঙ্গী লগত লৈ অৰন্যত প্ৰবেশ কৰিলে, ছেগচাই পাঁচ ছয়জন চোৰে লগ ললে। চোৰ কেইজনে বনিকৰ সমস্তধন লুটি নিলে আৰু মাটিত পৰি থকা বনিকক শিয়াল- কুকুৰে কামুৰিবলৈ ধৰিলে। এই ৰূপকৰ তাৎপৰ্য্য হৈছে বনিজাৰো এখন সংসাৰ যাত্ৰী, লগৰীয়া সঙ্গী হৈছে তেওঁৰ মগজুৰ লম্পট বুদ্ধি, ছয়ইন্দ্ৰিয় চোৰ, যি এক তিলে ধৰ্ম্ম নষ্ট কৰে, শৃগাল কুকুৰ হৈছে ভাৰ্য্যা আৰু পুত্ৰ, যি খোৱা পিন্ধাৰ বাবে সৰ্ব্বস্ব হৰণ কৰে। মহন্তক এটকাও দান দিব নোৱাৰে, কুটুম্বৰ বাবে সকলো খৰচ কৰে। বনিকে কেতিয়াবা বনত ভ্ৰমণ কৰে, কেতিয়াবা নগৰত প্ৰৱেশ কৰে, বনতেই থাকক বা আনন্দ নগৰতে থাকক সংসাৰীয়ে কেতিয়াৱা শত্ৰুৰ, কেতিয়াবা পিশাচৰ, কেতিয়াবা টেণ্টন সকলৰ গ্ৰাসত পৰি নানা লটিঘটি হয়। তেওঁ যলৈকে যাওক তাতে কৰ্ম্মদোষে লগনেৰে, সংসাৰত ঘৰামুঠি খাই শাস্তি ভোগে।

বায়ু পাকৰ লগত তিৰীজাতিক তুলনাকৰি অবধূতে কৈছে নাৰীমায়াত মুগ্ধ হৈ হৃদয়ত অনুৰাগৰ সৃষ্টি হয়। বায়ুতথকা ধূলিবোৰ বায়ুৰ পাকত ঘূৰি ফুৰাৰ দৰে নাৰীৰ প্ৰতি থকা অনুৰাগবোৰ বায়ুত থকা ধূলিৰ দৰে উৰি আহি চকুত চামনি বান্ধি পুৰুষৰ জ্ঞানচক্ষু ঢাকি পেলায় আৰু জ্ঞান ও বুদ্ধি নাশ হয়। বালিৰ মৰীচিকা খেদি পানী বিচাৰি ফুৰাৰ দৰে বিষয়ত মৰীচিকাসদৃশ সুখ বিচাৰি ফুৰাটো জলভ্ৰম মাত্ৰ। বনপুৰা জুইৰ দৰে সংসাৰ জুয়ে জীৱক চাৰিয়ো দিশে ঘেৰিধৰি পুৰি মাৰে। বলবন্তই ডকাইটৰ দৰে ধন পত্নী সম্পত্তি কাঢ়ি লয়, তৎসত্বেও মিছা বিষয় বস্তুত বিৰকতি নোপজে।

হাজাৰ কষ্টময় বিপদে আবৰি ধৰা সত্বেও বিষয় পৰ্ব্বতত বগাবলৈ জীৱই যত্ন কৰে। ক্ষুধাৰ জ্বালা, সৰ্পৰ দংশন, অজগৰসদৃশ নিদ্ৰা, দুৰ্জ্জন হিংসকৰ

হিংসাৰ গৰাহত পৰি সংসাৰীৰ নানা নিৰ্য্যাতন হলেও সংসাৰৰ মৌমাখিৰ কামোৰ সহিব লগা হয় আৰু কেতিয়াবা হয়তো আনে সেই মধু কাঢ়ি নিবও পাৰে। মাখি মৌ হৈছে পৰদাৰা, পৰদ্ৰব্য।

বিচাৰিয়া ফুৰে যিটো যত্ন কৰি তাক।
বলে সমে চুৰিকৰে পৰৰ ভাৰ্য্যাক।।
তাহাৰ স্বামীয়ে নুহি ৰাজদূতে পাই।
থিয় কিলে হাড় ভাঙি তিৰী লৈয়া যায়।। ৫০১।।

নতুনা বলবন্তই সুন্দৰী নাৰী কাঢ়িলৈ যায় আৰু স্বামীয়ে সম্ভোগ সুখৰ পৰা বঞ্চিত হয়। তদুপৰি তিনি তাপে সংসাৰত জীৱক কষ্ট ভোগায়। কেইটামান টকাৰ বাবে মৰামৰি, কটাকটি হয়, ধনৰ বাবে শত্ৰুতা বাঢ়ি উঠে, মামলা-মোকৰ্দ্দমা হয়, এইদৰে নানা দুখ কষ্টই সংসাৰত লোকক নিৰ্য্যাতন দিয়ে। সংসাৰ অৰণ্যত দুখৰ বাহিৰে সুখ পোৱা নাযায়। সংসাৰ তাপৰ পৰা ৰক্ষা পোৱাৰ একমাত্ৰ উপায় একমাত্ৰ হৰিকথা শ্ৰবন কীৰ্ত্তন আৰু প্ৰেম ভক্তিহে।

ইমানখিনি কোৱাৰ পাচতো ৰহুগণৰ বিৰক্তি নোপজাত জড়ভৰতে পুনৰ সহজ সৰল ব্যাখ্যাৰে ভবাটবী ৰূপকৰ তত্ব ব্যক্ত কৰিবলৈ ধৰিলে- ভব অটবীত কেতিয়াবা সদাগৰ প্ৰবেশ কৰি লতামশুপৰ মাজত কোকিলৰ মাত শুনিবলৈ পায় আৰু তাৰ ছাঁয়াত জিৰণি লয়। লতা হৈছে নাৰী আৰু নাৰীৰ সুমধুৰ কণ্ঠস্বৰে আৰু নাৰীৰ সান্নিধ্যই সংসাৰীক আনন্দ যোগায়। সুকোমল বনত কোকিলৰ দৰে পুত্ৰজীয়ে থুনুক থানাক বাণীৰে মুগ্ধকৰে আৰু তাতে পিতৃ আবদ্ধ হৈ থাকে। আন এঠাইত অৰণ্যৰ মাজত সিংহৰ মাত শুনি ভয়ত কাক আৰু শগুনৰ কাষ চাপে কিন্তু কাউৰী তাৰ পৰা পলাই পত্ৰং দিয়ে। সৰোবৰত ৰাজহংসৰ কাষ ছাপিলেও ৰাজহাঁহে লগ নিদিয়ে, বানৰৰ ওচৰলৈ গলেও ভাবুকিহে পায়। সিংহৰ নাদ হৈছে কালচক্ৰ আৰু শগুন কাক আদিবোৰ দেবতা উপদেবতা। মহাকালক দেবতাই বাধা দিব নোৱাৰে। হংস হৈছে মহন্ত, ব্ৰাহ্মণ। ব্যাভিচাৰী হোৱাৰ বাবে সেন্ত মহন্তই লগ নিদিয়ে। কিয়নো তেওঁলোকে নিজ মাতৃ ভগিনীত মৈথুনাচাৰণ কৰে, বিধবাগমন কৰি পুত্ৰ উপজায় আৰু সেই পুত্ৰ কন্যাৰ মুখ চাই জীৱন কটায়।

যত দেখা পুত্ৰ পত্নী সবে মায়াময়।
কৃষ্ণেসে পৰম তত্ব জানিবা নিশ্চয়।। ৫৪০।।

ভৰতে ৰহুগণক তত্ব জ্ঞানেৰে উপদেশ দি সংসাৰৰ প্ৰতি বীতশ্ৰদ্ধহৈ





মাধবৰ সেৱাত ব্ৰতীহবলৈ কৈছে। সদায় সাধুসঙ্গলৈ কৃষ্ণ কথা শ্ৰৱন কীৰ্ত্তন কৰিবলৈ, সমস্ত প্ৰানীক দয়া কৰিবলৈ, মনত জ্ঞানৰ খাণ্ডালবলৈ কৈছে।

ৰহুগনে জড়ভৰতৰ পৰা আত্ম জ্ঞান লাভ কৰি ভৰতক সেৱা জনাই চৰনৰ ধূলি শিৰত তুলি ললে আৰু ভৰতে ৰহুগণক এৰি মনক নিয়মি পৃথিবীত পৰ্যটন কৰি থাকিব।

ভৰতৰ পাচত ভৰত বংশীয় ৰজাসকলে ৰাজ্য শাসন কৰি গ'ল। ভৰতৰ পুত্ৰৰ নাম সুমতি। অন্যান্য পুত্ৰ পৌত্ৰাদি সকল হৈছে দেবজিত, দেবদ্যুম্ন, পৰমেষ্ঠী প্ৰতীহ, চিত্ৰৰথ, বিন্দুমান, ত্বষ্টা আদি ভৰতবংশীয় লোক।

(৪) **নব বৰিষ শঙ্কৰৰ শঙ্কৰিষণৰ স্তুতি আৰু অনন্ত বৰ্ননাঃ-**

পৰীক্ষিতে ভূমণ্ডলৰ স্থান সমূহৰ বিবৰণ সোধাত শুকে কলে যে মেৰুক কেন্দ্ৰ কৰি লক্ষ যোজন বহল, পদুম পাতৰ দৰে ঘূৰণীয়া আঠটি পৰ্ব্বতে বিভাজিত কৰা নটা বৃহৎ ভূখণ্ড আছে আৰু ইয়াক জম্বুদ্বীপ বোলা হয় আৰু প্ৰতি ভাগক বৰিষ বা বৰ্ষ বোলে, সেয়ে নববৰ্ষ। বৰ্ষবোৰৰ নাম--

১) ভাৰত বৰ্ষ।
২) কিন্নৰ বৰ্ষ বা কিম্পুৰুষ বৰ্ষ।
৩) হৰি বৰ্ষ।
৪) ৰম্যক বৰ্ষ।
৫) হিৰন্ময় বৰ্ষ।
৬) উত্তৰ কুৰু বৰ্ষ।
৭) ইলাবৃত্ত বৰ্ষ।
৮) ভদ্ৰাশ্ব বৰ্ষ।
৯) কেতুমাল্য বৰ্ষ।

মেৰুৰ চতুৰ্দিশে থকা বৰ্ষবোৰৰ প্ৰত্যেকতে সেব্য আৰু সেৱক বিদ্যমান।

(১) হৰিবৰিষত- সেব্য- নৰসিংহ, সেবক প্ৰহ্লাদ। নৃসিংহৰ যশস্যা বৰ্ণনা।

(২) কেতুমাল বৰিষত- সেব্য- কামদেব, সেবক- লক্ষ্মী- কামদেবৰ মোহনীয় ৰূপ বৰ্ণনা

(৩) ৰম্যক বৰিষত- সেব্য- মৎস্য অৱতাৰ, সেৱক- সত্যব্ৰত- মৎস্য ৰূপী ভগবানৰ

(৪) হিৰন্ময় বৰিষত- সেব্য- মাধবৰ কৰ্ম্মতনু- সেৱক- অনেক মন্ত্ৰেৰে-

ভগবানৰ মাহাত্ম্য।

(৫) উত্তৰ কুৰু বৰিষত- সেব্য- বৰাহৰূপী- সেৱক- পৃথিৱী- বৰাহৰূপী ভগবানৰ মহিমা কীৰ্ত্তন।

(৬) কিম্পুৰুষ বৰ্ষ বা কিন্নত বৰ্ষত- সেব্য- ৰামচন্দ্ৰ- সেৱক- হনুমন্তই- ৰামৰ যশ- কীৰ্ত্তিৰ বৰ্ণনা।

(৭) ভদ্ৰাশ্ব বৰিষত- সেব্য- হয়গ্ৰীৱ অবতাৰ- সেৱক- ধৰ্ম্মৰ পুত্ৰ ভদ্ৰশ্ৰবা।

(৮) ইলাবৃত্ত বৰিষত- সেব্য- অনন্ত বা শঙ্কৱৰ্ষন- সেৱক- শিৱ ভবানী সহিতে নাৰীগণ- শিৱৰ- মাহাত্ম্য বৰ্ণনা।

(৯) হিৰণ্যক বৰিষত বা ভাৰতবৰ্ষত- সেব্য- কুৰ্ম্মঅৱতাৰ- সেৱক- পিতৃ গনধিপতি অৰ্য্যমা- কুৰ্ম্মৰ বৰ্ণনা।

**শঙ্কৰৰ শঙ্কৰিষণৰঃ-**

ইলাবৃত বৰিষত মাধবৰ মূৰ্ত্তি শঙ্কষিণ বা শঙ্কৰ্ষন বিদ্যমান হৈ আছে। তেওঁক শিৱ আৰু নাৰীগণে স্তুতি কৰি আছে। তাত শিৱৰ বাহিৰে অন্য পুৰুষ নাই। পাতাল পুৰীৰ নাগকন্যা সকলে তেওঁক পূজেগৈ। সহস্ৰফণাৰে সৰ্পাকৃতি হৈ ভগৱন্তৰ মহিমা প্ৰকাশ কৰে। তেওঁ হয়গ্ৰীৱ অবতাৰ লৈ বেদ উদ্ধাৰ কৰি আনি ব্ৰহ্মাক দিয়েহি। তেওঁলোকে মাধৱক সংসাৰৰ পৰা উদ্ধাৰ কৰিবলৈ প্ৰাৰ্থনা কৰিছে।

**অনন্ত বৰ্ণনাঃ-**

পাতালৰ তলত অনন্তৰ প্ৰকাশ। তেওঁৰ অন্তনাই, হেজাৰ ফণাৰ মণিৰ প্ৰকাশে পোহৰ বিলায়, অনন্তৰ মূৰৰ ওপৰতে বেৰি আছে। হেজাৰ ফনাযুক্ত মুখেৰে ভগৱন্তৰ গুণ-গান কৰি আছে নাগ সকলে ভকতি ভাৱেৰে মূৰ দোঁৱাইছো অনন্ত মহিমা অপাৰ।



## ।। ষষ্ঠ স্কন্ধ।।

মূল বিষয়ঃ- মহাপুৰুষ শঙ্কৰদেৱ বিৰচিতঃ-

(১) অজামিল উপাখ্যান।

(২) বৃত্ৰাসুৰ বধ।

(৩) চিত্ৰকেতু (বৃত্ৰাসুৰৰ পূৰ্বজন্ম)।

(৪) ইন্দ্ৰৰ আত্মগোপন ঃ নহুসৰ কথা।

(১) **অজামিল উপাখ্যানঃ-**

অজামিল উপাখ্যানৰ মূল বিষয়ঃ

(১) নৰকৰ বৰ্ণনা আৰু প্ৰায়শ্চিত বিধি।

(২) বেশ্যাৰ লগত বিবাহ আৰু মুমূৰ্ষ অবস্থা।

(৩) যমদূত আৰু বিষ্ণুদূতৰ কথোপ কথন

(৪) অজামিলৰ পৰম গতিলাভ।

(৫) যমদূতৰ লগত যমৰ কথোপকথন আৰু কৃষ্ণ নামৰ মহিমা প্ৰকাশ।

(২) **নৰকৰ বৰ্ণনা আৰু প্ৰয়শ্চিত বিধিঃ-**

পৰীক্ষিতে শুকক সুধিলে-

(১) নৰকৰ স্থিতি কেনেকুৱা?

(২) কোন পাপত কোন নৰক হয়?

(৩) নৰক কিমান আৰু নামবোৰ কি?

**উত্তৰত শুকে ক'লে-** সপ্তপাতালৰ জলৰ ওপৰত নৰকবোৰ প্ৰতিষ্ঠিত। এইটো প্ৰথম প্ৰশ্নৰ উত্তৰ। ৩য় প্ৰশ্নৰ উত্তৰ দিছে- নৰক চৌৰাশী লক্ষ হাজাৰ আৰু তাৰে ভিতৰত আঠাইশ খন দুৰ্ঘোৰ। সেইবোৰ হৈছে- ৰৌৰৱ, তামিশ্ৰ, অন্ধতামিশ্ৰ, কুম্ভীপাক, কালসূত্ৰ, অসিপত্ৰ, তপ্তশূৰ্ম্মি, লালাভক্ষ, শূকৰমুখ, সূচীমুখ, দন্দশূক, শূলপোত, কৃমিভোজন, বজ্ৰ-ঝুণ্ঠ-শাল্মলী, সাৰমেয়া- দন, অবটনিৰোধ- আদি।

পাপ অনুসৰি নৰক ভোগ কৰিব লাগে। ২য় প্ৰশ্নৰ উত্তৰত শুকে কৈছে-মাধৱৰ আদেশ ভঙ্গ কৰাৰ বাবেহে মহাপাপ সঞ্চয় হয় আৰু যমে বিধি অনুসৰি শাস্তি বিধান কৰে। পৰপুত্ৰ, পৰভ্যাৰ্য্যা যিজনে হৰণ কৰে তেওঁ তামিশ্ৰ নৰকত ভোগে।

"পৰবিত্ত পৰপুত্ৰ ভাৰ্য্যা যিটো হৰে।
অন্তকালে কাল পাসে বান্ধি দূতে ধৰে।।"

যি নিজ ভাৰ্য্যা-পুত্ৰ এৰি নিজে ভুঞ্জে, নি নাৰীয়ে স্বামীক বঞ্চিত কৰি খায়- তেওঁ অন্ধ তামিশ্ৰত ভোগে। যি জগতকে মোহি নিজভাৰ্য্যা-পুত্ৰক পোষে তেওঁ ৰৌৰৱ নৰকত ভোগ কৰে। অনাহকত বন্য পশু পক্ষী মাৰি খোৱা জনেওঁ ৰৌৰৱ নৰক ভোগে। জীৱ জন্তুক জীয়াই জীয়াই জুইত দিয়া জনে কুম্ভীপাক নৰকত পৰে। ব্ৰহ্মবধীজনে কালসূত্ৰ নৰকত, নিজধৰ্ম্ম ত্যাগীয়ে অসিপত্ৰ নৰকত, যি ৰজাই বিনা অপৰাধে দণ্ড দিয়ে তেওঁ শূকৰ মুখ নৰকত ভোগে। ব্ৰাহ্মণৰ সুবৰ্ণহৰণ, অগম্যাগমন আদি পাপত দুৰ্ঘোৰ নৰক যান্ত্ৰণা ভোগ কৰিব লগা হয়। ভূত-প্ৰেত পূজা, হংস ছাগ কটাজনে বৈষ্মহ নৰকত পৰে। গৃহদাহ কৰা বিষদি মৰা জনে, সভাত অসত্য বাণীবোলা, ক্ৰয়-বিক্ৰয়ত মিছা কোৱা, মিছা সাক্ষী দিয়া জনে অবিচি নৰকত ভোগে। সুৰাপানৰ বাবে ক্ষাৰকৰ্দ্দম নৰকত ভোগ কৰে। মানুহক মহা ভয় খুওৱা জনে দণ্ডশূক নৰকত, অতিথি সতকাৰ নকৰা জনে বজ্ৰদন্ত নৰকত, হৰিভক্তিত বাধা দিয়া জনে বৈতৰণী নৰকত, ঘৰত পোহা জন্তু-পক্ষীক বধ কৰা জনে তম নৰকত পৰে। পাপ অনুসৰি জীৱই বিভিন্ন ধৰণে নৰক ভোগ কৰে আৰু শতকোটি জন্ম আয়াযাত কৰি দুৰন্ত কালৰ গৰাহত পৰি যমৰ যাতনা ভোগে। দুষ্কৰ্ম্মৰ দ্বাৰা অৰ্জ্জা কৰ্ম্মফল অনুসৰি জীৱই মহাপাপত পৰি পাপৰ গুৰুত্ব লঘুত্ব অনুপাতে দুখ-কষ্ট-যন্ত্ৰাণা ভোগ কৰে-ই নিয়তিৰ বিধান। জীৱই জীৱন্ত কালতেই- পূৰ্ব্বজন্মৰ পাপ অনুসৰি বা ইহজন্মত কৰা পাপৰ বাবে যমৰ যাতনা ভুগিব লাগে। মৃত্যুৰ পাচত আত্মাই দেহ এৰি নৰক ভোগ কৰিব বুলি ভাবিব নোৱাৰি, কিয়নো আত্মা নিৰ্দ্দেষী, জীৱাত্মই বহন কৰি নিয়া পাপানুসৰি পুনৰ জন্ম লাভ হোৱাৰ লগেলগে নৰক ভোগ হব পাৰে আৰু পুণ্য বহন কৰি নিলে স্বৰ্গ সুখ লাভ কৰি পুনৰ পুণ্য ক্ষয় হয়।

বিদ্যমান সংসাৰতে স্বৰ্গ আৰু নৰক কুণ্ডবোৰ প্ৰস্তুত হৈ আছে আৰু জীৱন্ত অৱস্থাতে জীৱই সংসাৰত ৰোগ-ব্যাধি, মানসিক অশান্তি, নোপোৱাৰ বেদনা, পাই ভোগ কৰিব নোৱাৰা বেদনা, নানা দুখ, কষ্ট-যান্ত্ৰণা জীৱই দিনে ৰাতিয়ে ভোগ কৰিয়েই আছে। কোনোৱে পুণ্যৰ বলত ক্ষন্তেকলৈ হলেও স্বৰ্গসুখ ভোগ কৰিবলৈ সমৰ্থ হৈছে। কুকৰ্ম্মৰ



ফলত নৰক, সুকৰ্ম্মৰ ফলত স্বৰ্গ ভগৱন্তৰ ভক্তিৰ ফলত জীৱই পৰমানন্দ লাভ কৰিছে।

বিভিন্ন পাপৰ প্ৰায়শ্চিত্তৰ বিষয়ে শুকে ব্যক্ত কৰিছে। কু-কৰ্ম্ম কৰিলে হয় ৰাজদণ্ড নহয় নৰক ভোগ জানিও নৰে কুকৰ্ম্ম কৰে। হস্তীক গাধোৱালেও পুনৰ গাত মাটি লোৱাৰ দৰে নৰে কুকৰ্ম্মৰ বাবে প্ৰায়শ্চিত্ত হোৱাৰ পাচতো পুনৰ একে পাপকৰ্ম্মকে কৰে। গতিকে প্ৰায়শ্চিত্ত বিফল হয়। পাপৰ আলু উঘালিবৰ কাৰণে জ্ঞানপথ শ্ৰেষ্ঠ হ'লেও ই অতি দুষ্কৰ। শুকে পৰীক্ষিতক কৈছে — প্ৰায়শ্চিতৰ বিধিৰ ভিতৰত কৃষ্ণৰ ভকতিয়েইহে শ্ৰেষ্ঠতম উপায়।

লৱে মাত্ৰ এক শৰণ কৃষ্ণত
আনদেৱ নাহি মতি।
তপ ধৰ্ম্ম সৰে এৰিয়া কৃষ্ণত
কেৱলে কৰে ভকতি।। ৭৬

ভক্তিয়ে জাতি-অজাতি-পাপীক কোটি প্ৰায়শ্চিত্তই শুদ্ধ কৰিব নোৱাৰে, কিন্তু কৃষ্ণ-ভক্তিয়ে শুদ্ধ কৰিব পাৰে।

একবাৰ মাত্ৰ কৃষ্ণ চৰণত
কৰিলে মন নিবেশ।
এতেকে সকলে ভৈল প্ৰায়শ্চিত্ত
গুচিল পাপ নিঃশেষ।। ৮০

ভক্তি মহাধন, নিজমাতা, পৰমগতি দাতা আৰু কৃষ্ণই পৰম দেৱ বাবে তেওঁক ভক্তি কৰিলে সকলো পাপ-দুখ-কষ্ট-অনায়াসে নাশ হয়। ধন-জন-জায়া-পুত্ৰ-সকলোবোৰ কৃষ্ণৰ মায়াহে। শুকে প্ৰায়শ্চিত্ত বিধিৰ সন্দৰ্ভত হৰিনামৰ শ্ৰেষ্ঠত্ব আৰোপ কৰি কৈছে- সংসাৰত যিমানবোৰ ধৰ্ম্ম আছে, সেই সমস্তই হৰিনামৰ ছাকৰৰ দৰে।

"আছে যত যজ্ঞ তীৰ্থ ধৰ্ম্ম সংসাৰৰ।
জানিবা সমস্তে হৰি নামৰ কিঙ্কৰ।।" ৮৬

পুণ্য ৰূপী অৰণ্যত হৰিনাম মহাসিংহ, যাৰ গম্ভীৰ গোজৰণিত হস্তীসমূহ পলাই পতং দিয়ে। পৰম পাতকীকো হৰিনামে উদ্ধাৰ কৰে। এই সন্দৰ্ভত এজন ব্ৰাহ্মণৰ কথা আহি পৰে। তেওঁৰ নাম অজামিল।

### (২) বেশ্যাৰ লগত বিবাহ আৰু মুমুৰ্যু অৱস্থা ঃ

কনৌজত থকা অজামিলে আকণ্ঠ পাপত ডুব গৈছিল। তেওঁৰ পিতৃ-মাতৃ-ভাৰ্য্যাদি থকা সত্বেও বেশ্যাৰ লগত পতিত হয়। তদুপৰি তেওঁ জাতি- কুল-ক্ৰিয়া-কৰ্ম্মও ত্যাগ কৰিলে। বেশ্যাৰ লগত সহবাস কৰি দহটি পুত্ৰৰ জন্ম দিয়ালে আৰু কনিষ্ঠ পুত্ৰৰ নাম নাৰায়ণ ৰাখিলে। জুৱা-পাশা খেলি, মিছা মাতি, অহঙ্কাৰী হৈ, চুৰ কৰি, ডকাইটি কৰি, হত্যা কৰি, কেৱল পত্নী পুত্ৰক উমলাই থাকে। অনবৰতে নাৰায়ণকে মাতি বুলি মৰম স্নেহ কৰি থাকোঁতেই অন্তকাল আহি পালেহি। পূৰ্ব্বত অজামিল

মহাপুণ্যশীল, ধৰ্ম্মীষ্ঠ, প্ৰাণীৰ প্ৰতি অত্যন্ত দয়াশীল, অতিথিসেৱক গুৰুভক্ত আছিল। তেওঁ সৰ্ব্বগুণাকৰ, পিতৃ-মাতৃ ভক্ত, কৰুন হৃদয়ৰ লোক আছিল। বেদশাস্ত্ৰত তেওঁ পাৰ্গত আৰু সদাচাৰী ব্ৰাহ্মন আছিল। এদিন পিতৃয়ে অৰণ্যলৈ পঠালে। অৰণ্যৰ পৰা উলটি আহোতে পথত বেশ্যাৰ মন্দিৰত চকু পৰিল আৰু তাত এজনী অতি সুন্দৰী বেশ্যাৰ লগত এজন সুৰামত্ত পুৰুষে নানা কাম-কেলি কৰি থকা দেখি কাম বাণে জৰ্জ্জৰিত হল আৰু বেদমন্ত্ৰ উচ্চাৰণ কৰিও ব্ৰাহ্মণে মনক আসক্তি শূন্য কৰিব নোৱাৰিলে তেওঁ ধ্যান কৰিও চালে-তথাপি শম-দম আনিব নোৱাৰিলে। অৱশেষত তেওঁ নিজ ধৰ্ম্ম এৰি, পিতৃ-মাতৃ-ভাৰ্য্যাদি ত্যাগ কৰি, সমস্ত বিত্ত-চিত্ত বেশ্যাত অপণ কৰিলে।

**(৩) যমদূত আৰু বিষ্ণুদূতৰ কথোপ কথনঃ-**

অজামিলৰ মৃত্যুৰ সময় আহি পৰাত তিনিটা যমদূত আহি উপনীত হলহি। সিহঁতৰ দেহাভঙ্কৰ, ৰঙা চক্ষু, ভয়ঙ্কৰ বাহু, হাতত জৰী, বিকট-পিঙ্কট চুলি, নাকৰ বিন্ধা গহ্বৰৰ দৰে, ভয়ঙ্কৰ পেট, বিকৃতাকৃৰ্তি মুখেৰে অতি ভয়লগা আকৃতি। সিহঁতক দেখি অজামিলৰ ধাতু উৰিগল আৰু ভয়ত কম্পমান হৈ কনিষ্ঠ পুত্ৰ নাৰায়ণক চিঞৰি মাতিলে।

কাম্পে তনু দ্বিজে তেজিলেক মলমূত্ৰ।
হা কৈক গৈলে মোৰ নাৰায়ণ পুত্ৰ।। ১০৫
দূতে তেওঁৰ জীৱ বাজ কৰিবলৈ লওঁতে তেওঁ চিঞৰি উঠিল।
মহাপীড়া পায়া বিপ্ৰ ভৈলা অচেতন।
দিল আৰ্ত্তৰাৱে ৰিঙ্গ আইস নাৰায়ণ।। ১০৬

যমদূতে জৰীৰে বান্ধি নৰক যান্ত্ৰণা দিবলৈ টানি নিওঁতেই বিচৰণ কৰি ফুৰা চাৰিজন বিষ্ণুদূতে নাৰায়ণ নাম উচ্চাৰণ কৰা শুনি অজামিলৰ কাষ পালেগৈ আৰু যমদূতক ক'লে যে অজামিলক এৰি দিব লাগে। এৰি নিদিয়াত চাৰি বিষ্ণুদূতে গদাৰে তিনিজন যমদূতক কোবালে, চৰ মাৰিলে ভুকু মাৰিলে আৰু প্ৰানে নামাৰি এৰি দিয়াত সিহঁত লৰি পলাবলৈ ধৰিলে। বিষ্ণুদূতে ব্ৰাহ্মণক নিজ মনোহৰ ৰূপ দেখাই বান্ধ কাটি উদ্ধাৰ কৰিতে।

ওপৰত বৰ্ণিত হোৱা কাহিনী অংশ ৰূপক আকাৰে ব্যক্ত হৈছে। অজামিল-সংসাৰী জীৱ বিশেষ। সদাচাৰী হৈয়ো কৃষ্ণ মায়াত জীৱই আত্মজ্ঞান হেৰুৱাই সৎপথৰ পৰা বিচলিত হ'ব পাৰে। ভগৱানৰ অঘটন ঘটন পটীয়সী মায়াৰ ভিতৰত নাৰী মায়া অতি চমৎকাৰ আৰু দুৰ্দ্দমনীয়। নাৰী মায়াত অৰ্থাৎ কামনাৰ চাকনৈয়াত পৰি পুৰুষে সৰ্ব্বস্ব হেৰুৱাই পেলায়। লোভ-মোহ-কামনাৰ বশবৰ্তী হৈ পাপে লোকে নানা মহাপাপু আচৰণ কৰি পাপ সাগৰত ডুব যায় আৰু পাপ যাতনা ভোগে। পাপীক শাস্তি ভোগাবৰ বাবে তিনিবিধ ব্যাধিয়ে লগ লয়। কফ-বাত-পিত তিনিটি যমদূতৰ দৰে দেহত প্ৰৱেশ কৰি যাতনা ভোগায় আৰু তিনি তাপত পৰি সংসাৰী দগ্ধ হয়। নাৰায়ণ বা ভগৱন্তৰ পৰম মঙ্গল নামে হুতাশনৰ দৰে পাপ সমূহ দগ্ধ কৰে। ভগৱন্তৰ নামৰ মাজতে গুৰু-





দেৱ-নাম-ভকত নিহিত থাকে। না+ৰা+য়+ণ-বেদত তেওঁৰ নামলয় তাতেই তেওঁ উপস্থিত হৈ দয়াকৰে। গুৰু দেৱ-নাম-ভকত- চাৰি বস্তুৰূপী চাৰি বিষ্ণুদূত একত্ৰে নাৰায়ণ। সত্ব-ৰজ-তম তিনিগুণেও সংসাৰীক কৰ্ম্মদোষত নিকাৰ ভুঞ্জায়। কাম-ক্ৰোধ-লোভ-পৰম তিনি শত্ৰুক তিনিগোটা যমদূত বুলিব পাৰি। সত্য-শৌচ-ক্ষমা-দয়া-একত্ৰে ভগৱানৰূপী ধৰ্ম্ম। এই চাৰিতত্বই চাৰি বিষ্ণুদূতৰূপে জীৱক ৰক্ষা কৰি ফুৰে।

বিষ্ণুদূতৰ হাতত প্ৰহৃত হৈ যমদূতে মহাত্ৰাসত পলাই গৈ কিছু দূৰৰ পৰা বিষ্ণুদূত চাৰিজনৰ পৰিচয় বিচাৰিলে। তেওঁলোক কোন কৰ পৰা আহিছে। তেওঁলোকৰ সেব্য কোন, তেওঁলোকে যমৰজাৰ আজ্ঞাক কিয় বিৰোধিতা কৰিছে, সেই সম্পৰ্কে জানিবলৈ প্ৰাৰ্থনা কৰিলে। বিষ্ণুদূতৰ ৰূপ সৌন্দৰ্য্যত যমদূত্ত বিমোহিত হৈছে।

তেওঁলোকৰ তনু শ্যাম বৰণৰ, পীতবাস পৰিহিত, বদন কান্তিৰে ভৰা, শিৰত কিৰীটি, কৰ্ণত মকৰ কুণ্ডল, লোচন পদ্মপত্ৰসম আয়ত, বচন অমৃতেৰে ভৰা, কপালত ৰত্নৰ তিলক, হৃদয় বহল, আপাদলম্বিত বনমালা আদিৰে শোভিত। যমদূতে ক'লে যে ধৰ্ম্মৰজাৰ আদেশ ক্ৰমেহে তেওঁলোকে আহি মহাপাপী অজামিলক বান্ধিনিবলৈ আহিছিল আৰু কি কাৰণে অজামিলৰ বান্ধ কাটি ৰক্ষা কৰিলে তাকো তেওঁলোকে বিষ্ণুদূতৰপৰা জানিবৰ কাৰণে প্ৰাৰ্থনা কৰিলে।

বিষ্ণুদূতে যমদূতক প্ৰশ্ন কৰিলে — পৰামাৰ্থ ধৰ্ম্ম কি? অধৰ্ম্ম কোনবোৰ? মনুষ্যৰ ওপৰত যমৰজাৰ অধিকাৰ ক'ত? কোনবোৰ পাপীক যমপুৰীলৈ নি কেনেধৰনৰ শাস্তি প্ৰদান কৰে? যমদূতে উত্তৰ দি ক'লে বেদে যাক বিহিছে তাকে ধৰ্ম্ম বোলে, বেদৰ অবিহিত কৰ্ম্মক পাপ বোলে। গতিকে বেদবিহিতক আচৰাজন পুণ্যৱন্ত আৰু বেদনিষেধক আচৰাসকল পাপী। বেদ ভগবানৰ বাণী, বেদৰ বাণী ভঙ্গকাৰীজন পাপী। অজামিলে কৰা মহা পাপক চৈধ্যজন সাক্ষীয়ে প্ৰত্যক্ষ কৰিছে।

আছে চৈধ্যজন সাক্ষী মনুষ্যৰ
শুনা দেওঁ তাৰ লেখা।।
দিশ শশী সূৰ্য্য আকাশ অগনি
স্বৰ্গ সন্ধ্যা দিন ৰাতি।
কাল জল বায়ু ধৰ্ম্ম মহী এহি
চৈধ্য সাক্ষী দেখে আতি।। ১৪০

এই চৈধ্যজন সাক্ষী দেহতে বিদ্যমান হৈ থাকোতে কোনেও নেদেখিলে বুলি গুপ্য কৰিলে গুপ্য হৈ নাথাকে, কাৰণ চৈধ্যজনৰ উপৰিও অন্তৰ্য্যামী ভগৱন্তই বুদ্ধিৰূপে প্ৰধান সাক্ষী হৈ থাকে আৰু ভগৱানৰ আদেশক্ৰমে যমেও অন্তৰ্য্যামীত্ব শক্তিৰে জানি পাপানুসাৰে দণ্ড বিহে। আ পোনাৰ কৰ্ম্মে আপোনাকে বান্ধে আৰু কোটি কোটি জন্ম সেই বাবেই যমদূতে অজামিলক দণ্ড বিহিবলৈ আহিছিল বুলি যমদূত কেইজনে বিষ্ণু দূতক ক'লে।

বিষ্ণুদূত সকলে যমদূতৰ ধৰ্ম্মব্যাখ্যা শুনি অসন্তোষ্ট হৈ বেদৰ প্ৰকৃত তাৎপৰ্য্য আৰু পৰমাৰ্খ কি তাক ব্যক্ত কৰিবলৈ ধৰিলে-যম অৰ্থাৎ ৰজাই প্ৰজাক নিষ্পাপত দণ্ড কৰিব নালাগে। ৰজাই প্ৰজাক পুত্ৰবৎ পালন কৰিবলাগে, তেতিয়াহে ধৰ্ম্মৰজা হিচাবে পৰিগনিত হয়। শ্ৰেষ্ঠজনে গৰ্হিত কৰ্ম্ম কৰিলে অশ্ৰেষ্ঠ সকলে তাকে ধৰ্ম্ম বুলি কয়। যম ৰজাই কৰা অন্যায়ৰ বাবে যমদূত সকলক বিষ্ণুদূতে বুজাই কলে। অজামিলে অনিচ্ছাৰে নাৰায়ন নাম বোৰাৰ বাবে অসংখ্য পাপ মখিমূৰ হল আৰু মুক্তি লাব কৰিলে।

অনিচ্ছায়ে নাৰায়ণ নাম উচ্চাৰিলা।
মহামুকুতিক পাইলে ইটো অজামিল।।
হিৰি হেন নাম যিটো লৱে একবাৰ।
মোক্ষক পাইবাৰ সিটো ভৈল কাচপাৰ।। ১৬৬

যজ্ঞ-জপ-তপ-তীৰ্থ-ব্ৰত-দানাদি নামৰ সমান হ'ব নোৱাৰে।

যত যজ্ঞ জপ তপ তীৰ্থ দান।
লক্ষ কোটি গুণো নোহে নামৰ সমান।। ১৭১।।

হৰিনামৰ মহিমা ইমান বেচি যে ব্ৰহ্মবধ, সুৰাপান, অগম্যাগমন, ব্ৰাহ্মণৰ সুবৰ্ণ হৰণ, মিত্ৰদ্ৰোহ, মঠমন্দিৰত অগ্নিসংযোগ, পিতৃ-মাতৃ-স্ত্ৰী-ৰজাৰ প্ৰাণলোৱা, আদিপাপৰ বাবে হৰিনাম কীৰ্ত্তনেই উত্তম প্ৰায়শ্চিত্ত। এশ বাৰ যাগ-যজ্ঞ-তপ-দান-ব্ৰতাদিৰ দ্বাৰা প্ৰায়াশ্চিত্ত বিধিয়ে দূৰ কৰিব নোৱাৰে, কিন্তু হৰিনামে পাপৰ আলু উঘালি নিচ্ছিন্ন কৰে। পাপ কৰ্ম্ম কৰি মনত অনুশোচনাৰ সৃষ্টি হলে, হৰিনাম ললে মনৰ পৰা পাপ কৰাৰ ভাব মনলৈ পুনৰ নাহে।

হৰিনাম ল'বলৈ-কাল-নিয়মাদি বিধিৰ প্ৰয়োজন নহয়, যি কোনো সময়ত নাম ললেও শুদ্ধি কৰে।

নাহি কাল নিয়ম নামত একো বিধি।
যেই সেই বেলা লৈলে নামে কৰে শুদ্ধি।। ১৮২

পিছল খালে, জ্বৰে তাপে পীড়া কৰিলে, সৰ্পই দংশন কৰিলে মাধবৰ নাম ল'ব লাগে। বিভিন্ন পাপৰ বিভিন্ন ধৰণৰ প্ৰায়শ্চিত্ত বিধি বিহা থাকে, কিন্তু হৰিনাম সকলো পাপৰ বাবে প্ৰযোজ্য।

পৰে বা পিছলে জ্বৰে তাপে পীড়া কৰে।
সৰ্পে বা দংশন্তে মাধবৰ নাম ধৰে।।
অনিচ্ছায়ে বোলে হৰি নাহিকে চেতনা।
তাৰো আৰ আছে জানা যমেৰ যাতনা।। ১৮৬

সমস্ত পাপৰ বাবে নাম কালান্তক যম, নামে পাপৰ আলু পৰ্য্যন্ত উঘালে। পুনৰ যাতে পাপে স্পৰ্শ কৰিব নোৱাৰে তাৰ বাবে সদায় নাম লব লাগে। পূৰ্ব্বেকৰা পাপসমূহ নামে একতিলে বিনাশ কৰে।



যেন চিৰকাল আছে ঘোৰ অন্ধকাৰ।
নষ্ট হোৱে প্ৰদীপ জ্বালিলে তেবে তাৰ।।
এতেকে মহন্তে সদা ৰাম নাম নেৰে।। ১৯২

নামৰ মহিমা ব্যাখ্যা কৰি বিষ্ণুদূত সকলে গদাধৰি যমদূতক খেদি পঠালে।

**(৪) অজানিতে পৰম গতি লাভ ঃ**

যমদূত সকলে পৃষ্ঠভঙ্গ দিয়াৰ পাচত অজামিলে চাৰি বিষ্ণুদূতৰ চৰণত সেৱা কৰিলে আৰু বিষ্ণু দূতসকল অন্তৰ্দ্ধান হল। তেওঁ বিষ্ণু দূতক সুৱৰি ক্ৰন্দন কৰিলে আৰু নিজৰ সমস্ত কু-কৰ্ম্মৰ বাবে,অনুতপ্ত হল। পূৰ্ব্বজন্মত অজামিলৰ অলেখ পুন্য থকাৰ বাবে মুমুৰ্যু অৱস্থাত নাৰায়ণৰ নাম উচ্চাৰিত হ'ল আৰু সাধুসঙ্গ লাভ হল। অজামিলে কৃষ্ণ কৰ্ম্ম কৰিলে, নাৰী সঙ্গ ত্যাগ কৰিলে, ভুমিত পৰি হাঁ কৃষ্ণ, হাঁ কৃষ্ণ বুলি কান্দিবলৈ ধৰিলে। তেওঁ গঙ্গা নদীৰ তীৰলৈ ঢাপলি মেলিলে আৰু হিমৱন্ত গিৰি পালেগৈ। তাত কৃষ্ণক চিন্তি থাকোতেই চাৰি বিষ্ণুদূতে দেখা দিলেহি আৰু অজামিলে তেওঁ লোকক সেৱা জনাই প্ৰানত্যাগ কৰি পৰমগতি লাভ কৰিলে।

**(৫) যমদূতৰ লগত যমৰ কথোপ কথন আৰু কৃষ্ণ নামৰ মহিমা বৰ্নন ঃ-**

বিষ্ণুদূতৰ খেদাখাই যমদূত তিনিজন গৈ যমৰ ওচৰত সবিশেষ জনালেগৈ। যমে দূতক ক'লে — কৃষ্ণই মহেশ্বৰ, চৰাচৰ জগত তেওঁৰ অধীনত আৰু আমিও তেওঁৰে কিঙ্কৰ। তেওঁ সৃষ্টি-স্থিতি- প্ৰলয়কৰ্তা, অনাদি-অনন্ত আৰু তেওঁৰ আজ্ঞামতেহে মই পাপীক প্ৰায়শ্চিত্ত বিহো। ইন্দ্ৰ-চন্দ্ৰ-ব্ৰহ্মা-বহ্নি-শিৱ-সূৰ্য-কাল-কুবেৰ-বৰুণ-বসু, দিগ-পাল-প্ৰজাপতি আদি সকলোদেৰতাই সেই ঈশ্বৰৰ লীলা বুজিবপৰা শক্তি নাই। যাৰ হৃদয়ত পাপৰ পৰ্ব্বত আছে তেওঁ সেই ঈশ্বৰক জানিব নোৱাৰে, পূৰ্ব্ব জন্মৰ পুণ্য থাকিলেহে কৃষ্ণৰ চৰণ স্পৰ্শলৈ আহিব পাৰে। সেই চাৰিসিদ্ধ ৰূপত তেওঁৰেই আহি অজামিলক ৰক্ষা কৰিলে। তেওঁৰ পৰম পাৰিষদ সকলে মনোহৰ ৰূপধৰি কৃষ্ণৰ আদেশত ভক্তক ৰাখিফুৰে। ভকতক অপকাৰ কৰাজনক তেওঁলোকে শাস্তি বিহে।

যমে পুনৰ নামৰ মহিমাৰ বিষয়ে কৈছে- মাধৱৰ নাম অতি দুৰ্ল্লভ্য, সংসাৰ সাগৰত নাও। দেবতাৰ দ্বাৰা এই নামক গুপ্তকৰি ৰখা হ'ল — পদ্মকল্পত ব্ৰহ্মাই বিচৰাত নাৰায়নে এই নাম ব্যক্ত কৰিলে। নাম বাৰবৈষ্ণৱৰ মুখত আছিল। পূৰ্ব্বতে স্বৰ্গ-মৰ্ত্য-পাতালতো নামৰূপী মহাভাগৱত নাছিল। বৈকুণ্ঠৰ শাস্ত্ৰ মহাভাগৱত অৰ্দ্ধবয়সতহে ব্ৰহ্মাই জানিব পাৰিলে। কলিযুগৰ নৰগণৰ পাৰিত্ৰাণৰ একমাত্ৰ উপায় নামক শ্ৰৱন কীৰ্তন কৰি কৃষ্ণত ভক্তি কৰাহে একমাত্ৰ কৰ্ম্ম। কেৱল ৰামকৃষ্ণ নামে কোটি জন্মৰ পাপ হৰণ কৰিব পাৰে নাম ল'লে মনৰ বাসনা দূৰ হয়।

স্মৃতি শাস্ত্ৰৰ প্ৰায়শ্চিত্ত বিধি নামৰ ক্ষেত্ৰত অসাৰ্থক। কৰ্ম্মকাণ্ডৰ যোগে স্বৰ্গ প্ৰাপ্তি হলেও পুনৰ সংসাৰ যাতনা আহি পৰে। কৰ্ম্মক অহঙ্কাৰ-ক্ৰোধে এৰা নিদিয়ে। স্মৃতিকাৰ সকলে জানিছিল যে নামৰ তত্বভেদ কৰিব পাৰিলে সকলোৰে মোক্ষলাভ

করিব বুলি নামক গুৰুত্ব নিদি আন প্ৰায়শ্চিত্ত বিধিবে আগবঢ়ালে। অজ্ঞানীৰ বাবেহে কৰ্ম্মকাণ্ড থলে।

ৰাখিলন্ত কৰ্ম্মকাণ্ড অজ্ঞানীৰ পদে।
কৰ্ম্মীক নেৰিবে ঘোৰ সংসাৰ আপদে।।
উপজ মৰিবে মহা ভুঞ্জিয়া নিকাৰ।
কোটি কোটি কল্পে নাহি কৰ্ম্মীৰ নিস্তাৰ।। ৩৮৭।।

জন্মে জন্মে পাপৰ কৰ্ম্ম কৰিছে, পাষণ্ড হৈ নামক অবজ্ঞা কৰিছে। যিজনে ভকতি কৰে সেইজনৰ ওপৰত যমৰ অধিকাৰ নাথাকে। যি স্থানত হৰি নামৰ ধ্বনি শুনিবলৈ পোৱা নাযায় তেনে স্থানলৈ যাবলৈহে যমে দূতসকলক কৈছে। বৈষ্ণৱৰ স্থানলৈ নাযাবলৈ যমে দহাই দহাই দূতক শিক্ষা দিছে।

যমদূতে যমক সুধিছে যে সংসাৰৰ কোনবিধ পাপীৰ ওচৰলৈ যমদূত সকল গৈ তেওঁলোকক শাস্তি বিহিব। তাৰ উত্তৰত যমে ক'লে — যি সকলে কৃষ্ণক নাৰাধে, কেৱল গৃহসুখত যি সকল আসক্ত হৈ থাকে, যাৰ মুখত কৃষ্ণনাম নোলায়, বৈষ্ণৱক দেখি যি উপহাস কৰে, হৰিনাম শুনিলে কাণত ঠিলা দিয়ে তেনেবোৰ লোকক শাস্তি বিহা উচিত। যমে শেষত কৃষ্ণৰ প্ৰতি প্ৰাৰ্থনা জনালে যাতে তেওঁৰ দূতে কৰা দোষৰ বাবে তেওঁক যেন ক্ষমা কৰে।

কাহিনীত নৰক বৰ্ণনা পোলা হৈছে — এই নৰক ইহ সংসাৰতে বিদ্যমান। জীৱন্ত কালতে জীৱই পাপকৰ্ম্মৰ ফল ভোগ কৰিব লগা হয়। স্বৰ্গ আছে বুলি কল্পনা কৰা হয়, এই সংসাৰতে এচাম লোকে স্বৰ্গবাসৰ সুখ লভি আছে আৰু এচামে নৰকৰ দুখ যান্ত্ৰণা ভোগ কৰিছে। তামিশ্ৰ-অন্ধতামিশ্ৰাদি ২৮ দুখ-যান্ত্ৰণা ভোগাৰ স্থানো এই সংসাৰতে বিদ্যমান। মৃত্যুৰ আগতেই প্ৰাৰব্ধ আৰু আৰব্ধ কৰ্ম্মফল জীৱই ভুগিবলগা হয়,ভুগি ভুগি শেষ নোহোৱাখিনি মৃত্যুৰ সময়ত সূক্ষ্ম শৰীৰে বহন কৰি পৰজন্মলৈ কঢ়িয়াই নিয়ে। বৈষ্ণৱ ভক্তৰ কতো ভয় নাই, দুখো নাই. যন্ত্ৰনাও নাই, ইন্দ্ৰিয় ভোগৰ প্ৰতি লিপ্সাও নাই। ভগৱন্তৰ পদকমলত সেৱা কৰিয়েই পৰমানন্দ লাভ কৰে। অবৈষ্ণৱ অভক্তৰ প্ৰতি পদে পদে ভয় শঙ্কা-যান্ত্ৰনা-অসুখ-অশান্তিয়ে বেৰি ধৰে। পাপ কৰ্ম্ম কৰি প্ৰায়শ্চিত্ত হোৱাতকৈ পাপ কৰ্ম্ম নকৰাই শ্ৰেষ্ঠ।

**।।২।। বৃত্ৰাসুৰ বধ ঃ-**

বৃত্ৰাসুৰ বধ কাহিনীত প্ৰাসঙ্গিক কিছুমান ঘটনা সংঘটিত হৈছে আৰু এই উপকাহিনী বোৰে বৃত্ৰাসুৰ মূল কাহিনীক আগবঢ়াই নিছে। সেইবোৰ হৈছে-

(১) ইন্দ্ৰৰ দ্বাৰা বৃহস্পতিক অপমান।
(২) দৈত্যসকলৰ স্বৰ্গপুৰী অধিকাৰ আৰু দেৱগণৰ কৃষ্ণত শৰন।
(৩) বিশ্বৰূপৰ পৰা ইন্দ্ৰৰ নাৰায়ণী কবচ লাভ, বিশ্বৰূপক হত্যা।
(৪) পুত্ৰহন্তাৰ ওপৰত প্ৰতিশোধৰ বাবে ত্বষ্টাৰ যজ্ঞ আৰু বৃত্ৰাসুৰৰ উদ্ভৱ।





(৫) দেৱগণৰ কৃষ্ণ-স্তুতি আৰু দধীচিৰ মহিমা।
(৬) দেবাসুৰৰ যুদ্ধ, বৃত্ৰাসুৰ বধ।

**(১) ইন্দ্ৰৰ দ্বাৰা বৃহস্পতিক অপমান ঃ-**

স্বৰ্গৰ দেৱসকলৰ গুৰু বৃহস্পতি। কুলগুৰু হিচাবে বিভিন্ন বিপদ আপদ আৰু সঙ্কটকালত দেৱসবক ৰক্ষা কৰি আহিছে। বৃহস্পতি পৰম বৈষ্ণৱ। অম্ৰাৱতীৰ সিংহাসনত ইন্দ্ৰই বহি আছিল আৰু সেই সভাত দ্বাদশ আদিত্য, ৰুদ্ৰগন, ঋষিসকল, বিশ্বদেবগন, অশ্বিনীকুমাৰ, অষ্টবসু, বিদ্যাধৰগণ, সৰ্পগণ, পক্ষীগণ, কিন্নৰ, চাৰণ, আদি উপস্থিত আছিল। অপেশ্বৰীগণে-নৃত্যকৰিছিল, গাইছিল আৰু বিদ্যাধৰে মৃদঙ্গ বজাইছিল। শ্ৰীমদ অহঙ্কাৰত ইন্দ্ৰই আনকি মহন্ত সবকো সতকাৰ কৰিবলৈ পাহৰি গৈছিল। কুলগুৰু বৃহস্পতি উক্ত সভাত উপস্থিত হোৱাত ইন্দ্ৰই ন্যুনতম আপ্যায়নো নকৰিলে। অন্যান্য দেৱগণেও শ্ৰদ্ধা নেদেখুৱালে। বৃহস্পতিয়ে মনৰ দুখতে নিজগৃহলৈ গুচি গল। তেতিয়া ইন্দ্ৰই নিজৰ দোষ বুজিব পাৰি অনুতপ্ত হল। সকলো দেৱতাক লগত লৈ ইন্দ্ৰই বৃহস্পতিৰ গৃহলৈ গৈ চৰণত ধৰিবলৈ গল, কিন্তু বৃহস্পতিয়ে তেও লোক যোৱা গমপাই অন্তৰ্দ্ধান হ'ল। গুৰুক নাপাই ইন্দ্ৰ চিন্তিত হল আৰু এই কথা জানিব পাৰি দৈত্য সকল স্বৰ্গপুৰী অধিকাৰ কৰিবলৈ আগবাঢ়িল।

**(২) দৈত্যসকলৰ স্বৰ্গপুৰী অধিকাৰ আৰু দেৱগণৰ কৃষ্ণত শৰনঃ-**

দৈত্যগণৰ প্ৰতাপ সহিব নোৱাৰি দেৱতা সকল পৃষ্ঠভঙ্গ দিলে। দেৱসবৰ পৰামৰ্শ লবলৈ বৃহস্পতি নাই, আৰু গুৰু নোহোৱাৰ বাবে তেওঁলোকৰ শ্ৰীমদো হেৰাল। কৃষ্ণভক্ত বৃহস্পতিক অপমান কৰাৰ বাবে দেবতাৰ মহান দোষ হল। তেওঁলোকে উপায়ান্তৰ হৈ ব্ৰহ্মাৰ কাষ চাপিল আৰু ব্ৰহ্মাই দেৱগনক ত্বষ্টাৰ পুত্ৰ বিশ্বৰূপৰ ওচৰলৈ যাবলৈ কলেআৰু তেওঁক গুৰু মানি নাৰায়নৰ নাম কৱচ গ্ৰহন কৰিবলৈ কলে। দেৱগণে সেইমতে বিশ্বৰূপৰ ওচৰ পালেগৈ।

দেৱতাৰো দুখ আছে, নৰৰ তো কথাই নাই। শ্ৰীমদ অৰ্থাৎ ঐশ্বৰ্য্য-বিভূতি, সৌন্দৰ্য্য, সুখ-সম্পদ, মান-মৰ্য্যদা-আত্মম্ভৰিতাত মত্ত হৈ লোকে-হিতা-হিত জ্ঞান হেৰোৱাই পেলায় আৰু সন্ত-মহন্ত-ঈশ্বৰ-গুৰু সকলোকে অবজ্ঞা কৰি নিজলৈ বিপদমাতি আনে সংসাৰীলোকে। গুৰু ভক্তৰ প্ৰতি যেতিয়া শ্ৰাদ্ধা কমিব, তেতিয়াই জীৱনলৈ বিপৰ্যয় নামি আহিব। দেৱ সবৰো গুৰু অবমাননাৰ বাবে বিপৰ্য্যয় আহিল। বৃহস্পতিক অপমান কৰাৰ লগেলগে-দৈত্যগনে স্বৰ্গৰাজ্য অধিকাৰ কৰিলে আৰু দেবসবৰ বলবীৰ্য্য কমি গ'ল। কু-কৰ্ম্ম কৰি অনুতপ্ত হলে অৱশ্যে উদ্ধাৰৰ উপায় উদ্ভাবন হয়। ব্ৰহ্মাই দেবগনক বৃহস্পতিৰ পৰিবৰ্তে বিশ্বৰূপক গুৰু মানি নাৰায়নী কৱচ লাভ কৰি কৃষ্ণক শৰণ লবলৈ পৰামৰ্শ দিলে। বিনা গুৰু চৰণে যে ভক্তি কৰিব নোৱাৰি তাৰো প্ৰমান ব্ৰহ্মাৰ উপদেশতে বিদ্যমান।

**(৩) বিশ্বৰূপৰ পৰা ইন্দ্ৰৰ নাৰায়নী কৱচ লাভঃ বিশ্বৰূপক হত্যা ঃ-**

দেবগন গৈ বিশ্বৰূপক লগধৰাত বিশ্বৰূপে সতকাৰ কৰিলে দেৱগনে বিশ্বৰূপক পুত্ৰৰূপে প্ৰাৰ্থনা জনালে-

ব্ৰহ্মাৰূপে গুৰু পিতৃৰূপে প্ৰজাপতি।
ইন্দ্ৰমূৰ্ত্তি ভাতৃ মাতৃৰূপে বসুমতী।।
দায়াৰূপে ভগিনী অতিথিৰূপে ধৰ্ম্ম।
অভ্যাগত ৰূপে অগ্নি জানা তুমি মৰ্ম্ম।। ৬৮
বিশ্বমূৰ্তি স্বৰূপ সমস্তে ভূতপ্ৰানী।
এতেকে অমাক দায়া কৰা হেন জানি।। ৬৯

ব্ৰহ্মাগুৰু, পিতৃপ্ৰজাপতি, ইন্দ্ৰভাতৃ, বসুমতীমাতৃ, ভগিনীদায়া, ধৰ্ম্ম অতিথি সেৱা, অগ্নি অভ্যাগত, সমস্ত প্ৰানী বিশ্বমূৰ্ত্তি-এই জ্ঞানেৰে বিশ্বৰূপে দেবসবক সহায় কৰিবলৈ দেৱগনে বিশ্বৰূপক প্ৰাৰ্থনা কৰি গুৰু বৰন কৰিলে।
বয়সত সৰু হলেও মন্ত্ৰত সৰু-ডাঙৰবুলি বাধা নাই, কৃষ্ণ ভক্ত জন কম বয়সৰ হলেও সেৱাৰ যোগ্য।

কনিষ্ঠতো অভ্যাসিব কৃষ্ণৰ ভকতি।
তৰিব দুৰ্গতি ইটো শাস্ত্ৰৰ যুগুতি।। ৯২

বিশ্বৰূপে দেবসৱৰ পৰা কোনো বস্তু আশা নকৰি কলে যে যজমানহে তেওঁ কাম কৰিব । কাৰন নিকিঞ্চজনে কৃষ্ণ মহাধনহে বিচাৰে। গৃহস্থই খেতিত এৰি অহাধান বুটলি আনি তাক অন্নকৰি মাধবত নিবেদন কৰিলেহে কৃষ্ণ সন্তোষ্ট হয়। বিশ্বৰূপে দেৱগনক প্ৰতিশ্ৰুতি প্ৰদান কৰিলে। যি শুক্ৰৰ বিদ্যায়ে অসুৰক ৰক্ষা কৰি আহিছে, সেই নাৰায়নী কৱচ বিশ্বৰূপে ইন্দ্ৰক দিলে। এই কৱচ বলেৰে ইন্দ্ৰই ত্ৰৈলোক্যৰ লক্ষ্মীক লাভ কৰিলে।

**নাৰায়নী কৱচৰ তত্ব ঃ-**

ইন্দ্ৰৰ প্ৰশ্নত বিশ্বৰূপে নাৰায়নী কৱচৰ তত্ব ব্যাখ্যা কৰিলে। এই মন্ত্ৰ পৰম ৰহস্যেৰে ভৰা, সঙ্কট সময়ত মাধৱক স্মৰন কৰি ভক্তিভাবে ধৰিব লাগে।

হে জগনিবাস, তুমি গৰুড়ত উঠি শঙ্খ-চক্ৰ-চৰ্ম্ম-খড়গ-গদা-বান-পাশ-ধনু অষ্টভুজত ধৰি মোক সৰ্ব্বদিশত ৰক্ষা কৰিবা। হে, হৰি, জলত মৎস্যৰূপ ধৰি বৰুনৰ দূত, অসুৰৰ পৰা ৰক্ষা কৰিবা। স্থলত ত্ৰিবিক্ৰম (বামন) ৰূপে, আকাশত বিশ্বৰূপে, অৰন্যত নৰসিংহে, পথ্ঞ বৰাহ ৰূপে, শঙ্কৰে নৰৰূপে, কৰ্ম্মবন্ধনত কপিলে, কৰ্ম্মত সনতকুমাৰে ৰক্ষা কৰক।

ভগৱন্তৰ ভয়ত অন্যদেবেও ৰক্ষা কৰিব। কৃষ্ণ পূজা চিত্তত-নাৰদ, সদাশিৱই নৰকৰ পৰা ৰক্ষা কৰক, অপথ্য ভক্ষনত ধন্বন্তৰিয়ে, ক্ষুধা-তৃষ্ণা-লোভ-মোহ-শীত-উষ্ণত ঋষভে, পাষণ্ডৰ বিবাদত বুধে, কলিৰ পাপত কল্কীয়ে, লোককলঙ্কত যজ্ঞে, দুৰ্গতি কালত বলভদ্ৰে, সৰ্পৰ বিষত অনন্তই, অজ্ঞানতাত ব্যাসে, পুৱাত মধুৰিপুয়ে, সায়াহ্নে-মাধৱে, সন্ধ্যাকালে হৃষিকেশে, অৰ্দ্ধৰাত্ৰিত পদ্মনাভে, পাছৰাত্ৰি- শ্ৰীবৎসলাঞ্চনে, প্ৰভাতে খড়গ ধৰি নাৰায়নে, প্ৰভাত-সন্ধ্যাত দামোদৰে ৰক্ষা কৰক।

ভগবন্তৰ চক্ৰই তেওঁৰ আদেশত অনবৰতে ঘূৰি ফুৰি শত্ৰু সেনাগনক বিনাশ কৰে। তেওঁৰ কৌমুদকী গদাই ৰক্ষা কৰক। পাঞ্চজন্য শঙ্খৰ নিনাদে শত্ৰু গনৰ হৃদয়ত, প্ৰেত পিশাচক ৰাক্ষস গনক খেদাওক। কৃষ্ণ নামোচ্ছাৰনে-শনি, ৰাহু, কেতু সৰ্প-সিংহ-ভয়, দূৰ কৰক। বেদময় গৰুড়ে সমস্ত দুখত উদ্ধাৰ কৰক। মই কৃষ্ণত একান্তে শৰন পশিলো, মোৰ প্ৰান-বুদ্ধি-মন ইন্দ্ৰিয় গনক শ্ৰীকৃষ্ণ নাম অস্ত্ৰেৰে কৃষ্ণতে ৰাখব। ঈশ্বৰেই সকলো প্ৰানীতে স্থুল-সুক্ষ্মৰূপে বিৰাজ কৰি আছে, নিৰ্ব্বিকল্প হলেও অস্ত্ৰ আদি ৰূপ পৰিগ্ৰহ কৰি আছে। মোক সৰ্ব্বদিশৰ পৰা অস্ত্ৰধৰি ৰক্ষা কৰক। নৰসিংহৰ নখেৰে মোৰ ৰিপু সমূহক বিদাৰন কৰক।

বিশ্বৰূপে এই কৱচকে ইন্দ্ৰক প্ৰদান কৰি কয় যে এই দুৰ্জ্জয় কৱচে দৈত্যক জিনিব পাৰিব। এই কবচৰ দ্বাৰা ৰাজভয়, গ্ৰহভয়, শত্ৰুভয়, আধিব্যাধি, বিঘ্নি আদিক দূৰ কৰিব পাৰে। কৌশিক নামৰ মুনিয়ে এই বিদ্যাৰ বলত টট ভূমিত (অসাৰুৱা মাটি) প্ৰানত্যাগ কৰিলে। চিত্ৰৰথ গন্ধৰ্ব্বই অপেস্বৰা সকলক ৰথত লৈ এই ভূমিৰ ওপৰেদি পাৰ হওঁতে পূন্যক্ষয়হৈ ঢলি পৰিল। বৈষ্ণৱৰ অস্থিৰ উপৰে যোৱাৰ বাবে এনে হ'ল বুলি বাল্যখিল্যই কলে। অস্থি সমূহ সৰস্বতী নদীত পেলোৱাত তেওঁ ৰথত উঠি স্বৰ্গলৈ যাব পাৰিলে।

নাৰায়ন কবচৰ দ্বাৰা ইন্দ্ৰই দৈত্যক জয় কৰি ত্ৰৈলোক্যৰ লক্ষ্মীক লাভ কৰে বিশ্বৰূপক গুৰুমানি যজ্ঞভাগ দিলে। বিশ্বৰূপৰ তিনিটা শিৰ আৰু তিনিখন মুখ। এখন মুখে-অমৃতপান, এখনে সুৰাপান আৰু আনখনে অন্নভোজন কৰে। যজ্ঞৰ ভাগ দেবতা আৰু দৈত্যগনক খাবলৈ দিয়ে। মাধৱৰ প্ৰসাদ অভক্ত দৈত্যক দিয়াৰ বাবে বিশ্বৰূপৰ আয়ুস ক্ৰমে টুতি আহিল। হৰিত ভক্তি হীন হোৱা আৰু ব্যভিচাৰ ভকতিৰ বাবে ইন্দ্ৰই বিশ্বৰূপক খড়গ তুলি বধ কৰিলে। এটা শিৰৰ পৰা কপিঞ্জল পক্ষী, এটাৰ পৰা কলঙ্কি পক্ষী আৰু আনটোৰ পৰা তিত্তিৰীয় পক্ষীৰ পাপ চাৰিভাগ কৰি-স্ত্ৰী, জল, পৃথিৱী আৰু বৃক্ষক দিলে।

(১) স্ত্ৰীয়ে ইন্দ্ৰৰ পাপৰ ভাগ লৈ বৰললে যাতে সততে তেওঁলোকৰ কাম নুগুছে আৰু সেইবাবে মাহে মাহে নাৰীৰ ৰজো ৰূপে দেখা দিয়ে।
(২) জলে পাপৰ ভাগলোৱাৰ বাবে বৰললে যাতে সদা বৃদ্ধি হয়, অৰ্থাৎ গেৰুফেন সৃষ্টি হয়। গতিকে স্নান কৰিবলৈ অনা পানী গেৰুফেন দূৰ কৰিহে আনিব লাগে।
(৩) পৃথিৱীয়ে পাপৰ ভাগ লয় আৰু গাওঁবোৰ পূৰ হবলৈ ভৰ পায়। সেইবাবে উখৰা মাটিত শস্য নগজে, তপ-জপ-দান তেনেস্থানত সিদ্ধি নহয়।
(৪) বৃক্ষ পাপ লেৱাৰ বিপৰিতে কাটিলেও পোখা গজাৰ বৰ পায়।ব্যভিচাৰ ভকতিত

কৃষ্ণক নাপায়। কপট বৈষ্ণৱ আচাৰ প্ৰদৰ্শন কৰে, কিন্তু গোপ্য কৰি অন্য দেৱক পূজে। তেওঁলোকে ৰাতি বেশ্যাৰ লগত সহবাস কৰে পঞ্চমকাৰ সেৱন কৰে, মানহক কুমন্ত্ৰনা দিয়ে।

ৰাত্ৰি গৈলে বেশ্যাৰ গৃহত লৱে বাস।
মদ্য মাংস মৎস্যে সমে কৰে মহাগ্ৰাস।।
আনো সব মনুষ্যক দেই কুমন্ত্ৰক।
এহিমতে ধূৰ্ত্ত সবে বঞ্চে জগতক।। ১৪৮।।

সেইবাবে কপট বৈষ্ণৱ সঙ্গ এৰি কৃষ্ণত হে শৰন লৈ ভক্তি কৰিব লাগে। বিশ্বৰূপে নাৰায়নী কৱচ জনা সত্বেও কপটতাৰ বাবে বা ব্যভিচাৰ ভকতিৰ বাবে নিজে অধোগতি যায়। বিদ্যাৱন্ত, জ্ঞানীলোকে, ধাৰ্ম্মিকলোকে, সকলো জানি শুনিও অধাৰ্ম্মিক কৰ্ম্ম আচৰন কৰি নিজৰ বিদ্যা জ্ঞান ধৰ্ম্মক কবৰ দিয়ে। সংসাৰীলোকে এনে মহান আদৰ্শ ৰাজিক ব্যক্তিগত তথা সমাজ জীৱনত ৰূপায়নৰ বাবে দৃঢ় প্ৰতিজ্ঞ হ'ব লাগে।

(৪) **পুত্ৰহন্তাৰ ওপৰত প্ৰতি শোধৰ বাবে ত্বষ্টাৰ যজ্ঞ আৰু বৃত্ৰাসুৰৰ উদ্ভৱ** ঃ-

ব্ৰহ্মাৰ নন্দন আৰা বিশ্বৰূপৰ পিতৃ ত্বষ্টাই পুত্ৰ বধৰ প্ৰতিশোধ লবলৈ যজ্ঞ কৰি অভিচাৰ মন্ত্ৰ আহুতি দিলে আৰু উদাত্তস্বৰ উচ্ছাৰন কৰিলে। প্ৰমাদৰ বাবে স্বৰবৰ্ন মন্ত্ৰ হীনবল হে অৰ্থান্তৰ ঘটিল। ত্বষ্টাৰ মন্ত্ৰৰ ভুলৰ বাবেই ইন্দ্ৰে বৃত্ৰাসুৰক বধকৰাৰ সুৰুঙা থাকিল। হোমৰ অগ্নিৰ পৰা ভয়ঙ্কৰ মূৰ্ত্তি ধৰি হাতত অগ্নিসম ত্ৰিশূল লৈ বৃত্ৰাসুৰ উদ্ভৱ হল। দেবগনে বৃত্ৰাসুৰক বেৰি ধৰি শৰপ্ৰহাৰ কৰিলে কিন্তু বৃত্ৰাসুৰে সকলো দিব্যঅস্ত্ৰ গিলি পেলালে আৰু দেৱগনে পলাই পটং দিলে। বৃত্ৰ সমুদ্ৰত পৰি ককবকাই দেবসবে বিপদ কালত কৃষ্ণ বিনে উদ্ধাৰ কৰোতা নাই বুলি তেওঁক স্তুতি কৰিবলৈ ধৰিলে।

(৫) **দেৱগনৰ কৃষ্ণ স্তুতি আৰু দধীচিৰ মহিমাঃ-**

কোটি কোটি জন্ম উপজি উপজি
কিঙ্কৰ হৈবো তোমাৰ।।
তুমি পিতা-মাতা তুমি প্ৰানদাতা
তুমিসি পৰম দেৱ।। ১৭২
তুমিসে আমাৰ দুগৰ্তি তৰাইবা
সাৰ কৰিছো মনে।। ১৭২

ভগৱন্ত কৃষ্ণই মধুৰ মূৰুতি ধৰি আবিৰ্ভাৰ হ'ল আৰু দেবসৱে চৰনত পৰি নমস্কাৰ জনালে আৰু নানভাৱে স্তুতি মিনতি কৰি কলে-

হে দণ্ডধৰ ইয়ো বাৰ হৰ
বৃত্ৰ ভৈল মহাচণ্ড।
আমাক ৰাখিতে যেবে আছে চিত্ত



কৰিয়োক তাক-দণ্ড।। ১৯৯

কৃষ্ণই দেৱগনৰ স্তুতিত সন্তোষ লাভ কৰি কলে যে যি তেওঁক ভক্তি কৰে তেওঁৰ কোনো বস্তুৰ দুৰ্ল্লভ্য হ'ব নোৱাৰে-

মই তুষ্ট ভৈলে কি দুৰ্ল্লভ আছে আৰ।
যেহিমত বাঞ্ছা কৰে সেহি হৰে তাৰ।।
একান্ত ভকতে তভো কিছু নাবাঞ্চয়।
মোৰ গুন নাম গায়া মোকেসে চিন্তয়।। ২১১

সকামে কৃষ্ণক ভক্তি কৰিলে ইষ্টলাভ হয়, কিন্তু নিষ্কামে ভজিলেহে কৃষ্ণৰ পৰম কৃপা লাভ কৰে। কৃষ্ণই কলে যে বৃত্ৰাসুৰক বধাৰ শক্তি কাৰো নাই, কিন্তু দধীচিৰ দেহ ভিক্ষা কৰিবলৈ উপদেশ দিলে। ঈশ্বৰে দধীচিৰ মহিমাৰ কথা ইন্দ্ৰক কলে যে দধীচি পৰম বৈষ্ণৱ, ভক্তি পৰায়ন, সত্যৱন্ত, দাতাৱন্ত, তপোধন, উত্তম বিদ্যাৰ অধিকাৰী। দধীচিৰ সম্পৰ্কত দেৱগনক কৃষ্ণই কলে-

এদিন সূৰ্য্যৰ পুত্ৰ অশ্বিনী কুমাৰ দুয়ে- দধীচিৰ আশ্ৰমলৈ গৈছিল আৰু মুনিৰ পৰা অমৰ বিদ্যা বিচাৰিলে। কৃষ্ণ-কৰ্ম্মতৰত থকা মুনিয়ে দুয়োকে গৃহলৈ যাবলৈ কলে আৰু পাচত থিৰ চিতেৰে শোভ কাৰ্য্য কৰিব বুলি কলে। ইন্দ্ৰই এই কথা গম পাই কুমাৰ দ্বয়ক এই বিদ্যা নিদিবলৈ কলে আৰু দিলে মুনিৰ শিৰচ্ছেদ কৰিব বুলি কলে। কুমাৰ দ্বয় দুনাই অহাত ইন্দ্ৰই কোৱা কথা কলে। দিলে ইন্দ্ৰই কাটিব, নিদিলে সত্য বাক্য লঙঘন হব। দুয়োটাকে ৰক্ষা কৰিবলৈ কুমাৰ দ্বয়ে বুদ্ধি দিলে। প্ৰথমতে কুমাদ্বয়ে মুনৰি আচল মূৰ খোৱাই দিব আৰু এই বিদ্যাই দক্ষিনা হব। এই দৰেই কাম সমাধা হল। দধীচিৰ মহিমা-ইমান বেছি যে সত্য ৰক্ষা কৰিবলৈ গৈ নিজৰ শিৰকে ত্যাগ কৰিছিল।

মানুহৰ জীৱনলৈও কেতিয়াবা ধৰ্ম্ম-সঙ্কট নামি আহে। সত্যই ভগৱান আৰু সত্যত থকা জনক ভগৱানে উভয় সঙ্কটত উপায় দিয়ে। যি দেহজ্ঞানক তুচ্ছ বুলি লব পাৰে আৰু আত্মদান দিবলৈ কুণ্ঠাবোধ নকৰে তেনে লোকক দুয়ো দিশৰ পৰা ভগৱানে উদ্ধাৰ কৰে। দধীচিৰ জীৱনৰ আদৰ্শেৰে অনুপ্ৰানিত হব পাৰিলে মহান হব পাৰি। অশ্বত্থামাৰ শিৰচ্ছেদ কৰিম বুলি কৰা অৰ্জ্জুনৰ প্ৰতিজ্ঞাকো কৃষ্ণই চূড়ামনি কটাৰ যোগেদি সমাধান কৰিলে।

দেবসবে দধীচিৰ আশ্ৰমত প্ৰবেশ কৰিলে। কৃষ্ণই কোৱামতে দধীচিৰ অস্থি শিৰত তুলি আনি বিশ্বকৰ্ম্মাৰ দ্বাৰা বজ্ৰনিৰ্ম্মান কৰি বৃত্ৰাসুৰক বধ কৰিবলৈ সংকল্প কৰি মুনিক দেহদানৰ প্ৰস্তাব আগবঢ়ালে। প্ৰথম অৱস্থাত দধীচিয়ে দেহদান কৰাৰ বিপক্ষে যুক্তি প্ৰদৰ্শন কৰে। দেৱগনে জানো পৰৰ কাৰনে দেহদান কৰিব পাৰিব বুলি মুনিয়ে প্ৰশ্ন কৰে। দেৱগনে পৰম বৈষ্ণৱ ভক্ত মুনিক কলে পৰৰ দুখক পৰজনে জানিব নোৱাৰে, পৰক মাৰি নিজ স্বাৰ্থ সিদ্ধি কৰা অৱশ্যে অনুচিত। অজ্ঞান জনে পৰক মাৰে, কিন্তু পৰমজ্ঞানী মহন্ত জনে আনৰ বাবে প্ৰনকো দিব পাৰে। দেৱগনৰ মুখে এনে সত্যবানী

শুনিবৰ বাবেহে মুনিয়ে প্ৰশ্ন কৰিছিল। দধীচিয়ে সন্তোষ হৈ অনিত্য শৰীৰ দান দিবলৈ প্ৰস্তুত হ'ল। কৃষ্ণৰ সেৱাৰ বাবে কৃষ্ণ-ভক্তই দেহদান কৰিবলৈ কুণ্ঠাবোধ নকৰে। পৰমাত্মা মাধবক হৃদয়ত থাপি তেওঁ দেহত্যাগ কৰিলে আৰু মাধবৰ ৰূপ ধৰি বৈকুণ্ঠলৈ গমন কৰিলে।

বিষ্ণু তেজ দি বিশ্বকৰ্ম্মাই বজ্ৰ তৈয়াৰ কৰিলে। ইন্দ্ৰই দেৱগনক লৈ যুদ্ধযাত্ৰা কৰি দৈতৰ সমীপ পালেগৈ আৰু দেবাসুৰৰ যুদ্ধ আৰম্ভ হল।

(৬) **দেবাসুৰৰ যুদ্ধ আৰু বৃত্ৰাসুৰ বধঃ-**

সত্যযুগৰ সামৰনি আৰু ত্ৰেতাযুগৰ প্ৰাৰম্ভত নৰ্ম্মদা নদীৰ পাৰত দেবাসুৰৰ সমৰ হল। দেবসবৰ পক্ষত একাদশৰুদ্ৰ, অষ্টবসু, অশ্বিনী কুমাৰদ্বয়, দ্বাদশ আদিত্য, উনপঞ্চাশত অগ্নি আৰু বায়ু, সিদ্ধগন, বিশ্বদেব, পিতৃগন সমবেত হল। দৈত্যগনে দেবগনক ঘোৰ আক্ৰমন কৰিলে। দেবগনে কৃষ্ণক স্মৰন কৰি যুদ্ধত ব্ৰতী হ'ল। দেবগনৰ অমিত প্ৰতাপ সহ্যকৰিব নোৱাৰি দৈত্যগন পৃষ্ঠভঙ্গ দিয়াত বৃত্ৰাসুৰে আগবাঢ়ি আহি দেৱগনক ঘোৰ আক্ৰমন কৰিলে। বৃত্ৰৰ প্ৰহাৰত ঐৰাৱৎ মৃতপ্ৰায় হল আৰু ইন্দ্ৰ লুটিখাই পৰিল। বৃত্ৰাসুৰে ককায়েক বিশ্বৰূপক বধকৰাৰ বাবে ইন্দ্ৰক নানাধৰনে ভৎসনা কৰিলে। গুৰুবধী, ব্ৰহ্মবধী, মহাপাপী বুলি বৃত্ৰই গালি পাৰিলে। ইন্দ্ৰই তাৰ উত্তৰত বিশ্বৰূপক ব্যভিচাৰী বৈষ্ণৱ বুলি কলে আৰু ব্ৰহ্মাধবৰ বাবে ব্ৰত কৰি শুদ্ধ হলো বুলি কলে। বৃত্ৰই ইন্দ্ৰক কলে যে এজন ব্ৰাহ্মনক মাৰিহে বজ্ৰ তৈয়াৰ কৰি আনিছে। বৃত্ৰই বীৰৰ দৰে মৃত্যুক জয় কৰিব। কৃষ্ণ তেজেৰে তৈয়াৰী বজ্ৰাঘাটত মৰিব পাৰিলে বৃত্ৰই সন্তোষহে লভিব বুলি কলে আৰু মৃত্যুলৈ তেওঁ ভয় কৰা নাই বুলি কলে। ভগৱন্তৰ অনন্ত মহিমা বৰ্ননা কৰি ভক্তিৰে তেওঁক লাভ কৰাহে আচল কৰ্ম্ম বুলি বৃত্ৰাসুৰে কৈছে-

"গুচোক সংকাৰ বন্ধ লভিবো পৰমানন্দ
কৃষ্ণৰ ভকতি মহাৰস।
সকলে বেদৰ সাৰ যাত পৰে নাহি আৰ
হেনসে কৃষ্ণৰ গুণ যশ।। ৩১৬।।

বৃত্ৰাসুৰে ইন্দ্ৰক কৃষ্ণৰ প্ৰতি থকা ভক্তি ব্যক্ত কৰি কৃষ্ণক স্তুতি কৰিবলৈ ধৰিলে। "হে কৃষ্ণ, মই পাপী, মোক উদ্ধাৰ কৰা, তোমাৰ চৰনত মোৰ যেন ভকতি হয়। তুমি মোৰ পিতা, মাতা, পৰম গুৰু ভকতৰ কল্পতৰু।

"তযু সেৱা বিনে মোহোৰ শৰীৰে
নকৰোক আনধৰ্ম্ম।" ৩২১।।
"সংসাৰ চক্ৰত নিজকৰ্ম্মগতি
উপজোহো যথা তথা।
তযু ভকতেসে মোহোৰ সহৃদ
হৈবেক প্ৰভু সৰ্ব্বথা।।" ৩২২।।



নানা কাৰন্য ভাৱে, ভক্তিভৰা স্তুতিৰে, বৃত্ৰাসুৰে ভগৱাক প্ৰৰ্থনা জনাই মৃত্যুকেই' শ্ৰেষ্ঠমানি মাধৱত প্ৰান স্থাপন কৰিলে।

"বিজয়ত কৰিয়া মৃত্যুকে শ্ৰেষ্ঠ মানি।
মাধবক কৰিলা কাৰুন্য স্তুতিবাণী।।" ৩৩৯

বৃত্ৰৰ শূলৰ প্ৰহাৰত ইন্দ্ৰ অচেতন হ'ল আৰু চেতনা পাই বজ্ৰেৰে শূল নিবাৰন কৰি বৃত্ৰৰ সোঁবাহু ছেদ কৰিলে। বৃত্ৰই বাওঁ হাতেৰে পৰিঘে ইন্দ্ৰক আক্ৰমন কৰাত ইন্দ্ৰ পুনৰ মূৰ্চ্চিত হয় আৰু হাতৰ বজ্ৰ দূৰৈত পৰেগৈ। ধৰ্ম্মীষ্ঠ বৃত্ৰই ইন্দ্ৰক নবধি বজ্ৰ তুলি লবলৈহে কয় আৰু পৰাজয় হোৱাত প্ৰেৰনা যোগাই কয়-

"ত্ৰৈলোক্য মধাত যত আছে বীৰচয়।
সৰ্ব্বকালে নভৈলকাহাৰ ৰনজয়।।
ত্ৰৈলোক্য ঈশ্বৰ একে মাধৱত বিনে।
সৰ্ব্বকালে ৰন জিনি আছে কোনজনে।। " ৩৫১।।

কৃষ্ণই সকলোৰে প্ৰান-তেজ-বল-বুদ্ধি-মৃত্যু-অমৃত্যু, এনে ঈশ্বৰক অজ্ঞজনে নাজানে, জড়বুদ্ধি কৰি 'মই' বুলি মানে। সকলোবোৰ ঈশ্বৰৰ খেলামাত্ৰ, জয়-পৰাজয়, কীৰ্ত্তি-অকীৰ্ত্তি, সুখ-দুখ,লাভালাভ- সকলোকে সম কৰি লব পৰাজনেই মহান পুৰুষ।

"জয় পৰাজয় ইটো নুহিকে শাশ্বত।।"
হাৰিয়া জিনয়কতো জিনিয়া হাৰয়।" ৩৫৯।।

বৃত্ৰৰ কথা বোৰ শুনি ইন্দ্ৰই প্ৰশংসা কৰিলে।

"নুহিকা দানব তই দেবতো অধিক।"
অসুৰ স্বভাৱ তেজি কৃষ্ণক ভজিলি।"
বৈষ্ণৱৰ মাজে তই ভৈলি একজন।।" ৩৬৪

দুই কৃষ্ণ ভক্তৰ মাজত পুনৰ মহাসংগ্ৰাম মিলিল। বৃত্ৰই পুনৰ পৰিঘ প্ৰহাৰ কৰাত ইন্দ্ৰই বজ্ৰেৰে পৰিঘ নিবাৰন কৰি বৃত্ৰৰ বাওঁবাহু ছেদ কৰিলে। বৃত্ৰই ইন্দ্ৰক গিলি পেলালে। তেতিয়া দেব সিদ্ধগনে কৃষ্ণক কস্তুতি কৰিবলৈ ধৰিলে।

"কৃষ্ণেসে ৰাখন্ত মহা দুৰ্গতিৰ বেলা।।" ৪০১

আনৰ ভাৰ্য্যাক আনে লৈ যায়, আনৰ ধনক আনে বহি খায়, অৰ্থ হলে ভয় হয়, কৃষ্ণ ধন অক্ষয়-অব্যয়। কৃষ্ণক অনেক ভাৱে স্তুতি কৰাত কৃষ্ণৰ কৃপাত ইন্দ্ৰই বৃত্ৰাসুৰৰ পেট ফালি নিৰ্গত হল আৰু মাধৱক মাটি বৃত্ৰাসুৰক বজ্ৰ প্ৰহাৰ কৰাত বৃত্ৰৰ ডিঙি বজ্ৰে কাটিবলৈ ধৰিলে। এবচৰ কাল কটাৰ পিচত বৃত্ৰৰ শিৰচ্ছেদ হয়। ৰাম-কৃষ্ণ বুলি বৃত্ৰই প্ৰান এৰিলে আৰু পৰম মুক্তি লভিলে।

কাহিনীত উল্লেখিত বিশ্বৰূপ মহাজ্ঞানী হলেও কপট ভক্তি কৰাৰ বাবে আৰু অমৃতময় বস্তু কৃষ্ণ বিদ্বেষীক দিয়াৰ বাবে মৃত্যু হবলগীয়া হয়, বৃহস্পতিক অৰ্থাৎ গুৰুক অবমাননা কৰাৰ বাবে ইন্দ্ৰাদি দেৱগনৰ শ্ৰীহানি হয়। ইন্দ্ৰই বিশ্বৰূপক বধ কৰি মহাভুল

কৰে আৰু ব্ৰহ্মধবৰ দোষত পৰে। ত্বষ্টামুনিয়ে প্ৰতিশোধৰ  ভাব ৰাখি যজ্ঞত মন্ত্ৰেৰে আহুতি প্ৰদান কৰি বৃত্ৰাসুৰক উদ্ভৱ কৰিলে যদিও মন্ত্ৰত প্ৰতিশোধৰ ভাৱ থকাত বৃত্ৰৰ মৃত্যু সুনিশ্চিত হল। বৃত্ৰাসুৰ দেৱ বিৰোধী যদিও কৃষ্ণ-ভক্তি পৰায়ন হোৱাৰ বাবে পৰম মুক্তি লাভ কৰিলে। দধীচি মুনি ত্যাগৰ প্ৰতীক। ভগৱন্তৰ সংকল্পৰক্ষাৰ বাবে নিজৰ দেহকো দান কৰিব পাৰিছিল। অৱশ্যে দধীচিৰ প্ৰানৰ বিনিময়ত নিজৰ সুখ বাঞ্চা কৰটো স্বাৰ্থপৰতা।

**(৩) চিত্ৰকেতু (বৃত্ৰসুৰৰ পূৰ্ব্বজন্ম)**

**বৃত্ৰসুৰৰ পূৰ্ব্বজন্মৰ বৃত্তান্ত, চিত্ৰকেতুৰ কথা ঃ-**

বৃত্ৰাসুৰৰ কৃষ্ণত ভকতি হোৱাৰ মূল পূৰ্ব্বজন্মৰ প্ৰাৰব্ধ কৰ্ম্মফল। পূৰ্ব্বজন্মত বৃত্ৰসুৰ আছিল চিত্ৰকেতু। বৃত্ৰাসুৰে ৰজঃতমঃ গুনত থাকি, কাম-ক্ৰোধ-লোভ-মোহ-হিংসাদি কুপ্ৰবৃত্তিত থাকি কেনেকৈ কৃষ্ণত ভক্তি থাকিল-এই কথা পৰীক্ষিতে শুকৰ পৰা জানিব বিচৰাত শুকে কলে-পৃথিৱীত যিমান ধূলি আছে সিমান পৰিমানৰ প্ৰানী সংসাৰত আছে। তাৰ ভিতৰত কিছুমান শিষ্টলোক আৰু শ্ৰেষ্ঠলোক আছে, তেওঁলোকে মুক্তি লাভৰ বাবে কাম্য কৰ্ম্ম ত্যাগ কৰে। এশ হাজাৰৰ মাজত দেহাদিৰ সঙ্গত নপৰাকৈ এজন মান হে বাচে, আৰু তেঁৰে তত্ব জ্ঞান লাভ কৰি সিদ্ধ হয়। যোগসিদ্ধ তত্ব-জ্ঞানীৰ এককোটিৰ মাজত কেতিয়াবাহে এজনমান হৰিভক্ত হয়। এনে দুৰ্ল্লভ হৰিভকতি বৃত্ৰই লাভ কৰিলে।

বৃত্ৰ পূৰ্ব্বত পৰমভক্ত আছিল, কিন্তু দুৰ্গাৰ শাপত হে অসুৰ জন্ম পালে। সুৰসেন দেশত চিত্ৰকেতু এজন ৰজা আছিল। তেওঁৰ ভাৰ্য্যা একশত লক্ষ। তেওঁলোক অপুত্ৰক আছিল। পুত্ৰলাভৰ কাৰনে নানা যাগ-যজ্ঞ কৰিলে। অপুত্ৰক হোৱাৰ বাবে দেৱতাই যজ্ঞভাগ নলয়। এদিন ব্ৰহ্মাৰ পুত্ৰ অঙ্গিৰা ঋষি ৰজাৰ ওচৰত উপনীত হল। চিত্ৰকেতুৱে যথাযোগ্যে সন্মান জনাই মনৰ বাঞ্চাৰ কথা কলে। মুনিয়ে ভাবিলে কৃষ্ণক নভজি ৰজাই পুত্ৰকহে বিচাৰে। এওঁ গীতা-ভাগৱত শাস্ত্ৰ নপঢ়ে, গতিকে ভকতি হব নোৱাৰে, হয়তো ৰজায়ে বৈষ্ণৱ পুত্ৰৰ পৰিবৰ্তে অবৈষ্ণৱ পুত্ৰহে বিচাৰিব। এনে পুত্ৰই স্বৰ্গৰ পৰিবৰ্তে নৰকত হে ৰজাক পেলাব।

"শূকৰ কুকুৰে বহু পুত্ৰক জন্মায়।
তেঁৰে কি কাৰনে মুকুতিক নপাৱয়।।
বিশিষ্ট পুন্যেসে পায় বৈষ্ণৱ পুত্ৰক।
এতেকে ভজিবে লাগে কৃষ্ণক মাত্ৰক।।" ৪৮৫

কৃষ্ণৰ অনুগ্ৰহ হলেহে পুত্ৰাদি সমস্তকেলাভ কৰিব পাৰে।

"কৃষ্ণ তুষ্ট ভৈলে পুত্ৰ জানা উপজয়।"
"কৃষ্ণত বিমুখে সুখ নাহি একো ঠাই।" ৪৮৬

এনেবোৰ তত্ব চিন্তি অঙ্গিৰাই ভাবিলে যে ৰজাক তত্ব জ্ঞানোপদেশ দি লাভ



নাই, তেওঁ বিচৰামতে এটি পুত্ৰদি বৈৰাগ্য আনিব লাগিব। ইসাকে ভাবিমুনিয়ে পৰমান্নচৰু শ্ৰবি পৰমান্ন ৰজাক দি প্ৰথমা ভাৰ্য্যাক খুৱাবলৈ কলে। তেওঁৰ গৰ্ভত এটি পুত্ৰ জন্ম হব আৰু ৰজাক হৰ্ষ-বিষাদ দুয়োটাকে দিব বুলি আঙ্গিৰাই কলে।

ৰজাই পৰমাআনন্দ মনেৰে পত্নী কৃতদ্যুতিক পৰমান্ন খুৱালে। এটি সুন্দৰ পুত্ৰ জন্ম হোৱাত ৰজাৰ মহানন্দ হল আৰু মহাসমাৰোহেৰে দান দক্ষিনা  কৰিলে। পত্নী কৃতদ্যুতিক ৰজাই অশেষ মৰম কৰি বাকীবোৰ পত্নী লৈ পিঠিদিয়াত তেওঁলোকে মিলি এদিন সুবিধাবুজি কালকুট বিষ পান কৰোৱাই পুত্ৰক বধ কৰিলে।

নাৰী সকলৰ এই জঘন্য কৰ্ম্মই নাৰীক অধনমিত কৰিলে। এফালে নিৰপৰাধী শিশুটিক স্বামীৰ প্ৰতি খং কৰি হত্যা কৰিলে, আনহাতে লোকাই চুৰকৰি হত্যা সংঘটিত কৰিলে। ৰজা আৰু কৃতদ্যুতিয়ে অন্য স্ত্ৰী সকলক বিশ্বাস কৰাৰ ফল এয়ে হল। ৰজাৰ ভুল হৈছিল। তেওঁ সন্তান থকা বা নথকা সকলো পত্নীৰ প্ৰতি সমভাৱে চাবলাগিছিল। ধন-জন-পুত্ৰ-ভাৰ্য্যা কন্দলৰ ঘৰ মাত্ৰ।

পুত্ৰৰ কৰুন মৃত্যুত মাক কৃতদ্যুতি আৰু ৰজাই কান্দি কান্দি মৃতপ্ৰায় হল। অন্যান্য সতিনী সকলেও ঘঁৰিয়ালৰ চকুলো টুকিলে। এনে সময়তে অঙ্গিৰা আৰু নাৰদ আহি উপস্থিত হ'লহি। দুয়োয়ে ৰজাক প্ৰবোধ দি কলে-"সন্তাপ নকৰিবা, যাক তুমি পুত্ৰ বুলিছা তেওঁ কোন তুমি নাজানা, তুমি পূৰ্ব্বজন্মত কোন আছিলা তাকো নাজানা, সকলোৰে গৰ্ভত সকলোৰে উৎপত্তি।

"পুত্ৰবুলি যাক তই সন্তাপ কৰস।
সিটো কোন জন তই তাক নাজানস।।
আপুনিবা কোন তই আছিলি পূববত।" ৫৮০।।

সকলোৰে গৰ্ভত সকলো উৎপত্তি হয়। পূবৰ্বত সকলোৰেই পিতৃ-মাতৃ-ভাতৃ আছিল। তেওঁলোকেই মৰি মৰি পুনৰ পুত্ৰ কন্যা হৈ জন্ম হয়।

"সবাৰে গৰ্ভত সবে হৰে উৎপত্তি।।
পিতৃ মাতৃ ভাতৃ যৈত আছিলি পূবৰ্বত।
তেসম্বে মৰিয়া আসি হবে ইজন্মত।। ৫৪১।। প

কেতিয়াবা নিজৰ পুত্ৰ, মিত্ৰ, ভাতৃ হৈ জন্মে, কেতিয়াবা অন্যৰ উদৰত জন্মধৰে। কেতিয়াবা সিহতে কু কৰ্ম্মকৰি পাপী হৈ জন্মে।

"কতো আপোনাৰ পুত্ৰ মিত্ৰভাতৃ হৰে।
কতো অন্যত্ৰৰ উদৰত জন্ম ধৰে।।
কতো সেহিসবে শত্ৰু হোৱে পাপ ফলে।"৫৪২।।

যেনেকৈ গছত গুটিৰ পৰা গছ হয় আৰু গছ গুটিতে লুকায় থাকি পুনৰ থাকি পুনৰ গছ হয়। এয়ে বিষ্ণু মায়া। পঞ্চতত্বতে সৃষ্টি, পঞ্চতত্বতে পুনৰ লয় হয়।

"বীজচয় হন্তে যেন হোৱে তৰু চয়।

বীজতে লুকায় পুনু কেহো নজানয়।।
এহিমতে বিৰ্বতয় মায়াত প্ৰানীচয়।
পঞ্চতত্ব হন্তে হুয়া তেন্তে যায় লয়।।৫৪৪

আত্মাৰ জন্ম-মৰন-বিকৃতি নাই, দেহৰ পৰাই দেহৰ উৎপত্তি হয়। পুত্ৰ-মিত্ৰ, বন্ধুগনত কোনো সাৰ নাই, নিজেহে নিজৰ বন্ধু। কোটি পুত্ৰ হলেও মুক্তি পোৱা নাযায়।

চিত্ৰকেতুৱে তত্ব জ্ঞান লাভ কৰি তেওঁলোক দ্বয় কোন সুধিলে। অঙ্গিৰাই পৰিচয় দিলে আৰু নাৰদকো পৰিচয় কৰালে। ৰজাই দুয়োৰে চৰনত সেৱা জনালে। পুত্ৰ-ভাৰ্য্যা-ধন যত যে সন্তাপৰ ঘৰ এই তত্ব জানি মুক্তিৰ কাৰনে ৰজা সাজু হল আৰু কৃষ্ণৰ ভক্তি গাঢ় হল। নাৰদেও মৃতপুত্ৰক জীয়াই দিয়াত সুধে সিনো কোন, তেওঁৰ পিতৃ কোন কবলৈ কলে। প্ৰথমতে নাৰদে তাক কলে- "তই এই শৰীৰলৈ ৰাজভোগ কৰ, সুখ ভোগকৰ, ৰাজ্য শাসন কৰ।" তেতিয়া জীৱটিয়ে মাত দিলে।
" মই কাৰ পুত্ৰ? মোৰ পিতৃ ক'ত? মই কৰ্ম্ম পাশত পৰি সকলো যোনিতে জন্মিছোঁ, এই সকলোবোৰেই মোৰ পিতৃ-মাতৃ।"

"কাৰ মই পুত্ৰ, মোৰ পিতৃ আছে কেনি।।
কৰ্ম্মবশে ভ্ৰমো মই সকলো যোনিত।
খনো উৰ্দ্ধ খনো অধঃ খনো পৃথিবীত।।" ৫৭১
"সবেয়ো সবাৰে পিতৃ মাতৃ বন্ধুজন।
সবেয়ো সবাৰে শত্ৰু মিত্ৰ উদাসীন।।" ৫৭২

কোনো জন্মতে সমন্ধৰ সীমা নাই। পুত্ৰ, ভাৰ্য্যা, পশু, বস্ত্ৰ, অলঙ্কাৰ বিক্ৰি কৰাৰ লগে লগে কিনোতাৰ নিজৰ হৈ পৰে। থকালৈকেহে নিজৰ বুলিব পাৰি।

"পুত্ৰ ভাৰ্য্যা পশুধন বস্ত্ৰ অলঙ্কাৰ।
যেতিক্ষনে বেচিল তেখন্তে ভৈলাতাৰ।।" ৫৭৪
যাবদেকে থাকে মানে আপুন গৃহত।।
তাবদেকে মোৰ হেন নুগুচে মনত।।
এহিমতে ফুৰে জীৱ সকলে যোনিত।
কোন পুত্ৰ বুলিবাকপায় নিশ্চিত।।" ৫৭৫

সেইবাবে শোক এৰি কৃষ্ণক চিন্তাহে উচিত বুলি নাৰদে কোৱাত চিত্ৰকেতুৱে গৃহ এৰি যমুনাৰ তীৰ পালেগৈ, তাত অঙ্গিৰা নাৰদক পুনৰ লগ পাই অনন্তক দেখা কৰিলে আৰু কৃষ্ণ স্তুতি আৰম্ভ কৰিলে- "হে পৰম দেৱ, কোটি কোটি ব্ৰহ্মাণ্ডৰ তুমিয়েই আধিকাৰী। তোমাৰ শৰীৰৰ নোমৰ বিন্ধাতেই কোটি কোটি ব্ৰহ্মাণ্ড বিৰাজমান হৈ আছে। পাষণ্ডগনে তোমাক নিচিনি ক্ষুদ্ৰ দেৱতাক পূজে।

"কোটি কোটি ব্ৰহ্মাণ্ডৰ লেখা জোখা নাই।
যাৰ লোম গৰ্ভে আসে যায় অনুপ্ৰায়।।" ৫৯৩।।



"বিষয়ক অভিলাষে নৰপশুগন।
ক্ষুদ্ৰদেৱ পুজে ছাড়ি তোমাৰ চৰন।।
যি দেৱক পূজে ঐশ্বয্যক কৰি আশা।
সিয়ো দেব মৰে আপুনিয়ো হৰে নাশ।।" ৫৯৪

চিত্ৰকেতুৱে কৃষ্ণৰ গুন-যশ বৰ্নাই স্তুতি কৰাত অনন্তই সন্তোশ লভি কলে যে- তেওঁ মহাভকত। আঙ্গিৰা নাৰদে কোৱা কথাখিনি তেওঁৰে বাক্য বুলি কলে। ভগৱন্তই কলে যে ভকতেহে তেওঁক লাভ কৰিব পাৰে-

"মইসে জীৱন আত্মা সমন্তে লোকৰ।
মই ব্যাপি আছো যত বাহ্য অভ্যন্তৰ।।
মোৰ পৰে সংসাৰত আন কিছু নাই।
এতেকে ভকতি পন্থে মোক লাগ পায়।।" ৬০৩

এই তত্ব কৈ অনন্ত মুৰাৰি অন্তৰ্দ্ধান হ'ল আৰু চিত্ৰকেতু মেৰুৰ কাষ পালেগৈ। কৈলাসত শিৱই গৌৰীক কোলাত লৈ আলিঙ্গন কৰি আছিল-

"পৰম সুন্দৰী গৌৰী আতিশয় প্ৰিয়া।
মুখ চায়া হাসিয়া ধৰন্ত সাবটিয়া।" ৬১১।।
উচ্চ কুচভৰে সঙ্কোচিত মহাশান্তি।
সমজ্যাত লাজে যেন গাৱতে লুকান্তি।।" ৬১২।।

চিত্ৰকেতুৱে কৈলাসত গৈ এই দৃশ্য দেখি গৌৰীক শুনাই কলে- "পৰম তপস্বী হৈ, ব্ৰহ্মবাদী হৈ, যোগী হৈ নাৰীক কোলাত তুলি নিলাজ কামুকৰ দৰে থকা শিৱক পাষণ্ড যেন বোধ হয়।" শিৱই এই কথাত মন্তব্য নকৰিলে। গৌৰীয়ে মহাক্ৰোধ কৰি শাপ দিলে-

"অসুৰ যোনিক অৰেচল দুৰাচাৰ।
আওৰ যেন আমাক নকৰ অহঙ্কাৰ।।"৬২৮।।

অসুৰ যোনিত জন্ম গ্ৰহন কৰিবলৈ বিষ্ণুভক্ত চিত্ৰকেতুক অভিশাপ দিয়াত অবনত শিৰে চিত্ৰকেতুৱে অভিশাপ অঞ্জলি পাতি গ্ৰহন কৰিতে। কিয়নো এইটো ঈশ্বৰৰ ইচ্ছা বুলি তেওঁ মানি লৈ কলে যে গৌৰীকো শাপ দিব পৰা ক্ষমতা তেওঁৰ আছে যদিও বৈষ্ণৱে এনে কাম কেৰে বুলি কলে। শাপ আৰু বৰ দিয়া-দুয়োটাতে দোষ থাকেই। তেওঁ কলে-

"কিবা স্বৰ্গ নৰক সকলে মায়াময়।
অজ্ঞানত প্ৰানীসবে বিৰোধ কৰয়।। ৬৩২।।
সংসাৰ চক্ৰত ভ্ৰমি উপজি মৰয়।
যাবদেকে হৰিত ভকতি নকৰয়।।
হৰিত ভকতি ভৈলে কতো নাহি ভয়য

আত্মাৰ পৰমানন্দ সুখক পাৱয়।।” ৬৩৩।।

স্বৰ্গ-নৰক দুয়োটাই একে। হৰিত ভক্তি হলে সংসাৰ চক্ৰৰ পৰা মুক্ত নয়। চিত্ৰকেতুৱে হৰ-গৌৰীক প্ৰনাম কৰি আঁতৰি যায়। শিৱই গৌৰীক শাপ দিয়াৰ বাবে দুখ প্ৰকাশ কৰে আৰু চিত্ৰকেতুৱে কোৱা কথাখিনি উপযুক্ত বুলি স্বীকাৰ কৰে।

শিৱই কয়-যে বিষ্ণুভকতে কিঞ্চিতো বেয়া দেখিব নালাগে। তেওঁলোকে হিংসা আৰু খণ্ডত বশবৰ্তী হৈ কোনো কথা কব নালাগে। কৃষ্ণ ভক্তই শাপকো ভয় নকৰে, সকলোকে ক্ষমা কৰে, ঈশ্বৰে ভকতক অতি স্নেহ কৰে। বিদ্যাধৰ চিত্ৰকেতু কৃষ্ণৰ তেনে একান্ত ভকত। তাক শাপ দিয়াৰ বাবে হয়তো কৃষ্ণৰ অসন্তোষ হব পাৰে, গতিকে তেওঁলোকে দুয়োয়ে কৃষ্ণক স্তুতি কৰিব লাগে বুলি হৰেকোৱাত-
গৌৰীয়েও শিৱ সহ কৃষ্ণ স্তুতি কৰিলে। চিত্ৰকেতুৱে শাপৰ প্ৰভাৱত ত্বষ্টাৰ যজ্ঞত অগ্নিৰ পৰা বৃত্ৰাসুৰ নাম লৈ জন্মে।

ওপৰৰ কাহিনীত চিত্ৰকেতু কৃষ্ণভক্ত হৈয়ো যোগেশ্বৰ শিৱৰ কামকেলিক প্ৰত্যেক্ষ কৰি নিন্দাকৰা উচিত নাছিল, কাৰন কৃষ্ণভক্ত ভকতে মায়া দেখিব নালাগে। তদুপৰি অহঙ্কাৰ আৰু ৰাগৰ বশৱৰ্তীহৈ নিন্দাবাদ কৰিব নালাগে। পাৰ্ব্বতী হৰিদাসী হৈ কৃষ্ণ ভক্তক শাপ দিয়া উচিত নহয়। শিৱক নিন্দা কৰা স্বৰ্ত্তেও শিৱই শাপ নিদি মৌন হৈহে ৰল। চিত্ৰকেতুৱে গৌৰীৰ শাপক ভগৱন্তৰ বিধান বুলি মূৰ পাতি লৈছে আৰু গৌৰীক শাপ দিব পাৰিও নিদিলে, ইয়াতেই চিত্ৰকেতুৰ কৃষ্ণত ভক্তৰ মহিমা প্ৰকাশ পাইছে। শিৱ বস্ত্ৰহীন, কামনা বিহীন, মায়াহীন, হৰিদাস বুলি কৃষ্ণৰ ওচৰত দোষ হৈছে বুলি স্তুতি কৰিছে।

(৪) **ইন্দ্ৰৰ আত্মগোপন, নহুষৰ কথা** ঃ-

বৃত্ৰাসুৰক বধ কৰাৰ বাবে ইন্দ্ৰৰ যি ব্ৰহ্মবধ পাপ হ'ল তাৰ বাবে আদিতে ঋষিমুনি-সিদ্ধ-দেৱগনে যজ্ঞ কৰি ব্ৰহ্মবধ আতঁৰোৱাৰ সিদ্ধান্ত কৰিছিল যদিও বৃত্ৰ বধৰ পাচত ইন্দ্ৰক এৰি সমলোৱে প্ৰস্থান কৰিলে, যজ্ঞ কৰা নহল-ফলতঃ ব্ৰহ্মহত্যাই চণ্ডালিনী ৰূপে ইন্দ্ৰক খেদি আহিল উপায়হীন হৈ ইন্দ্ৰ মানস সৰোবৰত সূক্ষ্মৰূপ ধাৰন কৰি পদনলাত প্ৰবেশ কৰি হেজাৰ বছৰ ব্ৰতকৰি কটালে আৰু ৰূদ্ৰৰ দৃষ্টিত পৰি ব্ৰহ্মহত্যাৰ অধোগতি হ'ল।

সেই সুবিধাতে মৰ্ত্যৰ নহুষ ৰজা ইন্দ্ৰৰ অমাৰাৱতীৰ অধীশ্বৰ হ'ল। ইন্দ্ৰ পত্নী শশীক বিয়া কৰিবলৈ লোৱাত বৃহস্পতিয়ে কৌশল কৰি শশীক ৰক্ষা কৰিলে। বৃহস্পতিৰ পৰামৰ্শানুসৰি বিপ্ৰই টনা যানত নহুষ উঠি আহিলে স্বামী বৰন কৰিম বুলি শশীয়ে কলে। নহুষে তেনে কৰাত বিপ্ৰৰ শাপত সৰ্প হৈ জন্মিল। ইতিমধ্যে ইন্দ্ৰই কৃষ্ণ-ভক্তিৰ দ্বাৰা ব্ৰহ্মহত্যা পাপৰ পৰা উদ্ধাৰ হৈ কৃষ্ণৰ কৃপাত পুনৰ সিংহাসনত আৰোহন কৰিলে।

কুল গুৰু বৃহস্পতি পৰম বিষ্ণুভক্ত- এনে গুৰুক অবমাননা কৰা মানে কৃষ্ণক





অৱমাননা কৰা আৰু তাৰ ফল স্বৰূপে ইন্দ্ৰৰ বিপৰ্য্যয় নামি আহিল, পুনৰ কৃষ্ণ ভক্তি কৰিহে নানা বিপৰ্য্যয়ৰ পৰা ইন্দ্ৰই ৰক্ষা পাই ইন্দ্ৰপদ পায়। বৃত্ৰাসুৰেও অসুৰ জন্মত কৃষ্ণ নাম লৈ পৰমপদ লাভ কৰিলে। চিত্ৰকেতুৱে পুত্ৰৰ মায়াত লটিঘটি হৈ ভগৱান্তৰ প্ৰেৰিত নাৰদ-অঙ্গিৰাৰ পৰা পৰমতত্ব লাভ কৰি কৃষ্ণভক্তিত ডোব গ'ল। নাৰায়নী-কৱচ-ভগৱান কৃষ্ণৰ পৰম শক্তিশালী নামৰ মহিমাৰে ভৰপূৰ। ভগৱন্তৰ নাম হৃদয়ত ধৰি ৰাখিব পাৰিলে মুক্তি অৱশ্যাম্ভাবী।

“সৰ্ব্বপাপ বিমোচন নষ্ট হুইবে শত্ৰুগন
নিত্যাগতে বাঢ়িবে কল্যান।
পৰমায়ু হোৱে বৃদ্ধি আনো য'ত হোৱে সিদ্ধি
অন্তকালে পাৱে বিষ্ণুযান।। ৬৮৬।।

।।ঃঃ।।

# ।।সপ্তম স্কন্ধ।।
# কবিৰত্ন গোপাল মিশ্ৰ বিৰচিত

মূল বিষয় ঃ-

১) চাৰি সিদ্ধৰ দ্বাৰা জয়-বিজয়ক অভিশাপ।
২) হিৰন্যকশিপু আৰু হিৰন্যাক্ষৰ জন্ম।
৩) হিৰন্যাক্ষৰ লগত বৰাহৰ যুদ্ধ আৰু হিৰন্যাক্ষৰ মৃত্যু।
৪) হিৰন্যকশিপুৰ প্ৰতিজ্ঞা, তপস্যা ৰাজভোগ।
৫) প্ৰহ্লাদৰ চৰিত্ৰ আৰু হিৰন্যকশিপুৰ বধ।
৬) হিৰন্যকশিপুৰ আৰু হিৰন্যাক্ষৰ পৰবৰ্ত্তী জন্ম।
৭) বৈৰ ভক্তিৰ মাহাত্ম্য।
৮) সপ্তম স্কন্ধৰ তাৎপৰ্য্য।



**(১) চাৰি সিদ্ধৰ দ্বাৰা জয়-বিজয়ক অভিশাপ ঃ-**

চৈধ্য ভুবনৰ উৰ্দ্ধত বৈকুণ্ঠত অৱস্থিত। বৈকুণ্ঠত পৰমব্ৰহ্ম ভগৱন্তই বা মহেশ্বৰে বিৰাজমান হৈ থাকে। বৈকুণ্ঠ অপ্ৰপঞ্চ আৰু চৈধ্য ভুৱন প্ৰপঞ্চ। মহেশ্বৰ কৃষ্ণৰ কাষত চাৰি সিদ্ধ, চৈধ্য পৰিষদ বিৰাজমান। ব্ৰহ্মাৰ মানস পুত্ৰ সনক সনন্দ, সনাতন আৰু সনতসুমাৰে সৰ্ব্বত্ৰতে ভ্ৰমি ভগৱন্তৰ গুন-গান ব্যক্ত কৰি ফুৰে। এদিন তেওঁলোকে কৃষ্ণক দৰ্শন পাবলৈ বৈকুণ্ঠ লৈ গমন কৰে। বৈকুণ্ঠত নাৰায়নক দেখা কৰিবলৈ হলে ছয়খন দুৱাৰ অতিক্ৰম কৰি সপ্তম দুৱাৰ পাৰ হ'ব লাগে। সপ্ত বৈকুণ্ঠৰ সপ্তখন দুৱাৰ। সপ্তম দুৱাৰত দ্বাৰী হিচবে পৰম বৈষ্ণৱ জয়-বিজয় থাকে। চাৰি সিদ্ধই ষষ্ঠখন দুৱাৰ পাৰ হৈ সপ্তম দুৱাৰত উপনীত হোৱাত জয়-বিজয়ক নেওচি অভ্যন্তৰলৈ যাব বিচৰাত জয়-বিজয়ে বেত্ৰৰ দ্বাৰা বাধা প্ৰদান কৰিলে। চাৰি সিদ্ধই খঙত তেওঁলোকক অসুৰ যোনিত জন্ম গ্ৰহন কৰিবলৈ অভিশাপ দিলে। দুয়ো দুৱৰীয়ে ব্ৰহ্মশাপ পাই চাৰি সিদ্ধৰ চৰনত ধৰি প্ৰাৰ্থনা জনালে, যেন তেওঁলোকে অসুৰ জন্মতো হৰিক স্মৰন কৰিব পাৰে।

অন্তৰ্য্যামী হৰিয়ে দুৱাৰলৈ আগবাঢ়ি আহিল আৰ চাৰি সিদ্ধই জগতৰ স্বামীৰ অপৰূপ আৰু মহিমান্বিত মাধুৰ্য্যৰূপ দেখি ভক্তিত শিৰ দোঁ খালে আৰু স্তুতি কৰিবলৈ ধৰিলে। লক্ষ্মীকান্তই চাৰি সিদ্ধক কলে যে তেওঁৰ পাৰিষদ দুজনে অভিশাপ অনুসৰি তিনিজন্ম লভি পাপ এৰাই পুনৰ বৈকুণ্ঠলৈ আহক। এই কথাকৈ চাৰি সিদ্ধক বিদায় দি মহেশ্বৰ নিজ স্থানলৈ গতি কৰিলে।

জয়-বিজয় বৈকুণ্ঠৰ পাৰিষদ হৈ বৈষ্ণৱ ব্ৰাহ্মনক নিন্দাকৰাত মহা অভিশাপ লাভ কৰিলে। তেওঁলোকৰ ভগৱন্তৰ প্ৰতি ভক্তি থকাৰ বাবেই অসুৰ জন্মতো ভগৱানক স্মৰন কৰিবলৈ বিচাৰিছে। হৃদয়ত ভক্তি ভাব থাকিলে যি জন্মই নলওক তেওঁ ভক্তি কৰিবই। চাৰি সিদ্ধই লঘু দোষত গুৰু শাস্তি বিহিলে আৰু সিদ্ধ পুৰুষ হৈয়ো খঙত বশবৰ্তী হল। অৱশ্যে কৃষ্ণই সিদ্ধগনৰ চিত্তত প্ৰবেশি এই অভিশাপ দিয়ালে বুলি কৈছে। ভগৱানৰ পৰিকল্পনা অনুসৰিয়েই সকলো বোৰ সংঘটিত হয়। ভগৱানেই কাৰ্য্য কাৰন ৰূপে সকলোবোৰ কৰায়। বৈকুণ্ঠত থকা জনে মায়া দেখিব নাপায়। এক শৰন হৰিনাম ধৰ্ম্মত থকা সকলে দ্বৈত জ্ঞান পৰিহাৰ কৰিব লাগে।

**(২) হিৰন্যকশিপু আৰু হিৰন্যাক্ষৰ জন্মঃ-**

কাশ্যপৰ সোতৰ গৰাকী ভাৰ্য্যাৰ ভিতৰত দিতি উল্লেখ যোগ্য। দিতিয়ে সন্ধ্যা সময়ত মহাঋষি কাশ্যপৰ ওচৰত পুত্ৰলাভৰ বাবে সঙ্গমৰ আহ্বান জনালে। কাশ্যপে দিতিক নিবৃতি পথৰ পৰামৰ্শৰ দ্বাৰা সন্তোষ্ট কৰিব নোৱাৰি প্ৰবৃতি পস্থানুসৰি দিতিৰ মনোবাঞ্ছা পূৰন কৰিলে। দিতিয়ে এশবছৰ গৰ্ভস্থ সন্তানক ধৰি ৰাখি দুটি যঁজা সন্তান প্ৰসৱ কৰিলে। সন্তান দুটি জন্ম গ্ৰহন কৰাৰ লগে লগে নানা অমঙ্গল ঘটিল। তেওঁলোক দুয়োৰে শৰীৰ বৃদ্ধি হৈ স্বৰ্গ চুলেগৈ, চৰনৰ ভৰত পৃথিৱী লৰি উঠিল। হিৰন্যকশিপুৰ ককায়েক আৰু হিৰন্যক্ষ ভায়েক হিচাবে পৰিগনিত হ'ল আৰু হিৰন্য কশিপু ৰজা হ'ল

আৰু হিৰন্যাক্ষাই গদাধৰি স্বৰ্গৰ দেৱতাক জয় কৰিবলৈ স্বৰ্গ পালেগৈ। দেবসবে মহাভয়ত পলাই গ'ল।

(৩) **হিৰন্যাক্ষৰ লগত বৰাহৰ যুদ্ধ আৰু হিৰন্যাক্ষৰ মৃত্যুঃ-**

হিৰন্যাক্ষই স্বৰ্গত দেবতা গনক নেদেখি গৰ্জ্জণ কৰি সাগৰত জাপ দিলে, পথত বৰুনক দেখি যুদ্ধলৈ আহ্বান জনালে। বৰুনে কলে যে হিৰন্যাক্ষৰ লগত যুঁজৰ শক্তি তেওঁৰ নাই, গতিকে বৰাহ ৰূপী বিষ্ণুৰ লগত সমৰ কৰিবলৈ হিৰন্যাক্ষক বৰুনে পৰামৰ্শ দিলে। নাৰদৰ মুখেত এই কথা জানি তেওঁ পাতালত প্ৰবেশ কৰিলে।

সেই সময়ত বৰাহে জলৰ পৰা পৃথিবীক লৈ অহা দেখি হিৰন্যাক্ষই বৰাহক যুদ্ধ আহ্বান কৰিলে আৰু বৰাহে পৃথিৱীক থৈ গদা ধৰি সমৰত নামিল। গদাৰ কোবত দুয়োৰো অঙ্গ ভাগি গ'ল। দুয়োৰো জয়-পৰাজয় নঘটাত ব্ৰহ্মাই উপস্থিত হৈ দৈত্যক বধ কৰিবৰ কাৰনে শুভক্ষনৰ ইঙ্গিত দিলে। দৈত্যই বিভিন্ন মায়াৰ দ্বাৰা বৰাহক আক্ৰমন কৰিলে আৰু বৰাহে চক্ৰ প্ৰহাৰ কৰি মায়াক বিনশ কৰিলে। বৰাহে চৰৰ প্ৰহাৰ কৰি হিৰন্যাক্ষই বৈকুণ্ঠলৈ গতি কৰিলে।

(৪) **হিৰন্যকশিপুৰ প্ৰতিজ্ঞা, তপস্যা, ৰাজভোগঃ-**

হিৰন্যাক্ষক বৰাহৰূপী বিষ্ণুৱে বধ কৰাত হিৰন্যকশিপুৱে হাতত ত্ৰিশূল লৈ দৈত্যগনক শুনাই প্ৰতিজ্ঞা কৰিলে যে, তেওঁ বিষ্ণুক বধি ভাতৃহত্যাৰ প্ৰতিশোধ ল'ব আৰু বিষ্ণু বিহনে দেবগন নিঠৰুৱা হৈ পৰিব। গতিকে দৈত্যগনক পৃথিৱীলৈ গৈ বিষ্ণুভক্ত ব্ৰাহ্মন, বৰ্নাশ্ৰমী দ্বিজগন, তপ-জপ-যজ্ঞ-ব্ৰত কৰা বৈষ্ণৱ সকলক অত্যাচাৰ কৰিবলৈ আদেশ দিলে। ৰজাৰ আজ্ঞামানি দৈত্যগনে পৃথিৱীত প্ৰবেশ কৰি সমস্ত গৃহ পুৰি ভষ্মীভূত কৰিলে, বৃক্ষবোৰ উঘালি পেলালে, জনগনক নানাভাৱে পীড়ন কৰিলে। দেবগনে মহাভয়ত ত্ৰ্যস্তমান হৈ স্বৰ্গ ত্ৰৰি পলাবলৈ ধৰিলে। হিৰন্যকশিপুৱে ভাতৃৰ প্ৰেতকাৰ্য্য কৰি ভাতৃৰ পৰিবাৰ পুত্ৰক নানাভাৱে শান্তনা দি তপস্যাৰ বাবে মন্দৰ গিৰি পালেগৈ।

হিৰন্যকশিপুৰ তপস্যা অতি চমৎকাৰ। তেওঁ উৰ্দ্ধবাস্থ কৰি পদাঙ্গষ্ঠে ভৰি চুই আকাশলৈ দৃষ্টি কৰি থাকিল। উয়েঁ দেহৰ ওপৰত মাটি তুলিলে, মাত্ৰ অস্থিৰ মাজত প্ৰান থাকিল। স্বৰ্গৰ দেবসবে ভাবিলে যে দৈত্য আৰু জীয়াই থকা নাই। দৈত্যৰ মূৰৰ পৰা অগ্নি নিৰ্গত হ'ল আৰু তাৰ তাপে নদ-নদী-সাগৰ শুকাল, পৃথিৱী কপি উঠিল, নবগ্ৰহ অস্ত গ'ল আৰু দশোদিশ জ্বলি উঠিল। দেবসবে ভয় খাই ব্ৰহ্মাৰ ওচৰত দৈত্যৰ তপস্যা পৰাহত কৰিবলৈ প্ৰৰ্থনা জনালে।ব্ৰহ্মাই হংস যানে গৈ দৈত্যেন্দ্ৰৰ ওচৰ পলেগৈ আৰু তেওঁ ব্ৰহ্মাক স্তুতি কৰি বৰ প্ৰাৰ্থনা কৰিলে-

"সৰ্বৰ্লোক মহেশ্বৰ যদি মোক দিব বৰ
তযু স্ৰজা প্ৰানী য'ত য'ত।
তাত হন্তে মৃত্যু নৌক অস্ত্ৰে শস্ত্ৰে নকাটোক
নমৰিবো ৰাত্ৰিয়ো দিনত।।





গৃহমধ্য বাহিৰত পৃথিৱীত আকাশত
জীয়া মৰা হন্তে নমৰও।
দেবসিদ্ধ সমস্তত তোমাৰ মহিমা যত
তাৰ মই মাৰে পোৱে হওঁ।। ৯৭

"ব্ৰহ্মসৃষ্ট প্ৰানী সমস্তত, অস্ত্ৰ-শস্ত্ৰত, ৰাতি-দিনত, ঘৰৰ ভিতৰত-বাহিৰত, দেব সমস্তত, সিদ্ধ সমস্তত-অৰ্থাৎ এইবোৰৰ দ্বাৰা তেওঁৰ মৃত্যু নঘটক।" এনে বৰ প্ৰাৰ্থনা কৰাত ব্ৰহ্মাই এই দেবদুৰ্ল্লভ বৰ দান কৰিলে।

বৰপাই হিৰন্যকশিপুৱে বিষ্ণু-দ্বেষ কৰিবলৈ আৰম্ভ কৰি দিলে। হৰিয়ে দৈত্যেন্দ্ৰৰ নাসিকাৰ ৰন্ধ্ৰত সূক্ষ্মৰূপে বসতি কৰিলে। সপ্তস্বৰ্গ, সপ্তদ্বীপ, সপ্ত সাগৰ বিচাৰি তেওঁ বিষ্ণুক দেখা নাপালে আৰু হৰিৰ মৃত্যু হৈছে বুলি তিনিলোক বশ কৰি,দশোদিশ জিনি, দেব-দৈত্য-মনুষ্য-গন্ধৰ্বৰ্ব-নাগ-সিদ্ধ-বিদ্যাধৰ-মনু-ঋষি-পিতৃগন-যক্ষ-ৰক্ষ-প্ৰেত-ভূত-পিশাচ-চাৰন আদিক জিনি, ইন্দ্ৰক খেদাই স্বৰ্গৰ সিংহাসন আৰোহন কৰিলে। দেবভোগ ভূঞ্জি, মেঘহৈ বৰষুন দিলে, অগ্নি হৈ দহন কৰিলে, যমহৈ দিবা-ৰাত্ৰি কৰে। সকলো দিগ পালৰ দায়িত্ব নিজেললে, চন্দ্ৰক ছত্ৰ ধৰালে, দিবাকৰক দুৱৰী কৰালে, অদিত্যক ৰান্ধনি কৰিলে, বৰুনক ঘৰ লিপিবলৈ দিলে, অন্য দেবগনক দৈত্যক উপাসনা কৰিবলৈ দিলে। গন্ধৰ্ব্বগনে গীত গাই, অপেস্বৰাই নৃত্য কৰি, বিদ্যাধৰে বাদ্য বজাই। সিদ্ধগনে স্তুতি পঢ়ি দৈত্য পতিৰ সেৱা কৰিলে। দৈত্যই দিব্য অলঙ্কাৰ ও বস্ত্ৰ পৰিধান কৰি, নানা সুমিষ্ট আহাৰ ভক্ষন কৰি, মদ-মাংস আদি খাই দিবা উপভোগ কৰিলে।

বহুকাল অতিক্ৰম হোৱাৰ পাচত দেবগনে ঈশ্বৰ কৃষ্ণক সকাতৰে স্মৰন কৰিলে। আকাশ বানীৰে কৃষ্ণই কলে যে ব্ৰহ্মাৰ বৰত হিৰন্যকশিপুৱে এনে অত্যাচাৰ কৰিছে আৰু তেওঁ ইয়াৰ প্ৰতিবিধান কৰিব। তাৰ পুত্ৰ প্ৰহ্লাদক যেতিয়া সি অত্যাচাৰ কৰিব তেতিয়াই তেওঁ অৱতাৰ হৈ দৈত্যেন্দ্ৰক বধ কৰিব। ভকতৰ দ্ৰোহ আচৰন কৰিলেহে ঈশ্বৰে অৱতাৰ গ্ৰহন কৰি প্ৰতিবিধান কৰে।

(৫) **প্ৰহ্লাদৰ চৰিত্ৰ আৰু হিৰন্যকশিপুৰ বধঃ-**

হিৰন্যকশিপুৰ পত্নী কয়াধুৰ গৰ্ভত চাৰি পুত্ৰৰ জন্ম হয়। তাৰে ভিতৰত প্ৰহ্লাদ জন্মতেই মহন্ত আছিল, তেওঁ সত্যবাদী, জিতেন্দ্ৰিয়, সুস্বভাবী, সদাচাৰী, সৰ্বৰ্জন প্ৰিয়, সুহৃদ, বিষ্ণুভক্ত আছিল। তেওঁ দুখিতক দয়া, সামান্যজনক ভাতৃ সম স্নেহ, গুৰু সেবক, নিৰহঙ্কাৰী, শান্ত-চিত্তৰ লোক আছিল। তেওঁ আছিল নিষ্কাম, কৃষ্ণ পাদ-পদ্মত সদাৰত আছিল।

ভৃগু বংশীয় মহাঋষি শুক্ৰৰ দুই পুত্ৰৰ নাম যণ্ড আৰু অমৰ্ক আৰু শুক্ৰ অসুৰৰ পুৰুহিত। যণ্ডামৰ্কক হিৰন্যকশিপুৱে প্ৰহ্লাদক বামানয় শাস্ত্ৰ পঢ়াবলৈ দায়িত্ব দিলে। অন্যান্য দৈত্য শিশুৰ লগতে প্ৰহ্লাদে শিক্ষালাভ কৰিলেও অসত্য বামানয় শাস্ত্ৰৰ কথা মানি ল'ব নোৱাৰিলে। এদিন দৈত্যেন্দ্ৰই প্ৰহ্লাদক কোলাত লৈ সুধিলে "তই কাক ভাল মান?"

প্ৰহ্লাদে কলে-গৃহাশ্ৰম অন্ধকূপ, গৃহ ভোগ এৰি বনবাসত থাকি দেবহৰিৰ শ্ৰৱন কীৰ্ত্তন কৰাহে উচিত। কশিপুৱে প্ৰহ্লাদৰ হৰিৰ প্ৰতি ধাউতি দেখি গুৰুক ভাল মতে শাসনত ৰাখি শিক্ষাদিবলৈ আদেশ কৰিলে- যাতে প্ৰহ্লাদে হৰিৰ প্ৰতি মনোযোগ নাহে। যণ্ডামৰ্কই প্ৰহ্লাদৰ ভেদ মতিৰ কাৰন সুধিলত প্ৰহ্লাদে কলে-

"প্ৰহ্লাদে বোলন্ত গুৰু ভগৱন্ত
আছন্ত দেৱ সাক্ষাত।" ১৫৬।।
"মায়াৰ ঈশ্বৰ সৰ্ব্বগুনাকৰ
তেহে ভেদ কৰে মতি।
তাহান চৰনে কায় বাক্য মনে
সততে কৰোহো নতি।।" ১৫৭।।

প্ৰহ্লাদৰ বিষ্ণু ভক্তি শুনি যণ্ডামৰ্কই হাতত বেত লৈ গাত থলে আৰু নানা ধৰনে তিৰস্কাৰ কৰিলে। তেওঁলোকে দৈত্যেন্দ্ৰৰ ওচৰত প্ৰহ্লাদক গটাই দিয়াত তেওঁ কোলাত লৈ গুৰুৰ পৰা পোৱা শিক্ষাৰ বিষয়ে কবলৈ কলে।

উত্তৰত প্ৰহ্লাদে কলে মাধৱত শ্ৰৱন-কীৰ্ত্তন-নামসুমৰন-পদসেৱন-অচ্চন-ৰন্দন-কৰ্ম্মাৰ্পন-সখ্য-আত্ম নিবেদন-এই নববিধ ভক্তিৰে ভক্তি কৰিটোহে উত্তম পাঠ।

"হেন শুনি শুদ্ধসন্ত বৈষ্ণৱ প্ৰহ্লাদ কন্ত
মাধৱৰ শ্ৰৱন কীৰ্ত্তন।
নামৰূপ সুমৰন পদযুগ নিসেৱন
অৰ্চ্চন বন্দন কৰ্ম্মাৰ্পন।।" ১৬০।।
সখ্য আত্ম নিবেদন এই নৱ লক্ষন
হৰিত অৰ্পিয়া যিটো কৰে।
তাহাক বুলিয়া ভক্তি উত্তম পাঠৰ স্থিতি।।" ১৬১।।

হিৰন্যই পুত্ৰৰ মুখত হৰিৰ কথা শুনি ক্ৰোধত যণ্ডামৰ্কক নানা ধৰনে ভৎৰ্সনা কৰি গৰ্জ্জি উঠিল। তেওঁলোকে প্ৰহ্লাদৰ বিৰোদ্ধাচৰনৰ কথা সদৰি কৰে আৰু তেতিয়াবাপেকে কাৰ পৰা এই শিক্ষা লাভ কৰিছে প্ৰহ্লাদক সুধিলে। প্ৰহ্লাদে এইবাৰ পিতাকক প্ৰত্যক্ষভাৱে উপদেশ দিবলৈ ধৰিলে- যে বিষয়ীজনে মাধৱক জানিব নোৱাৰে আৰু তেনে জন যদি গুৰু হয়, তেওঁ হৰি কথা ক'ব কৰ পৰা, কাৰন অন্ধ জনে অন্ধজনক কেনেকৈ বাট দেখুৱাব-

"যেন আন্ধে অন্ধৰ আগত পন্থ কয়।
দুয়ো পন্থ নাপাই যেন গৰ্ভত পৰয়।।"
- - - - - - - - - - - - - - - - - - - -
বেদজৰী বদ্ধ হয়া থাকে সৰ্ব্বক্ষন"।। ১৬৯।।

বেদ বাক্যত ঈশ্বৰক উপলব্ধি কৰিব নোৱাৰে, যেতিয়ালৈকে মহন্তৰ পদৰেনু নলয়। হিৰন্য কশিপুৱে প্ৰহ্লাদৰ মুখত এনে কথা শুনি কোলাৰ পৰা মাটিত পেলাই দিলে আৰু প্ৰহ্লাদক অস্ত্ৰ প্ৰহাৰ কৰি মাৰিবলৈ দৈত্যগনক আদেশ কৰিলে।

দৈত্যগনে ত্ৰিশূলেৰে প্ৰহ্লাদক আঘাট কৰিবলৈ যত্ন কৰিছিল কিন্তু প্ৰহ্লাদে হৃদয়ত মাধৱক ধৰি ৰখাৰ বাবে ত্ৰিশূল ভোটা হৈ গ'ল। খড়গ মাৰি, গদা-শৰ-পৰিঘ মুদগৰ প্ৰহাৰ কৰি নোম এদালো নষ্ট কৰিব নোৱাৰিলে। হিৰন্যই সৰ্পগনক দংশন কৰিবলৈ কোৱাত সৰ্পগনে দংশন কৰি বিষ ঢালিলে, কিন্তু প্ৰহ্লাদক বিষে একো কৰিব নোৱাৰিলে। সিহতৰ দাঁত ভগাত ৰজাক জনালেগৈ। ইয়াৰ পাচত হাতীৰে গছকালে, জ্বলা জুইত পেলোৱালে, কিন্তু প্ৰহ্লাদৰ ক'তো অনিষ্ট নঘটিল। গুৰু পুত্ৰ সকলে শিশৰ দোষ নধৰিবলৈ আৰু তেওঁলোকে প্ৰহ্লাদক কোৱাত প্ৰহ্লাদক ৰজা এৰি দিলে।

লগৰিয়া দৈত্য শিশু সকলক একগোট কৰি এ সুযোগতে প্ৰহ্লাদে পৰমাৰ্থ তত্ব ব্যাখ্যা কৰি কবলৈ ধৰিলে- "সকলো দেহধাৰীয়ে দুখ আছে, জন্ম-জৰা-মৃত্যু-গৰ্ভ্ভবাস-ক্ষুধা-তৃষ্ণা-শোক-ভয় আদিত দেহীয়ে ভুগিব লাগে, সুখৰ মুখ দেখিবলৈ নাপায়। তদুপৰি কফ-বাত-পিত্তৰ কষ্টই জীৱক মহাদুখ দিয়ে। সংসাৰ দুখময়, কিন্তু ঈশ্বৰক ভজিলে এই সকলো বোৰ বিনাশ ঘটে।

"সকলো দেহীৰ দেখা দুখ বহুতৰ।
জন্ম জৰঃ মৃত্যুগৰ্ভবাস বহুতৰ।।
ক্ষুধা তৃষ্ণা শোক ভয় আদি মহাদুখ।
একোকালে দেহীৰ নেদেখি কিছু সুখ।।" ১৯৭।।
"বুলন্ত প্ৰহ্লাদে কাকো কেৱে নমাৰয়।
আপোনাৰ দোষে যায় আপুনি প্ৰলয়।।
কাকো কেৱে ৰক্ষা নাকৰয় কদাচিত।
আপুনি কৰয় ৰক্ষা থকিয়া সত্যত।।" ২১৩।।

কৃষ্ণক ভজিলে সমস্ত পাপদূৰ হয়, পৰম গতি লাভ হয়, সৰ্ব্বদুখ নিৰাময় হয় বাবে তেওঁৰ চৰনত সেৱা জনাবলৈ প্ৰহ্লাদে শিশু সবক উপদেশ দিয়ে। আৰু দৈত্য শিশুসবেও উপদেশ সমূহ শিৰোগত কৰি লয়। দৈত্যগনে এই খবৰ ৰজাক দিয়াত ৰজাই খাদ্যত বিষ দি প্ৰহ্লাদক মাৰিবলৈ আদেশ কৰে। কৃষ্ণৰ কৃপাত বিষে প্ৰহ্লাদক ক্ৰীয়া কৰিব নোৱাৰিলে। উপায়হীন হৈ হিৰন্যকশিপুৱে প্ৰহ্লাদক মৰমেৰে বুজাবলৈ বিপ্ৰক দায়িত্ব দিলে। বিপ্ৰৰ বুজনিত প্ৰহ্লাদ তুষ্ট নহৈ নানধৰনে ভক্তি উপদেশহে দিলে। ব্ৰাহ্মনে কৃত্যাগ্নিৰে প্ৰহ্লাদক মাৰিম বুলি কোৱাত প্ৰহ্লাদে কলে যে কোনেও কাকো নামাৰে, নিজৰ দোষতে সকলো ধ্বংস হয়, কাকো কোনেও ৰক্ষা নকৰে, সত্যই সকলোকে ৰক্ষা কৰে।

ঈশ্বৰৰ ভক্তক কোনেও নিশেষ কৰিব নোৱাৰে। কথা শুনি দৈত্য পুৰুহিতে কৃতাগ্নিৰে আকাশ লঙ্ঘা কায়েৰে শূল লৈ প্ৰহ্লাদক হত্যা কৰিবলৈ কোৱাত প্ৰহ্লাদৰ

হৃদয়ত প্ৰহাৰ কৰিলে আৰু প্ৰহ্লাদৰ শৰীৰত লাগি সাত খণ্ড হৈ শূল ধ্বংস পালে আৰু কৃতাগ্নিয়ে ব্ৰাহ্মনক দহন কৰিবলৈ খেদি গল। প্ৰহ্লাদে অৱশ্যে কৃষ্ণক স্তুতি কৰি ব্ৰাহ্মনক ৰক্ষা কৰিলে। পুৰু হিতে প্ৰহ্লাদক আৰ্শীবাদ দি ৰজাক জনালেগৈ। ৰজাই প্ৰহ্লাদক সুধিলে যে কিহৰ বলত তেওঁ ৰক্ষা পৰিছে? প্ৰহ্লাদে কলে যে হৰি ভকতিৰ প্ৰভাবত তেওঁ ৰক্ষা পৰিছে। ৰজাই এই বাৰ এশ যোজন ওখ প্ৰাসাদৰ পৰা প্ৰহ্লাদক ঢকা মাৰি পেলোৱালে, পৃথিৱীত পৰিও প্ৰহ্লাদৰ শৰীৰ সুস্থ হৈ ৰ'ল। এই বাৰ অসুৰক মায়া কৰিবলৈ ৰজাই আদেশ দিলে। শতকোটি হাজাৰ হাজাৰ মায়াৰে প্ৰহ্লাদক আবৰি ধৰিলে, কিন্তু প্ৰহ্লাদে হৰিক স্মৰন কৰিলে। মাধৱে সুদৰ্শন চক্ৰ পঠাই সকনো মায়াজাল কাটি পেলালে। শোষন বায়ুক ভগৱন্তই শুহি পেলালে। উপাই নাপাই প্ৰহ্লাদক গুৰুৰে ৰাজনীতি শিকাবলৈ লোৱাত প্ৰহ্লাদে কলে-

"সবে জানো কিন্তু মোত নুহিকা সন্মত।"২৩২।।

প্ৰহ্লাদে গুৰুক পৰমাৰ্থ তত্ব কবলৈ ধৰিলে-যে তেওঁৰ বাবে শত্ৰু মিত্ৰ সকলো সমান, সাধনৰ পৰিবৰ্তে সাধ্যহে গ্ৰহনীয়, বিষ্ণুত কোনো ভেদ নাই, ইয়াক নাজানি লোকে ভেদ বুদ্ধি কৰে, অবিদ্যা কৰ্ম্মক বিদ্যা বুলি কৰে, কৰ্ম্ম বিনাশী. প্ৰহ্লাদৰ মুখত এই তত্ব শুনি ৰজাই প্ৰহ্লাদক নাগ পাশেৰে বান্ধি সাগৰত পেলাবলৈ আদেশ কৰিলে। সাগৰত পেলোৱা সত্বেও হৰিৰ কৃপাত সাগৰত প্ৰহ্লাদ তল নগ'ল।

ৰজাই এইবাৰ প্ৰহ্লাদক বান্ধি সাগৰত পেলাই তাৰ ওপৰত পৰ্ব্বত দিবলৈ দৈত্যগনক আদেশ দিলে। প্ৰহ্লাদেও ভগৱন্ত কৃষ্ণক স্তুতি কৰিলে। নাগ পাশেৰে বান্ধি সাগৰ তলিত পেলাই পৰ্ব্বতেৰে প্ৰহ্লাদৰ শৰীৰ ঢাকি পেলোৱা হ'ল, কিন্তু সাগৰত প্ৰকাণ্ড ঢৌ উঠিল, বসুমতী কঁপি উঠিল, নাগপাশ বিনাশ হ'ল, পৰ্ব্বত তললৈ দবি গ'ল আৰু প্ৰহ্লাদে সমাধিৰ পৰা মনোমোহা মুৰ্ত্তি প্ৰহ্লাদে দেখি সেৱা কৰিলে। ভগৱন্তই প্ৰহ্লাদক সন্তোষ দি অন্তৰ্দ্ধান হল।

হিৰন্যকশিপুৰে বিবুদ্ধি হোৱাত ষণ্ডামৰ্কই প্ৰবোধ দিয়ে আৰু প্ৰহ্লাদক বৰুনৰ পাশে বান্ধি শুক্ৰাচাৰ্য্য তালৈ নহালৈকে ৰাখিবলৈ পৰামৰ্শ দিয়ে। গুৰু পুত্ৰই প্ৰহ্লাদক গৃহস্থৰ ধৰ্ম্ম জ্ঞান দিবলৈ যত্ন কৰিলে আৰু গুৰুৰ অনুপস্থিতিৰ সুবিধা লৈ শিশুসবক ভাগৱতৰ কথা কবলৈ ধৰিলে।

প্ৰহ্লাদৰ হৰিভক্তি আছিল অতি গাঢ়। প্ৰহ্লাদে হৰিভক্তি সম্পৰ্কত ব্যক্ত কৰিছে যে সুখ-দুখ মানুহৰ জীৱনৰ চিৰলগৰীয়া। বিষয়ত থকাজলে হৰিক লাভ কৰিব নোৱাৰে। সংসাৰ ভয় দূৰকৰাৰ উপায় হৰিৰ পদসেৱা। পুৰুষৰ আয়ু শত বছৰৰ ভিতৰত নিদ্ৰাত আধা, বিশ বছৰ খেলাধূলাত, বিশবছৰ জৰাত, বাকীৰিনি কাম-ক্ৰোধ-লোভ-মোহত যায়। গৃহসংসাৰ কৰি যুৱা কালৰ পাচত ভগবানক ভক্তি কৰিম বুলি ভবা অনুচিত, কাৰন হয়তো মৃত্যু-সোনকালেই হ'ব পাৰে, গতিকে ভক্তি কুমাৰ কালৰ পৰাই হ'ব লাগে।





অৰ্জিত ইন্দ্ৰিয় সুখ, চেনেহ পাশৰ আকৰ্যন, অৰ্থ-তৃষ্ণা, পত্নীৰ মধুৰ সান্নিধ্য, সুহৃদৰ স্নেহ, বৃদ্ধ-পিতৃ-মাতৃ-দ্ৰব্য-বৃত্তি আদিৰ প্ৰতি আকৰ্যন, অদিত মন অনবৰতে বান্ধখাই থাকে, ভক্তি কৰিবলৈ সুৰুঙা নাই। বেদে কৰ্ম্মীৰ বাবে নানা কৰ্ম্ম নিৰুপন কৰি থৈছে, সকামীয়ে সেইবোৰ কৰ্ম্মত লিপ্ত হৈ প্ৰানী হিংসা কৰি ইন্দ্ৰিয় ভোগৰ বাবে স্বৰ্গলাভৰ বাবে অহৰহ চেষ্টা কৰে, কিন্তু বেদৰ নিজ ধৰ্ম্ম হৰি ভকতিহে। নাৰদৰ কৃপায়ে ভক্তি তত্বৰ জ্ঞান প্ৰহ্লাদে লাভ কৰিলে বুলি শিশু সকলৰ আগত ব্যক্ত কৰে।

দৈত্য শিশু সকলে প্ৰহ্লাদক প্ৰশ্ন কৰিলে যে অন্তেষ পুৰত থাকোঁতে তেওঁ কোনেকে নাৰদক লগ পালে? প্ৰহ্লাদে কলে তেওঁৰ পিতৃয়ে তপস্যা কৰোতে উয়ে খাই মাৰিলে বুলি দেবগনে অসুৰক পৰাজয় কৰিলে আৰু ইন্দ্ৰই তেওঁৰ মাতৃক ধৰি নিয়া দেখি নাৰদে ৰক্ষা কৰিলে। তেওঁৰ গৰ্ভত এটি ভয়ঙ্কৰ পুত্ৰ আছে আৰু জন্ম হোৱা লৈকে ৰাখি পুত্ৰক মাৰি তেওঁক বিদায় দিব বুলি ইন্দ্ৰই কোৱাত নাৰদে কলে যে ঈশ্বৰ হাতত সেই শিশুৰ মৃত্যু নঘটিব বোলাত ইন্দ্ৰ কয়াধুক এৰি দিলে আৰু নাৰদে নিজ আশ্ৰমত ৰাখিলে আৰু তেওঁৰ স্বামী ঘূৰি নহালৈকে তেওঁক ভক্তি জ্ঞান তত্ব দিলে আৰু গৰ্ভত থাকোতেই প্ৰহ্লাদে সেই জ্ঞান লাভ কৰিলে বুলি কলে।

"শ্ৰদ্ধা ভৈলে স্ত্ৰী শূদ্ৰে ইমতে লভয়।" ৩০০।।
পুৰুষৰ সংসাৰ সাগৰ তৰিবাৰ।
নানান শাস্ত্ৰৰ মত আছয় অপাৰ ।।
তাৰ মধ্যে সাৰ কৰি প্ৰভু ভগৱন্ত।
লোকক কৃপায়ে মাত্ৰ আক কহিছন্ত।।" ৩০১।।

নাৰদে কলে- হৰিত সৰ্ব্বকৰ্ম্ম অৰ্পন কৰিব, গুৰু শুশ্ৰূষা কৰিব, মনৰ সকলো সংকল্প কৃষ্ণত অৰ্পন কৰিব আৰু বৈষ্ণৱৰ সঙ্গত ভকতি কৰিব।

"হৰিত অৰ্পন কৰিবেক সৰ্ব্বকৰ্ম্ম।
গুৰুৰ শুশ্ৰূষা জানিবেক মহাধৰ্ম্ম।। ৩০২।।
যত কিছু মনে মিলে হৰিত অৰ্পিব।
বৈষ্ণৱৰ সঙ্গে হৰি ভকতি কৰিব।।" ৩০৩।।

হৰিৰ কথা শ্ৰৱন কৰিব, কীৰ্ত্তন কৰিব, হৰিৰ ভক্তক দেখিব, সকলো প্ৰানীক বহুমান কৰিব।

"একান্ত ভকতি কৰি ভজা ভগৱন্ত।
তেবে আপোনাৰ পদ কৃপায়ে দিবন্ত।।" ৩১২

দেহৰ বাবে কৰ্ম্ম কৰি কিলাভ। দেহ এদিন বিষ্ঠা পলু-ছাইত পৰিনত হ'ত, পুত্ৰ-পত্নী ধন-জন কৰবাত পৰি ৰ'ব। ভগৱন্তক নিষ্কামে ভজিলে ধৰ্ম্ম ধৰ্ম্ম-অৰ্থ-কাম-মোক্ষ ও ভক্তি লাভ হয়-

ধৰ্ম্ম অৰ্থ কাম মেক্ষে যাহাৰ অধীন।

হেন ঈশ্বৰক তোৰা ভজা ৰাত্ৰি দিন।।" ৩১৬।।

দেৱ-ঋষি-যোগিগনে ভগৱন্তক ভক্তি কৰিয়েই তৰি গ'ল। তপ-জপ-কৰ্ম্ম বিৰম্বন মাত্ৰ।

প্ৰহ্লাদৰ মধুৰ কথাত দৈত্যশিশুগন মোহিত হৈ প্ৰহ্লাদক মাজত লৈহৰি কীৰ্ত্তন কৰা শুনি গুৰুৱে ৰজাক জান দিলেগৈ। ৰজাৰ ক্ৰোধ দেখি প্ৰহ্লাদে পিতৃক নানাধৰনে তত্ব জ্ঞান দিবলৈ ধৰিলে-"শৰীৰক ইন্দ্ৰিয়গনক, দমন কৰিব নোৱাৰি দশেদিশ জয় কৰিলো বোলা মিছা কথা। অসুৰৰ ধৰ্ম্ম এৰি, কৰ্ম্ম এৰি সৃষ্টি স্থিতি-লয়ৰ অধিকাৰী কৃষ্ণক ভজা।" হিৰন্যকশিপুৱে মহা ক্ৰোধান্বিত হৈ প্ৰহ্লাদক কলে যে তেওঁৰ ঈশ্বৰ ক'ত আছে? প্ৰহ্লাদে কলে, ঈশ্বৰ সৰ্ব্বত্ৰতে বিৰাজমান। ৰজাই কলে তেন্তে স্তম্ভত তোৰ ঈশ্বৰ কিয় নাই? প্ৰহ্লাদে কলে স্তম্বতো সদায় থাকে। ৰজাই কলে- যদি আছে, কিয় নেদেখি? প্ৰহ্লাদে কলে মই দেখিছো।" হিৰন্যকশিপুৱে মুষ্ঠিৰ প্ৰহাৰ কৰি স্তম্ভত আঘাট কৰিলে।

ব্ৰহ্মাণ্ডক ভেদকৰি ভয়ঙ্কৰ শব্দ নিৰ্গত হ'ল, ব্ৰহ্মা-ইন্দ্ৰ আদি দেবগনে শব্দ শুনি ভয়ত কঁপি উঠিল। দৈত্যেন্দ্ৰয়ো ভয় খালে। ভগৱন্তই ভক্তৰ বাক্য ৰাখিবৰ কাৰনে স্তম্ভতে নৰসিংপৰূপ ধৰি স্বৰ্গলঙঘা আকৃতিৰে দেখা দিলে। পৰ্ব্বৰ গুহাসমমুখ, দীঘল দাঁত, উৰ্দ্ধকৰ্ন, বহলবক্ষ মধ্যদেশ ক্ষীন, দীঘল নখ আদিৰে ভয়ঙ্কৰ মূৰ্তি ধৰি ভগৱন্তই অৱতাৰ গ্ৰহন কৰিলে।

দৈত্যপতি হিৰন্যকশিপুৱে গদাধৰি নৃসিংহক খেদি গ'ল আৰু প্ৰহাৰ কৰিলে। নৃসিংহই হাঁহি মাৰি হিৰন্যক ধৰি পেলালে আৰু মাৰিব পাৰিও নামাৰি লীলা প্ৰদৰ্শন কৰিলে। হিৰন্যকহাতৰ পৰা এৰি দিয়াত পুনু খড়গ ধৰি নৃসিংহক খেদি গ'ল আৰু খড়গ ভাগি থান থান হ'ল। গদা আৰু ধনুৰে পুনৰ আক্ৰমন কৰিলে আৰু গদা ধনু ধ্বংস হোৱাত শূল প্ৰহাৰ কৰিলে। নৰসিংহই নখেৰে শূল সাতখণ্ড কৰিলে। নৰসিংহই বহিললে সাৰঙ্গ ধনুৰে শতকোটি শৰ প্ৰহাৰ কৰিলে আৰু দৈত্যৰ নাকৰ বায়ুয়ে শৰ উৰুৱাই নিলে, কৌমুদকী গদাৰ প্ৰহাৰো উফৰি পৰিল, সুদৰ্শন চক্ৰও দৈত্যৰ ডিঙি মালা হৈহে পৰিল। দুয়োজনে মালবান্ধে অশেষ যুজিলে, মায়া যুদ্ধ কৰিলে, অৱশেষত নৃসিংহই ভকতৰ লগত যুদ্ধলীলা দেখুৱাই কোলাত তুলি লৈ উৰুত থাপিলে, নখেৰে ছিৰি নাড়ীবোৰ উলিয়াই আনিলে আৰু দৈত্যেন্দ্ৰক মাটিত আচাৰি পেলালে।

দৈত্যক বধি নৰসিংহই দৈত্যৰ সিংহাসনত বহিললে দেবহবে দুন্দুভি বজাই পুষ্প বৃষ্টি কৰিলে, ব্ৰহ্মাই, ঋষিগনে, সিদ্ধসবে, বিদ্যাধৰে, নাগগনে, প্ৰজাপতি গনে, গন্ধৰ্ব্বে, যক্ষ-বৈমানিকগনে, কিন্নৰ সকলে নৃসিংহক ভাগে ভাগে স্তুতি মিনতি কৰিলে, কিন্তু ওচৰ চাপিবলৈ কাৰো শকতি নহল।

ব্ৰহ্মাই নৃসিংহৰ খং দমাবলৈ প্ৰহ্লাদক কলে আৰু প্ৰহ্লাদে চৰনত দণ্ডবতে পৰি কৃতাঞ্জলি কৰিলে। নৰসিংহই প্ৰহ্লাদৰ শিৰত হাত দি কৃপা কৰিলে। প্ৰহ্লাদে মহাস্তুতি আৰম্ভ কৰিলে। প্ৰহ্লাদে নৃসিংহৰ খং দমাবলৈ নানাভাবে কাকুতি কৰিলে।





"ইটোঘোৰ ৰূপ দেখি মোৰ ভয় নাই।
সংসাৰ চক্ৰৰ পীড়াতেসে ত্ৰাস পায়।।" ৪১৪।

সংসাৰীজনৰ দুখ-কষ্ট-যান্ত্ৰনা দেখি শুনিহে প্ৰহ্লাদে ভয় খাইছে, নৃসিংহৰ ভয়াবহ মূৰ্ত্তি দেখি নহয়।

"ভৱ নদী মাজে দুখ পাৱে সৰ্ব্বলোক।
কৃপাদৃষ্টি চায়া মোক তাত তৰিয়োক।।" ৪২৪।।

প্ৰহ্লাদৰ কাতৰ মিনতিত নৰসিহ সন্তোষ্ট হৈ- মনোমতবৰ লবলৈ কলে। প্ৰহ্লাদে কলে যে ভক্তই কেতিয়াও বৰ নিবিচাৰে, ভগৱন্তত ভক্তিহে বিচাৰে। তথাপি নৰসিংহই প্ৰহ্লাদক এক মন্বন্তৰ কাল ভগৱানৰ নামলৈ ৰাজভোগ কৰিবলৈ কলে।

প্ৰহ্লাদে বৰ নলওঁ বুলিয়ো এটা বৰ প্ৰাৰ্থনা কৰিলে- যে তেওঁৰ পিতৃয়ে ঈশ্বৰক বহুনিন্দা কৰিলে- গতিকে পাপৰ পৰা উদ্ধাৰ হয় যেন। নৃসিংহই প্ৰহ্লাদৰ একৈশ পুৰুষ নিস্তাৰ হবলৈ বৰ দিলে আৰু পিতৃৰ মৃতকাৰ্য্য কৰিবলৈ কৈ ভবিষ্যতে এনে বৰ নিদিবলৈ ব্ৰহ্মাকো পৰামৰ্শ দিলে আৰু আন্তৰ্দ্ধান হ'ল। নৃসিংহৰ বাক্য পালি প্ৰহ্লাদে পিতৃৰ প্ৰেতকাৰ্য্য সমাপন কৰি ৰাজসিংহাসনত বহিল আৰু ব্ৰহ্মাদি দেব গন নিজস্থানে গমন কৰিলে।

**(৬) হিৰন্যকশিপু আৰু হিৰনাক্ষৰ পৰবৰ্তী জন্মঃ-**

জয়-বিজয়ক ভগৱন্তই মৰ্ত্যত জন্ম গ্ৰহন কৰি পুনৰ বৈকুণ্ঠৰ দুৱাৰত উপনীত হবলৈ কোৱাত জয়-বিজয়ে ভগৱন্তক অতি সোনকালে পাব বিচাৰিলে। মিত্ৰভাৱে তেওঁলোকে সাতবাৰ জন্ম গ্ৰহন কৰি আৰু বৈৰভাৱে তিনিবাৰ জন্ম গ্ৰহন কৰি পুনৰ বৈকুণ্ঠ পাব বুলি কোৱাত তেওঁলোকে বৈৰভাৱে ভগৱন্তক চিন্তিবলৈ সিদ্ধান্ত কৰিলে। প্ৰথত জন্মত হিৰন্যকশিপু আৰু হিৰৱন্যাক্ষৰূপে জন্ম গ্ৰহন কৰি ভগৱন্তৰ বৈৰতা আচৰন কৰি মৃত্যু হয়।

দ্বিতীয় বাৰ বিশ্ৰবা আৰু নৈকেষীৰ পুত্ৰ হিচাবে ৰাবন-কুম্ভ কৰ্নৰূপে জন্মে। ৰামৰ শৰত চেওঁলোকে প্ৰান এৰে। তৃতীয় বাৰ শিশুপাল-দন্তবক্ৰ নামলৈ দ্বীপৰ যুগত জন্ম গ্ৰহন কৰি কৃষ্ণ বিদ্বেষী হৈ প্ৰান এৰে।

**(৭) বৈৰ ভক্তিৰ মাহাত্ম্যঃ-**

হিৰন্যকশিপু আৰু হিৰন্যাক্ষই বিষ্ণুৰ দ্ৰোহ আচৰন কৰিলে আৰু বিষ্ণু-নিন্দাত ব্ৰতী হৈছিল, ৰাবন-কুম্ভকৰ্নই ভগৱন্তৰ অবতাৰী ৰামৰ অহিত চিন্তা কৰি আৰু নানাভাৱে নিন্দা-ভৎসনা কৰিছিল আৰু শিশুপাল দন্তবক্ৰই কৃষ্ণ নিন্দাত মুখৰ হৈছিল, কিন্তু ৰাজসূয় যজ্ঞত কৃষ্ণ নিন্দা বিদ্বেষত ৰত হৈছিল যদিও তেওঁলোকৰ জিভাত কুষ্ঠ ৰোগনহৈ চতুৰ্ভূৰ্জ মূৰ্ত্তি ধৰি বৈকুণ্ঠ গতিহে পালে। কংসই বৈৰ ভাৱে চিন্তি মুক্তি লাভ কৰিলে, কিন্তু বেনে কৃষ্ণ-নিন্দা, বিদ্বেষ, অত্যাচাৰ কৰি মৃত্যু হব লগা হ'ল। গতিকে ভগৱানক শত্ৰু হিচাবে বা বৈৰী হিচাবে লৈ কিয় গতি পালে বা কোনো জনে নাপালে- এই তত্ব সম্পৰ্কে

যুধিষ্ঠিৰে নাৰদক প্ৰশ্ন কৰাত নাৰদে তাক যথাযথ উত্তৰ দিলে-

"যেনমতে শীঘ্রে বৈৰ ভাৱে পাৱে হৰি।
তেমনে নাপাৱে ভক্তি যোগক আচৰি।।"২৭

কষ্ণক বৈৰ ভাৱে চিন্তা কৰিলে নিন্দাকৃত পাপ চিন্তনত দূৰ হয়। কামে দ্বেযে-ভয়ে-স্নেহে-যিমতেই ভগৱন্ত ভক্তি নকৰক কৃষ্ণক লাভ কৰিব পাৰে।

"যেনমতে ভক্তি কৰি কৃষ্ণক ভজয়।
কামে দ্বেযে ভয়ে স্নেহে তেমনে পাৱয়।।" ২৯

গোপীয়ে কামভৰে, কংসই ভয়ভাৱে, যাদৱে-বক্র সম্বন্ধভাৱে-কৃষ্ণক ভজি মুক্তি পালে। বেনে কিন্তু কৃষ্ণধ্যান কোনো প্ৰকাৰে নকৰিলৈ।

শত্ৰুভাৱ বা বৈৰভাব- তামসিক ভাবহে, ই সাত্বিক ভাব হব নোৱাৰে। ভগৱন্তৰ কোনো শত্ৰু নাই, কৃষ্ণক নিন্দা কৰিলেও কৃষ্ণই নিন্দুকৰ প্ৰতি বিদ্বেষ ভাব পোযন নকৰে। নিন্দা-ভৎসনা-হিংসা-অভিমান দেহৰ হে, আত্মাৰ নহয়। আত্মা-পৰমাত্মাৰ অংশ, গতিকে ঈশ্বৰক পাৰ্থিব দোষে স্পৰ্শ নকৰে।

(৮) **সপ্তম স্কন্ধৰ তাৎপৰ্য্যঃ-**

সপ্তম স্কন্ধৰ কাহিনী ফলকত হিৰন্যকশিপু আৰু হিৰন্যাক্ষখ বধকৰিবৰ বাবে ভগৱন্তই দুবাৰ অবতাৰ লব লগা হয়, বৰাহ অৱতাৰ লৈ হিৰন্যাক্ষক আৰু নৰসিংহ অবতাৰ লৈ হিৰন্যকশিপুক নিধন কৰা হৈছে। হিৰন্যকশিপুৰ অৱতাৰত ভক্ত প্ৰহ্লাদৰ বিষ্ণু ভক্তিৰ মাহাত্ম্য প্ৰদৰ্শন কৰা হৈছে। প্ৰহ্লাদৰ ভক্তিৰ উৎস হৈছে-নাৰদৰ সৎসঙ্গ লাভ কৰা। ৰামায়নৰ কাহিনী ফলক তত্বগধুৰ।

বৈকুণ্ঠৰ দুৱৰী জয়-বিজয়ক অভিশাপ দিওৱাৰ আৰু চাৰি সিদ্ধক বৈকুণ্ঠলৈ নিয়াৰ পৰিকল্পনা ভগৱানৰে কৰ্ম্ম। জগতত ন্যায় অন্যায়ৰ বিচাৰ বিশ্লেযন, ধৰ্ম্ম-অধৰ্ম্মৰ প্ৰভাৱ, আত্ম-তত্ব-জ্ঞান, লোকক দিবৰ কাৰনে ভগৱানে কাৰ্য্য-কাৰন সৃষ্টি কৰি অৱতাৰ গ্ৰহন কৰা, ভগৱন্তৰ কৰ্ম্মলীলা। নামঘোষাত মাধবদেৱে লিখিছে-

"পৰম দুবেৰ্বাধ্য আত্মতত্ব তাৰ জ্ঞান হেতু হৰিযত
লীলা অৱতাৰ ধৰা তুমি কৃপাময়।"

আত্মজ্ঞান দিবৰ কাৰনেই তেওঁ-সুষ্টি-স্থিতি-লয়-অবতাৰ কৰ্ম্ম কৰে। ভকত ভগৱন্তৰ অতিপ্ৰিয়, ভকতৰ বাক্য ভগৱন্তই ৰক্ষা কৰে, ভকতেই ভগৱান ভকতে যত ভগৱন্তৰ গুন-গান কৰে সেয়ে বৈকুণ্ঠ। ভকতৰ সঙ্গলৈ যোৱা জনক বাধা দিয়া জন-জয়-বিজয়। ভকতৰ সঙ্গবিচাৰি যোৱা সকলে নিয়ম-সংযম পালন কৰা উচত, তেওঁলোকেও লোকৰ দোষ চাই দণ্ড বিহিব লাগে, লঘুদোষত গুৰু দণ্ড কৰা অনুচিত। চাৰি সিদ্ধৰ এনে দোযে ঘৰৰ মূৰব্বীকো স্পৰ্শ কৰে। ঈশ্বৰ কৃষ্ণই জয়-বিজয়ৰ দোষ মূৰপাতি গ্ৰহন কৰিছে। ভকতক উগ্ৰদণ্ড দিলেও ভকতে ভগৱন্তৰ সান্নিধ্য এৰিব নোৱাৰে, জয়-বিজয়েও শাপ গ্ৰস্ত হৈ ভগৱন্তকহে চিন্তা কৰি থাকিব বুলি কৈছে- সেই চিন্তনেই





বৈৰ-ভক্তি, যাক তিনিজন্মত জয়-বিজয়ে অভ্যসন কৰিছিল।

মাতৃ গৰ্ভত থকা শিশুৱেও মাতৃয়ে দেখা-শুনা-ভবা-কথাবোৰ হৃদয়ঙ্গম কৰে। সেইবাবে গৰ্ভৱতী নাৰীয়ে সন্ত-মহন্তৰ সান্নিধ্যত থাকিব লাগে। নাৰদ সৎসঙ্গ, প্ৰহ্লাদৰ মাতৃয়ে নাৰদৰ সান্নিধ্য লাভ কৰি পৰম বৈষ্ণৱ পুত্ৰ লাভ কৰিলে কৃষ্ণ ভক্তক আধিভৌতিক, আধ্যাত্মিক দুখ কষ্টই আৰু তাপে স্পৰ্শ কৰিব নোৱাৰে। দুৰ্ঘোৰ শাস্তিয়েও ভক্ত প্ৰহ্লাদক বিনাশ কৰিব নোৱাৰিলে।

জগতৰ অতি ভয়াবহ মূৰ্ত্তি হৈছে- সংসাৰ চক্ৰত জীৱৰ অশেষ যান্ত্ৰনা। নৃসিংহৰ ভয়ঙ্কৰ মূৰ্ত্তি আৰু খং দেখি প্ৰহ্লাদে ভয় কৰা নাই বুলিছে, ভয় কৰিছে সংসাৰৰ জীৱৰ বিলৈ দেখিহে। সংসাৰৰ সকলো প্ৰানী পদাৰ্থতে ভগৱান ব্যাপ্ত হৈ থাকে। দ্বৈতজ্ঞানৰ বাবেহে তেওঁক দেখা পোৱা নাযায়। মায়া দূৰ হলে ভগৱান সৰ্ব্বত্ৰতে দৰ্শন। হিৰন্যকশিপুৱে স্ফটিকৰ স্তম্ভত ভগৱানক দেখা পোৱা নাছিল, কিন্তু প্ৰহ্লাদৰ অন্ত দৃষ্টিত ভগৱন্ত ধৰা দিছিল বাবেই নৰসিংহৰূপে ভগৱান প্ৰকটিত হ'ল।

সংসাৰ-সাগৰত ডোব যোৱা সকলৰ তৰনৰ একমাত্ৰ পথ ভগৱন্ত কৃষ্ণত ভক্তি। দেহত থকা শত্ৰু সমূহ, ৰিপুবোৰ, শৰীৰৰ শত্ৰুক দমন বা জয় কৰিব নোৱাৰিলে দশোদিশ জয় কৰিছোঁ বোলা কথা পাগলামিহে। নিজেই নিজৰ শত্ৰু, পৰ বুলি ভবাটো মুৰ্খামি। ভগৱানক দৃঢ় বিশ্বাসেৰে ভক্তি কৰিলে সংসাৰ বান্ধোনৰ পৰা পৰিত্ৰান পাব পাৰি। এক ভগৱানৰ বাহিৰে বাকী সকলো দেবদেবীত শৰন লোৱা, প্ৰবৃতি সমূহৰ অনুকুলে চলা, ইন্দ্ৰিয় সুখ উপভোগ কৰা, ৰাজসিক-তামসিক গুনৰ অধীন হৈ অহঙ্কাৰত মত্ত হোৱা আদিবোৰ বামানয় শাস্ত্ৰৰ সাধন মাৰ্গ। বামানয় শাস্ত্ৰৰ মোহপাশত আবদ্ধ নাথাকি ঐকান্তিক প্ৰেমভক্তিৰ সাগৰত সংসাৰীয়ে-স্নান-পান-আচমন কৰা উচিত।

।।ঃ ঃ ঃ ঃ।।

## ।। অষ্টম স্কন্ধ ।।

**মূল বিষয়ঃ-**

গোপাল চৰন দ্বিজ বিৰচিতঃ-

(১) মন্বন্তৰৰ বৰ্ননা।

(২) গজেন্দ্ৰোপাখ্যান।

শঙ্কৰ দেৱ বিৰচিতঃ-

(৩) অমৃত মন্থন।

(৪) হৰমোহন।

(৫) বলিছলন।

কমল লোচন বিৰচিতঃ-

(৬) ভগৱন্তৰ মৎস্যাবতাৰ।



**গোপালচৰন দ্বিজ বিৰচিতঃ-**

(১) **মন্বন্তৰৰ বৰ্ননা ঃ-**

ভগৱন্তই জগতত সত্যধৰ্ম্ম প্ৰবৰ্ত্তন কৰি সমস্ত প্ৰজাৰ স্বধৰ্ম্ম ৰক্ষাৰ বাবে চৈধ্যজন মনুৰ সৃষ্টি কৰিছিল। স্বয়ম্ভুৰ, স্বাৰোচিত, উত্তম, তামস ৰেৱত, চাক্ষুষ এই ছয়জন মনুৱে দেবাদিৰ সৃষ্টি হয়। স্বায়ম্ভুৰ মনুৰ দুই কন্যা আকুতি, প্ৰকুতি আৰু দেৱহুতিৰ মাধৱত ভকতি হোৱাৰ বাবে দুয়োৰো পৰা লক্ষ্মীপতি কৃষ্ণই জন্ম লাভ কৰিছিল। দেবহুতিৰ পুত্ৰ কপিল আৰু ৰুচি আৰু আকূতিৰ পুত্ৰ যজ্ঞ ভগৱানৰ অবতাৰ। কপিলে মাতৃক মহাজ্ঞান দি উদ্ধাৰ কৰিলে আৰু যজ্ঞক মনুৱে নিজ গৃহলৈ আনি হৰিনাম দান কৰিলে। স্বায়াম্ভুব মনু আৰু পত্নী শতৰূপাই সুনন্দানদীত তপকৰি এশ বছৰ কটালে আৰু সমাধি ধৰি লোকক কৃপা কৰিবলৈ ব্ৰহ্ম বিষয়ৰ তত্ব-জ্ঞানৰ শিক্ষা ব্যক্ত কৰিছিল। অসুৰ ৰাক্ষসে মনুক খাবলৈ খেদি গ'ল। ভক্তক ৰক্ষা কৰিবলৈ যজ্ঞই নিজ পুত্ৰ যাম সকলক লৈ অসুৰ-ৰাক্ষস গনক নিৰ্ম্মূল কৰিলে। এই খিনি কথা শুকে পৰীক্ষিতক কয়। মনু,ঋষি, দেব, মনুৰ পুত্ৰ, মাধৱৰ অৱতাৰ, ইন্দ্ৰ এই ছয়বিধ মন্বন্তৰৰ কথা পাছত বৰ্নিত হ'ব। মনুৰ পুত্ৰ প্ৰিয়বত আৰু উত্তান পাদ, মৰীচি প্ৰমুখ্যে সপ্তঋষি, কৃষ্ণই যজ্ঞ অবতাৰ ইন্দ্ৰ হৈ তিনি ত্ৰৈ লোক্যৰ অধীশ্বৰ হৈছিল। অগ্নিৰ পুত্ৰ স্বাৰোচিষ দ্বিতীয় মনু। এওঁৰ পুত্ৰ-দ্যুমৎ,সুযেন, ৰোচিষ্মৎ আৰু ইন্দ্ৰই ৰোচন নামলৈ বেদমন্ত উচ্চাৰন কৰে। এই দৰে প্ৰিয়বতৰ পুত্ৰ তৃতীয় মনু হয়, বশিষ্ঠৰ পুত্ৰ, সত্যব্ৰত আদি সকলে প্ৰচাৰ কৰি হ'ল। যি হৰিয়ে গ্ৰাহৰ মুখৰ পৰা গজেন্দ্ৰক উদ্ধাৰ কৰিলে সেই হৰিৰ মাহাত্ম্য তেৰাসবে জগতত সুদৃঢ় কৰি থৈ গ'ল। পৰীক্ষিতে শুকৰ পৰা গজেন্দ্ৰৰ মুক্তিৰ বিষয়ে জানিব বিচাৰিলে- আৰু কৃষ্ণ কথা কবলৈ ধৰিলে-।

(২) গজেন্দ্ৰোপাখ্যান ঃ-

**গজেন্দ্ৰ উপাখ্যানৰ মূল কহিনীৰ অংশ বোৰ হৈছে ঃ-**

(১) চিত্ৰকূটৰ প্ৰকৃতিক সৌন্দৰ্য্যৰ বৰ্ননা।

(২) গজেন্দ্ৰ আৰু গ্ৰাহৰ পৰ্ব্বজন্মৰ কথা।

(৩) গজেন্দ্ৰ আৰু গ্ৰাহৰ যুদ্ধ।

(৪) গজেন্দ্ৰৰ বিষ্ণু-স্তুতি ও বিষ্ণুৰ কৃপালাভ আৰু মুক্তি।

(১) **চিত্ৰকুটৰ প্ৰাকৃতি সৌন্দৰ্য্যৰ বৰ্ননাঃ-**

ক্ষীৰ সাগৰৰ বক্ষত চৌদিশে পৰ্ব্বতে আগুৰি থকা ত্ৰিকুট পৰ্ব্বতৰ কান্তিয়ে দশোশি উজ্জল কৰি ৰাখিছে। দুই হাজাৰ পথ জুৰি বিৰাজমান এই পৰ্ব্বতৰ তিনিটা শৃঙ্গৰ ভিতৰত এটা সুবৰ্নৰ আৰু আন দুটা ৰূপৰ। সেই বাবে ইয়াৰ নাম ত্ৰিকুট। নানা লতা মণ্ডপে পাহাৰ ছানি আছে আৰু বিভিন্ন উজ্জ্বল ৰত্নৰ চিক মিকনি পাহাৰৰ পৃষ্ঠ ভাগত প্ৰকাশমান হৈ আছে। ফলে-ফুলে ভৰাবৃক্ষচয়ে, স্ৰোতস্বিনী, সৰোবৰ ৰাখিয়ে চতুৰ্ভিত অলঙ্কৃ হৈ মনোৰম দৃশ্যৰ সৃষ্টি কৰিছে। সুবাসিত বায়ুয়ে গিৰি-গুহা-উপবন

মুখৰিত কৰি তুলিছে. বিদ্যাধৰৰ গীত, কলকণ্ঠী পক্ষীৰ আৰাৱে চিত্ৰকুটৰ আকাশ-বতাহ ছানি পেলাইছে, ভোমোৰাৰ মধুৰ গুঞ্জনে চৌদিশে গুঞ্জন তুলিছে, হ্ৰদবোৰত মৎস্য-কচ্ছপবোৰে আনন্দেৰে ভ্ৰমি ফুৰিছে, মুঠতে অনিন্দ-সুন্দৰ-পৰিবেশ সৃষ্টি কৰি চিত্ৰকুটৰ নৈসৰ্গিক সৌন্দৰ্য বঢ়াই তুলিছে।

চিত্ৰকুট পৰ্ব্বতৰ সমস্ত পৰিবেশক ৰূপক হিচাবে লৈ বৈচিত্ৰময় সংসাৰৰ এটি নিতুল ছবি মনৰ মাজত ভাঁহি উঠে। ক্ষীৰ সাগৰ সংসাৰ, ত্ৰিকুট পৰ্ব্বত তিনিতাপে আৰু তিনি গুনে আগুৰি থকা সংসাৰ বা বিষয় বাসনা বা মায়াৰ প্ৰহেলিকা, তিনিটা শৃঙ্গ-তিনিগুন, সুবৰ্নশৃঙ্গ-সত্বগুন, ৰজত শৃঙ্গদ্বয় ৰজঃ আৰু তম গুন, নানা তৰহৰ বৃক্ষ-ফল-ফুল-হ্ৰদ বোৰ সংসাৰৰ বিভিন্ন ইন্দ্ৰিয় উপভোগ, পক্ষী, ভোমোৰাৰ গুঞ্জন-শব্দাদি পঞ্চতন্মত্ৰ, এনে সংসাৰৰ মাজতেই মনৰূপী গজেন্দ্ৰই আৰু গ্ৰাহৰূপী মহাকালে একেলগে বাস কৰে।

**(২) গজেন্দ্ৰৰ আৰু গ্ৰাহৰ পূৰ্ব্বজন্মৰ কথা ঃ-**

হৰিভক্ত দ্ৰাবিড় দেশত বিষ্ণুভক্ত ইন্দ্ৰদ্যুম্ন নামেৰে এজন ৰজা আছিল, তেওঁ ৰাম-কৃষ্ণ নামলৈ প্ৰলয় পৰ্ব্বতত মৌন ব্ৰত ধৰি কাল কটায়। এদিন অগস্ত্য মুনি ৰজাৰ ওচৰত উপস্থিত হোৱাত তেওঁ মৌনব্ৰতত ব্ৰতী হৈ থকাৰ বাবে মুনিক নেদেখিলে বাবে শুশ্ৰূষা কৰা নহ'ল। অগস্ত্যই খং কৰি ৰজাক হস্তী হ'বলৈ শাপ দিলে। ৰজাই লগেলগে তামসিক জন্ম অৰ্থাৎ হস্তী জন্ম লাভ কৰি ত্ৰিকুট পৰ্ব্বতৰ হ্ৰদ আদিত স্নান কৰি মহাসুখে হস্তী-হস্তীনী- সঙ্গে কাল কটাইছিল।

হুহু নামে গন্ধৰ্ব্বই স্ত্ৰী সকলকলৈ এদিন জলক্ৰীড়া কৰি আনন্দত আত্মহাৰা হৈ আছিল। সেই সময়তে দেৱল ঋষিয়ে হ্ৰদত নামি স্নান কৰিলে আৰু ব্ৰহ্মক চিন্তি থাকোতেই দেৱল ঋষিক ভৰিত টানি জলৰ মাজলৈ নিয়াত মুনিয়ে খঙৰ বেগত গন্ধৰ্ব্বক গ্ৰাহ হ'বলৈ শাপ দিয়ে আৰু বিষ্ণু মৰি তাৰ পৰা আতৰি যাবলৈ ধৰোতেই গন্ধৰ্ব্বই কুকুতি মিনতি কৰিলত মুনিয়ে কলে যে গজেন্দ্ৰক এনেদৰে ধৰিলেই হৰিয়ে উদ্ধাৰ কৰিব। সেইদিন ধৰি ত্ৰিকুট পৰ্ব্বতৰ মাজত থকা হ্ৰদত গ্ৰাহ হৈ হুহুয়ে বাস কৰিবলৈ ধৰিলে আৰু গজেন্দ্ৰৰ অপেক্ষাত ঈশ্বৰক চিন্তি থাকিল।

**(৩) গজেন্দ্ৰ আৰু গ্ৰাহৰ যুদ্ধ ঃ-**

মহাপ্ৰতাপেৰে ঘোৰ অহঙ্কাৰ কৰি গজেন্দ্ৰই হস্তীনী গনক লৈ বনে বনে উন্মত্তৰ দৰে ঘূৰি ফুৰে। সকলো বন্যজন্তু, সৰ্পগন,আদিয়ে গজেন্দ্ৰৰ ভয়ত পলাই পলাই জীৱন অতিবাহিত কৰিছিল। হস্তী-হস্তীনী সহ গজেন্দ্ৰই পানী খাবলৈ এদিন হ্ৰদত নামিছিল আৰু ভাৰ্য্যা পুত্ৰাদিক লৈ আনন্দ মনেৰে জল-বিহাৰ কৰিছিল। সেই সময়তে মহাগ্ৰাহে গজেন্দ্ৰৰ ভৰিত ধৰি জলৰ মাজলৈ টানি নিলে আৰু গজেন্দ্ৰই বামত উঠিবৰ কাৰনে সমস্ত শক্তি প্ৰয়োগ কৰিলে, লগৰ হস্তী-হস্তীনীবোৰেও টানিছিল যদিও গ্ৰাহৰ মুখৰ পৰা উদ্ধাৰ কৰিব নোৱাৰিলে। ফলতঃ দুয়োৰে মাজত ভয়ঙ্কৰ যুদ্ধ আৰম্ভ হ'ল। লগৰীয়াবোৰে গজেন্দ্ৰক এৰি হ্ৰদৰতীৰত থাকিল আৰু গজেন্দ্ৰই অকলে সমস্ত শক্তি প্ৰয়োগ কৰিও আশ্ৰয় হীন হৈ বুজি উঠিল যে বিপদ সমুদ্ৰৰ পৰা উদ্ধাৰ কৰোঁতা নাৰায়নৰ বাহিৰে কোনো নাই বুলি কৃষ্ণত শৰণ ললে। গজেন্দ্ৰই পূৰ্ব্ব জন্মত যি বিষ্ণু তত্ব-জ্ঞান লাভ কৰিছিল, সেই সমস্ত কথা তেওঁৰ সোঁৱৰন হ'ল আৰু গজেন্দ্ৰই কৃষ্ণক স্তুতি কৰিবলৈ ধৰিসে।

**(৪) গজেন্দ্ৰৰ বিষ্ণু স্তুতি ও কৃষৰ কৃপালাভ আৰু মুক্তি ঃ-**

হে প্ৰভু মোক মহাকালৰূপী গ্ৰাহে ভৰিত কামোৰ মাৰি ধৰি আছে, এই কায়েৰে তোমাক নমস্কাৰ কৰাৰ পাত্ৰ মই নহলো বাবে মনেৰে নমস্কাৰ কৰিলো।

"নমো নমো চেতন্য মূৰুতি সনাতন।
যাৰ সকামত দেহ আদিৰ চেতন।।১৩২।।
হৃদিত কাৰন ৰূপে প্ৰকাশি আছন্ত।
পুনশ্চ প্ৰনামো হেন প্ৰভু ভগৱন্ত।।

ভগৱন্ত ঈশ্বৰৰ অপাৰ মহিমা কৰ্ম্মলীলা গুনাৱলী বিস্তৃতভাৱে বৰ্নাই গজৰাজে স্তুতি কৰিলে। গজেন্দ্ৰৰ অদ্ভুত তুতিত ভগৱন্ত সন্তোষ্ট হৈ ভকতক উদ্ধাৰ কৰিবলৈ দেবগনক লগত লৈ গৰুণ্ডৰ স্কন্ধে হৰি অৱতাৰ হ'ল।

"অদভূত তুতিক শুয়ি কৃপাময়।
ভকতৰ দুখে আতি ব্যথিত হৃদয়।।"১৮৬।।

হৰিক দেখি গজেন্দ্ৰই আথেবেথে পদ্ম লৈ নমস্কাৰ জনালে। চক্ৰধাৰী ঈশ্বৰক গৰুড়ৰ স্কন্ধত দেখা পাই গজেন্দ্ৰই আৰ্ত্তনাদ কৰি কৃষ্ণৰ চৰন চিন্তিলে। হৰিয়ে গৰুড়ৰ পৰা নামি গ্ৰাহ সমন্বিতে গজেন্দ্ৰক হ্ৰদৰ পাৰলৈ টানি আনিলে আৰু গ্ৰাহৰ মুখফালি গজেন্দ্ৰক উদ্ধাৰ কৰিলে।

কৃষ্ণৰ কৃপালাভ কৰি গজেন্দ্ৰই নিজ শৰীৰ এৰি দিব্য পাৰিষদী তনু লাভ কৰিলে। মহা দিব্যৰূপ প্ৰাপ্ত হোৱাত হৰিৰ দৰে মনোহৰ হৈ দেখা দিলে, মাত্ৰ তেওঁৰ দেহত শ্ৰীব্যস আৰু কৌস্তভ মনিহে নাই। তেওঁ মাধবৰ পাৱত প্ৰনাম জনালে। ভগৱন্তই গজেন্দ্ৰক মুক্তি দি কলে- চিত্ৰকুট পৰ্ব্বতৰ তিনি শৃঙ্গৰ ভিতৰত সুবৰ্নময় শৃঙ্গত ভহৱন্তই বিৰাজ কৰে, বাকী ৰজত শৃঙ্গদ্বয়ত হৰ আৰু ব্ৰহ্মাৰ স্থান। ক্ষীৰৈদ সাগৰ ভগৱনৰ অতি প্ৰিয় স্থান, হৈ দ্বিতীয় বৈকুণ্ঠ। এই মহাজ্ঞান দান কৰি গৰুড়ত চৰি বৈকুণ্ঠলৈ গতি কৰে আৰু গজেন্দ্ৰয়ো পাৰিষদ হৈ লগতে বৈকুণ্ঠ গোমী হয় আৰু গজেন্দ্ৰ মোক্ষন সাধন হয়।

গজেন্দ্ৰোপাখ্যানৰ তাৎপয্যঃ-

গজেন্দ্ৰপাখ্যানৰ মূল তত্ব ভগৱানৰ ওচৰত আৰ্তভক্তিৰে একান্ত শৰনাগত হোৱা শৰনা গতি লাভ। পূৰ্ব্বজন্মৰ সংস্কাৰে পৰবৰ্তী জন্মত তাৰ ফলাফল দিয়ে। ইন্দ্ৰদ্যুম্ন ৰজা একান্ত বিষ্ণুভক্ত হৈয়ো হাতীৰ জন্ম পোৱাটো বিধিৰ বিভম্বনা। ইন্দ্ৰদ্যুম্নৰ ভুল হৈছিল, বিষ্ণুক চিন্তাকৰি থাকিলেও একে বিষ্ণুঅংশী জনক অবহেলা কৰা অনুচিত।

অভ্যাগতৰ প্ৰতি থাকিব লগীয়া সামান্যতম সৌজন্যতা খিনি ৰজাই পাহৰি যাবনালাগিছিল। ভক্তক ভগৱালে তন্নতন্নকৈ পৰীক্ষা কৰে, পৰীক্ষাৰ অন্তত ভক্তই ভগৱন্তক দৃঢ়ভাৱে গ্ৰহন কৰে। হুহু গন্ধৰ্ব্বই সংসাৰ উপভোগত মগ্ন হৈ সিদ্ধ পুৰুষৰ প্ৰতি আনুগত্য প্ৰদৰ্শন কৰাৰ পৰিবৰ্তে অত্যাচাৰ হে কৰিলে, যাৰ ফলত ঘড়িয়ালৰ দৰে নিম্নস্তৰৰ জন্ম লব লগা হ'ল। গজেন্দ্ৰই স্ত্ৰী সঙ্গত কৰা আস্ফালন আৰু শক্তিৰ বলত কৰা অহঙ্কাৰৰ মানস্বৰূপে মহাকাল সদৃশ গ্ৰাহৰ গ্ৰাসত পৰিল আৰু গ্ৰাহয়ো গন্ধৰ্ব জন্ম পাই হৰি সেৱা এৰি ভক্তৰ বিঘ্নিসংঘটিত কৰাৰ ফলত শাস্তি পালে যদিও দেৱল ঋষিৰ ওচৰত নিজৰ দোষৰ বাবে ঋষিক ক্ষমা ভিক্ষা কৰাৰ বাবে ভগৱন্তৰ হাতত পুনৰ জীৱন লাভ কৰিলে। গজেন্দ্ৰৰ পত্নী-বন্ধু-পুত্ৰ সকলে বিপদকালত গজেন্দ্ৰক অকলে এৰি দিলে, পুত্ৰ-ভাৰ্য্যা-মিত্ৰ যে ক্ষনস্থায়ী তাৰে প্ৰমান দিলে।

হস্তীৰ জন্মতো ভক্তিৰ দ্বাৰা মুক্তিলাভ হয়, ঘড়িয়ালৰ জন্মলৈও ভগৱন্তৰ সান্নিধ্য লাভ কৰিবপৰা হয়, ঘড়িয়ালৰ জন্মলৈও ভগৱন্তৰ সান্নিধ্য লাভ কৰিব পৰা হয়,মনুষ্য জন্মত তেনেক্ষেত্ৰত মুক্তি লাভ কৰা অতি সহজসাধ্য। হুহু গন্ধৰ্ব্ব আৰু গজেন্দ্ৰৰ কাম ভাবৰ অসাৰতা প্ৰতিপন্ন হৈছে। হুহু গন্ধৰ্ব্বই জলক্ৰীয়াত মগ্ন হৈ হিতাহিত জ্ঞান হেৰুৱাই দেৱল ঋষিক অত্যাচাৰ কৰা কাৰ্য্য অতি অন্যায়।

ইন্দ্ৰদ্যুম্নই ৰাম কৃষ্ণনামত গুৰুত্ব দিছিল বাবে জন্মান্তৰত ভগৱানে মোক্ষদান কৰিলে।

"নামেসে পৰম ধনু নামে হৌক মোৰ মন
নামে সমে সাধু সঙ্গহৌক।
নাম গাইবো দিনে ৰাতি তযু পাৰে দিয়ামতি
এহি কৃপা কৰা প্ৰভু মোক।।" ১১৪।।

গজেন্দ্ৰই মহাবিপদত পৰিত্ৰানৰ বাবে হৰিত শৰন ললে আৰু শৰনৰ বলতে গজেন্দ্ৰই মুক্তি পালে। প্ৰতেকে শৰনৰ মূল্য অতি গুৰুত্বপূৰ্ন।

"যি লৱে শৰন ৰাখা নাৰায়ন
সি যায় সুখে নিস্তাৰি।।" ৬৩।।
"ভকতিৰ বীজ শৰনেসে নিজ
প্ৰেমানন্দ আৰ ফল।
শৰন বিনাই ভকতি কৰয়
এঁৱা ঘটে যেন জল।।" ৬৪।।

কলিযুগত কৃষ্ণত একান্ত শৰন লৈ হৰিনামক সাৰ হিচাবে লৈ দুৰ্ঘোৰ সংসাৰ সাগৰৰ পৰা পৰিত্ৰান পাব পাৰি।

"কলিযুগে ধৰ্ম্ম আন নাই নাই
হৰিনাম বিনে আৰ।





দুৰ্ঘোৰ সংসাৰ যদি হৈবা পাৰ
নামক কৰিয়ো সাৰ।।" ৬৭।।

ভকতিৰ সমান উপকাৰী, ভকতৰ সমান বলী আন একো নাই। ভগৱন্ত ভকত বৎসল।

"ভকতি সমান আন নাহি উপকাৰী।।"
"ভকতিৰ বলে তভো ভকতে জিনন্ত।।" ১৯৬।।
"ভগৱন্ত সম নাহি ভকত বৎসল।
"কেমনে পাসৰা তান চৰন কমল।।" ১৯৮।।
সমস্ত উপায় তুমি জানা নাৰায়ন।।" ২০০।।

(৩) **অমৃত মন্থন (সাগৰ মন্থন) ঃ-**

'অমৃত মন্থন' কহিনী মহাভগৱতৰ অমৃতময় কাহিনী। এই কাহিনীৰ মূল অংশ বোৰ হৈছে-

(১) দুৰ্ব্বসাৰ অভিশাপঃ স্বৰ্গৰ পৰা লক্ষ্মীভ্ৰষ্ট।।
(২) ব্ৰহ্মাদি দেবগনৰ শ্ৰীহৰিক স্তুতি।
(৩) ক্ষীৰ সাগৰ মন্থন কৰিবলৈ বিষ্ণুৰ পৰামৰ্শ।
(৪) দেৱ-দৈত্যৰ বন্ধুত্ব আৰু মন্দৰ গিৰি পৰ্ব্বত উতোলন।
(৫) ভগৱন্তৰ সহায়ত দেব-দৈত্যৰ সাগৰ মন্থন, কুৰ্ম্ম অৱতাৰ।
(৬) সাগৰ মন্থনত উথিত সম্পদ সমূহ আৰু বন্টন।
(৭) মোহিনীৰূপে দেবতাক অমৃত দান আৰু দৈত্যসকলক বঞ্চনা।
(৮) দেবাসুৰৰ যুদ্ধঃ- দৈত্যসবৰ পাতাল প্ৰবেশ।
(৯) সাগৰ মন্থনৰ তাৎপৰ্য্য।

(১) দুৰ্ব্বাসাৰ অভিশাপ ঃ স্বৰ্গৰপৰা লক্ষ্মীভ্ৰষ্টঃ-

দুৰ্ব্বাসাই এদিন এধাৰ মালা ইন্দ্ৰক উপহাৰ দিছিল, ইন্দ্ৰই মালাধাৰ হাত পাতি লৈ উঠিফুৰা ঐৰাবতৰ মূৰত পিন্ধাই দিলে। দৰ্ব্বাসাই এই কথাত খংকৰি ইন্দ্ৰক শ্ৰীভ্ৰষ্ট হ'বলৈ অভিশাপ দিয়ে। অভিশাপৰ ফনত ইন্দ্ৰৰ প্ৰভাৱ কমি গ'ল আৰু মহালক্ষ্মীয়ে তিনিলোকক এৰি গ'ল। স্বৰ্গত দুৰ্ভিক্ষ হ'ল, ব্ৰত-বিধি-যজ্ঞাদি তিনিলোক নাইকীয়া হ'ল। দেব সবৰ দুৰ্ব্বলাবস্থাৰ সুযোগগ্ৰহন কৰি দৈত্য গনে স্বৰ্গত গৈ দেবগনৰ লগত যুদ্ধ কৰি স্বৰ্গ পুৰী দৈত্যই অধিকাৰ কৰে। দেবগনে দৰিত্ৰ হৈ ব্ৰহ্মাৰ ওচৰ পালেগৈ আৰু স্তুতি কৰিলে।

(২) ব্ৰহ্মাদি দেবগনৰ হৰিক স্তুতিঃ-

দেবগনৰ দুখ-নিৰ্য্যাতনৰ কথা শুনি ব্ৰহ্মাই অতিশয় দুখ অনুভব কৰিলে আৰু দেবগনক লগত লৈ প্ৰতিকাৰৰ ব্যৱস্থাৰ বাবে মাধৱৰ কাষ পালেগৈ। ব্ৰহ্মা আৰু দেবগনে নাৰায়নক দেখা দিবৰ কাৰনে অশেষ স্তুতি কৰিলে। দেবগন আৰু ব্ৰহ্মাৰ প্ৰতি সদয় হৈ

নাৰায়নে দেখা দিলে চতুৰ্ভূৰ্জ ৰূপত ভগৱন্তক দেখা পাই দেবগলে চৰনত প্ৰনাম জনাই স্তুতি কৰিলে। অসুৰৰ অত্যাচাৰত অতীষ্ঠ হৈ দেবগনে ভোগ কৰা দুখৰ পৰা উদ্ধাৰ কৰিবলৈ ভগৱন্তক প্ৰাৰ্থনা জনালে। ব্ৰহ্মায়ো এই সম্পৰ্কত প্ৰাৰ্থনা জনোৱাত ভগৱন্তই পৰামৰ্শ দিব বিচাৰিলে।

**(১) ীৰ সাগৰ মন্থন কৰিবলৈ বিষুৰ পৰামৰ্শঃ-**

নাৰয়নে ব্ৰহ্মা আৰু হৰ প্ৰমুখ্যে দেবগনক কলে যে দুৰ্ব্বাসাৰ শাপত সৰ্ব্বস্বান্ত হৈ পৰা আৰু শাৰীৰিক-মানসিক ভাৱে দুৰ্ব্বল হৈ পৰা দেবসবে দৈত্যসকলৰ লগত যুদ্ধ কৰি ফলৱতী হ'ব নোৱাৰিব। গতিকে এনে সময়ত বুদ্ধিৰে বিপদৰ পৰা ত্ৰান পবৰ বাবে দৈত্য সকলৰ লগত মিত্ৰতা স্থাপন কৰিবলৈ যত্ন কৰা উচিত হ'ব। দেবে-দৈত্য মিলি ক্ষীৰ সাগৰক মন্থন কৰি অমৃত উলিয়াবলৈ ভগৱন্তই পৰামৰ্শ দিলে। প্ৰথমতে মন্থনত বিষ নিৰ্গত হ'ব আৰু তাক হৰে পান কৰি নিৰ্ম্মূল কৰিব। তাৰ পাচত বহুতো মূল্যবান সম্পদ ওলাব, সেইবোৰ দৈত্যই দ্বন্দ্ব নকৰি এৰি দিয়াৰ ব্যৱস্থা ঈশ্বৰে কৰিব বুলি কলে। অৱশেষত যি অমৃত উত্থিত হ'ব, সেই অমৃত দেবসবে ভক্ষন কৰি অমৰ হ'ব। তাৰ বাবে দেবগলে-ৰিপু সমূহক দমন কৰি আগ বাঢ়ক বুলি পৰামৰ্শ দিলে।

"লোভ মোহ ক্ৰোধ কাম আক কৰি উপশাম
তেবেসে সিজিব সবে জান।
শুনিবা আমাৰ বুদ্ধি হুইবে মনোৰথ সিদ্ধি
কৰিয়োক অমৃত মন্থন।। "৫৩।।

মহা বিপদত পৰি ঈশ্বৰত শৰন লোৱাৰ বাবে দেৱগনক ভক্ত হিচাবে লৈ ভগৱন্তই উদ্ধাৰৰ উপায় উৰিয়ালে। ঈশ্বৰৰ এই পৰামৰ্শৰ পৰা মানবেও শিক্ষালবৰ কাৰনে চিন্তা কৰিব লাগে। পৰম পৰাক্ৰমী বলীৰ লগত বল প্ৰয়োগ কৰি জয়ী হ'বলৈ অগ্ৰসৰ হোৱাৰ পৰিবৰ্তে নিশকতীয়াই বুদ্ধিৰে সন্ধিৰ জাল কাটিবলৈ প্ৰয়াস কৰিব লাগে। শত্ৰুতাৰ পৰিবৰ্তে মিত্ৰতাই জীৱন যুদ্ধত সফল হোৱাৰ সম্বল যোগায়। ভগৱানৰ সৎপৰামৰ্শই ভগৱন্তৰ শক্তি আৰু তেওঁৰ চৰনত শৰন ললে তেনে সৎবুদ্ধি ভগৱানে প্ৰদান কৰে। লোভ-মোহ-ক্ৰোধ-কামক দমন কৰিব নোৱাৰিলে ফল লাভত বাধা হ'ব।

"মিত্ৰভাৱে যেনমত শত্ৰু কৰি ক্ষয়।
কন্দলে নোৱাৰিতাক জানিবা নিশ্চয়।।" ৫৫

এই সম্পৰ্কত সৰ্প-মূৰ্ষিক'ৰ কথা উদাহৰন হিচাৰে দিলে। এটা বৃদ্ধ গোম শাপক লোকে চান্দি ফেটীত বান্ধি ৰাখিলে। শোকে-দুখে অনাহাৰে থাকোতেই সি সন্মুখত বৃদ্ধ ইন্দুৰক দেখি কলে-"হে বন্ধু তুমি কুশলে আছানে? তোমাক নমস্কাৰ কৰো, আমিদুয়ো বন্ধু পাতো।" মূষে তাৰ কথাত বিশ্বাস কৰিলে আৰু সৰ্পৰ বান্ধ কুটি মুকলি কৰিলে। সৰ্পই মুষৰ গ'ল চিঙি ভোক পলালে। সৰ্পই যি বুদ্ধিৰ দ্বাৰা ক্ষুধা নিবাৰন কৰিলে দেবগনকো তাকে কৰিবলৈ কলে।





"বৈৰক মাৰিলে দোষ নাহিকে মিছাত।
ছলে বলে শত্ৰুক কৰিয়ো বান্ধপাত।।" ৭৩ ।।

এই উপদেশ দি হৰি অন্তৰ্দ্ধান হ'ল আৰু ব্ৰহ্মায়ো বিদায় ললে।

**(৪) দেব-দৈত্যৰ বন্ধুত্ব আৰু মন্দৰ গিৰি উত্তোলন ঃ-**

ভগৱন্তৰ ুপদেশ শিৰত লৈ দেবগন বলিৰ ৰাজসভালৈ গ'ল। অস্ত্ৰহীন, অহঙ্কাৰহীন হৈ খোজ কাঢ়ি বলিৰ ৰাজসভাত দেবগন প্ৰবেশ কৰাত দৈত্যগন অতি আচৰিত হ'ল। দৈত্যৰাজ বলিয়ে যথোচিত সন্মান জনাই ইন্দ্ৰ প্ৰমুখ্যে দেবগনক আসনত উপবিষ্ট কৰোৱালে। দৈত্যসকলক শুনাই বলিয়ে কলে যে গৃহাগত জনক শত্ৰু হলেও ঈশ্বৰৰ জ্ঞান কৰিব লাগে, পূবৰ্বৰ সকলো দোষ মৰিক্ষন কৰিব লাগে।

"মোৰ গৃহাগত আসি ভৈলা দেবগন।
কিসক অযোগ্য হেন বোলাহা বচন।।" ৯৯।।
"যদিমহা শত্ৰু আসি হোৱন্ত অতিথি।
দেবহেন মানি তাক কৰিবা ভকতি।।
পূৰ্ব্বদোষ গুন কিছু নকৰি বিচাৰ।
হেনসে শাস্ত্ৰৰ নয় ধৰ্ম্ম ব্যৱহাৰ।।" ১০০।।

কোনেও কাকো কপটালি কৰি অনিষ্ট কৰিব নোৱাৰে বুলি বলিয়ে কলে। বলিয়ে ইন্দ্ৰক আসনত উপবিষ্ট কৰোৱা আৰু নমস্কাৰ কৰা দৈত্য হলেও পৰম ভক্ত বলিৰ মাহাত্ম্য।

ইন্দ্ৰই কপট চাতুৰীৰে বলিক উপেক্ষি কৈছিল-"কালেহে আমাক লটিঘটি কৰোৱাইছে। সম্প্ৰতি দেবে-দৈত্যে এক হৈ থাকিলে ব্ৰহ্মাণ্ডত পৰাজয় হোৱাৰ ভয় নাথাকিব, তেওঁলোক মূলতঃ একে পিতৃ কশ্যপৰ সন্তান, এনে ধৰনৰ নানা সাধু বাক্য ইন্দ্ৰই কোৱাত দৈত্যপতি বলি সন্তোষ্ট হয় আৰু মিত্ৰতা স্থাপন কৰে আৰু দেবগনৰ পৰা অনা সম্পতি সমূহ ঘূৰাই দিয়ে। দেব-দৈত্যই একত্ৰিত হৈ সাগৰ মন্থনৰ সম্পৰ্কত ভগৱান্তই কোৱা কথাবোৰ আলোচনা কৰিলে- হৰি অনুকুল হৈ সহায় কৰিব, মন্দৰগিৰি পৰ্ব্বতক মন্থন কৰিব, বাসুবীক জৰী কৰি ক্ষীৰ সাগৰ মন্থন কৰিব, মন্থনত অমৃত ওলাব আৰু দেব-দৈত্যই অমৃত খাই অমৰ হ'ব বুলি ইন্দ্ৰই উত্থাপন কৰিলে। বলিয়ে এই কথা শুনি মেৰুৰ মূলত দুয়ো পক্ষ একেলগ হ'ব বুলি কলে। দুয়োপক্ষই মহা সমাৰোহেৰে যাত্ৰা কৰি মেৰু পৰ্ব্বতক উত্তোলন কৰিবলৈ ধৰিলে। মন্দৰক কিছু দূৰ নিয়াৰ পাচক মন্দৰ খহি পৰিল।

আঘাট প্ৰাপ্তহৈ মন্দৰ গিৰিক পুনৰ উঠাবলৈ সকলো চেষ্টা কৰি ব্যৰ্থ হোৱাত উপাই হীন দেবগনে ভগৱন্তৰ স্তুতি কৰিবলৈ দৰিলে। ভগৱন্ত শ্ৰীহৰি দেবতাৰ স্তুতিত সন্তোষ্ট হৈ গৰুড়ৰ সহায়ত মন্দৰ গিৰি ওপৰলৈ তুলি স্থাপন কৰিলে। কৃষ্ণই মন্দৰ গিৰি সগৰৰ তীৰত ৰাখি ইন্দ্ৰ বলিক সত্তৰে বাসুকীক আনিবলৈ কলে আৰু তেওঁলোকে

গৈ বাসুকীক অমৃতৰ আধাৰ বুলি আনি-নেজৰ ফালে অসুৰে আৰু মূৰৰ ফালে মাধৱৰ সহিতে দেবগলে মন্দৰ গিৰিক মথিবলৈ আৰম্ভ কৰিলে।

(৫) **ভগৱন্তৰ সহায়ত দেবদৈতক সমুদ্ৰ মন্থনঃ কৰ্ম্ম অৱতাৰঃ-**

দৈত্যগনে নেজৰ ফালে ধৰিবলৈ অপমান বোধ কৰিলে আৰু তেতিয়া মাধৱে দেবগন সমে নেজৰ ফালে ধৰি দৈত্যগক মূৰৰ ফালে ধৰিবলৈ কলে। মন্থন কৰোঁতেই হঠাতে পৰ্ব্বত হোঁহকি গৈ তল পালেগৈ। দেবতা-অসুৰে বেজাৰ কৰি কান্দিবলৈ ধৰিলে। নাৰায়নে জপকৰি কুৰ্ম্মৰূপ পৰিগ্ৰহ কৰে আৰু লক্ষ প্ৰহৰৰ পথ আগুৰি স্থূলন্তৰ ৰূপলৈ হামি মাৰি সাগৰত বুৰ মাৰিলে আৰু পিঠিত মন্দৰ গিৰি তুলি আনিলে, দেবাসুৰে আচৰ্য্য মানিলে আৰু বাসুকিক মেৰাই মথিবলৈ ধৰিলে। কৃষ্ণৰ কৃপাত বাসুকিৰ শৰীৰ বজ্ৰসম কঠিন হ'ল। মন্থনত পৰ্ব্বত টাকুৰি ঘূৰাদি ঘুৰিবলৈ ধৰিলে। মন্থৰৰ উপৰত উঠি জগন্নাথে হাজাৰ বাহুৰে মেৰিয়াই ধৰি আছিল, ব্ৰহ্মাই হে তেওঁক দেখা পাইছিল, আকাশৰ পৰা ব্ৰহ্মা হৰে ভগৱন্তক স্তুতি কৰিবলৈ ধৰিলে। বাসুকিৰ মুখৰ পৰা ওলোৱা বিষ অগ্নিত দৈত্যগন আধাপোৰা হ'ল, হুৰ হৰ শব্দই আকাশ- পাতাল ভেদি গ'ল।

(৬) সাগৰ মন্থনত উথিত সম্পদ ৰাজি বন্টনঃ-

সমুদ্ৰ মন্থনত ওলোৱা সম্পদ ৰাজিৰ ভিতৰত প্ৰথমে হলাহল বিষ উদগীৰন হৈছিল। তাৰ পাচত হেঅন্যান্য সম্পদ ৰাজি উথিত হয়। তলত সমস্ত সম্পদৰ নাম আৰু কোনে কোনবিধৰ গৰাকী হ'ল- তলতউল্লেখ কৰা হ'ল।

(১) হলাহল বিষঃ-

বিষ প্ৰলয়ৰ বহ্নিৰ দৰে, অযুত সূৰ্য্যৰ দৰে প্ৰকাশ মান হৈ উঠে। বিষৰ প্ৰতাপত দশোদিশ বিষাক্ত হৈ পৰিল, দেব-দৈত্য গনে মন্থন কৰিবলৈ এৰি দৌৰিবলৈ ধৰিলে, প্ৰজাপ্ৰতি গনো আকাশৰ পৰা আতৰি গ'ল, দশোদিশে প্ৰজাই হাঁহাকাৰ কৰিলে। ব্ৰহ্মাই দেবগনক লগতলৈ দৈলাস পালেগৈ আৰু মহাদেবক স্তুতি কৰাত শিৱ সন্তোষ্ট হয় আৰু কালকুট বিষ ভক্ষন কৰিবলৈ সাগৰৰ তীৰ পালেগৈ। পাৰ্ব্বতীক শিৱই কৈছিল- পৰজীৱ ৰক্ষাৰ্থে নিজৰ প্ৰান পৰ্য্যন্ত দান দিব পৰাটো মহান কৰ্ম্ম আৰু মহন্তৰ ব্যৱহাৰ।

"বিশেষত মহন্তৰ এহি ব্যৱহাৰ।
পৰজীৱ ৰাখে জীৱ দিয়া আপোনাৰ।।
অভয় দানত পৰে ধৰ্ম্ম নাহি আন।
কোটি অশ্বমেধো তাৰ নুহিকে সমান।।" ২০৬।।

শিৱই কালকুট বিষ মুখত দি গিলি খালে যোগবলৰ সহায়ক। শিৱৰ কণ্ঠ বিষে নীলা কৰি পেলালে বাবে তেওঁৰ অন্য নাম নীলকণ্ঠ। দেবাসুৰে শিৱৰ মাহাত্ম্য দেখি প্ৰনাম জনালে, ব্ৰহ্মা-নাৰায়নে প্ৰশংসা কৰিলে। হাতৰ পৰা কিছু বিষ সৰ্প বিছা আদিয়ে ভক্ষন কৰিলে।

(২) কামধেনুঃ-

পোৱালিৰ-সৈতে সাগৰ মন্থনত কামধেনু নিৰ্গত হ'ল। ঋষি সকলে ব্ৰহ্মাৰ পৰা কামধেনু অগ্নিহোত্ৰ কৰিবৰ কাৰনে ললে।

(৩) উচ্চৈঃশ্ৰবা ঘোঁৰাঃ-

চন্দ্ৰ সম শুক্ল কেশ যুক্ত ঘোঁৰাটো দৈত্যই বিচাৰিলে। শতক্ৰতুৱে কেশবৰ বাক্য অনুসৰি দ্বন্দবাদ নকৰিলে।

(৪) ঐৰাবত (হাতী)ঃ-

শ্বেতবৰ্ন ঐৰাবত, চাৰিটা দাঁত যুক্ত, ঐৰাবত ৰত্নৰ পাথৰৰ দৰে উজ্জ্বল।

(৫) পাৰিজাত পুষ্পঃ-

ত্ৰিদশ দেবৰ পৰম ভুষন আৰু মাগোঁতা জনে যি বিচাৰে তাকে ই দিয়ে।

(৬) কৌস্তভ মনিঃ-

অতি চমৎকাৰ মনি আৰু দামোদৰে তাক গ্ৰহন কৰে।

(৭) অপেস্বৰীগনঃ-

অনিন্দ সুন্দৰী ৰমনী গনক দেবাসুৰে বিচাৰিলে যদিও ব্ৰহ্মাই পাছত বন্টন কৰিব বুলি কৈ থলে জগতমাতা সৌন্দৰ্যৰ ৰানী। ত্ৰৈলোক্যৰ সমস্ত ৰূপ লক্ষ্মীদেৱী বিৰাজমান। দেবাসুৰে তিনি ত্ৰৈলোক্যৰ সৌন্দৰ্য্য প্ৰতিমালক্ষ্মীকে পোৱাৰ বাসনা ব্যক্ত কৰিলে। দেবতাৰ মাজতো লক্ষ্মীক লাভ কৰাৰ বাবে মৰামৰি পৰ্য্যন্ত সংঘটিত হ'ল। ব্ৰহ্মাই পৰিস্থিতি উপশম ঘটাবলৈ স্বয়ম্বৰৰ ব্যৱস্থা কৰিলে। ত্ৰৈলোক্যৰ সমস্ত ৰজা, দেবতা, অসুৰ আদিয়েও স্বয়ম্বৰত উপস্থিত হলহি।

স্বয়ম্বৰৰ বাবে সাগৰে দুখন অগ্নি বস্ত্ৰ, নাগ সুবৰ্ন কুণ্ডল, সাগৰে ৰত্ন মালা, সৰস্বতীয়ে সাতসৰী হাৰ, বিশ্বকৰ্ম্মাই বত্ৰিশ অলঙ্কাৰ, বৰুনে বৈজয়ন্তী মালা,প্ৰজাপতিয়ে পদ্ম, দান কৰিলে পিতৃ সাগৰৰ আদেশ অনুসৰি বৰমাল্য লৈ লক্ষ্মীয়ে স্বামী বৰন কৰিবলৈ গৈ স্বয়ম্বৰ সভাত উপবিষ্ট সকলোলৈকে দৃষ্টি নিক্ষেপ কৰিলে। তাত কোনজন শ্ৰেষ্ঠ, লক্ষ্মীয়ে মনতে পৰ্য্যালোচনা কৰিলে। ইয়াত প্ৰতিজনৰ চৰিত্ৰ পৰিস্ফুট হৈ আছে।

প্ৰথমে চিনাক্ত কৰিলে চতুৰানন প্ৰজাপতি ব্ৰহ্মাক, তাৰ পাচত নাৰায়নক বৃষভৰ চুটত শঙ্কৰক, ইন্দ্ৰক, কুবেৰ, বৰুন, বায়ু, ৰবি, শশী কালক পৰিচয় কৰালে। বিভিন্ন দৈত্যৰ মাজত বহি থকা দৈত্যপতি বলি, গন্ধৰ্ব্ব, কিন্নৰ, চাৰন গনক দেখুৱা হ'ল। এওঁলোকৰ মাজত এজনক বৰন কৰিবলৈ সাগৰে কন্যাক আহ্বান জনালে।

লক্ষ্মীয়ে দেবাসুৰৰ মাজত দূৰি দি দৰ্বাসা ঋষিক দেখিলে। ক্ৰোধ অহঙ্কাৰ আৰু চণ্ডশাপ দিওতা দুৰ্ব্বসাক স্বামীবৰন কৰিলে আশান্তি হ'ব। মহাজ্ঞানী দৈত্যগুৰুক দেখি ভাবিলে যে তেওঁ লুভীয়া, পৰশুৰাম দেখি ভাবিলে যে তেওঁ নিৰ্দ্দয় আৰু মিত্ৰহীন। ব্ৰহ্মা কামাত্তুৰ, কাৰন তেওঁ নিজৰ দুহিকাক হৰন কৰিছিল, ইন্দ্ৰ দুহিতাক হৰন কৰিছিল, ইন্দ্ৰ দেবৰাজ হলেও দৈত্যৰ ভয়ত নাৰায়নৰ কাষচাপি ৰক্ষা পৰে, শিৱ শ্মশানবাসী,

মুণ্ডমালা পৰিধান কৰি, সনক পৰম বৈৰাগী পুৰুষ, বলি প্ৰমুখ্যে দৈত্যগন-অনাচাৰী ও কৰ্ম্মৰ অধীন, লোভ মোহত অনাসক্ত। সৰ্ববগুনান্বিত নাৰায়নৰ শিৰত উৎপলৰ মালা দি চৰনত লক্ষ্মীয়ে সেৱা কৰিলে আৰু হৰিয়ে কোলাত তুলি হৃদয়ত স্থান দিলে। হৰিৰ বক্ষত কষতি সুবৰ্নৰ ৰেখাৰ দৰে লক্ষ্মীয়ে শোভা কৰিলে আৰু দুৰ্ববসাৰ শাপৰ সামৰনি পৰিল।

(৯) বাৰুনী সুৰাঃ-

মন্থনত সুৰা উত্থিত হোৱাত নাৰায়নে দৈত্যগনক লবলৈ কলে।

(১০) ধন্বন্তৰিঃ-

শ্যাম কলেবৰ, পীতবস্ত্ৰ পৰিধান কৰা কেশবৰ ৰূপত ধন্বন্তৰি আবিৰ্ভাৱ হ'ল। তেওঁ দুয়ো হাতে অমৃতৰ ঘট লৈ মহাবৈদ্যৰূপে অৱতীন হ'ল। দৈত্যসকলে অমৃতৰ ঘট লৈ আতৰি গ'ল আৰু দেবগনে চাই থাকোতেই অমৃত লৈ যোৱাতভূমিত পৰি কান্দিবলৈ ধৰিলে। বাৰম্বাৰ বঞ্চিত হৈ মাধৱত শৰন লোৱাৰ লগে লগে দেবগনক মনোবাঞ্চা পূৰ্ন কৰি আহিছে বাবে এই বাৰো দেবগনে বিষ্ণুত শৰন ল'লে। ভগৱানক নিৰ্ভয় দি দৈত্যগনৰ কাষ চাপিল আৰু দৈত্যগনৰ মাজত অমৃতক লৈ দ্বন্দ লাগিল। দৈত্যগনে মৰামৰি কৰা দেখি মাধৱে হঠাতে মায়াৰ্কৰি নাৰীবেশ ধাৰন কৰিলে। সংসাৰ মোহিনী ৰূপ ধৰি দৈত্যক মোহনিয়াবলৈ লয়লাস গতিকে ৰূপ-যৌৱন প্ৰদৰ্শন কৰিলে।

(৭) মোহিনীৰূপে দেবতাক অমৃত দান আৰু দৈত্যগনক বঞ্চনাঃ-

মোহিনীৰ ৰূপ-সৌন্দৰ্য্যত অসুৰ বোৰ মুগ্ধ হ'ল আৰু অমৃতৰ ঘট দি দেবতা-অসুৰক ভাগ কৰি দিবলৈ কয়। মোহিনীয়ে সৰ্ত দিয়ে যে তেও ইচ্ছামতে অমৃত দিব, তাত তেওঁলোকে হকাবধা কৰিব নোৱাৰিব। তেওঁলোক সন্তোষ্ট হোৱাত-মোহিনীয়ে সকলোকে শাৰী পাতি বহিবলৈ কলে আৰু ঈশ্বৰে এক ৰূপত মোহিনী আৰু আন ৰূপত দেবৰ লগতে শাৰীপাতি বহিলে। দুষ্ট দানবে অমৃত খালে অধিক অত্যাচাৰীহে হ'ব বুলি ভাবি দৈত্যক বঞ্চনা কৰি দেবগনক অমৃত পান কৰোৱালে। ব্ৰহ্মা-বিষ্ণু-ৰূদ্ৰয়ো অমৃত পান কৰিলে। অমৃত পান কৰি দেবগনৰ আঠগুনে তেজ, যোল গুনে প্ৰান হ'ল। ৰাহুৱে দেবতাৰ শাৰীত বহি অমৃত পান কৰিলে। চন্দ্ৰ-মূৰ্য্য মাধৱত এই কথা কোৱাত মাধৱে চক্ৰ হানি ৰাহুক দুছোৱা কৰিলে। মূৰটোৱে গৈ ব্ৰহ্মাত শৰণ লোৱাত ব্ৰহ্মাই বৰ দি গ্ৰহ কৰি ৰাখিলে আৰু চন্দ্ৰ-সূৰ্য্য প্ৰতি পৰ্ববতে গ্ৰাস কৰি থাকিল। মোহিনীয়ে হঠাতে নিজৰূপ ধৰি গৰুড়ত উঠি বৈকুণ্ঠ গমন কৰে, আৰু ইন্দ্ৰই ঐৰাবত, অপেস্বৰীক গ্ৰহন কৰিলে।

(৮) দেবাসুৰৰ যুদ্ধঃ দৈত্যগনৰ পাতাল প্ৰবেশঃ-

অমৃত পানৰ পৰা বঞ্চিত হৈ দৈত্য গনে দেবতাৰ বিৰোদ্ধে যুদ্ধযাত্ৰা কৰিলে। দৈত্যগনে দেবগনক আক্ৰমন কৰাত দেবগনেও প্ৰতি আক্ৰমন কৰে। দুয়োদলে তুমুল সংগ্ৰাম কৰে। প্ৰথমে দৈত্য গনক ক্ষয় কৰি দেবতা সকলে আগবঢ়াত মহা বলিৰামে



দুৰ্যোৰ সমৰ কৰে। কৈলাসৰ পৰা শিৱয়ো আহি দেবগনৰ হৈ যুদ্ধ কৰে। বলি আৰু ইন্দ্ৰৰ মাজত তুমুল যুদ্ধ হয়। যুদ্ধক তাৰকাসুৰৰ মৃত্যু হয়। শিৱৰ লগত জম্ভাসুৰৰ তীব্ৰ যুদ্ধ হয় আৰু জম্ভাসুৰ পৰাস্ত হয়। শুম্ভ-নিশুম্ভৰ লগত ভদ্ৰকালীৰ যুদ্ধ হয়। ইন্দ্ৰ বলিৰ মাজত প্ৰচণ্ড যুদ্ধ হয় আৰু বলিয়ে মায়াযুদ্ধ কৰি ইন্দ্ৰ সমন্বিতে দেবগনক মৃতপ্ৰায় কৰে আৰু মাধবৰ চৰনত দেৱগনে শৰন লয়। স্তুতিত হৰি সন্তোষ্টি হৈ আৰ্বিভাব হয় আৰু দৈত্যৰ মায়া ছাৰখাৰ কৰে। হৰিয়ে-কালনেমী, মালী, সুমালী, মাল্যৱন্তক বধ কৰে। বলি-বাসৱৰ ভীষন যুদ্ধ হয় আৰু পৰস্পৰ ধৰাশায়ী হয়, পুনৰ যুদ্ধ কৰে। অৱহেশত বাসবৰ শৰত বলি নিধন হয়। বলিৰ প্ৰজা-পিতৃ-মাতৃ-পৰিয়ালে বলিৰ বাবে ক্ৰন্দন কৰে। জম্ভাসুৰে পুনৰ যুদ্ধ কৰি বাসবৰ হাতত মৃত্যু বৰন কৰে। ইন্দ্ৰই দৈত্যগনক নিধন কৰে যদিও নমুচিয়ে প্ৰচণ্ড প্ৰতাপেৰে যুদ্ধ কৰি বজ্ৰক বিফল কৰে। দৈত্যৰ বিনাশ দেখি, ব্ৰহ্মাই হস্তক্ষেপ কৰি যুদ্ধ বন্ধ কৰে। দেবগন স্বৰ্গলৈ গতি কৰে- শুক্ৰই সঞ্জীবনী মন্ত্ৰৰ দ্বাৰা বলিক পুনৰ জীৱিত কৰে আৰু দৈত্যগন পাতাল প্ৰবেশ কৰে।

সাগৰ মন্থনৰ তাৎপৰ্য্যঃ-

কাহিনীৰ সুত্ৰপাত হয়-দুৰ্ববাসৰ অভিশাপত। শ্ৰীহত হোৱাৰ বাবে লক্ষ্মীয়ে স্বৰ্গপুৰী ত্যাগকৰে। লক্ষ্মী ভগৱন্তৰ শক্তি, তেজ, ঐশ্বৰ্য্য, বিভূতি, বল-পৰাক্ৰম, অহঙ্কাৰত শ্ৰীহত হয়। দুৰ্ব্বাসাৰ অমূল্য মালাধাৰ ইন্দ্ৰই অহঙ্কাৰত পৰিধান নকৰি ঐৰাবতৰ শিৰত পিন্ধাই তেওঁ অভিশাপ লাভ কৰে। দেবগনে ব্ৰহ্মাৰ কাষ চপাত তেওঁ যে ভগৱান বিষ্ণুৰ অধীন তাক ব্যক্ত কৰিলে। ব্ৰহ্মাৰ পৰামৰ্শত শ্ৰীহৰিক স্তুতি কৰাত বিষ্ণুয়ে-দৈত্য শক্তিক নিষ্প্ৰভ কৰি দৈবশক্তিৰ মাহাত্ম্য দেখুৱাবৰ বাবে সাগৰ মন্থনৰ পৰামৰ্শ দিয়ে। তমঃ গুনৰ সমাধি ঘটোৱা আৰু সত্ব গুনৰ অভ্যথান প্ৰদৰ্শন ভগৱানৰ পৰিসল্পনা। বন্ধুত্বৰ দ্বাৰা শত্ৰুতা বিনাশ যে কাৰ্য্যকৰী উপায় তাক প্ৰতিপন্ন কৰিবলৈ দৈত্যৰ লগত দেবগনক বিষ্ণুৱে পৰামৰ্শ দিয়ে। বলেৰে কৰিব নোৱাৰা কাম বুদ্ধিৰে সমাধা কৰা বুদ্ধিমানৰ কাম। গৃহাগত শত্ৰুক মিত্ৰ ব্যৱহাৰ কৰা যে উঠিত তাক বলিৰ ব্যৱহাৰে প্ৰমান কৰিছে। ক্ষীৰ সাগৰ সংসাৰ সাগৰ, সংসাৰত অমৃতৰ পৰা আৰম্ভ কৰি বৰবিহলৈকে আছে, বিহ অৰ্থাৎ সংসাৰৰ অশুভ শক্তিক নিষ্কাযন কৰিব পাৰিলেহে অমৃত লাভ কৰিব পাৰে। দেহত দৈত্য আৰু দেবতাই বাস কৰে- লোভ-মোহ-কাম-ক্ৰোধ-মদ মাৎসৰ্য্য-দম্ভ-দ্বেষ্য-অহঙ্কাৰ আদি- দৈত্য বা ৰিপু আৰু মৰম-দয়া-ক্ষমা-সত্য-শৌচ-ক্ষমা, সহৃদয়তা আদি বোৰ দৈবিক গুন বা দেবতা। মন্দৰ গিৰি হৈছে চিত্ত আৰু মন সদৃশ, বাসুকি হৈছে - বুদ্ধি সদৃশ, বুদ্ধিৰে চিত্ত মনক মন্থন কৰিলে সংসাৰ উপভোগৰ পাৰমাৰ্থিক তত্ব লাভ হয়। বেদৰ ওপৰ ভাগ হলাহল সদৃশ, তাৰ ভিতৰ ভাগহে অমৃতময় যত নাৰায়ন নাম নিহিত আছে। শিৱই সমস্ত কৰ্ম্ম কাণ্ডৰূপী হলাহলক সংযমত ৰাখিব পৰাৰ বাবেই যোগসিদ্ধ মহাযোগী।

মন্দৰ গিৰিক উত্তোলন কৰিব পৰা শক্তি একমাত্ৰ ভগৱানহে আছে। দেৱ-

দৈত্যই তাক বুজিব নোৱাৰাত ভগৱানে কুৰ্ম্ম অৱতাৰ হৈ তাক বহন কৰিলে। দেৱগনে স্তুতি কৰাত হে ভকতৰ ভগৱানে ভকতক সহায় কৰিলে সংসাৰত ভাল বেয়া, উত্তম নৰম বিভিন্ন প্ৰানী-পদাৰ্থ বিদ্যমান। গুনীজন উত্তম আৰু মুৰ্খজন অধম হে পাত্ৰৰ মোহিনী ৰূপী নাৰীত দৈত্য শক্তি মুগ্ধ হ'লয অৱশ্যে ব্ৰহ্মা, হৰ আদিও বিষ্ণু মায়াত অচেতন হয়। শ্ৰীহৰিহে লক্ষ্মীত উপযুক্ত বৰ।

সোনৰ পাত্ৰত হে সিংহিনীৰ দুগ্ধ ৰয়স সেইদৰে দেৱতাহে অমৃত পানৰ যোগ্য, দৈত্য-বা তমঃ গুনত ই সুফল নিদিয়ে। সংসাৰৰ মাজতে বৈদ্যৰূপী ঔষধি আছে, ধন্বন্তৰি ৰূপে উদ্ভিদত ৰোগ বিনাশক প্ৰতিষেধক আছে। ঔষধো ভগৱানৰে অৱতাৰ বিশেষ আৰু বৈদ্যও ভগৱানৰে ৰূপ। ভগৱানক শ্ৰদ্ধাভক্তি হলে তেওঁ ঔষধি হৈ কফ-বাত-পিত্তৰ পৰা উদ্ধাৰ কৰিব। সাগৰৰ মন্থনৰ প্ৰথম উপদেষ্টা-ভগৱান, ক্ষীৰ সাগৰ ভৱন্তৰ ঐশ্বৰ্য্য, মন্দৰগিৰি তেওঁৰে সৃষ্টি আৰু তেৰেঁই উত্তোলন কৰে, বাসুকিত বজ্ৰময় হৈ ধৰা দিছে। লক্ষ্মীও মায়া শক্তিষ দেব-দৈত্য তেৰেঁই সত্তঃ গুনত দেব, ৰজ তম গুনত দৈত্য। সাগৰ মন্থনত শ্ৰেষ্ঠতম বস্তু হৈছে-অমৃত। ইয়াক যিয়ে পান কৰিব সিয়ে অমৰত্ব লাভ কৰিব অৰ্থাৎ-ভগৱন্তৰ নাম অমৃত। সাগৰৰ পৰা বাকনী সুৰাও নিৰ্গত হৈছিল ইয়াৰ অধিকাৰী পতিলে দৈত্যক। সুৰা তমগুনী দ্বব্য।

সত্ব গুনৰ জয়, তম গুনৰ পৰাজয় হৈছে দেবাসুৰৰ সংগ্ৰাম, ইয়াৰ চালিক্য শক্তি ভগৱান। সাগৰ মন্থনত যেনেকৈ ভগৱন্তৰ শক্তিৰ বাহিৰে বাকী বোৰ অলীক. তেনেকৈ সংসাৰ সাগৰত অমৃত উলিয়াই অমৰ হবলৈ অশেষ কষ্ট স্বীকাৰ কৰিব লাগিব, কষ্ট কৰি কবি হয়তো প্ৰথমে বিফলতাকে লাভ কৰিব পাৰে, তথাপি অধ্যবসায়ৰ দ্বাৰা জীৱন যুদ্ধত আগবাঢ়িলে কৃত কাৰ্য্যতা লাভ কৰিবলৈ সমৰ্থ হ'ব পৰা যায়। সমুদ্ৰ মন্থনৰ তাত্বিক দিশ যিয়েই নাথাকক কিয় ই লোক শিক্ষাৰ বাবে অতি প্ৰয়োজনীয় আদৰ্শ তত্ব।

(৪) হৰমোহনঃ-

হৰিয়ে স্ত্ৰী ৰূপ ধৰি অমৃত হৰন কৰা শুনি শিৱই পাৱৰ্বতী সহিতে বিষ্ণুৰ ওচৰ পালেহি নাৰী মায়া দেখিবৰ কাৰনে স্তুতি কৰিলে-

"নমো নমো মাধৱ বিধি দাতা।
তুমি জগতৰ গতিপতি পিতা-মাতা।।
তুমি পৰমাত্মা জগতৰ ঈশ এত।
একো বস্তু নাহিকে তোমাত ব্যতিৰেক।। ৬৫০।।

"বিধাতাৰো বিধাতা, জগতৰ পিতৃ-মাতৃ স্বৰূপ, পৰমাত্মা আৰু সকলো প্ৰানী পদাৰ্থতে বিদ্যমান হৈ থকা হে ঈশ্বৰ, তোমাক নমস্কাৰ কৰো।"

"তুমি কাৰ্য্য কাৰন সমস্তে চৰাচৰ।
সুবৰ্ন কুণ্ডলে যেন নাহিকে অন্তৰ।।
তুমি পশু পক্ষী সুৰাসুৰ তৰুতৃন।
অজ্ঞানত মূঢ়জনে দেখি ভিন্ন ভিন্ন।। ৬৫১।।

"জগতৰ কাৰ্য্য কাৰন ৰূপী, চৰাচৰ জগতত বিৰাজমান হৈ থকা, পশু-পক্ষী, সুৰ-অসুৰ, তৰু-তৃণ ৰূপে থকা ভগৱান।"

"তোমাভেসে মায়ায়ে মোহিত সৰ্ব্বক্ষনে।
তুমি আত্মা তোমাক নাজানে অজ্ঞজনে।।
সমস্ত ভূতৰে তুমি আছা হৃদয়ত।
তত্ব নাপাই তোমাক বিচাৰে বাহিৰত।।" ৬৫২।।

"ঈশ্বৰৰ মায়ায়ে সকলোকে বান্ধি ৰাখিছে বাবে আত্মাৰূপী ভগৱানক জানিব নোৱাৰে। আত্মাৰূপে দেবতেই ভগৱান থকা সত্বেও বাহিৰত তেওঁক বিচাৰি ফুৰে।"

"তুমিসে কেৱলে সত্য-মিছা সবে জ্ঞান।
জানি জ্ঞানীজনে কৰে হৃদয়ত ধ্যান।।" ৬৫৯।।

সমস্ত জগত তেওঁৰ ছায়াৰ বাবে বাস্তব তেওঁক হৃদয়ত ধ্যান কৰিব লাগে। এইদৰে স্তুতি কৰি হৰে নাৰীমায়া প্ৰদৰ্শন কৰি দেখুৱাবলৈ কলে। তেতিয়া বিষ্ণুৱে কলে যে দৈত্যক অমৃতৰ পৰা বঞ্চিত কৰিবলৈহে নাৰী মায়া ধৰিছিল মহাযোগীয়ে সেই মায়া চাই লাভ নাই।

ঘোৰ নাৰী মায়া সব মায়াতে কুৎচিত।
মহাসিদ্ধ মুনিৰো কটাক্ষে মোহে চিৎ।। ৬৫৯

ঘোৰ নাৰী মায়া কুৎচিত বোলাত হৰে কলে যে তেওঁ যোগ বলে সেই মায়া দূৰ কৰিব পাৰে।

মহাযোগবলে সিদ্ধ কৰি আছো কায়া
ব্ৰহ্মময় দেখো কি কৰিব পাৰে মায়া।।
দহি আছে মদনক কিছু শঙ্কা নাই। ৬৬১

হৃষিকেশ হঠাতে অন্তৰ্দ্ধান হ'ল। এখন দিব্য উপাসন, তাত এগৰাকী অনিন্দ সুন্দৰী আবিৰ্ভাৱ হ'ল। নাৰীৰ লয়লাস গতি, অনন্ত যৌৱন, দেহ কান্তিয়ে শিৱৰ শ্ৰুতি-বুদ্ধি-জ্ঞান হেৰোৱাই পেলালে আৰু কাম-বানত জৰ্জ্জৰিত হৈ পাৱৰ্বতীক পাহৰি সুন্দৰীক খেদি গ'ল। নিৰ্জন অৰন্যৰ মাজে মাজে নাৰী দৌৰিবলৈ ধৰিলে আৰু শিৱয়ো গিৰি গুহা-উপৱন ভ্ৰমি উলঙ্গত হৈ পাছে পাছে দৌৰা দেখি ঋষি সকলে বিষ্ণু স্মৰিলে। শিৱৰ বিন্দুপাত হোৱাৰ পাচত হে জ্ঞান ঘুৰি আহে আৰু ব্ৰহ্মজ্ঞান চিন্তি শান্ত হয়। লজ্জাত তেওঁ ভাবিলে যে বিশ্ব নিয়ন্তাৰ মায়াত তেওঁৰ এনে গতি হোৱাটো স্বাভাবিক। তেওঁ মাধৱক ধ্যান কৰিলে আৰু মাধৱে দেখা দি কলে যে শিৱৰ বাক্য পালিহে তেওঁ নাৰী মায়া দেখুৱালে। সেইদিন ধৰি মায়া শিৱৰ অধীন হ'ব বুলি মাধৱে বৰ দিলে আৰু শিৱই পাৱৰ্বতী সহিতে কৈলাসলৈ গমন কৰিলে। হৰিক ভিন্ন দেখা জনৰ হৰিৰ মায়াই

মোহে
।।৫।বলি ছলন।।

বলি ছলনৰ কাহিনীৰ মূল কথাখিনি তলত দিয়া ধৰনে বিভক্ত কৰিব পাৰি-

(১) বলিৰ স্বৰ্গৰ সিংহাসন আৰোহন।

(২) বিষ্ণুৰ আবিৰ্ভাব (বামন অৱতাৰ)

(৩) বামনৰ বলিৰ পৰা তিনিপদ ভূমি দান গ্ৰহন।

(৪) দৈত্যসকলৰ বামনৰ বিৰোদ্ধে যুদ্ধ আৰু পৰাজয়।

(৫) বলিৰ নাগপাশেৰে বন্ধন, প্ৰহ্লাদাদিৰ স্তুতি ও বলিৰ বন্ধন মুক্তি।

(৬) বলিৰ সুতল পুৰত ৰাজ্য শাসন আৰু অবৈষ্ণৱ দৈত্যৰ দুৰৱস্থা

।বলি ছলনৰ তাৎপৰ্য্য।।

(১) বলিৰ স্বৰ্গৰ সিংহাসন আৰোহনঃ-

অমৃতৰ পৰা বঞ্চিত হৈ দৈত্যৰাজ বলিয়ে গুৰু শুক্ৰাচাৰ্য্যৰ লগতআলোচনা কৰিলে। ৰনত পৰাজয় হৈ দৈত্যপতিয়ে দুখ কৰাত গুৰুৱে বিশ্বজিত যজ্ঞ কৰিবলৈ আয়োজন কৰোৱালে। যজ্ঞত এখন দিব্যৰথ আৰু অভেদ্য কৱচ ওলাল। শুক্ৰই ৰক্ষামন্ত্ৰ দিলে, প্ৰহ্লাদে প্ৰদ্মমালা পিন্ধালে, প্ৰহ্লাদৰ পদ ৰজ আৰু গুৰুক সেৱা জনাই সৈন্য সামন্ত লৈ স্বৰ্গ জয়ৰ বাবে অগ্ৰসৰ হ'ল আৰু অম্ৰাৱতী বেঢ়ি পেলালে। দানবৰ ভয়, হংস ধ্বনি শুনি দেবগন ভয়ত কম্পমান হৈ উথিল আৰু গুৰু বৃহস্পতিৰ ওচৰত উপায় বিচাৰিলে। গুৰুৱে কলে, বিশ্বজিত মহাযজ্ঞ কৰোৱাই শ্ৰক্ৰাচাৰ্য্যই তেজশীল কৰি স্বৰ্গজয় কৰিবলৈ দৈত্যক পঠাইছে। এই যুদ্ধত জয় হোৱাৰ আশাহীন। গতিকে স্বৰ্গ এৰি পলাই থকাহে উচিত হ'ব বুলি পৰামৰ্শ দিলে। দিব্য অস্ত্ৰ এৰি ফটাকানি পৰিধান কৰি শশীক হাতত ধৰি ইন্দ্ৰ ভেশচন কৰি পলাল। ইন্দ্ৰক নাপাই বলিয়ে বিনাযুদ্ধে স্বৰ্গৰ সিংহাসনত আৰোহন কৰিলে, শুক্ৰই আহি ৰাজ্যাভিষেক কৰিলে। দৈত্যগনক মুখ্য দিগ্পাল পাতিলে, দান পুন্য কৰ্ম্মত বলি ৰত থাকিল আৰু প্ৰজাক পুত্ৰৰ দৰে পালন কৰিলে।

দেবগনে কাঁইটিয়া বনৰ মাজত, অৰন্যত ভয়ে ভয়ে জীৱন কটাবলৈ ধৰিলে। ভিক্ষাৰে জীৱন নিবৰ্বাহ কৰি দেবগন ক্ষীনাই শুকাই গ'ল। দেবগনৰ অতি শোচনীয় অৱস্থা দেখি দেবমাতৃ অদিতিয়ে ক্ৰন্দন কৰিলে আৰু গঙ্গাৰ জলত সহস্ৰ বছৰ সমাধি কৰি বিষ্ণুক আৰাধনা কৰিবলৈ কশ্যপে স্বৰ্গ লৈ গ'ল আৰু অদিতিৰ গৃহত প্ৰবেশ কৰিলে। অদিতিয়ে সবিশেষ জনালত কশ্যপে কলে-

"কৈৰ দেহা কৈৰ জীৱ  কৈত পাইলা পুত্ৰ জীৱ
কাক কোনে বোলে বাপমাৰ।
সংসাৰ সকলে মিছা  তথাপি তাহাত ইচ্ছা
মোহ জৰী বান্ধি আছে টান।।
কোন বুদ্ধি কৰোঁ আবে  দেব দৈত্য যত সবে





হুয়া আছে মোহোৰ সন্তান।।" ৮৫২।।

কশ্যপৰ দৃষ্টিত সংসাৰৰ মায়া-মমতাত লোক আবদ্ধ থকিব নেলাগে, কাৰন কোনো পুত্ৰ বা পিতা বা মাৰ নহয়, দেহা অনিশ্বৰ। তথাপি অদিতিৰ আশা মতেই কাশ্যপে পত্নীক প্ৰয়োব্ৰতৰ বিধান দি পয়োব্ৰত কৰিবলৈকয়। প্ৰজা সৃষ্টিৰ বাবে ব্ৰহ্মাই তেওঁক এই উপদেশ দিছিল। সমস্ত ব্ৰততে কৃষ্ণক পূজা কৰা হয়। আদিতিয়ে সেইমতে বহুত কষ্ট কৰি পয়োব্ৰত কৰি ভগৱন্তক আৰাধনা কৰিলে। চক্ৰপানিয়ে অদিতিক কলে বলিয়ে বিশ্বজিত যজ্ঞ কৰি অজেয়-অভেদ্য হৈ আছে, গতিকে মই তোমাৰ গৰ্ভত উপজি তোমাৰ মনোৰথ পূৰ্ন কৰিম। তুমি এতিয়া কশ্যপক উপাসনা কৰি থাকা।" অদিতিক বৰদি কৃষ্ণ অন্তৰ্দ্ধান হয় আৰু কশ্যপক অদিতিয়ে গোপন কথা কোৱাত কশ্যপে তেওঁৰ গৰ্ভত বীৰ্য্য নিক্ষেপ কৰে।

(২) বিষ্ণুৰ আবিৰ্ভাৱ ঃ বামন অৱতাৰ-

ভাদ্ৰমাহৰ শ্ৰবনা দ্বাদশীৰ মধ্যদিনত অভিজিত মুহুৰ্ত্তত ভগৱন্তই বামন ৰূপে অদিতিৰ গৰ্ভত আবিৰ্ভাৱ হয়। বামনে চতুৰ্ভূজ ৰূপে অৱতাৰ হয় আৰু অলক্ষিতে দিব্য বামন স্বৰূপে পিতৃৰ আগত দেখা দিয়ে। ব্ৰহ্মা আৰু ঋষি গনে আহি জাত কৰ্ম্মত যোগদান কৰিলেহি। সূৰ্য্যই গায়ত্ৰী, বৃহস্পতিয়ে নবগুন, সৰস্বতীয়ে উত্তৰী, কশ্যপে মেকলা, মাতৃয়ে কৌপীন, চন্দ্ৰই বিভিন্ন বস্তু যোগান ধৰিলে। সেই সময়তে নৰ্ম্মদা নদীৰ পাৰত বলিয়ে যজ্ঞকৰি মহাদান কৰিছিল।

(৩) বলিৰ পৰা বামনৰ তিনিপদ ভূমি দান গ্ৰহনঃ দৈত্য গনৰ বামনৰ বিৰোদ্ধে যুদ্ধ আৰু পৰাজয়-

বামনে বলিৰ যজ্ঞত উপনীত হোৱাত বলিয়ে অতি সাজৰে উপবিষ্ট কৰোৱালে। কৰযোৰে সাতবাৰ প্ৰদৰ্ক্ষিন কৰি দণ্ডৱতে পৰি নমস্কাৰ জনালে। বিন্ধাৱলীয়ে সুবৰ্নৰ পাত্ৰত বামনৰ ভৰি ধোৱালে আৰু পাদোদক বলিয়ে শিৰত ললে। বামনে প্ৰশংসা কৰি বলিৰ পূৰ্ব্ব পুৰুষৰো যশ গুন গালে আৰু বলিৰ পৰা তিনি পদ ভুমি (ভৰিৰ জোখৰ) বিচাৰিলে।

"মোৰ প্ৰযোজন আৰে শুনা ৰাজা তুমি।
মাগো মই দিয়া মোক তিনিপদ ভূমি।।
মোহোৰ ভৰিৰ জোখা কৰি দিয়া দান।
এহিসে প্ৰাৰ্থনা কৰো নামাগোহো আন।।" ১০০৩।।

দান বিচৰাত বলিয়ে বামনক মহত দান বিচাৰিবলৈ কলে। বামনে কলে যে ত্ৰৈলোক্যৰ সমস্ত সম্পদ পালেও লুভীয়াৰ মন নুপুৰে। ইন্দ্ৰয়ক দমন কৰি অল্পতে সন্তোষ্ট থকাজনহে মহাসুখী।

"ইন্দ্ৰিয়ক জিনি যিবা এৰিলে আক্ৰোশ।
সি সি মহাসুখী যিটো অল্পতে সন্তোষ।।

অসন্তুষ্ট প্ৰানীৰ নথণ্ডে মন দুখ।
ত্ৰৈলোক্যৰ লক্ষ্মী পাইলে নাহি তাৰ সুখ।।” ১০১১

বামনক চিনি পদ ভূমি দান দিবলৈ গুৰু শুক্ৰাচাৰ্য্যই বলিক বাধা কৰিলে। কিন্তু বলিয়ে বামনক তিনিপদ ভূমি দান কৰিলে। শুক্ৰই তিনিপদৰ তত্ব জানি বলিক বাধা দিয়াৰ পাছতো বলিয়ে গুৰুৰ কথা নামানিলে। বলিয়ে ইতিমধ্যে কথা দিলে, সত্যৰক্ষা বলিৰ ধৰ্ম্ম, দধীচিৰ দৰে তেওঁ দান কৰিবই। ভগৱন্তক পাইছে যেতিয়া বলিয়ে সমস্ত বস্তুকে তেওঁত অৰ্পন কৰিব বুলি গুৰুক বামনে কলে। গুৰুৱে বলিক হত শ্ৰী হবলৈ অভিশাপ দিলে। তিল-কুশ, ভৃঙ্গাৰ বিন্ধ্যাৱলীয়ে তুলি লোৱাত শুক্ৰই ঝাৰিৰ ভিতৰত প্ৰবেশ কৰিলে আৰু বাট ভেটি ধৰিলে। পানী নোলোৱাত বামনে হাতত লৈ কুশেৰে খোচ মাৰিলত শুক্ৰৰ এটা চকু কনা হ’ল। বিন্ধ্যাৱলীৰ পৰা জললৈ বলিয়ে তিনিপদ উচৰ্গা কৰিলে আৰু বামনে হাত পাতি পাদোদক নিজৰ শিৰত ঢালিলে।

লগেলগে বামনৰ শৰীৰ বাঢ়ি পৃথিবী-আকাশ-দশোদিশ ঢাকি পেলালে। বামনৰ পাদত-সপ্তদীপা বসুমতীক দেখাপোৱা গ’ল। জঙঘাত পৰ্ববত, জানুত চটক, উৰুত মৰুৎগন, কটিত প্ৰজাপতি, নাভিত আকাশ, কুক্ষিত সমুদ্ৰ, বুকুত তৰাগন, হৃদয়ত ধৰ্ম্ম, বাহুত দিগপাল, কণ্ঠত বেদ, গ্ৰীবাত দিশ সমূহ বলিয়ে দেখা পালে। মুৰ্দ্ধাত স্বৰ্গ, কেশত মেঘগন, নোমত, বৃক্ষগন, কপালত ক্ৰোধ, অধৰত লোভ, নাৰীত নদীগন, নাসিকাত বায়ু, চকুত সূৰ্য্য, হাঁমিত মহামায়া আৰু ছাঁয়াত মৃত্যুৱে প্ৰকাশ পাইছে এয়ে বিষ্ণুৰ দিব্যকায়।

বামনৰ তিনি ভৰিয়ে সপ্তস্বৰ্গ অধিকাৰ কৰিলে। বামনৰ নখ লাগি ব্ৰহ্মডিম্ব ভাগিল আৰু জলাধাৰ বৈ যোৱাত ব্ৰহ্মাই কমণ্ডলুত ভৰাই বামনৰ পদধুৱালে আৰু গঙ্গাৰ উৎপত্তি হয়। মহাদেৱে জল শিৰত ধাৰন কৰিলে। বলিক মহালক্ষ্মীয়ে এৰি ইন্দ্ৰক বৰন কৰিলে। মাধবৰ মায়াৰ অন্তনাই, ধনৱন্তও দৰিদ্ৰ, ধনৱন্ত হয়।

শ্ৰীহত হৈ দৈত্যগনে বামনক বধ কৰিবলৈ উদ্যত হয় আৰু বলিয়ে বাধা প্ৰদান কৰে। বলিৰ বাধা নামানি দৈত্যগনে আক্ৰমন কৰাত বিষ্ণু পৰিষদ বৰ্গই দৈত্য গনক পৰাজয় কৰে। বলিৰ নিৰ্দ্দেশত দৈত্যগন পলায়ন কৰে।

(৪) বলিক নাগপাশেৰে বন্ধন, প্ৰহ্লাদাদিৰ স্তুতি ও বলিৰ বন্ধন মুক্তিঃ-

দৈত্যৰ পলায়নৰ পাচত দেবগনে বিষ্ণুৰ অৰ্চনা কৰে। বামনৰ আদেশত গৰুড় পক্ষীৰে বামনক নাগ পাশেৰে বান্ধে। সিদ্ধ-মুনি-নৰ-স্বৰ্গবাসী, দেবগন আদিয়ে মহামহন্ত বলিক বন্ধা দেখি দুখ কৰে। বলিয়ে দালদৰিদ্ৰ হৈ আৰু বন্ধাৰ দুখ-কষ্টকো পাহৰি থকা অৱস্থাতে বামনে ক্ৰোধ কৰি তৃতীয় পদ ভৰি উৎচৰ্গা কৰিবলৈ কয়। পাতাল পৰ্য্যন্তে সসাগৰা পৃথিবীক একপাদে, সপ্তস্বৰ্গ একপাদে গ্ৰাস কৰিলে, তৃতীয় পদ ক’ত দিম বুলি কোৱাত বামনে নীৰৱে শুনি থাকি উত্তৰ দিলে- যে সকলোবোৰ দিয়াৰ পাচতো অসত্যবাদী বুলি বামনে কোৱাত হে দুখ পাইছে। গতিকে নিজৰ মূৰ পাতি তাতে ভৰি থবলৈ বলিয়ে বামনক আহবান জনালে। শৰীৰকো তেওঁ বামনত





অৰ্পন কৰিলে আৰু জন্মে জন্মে দাসৰো দাস হ’ল বুলি কলে।

বলিয়ে কলে বান্ধ তেওঁৰ বাবে পৰম প্ৰসাদ, পিতামহপ্ৰহ্লাদে তেওঁক নেৰিলে, পিতৃ বিৰোচনেও ঈশ্বৰক নেৰিলে, গতিকে তেওঁ কেনেকৈ ঈশ্বৰক এৰিব ? ধন-জন, পুত্ৰ-পৰিবাৰ সকলো মায়াময়, ঈশ্বৰৰ চৰনহে কেৱল নিৰ্ভয় স্থান। বলিয়ে নানাভাৱে ভগৱানক স্তুতি কৰা সত্বেও বামনৰ খং নকমিলে। মহাভক্ত প্ৰহ্লাদে বামনক স্তুতি কৰিবলৈ ধৰিলে। ঈশ্বৰে শ্ৰীমায়া প্ৰদান কৰি পুনৰ শ্ৰীমায়া কাঢ়ি ললে, শ্ৰীমদ আপদ, কাৰন ইয়াক পালে ভগৱন্তক জনা নাযায়। প্ৰহ্লাদে কলে-

“শ্ৰীযাক পাইলে সিটো জীৱন্ততে মৰা।
মাতন্তে নমাতে যেন আতুৰ নাপৰা।।
শুনিয়ো নুশুনে যেন বসি থাকে কলা।
দেখিয়ো নেদেখে যেন দিনতে অন্ধলা।।” ১২০১।। ৰ

গতিকে বলিক আৰু শাস্তি নিদিবলৈ বামনক প্ৰহ্লাদে কাকুতি কৰিলে। বামনে একো উত্তৰ নিদিয়াত বিন্ধ্যাৱলীয়ে বামনক সেৱা জনালে। বামন ঈশ্বৰৰ গুনাৱলী কীৰ্তন কৰি বিন্ধ্যাৱলীয়ে কলে যে তেওঁৰ স্বামীয়ে বৈষ্ণৱৰ নাতি হৈ বিষ্ণুক ত্ৰৈলোক্য কৰো দান বুলি কোৱা মূঢ় মতিৰ চিন। ঈশ্বৰৰ ওপৰত কৰ্ত্তা থাকিব নোৱাৰে। তেওঁৰ স্বামীয়ে শ্ৰীমদৰ প্ৰভাৱতপৰি মহাভুল কৰিলে। তথাপিও বামনৰ খং নকমিল।

ব্ৰহ্মাই সকলো কথা বৰ্নাই মহামহন্ত, সমস্তৰে প্ৰিয় বলিৰ প্ৰতি ক্ৰোধ এৰি বন্ধনৰ পৰা মুক্তি দিবলৈ মিনতি কৰে আৰু বামনে গৰুড়ক বান্ধ কাটিবলৈ কয়। বলিয়ে বান্ধৰ পৰা মুক্ত হৈ বামনৰ পদত পৰিল। সমস্ত সমাজলৈ চাই বলিক কিয় নিগ্ৰহ কৰিলে তাৰ কাৰনৰ বিষয়ে কলে-

“মোৰ মহা অনুগ্ৰহ ভৈল যাক প্ৰতি।
সি জনৰ হৰো মই বিভৱ সম্পত্তি।।” ১২২৮।।

মই যাক ভাল পাওঁ- তেওঁৰ সমস্ত ঐশ্বৰ্য্য বিভবহৰন কৰো। তেতিয়াও যদি মোক নেৰে তেতিয়াহে মই সাবতি লওঁ।” এওঁৰ প্ৰতি বামনৰ স্নেহ সৰ্ববাধিক কাৰন তেওঁ মায়াক সমুলঞ্চে দূৰ কৰিছে। হাতেগলে বান্ধি থোৱা হ’ল, শুক্ৰৰ বাক্যকো নুশুনিলে, শত্ৰুৰ হাততো নিঃশঙ্ক হৈ থাকে, সত্য ধৰ্ম্মক নেৰিলে, দাতাৰ ভিতৰত সৰ্ববশ্ৰেষ্ঠ- গতিকে ব্ৰহ্মাণ্ডৰ ভিতৰত সীমীহন গুনৰ অধিকাৰী বলি।

“ইটো দৈত্য ৰাজৰ গুনৰ নাহি সীমা।
মোৰ মুখে কত আৰ বৰ্নাইবো মহিমা।।১২৩৩।।

(৫) বলিৰ সুতল যাত্ৰা আৰু বামনৰ ৰাজ্যাভিযেকঃ-

বামনে বলিক ইন্দ্ৰসেন নাম দি কলে যে বলিৰ ভক্তিয়ে বামনক অধীন কৰিলে আৰু নিজক দিলেও ধাৰ পৰিশোধ কৰিব নোৱাৰি।

“তোহোৰ ভকতি মোক কৰিল অধীন।

মোকো যেবে দেও তভো শুজা নাযায় ঋন।।”

তথাপি বচন বোলো শুনা দৈত্য নাহা।।” ১২৩৫।।

সুতল পুৰী ভগৱন্তৰ প্ৰিয়স্থান আৰু বৈকুণ্ঠত গৈ সুন্দ পুৰী ব্ৰহ্মা-ৰূদ্ৰ-ইন্দ্ৰ-চন্দ্ৰই সেই পুৰী বিচাৰিছিল, তথাপি দিয়া নহ’ল। মোৰচক্ৰ তোমাৰ সভাত থাকিব আৰু যি তোমাৰ কথা নাৰাখিব তাক স্কন্ধপাত কৰিব বুলি বামনে কলে। হাতত গদালৈ ভগৱানে তেওঁৰ দুৱাৰত ৰখি থাকিব বুলি কলে। স্বৰ্গৰ ইন্দ্ৰ পুন্যক্ষীন হলে বলি সাবৰ্নি মনুৰ দিনত ইন্দ্ৰ হবহি। বামনৰ কথা মতে বলিয়ে প্ৰহ্লাদ সহ দৈত্য গনকলৈ সুতল পুৰীত প্ৰবেশ কৰিলে।

বামনে ইন্দ্ৰৰ লগত আলোচনা কৰি ইন্দ্ৰক স্বৰ্গৰ ৰজা হবলৈ কলে যদিও ইন্দ্ৰৰ অনুৰোধত বামনকো উপেন্দ্ৰ নাযাদি যুবৰাজ পতা হ’ল আৰু অদিতিয়ে পুত্ৰ সকলক পাই আনন্দ কৰিলে।

(৬) **বলিৰ সুতল পুৰীত ৰাজ্য শাসন আৰু অবৈষৰ দৈত্যৰ দুৰবস্থা ঃ-**

বলিয়ে সুতল পুৰীত প্ৰবেশ কৰি বিষ্ণুকে ধ্যান কৰি ৰাজ্য শাসন কৰিবলৈ ধৰিলে। বৈষ্ণৱ বিদ্বেষী দৈত্য গনে বলিৰ হাকডাক নুশুনি বিষ্ণুৰ বিদ্ৰোহ কৰাত সুদৰ্শন চক্ৰই কাটি, চকু কাঢ়ি, বিকলাঙ্গ কৰি শাস্তি বিহিলে। বলিৰ বুজনিত সকলো দৈত্যই হৰি নাম শ্ৰৱন-কীৰ্ত্তন কৰিলে আৰু বলিয়ে ভগৱন্তক ভক্তি কৰি আনন্দ মনেৰে দিন কটালে।

**বলিছলনৰ তাৎপৰ্য্যঃ-**

সাগৰ মন্থনৰ অমৃতৰ পৰা বঞ্চিত আৰু ইন্দ্ৰৰ হাতত পৰাজয়ৰ বেদনা বহন কৰি পৰম বৈষ্ণৱ বলিয়ে প্ৰতিশোধৰ বাবেই বিশ্বজিৎ যজ্ঞ অনুষ্ঠিত কৰি অজেয় হৈ স্বৰ্গজয় কৰিছিল আৰু কোনো অন্যায় নকৰাকৈ সকলো প্ৰজাক মৰম-ভক্তিৰে শাসন কৰিছিল বলিয়ে। পুত্ৰৰ প্ৰতি থকা মৰমে-দেবমাতৃক অসন্তোষ দিয়াত পয়োব্ৰত সাধন কৰি ভগৱানক পুত্ৰ ৰূপে পালে। দেবগনে আৰু দেবমাতৃয়ে বিষ্ণুক ভক্তি কৰাৰ বাবে ভগৱানে বামন ৰূপে অবতাৰ হৈ ভক্তক উদ্ধাৰ কৰিলে। বলিয়ে শ্ৰীমদত থাকি তিনি পদভুমি দান কৰাত আধিকাৰ নথকা সত্বেও কৰিলে। তাৰ ফলস্বৰূপে ভক্ত বলিয়ে নানা যান্ত্ৰনা ভোগ কৰিব লগা হ’ল। তথাপিবলি সত্য ধৰ্ম্মত অচল অতল। কশ্যপৰ দৃষ্টিত দিতি আৰু অদিতিৰ পুত্ৰ দুয়োয়েই সমান। দিতি আৰু অদিতি সহোদৰা হলেও অদিতি ভক্তী আৰু দিতি তেনে নোহোৱাৰ বাবেই তেওঁৰ পুত্ৰবোৰ বিষ্ণু বিদ্বেষী। বলিক ধৰ্ম্ম পৰীক্ষা কৰিবলৈকে ভগৱালে নানা চলনা কৰিলে আৰু শেষত বলি পৰীক্ষাত উত্তীৰ্ন হ’ল। বলিৰ পত্নী মহা ভক্তি পৰায়না। মহন্তৰ পুত্ৰ মহন্ত হয়। প্ৰহ্লাদৰ পুত্ৰ বিৰোচন ভক্তি পৰায়ন বাবে তেওঁৰ পুত্ৰ বলি পৰম বৈষ্ণৱ। ভক্তা ধৰ্ম্মৰ বাবে গুৰুকো ত্যাগ কৰিব লগা হয়, যিটো বলিয়ে কৰিছিল। ভগৱন্তই যাক ভাল পায়, তেওঁৰ ঐশ্বৰ্য্য সম্পদ সকলো হৰন কৰে, নানা কষ্ট দিয়ে, তাতো যদি ভগৱানক নেৰে, তেন্তে ভগৱানে মোক্ষপদ দিয়ে। ভক্তিয়ে ভগৱানক অধীন কৰে। বলিৰ সভাত সুদৰ্শন চক্ৰ আৰু দ্বাৰত





গদাধৰি ভগৱান থকাটোৱে তাকে প্ৰমান কৰে। সংসাৰত দুখত থকা জনেহে ভগৱানক চিন্তে, শ্ৰীমদত থকাজনে নিচিন্তে। সুখ-দুখ চকাৰ গতিৰ দৰে। এদিন স্বৰ্গৰ ইন্দ্ৰ মগনীয়া হৈ ফুৰিছিল। প্ৰহ্লাদৰ ভক্তিত বামন মোহিত হৈছিল। দেবগন বাৰম্বাৰ বিপদত পৰে, আৰু সুখৰ সময়ত ভগৱানক পাহৰি যায়, বিপদ কালত ভগৱানে উদ্ধাৰ কৰে।

স্বৰ্গ দেহতেই বিৰাজমান আৰু সুতল পুৰীও দেহতেই আছে। দেহতেই দেবগন আৰু দৈত্যগন বিদ্যমান আৰু দেব-দৈত্যৰ যুদ্ধও দেহত চলি আছে। শুভ প্ৰবৃতি আৰু অশুভ প্ৰবৃতি সমূহৰ সংঘাট দেহত চলিব ধৰিছে, ভগৱান্তক শুদ্ধভাবে হৃদয়ত ধৰি ৰাখিব পাৰিলে বিপদ আপদৰ পৰা ৰক্ষা পাব পাৰে। ভগৱন্তৰ চালনা পৰিচালনাত আমি জীৱ বোৰ পৰিচালিত। ঈশ্বৰত সৰ্ব্বস্ব সমৰ্পন কৰি তেওঁক চিন্তাকৰি তেওঁৰ সৃষ্টি প্ৰানী বৰ্গৰ মঙ্গল কামনাৰে শুভ কৰ্ম্ম কৰি সংসাৰ প্ৰৱাহৰ মাজত নিজকে এৰি নিদি ধৈৰ্য্য সাহস নিষ্ঠা ভক্তিৰে অগ্ৰসৰ হবলৈ এনেবোৰ কাহিনীয়ে সম্বল যোগায়।

(৬) ভগৱন্তৰ মৎস্যাৱতাৰ

মৎস্য অৱতাৰ ৰূহিনীক নিম্নোক্ত উপভাগত ভাগকৰিব পাৰিঃ-

(১) মৎস্য অৱতাৰৰ কাৰন।

(২) ৰজা সত্যব্ৰতৰ কথা।

(৩) মৎস্যৰূপী ভগৱন্তৰ অৱতাৰ কৰ্ম্ম।

(৪) ভগৱন্তৰ বেদোদ্ধাৰ।

(১) মৎস্য অৱতাৰৰ কাৰনঃ-

পৰ্ব্বকালত নৈমিতিক প্ৰলয়ত তিনিলোক জলমগ্ন হয় আৰু সেই সময়তে ভগৱন্তৰ মুখৰ পৰা বেদ সমূহ, বাহিৰ হৈ প্ৰলয় জলত পৰিল। হয় গ্ৰীৱ দৈত্যই বেদ সমূহ চুৰি কৰি নিয়াত ভগৱন্তই মৎস্য অৱতাৰ লব লগীয়া হয়। পৰম মহন্ত সত্যব্ৰত এজন ৰাজৰ্ষি আছিল, তেওঁ বিবস্তৰৰ পুত্ৰ শ্ৰাদ্ধদেৱৰ পুত্ৰ আছিল। সত্যব্ৰত দ্ৰবিৰৰ ৰজা আছিল। এদিন পুৱা ৰজাই স্নান কৰিবলৈ কৃতমালা নামে নদীত নামি অঞ্জলি কৰি জল হাতত তুলি আনোতে মাছৰ পোনা এটা পাই নদীৰ বালিত খাল এটি খাণ্ডি থলে।

(২) ৰজা সত্যব্ৰতৰ কথাঃ-

ৰাজৰ্ষি সত্যব্ৰতক মাছটিয়ে কলে যে নদিত থলে ডাঙৰ মাছে তাক খাই পেলাব বুলি ৰজাত শৰন ললে। সেই মাছ পোনাটোক অনুগ্ৰহ কৰি ভগৱন্তই মৎস্য শৰীৰ লৈ আবিৰ্ভাব হ’ল। ৰজাই কমণ্ডুলুত মাছটো থলে আৰু এৰাটিৰ ভিতৰতে কমণ্ডুলুত নধৰা হ’ল। তাৰ পাচত মাছটোক নদীত, সৰোবৰত, আৰু সাগৰত থলে। সাগৰৰ বৃহত আকাৰ ধাৰন কৰি মাছটোৱে ৰজাক লগতে আশ্ৰয় হৈ থাকিবলৈ কলে।

ৰজাই মাছৰ ক্ৰমোনতি দেখি আচৰিত হৈমাছটোক পৰিচয় দিবলৈ কলে। ৰজাই মাছৰ চৰন পঙ্কজত ঈশ্বৰ বুলি অনুভৱ কৰি স্তুতিৰে শৰন ললে। মৎস্য অৱতাৰী ঈশ্বৰে ৰজাক কলে যে সাতদিনৰ মূৰত মহাপ্ৰলয়, তিনি লোকত সংঘটিত হ’ব আৰু

জলে তিনিলোক বুৰাই পেলাব। এখন মহানৌকা তেওঁ ৰজাক অনুগ্ৰহ কৰি দিব তাতে সপ্ত ঋষি, সমস্ত ঔষধিৰ বীৰ্য্য তাত উঠাই লব লাগিব বুলি কলে। তেওঁ বাসুকি হৈ আহিব আৰু বাসুকিৰ পিঠিত নাও বান্ধি সপ্তঋষি সহ ৰজা নাৱত উঠিব আৰু ব্ৰহ্মাৰ সীমা নোপোৱালৈকে ভগৱানে বিহাৰ কৰিব আৰু ৰজাই তেওঁৰ পৰা পৰমাৰ্থ জ্ঞান কৰিব। এই কথা কৈ ভগৱন্ত অন্তৰ্দ্ধান হ'ল।

(৩) মৎস্যৰূপী ভগৱান্তৰ অৱতাৰ কৰ্ম্মঃ-

ইতিমধ্যে সত্যব্ৰত ৰজাই হৰিৰ আদেশ মতে আসন পাতি বহিল আৰু মহাপ্ৰলয়ৰ জল উঠলি উঠি পৃথিৱী বুৰাই পেলালে। ৰজাই নৌকা দেখিলে, ঋষিগনক আৰু ঔষধি নাৱত তুলি নিজেও উঠিল। বাসুকি আহি উপনীত হ'ল আৰু ৰজাই নৌকা বাসুকিৰ পৃষ্ঠ শৃঙ্গত বান্ধিলে। চাক্ষুষ মনুৰ কালত এই নৈমিতিক মহাপ্ৰলয় ঘটিল। সত্যব্ৰতে ভগৱন্তৰ গুন গান কৰি স্তুতি কৰিবলৈ ধৰিলে। ভগৱন্তই ৰজাক সাংখ্যযোগ, মৎস্যপুৰানৰ তত্ব পৃথিৱী নৌকাত থাকি ব্যক্ত কৰিলে। ৰজাই কৃষ্ণক প্ৰনাম জনালে আৰু মৎস্যৰূপী ভগৱান অন্তৰ্দ্ধান হ'ল।

(৪) ভগৱন্তৰ বেদোদ্ধাৰঃ- ভগৱন্তৰ মুখৰ পৰা ওলোৱা বেদগন দিতিৰ পুত্ৰ হয়গ্ৰীৱে ব্ৰহ্মাৰ সমীপৰ পৰা চুৰি কৰি নি থৈছিল আৰু মৎস্যৰূপ পৰিগ্ৰহন কৰি ভগৱানে হয়গ্ৰীৱক বধ কৰি বেদসমূহ প্ৰনয় জলধিৰ পৰা উদ্ধাৰ কৰে আৰু বিধাতাক প্ৰদান কৰে। তদুপৰি সত্যব্ৰত আৰু সপ্তঋষিক ব্ৰহ্মতত্ব জ্ঞান্য দিয়ে।

।।ঃঃঃ।।





## ।।নৱমস্কন্ধ।।

**কেশৱ চৰন দেব বিৰচিত-**

**মূল বিষয়ঃ-**

(১) মনুৰ পুত্ৰ সকলৰ বৰ্ননা।
(২) নাভাগ আৰু অম্বৰীষৰ কাহিনী।
(৩) হৰিশ্চন্দ্ৰৰ উপাখ্যান।
(৪) ভগীৰথৰ গঙ্গা আনয়ন।
(৫) শ্ৰীৰামচন্দ্ৰৰ উপাখ্যান।
(৬) পুৰুৰবাৰ চৰিত্ৰ বৰ্নন।
(৭) পৰশুৰামৰ উপাখ্যান।
(৮) বিশ্বামিত্ৰৰ কথা।
(৯) যযাতি আৰু দেবযানী।
(১০) দুষ্মন্ত-শকুন্তলা আৰু ভৰতৰ কাহিনী।
(১১) ৰন্তিদেবৰ কাহিনী।
(১২) অজমীৰ আৰু কুৰু পাণ্ডৱৰ বংশ পৰিচয়।

**(১) মনুৰ পুত্ৰ সকলৰ বৰ্ননা ঃ**

নাৰায়নৰ নাভি কমলৰ পৰা ব্ৰহ্মাৰ মানস পুত্ৰ মৰীচি, মৰীচিৰ পুত্ৰ কশ্যপ, কশ্যপৰ পুত্ৰ সূৰ্য্য, সূৰ্য্যৰ পুত্ৰ শ্ৰাদ্ধদেৱ।

নাৰায়ন (পদ্মকল্প)    স্বায়ম্ভূৰ মনুৰ পুত্ৰ

↓

ব্ৰহ্মা    দশপুত্ৰ।

↓

মৰীচি (মানস পুত্ৰ)

↓

কশ্যপ

↓

সূৰ্য্য

↓

শ্ৰাদ্ধদেৱ

শ্ৰাদ্ধদেৱৰ পত্নীৰ নাম শ্ৰদ্ধা, এওঁলোক অপুত্ৰক আছিল। বশিষ্ঠৰ পৰামৰ্শত মিত্ৰাবৰুনক চিন্তি যজ্ঞ কৰাত ইলা নামে কন্যা উপজিল। বশিষ্ঠই এটি পুত্ৰ হ'ব বুলিহে কৈছিল। বশিষ্ঠই ইলাক পুত্ৰলৈ পৰিবৰ্ত্তন কৰিলে আৰু তাৰ নাম দিলে সুদ্যুম্ন। হৰ পাৰ্ব্বতীয়ে এদিন কামকেলী কৰি থকা অৱস্থাত ঋষি গনে মহেশক দেখা কৰিবলৈ গৈ উপনীত হোৱাত পাৰ্ব্বতীয়ে লাজ পাই নগ্ন শৰীৰ কাপোৰেৰে ঢাকিলে আৰু শিৱই পাৰ্ব্বতীয়ে পোৱা লাজৰ বাবে অভিশাপ দিলে যে যেয়ে সেই বনত প্ৰবেশ কৰিব তেৱেঁ স্ত্ৰী হ'ব। ঋষি সকলে এই দৃশ্য দেখি আতৰি গ'ল। সুদ্যুম্নই সসৈন্যে সেই বনত প্ৰবেশ কৰাত সকলোবোৰ পুৰুষ স্ত্ৰী হ'ল।

শ্ৰাদ্ধদেব মনুৰ পুত্ৰ সুদ্যুম্নই বশিষ্ঠৰ ওচৰত নাৰীবেশ দূৰ কৰিবলৈ প্ৰাৰ্থনা জনালে আৰু বশিষ্ঠই তেওঁক এমাহ পুৰুষ আৰু এমাহ নাৰী হৈ হৈ থাকিব বুলি মহেশক খাতি বৰ দিয়ালে। সুদ্যুম্নই এমাহ পৰুষ হৈ ৰজাৰ কাম চলায় আৰু এমাহ অন্তেষ পুৰত নাৰী হৈ বনলৈ যোৱাত শ্ৰাদ্ধদেৱে পুত্ৰকামে ঈশ্বৰক সেৱা কৰি এশ বছৰ কটালে আৰু তাৰ ফলত শ্ৰদ্ধাৰ গৰ্ভত দহজন পুত্ৰ লাভ কৰে। তেওঁলোক- হ'ল-ইক্ষবাকু, যযাতি, নৃগ, দুষ্ট, ধৃষ্ট, কৰূষ, নৰিষ্যন্ত, পৃষধ্ৰ, শৰ্য্যাতি, কবি।

এওঁলোকৰ পৰা মনুবংশ বৃদ্ধি হ'বলৈ ধৰিলে।

**(২) নাভাগ আৰু অম্বৰীষৰ কাহিনীঃ-**

নভগৰ পুত্ৰ নাভাগ। নাভাগে ব্ৰহ্মচাৰী হৈ বেদ অধ্যয়ন কৰিবলৈ যায় ইতিমধ্যে তেওঁৰ অন্যান্য ভাতৃ সকল পৃথক হ'ল। সকলো সম্পত্তি তেওঁলোকে ভাগ কৰিলে আৰু নাভাগে তেওঁলোকৰ ওচৰত দৈব্য বিচৰাত পিতৃয়ে নাই বুলি কোৱাত জ্যেষ্ঠ ভাতৃ



বৰ্গৰ ওচৰত বিচাৰিলে। পিতৃয়ে নাভাগক সম্পত্তি পাবৰ বাবে অঙ্গিৰস নামৰ ঋষিৰ যজ্ঞলৈ যাবলৈ কলে। আঙ্গিৰস আদি মুনিগনে যজ্ঞৰ মন্ত্ৰ পাহৰি আছিল আৰু নাভাগে গৈমন্ত্ৰ সোঁৰৱাই দিয়াত যজ্ঞৰ সম্পদবোৰ নাভাগক দিলে। দ্ৰব্য সমুহ নাভাগে আনিবলৈ বিচৰাত কৃষ্ণ বৰ্নৰ লোক এজনে তেওঁৰ দ্ৰব্য বুলি বাধা দিলে। নাভাগে পিতৃৰ ওচৰত এই কথা কোৱাত পিতৃ নভাগে সেই বস্তু আচলতে দক্ষযজ্ঞত শিৱই লাভ কৰিছিল বুলি কয়। নাভাগে শিৱৰ ওচৰত ক্ষমাখোজাত শিৱই নাভাগৰ সততাৰ ওপৰত সন্তোষ্ট হৈ দ্ৰব্যসমূহ নাভাগক দিয়ে আৰু নাভাগে ব্ৰহ্মজ্ঞান লাভ কৰিব বুলি বৰ দিয়ে।

পিতৃয়ে পুত্ৰক মিছা নোবোলা আৰু পুত্ৰয়ো মিঠা নকৈ সত্য কথা কোৱাৰ মহালাভ নাভাগ আৰু নভগৰ যোগে প্ৰকাশ পাইছে আৰু পৈতিক সম্পতিত সহোদৰৰ মাজত কন্দল এৰি নিজ বিদ্যাৰ ওপৰত হে নিৰ্ভৰ কৰিব লাগে।

অম্বৰীষৰ কথা- নাভাগৰ পুত্ৰৰ নাম অম্বৰীষ। ইন্দ্ৰত কৈ অধিক শ্ৰীমন্ত ৰজা সপ্তদ্বীপৰ অধিপতি। ৰাজপদক স্বপ্নসম ভাবি মনতে ঈশ্বৰ কৃষ্ণক ভক্তি কৰিছিল। মায়াময় সংসাৰত কেৱল ভকতকহে তেওঁ সাৰ বুলি সমভাব কৰিছিল। তেওঁ দুই হাতেৰে গৃহ মাৰ্জ্জি, কানেৰে কৃষ্ণ কথা শ্ৰৱন কৰি বৈষ্ণৱক ভক্তি কৰিছিল আৰু সৰ্ব্বদ্ৰব্য কৃষ্ণত অৰ্পন কৰিহে ভূঞ্জিছিলে। ঈশ্বৰত আচৰন ভক্তি কৰি ৰজা অম্বৰীষে জীৱনৰ সময় অতিবাহিত কৰিছিল। তেওঁ যুগধৰ্ম্ম অনুসাৰে অশ্বমেধ যজ্ঞ কৰি ভগৱানক পূজিছিল।

ৰজাৰ ৰাজ আসন, গৃহ, পুত্ৰ, দাৰা,বন্ধু, সুহৃদ, গজ-ৰাজী, ৰথ-সেনা, অমূল্য ৰত্ন থকা সত্বেও সিবোৰত মতি নাছিল, মতি আছিল মাত্ৰ কৃষ্ণৰ চৰনত হে। ৰজাৰ ভক্তিত ভগৱানে তুষ্ট হৈ চক্ৰ ৰজাক দিলে আৰু চক্ৰেৰে তেওঁ সপ্তদ্বীপ শাসন কৰিলে। চক্ৰই শত্ৰুক নিঃশেষ কৰিলে। ৰজাই পত্নীসহ এবছৰ দ্বাদশীব্ৰত আচৰন কৰিলে। ঈশ্বৰক চিন্তি ব্ৰত সামৰনি মাৰি তিনিদিন উপবাসে থাকিল। কালিন্দী হ্ৰদত স্নান কৰি তেওঁ বিপ্ৰক ষাঠি কোটি ধেনু দান কৰিলে আৰু ব্ৰাহ্মন সকলে ৰজাক পাৰনৰ যত্ন কৰিবলৈ কলে। পাৰনৰ সময় হোৱাত ৰজাই ভোজন কৰিবলৈ ওলোৱাত দুৰ্ব্বাসা মুনি উপস্থিত হ'ল আৰু ৰজাই ভক্তি ভাৱে সেৱাসতকাপ কৰিলে। দুৰ্ব্বাসাক ৰজাই কলে যে তেওঁ ৰজাৰ ঘৰত থাকি ভোজন কৰক। কিন্তু দুৰ্ব্বাসাই মধ্যাহ্ন কৰ্ম্ম সেই সময়তে কৰিম বুলি কালিন্দী হ্ৰদত স্নান কৰিবলৈ গ'ল। পাচনত সময় আহি পৰাত ৰজাই ভোজন কৰিবই লাগিব, অথচ দুৰ্ব্বাসাক ভোজন নকৰোৱাকৈ তেওঁ ভোজন কৰিবও নোৱাৰে। তেনে কৰিলে অধৰ্ম্ম হ'ব আৰু ভোজন নকৰিলেও ব্ৰতত ফলাফল নহ'ব। উভয় সঙ্কত পৰি ৰজাই ঋষি সকলক উপায় বিচৰাত তেওঁলোকে দুয়োকুল ৰক্ষাকৰি কেৱল জল পান কৰিবলৈ পৰামৰ্শ দিলে। ৰজাই ঈশ্বৰক চিন্তি তাকে কৰিলে।

দুবৰ্বাসাই স্নান কৰি আহি ৰজাই জল ভক্ষন কৰা গমপাই খংকৰি কলে যে আতিথিক অৱজ্ঞা কৰি গৃহস্থই কিয় খাব। ক্ৰোধান্বিত হৈ দুবৰ্বাসাই জটা চিঙি দিয়াত প্ৰচণ্ড অগ্নি নিৰ্গত হ'ল আৰু সেই কৃতানলে খেদি আহিল। কিন্তু যি ভগৱন্ত কৃষ্ণক একান্ত ভকতি কৰে তেওঁ কাকো ভয় কৰিবলগা নাথাকে। দুবৰ্বাসাই হিতাহিত জ্ঞান হেৰোৱাই মহাভক্ত ৰজাক দগ্ধ হবলৈ কৃতানল এৰি দিলে। নিৰ্দোষী এজনক অভিশাপ দিয়াৰ ফল নিজৰ বাবে মহাকালৰ সৃষ্টি কৰাহে হয়।

"ভকতৰ ৰক্ষাৰ নিমিত্তে ভগৱন্ত।
আপোনাৰ অস্ত্ৰক ঈশ্বৰে দিয়াছন্ত।।" ২৪৬।।
চক্ৰে দেখিলন্ত অম্বৰীষক দহয়।।

চক্ৰই গৈ কৃতানল ধ্বংস কৰিলে আৰু প্ৰলয় কালৰ আদিত্যৰ দৰে জ্বলি উঠিল। কৃতানল ধ্বংস হোৱা দেখি দুবৰ্বাসাই মহাভয়ত পলাবলৈ ধৰিলে, চক্ৰই পাছে পাছে খেদিবলৈ ধৰিলে। সাগৰত প্ৰৱেশ কৰি, স্বৰ্গলৈ গৈ, সত্যলোকলৈ গৈ, ব্ৰহ্মাৰ চৰনত দীঘলদি পৰিল গৈ। ব্ৰহ্মাৰ ওচৰত ৰক্ষা কৰিবলৈ কোৱাত ব্ৰহ্মাই কলে মোৰ পৰমায়ু মাত্ৰ এশ বছৰহে, কিন্ত ভগৱানৰ কালমূৰ্ত্তি অনন্ত অসীম। ভগৱন্তৰ অনন্ত কালৰ মহিমা মই বাধা দিব নোৱাৰো, তুমি ভকতৰ দ্ৰোহ আচৰন কৰিলা। তেতিয়া দুবৰ্বাসাই কৈলাস পাই শিৱৰ ওচৰত শৰন লৈ ৰক্ষা পাব বিছাৰিলে। হৰে কলে- "ব্ৰহ্মা আৰু মই যি ভগৱানৰ আজ্ঞামতে চলো, ঈশ্বৰৰ ওপৰত আমাৰ তেজ আমি সহিবলৈ অক্ষম। গতকে সেই বিষ্ণুত শৰন লোৱাৰ বাহিৰে দুবৰ্বাসাৰ উপায় ন'হ'ব বুলি হৰে কলে।

এই দুবৰ্বাসাই শ্ৰীহৰিৰ ওচৰত গৈ শৰনাগত হ'লগৈ। দুবৰ্বাসাই স্তুতি কৰিলে-

"অচ্যুত অনন্ত প্ৰভু পশিলো শৰনে।
কৰিয়োক ৰক্ষামোক দুৰন্ত মৰনে।।"২৭০।।
"হেনয় অভয় পদে পশিলো শৰনে।
ৰাখা ৰাখা প্ৰভু মোক অৰুন চৰনে।।"২৭৪।।
"ভকতৰ দ্ৰোহ আচৰিলো বাপ।
মহিমাক নজানিয়া দিলোমই তাপ।।" ২৭১।।

দুবৰ্বাসাৰ স্তুতি শুনি শ্ৰীহৰিয়ে কলে-

"শুনিয়োক দ্বিজ মই নোহো স্বতন্ত্ৰৰ।
কেৱলে অধীন মাত্ৰ ভকত জনৰ।

"মই ভকতৰ প্ৰিয় আৰু ভকতে মোৰ বাদে আনক নাযানে আৰু ময়ো ভকতৰ বাহিৰে ানক নাজানো।"





"ক'তো বাঞ্চা নাই মোৰ ভকতক এৰি।
মহাস্নেহে বন্দী কৰি আছে প্ৰেমজৰী।।"
দেখামোৰ লক্ষ্মী এহে মহা প্ৰিয়তম।
বক্ষস্থলে স্থান আঙ্ক দিলোহো পৰম।। ২৭৯।।
আহান্তো অধিক মোৰ স্নেহ বৈষ্ণৱক।
তোমাৰ আগত ঋষিকহিলো তত্ত্বক।। ২৮০।।

"গৃহ-পুত্ৰ-দ্বাৰা-ধন-জন-প্ৰানাদি মোৰ প্ৰীতিৰ অৰ্থেই ভকতে সৰ্ববস্ব ত্যাগ কৰে, মোতে বিশ্বাস ৰাখি কায়-বাক্য-মনে মোতে শৰন লয়। গতিকে মই-মোৰ চেত্ত-প্ৰান-মন-বুদ্ধি ভকততে দিলো।"

মই মোৰ সুদৰ্শন চক্ৰৰ যাক দিয়া আছে তুমি তেওঁৰ দ্ৰোহ আচৰিলা। সুদৰ্শন চক্ৰে তোমাক খেদি ফুৰিছে, গতিকে তুমি অম্বৰীষত শৰনে পশিব লাগিব।" হৰিৰ কথামতে দুবৰ্বাসাই অম্বৰীষৰ চৰনত পৰিলগৈ আৰু স্তুতি কৰিলে। অম্বৰীষে ঋষিক দাঙি ধৰি দুয়ো চক্ৰক স্তুতি কৰিলে আৰু ৰজাৰ স্তুতিত চক্ৰ ক্ষান্ত হ'ল। দুবৰ্বাসাক চক্ৰই খেদি যোৱা সময়ৰ পৰা ৰজাই বেজাৰতে অন্নপান কৰা নাছিল। সেয়ে দুবৰ্বাসাই অম্বৰীষক মহা মহন্ত আখ্যাদি চিৰঞ্জীৱ হবলৈ আশীবৰ্বাদ দিছিল। ৰজাই ঋষিক ভোজন কৰোৱাই নিজে এবছৰৰ পাচত ভোজন কৰে। দুবৰ্বাসাক বিদায় দি ৰজাই নিজ পুত্ৰ তিনিজনক ৰাজ পাত গতাই বন গমন কৰে আৰু বনত ভগৱন্তক ধ্যান কৰি কটালে।

অম্বৰীষ মহাভক্ত আৰু মহা মহন্ত ৰজা। দুবৰ্বাসাই ৰজাক বধ কৰিবলৈ চেষ্টা কৰিছিল যদিও শেষত ৰজাই দুবৰ্বাসাৰ প্ৰতি প্ৰতিশোধ লোৱাৰ পৰিবৰ্তে আদৰ আপ্যায়ন হে কৰিলে। ক্ষমাই মহন্তৰ অলঙ্কাৰ। ভকতৰ মনত ভয় নাথাকে। ঈশ্বৰ আৰু ভকতৰ মাজত ভেদাভেদ নাই। ভগৱন্ত ভকতৰ অধীন। শ্ৰীহৰিয়ে নিজৰ চক্ৰক নিজে নিবাৰন কৰিব পাৰিও ভকতৰ দ্বাৰাহে নিবাৰন হ'বলৈ দিলে। ব্ৰহ্মঋষি হলেও ব্ৰহ্ম শক্তি য'তে ত'তে প্ৰয়োগ কৰিব নালাগে। ভক্তৰ ওপৰত নিৰ্বিবচাৰ আক্ৰমন কৰাৰ বাবে দুবৰ্বাসাৰ অৱস্থা শোচনীয় হৈছিল। সুকৰ্ম্মৰ ফল সুন্দৰ আৰু সৰ্ববজন সমাদিত আৰু কুকৰ্ম্মৰ ফল- অতি ঘৃননীয় আৰু সকলোৰে গৰিহনাৰ যোগ্য। সুবাসনা মুক্তিৰ আৰু দুবৰ্বাসনা নৰকৰ পথ।

### (৩) হৰিচন্দ্ৰৰ উপাখ্যানঃ-

ৰজা অম্বৰীষৰ বংশত ক্ৰমে কেতুমান, ইক্ষবাকু, পুৰঞ্জয়, কুবলাশ্ব, যুবনাশ্ব, মান্ধাতা আদি প্ৰখ্যাত ৰজা হয়। মান্ধাতাৰ তিনি পুত্ৰ হৈছে পুৰুকুৎস, মুচুকুন্দ, অম্বৰীষ আৰু পঞ্চাচ গৰাকী কন্যা। এই কন্যা গনক সৌভৰি ঋষিয়ে বিয়া কৰে। পুৰুকুৎসৰ বংশত ত্ৰিশঙ্কুৰ ৰজাৰ পুত্ৰ হৰিচন্দ্ৰৰ জন্ম হয়। ভাগৱতত ত্ৰিবন্ধনৰ পুত্ৰ সত্যব্ৰতক পুত্ৰ

হৰিচন্দ্ৰ বুলি উল্লেখ আছে। হৰিচন্দ্ৰ অপুত্ৰক আছিল আৰু নাৰদক লগ পাই পুত্ৰ লাভ কৰিবলৈ পৰামৰ্শ দিলে। হৰিচন্দ্ৰই বৰুনক নিমন্ত্ৰন কৰি কলে যে তেওঁৰ অপুত্ৰক নাম গুচাবৰ কাৰনে এটি পুত্ৰৰ প্ৰয়োজন আৰু পুত্ৰ জন্মিলেই বৰুনক যজিব বুলি সত্য কৰি কলে। সেইমতে বৰুনৰ বৰত তেওঁৰ এটি সৰ্ববাঙ্গ সুন্দৰ পুত্ৰ জন্মিল।

বৰুনে ৰজাক কলেহি যে পুত্ৰক যজ্ঞকৰি যজিব লাগে। ৰজাই দহ দিনৰ পাচত পুত্ৰক যজিব বুলি কলে। দহদিনৰ অন্তত বৰুনে ৰজাক একে কথা কোৱাত ৰজাই দাঁত নগজাকৈ দিয়া উচিক ন'হ'ব বুলি কলে। দহমাহৰ পাচক দাত গজাৰ পাচত বৰুনে পুত্ৰক যজিবলৈ ৰজাক কলে। ৰজাই কলে যে গাখীৰ খোৱা দাঁত সৰিলেহে যজাৰ উপযুক্ত হ'ব। আঠবছৰ বয়সত দুগ্ধদন্ত ভগাত বৰুনে ৰজাক যজিবলৈ কলে। ভগাদন্ত গজিলে দিব বুলি বৰুনক ৰজাই আশ্বাস দিলে। দাঁত পূৰ হোৱাত ৰজাই বৰুনক কলে যে ক্ষত্ৰিয়ই সন্নাহ পিন্ধিলেহে শুদ্ধ হয়, গতিকে কৱচ পিন্ধালৈকে অপেক্ষা কৰিবলৈ ৰজাই কলে। ৰজাৰ পুত্ৰস্নেহ ক্ৰমে বাঢ়ি উঠিলত বৰুনক পুত্ৰ ৰোহিতাশ্ব ঘৰৰ পৰা পলাল। বৰুনে আহি পুত্ৰ বিচৰাত ৰজাই ঘৰৰ পৰা পলাই গ'ল বুলি কোৱাত বৰুনে খং কৰি জলন্ধৰ ৰোগ হ'বলৈ অভিশাপ দিলে। ৰজাৰ পেট উসহা ৰোগ হোৱা শুনি ৰোহিতাশ্ব পিতৃৰ ওচৰলৈ আহিবলৈ বিচৰাত ইন্দ্ৰই বাধা দিলে আৰু তীৰ্থই তীৰ্থই ঘূৰি ফুৰিলে। ইন্দ্ৰৰ পৰামৰ্শমতে ৰোহিতাশ্ব এখন বনত ছয় বছৰ কটালে আৰু তাতে অজিগত্ত নামে ব্ৰাহ্মনে তেওঁৰ পুত্ৰ শুনঃশেফক ৰোহিতাশ্বক বিক্ৰি কৰিলে।

ৰোহিতাশ্বই আনিদিয়া বলি অৰ্থাৎ শুনঃশেফক যজি যজ্ঞ সমাপন কৰিলে আৰু বৰুন সন্তোষ্টি হোৱাত হৰিচন্দ্ৰৰ জলন্ধৰ ৰোগ ভাল হ'ল। বশিষ্ঠই ৰজাক ৰাজসূয় মহাযজ্ঞ কৰি গনেশক আগভাগ দি পূজিবলৈ কলে। ।কিন্তু ৰজাই ঈশ্বৰক এৰি গনেশক পূজা কৰিবলৈ অমান্তি হয় আৰু হৰিকহে অৰ্ঘ দান কৰি পূজিলে। এদিন মৃগয়া কৰিবলৈ যাওঁতে স্ত্ৰীৰ ক্ৰন্দন শুনি স্ত্ৰীক ৰক্ষা কৰিবলৈ যাওঁতে গনেশে পাই পূৰ্ব্বৰ প্ৰতিশোধ লবলৈ চিন্তা কৰি ৰজাৰ গাত লম্ভিলে আৰু ৰজাৰ খং উঠালে। বিশ্বমিত্ৰই ওচৰতে তপস্যা কৰি তপৰ প্ৰভাৱত চিএৰি আছিল আৰু ৰজাই দেখি কঁপিবলৈ ধৰিলে। বিশ্বমিত্ৰই নিন্দা কৰা বুলি ৰজাক মহাক্ৰোধ কৰি অভিশাপ দিলে- "ব্ৰহ্মশাপ অগনিয়ে তোৰ যত সম্পতিক দহি মই ছন্ন কৰিম" বুলি। ৰজাই বিশ্বমিত্ৰৰ ভৰিত পৰি ৰাজ্য অৰ্পন কৰিম বুলি কলে আৰু ৰজাক ক্ষমা কৰিবলৈ কলে। ঋষিয়ে হৰিচন্দ্ৰৰ গৃহলৈ গৈ অযোধ্যাৰ ৰজা হৈ ৰজাক খেদাই পঠালে। বিশ্বমিত্ৰই ৰজাৰ পৰা দক্ষিনা বিচাৰিলে ৰাজসূয় যজ্ঞ কৰাৰ বাবে। ৰজাই সৰ্ব্বস্ব দিলো বুলি বাক্য কৰিলে।

হৰিশ্চন্দ্ৰই ভাৰ্য্যা পুত্ৰক লৈ বাৰনসী নগৰত থাকিবলৈ ললে। এমাহৰ পচতে ঋষিয়ে আহি হৰিচন্দ্ৰৰ ওচৰত দক্ষিনা বিচাৰিলে। দক্ষিনা দিব নোৱাৰিলে ঋষিক সবংশে শাপ দি ভস্ম কৰিম বুলি কলে। ৰজাৰ দুখ দেখি পত্নী শৈব্যাই কলে।

"আমাক বিকিয়া মহাৰাজা শুজা ধাৰ।
আতপৰে উপায় নেদেখোহো মই আৰ।।" ৫০৫।।

পুত্ৰ-দাৰা-জন-ধন আদি সকলোবোৰ দিও নিজৰ জীৱন ৰক্ষা কৰিবলৈ শৈব্যাই ৰজাক উপদেশ দিলে। উপায়ান্তৰ হৈ ৰজাই নিজ পত্নী আৰু পুত্ৰক ব্ৰাহ্মনত বিক্ৰি কৰি ধনখিনি বিশ্বামিত্ৰক দক্ষিনা স্বৰূপে দিলে। সিমানতো বিশ্বামিত্ৰ তুষ্ট নোহোৱাত নিজকো চাণ্ডালত বিক্ৰি গৈ ধন বিশ্বামিত্ৰক দিলে। ৰজাই চাণ্ডালৰ ঘৰত আৰু পত্নীও পুত্ৰই ব্ৰাহ্মনৰ ঘৰত দুখকষ্ট সহ্য কৰি দিন কটালে। হৰিশ্চন্দ্ৰৰ সত্য ধৰ্ম্ম পৰীক্ষা কৰি বিশ্বমিত্ৰই ৰাজ্য-পত্নী-পুত্ৰ সকলো ঘূৰাই দিলে আৰু বহুবছৰ ৰজাহৈ অযোধ্যাৰ প্ৰজাসহ স্বৰ্গলৈগমন কৰিলে।

বশিষ্ঠ্যই ৰজাক নেদেখি সকলো কথা গম পাই খণ্ডত বিশ্বামিত্ৰৰ ওচৰ পানেগৈ আৰু দুয়োৰে মাজত যুদ্ধ হ'ল। বশিষ্ঠই মহাক্ৰোধ কৰি বিশ্বামিত্ৰক বকপক্ষী হ'বলৈ অভিশাপ দিলে। বিশ্বমিত্ৰই বশিষ্ঠক সৰালি পক্ষী হ'বলৈ শাপ দিলে। বক আৰু সৰালি পক্ষী হৈ দুয়ো যুদ্ধত অৱতীৰ্ন হ'ল। যুদ্ধত সৃষ্টি নষ্ট হ'ব বুলি জানি ব্ৰহ্মাই আহি মধ্যস্থতা কৰিলে। ব্ৰহ্মাই কমণ্ডুলু জলেৰে দুয়োকে শান্ত কৰি অভিশাপ নষ্ট কৰিলে আৰু দুয়ো মহাজ্ঞান লাভ কৰি শান্ত হ'ল।

ৰজা হৰিশ্চন্দ্ৰৰ কাহিনীৰ মাজত সত্যৰক্ষাৰ মহান আদৰ্শ প্ৰতিভাত হৈছে। সত্যই ভগৱান। সত্যই জীৱন, অসত্যই মৃত্যু। মুখেৰে যি কথা ব্যক্ত কৰা হয়, তাক প্ৰন দিও ৰক্ষা কৰিব লাগে। সত্য ৰক্ষা কৰা জনক ভগৱানে সৰ্ব্বদাই সহায় কৰে আৰু অৱশেষত জয়ী হয়। মায়াই মনক আৱৰি থকাৰ বাবে অৱস্তুকে বস্তু বুলি লোকে সাৱটি থাকে। বিশেষতঃ পত্নীৰ প্ৰতি থকা আসক্তি পুত্ৰৰ প্ৰতি থকা স্নেহবান্ধোন, ৰাজ পদবীৰ প্ৰতি থকা মোহ আৰু সম্পতিৰ প্ৰতি থকা হেপাহক ত্যাগ কৰা অতি কঠিন; তৎসত্বেও ৰজা হৰিচনদ্ৰই সকলো জলাঞ্জলি দি সত্য ৰক্ষাৰ বাবে বিশ্বমিত্ৰক সৰ্ব্বস্ব অৰ্পন কৰিছিল। আনকি নিজকো চণ্ডালৰ ওচৰত বিক্ৰি কৰি দক্ষিনা দিছিল। মানুহৰ জীৱনলৈ কেতিয়াবা কঠোৰ আৰু নিষ্ঠুৰ পৰীক্ষা হৈছে গনেশক পূজা নকৰাটো। তেওঁ এক হৰিৰ বাহিৰে অন্য দেৱতাত পূজা নকৰিলে বাবেগনেশৰ ৰোষত পৰি হাৰাশাস্তি হলেও শেষফল অতি সুন্দৰ হ'ল। ঈশ্বৰ কৃষ্ণত বিশ্বাসী সকলোৰে শেষ পৰিনাম অতি চমৎকাৰ হবই।

ধৰ্ম্ম পত্নী হিচাৰে শৈবাৰ আদৰ্শই সকলো নাৰীকেই প্ৰেৰনা যোগায়। স্বামী আৰু স্বামীৰ সত্যৰক্ষাৰ বাবে মহাৰানী হৈয়ো ব্ৰাহ্মনৰ গৃহকৰ্ম্মত দাসী হিচাবে থাকি ধনৰ যোগান ধৰিছিল। পৰিস্থিতিৰ কৰাল গ্ৰাসত পৰিও বিচলিত নহৈ লক্ষ্যত উপনীত হ'বলৈ অগ্ৰসৰ হৈছিল। মহাঋষি হৈয়ো ঋষিত্বৰ মহিমা আৰু ক্ৰোধৰ বশৱতী হৈ বিশ্বামিত্ৰ আৰু বশিষ্ঠ মুনিয়ে আত্মপক্ষ সমৰ্থনৰ বাবে যুদ্ধ কৰিছিল।

অৱশ্যে অপুত্ৰক ৰজা হৰিচন্দ্ৰই পুত্ৰ লাভ কৰি পুত্ৰৰ প্ৰতি থকা আসক্তিৰ বাবে বৰুনক প্ৰতাৰনা কৰিছিল আৰু পুত্ৰ ৰোহিতাশ্বৰ জীৱন ৰক্ষাৰ বাবে কিনি অনা শুনঃশেফক যজ্ঞত যঁজিছিল। এই কৰ্ম্ম হৰিচন্দ্ৰৰ পুত্ৰস্নেহৰ পৰিচায়ক আৰু ৰোগ নিৰাময়ৰ ঔষধ হিচাৱে ব্যৱহিত হৈছে। তথাপি তাত ৰজাৰ স্বাৰ্থান্ধতা ৰৈ গৈছে। সকলো বোৰ কৰ্ম্ম প্ৰেৰনা ঈশ্বৰৰ পৰিকল্পনাতে হয়। গনেশ মঙ্গলৰ দেৱতা হৈয়ো নিজক পূজা নকৰাৰ প্ৰতিশোধ ৰজাৰ ওপৰত ল'ব নালাগিছিল কাৰন তেওঁ স্বয়ং হৰিৰ প্ৰিয় শিৱৰ পুত্ৰ। সৰ্ব্বদেৱৰ অধিকৰ্তা শ্ৰীহৰিহে।

(৪) **ভগীৰথৰ গঙ্গা আনয়নঃ-**

হৰিচন্দ্ৰৰ বংশত বহুতো ৰজা হোৱাৰ পাচত বাহুকৰ পত্নীৰ গৰ্ভত এটি সন্তান সম্ভূত হোৱাত অপুত্ৰক সতিনীবোৰে কালকুট বিষ খুৱায় আৰু সন্তানটি বিষসহ জন্মললে, বাবে তাৰ নাম স+ গৰ (গৰ মানে বিষ-বিষসহ) সগৰ। সগৰৰ পত্নী সুমতিৰ ষাঠী হেজাৰ পুত্ৰ জন্মে। সগৰে অশ্বমেধ যজ্ঞ কৰি মেলি দিয়া ঘোঁৰা ইন্দ্ৰই বান্ধি কপিলৰ আশ্ৰমত থৈ গ'ল। সগৰৰ পুত্ৰ সকলে পৃথিৱী খানি ঘোঁৰা বিচাৰি গৈ কপিলৰ আশ্ৰমত গৈ ঘোঁৰা দেখা পালে। কপিলেই ঘোঁৰা চুৰি আনি চকুমুদি ত পস্যাৰ ভাও ধৰিছে বুলি চাৰিও ফালৰ পৰা ঘোৰ আক্ৰমন কৰিলে আৰু কাটিবলৈ উদ্যত হ'ল। কপিলে চকুমেলি চাই হতভস্ব হ'ল আৰু কপিলৰ চকুৰ পৰা অগ্নি নিৰ্গত হৈ সগৰৰ পুত্ৰ সকল ভষ্মীভূত হ'ল। সগৰৰ **২**য় পত্নী কেশিনীৰ অসমঞ্জস নামে পুত্ৰই লগৰ বালক সকলক ৰেলিবলৈ নি নি মাৰিছিল, তাতে সগৰে খং কৰি তাক ত্যাগ কৰিলে। অসমঞ্জস পূৰ্ব্ব কালত মহাযোগী আছিল আৰু মৰা ল'ৰা-বিলাক জীয়াই দিলে। এওঁৰ পুত্ৰ অংশুমান। অংশুমানে কপিলক স্তুতি কৰিলে আৰু কপিলে সন্তোষ্ট হৈ ঘোঁৰা এৰি দিলে আৰু গঙ্গাক নমাই পিতৃগনক উদ্ধাৰ কৰিবলৈ কলে। যজ্ঞ সমাপন কৰি সগৰে অংশুমানক ৰজা পাতি বনলৈ গ'ল। অংশুমানে গঙ্গাক নমাব নোৱাৰিলে আৰু তেওঁৰ পুত্ৰ দিলীপত একে চেষ্টা কৰি ব্যৰ্থ হয়। দিলীপুৰ পুত্ৰ ভগীৰথে অদভূত তপ কৰি বিষ্ণুপদী গঙ্গাক স্তুতি কৰিবলৈ ধৰিলে।

গঙ্গাই ভগীৰথক কলে যে প্ৰবল বেগে বৈ যোৱা গঙ্গাক কোনে ধৰিব, আৰু ভগীৰথে কলে যে শিৱই গঙ্গাক ধাৰন কৰিব। তেওঁ মহেশক স্তুতি কৰি সন্তোষ্ট কৰাত মহেশে গঙ্গাক ধাৰন কৰিবলৈ সন্মত হয়। মহেশে মাথাত গঙ্গাক ধাৰন কৰিলে। শিৱৰ শৰীৰৰ পৰা গঙ্গাজল ভাগীৰথী দেবী হিচাৱে দেখা দিলে আৰু ভগীৰথে নি ভষ্মহৈ থকা পিতৃগনক ওচৰলৈ নিয়ে আৰু তেওঁলোক জী উঠে আৰু পাপৰ পৰা উদ্ধাৰ হয়।

ভগীৰথৰ বংশৰ শ্ৰুত, ঋতুপৰ্ন, সৌদাস, দশৰথ, খটাঙ্গ আদি মুখ্যৰজা গনৰ উৎপত্তি হয়। খটাঙ্গৰ পৰাক্ৰম দেখি দৈত্যক বধ কৰিবৰ কাৰনে দেবসবে স্বৰ্গলৈ নিলে। তেওঁ বহুত দৈত্য বিনাশ কৰাৰ বাবে দেবগনে বৰ দিবলৈ লোৱাত খটাঙ্গই নিজৰ





পৰমায়ু কিমান সুধিলে। দেবগনে মাত্ৰ দুই দণ্ড আয়ুস আছে বুলি কোৱাত দেবদত্ত বিমানেৰে আহি নিজ ৰাজ্য পালেহি। ৰজাই সৰ্ব্বস্ব ত্যাগ কৰি কৃষ্ণত শৰন ললে আৰু সাৰূপ্য লাভ কৰি মুক্তি লভিলে।

ৰজা ৰাহুকৰ সতিনী পত্নী গনে নিজে অপুত্ৰক হৈ সতিনীয়েকৰ গৰ্ভ হোৱাত ককুট বিষ খোওৱা কৰ্ম্ম অতি গৰিহিত। সতিনীৰ প্ৰতি সতিনীৰ হিংসা অতি ভয়াবহ। সগৰৰ ষাঠী হাজাৰ পুত্ৰই কপিল মুনিক বিনাদোষত কটিবলৈ লোৱাৰ ফল স্বৰূপে ভষ্মীভূত হ'ল। খং আৰু বিচাৰ শূন্যতাৰ বাবেই নিজৰ ধ্বংস নিজেই মাতি আনে। সগৰ বংশৰ ভষ্মীভূত হোৱা পুৰুষ সকলৰ পাপ মোচনৰ বাবেই ভগীৰথে গঙ্গাক বসুধালৈ বুৱাই আনিব লগা হয়। ভগীৰথে ভক্তিৰ দ্বাৰা ভগৱান্তক সন্তোষ্ট কৰিব পৰাৰ বাবেই ভগৱানে নিজ ভক্তি গঙ্গাক পাপীক উদ্ধাৰ কৰিবলৈ দান কৰিলে। ভক্তি ধৰি ৰাখিবলৈ হ'লে মহাভক্তৰ প্ৰয়োজন বাবে শিৱইহে মাথাত গঙ্গাক বহন কৰিলে। সৌদাস ৰজাই বনত এক ৰাক্ষসক বধ কৰাত তাৰ ভাতৃয়ে বুদ্ধি কৰি সৌদাসৰ ঘৰত ৰান্ধনি হৈ থাকি বশিষ্টক মাতি আনি নৰমাংস ভোজন কৰিবলৈ দিয়াত বশিষ্ঠ্যই সৌদাসক বাৰ বছৰ ৰাক্ষস হ'বলৈ অভিশাপ দিলে। খোৱা অন্নমুঠিক অবিশ্বাসী জনক কেতিয়াও এৰি দিব নালাগে খটাঙ্গ মুনিয়ে দুই দণ্ড সময়তে ভগৱানক একান্ত ভাৱে ভক্তি কৰি সাৰূপ্য মুক্তি লাভ কৰিলে। সংসাৰ মায়া ত্যাগ কৰিব পাৰিলে ভক্তি সিজে। মায়া থকালৈকে ভক্তিয়ে সম্পুৰ্নৰূপে ফল নিদিয়ে।

(৫) **শ্ৰীৰামচন্দ্ৰৰ উপাখ্যানঃ-**

খটাঙ্গৰ পুত্ৰ দীৰ্ঘবাহু, দীৰ্ঘবাহুৰ পুত্ৰ ৰঘু, ৰঘুৰ পুত্ৰ অজ আৰু অজৰ পুত্ৰ দশৰথ। দশৰথে ঋষ্যশৃঙ্গ মুনিক যজ্ঞ কৰি আৰু দেবগনে ৰাক্ষস নিধনৰ কবে প্ৰাৰ্থনা কৰাৰ ফলস্বৰূপে দশৰথৰ পত্নী কৌশল্যাত ৰাম, কৈকেয়ীত ভৰত আৰু সুমিত্ৰাত লক্ষ্মন-শত্ৰুঘ্নৰ চাৰি অংশে চাৰিপুত্ৰ লাভ কৰে। চাৰিও জন সৰ্ব্বাঙ্গ সন্দৰ নৱ ঘনশ্যামৰ দৰে শৰীৰৰ বৰন। বিশ্বামিত্ৰ ঋষিয়ে তেওঁলোকক বিচাৰিলে। ঋষিৰ যজ্ঞত মাৰীচ প্ৰমুখ্যে নিশাচৰ গনক ৰাম লক্ষ্মনে সংহাৰ কৰিলে। তেওঁলোক চৈধ্যকোটি আছিল।

মিথিলাৰ ৰজা জনকে ধনুযাৰ্গ যজ্ঞ পাতি নিজ দুহিতা জানকীৰ সয়ম্বৰ পতিলে। ৰামে উক্ত ধনু ভাঙি মহালক্ষ্মী স্বৰূপা সীতাক বিবাহ কৰে। বাটতে পৰশুৰামে আগভেটি ধৰিলে-ৰামক। পৰশুৰামে কলে যে তেওঁৰ বাহিৰে কোন ৰাম আছে, আৰু গুৰুৰ ধনু কোনে ভাঙিলে। মহাক্ৰোধ কৰি ৰামচন্দ্ৰক বাট ভেটি ধৰাত ৰামে কলে।

"মই ভাঙ্গি আছো ধনু তোমাৰ গুৰুৰ।
আপোনাকে বৰ দেখাই বুলিলা নিষ্ঠুৰ।।" ৬৮৩।।

পৰশুৰামৰ ধনুখনো ৰামে ভাঙি পেলোলাত পৰশুৰামে ৰামচন্দ্ৰক স্তুতি কৰি আতৰি গ'ল। ৰামচন্দ্ৰৰ অভিষেক পতাৰ আয়োজন কৰোতেই কৈকেয়ীয়ে পূৰ্ব্বতে

ৰজাৰ পৰা পাব লগা দুটা বৰ দশৰথৰ পৰা লৈ- এটা বৰত ৰামচন্দ্ৰৰ বনবাস আৰু আনটো বৰত ভৰতক ৰজা পতাৰ প্ৰতিজ্ঞা কৰোৱালে। ৰাম-লক্ষ্মন-সীতা বনবাসলৈ গমন কৰিলে। বনত ৰাবনৰ ভগ্নী সূপৰ্নখাই ৰামক স্বামীবৰন কৰিবৰ ইচ্ছাৰে সীতাক গিলিবলৈ যোৱাত লক্ষ্মনে তাইৰ নাক কান কাটে। খৰ-দুষনে গমপাই চৈধ্যহাজাৰ সৈন্য লৈ ৰাম-লক্ষ্মনক খেদি আহিল আৰু সকলোকে ৰামে সংহাৰ কৰিলে। ভনীয়েকৰ মুখে ৰাবনে সবিশেষ জানিব পাৰি মোমায়েক মাৰীছক সুবৰ্ন হৰিনা কৰি নিজে পঞ্চৱতী বনত ঘূৰি ফুৰিল।

মাৰীচৰ হৰিনৰূপ দেখি সীতা মোহিত হৈ ৰামচন্দ্ৰক হৰিন ধৰি আনি দিবলৈ কলে। ৰামে ধনুশৰলৈ সুবৰ্ন হৰিন খেদি গ'ল আৰু সংহাৰ কৰিলে। ইফালে সেই সুযোগতে ৰাম-লক্ষ্মন নোহোৱাৰ ছেগেছাই ৰাবনে সীতাক হৰন কৰি লঙ্কালৈ লৈ গ'ল। বাটতে জটায়ু পক্ষীয়ে বাধা দিয়াত জটায়ুৰ পাখি কাটি থৈ যায় আৰু সীতাক বিচাৰি গৈ ৰামে জটায়ুৰ মুখে সবিশেষ জানিব পাৰিলে। কবন্ধকো ৰামচন্দ্ৰই বধ কৰে আৰু সুগ্ৰীৱৰ লগ পায় আৰু বন্ধুত্ব কৰি বালীক বধ কৰে আৰু সুগ্ৰীৱক ৰজা পাতিলে। ভালোক বানৰ আদি সৈন্য গনক লৈ ৰাম লক্ষ্মন সাগৰৰ পাৰ পালেগৈ। ৰামৰ ভয়ত সাগৰেও মাজেদি বাট এৰিদিলে। ৰামৰ আজ্ঞায়ে কপিগনে পাহাৰ আনি লঙ্কালৈ সেতু নিৰ্মান কৰিলে। সুগ্ৰীৱ, হনুমান, নীল, অঙ্গদ, নল আদি কপিগনৰ সহযোগত আৰু বিভীষনৰ কৌশলৰ সহায়ত লঙ্কাত প্ৰবেশ কৰি উপবন ভাঙি, গড়ৰ দ্বাৰ চূৰমাৰ কৰি, ক্ৰীড়াৰ স্থান লণ্ডভণ্ড কৰিলে। সুগ্ৰীৱ, লক্ষ্মন, হনুমান, নীল, অঙ্গদ আদিয়েও ৰাবনৰ সৈন্যৰ ওপৰত জপিয়াই পৰিল, আৰু ৰাম চন্দ্ৰই ৰাবনক খেদি গ'ল। ৰাবনৰ কুকৰ্ম্মক ভৎসনা কৰি ৰামচন্দ্ৰই ৰাবনক বধ কৰে। বিভীষনক লঙ্কাৰ ৰজা পাতি ৰাম চন্দ্ৰই সীতাক লৈ সমদলে অযোধ্যালৈ গমন কৰিলে।

অযোধ্যালৈ আহি ৰামচন্দ্ৰই দেখিলে যে ভৰতে বাকলি বসন পৰিধান কৰি জটাধৰি, গৰুৰ মূত্ৰত অন্ন সিজাই ভোজন কৰি ৰামৰ অপেক্ষাত আছে। ৰামৰ খৰম দুখনি মূৰত লৈ নন্দীগ্ৰাম নগৰতে ৰৈ আছিল আৰু ৰামৰ সৈতে দলদোপ হেনদোলদোপ কৰি অযোধ্যাত সকলোৰে প্ৰবেশ কৰে, প্ৰজা বৰ্গই অভিনন্দন জনায়, দেৱগনে পুষ্পবৃষ্টি কৰে, ৰামচন্দ্ৰই অযোধ্যাৰ সিংহাসনত আৰোহন কৰে।

ৰাম ৰজাই যাগ-যজ্ঞ সম্পাদন কৰে, ব্ৰহ্মান সকলক দান কৰে, ঋষি গনক শ্ৰদ্ধা তৰ্পন কৰে আৰু সকলোৰে মনোৰঞ্জন সাধে। ৰামৰ মহিমাক স্মৰি ব্ৰাহ্মান আৰু ঋষিগনে স্তুতি কৰিবলৈ ধৰিলে-

"ঋষি সবে হাসি পাছে বাক্য বুলিলন্ত।
তোমাৰ মহিমা কেহো জনে নাজানন্ত।।
তোমাৰ নিস্পৃহা আসি দশৰথ সুত।।" ৭৭০।।





"ব্ৰহ্মা আদি দেৱে যাৰ যশস্যাক গাৱে।" ৭৭১।।

ৰাজ্যত ভেশ্চন ধৰি ঘূৰি ফুৰোতে লোক মুখে সীতাৰ গ্লানি শুনি ৰামে সীতাক বনবাস দিয়ে আৰু বাল্মীকিৰ আশ্ৰমত থাকি লব আৰু কুশ নামে দুটি পুত্ৰ জন্ম হয়। লব কুশক বাল্মীকিয়ে ৰামৰ সভাত ৰাম-গীত গাবলৈ পঠালে আৰু ৰামে পৰিচয় পাই সীতাক ৰাজ সভালৈ নিয়ালে। ৰামচন্দ্ৰই মানবীয় চেষ্টা দেখুৱাই পুত্ৰ-ভাৰ্য্যা সমন্বিতে গৃহবাস কৰিলে। দহ হাজাৰ বছৰ পাৰজা পালন কৰি মানবীয় তনু এৰি বৈকুণ্ঠ গমন কৰে।

ভগৱন্তৰ প্ৰধান অৱতাৰ দহটাৰ ভিতৰত ৰাম অৱতাৰ মুখ্যঅৱতাৰ আৰু দশাবতাৰৰ ভিতৰত সপ্তম অৱতাৰ। ভগবানে মানবীয় জীৱনৰ দুখ-কষ্ট-বিৰহ-বেদনা-সংঘাট, নিয়তিৰ পৰিহাস আদি প্ৰদৰ্শন কৰিবলৈ আৰু সত্য ৰক্ষা কৰাৰ চূড়ান্ত নিদৰ্শন দাঙি ধৰিবলৈ ৰামৰূপে অৱতাৰ হৈ লঙ্কাৰ যুদ্ধ ধৰ্ম্ম আৰু অধৰ্ম্ম যুদ্ধৰ প্ৰতীক। ৰামৰ বাবে ধৰ্ম্মযুদ্ধ আৰু ৰাবনৰ বাবে অধৰ্ম্ম যুদ্ধ। জয়-বিজয়ে ২য় জন্মত ৰাবন কুম্ভকৰ্নৰূপে জন্ম গ্ৰহন কৰি ঈশ্বৰক বৈৰভাৱে ভক্তি কৰিছিল। শুভ শক্তিৰ ওচৰত অশুভ শক্তিৰ পৰাজয় এই যুদ্ধৰ পৰিনতি। দশৰথ ৰজা-দহ ইন্দ্ৰিয় যুক্ত দেহ আৰু মনৰ প্ৰতীক, দশৰথ মনৰূপী আৰু মন সত্বঃ-ৰজঃ-তমত লিপ্ত থাকে। কৌশল্যা-সত্বগুনৰ, কৈকেয়া-ৰজ-তম গুনৰ আৰু সুমিত্ৰা-সত্বৰজৰ সংমিশ্ৰন, ৰজ-তম ৰূপী কৈকেয়ী-মনৰূপী দশৰথক পৰাজয় কৰিলে। ৰাম সত্যৰ প্ৰতীক হোৱাৰ বাবে পিতৃ সত্য পালন কৰি বনবাস খটিলে। ভৰত একান্ত ভকত বাবে ৰামৰ পদুকা যোৰকে শিৰত লৈ ৰাজ্য চলালে। লক্ষ্মন ৰাম অভিন্ন হৃদয়। আত্মা ৰাম আৰু বুদ্ধি লক্ষ্মন। সীতা সতীৰ প্ৰতীক আৰু স্বামী ভক্তিৰ প্ৰতীকী। চল-চাতুৰীৰে স্বাৰ্থ সিদ্ধি কৰা লোক সংসাৰত আছে-সূপৰ্নখা, মন্থৰা আদি-ইয়াৰ প্ৰতীক। সংসাৰত মানুহে পৰিপূৰ্ন সুখ-শান্তি পোৱা কঠিন; বিৰহ-বিচ্ছেদ-ঈৰ্ষা-জীৱনৰ লগৰীয়া। ধৈৰ্য্য-সকলো সমস্যা-পৰিস্থিতিৰ মহৌষধ। নাৰী-মায়াৰ প্ৰতি আসক্তি থকাৰ বাবেই ৰাবনৰ ধ্বংস, লঙ্কাৰ ধ্বংস কাৰ্য্য সংঘটিত হ'ল। ভকতৰ অধীন ভগৱান, ভকতৰ বাবে ভগৱানে অন্যায় কৰ্ম্মও কৰে, বালীক বধ কৰা তাৰ উদাহৰন। হনুমানৰ ভক্তি অদ্বিতীয় আৰু ভগৱানৰ ভক্তিয়ে হনুমানক দিছিল- অসাধাৰন শক্তি।ধৰ্ম্মৰক্ষা, সত্য ৰক্ষাৰ বাবে বিভীষনে ভাতৃকো ত্যাগ কৰি ভগৱানৰ পৰমভক্ত হ'ব পাৰিছিল। জটায়ুপক্ষীৰ আত্মত্যাগ আৰু ভক্তি আছিল অসীম। প্ৰত্যক্ষভাৱে ৰাবন ৰামৰ শত্ৰু হলেও পৰোক্ষ ভাৱে ৰামৰ হাতত মৃত্যু হ'বলৈহে সীতাক হৰন কৰিছিল। ৰাবন স্ত্ৰীৰ কাম-ভোগ কৰাৰ প্ৰতীক যদিও সীতাক বলাৎকাৰৰ নকৰি-সন্মতিৰ বাবে অপেক্ষা কৰিছিল, অৱশ্যে ৰাবনে বলাৎকাৰ কৰিলেই মৃত্যু হ'ব বুলি অভিশপ্ত হৈ আছিল। ভালোক-বান্দৰ আদি ইতৰ প্ৰানীকো ৰামে সম মৰ্য্যদা দিছিল।

বাল্মীকিৰ স্বাৰ্থত্যাগ, পুত্ৰ-পুত্ৰীস্নেহ প্ৰতিভাত হৈছে সীতাক আশ্ৰয় দি ৰখাত

আৰু লব-কুশক পালন কৰি সুচৰিত্ৰ গঠন কৰাত। ৰাম ঈশ্বৰৰ অৱতাৰ বাবে পৰশুৰাম ৰাবন আদিক সংহাৰ কৰিবলৈ সমৰ্থ হৈছিল। দেব কাৰ্য্য সাধনৰ বাবেই ৰাম অৱতাৰ লৈ সমস্ত ৰাক্ষসাদি অশুভ শক্তিক দমন কৰি সত্য ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। সাগৰত সেতু বন্ধন ৰাম নামৰ শ্ৰেষ্ঠত্ব। সংসাৰখন সাৰ, ৰাক্ষসকুল কাম-ক্ৰোধ-লোভ-মোহ-মদ-মাৎসৰ্য্য-দম্ভ দ্বেষ্যৰ প্ৰতীক অশুভ শক্তি। অশুভ শক্তিৰ ভৰাল দেহ, মন, বুদ্ধি বা বিবেক শুভ শক্তি আৰু বিভীষন হৈছে বুদ্ধি বা বিবেক। জাম্বৱান হনুমান ভগৱন্তৰামৰ হৃদয়-ভক্ত। সংসাৰৰ নানা দুখ-দুৰ্গতি-যান্ত্ৰনৰ মাজত ভগৱন্তত আত্ম সমৰ্পন কৰি পাৰব্ধ কৰ্ম্মফল হেলাৰঙে অতি বাহিত কৰিবলৈ সাহস আৰু ধৈৰ্য্য হেৰোৱাব নালাগে। ৰামায়নৰ দশৰথ পুত্ৰ স্নেহৰ প্ৰতীক, যাৰ বাবে প্ৰান ত্যাগ কৰিবলৈ দৃহ প্ৰতিজ্ঞ হ'ল। মুঠতে লৌকিক পৰম্পৰা আৰু মানবীয় ধৰ্ম্মীয় অমৰ মহাকাব্য ৰামায়ন।

**(৬) পুৰুৰবাৰ চৰিত্ৰ বৰ্ণনঃ(চন্দ্ৰবংশৰ বৰ্ণন)**

সৃষ্টি সংহাৰৰ পিচত নাৰায়লে প্ৰলয়ৰ জলত শয়ন কৰাৰ সময়ত ব্ৰহ্মাৰ জন্ম হয়। ব্ৰহ্মাৰ পুত্ৰ অত্ৰি আৰু অত্ৰিৰ পুত্ৰ চন্দ্ৰ। চন্দ্ৰই অঙ্গিৰা ঋষিৰ পুত্ৰৰ পত্নী হৰন কৰাত বৃহস্পতিয়ে মিনতি বচনে অঙ্গিৰা মুনিৰ পুত্ৰক পত্নী গৰাকীক ঘূৰাই দিবলৈ কোৱা সত্বেও চন্দ্ৰই অমান্তি হয়। এই লৈয়েই চন্দ্ৰৰ পক্ষত শুক্ৰাচাৰ্য্যসমে দৈত্যগন আৰু বৃহস্পতিৰ পক্ষত শিৱই ও ইন্দ্ৰাদি দেবগনে পক্ষললে। ব্ৰহ্মাই আহি দেব দৈত্যৰ কন্দল ভাঙি তাৰাক অঙ্গিৰা পুত্ৰলৈ ঘূৰাই দিয়ালে। তাৰাৰ গৰ্ভত থকা সন্তানটি জন্ম হোৱাৰ লগে লগে বৃহস্পতিয়ে তেওঁৰ পুত্ৰ বুলি আৰু চন্দ্ৰই তেওঁৰ পুত্ৰ বুলি বিচাৰিলে। দুয়োৰে মাজত কাজিয়া হোৱাত নবজাত পুত্ৰই মাতৃক সচাঁ কথা কবলৈ কলে। ব্ৰহ্মাৰ আগত তাৰাই লৰাটোৰ আছল পিতৃ চন্দ্ৰ বুলি ব্যক্ত কৰে। তেওঁৰ নামেই বুধ। বুধৰ পুত্ৰৰ নাম-পুৰুৰবা।

- ব্ৰহ্মা- নাৰায়নৰ পৰা উদ্ভুত।
- অত্ৰি- ব্ৰহ্মাৰ পুত্ৰ।
- চন্দ্ৰ- অত্ৰিৰ পুত্ৰ।
- বুধ- চন্দ্ৰৰ পুত্ৰ।
- পুৰুৰবা- বুধৰ পুত্ৰ।

স্বৰ্গৰ অপ্সৰা উৰ্ব্বশীয়ে মিত্ৰ বৰুনৰ শাপত মৰ্তলৈ আহি পুৰুৰবাক কামে মত্ত হৈ পুৰুৰবাৰ লগত বিয়া হ'বলৈ অনুৰোধ জনালে আৰু দুটি ছাগলী ৰাজাক পুত্ৰৰ দৰে পালন কৰিবলৈ কলে। তদুপৰি তেওঁক ৰজাই ঘিউৰে ভোজন কৰাব লাগিব আৰু ৰতিসুখৰ সময়ৰ বাহিৰে আন সময়ত ৰাজাৰ অঙ্গ দৰ্শন হ'বলোৱাৰিব বুলি উৰ্বৰ্বশীয়ে স্বৰ্ত আৰোপ কৰে। স্বৰ্ত ভঙ্গ হ'লে তেওঁ স্বৰ্গলৈ ঘূৰি যাব বুলি কলে। এশ বছৰ ধৰি উৰ্বৰ্শী আৰু পুৰুৰবাই দাম্পত্য জীৱন অতি আনন্দেৰে কটালে। ইতিমধ্যে ইন্দ্ৰই উৰ্বৰ্শীক



স্বৰ্গত প্ৰয়োজন হৈছে বুলি গন্ধৰ্ব্বক নিবলৈ পঠালে। ৰাতি তেওঁলোকে ভেৰা ছাগলী দুটা চুৰ কৰি নিয়াত উৰ্বৰ্বশীয়ে ৰজাক ধিক্কাৰ দিলে। খঙত ৰজাই বস্ত্ৰ পিন্ধিবলৈকে পাহৰি উলঙ্গ হৈ গন্ধবৰ্বক খেদি যোৱাত গন্ধবৰ্বই ছাগ এৰি গুচি গ'ল। ছাগলি লৈ ঘূৰি আহোতে- বিজুলীৰ পোহৰত উলঙ্গ ৰজাক উৰ্বৰ্বশীয়ে দেখা পালে আৰু উৰ্ব্বশীয়ে ৰজাক এৰি গুচি গ'ল। কুৰুক্ষেত্ৰত ভাৰ্য্যাক পাই ৰজাই শৰনে পশাতো উৰ্ব্বশীয়ে কলে।

"কোন জনে স্ত্ৰীৰ সঙ্গে সঙ্গম কৰয়।
কুকুৰ সমান জানা নাৰীৰ হৃদয়।।
স্ত্ৰী জাতি মহা ক্ৰুৰ পৰম নিৰ্দ্দয়।।
মহা সাহসীক আতি দুৰ্বৃত্তী নিশ্চয়।। ৮৪৭।।
অল্প অৰ্থ নিমিত্তেও স্বামীক মাৰয়।
ভ্ৰাতৃক মাৰয় ৰাজা নাহিকে সংশয়।।
স্ত্ৰীত বিশ্বাস কদাচিতো নকৰয়।
স্ত্ৰীৰ আহ্লাত পুৰুষত নথাকয়।। ৮৪৮।।
যিটো বেশ্যানাৰী নৱ নৱ পতি চাৰে।
আনন্দে প্ৰৱৰ্তে আন পুৰুষৰ ঠাৰে।" ৮৪৯।।

নাৰী সঙ্গৰ অসাৰতাৰ বিষয়ে নাৰী হৈয়ো উৰ্বৰ্বশীয়ে ব্যক্ত কৰে; তথাপিও ৰজাৰ আকুলতা দেখি তেওঁ কয় যে এবছৰৰ মূৰে মূৰে এবাৰকৈ ৰজাই পাব বুলি কথা দিয়ে আৰু ৰজাৰ ঔৰষত উৰ্বৰ্বশীৰ সন্তান হ'ব বুলি কয় আৰু গন্ধবৰ্বক যজিবলৈ কে উৰ্বৰ্শী আঁতৰি যায়।

ৰজাই গন্ধবৰ্বক যজি 'অগ্নিথালী' লাভ কৰে; আৰু এই থালীক যজ্ঞ কৰি উৰ্বৰ্বশীক লগ পায়। উৰ্বৰ্বশীৰ গৰ্ভত ছয় পুত্ৰৰ জন্ম হয়। তেওঁলোকৰ বংশত জহ্নু, অজক, পুৰু আদি ৰজা হৈছিল।

পুৰুৰবাৰ পূৰ্বৰ্বপুৰুষ চন্দ্ৰই পৰনাৰী অপহৰন কৰি কুখ্যাতি অৰ্জন কৰিছিল। বৃহস্পতিৰ পত্নী তাৰাক অপহৰন কৰি কৰা কুকাৰ্য্যক শুক্ৰাচাৰ্য্যকে আদি কৰি দৈত্যগনে সমৰ্থন কৰে আৰু বিৰোধিতা কৰে দেবগনে। অপকৰ্ম্মক প্ৰশ্ৰয় দিয়া দুষ্টলোকৰ প্ৰবৃত্তি আৰু তাৰ প্ৰতিবাদ কৰাটো সৎলোকৰ প্ৰবৃত্তি। দুজন স্বমীৰ সান্নিধ্যত থকা তাৰাৰ গৰ্ভস্থ সন্তান কোনজনৰ তাক তাৰাই ব্যক্ত নকৰিছিল, ইনাৰীৰ এক প্ৰবত্তি যদিও অৱশেষত সত্য স্বীকাৰ কৰিব লগা হ'ল। দেব-দানবৰ মাজত মনোমালিন্যৰ কাৰন হ'ল-ইয়াৰ পৰাই আৰু ভয়াবহ ভৱিষ্যত পৰিস্থিতিৰ পৰা ৰক্ষা কৰিলে-ব্ৰহ্মাই ব্যক্ত কৰি নৰজাতক বুধক-চন্দ্ৰক দিলে। বুধৰ পুত্ৰ পুৰুৰবাই অভিশপ্তা উৰ্বৰ্শীক লাভ কৰি প্ৰতিজ্ঞা বা সত্য ৰক্ষা কৰিব নোৱাৰিলে; অৱশ্যে ই বিধিৰ বিড়ম্বনা হে। বেশ্যা নাৰীয়ে নতুন নতুন

পুৰুষৰ প্ৰতি ধাৱিত হোৱাৰ বাবে তেওঁলোকৰ প্ৰেম অন্তঃসাৰ শূন্য। ৰূপ-সৌন্দৰ্য্য-ক্ষমতা-ধন-মানৰ অধিকাৰী পুৰুষৰ পাছে পাছে-বেশ্যানাৰীয়ে ঘূৰি ফুৰে; সতী নাৰী সকলে ইয়াক ঘৃনাকৰে। পৰুৰবা কামী পুৰুষ, ত্যাগ-বৈৰাগ্য তেওঁৰ নাছিল বাবেই-সংসাৰ বিৰয়ত আবদ্ধ আছিল।

(৭) **পৰশুৰামৰ উপখ্যানঃ-**

গাধীৰ পুত্ৰী সত্যৱতীক ঋচীকে বিয়াকৰে। ঋচীকৰ পুত্ৰ জমদগ্নি আৰু এওঁ ৰেণুকাক বিয়া কৰে। জগদগ্নি আৰু ৰেনুকাৰ পাঁচ পুত্ৰ; তাৰে ভিতৰত কনিষ্ঠ ৰাম। সহস্ৰাৰ্জ্জুন নামে হৈহয় বংশৰ এজন নৰপতি আছিল আৰু তেওঁ দত্তাত্ৰেয় ঈশ্বৰক আৰাধনা কৰি আছিল। তেওঁ স্ত্ৰী গনক লৈ নৰ্ম্মদাৰ জলত জলক্ৰীড়া কৰিছিল আৰু তেওঁৰ প্ৰভাৱত নদীবোৰ উভটি বৈছিল। পানীৰ উজান উঠাত ৰাবনৰ দেবঘৰ তল গ'ল। ৰাবনে আহি সহস্ৰাৰ্জ্জুনক আক্ৰমন কৰিলেহি। সহস্ৰাৰ্জ্জুনে ৰাবনক বান্ধি পেলালে। ৰাবনে কাকুতি মিনতি কৰি মুক্তি পালে। এদিন সহস্ৰাৰ্জ্জনে সৈন্য সামন্ত লৈ মৃগয়া কৰিবৰ্লৈ গৈ জমদগ্নি মুনিৰ আশ্ৰমত আশ্ৰয় লোৱাত ঋষিয়ে আপ্যায়ন কৰি ৰাখিলে। কামধেনু থকাৰ বাবে ঋষিৰ সমৃদ্ধি দেখি ৰজাই ঋষিক কামধেনু খুজিলে। ঋষিয়ে নিদ্ৰিয়াত ৰজাই সৈন্য লগাই কামধেনু নগৰলৈ নিলে। সহস্ৰাৰ্জ্জুনক পৰশুৰামে নগৰত আক্ৰমন কৰিলে আৰু সপ্তদশ অক্ষৌহিনী সেনাৰে ৰজাই পৰশুৰামৰ লগত তুমুল সংগ্ৰাম কৰিলে। পৰশুৰামে সপ্তদশ অক্ষৌহিনী সেনা নিধন কৰি ৰজাৰ মহস্ৰ হাত আৰু শিৰ কাটি পেলালে আৰু কামধেনুক লৈ পিতৃক দিলেগৈ জমদগ্নিয়ে পৰশুৰামক তীৰ্থ পৰ্য্যটন কৰিবৰ্লৈ কলে।

সহস্ৰাৰ্জ্জুন ভগৱান দত্তাত্ৰেয়ৰ ভক্ত আৰু এই ভগৱন্তৰ ভক্তিৰ বলতে সকলো ঐশ্বৰ্য্যৰ অধিপতি হৈছিল; কিন্তু তেওঁ জামদগ্নী ঋষিৰ সুআতিথ্য লাভ কৰি লোভৰ বশবৰ্ত্তী হৈ কামধেনুক কাঢ়ি আনি মহা দুষ্কৰ্ম্ম কৰিলে যাৰ বাবে তেওঁ সবংশে ধ্বংস হ'ল। অসৎ প্ৰবৃত্তিৰ লোকক দয়া কৰিলে অনিষ্টহে সাধন কৰে। পৰশুৰাম ভগৱানৰ অৱতাৰ, শক্তিত তেওঁক পৰাভুত কৰিব নোৱাৰে। কামধেনু উদ্ধাৰ বাবে পৰশুৰামে অত্যন্ত ক্ৰোধী হৈ সহস্ৰাৰ্জ্জুনক সসৈন্যে বধ কৰাত পিতৃ জমদগ্নিয়ে ৰামৰ কাৰ্য্যত সন্তোষ্ট হ'ব নোৱাৰিলে। ব্ৰাহ্মনৰ ধৰ্ম্ম' ক্ষমা হ'ব লাগে, ক্ষমাগুনৱন্ত জনক ভগৱানে দয়া কৰে। ৰজাৰ বধক ব্ৰহ্মন বধৰ তুল্য বুলি জমদগ্নীয়ে পৰশুৰামক তীৰ্থ ভ্ৰমন কৰি পাপ মোচন কৰিবৰ্লৈ আৰু ঈশ্বৰক চিত্তত ধৰি ৰাখিবৰ্লৈ পৰামৰ্শ দিয়ে। ত্ৰয়ে ঋষিৰ মাহাত্ম্য আৰু পৰমাৰ্থ তত্ত্বজ্ঞান।

পিতৃৰ অজ্ঞা মানি এবছৰ কাল পৰশুৰামে তীৰ্থ পৰ্য্যটন কৰি ঘূৰি ঘৰ পালেহি। এদিন ৰেনুকাই গঙ্গানদীলৈ যাওঁতে চিত্ৰৰথ গন্ধৰ্ব্বই অপেশ্বৰা গনক কামকেলী কৰা দেখি চাই থাকি পানী অনাত পলম কৰিলে। জমদগ্নীয়ে হোম কৰিবৰ্লৈ নাপাই ধ্যানৰ যোগে ৰেনাকাই পৰপুৰুষক চিন্তা কৰা বুলি ৰেনুকাক কলে- "তই দুষ্টানাৰী, নিজে নষ্ট যোৱাৰ উপৰিও বংশকো নাশ কৰিলি"। জমদগ্নিয়ে পুত্ৰ সকলক মাতি আনি মাতৃৰ শিৰচ্ছেদ কৰিবৰ্লৈ আদেশ কৰিলে। জ্যেষ্ঠ পুত্ৰ গনে এনে অন্যায় কাম নকৰো বোলাত পৰশুৰামক পিতৃয়ে আজ্ঞা কৰিলে যে প্ৰথমতে মাতৃক আৰু ভাতৃগনক কাটিবলৈ কলে। পিতৃয়ে সন্তুষ্ট হৈ ৰামক বৰ লবৰ্লৈ কোৱাত ৰামে বৰ ললে যে তেওঁৰ মাতৃ-ভাতৃগনে যাতে জীউঠে। ঋষিয়ে সেয়ে হওক বুলি বৰ দিলে আৰু মাতৃ-ভাতৃগনে শুই থকাৰ পৰা সাৰ পাই উঠাৰ দৰে জী উঠিলে। ৰামে এই কৰ্ম্ম নকৰা হলে ৰামকো শাপ দি ভস্ম কৰিলে হেতেঁন; গতিকে জমদগ্নিৰ ভয়ত পৰশুৰামে তেনে কৰ্ম্ম কৰিছিল।

সহস্ৰাৰ্জ্জুনক বধ কৰাৰ পাচত তাৰ পুত্ৰগনে প্ৰতিশোধ লবৰ বাবে ৰাম আৰু ভাতৃগন নোহোৱাৰ ছেগ চাই জমদগ্নিৰ শিৰচ্ছেদ কৰিলে। মাতৃৰ ক্ৰন্দন শুনি পৰশুৰামে-সহস্ৰাৰ্জ্জুনৰ অন্তেষপুৰত প্ৰবেশ কৰিলে আৰু দহ হাজাৰ পুত্ৰক কাটি পেলালে আৰু নিজ পিতৃৰ মূৰ পাই বান্ধি আনিলে। তাৰ পাচত ক্ষত্ৰিয়ৰ নাম নথওঁ বুলি লক্ষ কোটি ক্ষত্ৰিয়ক শিৰচ্ছেদ কৰিল আৰু বসুন্ধৰা- নিংক্ষত্ৰিয় কৰিলে। পিতাকৰ মূৰ জোৰা লগাই দিয়াত জমদগ্নি জী উঠিল আৰু সকলোটিয়ে আনন্দিত হ'ল। জমদগ্নি ঋষি ঋষি মণ্ডলত, আৰু জমদগ্নি ৰাম মহেন্দ্ৰগিৰিত থাকি হৰিক ধ্যাল কৰি অদ্যাপি বিদ্যমান।

পিতৃ বাক্য পালন কৰা যে উচিত তাক ভগৱন্তৰ পৰশুৰাম অৱতাৰে মানবলৈ থৈ গ'ল। ৰামচন্দ্ৰয়ো পিতৃবাক্য পালন কৰি আদৰ্শ এৰি থৈ গৈছে। প্ৰতিটো কাৰ্য্যৰে প্ৰতিক্ৰিয়া থাকে। নন্দিনী গাই হৰন কৰা বাবে সহস্ৰাৰ্জ্জুনক বধকৰে, সহস্ৰাৰ্জ্জুন বধৰ বাবে পুত্ৰ সকলে জমদগ্নিক বধকৰে, তাৰ প্ৰতিক্ৰিয়াত দহহাজাৰ তনযৰ বধ নিশ্চিত হ'ল। বহুত ক্ষত্ৰিয় ৰজা অত্যাচাৰী হৈ উঠাৰ বাবে পৰশুৰামে বধ কৰি অত্যাচাৰ নিৰ্ম্মূল কৰিছিল। পৰশুৰাম ভগৱন্তৰ অৱতাৰ বাবেই ইচ্ছা কৰামতে সকলো কৰ্ম্ম কৰি জয়ী হৈছিল। পৰ + শু, 'পৰ' মানে আনবোৰ, 'শু' মানে আত্মা। আনবোৰ মানে মায়াৰে আবৰা সকলোবোৰ প্ৰানী পদাৰ্থ। আত্মা সত্য, আনবোৰ অসত্য। পৰশুৰামৰ কৰ্ম্মৰ যোগেদি বহিঃদৃষ্টিত কৰা কৰ্ম্মৰাজি মায়াময় আৰু অন্তৰ্দৃষ্টিত অবতাৰ কৰ্ম্ম সম্পাদন, যাৰ অৰ্থ জগতত অন্যায়-অত্যাচাৰ দূৰ কৰি শান্তি ৰাজ্য প্ৰতিষ্ঠা কৰা।

কু দৃশ্য দৰ্শনৰ দ্বাৰা মনলৈ কুভাৱ আহে, কু কথা শ্ৰৱনৰ পৰা চিত্ত কু প্ৰবৃত্তিৰ ছাব স্থাপন হয়,-বাবে এইবোৰ শ্ৰৱন-দৰ্শনৰ পৰা আতৰি থাকিব লাগে। ৰেনুকাৰ চিত্তত চিত্ৰৰথৰ কাম কেলিয়ে ঠাই পাইছিল বাবেই মূৰ কটা গৈছিল। মনেৰে কৰা কৰ্ম্ম মানসিক কৰ্ম্ম; মনেৰে কৰা ৰমনো ৰমনেই। কায়িক পাপ কৰ্ম্ম চকুৰে পৰিদৃষ্ট হয়, মনেৰে কৰা পাপ পৰিদৃষ্ট ন'হলেও পাপ হৈ থাকে। ভগৱন্তৰ কথা চিত্তত ঠাই পাই থাকিলে অইন চিন্তাই মনক কলুষিত কৰিব নোৱাৰে।

(৮) **বিশ্বমিত্ৰৰ কথাঃ-**

গাধিৰ কন্যা সত্যৰতীক ঋচিকে বিয়া কৰায় আৰু পুত্ৰৰ নাম বিশ্বামিত্ৰ। তেওঁ দুৰ্ঘোৰ তপস্যা কৰি ক্ষত্ৰিয় গুচি ব্ৰাহ্মন হয় আৰু এশতকৈ অধিক পুত্ৰৰ জন্ম দিয়ে। হৰিশ্চন্দ্ৰৰ যজ্ঞত দেবৰাত্ৰ নামে আৰু এটি পুত্ৰ লাভ কৰে। অজীগৰ্ত্তৰ পুত্ৰ শুনঃ শেফক বলিৰ বাবে দিয়া হৈছিল যদিও বিশ্বামিত্ৰই দেবক স্তুতি কৰি প্ৰানৰক্ষা কৰাত ঋষিগনে বিশ্বমিত্ৰকে পুত্ৰটি দিয়ে। এই পুত্ৰকে শ্ৰেষ্ঠপুত্ৰ বুলি মানিবলৈ তেওঁ অন্য পুত্ৰ সবক কলে যদিও তেওঁলোকে মানি নোলোৱাত বিশ্বমিত্ৰই সিহঁতক ম্লেচ হ'বলৈ অভিশাপ দিয়ে। তাৰে পঞ্চাশজনে মানি লম বুলি কোৱাত বিশ্বমিত্ৰই আনন্দ পালে।

পুৰুৰবাৰ পুত্ৰ আয়ু আৰু আয়ুৰ পুত্ৰ নহুষ। দৈত্যৰ ভয়ত ইন্দ্ৰই নহুষক নি স্বৰ্গৰ স্থাপন কৰিলে। তেওঁৰ শশীক বিয়া কৰিবলৈ ধৰাত ব্ৰাহ্মনৰ শাপতঅজগৰ জন্ম লাভ কৰিলে। নহুষৰ ছয়জন পুত্ৰ- যযাতি, শৰ্য্যাতি, আয়তি, বিয়তি, যতি, কৃতি। জ্যেষ্ঠপুত্ৰ যতিক ৰাজপদ দিয়াত তেওঁ গ্ৰহন নকৰিলে; কিয়নো-

"ৰাজা ভৈলে পুৰুষে আত্মাক পাসৰয়।
মিছাদেহে গেহে আতি মমতা বাঢ়য়।।" ৯৯০।।

যত্ন আৰু কষ্ট কৰিব পাৰিলে বা সাধনাৰ দ্বাৰা লোকে উত্তৰন হ'ব পাৰে। বিশ্বমিত্ৰই ক্ষত্ৰিয়ৰ পৰা তপৰ প্ৰভাৱত ব্ৰাহ্মনত্ব লাভ কৰিছিল। দেৱতাৰ হকে নৰবলিদান দিলেও দেব-দেবীয়ে জীৱৰ প্ৰান নিবিচাৰে। 'বিশ্বমিত্ৰই স্তুতিৰে বলিদিবলৈ লোৱা শুনঃ শেফক প্ৰনৰক্ষা কৰিলে। পিতৃবাক্য পালন নকৰিলে নৰকৰ পৰে। বিশ্বামিত্ৰৰ বাক্য মানি দেবৰাত্ৰক জ্যেষ্ঠ ভাতৃ নোবোলাত ম্লেচ হবলগা হ'ল-এশপুত্ৰ; কিন্তু তাৰে আধা স্বৰ্গত উপস্থাপন কৰাত দুৰাকাঙ্ক্ষাৰ বাবে শশীকো পত্নী কৰিবলৈ বিচৰাত আৰু ঋষিক দোলাবহন কৰিবলৈ দিয়া অত্যাচাৰৰ বাবে সৰ্পজন্ম লাভ কৰিব লগা হ'ল। গুৰুৱে বিপদত ৰক্ষা কৰে; গুৰুক মানিলে গুৰুৱেও ৰক্ষা কৰে। বৃহস্পতিৰ বুদ্ধিৰ বলতে শশীয়ে সতীত্ব ৰক্ষা কৰিব পাৰিলে।

**(৯) যযাতি আৰু দেবযানীৰ কথাঃ-**

নহুষৰ পুত্ৰ যযাতি ৰজা হৈশুক্ৰৰ দুহিতাক বিয়া কৰাব লগীয়া হৈছিল। ক্ষত্ৰিয়ৰ দৰা আৰু ব্ৰাহ্মনৰ কন্যাৰ মাজত বিয়া হ'লে তাক প্ৰতিলোম বিবাহ বোলে। দৰা উচ্চবৰ্নৰ আৰু কন্যাৰ নিম্নবৰ্নৰ হলে অনুলোম বিবাহ বোলে। দানবৰ অধিপতি বৃষ পৰ্ব্বাৰ সুন্দৰী কন্যা শৰ্ম্মিষ্ঠাই এদিন হাজাৰ কন্যা লগত লৈ উপবনলৈ গৈ দেবযানীত তেওঁলোকৰ লগত গৈছিল। ইতিমধ্যে বৃষভত উঠি শিৱ সেইফালে অহাত তেওঁলোকে বস্ত্ৰ পৰিধান কৰিলে আৰু শৰ্ম্মিষ্ঠাই খৰখেদাকৈ বস্ত্ৰ পৰিধান কৰিলে যদিও দেৱযানীৰ কাপোৰকে ভুলকৈ পিন্ধিলে।

ইফাকে লৈ দেবযানী আৰু শৰ্ম্মিষ্ঠাৰ মাজত গোষ্ঠীক উঘালি তৰ্কাতৰ্কিহ'ল। শৰ্ম্মিষ্ঠাই পিন্ধা দেবযানীৰ কাপোৰ খুলি পেলাই দিলে। কন্যাগন ঘৰাঘৰি গ'ল আৰু দেবযানীয়ে বস্ত্ৰহীনা হৈ গৈ এটা কূপত পৰি আছিল। এদিন ৰজা যযাতিয়ে মৃগয়া কৰিবলৈ গৈ কূপত পৰিথকা দেবযানীক দেখা পোৱাত দেবযানীয়ে ৰজাক এখন বস্ত্ৰ দান কৰি কুৱাৰ পৰা তুলিবলৈ কোৱাত ৰজাই হাতত ধৰি তুলিলে। দেবযানীয়ে ৰজাক বিবাহ কৰিবলৈ অনুৰোধ কৰে। দেবযানীয়ে কলে যে তেওঁক ব্ৰাহ্মনে বিবাহ নকৰে। কিয়নো- বৃহস্পতিৰ পুত্ৰ কচে দেবযানীৰ পিতৃৰ ওচৰত সঞ্জীৱনী মন্ত্ৰ শিকিছিল আৰু দেবযানীয়ে কচক স্বামী হিচাবে পাবলৈ প্ৰস্তাৱ দিয়াত তেওঁ গুৰু কন্যা বিবাহ নকৰে বুলি কলে। দেবজানীয়ে কচক অভিশাপ দিলে যে, তেওঁ শিকা মন্ত্ৰই নিদিব, তেতিয়া কচে দেবযানীক অভিশাপ দিলে যে তেওঁক কোনো ব্ৰাহ্মনে বিয়া নকৰাব। এই কথা তেওঁ ৰজাক বিবৰি কলে।

ৰজাই দেবযানীৰ কথাত সন্মত হৈ নগৰলৈ গ'ল আৰু দেৱযানীয়ে পিতৃক সকলো কথা কোৱাত দুখ পাই গুৰু নগৰৰ বাহিৰ হ'ল। ৰজাই গুৰু আৰু দেবযানীৰ চৰনত ধৰি নগৰলৈ আহিবলৈ কলে। দেবযানীয়ে ৰজাক কলে যে ৰজাৰ জীয়েক শৰ্ম্মিষ্ঠাক তেওঁৰ লগত দাসী কৰি পঠালেহে তেওঁলোক সন্তোষ্ট হ'ব। ৰজাই দুহিতাক সোধাত বৃহত্তৰ স্বাৰ্থৰক্ষাৰ্থে দাসী হ'বলৈ সন্মতি দিলে। দেবযানীক যযাতিলৈ বিয়া দিলে আৰু শৰ্ম্মিষ্ঠা আৰু সহস্ৰ লগৰীক লগতে পঠালে। শুক্ৰাচাৰ্য্যই যযাতিক কলে যে সৰ্ম্মিষ্ঠাক কেতিয়াও পত্নীৰূপে ব্যৱহাৰ নকৰিব। দেবযানীৰ যদু আৰু তুৰ্ব্বসু নামে দুটি পুত্ৰ জন্ম হ'ল।

তাকে দেখি দাসী শৰ্ম্মিষ্ঠাই পুত্ৰ লাভৰ বাবে ৰজা যযাতিক আহ্বান জনালে। ৰজাৰ ঔৰসত শৰ্ম্মিআষ্ঠাৰ তিনিটি পুত্ৰ জন্ম হ'ল। দেবযানীয়ে এই কথা পিতৃক জনোৱাত পিতৃয়ে ৰজাৰ জৰা উপস্থিত হ'বলৈ অভিশাপ দিলে আৰু ৰজাই বৰকৈ কাকুতি কৰাত শুক্ৰাচাৰ্য্যই কলে যে তেওঁ এই জৰা আনক দিলেহে দূৰ হ'ব। ৰজাই চাৰিজন পুতেকক জৰা গ্ৰহন কৰিবল এজন এজনকৈ অনুৰোধ কৰাত তেওঁলোকে গ্ৰহন নকৰিলে, পঞ্চম পুত্ৰ পুৰুৱে জৰা গ্ৰহন কৰিলে। ঈশ্বৰক যজ্ঞ কৰি ৰজাই সুদীৰ্ঘ কাল ৰাজ্য শাসন কৰি আৰু দেবযানীৰ মন বাঞ্চা পূৰন কৰিলে ৰজাৰ কামনাৰ অন্তনাই, তৃপ্তি নাই, সদায়ে অতৃপ্ত-

"তথাপিতো ইন্দ্ৰিয়ৰ তৃপ্তি নাহিকয়।
যেন ঘত দিলে অগ্নি অধিকে বাঢ়য়।।" ১১১৩।।
বিষয়ৰ তৃষ্ণা দূৰ কৰিব নোৱাৰিলে সংসাৰ তৰন নহয়।
"বিষয়ৰ তৃষ্ণা নভৈলেক যি জনৰ।
সংসাৰ তৰন তাৰ পৰম দুষ্কৰ।।" ১১১৪।।

ৰজাই স্ত্ৰীৰ পৰাধীন হৈ অনুশোচনাত দগ্ধ হ'ল আৰু নিজকে কামত উন্মত্ত ছাগলীৰ লগত তুলনা কৰিলে। ছাগ- ছাগীৰ উপমাৰে ৰজাই দেবযানীখ নিজৰ কৰ্ম্ম-কাহিনী

ব্যক্ত কৰিলে-

"যিটোজন কামাতুৰ  তাহান মনক দেখে
পূৰন নাহিকে একো কালে।
অগ্নি যেন ঘৃত পাই  আতি শীঘ্ৰে বাঢ়ি যায়
তাৰ তৃষ্ণা নাহি জানা ভুলে।।" ১১৩২।।

বৃদ্ধ হলে বিষয়ক এৰিব লাগে, নহলে নৰকত পৰিব লাগে। যযাতিয়ে পত্নীক কলে-

"বৃদ্ধ ভৈলা যিটো জনে বিষয়ক নেৰে।
ঘোৰ নৰকত গৈয়া সিটোজন পৰে।। " ১১৩৭।।
"ৰাত্ৰিদিনে গৃহত বাঢ়য় তৃষ্ণা যাৰ।
মেৰাৰয় যিটোজনে সংসাৰ নিকাৰ।।
যিটোজনে আপোনাৰ চাহে কুশলক।
এৰিবাক লাগে ইটো ঘোৰ বিষয়ক।।" ১১৩৮।। '

কাম' অতিবলৱন্ত, ইন্দ্ৰিয়গন 'কাম'ৰ তলতীয়া 'কাম' পৰম শত্ৰু।

"গোপ্যস্থানে মাতৃ বহিনীক নালাপিব।
যিটো বিজ্ঞ হোৱে একস্থানে নাথাকিব।।
তাসম্বাৰ সঙ্গে একথানে নবসিব।
বলৱন্ত ইন্দ্ৰিয়গনে মনক হৰিব।।" ১১৩৯।।

আনকি পণ্ডিতকো কামে আউল লগায় আৰু বলিয়া কৰে-

"পণ্ডিতৰ মনক কৰয় কামে আউল।
কাম শত্ৰু পাইলে মন যেন কৰে বাউল।।" ১১৪০।।

যযাতিয়ে পুত্ৰ পুৰুৰ পৰা 'জৰা' গ্ৰহন কৰি পুৰুক ৰজা পাতিলে আৰু ভাৰ্য্যা পুত্ৰ এৰি বনগমন কৰিলে। সতী দেবযানীয়েও সংসাৰ ত্যাগ কৰি বনত ভগৱানকচিন্তাকৰি কটায়। তত্ব উপলব্ধি কৰি হৰিক ভজি তৰি গ'ল। পুৰুৰ পিতৃভক্তি অতুলনীয়; পুত্ৰ হলে পিতৃ বাক্য পালন কৰিবলাগে। বংশ-মৰ্য্যাদাৰ কথাকৈ প্ৰশংসা কৰা অনুচিত আৰু আনক নিঃকিন জ্ঞান কৰা মুৰ্খামি, যিটো শৰ্ম্মিষ্ঠাই কৰিছিল। তাৰ ফল অৱশ্যে ভোগ কৰিব লগা হৈছে। নাৰীয়ে নাৰীৰ সৌন্দৰ্য্য-সুখ-সম্ভোগ সহ্য কৰিববৈলে টান পায়। নাৰীৰ বাবে সতিনী খটাটো অতি অক্ষমনীয় কষ্ট। সম্ভোগতো সীমা আছে, ইন্দ্ৰিয় দমনৰ বাবে ভগৱানৰ ভক্তি আৰু সৎসঙ্গৰ প্ৰয়োজন।

**(১০) দুষ্মন্ত-শকুন্তলা আৰু ভৰতৰ কাহিনীঃ-**

পুৰুবংশৰ যোল পুৰুষৰ পাচত ৰেভিৰ পুত্ৰ দুষ্মন্ত ৰজা হয়। দষ্মন্তই মৃগয়া কৰিববৈলে গৈ ঋষিৰ আশ্ৰমত গৈ এগৰাকী অনিন্দ সুন্দৰীক দেখা পাই বিবাহৰ প্ৰস্তাব দিলে আৰু সেই কন্যাৰ নাম শকুন্তলা, শকুনতলাই কলে যে তেওঁ বিশ্বামিত্ৰ-আৰু



মেনকাৰ দুহিতা। কণ্ব নামে ঋষিবৰে তেওঁক তুলিতালি ডাঙৰ কৰিছে, পিতৃ মাতৃয়ে তেওঁক জন্মৰ পাচতেই এৰি গৈছে বুলি ব্যক্ত কৰিলে। ৰজাই গন্ধৰ্বৰ্ব প্ৰথামতে শকুন্তলাক বিবাহ কৰিলে। ৰজাই শকুন্তলাৰ গৰ্ভত সন্তান দি দেশলৈ যায়। কণ্বমুনিয়ে নৱজাত শিশুৰ জাতকৰ্ম্ম কৰিলে আৰু শকুন্তলাই পুত্ৰক লৈ দুষ্মন্তৰ ৰাজ সভা পালেগৈ। কিন্তু দুষ্মন্তই ভাৰ্য্যা আৰু পুত্ৰক নিজৰ বুলি স্বীকাৰ নকৰিলে। কিন্তু আকাশ বানী শুনি দুষ্মন্তই স্বীকাৰ কৰি ললে। লৰাটিৰ নাম ভৰত।

দুষ্মন্তৰ পাচত ভৰত চক্ৰৱৰ্ত্তী ৰজা হ'ল। ভৰতৰ মন ঈশ্বৰত ৰত, আৰু অসংখ্য যজ্ঞ সমাপন কৰিছিল। তেওঁ ব্ৰাহ্মনক অপৰ্য্যান্ত দান কৰিছিল। তেওঁ দিগ বিজয় কৰি একছত্ৰী সম্ৰাট হৈছিল আৰু বহুকাল ৰাজ্য শাসন কৰি বিষয়ৰ প্ৰতি বৈৰাগ্য আহে। তেওঁৰ তিনি গৰাকী পত্নী পেলাইছিল বিয়া কৰাইছিল, তেওঁৰ পুত্ৰ সকলকপত্নী তিনি গৰাকীয়ে মাৰি পেলাইছি । কাৰন পুত্ৰ থাকিলে ৰজাই তেওঁলোকক এৰি যাব পাৰে।

ভৰতে মৰুৎসোম যজ্ঞ কৰি মৰুতৰ পৰা এটি পুত্ৰ পালে; তাৰ নাম ভৰদ্বাজ। মৰুৎ সকলে এই লৰাটি পালন কৰি ৰাখিছিল। তাৰ পিতৃ বৃহস্পতি আৰু মাতৃৰ নাম মমতা। বৃহস্পতিয়ে ভায়েকৰ গৰ্ভাৱতী পত্নী মমতাৰ লগত সহবাস কৰিলে আৰু তেওঁৰ ঔৰস পূৰ্ববৰ্তে থকা গৰ্ভস্থ সন্তানে লাথিমাৰি বাহিৰ কৰি দিলে। ঔৰসৰ পৰা এটি সুন্দৰ লৰাৰ সৃষ্টি হ'ল আৰু বৃহস্পতি আৰু মমতাই সন্তানটি এৰি গুচি গ'ল। মৰুৎ সকলে পাই ডাঙৰ কৰিলে।

**(১১) ৰন্তিদেৱৰ কাহিনীঃ-**

ভৰতৰ পুত্ৰ ভৰদ্বাজ আৰু তেওঁৰ বংশত সংকৃতি নৰৰ পুত্ৰ ৰন্তিদেব। তেওঁ সকলো বস্তু দান কৰিছিল আৰু ঈশ্বৰক চিন্তি কাল কটাইছিল। আনকি নিজে আৰু কুটুম্বই খাবৰ বাবেও কোনো দ্ৰব্য নাৰখিছিল। ভগৱানে যি দিয়ে তাকেহে খাই পেট প্ৰবতাইছিল।

এদিন ভোজনৰ সময়ত এজন ব্ৰাহ্মন অতিথি অহাত তেওঁক নিজে খাববৈলে লোৱাত এজন শূদ্ৰ সমাগত হোৱাত তেওঁকো বাকী থকা দ্ৰব্য খুৱাই ভোকে লঘেনে থাকোঁতেই লগত কুকুৰ লৈ অতিথি আহিল আৰু অন্ন ভিক্ষা কৰাত ঘৃত-দুগ্ধ-যি আছিল তাকো খুৱালে আৰু হাত যোৰ কৰি অতিথিক সেৱা জনাই বিদায় দিলে। ৰত্নিদেবৰ ওচৰত পানীৰ বাহিৰে অন্ন নাছিল আৰু চণ্ডাল এটাই আহি পানী খুজিলত তাকো জলদি সন্তোষ্ট কৰিলে। ৰত্নিদেবৰ দানৰ মহিমা পৰীক্ষা কৰিববৈলে ব্ৰহ্মা-বিষ্ণু-ৰূদ্ৰই দেখা দিলেহি আৰু তেওঁ দণ্ডৱতে পৰি সকলোকে সেৱা জনালে। কায়-বাক্য-মনে কেৱল তেওঁ-ঈশ্বৰক হে চিন্তি থাকে। ৰন্তিদেবৰ ভক্তি দেখি ব্ৰহ্মা-বিষ্ণু-ৰূদ্ৰ ইন্দ্ৰই প্ৰশংসা কৰি নিজ স্থানে চলি গ'ল।

**(১২) অজমীৰ আৰু কুৰু-পাণ্ডৱৰ বংশ পৰিচয়ঃ-**

বৃহৎক্ষত্ৰৰ পুত্ৰ হস্তী, পুত্ৰ অজমীৰ, অজমীৰৰ পুত্ৰ ঋক্ষ, ঋক্ষৰ পুত্ৰ দিলীপ, দিলীপৰ প্ৰতীপ আৰু প্ৰতীপৰ তিনি পুত্ৰ- দেবাপি, শান্তনু আৰু বাহ্লীক। এওঁলোক তিনি জনৰ ভিতৰত শান্তনু ৰজা হয়। এওঁ যাক স্পৰ্শ কৰে তেওঁ বুঢ়া গুচি যুব হয় বাবে তেওঁৰ নাম শান্তনু। শান্তনুৰ পুত্ৰ ভীষ্ম। ভীষ্ম পূৰ্বৰ্বতে এজন বসু আছিল আৰু তেওঁৰ বীৰ্য্য গৈ মাছৰ গৰ্ভত ৰলগৈ আৰু তাতে এটি কন্যা জন্ম হ'ল আৰু মাছ মৰীয়াই তুলি অনা বাবে তাইৰ নাম মৎস্যগন্ধা। পৰাশৰ মুনিয়ে তেওঁক পত্নী হিচাবে গ্ৰহন কৰাত নাৰায়নৰ অংশে ব্যাস হিচাবে পুত্ৰৰ জন্ম হয় আৰু মৎস্যগন্ধাক পদ্মগন্ধা কৰিলে পৰাশৰে। তাৰ পাচত পৰাশৰে ব্যাসক লৈ আতৰি গ'ল আৰু শান্তনুৱে পদ্মগন্ধাক বিয়া কৰে আৰু তেওঁৰ নাম সত্যৱতী। শান্তনুৰ দুই পুত্ৰ-চিত্ৰাঙ্গদ আৰু বিচিত্ৰ বীৰ্য্য। চিত্ৰাঙ্গক গন্ধৰ্বৰ্বই বধ কৰে আৰু বিচিত্ৰবীৰ্য্যই কাশীৰাজৰ কন্যা অম্বিকা আৰু অম্বালিকক বিয়া কৰে। দুয়োৰো প্ৰতি অতি আসক্ত হোৱাৰ বাবে যক্ষ্মাৰোগ হৈ বিচিত্ৰবীৰ্য্যৰ মৃত্যু হয়। সত্যৱতীয়ে তেওঁৰ জ্যেষ্ঠ পুত্ৰ ব্যাসক মাতি আনি অম্বিকাৰ গৰ্ভত অন্ধ ধৃতৰাষ্ট্ৰ আৰু অম্বালিকাৰ গৰ্ভত পাণ্ডুৰ জন্ম হয়। ব্যাসৰ ভয়লগা আকৃতি দেখি অম্বিকাই চকুমুদিছিল বাবে ধৃতৰাষ্ট্ৰ অন্ধ আৰু অম্বিকাৰ লোম শিহৰিছিল বাবে পাণ্ডু পাণ্ডু বৰনৰ হৈছিল। সত্যৱতীয়ে এই দুই নাতি দেখি সন্তোষ্ট হ'ব নোৱাৰি দুয়োকো পুনৰ অনুৰোধ কৰিলে সুপুত্ৰৰ বাবে ব্যাসৰ লগত ৰমন কৰিবলৈ। কিন্তু দুয়োয়ে বুদ্ধি কৰি এজনী দাসীক হে পঠালে আৰু তেওঁৰ গৰ্ভত বিদুৰ জন্ম হ'ল।

- কুৰু পাণ্ডৱৰ বংশাৱলী-

- বৃহৎক্ষত্ৰ-
↓
হস্তী
↓
অজমীৰ
↓
ঋক্ষ
↓
দিলীপ
↓
প্ৰতিক
(দেবাপি) (শান্তনু +পত্নী গঙ্গা) (বাহলীক)
↓



ভীষ্ম
↓
ভীষ্মৰ বীৰ্য্যৰ পৰা-মৎস্যগন্ধাৰ জন্ম- পৰাশৰে বিয়াকৰে
পৰাশৰৰ পুত্ৰ ব্যাস।

শান্তনু + পত্নী মৎস্যগন্ধা, (সত্যৱতী)
↓ ↓
চিত্ৰাঙ্গদ বিচিত্ৰবীৰ্য্য
(এওঁৰ পত্নী- অম্বিকা + অম্বালিকা)
ব্যাসৰ ঔৰসত-অম্বিকাৰ- ধৃতৰাষ্ট্ৰ।
অম্বালিকাৰ- পাণ্ডু।
দাসীৰ- বিদুৰ।

ধৃতৰাষ্ট্ৰ + পত্নী গান্ধাৰী — পাণ্ডু (পত্নীকুন্তী + মাদ্ৰী)
↓ ↓
এশপুত্ৰ (দুৰ্য্যোধন জেষ্ঠ) — অপুত্ৰক
কুন্তীয়ে- ধৰ্ম্মৰাজৰ ঔৰসত — যুধিষ্ঠিৰ।
বায়ুৰ ঔৰসত — ভীম।
ইন্দ্ৰৰ ঔৰসত — অৰ্জ্জুন।
মাদ্ৰীয়ে- অশ্বিনী কুমাৰৰ ঔৰসত— নকুল, সহদেব।

ধৃতৰাষ্ট্ৰই গান্ধাৰীক বিয়াকৰে আৰু তেওঁলোকৰ দুৰ্য্যোধনৰ আদিকৰি এশ পুত্ৰ জন্ম হয়। পাণ্ডুৱে কুন্তীক বিয়া কৰে যদিও তেওঁ অপুত্ৰক হোৱাত তেওঁৰ পৰামৰ্শ অনুসৰি কুন্তীয়ে ধৰ্ম্মৰাজক আহ্বান জনাই যুধিষ্ঠিৰ, বায়ুক জনাই ভীম, ইন্দ্ৰক জনাই- অৰ্জ্জুনক লাভ কৰে। পাণ্ডুৰ ২য় গৰাকী পত্নীয়ে অশ্বিনী কুমাৰদ্বয়ক আহ্বান জনাই- নকুল আৰু সহদেবকপুত্ৰ হিচাবে লাভ কৰে। পঞ্চ পাণ্ডৱে দ্ৰৌপদীক বিয়া কৰায় আৰু পাঁচজনৰ পৰা পাঁচ পুত্ৰৰ জন্ম হয়। অৰ্জ্জুনে সুভদ্ৰাক বিয়া কৰে আৰু তেওঁলোকৰ পুত্ৰ অভিমন্যু। অভিমন্যুৱে উত্তৰাক বিয়া কৰে আৰু পুত্ৰ পৰীক্ষিত। পৰীক্ষিতৰ পুত্ৰ-জন্মেজয়, শ্ৰুতসেন,ভীমসেন, উগ্ৰসেন। এইদৰে কুৰুপাণ্ডৱৰ অসংখ্য বংশধৰ জন্মে।

**যদুবংশৰ পৰিচয়ঃ-**

জন্মেজয়ৰ পুত্ৰ- শতালীক। শতানীকৰ পুত্ৰ সহস্ৰানীক। তেওঁলোকক বংশত যদুৰ জন্ম। যদুৰ চাৰি পুত্ৰ জন্ম হয় আৰু তেওঁলোকৰ পৰবতী অসংখ্য ৰজাৰ জন্ম হয়। তেওঁলোকৰ বংশত দেবসীয়ৰ জন্ম হয়। দেবসীয়ৰ পুত্ৰ শূৰসেন। শূৰসেন আৰু পত্নী মাৰিষাৰ দহ পুত্ৰ হয়। বসুদেব, দেবভাগ, সৃঞ্জয়, শমীক আদি তেওঁৰ মুখ্য পুত্ৰ। শূৰসেনৰ পাঁচ গৰাকী কন্যা- তাৰে ভিতৰত পৃথা বা কুন্তী উল্লেখ যোগ্য।

কুন্তীয়ে দুৰ্বৰ্বাসাক একচিত্তে সেৱা কৰাত এটি বৰ দিলে যে তেওঁ যি দেৱকে মাতে তেৱেঁ উপগত হবহি। সূৰ্য্যক মতাত সূৰ্য্যদেৱে অকুমাৰী অৱস্থাতে এটি পুত্ৰ দান কৰিলে- যাৰ নাম কৰ্ন। কৰ্নক নৈত উটুৱাই দিলে। বসুদেৱে সোতৰ গৰাকী কন্যা বিবাহ কৰিলে। বসুদেৱৰ ঔৰসত দৈবকীৰ গৰ্ভত পূৰ্নকৃষ্ণ ভগৱন্তই অৱতাৰ গ্ৰহন কৰে। বসুদেৱৰ আন এগৰাকী পত্নীৰ গৰ্ভত হলিৰাম অৱতাৰ হয়। বসুদেৱৰ এগৰাকী দুহিতা সুভদ্ৰা।

- পৰীক্ষিতৰ পুত্ৰ-

(১) জন্মেজয়, (২) শ্ৰত্তসেন, (৩) ভীমসেন, (৪) উগ্ৰসেন,

শতানীক

সহস্ৰানীক

তেওঁলোকৰ বংশত

যদু

অসংখ্য ৰজা

তেওঁলোকৰ বংশত দেৱমীঢ়

শূৰসেন পত্নী মাৰিষা

দহ পুত্ৰ — পাঁচ গৰাকী কন্যা

(১) বসুদেৱ, (২) দেৱভাগ, — এগৰাকী পত্নী পৃথা বা কুন্তী ।

(৩) সৃঞ্জয়।





# দশম স্কন্ধ

**ঃ আদ্যভাগ ঃ শঙ্কৰদেৱ বিৰচিত ঃ**

(১) দৈৱকী-বসুদেৱৰ বিবাহ, দৈৱবানী, কংসৰ বিৰোধ ও কৃষ্ণ জন্ম।

(২) নন্দৰ গৃহলৈ কৃষ্ণক স্থানান্তৰ, যোগমায়াৰ মাহাত্ম্য।

(৩) কংসৰ প্ৰেৰিত দানৱ দানৱী পুতনা, শকটাসুৰ ও চক্ৰবাত নিধন।

(৪) কৃষ্ণৰ বাল্যলীলা আৰু মাহাত্ম্য প্ৰকাশ।

(৫) বৃন্দাবন লীলা ও অসুৰ বধ।

(৬) ৰাসলীলা।

(৭) ৰাম-কৃষ্ণৰ মধুপুৰ যাত্ৰা আৰু কংস বধ।

(৮) গুৰু-গৃহত ৰাম-কৃষ্ণৰ শিক্ষালাভ।

(৯) কৃষ্ণ-ৰামৰ মথুৰা গমন আৰু গোপী উদ্ধব সংবাদ।

-আদ্যদশমঃ অনন্তকন্দলী (চন্দ্ৰভাৰতী) বিৰচিত-

(১০) কুজীৰ বাঞ্ছা পূৰন।

(১১) অক্ৰুড়ৰ বাঞ্ছা পূৰন আৰু হস্তিনালৈ প্ৰেৰন।

# মধ্যদশম-(চন্দ্ৰভাৰতী বিৰচিত)

(১২) জৰাসন্ধৰ লগত যুদ্ধ।

(১৩) কালযবনৰ লদত যুদ্ধ আৰু দ্বাৰকা নগৰ নিৰ্ম্মন।

(১৪) মুচুকুন্দৰ দ্বাৰা কালযবন নিহত।

(১৫) ৰুক্মিনী হৰন।

(১৬) স্যমন্তক হৰন, জাম্বৱতী আৰু সত্যভামাৰ বিবাহ।

(১৭) কৃষ্ণৰ ইন্দ্ৰপ্ৰস্থ নগৰলৈ যাত্ৰা।

(১৮) কালিন্দী, মিত্ৰবৃন্দা, সত্যা, ভদ্ৰা, লক্ষনাৰ লগত কৃষ্ণৰ বিবাহ।

(১৯) নৰকাসুৰ বধ, পৰিজাত হৰন।

(২০) প্ৰদ্যুম্ন- ৰতিৰ বৰ্ননা।

(২১) ঊষা অনিৰুদ্ধৰ কাহিনী, হৰিহৰ যুদ্ধ, বানৰ পৰাজয়।

(২২) পৌণ্ডক আৰু কাশীৰাজ বধ।

(২৩) বলৰামৰ দ্বিবিদ বধ, লক্ষনাৰ বিবাহ।

(২৪) নাৰদৰ কৃষ্ণ দৰ্শন।

(২৫) কৃষ্ণৰ লগত পাণ্ডৱৰ মিলন, জৰাসন্ধ বধ।

(২৬) ৰাজসূয় যজ্ঞ আৰম্ভনি আৰু শিশুপাল বধ।
(২৭) ৰাজসূয় যজ্ঞ সম্পাদন।
(২৮) শাল্ব, দন্তবক্র, বিদুৰথ বধ।
(২৯) বলভদ্রৰ ৰোমৰ্হষন, বল্বল বধ।
(৩০) দামোদৰ বিপ্রৰ আখ্যান।

**।। কুৰুক্ষেত্ৰ খণ্ড।।**

(৩১) কৃষ্ণৰ কুৰুক্ষেত্ৰ যাত্ৰা।
(৩২) দ্রৌপদীৰ লগত ৰুক্মিনীৰ মিলন ও কৃষ্ণ পত্নীৰ বিবাহ বৰ্নন।
(৩৩) কৃষ্ণৰ লগত মুনিগনৰ কথোপকথন।
(৩৪) নাৰদ বসুদেবৰ কথোপকথন।
(৩৫) কৈবকীৰ মৃত পুত্ৰ আনয়ন।

।।ঃঃ।।

**।।দশম স্কন্ধ।। অন্ত্যদশম-অনন্ত কন্দলী কৃত**

(৩৬) অৰ্জ্জুনৰ সুভদ্রা হৰন।
(৩৭) কৃষ্ণ শ্ৰুতদেব-জনকৰ মিলন।
(৩৮) বেদস্তুতি।
(৩৯) ৰুদ্ৰ মোক্ষন।
(৪০) ভৃগু পৰীক্ষা।
(৪১) বিপ্ৰ পুত্ৰ আনয়ন।
(৪২) কৃষ্ণৰ গৌৰব কীৰ্ত্তন।



**।।দশম স্কন্ধঃ আদ্যভাগঃ শঙ্কৰদেৱ বিৰচিত।।**

ভাগৱতৰ বাৰটা স্কন্ধৰ ভিতৰত দশমস্কন্ধই অতি মাহাত্ম্যপূৰ্ন; কিয়নো ইয়াত ভগৱন্ত কৃষ্ণৰ আবিৰ্ভাৱ, সৃষ্টি স্থিতি-সংহাৰ, অৱতাৰ কৰ্ম্ম লীলা আৰু মাহাত্ম্যৰ কথাৰে ভৰপূৰ। কৃষ্ণই মনুষ্যৰূপে জন্মগ্ৰহন কৰাৰ পৰা আৰাম্ভ কৰি বিপ্ৰপুত্ৰ আনয়নলৈকে সুদীৰ্ঘ কাহিনী বৰ্নিত হৈছে। ভগৱান কৃষ্ণৰ বিস্তৃত কাহিনী- (১) গকোল-বৃন্দাবন লীলা, (২) মথুৰা লীলা, (৩) দ্বাৰকা লীলা- তিনিটা খণ্ডত বৰ্নিত হৈছে। দশম স্কন্ধ বৃহৎস্কন্ধ; ইয়াক- তিনিটা খণ্ডত বিভক্ত কৰা হৈছে- (১) আদিদশম, (২) মধ্যদশম, (৩) অন্ত্যদশম। কৃষ্ণৰ শেষ কৰ্ম্মৱলী একাদশ স্কন্ধত সামৰনি পৰিছে আৰু সেয়ে কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়ান আৰু ই দ্বাৰকা লীলাৰ শেষ খণ্ড।

**(১) দৈবকী বসুদেৱৰ বিবাহ, দৈববানী, কংসৰ বিৰোধ ও কৃষ্ণ জন্মঃ**



দ্বাপৰ যুগত অসংখ্য দৈত্য-দানব জন্মগ্ৰহন কৰি বলৰ দৰ্পত সন্তক বিঘাট কৰি বসূধাত পাপ অত্যাচাৰ কৰিবলৈ ধৰিলে। বসুমতীয়ে পাপৰ ভাৰ সহ্য কৰিব নোৱাৰি ব্ৰহ্মাৰ ওচৰত ধেনুৰূপী হৈ দুখৰ বোজা দূৰ কৰিবলৈ প্ৰাৰ্থনা জনালে। ব্ৰহ্মাই ত্ৰিদশ সহিতে ক্ষীৰোদধি তীৰতগৈ মাধবক প্ৰাৰ্থনা কৰিলে আৰু আকাশ বানী শুনিলে আৰু ব্ৰহ্মাই দেবগনক কলে- "তোমালোক যদুবংশত জন্ম ধৰাগৈ, দেবী সকল নাৰী হৈজন্ম লওক গৈ আৰু মই বসুদেৱৰ গৃহত জন্মলৈ ভূমিৰ ভাৰ হৰন কৰিম।"

মথুৰা নগৰীত থকা শূৰসেনৰ পুত্ৰ বসুদেৱলৈ কংসই নিজৰ ভগ্নী দৈবকীক বিয়া দি লৈ আহোঁতে দৈব্যবানী শুনিলে-

"যাক লৈয়া যাস কংস শুনৰে অজ্ঞান।
এহিৰ অষ্টম গৰ্ভে তোৰ লৈবে প্ৰান।।" ২৫।।

কংসই দৈবকীক চুলিত ধৰি খাণ্ডা লৈ কাটিবলৈ ধৰাত বসুদেবে নানা শাস্ত্ৰীয় যুক্তি দি প্ৰান ৰক্ষা কৰে। বসুদেবে কৈছিল- স্ত্ৰীজাতি আৰু ভগিনীক কাটিব নাপায়। সকলোৰেই এদিন মৰিবই, জীৱ কৰ্ম্মৰ অধীন, দেহাহে নষ্ট হয়, আত্মা নমৰে, ইহলোক পৰলোকে দ্ৰোহীয়ে কল্যানৰ অধিকাৰী নহয়।

"একে স্ত্ৰীজাতি আৰো ভগিনী তোমাৰ।" ২৭।।
"আজি মৃত্যু হৌক নুহি শতেক অন্তৰে।
অৱশ্যে মৰন আছে সৱে জগতৰে।।" ২৮।।
"কৰ্ম্মৰ অধীন জীৱ যেতিক্ষনে যাই।
এৰে পূৰ্ব্ব দেহা আউৰ শৰীৰক পাই।।
যেনে জোকে তযন পাইলে এৰে আউৰ তৃন।
জীৱন মৰন স্বপ্নে এৰে নুহি ভিন্ন।।" ২৯।।
"ইহ পৰলোকে নাবি দ্ৰোহীৰ কল্যান।।" ৩০।।

ইমানতো কংসই নেৰাত বসুদেবেকলে যে উপজিলেই সন্তানক নি কংসক গতাই দিব। বসুদেবে সদ্যহতে দৈবকীক মৃত্যুৰ কৰাল গ্ৰাসৰ পৰা ৰক্ষা কৰিবলৈ এনে প্ৰতিজ্ঞা কৰিলে। হয়তো পাচত দিব লগা নহবও পাৰে। কিয়নো-

"কিবা কংস মৰি আগে যায় যমালয়।
কংস যেবে নমৰয় পুত্ৰ হোৱে জাত।।" ৩৪।।

"কোনে বুজিবেক বিপৰীত দৈবগতি" বাবে বসুদেৱে পুত্ৰ দান কৰাৰ বাবে সিদ্ধান্ত ললে। লগে লগে আকাশ বানী হ'ল- "দৈবকীৰ হন্তে নাহি তোমাৰ মৰন।"

কংসই দৈবকীক এৰি গৃহলৈ গ'ল। দৈবকীৰ কীৰ্তিমন্ত নামে পুত্ৰ জন্ম হ'ল আৰু কংসক গতাই দিলে। নাৰদে আহি কংসক কলে যে বসুদেব, নন্দ, দৈবকী, যশোদা আদিবোৰ দেব-দেবী, ছদ্ম কৰিহে মানুহ হৈ আছে। সকলোৰে কংসক বধ কৰাৰ বাবে

চেষ্টা কৰিছে। কংসও আগৰ জন্মত কালনেমী দৈত্য আছিল আৰু বিষ্ণুৱে বধ কৰিছিল। এই জন্মত কংসক হৰিয়েই বধ কৰিব বুলি নাৰদে কৈ গুচি গ'ল আৰু কংসই খঙতে বসুদেব-দৈবকীক লোৰ গৰালত ৰাখিলে। দৈবকীৰ এটা এটাকৈ ছটা পুত্ৰক কংসক দিলে। সপ্তম গৰ্ভ সম্ভূত হোৱাত নাৰায়নে মহামায়াক কলে-"দৈবকীৰ গৰ্ভ সঙ্কৰ্ষন কৰি ৰোহিনীৰ গৰ্ভত স্থাপন কৰা" মহামায়া তাকেই কৰিলে। নন্দৰ ঘৰত থকা ৰোহিনীয়ে বলৰামক জন্ম দিয়ে।

দৈবকীৰ গৰ্ভত ভগৱন্তই স্থিতিলয় আৰু তেওঁৰ শৰীৰৰ পৰা উজ্জ্বল প্ৰভা নিৰ্গত হয়। ভগৱন্তই বসুদেবৰ মনত প্ৰবেশ কৰি বীৰ্য্যৰূপে দৈবকীৰ গৰ্ভত বাস কৰে। কংসই এই জ্যোতি দেখি মহাচিন্তাত পৰে আৰু দেবগনে স্তুতি আৰম্ভ কৰে। কংসই উঠোতে, বহোতে, খাওঁতে, শোঁওতে কেৱল হৰিকেই ভয় কৰি চিন্তাকৰি থাকিবলৈ ধৰিলে। জগতৰ সকলো বস্তুতেই কেৱল হৰিকেই দেখা পালে। ইফালে ব্ৰহ্মা, হৰ, ইন্দ্ৰাদি দেবগনও নাৰদ সহিতে বিষ্ণুক স্তুতি কৰিবলৈ ধৰিলে। তেওঁলোকে প্ৰকৃতি আশ্ৰয়ী বৃক্ষৰূপত ভগৱানক বৰ্ননা কৰিলে-

"প্ৰকৃতি আশ্ৰয় আছে আদি বৃক্ষ
সুখ দুখ দুই ফল।
তিনি গুনে মূল অৰ্থ চাৰিৰখ
শিফায়ে ইন্দ্ৰিয় বল।।" ৬২।।

| | | |
|---|---|---|
| মূল ব ঘাইশিপা | — | সত্ব-ৰজ-তম-ত্ৰিগুন। |
| চাৰুলীয়া, চুলিশিপা | — | বল বা শক্তি-ৰূপী-ইন্দ্ৰিয় গন। |
| গছৰ ৰস | — | ধম-অৰ্থ-কাম-মোক্ষ- চাৰি বৰ্গ। |
| গছৰ ফলদ্বয় | — | সুখ আৰু দুখ |
| বৃক্ষ | — | সংসাৰ |
| প্ৰকৃত আশ্ৰয় | — | মূল প্ৰকৃতিৰ ওপৰত প্ৰতিষ্ঠিত- মহতত্ব। |

"ছয়উৰ্ম্মি আত্মা সাতধাতু ছাল
শাখায়ে অষ্ট প্ৰকৃতি।
দশ বায়ু পাত ঈশ্বজীৱ দুই
পক্ষীথাকে আত নিতি।।" ৬২।।

গছৰ আত্মা বা প্ৰানেই— ক্ষুধা-তৃষ্ণা-শোক-মোহ-জৰা-মৃত্যু= ছয়উৰ্ম্মি।
গছৰ ছাল— ছাল-মাংস-ৰক্ত-মেদ-হাৰ-মজ্জা-শুত্ৰ বা বীৰ্য= সপ্ত ধাতু।
গছৰ ডাল-ঠাল— পঞ্চ মহাভুত, বুদ্ধি-অহঙ্কাৰ-মন= অষ্ট প্ৰকৃতি।
গছৰ পাত— প্ৰান-অপান-সমান-উদান-ব্যান-দেবদত্ত-ধনঞ্জয়-কৃকৰ, নাগ, কুৰ্ম্ম= দহ বিধ বায়ু।

গছত পৰি থকা দুটি পক্ষী— জীৱ আৰু ঈশ্বৰ (আত্মাৰূপী জীৱ + পৰমাত্মা) এই মহাবৃক্ষ ভগৱানৰ পৰা উৎপত্তি, ইয়াৰ ওপৰলৈ শিপা বা মূল আৰু তললৈ ডাল-পত্ৰ। মনৰ পৰা আবিদ্যা দূৰ হলেহে এই মহাবৃক্ষৰ স্বৰূপ তত্ব উপলব্ধি কৰিব পৰা হয়। দেবগনে কংস কাৰাগাৰত বন্দী হৈ থকা দৈবকীক নিৰ্ভয়ে থাকিবলৈ কলে। মহেন্দ্ৰ ক্ষনত ৰোহিনী নক্ষত্ৰত মধ্যৰাতি জগতৰ গুৰু কৃষ্ণ আৰ্বিভাৱ হ'ল। তেওঁ চতুৰ্ভুজৰূপে অৱতাৰ গ্ৰহন কৰে। কমল লোচন-কণ্ঠত কৌস্তুভ, ৰত্নময় কিৰীটি, মকৰ কুণ্ডল, ঘনশ্যাম তনু ৰূপী, বক্ষত শ্ৰীব্যস, ৰত্নৰ মেখলা পৰিহিত, নুপুৰ ভৰিত পৰিহিত, অৰুন-পাত-পদ্মেৰে শোভিত কৃষ্ণই কাৰাগাৰ জোতিৰ্ময়ী কৰি তুলিলে। বসুদেবে অদ্ভুত বালক দেখি পৰম বিস্ময় মানি আনন্দ সাগৰত ডোব গ'ল।

বসুদেব-দৈবকীয়ে ভগৱন্তক স্তুতি কৰিবলৈ ধৰিলে। "হে নিৰঞ্জন, হে পুৰান পুৰুষ, হে সৃষ্টি-স্থিতি লয়ৰ অধিকাৰী, পৃথিৱীৰ মহাভাৰ খণ্ডাবৰ বাবেই মোৰ ঘৰত জন্ম ললাহি।"

জানিলো সাক্ষাতে তুমি পুৰষ পুৰান।
নিৰঞ্জন আনন্দ স্বৰূপ সৰ্ব্বজান।।
তুমিসে কেৱল সঞ্চা সৰে মায়াময়।
তোমাতেসে হন্তে হৰে সৃষ্টি-স্থিতি লয়।।৮১।।
ব্ৰহ্মাৰূপে স্ৰজা পালা বিষ্ণুৰূপ ধৰি।
ব্ৰহ্মাৰূপে নিয়া সবে জগত সংহৰি।।
খণ্ডিবাক লাগি পৃথিৱীৰ মহাভাৰ।
মোহোৰ গৃহত আসি ভৈলা অৱতাৰ।।৮২।।

দৈবকীয়েও অনেক ভাৱে ভগৱন্তক স্তুতি কৰি কংসৰ ভয়ত যে তেওঁলোক ভীত হৈছে তাকো কলে। নাৰায়নে বসুদেব দৈবকীক তেওঁলোকক পূৰ্ব্ব জন্মৰ কাহিনী ব্যক্ত কৰিলে। পূৰ্ব্বতে দৈবকী পৃষ্ণি নামে সতী আছিল আৰু বসুদেব আছিল সুতপা প্ৰজাপতি। ব্ৰহ্মাই দুয়োকো সৃষ্টি কৰিবলৈ কোৱাত দুয়ো ঘোৰ তপস্যা কৰি ভগৱানক পুত্ৰৰূপে পাবলৈ কোৱাত দুয়ো ঘোৰ তপস্যা কৰি ভগৱানক পুত্ৰৰূপে পাবলৈ বিচৰাত সেই বৰকে দিলে। তাৰ পাচতে দুয়ো অদিতি কশ্যপ হৈ ঈশ্বৰক বামন পুত্ৰৰূপে পালে। তৃতীয় জন্মত দুয়োৰে পুত্ৰৰূপে জন্ম লাভ কৰিছে।

১ম জন্ম — সুতপা — পৃষ্ণি সতী = পুত্ৰ পৃষ্ণি গৰ্ভ।
২য় জন্ম — কশ্যপ — অদিতি = বামন।
৩য় জন্ম — বসুদেব — দৈবকী = কৃষ্ণ।

এই জন্মত দুয়ো মুক্তি লভিব বুলি কৃষ্ণই কলে আৰু কৃষ্ণক গকুলত পলুৱাই থবলৈ উপায় দিলে। যশোদাৰ ঘৰত যোগমায়া উপজিব আৰু কৃষ্ণক থৈ যোগমায়াক

লৈ আহিব বুলি তেওঁ বসুদেৱক কলে আৰু চতুৰ্ভূজ এৰি শিশুকৃষ্ণ হ'ল।

**(২) নন্দৰ গৃহলৈ কৃষ্ণক স্থানান্তৰ, যোগমায়াৰ মাহাত্ম্যঃ-**

বসুদেৱে কৃষ্ণক কোলাত ললে আৰু বন্ধন শালাৰ দুৱাৰ খোল খালে। বসুদেৱে কৃষ্ণক লৈ যশোদাৰ ঘৰ পোৱাত দুৱাৰ খোল খালে, পালি পহৰীয়া নিদ্ৰাত অচেতন হ'ল। আৰু নবজাত যোগমায়াক লৈ কৃষ্ণক নন্দ-যশোদাৰ মাজত শুৱাই থৈ বসুদেৱ ঘূৰি আহিল, দুৱাৰ নিজে নিজে জাপখালে। কৃষ্ণক লৈ যাওঁতে অত্যন্ত বৰষুন, ফেনে ফোটোকাৰে যমুনা নদী ভৰপূৰ, ঘোৰ অন্ধকাৰ যদিও কৃষ্ণৰ পোহৰ নিৰ্গত হৈছিল, যমুনায়ো নিজে বাট দিছিল আৰু অনন্তই ফনাধৰি বৃষ্টিৰ পৰা ৰক্ষা কৰিছিল, এই সকলোবোৰ ভগৱানৰ অসীম মহিমা।

যোগমায়াই কংস কাৰাগাৰত কন্দা শুনি কংসই দৈৱকীৰ কোলাৰ পৰা যোগমায়াক শিলত আচাৰি মাৰিবলৈ লোৱাত হাতৰ পৰা এৰাই আকাশ মাৰ্গলৈ উৰি গৈ হাঁহি হাঁহি কৈ গ'ল-"তোৰ প্ৰান বৈৰী কোনো ঠাইত জন্ম হৈ আছে, দৈৱকীক অনাহকতে কষ্ট দিছ বুলি কৈ পূজা খাই ফুৰিবলৈ গুচি গ'ল। কংসই আকাশ বানী শুনি পূৰ্ব্বৰ দৈব বানীৰ অসাৰতাৰ বাবে দৈৱকী পুত্ৰ সবক বধ কৰাৰ অনুতাপত দগ্ধ হয় আৰু বসুদেৱ-দৈৱকীৰ ওচৰত ক্ষমা খোজে। কংসই তত্ব কথা প্ৰকাশ কৰি কৈছে-

"চিৰকাল প্ৰানী একত্ৰে নথাকে, বিষম দৈৱৰ গতি।" ১২১।।

" পঞ্চভূদ দেহ ইসে নষ্ট হই, আত্মাৰ মৰন নাই। ১২২।।

কংসই কাৰগাৰৰ পৰা বসুদেৱ-দৈৱেকীক মোকোলাই দিলে। বসুদেৱে কলে-

"আপুমি কহিলা যেন এহিসে পৰমতত্ব
কিছো নোহো শোক মোহ ভয়।
অজ্ঞানত থাকি নৰে মিছাত বিৰোধ কৰে
বিচাৰত সবে মায়াময়।।" ১২৪।।

শোক-মোহ-ভয়-শৰীৰৰ ধৰ্মহে, শৰীৰ যিহেতু অনিত্য; গতিকে এইবোৰৰ মূল্য নাই। আত্মাৰ-শোক-মোহ-ভয় নাথাকে। অজ্ঞানতাৰ বাবে দেহ ধৰ্ম্মকেই আত্মাৰ বুলি ভ্ৰম হয়। কংস নিজ গৃহলৈ আতৰি যায়।

**(৩) কংসৰ প্ৰেৰিত দানব দানবী-পুতনা, শকটাসুৰ, চক্ৰবাত নিধনঃ-**

যোগমায়াৰ বানী শুনি কংসই মন্ত্ৰীগনৰ লগতমন্ত্ৰনা কৰি নৱজাত শিশু সকলক বধ কৰাৰ পৰিকল্পনা ললে। দানবগনে অহঙ্কাৰ আৰু আস্ফালন কৰি কলে যে হৰিয়ে হৃদয়ত প্ৰবেশ কৰিহে থাকে, তাৰ বাহিৰে তেওঁ কি কৰিব পাৰে ব্ৰহ্মাও তপস্বী, হৰো বনবাসী, ইন্দ্ৰ অল্পবীৰ্য্য; গতিকে কেৱল মাধৱত ভৰসা কৰি থকা দেবগনক, বিষ্ণুৰ অনুগত ব্ৰাহ্মন বোৰক, তপস্বী ঋষি সমূহক বধ কৰিব লাগিব, যজ্ঞৰ ধেনুক বিনাশ কৰি যজ্ঞ নষ্ট কৰিব। এই সিদ্ধান্ত কৰি এফালৰ পৰা দৈত্যগনে অত্যাচাৰ আৰম্ভ কৰিদিলে।





দানব বা দৈত্যগন মহন্তৰ প্ৰত্যক্ষ শত্ৰু; কিন্তু দেহস্থ শত্ৰুৱে জীৱক সদায়ে দৈত্যৰ দৰে আক্ৰমন কৰে। কবিৰ উপদেশত এই সংক্ৰান্তত মানবৰ শত্ৰু সমূহক চিনাক্ত কৰা হৈছে। লক্ষ্মীৰ আশা কৰা প্ৰধান শত্ৰু বুলিব পাৰি- কাৰন লক্ষ্মী অস্থিৰ বস্তু-

"যি লক্ষ্মীত আশা কৰি সদায়ে আকুল মন
তেহো মহা চঞ্চল সৰ্ব্বথা।।" ১২৭।।

শৰীৰৰ অৰ্থে কৰ্ম্ম কৰা আপদৰ ঘৰ সজা একে কথা-

"যিটো শৰীৰৰ অৰ্থে অনেক প্ৰবন্ধ কৰি
ইয়ো মহা আপদৰ ঘৰ।।"

'ধন সৰ্ব্বনাশৰ মূল। ধনৰ বৃদ্ধিৰ লগে লগে মৃত্যু চাপি আহে। মানুহে ধনক উপভোগ কৰিব নোৱাৰে ধনেহে মানুহক তিল তিল কৈ দুখ দিয়ে-

"যতেক বাঢ়য় ধন ততেক মৃত্যুসে বাঢ়ে-
আপদ নাহিকে আতপৰ।।"

'সুন্দৰী নাৰী' পৰম অনৰ্থ কাৰী। নিকাৰ ভোগাৰ প্ৰশস্ত উপায় হৈছে সুন্দৰী নাৰীৰ পাচে পাচে দৌৰা-

"যতেক সুন্দৰী নাৰী পৰম অনৰ্থ কাৰী
আতপৰে নাহিকে নিকাৰ।।" ১২৮।।

এইদৰে-কাম-ক্ৰোধ-লোভ-মোহ-মদ-মাৎসৰ্য্য-দম্ভ-দ্বেষ্য, অহঙ্কাৰ দেহৰ দানব।

দৈত্যগলে কংসৰ পক্ষলৈ কিয় দুষ্কাৰ্য্যত লিপ্ত হ'ল। দেহৰ শত্ৰুবোৰ যেনেকৈ মনৰ অধীন তেনেকৈ এই দৈত্য সমুহক কংসই কৰায়ত্ব কৰি তলতীয়া কৰি ৰাখিছিল- কংস নিজেও পাপ, বিঘিনি, ৰোগ শোকৰ প্ৰতীক। 'অসু' মানে ইন্দ্ৰিয় 'ৰ' অৰ্থে ৰমন। ইন্দ্ৰিয়ৰ সৈতে ৰমন কৰাজনেই অসুৰ। সমুদ্ৰ মন্থনৰ সময়ত কাল নেমী দৈত্যক বিষ্ণুৱে বধ কৰিছিল। শুক্ৰই সঞ্জীৱনীৰে কালনেমীক জীয়াই দিয়াত এশ চৈধ্য বছৰ তপস্যা কৰি ব্ৰহ্মাৰ পৰা বৰ লাভ কৰে; বৰ অনুসৰি দেবতাৰ হাতত তাৰ মৃত্যু নহ'ব। উগ্ৰসেনৰ পত্নী পদ্মাৱতীৰ গৰ্ভত কংসৰ জন্ম হয়। কংসই জৰাসন্ধক জয়কৰাত জৰাসন্দৰ জীয়েক অস্তি আৰু প্ৰাস্তিক কংসলৈ বিয়া দিয়ে। কংসই মাহিস্মতী পুৰৰ পাচ ৰাজপুত্ৰ-চানুৰ, মুষ্টিক, কুট,শল, তোশলক পৰাজয় কৰি দাস কৰে। দ্বিবিদ; কেশীকো দাস কৰে। শঙ্খচূড়, অৰিষ্টাসুৰ আদি দৈত্য সকলকো নিজৰ দাস কৰে। গতিকে দাস দৈত্য-দানব সকলে কংসৰ সহচৰ হৈ অত্যাচাৰী হৈ উঠে আৰু নানা কুট বুদ্ধিৰে কংসই সিহঁতৰ হতুৱাই সন্ত-মহন্তৰ ওপৰত অত্যাচাৰ কৰোৱায়। কংসৰ আহ্বানত দৈত্যগন সমবেত হয় আৰু প্ৰথমেই শিশু হত্যাৰ পৰিকল্পনা কৰিলে।

ইফালে নন্দৰ গৃহত মহাসমাৰোহে নন্দোৎসৱ পালন কৰা হয়। নন্দই কৃষ্ণক তেওঁৰ নিজৰ পুত্ৰ বুলিয়েই ভাবি আছিল আৰু ভগৱানৰ ৰহস্য বুজা নাছিল। কৰতলীয়া

ৰজা নন্দই কৰ শোধাবলৈ কংসৰ ৰাজ সভালৈ যোৱাত বসুদেৱে নন্দক আকোঁৱালিলৈ পুত্ৰৰ কুশল-মঙ্গলৰ বাতৰি ললে।

কংসই পুতনাক শিশু মাৰিবলৈ নিয়োগ কৰিলে। তাই কংসৰ আদেশত শিশু হৰন কাৰ্য্যত অগ্ৰসৰ হ'ল। পুতনাৰ পূৰ্ব্ব জীৱনৰ সম্পৰ্কে তলত উল্লেখ কৰা হ'ল-

(ক) **পুতনা আৰু পুতনা বধঃ**- ব্ৰহ্মবৈবৰ্ত্ত পুৰানৰ কৃষ্ণ জন্মখণ্ড আৰু গৰ্গ সংহিতাৰ গোলোক খণ্ডৰ মতে- বলিৰ যজ্ঞলৈ বামন যাওঁতে বলিৰ কন্যা ৰত্নমালাই বামনৰ মনোহৰ ৰূপ দেখি পুত্ৰৰ স্নেহত কাতৰ হৈ মনতে বামনক পুত্ৰৰূপে পাবলৈ ভাৱে। বামনে মনোভাব বুজি তাইক মনোবাঞ্চা পূৰনৰ বাবে আৰ্শীবাদ কৰে। ৰত্নমালাই দ্বাপৰত পুতনাৰূপে জন্মি কৃষ্ণক স্তন পান কৰাই মাতৃ গাত লভিলে। পুতনাই কংসই দিয়া ভোজখাই ভোজন দোষত দুষিত হৈছিল।

কদাকাৰ আকৃতিৰ পুতনাই সুন্দৰী নাৰীৰ বেশধৰি ঘৰে ঘৰে স্তন পান কৰোৱাই শিশুমাৰি ফুৰি ফুৰি এদিন গোকুলৰ নন্দৰ ঘৰত প্ৰবেশ কৰি কৃষ্ণক কোলাত তুলি ললে-

"যেন মূঢ়ে জৰী বুলি ধৰিলেক সাপ।
নুবুজিলে একোজনে ৰাক্ষসীৰ কাপ।।" ১৭৬।।

কৃষ্ণই স্তন পান কৰি সৰ্ব্বশৰীৰ শোষন কৰিলত পুতনাৰ মৃত্যু হয় আৰু মাতৃ গতি লাভ কৰিলে। যশোদা-ৰোহিনীয়ে ৰক্ষা বন্ধন পিন্ধালে। কৃষ্ণৰ মাহাত্ম্য বুজা টান- , কিয়নো শত্ৰুভাৱে বধ কৰিবলৈ অহা জনকো জননীৰ গতিহে প্ৰদান কৰিলে।

**(খ) শকটাসুৰঃ**-'শকট' মানে গাড়ী। শকট খনেই শকটাসুৰ, ই অসুৰৰ মায়া। গৰ্গসংহিতাৰ মতে- হিৰন্যাক্ষৰ পুত্ৰ আছিল 'উৎকচ' ই-লোমশ মুনিৰ আশ্ৰমত গছ গছনি ভাঙি পেলোৱাৰ বাবে তাক দেবৰহিত হ'বলৈ অভিশাপ দিয়ে। বৰকৈ কাকুতি কৰাত চাক্ষুস মন্বন্তৰত বায়ু মগ্ন হৈ থাকি বৈবস্বত মন্বন্তৰত কৃষ্ণৰ চৰন স্পৰ্শ কৰি মুক্তি পাব বুলি কৈছিল। অসুৰটো শকট খনৰ চক্ৰত বহি আছিল। কৃষ্ণক যশোদাই শকটৰ তলত শুৱাই থৈছিল আৰু তেওঁ শকট লাথি মাৰি বগৰাই পেলাওঁতে সি মুক্তি লাভ কৰে। কংসৰ প্ৰেৰিত দৈত্য শকটাসুৰৰ নিধন ঘটে।

(গ) **তৃনাবৰ্ত্ত বধঃ**- কংসৰ দূত হৈ কৃষ্ণক হৰন কৰিবলৈ যায়। ইয়াৰ নাম তৃনাৰ্ত্ত বা চক্ৰবাত বুলিও জনাযায়। ইয়াৰ অৰ্থ ঘূৰ্নীবতাহ। ব্ৰহ্মবৈবৰ্ত্ত পুৰান মতে পাণ্ড্য দেশত সহস্ৰাক্ষ নামে এজনৰ ৰজাই কাম পীড়িত হৈ সহস্ৰৰমনীসহ গন্ধমাৰ্দ্দনত বিহাৰ কৰি থাকোতে দবৰ্বাসা মুনিক সন্মান প্ৰদৰ্শন নকৰাত অসুৰ যোনীত জন্মি পৃথিৱী ভ্ৰমিব আৰু কৃষ্ণৰ চৰন স্পৰ্শত মুক্ত হ'ব বুলি দুৰ্বাসাই অভিশাপ দিলে। সি বাত মাগুলি ৰূপে কৃষ্ণক হৰণ কৰিলে।  কৰিনি কৃষ্ণই তাৰ ডিঙি চেপি বধ কৰিলে। তেনে মহিমাময়





ঈশ্বৰ কৃষ্ণক ভক্তি কৰিবলৈ আৰু উক্তিয়েই যে সববস্ব তাক ব্যক্ত কৰিছে- কবিয়ে-

"ভকতিসে মাতা      ভকতিসে পিতা
ভকতিসে বন্ধুজন।
ভকতি সুহৃদ      সোদৰ বিধাতা
ভকতিসে মহাধন।।
ভকতিসে মতি      ভকতিসে গতি
ভকতিসে দেবনিজ।
ভকতিসে চিত      ভকতিসে বিত্ত
ভকতি মোক্ষৰবীজ।।" ২২০।।

'পুতনাৰ বধ' কাহিনীত শিশু হত্যাৰ নিৰ্ম্মম অত্যাচাৰৰ কাহিনীয়ে যুগে যুগে মচিব নোৱাৰা কলঙ্কৰ ইতিহাস ৰচনা কৰিলে। নিজৰ মৃত্যুৰ ভয়ত অবোধ আৰু নিৰ্দ্দোষী শিশুসবক নিৰ্ব্বিচাৰে হত্যা কৰা পৰিকল্পনাই কংসৰ অত্যাচাৰৰ চৰম নিদৰ্শন। নাৰী আৰু শিশুৰ ওপৰত ভক্তৰ ওপৰত যেতিয়া অত্যাচাৰ হয় তেতিয়া ভগৱন্তই ৰৈ থাকিব নোৱাৰে আৰু এনে সন্ধিক্ষনতে ঈশ্বৰে অৱতাৰ গ্ৰহন কৰি অশুভ শক্তিক ধ্বংস কৰি আহিছে। ব্ৰহ্মবধ মহাপাপ বুলি জানিও লোকে ব্ৰহ্মবধ নানা প্ৰকাৰে কৰি আহিছে; ভ্ৰূন হত্যাও শিশু হত্যাৰ একৰূপ। প্ৰবৃত্তিক চৰিত্ৰাৰ্থ কৰি ভোগবাদী সকলে জনমানসৰ গ্লানিৰ পৰা নিজকে বচাই ৰাখিবলৈ যত্ন কৰে। তৎসত্বেও ভগৱন্তৰ বিচাৰৰ কাঠগড়াৰ পৰা অব্যাহতি নাপাব। স্বকৃত কু-কৰ্ম্মৰ ফল ভূগিবই লাগিব। শাস্ত্ৰই তাকে কাহিনীৰ যোগেদি প্ৰতিফলিত কৰিছে। কোনো মায়াৰ আচৰনে ঈশ্বৰৰ শক্তিক বাধা দিব নোৱাৰে।

**(ঘ) কৃষ্ণৰ বাল্য লীলা আৰু মাহাত্ম্য প্ৰকাশঃ**- ভগৱান তৃষ্ণই চতুৰ্ভূজ ৰূপে দেখা দি মানবীয় ৰূপ ধাৰন কৰে আৰু এই দৃশ্য আৰু তেওঁৰ মুখৰ বানী বসুদেৱ-দৈৱকীৰ বাহিৰে আনে নেদেখা আৰু নুশুনাৰ বাবে কৃষ্ণক মানব শিশু বুলিয়েই ধাৰনা কৰিছিল। কিন্তু কৃষ্ণই জন্মৰ পাচৰ পৰাই পুতনাক বধ কৰা আদি অসাধাৰন কৰ্ম্ম কৰিবলৈ লয়। যশোদা নন্দই কৃষ্ণক মানৱ শিশুৰূপেই লৈছিল।

যশোদাই কৃষ্ণক স্তন পান কৰোৱাই মুখখন চাওঁতেই মুখৰ ভিতৰত সাংঘাতিত দৃশ্য দেখা পালে। সমস্ত জগত, চন্দ্ৰ, সূৰ্য্যাদি দেখি চকুমুদি দিলে।

"যশোদা দেখন্তে পাছে গৰ্ভতে জগত।
দশোদিশ আকাশ নক্ষত্ৰ গ্ৰহ য'ত।। ২৩৮।।
"সমস্তে পৃথিৱী আছে গৰ্ভৰ ভিতৰ।"
"চক্ষু মুদি থাকিলন্ত পৰম বিস্ময়।।" ২৩৯।।

যশোদাক তত্ব প্ৰদৰ্শন কৰিবলৈকে কৃষ্ণই নিজকে প্ৰকাশ কৰিছিল। দেহ ক্ষুদ্ৰ ব্ৰহ্মাণ্ড, বৃহৎব্ৰহ্মাণ্ডৰ অধিকাৰী যে তেৱেঁই, তাকে তেওঁ আভাস দিলে, কিন্তু যশোদাই

সেই তত্বৰ গভীৰতা লৈ যাব নোৱাৰিলে।

গৰ্গ ঋষিয়ে কৃষ্ণ বলৰামৰ জাতকৰ্ম্ম কৰি ৰোহিনী পুত্ৰক অধিক বলবান হোৱাৰ বাবে বলৰাম আৰু যশোদাৰ পুত্ৰ (পুয্যমাতৃ) ৰ নাম কৃষ্ণ ৰাখিলে। সত্যত এওঁ শুক্ল, ত্ৰেতাত ৰাতুল আৰু দ্বাপৰত কৃষ্ণ বৰ্ন হোৱাৰ বাবে কৃষ্ণ নাম ৰাখিলে। কৃষ্ণ বলৰামে বাল্য লীলাৰ মাজেদি কৰ্ম্ম লীলা আৰম্ভ কৰিলে। এদিন কৃষ্ণই মাটি খালে বুলি লগৰীয়াৰ মুখত শুনি যশোদাই কৃষ্ণক মুখমেলি দেখুৱাবলৈ কলে। কৃষ্ণৰ গৰ্ভত সমস্ত জগত দেখি যশোদাই আচাৰ্য্য মানিলে।

নন্দ পূৰ্ব্বজন্মত দ্ৰোন নামৰ বসু আছিল আৰু তেওঁৰ ভাৰ্য্যাৰ নাম আছিল ধাৰা। ব্ৰহ্মাই দুয়োকে কৃষ্ণ ভক্ত হ'ব বুলি বৰ দিছিল। সেই বাবে কৃষ্ণই পুত্ৰ হৈ দুয়োকে আপ্যায়িত কৰিছিল। যশোদাই এদিন কৃষ্ণগুৰুক স্মৰি দধি মথি আছিল। কৃষ্ণই স্তন পান কৰিবলৈ নাপাই নানা উদভণ্ডালি কৰাত যশোদাই কৃষ্ণক জৰীৰে উঢ়ালত বান্ধি থয় আৰু উঢ়াল সহ চোচৰাই নি কৃষ্ণই অৰ্জ্জুন গছ দুজোপাত পথালি কৈ লগোৱাত গছ দুজোপা উঘলি পৰে আৰু গছৰ ঠাইত দুজন দেৱতা দেখা দিয়ে। কৃষ্ণক জৰীৰে বান্ধিবলৈ ধৰাত দুআঙুল কম হয়, এই দৰে বান্ধিবল চেষ্টা কৰি যশোদাই 'মই' বান্ধিম বুলি ভবা আৰু মোৰ জৰীৰে বান্ধিম বুলি ভবা দুটা ডাঙৰ অহঙ্কাৰ। 'মই' আৰু 'মোৰ' এই দুই ভাবক দুই আঙুল বুলি ভবাৰ স্থল আছে। 'মই' আৰু 'মোৰ' ভাবেৰে ভগৱানক বশ কৰিব পৰা নাযায়। সকলো কাৰ্য্য কাৰনৰ অধিকাৰী ঈশ্বৰহে। যশোদাই পাছত নিজৰ অহঙ্কাৰ উপলব্ধি কৰিব পাৰিলে।

যমলাৰ্জ্জুন ৰঘুগছ দুজোপা দুজন অভিশপ্ত দেৱতা, এজন মনিগ্ৰীৱ আৰু আনজন নলকুবেৰ। দুয়ো কুবেৰৰ পুত্ৰ আছিল। এওঁলোক দুইজনে মদ্যপান কৰি স্ত্ৰী গনক লৈ বিবস্ত্ৰ হৈ কৈলাসত জলক্ৰীড়া কৰি থাকোতে নাৰদক দেখা পাই নাৰীগনে বস্ত্ৰ পৰিধান কৰিলে, কিন্তু এওঁলোক দুজলে বিবস্ত্ৰ হৈয়ে ৰ'ল। দুয়োকে বৃক্ষ হৈ থাকিবলৈ নাৰদে অভিশাপ দিলে আৰু এশ বছৰৰ পাচত কৃষ্ণৰ স্পৰ্শত মুক্তি পাব বুলি কলে। কু-কৰ্ম্মৰ আৰু শ্ৰীমদৰ বাবে জীৱনত অভিশপ্ত হ'ব লগা হয়।

"শ্ৰীভৈলে লাগে স্ত্ৰীক কৰে মদ্যপান।
অন্ধ হুয়া অনেক পশুৰ লৰে প্ৰান।।" ৩০২।।

মদ্যপান আৰু স্ত্ৰীসঙ্গৰ পৰা মহা অনৰ্থ ঘটে। অন্য জীৱৰ প্ৰান হানি কৰাটোও একে অনৰ্থ কৰ্য্য। শ্ৰীমদত অন্ধ হৈ মহামহন্তক কৰা অপমানৰ বাবে দুৰ্ঘোৰ শাস্তি ভোগ কৰিব লগাত পৰে। কুবেৰৰ দুই পুত্ৰই ঈশ্বৰ কৃষ্ণক স্তুতি কৰি স্বস্থানে গতি কৰিলে। কৃষ্ণৰ মাহাত্ম্য দেখি সমস্ত লোক আচৰিত হ'ল।

কৃষ্ণই গোকুলত নানা ক্ৰীড়া কৰি, নাচি-বাগি, গীতগাই লগৰীয়া আৰু গোপীসকলক আনন্দ দিছিল। পসাৰীৰ পৰা ফললৈ ধান দিছিল কৃষ্ণই, কিন্তু ধানৰ ঠাইত তহিৰ পাচী সোন-ৰূপে ভৰি পৰিল। এই দৰে কৃষ্ণই ব্ৰজত মানবীয় লীলা প্ৰদৰ্শন কৰিছিল।

(৫) **বৃন্দাবন লীলা আৰু অসুৰ বধঃ**- ব্ৰজত পুতনা বধ কৰি চাৰিটা অসুৰৰ আক্ৰমন হোৱাত গোপগনে আলোচনা কৰি ব্ৰজ এৰি বৃন্দাবনলৈ যাত্ৰা কৰিলে। বৃন্দাবনৰ সুদীৰ্ঘ ঘটনা ৰাজিক তলত দিয়া ধৰনে ভাগ কৰিব পাৰি-

(ক) বৎসাসুৰ, বকাসুৰ, অঘাসুৰ বধ।
(খ) ব্ৰহ্মা মোহন।
(গ) কালী দমন।
(ঘ)ধেনুকাসুৰ, প্ৰলম্বাসুৰ বধ, বনাগ্নিপান।
(ঙ) বস্ত্ৰ হৰন।
(চ) পত্নী প্ৰসাদ।
(ছ) গোবৰ্দ্ধন পূজা আৰু নন্দ হৰন।

(ক) **বৎসাসুৰ, বকাসুৰ, অঘাসুৰঃ**-

বৃন্দাবনত গৰু চৰাওঁতে কংসৰ অনুচৰ বৎসাসুৰে গৰু পোৱালিৰ মাজত লুকাই কৃষ্ণক বধিবলৈ আহিছিল; কৃষ্ণই বৎসাসুৰক বধ কৰে। পূৰ্ব্বজন্মত মূৰ দৈত্যৰ পুত্ৰ প্ৰমীলে বিপ্ৰবেশ ধৰি বশিষ্ঠৰ হোমধেনু বিচৰাত বশিষ্ঠই তাৰছলনাৰ বাবে গৰু পোৱালি হবলৈ কলে আৰু সি গৰু পোৱালি ৰূপত কৃষ্ণক বধ কৰিবলৈ আহি মৰা পৰে।

কংসৰ বন্ধু বকৰূপী বকাসুৰ দানবে বধ কৰিবলৈ অহাত কৃষ্ণই তাৰ ঠোঁট দুফাল কৰি বধ কৰে। পূৰ্ব্বজন্মত ই হয়গ্ৰীব দৈত্যৰ পুত্ৰ আছিল আৰু তাৰ নাম উৎকল। ইন্দ্ৰক পৰাজয় কৰি ই জাজলি মুনিৰ পৰ্নসালাত পানীৰে মাছ আউদালিছিল বাবে মুনিয়ে তাক ব'ক হবলৈ শাপ দিলে আৰু কৃষ্ণৰ পৰশত মুক্তি পাব বুলি কৈছিল- (গৰ্গ সংহিতাৰ মতে)

ৰাম কৃষ্ণই সঙ্গীৰ লগত বন ভোজ খাওঁতে কংসৰ অনুচৰ অঘাসুৰে কৃষ্ণ বধৰ বাবে গৈছিল। পুতনা আৰু বকৰ কনিষ্ঠ ভাতৃ আছিল। কৃষ্ণই গৰু সহ যোৱা পথত সেই অঘাসুৰ অজগৰে মুখমেলি পৰি আছিল-

"হেন মনে গুনি দুষ্ট দৈত্য পাতি কাপ।
আগ ভেন্টি ভৈলা ঘোৰ অজগৰ সাপ।।" ৩৭৩।।
"তল ওঠগোট নমাই মাটিত থাপিল।।" ৩৭৪।।

কৃষ্ণ-গৰু-গৰখীয়া সকলো সৰ্পৰ গৰ্ভত সোমাল। কৃষ্ণই নিজৰ দেহ বঢ়াই দিয়াত মূৰ্দ্ধা ফুটি অসুৰৰ প্ৰান গ'ল আৰু তেওঁলোক নিবিঘ্নে ওলাই আহিল, অসুৰে মুক্তি পালে। পূৰ্বৰ্বজন্মত ই শঙ্খসুৰৰ পুত্ৰ আছিল। সি অতি সুন্দৰ আছিল আৰু অষ্টাবক্ৰ

মুনিক দেখি হহাঁত অভিশাপ পাই সৰ্প হলগৈ।

মহন্তৰ ওচৰত ছদ্মবেশ ধৰি ছলনা কৰাৰ পৰিনামৰ বাবে প্ৰমীলে গৰু পোৱালি জন্ম পালে। সিদ্ধ সকলৰ আচাৰ-নীতিত কলুষ সনাৰ বাবে উৎকলে বক জন্ম পালে। অষ্টাবক্ৰ মুনিক ভেঙুচালি কৰাৰ বাবে অঘাসুৰে সৰ্প জন্ম নাভ কৰিলে। মহন্তক তাচ্ছিল্য কৰাৰ ফল এয়ে। এই ঘাটক অসুৰ সকলে কৃষ্ণক বৈৰ ভাৱে চিন্তা কৰাৰ বাবে মুক্তি পালে। কৃষ্ণৰ পৰশত মহাপাপীও উদ্ধাৰ হয়।

(খ) **ব্ৰহ্মামোহনঃ**- ব্ৰহ্মাই অঘাসুৰৰ মৃত্যু দেখি কৃষ্ণৰ মহিমা দেখিবৰ কাৰনে গোৰক্ষ দামুৰি চুৰ কৰি নি যোগবলে লুকাই থলে। কৃষ্ণই গোৰক্ষ দামুৰি নাপাই ধ্যান কৰি ব্ৰহ্মাৰ দ্বাৰা সংঘটিত কাৰ্য্য বুলি জানি তেওঁ নিজেই গোৰখ-দামুৰি হৈ থাকিল। আনকি বলৰামেও কৃষ্ণৰ মায়াত মোহিত হৈ থাকিল। এবছৰ পূৰ হবলৈ ৫/৬ দিন থাকোতে কৃষ্ণ-বলৰামে বৃন্দাবনত প্ৰৱেশ কৰে আৰু কৃষ্ণই যে সমস্ত গোৰক্ষ দামুৰী হৈ আছে তাক জানিব পাৰিলে অৰু ব্ৰহ্মাই চুৰি কৰি নিয়া কাৰ্য্যও জানিলে। ব্ৰহ্মাই আহি গোৰক্ষ দামুৰি সহ সকলো দেখি আচৰিত হল আৰু লুকুৰাই থোৱা গোৰক্ষ দামুৰিৰ মূৰ্ত্তি এৰি নিজৰূপ ধাৰন কৰিলে। কৃষ্ণৰ চতুৰ্ভুজ মূৰ্ত্তি দেখা পালে, গাৰ নোমৰ মাজত কোটি কোটি ব্ৰহ্মান্তই খেলা কৰা দেখিলে, প্ৰতি ব্ৰহ্মান্ততে ব্ৰহ্মা-বিষ্ণু-ৰূদ্ৰ গনক দেখিবলৈ পাই ব্ৰহ্মাৰ শৰীৰ কঁপি উঠিল, পেট উসহিল, শ্ৰুতি-বুদ্ধি হেৰাল। ব্ৰহ্মাৰ অৱস্থা জগতকো স্ৰজো বুলি যি গৰ্ব্ব কৰিছিল, সেই কৰ্ব্ব ধূলিস্যাৎ হ'ল। কোটি কোটি ব্ৰহ্মাণ্ডৰ অধিকাৰী কৃষ্ণ-অস্থুলম্ অননু, অহ্রস্বম-দীৰ্ঘম, অনুৰনীয়ানু- মহতো মহীয়ান, বুলি ব্ৰহ্মাই জানিলে আৰু কৃষ্ণই তেওঁক দাঙি ধৰি আশ্বাস কৰি বিদায় দিলে আৰু ব্ৰহ্মাই লুকুৱাই থোৱা আছিল। গোৰক্ষ দামুৰি উদ্ধাৰ কৰি আনিলে।

(গ) **কালীদমনঃ**- যমুনাৰ পৰত কৃষ্ণই গৰখীয়া সকলৰ লগত গৰু চৰাই ফুৰোঁতে পানীৰ পিয়াহত গোপ আৰু গৰুবোৰে কালীৰ হ্ৰদত নামি পানী খাই মৃত্যুৰ মুখত পৰে। বিষযুক্ত পানীয়েই মৃত্যুৰ কাৰন হ'ল। কৃষ্ণই অমৃত নয়নে চাই সকলোকে জীয়ালে আৰু গোপগনে কৃষ্ণৰ মাহাত্ম্য দেখি আচৰিত হ'ল। বিষবহ্নিৰ প্ৰভাৱত পাৰৰ গছ গছনিও মৰিছিল, মাত্ৰ কদম্ব তৰুহে জীয়াই আছিল। পূৰ্ব্বতে গৰুড়ে অমৃত আনোতে এই বৃক্ষত ক্ষন্তেক জিৰনি লৈছিল বাবে গছজোপা অমৃতৰ পৰশ পাই জীয়াই আছিল। কালীহ্ৰদৰ পানী বিষমুক্ত কৰিবৰ কাৰনে কৃষ্ণই কালীনাগক খেদাবৰ বাবে মনস্থ কৰিলে। কদম্বত উঠি হ্ৰদৰ মাজত কৃষ্ণই জাপদিলে। কালীনাগে কৃষ্ণৰ চমৎকাৰ ৰূপ দেখি আচৰিত হ'ল আৰু মৰ্ম্মস্থানত খোঁট

মাৰিলে আৰু লেজেৰে কৃষ্ণক মেৰাই ধৰি পানীৰ তল পোলালেগৈ। তীৰস্থ সকলে কৃষ্ণৰ মৃত্যু হৈছে বুলি কান্দিবলৈ ধৰিলে, কৃষ্ণই জগতৰ মহাভাৰ তাৰ মূৰত দিয়াত তাৰ মুখেৰে তেজ বাহিৰ হয়, সহস্ৰ ফনা ভাগিপৰে। কালীয়ে কৃষ্ণত শৰন লয়। নাগপত্নী সকলে কৃষ্ণত শৰন লৈ স্বামীয়ে কৰা দোষৰ ক্ষমা খুজি প্ৰানভিক্ষা কৰে।

"নকৰিয়ো কৃপাময় অনাথ আমাক।।"
পতিব্ৰতা নাৰীৰ স্বামীসে মোক্ষপ্ৰান।
আঞ্চল পাতিয়া আমি মাগো স্বামীদান।।" ৬৫৬।।

পত্নী গনৰ স্তুতিত কৃষ্ণই তাৰ মূৰৰ পৰা নামি তাক ৰমনক দ্বীপলৈ খেদি পঠালে। তাৰ মূৰত কৃষ্ণৰ ভৰিৰ পঞ্চচিহ্ন থকাৰ বাবে গৰুড়ে নাখাব বুলি কালীয়ে কৃষ্ণক সেৱা কৰি আতৰি গ'ল। নন্দ-যশোদা আদিয়ে পুনৰ প্ৰান পাই উঠিল।

যমুনাৰ হ্ৰদত কালীনাগ থকা, গৰুড় বক্ষীয়ে যমুনাৰ হ্ৰদত মাছ খাব নোৱাৰা, কালীৰ মূৰত পদচিহ্ন থকাৰ পূৰ্ব্ব কাহিনী আছে। কালীনাগ কদ্ৰুৰ পুত্ৰ আৰু ৰমন দ্বীপৰ বাসিন্ধা আছিল। সাপবোৰে প্ৰতিমাহে গৰুড়ক এটাকৈ বলি দিব লাগিছিল।কালীয়ে গৰুড়ক দিব লগা বলি ভক্ষন কৰাত গৰুড়ে কালীক তাৰ পৰা খেদি পঠায় আৰু সি আহি যমুনাৰ হ্ৰদত বাস কৰে। এই হ্ৰদত সৌভৰি মুনিয়ে তপস্যা কৰি আছিল আৰু গৰুড়ক তাত মাছ খাবলৈ মানা কৰা সত্বেও খালে, মুনিয়ে শাপ দিলে যে গৰুড়ে তাত মাছ খালে মৃত্যু হ'ব।

সেই বাবে গৰুড় যাব নোৱাৰা হ্ৰদত কালী বাস কৰিছিল। স্বয়ম্ভূৰ মন্বন্তৰত কালীনাগ আছিল- বেদশিৰা মুনি। এওঁ বিন্ধ্যাপৰ্ব্বতত তপস্যা কৰিছিল, তাত অশ্বশিৰা মুনিয়ে তপস্যা কৰিবলৈ শাপ দিলে। বেদশিৰাই অশ্বশিৰাক কাউৰী হবল শাপ দিয়ে। বিষ্ণুৱে বেদশিৰাক কলে যে তেওঁৰ মূৰত বিষ্ণুৰ ভৰিৰ পঞ্চচিহ্ন থাকিব।

কৃষ্ণৰ জন্ম কাৰাগাৰৰ লোহাৰ শৃঙ্খলৰ মাজত। বসুদেব-দৈবকী কাৰাগাৰত বন্দী। কংসৰ কাৰাগাৰ সংসাৰ কাৰাগাৰৰ প্ৰতীক, বসুদেব-দৈবকী সংসাৰৰ বদ্ধ জীৱৰ প্ৰতীক। জীৱই লোহাৰ শৃঙ্খল ৰূপী মায়াৰ বন্ধনৰ পৰা ওলাই যাব নোৱাৰে কিন্তু কৃষ্ণ পৰমাত্মাই সংসাৰ কাৰাগাৰ ভেদ কৰিব পাৰে। সেই বাবে কৃষ্ণক বসুদেৱে নন্দৰ গৃহলৈ নিবলৈ ওলাওঁতেই শৃঙ্খল মেল খাই গল আৰু নন্দৰ গৃহতো একে মুক্তাবস্থা। এনে অতৰ্ক, অচিন্ত কৃষ্ণই বৃন্দাবনত প্ৰদৰ্শন কৰা মাহাত্ম্য সমূহ ভগৱন্তৰ স্বাভাৱিক প্ৰকাশহে মাত্ৰ। সৃষ্টি কৰি তেওঁ তাতে বিৰাজমান। দেখাত তেওঁ সগুন আৰু প্ৰকৃতাৰ্থত নিৰ্গুন।

(ঘ) **ধেনুকাসুৰ, প্ৰলম্বাসুৰ বধ, বনাগ্নিপানঃ**- ৰাম কৃষ্ণই তালবনত প্ৰৱেশ কৰি ফলমূল খাওঁতে কংসৰ অনুচৰ গৰ্দ্দৰ্ভৰূপী ধেনুকাসুৰে বলৰামক আক্ৰমন কৰাত বলৰামে ধেনুকাসুৰক বধ কৰে। পূৰ্ব্বজন্মত বলিৰ পুত্ৰ সাহসিকে গন্ধমাৰ্দ্দন পৰ্ব্বতত স্ত্ৰীগনক লৈ নৃত্যগীত কৰি থাকোতে নুপুৰৰ ধ্বনিয়ে তাত ধ্যানত থকা দুৰ্ব্বাসা মুনিক আমনি কৰাত মুনিয়ে সাহসিকক গাধ হবলৈ শাপ দিয়ে আৰু বলৰামৰ হাতত মুক্তি পাববুলি কয়।

কৃষ্ণই লগৰীয়া সকলৰ লগত নানা ক্ৰীড়া-কৌতুক কৰি ফুৰোঁতে কংসৰ

অনুচৰ প্ৰলম্বাসুৰে কৃষ্ণ-বলৰামক হৰন কৰিবলৈ আহি গোপৰ লগতমিহলিহৈ থাকে। প্ৰলম্বাসুৰে বলৰামক দাঙিলৈ আতৰি যায় আৰু বলৰামে মুষ্ঠিৰ প্ৰহাৰে তাক বধ কৰে।

মুঞ্জবনত বিচৰন কৰি থাকোতে বনজুয়ে চাৰিও ফালৰ পৰা গোৱাল গৰু-দামুৰি আদি সকলোকে আগুৰি ধৰিলে। পৰম ভকত সকলে হাকৃষ্ণ, প্ৰান ৰক্ষা কৰা বুলি কোৰাৰ লগে লগে কৃষ্ণই মুখেৰে বনাগ্নি পান কৰিলে। কৃষ্ণৰ মহিমা দেখি সকলোৱে আচৰিত মানিলে।

বৃন্দাবনত কৃষ্ণই লীলা প্ৰদৰ্শন কৰি লগৰীয়া-গোপ-গোপী-গৰু-দামুৰি-পশু-পক্ষী পৰ্য্যন্ত সকলোকে আনন্দ দান কৰিছিল। 'বৃন্দা' মানে আনন্দ, 'অবন' মানে ৰক্ষন স্থান। যত আনন্দ-বিনোদন, তাতে পৰমাত্মা বিৰাজমান। বৃন্দাবনৰ প্ৰান-কেন্দ্ৰ হৈছে কৃষ্ণ। কৃষ্ণ অবিহলে-বৃন্দবন মহাশূন্য, নিৰানন্দৰ স্থান। জীৱৰ দেহত কৃষ্ণই আত্মাৰূপে থাকি আনন্দ প্ৰদান কৰে। গৰু-দামুৰী-গাই-সকলোবোৰ ঋষিকুল আৰু গৰখীয়া লগৰীয়া সকলো দেবদেবী, গোপীসকল মহাভক্ত দেবীকুল। হৃদয়তে-বৃন্দাবন-অৱস্থিত। দেহতে বিশ্ব ব্ৰহ্মাণ্ডৰ সকলো সত্বাৰে লীলা খেলা চলে।

বৰ্ষা-শৰৎ আদিৰ ঋতু বোৰত বৃন্দাবনৰ অনিন্দ সৌন্দৰ্য্য বিৰাজিত হৈ উঠাৰ দৰে মানবদেহ-মনলৈও বৰ্ষা-শৰৎ ঋতুৱে বিভিন্ন ভাবৰ প্ৰবাহ বুৱাই দিয়ে। গ্ৰীষ্মৰ শুকান পৃথিৱী বৰ্ষাত পৰিপুষ্টি লাভ কৰাৰ দৰে সংসাৰৰ তিনি তাপত তাপিত লোকেও ভক্তি-বৰযুনৰ-সিঞ্চন লাভ কৰি পৰম শান্তি পায়। শৰতৰ জল-স্থল-প্ৰকৃতি নিৰ্ম্মল হোৱাৰ দৰে মনৰ কামনা-বাসনা-আদি-মায়াৰ-আচৰন দূৰ কৰিবলৈ-ভক্তি বৈৰাগ্যৰ দ্বাৰা নিজৰ মনৰ মলি দূৰ কৰিব লাগে।

(ঙ) **বস্ত্ৰ হৰনঃ**- ব্ৰজবাসী গোপী সকল কৃষ্ণৰ পৰম ভক্তা। বৃন্দাবনত কৃষ্ণই বজোৱা মোহন বাঁহীৰ সুৰ তৰঙ্গতেওঁলোক উল্লসিত হৈ উঠে। শৰত কালত কৃষ্ণই নানা ক্ৰীড়া কৰি গোপিকাৰ মনোৰাজ্যত মহা আনন্দ দিছিল। তেওঁলোক হেমন্ত কালত, আঘোন মাহত কুমাৰীকা ব্ৰত কৰি কাত্যায়নী দেবীক চিন্তি কৃষ্ণ-গুৰু-গান কৰি কৰি যমুনাৰ পাৰ পালেগৈ আৰু তাতে কাপোৰ খুলি নিবস্ত্ৰ হৈ গোপবধুগনে যমুনাত স্নান কৰিলে। কৃষ্ণই এই কথা জানি গোপগন সবে আহি তেওঁলোকৰ বস্ত্ৰবোৰ একত্ৰিত কৰি কদম্বত তুলি থলে।

গোপবধুগনক বস্ত্ৰ নিবলৈ কৃষ্ণই মাতিলে যদিও লাজ কৰি এজনীও নগ'ল। বৰকৈ মতাত গোপীগনে দুই হাতেৰে অঙ্গ ঢাকি অবনত শিৰে কাপোৰ খোজাত কৃষ্ণই কলে যে দুইহাত মূৰৰ ওপৰত তুলি নমস্কাৰ কৰিব লাগিব। তেতিয়া গোপীগনে এখন হাতেৰে নিজৰ যোনিদেশ ঢাকি আনখন হাতেৰে মূৰৰ ওপৰত ৰাখি বস্ত্ৰ বিচাৰিলে। এখন হস্তে দেবক প্ৰনাম জনালে আৰ তেওঁলোকৰ গুপ্তাঙ্গ উদি হ'ল। তেতিয়া কৃষ্ণই সন্তোষ্টি হৈ মনষ্কাম পূৰ্ন হ'বলৈ আশীৰ্বাদ দিলে। কৃষ্ণই কলে যে মায়া সম্পূৰ্ন ভাৱে দূৰ



হলেহে ভক্তি সাধন হয়। মায়া থকালৈকে অদ্বৈত জ্ঞান নহয়-

"মোতেসে একান্ত চিত যাৰ তাক
নকৰে কামে অনৰ্থ।
নিশ্চয় জানিবা যেন ভজা ধান
গাজিবে নাহি সামৰ্থ্য।।" ৯১৫।।

শৰত কাল আহিব আৰু বিতোপন ৰাতি তেওঁলোকক লৈ কৃষ্ণই ক্ৰীড় কৰিব বুলি কৈ বিদায় দিলে।

বস্ত্ৰহৰনৰ তাৎপৰ্য্য হৈছে শৰীৰৰ ওপৰত বস্ত্ৰ পিন্ধা হয়, লাজ নিবাৰনৰ বাবে। এই লাজ দেহৰহে, আত্মাৰ লাজ থাকিব নোৱাৰে। দেহজ্ঞানত থাকিলে অৱশ্যেই বস্ত্ৰৰ প্ৰয়োজন। দেহ-আত্মৰ সম্বন্ধ অঙ্গাঙ্গি। দেহ অনিশ্চৰ, দে হজ্ঞান বা মায়া শূন্য হোৱাৰ বাবে শিৱ, চাৰিসিদ্ধ, শুকমুনি, জড়ভৰতাদি নিবস্ত্ৰ। গোপীসকল কৃষ্ণৰ পৰম ভক্ত, তেওঁলোকে কৃষ্ণক স্বামীৰূপে পাবলৈ কাত্যায়নী ব্ৰত কৰিছিল, কিন্তু তেওঁলোকৰ দেহজ্ঞান বা মায়া দূৰ হোৱা নাছিল বাবে কৃষ্ণই মায়া দূৰ কৰিবলৈ বস্ত্ৰ হৰন কৰিছিল। যি পৰ্য্যন্ত দেহ-মনত কাম অৰ্থাৎ দেহজ প্ৰেম থাকিব, সেই পৰ্য্যন্ত ভগৱানক লাভ কৰা অসম্ভৱ হয়। তৎসত্বেও ক্ৰমেক্ৰমে মায়া দূৰ কৰি জীৱাত্মাৰ সান্নিধ্যলৈ নিয়াৰ ই এটা প্ৰয়াস আৰু শূৰৎ কালৰ ৰাতি বৃন্দাবনত অৰ্থাৎ আত্মাৰ লগত পৰমাত্মাৰ মিলন হোৱাৰ ইঙ্গিত কৃষ্ণই গোপীসকলক দিছে। বস্ত্ৰ হৰন কাম জয়ৰ প্ৰথম স্তৰ।

(চ) **পত্নী প্ৰসাদঃ**- কৃষ্ণ বলৰাম-গোপগনে বৃন্দাবন এৰি বিতোপন বনত গৰু চৰাইছিল আৰু অত্যন্ত ভূকাতুৰ হোৱাত ওচৰতে যজ্ঞ পাতি থকা যাজ্ঞিক ব্ৰাহ্মন সকলে কটাক্ষই নকৰিলে। বিতোপন বনত আনকি বৃক্ষয়ো আনৰ উপকাৰ সাধে। তেতিয়াহে জীৱন সম্ফন হয়, যেতিয়া পৰৰ উপকাৰৰ অৰ্থে কিবা কিছু কৰিব পৰা যায়।

কৃষ্ণই কলে-

"জীৱন সাফল দেহীৰ এহিমানে।
জীৱে পৰ উপকাৰ কৰি অৰ্থে প্ৰানে।।" ৯২৮।।

কিন্তু কৰ্ম্মজড় মহা অৱগৰ্বী বিপ্ৰগনে ৰামকৃষ্ণক ভোকতো এমুঠি অন্ন দিবলৈ যত্ন নকৰিলে। তেওঁলোকে দেবাৰ্থে যি যজ্ঞ কৰিছে সি অন্তঃসাৰশূন্য। কাৰন কৃষ্ণ বিতুষ্ট হলে কোনো দেবযজ্ঞই সফল নহয়।

"মন্ত্ৰ তন্ত্ৰ অগ্নি দ্ৰব্য যত দেবচয়।
কাল কৰ্ম্ম ধৰ্ম্ম দেশ কবে কৃষ্ণময়।।
কৃষ্ণ তুষ্ট ভৈলে সিজে যজ্ঞ কোটি শত।
নগনে কৃষ্ণক হেন কৰ্ম্মৰ গৰ্বৰ্ত।।" ৯৩৯।।

ব্ৰহ্মন সকলে অবমাননা কৰাত কৃষ্ণইব্ৰাহ্মন পত্নী সকলৰ ওচৰলৈ গোপগনক

পঠালে অন্ন পাবৰ বাবে; কাৰন বিপ্ৰপত্নী সকল কৃষ্ণৰ ভক্ত বুলি জানে। গোপগনে বিপ্ৰ পত্নী গনক অন্ন দিব খোজাত তেওঁলোকে মহানন্দ লাভ কৰি কৃষ্ণতে দেহমন উচৰ্গি , সুস্বাদু অন্ন লৈ কৃষ্ণৰ ওচৰলৈ ঢাপলি মেলিলে। স্বামী সকলে তেওঁলোকক আগভেটি ধৰিলে। তেওঁলোকে সকলো বাধা অতিক্ৰম কৰি অশোক বনত থকা জগতৰ স্বামী কৃষ্ণৰ ওচৰ পাই ভক্তি প্ৰেম জলত ডোব গ'ল।

"হৃদয় মধ্যত মাধবক ধৰিমনে।
আনন্দ সিন্ধুত নিমজিল নাৰীগনে।।" ৯৬১।।



কৃষ্ণই বিপ্ৰপত্নী গনক মধুৰ সম্ভাষন জনাই কুশল-মঙ্গল সুধিলে।

"প্ৰান পত্নী পুত্ৰ-তনু খন বুদ্ধি ধন।
সুহৃদ সোদৰ বন্ধু যত ভৃত্যগন।।
আত্মাৰ সম্পৰ্কে প্ৰিয় হোৱে নিৰন্তৰে।
হেন আত্মাৰ মই কোন আছে মোত পৰে।।"

বিপ্ৰপত্নী গনৰ একান্ত ভক্তিভাব দেখি কৃষ্ণই আশীৰ্বাদ দি পতি সকলৰ যজ্ঞত সহায় কৰিবলৈ পঠাই দিলে। কিন্তু বিপ্ৰপত্নী গনে তেওঁলোকৰ স্বামী সকলে কৰা কৰ্ম্মকাণ্ডত মুঠেই বিশ্বাস নাই বুলি কৃষ্ণত ভকতিহে শ্ৰেষ্ঠ বুলি কলে। কৃষ্ণই কলে যে যাৰ হৃদয়ত কৃষ্ণ-ভক্তি থাকে তেওঁ গৃহবাসত থাকিলেও অসুবিধা নহয়। বিপ্ৰ সকলে নাৰীগনৰ ভক্তি দেখি নিজৰ ভুলৰ বাবে অনুতপ্ত হ'ল। তেওঁলোকে কৰা ভুলৰ বাবে নিজকে ধিক্কাৰ দিলে।

"ব্ৰহ্মচৰ্য ব্ৰত ধৰি গুৰুক শুশ্ৰূষা কৰি
বেদ সব পঢ়িলো মিছাত।
যত কৰো কিছু নুই কৃষ্ণত বিমুখ হুই
চিন্তিলো আপুনি আত্মা ঘাট।।" ৯৮৭।।

বিপ্ৰ সকলে ভগৱন্ত কৃষ্ণৰ চৰনত সেৱা কৰি কাতৰে প্ৰাৰ্থনা জনালে আৰু কৰ্ম্মৰ গৰ্বৰ এৰি হৰিভক্ত হয়। ব্ৰত-তপ-তীৰ্থ-যজ্ঞ-দান-যোগ-যাগ-কুলাচাৰ, স্বধৰ্ম্ম, সন্ন্যাসত কৃষ্ণক পোৱা নাযায়, পোৱা যায়-ভক্তি ভাৱে কৰা শ্ৰৱন-কীৰ্ত্তনতহে। কলিত নাম বিনে গতি নাই-

"কলিত নামেসে কলিত নামোস
কলিত নামেসে গতি।
নাম এৰি আন গতি নাহি নাহি
নাহি জানা প্ৰতি প্ৰতি।।" ৯৯৫।।

**নন্দ হৰনঃ**- এদিন নন্দই একাদশী উপবাসকৰি পাছ দিনা দ্বাদশীৰ ৰাতি যমুনাতস্নান কৰিবলৈ যাওঁতে বৰুনৰ দূতে নন্দক ধৰি নি বৰুনৰ সভা পোৱালেগৈ। কৃষ্ণই নন্দক



উদ্ধাৰ কৰিবলৈ জলত বুৰ দি বৰুনৰ ৰাজ সভা পালেগৈ। বৰুনে সবান্ধবে কৃষ্ণৰ চৰনত পৰি নান ধৰনে অৰ্চনা কৰি স্তুতি কৰিলে আৰু নন্দ হৰনৰ দোষ মৰিষন কৰিবলৈ প্ৰাৰ্থনা জনাইনন্দক আনি দিলে। বৰুনক আশীৰ্ব্বাদ কৰি কৃষ্ণই নন্দক লৈ গৃহ প্ৰবেশ কৰিলে। বৰুনে গোকুল বাসীক কৃষ্ণৰ মহিমা কবলৈ ধৰিলে আৰু তাকে শুনি গোকুলৰ গো-গোপী সমস্ত তন্ময় হ'ল। কৃষ্ণই ভাবিলে- যে জীৱই সকাম কৰ্ম্ম কৰি নানা যোনিত জন্ম গ্ৰহন কৰে আৰু দেহস্থ আত্মাক জন্মান্তৰে চিনি নাপায়। আনন্দময় ব্ৰহ্মক দেহাৰ মায়াই ঢাকি থয়; গতিকে ঈশ্বৰে জীৱক আত্ম-জ্ঞান দিবৰ কাৰনে অহঙ্কাৰ আদি মায়া মৰ্দ্দন কৰে। তেতিয়া ব্ৰহ্মৰূপত কায় বিলুপ্ত হয়।

"শৰীৰক মই বুলি জীৱ সবে / সকাম কৰ্ম্ম আচৰে।
কৰ্ম্মগত নান দেহত ভ্ৰময় / আত্মাক নেদেখি মৰে।। ১১৯৩
দেহায়ে ঢাকিলে আনন্দ ৰূপক / জীৱ তাক নেদেখয়।
প্ৰথমে সবাৰো গুচাওঁ অহঙ্কাৰ / হৌক আত্ম পৰিচয়।। ১১৯৪

গোপ-গোপী-ব্ৰজবাসীৰ মায়া দূৰ কৰিবৰ কাৰনে কৃষ্ণই বেকুণ্ঠৰ স্বৰূপ দৰ্শন কৰোৱালে আৰু কৃষ্ণ যে স্বয়ং ভগৱান শ্ৰীহৰি তাক প্ৰতিপন্ন কৰিবলৈ বৈকুণ্ঠ দৰ্শন কৰোৱাইছিল।

(ছ) **গোবৰ্দ্ধন পূজাঃ নন্দহৰনঃ**-

ভগৱন্তই সকলোৰে দৰ্প-অহঙ্কাৰ চুৰ কৰে। ব্ৰহ্মাক মোহ নিওৱাৰ পাচত যাজ্ঞিক ব্ৰাহ্মন সকলৰ দৰ্প চূৰ্ন কৰে আৰু ইন্দ্ৰৰ দৰ্প চূৰ্ন কৰিবৰ কাৰনে কৃষ্ণই মানস্থ কৰিলে। নন্দই পৰম্পৰা গত ভাৱে ইন্দ্ৰ-যাগ বা মখ উৎসব পালন কৰি আহিছিল। কৃষ্ণই পিতাকক এই যাগ কৰাৰ পৰিবৰ্তে গোবৰ্দ্ধন পৰ্ব্বতকে পূজা কৰিবলৈ কলে। দেব যজ্ঞৰ ফল নো কি সেই বিষয়ে কৃষ্ণই সোধাত নন্দই কলে যে ত্ৰিলোকৰ ৰজা ইন্দ্ৰ মেঘপতিক পূজিলে বৰষুন হ'ব আৰু শস্য সৰহ কৈ উৎপাদন হ'ব। কৃষ্ণই কলে যে দেবপূজা কৰ্ম্মকাণ্ড, কৰ্ম্মকাণ্ডৰ দ্বাৰা জীৱৰ পূনৰ জন্ম আৰু প্ৰলয়হে হয়।

"কৰ্ম্মেসে উপজে জীৱ কৰ্ম্মেসে প্ৰলয়।
সুখ দুখ ভয় শোক কৰ্ম্মেসে মিলয়।।" ১০০৫।।

পৰ্ব্বত বনে পূজা দেখোন নকৰে তথাপি মেঘে বৰষুণ দিয়ে ইন্দ্ৰই বৰষুন দিয়া নিদিয়া কোনো কথা নাই বুলি কৃষ্ণই যুক্তি প্ৰদৰ্শন কৰিলে। কৰ্ম্ম ফলকেই দেবতা বুলি মনা হয়। "পৰ্ব্বততে আমি থাকো আৰু পৰ্ব্বতেই আমাৰ সৰ্ব্ব সিদ্ধিৰ কাৰক, গতিকে পৰ্ব্বতকে পূজা কৰা উচিত" বুলি কৃষ্ণই কয়। গৰু গাইক অন্নদান কৰো, ঘাঁহ দিও; চাণ্ডাল-পাতকী-কুকুৰকো খোৱত হক" বুলি কৃষ্ণই কয়। গতিকে কৃষ্ণৰ কথা মতে সকলোৱে মিলি মহাসমাৰোহেৰে গোবৰ্দ্ধন পৰ্ব্বতক পূজা দিলে।

ইন্দ্ৰই পূজা নাপাই ক্ৰোধত সম্বৰ্তক গনক গোকুল ছন্ন কৰিবলৈ আদেশ

দিলে। মেঘগলে কালান্তক মূৰ্ত্তি ধৰি গাজনি-ঢেৰেকনি-বতাহ সমন্বিতে হঠাতে গোকুল অন্ধকাৰ কৰি-শিলাবৃষ্টি কৰিবল ধৰিলে আৰু জলে ভূখণ্ড আবৰি ধৰিলে। গৰু-দামুৰী গৰখীয়া, প্ৰজাগনে হাহাকাৰ কৰি কৃষ্ণত শৰন ললে আৰু উদ্ধাৰ কৰিবলৈ প্ৰাৰ্থনা কৰিলে। কৃষ্ণই-

"একহাতে গিৰি গোৱৰ্দ্ধনক উভাৰি।।"

"উভতাই ছত্ৰ যেন তুলিলত হৰি।।" ১০৭০।।

গিৰিৰ তলত সকলোকে সোমাবলৈ কৃষ্ণই কোৱাত সকলোৱে গোৱৰ্দ্ধন পৰ্ব্বতৰ তলত আশ্ৰয় ললে। কৃষ্ণই নিজ ঐশ্বৰ্য্য সমূহ প্ৰকাশ কৰি সকলো প্ৰানীকে সংৰক্ষিত কৰি ৰাখিলে। এই দৰে সাতদিন সাতৰাতি অতিক্ৰম হ'ল। ইন্দ্ৰই মুষলধাৰে বৰষিয়ো একো কৰিব নোৱাৰি শ্ৰান্ত ক্লান্ত লৰ্জ্জিত হৈ পৰিল। ইন্দ্ৰই কলে-

"ভৈলো মই মিছাত বিৰোধী মাধবৰ।

লোম লাৰিবাকো নাপাৰিলা গোকুলৰ।।" ১০৯৩।।

ইন্দ্ৰই মহা লাজ পাই স্বস্থানে গমন কৰিলে, আকাশ নিৰ্ম্মল হ'ল আৰু কৃষ্ণই পুনৰ গোবৰ্দ্ধন পৰ্ব্বত স্থাপন কৰিলে। নন্দ আৰু গোপসবে কৃষ্ণৰ মহিমা কীৰ্তন কৰি আনন্দ মনেৰে থাকিল।

ইফালে ইন্দ্ৰই স্বৰ্গপুৰীত উপনীত হৈ মাধৱৰ বিৰোধ কৰি মহাচিন্তিত হ'ল। ইন্দ্ৰই কৃষ্ণৰ ওচৰলৈ আহি চৰন চুই সেৱা কৰিলে আৰু স্তুতি আৰম্ভ কৰিলে। আকাশীগঙ্গা জলেৰে কৃষ্ণৰ শিৰত ইন্দ্ৰই জল দিলে আৰু অভিযেক কৰিলে আৰু দেব ঋষি সকলোৱে জয়ধ্বনি কৰি কৃষ্ণৰ নাম গোবিন্দ দিলে।

ইন্দ্ৰই শ্ৰীমদৰ গৰ্ব্বত আনকি ত্ৰৈলোক্য নাথ কৃষ্ণকো গন্য কৰা নাছিল। সেয়ে ইন্দ্ৰৰ অহঙ্কাৰ দূৰ কৰিবলৈকে কৃষ্ণই গোবৰ্দ্ধন ধাৰন কৰিলে। দেব-দেবী পূজা কৰ্ম্ম কাণ্ডী সাধনা, তাৰ দ্বাৰা মোক্ষ লোভ নহয়। ইন্দ্ৰযাগৰ অসাৰতা কৃষ্ণই প্ৰতিপন্ন কৰিলে। পৰ্ব্বত পাহাৰ নদী আদি ভগৱানৰ সুন্দৰ সৃষ্টি আৰু এই বোৰকহে গুৰুত্ব দিব লাগে বুলি কৃষ্ণই প্ৰদৰ্শন কৰিলে। গোবৰ্দ্ধন শব্দৰ অৰ্থ (গো+বৰ্দ্ধন) = গো মানে বেদ, গোবৰ্দ্ধন মানে বেদব্ৰহ্ম অৱলম্বন, অৰ্থাৎ বেদৰ গুপ্ত বিত্ত পৰম ব্ৰহ্মৰ প্ৰভাৱ ও মাহাত্ম্য প্ৰকাশ। শ্ৰীমদত অন্ধ হৈ ভগৱন্তৰ অস্তিত্ব আৰু মাহাত্ম্য পাহৰি গ'লে ভগৱানে ভক্তৰ অহঙ্কাৰ দূৰ কৰি নিষ্কলুষ কৰে ।

(৬) **ৰাসলীলাঃ**- ৰাসলীলাৰ কাহিনীভাগৰ লগত জৰিত হৈ থকা উপকাহিনী কেইটি তলত যথাক্ৰমে চমুকৈ বৰ্ননা কৰা হৈছে-

(ক) ৰাসলীলা।

(খ) সুদৰ্শন বিদ্যাধৰৰ মুক্তি।

(গ) শঙ্খচূড় বধ অৰিষ্টাসুৰ বধ, কেশীবধ, ব্যোমাসুৰ বধ।



(ঙ) নাৰদৰ কৃষ্ণ-স্তুতি।

(ক) **ৰাসলীলা (ৰাসক্ৰীড়া)**ঃ- ভগৱান কৃষ্ণৰ সমগ্ৰ লীলাৰ ভিতৰত ৰাসলীলা অতি মাহাত্ম্য পূৰ্ন আৰু তত্বেৰে ভৰপূৰ। কৃষ্ণই পৰমাত্মা, আৰু গোপীকল্পই জীৱাত্মা। জীৱাত্মাৰ লগত পৰমাত্মাৰ পূৰ্ন মিলনকে ৰাসক্ৰীড়াৰ যোগে প্ৰকাশ কৰা হৈছে। জীৱত্মাৰ পাৰ্থিব চাহিদাৰ ভিতৰত সবাতোকৈ অধিক চাহিদা হ'ল-কাম প্ৰীড়াৰ সম্ভোগ আৰু তাৰ দ্বাৰা কামজয় কৰাই হৈছে এইবিধ লীলাৰ চুড়ান্ত লক্ষ্য। সেইবাবে ৰাসলীলাক কোৱা হৈছে-

"কাম জয় নামে ইটো কেশবৰ কেলি।।

মোক্ষ যেবে পাইবা পাপ কৰিয়া নিৰ্য্যান।।" ১২০৯।।

'কামজয়' আৰু 'পাপ নিৰ্য্যান' মোক্ষলাভৰ পৰমপথ। বস্ত্ৰ হৰনত আৰম্ভ হৈ কৃষ্ণৰ আৰু গোপীগনৰ এই মহামিলন পৰম আনন্দেৰে ভৰা। গোপী সকল কৃষ্ণৰ প্ৰতি অনুৰক্তা অৰ্থাৎ ভক্তা আৰু কৃষ্ণ ভকতক আনন্দ দিবৰ কাৰনে পৰম আগ্ৰহী। ৰমনানন্দ সকলো সকলো আনন্দৰ ঘনীভূতৰূপ আৰু নাৰী-পুৰুষৰ প্ৰেমানন্দৰ যি ঐকান্তিক ভাবোচ্ছ্বাস তাতেই ভক্তিৰ পূৰ্নতা প্ৰকাশমান।

ৰাসক্ৰীয়া হৈছিল বৃন্দাবনত। বৃন্দা মানে আনন্দ আৰু অবন মানে ৰক্ষনস্থান। হৃদয়ত থকা আত্মাৰ লগত পৰমানন্দৰ ৰমন হৈছিল-হৃদয়তেই। গতিকে হৃদয়েই বৃন্দাবন। ৰাসক্ৰীড়াৰ কাল-শৰৎকাল। শৰতঋতুত বৰ্ষা প্ৰকৃতি নিৰ্ম্মল আৰু পবিত্ৰ হয়, প্ৰকৃতিৰ লগত মনৰ অঙ্গাঅঙ্গি সম্বন্ধ। শৰত কালৰ চন্দ্ৰাৱলী ৰাতি পবিত্ৰ মনৰ পৰিচায়ক। 'চন্দ্ৰ' ই মন; পূৰ্ন বিকশিত চন্দ্ৰমাৰ বিমল আভাৰ দৰে মনৰ পবিত্ৰতা থাকিলেহে মন ভক্তিৰে পৰিপূৰ্ন হয়। যোগমায়াৰ আচ্ছাদনত হে ৰামক্ৰীড়া হোৱাৰ দৰে দেখাত মায়াৰ খেলা আৰু অন্তৰ্দৃষ্টিত অমায়াৰ মিলন সাধিত হয়। ভগৱান পুৰুষকল্প আৰু গোপীগন স্ত্ৰীকল্প। মহাপুৰুষে নিজমায়া সৃষ্টি কৰি প্ৰকৃতিৰ লগত যোগমায়া অৰ্থাৎ পুৰুষ + প্ৰকৃতিৰ সংযোগত খেলা কৰিছে।

"শৰত কালৰ ৰাত্ৰি অতিবিতোপন।

বহুবিধ পুষ্পে বিকশিত বৃন্দাবন।।

দেখি যোগমায়া বলে হৰিষে তহিত।

ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল চিত।।" ১২১০।।

গোপীকুল কামোন্মোক্ত হ'বৰ বাবে-পূৰ্ব্বদিশহন্তে উদিত চন্দ্ৰমা, কুকিলৰ পঞ্চমত ৰাগত গোৱা গীত, চন্দ্ৰমাৰ ৰঞ্জিত ৰশ্মিৰেখাত বিকশি উঠা বৃন্দাবনৰ মধুৰ পৰিবেশে ইন্ধন যোগায়। সমস্ত গৃহকৰ্ম্ম এৰি কৃষ্ণৰ বাংশীৰ নিনাদত মোহিত হৈ গোপীগলে ঢাপলি মেলিলে। পৰমাত্মাৰ আহ্বানত জীৱাত্মাই সকলো পাহৰি পৰমাত্মাৰ সান্নিধ্য বিচাৰি দৌৰি গ'ল। প্ৰেমভক্তিত আকুল হৈ গোপীকল্পই পৰমাত্মা কৃষ্ণ বৃক্ষত আশ্ৰয় ললেগৈ।

কৃষ্ণই জানিও নজনাৰ ভাওলৈ গোপীসকলক কিয় হাবাথুৰি খাই আহিলে, তাক সুধিলে-

- দুৰ্ঘোৰ ৰজনী, প্ৰেত পিশাচৰ, বাঘ-ঘোং-বৰাহক কিয় ভয় কৰা নাই ?

- পতি পুত্ৰই তেওঁলোকক বিচাৰিব; গতিকে ঘৰলৈ ঘূৰি যাব লাগে।

কিন্তু গোপীগলে ঘূৰি আহিবলৈ যোৱা নাই। ভক্তই ভগৱানক লগপোৱাৰ যি মাদকতা অন্য বোৰ তেনেই নগন্য কথা। সেই বাবে নিজ পিতৃ-মাতৃ-ভাতৃ-স্বমী-পুত্ৰ-সুহৃদ-সোদৰক এৰি কেৱল কৃষ্ণক পোৱাৰ বাসনাই, গোপী গনক আকুল কৰি তুলিছিল। গো-মানে বেদ আৰু পী অৰ্থে পান কৰা; অৰ্থাৎ বেদৰ গুপ্ত বিত্ত কৃষ্ণক লাভ কৰা বা কৃষ্ণৰ লগত এক হৈ যোৱাৰ যি প্ৰেমাভিনয়- সেয়ে ৰামলীলাৰ প্ৰেৰনা।

"কৃষ্ণৰ বিৰহ তাপে পাপ গৈল ক্ষয়।

আলিঙ্গনে ভৈল ভোগ যত পুন্যচয়।।" ১২২৮।।

কৃষ্ণই গোপীগনক সুধিলে যে তেওঁ কি প্ৰিয় কৰ্ম্ম কৰিব লাগে? গোপীয়ে কৃষ্ণৰ লগত প্ৰেম কৰাৰ ইঙ্গিত দিয়াত কৃষ্ণই গোপী সকলক কলে যে উপপতি ভজা অন্যায় হ'ব-

"উপপতি সমে ক্ৰীড়া কৰ্ম্ম গৰিহত।

পৰ্ব্বত সমান পাপ সৌকাৰ্য্য কিঞ্চিত।।" ১২৪৬।।

লৌকিক ভয়, সামাজিক ভয় আদি দেখুৱাই কৃষ্ণই গোপীগনক গৃহলৈ যাবলৈ কোৱা সত্বেও তেওঁলোক নগৈ কৃষ্ণৰ চৰনতে পৰি থাকিল।

গোপীৰ কাৰুন্য বাক্য আৰু প্ৰগাঢ় ভক্তি দেখি কৃষ্ণই ভকতৰ মনোবাঞ্চা পূৰনৰ বাবে কৃষ্ণই গোপীৰ লগত কামকেলি আৰম্ভ কৰিলে। গোপীগনে কৃষ্ণক মাজতলৈ কৃষ্ণ-গুন-গান কৰি নৃত্যৰ কৰিবলৈ ধৰিলে। ভকতৰ পদে মনুষ্য চেষ্টা দেখাই গোপীক কৃষ্ণই নানা ভাৱে ক্ৰীড়ি ৰতি সুখ দিলে। স্ত্ৰীৰ দুৰ্জ্জন ভাব থকাৰ বাবেই কৃষ্ণই প্ৰমান পাই অভিমানী হৈ উঠাত কৃষ্ণই দেওঁলোকৰ অহঙ্কাৰ দূৰ কৰিবলৈ অন্তৰ্দ্ধান হ'ল। গোপীগলে কৃষ্ণক বিচাৰি বিচাৰি পৰম আকুলিত হৈ পৰিল। তেওঁলোকৰ মনৰ অহঙ্কাৰ দূৰ হোৱাত কৃষ্ণ চিন্তাত তন্ময় হ'ল আৰু কৃষ্ণলীলা মালাৰ অভিনয় কৰিলে। গোপীগনে কৃষ্ণক স্তুতি কৰি কৃষ্ণ গীত গাবলৈ ধৰিলে। গোপীৰ সপ্ৰেম ভকতিত তুষ্ট হৈ তেওঁ পৰম মোহনীয় মূৰ্ত্তি ধৰি গোপীক দেখা দিলে।

গোপীগলে কৃষ্ণক পাই জীৱন ঘূৰাই পোৱা যেন হ'ল আৰু কৃষ্ণয়ো নানা তত্ব জ্ঞান দি গোপীৰ লগত পুনৰ ৰাসক্ৰীড়া কৰিবলৈ ধৰিলে। প্ৰতি জনী গোপীৰ লগত এজন এজন কৃষ্ণ হৈ তেওঁ নান ধৰনে কেলি কৰিবলৈ ধৰিলে।

"নপাৰিলে গোপীগনে মুহিবে কৃষ্ণক।

ছায়ায়ে সহিতে যেন উমলে বালক।।" ১৪৯৭।।



তাৰ পাচত কৃষ্ণই গোপীগন সমে জলক্ৰীড়া কৰিলে। জলৰ পৰা উঠি বৃন্দাবনত ক্ৰীড়া কৰিলে।

কৃষ্ণৰ এনে অদ্ভূত কৰ্ম্মৰ তাৎপৰ্য্য কি তাক পৰীক্ষিতে শুকক সুধিলে। শুকে কলে- ব্ৰহ্মাই নিজৰ দুহিতাক কামত উন্মত্ত হৈ ৰমন কৰিলে, চন্দ্ৰই গুৰুভাৰ্য্য তাৰাক ৰমিলে,- তেজস্বীত এই কাৰ্য্যৰ দোষ নঘটে। শিৱই হলাহলপান কৰিছিল, তাকে দেখি আনে পান কৰিলে মৃত্যু অনিবাৰ্য্য। ব্ৰহ্মময়, মহাজ্ঞানী, সনাতন কৃষ্ণ, পৰম পুৰুষ, জগতৰ ঈশ্বৰ, নাৰায়নক দোষে গুনে স্পৰ্শ নকৰে। গীতাত কৃষ্ণই কৈছে-"ইদং যোনিমমহদ ব্ৰহ্ম তস্মিন গৰ্ভংদধাম্যহম" বুলি অৰ্থাৎ পৰম ঈশ্বৰে নিজে যোনি হৈ তাতে ৰমন কৰে; তেৱে প্ৰকৃতিক বা মায়াক সৃষ্টি কৰি নিজে মায়িক হৈ পৰে। শৃঙ্গাৰ ৰসত মতি থকা সকলে কৃষ্ণৰ ৰতি ক্ৰীড়ৰ মনোনিবেশ কৰি কাম জয়, কৰিব পাৰিব। কাম জয় নামে ইটো কেশৱৰ কেলি। আচলতে কৃষ্ণমায়াই গোপীক মোহিলে; গোপগনে গোপীগনক গৃহতে থৈ আছিল; যশোদায়ো পুত্ৰক শৰ্য্যাতে লৈ আছিল। গোপীগনৰ আত্মাবোৰহে কৃষ্ণই হৰন কৰি নিছিল। গোপীগনক ঈষৎ অক্ষত যোনি, আৰু কৃষ্ণৰৰ বিন্দুপাত হোৱা নাই বাবে ই অনঙ্গ কেলিহে।

(খ) **সুদৰ্শন বিদ্যাধৰৰ মুক্তিঃ**- নন্দই গোপ আৰু কৃষ্ণসহ অম্বিকা দেবীৰ মন্দিৰত প্ৰবেশ কৰি দেবী আৰু শিৱক পূজা কৰি সৰস্বতী নদীৰ পাৰত ৰাতিটোৰ বাবে ব্ৰত ধৰি থাকিল। ৰাতি এটা অজগৰে নন্দক গিলিবলৈ লোৱাত কৃষ্ণই তাৰ দেহত ভৰি দিয়াৰ লগে লগে সৰ্পগুচি বিদ্যাধৰ ৰূপে দেখা দিলে। এওঁ বিদ্যাধৰকৰ পতি আছিল আৰু সৌন্দৰ্য্য আৰু শ্ৰীমদত অন্ধ হৈ এদিন অঙ্গিৰা মুনিৰ কুৎচিৎ চেহেৰা দেখি হাস্যকৰাত মুনিয়ে অজগৰ হবলৈ শাপদিয়ে আৰু কৃষ্ণৰ পদস্পৰ্শত মুক্তি পাব বুলি কৈছিল। সেইবাবে সি কৃষ্ণক স্তুতি কৰি স্বৰ্গলৈ গতি কৰিলে।

শ্ৰীমদ আৰু অহঙ্কাৰ আৰু সৌন্দৰ্য্যৰ অধিকাৰী হৈ লোকে নিজক পাহৰি যায়। এইবোৰ ভগৱন্তৰ হে সম্পদ; ইয়াক লাভ কৰি অহঙ্কাৰী হলে ধ্বংস নিশ্চিত। অসুন্দৰ সকল ভগৱানৰে সৃষ্ট বা ভগৱন্তৰ ৰূপক মাত্ৰ। তেনে লোকক দেখি ভেঙুচালি কৰিলে অভিশপ্ত হ'ব লগা হয়। ভগৱন্তৰ পদ পদ্মই পাপীৰ পাপ মোচন কৰে।

(গ) **শঙ্খচূড়, অৰিষ্টাসুৰ, কেশী আৰু ব্যোমুসুৰ বধঃ-**

শঙ্খচূড় বধ- শৰতৰ ৰাতি কৃষ্ণ বলৰামে বৃন্দাবনত গোপী গনৰ লগত নানা ক্ৰীড়া কৰি থাকোতে কুবেৰৰ অনুচৰ শঙ্খচূড় নামে যক্ষই গোপীৰ মাজত প্ৰবেশ কৰি গৰ্জ্জন কৰিলে আৰু এজনী গোপীক লৈ পলাই গ'ল। ৰাম কৃষ্ণই শালবৃক্ষ লৈ খেদি গ'ল আৰু শঙ্খচূড়ে গোপীক এৰি পলাবলৈ ধৰোতেই কৃষ্ণই গৈ মুষ্ঠিৰ প্ৰহাৰ কৰি তাক বধ কৰে।

**অৰিষ্টাসুৰ বধ**- শঙ্খচূড়ক বধ কৰা দেখি বৃষৰূপী আৰিষ্টাসুৰে ভয়ঙ্কৰ শব্দ

কৰি আক্ৰমন কৰাত গোপ আৰু লগৰীয়া সকলে কৃষ্ণত শৰন ললে আৰু তেওঁ তাৰ দুই শিংহাতেৰে সাবটি লৈ মোচৰি মোচৰি অসুৰক বধ কিৰিলে।

**কেশী বধ**- নাৰদে কংসৰ সভাত প্ৰবেশ কৰি কৃষ্ণ আৰু বলোৰামক নন্দৰ ঘৰত বসুদেৱে লুকুৱাই থৈছে আৰু গকুল বৃন্দাবনত দুয়ো লীলা কৰি আছে বুলি কলে আৰু কংসই পঠোৱা সকলো দৈত্যক তেওঁলোকে বধ কৰিছে বুলি কলে। কংসই নাৰদৰ মুখে সাবশেষ শুনি বসুদেৱক কাটিবলৈ উদ্যত হ'ল। নাৰদে কলে যে বসুদেৱক কাটিলৈ ৰাম কৃষ্ণ ভয়তে লগ নিদিব, গতিকে সদ্যহতে বসুদেৱক হত্যা নকৰি ৰাম-কৃষ্ণক মাতি আনি প্ৰতিদশোধ লোৱা উচিত হ'ব বুলি কয়। কংসই এই কথা বিশ্বাস কৰি বসুদেৱ দৈবকীক কাৰাগাৰত বন্দী কৰি ৰাখি কেশীক আদেশ কৰিলে যে তেওঁ ৰাম-কৃষ্ণক বধ কৰিব লাগে। কেশীযে ঘোঁৰাৰূপী হৈ ৰাম-কৃষ্ণক আক্ৰমন কৰিলে। কৃষ্ণই হাতেৰে তাৰ দুই ভৰি এককৰি উপৰলৈ তুলি কেইপাক মান ঘূৰাই মাটিত আচাৰি পেলালে আৰু কেশীয়ে প্ৰান এৰিলে।

নাৰদৰ পৰামৰ্শ মতে কংসই ধনুৰ্যাগ যজ্ঞ অনুষ্ঠিত কৰি ৰাম-কৃষ্ণক মথুৰালৈ নিবৰ কাৰনে অক্ৰূৰক পাচিলে।

**ব্যোমাসুৰ বধঃ**- ময়দানবৰ পুত্ৰ ব্যোমাসুৰে চোৰৰ দৰে গোৱালৰ ৰূপ লৈ গোৱালৰ লগত মিহলি হয় আৰু ভেড়া হৈ গোৱালক হৰি নি গহুৰত ৰাখিলে। কৃষ্ণই এই কথা জানি তাক চুলিত ধৰি চৰ মৰাত সি নিজৰূপ ধাৰন কৰি কৃষ্ণক আক্ৰমন কৰাত কৃষ্ণই ব্যোমাসুৰক বধ কৰে।

নাৰদে কংসক দিয়া পৰামৰ্শই কংস বধৰ দিন চমুৱাই আনিলে। কংসৰহে কথাকলেও নাৰদে প্ৰকৃত পক্ষে ভগৱান্তৰ পৰিকল্পনাক বাস্তবায়িত কৰিবৰ কাৰনেহে কংসক প্ৰলোভিত কৰিলে। এইয়া নাৰদৰ কুমন্ত্ৰনাহে।

(ঘ) **নাৰদৰ কৃষ্ণস্তুতিঃ**-

কংসক কুমন্ত্ৰনা দি নাৰদ আহি কৃষ্ণৰ কাষ পালেহি। কৃষ্ণক দেখা কৰাৰ আগতে নাৰদে নৰ্জ্জুন স্থানত কৃষ্ণ-স্তুতি কৰিলে আৰু কংস বধৰ পূৰ্ব্বাভাস ব্যক্ত কৰিলে। কৃষ্ণই ভবিষ্যতে কি কৰ্ম্মলীলা কৰিব তাৰো পূৰ্ব্বাভাস দাঙি ধৰিলে। ইয়াৰ পাচক কৃষ্ণক নানা ভক্তি ভাৱে স্তুতি কৰি নাৰদ স্বস্থানে গতি কৰিলে।

(৭) **ৰাম কৃষ্ণৰ মধুপুৰ যাত্ৰা আৰু কংস বধঃ**-

কংসৰ আজ্ঞানুসৰি অক্ৰূৰে কৃষ্ণক দৰ্শন হোৱাৰ পৰম আশাৰে ব্ৰজলৈ যাত্ৰা কৰিলে আৰু সন্ধ্যা সময়ত গোপপুৰ পালেগৈ। ৰাম-কৃষ্ণৰ দৰ্শন পাই অক্ৰূয়ে দুয়োৰে চৰনত দীঘলদি পৰিল। অক্ৰূৰক দাঙি ধৰিলে আৰু খুড় বুলি সাদৰে নি সুবৰ্ন সিংহাসনত বহোৱালে। কুশল-মঙ্গল সুধি দুয়োজনে অক্ৰূৰৰ ভৰি ধুৱালে। ৰামকৃষ্ণৰ অক্ৰূৰৰ লগত কথোপ কথন হ'ল আৰু কংসই কোৱামতে সকলো কথা অক্ৰূৰে ব্যক্ত কৰিলে।





পিতৃৰ ওচৰত ৰাম-কৃষ্ণই সকলো কথা কলে আৰু মহাসমাৰোহেৰে যাত্ৰা কৰিবলৈ নন্দই গোপগনক সাজু হবলৈ কলে। গোপীগনে ৰাম-কৃষ্ণৰ মধুপুৰ যাত্ৰাত বিৰহ বিধুৰা হৈ পৰিল। কৃষ্ণ বলোৰাম, নন্দ আদি গোপগন ৰথত উঠি অক্ৰূৰৰ লগত যাত্ৰা কৰিলে বাটত যমুনা নদী পাই ৰামকৃষ্ণক ৰথত থৈ অক্ৰূৰে জলত স্নান কৰিবলৈ নামি মন্ত্ৰজপ কৰিলে। জলৰ মাজতে অক্ৰূৰে ৰাম-কৃষ্ণক দেখা পালে। জলৰ পৰা উঠি গৈ ৰথত দুয়োকে দেখা পাই পুনৰ জললৈ গৈ কৃষ্ণক ব্ৰহ্মাৰূপ দেখিবলৈ পালে। সহস্ৰফনাৰে অনন্তৰ কোলাত কৃষ্ণই চতুৰ্ভজ ৰূপে বিৰাজ কৰি আছে। অক্ৰূৰে কৃষ্ণৰ চৰনত পৰি স্তুতি আৰম্ভ কৰিলে। তাৰ পাছত জলৰ পৰা উঠি ৰথত উঠিল আৰু দ্ৰুতবেগে ৰথ চলাই মথুৰাৰ সমীপ পালেগৈ।

ৰাম-কৃষ্ণই নগৰৰ বাহিৰতে থাকিবলৈ বিচৰাত অক্ৰূৰে তেওঁৰ গৃহলৈ আমন্ত্ৰন কৰাত তেওঁলোকে কংসক বধ কৰিহে যাব বুলি কলে। তেতিয়া অক্ৰূৰে কংসৰ ওচৰ পাই সকলো জনাই নিজ গৃহলৈ গ'ল। কৃষ্ণ-বলৰামে গোপিগনৰ সৈতে নগৰত প্ৰবেশ কৰিলে। ৰাম-কৃষ্ণক চাবৰ কাৰনে লগৰীয়া লোকে উখল-মাখল লগালে। গৃহৰ-ওপ ৰত উঠি নাৰীগলে ৰাম-কৃষ্ণৰ মধুৰ মুৰুতি চাই পৰম শান্তি লাভ কৰিলে।

"নয়নৰ পথে আনন্দ মূৰ্ত্তিক হৃদয়ে কৰিল ধ্যান।।" ১৮৮৩।।

"পৰম প্ৰেমত মনে আলিঙ্গিল আনন্দে দ্ৰবিল চিত।। ১৮৮৪।।

এইদৰে ৰাজ পথেদি গৈ থাকোতে ৰজাৰ কাপোৰ লৈ যোৱা ৰজকক দেখি কৃষ্ণই বস্ত্ৰ খোজাত ৰজকে নানা তিৰস্কাৰ কৰাত কৃষ্ণই চৰমাৰি তাৰ মূৰ চিঙি পেলালে আৰু বস্ত্ৰসমূহ গোৱালক বিলাই দিলে। ৰজকে কৃষ্ণৰ হাতত মৰি সাৰুপ্য মুক্তি লাভ কৰিলে।

তাৰ পাচত তেওঁলোক গৈ পৰম ভক্ত সুদামা মালাকাৰ গৃহত প্ৰৱেশ কৰিলে আৰু সুদামাই ভূমিত পৰি সেৱা জনালে, ভৰি ধোৱালে, পাদ্য-অৰ্ঘ্য লৈ পূজা কৰি পাদোদক শিৰত ললে। দুই ভাইক মালাকাৰে অঙ্গ মুণ্ডমালা পিন্ধালে। কৃষ্ণই মালাকাৰক বৰদান কৰি অগ্ৰসৰ হ'ল।

ৰাজ পথত বৈ থকা যুৱতী কুবুজাই ৰজাৰ কাৰনে নিয়া অঙ্গৰাগ ৰাম-কৃষ্ণকে দান কৰিলে। তাই নিজ হাতে দুই ভাইক চন্দনৰ অনুলেপন লগাই দিলে। কৃষ্ণই চৰনৰ আগে তাইৰ দুই ভৰি জান্তি পোন কৰি দিলে, কুবুজাৰ কুঁজ নাইকিয়া হ'ল। তাই কৃষ্ণক গৃহলৈ আমন্ত্ৰন জনালে যদিও কৃষ্ণই পাচত যামবুলি তাইক বিজায় দিলে।

কৃষ্ণ-বলৰামে গোপগন সমে গৈ ধনুৰ্যাগ শালাত প্ৰবেশ কৰিলে। বজ্ৰসম কংসৰ ধনুখন সৈন্যগনে ৰক্ষাকৰি আছিল। কৃষ্ণই কটিত পীতবস্ত্ৰ টানকৈ বান্ধি ধনুখন দাঙিবলৈ যোৱাত সৈন্যগনে বাধা দিলে কিন্তু তেওঁ বাধানামানি বাওঁ হাতেৰে অপ্ৰয়াসে ধনু দাঙি ললে, ধনুত গুণ লগালে, আৰু টঙ্কাৰ কৰি দুছোৱা কৰি ভাঙি পেলালে।

ধনুভঙ্গৰ প্ৰকাণ্ড শব্দ কংসয়ো শুনিলে। সৈন্যগনে চাৰিওফালৰ পৰা তেওঁক আক্ৰমন কৰিলে আৰু দুয়োভায়ে সকলোকে দুয়োভায়ে সকলোকে বধ কৰিতেজৰ নদী বোৱালে। ইতিমধ্যে গধূলি নগৰৰ বাহিৰতে ৰাতিটো কটালে।

কংসই ধনুভঙ্গৰ বাতৰি পাই টোপনি নহা হ'ল। তেওঁৰ মনৰ স্থিৰতা নোহোৱা হ'ল, নানা অমঙ্গল দেখিবলৈ পালে। কংসই তৈয়াৰ কৰোৱা ৰঙ্গশালাত প্ৰজা, পুৰবাসী, নৃপতিগনে আসন গ্ৰহন কৰিলে। বাদ্য বজাৰ লগে লগে চানুৰ মুষ্টিক, কুট, সল্ল, তোসল্ল-আদি মাল সকলে ৰঙ্গশালাত স্থান ললেহি। বসুদেৱ-দৈবকীকো শৃঙ্খললগাই ৰঙ্গশালালৈ অনালে। কংসই মন্ত্ৰীগনৰ সহিতে আসনত বহিল। কুবলয় পীড়ে ৰঙ্গশালাৰ বাটতে ৰৈ আছিল। ৰাম-কৃষ্ণই ইতিমধ্যে গোপগনক লৈ ৰঙ্গশালাত প্ৰবেশ কৰিবলৈ আহোঁতে অম্বষ্ঠই হস্তীৰে আক্ৰমন কৰাত কৃষ্ণই তাৰ দাঁত উঘালি অম্বষ্ঠ সহিতে বধ কৰিলে। কৃষ্ণৰ আশ্চৰ্য্য মহিমা। দেখি সকলোৱে বিস্ময় মানিলে। ৰাম-কৃষ্ণই হস্তীৰ দণ্ডলৈ ৰঙ্গমনে ৰঙ্গশালাত প্ৰবেশ কৰিলে। দহপ্ৰকাৰে কৃষ্ণক সভাস্থলোকে দেখিলে।

(ক) মালে কৃষ্ণক বজ্ৰসম তনু বুলি ভাবিলে।

(খ) অন্য জলে বোলে- নৰতে উত্তম- বুলি কলে।

(গ) নাৰীগলে- মুৰ্তিমন্ত কাম বুলি ভাবিলে।

(ঘ) গোপগনে- আমাৰ বন্ধুবুলি ললে।

(ঙ) ৰাজাগনে বোলে শাস্তাঅদভূত বুলি।

(চ) বসুদেৱ দৈবকীয়ে মোৰ পুত্ৰ বুলি।

(ছ) কংসই মৃত্যু বনমালী বুলি ধৰি ললে।

(জ) অজ্ঞানী গলে অতিকে সৰু বালক বুলি।

(ঝ) যোগীগনে এৱেঁই ব্ৰহ্মতত্ব বুলি।

(ঞ) বৃষ্ণি বংশে বোলে- কুলৰ দৈবত- আমাৰ প্ৰভূ পৰম ঈশ্বৰ বুলি সৰ্ব্বাঙ্গ সুন্দৰ সুকুমাৰ ৰূপ দেখি সভাত থকা সমস্তলোক আত্ম-বিমোহিত হ'ল। পৰম মধুৰ মূৰ্ত্তি দেখি সকলোৱে আনন্দ সাগৰত ডোব গ'ল আৰু কৃষ্ণই কৰা সকলো কৰ্ম্ম তেওঁলোকৰ মনত ভাঁহি উঠিল। ৰঙ্গ শালাত বাদ্য বাজি উঠিল। মহামাল চানুৰে কৃষ্ণৰ লগত আৰু মুষ্ঠিকে বলৰামৰ লগত মল্ল যুদ্ধ কৰিবলৈ আগবাঢ়ি আহিল আৰু কৃষ্ণ-ৰামে মল্লযুদ্ধত প্ৰবৃত হ'ল। এই মল্মযুদ্ধ ন্যায়সঙ্গত হোৱা নাই বুলি সভাত আলোচনা হ'ল।

নাৰীগনে এই যুদ্ধ অধৰ্ম্ম যুদ্ধ বুলি কলে- কাৰন- বলী অবলীৰ মাজত যুদ্ধ হৈছে, দুটি বালকক প্ৰকাণ্ড মালে আক্ৰমন কৰিছে ই ৰজাৰ পৰম অন্যায়। মানিক পুতলী প্ৰান মাধবক যুদ্ধৰ সময়ত দেখি সকলো নাৰী অধৈৰ্য্য হৈ পৰিছে। বসুদেৱ দৈবকীয়ে এই দৃশ্য দেখি মৰ্ম্মহত হ'ল। কৃষ্ণই লীলা কৰি চানুৰক আৰু বলৰামে মুষ্ঠিকক





বধ কৰিলে। কংসই চানুৰ মুষ্ঠিকৰ মৃত্যু দেখি ভয়ত কঁপি উঠিল তাৰ পাচত কুটক বলৰামে আৰু শল্ল-তোশল্লক কৃষ্ণই বধ কৰে আৰু গোপগনক লৈ ৰাম-কৃষ্ণই নৃত্য কৰিলে, সকলোৱে ৰাম-কৃষ্ণক ধন্যবাদ দিলে।

কংসই বাদ্যকাৰ সকলক বাদ্য বজাবলৈ বন্ধ কৰিবলৈ কলে আৰু সেনাগনক কলে ৰাম-কৃষ্ণক খেদাই পঠাবলৈ, নন্দক লোহাৰ লগাই বান্ধি থবলৈ, বসুদেৱক কাটিবলৈ, পিতৃ উগ্ৰসেনক মাৰিবলৈ আদেশ দিলে। এই দাৰুন আদেশ শুনি কৃষ্ণই লঘিমা গুনক আশ্ৰয় কৰি কংসৰ ওখ মঞ্চত উঠি হাঁহিবলৈ ধৰিলে, কংসই খাণ্ডালৈ কৃষ্ণক আক্ৰমন কৰিলে। কৃষ্ণই লীলাকৰি কংসক আল গতে ধৰি পেলালে আৰু ওখ মঞ্চৰ পৰা চুলিত ধৰি টানি আনিলে পৃথিৱীৰ ভাৰ তাৰ ওপৰত দি বধ কৰিলে। লগে লগে কৃষ্ণ ধ্বনি আকাশ বতাহ কঁপি উঠিল, আকাশত দুন্দুভি বাজিল, কৃষ্ণৰ শিৰত পুষ্পবৃষ্টি হ'ল আৰু মহামহেৎসৱ মিলিল। কংসই মৰি কৃষ্ণৰ ৰূপলাভ কৰিলে আৰু বিমানত উঠি বৈকুণ্ঠ লৈ গমন কৰিলে। কংসৰ ভাতৃ সকলকো বলৰামে বধ কৰি দিহা লগালে। কংসৰ পত্নীসবে কান্দি কান্দি কলে-

"মহন্তৰ দ্ৰোহ কৰি হৰুৱাইলা প্ৰান।
হিংসাবাৰ নাহি জানা কহিতো কল্যান।।" ২১১৭।।

কৃষ্ণই সকলোকে প্ৰবোধ দি কংসৰ প্ৰেতকাৰ্য্য সমাধা কৰিলে। পিতৃ-মাতৃৰ বন্ধন মোচন কৰি পিতৃ-মাতৃক স্তুতি কৰিলে আৰু পিতৃ-মাতৃয়েও কৃষ্ণ-বলৰামক পৰম ঈশ্বৰ বুলি জানি প্ৰনাম জনাই মৰম কৰিলে। কৃষ্ণই উগ্ৰসেনক ৰাজ আসনত অভিষিক্ত কৰি নিজে প্ৰজা হৈ থাকিল। তাৰ পাছত নন্দাদি গোপগনক আশ্বাস কৰি পুষ্যপিতৃ হিচাবে কৃকজ্ঞতা জ্ঞাপন কৰি পুষ্যা মাতৃ যশোদাক বুজাবলৈ কৈ বিদায় দিলে।

(৮) **গুৰু গৃহত ৰাম-কৃষ্ণৰ শিক্ষালাভঃ-**

বসুদেৱে গৰ্গপুৰুহিতক মাতি আনি যজ্ঞ সূত্ৰ দান কৰি জাতকৰ্ম্ম সমাধা কৰোৱালে আৰু সান্দীপলি গুৰু-গৃহত শিক্ষালাভৰ কাৰনে ৰাখিলে। গুৰুৱে বেদ-চোষষ্ঠি কলা, ধনুৰ্বেব্দ, ধৰ্ম্ম-ন্যায়, তৰ্ক-বিদ্যা-ৰাজনীতি আদিৰ শিক্ষা দান কৰিলে। মানবীয় চেষ্টা দেখুৱাই দুয়ো পৰম পুৰুষে শিক্ষা গ্ৰহন কৰি পাৰ্গত হৈ উঠিল। শিক্ষা শেষ হোৱাত গুৰুৱে গুৰু দক্ষিনা হিচাবে তেওঁৰ মৃত পুত্ৰক আনি দিবলৈ কলে। গুৰুক প্ৰনাম দনাই দুই ভাই ৰথত উঠি গৈ সাগৰৰ পাৰ পাই সাগৰক পুত্ৰটি খোজাত সাগৰে কলে যে পাঞ্চজন্য নামে অসুৰেহে তাক হৰি নিছিল বুলি কলে। নাৰাযনে সাগৰত বিচাৰি পাঞ্চজন্যক পাই বধ কৰিলে আৰু তাৰ গৰ্ভত লৰাটি নাপালে আৰু পাঞ্চজন্য মৰি শঙ্খ ৰূপ লোৱাত তাকে কৃষ্ণই লৈ আহিল আৰু বলৰাম সহিতে যমপুৰী পালেগৈ। পাঞ্চজন্য বজোৱাৰ লগে লগে শঙ্খৰ শব্দশুনি যমে পাদ্য-অৰ্ঘ্য লৈ দুয়োৰে চৰন ধুৱাই পাদোদক শিৰত ললে আৰু স্তুতি কৰিলে। কৃষ্ণই গুৰু পুত্ৰক বিচৰাত যমে আনি দিলে আৰু

গুৰুক আনি সেই পুত্ৰ দিয়াত গুৰুৱে আৰ্শীবাদ কৰিলে।

(৯) **ৰাম-কৃষ্ণৰ মথুৰালৈ গমন আৰু গোপী উদ্ধৱ সংবাদঃ-**

শিক্ষা সাংকৰি দুয়ো ভাই মথুৰালৈ ঘূৰি আহিল। কৃষ্ণই গোকুল এৰি অহা দিন ধৰি গোপীগনে বিৰহাকুল হৈ আছে বুলি জানি কৃষ্ণই গোপীগনক আশ্বস্ত কৰিবলৈ উদ্ধৱক ব্ৰজলৈ পঠালে। বৃহস্পতি শিষ্য আৰু মথুৰাৰ মন্ত্ৰী উদ্ধৱক সবিশেষ বাৰ্ত্তা জনাবৰ বাবে উপযুক্ত বিবেচনা কৰিছিল কৃষ্ণই। উদ্ধৱ গৈ নন্দৰ গৃহ পালেগৈ আৰু নন্দই উদ্ধৱক আপ্যায়ন কৰিলে আৰু ৰাম-কৃষ্ণৰ কথা সুধিলে। উদ্ধৱে নন্দ-যশোদা আদিক কৃষ্ণ-ৰামৰ সবিশেষ জনাই সান্ত্বনা প্ৰদান কৰিলে। নন্দ-যশোদাই কৃষ্ণ গুন-বনাই কৃষ্ণতে তন্ময় হয়। উদ্ধৱে নন্দ যশোদাক তাত্বিক উপদেশ দি বিৰহ-ব্যথা দূৰ কৰিবলৈ -যত্ন কৰিলে।

যি ঈশ্বৰক ধ্যানতো পোৱা নাযায়,তেনে ঈশ্বৰক পুত্ৰৰূপে পাই দুয়ো কৃষ্ণ প্ৰান হোৱাত সংসাৰ তৰি গ'ল। তেওঁ দৈৱকীৰ গৰ্ভত আবিৰ্ভাৱ হৈ নৰৰূপ ধাৰন কৰি তেওঁৰ জন্ম-কৰ্ম্ম কৰিব লগা আছে, তেওঁ জগতৰ আত্মা, পৰমপূৰুষ, তেওঁ যি বিলাক কৰ্ম্ম কৰি গৈছে সেইবোৰ নন্দ-যশোদাই দেখিছেই, গতিকে তেওঁ আৰু বিভিন্ন স্থানত বিভিন্ন কৰ্ম্ম সম্পাদন কৰিব লগা আছে, তেওঁক পুত্ৰৰূপে নন্দ-যশোদাই ঘৰতে ৰাখিলে নহ'ব। তেওঁ পিতৃ-মাতৃক সোঁৱৰন কৰি আছে আৰু সোনকালে ব্ৰজলৈ আহিব বুলি কলে।

নন্দ-যশোদাই কৃষ্ণক পাৰ্থিব পুত্ৰৰূপে লৈ দূৰৈত থকা বিৰহ-বেদনা অনুভৱ কৰা উচিত হোৱা নাই বুলি উদ্ধৱে কৈছে। তেওঁ কৈছে-সমস্তৰে হৃদয়ত কৃষ্ণ আছেই, ভকতি নবলে তেওঁৰ অস্তিত্ব উপলব্ধি নহয়-

"সমস্তৰে হৃদিত আছন্ত কৃষ্ণে ৰৈই।
হেনবা বুলিবা কিয় সবে নেদেখয়।।" ২৩০৩।।
সমস্তে কাষ্ঠতে বহ্নি আছন্ত বিয়পি।
ঘৰিষন বিনে তাঙ্ক নেদেখি তথাপি।।
সেহিমতে কৃষ্ণ আছা সবাৰে হৃদিত।
ভকতি নভৈলে নোন্ত কাহাতো বিদিত।। ২৩০৪।।
হেন জানি কৰা নিতে শ্ৰবন কীৰ্ত্তন।
হৃদি মধ্যে দেখা সেই পঙ্কজ লোচন।।" ২৩০৫।।

কৃষ্ণৰ বাবে কোনো অধম, উত্তম, প্ৰিয়, অপ্ৰিয়, পিতা-মাতা, ভাৰ্য্যা-পুত্ৰ, শত্ৰ-মিত্ৰ, আসীন-উদাসীন, জন্ম-মৃত্যু, কৰ্ম্ম-কৰ্ম্মহীনৰ ভেদাভেদ নাই।

"উত্তম অধম প্ৰিয় অপ্ৰিয় সমান।।" ২৩০৬।।
"নাহি পিতা মাতা কৃষ্ণ জন্ম-কৰ্ম্মহীন।
নাহি ভাৰ্য্যা পুত্ৰ শত্ৰু মিত্ৰ উদাসীন।।" ২৩০৭।।

তেওঁ সাক্ষী স্বৰূপে নিজে হৃদয়ত থাকি লীলা কৰি আছে, পৰমাৰ্থ বিচাৰত এয়ে সত্য। তেওঁৰ প্ৰতিবিম্ব হৃদয়ত থাকে বাবে জীৱই নিজকে কৰ্ত্তা বুলি ভাৱ। তে ওঁ জগতৰ পুত্ৰ, জগতৰ পিতা, জগতৰ মাতা; কেৱল নন্দৰ হ'ব নোৱাৰে। জগতত দেখা, শুনা সকলোবোৰ ভগৱানৰে বৈভৱ, স্থাৱৰ-জঙ্গম সকলোবোৰ কৃষ্ণই। গতিকে কৃষ্ণৰ বিয়োগ কেতিয়াও হ'ব নোৱাৰে। কৃষ্ণ সদায় লগতে যোগ হৈ থাকে।

তেৱে সিটো কৃষ্ণৰ বিয়োগ আছে কৈত।
বিচাৰ কৰিলে পাই কৃষ্ণক সবাত।।" ২৩১৪।।

নন্দ যশোদাই উদ্ধৱৰ মুখত তত্বজ্ঞান শুনি স্বস্ত হ'ল আৰু উদ্ধৱে তাৰ পাচত গোপীগনৰ কাষ চাপিল। কৃষ্ণ গুণ স্মৰি দধিমাখি থকা গোপীগনে উদ্ধৱক দেখি কৃষ্ণ বুলিয়েই ভাবিছিল। পাচত কৃষ্ণৰ পৰম ভক্ত বুলি জানি গোপীগনে উদ্ধৱক কৃষ্ণৰ কবিশেষ জানিবলৈ বিচাৰিলে। কৃষ্ণই তেওঁলোকক পাহৰি গৈছে নেকি বুলি সুধিলে; কাৰন পুৰুষৰ প্ৰেম স্ত্ৰীত নাথাকে; তেওঁলোকৰ প্ৰেম ক্ষনস্থায়ী।

"স্ত্ৰীতো নাথাকে আতি প্ৰেম পুৰুষৰ।
পুষ্পক চুম্পিয়া যেন তেজে মধুকৰ।।" ২৩৩৯।।
নীচ দেখি পুৰুষক এৰে বেশ্যাজাক।
তেজে প্ৰজাগলে যেন দুৰ্জ্জন ৰাজাক।।" ২৩৪০।।

নিষ্ফল বৃক্ষক পক্ষীয়ে ত্যাগ কৰা, অতিথিয়ে খাই গৃহ ত্যাগ কৰা, অগ্নিদগ্ধ অৰন্যত হৰিনে বসবাস কৰিবলৈ এৰাৰ দৰে পুৰুষেও স্ত্ৰীক এৰি যায়। এই দৰে নানা অভিমান জনক কথা কৈ কৃষ্ণই কেতিয়া আহি তেওঁলোকৰ দগ্ধ প্ৰানক শান্তনা দিবহি বুলি উদ্ধৱক প্ৰশ্ন কৰিলে।

উদ্ধৱে গোপীগনক নানা শান্ত্বনা বানীৰে প্ৰবোধ দিলে। উদ্ধৱে কলে "তোমালোকক কৃষ্ণই নিজ প্ৰানতকৈও বেচি ভাল পায়, তোমালোকক স্মৰন কৰি কৃষ্ণই বিমূৰ্চ্ছিত হৈছে; নিজে আহিব নোৱাৰি মোকে পঠাই দিছে।"

উদ্ধৱে কৃষ্ণ প্ৰেম-ভক্তি তন্ময়া গোপীকাসৱক তত্ব পূৰ্ন উপদেশ দিবলৈ ধৰিলে। তেওঁলোকৰ ভক্তি আছিল আগাধ; সপ্ৰেম ভক্তিৰে কৃষ্ণক ভজি পৰম কৃতাৰ্থ হ'ল। ব্যভিচাৰী ও দুষ্টা হলেও তেওঁলোকে কৃষ্ণ বিনে আন চিন্তা নকৰিলে। অভকতৰ সম্পৰ্কত কবিয়ে এটি পুৰনি কথাৰ অৱতাৰনা কৰিছে- এজনী চাণ্ডালিনীয়ে সুৰাদি গৰু মাংস ৰান্ধি মনুষ্যৰ মুণ্ডে ঢকি থৈছিল আৰু ইন্দ্ৰই সুধিলে যে ইয়াতকৈ অপবিত্ৰ বস্তু কি হ'ব পাৰে? চাতালিনীয়ে কলে যে হৰিবিনে অন্য দেৱতাক পূজা কৰা তাতোতকৈ অপবিত্ৰ।

উদ্ধৱে কলে- "কৃষ্ণই বিষ্ণু, তেওঁ কোটি ব্ৰহ্মাণ্ডৰ পতি, তেনে কৃষ্ণৰ লগত তোমালোকৰ যি সপ্ৰেম ভকতি হ'ল- তাৰ তুলনা নাই। তেওঁ জল-বায়ু আকাশ পৃথিৱী, চৰাচৰ জগতৰ প্ৰানীৰ মন বুদ্ধি প্ৰান ৰূপে ব্যাপি আছে। তেওঁ নিজকে নিজে স্ৰজে, পালে আৰু নিজকে সংহাৰ কৰে-

"যেন জলবায়ু  পৃথিৱী আকাশ
ব্যাপি আছে চৰাচৰ।
সেহিমতে ময়ো  মন বুদ্ধি প্ৰান
ব্যাপি আছো সমস্তৰ।। ২৩৮৯।।
আপোনাতে মই  আপুনাকে স্ৰজো
আপুনি পালো সকলে।
আপোনাক পাছে  আপুনি সংহৰো
আপুন মায়াৰ বলে।।

"মই পৰম বিশুদ্ধ, গুনহীন, জ্ঞানৰূপী আত্মা, জগতেই মই, ময়োজগতত আছো, জাগন-সপোন-নিদ্ৰা-মনৰ এই তিনি বৃতিয়েই মই। মনৰ নিৰোধত এই তিনি অৱস্থা গুচে। এয়ে ভগৱান কৃষ্ণৰ স্বৰূপ। ধ্যান যোগে তেওঁক দেখি থাকিব। সমস্ত বিষয় ত্যাগকৰি মোক চিন্তিলেই পাবা।"

গোপীয়ে উদ্ধৱৰ পৰা তত্ব জ্ঞান লভি এইবাৰ কৃষ্ণৰ কৰ্ম্মৰ বিষয়ে সুধিলে; উদ্ধৱে কংসাদি বধৰ বিষয়ে বিবৰি কলে। গোপীগনে কৃষ্ণৰ লীলা-গুন স্মৰি নানভাৱে কৃষ্ণ স্তুতি কৰিলে। পৰম ভক্তা গোপীৰ কৃষ্ণ ভক্তি-দেখি উদ্ধৱেপৰম আশ্চৰ্য্য লাভ কৰিলে আৰু তেওঁলোকক প্ৰশংসা কৰিলে-

"নন্দৰ ব্ৰজৰ স্ত্ৰীৰ  চৰন ৰেনুক হেৰা
কৰো মই সদায় বন্দন।
যাৰ হৰি কথা গীতে পৱিত্ৰ কৰিলা নিতে।
নিস্তাৰিল ইটো ত্ৰিভুবন।।" ২৪৫৭।।

তাৰ পাচত উদ্ধৱে গোপীৰ হৃদয়ৰ ভাৱ-ভক্তি লৈ গোপীৰ পৰা বিদায় মাগিলে আৰু নন্দ ও গোপীৰ সমস্ত খা খবৰ ৰজা উগ্ৰসেন আৰু কৃষ্ণক জনালে।

**আদ্যদশমঃ অনন্তকন্দলী (চন্দ্ৰভাৰতী) বিৰচিত**

**(১০) কুঁজীৰ বাঞ্ছা পূৰনঃ-**

চন্দন পিন্ধোৱাৰ বাবে কৃষ্ণই কুঁজীক ৰৰ্জ্জু কৰি দিয়াত কুঁজীয়ে কৃষ্ণক নিজ গৃহলৈ আমন্ত্ৰন জনাইছিল আৰু কৃষ্ণয়ো পাচত কুঁজীৰ গৃহলৈ যাম বুলি কথা দিছিল। কংসবধৰ পাচত উদ্ধৱৰ সহিতে কৃষ্ণই কুঁজীৰ গৃহলৈ যাম আৰু কুঁজীয়ে যথাযোগ্য আপ্যায়ন কৰি কৃষ্ণৰ পাদোদক শিৰত ললে। কুঁজীয়ে কৃষ্ণক পাই মদন স্পৃহা পূৰনৰ বাবে আহ্বান জনালে আৰু কৃষ্ণয়ো তাইৰ বাঞ্ছা পূৰন কৰিলে। সামান্য চন্দন কৃষ্ণৰ চৰনত ভক্তি ভাৱে অৰ্পন কৰাৰ উপৰিও যুৱতীৰ পৰম উপাদেয় কামনাও পূৰ্ন কৰিলে। সেই বাবে যাৰ যি দ্ৰব্য মজুত আছে তাকে কৃষ্ণত ভক্তি ভাৱে অৰ্পন কৰিব পাৰিলে মহাফল অৰ্জ্জন হয়।

"সুগন্ধ চন্দন যিটো আছে কিছুধন।
প্ৰবন্ধে কৰিয়ো তাক কৃষ্ণত অৰ্পন।।" ৫৮।।

সূপৰ্নখাক নাক কান কটাৰ পাচত দহ হাজাৰ বছৰ ধৰি তাই তীৰ্থৰ জলৰ মাজত থাকি শিৱক আৰাধনা কৰে ৰামক পতিৰূপে পাবৰ বাবে। শিৱই সন্তোষ্ট হৈ কলে যে তাইৰ মানেবাঞ্ছা দ্বাপৰ যুগত মথুৰাত পূৰ্ন হ'ব।

এই প্ৰসঙ্গতে বৰ্ননা কৰি অহা ৰজক জন হৈছে ত্ৰেতাযুগত ৰাম অৱতাৰ হওঁতে এই ধোবাজনে ৰামৰ বদগুন গাই ফুৰিছিল আৰু দ্বাপৰত মথুৰাত ৰজক ৰূপে জন্ম গ্ৰহন কৰে আৰু কৃষ্ণৰ হাতত মৃত্যু হয়। বেশকাৰ মিথিলাৰ এজন দৰ্জ্জী আছিল ৰামচন্দ্ৰ অৱতাৰৰ সময়ত। ৰাম-লক্ষ্মনৰ বিবাহৰ বাবেতেওঁ বস্ত্ৰ সী দিছিল যাদও নিজহাতে পিন্ধোৱাৰ বাসনা কৰিছিল বাবেই দ্বাপৰত কৃষ্ণ বলোৰামক বস্ত্ৰ পৰিধান কৰালে। সুদামামালীও কুবেৰৰ এজন মালী আছিল আৰু নাম আছিল- হেমমালী। বিষ্ণুক তেওঁ পূজা কৰাৰ বাবে শিৱৰ বৰত দ্বাপৰত সুদামামালী হৈ কৃষ্ণক মাল্যদান কৰিছিল।

পূৰ্ববৰ্জন্মৰ বাসনা অনুসাৰে পৰজন্মত বাসনা পূৰ্ন হয়। সুবাসনাৰ ফল সুন্দৰ আৰু কুবাসনাৰ ফল অসুন্দৰ হয়।

**(১১) অক্ৰূড়ৰ বাঞ্ছা পূৰন আৰু হস্তিনালৈ প্ৰেৰনঃ-**

কুজীৰ গৃহৰ পৰা কৃষ্ণ আহি বলোৰাম উদ্ধৱ সই অক্ৰূড়ৰৰ গৃহলৈ গমন কৰিলে। অক্ৰূড়ে তিনিওকে পৰি পৰি প্ৰনাম জনাই সতকাৰ কৰিলে। তেওঁ কৃষ্ণ-বলৰামক নানা স্তুতিৰে সন্তোষ্ট কৰিলে। কৃষ্ণ-বলৰামে অক্ৰূড়ৰ আনন্দ বঢ়াই মনোবাঞ্ছা পূৰ্ন কৰিলে।

সেই সময়ত পাণ্ডুৰ মৃত্যু হোৱাৰ বাতৰি পাই কৃষ্ণই বৰ দুখ অনুভৱ কৰে আৰু তেওঁৰ পেহীয়েক কুন্তীৰ আৰু পাঁচ পুত্ৰৰ খা-খবৰ লবৰ কাৰনে অক্ৰূড়ক হস্তিনাপূৰলৈ পঠালে। সকলো খা-খবৰ লৈ আহি কৃষ্ণক জনাবলৈ কলে। পাঁচ পাণ্ডবক ধৃতৰাষ্ট্ৰই দুখ-কষ্ট দিছে বুলি ভাবিলে আৰু পাচত তেওঁ নিজে গৈ তাৰ প্ৰতিকাৰ কৰি

পাণ্ডুৱ সকলকৰাজ্য ভাৰ দিব বুলিও কৃষ্ণই মন্তব্য কৰিলে।

অক্ৰূৰ গৈ ধৃতৰাষ্ট্ৰৰ ৰাজ সভাত উপনীত হোৱাত ভীষ্ম, ধৃতৰাষ্ট্ৰ, বিদুৰ আদি সকলে সন্মান জনাই সকলো খা-খবৰ ললে। অক্ৰূড়ে ধৃতৰাষ্ট্ৰৰ ৰাজসভাৰ পৰা গৈ বিদুৰক লগ কৰিলে আৰু তাৰৈ কুন্তী গৈ অক্ৰূৰকে লগ ধৰে। কুন্তীয়ে যদুবংশৰ সকলোৰে খবৰ লয় আৰু কৃষ্ণৰ বিষয়ে জানিবলৈ বিচাৰে। কুন্তীয়ে কলে যে তেওঁ পুত্ৰ কেইজনক লৈ মহাশত্ৰুৰ মাজত কথমপি জীয়াই আছে আৰু নাৰায়নে আহি তেওঁৰ দুখ দূৰ কৰিব লাগে। কুন্তীয়ে দুখৰ কথা কৈ কৈ ক্ৰন্দন কৰিলে। অক্ৰূৰে প্ৰবোধ দি কলে যে কৃষ্ণই অনপিলমে তেওঁৰ দুখ দূৰ কৰিব আৰু পাণ্ডুৰক ৰাজ্য ভাৰ দিয়াব।

অক্ৰূৰে ধৃতৰাষ্ট্ৰকলগকৰি ধৰ্ম্ম পথত থাকি সকলোকে সমভাৱে মৰম-চেনেহ কৰিবলৈ পৰামৰ্শ দিয়ে। অনিত্য মায়াত পৰি যাতে কোনো অধৰ্ম্ম আচৰন নকৰে তাৰ বাবে ৰজাক সতৰ্ক কৰিও দিয়ে। ধৃতৰাষ্ট্ৰই তেওঁৰ কথাত কোনো উত্তৰ নিদিয়া দেখি ৰজাৰ অভিপ্ৰায় বুজিলে আৰু হস্তিনাৰ পৰা বিদায় লৈ আহি কৃষ্ণ-বলোৰামক সবিশেক জনালেহি।

## ।। মধ্যদশম।।
## (চন্দ্ৰ ভাৰতী বিৰচিত)

**(১২) জৰাসন্ধৰ লগত যুদ্ধঃ-**

মাগধ ৰাজ জৰাসন্ধৰ দুগৰাকী কন্যা অস্তি আৰু প্ৰপ্তিক কংসই বিয়া কৰিছিল। স্বামীবধৰ পাচতে তেওঁলোক পিতৃগৃহলৈ গৈ কংসবধৰ কথা কোৱাত জৰাসন্ধই তেইশ অক্ষৌহিনী সেনালৈ মথুৰা অক্ৰমন কৰিলে। কৃষ্ণই জৰাসন্ধক বাধা দিবৰ কাৰনে চিন্তা কৰাৰ লগেলগে বৈকুণ্ঠৰ পৰা ৰথ-অস্ত্ৰ সাৰথি আহি পালেহি আৰু ৰাম-কৃষ্ণ দুয়োয়ে কিছু সৈন্য লৈ প্ৰচণ্ড যুদ্ধ কৰিলে আৰু বলৰামে জৰাসন্ধক পৰাস্ত কৰি বন্দী কৰিবলৈ ধৰাত কৃষ্ণই পাচৰ কথা চিন্তা কৰি বধ কৰিবলৈ মানা কৰিলে। কৃষ্ণৰ কথা মতে তাক বান্ধখুলি এৰি দিলে আৰু সি দুখ মনে প্ৰত্যাগমন কৰিলে। এইদৰে ওঠৰ বাৰ জৰাসন্ধই কৃষ্ণ-বলোৰ হাতত পৰাজয় হয়। শেষৰ বাৰ জৰাসন্ধই কৃষ্ণ-বলৰামক নিৰস্ত অৱস্থাত আক্ৰমন কৰাত তেওঁলোকে কৌশল কৰি উচ্চ পৰ্ব্বতৰ পৰা জাপমাৰি আতৰি গৈ দ্বাৰকা পায়গৈ। জৰাসন্ধই কৃষ্ণ-বলৰামক বিচাৰি নাপাই মৃত্যু হৈছে বুলি জানি আনন্দ মনেৰে ৰাজ্যলৈ ঘূৰি যায়।

**(১৩) কালযবনৰ লগত যুদ্ধ আৰু দ্বাৰকানগৰ নিৰ্ম্মানঃ-**

গাৰ্গ নামে এজন ঋষিক যাদবগনে খাণ্ড বুলি হঁহাত ঋষিয়ে শিৱক আৰধনা কৰি সন্তোষ্ট কৰে আৰু শিৱৰ পৰা এটি যদুবুলি বৈৰী পুত্ৰ লাভ কৰিব বুলি বৰ পালে। ম্লেচ ৰজা যবনৰ পতিয়ে অপুত্ৰক হোৱাৰ বাবে ঋষিক কলে যে ঋষিয়ে ম্লেচ ৰজাৰ পত্নীৰ গৰ্ভত এটি পুত্ৰ জন্মাব লাগে। কথামতেই কাম হ'ল আৰু তেওঁৰ পুত্ৰ কালযবন নামে পৰিচিত হ'ল আৰু ঋষিয়েও ভাবিলে যে সেই পুত্ৰই যদুকুল ধ্বংস কৰিব। যৱন পতিয়ে কালযবনক ৰাজ্যভাৰ দি বনলৈ গ'ল।

কালযবনে সমযুদ্ধা বিচাৰি ঘূৰি ফুৰোতে নাৰদে লগ পাই মথুৰাৰ কৃষ্ণৰ লগত যুদ্ধ কৰিবলৈ পৰামৰ্শ দিলে। এই সংক্ৰান্তত কবিয়ে কৈছে যে ব্ৰাহ্মন-ঋষিয়ে কেতিয়াও খং কৰিব নালাগে, সদায় মনক শান্ত কৰি ৰাখিব লাগে। গাৰ্গ ঋষিয়ে খং কৰি প্ৰতিশোধৰ বাবে কালযবনৰ দৰে অত্যাচাৰী লোক সৃষ্টি কৰিলে। কালযবনে তিনি কোটি ম্লেচসৈন্য লৈ মথুৰা নগৰ অৱৰোধ কৰিলে। জৰাসন্ধ আৰু কালযবনৰ পৰা ৰক্ষা পাবৰ বাবে বলোৰ লগত আলোচনা কৰি সংমুদ্ৰৰ মধ্যত এখন নগৰ নিৰ্ম্মান কৰিবলৈ বিশ্বকৰ্ম্মক আদেশ কৰিলে।

**দ্বাৰকানগৰঃ-** বিশ্বকৰ্ম্মাই দ্বাৰকা নগৰ নিৰ্ম্মান কৰিলে, ইয়াৰ বিস্তৃতি দ্বাদশ যোজন, চাৰিখন সিংহদ্বাৰ, ৰাম-মাধৱৰ মন্দিৰ, নানা কলা-কৌশলেৰে, নান-ৰত্ন-অলঙ্কাৰে নিৰ্ম্মিত দ্বাৰকা নগৰী অতিচমৎকাৰ পূৰ্ন। ইন্দ্ৰই সুধৰ্ম্মা সভা, পুষ্প পাৰিজাত, বৰুনে শুক্ল ঘোঁৰা, কুবেৰে অষ্টনিধি দান কৰিলে। কৃষ্ণই যোগবলে সকলো প্ৰজাক নি দ্বাৰকাত উপবিষ্ট কৰিলে। কৃষ্ণ-বলৰামে নিৰস্ত্ৰহৈ মথুৰাৰ পৰা দ্বাৰকা অভিমুখে যাত্ৰা কৰিলে।

কালযবনে ৰাম-কৃষ্ণক দেখি খেদি গ'ল। ৰাম-কৃষ্ণই কাল যবনক বধ কৰাবলৈ কৌশল কৰি দৌৰি গ'ল আৰু কালযবনে পাছে পাছে খেদি গ'ল।

**(১৪) মুচুকুন্দৰ দ্বাৰা কালযবন নিহতঃ-**

ৰাম-কৃষ্ণই সন্মুখত এটা পৰ্ব্বত পাই গহ্বৰত প্ৰবেশ কৰিলে য। সেই গহ্বৰত এজন লোক শুই থকা দেখা পালে। গহ্বৰত প্ৰবেশ কৰি কৃষ্ণ-বলৰাম অদৃশ্য হৈ ৰ'ল। কালযবলে শুই থকা লোকজনকে ছদ্মবেশলৈ কৃষ্ণই শুই আছে বুলি ভাবি বুকুতে গোৰ মাৰি দিলে। শুই থকা লোকজনে আঘাত পাই উঠি বহিল। লোকজনে চকু মেলি ৰোৱাৰ লগে লেগ প্ৰচণ্ড অগ্নি নিৰ্গত হৈ কালযবনক খেদি গ'ল আৰু ভস্ম কৰি পেলালে।

সেইলোক জন হৈছে ইক্ষাকু বংশৰ মান্ধাতাৰ পুত্ৰ মহামতি মুচুকুন্দ মহাবীৰ। অসুৰৰ ভয়ত দেবগনে আহি এওঁক স্বৰ্গলৈ নিছিল। স্বৰ্গত তেওঁ একেশ্বৰে দেবগনক ৰক্ষা কৰি আছিল। নিন্দ্ৰাকো পৰিহাৰ কৰি তেওঁ স্বৰ্গ ৰক্ষাকৰাত দেবগনে তুষ্ট হৈ তেওঁক কলে যে তেওঁ কি বৰ লাগে ল'ব পাৰে, মাত্ৰ মুকুতিহে তেওঁলোকে দিব নোৱাৰে। মুক্তিৰ বাহিৰে আন বৰ নালাগে বুলি তেওঁ কলে যদিও দীৰ্ঘদিন ধৰি শুই থকাৰ বাবে বৰ ললে। টোপনিৰ সময়ত যি তেওঁক জগাব, তেওঁ ভস্ম হ'ব বুলি দেবগনে-বৰদান কৰিলে। তেওঁ বৰ পাই গুহাত প্ৰবেশ কৰি শুই আছিল।

ভালকাম কৰাৰ ফল অৱশাম্ভাৱী আৰু কৃষ্ণক দৰ্শন পোৱাৰ দুৰ্ব্বাৰ বসনা মনত পুহি ৰখাৰ বাবে কৃষ্ণই তেওঁক দৰ্শন দিলে। মুচুকুন্দই অনিন্দ সুন্দৰ মধুৰ মূৰুতি ব্যক্তি জনক দেখা পাই আনন্দিত হৈ তেওঁৰ পৰিচয় বিচাৰিলে। কৃষ্ণই মুচুকুন্দক নিজৰ

সবিশেষ পৰিচয় দিলে আৰু কালযবনক তেঁৱে আনি ভস্ম কৰোৱালে বুলি কলে। মুচুকুন্দই অতি ৰংমনেৰে কৃ-ষ্ণৰ চৰনৰ ধূলি মূৰত তুলি ললে আৰু স্তুতি কৰিবলৈ ধৰিলে।

তেওঁ কৈছে ভগৱানে কালৰূপে একতিলে জীৱক বিষ্ঠা-পলু-ছাই কৰে। দশোদিশ জয় কৰি সিংহাসনত সামৰাজে বহি থাকি, গৃহত থাকি শৃঙ্গাৰ ৰস লৈ থকা জন নচুৰাই ফুৰা বান্দৰৰ দৰেহে। তপ-জপ-দান-পুন্য কৰি স্বৰ্গ পলেও পুনৰ মৰ্ত্যত জন্ম হয়। আনৰ সম্পদ দেখি চকুপুৰি থকা জনৰ জীৱন ব্যৰ্থ। মুকুতিৰ মহাদ্বাৰে ভকতৰ সঙ্গত থাকি ভক্তি কৰিলেহে জীৱন সাৰ্থক হয়। মুচুকুন্দৰ স্তুতিও কৃষ্ণই পৰম সন্তোষ লভি কলে- "ই জন্মত মোতে ভক্তি কৰিবা কাৰন ক্ষত্ৰিয় কৰ্ম্ম কৰেতে অৰ্জ্জুণ হোৱা প্ৰবৃতি পন্থৰ মলি দূৰ হ'ব। পাচৰ জন্মত উত্তম ব্ৰাহ্মন হৈ জন্মিব আৰু তেতিয়া সকলো প্ৰানীকে স্নেহ কৰিবা, মোৰ চৰনত ভক্তি কৰিবা। তেওঁ ভগৱানক সেৱা জনাই বাহিৰ হোৱাৰ লগে লগে কলিকাল হোৱা দেখিলে আৰু উত্তৰ দিশে গৈ বতৰিকাশ্ৰমত ওপকৰি থাকিল।

কৃষ্ণই বলভদ্ৰসবে মথুৰালৈ গৈ তিনিকোটি ম্লেচ্ছক বধ কৰি ঘূৰি দ্বাৰকা পালেহি। এই সময়তে আনৰ্ত্তদেশৰ ৰজা ৰৈবতৰ দুহিতা ৰেৱতীৰ বলৰামক লগত বিবাহ সম্পন্ন হয়।

(১৫) **ৰুক্মিনী হৰনঃ-**

বিদৰ্ভৰ ৰজা ভীষ্মকৰ ৰুক্ম আদি পাচ পুত্ৰ আৰু কনিষ্ঠ ৰুক্মিনী দুহিতা আছিল। ৰুক্মিনীৰ মাতৃৰ নাম শশীপ্ৰভা। ৰুক্মিনী মহালক্ষ্মীৰ অৱতাৰ। যি কালত ত্ৰৈলোক্য ঈশ্বৰ অৱতাৰ হয়, সেই কালতে লক্ষ্মীয়েও অৱতাৰ লৈ স্বামী সেৱা ভক্তি প্ৰদৰ্শন কৰে। দ্বৰকাৰ কৃষ্ণৰ চৰিত্ৰ দেশান্তৰীৰ মুখত শুনি মাধৱকে স্বামী হিচাবে পাবলৈ হাবিয়াস কৰে আৰু স্বামীৰ ধ্যান কৰে ৰুক্মিনীয়ে।

"কৃতাঞ্জলী কৰি কৰন্ত কাকুতি
চৰন পদ্মক চাই।
দন্মে জন্মে মোৰ স্বামী হৈবা তুমি
সেবিকো তোমাক পাই।।" ৪০১।।

একেদৰে ৰুক্মিনীৰ গুন-গৰিমাৰ বিষয়েও নট-ভাট আদিৰ মুখে কৃষ্ণই শুনি অত্যন্ত অনুৰাগী হৈ পৰে। ৰুক্মিনীৰ অগাধ ভক্তিৰ কথা শুনি কৃষ্ণই পৰম ভক্তা ৰুক্মিনীৰ মনোবাঞ্চা পূৰনৰ বাবে আশাপালি থাকে-

"ৰুক্মিনী কৰন্তে অতি তাহান্ত ভকতি।
কেন মতে তাক পাসৰিবে যদুপতি।।" ৪০১।।





কৃষ্ণৰ গুনাৱলী শুনি ভীষ্মকে ৰুক্মিনীক কৃষ্ণতে বিয়া দিয়াৰ সিদ্ধান্ত কৰে। ৰুক্মই এই কথা শুনি ঘোৰ প্ৰতিবাদ কৰি শিশুপাললৈ বিয়া দিয়াৰ বাবে দৃঢ় প্ৰতিজ্ঞ হয় আৰু কৃষ্ণক ৰজা নহয় বুলি অনেক ধৰনে নিন্দা বাদ কৰে আৰু ৰজা শিশুপালক সৰ্ব্বগুনাকৰ আখ্যাদিয়ে। ভীষ্মককো নানা তিৰস্কাৰ কৰি ৰুক্মই ভীষ্মকৰ সিদ্ধান্তৰ বিৰোধীতা কৰে। বৰ পুত্ৰৰ এনে উদ্ধগুালি আৰু অহঙ্কাৰী বাক্য শুনি ভগৱানক ধিয়াই ৰুক্মিনীৰ সয়ম্বৰ পতাৰ যো যা কৰে।

ৰুক্মই সয়ম্বৰৰ সকলো ব্যৱস্থা কৰি বিভিন্ন ৰজা আৰু বিশেষকৈ শিশুপালক সাদৰ আমন্ত্ৰন জনালে। ৰুক্মিনীয়ে সকলো কথা শুনি অতি মৰ্ম্মাহত হয় আৰু সবিশেষ জনাই বেদনিধিক দূত হিচাৱে কৃষ্ণৰ ওচৰলৈ পঠালে। ৰুক্মিনীয়ে বিশেষ বাৰ্ত্ হিচাৱে জনায় যে ৰুক্মবীৰৰ বৰ শিশুপালৰ ছাঁয়াতে তেওঁ ভৰি নিদিয়ে-

"প্ৰান যান্তে ছাঁয়াতো নেদিবৌ তাৰ ভৰি।
কৃষ্ণকেসে চিন্তিয়া মৰিবে প্ৰন ছৰি।।" ৪৪০।।

বিপ্ৰৰ প্ৰতি কৃষ্ণৰ ভকতি কিমান মহান। ব্ৰাহ্মনে কৃষ্ণৰ হাতত ৰুক্মিনীৰ পত্ৰ প্ৰদান কৰিলে। পত্ৰত উল্লিখিত ৰুক্মিনীৰ হৃদয়ৰ কাৰুন্য ভক্তি আৰু তেওঁক হৰন কৰি আনিবৰ কাৰনে দিয়া পৰামৰ্শ শুনি কৃষ্ণই বেদনিধিক লৈ দাৰুকক মতাই আনি ৰথত উঠি কুণ্ডিল অভিমুখে যাত্ৰা কৰিলে।

ইফালে শিশুপালে বিবাহৰ সকলো আয়োজন কৰি সমদলে কুণ্ডিললৈ যাত্ৰা কৰিলে। শিশুপালৰ পক্ষলৈ জৰাসন্ধয়ে সমদলে অগ্ৰসৰ হৈ কুণ্ডিল পাই একত্ৰিত হ'ল। পৌণ্ড্ৰক আদি ৰজায়ো সহচৰ হ'ল। কৃষ্ণ যোৱাৰ পাচতে বলৰামেও সৈন্য লৈ কুণ্ডিল অভিমুখে আগবাঢ়িল। কৃষ্ণই কুণ্ডিলৰ সীমাত প্ৰবেশ কৰি বেদনিধিক পঠাই কৃষ্ণ আগমনৰ কথা ৰুক্মিনীক জনালে। খবৰ পাই ভীষ্মকে সমদলে আহি কৃষ্ণ-ৰামক আগবঢ়াই নিলে। সমস্ত প্ৰজাই কৃষ্ণ-বলৰামক চাবৰ কাৰনে প্ৰয়োভৰ কৰিলে।

সযম্বৰ গৃহত সকলো ৰজা আসনত বহি থকাৰ সময়তে ভীষ্মকে নি ৰাম-কৃষ্ণক সুবৰ্ন আসনত উপবিষ্ট কৰাই পাদ্য অৰ্ঘ্যে অৰ্চ্চনা কৰিলে। দিব্য বাসাঘৰ সাজি ৰাম-মধৱও লগৰীয়া সকলক সযতনে ৰাখিলে।

ৰুক্মিনীক সজোৱাৰ পাচত ভৱানী মন্দিৰলৈ নিয়া হয়। ৰুক্মিনীয়ে দুৰ্গাক পূজা কৰি হেৱা জনালে। সকলো ৰজাই চাই থাকোতেই কৃষ্ণই ৰুক্মিনীক ৰথত তুলি দ্ৰত বেগে ৰথ চলোৱালে আৰু বলৰাম আদিয়ে কৃষ্ণক মাজত লৈ আকাশ পথে অগ্ৰসৰ হ'ল। সমস্ত ৰজাই শিশুপালৰ বিবাহৰ কন্য হৰন কৰি নিয়াত আগবাঢ়ি যাদব সৈন্যৰ লগত তুমুল সংগ্ৰাম কৰিলে যদিও তিকিব নোৱাৰি পলাই যায়। বিমৰ্ষ আৰু লজ্জিত শিশুপালক ৰজাসকলে বুজনি দিলে। তেওঁলোকৰ শান্ত্বনা বানীৰ মাজত কিছু সাৰুৱা তত্ব প্ৰকাশ পাইছে। তেওঁলোকে কৈছে- যে জীৱনত ভাল মন্দ সকলো কালতে নাথাকে।

ঈশ্বৰৰ ইচ্ছাতে সকলো হয়; সুখ-দুখ সকলোবোৰ ঈশ্বৰৰ ইচ্ছাতে সংঘটিত হয়।

"ভাল মন্দ দুয়ো সৰ্ব্বকালে নথাকয়।" ৬৬৫।।

"বিশেষত ঈশ্বৰে কৰন্ত যেন হয়।
তাহান চেষ্টাক কোনে বাধিৰে পাৰয়।।
যেন দাৰুময় কন্যা সাজিয়া কুহকে।
যেনমতে নচুৰাবেনাচে সেহিপাকে।।" ৬৬৬।।
সেহিমতে সুখ-দুখ দেখা যত যত।
ঈশ্বৰ ইচ্ছায়ে মিলে জানা স্বৰূপত।।" ৬৬৭।।
"ব্ৰহ্মা আদি কৰি প্ৰানী দেখা যত যত।
সবেও কালৰ বশ্য জানা স্বৰূপত।।" ৬৬৯।।

ৰুক্মবীৰে পৰাজিত ৰাজাগনক তিৰস্কাৰ কৰি এক অক্ষৌহিনী সেনা লৈ কৃষ্ণক আক্ৰমন কৰিলে। কৃষ্ণ-ৰুক্মৰ সংগ্ৰামত ৰুক্ম পৰাজিত হোৱাত ৰুক্মক বধ কৰিবলৈ লোৱাত ৰুক্মিনীৰ অনুৰোধত প্ৰানে নামাৰি মূণ্ডন কৰি মূৰত ঘূল ঢালি কৃষ্ণই ৰুক্মক বান্ধি থলে। বলৰামে বান্ধ খুলি ৰুক্মক এৰি দিলে আৰু ৰুক্মিনীক শান্তনা দিলে। দ্বাৰকা পাই কৃষ্ণ ৰুক্মিনীৰ বিবাহ মহাসমাৰোহেৰে উদযাপন কৰা হ'ল।

(১৬) **স্যমন্তক হৰন, জাম্বৱতী আৰু সত্যভামাক বিবাহঃ-**

সত্ৰাজিতে বহুকাল ধৰি সূৰ্য্যোপাসনা কৰাৰ ফলত সত্ৰাজিতৰ লগত সূৰ্য্যৰ সম্বন্ধ গঢ়ি উঠে। বন্ধু হিচাবে সূৰ্য্যই স্যমন্তক মনি সত্ৰাজিতক প্ৰদান কৰাত তেওঁ মনি কণ্ঠত পৰিধান কৰি দ্বাৰকালৈ আহিল। সূৰ্য্যৰ দৰে জ্যোতিষ্ক স্যমন্তক মনিৰ প্ৰভাদেখি প্ৰজাই সূৰ্য্য বুলিয়েই ভাবিছিল। কৃষ্ণই আচল কথাটো প্ৰজাক কলে সত্ৰজিতে কৃষ্ণক নাৰাধি দেৱতাৰ আৰাধনা কৰি স্যমন্তক মনি লাভ কৰি গৌৰৱ কৰে আৰু কৃষ্ণৰ ওচৰ চাপিও কৃষ্ণক নমস্কাৰ নজনালে আৰু মনিটো নিজ দেবগৃহত ৰাখিলে। তেওঁ বিপ্ৰগনক মাতি আনি মনিটোকে পূজা কৰিলে।

মনিৰ অশেষ মহিমা আছে, ই অষ্টভাৰ সুবৰ্ন নিতে দিয়ে, দুৰ্ভিক্ষ মাৰি মৰক, সৰ্পভয়, ব্যাধি আদি মনিৰ প্ৰভাৱত আতৰ হয়; মনিৰ প্ৰভাৱত সত্ৰাজিতে অগাধ ধনসম্পত্তি লাভ কৰি গবৰ্বত সকলোকে তুচ্ছ বুলি ভাবিলে। এদিন সত্ৰাজিতে কৃষ্ণৰ ওচৰলৈ যোৱাত কৃষ্ণই মনিটো ৰজা উগ্ৰসেনক দিবলৈ কলে। আনিয়েই প্ৰথমতে কৃষ্ণত অৰ্পন কৰিব লাগিছিল, তাকে লকৰি নিজে ভোগ কৰিব নালাগিছিল।

"সৰ্ব্ব বিঘ্নি হৰে যিটো স্যমন্তক মনি।
কৃষ্ণৰ বিমুখ সিটো মিলাৰে বিঘিনি।।" ৭৭০।।

কৃষ্ণৰ কথাৰ উত্তৰ নিদি সত্ৰজিতে খং কৰি গৃহলৈ গমন কৰিলে। এদিন সত্ৰাকিজতৰ ভাতৃ প্ৰসেনে মনিটো পিন্ধি মৃগয়া কৰিবলৈ যোৱাত সিংহই ঘোঁৰাৰে





সহিতে প্ৰসেনক মাৰি মনিটো লৈ গ'ল। জাম্বৱন্তই সিংহক মাৰি মনিটো নি শিশু ওমলাবলৈ ধাইৰ হাতত দিলে।

প্ৰসেনৰ মৃত্যুৰ বাতৰি পাই সত্ৰাজিতে ভাবিলে যে কৃষ্ণই তেওঁৰ পৰা মনিটো বিচাৰিছিল। সত্ৰাজিতে ভাবিলে- ভালবস্তু, ভাল কন্যা, ধন- ৰাখিবলৈ টান। স্যমন্তক মনিয়েই তেওঁৰ যমকাল হ'ল। সত্ৰাজিতে কৃষ্ণৰ ওপৰত কলঙ্ক জাপি দিয়াৰ কথা কানে কানে গৈ কৃষ্ণৰ কানত পৰাত কৃষ্ণই অপবাদ গুচাবৰ কাৰনে সৈন্যসামন্ত লৈ মনিৰ সন্ধানত অগ্ৰসৰ হ'ল। তেওঁ গৈ থাকোতে ঘোঁৰাৰ সহিতে প্ৰসেন পৰি মৰি থকা দেখা পালে আৰু সিংহৰ খোজ পাই খোজ নিৰীক্ষন কৰি কিছু দূৰত সিংহ পৰি মৰি থকা দেখা পালে, সিংহৰ ওচৰত ভালোকৰ খোজ পাই, খোজ চাই চাই স্যমন্তক মনি লৈ শিশু ওমলোৱা ধাইক দেখা পালে। ধায়ে মনুষ্য দেখি ঋষিৰাজ জাম্বৱন্তক কলে।

জাম্বৱন্তই সামান্য মনুষ্য বুলি কৃষ্ণক ঘোৰ আক্ৰমন কৰিলে আৰু কৃষ্ণয়ো যুদ্ধত প্ৰবৃত হ'ল। দুয়োৰে মাজত মল্লযুজ, আৰম্ভ হ'ল। কৃষ্ণৰ শক্তিৰ প্ৰভাৱত জাম্বৱন্তৰ দেহা থৰবৰ হ'ল তথাপি যুঁজিলে, যুদ্ধতে আঠাইশ দিন অতিবাহিত হ'ল। অৱশেষত কৃষ্ণৰ চৰনত পৰি জাম্ববানে কলে যে কলঙ্ক মোচনৰ বাবেহে তেওঁ আহি ভকতক লগ কৰিছেহি। জাম্বৱানে ভগৱন্ত কৃষ্ণৰ প্ৰতি থকা ভক্তিৰ চিন স্বৰূপে নিজৰ দুহিতা জাম্বৱতীক মনি সহিতে চৰনত অৰ্পন কৰিলে। বাৰদিনৰ পাচত তেওঁ জাম্বৱতীক লৈ দ্বাৰকাত প্ৰবেশ কৰিলে আৰু সভাত বহি সত্ৰাজিতক মতাই আনি মনিৰ কাহিনী বক্ত কৰা হ'ল। কৃষ্ণই স্যমন্তক মনি সত্ৰাজিতক দিলে। সত্ৰজিতে কৃষ্ণক মিছাতে কলঙ্ক দিয়াৰ বাবে অনুতপ্ত হৈ নিজৰ কন্যা সত্যভামাক কৃষ্ণত অৰ্পন কৰি যৌতুকত স্যমন্তক দান কৰিলে। কৃষ্ণই সত্যভামাক গ্ৰহন কৰি মনিটো সত্ৰাজিতক ঘূৰাই দিলে। সত্যভামাৰ লগত মহাসমাৰোহেৰে কৃষ্ণৰ বিবাহ সম্পন্ন কৰা হ'ল।

হস্তিনা পুৰত দুৰ্য্যোধনে পাণ্ডৱক দাহ কৰিলে বুলি শুনি বলোৰামৰ সৈতে কৃষ্ণই হস্তিনাপুৰত গৈ ভীষ্ম-দ্ৰোৰ্ন-কৰ্ন-বিদুৰ-গান্ধাৰী আদিক লগ কৰি পাণ্ডৱৰ দাহ আৰু কুন্তীৰ মৃত্যুত অত্যন্ত শোক কৰি থাকোঁতেই সত্যভামাক বিয়া কৰিবলৈ নাপাই কৃতবৰ্ম্মাই অক্ৰুৰৰ লগ লাগি কুট কৌশল কৰি দুষ্ট শতধন্ধাক মনিৰ লোভ দেখুৱাই উচতনি দিলে আৰু শতধন্বাই সত্ৰাজিতক মাৰি স্যমন্তক মনি হৰন কৰে। সত্যভামাই পিতৃ বধ হোৱাত হস্তিনাপুৰলৈ গৈ স্বামী কৃষ্ণক সবিশেষ কলেগৈ। ৰাম-কৃষ্ণই সত্যভামা সহিতে দ্বাৰকা পালেহি আৰু শতধন্ধাক বধ কৰিবলৈ অগ্ৰসৰ হোৱাত শতধন্ধাই কৃতবৰ্ম্মা আৰু অক্ৰুৰৰ ওচৰত মনিটো ৰাখি পলায় যায়। কৃষ্ণই চক্ৰ প্ৰহাৰ কৰি শতধন্ধাৰ শিৰচ্ছেদ কৰে। সেই ছেগতে বলৰামে মিথিলা (বিদেহ) ত কেই বছৰমান থাকে আৰু তেতিয়াই দুৰ্য্যোধনে বলৰামৰ পৰা গদাযুদ্ধ শিক্ষা লয়। শতধন্ধাৰ বধ হোৱাত অক্ৰুৰে ভই কৰি বাৰানশীত গৈ যজ্ঞ কৰি মনিৰ সহায়ত অশেষ ধন সম্পতিৰ অধিকাৰী হৈ দান কৰিছিল

বাবে তেওঁ দান পতি নাম পায়। কৃষ্ণই অক্রূৰক দ্বাৰকালৈ মাতি আনি স্যমন্তক মনি সত্যভামাৰ পুত্ৰক দিবলৈ কোৱাত অক্রূৰে তাকে কৰিলে আৰু মনিৰ প্ৰভাৱত দ্বাৰকাত লক্ষ্মীৰ বসতি হ'ল।

স্যমন্তক মনিক কেন্দ্ৰ কৰি বহুতো ঘটনা সংঘটিত হ'ল- কোনোজন লাভবান হ'ল আৰু কোনোজনৰ সৰ্ববৰ্নাশ হ'ল। সত্ৰাজিত, প্ৰসেন, সিংহ, শতধন্বাৰ মৰন হল, জাম্বাবানৰ আঠাইশ তত্ব পুনৰ লাভ হ'ল, জাম্বৱতী সত্যভামাৰ ঈশ্বৰ স্বামী লাভ হ'ল, অক্রূৰ দানপতি হ'ল, কৃতবাৰ্ম্মাই সত্যভামাক হেৰুৱালে, কৃষ্ণৰ ওপৰত জাপি দিয়া মিছা কলঙ্ক মোচন হ'ল আৰু দুই পত্নীও মনি কৃষ্ণই লাভ কৰিলে। সৎলোকৰ ওচৰত থাকিলে মনিয়ে অষ্টভাৰ সোন দিয়ে আৰু অসৎ লোকৰ ওচৰত থাকিলে ধ্বংস মাতি আনে। স্যমন্তক মনি ভগৱন্তৰ জ্ঞান শক্তি দেবৰ থলে পাত্ৰ ভাগি যায়। আঠাইশ দিন যুদ্ধৰ দ্বাৰা আঠাইশ তত্বৰ পুনৰ স্মৰনৰ বাবে কৃষ্ণই ভক্ত জাম্বৱন্তক শিক্ষা দিছিল। পঞ্চ মহাভূত + পঞ্চ তন্মাত্ৰ + একাদশ ইন্দ্ৰিয় + বুদ্ধি + অহঙ্কাৰ + চিত্ত + তিনিগুন + মূল প্ৰকৃতি = ২৮ তত্ব জাম্বৱানে ৰামৰ পৰা শিক্ষা লৈছিল কিন্তু যুগান্তৰত গৰ্তত গৃহবাসত থাকি পাহৰি গৈছিল বাবেই ভগৱানে ভক্তক সৌবৰন কৰাইছিল। সত্য-শৌচ-ক্ষমা-দয়া+ তপ+ অসন্মোহ + যম+ দম = এই অষ্টবিধ সোন। সৰ্ব্ব বিঘিনী হৰন কৰা স্যমন্তক মনি কৃষ্ণ ভক্তিতহে তিষ্ঠি থাকে, কৃষ্ণত বিমুখৰ বিঘিনিৰ ভৰালহে।

কৃতবৰ্ম্মাই সত্যভামাক নোপোৱাৰ বাবেই প্ৰতিশোধ পূৰনৰ বাবে সত্ৰাজিতক শতধন্বাৰ দ্বাৰা বধ কৰোৱালে; ই জ্ঞানী বা ভক্তৰ কাম হ'ব নোৱাৰে। অক্রূৰ কৃষ্ণৰ পৰম ভক্ত হৈয়ো কুশক্রিৰ লগত লগ লাগি শতধন্বাৰ বধৰ ভাগী হ'ল আৰু ঐশ্বৰ্য্য লাভৰ মোহত স্যমন্তক মনি পাই কৃষ্ণৰ পৰা লোকোৱাই থৈ ধনী হৈছিল। ভকতৰ এনে মোহ ভগৱন্ত কৃষ্ণই পাচত ভঙ্গ কৰোৱালে। আনকি ভগৱন্তয়ো অনাহকতে অপবাদৰ পাত্ৰ হ'ব লগা হ'ল আৰু সেই অপবাদ শান্তি পূৰ্ন নীতিৰে সাহসেৰে উচ্ছেদ কৰিলে। কুকৰ্ম্ম বা ঈশ্বৰ বিৰোধী কৰ্ম্ম কৰাৰ পাচত মনলৈ অনুশোচনা আহিলে মানুহ পৰিশুদ্ধি হয় আৰু কৃতজ্ঞতাৰ ভাৱত ভগৱন্তৰ প্ৰতি মন উদ্বোদ্ধ হয়। তাৰ পৰিনতি স্বৰূপে কৃষ্ণক সত্ৰাজিতে কন্য সত্যভামা আৰু জাম্বৱানে- জাম্বৱতীক প্ৰদান কৰি ধাৰ সোজে। শতধন্বাৰ দৰে জ্ঞান বিবেক শূন্য, ঐশ্বৰ্য্য লোভী লোকৰ মৃত্যু অৱশ্যাম্ভাৱী।

**(১৭) কৃষ্ণৰ ইন্দ্ৰপ্ৰস্থ নগৰলৈ যাত্ৰাঃ-**

জতুগৃহ দাহ কৰাৰ পাচত পাণ্ডৱ সকলেগৈ লক্ষ্যভেদ কৰি দ্ৰোপদীক বিবাহ কৰে। অৰ্জ্জুনে লক্ষ্যভেদ কৰা সময়ত কৃষ্ণও উপস্থিত আছিল। পাণ্ডৱে কুন্তী, দ্ৰৌপদী সহ ইন্দ্ৰপস্থত বাস কৰি থকাৰ সময়তে কৃষ্ণই পাণ্ডৱ সকলক দেখা কৰিবলৈ ইন্দ্ৰপস্থ পালেহি। পাণ্ডৱে কৃষ্ণক অতি সাদৰে সৎকাৰ কৰিলে আৰু কুন্তী দ্ৰৌপদীয়েও আদৰ সাদৰ কৰি আপ্যায়ন কৰিলে। কৃষ্ণই ইন্দ্ৰপ্ৰস্থতে চাৰিমাহ কাল থাকি বিশ্বকৰ্ম্মাৰ দ্বাৰা অতি বিতোপন নগৰ নিৰ্ম্মান কৰোৱালে। এদিন অগ্নি আহি অৰ্জ্জুনক ইন্দ্ৰৰ খাণ্ডৱ বন দান হিচাবে বিচাৰিলে আৰু অৰ্জ্জুনেও দান কৰিলে। ইন্দ্ৰই খং কৰি অৰ্জ্জুনৰ লগত যুদ্ধ কৰিলে আৰু কৃষ্ণই অৰ্জ্জুনৰ ৰথৰ সাৰথি হ'ল। কৃষ্ণৰ প্ৰসাদত অৰ্জ্জুন জয়ী হ'ল আৰু অগ্নিয়ে খাণ্ডৱ বন দহন কৰিলে। অগ্নিয়ে তুষ্ট হৈ অৰ্জ্জুনক গাণ্ডীৱ ধনু, শৰ, দুটি অক্ষয় তূন, অভেদ্য কবচ, চাৰিটা বগা ঘোঁৰাই টনা একন ৰথ ধ্বজ দান কৰিলে। অসুৰৰ বিশ্বকৰ্ম্মা ময়দানবক অগ্নিয়ে পুৰিবলৈ ধৰাত অৰ্জ্জুনে ৰক্ষা কৰাৰ বাবে ময়দানবে পাণ্ডৱৰ সভাখন অতি চমৎকাৰ ৰূপত তৈয়াৰ কৰি দিলে।

**(১৮) কালিন্দী, মিত্ৰবৃন্দা, সত্যা, ভদ্ৰা, লক্ষনাৰ লগত কৃষ্ণৰ বিবাহঃ-**

এদিন কৃষ্ণাৰ্জ্জুনে মৃগয়া কৰিবলৈ গৈ যমুনাত স্নান কৰোতে জলৰ মাজত ফুৰি থকা এগৰাকী ৰমনীক দেখাপাই অৰ্জ্জুনে পৰিচয় বিচাৰিলে আৰু তাই সূৰ্য্যৰ কন্যা বুলি কলে আৰু কৃষ্ণক স্বামী বিচাৰি ফুৰিছে বুলি কলে। কৃষ্ণই কালিন্দীক পত্নীৰূপে গ্ৰহন কৰি পাণ্ডৱৰ গৃহলৈ আনি কিছুদিন থাকি পাণ্ডৱৰ পৰা বিদায় লৈ দ্বাৰকা পায়গৈ আৰু কালিন্দীৰ লগত বিয়া পাতে।

বসুদেৱৰ ভগিনীৰ মিত্ৰ বৃন্দক কৃষ্ণই সয়ম্বৰ সভাৰ পৰা আনি দ্বাৰকাত বিয়া পাতে। অযোধ্যাৰ ৰজা নগ্নজিতৰ দুহিতা সত্যাই মাধৱক স্বামী ৰূপে পাবৰ বাবে অগ্নিক পূজিছিল, কৃষ্ণই অৰ্জ্জুনৰ সৈতে অযোধ্যালৈ গৈ সাতটা বৃষক পৰাস্ত কৰি সত্যাক পত্নীৰূপে লাভ কৰে। নগ্নজিত একান্ত কৃষ্ণ ভক্ত হোৱাৰ বাবে তেওঁ ভকতৰ মনোবাঞ্চা পূৰন কৰিলে। নগ্নজিতে কৃষ্ণক অশেষ স্তুতি মিনতি কৰিলে। বিপক্ষ ৰজাগনে সত্যাক লাভ কৰাত যুদ্ধ কৰি পৰাজয় হয়।

কৈকেয়দেশৰ বসুদেৱৰ ভগিনী শ্ৰুতকীৰ্ত্তিৰ কন্যা ভদ্ৰাই কৃষ্ণক স্বামী পবৰ কাৰনে ভক্তি কৰাত কৃষ্ণই ভদ্ৰাক বিবাহ কৰে। মদ্ৰ দেশৰ ৰজা বৃহৎসেনৰ কন্যা লক্ষ্মনাক ৰজাই কৃষ্ণত বিয়া দিয়াৰ আশাৰে মৎস্যচক্ৰ নিৰ্ম্মান কৰাইছিল। কৃষ্ণই চক্ৰভেদ কৰি লক্ষ্মনাক নাভ কৰিলে। এই দৰে কৃষ্ণই অষ্টম বিবাহ কৰিলে আৰু অষ্টমহিসী লাভ কৰে।

**(১৯) নৰকাসুৰ বধ পাৰিজাত হৰনঃ-**

ইন্দ্ৰই আহি কৃষ্ণক কলেহি যে নৰকাসুৰে তেওঁৰ মাতৃ অদিতিৰ কৰ্ন্নৰ কুণ্ডল, বৰুনৰ ছত্ৰ, অসংখ্য সুন্দৰী নাৰী নৰকাসুৰে হৰন কৰি নিলে আৰু তাক মুক্ত কৰিবৰ কাৰনে কৃষ্ণক অনুৰোধ জনালে। ভগৱানে বৰাহ অৱতাৰ লৈ পুথিৱীক উদ্ধাৰ কৰি আনোতে বসুমতী ৰজস্বলা অৱস্থাত আছিল আৰু সেই সময়ত বৰাহ আৰু বসুমতিৰ সঙ্গম হোৱাৰ বাবে তেওঁলোকৰ পুত্ৰ নৰকাসুৰ অতি অত্যাচাৰী আছিল। বসুমতীয়ে ভগৱানক অনুৰোধ কৰিছিল যে নৰকাসুক যেন তেওঁ বধ নকৰে। ভগৱানে কলে যে

মহন্তক দ্ৰোহ কৰিলেহে বধ কৰিব।

নাৰদে পাৰিজাত ফুল এপাহ আনি কৃষ্ণক দিয়াত কৃষ্ণই পাৰিজাত গছ জোপাকে সত্যভামাক আনিদিম বুলি কৈ প্ৰবোধ দিছিল। সেইবাবে কৃষ্ণই নৰকাসুৰ বধ, আদিতিৰ কুণ্ডল মুক্তি আৰু পাৰিজাত বৃক্ষ আনিবৰ কাৰনে সত্যভামাক লগত লৈ প্ৰাসজ্যোতিষ পুৰলৈ ৰথেৰে যাত্ৰা কৰিলে।

কৃষ্ণই নৰকাসুৰৰ গড়ে আবৰা নগৰত আক্ৰমন কৰিলে। জলেবেঢ়ি থকা গড় ধ্বংস কৰাত তাত শুই থকা পঞ্চমুখৰ মূৰ দৈত্যই কৃষ্ণক প্ৰচণ্ড ভবে আক্ৰমন কৰিলে যদিও কৃষ্ণই তাক বধ কৰিলে। তাৰ পুত্ৰ সাতজনকো তেওঁ বধ কৰে। নৰকাসুৰে বিপুল বিক্ৰমেৰে কৃষ্ণক আক্ৰমন কৰে। কৃষ্ণই চক্ৰ প্ৰহাৰ কৰি নৰকাসুৰৰ শিৰচ্ছেদ কৰে। বসুমতীয়ে পুত্ৰৰ মৰনত দুখ নকৰি নৰকৰ পুত্ৰ ভগদত্ত আৰু অদিতিৰ কুণ্ডল যোৰ কৃষ্ণক প্ৰদান কৰিলে। তদুপৰি বৰুনৰ ছত্ৰ, মহামনিকো কৃষ্ণক দি স্তুতি কৰিলে। বসুমতীক কৃষ্ণই অভয় দান দি ভগদত্তক প্ৰাগজ্যোতিষ পুৰৰ সিংহাসনত স্থাপন কৰিলে। নৰকাসুৰে বন্দী কৰি থোৱা যোল হাজাৰ এশ কন্যা উদ্ধৰ কৰে আৰু সত্যভামাক লৈ স্বৰ্গলৈ গমন কৰে।

কৃষ্ণই স্বৰ্গত প্ৰবেশ কৰাত দেবগনে স্তুতি মিনতি কৰি পূজা কৰিলে। কৃষ্ণই দেব মাতৃক কুণ্ডল যোৰ প্ৰদান কৰিলৈ আৰু অদিতিয়ে কৃষ্ণক প্ৰশংসা কৰিলে। কৃষ্ণই সত্যভামাৰ বাবে পুষ্প পাৰিজাত বৃক্ষ উঘালি ললে। শশীয়ে দুখ কৰাথ ইন্দ্ৰই কৃষ্ণৰ লগত যুদ্ধ কৰিলে কিন্তু যুদ্ধত পৰাজয় হৈ স্তুতিহে কৰিলে। কৃষ্ণই পাৰিজাত লৈ দ্বাৰকাত উপনীত হ'লহি।

নৰকাসুৰ অহঙ্কাৰী, দুষ্ট আৰু অত্যাচাৰী হোৱাৰ বাবে নানা কুকাৰ্য্য কৰাৰ উপৰিও যোল্লহাজাৰ এশ নিৰপৰাধী সুন্দৰী কন্যাক বন্দী কৰি থেছিল। দুভেৰ্দ্য প্ৰাগজ্যোতিষ পুৰত কৃষ্ণই প্ৰবেশ কৰি এই অবলা নাৰী সকলক উদ্ধাৰ কৰা,অদিতিৰ কানৰ কুণ্ডল উদ্ধাৰ কৰা আৰু ভগদত্তক ৰজা পতা আদি মঙ্গল জনক কাৰ্য্য কৃষ্ণই কৰিছিল। কবিয়ে কৈছে- মদগৰ্ব্বৰ বাবেই নৰকাসুৰৰ পতন হ'ল। দুষ্ট হ'লে পুত্ৰকো নাৰায়নে বধ কৰে।

"এৰা মদগৰ্ব্ব হবে হোৱা নিশব্দ।"
দুষ্টভৈলে পুত্ৰকো মাৰন্ত নাৰায়লে।।" ১১৫৮।।
হেন জানি দুষ্টক নকৰা ভয় মন।
দুষ্টৰ উপৰে শাস্তা আছে নাৰায়ন।।" ১১৫৯।।

দেৱতাৰ অনুৰোধ ক্ৰমে কৃষ্ণই নৰকাসুৰক বধ কৰে আৰু দেব মাতৃৰ কুণ্ডল যোৰো উদ্ধাৰ কৰি আনি দিলে। তেনে ক্ষেত্ৰত সাধাৰন পুষ্প পাৰিজাতৰ বাবে পত্নীৰ শশীৰ উচতনিত ইন্দ্ৰই কৃষ্ণৰ লগত যুদ্ধ কৰা কৃতঘ্ন লোকৰ হে কাম। কবিয়ে কৈছে যে





আধ্যৱন্ত জনে ক্ষনিকতে খং তুলি নিজকে মহানলোক বুলি ভাবি যাৰ পৰা উপকাৰ পাই আছে তেওঁকে অনিষ্ট কৰে।

**কৃষ্ণৰ গাহস্থ্য জীৱনঃ-**

কৃষ্ণই পাৰিজাত পুষ্প সত্যভামাৰ গৃহত ৰোপন কৰি নৰকাসুৰৰ পৰা উদ্ধাৰ কৰা যোল্ল হাজাৰ এশ কন্যাক দ্বাৰকাত বিয়া পাতি প্ৰতি গৰাকী পত্নীৰ লগত এজন এজন কৃষ্ণ হৈ গাৰ্হস্থ্য জীৱন কটায়। গাহস্থ্য জীৱনৰ বিশেষ তাৎপৰ্য্য কথা হ'ল-ৰুক্মিনীৰ প্ৰতি কৃষ্ণই কৰা পৰিহাস। ভক্তক ভগৱন্তই বাৰম্বাৰ পৰীক্ষা কৰে। পৰমভক্তা ৰুক্মিনীৰ ওচৰত কৃষ্ণই নিজকে সকলো প্ৰকাৰে নিঃকিন বুলি কৈছে আৰু এনে অকিঞ্চন জনক স্বামী হিচাবে বিচাৰি ৰুক্মিনীয়ে ভুল কৰিলে বুলি কৈ ৰুক্মিনীয়ে অন্য শক্তিবান, ঐশ্বৰ্য্যশালী ৰজাক স্বামীবৰন কৰিবলৈ কৈছে। তেওঁ কৈছে যে দৰ্পীষ্ট, অহঙ্কাৰী শিশুপাল শাল্ব-জৰাসন্ধ আদিৰ দৰ্প চুৰ্ন কৰিবলৈহে তেওঁ ৰক্মিনীৰ সয়ম্বৰলৈ গৈছিল। স্ত্ৰী-পুত্ৰ অৰ্থ - দেহ-গেহাদিত তেওঁৰ কোনো আস্থা নাই।

এনেবোৰ পৰিহাস পূৰ্ন কথাত ৰুক্মিনী শোকত বিহ্বল হৈ পৰিল। কৃষ্ণই শোক বিহ্বলা ৰুক্মিনীক আঁকোৱালি লৈ শান্তনা দিলে। ৰুক্মিনীয়ে কৃষ্ণক স্তুতি কৰিলে। ৰুক্মিনীৰ স্তুতিত তত্ব গধূৰ কথা প্ৰকাশ পাইছে। পাৰ্থিব নাৰী গনে পাৰ্থিব স্বামীৰ দেহকেই ভজে; আছলতে ঈশ্বৰ স্বামীক হে ভজিব লাগে।

"চৰ্ম্ম ৰোম দাড়ি নখ কেশ জুৰি
ব্যাপি আছে ৰাহ্যকায়া।
অভ্যন্তৰে মাংস অস্থি তেজ মল
ক্ৰিমিয়ে আছে জুৰিয়া।।
কফ বাত পিত্ত আছে অসংখ্যাত
জীৱন্তে শব পৰাই।
তাকে স্বামী কৰি ভজে দুষ্টা নাৰী
তোমাত ভকতি নাই।।

(২০) **প্ৰদ্যুম্ন ৰতিৰ বৰ্ননাঃ-**

কৃষ্ণই ৰুক্মিনীৰ পৰম ভক্তি দেখি আচৰিত হৈ কৈছে "পুত্ৰ পত্নী কামে যিটো ভজয় আমাক ? মোহোৰ মায়ায়ে জানা মোহি আছে তাক।।" ১২৯৫।। কৃষ্ণই আনপত্নী সকলৰ লগত গৃহস্থৰ দৰে থাকি গৃহ কৰ্ম্ম লীলা কৰিলে, কিন্তু ৰুক্মিনীৰ লগত ভক্তিময় জীৱন কটালে। ৰুদ্ৰৰ ৰোষত কামদেব ভষ্ম হৈ কৃষ্ণ বীৰ্য্য হৈ ৰুক্মিনীৰ জৰায়ুত স্থিত হ'ল। কৃষ্ণই বাসুদেব-বলভদ্ৰ-কাম-অনিৰুদ্ধ চাৰি ৰূপত চিত্ত-মন-বুদ্ধি-অহঙ্কাৰ দেবতাৰূপে ৰল। কৃষ্ণ ৰুক্মিনীৰ পুত্ৰৰূপে কামদেবেই প্ৰদ্যুম্ন নামে খ্যাত হ'ল। সম্বৰাসুৰে কৃষ্ণৰ পুত্ৰ প্ৰদ্যুম্নক হৰণ কৰিলে। কামদেব ভষ্ম হোৱাৰ পাচতে সম্বৰাসুৰে ৰতিক হৰন

কৰি নি গৃহত ৰাখিছিল আৰু ৰতিয়ে নানা মায়া কৰি সম্বৰাসুৰক মোহি আছিল। ৰতিয়ে নিজৰ নিচিনা নাৰী সৃষ্টিকৰি অসুৰক পত্নী হিচাবে দিছিল আৰু স্বামী কামদেৱক পোৱাৰ আশাত জীৱন কটায়। কামদেৱ পুনৰ জগতত জন্ম হৈছে বুলি জানি জন্মৰ দশমদিনা প্ৰদ্যুম্নক হৰন কৰিছিল কাৰন কামদেৱেই পুনৰ জন্ম লৈ সম্বৰাসুৰক বধ কৰিব বুলি সম্বৰাসুৰে জানিছিল।

সম্বৰাসুৰে প্ৰদ্যুম্নক সাগৰত পেলাই পলাই যায়। এটা শক্তিশালী মাছে লৰাটো গিলি পেলালে। এজন কৈৱৰ্ত্তই জালেৰে মাছ এটা ধৰি ৰজাক দিলে। মাছটোৰ পেটত কেচুৱা এটা পাই ৰতিয়ে স্তনদি ডাঙৰ দীঘল কৰিলে। নাৰদে ৰতিক লগ কৰি সেই শিশুটিৰ বিষয়ে সবিশেষ কলে আৰু তেৱেঁই ৰতিৰ স্বামী কামদেৱ বুলি কলে। লৰাটোক স্বামী হিচাবেলৈ ডাঙৰ দীঘল কৰিবলৈ নাৰদে কলে আৰু সিয়েই সম্বৰাসুৰক বধ কৰিব বুলি কলে। বধকৰাৰ পাচত দ্বাৰকালৈ দুয়ো গৈ ৰুক্মিনীৰ দুখ দূৰ কৰিবলৈও নাৰদে পৰামৰ্শ দিলে। অন্তৰ পুৰতে তেওঁ ডেকা হৈ উঠিল আৰু এই কথা কোনেও জানিব নোৱাৰিলে। অৱশেষত ৰতিয়ে প্ৰদ্যুম্নক সকলো কথাৰ ৰহস্য ভাঙি কলে আৰু সম্বৰাসুৰক বধ কৰিবলৈ কলে। ৰতিয়ে তেওঁক জৃম্ভন- মোহন আদি মায়া শিকাই দিলে। প্ৰদ্যুম্নই মহা প্ৰতাপী সম্বৰাসুৰৰ সকলো মায়া ভেদ কৰি শিৰচ্ছেদ কৰে আৰু পত্নী ৰতিক লৈ দ্বাৰকাত প্ৰবেশ কৰে। কৃষ্ণ-ৰুক্মিনী-বসুদেৱ দৈৱকী আদি দ্বাৰকাৰ প্ৰজাগনৰ আগত নাৰদে গৈ দুয়োৰো বৃতান্ত কলে আৰু সকলোৱে আনন্দ মনে প্ৰদ্যুম্ন-ৰতিক আদৰ সন্মান জনাই ধন্য মানিলে। কৃষ্ণৰ আন আন পত্নী সকলৰ ফালৰ পৰাও পুত্ৰ পৌত্ৰাদিৰ সৃষ্টি হয়। ভগৱান কৃষ্ণই বিশ্বৰূপ ধাৰন কৰি গৃহে থাকি সৃষ্টি কৰ্ম্ম সাধন কৰিলে। ৰুক্মিনীৰ ককায়েক ৰুক্মবীৰৰ কন্যা ৰুক্মৱতীক ভোজকট নগৰৰ পৰা প্ৰদ্যুম্নই বিবাহ কৰে আৰু তেওঁৰ পুত্ৰৰ নাম অনিৰুদ্ধ। প্ৰদ্যুম্নই ৰুক্মৱতীক বিয়া কৰোৱাৰ বাবে ৰুক্মবীৰৰ ৰাজ্যলৈ কৃষ্ণ-বলোৰাম-ৰুক্মিনী আদি গমন কৰে আৰু তাত বিপক্ষ ৰজাগনৰ উচতনিত ৰুক্মৱৰ আদিয়ে বলোৰামৰ লগত পাশা খেলি পৰাজয় হয় যদিও মিছাতে জিকিলো বুলি বলৰামক ব্যঙ্গ কৰাত বলৰামে ৰুক্ম আদি বীৰ সকলকবধ কৰে।

কামদেৱ ৰতি দেৱীৰ প্ৰেম স্বৰ্গীয় হোৱাৰ বাবে শিৱৰ ৰোষত পৰি কামদেৱ ভষ্ম হ'ল যদিও পতিপ্ৰানা পত্নীৰ কৰুন আহবানত কাম দেৱ পুনৰ জন্ম লভিব বুলি জানিব পাৰিলে। প্ৰকৃত প্ৰেমৰ কাহানিও অৱসান নঘটে; সেয়ে কাম দেৱে পুনৰ জন্ম পাই পবিত্ৰ প্ৰেমৰ পুনৰোত্থান ঘটালে। কৃষ্ণৰ পুত্ৰ প্ৰদ্যুম্নক হৰন কৰি নিয়াত কৃষ্ণই লগে লগে উদ্ধাৰ কৰিব পাৰিলে হেঁতেন কিন্তু তাকে কৃষ্ণই নকৰি সময় সুবিধা মতে কৰোৱালে। ঈশ্বৰৰ পৰিকল্পনা এয়ে, ইয়াক আপাত দৃষ্টিত বুজা টান। ভক্তিময় জীৱনতো পাৰ্থিৱ দুখ-অশান্তি-শোক আহিব পাৰে; তাৰ চুড়ান্ত প্ৰমান ৰুক্মিনীৰ পুত্ৰ অপহৰন। ভগৱানৰ সহায় থাকিলে সকলোৱে পৰিনাম সুখকৰ আৰু আনন্দময়- শান্তিময় হয়।

**(২১) ঊষা-অনিৰুদ্ধৰ কাহিনী, হৰিহৰ যুদ্ধ, বানৰ পৰাজয়ঃ-**

শেনিত পুৰত শিৱভক্ত সহস্ৰবাহু বানৰজাই মহা প্ৰভাৱেৰে ৰাজ্য শাসন কৰিছিল আৰু শিৱক সন্তোষ্ট কৰি বৰ লাভ কৰিছিল। শক্তিৰ বলত বলীয়ান হৈ বানে শিৱৰ ওচৰত সমকক্ষ যোদ্ধাৰো বিচৰাত শিৱই কলে "যি দিনা তোৰ ময়ুৰধ্বজ খহি পৰিব সেই দিনাই তই তোৰ প্ৰতিযোদ্ধা পাৰি আৰু তেওঁৰ হাততে তোৰ দৰ্প চূৰ্ন হব।

বানৰ ৰূপৱতী কন্যা ঊষাক কোনো পুৰুষে দেখা নোপোৱাকৈ ৰাখিলে বানৰ মন্ত্ৰী কুজগুৰ কন্যা চিত্ৰলেখাক সখীৰূপে ৰাখিলে। চিত্ৰলেখাই যোগমায়াৰ বলত চিত্ৰত সকলো নেদেখা নুশুনা লোকৰ চিত্ৰ আঁকিব পাৰিব বুলি শিৱৰ পৰা বৰ পাই থৈছিল। ঊষাই সপোনত অনিৰুদ্ধক দেখা পালে। তেওঁক শৃঙ্গাৰ দান কৰিলে। সাৰ পাই চিত্ৰলেখাক সপোনত দেখা পুৰুষ জনৰ চিত্ৰ আঁকিবলৈ কোৱাত চিত্ৰলেখাই বহুতো চিত্ৰ আকিলে আৰু অৱশেষত কামদেৱৰ পুত্ৰ অনিৰুদ্ধ কুমাৰক আঁকিলে আৰু কুমাৰৰ ভুবন মোহন ৰূপ দেখি চিত্ৰখনকে ঊষাই সাবটি ললে। ঊষাৰ অনুৰোধত চিত্ৰলেখাই মায়াৰ বলত দ্বাৰকাভিমুখী হ'ল আৰু নাৰদৰ পৰা হৰন লুকী মায়া অবগাহন কৰি অনিৰুদ্ধক হৰন কৰিবলৈ গ'ল আৰু অনিৰুদ্ধৰ কক্ষত প্ৰৱেশ কৰি হৰন কৰি আনি ঊষাক দিলেহি। ঊষাৰ লগত অনিৰুদ্ধৰ মিলন হ'ল। ঊষাৰ দেহত শৃঙ্গাৰৰ চিহ্ন দেখি ৰখীয়া সকলে ৰজাক সবিশেষ জনালে। বানে অন্তেষ পুৰত প্ৰৱেশ কৰি অনিৰুদ্ধৰ লগত যুদ্ধ কৰিলে আৰু নাগপাশেৰে বন্দী কৰি থলে।

দ্বাৰকাত অনিৰুদ্ধৰ অন্তৰ্দ্ধানক লৈ হুলস্থুল লাগিল আৰু নাৰদৰ মুখে সকলো কথা শুনি ৰাম-কৃষ্ণ-কাম-শাম্ব-শাৰন-সাত্যকি আদিয়ে যুদ্ধ যাত্ৰা কৰি শোনিতপুৰ পালেহি আৰু সিংহদ্বাৰ ভাঙি নগৰত প্ৰৱেশ কৰিলে। বানে সৈন্যগন লৈ প্ৰত্যাক্ৰমন কৰিলে আৰু শিৱয়ো পুত্ৰ সমন্বিতে বানৰ পক্ষলৈ যুদ্ধত অৱতীৰ্ন হ'ল। ভকতৰ বাবে হৰে আনকি হৰিৰ বিৰোদ্ধে যুঁজিবলৈ আহিল। হৰি-হৰৰ ভীষন যুদ্ধ হ'ল, হৰে ব্ৰহ্মঅস্ত্ৰ, পৰ্বৰ্বতবান, বৰুনবান, নাৰায়ন বান (ক্ৰমে)প্ৰহাৰ কৰি নিবাৰন কৰে আৰু অৱশেষত কৃষ্ণই জৃম্ভন বানমাৰি হৰক থৰক-বৰক কৰে। ত্ৰিশিৰাও পৰাস্ত হৈ কৃষ্ণত শৰন লৈ ৰক্ষা পৰে। বানৰ চাৰিখন হাত খাখি বাকীবোৰ কৃষ্ণই চক্ৰেৰে ছেদন কৰে। হৰে হৰিক বানৰ প্ৰান ৰক্ষা কৰিবলৈ স্তুতি কৰিলে। হৰিয়ে কলে যে প্ৰহ্লাদক কোৱা আছে তেওঁৰ বংশক ছন্ন নকৰে। অৱশেষত বানে ঊষাক-অনিৰুদ্ধ সহ আনি বিবাহ দিয়ে আৰু মাধৱে সসৈন্যে দ্বাৰকালৈ ঊষাক-অনিৰুদ্ধক লৈ আহে।

প্ৰহ্লাদৰ পুত্ৰ বিৰোচন, বিৰোচনৰ পুত্ৰ বলি আৰু বলিৰ পুত্ৰ বান। বান শিৱভক্ত। বৈষ্ণৱ ধৰ্ম্মৰ হাতত শৈৱধৰ্ম্মৰ পৰাজয় কাহিনীৰ মূল তত্ব। বান অত্যন্ত অহঙ্কাৰী, বলী হোৱাৰ বাবে ভগৱানে তাৰ অহঙ্কাৰ ছন্ন কৰিলে। পুৰুষৰ সান্নিধ্যৰ পৰা ঊষাক আঁতৰাই ৰাখিবৰ কাৰনে কৰা চেষ্টাৰ অসাৰতা ভগৱানে প্ৰমান কৰিলে। প্ৰকৃত প্ৰেমৰ

পৰিনতি সুন্দৰ হয়। অসুৰকন্যা হলেও ঊষাৰ কৃষ্ণ ভক্তি থকাৰ বাবে কৃষ্ণৰ নাতি অনিৰুদ্ধক স্বামী হিচাবে পালে। ভগৱানৰ আশীৰ্ব্বাদ হলে অসাধ্যও সাধন হয়, সপোনত প্ৰাধ্যান্য, বানৰ অহঙ্কাৰ দূৰীকৰ তত্ব দেখুওৱা হৈছে। চিত্ৰলেখাৰ আত্মোৎসৰ্গা প্ৰশংসনীয়।

**নৃগ ৰজাৰ উপাখ্যানঃ**- এদিন যদুকুমাৰগনে উপবনত খেলিবলৈ গৈ এটা কূপত এটা অদ্ভূত আকৃতিৰ জন্তু দেখি সকলোৱে মিলি দাঙি আনিবলৈ যত্ন কৰি নোৱাৰাত কৃষ্ণই বাঁও হাতেৰে তুলি আনিলে। সি দিব্যৰূপ ধাৰন কৰাত নোৱাৰাত কৃষ্ণই তাৰ বিষয়ে সোধাত সি কৃতাঞ্জলি কৰি কলে যে তেওঁ ইক্ষাকুবংশত নৃগ নামে এজন অত্যন্ত দানী ৰজা আছিল। তেওঁ অসংখ্য গো-দান কৰিছিল। এজন ব্ৰাহ্মনক দান কৰা গৰু ঘূৰি আহিলত তেওঁ আন এজন ব্ৰাহ্মনক দান কৰে ব্ৰাহ্মনে গো-লৈ যাওঁতে পূৰ্ব্বতে দান পোৱা ব্ৰাহ্মনে গৰু নিব বিচাৰিলে; দুয়ো গৈ ৰজাৰ ওচৰত পোৱাত ৰজাই দুয়োৰে ওচৰত ক্ষমা খুজিলে, পূৰ্ব্ব স্বামীয়ে গৰু এৰি ঘূৰি গ'ল, পাচত স্বামীয়ে গৰুলৈ গৃহলৈ গ'ল। তাতে বজাৰ ব্ৰহ্মস্ব পাৰ্প লাগিল আৰু যমৰ আদেশত তেওঁ কৃকলাশ শৰীৰ লৈ কুপত পৰি আছিল আৰু কৃষ্ণ চৰন ধিয়াই আছিল। কৃষ্ণক সকলো কৈ তেওঁ স্বৰ্গধামলৈ গতি কৰিলে।

দানত পুন্য সঞ্চয় হলেও তাত বিঘিনি নোহোৱা নহয় আৰু দান কৰি স্বৰ্গ পায়। নৃগ ৰজায়ো দান কৰি স্বৰ্গলাভ কৰে কিন্তু দান কৰি তেওঁ বিনাদোষতে ব্ৰহ্মস্ব পাতকত পৰিল। সেই পাপৰ পৰাও কৃষ্ণৰ সান্নিধ্যইহে উদ্ধাৰ কৰে। গতিকে ভগৱন্তৰ নামহে পাপ মোচনৰ মহৌষধ।

কৃষ্ণই ব্ৰাহ্মন ভক্তিৰ মাহাত্ম্যৰ বিষয়ে কৈছে যে ব্ৰহ্মজ্ঞান থকা জনেই ব্ৰাহ্মন বা বিপ্ৰ। সেই অৰ্থে তেওঁলোক মহন্ত লোক। তেওঁলোকৰ ওচৰত দোষ লগালে বিভিন্ন নৰক ভূগিব লগা হয়।

**বলৰামৰ যমুনাকাৰ্ষন, গোপীৰ লগত বলৰামৰ ৰাসক্ৰীড়াঃ**-

বলৰামে নন্দৰ গৃহলৈ গমন কৰি নন্দ-যশোদা-গোপগনক লগ কৰিলে আৰু, সকলোৱে কৃষ্ণৰ বাতৰি সুধিলে। গোপীগনে কৃষ্ণৰ বিৰহত আকুল হৈ আছিল আৰু বলৰামে গাপীগনক কৃষ্ণৰ দৰে ৰাসক্ৰীড়া কৰিলে। অৱশ্যে কৃষ্ণৰ সময়ৰ গোপী গনৰ পাছত জন্ম হোৱা গোপীগনৰ লগত হে বলৰামে বিহাৰ কৰিছিল। জলক্ৰীড়াৰ অন্তত বলৰামে যমুনাক মতাত যমুনা নাহিল আৰু বলৰামে নাঙ্গলেৰে যমুনাক আকৰ্ষন কৰি আনিলে। যমুনাই বলৰামৰ চৰনত পৰি সেৱা জনালে। তেতিয়া যমুনাক ক্ষমা কৰি বলৰামে যমুনাৰ জলত জলক্ৰীড়া কৰিলে।

**(২২) পৌণ্ড্ৰক আৰু কাশী ৰাজ বধঃ**-

বলৰাম গোকুলত থকাৰ সময়তে কৰুষ দেশৰ ৰজা পৌণ্ড্ৰকে নিজকে আচল বাসুদেব বুলি দ্বাৰকালৈ দূত পঠাই জনালে যে কৃষ্ণই মিছাতে বাসুদেব বুলি খ্যাতি



লভিছে আৰু কৃষ্ণই পৌণ্ড্ৰকৰ ওচৰত শৰন ল'ব লাগে। তাকে নকৰিলে তেওঁৰ লগত কৃষ্ণই যুদ্ধ কৰিব লাগে। সেই কথা শুনি কৃষ্ণই কাশী দেশত উপস্থিত হলগৈ; কাৰন পৌণ্ড্ৰক গৈ কাশী ৰাজৰ লগত আছিল। পৌণ্ড্ৰকে দুই আৰু কাশীৰাজে তিনি আক্ষৌহিনী সেনা লৈ কৃষ্ণক আবৰি ধৰিলে। কৃষ্ণই গৈ পৌণ্ড্ৰকক সাইলাস কৃষ্ণৰ ৰূপত দেখা পালে। শত্ৰু পক্ষই ভীষন প্ৰতাপেৰে যুদ্ধ কৰিলে আৰু কৃষ্ণই হেলাৰঙে গদা আৰু চক্ৰ ধৰি পৌণ্ড্ৰক আৰু কাশী ৰাজক বধ কৰে।

পৌণ্ড্ৰকে বৈৰভাৱে কৃষ্ণক চিন্তা কৰা আৰু কৃষ্ণৰ ৰূপৰ লগত মিলাই ৰূপ ধাৰন কৰাৰ বাবে মুক্তি লাভ কৰিলে। কাশীৰাজ নিহত হোৱাত তাৰ পুত্ৰ সুদক্ষিনে পিতৃ বৈৰীক বধ কৰাৰ মানসেৰে শিৱক ধ্যান কৰিলে আৰু শিৱৰ পৰা পৰামৰ্শ ও বৰ লাভ কৰি আভিচাৰ মন্ত্ৰৰ যোগে কৃতামহেশ্বৰীক দ্বাৰকালৈ পঠালে আৰু কৃতা মহেশ্বৰীক কৃষ্ণই চক্ৰেৰে খেদি নিলে আৰু কাশীপুত্ৰক পুৰুহিত সহ নিৰ্মূল কৰিলে। অভিচাৰ মন্ত্ৰৰ দ্বাৰা আনক বিনাশিব বিচাৰিলে নিজৰে মৰন হয়-

"অভিচাৰ কৰ্ম্মৰ জানিবা সেহিনয়।
পৰক নাপাৰি আপোনাক বিনাশয়।।" ১৭৭৩।।

**(২৩) বলৰামৰ দ্বিবিদ বধ ঃ লক্ষনাৰ বিবাহঃ**-

নৰকাসুৰৰ মৃত্যুত তেওঁৰ বন্ধু দ্বিবিদে দুখ পাই কৃষ্ণৰ ওপৰত প্ৰতিশোধ লোৱা মানসেৰে দ্বাৰকাত নানা অত্যাচাৰ কৰিবলৈ ধৰিলে। দ্বিবিদ সুগ্ৰীবৰ মন্ত্ৰী মৈন্দৰৰ সহোদৰ আৰু পৰাক্ৰমী বীৰ আছিল। ৰাম অৱতাৰত সামান্য ভকত আছিল বাবে তাৰ অত্যাচাৰৰ প্ৰতিকাৰ মাধৱে নকৰি হলিৰামলৈ থলে। বলৰামে কন্যাগনক লৈ ক্ৰীড়া কৰি থকা সময়তে নাৰীগনৰ কাপোৰ কানি ছিৰি অত্যাচাৰ কৰিলে। বলৰামে তাৰ সকলো অত্যাচাৰৰ প্ৰতিশোধ লবলৈ মোষল তুলি ললে আৰু দ্বিবিদে শালবৃক্ষ তুলি তুমুল সংগ্ৰাম কৰিলে। মুষ্ঠিৰ প্ৰহাৰ কৰি বলৰামে দ্বিবিদক কৰিলে, দেবগনে মঙ্গল ধ্বনি কৰিলে।

দুৰ্য্যোধনৰ দুহিতা লক্ষনাৰ সয়ম্বৰলৈ জাম্বৱতীৰ পুত্ৰ শাম্ব গৈ লক্ষনাক হৰন কৰিলে। কৌৰব গনে একত্ৰিত হৈ শাম্বক বন্দী কৰিলে আৰু লক্ষনাক উদ্ধাৰ কৰি নগৰলৈ লৈ গ'ল। নাৰদে এই কথা কৃষ্ণক জনালেগৈ। যদুগনে যুদ্ধলৈ সাজু হোৱা দেখি বলৰামে কৌৰবৰ লগত যুদ্ধ কৰিব নালাগে বুলি নিজেই গৈ উদ্ধৱক কুৰু সভালৈ পঠাই ৰাম অহাৰ বাতৰি দিয়ালে। কৌৰবে ৰামক সাদৰে আদৰিলে। বলৰামে কন্যা লক্ষনাক শ্বামৰ লগত বিয়া দিবলৈ কলে। এইয়া ৰজা উগ্ৰসেনৰ আজ্ঞা। দুৰ্য্যোধনে মহা অহঙ্কাৰ কৰি যুদ্ধ আহ্বানহে কৰিলে। বলৰামে দুৰ্য্যোধনৰ ঘোৰ দৰ্প-অহঙ্কাৰ দেখি-শুনি আৰু কৃষ্ণ নিন্দা শুনি, লাঙ্গলেৰে হস্তিনাপুৰ বিদীৰ্ন কৰিবলৈ আৰম্ভ কৰিলে। হস্তিনা নগৰত তল-বল লাগিল। কৌৰবে লক্ষনা-ও শাম্বক চৰণত অৰ্পন কৰি বলৰামৰ চৰণত

পৰিল আৰু কাতৰ প্ৰাৰ্থনা কৰিলে। বলৰামে পুত্ৰ-বধক আনি দ্বাৰকা পোৱালেহি আৰু দ্বাৰকাত মহাআনন্দ মিলিল, বলৰামক প্ৰশংসা কৰিলে।

ভকত ভকতেই, ভক্তি অকনমান হলেও ভক্তিয়েই। ৰাম ঈশ্বৰৰ অৱতাৰ দ্বিবিদ ৰামৰ সামান্য ভকত হোৱাৰ বাবেই দ্বিবিদে অশেষ অত্যাচাৰ কৰা সত্বেও কৃষ্ণই সহি থাকিল।ভকতিৰ মাহাত্ম্য ইয়াত প্ৰকাশ পাইছে। কিন্তু ভকত হলেও অত্যাচাৰৰ সীমা চেৰাই গলে ঈশ্বৰে প্ৰায়শ্চিত্ত কৰিবই; গতিকে বলৰামৰ যোগে ঈশ্বৰে দ্বিবিদক বধ কৰোৱালে।

দুৰ্য্যোধনৰ কন্যা লক্ষনাৰ উপযুক্ত স্বামী হিচাবে কৃষ্ণ-জাম্বৱতীৰ পুত্ৰ শাম্ব উপযুক্ত হোৱা সত্বেও কৌৰবে নিঃকিন বুলি ঘৃনা কৰিলে, আনকি কৃষ্ণ নিন্দাও কৰিলে। দুৰ্য্যোধনৰ কৃষ্ণ বিদ্বেষ আৰু নিজৰ অহঙ্কাৰৰ ফলস্বৰূপে অৱশেষত বলৰামৰ হাতত হাৰাশাস্তি খাব লগা হ'ল। সেইবাবে অৱশেষত জী কন্যাক কৃষ্ণৰ পুত্ৰত অৰ্পন কৰি শৰন ল'ব লগা হ'ল। ঈশ্বৰ নিন্দা আৰু আত্ম অহঙ্কাৰ ফল নিজৰ ধ্বংস।

(২৪) **নাৰদৰ কৃষ্ণ দৰ্শনঃ**-

অদ্ভুত কৃষ্ণ-লীলাৰ তত্ব লবলৈ নাৰদ দ্বাৰকালৈ আহিল। কৃষ্ণ এজন, কিন্তু তেওঁ আঠগৰাকী প্ৰধান মহিষীৰ উপৰিও নৰকক বধ কৰি যোল্লহাজাৰ এশ গৰাকী কন্যাক বিবাহ কৰি কেনেকৈনো গাহস্থ্য জীৱন কটায় তাক জানিবৰ কাৰনে বৰ মন গ'ল নাৰদৰ। মনোৰম দ্বাৰকা নগৰী প্ৰত্যক্ষ কৰি নাৰদে দেখিলে যে বিশ্বকৰ্ম্মাই নানাৰত্নে জাতিস্কাৰ কৰি যোড়শ হাজাৰ গৃহ কৃষ্ণ পত্নী সকলৰ কাৰনে নিৰ্ম্মান কৰিছে। প্ৰতি গৃহতে এগৰাকী পত্নী, অসংখ্য দাসী আৰু এজনকৈ কৃষ্ণ আছে। মুখ্য গৃহত ৰুক্মিনীয়ে কৃষ্ণক সেৱা কৰি থকা দেখিলে, আৰু কৃষ্ণই নাৰদক চৰন ধুৱাই পদজল মূৰত ললে, বিধিমতে অৰ্চ্চনা কৰিলে। কৃষ্ণই অন্য এক গৃহত সোমাই একেই দৃশ্য দেখিলে, আপ্যায়ন কৰিলে। সত্যভ্ৰমাৰ গৃহত প্ৰৱেশি কৃষ্ণই অন্য এক গৃহত সোমাই একেই দৃশ্য দেখা পালে। আন এঘৰত প্ৰৱেশ কৰি নাৰদে দেখিলে শিশুক কোলাত লৈ নাৰায়নে আনন্দত উত্তাৰল হৈ আছে। তাতো নাৰদক কৃষ্ণই অচ্চৰ্ন কৰি কুশল মঙ্গল সুধিলে। আন এঘৰত কৃষ্ণই পঞ্চমহাযজ্ঞ, হোম কৰি থকা দেখিলে। কোনো ঘৰত পঞ্চামৃতে ব্ৰাহ্মনক ভোজন কৰাইছে, কোনো গৃহত-মৌনব্ৰত ধৰি, কোনো ঘৰত পৰিহাস, ধৰ্ম্মসেৱা কামশাস্ত্ৰ, আদি কাৰ্য্য সমাধা কৰা নাৰদে দেখা পালে পুত্ৰগনৰ বিবাহ, জীয়েক সকলৰ বিবাহ, পুত্ৰ বধুগনৰ লগত মধুৰ আলাপ আদি গৃহস্থ কৰ্ম্মত কৃষ্ণই কৰ্ম্মকৰি থকা নাৰদে দেখি আচৰিত হ'ল। পৃথিৱীত মনুষ্যৰ যিমান বোৰ কৰ্ম্ম আছে সকলো বোৰ কৃষ্ণই প্ৰতি গৃহে গৃহে সমাধা কৰি আছে।

নাৰদে সকলোবোৰ যোগমায়া দেখি কৃষ্ণক কলে-

"তোমাৰ মনুষ্য লীলা দেখি আতিশয়।





ভৈলো মহা মোহ আশ্বাসিয়ো কৃপাময়।।" ১৯৫৩।।

কৃষ্ণই নাৰদক কলে-

"দেখা যত কৰো মই মনুষ্যৰ কৰ্ম্ম।

সজ্জনক শিক্ষাদিয়া প্ৰবতাও ধৰ্ম্ম।।" ১৯৫৫।।

"মই ধৰ্ম্মৰ মহত্বৰ বিষয়ে তোমাক কওঁ, তুমি জগতত ব্যক্ত কৰিবা।" বুলি কৃষ্ণই কলে। সবাৰো গৃহত এক ভগৱন্তই বিৰাজ কৰি থাকে। তেওঁ অনন্তবীৰ্য্য।

"যোড়শ হাজাৰ নিজ ভাৰ্য্যাৰ মন্দিৰ।

বিশ্বৰূপ প্ৰকাশিয়া দেব দামোদৰে।।" ১৯৬০।।

কৃষ্ণই গৃহস্থী নৰগনৰ গৃহধৰ্ম্ম পালনৰ আদৰ্শ নিজে দাঙি ধৰিছে, যি আদৰ্শ নাৰদে কৃষ্ণ দৰ্শন কৰিবলৈ গৈ গৃহে গৃহে দেখা পাইছিল। গৃহত থাকিও ভক্তি কৰিব যে পাৰি তাক সাংসাৰিক ভক্তি বোলা হয়। সংসাৰত থাকিও সংসাৰত লিপ্ত নহবলৈ ঈশ্বৰে কেছে। কৃষ্ণই পত্নীৰ মধুৰ সানিধ্যৰ পৰা আতৰি প্ৰতিনিতে নিজকে নিজে ধ্যান কৰি কটায়। পুৱা পুন্য জলত স্নান কৰি বস্ত্ৰ পৰিধান কৰি, নামঘৰত ভগৱানক চিন্তা কৰিব লাগে, আলহি-অতিথি-অভ্যাগতক শুশ্ৰুষা কৰিব লাগে। কৃষ্ণই সত্যৰূপ ধাৰন কৰি শোভন কৰ্ম্ম সমাধা কৰে বাবে তেওঁৰ সভা সুধৰ্ম্মা সভা। আমাৰ গৃহতো ভগৱান অমূৰ্ত ৰূপত বিৰাজমান হৈ আছে। আমাৰ দেহেই আমাৰ গৃহ। দেহত থকা আঠাইশ তত্বসহ-চৈতন্যময় ভগৱান কল্পই হৈছে দেহ। হৃদয়ত থকা ঈশ্বৰ কৃষ্ণই সুধৰ্ম্মা সভাত থকা কৃষ্ণ। দেহ কৰ্ম্মক্ষেত্ৰ হলেও ধৰ্ম্ম ক্ষেত্ৰ দেহস্থ অষ্ট ঐশ্বৰ্যই হৈছে অষ্ট মহিষী। যোল হাজাৰ স্নায়ু নাড়ী, দেহস্থ আত্মাৰ পত্নীগন। সমস্ত বিশ্বৰ বিভূতি কৃষ্ণৰ বিভূতি তাক নাৰদে প্ৰত্যক্ষ কৰিলে। নাৰদে বহিঃ দষ্টিত কৃষ্ণৰ সমস্ত সত্বা দেখি অন্তৰ দৃষ্টিত বিশ্বৰূপ প্ৰদৰ্শন উপলব্ধি কৰিলে। নাৰদৰ কৃষ্ণ দৰ্শনৰ তত্ব বিশ্বদৰ্শনৰ প্ৰতিবিম্ব।

(২৫) **কৃষ্ণৰ লগতপাণ্ডৱৰ মিলন ঃ জৰাসন্ধ বধঃ**-

ৰজা জৰাসন্ধই অসংখ্য সৈন্য লৈ দিগ্বীজয় কৰি কৃষ্ণ পক্ষীয় ৰজা সকলক শিৰ চতুৰ্দশীত পুজা কৰিবৰ কাৰনে বন্দী কৰি থৈছিল; ৰজা সকলে কৃষ্ণক ধ্যান কৰি দিন কটাইছিল। তেওঁলোকে এজন সৎপূৰুষক নিজৰ বিলাই বৰ্ননা কৰি কৃষ্ণক জনাবলৈ পঠালে আৰু তেওঁ সবিশেষ কৃষ্ণত সদৰি কৰিলেগৈ। ইতিমধ্যে নাৰদে আহি জনালেহি যে যুধিষ্ঠিৰে ৰাজসূয় যজ্ঞ কৰিবলৈ কৃষ্ণৰ পৰা অনুমতি বিচাৰিছে আৰু তাত কৃষ্ণক অৰ্চ্চি কৃতকাৰ্য্য হ'ব। এফালে ভক্ত ৰজাগনৰ উদ্ধাৰ আৰু আনফালে ভকত পাণ্ডবৰ মনোবাঞ্চা পুৰনৰ কাৰনে কৃষ্ণই প্ৰথমতে ৰজাগনৰ উদ্ধাৰ কৰি পাচত যজ্ঞ কৰাব বুলি নাৰদক কথাদিলে। উদ্ধৱৰ পৰামৰ্শ অনুসৰি কৃষ্ণই যদুবীৰ গনক লৈ ইন্দ্ৰপ্ৰস্থলৈ গমন কৰিলে। তেওঁলোকে চতুৰঙ্গ দল লৈ, দাৰুকে কৃষ্ণক ৰথত তুলি মহা প্ৰতাপেৰে অগ্ৰসৰ হ'ল। পাণ্ডৱে কৃষ্ণ আৰু যদুবীৰ গনক সাদৰে আগবঢ়াই দিলে। পুৰনাৰী আৰু পুৰবাসী

সকলে কৃষ্ণৰ দৰ্শন পাই পৰম আনন্দিত হ'ল। কুন্তীয়ে পৰম আনন্দিত হৈ সুভদ্ৰা দ্ৰৌপদীক লৈ কৃষ্ণক আদৰিনিলে। ৰুক্মিনী প্ৰমুখ্যে কৃষ্ণৰ পত্নী গনক এওঁলোকে মধুৰ আপ্যায়ন কৰিলে। এই দৰে কৃষ্ণ কৃষ্ণমহিসী যদুগন পাণ্ডব সকলৰ মহামিলন ঘটিল আৰু কিছুদিন পৰম আনন্দেৰে দিন নিয়ালে। পাণ্ডৱে ভক্তিভাৱে কৃষ্ণক শুশ্ৰূষা কৰি কৃষ্ণৰ গুনানুকীৰ্তন কৰিলে। কৃষ্ণই তেওঁলোকৰ একান্ত ভক্তিত তুষ্ট হৈ কলে-

"কৰিয়োক ৰাজসূয় যজ্ঞ বিধিমতে। তোমালোকৰ জন্ম দেৱতাৰ অংশত, তোমালোকে সমস্ত সংসাৰ জিনিব পাৰিবা। প্ৰেম ভকতিৰে মোক তোমালোকে জয় কৰিছা।

"ভকতি নভৈলে মোক লগ পাৰে কোনি।।" ২১৬৭।।

"যিজনে জানিব মোক ভৈল এক পৰ।
দৃঢ় কৰি বোলোতাৰ আছে কাক ডৰ।।
তেজে শ্ৰীয়ে যশে হলে ঐশ্বৰ্য্যে বিস্তৰে।
দেৱতাক নাটে কি কৰিব অল্প নৰে।।" ২১৬৮।।

কৃষ্ণৰ অনুগ্ৰহ লাভ কৰি যুধিষ্ঠিৰৰ আদেশত চাৰি ভায়ে কৃষ্ণক সেৱা জনাই দিগ্বীজয় কৰিবলৈ সেনাগনলৈ অগ্ৰসৰ হয়। তেওঁলোক দিগ্বীজয় কৰি ঘূৰি আহিল; মাত্ৰ জৰাসন্ধহে বাকী থাকিল। যুধিষ্ঠিৰে জৰাসন্ধক দমন কৰিবলৈ কৃষ্ণক অনুৰোধ জনালে।

**জৰাসন্ধৰ কাহিনীঃ-**

মগধৰ ৰজা বৃহদ্ৰথে কাশীৰাজৰ দুজনী যঁজা কন্যা বিবাহ কৰিলে আৰু দুয়োৰে সন্তান নহল। এদিন কৌশিক মুনিক সন্তোষ্ট কৰি ৰজা ৰাগীদ্বেয়ে এটি ফল পালে আৰু তাক ভক্ষন কৰিলেই পুত্ৰ লাভ কৰিব বুলি মুনিয়ে বৰ দিলে। দুয়ো ৰানীয়ে দুভাগ কৰি খোৱাৰ পাচত গৰ্ভৱতী হ'ল। সময়ত প্ৰতিগৰাকীৰ পৰা এফাল এফাল সন্তান জন্ম হ'ল। জৰা নামে ৰাক্ষসীয়ে দুয়োফান একেলগ কৰি এটি সন্তান কৰি দিলে আৰু সেই বাবে তাৰ নাম জৰাসন্ধ ৰখা হ'ল। কৃষ্ণই যুধিষ্ঠিৰক কলে যে ব্ৰাহ্মনৰ বৰত জন্মহোৱা বাবে মই তাক বাৰম্বাৰ বধ নকৰাকৈ এৰি আহিছো। কৃষ্ণই জৰাসন্ধক বধ কৰিবৰ কাৰনে ভীম-অৰ্জ্জুনক লৈ বিপ্ৰৰূপ ধাৰন কৰি জৰাসন্ধৰ ওচৰ পালেগৈ আৰু দান খুজিলে। জৰাসন্ধই অৱিহনা দিব বিচৰাত তাক প্ৰত্যাখান কৰি কৃষ্ণই জৰাসন্ধক কলে যে অসংখ্য বিষ্ণুভক্ত মহান নৃপতি গনক বন্দী কৰি ৰাখি কাটি শিৱপূজা কৰিবলৈ লোৱাৰ বাবে তেওঁ উদ্ধাৰ কৰিবলৈ আহিছে, কাৰন নিজে পশু হলেহে মনুষ্যক পশু কৰি বলিদিয়ে।

"জাতিত ক্ষত্ৰিয় সবে বিষ্ণুত ভকত।
তাক কি কাটিবে চাস দাৰুলী নিৰ্গত।।" ২২৬৯।।

"মনষ্যিক কাটি দেব পূজিবাৰ মন।।" ২২৭০।।

" মনুষ্যক পশু কবে আপুনি মনুষ্য।" ২২৭১।।

গতিকে ৰজাগনক মুকলি কৰি দিলে জৰাসন্ধৰ জীৱন ৰক্ষা পৰিব বুলি ব্ৰহ্মন বেশী কৃষ্ণই কয়। কৃষ্ণই ভীম আৰু অৰ্জ্জুনক চিনাক্ত কৰে আৰু কৃষ্ণ বুলি পৰিচয় দি যুদ্ধ আহ্বান জনায়। জৰাসন্ধই কৃষ্ণ আৰু অৰ্জ্জুনক অল্পবীৰ বুলি এৰি ভীমৰ লগত যুদ্ধ কৰিবলৈ ধৰিলে। দয়োৰে তুমুল গদাযুদ্ধ, মল্লযুদ্ধ বাহুযুদ্ধ কৰিবলৈ ধৰিলে। দুয়োৰে মাজত ভঙ্গ পৰাজয় নোহোৱাত মাধৱে এডাল বিৰিনা দুফাল কৰি ভীমক ইঙ্গিত দিলে। ভীমে জৰাসন্ধৰ এটাভৰি নিজ ভৰিৰে গচকি আনটো ভৰি বাহুৰে দাঙি দুফাল কৰিলে আৰু জৰাসন্ধক বধ কৰিলে। দেবগনে পুষ্পবৃষ্টি কৰিলে।

জৰাসন্ধক বধকৰি কৃষ্ণই পোতাশাললৈ গৈ দুৱাৰ ভাঙি বন্দী ৰজাগনক মুকলি কৰিলে। নানা দুৰ্গতি নিৰ্য্যাতন ভুগি থকা নৃপতিগনে মুক্ত হৈ কৃষ্ণক স্তুতি কৰিবলৈ ধৰিলে।

"নমো নমো কৃষ্ণ প্ৰভু বসুদেৱ
পৰমাত্মা সনাতন।
প্ৰনামো গোবিন্দ ভকত জনৰ
জন্ম মৃত্যু বিনাশন।।" ২৩৪৭।।

ঐশ্বৰ্য্যৰ গৰ্ব্বত গৰ্ব্বী ৰজাসকলৰ অধোগতি কি দৰে হয় কৃষ্ণই এই প্ৰসঙ্গতে উল্লেখ কৰিলে- "কাৰ্ত্তবীৰ্য্যই জগদগ্নিৰ কামধেনু কাঢ়ি নিয়াত পৰশুৰামে কাৰ্তবীৰ্য্যক বধ কৰে, নহুস ৰজাই ইন্দ্ৰপদ পাই শশীক বিয়া কৰিবলৈ বিচাৰি অজগৰ ৰূপ পায়, তেনে ঐশ্বৰ্য্যৰ গৰ্ব্বত বিপ্ৰক হৰন কৰি নি বিপ্ৰক নিন্দা কৰি ব্ৰাহ্মনৰ শাপত মৃত্যু হয়, ৰাবনে বলৰ গৰ্ব্বত সীতাক হৰন কৰি নি ৰামৰ হাতত বিনাশ হয়, অদিতিৰ কুণ্ডল হৰন কৰি নৰকৰ বিনাশ হয়,দেব সবো ঐশ্বৰ্য্যৰ গৰ্ব্বত অধোগামী হৈছে, গতিকে ৰজাগনে দেহ আদি অনিত্য বস্তুৰ বাবে গৰ্ব্ব নকৰিবা।"

"যেতিক্ষনে যেন মিলে তাকে আদৰিবা।
মোত চিত্ত দিয়া সৰ্ব্বকালে প্ৰবৰ্তিবা।।" ২৩৬১।।

ৰজাগনে কৃষ্ণক কলে-

"জীৱদান দিনা আসি মেলাইলা আপুন।
কোটি জন্মে কিমতে সূজিবো ইটো গুন।।" ২৩৭০।।

কৃষ্ণ-ভীম-অৰ্জ্জুন গৈ যুধিষ্ঠিৰৰ ওচৰ পোৱাত তেওঁ তিনিওকো অভিনন্দন জনালে আৰু জৰাসন্ধৰ বধত আনন্দিত হৈ ৰাজসূয় যজ্ঞৰ কাৰনে সাজু হ'ল। তেওঁ কৃষ্ণক স্তুতি কৰি কলে-

"দিত দীক্ষা শিক্ষা চক্ষু যজ্ঞ ৰাজসূয়।

তোমাকেসে পূজিবো যি মতে শুদ্ধ হুই।।
তুমি তুষ্ট ভৈলে তুষ্ট হোৱে চৰাচৰ।
কৰিয়ো নিষ্পাপ বাপ কৃপা কলে বৰ।।" ২৩৯০।।

**২৬) ৰাজসূয় যজ্ঞৰ আৰম্ভনি আৰু শিশুপাল বধঃ-**

কৃষ্ণই পৰিকল্পনা কৰি ৰাজসূয় যজ্ঞৰ আয়োজন কৰালে, ব্ৰাহ্মন, শিষ্ট, ভক্তগনকদূত পঠাই অনালে, ৰজাগনক আমন্ত্ৰন কৰি সমবেত কৰালে, ব্যাসক ব্ৰহ্মা হৈ বেদউচ্চাৰন কৰিবলৈ নিয়োজন কৰিলে, দ্ৰোন-ভীম কৰ্ন আদি জ্ঞাতি বৰ্গক বিদুৰ সহ অনালে, ৰন্ধন শালাৰ দায়িত্ব ভীমক দিলে, ধন সম্পতিৰ ভাণ্ডাৰৰ ভঁৰালী হিচাবে দুৰ্য্যোধনক দায়িত্ব দিলে। নকুলে দ্ৰব্য সমূহ গোটালে, অৰ্জ্জুনক সজ্জনৰ আপ্যায়নৰ দায়িত্ব দিলে, দান দিবলৈ কৰ্নক, বিপ্ৰবিচাৰনত অশ্বত্থামাক, বিপ্ৰ পত্নী ৰাজপত্নীক শুশ্ৰূষাত দ্ৰোপদী-সুভদ্ৰাক, আৰু বিপ্ৰৰ পদ প্ৰক্ষালনত কৃষ্ণই দায়িত্ব ললে।

যজ্ঞভূমি নিৰ্ম্মিত হ'ল, লগে লগে ৰাজসূয় যজ্ঞৰ শুভাৰম্ভ হ'ল। ব্যাসে যুধিষ্ঠিৰক দীক্ষিত কৰালে আৰু চতুৰ্ভুজৰূপ মনত স্থাপন কৰি ভগৱানত অৰ্ঘ্য আচমনাদি অৰ্পন কৰিলে আৰু যজ্ঞ সূত্ৰ পীত ত্ৰিপট বসন কৃষ্ণ পাৱত নিবেদন কৰিলে। যুধিষ্ঠিৰে বিষ্ণু পূজাৰ অবসান ঘটাই হোমাদি কৃত্য সমাপন কৰিলে। ঋষিগনে হোম সমৰ্পন কৰি মাধৱত কৃতাঞ্জলি ধৰি কোৱাত নাৰায়নে ৰত্ন সিংহাসনত যুধিষ্ঠিৰ দ্ৰোপদীক বহোৱালে। ভীষ্মই যুধিষ্ঠিৰক কলে যে আচাৰ্য্য ঋতিজ পিতৃ এই তিনিজন, বিদ্যাত স্নাতক আৰু বৈষ্ণৱ ব্ৰাহ্মন, মহাৰজা আৰু প্ৰিয়তম এই ছয় জনৰ ভিতৰত যুধিষ্ঠিৰে মনে জানি সবাতো অধিক শ্ৰেষ্ঠ মহামানী জনক অৰ্চ্চিবলৈ কলে। প্ৰথমতে কাক অৰ্চ্চনা কৰিব যুধিষ্ঠিৰে মনতে ভাবিলে। সহদেৱে কৃতাঞ্জলি কৰি কলে যে কৃষ্ণকহে প্ৰথমে মহাপূজা কৰিব লাগে, কিয়নো-

"সকলো দেৱতা মূৰ্ত্তি এহেন্তে শ্ৰীকৃষ্ণ।
এহেন্তেসে কালদেশ ধন দ্ৰব্য ইষ্ট।।"

এওঁৰ গুন বেদশাস্ত্ৰত প্ৰশংসা কৰা হৈছে, এওঁ ভকৎবৎলন অচ্যুৎ ভগৱন্ত। কৃষ্ণত কৈ গুৰুতম কোনো হ'ব নোৱাৰে। ঋষি সাধক ভক্ত সিদ্ধি গনে সমৰ্থন কৰিলে। ভীষ্মই সহদেৱৰ মত সমৰ্থন কৰিলে। কিয়নো কৃষ্ণ বিনে শ্ৰেষ্ঠ কোনো হ'ব নোৱাৰে, কৃষ্ণই সভাত মহাসূৰ্য্যৰ দৰে প্ৰতিভাত হৈছে, এওঁ ত্ৰৈলোক্যৰ ঈশ্বৰ। ভীষ্মই কলে।

"কহিলোহো নিষ্ঠে নিষ্ঠ," গতিকে যুধিষ্ঠিৰ কৃষ্ণকেই প্ৰথমে পূজা কৰা। যুধিষ্ঠিৰে ভীষ্মৰ কথাত সন্তোষ্ট হৈ প্ৰথমে কৃষ্ণৰ শিৰত হেম মালা পিন্ধালে মাধৱৰ চৰন কমল প্ৰক্ষালন কৰিলে, আৰু পাণ্ডৱৰ সকলোৱে পাদোদক শিৰত ললে। কৃষ্ণভক্ত গনে জয় জয়বুলি আসনৰ পৰা উঠিল আৰু সেৱা জনালে। দেৱগনে পুষ্প বৃষ্টি কৰিলে। সভাত থকা শিশুপালে কৃষ্ণৰ বন্দন সহ্য কৰিব নোৱাৰি ঠিয় দি কৃষ্ণক গালি পাৰিবলৈ ধৰিলে। সহদেৱ মূৰ্খ, ভীষ্মই ধৰ্ম্ম নাজানে বাবে সহদেৱৰ মত সমৰ্থন কৰিছে, মাধৱ গোৱাল, কাউৰীতুল্য, সৰ্ব্বগুনে হীন, পুন্যপথে বিৰহিত, মদ্যপায়ী, অনাচাৰী আদি বানীৰে কৃষ্ণক তিৰস্কাৰ কৰে। ভীষ্ম, দ্ৰোন, কৰ্ন, শল্য, অশ্বত্থমা, দুৰ্য্যোধন, দ্ৰুপদ, ব্যাস আদিক অবহেলা কৰি কৃষ্ণক অগ্ৰাসন দিয়াৰ বাবে শিশুপালে পাণ্ডৱক ককৰ্থনা কৰে। এই সকলো বোৰ শুনি কৃষ্ণই হঁহাত শিশুপালে পুনৰ নিন্দা কৰিবলৈ ধৰিলে।

এইবাৰ শিশুপালে প্ৰত্যক্ষ ভাৱে কৃষ্ণক কবলৈ ধৰিলে। "নিলাজ, মন্দমতি, অনৃপতি, নপংসক, আদি আখ্যা দি কৃষ্ণক শিশুপালে নিন্দা কৰি সভাত্যাগ কৰিবলৈ লোৱাত যুধিষ্ঠিৰে বুজাই বঢ়াই সভা ত্যাগ নকৰিবলৈ কয়। ভীষ্মই কৃষ্ণৰ শ্ৰেষ্ঠত্ব আৰু ঈশ্বৰত্ব ব্যাখ্যা কৰি যুধিষ্ঠিৰক ক্ৰোধমিশ্ৰিত নিৰ্দ্দেশ দি কলে যে ৰজাই শিশুপালক প্ৰবোধ দিয়া অনুচিত আৰু তেওঁ সভাৰ পৰা আতৰি যোৱাটোহে ভাল হয়। সহদেৱেও কৃষ্ণৰ শ্ৰেষ্ঠত্ব পুনৰ প্ৰতিপন্ন কৰি কলে আৰু নাৰদাদি মুনিয়েও সহদেৱৰ কথাত মহাসন্তোষ পালে। শিশুপালে অসহ্য হৈ বিপক্ষ ৰজাক লৈ যজ্ঞ নষ্ট কৰিবলৈ যুদ্ধলৈ সাজু হ'ল। যুধিষ্ঠিৰে কথা বিষম দেখি ভীষ্মৰ ওচৰত উপায় বিচাৰিলে আৰু ভীষ্মই কলে যে কৃষ্ণসিংহ শুইহে আছে, সময়ত কুকুৰক এসেকা দিব।

ভীষ্মৰ ভৎসনা শুনি শিশুপালে ভীষ্মক কুৰুকুলাধম, দুষ্ট বুদ্ধি আদি আখ্যাৰে নিন্দকৰি কৃষ্ণই কৰি অহা কৰ্ম্মৱলী উল্লেখ কৰি কৃষ্ণ নিন্দা কৰিবলৈ ধৰিলে। পুতনাক বধ কৰি নাৰী হত্যা, পচাঁকাঠৰ শকটক লাঠিমাৰি ভঙা, বেদ পন্থ ছন্ন কৰি ইন্দ্ৰ পূজা বন্ধ কৰি উই হাফলু সমান গোবৰ্দ্ধন সাত দিন ধৰি ধখা, উঁৱেখোৱা অৰ্জ্জুন গছ দুজোপা ভঙা, কালী দমনাদি কাম সমূহ কৰাৰ কাৰনে কৃষ্ণক ভীষ্মই শ্ৰেষ্ঠবুলি ভবা মুৰ্খামিৰ বাহিৰে কি হ'ব পাৰে বুলি শিশুপালে কলে। কৃষ্ণই কৰি অহা সকলো কৰ্ম্মক উল্লেখ কৰি শিশুপালে নিন্দাকৰিলে।

ভীষ্মক ভৎসনা, কৃষ্ণক নিন্দা, পাণ্ডৱক গালি পৰাত সমস্ত বৈষ্ণৱ গনে কানত আঙুলি দি সভাত্যাগ কৰে। তাকে দেখি শুনি মহাবলী ভীমে শিশুপালক খেদি যোৱাত ভীষ্মই পুনৰ বাধা দি ৰাখিলে।

ভীষ্মই ভীমক শিশুপালৰ জন্ম কাহিনী বৰ্ননা কৰি শুনালে।

**(২৭) শিশুপালৰ জন্ম-কাহিনীঃ-** বসুদেৱৰ ভনীয়েক শ্ৰুতস্ৰবাক দমঘোষ ৰজাই বিয়া কৰায়। তেওঁলোকৰ এটি পুত্ৰ জন্মে। পুত্ৰটিৰ তিনিটা চকু, বিকট দেহ, গাধৰ দৰে মাত, চৰিখন হাত। আকাশী বানী হ'ল। "ই সুন্দৰ ৰজা হ'ব, তাৰ পৰা তেওঁৰ অমঙ্গল নহব, কাৰো হাতত নমৰিব।" মাতৃয়ে ঈশ্বৰক কৃতাঞ্জলি কৰি সুধিলে তাৰ মৃত্যু কাৰ হাতত হ'ব? আকাশ বানীয়ে কলে "তোমাৰ পুত্ৰক যি জনে কোলাত ললে দুখন হাত, এটা চকু লোপ পাব, তেওঁৰ হাততে তাৰ মৃত্যু হ'ব।" ৰজা সকলে চাবলৈগৈ কোলাত লয় আৰু দুই হাত, এক চক্ষু লোপ নাপায়। এদিন ৰাম কৃষ্ণই পেহীয়েকক চাবলৈ গ'ল,

মাকে লৰাটিক কৃষ্ণৰ কোলাত তুলি দিয়াৰ লগে লগে তাৰ এটা চকু আৰু দুখন হাত লোপ পালে। মাকে কৃষ্ণক কাকুতি কৰি কলে যে শিশুপানৰ অপৰাধ যেন কৃষ্ণই মাৰ্জ্জনা কৰে। কৃষ্ণই কলে যে তেওঁ শিশুপালৰ এশটালৈকে অপৰাধ ক্ষমা কৰিব।

শিশুপালে পুনঃ ভীষ্মক ভৎসনা কৰিলে। কৃষ্ণক প্ৰশংসা কৰা শুনি তেওঁ ভীষ্মক গালি পৰাৰ উপৰিও ৰজাগনক লগাই যুদ্ধ কৰিবলৈ সাজু কৰায়। ভীষ্মই সেই ভৎসনাক কটাক্ষ নকৰি কৃষ্ণৰ গুনহে বখানিবলে। শিশুপালে ভীষ্মক ভৎসনা কৰি কৰি কৃষ্ণক তীব্ৰ ভাবে নিন্দা কৰিবলৈ লাগি গ'ল আৰু অস্ত্ৰ ধৰি কৃষ্ণৰ লগত যুজিবলৈ অহিল। কৃষ্ণই ইমান পৰে মৌন হৈ আছিল, কিন্তু সীমাচেৰাই যোৱাত ৰজা গনক সম্বোধি কলে যে তেওঁ মৌন হৈ পেহীৰ পুতেক বুলি সকলো নিন্দা সহি আছে। সি বহুবাৰ কৃষ্ণৰ বংশৰ ওপৰত অত্যাচাৰ কৰি আহিছে, কিন্তু আজি যি বোৰ কথা কেছে তাক আৰু সহি থাকিব নোৱাৰে। পাণ্ডু পুত্ৰগনে শিশুপালৰ বিপক্ষে ফুঁজিবলৈ সাজু হ'ল আৰু পাণ্ডু পুত্ৰ সকলক শিশুপালে গালি পৰা সহ্য কৰিব নোৱাৰি নিজ সৈন্যগণক বাৰন কৰি হাতত চক্ৰ তুলি ললে আৰু শিশুপাললৈ নিক্ষেপ কৰিলে। লগে লগে চক্ৰই তাৰ শিৰচ্ছেদ কৰিলে। শিশুপালৰ আত্মা কৃষ্ণত বিলীন হৈ গ'ল। শিশুপাল পূৰ্বজন্মত জয়, পাছৰ জন্মত হিৰন্যকশিপু আৰু তাৰ পাছৰ জন্মত শিশুপাল জন্ম লয়।

শিশুপালে কৃষ্ণ বিদ্বেষ কৰি কৃষ্ণক বৈৰ ভাবে ভক্তিহে কৰিছিল। ভীষ্ম পৰম বৈষ্ণৱ বাবে ভগৱন্ত কৃষ্ণৰ গুনানুকীৰ্তন কৰি কৃষ্ণ-ভক্তি কৰিছিল। পাণ্ডৱ সকল কৃষ্ণ পৰায়ন হোৱাৰ বাবে কৃষ্ণ ভক্তিতেই তদগদহৈ অছিল। ভগৱন্ত কৃষ্ণই ভকতক ৰক্ষা কৰে আৰু ভকতক নিন্দা কৰাজনক নিৰ্মূল কৰে। শিশুপাল, দন্তবত্ৰ বৈকুণ্ঠৰ দুৱৰী আছিল,তৃতীয় জন্মত তেওঁলোকে বৈৰভাবে ভজি মুক্তি লাভ কৰি বৈকুণ্ঠৰ দুৱৰী হ'বলৈ সক্ষম হয়।

**ৰাজসূয়ে যজ্ঞ সম্পাদনঃ-**

শিশুপালৰ মৃত্যুৰ লগে লগে বিপক্ষ ৰজাসকল পৃষ্ঠভঙ্গ দিলে। মহাসমাৰোহেৰে যজ্ঞৰ বিভিন্ন কৰ্ম্ম সম্পাদন হোৱাৰ পাচত যুধিষ্ঠিৰে নিমন্ত্ৰীত অতিথি, ব্ৰাহ্মন দ্বিজাদিক অৰ্চ্চন-বন্দন-তোষন-ভোজন আদি কৰে। সন্ত মহন্ত সকল কৃষ্ণৰ ভক্ত বৎসল গনে ভূয়সী প্ৰশংসা কৰে। দুৰ্য্যোধনৰ বাহিৰে ত্ৰিভুবনৰ সকলো তুষ্ট হ'ল।

"ৰাজাগন মোক্ষ জৰাসন্ধ বধ
শিশুপাল বিনাশন।
ৰাজসূয় যজ্ঞ অবভৃথ স্নান
মহাপাপ নিবাৰন।।" ২৬৬৮।।

দুৰ্য্যোধনে পাণ্ডৱৰ অগাধ সম্পত্তি দেখি অন্তৰতে হিংসা ভাব পোষন কৰি ৰাখিলে আৰু কুৰুক্ষেত্ৰ সমৰৰ প্ৰথম আৰু মূল কাৰন এয়ে। ৰাজসূয় যজ্ঞৰ মধুৰ সমাগন, পাণ্ডৱৰ





প্ৰধান্য, কৃষ্ণৰ সংযোগ দেখি দুৰ্য্যোধনৰ পৰম ঈৰ্ষা সৃষ্টি হ'ল। ময়দানৱে সাজি দিয়া ৰাজসভাৰ স্থানত দুৰ্য্যোধনে স্থলভাগকে জলবুলি বস্ত্ৰ দঙি ললে আৰু জল ভাগক স্থল বুলি বস্ত্ৰ তিয়ালে। তাকে দেখি ভীম, নাৰীগনে হাঁহিলে। ইয়াতে তেওঁ অত্যাধিক লাজপাই হস্তিনাপুৰলৈ গমন কৰে।

**(২৮) শাল্ব, দন্তবক্ৰ, বিদুৰথ বধঃ-**

ৰজাসূয় যজ্ঞৰ পাচত যুধিষ্ঠিৰৰ গৃহত কৃষ্ণ থকাৰ সময়তে শিশুপালৰ বন্ধু শাল্বই শিৱক তপস্যা কৰি এটি বৰ লাভ কৰিলে। কাৰন ৰুক্মিনী হৰনৰ সময়ত শাল্বই প্ৰতিজ্ঞা কৰিছিল যে "যাদব বৰ্জ্জিত ইটো কৰো বসুমতী।" বৰটি আছিল-

"দেবাসুৰ মনুষ্য গন্ধৰ্ব্ব আদি যত।"
যক্ষ ৰক্ষ পিশাচতো নাহি যাৰ হত।।

আৰু এখন বৃষ্ণিবংশ ভয়ানক বিমান লাভ এই বৰৰ অংশ আছিল। ময়দানবে বিমান নিৰ্ম্মন কৰি দিলে। এই ৰথলৈ শাল্বই দ্বাৰকা আক্ৰমন কৰিলে আৰু এফালৰ পৰা দ্বাৰকা নগৰ ছাৰখাৰ কৰি নিবলৈ ধৰিলে। বিমানত উঠি শাল্বই ভীষন যুদ্ধ কৰিলে। প্ৰদ্যুম্নৰ শৰে সকলো সৈন্যকে থকা সৰকা কৰিলে। দুম্যন্তক প্ৰদ্যুম্নই শিৰচ্ছেদ কৰিলে আৰু সাতাইশ দিন যুদ্ধ চলিল। সেই সময়তে কৃষ্ণ-বলৰাম আদিয়ে পাণ্ডৱৰ পৰা বিদায় লৈ দ্বাৰকা পায়হি আৰু অনতি পলমে দাৰুকৰ ৰথত উঠি যুদ্ধক্ষেত্ৰ পায়গৈ। কৃষ্ণৰ গদাৰ কোবত শাল্ব আঘাট পাপ্ত হৈ মায়া কৰি মায়াৰূপী বসুদেবক ৰথত বান্ধি আনি কৃষ্ণক প্ৰদৰ্শন কৰে আৰু মুণ্ডছেদ কৰি মৰামুণ্ড হাতত তুলি ললে। শাল্বই মায়া যুদ্ধ কৰিবলৈ ধৰে। কৃষ্ণই কটামুণ্ডৰ তেজ নেদেখি মায়া বুলি ধৰিব পাৰিলে। গদাৰে বাসুদেবে দৈত্যৰ ৰথ, বাহু, আদি কাটি পেলালে আৰু সুদৰ্শন চক্ৰেৰে শিৰচ্ছেদ কৰিলে।

সুহৃদৰ বধত ক্ৰোধ কৰি ভাতৃ দন্তবক্ৰেই কৃষ্ণক আক্ৰমন কৰিলেহি। দন্তবক্ৰ পুৰ্বজন্মত বৈকুণ্ঠৰ দুৱৰী আছিল, অভিশপ্ত হৈ প্ৰথমে হিৰন্যাক্ষ, ২য়তে কুম্ভকৰ্ন আৰু তৃতীয় জন্মত দন্তবক্ৰ হৈ কৃষ্ণ-বিদ্বেষ কৰিছিল। কৌমদকী গদাৰে কৃষ্ণই দন্তবক্ৰক বধ কৰে আৰু তাৰ আত্মা কৃষ্ণতে বিলীন হয়। দন্তবক্ৰৰ ভায়েক বিদুৰথে কৃষ্ণক আক্ৰমন কৰাত তাকো বধ কৰে আৰু বিজয়ী হৈ দ্বাৰকা লৈ ঘূৰি আহে।

দুৰ্জ্জন সকল দুৰ্জ্জৰ মিত্ৰ আৰু তেওঁলোকে মিত্ৰসকলৰ বাবে যুদ্ধ কৰি নিপাত হয়। কৃষ্ণ ভকতৰ মিত্ৰ কৃষ্ণহে আৰু কৃষ্ণই নিজ ভক্তক সততে ৰক্ষা কৰে। দানবৰ মায়াই সংসাৰ মোহি থাকে; তাক দূৰ কৰিবলৈ কৃষ্ণ ভক্তিহে মহৌষধি। শিৱ আশুতোষ বাবে যিয়ে তেওঁক তপ কৰে তেওঁকেই সন্তোষ্ট হৈ বৰ দিয়ে। কিন্তু কৃষ্ণ শক্তিয়ে সেই বৰৰ সুৰুঙাইদি প্ৰবেশ কৰি বৰ প্ৰাপ্ত জনক বিনাশ কৰে। বৈৰ ভক্তিৰ মহিমাময় বাবে

তেনেজনৰ মৃত্যুৰ পাচত কৃষ্ণতে লীন মুক্তি লাভ কৰে। ইয়ো ভকতক ভগৱানে দয়া কৰাৰ উদাহৰন।

(২৯) **বলভদ্ৰৰ ৰোমহৰ্ষন, বল্বল বধঃ-**

বলৰামে তীৰ্থযাত্ৰা কৰাৰ উদ্দেশ্য হৈছে দুৰ্জ্জন জনক সংহাৰ কৰা আৰু ধৰ্মধ্বজী মহাপাপীগনক বধ কৰা। ইফালে কুৰু পাণ্ডৱৰ মাজত কন্দল লগাত বলভদ্ৰই কাৰো পক্ষ নলৈ তীৰ্থযাত্ৰাকেই বাচি ললে। বিভিন্নতীৰ্থ ভ্ৰমন কৰি কৰি নৈমিষাৰন্যত উপনীত হলগৈ। মহামুনি গনৰ আগত সূতে ভাগৱত ব্যাখ্যা কৰি আছিল। ৰাম প্ৰবেশ কৰাৰ লগে লগে সূতৰ বাহিৰে সকলো যতী গনে আসনৰ পৰা উঠি অৰ্চ্চনা কৰিলে। ৰামে আসন গ্ৰহন কৰি ক্ষত্ৰিয়ৰ তেজত ব্ৰাহ্মনীৰ গৰ্ভত জন্ম গ্ৰহন কৰা ব্যাস শিষ্য সূতক উচ্চাসনত বহি থকা দেখি খং কৰি কলে-

"আছে ইতিহাস বহু পুৰান পঢ়িয়া।।
তভো দুষ্টমতি ভৈল অজাতিৰ গুনে।
পণ্ডিত বোলাই ব্ৰাহ্মনৰ মান্য ঘেনে।। ২৮২৮।।
জিতেন্দ্ৰিয় নুহি যিটো ধৰ্ম্মত বিনীত।
তাৰ শাস্ত্ৰজ্ঞানে কিছু নসাধয়।" ২৮২৯।।

আৰু হাতত কুশলৈ সূতক বধ কৰিলে। মুনিগনে একত্ৰিত হৈ কলে যে তেওঁলোকে সূতৰ মুখৰ পৰা পুৰান শুনিছিল আৰু পুৰান ব্যাখ্যা শেষ নোহোৱালৈকে তেওঁৰ মৰন নহ'ব বুলি কৈছিলি; ঈশ্বৰেই কৈছিল যে-

"ব্ৰাহ্মনক নবধিব সুৰাক নিপিব।
বিপ্ৰৰ সুবৰ্ন গুৰুপত্নী নহৰিব।"২৮৩৬।।

কিন্তু সেই ভগৱানেই বেদ বাক্য লঙঘন কৰি ব্ৰহ্মবধ কৰিলে। গতিকে ঈশ্বৰে নিজেই চিন্তা কৰক। বলৰামে মুনিগনক কথা ৰাখি শাস্ত্ৰ শেষ নোহোৱালৈকে সূতক জীৱন দান দিলে। মুনিগনে বলৰামৰ কাৰ্য্যত আনন্দিত হ'ল আৰু অত্যাচাৰী ইল্বলৰ পুত্ৰ বল্বলক বধ কৰি মুনিগনগ নিৰাপদে নিজকৰ্ম্ম কৰিবলৈ সুবিধা দিব লাগে বুলি অনুৰোধ কৰে আৰু তাৰ পাচত তীৰ্থসেৱা কৰি ব্ৰহ্ম বধৰ প্ৰায়শ্চিত্ত কৰিবলৈ উপদেশ আগবঢ়ায়। বলৰামে বল্বলক হলেৰে বধ কৰে আৰু বিভিন্ন তীৰ্থ পৰ্য্যটন কৰি আহিদ্বাৰকা পালেহি।

ৰোমহৰ্ষন বা সূতে নৈমিষ্যাৰন্যত শাস্ত্ৰ কথা মুনিসকলৰ আগত কৈ থাকেতে বলভদ্ৰ উপনীত হোৱাত সূতে বিধিমতে বলোৰামক সৌজন্যতা দেখুৱাব লাগিছিল। শাস্ত্ৰৰ জ্ঞানী গনে শাস্ত্ৰকথা আনক বিলোৱাৰ লগে লগে শাস্ত্ৰমতে আচৰন কৰ্ম্মও কৰিব লাগে। শাস্ত্ৰৰ মূল তত্ব জগতৰ ঈশ্বৰ কৃষ্ণ, শাস্ত্ৰত ভগৱানৰ কথা বৰ্নিত হয় আৰু বাঙ্ময় মূৰ্ত্তিহে ধৰি থাকে। বাস্তৱত ঈশ্বৰক দেখা পোৱাৰ লগে লগে তেওঁও আত্মাসৰ্গ



কৰিব লাগে। বলৰাম ভগৱন্তৰ অৱতাৰ, তেওঁ অনন্ত; গতিকে তেওঁক আগত দেখিও নিজকে শ্ৰেষ্ঠ বুলি তেওঁৰ প্ৰতি দেখুৱাব লগীয়া ভক্তিভাৱ নেদেখুওৱাৰ বাবেই সুতৰ মৃত্যু নামি আহিল, তথাপি ভক্ত মুনি গনৰ অনুৰোধত সূতক পুনৰ জীৱন দান দি ভগৱন্তৰ কথা ব্যক্ত কৰিবলৈ বলৰামে সুবিধা দিলে।

মুনি সকলে ভগৱনৰ অৰ্থে সম্পন্ন কৰা মাঙ্গল্য কৰ্ম্মত অসদাচৰন কৰাৰ বাবে বল্বলৰ মৃত্যু হয়। সাধু-সন্ত-মহন্তৰ মঙ্গলময় কৰ্ম্মত বাধা দান কৰিলে ভগৱান অসন্তোষ্ট হ্‌য় আৰু তাৰ ফল মাৰাত্মক হয়। ব্ৰহ্মবধ মহাপাপ, হলিৰামে সেই কৰ্ম্ম কৰাৰ বাবে প্ৰয়শ্চিত্তৰ বাবে তীৰ্থ পৰ্য্যটন কৰি মানবৰ বাবে আদৰ্শ দাঙি ধৰে। ভীম দুৰ্য্যোধনৰ মাজত হোৱা গদাযুদ্ধ বন্ধ কৰিবলৈ বলৰামে চেষ্টা কৰিছিল; তেওঁ পক্ষাপক্ষ গ্ৰহন কৰা নাছিল নিৰপেক্ষ ভাৱেই জগতৰ সকলোকে চাইছিল। ঈশ্বৰৰ বাবে কোনো শত্ৰু নহয়, কোনো মিত্ৰ নহয়। নিজ কৰ্ম্মৰ দ্বাৰা শত্ৰু-মিত্ৰৰ ভাব আহিপৰে। নিজেই নিজৰ শত্ৰু আৰু নিজেই নিজৰ মিত্ৰ।

(৩০) **দামোদৰ বিপ্ৰৰ আখ্যানঃ-**

কৃষ্ণৰ সহিতে গুৰু গৃহত শিক্ষা লাভ কৰা এজন দৰিদ্ৰ কাম-ক্ৰোধ ৰহিত এজন বিপ্ৰ আছিল। তেওঁ ভিক্ষাৰ ওপৰত নিৰ্ভৰ কৰি গৃহাশ্ৰম ধৰ্ম্ম পালন কৰিছিল তেওঁ কেৱল কৃষ্ণসেৱা কেহে কৰে আৰু সাত-আঠদিনৰ মূৰতহে ভোজন কৰে। তেওঁ অষ্টম দৰিদ্ৰ আছিল যদিও মনত সদায়ে আনন্দ। তেওঁৰ ধৰ্ম্ম পত্নীও একান্ত কৃষ্ণ ভক্তা আছিল। পত্নীয়ে স্বামীক সহপাঠী কৃষ্ণৰ ওচৰলৈ পঠালে; কিয়নো ব্ৰাহ্মনে কৃষ্ণ দৰ্শন লাভ কৰাৰ উপৰিও কিছুধন-সোন পাব পাৰে। ব্ৰাহ্মনীয়ে চাৰি মুঠিমান শালি চাউল মাগি আনি তাকে চিৰা কৰি কানিৰ টোপোল বান্ধি স্বামীক দিলে আৰু তাকে লৈ ব্ৰাহ্মনে কৃষ্ণৰ ওচৰ পালেগৈ।

কৃষ্ণই সোনৰ পালেঙৰ পৰা নামি আহি বাল্য বন্ধু দামোদৰ বিপ্ৰক সাবটি ধৰি শয্যাৰ বহোৱালে আৰু পদ্য দি ভৰি ধুৱাই পাদোদক শিৰত ললে। মধুৰ শুশ্ৰূষা কৰি কুশল মঙ্গলৰ বিষয়ে আলাপ কৰিলে। গৃহস্থী হৈয়ো কৃষ্ণক চিন্তা কৰাৰ বাবে ভগৱান কৃষ্ণই বিপ্ৰৰ প্ৰতি প্ৰশংসা আগবঢ়ালে আৰু গুৰু সেৱাৰ বাবে বিপ্ৰক কৃষ্ণই মহাভক্ত বুলিছে। কৃষ্ণই কৈছে গুৰু তিনিজন জন্মদাতা পিতৃ প্ৰথম গুৰু, বেদৰ পন্থ নিৰ্দ্দেশ কৰাজন দ্বিতীয় গুৰু অৰ্থাৎ তেওঁ বেদবিহিত কৰ্ম্মৰ পথ দেখুৱায়, আৰু ব্ৰহ্মবিদ্যা দিয়াজন অৰ্থাৎ কৃষ্ণৰ গুননাম দাতাজন তৃতীয় গুৰু। কৃষ্ণই গুৰু ৰূপে তত্ব উপদেশ দিয়ে।

গুৰু গৃহত থাকোতে দুখ-কষ্টৰ বিষয়ে দুয়ো কথা-বাৰ্তা পতিবলৈ ধৰিলে। খৰি বিচাৰোঁতে বৰষুণ বতাহ সহ্য কৰা জোক পোকৰ কামোৰ খোৱা, বনত ভোকে লঘোনে থকা, খৰিৰ বোজা বহন কৰা আদি নানা কৰ্ম্ম কৰি গুৰুক সহায় কৰাৰ কথা

দুয়ো সোঁৱৰন কৰে। তাৰ পাচত ব্ৰাহ্মনে নিয়া সন্দেশ কৃষ্ণই গ্ৰহন কৰি পৰম সন্তোষ লাভ কৰিলে; কিয়নো ভক্তিভাৱে কৃষ্ণৰ প্ৰতি অৰ্পন কৰা দ্ৰব্য তেওঁৰ অতি প্ৰিয় দ্ৰব্য। তাৰ বিনিময়ত অসংখ্য বস্তু লাভ কৰে কিন্তু অভকতে দিয়া বস্তু গ্ৰহন নকৰে। কৃষ্ণই এমুঠি খাই দ্বিতীয় মুঠি খাবলৈ লওঁতেই লক্ষ্মীয়ে থাপ মাৰি ধৰিলে। প্ৰথম মুঠি খাওঁতেই ত্ৰিজগত তুষ্ট হ'ল আৰু বিপ্ৰৰো সকলো সিদ্ধি হ'ল আৰু দ্বিতীয় মুঠি খালে লক্ষ্মীয়ো কৃষ্ণৰ পৰা আতৰি যাব লাগিব।

ব্ৰাহ্মনে দিব্যভোগ ভুঞ্জি ভাবিলে যে তেওঁৰ পৰমভাগ্য যে কৃষ্ণদেৱৰ পৰা বহুত আনন্দ লাভ কৰিলে। তেওঁ কৃষ্ণৰ পৰা ধন-সোন আদি বিচৰা নহল আৰু কৃষ্ণয়ো তেওঁক একো নিদিলে। হয়তো ধনদিলে কৃষ্ণক পাহৰি যাব বুলিয়েই নিদিলে বুলি ব্ৰাহ্মনে ভাবিলে। কৃষ্ণৰ পৰা বিদায় লৈ আহি তেওঁ নিজ গৃহৰ ওচৰ পালেহি।

কৃষ্ণই খোৱা এমুঠি চিৰাৰ বাবে ব্ৰাহ্মনৰ গৃহ ৰাজ অট্টালিকা হৈ লগুৱা লিগিৰীৰে ভৰি পৰিল। অতি বিতোপন ৰত্নময় বাসভৱন দেখি ব্ৰাহ্মন আচৰিত হ'ল। ব্ৰাহ্মনীয়ে ৰাজ ৰানীৰ দৰে সালঙ্কৃতা হৈ লিগিৰিসহ আগবাঢ়ি গৈ ব্ৰাহ্মণক আদৰি আনিলে। ৰত্নৰ মন্দিৰত ব্ৰাহ্মনে মহাসমাৰোহেৰে দিব্য বস্ত্ৰ পৰিধান কৰি প্ৰৱেশ কৰিলে। ব্ৰাহ্মনে কৃষ্ণৰ অশেষ কৃপাদেখি ভকতিত তদগদ হৈ পৰিল।

বিপ্ৰদামোদৰ সংসাৰী ভক্ত। সংসাৰত থাকিও সংসাৰৰ লগত নিৰ্লিপ্ত হৈ থকাৰ বাবে ভগৱান সন্তোষ্ট হয়। কৃষ্ণ ভক্তিয়ে মানুহৰ মনোবাঞ্চা পূৰন কৰে। সকাম ভক্তিৰে ব্ৰাহ্মনীয়ে কৃষ্ণক জয় কৰিলে। ভগৱানে দুখ দিও চায়, দুখতো যদি ভগৱানক ভক্তি কৰিবলৈ নেৰে আৰু সামান্য দ্ৰব্যতো যদি সন্তোষ্ট হয়, তেন্তে ভগৱানে অনুগ্ৰহ কৰে।

**।।দশম স্কন্ধ বা শেষ দশম।।**

**।।অন্ত্য দশম।। (মহাপুৰুষ শঙ্কৰদেৱ বিৰচিত)**

**।।কুৰুক্ষেত্ৰ।।**

(৩১) **কৃষ্ণৰ কুৰুক্ষেত্ৰ যাত্ৰাঃ-**

ইয়াৰ পাচত কৃষ্ণই পোষ্য পিতৃ নন্দ আৰু মাতৃ যশোদাক এৰি থৈ যোৱাৰ সুদীৰ্ঘ কালৰ পাচক তেওঁলোকৰ প্ৰীতি সাধন কৰিবৰ বাবে কুৰুক্ষেত্ৰ লৈ গমন কৰে। সৰ্বগ্ৰাস সূৰ্য্যগ্ৰহনৰ বাবে মহাৰজা গনে কুৰুক্ষেত্ৰলৈ যাত্ৰা কৰিছিল। কৈকেয়, কোশন, কুৰু, সৃঞ্জয়, কাম্বোজ, বিৰাট, বিদৰ্ভ আদি অসংখ্য ৰজা গনে সৈন্য সামন্ত লৈ আগবাঢ়ে। কৌৰব পাণ্ডৱ আদি সকলেও পুত্ৰ পত্নী গনক লৈ কুৰুক্ষেত্ৰ তীৰ্থলৈ গমন কৰে। সকলোৰে ভিতৰত কৃষ্ণ ৰ সমদল অতি চমৎকাৰ আছিল। আৰু তেওঁলোকে হ্ৰদত নামি স্নান কৰিলে। সকলো ৰজা মহাৰজাৰ দেখাদেখি হ'ল। সকলোৱে সভা পাতি কৃষ্ণ গুন-গান-কীৰ্তন কৰিলে। কুন্তী বসুদেৱৰ মিলন ঘটিল, কুন্তীয়ে নিজৰ দুখৰ কথা



কৈ ক্ৰন্দন কৰাত বসুদেৱে বুজনি দিয়ে-

"মিলে মান-অপমান ঈশ্বৰ ইচ্ছায়।
বিচাৰত সুখ দুখ দাতা আন নাই।।
ঈশ্বেৰৰ বশ্য আমি যত জীৱমানে।
নুহিকো স্বতন্ত্ৰ আখ দেখা বিদ্যমানে।।" ৫০।।

বুজনিত কুন্তী শান্ত হয়। মহাৰজা গনকো কৃষ্ণই আদৰ সম্ভাষন জনায়। মহাৰজা গনে মাধৱৰ ঈশ্বৰত্ব গুন-মহিমা বনাই স্তুতি কৰিলে।

কৃষ্ণ কুৰুক্ষেত্ৰলৈ অহা শুনি নন্দ-যশোদা-গোপিকা সকলে কৃষ্ণক দেখাৰ মানসেৰে সদল বলে গৈ কুৰুক্ষেত্ৰ পায় গৈ। গোকুল বাসীৰ লগত যাদব সকলৰ মহালিন হ'ল। বসুদেৱ-নন্দৰ মিলন ঘটিল, নন্দ-যশোদাক দেখি ৰাম-কৃষ্ণই প্ৰনাম জনালে আৰু নন্দ-যশোদায়ে দুয়োকে সাবটি ধৰিলে। নন্দ-যশোদাৰ পৰা অতদিনে আতৰি থকা কৃষ্ণ বলৰামক লগ পোৱাটো কালৰ মহিমা বুলি ধৰি লৈছে-

"পৰম অতৰ্ক গতি কাল ঈশ্বৰৰ।
দৈৱৰ অধীন সমাগম বান্ধৱৰ।।
কৈৰ পৰা আসি জীৱে কৰে এক ঠাই।।
খনেকতে পুনুহো পেল্লাৱে বিহড়াই।।" ৯৪।।

ৰোহিনী-দৈৱকীয়ে যশোদাৰ ওচৰত নানা ধৰনেৰে প্ৰশংসা কৰিলে বলৰাম-কৃষ্ণক ডাঙৰ জীঘল কৰাৰ বাবে। যশোদাই কৈছে যে দুখৰ পাছত সুখো আহে- ই ভগৱানৰ কাম-

"ঈশ্বৰৰ ইচ্ছায়ে আখি সুখ দুখ মিলে।
সম্পদো নাথাকে দুখো গুচে একতিলে।।" ১০৪।।

কৃষ্ণৰ গুনাৱলী আৰু মাহাত্ম্য বৰ্ননা কৰি যশোদাই পৰম শান্তি লভিলে। কৃষ্ণ পত্নীগনেও যশোদাক আদৰিলে, দ্ৰৌপদীয়েও যশোদাক আদৰ-সাদৰ কৰিলে। মহাভক্তা গোপীগলে কৃষ্ণক দেখা পাই মহা ভক্তি সাগৰত বুৰদিলে। কৃষ্ণই গোপীগনক মধুৰ আলিঙ্গন কৰি পৰম শান্তি দিলে। কৃষ্ণই গোপীগনক ক'লে -

"সমস্ত প্ৰানীত ব্যাপী আছোহো অনন্ত।
বাহিৰে ভিতৰে মই আদি অন্ত।।" ১৪৯।।

"য'ত পঞ্চভূত জীৱ আছে চৰাচৰ।
মই পৰি পূৰ্নত দেখিয়ো নিৰন্তৰ।।" ১৫০।।

গতিকে সুদৃঢ় ভাৱনাৰে তেওঁক হৃদয়-মনত ধাৰন কৰিবলৈ কৃষ্ণই কৈছে। গোপীগনে কৃষ্ণক স্তুতি কৰিলে। আৰু কৃষ্ণই গোপীগনক পৰম প্ৰসাদ প্ৰদান কৰিলে। ৰজা প্ৰজা আদি সকলোৱে কৃষ্ণৰ মহিমা বৰ্ননা কৰি শৰন ললে।

(৩২) **দ্ৰৌপদীৰ লগত ৰুক্মিনীৰ মিলন ও কৃষ্ণ পত্নীৰ বিবাহ বৰ্ননাঃ-**

যদুবংশীয়, পাণ্ডুৰ বংশীয় ব্ৰজৰ গোপীগন একত্ৰিত হৈ পৰম ঈশ্বৰ গুন লীলাৰ কথোপকথন কৰিবলৈ ধৰিলে। দ্ৰৌপদীয়ে কৃষ্ণ পত্নীগনৰ লগত কৃষ্ণৰ বিবাহ কেনেদৰে সম্পন্ন হ'ল সেই বিষয়ে প্ৰশ্ন কৰিলে। তেওঁলোকক ভগৱন্তই মায়া মনুষ্যৰূপে লীলা দেখুৱাই বিবাহ কৰাৰ বিবৰনৰ মাজেদি কৃষ্ণৰ মাহাত্ম্য প্ৰকাশ কৰা হৈছে।

প্ৰথমে ৰুক্মিনীয়ে কৃষ্ণৰ লগত কেনেকৈ বৈবাহিক সূত্ৰত আবদ্ধ হৈ কৃষ্ণ সেৱা কৰিবলৈ পালে তাক ব্যাখ্যা কৰিলে। তেওঁ কৈছে- কৃষ্ণৰ চৰনৰ দাসী হৈ তেওঁ জীৱন সাৰ্থক কৰিলে।

"আন নাবাঞ্জোহো মই স্বামীক উপাসি।
জন্মে জন্মে হৈবো তান চৰনৰ দাসী।।" ১৯৭।।

জাম্বৱতীয়ে নিজ বিবাহৰ বৰ্ননা দিলে। পিতৃ জাম্বৱানৰ লগত আঠাইশ দিন যুদ্ধ কৰি ত্ৰেতা যুগৰ ৰামেই কৃষ্ণ হৈ ভকতক চৰনৰ স্পৰ্শ দি জাম্বৱতীক বিয়া দিলে। কত জনমৰ সাধনাৰ ফলত কৃষ্ণক স্বামীৰূপে পাই তেওঁ নিজকে দাসীৰূপে আত্মোৎসৰ্গ কৰে।

সত্যভামাই কলে যে স্যমন্তক মনিৰ সূত্ৰে তেওঁৰ পিতৃ সত্ৰাজিতে কৃষ্ণলৈ বিয়া দিলে। কৃষ্ণক দিয়া মিছা কলঙ্কৰ বাবে আত্ম অনুশোচনাত পতিত হোৱাৰ বাবে নিজকে দোষমুক্ত কৰিবলৈ সত্যভামাক বিয়া দিয়াত তেওঁ অতিশয় সেবিকা হিচাবে তেওঁ কৃষ্ণক সেৱা কৰিবলৈ বিচাৰে।

কালিন্দীয়ে নিজ বিবাহৰ কথা দাঙি ধৰিলে। যমুনাৰ জলত ধ্যান কৰি কৰি প্ৰান কৰৃষ্ণক লাভ কৰাৰ পাচত সূৰ্য্যৰ দুহিতা কালন্দীয়ে কৃষ্ণৰ লগত বিবাহ হয়। জন্মে জন্মে কৃষ্ণৰ চৰনৰ দাসী হৈ থাকিবলৈ তেওঁ বিচাৰে। ভদ্ৰাদেবীয়েও সয়ম্বৰ সভাৰ যোগে কৃষ্ণক স্বামী লাভ কৰে। মহা মহা ৰজা সকলক কৃষ্ণই জয় কৰি তেওঁক লাভ কৰে। তেওঁ কৃষ্ণৰ চৰনত কিঙ্কৰী হৈ থাকিব বুলি কয়।

অবন্তীদেশৰ ৰাজকন্যা মিত্ৰ বৃন্দই কৃষ্ণক স্বামী হিচাব পাবলৈ বিচৰাত দুই ভাতৃ বিন্দ অনুবৃন্দই কৃষ্ণ বিদ্বেষ কৰে আৰু কৃষ্ণই দুয়োকো শান্তি প্ৰদান কৰি তেওঁক লাভ কৰি বিয়া কৰায়। জন্মে জন্মে কৃষ্ণৰ চৰনত ৰতি হ'বলৈ তেওঁ প্ৰাৰ্থনা কৰে। তাৰ পাচত সত্যাই তেওঁৰ বিবাহ কৃষ্ণৰ লগত হোৱাৰ কথা বৰ্ননা কৰে। কোশল দেশৰ ৰজকন্যা সত্যাক লাভ কৰিবলৈ কৃষ্ণই সাতটা বৃষক পৰাস্ত কৰে। সত্যাই ভক্তিভাৱে কৃষ্ণৰ চৰন ধিয়াই থাকিল। বৃহৎসেন ৰজাৰ কন্যা লক্ষ্মনাৰ সয়ম্বৰত লক্ষ্যভেদ কৰি কৃষ্ণই লক্ষ্মনাক পত্নী হিচাবে লাভ কৰে। জন্মে জন্মে চৰনৰ দাসী হৈ থাকিবলৈ লক্ষ্মনাই ভাবে। লগতে ৰোহিনীয়েও দ্ৰৌপদীৰ আগত নিজ বিবাহৰ কথা কলে। নৰকাসুৰক বধ কৰি যোড়শ হাজাৰ কন্যাক কৃষ্ণই দ্বাৰকালৈ আনি বিবাহ কৰে।

(৩৩) **কৃষ্ণৰ লগত মুনিগনৰ কথোপকথনঃ-**

কুৰুক্ষেত্ৰত কৃষ্ণক দৰ্শন কৰিবলৈ মুনিগন উপস্থিত হ'লহি। নাৰদ, দেৱল, ৰামদেৱ, দীৰ্ঘছন্দ, বিশ্বামিত্ৰ, অত্ৰি, পুলস্ত্য, অগস্ত্য, ভৃগু, বশিষ্ঠ, গৌতম, কাশ্যপ, গৌতম কুশাৰু, মাৰ্কণ্ডেম, ভৰদ্বাজ, যমদগ্নি, ব্যাস, অঙ্গিৰা, ভাৰ্গব, গালব প্ৰভৃতি ঋষিয়ে উপস্থিত হোৱাত কৌৰৱ-পাণ্ডৱৰ ৰজা সকল, কৃষ্ণ, বলৰাম, বসুদেব সমন্বিতে সমাদৰ কৰি সুবৰ্ন আসনত বহোৱালে। কৃষ্ণই সবাৰো চৰন ধুৱাই পাদোদক শিৰত ললে আৰু কৃতাঞ্জলি কৰি আলাপ কৰিলে।

সামান্য মনুষ্যৰ দৰে মুনি সকলক চৰন ধুৱাই স্তুতি কৰা দেখি তেওঁলোক আচৰিত হ'ল। পাচত তেওঁলোকে বুজিব পাৰিলে যে লোক শিক্ষাৰ বাবেহে কৃষ্ণই এনে কৰিছে। কৃষ্ণ মায়াত মোহিত মুনি গলে কলে-

"মায়ায়ে মোহিত কৰি আছে ছন্ন
দেখি মনুষ্যৰ নয়।
পৰম অতৰ্ক সৃষ্টি তোমাৰ
বুজিবে কোন আশয়।।" ৩৬১।।

ৰজাগনে যদুবংশই সদায় একেলগে থাকিও কৃষ্ণক জগত ঈশ্বৰ বুলি বুজিব নোৱাৰে। কেৱল ভক্তিৰেহে তেওঁক পাব পাৰি বুলি মুনিগনে বুজি পালে। তেওঁলোকে কৃষ্ণক বিনয় বচন বুলি মেলানি মাগিবলৈ ধৰোতেই বসুদেৱে মুনিগনক প্ৰশ্ন কৰিলে- "কোন কৰ্ম্মে কৰ্ম্মবন্ধ ছেদ কৰে?" কাষতে কৃষ্ণ থাকোতে মুনি গনক এই কথা সোধাত তেওঁলোক আচৰিত হ'ল।

(৩৪) **নাৰদ-বসুদেৱৰ কথোপ-কথনঃ-**

বসুদেৱলৈ চাই মুনিগনে হঁহাত নাৰদে কলে-"বসুদেৱক নাহাঁহিব। বসুদেৱে কৃষ্ণক পুত্ৰ বুলি ভাবিহে আমাক এই কথা সুধিলে।" গঙ্গাৰ পাৰ্শ্ববতী বাসিন্দাই গঙ্গাজল এৰি অন্য জলত সিদ্ধি বিচাৰে। সকলোকে শুনাই নাৰদে কলে-

(১) শ্ৰদ্ধাৰে হৰিক যজিব; চিত্ত উপশম হ'ব, মহা অন্ধকাৰ দূৰ হ'ব।
(২) নিষ্কামে ঈশ্বৰক শুদ্ধচিত্তে যজিব; ধৰ্ম্ম-অৰ্থ-কাম-মোক্ষ লাভ হ'ব।
(৩) যজ্ঞদান কৰি বিবেষ্টাক ত্যাগ কৰিব।
(৪) ভোগ কৰি তনয়, ভাৰ্য্যাক এৰিব।
(৫) স্বৰ্গ আশা ত্যাগ কৰিব।
(৬) তপোবনত কৃষ্ণক চিন্তিব। দেব-ঋষি-পিতৃ ঋন শুজিব।

বসুদেৱে এই তত্ব শুনি মহাযজ্ঞ আৰম্ভ কৰি মুনিগনক যজিলে। যজ্ঞত সন্তোষ

লভি ৰজাগন নিজ দেশলৈ বিদায় ললে। তাৰ পাচত নন্দ-বসুদেৱৰ মাজত কথোপ কথন হয় দুয়ো দুয়োকো আলিঙ্গন কৰি ধন্য মানিলে। যশোদাই কৃষ্ণৰ প্ৰতি অশেষ স্নেহ প্ৰদৰ্শন কৰিলে। গোপীগনৰ লগতো কৃষ্ণই কথাপাতি শান্ত্বনা দিলে। বিদায় পৰত নন্দ-যশোদাই কৃষ্ণৰ গলত ধৰি কান্দি ধাৰসাৰে চকলো টুকিলে। ব্ৰজবাসী গনে কৃষ্ণত বিদায় লৈ সলোতকে আতৰি যায়।

**বসুদেৱৰ কৃষ্ণ স্তুতি আৰু কৃষ্ণৰ দ্বাৰা তত্ব জ্ঞান দানঃ-**

নাৰদ আৰু মুনি গনৰ কথা শুনি বসুদেৱে কৃষ্ণ যে অবতাৰী ভগৱান তাৰ সম্যক জ্ঞান লাভ কৰে আৰু কৃষ্ণক ঈশ্বৰ হিচাবে স্তুতি কৰে। বলৰামো যে ঈশ্বৰৰ অৱতাৰ তাকো জানিব পাৰি স্তুতি কৰিলে। জগতৰ কাৰন, প্ৰকৃতি পুৰুষ তেৱেঁই, জগতৰ নানা বিধ সৃষ্টিৰঅন্তৰালত তেৱেঁই জ্ঞানৰূপী শকতি ৰূপে সোমাই থাকে। চৌবিশ তত্ব তেৱেঁই, ইন্দ্ৰিয়ৰ নিয়ামক তেৱেঁই, মায়া প্ৰকৃতি তেওঁৰে সৃষ্টি। শৰীৰক মোৰ বোলা নিৰৰ্থক, ইয়েই কৰ্ম্মবন্ধৰ মূল বীজ। কৃষ্ণই জগতৰ মহাতত্ব, মায়াৰ বৈভব। বসুদেৱৰ প্ৰতি কৃষ্ণই তত্ব জ্ঞান প্ৰদান কৰি নিৰ্ব্বিকল্প সমাধি ৰূপলৈ পৰ্য্যবসিত কৰি তুলে।

(৩৫) **দৈবকীৰ মৃত পুত্ৰ আনয়নঃ-**

গুৰুৰ মৃত পুত্ৰক আনিদিয়াৰ কথা শুনি দৈবকীয়ে হেৰুওৱা ছয়টি মৃত পুত্ৰক আনি দিবলৈ কৃষ্ণ-বলোৰামক কাকুতি কৰিলে-

"জানিলোহো তোৰাসৰ নুহিকা মানুষ।
জগত ঈশ্বৰ দুয়ো পৰম পুৰুষ।।" ৫২১।।

দুয়ো ভায়ে দৈবকীক কথা দি যাত্ৰা কৰিলে। তেওঁলোকে যোগমায়াৰ বলত একে নিমিষতে সুতল পুৰীত বলিৰ ৰাজসভাত প্ৰবেশ কৰিলে। চতুৰ্ভুজ ৰূপৰ কৃষ্ণ-বলৰামৰ মাধুৰ্য্য ৰূপ দেখি বলিয়ে হাততে আকা শৰ চন্দ্ৰমাক ঢুকি পোৱাৰ দৰে পাই আনন্দত উদবাউল হৈ পৰিল।

"জগতৰ আত্মা যিটো পৰম দৈৱত।
মোৰ নিজ প্ৰান নাথ ভৈলা গৃহাগত।।" ৫৪০।।

সপুত্ৰ বান্ধৱে বলিয়ে ভগৱান্তৰ চৰন মলচি পদধূলি শিৰত ললে আৰু সুবৰ্ন সিংহাসনত উপবিষ্ট কৰালে। মধুৰ আপ্যায়ন কৰি দৈত্য পতিয়ে পৰি পৰি কৃষ্ণৰ পদত সেৱা জনালে আৰু সমস্ত ঐশ্বৰ্য্য কৃষ্ণৰ চৰনত অৰ্পন কৰিলে। তেওঁ কৃষ্ণ-গুন-গান কৰি, গীত গাই আনন্দতে নাচিবলৈ ধৰিলে। বলৰামৰ চৰনত পৰি পৰি নিজকে উৰ্চ্ছগা কৰিলে আৰু দুয়োৰে স্তুতি কৰিলে বলিয়ে-

"মুখে লৈবো নাম হৃদয়ত ৰূপ ধৰি।
ৰহোক তোমাৰ গুন নাম কৰ্ন ভৰি।। ৫৭৩।।
মহন্ত সহিতে সদা থাকিবো আলাপে।
তেবেসে নপাইবো বাপ সংসাৰৰ তাপে।।" ৫৭৪

বলিৰ ভক্তিত ৰাম কৃষ্ণই আকুল হৈ দাঙি ধৰিলে আৰু ভক্তিত কৃষ্ণ বশ্য হলো বুলি কলে। কৃষ্ণই বলিক তালৈ যোৱাৰ কাৰন ব্যক্ত কৰিলে।

মৰীচিৰ ছয় পুত্ৰই প্ৰথম মনুৰ দিনত স্মৰ, পৰিসঙ্গ, উদ্‌গীথ, হতঙ্গ, ক্ষুদ্ৰবাক আৰু গৃণী নামেৰে দেবতা আছিল। পৰম পবিত্ৰ কাম-ক্ৰোধ হীন এই ছয় পুত্ৰই ব্ৰহ্মাক নিজ দুহিতাক ক্ৰীড়া কৰিবলৈ উদ্যৎ হোৱা দেখি উপহাস কৰিলে। তাতে ব্ৰহ্মাই খং কৰি ছয়জনক্ অসুৰ যোণিত জন্ম হ'বলৈ শাপ দিলে। তেওঁলোকে হিৰন্যকশিপুৰ পুত্ৰ হৈ জন্মিছিল। যোগমায়ায়ে এই ছয় জনক দৈবকীৰ গৰ্ভত উপজাইছিল। কংসই বধ কৰাত তেওঁলোকে বলিৰ ৰাজসভাতে আছিল। তেওঁলোকক দৈবকীক দিবলৈ কৃষ্ণ-বলোৰাম আহিছে বুলি কলে। বলিয়ে তেওঁলোকক কৃষ্ণত অৰ্পন কৰাত দুয়োয়ে আনি দৈবকীক দিলেহি।

দৈবকীয়ে মৃত পুত্ৰক পাই স্নেহত স্তন পান কৰোৱায়। কৃষ্ণই কৰা স্তনৰ অৱশেষ অংশ অমৃত পান কৰি তেওঁলোক ছয়োজন স্বৰ্গীয় বিমানত উঠি স্বৰ্গলৈ গমন কৰে। দৈবকীয়ে বুজি পালে যে এইয়া কৃষ্ণ মায়া-

"কৈৰ পৰা আসে জীৱ কাক বোলে পুত্ৰ ঝীউ
মায়ামোহ একোৱে নাজানি।" ৫৯৭।।

জীৱই ক্ৰিমি কীটৰ পৰা আৰম্ভ কৰি কোটি জন্ম গ্ৰহন কৰি মানুহৰ জাৱন পায়। এয়ে কৰ্ম্ম গতি। কবিয়ে কৈছে-

"ক্ৰিমি কীট পশুপক্ষী হুয়। লতা তৃন।
ভ্ৰমো সংসাৰত কৰ্ম্ম গতি এদিন।। ৫৮১।।
কত কোটি জন্মে আসি পাইলো নৰদেহ।। ৫৮২।।
ইজন্মত নাথ মোত নছাৰিবা স্নেহ।

**।।আন্ত্য দশম ঃ অনন্ত কন্দলীকৃত।।**

(৩৬) **অৰ্জ্জুনৰ সুভদ্ৰা হৰনঃ-**

নাৰদৰ বাক্যানুসৰি দ্ৰৌপদীয়ে প্ৰতিজন স্বামীৰ লগত এমাহকৈ থাকিব আৰু সেই কালছোৱাত অন্য স্বামী তাত প্ৰবেশ কৰিব নোৱাৰিব আৰু তেনে কৰিলে এক সম্বৎসৰ বনবাস হ'ব। ব্ৰাহ্মনৰ গৰুচুৰ কৰি নিয়াত চোৰক খেদিবৰ কাৰনে অৰ্জ্জুন যাব লগা হয় আৰু যুধিষ্ঠিৰৰ গৃহত প্ৰবেশ কৰি ধনুশৰ আনিবলৈ যাওঁতে যুধিষ্ঠিৰৰ লগত দ্ৰৌপদীয়ে কেলি কৰি কৰি দেখা পালে আৰু অৰ্জ্জুনে বনবাসলৈ গমন কৰিলে। তেওঁ বনবাসত সাধুসঙ্গত কৃষ্ণ কথাত ৰত হ'ল। তীৰ্থ পৰ্য্যতন কৰি কৰি গৈ শাপভ্ৰষ্টা চিত্ৰাঙ্গদাক উদ্ধাৰ কৰি বিয়া কৰে আৰু তেওঁৰ গৰ্ভত বভ্ৰুবাহনৰ জন্ম হয়। অনন্ত নাগৰ কন্যা উলুপীকো বিয়া কৰায়। তেওঁ প্ৰভাস তীৰ্থ আহি পোৱাত নাৰদে লগ কৰি কৃষ্ণৰ ভগ্নী সুভ্ৰদাক দুৰ্য্যোধলৈ বিয়া দিব বুলি শুনিলে, কিন্তু সুভদ্ৰাই অৰ্জ্জুনৰ লগতহে বিয়া হ'বৰ মন হৈছে। গতিকে অৰ্জ্জুনে গৈ সুভদ্ৰাক বিয়া কৰাবলৈ নাৰদে কলে।

অৰ্জ্জুন দ্বাৰকালৈ গৈ ভাবিলে মোমায়েকৰ জীকেকক বিয়া কৰোৱাটো দোষনীয় যদিও নাৰদে তাত দোষ নাই বুলি কৈ পঠাইছে।

"ধৰ্মা-ধৰ্ম ভেদযত সকলে অজ্ঞান।
মহা মহন্তেসে জানে ইয়াৰ প্ৰমান।।
বিষ্ণুতেসে হন্তে হোৱে সকলে জগত।
বিষ্ণুয়েসে পিতামাতা কুল গোত্ৰ যত।।" ৪১

সমস্ত পাপৰ প্ৰয়শ্চিত্ত ঈশ্বৰৰ নাম। এদিন সুভদ্ৰাই দৌললৈ সঙ্গীসহ যাত্ৰা কৰিলে। দেব যাত্ৰাৰ বৰ্ত্তা পাই অৰ্জ্জুনে এখন বিমানত উঠি হঠাতে সুভদ্ৰাক ৰথত তুলি হৰন কৰি নিয়ে। তেওঁ ইতিমধ্যে পিতৃ-মাতৃ আৰু মাধৱৰ অনুমতি লৈহে হৰন কৰিছে। যদুবীৰ গনে খেদি গল আৰু বলৰামে খং কৰি অৰ্জ্জুনক বধ কৰি সুভদ্ৰাক আনি দুৰ্য্যোধনক বিবাহ দিবৰ কাৰণে অগ্ৰসৰ হয়। কৃষ্ণই বলোক চৰনত ধৰি নানা যুক্তি প্ৰদৰ্শন কৰি অৰ্জ্জুনক ক্ষমা কৰিবলৈ কলে, কৃষ্ণই যুক্তি প্ৰদৰ্শন কৰিলে-

(১) পাণ্ডৱ সকল বলৰামৰ তুলনীয়া।
(২) ই বিধাতাৰ বল, যাৰ ভাৰ্য্যা তেৱেঁই লাভ কৰিব।
(৩) ঈশ্বৰৰ ইচ্ছাক কোনেও বাধা দিব নাপাৰে।
(৪) সম্বন্ধ বোৰ মায়াহে।

"যি বোলা সম্বন্ধ লাগে সিয়োসবে মায়া।
কোন পিতৃ-মাতৃ কাৰ কোন নিজ জায়া।।" ১০১।।

(৫) দুৰ্য্যোধন অল্পবীৰ্য্য, অহঙ্কাৰী।
(৬) অৰ্জ্জুন নৰ, মাধৱ নাৰায়ন আৰু দুয়োমিলি নৰনাৰায়ন আৰু বলৰাম-সহস্ৰবদন, অনন্ত।

"নৰ নাৰয়ন ৰূপে দুয়ো ভৈলোজাত।।" ১০৩।।
"তুমিতো অনন্ত দাদা সহস্ৰবদন।।
হৰিবাক লাগি পৃথিৱীৰ মহাভাৰ।।
একে মই তিনিৰূপে ভৈলো অৱতাৰ।।" ১০৪।।

কৃষ্ণৰ কথাত বলৰামৰ খং উপশম ঘটে। বসুদেব, দৈবকী, উদ্ধৱ, বন্ধু-বান্ধবৰ কথাত সন্মত হৈ বলৰামে যৌতুক সহ সুভদ্ৰাক অৰ্জ্জুনক বিয়া দিয়ে। দ্ৰৌপদীয়ে কৃষ্ণৰ ভগিনীক বিবাহ কৰি অনাৰ গম পাই সদেৰে আদৰি নিলে।

(৩৭) **কৃষ্ণ-শ্ৰুতদেব-জনকৰ মিলনঃ-**

বিদেহ ৰাজ্যৰ মিথিলা নগৰত এজন পৰম কৃষ্ণ ভক্ত বিপ্ৰ আছিল; তেওঁৰ নাম শ্ৰুতদেৱ। কৃষ্ণক দৰ্শন পোৱাৰ আশাৰে শ্ৰৱন ধৰ্ম্ম পালন কৰিছিল। মিথিলাৰ ৰজা হুহুলাশ্বও কৃষ্ণভক্ত আছিল। দুয়ো একে ঠাইতে থাকি কৃষ্ণ ভক্তি কৰি পৰমানন্দ লাভ কৰিছিল। কৃষ্ণয়ো ভক্তৰ ভক্তি দেখি তেওঁলোকক লগ কৰাৰ মানসেৰে মহামুনি সকলক ৰথত তুলি বিদেহ দেশলৈ যাত্ৰা কৰিলে।

মিথিলা নগৰ পোৱাৰ লগে লগে শ্ৰুতদেৱে পুত্ৰ ভাৰ্য্যালহ মহাভক্তিভাৱে মধৱৰ চৰনত পাঠ পূজা কৰিলে। কৃষ্ণ ভক্ত মহানুনি গনকো তেওঁ প্ৰনাম জনালে। জনকেও কৃষ্ণৰ চৰনত পৰি অশেষ ধন্য হ'ল। শ্ৰুতদেব আৰু জনকৰ অনুৰোধ ৰাখি কৃষ্ণ দুয়োৰা গৃহলৈ গমন কৰিলে। ৰজাই ঈশ্বৰ কৃষ্ণক নি মুনি গনৰ সৈতে বিতোপন আসনত উপবিষ্ট কৰালে। জনকে মাধৱৰ চৰন ধুৱাই পাদোদক শিৰত ললে আৰু অতি শ্ৰদ্ধাৰে কৃষ্ণ ও ঋষিগনক পূজা আৰু সৎকাৰ কৰিলে। কৃষ্ণৰ পঙ্কজপদদুই মৰ্দ্দন কৰি কৃষ্ণ-যশ-গুন কৰিলে। এই দৰে কৃষ্ণই জনকৰ গৃহত কিছুদিন বাস কৰিলে।

শ্ৰুতদেৱে তাৰ পৰা কৃষ্ণক সাদৰে নি নিজ গৃহ পোৱালেগৈ আৰু কুশাসনত উপবিষ্ট কৰালে আৰু ঋষি সমস্তক তৃণ কথত বহিবলৈ দিলে। সভাৰ্য্যে শ্ৰুতদেৱে কৃষ্ণক সেৱা-শুশ্ৰূষা কৰিলে, পদপঙ্কজ প্ৰক্ষালন কৰি পদজল পান কৰিলে আৰু মূৰত ললে, পুষ্পৰসে মধুপৰ্ক বিধান কৰি, কুশ-দৰ্বাক্ষৰ জলে অৰ্ঘ্য দান কৰিলে, চন্দন পিন্ধালে, গলে তুলসীৰ মালা পিন্ধালে, হৰিতকী আমলখি আদি ভক্ষন কৰোৱালে। মুনিগনকো সাত্বিক আহাৰে আপ্যায়ন কৰিলে। কৃষ্ণৰ চৰন কোলাত লৈ, মৰ্দ্দন কৰি মধুৰ বচনেৰে কৃষ্ণক স্তুতিমিনতি কৰিলে কৃষ্ণই শ্ৰুতদেৱৰ গৃহতো কিছুদিন বঞ্চিলে। কৃষ্ণই অতি মৰমেৰে শ্ৰুতদেবৰ হস্তত ধৰি ভকতক দয়া কৰিলে।

জনক আৰু শ্ৰুতদেৱৰ অগাধ ভক্তি দেখি কৃষ্ণই কৈছে-

"বৈষ্ণৱ ভকত যিটো ব্ৰাহ্মন বিশিষ্ট।
দেবতো তীৰ্থতো কৰি সেহিসে গৰীষ্ঠ।।" ২২৩।।

অল্প বুদ্ধিমান নৰে বৈষ্ণৱক অসূয়া কৰে, দেববুদ্ধিৰে প্ৰতিমাত পূজা কৰে, কৃষ্ণই শ্ৰুতদেবক কৈছে যে বৈষ্ণৱ ভক্ত মুনি বিপ্ৰ গনক হে আচ্চিবলৈ কৈছে। শ্ৰুতদেৱ আৰু জনকে কৃষ্ণৰ পৰা তত্বজ্ঞান পাই ঋষি সমস্তক পূজিলে। কৃষ্ণই দুয়োকে আশীৰ্ব্বদ কৰি ঋষি গনক লৈ দ্বাৰকালৈ গমন কৰিলে।

মহাভক্ত শ্ৰুতদেৱে গৃহতে ভগৱানক অৰ্চ্চন কৰি প্ৰত্যক্ষে দৰ্শন লাভ কৰিলে। ভগৱন্তক বিচাৰি দূৰলৈ যাবৰ প্ৰয়োজন নাই। ভগৱানক পূজিবলৈ বৈভবৰো প্ৰয়োজন নাই; হৃদয়ত শ্ৰদ্ধা ভক্তিহে লাগে। দৰিদ্ৰ শ্ৰুতদেৱৰ গৃহত ভগৱন্তই কুশাসনত বহি, আমলখি খায়েই পৰম তৃপ্তি পাইছিল। ভগৱানত কৈ ভকত যে শ্ৰেষ্ঠ, কৃষ্ণই সেই সত্য ঋষি সকলক লগত লৈ ভক্তৰ যোগে পূজা কৰোৱাই প্ৰতি পন্ন কৰিছিল। জনক ৰজাহৈয়ো ঋষি আৰু বৈষ্ণৱ। জনক সংসাৰী ভক্ত। সংসাৰত থাকিলেও সংসাৰ তেওঁৰ লগত লাগি নাথাকে। ভগৱন্তই ভকতক এৰি থাকিব নোৱাৰে আৰু ভকতৰ মনোবাঞ্চা পূৰন কৰে।

(৩৮) **বেদস্তুতিঃ-**

বেদ ব্ৰহ্ম ভগৱন্তৰ মুখ-নিসৃত বানী, জ্ঞান-বিজ্ঞান-তদং-ৰ হস্যৰ ভাণ্ডাৰ, জগতৰ সমস্ত প্ৰানী, বিশ্বব্ৰহ্মাণ্ডৰ তত্ব ৰহস্য হৈছে বেদ। বেদজাক বুলি- উৰণ-বুৰণ-গজন ভ্ৰমন, চাৰিবিধ প্ৰানীক বুজায়। কৃষ্ণই ভকত সকলক বেদ তত্ব দি দ্বাৰকালৈ গমন কৰিলে। বেদ গুনময় ব্ৰহ্ম; তেনেস্থলত বেদে কেনেকৈ ব্ৰহ্ম নিৰূপন কৰে? শব্দময় বেদব্ৰহ্ম বুজিব নোৱাৰি, পৰীক্ষিতে শুকমুনিৰ ওচৰত এইদৰে প্ৰশ্ন কৰে।

গুনেৰে ঈশ্বৰৰ লীলা ৰচনা কৰা হয়, সেইবাবে বেদে গুনক প্ৰকাশ কৰিলেও নিজে গুনময় নহয়।

"ঈশ্বৰৰ যত লীলা গুনেসে ৰচয়।
সেহি গুন কহে বেদ নোহে গুনময়।।" ২৪৩।।

জীৱচয় ব্ৰহ্মাৰ অংশ। পৰম ব্ৰহ্মাৰ অগ্নিস্ফুলিঙ্গৰ ধাৰনাই জীৱ। সৃষ্টিৰ পূৰ্ব্বত ব্ৰহ্ম একশ্বৰে থাকে আৰু তেওঁতে সূক্ষ্মৰূপে জীৱচৰাচৰ নিহিত হৈ থাকে। ধৰ্ম্ম-অৰ্থ-কাম-মোক্ষৰ বাবে প্ৰান-মন-ইন্দ্ৰিয়ৰ সৃষ্টি কৰি জীৱ সৃষ্টি ভগৱানে কৰে। নিৰ্গুন ঈশ্বৰে গুনৰ আধাৰত (মায়াৰদ্বাৰা) অনন্ত ৰূপত সৃষ্টি কৰে। নিৰ্গুন ব্ৰহ্মাৰ পৰাই বেদচয় সৃষ্টি হৈছে আৰু গুনত প্ৰবৰ্তন কৰাৰ বাবে গুনময় বুলি কোৱা হয়। গুনে ব্ৰহ্মক ঢাকি থোৱাৰ কাৰনে ইয়াক সগুৰ্ণ ব্ৰহ্মা কোৱা হয়। সকলো জীৱ-জন্তু ব্ৰহ্মময়। সোহং শব্দই ব্ৰহ্মক বুজায়, তত্বমসি শব্দই অনৰ্থ গুচালে; ই উপনিষদৰ শিৰোভাগ। চিত্তৰ মধ্যত ব্ৰহ্মাৰ প্ৰসাদ পোৱা যায়। শ্ৰৱন-কীৰ্ত্তন কৰি মায়াৰ জৰি চ্ছেদ কৰিব পাৰি।

বেদৰ তত্ব জানিবলৈ হলে নাৰায়ন নাৰদৰ সংবাদ সম্পৰ্কে জনাৰ প্ৰয়োজন আছে। নাৰদে নৰনাৰায়নক দেখি বৰ বাবে বদৰিকাশ্ৰমত উপনীত হয়। নাৰদে প্ৰনাম জনাই নৰনাৰায়নক ব্ৰহ্মবাদ সম্পৰ্কে সোধাত তেওঁ কলে- যে জনলোকত ঋষি সকলে বাস কৰে আৰু তেওঁলোকে ব্ৰহ্মসত্ৰপাতি জনৈক বক্তাই ব্ৰহ্মবাদৰ বিষয়ে সোধাত সুনন্দনে উত্তৰ দিলে যে প্ৰলয়ৰ শেষত নতুন সৃষ্টি পাতনি তৰিবৰ বাবে ঈশ্বৰৰ নিশ্বাসৰ পৰা বেদগন বাহিৰ হৈ ঈশ্বৰক যোগনিদ্ৰাৰ পৰা জগাবলৈ ঈশ্বৰৰ নিগুন মহিমা গাই মহাস্তুতি কৰে বেদগনে লগতে নটেভাটে কীৰ্ত্তন কৰে।

"হে ঈশ্বৰ তুমি মায়া-নিদ্ৰা ত্যাগ কৰা, তোমাৰ চৰনকমল নেদেখি জীৱ সকল নিশব্দ হৈ আছে আৰু শোক-দুখ-ভয়-মোহত আচ্ছন্ন হৈ পৰিছে।" ভগৱানৰ গুনৰাজি স্তুতি আকাৰে ব্যক্ত কৰি বেদগনে পৰম ঈশ্বৰক মায়া এৰি স্বৰূপত প্ৰকাশমান হবলৈ কাকুতি কৰিছে। ঈশ্বৰ তত্বৰ সকলোবোৰ কথা বেদস্তুতিত প্ৰকাশ হৈছে।

"মায়ায়ে মোহিত ব্ৰহ্মা আদি যত
সুৰ সিদ্ধ আদি কৰি।
ভয়ে সচকিত তাৰাৰেসে সেৱা
কৰে আজ্ঞা শিৰে ধৰি।।
ভয়ে যেন ভৃত্যে ভাৰ্য্যায়ে সহিতে
নিজ স্বামী সেৱা কৰে।
যেন চক্ৰৱৰ্ত্তী নৃপতিক বৰ
দেই খণ্ড মহেশ্বৰে।।" ৩০৪।।
তোমাৰেসে ভয়ে পবনো বহয়
আদিত্য হোৱে উদয়।
অগ্নিয়ে দহয় ইন্দ্ৰে বৰিষয়
মৃত্যুৱে কৰে প্ৰলয়।।
হেন মহেশাৰ সৰ্ব্ব শক্তিধৰ
সৰ্ব্ব ইন্দ্ৰ বিবৰ্জ্জত।
সৰ্ব্ব কৰ্ম্ম কৰ্তা সৰ্ব্বজন ভৰ্ত্তা
নমো নমো প্ৰতি নিত।।" ৩০৫।।

প্ৰানীৰ হৃদয়স্থ আত্মা ভগৱন্তৰে চিদাভাস অগ্নিৰ এক ফিৰিঙতিৰ দৰে পুৰুষ বিৰাজ কৰে। শীত-উষ্ম-বৃষ্টি এই তিনি কালচক্ৰ ঈশ্বৰৰে ক্ৰিয়া। পুত্ৰ দাৰা বিত্তক এৰি মহন্ত গনে গৃহসুখ এৰি কৃষ্ণ কথাত গুৰুত্ব দিয়ে। সৃষ্টিৰ পূৰ্ব্বত-মধ্যত অন্তত ঈশ্বৰহে থাকে। দেহ বৃক্ষত আত্মা-পৰমাত্মা ৰূপী দুই পক্ষীয়ে বাস কৰে; এটাই খায় সিয়েই জীৱাত্মা, আনটোৱে নাখায় তেওঁ পৰমাত্মা। জীৱাত্মাই মায়া অহঙ্কাৰত থাকি কৰ্ম্ম ফল ভূঞ্জে। ঈশ্বৰৰ ৰোম-ৰন্ধ্ৰত কোটি কোটি ডিম্ব ঘূৰিব লাগিছ, তাৰ মাজতে পৃথিৱীৰ

অৱস্থিতি তাতে-জল, তেজ, বায়ু, ব্যোম, অহঙ্কাৰ, মহত্তত্বক প্ৰকৃতিয়ে বেঢ়ি আছে। এনে কোটি কোটি ব্ৰহ্মাণ্ডৰ অধিকাৰী মহেশ্বৰ কৃষ্ণ বিৰাজমান হৈ আছে। বেদ বা শ্ৰুতিয়ে সেই পৰমেশ্বৰৰ বিষয়ে সদৰি কৰে।

(৩৯) **ৰুদ্ৰ মোক্ষনঃ-**

জনলোকবাসী মুনিগলে আত্মা জ্ঞান সুনন্দৰ মুখে শুনি সৎকাৰ কৰিলে। নাৰায়নে এই জ্ঞানকে নাৰদক দিলে। নাৰদে এই ব্ৰহ্মবাদ ব্ৰহ্মাৰ আগত কলে আৰু শুকে ব্যাসৰ মুখৰ পৰা এই তত্বজ্ঞান লাভ কৰি পৰীক্ষিতক কলে। নিৰ্গুন ব্ৰহ্মত চিত্ত কিদৰে ৰাখিব লাগে, তাকে শুকে কলে। ব্যাসে অগ্নি মথোতে তেওঁৰ বিন্দু কাষ্ঠত পৰে আৰু সেউ কাষ্ঠ মথোতে শুকৰ জন্ম হয়। পৰীক্ষিতে শুকক প্ৰশ্ন কৰিলে, যে দেৱতা, অসুৰ, নৰ আদিয়ে শিৱক বেছিকৈ ভজে কিয়? হৰি আৰু শিৱৰ পাৰ্থক্য কি? শিৱ ত্ৰিলিঙ্গ, ত্ৰিগুন সত্যত শিৱ থাকে, কিন্তু তেওঁৰ কৰ্ম্ম বিপৰীত। ৰজোগুনে ভকতক সিদ্ধি দান কৰে; সত্ব গুনে তত্ব পথ প্ৰদৰ্শন কৰে, তমোগুনে দুৰ্জ্জনক সংহাৰে। যি যেনে উপাসি থাকে তেওঁ প্ৰদান কৰে। হৰি কিন্তু তিনিগুন বৰ্জ্জিত। তেওঁ সাক্ষাতে পুৰুষ ৰূপী প্ৰকৃতিত পৰ, সদ্য প্ৰকাশিত, সৰ্ব্বসাক্ষী, গুণময় তেওঁক নিৰ্গুন ভাবে ভজিলে ফল পায়। যুধিষ্ঠিৰেও অশ্বমেধ যজ্ঞ কৰি কৃষ্ণৰ ওচৰত এই একে কথাকে সুধিছিল। কৃষ্ণই যুধিষ্ঠিৰক কৈছিল, ধন বাঞ্ছা কৰাজনক ধন দি চাও, কিন্তু ধনৰ পৰা তেওঁৰ অঘটন ঘটে, পাচত নিঃকাম ভাব ভকতি কৰিলে ঈশ্বৰে মায়াৰ পৰা তৰন কৰে আৰু মুক্তি দিয়ে। স্থুল দৃষ্টিৰে ভগৱানক জানিব নোৱাৰে; কিন্তু শিৱ, ব্ৰহ্মা, ইন্দ্ৰ চন্দ্ৰ আদি দেৱতাক তোষ্ট কৰি ৰাজ্য লক্ষ্মীক পাই গৰ্ব্ব কৰে। ঐশ্বৰ্য্যৰ মাজত কাকো নগনি অৱশেষত বিনাশ হয়। ব্ৰহ্মা বিষ্ণু, শিৱই বৰ দিয়াৰ সমৰ্থ আছে। কৃষ্ণই বা বিষ্ণুৱে বৰ নিদিয়ে, শিৱ আৰু ব্ৰহ্মাই বৰ দিয়ে। শিৱই বৰ দি কেতিয়াবা বিপদতো পৰিছে। তেওঁ ৰাবনক বৰ দিছিল কিন্তু ৰাবনে কৈলাসকে জয় কৰিলে, বানক বৰ দি ভৃত্য হিচাবে ৰক্ষা কৰি থাকিব লগা হ'ল, বৃকাসুৰক বৰ দি ভস্ম হ'ব লগীয়া হৈছিল যদিও বিষ্ণুয়েহে ৰক্ষা কৰিলে।

দুষ্টক প্ৰশ্ৰয় দিয়া অনুচিত, দুৰ্জ্জনক চিনাটান, মাধবৰ কথা শুনিবলৈ পোৱা কঠিন।

"দুষ্টকো প্ৰশ্ৰয় দিলে শিষ্টোপাবে খেদ।
শঙ্কৰতে দেখিয়া বুজিবা আৰু ভেদ।।
দুৰ্জ্জনৰ মনক বুজিতে বৰ টান।
পাবে বন্দী স্কন্ধে চৰে দেখি বিদ্যমান।।" ৪৪৩।।
বিশেষত বিষয়ত সন্ত পাবে দুখ।
তাৰখেদ তেজি হুয়ো কৃষ্ণক সন্মুখ।।
ধনজন সম্পতিক পাবে যথা তথা।





সততে নপায় বন্ধু মাধৱৰ কথা।
কৃষ্ণ কথা অমৃত পান কৰিবলৈ পোৱাটো মহাভাগ্য।

(৪০) **ভৃগু পৰীক্ষাঃ-**

সৰস্বতী নদীৰ পাৰত মুনিগনে যজ্ঞ কৰি ব্ৰহ্মা-বিষ্ণু-ৰুদ্ৰ এই তিনিজন প্ৰধান দেৱতাৰ ভিতৰত কোনজন ভজনীয়, তাক ঠিৰাং কৰিবলৈ মুনিগনে ভৃগু মুনিক পৰীক্ষা কৰি আহিবলৈ পঠালে।

প্ৰথমে তেওঁ ব্ৰহ্মাৰ সভাত প্ৰৱেশ কৰি স্তুতি মিনতি নকৰাকৈ বহি থাকিল। ব্ৰহ্মাই নিজ পুত্ৰৰ এনে আচৰন দেখি বহুত তিৰস্কাৰ কৰিলে। ভৃগুৱে তাৰ পৰা গৈ কৈলাসত উপনীত হ'লগৈ। শিৱই পাৰ্ব্বতী সহ উঠি আহি ভাতৃক আলিঙ্গন কৰিলে, কিন্তু ভৃগুৱে প্ৰতি আলিঙ্গন নকৰিলে। পিশাচৰ বেশ দেখি শিৱক আলিঙ্গন নকৰা বুলি জানি ত্ৰিশূলেৰে বধিবলৈ  গৈছিল যদিও পাৰ্ব্বতীৰ অনুৰোধত বিপ্ৰ বধ নকৰিলে।

অন্তেষ পুৰত লক্ষ্মীৰ কোলাত ভৰি থৈ বিষ্ণুৱে শয়ন কৰি থাকোতেই ভৃগুৱে বৈকুণ্ঠত প্ৰৱেশ কৰি বিষ্ণুৰ বুকুত গোৰ মাৰি দিলে। আঘাট পাই বিষ্ণুৱে সাৰপাই উঠিল যদিও আনন্দ মনেৰে উঠি আহি চৰনত ধৰিলে আৰু লক্ষ্মীসহ পদধুৱাই সতকাৰ কৰিলে আৰু সতকাৰ কৰা দেৰি হোৱাৰ বাবে ক্ষমা খুজিলে। তেওঁৰ বুকুত লাঠি মৰাত ভৃগুৱে ভৰিত দুখ পালেনেকি, আৰু তেওঁৰ গাত চতুদৰ্শ লোকপাল বহি থকা সকলকো উদ্ধাৰ কৰিলে বুলি কলে। ভৃগুৱে গোৰ মৰা ঠাইৰ কলানোমবোৰ শ্বেতকান্তিৰে উজ্বলি উঠিল। ভৃগুৱে লজ্জিত হৈপ্ৰত্যাবৰ্ত্তন কৰিলে।

ভৃগুৱে মুনিসমাজত তিনিজন প্ৰধান দেৱতাৰ ব্যৱহাৰৰ সম্পৰ্কে বিবৰি কলে। সংসাৰত বিষ্ণু শ্ৰেষ্ঠতম দেৱ বুলি মুনিগনে নিশ্চিত কৰিলে আৰু সকলোৱে ভজনীয় দেৱ হিচাবে বিষ্ণুকে নিৰ্ব্বাচন কৰিলে।

ভগৱানে নিজে গুনহীন হৈয়ো সগুন ৰূপত সৃষ্টি-স্থিতি-সংহাৰ কৰ্ম্ম কৰিবৰ কাৰনে ব্ৰহ্মা-বিষ্ণু-শিৱ ৰূপত বিভাক হ'ল আৰু সৃষ্টি কৰ্ম্মত ব্ৰহ্মা, স্থিতি বা পালন কৰ্ম্মত বিষ্ণু আৰু সংহাৰ কৰ্ম্মত শিৱক নিয়োজিত কৰি মহেশ্বৰ কৃষ্ণই সত্ব-ৰজ-তমৰ পৰা আতৰি থাকে। তম্ তকৈ ৰজঃ আৰু ৰজঃতকৈ-সত্ব গুন শ্ৰেষ্ঠ। ৰজ গুনত ৰজ-তম মিহলি হৈ থাকে আৰু সত্ব গুনত ৰজ থাকে; কিন্তু শুদ্ধ সত্বত ৰজঃ মিশ্ৰিত নাথাকে। ব্ৰহ্মাই সেই অনুসৰি ভৃগুৱে যথোচিত সন্মান নিদিয়াৰ বাবে ৰজ গুনত বিমুগ্ধ হৈ ভৃগুক তিৰস্কাৰ কৰিলে, শিৱই তম গুনত থাকি যথোচিত ব্যৱহাৰ নাপাই ভৃগুক ত্ৰিশূলেৰে বধ কৰিবলৈ উদ্যত হৈছিল আৰু বিষ্ণুৱে সত্ব গুনৰ ভিতৰত শুদ্ধ সত্বত থাকি বুকুত গোৰৰ আঘাট পায়ো মান আপমান, লাভা লাভ আদিবোৰে এক কৰি বা সেইবোৰ সম দৃষ্টিৰে চাই গোৰ মাৰোতে ভৰিত দুখ পালে বুলিহে ক্ষমা খুজিলে। 'ক্ষমা', দয়া, সহনশীলতা সত্ব গুনৰ পৰিচায়ক। যি যিমান শ্ৰেষ্ঠ, তেওঁৰ কৰ্ম্মও শ্ৰেষ্ঠ।

সংসাৰত মানুহে মানুহক চিনিবলৈ হলে কৰ্ম্মৰ যোগেদিহে চিনিব পাৰে; নিজৰ ব্যৱহাৰৰ যোগেদিহে সমাজত শ্ৰেষ্ঠ অশ্ৰেষ্ঠ তাক ভৃগু পৰীক্ষাৰ দ্বাৰা প্ৰমানিত হ'ল।

"জানিবা বিষ্ণুসে সমস্তে জগত সাৰ।।"

(৪১) **বিপ্ৰ পুত্ৰ আনয়নঃ-**

অৰ্জ্জুন কৃষ্ণৰ পৰম ভক্ত। কৃষ্ণৰ সন্মুখতে অৰ্জ্জুনে নিজৰ ক্ষমতাৰ বাবে ঘোৰ প্ৰতিজ্ঞা কৰিলে আৰু প্ৰতিজ্ঞা ৰক্ষা কৰিব নোৱাৰিলে প্ৰানাহুতি দিব বুলি ও প্ৰতিজ্ঞা কৰিলে। ভগৱন্তৰ শক্তিৰেহে অৰ্জ্জুন শক্তিবান। তেনেক্ষেত্ৰত কৃষ্ণক একাষৰীয়াকৈ ৰাখি নিজে শক্তিৰ উৰ্দ্ধত উঠাৰ পৰিনাম ভয়ঙ্কৰ; কিন্তু কৃষ্ণই ভকতৰ আস্ফালনকো ক্ষমা কৰি ৰক্ষা কৰিলে।

দ্বাৰকাৰ থকা এজন বিপ্ৰৰ নৱজাত শিশুটো মৰিথকাত বিপ্ৰই কৃষ্ণৰ ওচৰ পোৱালেগৈ আৰু ৰজাৰ দোষতে বালকৰ মৃত্যু হৈছে বুলি নানা তৰহৰ গালি পাৰি পুত্ৰ এৰি গ'ল। এইদৰে একাদিক্ৰমে আঠটি পুত্ৰৰ মৃত্যু হোৱাত একে দৰে ৰজাক গালি পাৰি মৃত পুত্ৰ এৰি যায়। নৱম পুত্ৰটি জন্ম হৈ মৰাত বিপ্ৰই ৰাজ দুৱাৰ পোৱালেগৈ। সিদিনা অৰ্জ্জুন আৰু কৃষ্ণ বহি আছিল। বিপ্ৰৰ গালি শুনি অৰ্জ্জুনে কলে, যে মহাধনুৰ্দ্ধৰ অৰ্জ্জুনে বিপ্ৰৰ সমাগত পুত্ৰক মৃত্যুৰ পৰা ৰক্ষা কৰিব।

"শুনিয়ো ব্ৰাহ্মন হেৰ এৰিয়ো ক্ৰন্দন।
তোমাৰ পুত্ৰক মই কৰিবো ৰক্ষন।।
পুত্ৰ জন্ম সময়ে জনাইবা আসি মোক।
নিশ্চয় ৰাখিবো তুমি নকৰিবা শোক।।" ৪৯২।।
পুত্ৰক ৰাখিতে যেবে নোৱাৰো তোমাৰ।
অগ্নি খাই মৰিবো কৰিলো অঙ্গীকাৰ।।" ৪৯৩।।

অৰ্জ্জুনে ভীষন প্ৰতিজ্ঞা কৰিলে যদিও ব্ৰাহ্মনে কলে যে ভগৱন্তৰ অৱতাৰ কৃষ্ণ, বলভদ্ৰ, প্ৰদ্যুম্ন আৰু অনিৰুদ্ধই যি কাম কৰিবলৈ সমৰ্থ হোৱা নাই তেনে দুৰ্গেয় কৰ্ম্ম অৰ্জ্জুনে কৰিম বুলি কোৱা কথাত বিশ্বাস নহয়। অৰ্জ্জুনে মহাগৰ্বে আত্ম গৌৰৱ কৰি প্ৰৌঢ়ি বানী শুনালে আৰু বিপ্ৰই বিশ্বাসো কৰিলে।

পুত্ৰ জন্ম হোৱাৰ ক্ষন আহি পোৱাত বিপ্ৰই জনোৱাত অৰ্জ্জুনে শিৰক চিন্তি গাণ্ডীৱ ধনুৰে সূতিকা গৃহ বেঢ়ি পেলালে। ব্ৰাহ্মনীৰ পুত্ৰ উপজি কান্দিবলৈ ধৰিলে আৰু সশৰীৰে অন্তৰ্দ্ধান হ'ল। আনবাৰে মৃতদেহটোকে ব্ৰাহ্মনে পায়, এইবাৰ দেহটো ও নাপালে।ব্ৰাহ্মনে অৰ্জ্জুনক নানাধৰনেৰে তিৰস্কাৰ কৰিলে। যাক ঈশ্বৰে ৰাখিবলৈ অসমৰ্থ তাক অৰ্জ্জুনে কেনেকৈ ৰাখিব। অৰ্জ্জুনে গালিখাই যোগবিদ্যাৰে সংযমনী (যমপুৰী) পুৰী, ইন্দ্ৰৰ নগৰ, নৈঋত পুৰী, চন্দৰ নগৰী, বায়ুপুৰ, পাতালপুৰী, স্বৰ্গ আদিত বিচাৰি





নাপাই পুনৰ দ্বাৰকাত প্ৰবেশ কৰিলে। তেওঁ প্ৰতিজ্ঞা ৰক্ষা কৰি অগ্নিত জাপদি মৃত্যু বৰন কৰিবলৈ উদ্যত হোৱাত কৃষ্ণই বাধা কৰিলে আৰু কৃষ্ণক নুসুধি অযথা কষ্ট কৰিলে বুলি কলে আৰু মৃত পুত্ৰৰ সন্ধান দিব বুলি কৃষ্ণই কলে।

কৃষ্ণই অৰ্জ্জুনক লৈ উত্তৰ দিশে গৈ বসুমতি, সপ্তসাগৰ, লোকালোক, অন্ধকাৰ আৱৰন, মহাজন, উৰ্ম্মিমালা অতিক্ৰম কৰি মহাকাল পুৰত প্ৰৱেশ কৰিলে। অনন্তৰ কোলাত বিশ্বনাথে বিৰাজ কৰি থকা দেখি কৃষ্ণ ধনঞ্জয়ে প্ৰনাম জনালে আৰু নাৰায়নে দুয়োকো আলিঙ্গন কৰি তিনিত একত্ৰ হ'ল। নাৰায়নে কলে যে তেওঁলোকক দেখিবৰ কাৰনেই মৃতপুত্ৰক আনিলে। কৃষ্ণ-অৰ্জ্জুন দুয়ো জন নৰ আৰু নাৰায়ন, লোকশিক্ষা দি জগতক পালন কৰি ভুমিৰ ভাৰ হৰন কৰিবলৈ তেওঁলোক পৃথিৱীলৈ আহিছিল আৰু সকলো কৰ্ম্ম সমাধা কৰি ঘুৰি যাবলৈ নাৰায়নে দুয়োকে কৈছে। বিপ্ৰৰ দহজন পুত্ৰক নাৰায়নে ঘূৰাই দিলে আৰু তেওঁলোকক লৈ আহি দ্বাৰকা পায়হি। বিপ্ৰই নিজ পুত্ৰ গনক পাই আনন্দত নাচি উঠিল আৰু বিপ্ৰই পত্নীসহ কৃষ্ণ-অৰ্জ্জুনক ভুৰি ভুৰি প্ৰশংসা কৰিলে।

বিপ্ৰ পুত্ৰ আনয়নত মিছা দৰ্প অহঙ্কাৰৰ পৰিনাম আত্মাৰূপী কৃষ্ণ হৃদয়ত থকা সত্বেও তেওঁক উপেক্ষা, কৃষ্ণৰ ভকতৰ প্ৰতি কৃপা প্ৰকাশ পাইছে। কৃষ্ণৰ কৃপাত ভক্ত হিচাবে অৰ্জ্জুনে মহাশক্তিৰ অধিকাৰী হৈ নিজকে ঈশ্বৰ বুলিয়েই ভাবি গৰ্ব্ব কৰিছিল। কৃষ্ণৰ কাষত থকা সত্বেও অৰ্জ্জুনে তেওঁৰ পৰামৰ্শ নোলোৱাকৈ স্বয়ংক্ৰীয়ভাৱে প্ৰতিজ্ঞা কৰি বিফল মনোৰথ হৈছিল। ভগৱানৰ কৃপাতহে সকলো সমাধা হয়। নাৰায়নেই নৰৰূপ লৈ অৰ্জ্জুন আৰু কৃষ্ণৰূপত নাৰায়ন অৰ্থাৎ নৰনাৰায়ন হৈ জগতলৈ আহি ভূমিৰ ভাৰ হৰন কৰিছিল। অৰ্জ্জুনক আচল পৰিচয় দিয়াৰ উদ্দেশ্যে কৃষ্ণই মৃত পুত্ৰক বিচাৰি নাৰায়নৰ লগত সাক্ষাত কৰাইছিল। মনুষ্যত নৰ আৰু নাৰায়ন বিৰাজমান হৈ আছে, দেহৰ অৰ্জ্জুন আৰু দেহস্থ আত্মাই নাৰায়ন। দেইৰ একাদশ ইন্দ্ৰিয়ই আত্মাৰ আদেশত কৰ্ম্ম কৰে। পৰম ভকত হ'ব পাৰিলে দুয়োৰে কাম সমাধা হয়, আত্মাৰ উভয়ৰে উদ্দেশ্য সাধিত হয়। আত্মাক চেৰাই অহঙ্কাৰ গৰ্ব্বৰ স্থান নাই। ভকতে অহঙ্কাৰৰ বশবৰ্তী হলেও ভগৱানে ভক্তিৰ আবদাৰতে ভকতক উদ্ধাৰ কৰে।

"যত পুৰুষাৰ্থ কৰি কৃষ্ণৰেসে ইচ্ছা।" ৫৫৭।।
কৃষ্ণৰ কৃপায়ে সবে কাৰ্য্য হোৱে সিদ্ধি।
কৃষ্ণসে ঈশ্বৰ ভকতৰ পুৰ্ন নিধি।।
হেনয় আশ্চৰ্য্য মহাবীৰ কৰ্ম্মচয়।
দেখালা লোকত প্ৰভু কৃষ্ণ কৃপাময়।।" ৫৫৭।।

(৪২) **কৃষ্ণৰ গৌৰৱ কীৰ্ত্তনঃ-**

"সাগৰ গম্ভীৰ গ্ৰস্থ মহাভাগৱত।
তৰ্ক পুৰানৰ বেদ বেদান্তৰো মত।।

এৰৈকেক শ্লোকৰ ব্যাখ্যা আছে শত শত।।" ৬৩৬।।

সাগৰ গম্ভীৰ মহাভাগৱতৰ দ্বাদশ স্কন্ধৰ ভিতৰত দশম স্কন্ধ অতি সুগভীৰ। কাৰন ইয়াত পৰম পুৰুষ ঈশ্বৰ কৃষ্ণৰ আদ্যলীলাৰ পৰা আৰম্ভ কৰি অন্তিম লীলা পৰ্য্যন্ত বিস্তৃত জীৱন বীক্ষা অৱধাৰিত হৈছে। ধৰ্ম্ম-অথ-কাম-গৃহাশ্ৰম কেনেকৈ সংৰক্ষন কৰিব লাগে তাক প্ৰদৰ্শন কৰি তেওঁ বেদ ধৰ্ম্ম আচৰিলে। ৰমনী সকল পুত্ৰ সকল যদুবীৰ সকল, বৃন্দাবন তৰু-তৃণ-গৰু-গাই বৎস দ্বাৰকা নগৰী সকলোবোৰ তেওঁৰে ঐশ্বৰ্য্য মাত্ৰ। যাদৱ সকলে স্বৰ্গ সুখ ভূঞ্জি কৃষ্ণক ভজিলে তৎসত্বেও কৃষ্ণক পৰম ঈশ্বৰ বুলি জানিব নোৱাৰিলে। হৃদয়তে কৃষ্ণই বিৰাজ কৰি আছে, তথাপি কৃষ্ণক চিনিব নোৱাৰিলে।

"তথাপি কৃষ্ণক নিচিনিলে একোজনে।।"

"হৃদয়তে আছে আত্মৰূপ মহেশ্বৰ।। ৬১৬।।

"সাক্ষাতে বৈকুণ্ঠনাথ আছে অৱতৰি।।" ৬১৭।।

শত্ৰুভাৱে হিংসা কৰাসকলক সাৰূপ্য মুক্তি দিলে। যাৰ পৰম সঙ্গল নাম এজনে ঘোষিলে সমস্ততে পাপ দৃহ হয়, সমস্ত ধৰ্ম্মৰ আশ্ৰয় যাৰ নাম, যি সমস্ত ভূততে অন্তৰ্য্যামী হিচাৱে বিৰাজমান, যত সমস্তভূত তিষ্ঠি আছে, যি সকলোৰে দুঃখ হৰন কৰিলে, সেই ঈশ্বৰ কৃষ্ণই নানা তনু ধৰি নিজ ভাগৱত ধৰ্ম্ম পুনঃ পুনঃ ৰক্ষা কৰিলে।

**।।একাদশ স্কন্ধ।।**

**মূল বিষয়ঃ-**

(১) নিমি নৱসিদ্ধ সংবাদ (শঙ্কৰদেৱ বিৰচিত)

(২) একাদশ স্কন্ধৰ অন্তৰ্গত বিষয় (শঙ্কৰদেৱ বিৰচিত)

(ক) যদুকুলৰ প্ৰতি ঋষি সমস্তৰ অভিশাপ।

(খ) ব্ৰহ্মাদি দেৱতাৰ দ্বাৰকালৈ যাত্ৰা ও কৃষ্ণস্তুতি।

(গ) দ্বাৰকাত অমঙ্গল আৰু প্ৰভাসতীৰ্থলৈ যাত্ৰা।

(ঘ) কৃষ্ণৰ উদ্ধৱলৈ উপদেশ আৰু উদ্ধৱৰ কৃষ্ণ স্তুতি।

(ঙ) সুৰাপান আৰু পাৰস্পৰিক যুদ্ধ ও যাদৱকুল ধ্বংস।

(চ) কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়ান।

(ছ) কৃষ্ণ নিৰ্য্যানৰ বাতৰি পাই বসুদেৱ-দৈৱকী আদিৰ প্ৰভাসত প্ৰৱেশ ও নিৰ্য্যান, অষ্ট মহিষীৰ সহ গমন।

(জ) বিদুৰ উদ্ধৱৰ কথোপ কথন ও মৈত্ৰেয়ৰ ওচৰলৈ বিদুৰৰ প্ৰস্থান।

(ঝ) অৰ্জ্জুনৰ দ্বাৰা বাল বৃদ্ধ সকলক হস্তিনালৈ আনয়ন আৰু যুধিষ্ঠিৰক বাৰ্ত্তা প্ৰেৰন।

(ঞ) পাণ্ডুৰ, কুন্তীৰ বৈৰাগ দৌপদীৰ দেহত্যাগ আৰু নন্দ-যশোদাৰ,





গোপীৰ দেহ ত্যাগ।

**(১) নিনি নৱসিদ্ধ সংবাদঃ-**

বসুদেৱৰ গৃহলৈ এদিন নাৰদ মুনি যোৱাত বসুদেৱে আপ্যায়ন কৰি মোক্ষ লাভৰ উপায় সুধিলে। পূৰ্ব্বতে বসুদেৱে নাৰায়নৰ ওচৰত পুত্ৰহে বিচাৰিছিল, মুক্তি বিচৰা নাছিল। মুনিয়ে বসুদেৱক মোক্ষলাভৰ উপায় দিয়াৰ বাবে নৱসিদ্ধ'ৰ লগত নিমি ৰজাৰ সংবাদ ব্যক্ত কৰিলে-

স্বায়ম্ভুৱ মনু
↓
পুত্ৰ→ প্ৰিয়ব্ৰত।
↓ ↓
পুত্ৰ→ অগ্নিধ্ৰ।
↓ ↓
পুত্ৰ→ নাভি
↓ ↓
পুত্ৰ→ ঋষভ
↓ ↓
পুত্ৰ→ এশজন =(১+৯+৮১+৯=১০০)
↓

| ↓ | ↓ | ↓ | ↓ |
|---|---|---|---|
| শ্ৰেষ্ঠজন ভৰত | ন জন | একাশীজন | ন জন |
| (যাৰ নামত ভাৰত হয়) | বৰ্ষপতি | দ্বিজপ্ৰায় | তত্ব জ্ঞানী (নৱসিদ্ধ) |

নৱসিদ্ধ- কবি, হবি, অন্তৰীক্ষ, প্ৰবুদ্ধ, পিপ্পলায়ন, আবিৰ্হোতা, দ্ৰমিল, চমস আৰু কৰভাজন। নজনেই দিগম্বৰ, পৰম হৰি ভক্ত আছিল।

বিশ্বচৰাচৰৰ স্থুল সুক্ষ্মৰূপৰ মাজত তেওঁলোকে নিৰন্তৰ নাৰায়নকেই দেখে। সুৰ, সিদ্ধ, সাধ্য, যক্ষ, গন্ধৰ্ব্ব, কিন্নৰ, নৰ, নাগ, শঙ্কৰ, চাৰন, বিদ্যাধৰৰ পুৰত তেওঁলোক ভ্ৰমি ফুৰে।

নিমি ৰজাই ঋষিগনক লৈ মহাযজ্ঞ কৰি থকা সভাত নৱসিদ্ধই প্ৰৱেশ কৰিলে। গুৰু পুৰুহিত সমন্বিতে সকলোৱে সিদ্ধগনক শুশ্ৰূষা কৰিলে। নিমি ৰজাই সবাৰে চৰনত পৰি সুধিলে, "আত্যন্তিক সুখ কাক বোলে? ৰহস্য ধৰ্ম্ম কি? কোন ভাগৱত ধৰ্ম্ম ভক্ত? মায়া কি আৰু মায়া তৰনৰ উপায় কি? ব্ৰহ্ম যোগ কি? কৰ্ম্ম যোগ কাৰ নাম? অৱতাৰী ভগৱন্তৰ কি কাম? যুগধৰ্ম্ম কি? অভক্তৰ কি গতি হয়? এই নটি প্ৰশ্নৰ উত্তৰ।

নাৰদে বসুদেৱক কলে যে নবসিদ্ধই ওপৰত উল্লেখ কৰা এটি এটি প্ৰশ্নৰ উত্তৰ দিবলৈ আগবাঢ়িলে।

১ম প্ৰশ্ন- আত্যন্তিক সুখ কাক বোলে? কবিয়ে উত্তৰ দান কৰিলে-

উত্তৰঃ- যি সকললোক মোহত আবদ্ধ হৈ পুত্ৰ দাৰা দেহত সদায় আকুল হৈ থাকে তেওঁলোকৰ কোনো ভয় নুগুছে। কৃষ্ণ পদ সেৱাত সৰ্ব্ব দুখ হয়। এয়ে আত্যন্তিক সুখ।

"যিটো সব লোক অতি মোহে অন্ধপ্ৰায়।
পুত্ৰ দাৰা দেহতেসে আকুল সদায়" ৮৩।।
সি সবৰ এককেকালে নুগুচয় ভয়।
যাবে কৃষ্ণ পদাম্বুজে সেৱা নকৰয়।
কৃষ্ণ পদ সেৱাতেসে হৰে সবে দুখ।
তাহাকে বুলয় ৰাজা আতন্তিক সুখ।।" ৪৪।।

ভাগৱত ধৰ্ম্মৰ লক্ষনঃ- কবিয়ে উত্তৰ দিয়ে-

উত্তৰঃ- পৰম ভকতে যাক নিতৌ ৰতি কৰে, যাক জানিলে অজাতি, পাতকীয়েও নিস্তাৰ পায়, মূঢ় জনেও যাক জানিলে সংসাৰত নিস্তাৰ পায় তাকে ভাগৱত ধৰ্ম্ম বোলে। ভাগৱত ধৰ্ম্মক আশ্ৰয় কৰিলৈ পাপ ভয় নাথাকে আৰু ভক্তি উপছে। অন্য ধৰ্ম্ম-মন্ত্ৰ-তন্ত্ৰত ছিদ্ৰ থাকে কিন্তু এই ধৰ্ম্মত সেইবোৰ নাই।

ভাগৱত ধৰ্ম্মৰ সম্পৰ্কত কবিয়ে বেদান্তৰ তত্ব দাঙি ধৰিছে। দান-হোম-মহাতপ-জপ-যজ্ঞ-তীৰ্থ-ব্ৰত আচৰন কৰাটো লৌকিক আৰু বৈদিক কৰ্ম্ম। নিত্য-নৈমিত্তিক, জাতি ধৰ্ম্ম, আশ্ৰম কৰ্ম্মাদি কৃষ্ণত অৰ্পন কৰিব লাগে। তেহে ভাগৱত ধৰ্ম্ম হয়। গৰ্ব্ব-অহঙ্কাৰ ত্যাগ কৰি ভকতি কৰিলেহে ভাগৱত ধৰ্ম্ম ৰক্ষা হয়। ঈশ্বৰ বিমুখ হৈ জ্ঞানৰ যোগেদিও ভকতি নহয়, কাৰন তেওঁক বিষ্ণুমায়াই ধৰে। উপদেশ দাতা গুৰুৰ যোগে অব্যভিচাৰী ভকতি কৰিলে ভগৱানক লাভ কৰিব পাৰে। বিষয়ী লোকৰ দম্ভ অহঙ্কাৰ থাকে, আৰু মনতেই বিষয় অৰ্থাৎ পুত্ৰ দাৰা ধনৰ বাঞ্ছা বৰ্তি থাকে বাবে মনক নিয়মিব লাগে।

কবিয়ে ধৰ্ম্মতত্ব ব্যাখ্যা কৰি ৰজাক কলে যে আন সকলো ধৰ্ম্মক আদৰ নকৰি কেৱল মাধৱৰ গুন-নাম-জন্ম-কৰ্ম্ম শ্ৰৱন কৰিব লাগে। এই দৰে আন স্পৃহা এৰি সদায় নামক স্মৰন কৰিলে সৰ্ব্বঅঙ্গ পুলকিত হয়, চিত্তকৃষ্ণত দ্ৰবীভূত হয়, তেওঁৰ কৃষ্ণ জ্ঞান হয়, সমস্ততে কৃষ্ণময় দেখে? মহাযোগীয়ে সমাধিত ৰতি কৰিলেও নামৰ কীৰ্ত্তনৰ সমান নহয়। হৰিনামৰ মহান ফল লাভ হয় আৰু তিনি প্ৰয়োজন সাধন হয়, প্ৰথমে প্ৰেম উপজে, গৃহ আৰু দেহত বিৰক্তি আহে আৰু কৃষ্ণ মূৰ্ত্তি প্ৰমতফলিত হয়, চিত শান্ত হয়।

২য় প্ৰশ্নঃ- মহাভকতৰ লক্ষন কি? হবিয়ে উত্তৰ দান কৰে।

উত্তৰঃ- ভকতৰ ধৰ্ম্ম কি? কি প্ৰবৰ্ত্তন স্বভাব কেনেকুৱা? বচন কেনেকুৱা এইবোৰৰ উত্তৰত হবিয়ে কলে ভকতৰ ধৰ্ম সমস্ত প্ৰানীতে ঈশ্বৰক দেখে সমস্ত ঐশ্বৰ্য্যতে ঈশ্বৰক ব্যাপি থকা দেখে। ঈশ্বৰত একান্ত প্ৰেম কৰে, হৰিভকতত মিত্ৰতা আচৰে, অজ্ঞ জনক কৰুনা আৰু শত্ৰু জনক ক্ষমা কৰে, প্ৰথম বাক্যত প্ৰকাশ পোৱা লক্ষনৰ অধিকাৰী আৰু দ্বিতীয় বাক্যত প্ৰকাশ পোৱা লক্ষনৰ অধিকাৰীজন মধ্যম ভকত। ভক্তক পূজা নকৰা, প্ৰানীক মান নকৰা মাত্ৰ একে প্ৰতিমাত হৰিক আৰাধনা কৰা জন প্ৰাকৃত ভকত আৰু ভক্তি পথত তেওঁল আৰূঢ়।

"ঈশ্বৰত দেখে যিটো সমস্তে প্ৰানীক।
প্ৰানী সমস্তটো দেখে ঈশ্বৰ মূৰ্ত্তিক।।
সমস্তে ঐশ্বৰ্য্য ব্যাপি আছে জগতত?
হেন যিটো দেখে সিটো মহাভাগৱত।।" ৮০।।
"একান্তে কৰয় প্ৰেম যিটো ঈশ্বৰত।
মৈত্ৰতা আচৰে হৰি ভকত সবত।।
অজ্ঞক কৰুনা ক্ষমা কৰে বিপক্ষত।
সেহিজন জানিবা মধ্যম ভাগৱত।।" ৮১।।
"নূপুজে ভক্তক মান্য নকৰে প্ৰানীক।
একে প্ৰতিমাত মাত্ৰ আৰূধে হৰিক।।
সেহিজন জানিবাহা প্ৰাকৃত ভকত।
আৰূঢ় হৈ আছে তেহো ভক্তিৰ পথত।।" ৮২।।

হবিয়ে ত্ৰিবিধ ভকতৰ সংজ্ঞা দিয়াৰ পাচত মহাভাগৱতৰ অন্য লক্ষন সমূহ ব্যক্ত কৰিছে, যি কৃষ্ণৰ চিন্তাৰ বাহিৰে বিষয়ক নিচিন্তে, জগতৰ সকলোতে বিষ্ণুৰ মায়া প্ৰত্যক্ষ কৰে, মনত আক্ৰোশ দ্বেষ নাৰাখে। জন্ম-মৃত্যু, ক্ষুধা-তৃষ্ণা, ভয়-পৰিশ্ৰম, দেহ-প্ৰান-বুদ্ধি-মন-ইন্দ্ৰিয়ৰ ধৰ্ম্মক সংসাৰ ধৰ্ম্ম বুলি যি মানে, তেওঁ উত্তম ভকত। এক মাধৱত আশ্ৰয় কৰি কাম্য-কৰ্ম্ম-বাসনা ত্যাগ কৰি কেৱল হৰিৰ চৰনত ৰত থকাজন উত্তম ভকত।

**৩য় প্ৰশ্নঃ**- মায়াৰ স্বৰূপ আৰু মায়া তৰনৰ উপায়ঃ- উত্তৰ দিয়ে অন্তৰীক্ষই-

উত্তৰঃ- অনাদি পুৰুষে জীৱৰ সুখৰ বাবে পঞ্চভূতক লৈ মায়াৰ সান্নিধ্যেৰে ভূতগনক সৃষ্টি কৰিলে। নাৰায়নে নিজকে বিভঞ্জি ইন্দ্ৰিয় ভূত প্ৰাণ মনক প্ৰবৰ্তন কৰি মায়া শৰীৰ ৰচনা কৰিলে। ইন্দ্ৰিয়ৰ সঙ্গলৈ জীৱই বিষয় ভোগ কৰে। মায়া শৰীৰ সৃষ্টি কৰি মাজতে আত্মাৰূপে ঈশ্বৰে বিৰাজ কৰে। এনে আত্মাধাৰী দেহ পাই জীৱই নিজকে স্বয়ং বুলি ভাবে আৰু সিয়েই অহঙ্কাৰ।

মায়ামোহে জীৱকআবৰি ধৰাৰ বাবে জ্ঞান শূন্য হৈ সকামে অনেক কৰ্ম্ম কৰে আৰু কৰ্ম্মফল ভূঞ্জি জীৱই সংসাৰত অনেক যান্তনা ভুগি ঘূৰি ফুৰে। সংসাৰ

সৃষ্টিৰ পৰা প্ৰলয় নোহোৱা পৰ্য্যন্ত জনম মৰন ভয় লৈ লৈ পশু-পক্ষী, বৃক্ষ, কীট পতঙ্গ আদিত জন্ম লৈ সংসাৰ চক্ৰত ঘূৰি ফুৰে। মহাপ্ৰলয়ত জীৱৰ স্থূলদেহ নষ্ট হৈ প্ৰকৃতিত লীন হয় আৰু প্ৰকৃতিৰ প্ৰথম মহীভূত পৃথিৱীৰ গন্ধগুন অনিলত লয়হৈ সলিলত পৰিনত হয়, জল অগনিত, অগ্নি বায়ুত, বায়ু আকাশত, লয় হয়। আকাশৰ শব্দ-গুন মহাকালে শুহি মহাঅহঙ্কাৰত পৰিনত কৰে। তেতিয়াই মন-বুদ্ধি-ইন্দ্ৰিয় দেবগন অহংকাৰত মিলিযায়। অহঙ্কাৰ মহতত্ব পৰিনত হয়, মহতত্ব প্ৰকৃতিত লীন হয়। এয়ে ভগৱন্তৰ মায়া।

মহাপ্ৰলয়ত= জীৱৰ স্থূলদেহ নষ্ট হৈ প্ৰকৃতিত লীন হয়।

পৃথিৱী - লয় পায়- জলত।

জল - লয় হয় - অগ্নিত।

অগ্নি - লয় হয় - বায়ুত।

বায়ু - লয় পায় - মহাকাশত।

মহাকাশ - লয়পায় - মহা অহঙ্কাৰত।

মন - বুদ্ধি - ইন্দ্ৰিয় দেবগন অহঙ্কাৰত লয় পায়।

মহা অহঙ্কাৰ - লয় পায় - মহতত্বত।

মহতত্ব - লয় হয় - মহা প্ৰকৃতিত।

মহা প্ৰকৃতি - বা মহামায়া লয় পায় - ঈশ্বৰত।

সমষ্ট জগত মায়াৰ নিৰ্ম্মান। মায়াৰ পৰা তৰনৰ উপায় কি? নিমিয়ে সিদ্ধ গনক প্ৰশ্ন কৰাত দেবৰ্ষি প্ৰবুদ্ধই উত্তৰ দিবলৈ আগবঢ়িল।

**৪ৰ্থ মায়া তৰনৰ উপায়ঃ**- প্ৰবুদ্ধই উত্তৰ দিয়ে।

উত্তৰঃ- সবাতে বিৰকতি আহিলেই তৰনৰ উপায় ওলায়। মূঢ়জনে দুখ দূৰ কৰি সুখ পাবৰ কাৰনে কৰ্ম্ম কৰে। কৰ্ম্মফল অতি ভয়াবহ। ধন, পুত্ৰ, পত্নী, পশু, গৃহ; আদি বোৰ চঞ্চল। ধনৰ দ্বাৰা স্বৰ্গলাভ হলেও স্বৰ্গ বিনাশী। পতন বা মৃত্যুৰ ভয়ে সকলোৰে মনৰ শান্তি হেৰুৱায়। সেইবাবে প্ৰথমেই গুৰুক সন্মান জনাৰ যি গুৰুৱে শাস্ত্ৰৰ তত্ব জানে আৰু কৃষ্ণৰ ভকত-তেনে গুৰুক সেৱা জনাই পৰামৰ্শ বিচাৰিব। গুৰুৰ পৰাৰ্শ ক্ৰমে প্ৰথমে সাধু সঙ্গ বিচাৰিব। তাৰ পাচত ঈশ্বৰত সমস্তকে অৰ্পন কৰিব। উত্তমত প্ৰীতি, সমানত মৈত্ৰী, হীনত দয়া কৰিব, সত্য-শৌচ-অহিংসা মানি চলিব আৰু সম-দম, দুখ-সুখ, শীত-উষ্ণ, সকলো সমভাৱে সহ্য কৰিব, ব্ৰহ্মচৰ্য্য মানি চলিব, সকলোত ঈশ্বৰক প্ৰত্যক্ষ কৰিব, দেহ-গেহৰ অভিমান এৰিব, নিৰ্জ্জন স্থানত অৱস্থান কৰিব, যি পাইছে তাতে সন্তোষ্ট থাকিব, ভাগৱত শাস্ত্ৰক শ্ৰদ্ধা কৰিব, আন শাস্ত্ৰক নিনিন্দিব, দয়াবান হৈ আনক দয়া কৰিব, ঈশ্বৰক অন্তৰ্য্যামী ৰূপে জানি নিজক চিদানন্দ বুলি মানিব, স্বধৰ্ম্ম নেৰিব আৰু মিছাবাক্য নকব, মৌনতা অৱলম্বন কৰিব, ইন্দ্ৰিয় গনক দমি সত্য কথা



কব, কাম-ক্ৰোধ-অহঙ্কাৰ এৰিব; তেতিয়া মায়া দূৰ হ'ব।

মায়া তৰনৰ ক্ষেত্ৰত ভাগৱত ধৰ্ম্মই মূখ্য উপায়। ঈশ্বৰ কৃষ্ণৰ জন্ম কৰ্ম্ম গুন সদায়ে শ্ৰৱন কৰিব আৰু ভকত সেৱা কৰিব। কৃষ্ণৰ চৰনত শৰনলৈ নাৰায়ন পৰ হলেই মায়া তৰন হ'ব পাৰে।

নিমি ৰজাই তেতিয়া নবসিদ্ধৰ পৰা নাৰায়নৰ ৰূপ জানিবৰ কাৰনে বিচাৰিলে। মহৰ্ষি পিপ্পলায়নে তাৰ উত্তৰ দিব বিচাৰিলে।

**৫ম প্ৰশ্নঃ**- পৰমাত্মাই সৃষ্টি-স্থিতি প্ৰলয় ঘটায়, স্বপ্ন-জাগৰণ-নিদ্ৰা আৰু সমাধি অৱস্থাত তেওঁ সাক্ষীৰূপে থাকি দেহ প্ৰান ইন্দ্ৰিয়ক সচেতন কৰি ৰাখে আৰু তেওঁকেই নাৰায়ন বোলা হয়। ব্ৰহ্ম, পৰমাত্মা, ভগৱন্ত একতত্ব; ইন্দ্ৰিয়ক প্ৰৱৰ্ত্তন কৰোৱাৰ বাবে তেওঁক ভগৱন্ত বোলে-

"প্ৰবত্তাৰ্ন্ত যেখানে ইন্দ্ৰিয় সমস্তক।
পৰমাত্মা বোৱয় তেখনে মাধৱক।। ১৭৯।।
সমাধিত বেকত হোৱন্তে গুচে ভ্ৰম।
তেখনে বোলয় জানা মাধৱক ব্ৰহ্ম।।
কৰন্ত যেখনে ইটো সৃষ্টি স্থিতি অন্ত।
তেখনে বোলয় মাধৱক ভগৱন্ত।।" ১৮০।।
ব্ৰহ্ম পৰমাত্মা ভগৱন্ত একতত্ব।
একৰেসে তিনি নাম লক্ষন ভেদত।।" ১৮১।।

ইন্দ্ৰিয় গনে যাক ঢুকি নাপায়, যিটো মন বুদ্ধি বচনৰ অগোচৰ, বেদে যাক নিৰুপন কৰিব নোৱাৰে, যিটো ব্ৰহ্মতত্ব সেইটোৱেই নাৰায়ন ৰূপ। তেওঁ সবাৰো কাৰন আৰু কাৰনৰ পৰাই কাৰ্য্য হয়। যাৰ ক্ষয় বৃদ্ধি জন্ম মৃত্যু নাই, দেহৰ দোষে যাক নোচোৱে, যি জ্ঞানময়, নিত্য নিৰঞ্জন, যি সৰ্ব্বদেহত থাকে, যাৰ বিকাৰ নাই, যি সদায় সুখময়, যি তাপ দূৰ কৰে, যি ভকতৰ প্ৰান স্বৰূপ তেৱেঁই নাৰায়ন। চৰিবিধ প্ৰানীৰ জীৱৰ লগত প্ৰাৰ হিচাবে তেৱেঁই থাকে। প্ৰান আৰু আত্মাৰ বিকাৰ নাই, দেহত থকা সত্বেও ই নিৰ্লিপ্ত।

সকলোৰে হৃদয়ত আত্মাৰূপে ভগৱান থাকে, ই কেতিয়া কেনেকৈ সাক্ষাত হয় তাক ৰজাই জানিব বিচৰাত সিদ্ধই কয় যে- নিদ্ৰাগৈ থকা অৱস্থাত অহঙ্কাৰৰ লগত ইন্দ্ৰিয়গন একেলগ হৈ আত্মাত লয় হয় আৰু সেই সময়ত আত্মা সাক্ষীৰূপে থাকে। তেতিয়া জীৱৰ মাত্ৰ আত্মা অনুভৱ হৈ থাকে; কিন্তু বিষয় লেখমাত্ৰও নাথাকে। কিন্তু সেই সময়তো অবিদ্যা বিদ্যামান হৈ থাকে বাবেই সাৰপোৱাৰ লগে লগে পুনৰ সংসাৰ ভাৱনা আহি পৰে। লিঙ্গদেহৰ অৱসান ঘটিলেহে মোক্ষলাভ হয়।

৬ষ্ঠ প্ৰশ্নঃ- কৰ্ম্ম যোগ কি? এই বিষয়ে ৰজাই সোধাত অবিহোত্ৰই উত্তৰ দিয়ে-

তেওঁ কৈছে- বেদে যি বিহিছে তাকে কৰ্ম্ম বোলে, বেদে যাক নিষেধ কৰিলে তাক অকৰ্ম্ম বোলে আৰু বিহিত কৰ্ম্ম নকৰিলে বিকৰ্ম্ম হয়।

"বেদে যাক বিহি আছে তাকে বুলি কৰ্ম্ম।
বেদে যাক নিষেধিলে সেহিতো অকৰ্ম্ম।।
বিহিত নাচৰি হয় বিকৰ্ম্ম পাতেক।
এহি তিনিবিধ কৈলো তোমাত প্ৰত্যেক।।" ২০৭।।

৭ম প্ৰশ্নঃ- ঈশ্বৰৰ জন্ম কৰ্ম্মৰ সম্পৰ্কত ৰজাই প্ৰশ্ন কৰাত দ্ৰমিলে উত্তৰ দিলেঃ-

পৃথিৱীত যিমান ধূলি আছে তাক গনিব নোৱাৰাৰ দৰে ঈশ্বৰৰ জন্ম কৰ্ম্ম অগনিত। তাৰে কি ছুমান দ্ৰমিলে কবলৈ ধৰিলে। ঈশ্বৰে নৰনাৰায়ন ৰূপে অৱতাৰ হৈছিল। দক্ষৰ দুহিতা মূৰ্ত্তিক ধৰ্ম্মই বিয়া কৰে। তেওঁৰ পুত্ৰ নৰ আৰু নাৰায়নে বদৰিকাশ্ৰমত ঋষি বৰ্গৰ মাজত তপস্যা কৰি আছিল। দুৰ্ঘোৰ তপস্যাত ত্ৰস্তমান হৈ ইন্দ্ৰই মদনক ঋষিৰ তপস্যা ভঙ্গ কৰিবলৈ অপেস্বৰা সহ পঠালে। তেওঁলোকে তপস্যাৰত নৰ নাৰায়নৰ তপ ভঙ্গ কৰিবলৈ চেষ্টা কৰিলে যদিও ঋষিয়ে কটাক্ষই নকৰিলে; বৰঞ্চ দেব অপেস্বৰা গনক আশ্বাস বানীৰে আপ্যায়ন কৰিলে। দুৰ্জ্জয় নাৰী মায়াকো নৰনাৰায়নে পৰাভৱ কৰিলে। দেৱতা অপস্বৰাগনে নৰনাৰায়নক স্তুতি কৰিলে।

কামদেৱ প্ৰমুখ্যে ইন্দ্ৰৰ অনুচৰ বৰ্গক নৰনাৰায়নে সুন্দৰী নাৰী কিছুমান সৃষ্টি কৰি অপেস্বৰা গনক নিষ্প্ৰভ কৰি পেলালে আৰু তাকে দুই এগৰাকীক সদনক নিবলৈ কোৱাত মদনে লাজতে তলমূৰ কৰিলে। কামদেৱে অপেস্বৰাসমে স্বৰ্গলৈ গমন কৰিলে আৰু ইন্দ্ৰৰ আগত নৰনাৰায়নৰ মাহাত্ম্যৰ কথা কলেগৈ। নাৰায়ন দেৱৰ মহিমাৰ বিষয়ে আৰু অৱতাৰ তত্ব সম্পৰ্কে দ্ৰমিলে কবলৈ ধৰিলে।

ব্ৰহ্মাৰ পুত্ৰসকলে ব্ৰহ্মাক আত্ম তত্ব সম্বন্ধে কবলৈ কোৱাত ব্ৰহ্মাই ক'ব নোৱাৰি লাজ পালে আৰু তেতিয়াই মহাহৰিয়ে হংস ৰূপ ধৰি ব্ৰহ্মাৰ সভাত আত্ম তত্ব ব্যাখ্যা কৰিলে। দত্তাত্ৰেয় নামেৰে (অত্ৰিৰ পুত্ৰ) অৱতাৰ হৈ অলৰ্ক, হৈ হয়, যদু ৰজাক আত্ম-তত্ব প্ৰকাশ কৰিছিল। সনত কুমাৰ ৰূপে পৃথু ৰজাক ঈশ্বৰ জ্ঞান দান কৰিছিল। নাভিৰ পুত্ৰ ঋষভ অৱতাৰ হৈ হৰিয়ে জড় যোগচৰ্য্যা ধৰি ভূমি পৰ্য্যতন কৰিছিল। হয়গ্ৰীৱ ৰূপে মধু দৈত্যক বধ কৰি পাতালৰ পৰা বেদ উদ্ধাৰ কৰে। প্ৰলয় জলত মৎস্যৰূপে অৱতাৰে অৱতাৰলৈ সত্যব্ৰত ৰজাক নিজ মায়া প্ৰদৰ্শন, বৰাহৰূপে হিৰন্যাক্ষক পৃথিৱী উদ্ধাৰ, কুৰ্ম্ম অৱতাৰ মন্দৰ গিৰি পৃষ্ঠত তুলি সাগৰ মন্থনৰ সুবিধা কৰি, চৰ্তুভুজ ৰূপে গ্ৰাহৰ মুখফালি গজেন্দ্ৰক উদ্ধাৰ আৰু গ্ৰাহক মুক্তি দান হৰি অৱতাৰ বাল্যখিল মুনিগনক উদ্ধাৰ কৰিলে বৃত্ৰ বধৰ ভয়ত পলাই থকা ইন্দ্ৰক তাৰণ, দেৱৰমণী গনক সঙ্কটত উদ্ধাৰ কৰিলে। ঈশ্বৰে নৰসিংহ ৰূপে হিৰন্যকশিপুক বধ কৰি, বামন ৰূপে বলিক ছলি, তাক ধৰি ইন্দ্ৰক ৰাজপাট প্ৰদান কৰি, পৰশুৰাম ৰূপে ক্ষত্ৰিয়ক বিনাশ কৰি



মহন্তক উৎসাহ দি, ৰামৰূপে ৰাক্ষসক বধি দেৱতাক তাৰন কৰি, কৃষ্ণৰূপে ভূমিৰ মহাভাৰ হৰন কৰি, বুদ্ধ অৱতাৰে অজ্ঞানী গনক নিঃশেষ কৰি, কলিৰ শেষত কল্কি অৱতাৰে দুষ্ট গনক নিৰ্ম্মূল কৰি সত্য সূচনা কৰিব।

৮ম প্ৰশ্নঃ- হৰিভক্তিহীন সকলৰ গতি কি হয়? উত্তৰ দিয়ে- মহৰ্ষিমসে-

উত্তৰঃ- মাধৱেই নিজ পিতৃ, পৰম ঈশ্বৰ, পৰম গুৰু। তেওঁৰ পৰাই চাৰিজতিৰ সৃষ্টি হৈছে। বেদৰ মধুৰ বাক্যত মোহ গৈ কেৱল কৰ্ম্মত মজি থকা সকলে কাম-ক্ৰোধ-লোভ- মোহ-ৰাগ-দ্বেষ-অহঙ্কাৰত থাকি প্ৰানী বধ কৰি, অভিমান কৰি, কামুক- লম্পট হৈ হৰিভক্তক নিন্দা কৰে। তেওঁ লোকে স্ত্ৰীৰ লগত মৈথুন, ধনৰ আশাত দিন ৰাতি অতিবাহিত কৰে। মদ্যপান, মাংস ভোজন কৰি ঈশ্বৰ বাদক লৈ তৰ্ক কৰে। হৰি বিমুখৰ অৱস্থা অতি শোচনীয় হয়।

তেওঁলোকে ধনেই ধৰ্ম্মৰ ফল বুলি ভাবি ধন সাঁচে, ধনেৰে পুত্ৰ ভাৰ্য্যাক পোঁযে, স্ত্ৰী-মদ-মাংসত সদাৰত থাকে, মায়াত থাকি প্ৰবৃতি শাস্ত্ৰক আদৰে।

"জগতৰ মাজে আছে যত প্ৰানীগন।
আপোন ইচ্ছায়ে মাংস কৰয় ভোজন।।
কৰে সদা নাৰী সঙ্গ আৰো মদ্যপান।
ইসবৰ নাহি জানা শাস্ত্ৰৰ বিধান।।" ৩৪৫।।
"বেদে বোলে সুৰাক কৰিবে মাত্ৰ ঘ্ৰান।
কদাচিতো নকৰিবে অমদ্যক পান।।" ৩৪৭।।

নাৰীৰ সঙ্গত মৈথুনৰ ব্যৱস্থা বেদেদিছে, তাৰ বাদে মৈথুন নিসিদ্ধ।

"ঋতু সময়ত স্ত্ৰীক কৰিবে আলাপ।
তাত বাজে নাৰী গমনত সিজে পাপ।।" ৩৪৮।।

সকলো জীৱৰ শৰীৰতে আত্মা ঈশ্বৰ থকা সত্বেও পৰজীৱ বধ কৰি পাপৰ ভাগী হয়। শব শৰীৰকে মূল্যবান বস্তু বুলি পুত্ৰ ভাৰ্য্যা-দেহ-গেহ-ধনাদিত মোহিত হয়। কিন্তু ক্ষনিকতে এইবোৰ এৰি নৰকত পতিত হয়। অজ্ঞানকে জ্ঞান বুলি, ভাবি বিষয়ীলোকে আত্মঘাতী হয়। হৰিবিমুখৰ পদে পদে যান্তনা হয়।

৯ম প্ৰশ্নঃ- মূৰ্ত্তি পূজা, কোন যুগৰ কোন মূৰ্ত্তি, কি নাম জপিব? উত্তৰ দিয়ে কৰভাজনে-

সভাযুগতঃ- সত্য-ত্ৰেতা-দ্বাপৰ-কলিত-ভগৱানে ভিন্ন ভিন্ন ৰূপ ধৰি অৱতাৰ হয়। তেওংলোকৰ নাম আৰু বৰ্নও বেলেগ বেলেগ। সত্য যুগত ভগৱন্তৰ মুৰুতি শুক্ল, বাকলিল পৰিধান, মাথে জটা, চাৰিভুজ, উত্তৰী, অক্ষমালা দণ্ড, কমণ্ডুলু ব্ৰহ্মচাৰীবেশ। লোক শান্ত, পূজা কৰে আৰু মনত ধ্যান থাকে। ভগৱন্তৰ নাম- হংস, পৰমাত্মা, ধৰ্ম্ম, অব্যক্ত, ঈশ্বৰ, সুপৰ্ন, বৈকুণ্ঠ, যোগেশ্বৰ, অনন্ত পুৰুষ মুঠ দহটি নাম। মহন্ত সকলে অবিশ্ৰাম জপ কৰে।

দ্বাপৰ যুগতঃ- ৰাতুল বৰ্ন, যজ্ঞমূৰ্ত্তি, মূৰত পিঙ্গল বৰ্নৰ কেশ, ত্ৰিমেখলাধাৰী, চাৰিভুজ, সেই কালৰ লোক ধৰ্ম্মিষ্ঠ, ব্ৰহ্মাবাদী, মায়াহীন, বেদোক্ত-কৰ্ম্মকৰে আৰু ঈশ্বৰক স্তুতি কৰে। পৃশ্নিগৰ্ভ, সৰ্ব্বদেবময়, বিষ্ণু, যজ্ঞ, উৰুক্ৰম, উৰুগায়, বৃষাকপি, যজ্ঞ- মুঠ আঠটি ভগৱন্তৰ নাম থাকে।

দ্বাপৰ যুগতঃ- সুকুমাৰ শ্যামবৰ্ন, শ্ৰীবৎস, কৌস্তুভ, হেমহাৰ উৰুঃস্থলে পদ্মচক্ৰ চিহ্নজলে আৰু বেদমন্ত্ৰে পূজা কৰে। মহাজন সকলে নমো বসুদেব, নমো সঙ্কৰ্ষন, প্ৰদ্যুম্ন পুৰুষ অনিৰুদ্ধ ভগৱান সৰ্ব্বভূত আত্মা, মহাত্মন, বিশ বিশ্বেশ্বৰ, ঋষি, নাৰায়ন- বাৰটি নামেৰে স্তুতি কৰে।

কলিযুগতঃ- কৃষ্ণ অবতাৰেই প্ৰধান। পীতবস্ত্ৰ, কৌস্তুভ, শঙ্খ-চক্ৰ-পদ্ম-গদা, কৰ্নত মকৰ কুণ্ডল প্ৰকাশমান। নামেই পৰমধৰ্ম্ম, কৃষ্ণৰ গুণ নাম, অবিৰাম শ্ৰবন-কীৰ্ত্তন হয়। সত্যত ধ্যান কৰি, ত্ৰেতাত যজ্ঞ কৰি, দ্বাপৰে পূজা কৰি যি ফল পায়, কলিত কীৰ্ত্তন কৰি সেই ফল লাভ হয়। কলিত অনেক লোক হৰিপৰায়ন হয়। দ্ৰাবিৰ দেশত প্ৰচুৰ প্ৰজা থাকিব। নবসিদ্ধই নিমি ৰজাক সকলো বুজাই কৈছে, যে ভগৱত ধৰ্ম্ম সুদৃঢ় বিশ্বাসে ধৰি ভৱসংসাৰ অচিৰে তৰি যাব পাৰিব।

"ধৰা ভাগৱত ধৰ্ম্ম সুদৃঢ় বিশ্বাসে।
তৰিবা সংসাৰ তেৰে অতি অপ্ৰয়াসে।।" ৪০৪।।

গুৰু পুৰুহিতেৰে সৈতে নিমি ৰজাই নবসিদ্ধক অৰ্চ্চিলে আৰু তেওঁলোক অন্তৰ্দ্ধান হ'ল আৰু নিমিয়ে ভাগৱত ধৰ্ম্মে আচৰি পৰম গতি পালে। নাৰদে বসুদেৰক ভাগৱত ধৰ্ম্মৰ বিষয়ে এইদৰে বিবৰন দিলে-

"জানিবাহা কৃষ্ণ    পৰম ঈশ্বৰ
এন্তে সনাতন হৰি।
মায়ায়ে মনুষ্য    স্বভাৱ দেখান্ত
ঐশ্বৰ্য্যক ছন্ন কৰি।।" ৪১৮।।

নাৰদে বসুদেৰক কৈছে যে কৃষ্ণক পুত্ৰ হিচাবে নহৈ জগতৰ ঈশ্বৰ হিচাবে ললে তেওঁ মুক্তি পাব। এই কথাকৈ দিব্য বীনা ধৰি নাৰদে গতি কৰে।

একাদশ স্কন্ধৰ নবসিদ্ধৰ সংবাদত ভাগৱত ধৰ্ম্মৰ মূল তত্ব প্ৰকাশ পাইছে। ঘোৰ কলি যুগত নৰলোকৰ তৰনৰ একমাত্ৰ উপায়- ভাগৱত ধৰ্ম্ম।

"নবসিদ্ধ কথা ইটো একাদশ স্কন্ধ।।
ঘোৰ কলিযুগে ইসে তৰন উপায়।
নাহি গতি কৃষ্ণ কথা শ্ৰবন বিনায়।।" ৪৯।। (কবিৰ উপদেশ)

ঈশ্বৰ কৃষ্ণ আমাৰ হৃদয় কমলত বিৰাজি আছে, কিন্তু বিষয়ৰ গাতত পৰি বিকল হৈ আমি চিনিব পৰা নাই।





পুত্ৰ দাৰা গৃহবাস ধ ঐশ্বৰ্য্য সকলো অসাৰ শৰীৰো অস্থায়ী।

"পুত্ৰ দাৰা গৃহবাস    মিছা আত অভিলাষ
সবে সপোনৰ নিধি প্ৰায়।
যত দেখা ধন ধান    যাইবে যেতিক্ষনে প্ৰান
সঙ্গে এক ৰতিও নাযায়।।" ৬৮।। (কবিৰ উপদেশ)

মাত্ৰ লগত আত্মা আৰু কৃষ্ণ নাম হে যাব। যিজনে কৃষ্ণ কথা মধু লাভ কৰে তেওঁৰ সংসাৰ তাপ দূৰ হয়, বিষয়ৰ অনুৰাগ অন্তৰ্নিহিত হয়, মোক্ষত কৈ অধিক সুখ লাভ কৰে।

"যিটো জনেপায় কৃষ্ণ কথাৰ মধুৰ।
তাহাৰ সংসাৰ তাপচয় হোৱে দূৰ।।" ১৫৩।। (কবিৰ উপদেশ)
"পিতৃ মাতৃ হৰিসে হৰিসে বন্ধু সাৰ।
হৰিসে সুহৃদ নিজ আতমা সবাৰ।।"
ইহ পৰলোকত হৰিক পাইবা লাগ।
যথা যায় তথা হৰি হন্ত সাতো আগ।।" ৩২৪।। (কবিৰ উপদেশ)

।।ঃঃঃ।।

**।।একাদশ স্কন্ধ।।**

**-শ্ৰীমন্ত শঙ্কৰদেৱ বিৰচিতঃ-**

২।। **(ক) যদুকুলৰ প্ৰতি ঋষি সকলৰ অভিশাপঃ-**

বিপ্ৰশাপৰ ছলেৰে যদুকুলক সংহাৰ কৰি ভগৱন্তই বৈকুণ্ঠলৈ গমন কৰাৰ কথাৰে একাদশ স্কন্ধৰ কথা বস্তু বৰ্ননা কৰা হৈছে। ভগৱন্ত কৃষ্ণই ভূমিৰ মহাভাৰ হৰন কৰি যদুবীৰ গন সমে দ্বাৰকাত নানা ধৰনৰ লীলা কৰি কৰি সংসাৰৰ প্ৰতি বিৰকতি আহে। দানৱ গনক বলোসহ    সংহাৰ কৰাৰ পাচত পাখা খেলাই কুৰু পাণ্ডৱৰ মাজত বিৰোধ সৃষ্টি কৰি পৃথিৱীৰ বীৰসমস্তক কুৰুক্ষেত্ৰত একত্ৰিত কৰালে আৰু অষ্টাদশ অক্ষৌহিনী সেনা সহ বীৰগনক সংহাৰ কৰোৱালে। পৃথিৱীৰ মহাভাৰ কমিল যদিও যদুবীৰ গনক সংহাৰ কৰাৰ মানসেৰে দ্বাৰকাৰ সমীপবতী পিণ্ডাৰক তীৰ্থলৈ ঋষিসমস্তক অনালে। যদুবীৰ গলে জাম্বৱতী পুত্ৰ শাম্বক গৰ্ভাৱতী নাৰীৰূপে সজাই ঋষিসকলক সুধিলে যে তাইৰ গৰ্ভস্থ সন্তান লৰানে ছোৱালী হ'ব? ছলনা কৰি মহন্ত সকলক সোধাত তেওঁলোকে খং কৰি কলে যে তাইৰ গৰ্ভৰ পৰা মূষলৰ জন্ম হ'ব আৰু সেই মূষলৰ

দ্বাৰাই যদুকুল ধ্বংস হ'ব। লগে লেগে মূষল জন্ম হোৱাত যদুবীৰ গনে ৰজা উগ্ৰসেনৰ ওচৰ পোৱালেগৈ আৰু শাপৰ বিষয়ে কলে। তেওঁলোকে এই মূষল কৃষ্ণৰ ওচৰত নিদিলে আৰু ৰজায়ো কৃষ্ণক এই বিষয়ে নজনালে। কমাৰৰ দ্বাৰাই মূষল গুৰি কৰি পানীত উটুৱাই দিয়ালে। ঘঁহি ঘঁহি অৱশিষ্ট হৈ থকা মূষলৰ অংশও জলত পেলাই দিয়ালে। মৎসই সেই অৱশিষ্ট অংশ খাই থলে। গুৰি গুৰি অংশ ঢৌৱে আনি সাগৰৰ তীৰ পোৱালেহি আৰু তাৰ পৰা মাদুৰী বন গজিল আৰু মাছ মৰীয়াই মাছৰ পেটৰ পৰা লোৰ অংশটো পালে আৰু জৰানামে ব্যাধে তাৰ পৰা শৰ তৈয়াৰ কৰি থলে।

আচলতে কৃষ্ণৰ আগত ঋষিশাপ কোন বস্ত, তাক তেওঁ নিবাৰন কৰিব পাৰিলে হেঁতেন। তথাপি তেওঁ ঋষিশাপ ব্যৰ্থ নকৰিলে। কৃষ্ণৰ ছলনা কোনে বুজিব পাৰে। দ্বাৰকা বাসীৰো এনে মহাদুখ, গৃহবাসীৰ কোন কথা। ভগৱন্তৰ পৰিকল্পনা হলেও উদণ্ড বীৰ সকলে ছলনা কৰি মহন্তগনক কৰা চাতুৰৰ ফল অতি মাৰাত্মক। অসত্যক সত্য কৰিবলৈ কৰা উদ্যোগৰ পৰিনাম ভয়াবহ। মহন্তলোকৰ ওচৰত লগোৱা দোষে সমস্ত যদুবংশকে ধ্বংস কৰিলে। যদুবংশীয় বীৰ সকলে সকলো বিপদতে কৃষ্ণৰ সহায়লৈ উদ্ধাৰ হৈছিল; কিন্তু এই সম্ভাব্য বিপদৰ বাবে কৃষ্ণক অৱহেলা কৰিলে আৰু ৰজায়ো কৃষ্ণক অৱহেলা কৰি কোনো পৰামৰ্শ নললে। লগত ঈশ্বৰ থাকোতেও চিনি নোপোৱাটোৱেই ধ্বংসৰ কাৰন।

(খ) **ব্ৰহ্মাদি দেৱতাৰ দ্বাৰকালৈ যাত্ৰাও কৃষ্ণ স্তুতিঃ-**

পৃথিৱীৰ অনুৰোধক্ৰমে ভূমিৰ ভাৰ হৰন কৰিবলৈ ব্ৰহ্মাই নাৰায়নৰ ওচৰতে প্ৰাৰ্থনা কৰোতে তেওঁ কৃষ্ণ ৰূপে অৱতাৰ লৈ ভাৰ হৰন কৰিম বুলি কৈছিল; এতিয়া কৃষ্ণৰ সেই কৰ্ম্মৰ সমাপ্তি হোৱাত ব্ৰহ্মাই দেৱগনক লগত লৈ দ্বাৰকালৈ আহিল। তেওঁলোকে ভগৱান কৃষ্ণৰ বাসস্থান দ্বাৰকা নগৰী আৰু কৃষ্ণৰ মনোহৰ চমৎকাৰ মূৰ্ত্তি দেখিলে। তেওঁলোকৰ দৃষ্টিত কৃষ্ণ চতুৰ্ভুজ ৰূপে ধৰা দিলে। ব্ৰহ্মা মহেশ্বৰকে আদি কৰি দেবগনে চতুৰ্ভিতি বেঢ়ি পুষ্প বৰিষণ কৰিলে আৰু স্তুতি আৰম্ভিলে।

কৃষ্ণৰ গুনাৱলী, মাহাত্ম্য, কৰ্ম্মাৱলী বৰ্নাই দেৱগনে পৰি পৰি স্তুতি কৰিলে। কৃষ্ণ ভকৎবৎসল, ভকতৰ স্তুতিত ভগৱন্ত তুষ্ট হয়।

"ভকত সকলে গাৱে গুন নাম যত।
তাৰ মালা গাঁথি তুমি পিন্ধা হৃদয়ত।।
পূজা নমস্কাৰ ধ্যান সমস্ততে কৰি।
যশকীৰ্ত্তনতে মাত্ৰ তুষ্ট হোন্ত হৰি।।" ৭৫।।

তেওঁ আত্মাৰাম আৰু পূৰ্ণকাম। ষোড়শ সহস্ৰ স্ত্ৰীৰত্নয়ো তেওঁক মথিব নোৱাৰিলে।

"ষোড়শ সহস্ৰ স্ত্ৰী ৰত্ন মধ্যে সাৰ।
মনক মথিবে কামে নোৱাৰিলে যাৰ।।
হেল আত্মাৰাম পূৰ্ণকাম মহেশ্বৰ।" ৮০।।

ব্ৰহ্মাই স্তুতি কৰি কলে-

"যদুবংশে অৱতাৰি আছা দামোদৰ।
পঞ্চিশ অধিক গৈল শতেক বৎসৰ।।
কালকো নাশিলা প্ৰভু দিয়া ব্ৰহ্মশাপ।
আমাৰ থানক আৰে আসিয়োক বাপ।।" ৮৬।।

কৃষ্ণই কলে-

"যাওঁ যেবে ইটো, যদুকুল নসংহৰি।
আৰ ভৰে দুনাই তল যাইবে বসুন্ধৰী।। ৮৬।।
"পৰম দৰ্পিষ্ঠ যদুকুল অনিৰ্ব্বাৰ।
বিপ্ৰশাপ ছলে আক কৰিবো সংহাৰ।।" ৮৯।।

(গ) **দ্বাৰকাত অমঙ্গল আৰু প্ৰভাস তীৰ্থলৈ যাত্ৰাঃ-**

বিপ্ৰশাপৰ পৰিপ্ৰেক্ষিতত দ্বাৰকাত অমঙ্গল সূচিত হ'ল, বতাহ নবলাকৈ গছ উঘলি পৰিল, শিয়ালে হুৱা দিলে, ভূমি লৰিল, হালধি আৰু ৰঙা বৰনৰ বৰষুণ হ'ল, চকুলো বিনাকাৰনে বব ধৰিলে, গৃহৰ ওপৰত অমঙ্গলীয়া পক্ষী উৰিল, নদীৰ পানী বাঢ়িল, ধূমকেতু ওলাল। এনে অমঙ্গল দেখি সকলোৱে কৃষ্ণত আশ্ৰয় বিচৰাত কৃষ্ণই কলে যে বিপ্ৰশাপ খণ্ডাবৰ উপায় নাই, মাত্ৰ প্ৰভাস তীৰ্থলৈ গৈ স্নান কৰি দান দক্ষিনা কৰাহে উচিত হ'ব। কাৰন প্ৰভাস তীৰ্থৰ মহিমা অশেষ, চন্দ্ৰই এই তীৰ্থত স্নানি যক্ষ্মাৰোগ মুক্ত হৈছিল।

দক্ষৰ সাতাইশ গৰাকী কন্যাক চন্দ্ৰই বিয়া কৰাইছিল আৰু তেওঁলোকৰ ভিতৰত ৰোহিনীক বেচি মৰম কৰাত বাকী সকলে দক্ষক কোৱাত দক্ষই চন্দ্ৰৰ যক্ষ্মাৰোগ হ'ব বুলি অভিশাপ দিছিল। চন্দ্ৰই ব্ৰহ্মাৰ পৰামৰ্শানুসৰি প্ৰভাসত স্নান কৰি যক্ষ্মাৰোগৰ পৰা অব্যাহতি পাইছিল। সেয়ে কৃষ্ণৰ পৰামৰ্শত যদুগন উত্তাৱল হৈ সমদলে প্ৰভাসলৈ চমৎকাৰ ভাবে গমন কৰে।

(ঘ) **কৃষ্ণৰ উদ্ধবলৈ উপদেশ আৰু উদ্ধৱৰ কৃষ্ণ স্তুতিঃ-**

পৰম ভকত উদ্ধৱে কৃষ্ণৰ সকলো উদ্দেশ্য বুজি পালে আৰু দ্বাৰকাৰ অমঙ্গল বোৰ লক্ষ্য কৰি কৃষ্ণৰ কাশ চাপি বিৰল স্থানত দগ্ধ হৃদয়ে, নয়নৰ নীৰ বুৱাই, মক্মকি কৈ ক্ৰন্দন কৰি প্ৰান কৃষ্ণক কৃতাঞ্জলি কৰি কৈছে, "হে প্ৰান বন্ধু কৃষ্ণ কৃপাময়, মই তোমাৰ চৰনত ধৰিছোঁ, কাপুৰ্ন্য কৰিছোঁ, মোকো তোমাৰ লগতে লৈ যোঁৱা।" কাৰন-

"শয়নে ভোজনে স্নান গোপ্যস্থানে
সদা সেৱা কৰো আমি।

তোমাক নেদেখি     ৰাখি প্ৰান প্ৰভু
কিমতে বৰ্ত্তিবো স্বামী।।" ১২৩।।
"হে প্ৰান নাথ, নকৰা অনাথ দান্তে ধৰো খেৰ তুলি।" ১২৭।।

উদ্ধৱৰ পৰম ভক্তি আৰু সন্তাপ উপলব্ধি কৰি পীতবস্ত্ৰে মুখ মচি, কমল নয়ন লোতকে তিয়াই, মুখেৰে নিশ্বাস তেজি, স্নেহেৰে কৃষ্ণই উদ্ধৱক ধৰি আশ্বাস দিলে। কৃষ্ণই কলে, "তোমাৰ দুখ দেখি হৃদয়ে সহিব নোৱাৰে, তুমি স্বৰূপ উপলব্ধি কৰিছা, বংশক সংহাৰ কৰি অৱশ্যে মই যামগৈ। দেৱকাৰ্য্য সাধন কৰা হৈছে, মোৰ কতৰ্ব্য শেষ হৈছে, দ্বাৰকা নগৰ সাগৰত নিমগ্নহ'ব, কলিয়ে পীড়ন কৰিব, প্ৰজা অধৰ্ম্মত ৰত হ'ব, আমি দুয়োজন গুচি গলে, ভকতিৰ পথ লুপ্ত হ'ব; গতিকে তুমি থাকি শ্ৰৱন কীৰ্ত্তন প্ৰৱৰ্ত্তাব লাগিব। কাৰন ভকতি নহলে তুমিও ৰসাতললৈ যাব লাগিব। তুমি ইয়াত নাথাকিবা মোতে চিত দি পৃথিৱী পৰ্য্যটি ফুৰিবা।"

"দ্বাৰকা নগৰ সাগৰত যাইবেতল।
মই গৈলে লোকত মিলিবে বিমঙ্গল।।
পীড়িবে দুৰ্জ্জন কলি গুচিবে আচাৰ।
হুঠাবে অধৰ্ম্মত ৰতি যথেক প্ৰজাৰ।।" ১৩৭।।
"অধৰ্ম্মে পীড়িবে লোক যাইবে অধোগতি।
ভকতিক ৰাখি তুমি থাকয়ো সম্প্ৰতি।।"
তুমি আমি দুয়ো গৈলে মিলিবে অনৰ্থ।
লুপ্ত হুইবে জ্ঞান ইটো ভকতিৰ পথ।।" ১৩৮।।

ভগৱানে আৰো কলে-

"ভকতি পৰম পন্থ দিলো পৰিচ্ছেদ।।"
নাহিকে উত্তম গতি ভকতিত পৰে।
নিষ্ঠে কহো ভকতিহে মোক বশ্য কৰে।।" ১৪১।।

তেতিয়া উদ্ধৱে কৃষ্ণক সুধিলে, ঋষি সমস্তই এতমতি হৈ ক'ব নোৱাৰে যে তোমাৰ সন্মত পথ কেৱল ভকতি বুলি। তাৰে কিছুমানে কয়-কৰ্ম্ম, কিছুমানে কয় জ্ঞান বুলি। কিন্তু বেদ এখনহে, ইয়াত মতভেদ হ'ব নালাগিছিল।

কৃষ্ণই উত্তৰ দিলে, "প্ৰলয় কালত বেদ নষ্ট হেছিল, মই উদ্ধাৰ কৰি আনি ব্ৰহ্মাক কলো। বেদ মায়াময়, বেদ ধৰ্ম্ম মায়াৰে আৱৰা। মায়াময় বেদ ধৰ্ম্ম ত্যাগ কৰি কেৱল আমাত শৰন লওক। কৰ্ম্মফল ত্যাগ কৰি প্ৰসন্ন হওক। মই বিনে বেদে ান নবসানে; চাৰিও বেদৰ তত্বাৰ্থ এয়াই।"

"বেদে যেন কৰে তাক শুনা প্ৰান সখি।
মায়াময় বেদ ধৰ্ম্ম সবাকো উপেখি।।





কেৱল আমাত মাত্ৰ লৈবেক শৰন।
হুইবে কৰ্ম্মফল তেজি তেবেসে প্ৰসন্ন।।" ১৪৬।।
মই বিনে বেদে কিছু আন নবসানে।
চাৰিও বেদৰ তত্ব অৰ্থ এহিমানে।।" ১৪৭।।

প্ৰথমে মনুক ব্ৰহ্মাই বেদ কলে, তাৰ পাচত সপ্ত ঋষিয়ে জানিলে, তাৰ পাছত সুৰাসুৰ নাগ আৰু মনুৰ্য্যই পালে। যাৰ যেনেকুৱা মতি, সেই অনুসাৰে বেদৰ নিজ অৰ্থ এৰি বুজিবলৈধৰিলে। কোনোৱে- যজ্ঞ, ব্ৰত, দান, কোনোৱে দেৱপূজা, তীৰ্থ; কোনোৱে জ্ঞান, এনেদৰে গুনৰ ঈচ্ছাৰে বুজিবলৈ ললে। কৰ্ম্মীক সুখ-দুখে, ভকতিবিহীন জ্ঞানে জ্ঞানীক নাতৰে, ভকতিয়েহে তাৰে। ভকতে ইন্দ্ৰপদ, মোক্ষকো নিবিচাৰে। কৃষ্ণই কৈছে-

"ভকতেসে জানা মোৰ পৰম বান্ধব।
ভকত জনৰ মই সুহৃদ উদ্ধৱ।
মই বিনে ভকতে নিচিন্তে কিছো জ্ঞান।
ময়ো ভকতত পৰে নজানোহো আন।।" ১৫৫।।

এইয়া উত্তম ভকত। সামান্য ভকতকে লোভ-মোহ-কাম-ক্ৰোধ-আক্ৰোশে নুচুৱে।।

বিষয়ক পৰম আপদ বুজি জানিও প্ৰানীয়ে কিয় বিষয় এৰিব নোৱাৰে বুলি উদ্ধৱে প্ৰশ্ন কৰাত কৃষ্ণই কলে, "চাৰিবেদ আৰত সমস্ত শাস্ত্ৰ পঢ়িলেও ভকতি নহলে আৰু সন্তৰ সঙ্গতি নললে বিষয় এৰিব নোৱাৰে। যোগ-যজ্ঞ-মনস-জপ-তীৰ্থ একাদশী উপবাসে, সন্ন্যাসে মোক নাপায়, ভকতৰ সঙ্গত ভকতি কৰিলেহে মোক পায়। বিভীষণ বীৰ, বৃষপৰ্ব্বা, বলি, বান, জাম্বৱন্ত, জটায়ু, সুগ্ৰীৱ, হনুমান, মালাকাৰ, কুঁজী, ব্যাধ, ধৰ্ম্ম তুলধাৰ, দ্বিজপত্নী, ব্ৰজবাসী, গোপী-আদিয়ে সাধুৰ সঙ্গলাভ কৰি মোক পালে অৰ্থাৎ গতি পালে।"

সাধুৰ লক্ষন সম্পৰ্কত কৃষ্ণই কৈছে, "স্বৰ্গ আৰু আনদেৰ সাধুৱে আৰাধনা নকৰে, সুখে দুখে কেৱল মোৰ নাম গুন নেৰে।

"একে মোত মাত্ৰ তুমি লৈয়োক শৰন।
নকৰিবা ভয় মই কৰিছো ৰক্ষন।।" ১৮৭।।
এই সম্পৰ্কত কবি শ্ৰীমন্ত শঙ্কৰদেৱেও কৈছে-(উপদেশত)
"শুনা সভাসদ পদ মহাভাগৱত।
এহি কথা কৈলা কৃষ্ণ গীতাৰ অন্তত।।
সৰ্ব্ব ধৰ্ম্ম এৰি এক শৰন সাক্ষাত।
সুদৃঢ় বিশ্বাসে সখি লৈয়োক আমাত।। ১৮৯।।
নকৰিবা ভয় হেৰা কৰো অঙ্গীকাৰ।

সমস্তে পাপতে মই কৰিবো নিস্তাৰ।।" ১৯০।।

"চাৰিবেদ ৰামায়ন পুৰান ভাৰত।

হৰিকেসে কৰে মাত্ৰ সমস্তে শাস্ত্ৰত।।" ১৯১।।

উদ্ধৱে পুনৰ কৃষ্ণক স্তুতি কৰি তলত দিয়া তত্ববোৰৰ উত্তৰ বিচাৰিলে আৰু কৃষ্ণই সিবোৰৰ উত্তৰ উদ্ধৱক দিলে আৰু সেইবোৰ ভাগৱত ধৰ্ম্মৰ অন্তৰ্গত বুলি কলে।

শম — আন দেব ধৰ্ম্ম পৰিহৰি কৃষ্ণত একচিত্তে মতি ৰাখি পৰম বান্ধব কৃষ্ণ বুলি জানিলে তাৰ নাম শম।

দম — দুই হস্তেৰে ঈশ্বৰৰ কৰ্ম্মকৰে, মনেৰে ঈশ্বৰৰ ৰূপ চিন্তা কৰে তাকে দম বোলে।

ক্ষমা — যি ভগৱানক চিত্ত দি হানি, অপমান, দুখ, শোক সহে সিয়ে ক্ষমা।

ধৈৰ্য্য — ভগৱানক হৃদয়ত ধৰি যি লোভ আৰু কাম ত্যাগ কৰে, তাকে ধৈৰ্য্য বোলে।

মহাদান — স্বভাৱ এৰি ঈশ্বৰত চিত্ত স্থিৰ কৰি মায়াক পৰাজয় কৰা, প্ৰানীৰ দ্ৰোহ নাচৰা, ভূতদায়া কৰা, হৰি বুদ্ধিয়ে সকলোকে মান কৰাই মহাদান।

মহাতপ — ঈশ্বৰত চিত দি ভোগ-অভিলাষ ত্যাগ কৰাকে মহাতপ বোলে।

সত্য — সমস্ত জগতকে হৰিময় দেখাক সত্য বোলে।

শৌচ — ঈশ্বৰক জানি কৰ্ম্মফল ত্যাগ কৰাক শৌচ বোলে।

দক্ষিনা — ঈশ্বৰ জ্ঞানৰ উপদেশ দিয়াক দক্ষিনা বোলে।

যজ্ঞ — ঈশ্বৰত চিত্ত দি কৰ্ম্ম-ধৰ্ম্ম কৰাক যজ্ঞ বোলে।

লাভ — ঈশ্বৰক জনাটোকেই ভাগ্য বা লাভ বোলে।

পৰম অক্ষয়— শ্ৰৱন-কীৰ্ত্তন ধৰ্ম্মক পৰম অক্ষয় বোলে।

উত্তম নাভ— পুত্ৰ-ধন-জন লাভ অসাৰ, ভকতি উত্তম লাভ।

পৰম ভূষন— সমস্ত ভূততে ভগৱান আছে বুলি সকলোকে কৃপা কৰই পৰম ভূষন।

মহাধন — ভগৱানৰ গুন-নাম, মহাধন।

জ্ঞান — হৰিময় দেখাই জ্ঞান।

পণ্ডিত — কাম্য কৰ্ম্ম, ধৰ্ম্ম বন্ধ এৰি হৰি সেৱাত যত্ন কৰা জনে শাস্ত্ৰ নপঢ়িলেও পণ্ডিত।

মুৰ্খ — পুত্ৰ, দাৰা বিষয়ত মাত্ৰ ৰতি কৰি, ঈশ্বৰৰ ভক্তৰ সঙ্গ নলৈ, চাৰি বেদ, চৈধ্য শাস্ত্ৰত পাৰ্গত হলে তেওঁক মুৰ্খ বোলে।

পন্থ — শাস্ত্ৰৰ সাৰেই পন্থ।

বিপন্থ — অস্থিৰ চিত্তে কৰ্ম্মত থকা বিপন্থ।

স্বৰ্গমুখ — ঈশ্বৰত চিত্ত দি যি সন্তোষ লাভ কৰে, তাকে স্বৰ্গ সুখ বোলে।

পৰম বন্ধু — যি ঈশ্বৰক চিনাক্ত কৰে তেওঁ পৰম বন্ধু।

নৰক — কাম-ক্ৰোধে পুৰুষক অন্ধ কৰিলে আৰু ঈশ্বৰক পাসৰিলে, নৰক বোলে।

গৃহ — ঈশ্বৰ সেৱাৰ যোগ্য শৰীৰক গৃহ বোলে।

দৰিদ্ৰ — ভক্তিহীন অতুষ্ট জন দৰিদ্ৰ।

দুখী — বিষয়ত আসকতি নোহোৱা, সাধু সঙ্গত থাকি ঈশ্বৰক চিন্তাকৰা, অন্য কৰ্ম্ম এৰি ভকতিত তৎপৰ জন ঈশ্বৰ।

আত্মঘাতী— সাধু সঙ্গৰ অৱহেলা কৰা, ভকতিৰ গন্ধ নথকা, ধন-জন-পুত্ৰ-দাৰা বুলি অতি আসক্ত জন, অধম আৰু আত্মঘাতী।

কৃষ্ণই কৈছে, যে তেওঁ কৰ্ম্মীত ব্যক্ত নহয়, কৰ্ম্ম ব্যক্ত নহয়, কৰ্ম্ম-অহঙ্কাৰত থকা জনে ভগৱানক কেতিয়াও লাভ কৰিব নোৱাৰে।

"তথাপি কৰ্ম্মীত মই নহিকো বেকত।।"

আমাকো নেদেখা মহা কৰ্ম্ম অহঙ্কাৰে।।" ২৩৫।।

মানব দেহ নৌকা সংসাৰ সাগৰত এই নৌকা চলে, উপদেশ দাতা গুৰু ইয়াৰ কাণ্ডাৰী কৃষ্ণ অনুকুল বায়ু; তথাপি নৰে দুৰ্ঘোৰ সংসাৰ নতৰে, নিজেই নিজক আত্মঘাত কৰে। উদ্ধৱে কৃষ্ণক এই বাৰ মোক্ষতম ভকতিৰ বিষয়ে সুধিলে আৰু তেওঁ উত্তৰ দিলে। যি স্থানত ভকতি থাকে সেয়েই পুন্য ভূমি, তাত নিৰ্গুন কৃষ্ণৰ প্ৰকাশ ঘটে, ঈশ্বৰক জানিলে নিৰ্গুন শ্ৰাদ্ধা হয়। সেইবাবে প্ৰথমতে ভকতৰ সঙ্গ লৈ সততে শ্ৰৱন কীৰ্ত্তন কৰিব লাগে।

"ভকতৰ সঙ্গ সখি লৈব প্ৰথমত।

শ্ৰৱণ কীৰ্ত্তন মোৰ কৰিবা সতত।

অনেকে একত্ৰ হুয়া কৰি হৰিৰব।

কৰাইবা আমাৰ মহা যাত্ৰা মহোৎসৱ।।" ২৫১।।

"মোৰ যশ গাবা, নৃত্য কৰিবা, হাততালি মাৰি কীৰ্ত্তন কৰিবা, মোতে বিক্ৰয় যাবা।" কৃষ্ণই ৰহস্য ভকতিৰ বিষয়ে উদ্ধৱক জ্ঞান দিছে-

"শুনিয়ো উদ্ধৱ আবে ৰহস্য ভকতি।

কৰিবা অভ্যাস তুমি থিৰ কৰি মতি।।

বাহিৰে ভিতৰে জানা ইটো জগতৰ।

পৰিপূৰ্ণ ৰূপে আছো পৰম ঈশ্বৰ।। ২৫৪।।
জানি ইটো তত্ব কথা থিৰ কৰি চিত।
মোকেসে দেখিবা মাত্ৰ সমস্তে প্ৰানীত।।
আপোনাতো দেখিবা ঈশ্বৰ অন্তৰ্য্যামী।
জ্ঞান দৃষ্টি চাই মোক ফুৰিবা প্ৰনামি।।” ২৫৫।।

ব্ৰাহ্মন-চাণ্ডাল, দাতা-চোৰ, নীচ-সাধুত সমজ্ঞান হলেহে ঈশ্বৰ পৰায়ন হয়।

“ব্ৰাহ্মনৰ চণ্ডালৰ নিবিচাৰি কুল।
দাতাত চোৰত যাৰ দৃষ্টি একতুল।।
নীচত সাধুত যাৰ ভৈল একজ্ঞান।
তাকেসে পণ্ডিত বুলি সি সি সৰ্ব্বজান।। ২৫৬।।

“বিশেষকৈ মনুষ্যৰ ভিতৰত যি সকলে জ্ঞানচক্ষুৰে চাই মোক মান কৰে, হিংসা অসূয়া তিৰস্কাৰ অহঙ্কাৰ তেনেজনেৰ নষ্ট পায়।

“বিশেষত মনুষ্যগনত যিটো নৰে।
জ্ঞান দৃষ্টি সৰ্ব্বদা আমাক মান্য কৰে।।
হিংসা-অসূয়াদি তিৰস্কাৰ অহঙ্কাৰ।
নষ্ট হোবে তেবে সবে তাৱক্ষনে তাৰ।।” ২৫৭।।

“সকলো প্ৰানীৰ আত্মা ঈশ্বৰক সন্মান জনাবা, সমস্ত জীৱ কুলত আত্মা বুদ্ধি নোহোৱালৈকে কায়-মন-বাক্যে অভ্যাস কৰিবা।”

“কুকুৰ চণ্ডাল গৰ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰনাম।।” ২৫৯
সমস্ত ভূততে আত্মা বুদ্ধি নোহি যাবে।
কায় বাক্য মনে অভ্যাসিবা এহি ভাৱে।
সমস্ত প্ৰনীক দেখিবাহা আত্মাসম।
উপায় মধ্যত ইটো আতি মোক্ষতম।।” ২৬০।।

“এই ৰহস্য ভকতিৰ তত্ব দাম্ভিক, শঠত, অভকতত নকবা, বৈষ্ণৱ জনক হে ক'বা।” উদ্ধৱে পুনৰ কৃষ্ণক স্তুতি কৰাত কৃষ্ণই তেওঁক বদৰিকাশ্ৰমলৈ গৈ গঙ্গাত স্নান কৰি তেওঁৰ নাম জপি স্মৰন কৰি বাকলি বসন পিন্ধি, ফন মূল খাই জীয়াই থাকিবলৈ কয়। উদ্ধৱে সপ্তবাৰ পৰিভ্ৰমন কৰি, দণ্ডৱতে পৰি, প্ৰনিপাত জনাই, কৃষ্ণই দুখানি খৰম মূৰত লৈ দ্বাৰকাৰ বাজ হৈ গ'ল।

(ঙ) **সুৰাপান আৰু পাৰস্পৰিক যুদ্ধ ও যাদৱকুল ধ্বসঃ-**

কৃষ্ণই ৰাজ সভাত বহি যদুবীৰ সকলক প্ৰভাসলৈ যাবলৈ সাজু হ'বলৈ কলে আৰু স্ত্ৰী-বাল-বৃদ্ধ সকলক নগৰৰ বাহিৰ হৈ দুৱাৰত অপেক্ষা কৰিবলৈ কলে। যদুবীৰ





গনে আড়ম্বৰ কৰি প্ৰভাসলৈ যাত্ৰা কৰিলে। আৰু নাৱৰে দ্বাৰকাৰ সাগৰ পাৰ হৈ প্ৰভাস তীৰ্থ পালেগৈ। স্নান-দান কৰি, তীৰ্থৰ তীৰত বহি যদুবীৰ গনে মধুময় সুৰা পান কৰিলে। কৃষ্ণ মায়াত মহামত্ত হৈ ইজনে সিজন লৈ চাই গৰ্জ্জি উঠিল, অহঙ্কাৰ আৰু ক্ৰোধৰ বশবৰ্তী হৈ পৰস্পৰে পৰস্পৰক ধনু-শৰে, গদাৰে আক্ৰমন, প্ৰতিআক্ৰমন কৰিলে। যদুবীৰ গনৰ মাজত তুমুল সংগ্ৰাম আৰম্ভ হ'ল, মৰাশৰে ঠাহ খালে, তেজৰ নদী বৈ গ'ল। শাম্বৰ লগত কামদেবৰ, অনিৰুদ্ধৰ লগত সাত্যকিৰ, এইদৰে সমকক্ষ বীৰে বীৰে সংগ্ৰাম চলিল। মদৰ নিচাত কোনেও কাকো চিনিব নোৱাৰিলে, শশুৰে-জোঁৱায়ে,ভাতৃয়ে, ভিনীয়েকে খুলখালিয়েকে, দদায়েকে-ভতিজায়ে, মিত্ৰে মিত্ৰে মাদুৰী উঘালি মৰামৰি কৰাত সকলোৰে প্ৰান এৰিলে। বলোভদ্ৰ কৃষ্ণই যুদ্ধ শাম কটাবলৈ যত্ন কৰাত তেওঁলোককো মাৰিবলৈ যদুবীৰ গনে খেদি আহিল। তেওঁলোকেও মাদুকীৰে যদুবীৰ গনক মাৰিলে আৰু তাৰ পৰা আতৰি যায়। ৰনস্থলী নিজম পৰিল মৰা শৰে চৌদিশ ঢাকি পেলালে। বলোৰামে বেজাৰত বৈৰাগ্য লাভ কৰি সাগৰৰ পাৰত পদ্মাসন কৰি ঈশ্বৰক চিন্তি প্ৰান ত্যাগ কৰিলে আৰু বৈকুণ্ঠ গমন কৰে।

(চ) **কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়ানঃ-**

কৃষ্ণই একেশ্বৰে বিলাপ কৰি বনৰ মাজত প্ৰৱেশ কৰে আৰু শিশু অশ্বত্থৰ তলত বহি যোগবলে চতুৰ্ভুজ মূৰ্তি ধাৰন কৰিলে। শঙ্ক চক্ৰ আদি অস্ত্ৰগনে চৌপাখে কৃতাঞ্জলি কৰিলে। দক্ষিণ উৰুত বাম পাৰ থৈ কষ্ণই অশ্বত্থত আউজি আছিল। ব্যাধে কৃষ্ণৰ চৰন মৃগৰ মুখ বুলি ভাবিশৰ প্ৰয়োগ কৰিলে। বানাহত হোৱাত জৰাই চতুৰ্ভূজ কৃষ্ণক দেখি চৰনত দণ্ডৱতে পৰি মৃত্যুদণ্ড বিচাৰিলে। জৰা ব্যাধৰ কাকুতি শুনি কৃষ্ণই নিৰ্ভয় দিলে আৰু শশৰীৰে স্বৰ্গলৈ পঠালে।

সেই সময়তে উদ্ধৱে পুনৰ আহি কৃষ্ণক বিচাৰি দেখা পালে আৰু চৰনত মূৰ থৈ ক্ৰন্দন কৰিলে। তেওঁ কৃষ্ণক পুনঃ পুনঃ স্তুতি কৰিলে। কৃষ্ণই চাৰি ভুজে উদ্ধৱক সাবটি ধৰি প্ৰবোধ দিলে। কৃষ্ণই কলে, যে পূৰ্ব্বজন্মত উদ্ধৱ বসু আছিল আৰু কৃষ্ণ ভক্তি কৰি ইজন্মত উদ্ধৱ হিচাৱে জন্ম পালে। উদ্ধৱৰ ইয়াৰ পাচত আৰু জন্ম নাই, তেওঁ ঈশ্বৰৰ লীন গ'ল। কৃষ্ণই উদ্ধৱক কলে, “যি মহাজ্ঞান তোমাক দিলো, তাকতুমি ব্যক্ত কৰিবা। সেই সময়তে মৈত্ৰেয় ঋষি উপগত হ'ল। মৈত্ৰেয়ক কৃষ্ণই ৰহস্য জ্ঞান ভক্তিৰ সম্পৰ্কে কলে। মৈত্ৰেয়ক কৃষ্ণই কলে, “এই সময়ত বিদুৰক নেদেখিলো, গতিকে তুমি বিদুৰক এই ভক্তি দান কৰিবা। উদ্ধৱ-মৈত্ৰেয়ক কৃষ্ণই বিদায় দিলে। উদ্ধৱে কিছুদুৰ আতৰি গৈ কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়ান চাবলৈ লুকাই থাকিল। সেই সময়তে দাৰুকে কৃষ্ণক বিচাৰি আহি সেই ঠাই পাই কৃষ্ণক দেখা পালে আৰু চৰনত ধৰি কান্দিবলৈ ধৰিলে। কৃষ্ণই দাৰুকক কলে, “তুমি দ্বাৰকালৈ গৈ বান্ধব সকলক যাদব বীৰ আৰু কৃষ্ণ-বলৰামৰ

নিৰ্য্যানৰ বিষয়ে কবাগৈ। মই এৰি যোৱাৰ পাচত দ্বাৰকা সাগৰত বুৰ যাব, গতিকে সবান্ধবক সাগৰ পাৰ কৰি নিবা। "মাতৃ পিতৃ আদিৰ গুনস্মৰি কৃষ্ণই মানবী চেষ্টা দেখাই চকুলো টুকিলে। পিতৃ-মাতৃক প্ৰতি পাল কৰিবলৈ, আৰু অৰ্জ্জুনৰ লগত তেওঁলোকক ইন্দ্ৰপ্ৰস্থলৈ নিবলৈ অৰ্জ্জুনক ক'বলৈ কৃষ্ণই দাৰুকক দায়িত্ব দিয়ে। দাৰকে কৃষ্ণৰ পৰা বিষাদ মনেৰে আঁতৰ হৈ যায়।

সকলোকে বিদায় দিয়াৰ পাচত সমস্ত দেৱতা, পাৰ্ব্বতী সহিতে শিৱ, সিদ্ধঋষি গনে আহি কৃষ্ণ গান কৰিবলৈ ধৰিলে আৰু তেওঁলোকে নিজাস্থানলৈ কৃষ্ণক যাবলৈ অনুনয় কৰিলে। কাকো সিদ্ধান্ত নিদি ধ্যানত বহিল। বৈকুণ্ঠৰ পৰা মুখ্য পাৰিষদ বৰ্গ আহি পালে। লক্ষ্মীয়ে কৃষ্ণক প্ৰনাম জনাই চৰনত পৰিল। অতৰ্কিতে কৃষ্ণই বৈকুণ্ঠলৈ গমন কৰে, দেবসবে তৰ্কিব নোৱাৰি নিজস্থানে গতি কৰিলে। কৃষ্ণই পৃথিৱী এৰি যোৱাত-

"শ্ৰী ধৰ্ম্ম ধৃতি সত্য শৌচ নীতি
কৃষ্ণৰ লগতেগৈল।
স্বধৰ্ম্ম আচাৰ সবাকো খেদায়া
পাপে লৈলে সামৰাজ।।
পৃথিৱীত শূন্য একো নাথাকিল।
একে হৰিনাম বাজ।।" ৪৭১।।

কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়ানৰ আগতেই অস্ত্ৰ শস্ত্ৰ বৈকুণ্ঠলৈ গমন কৰিছিল।

(ছ) **কৃষ্ণ নিৰ্য্যানৰ বাতৰি পাই বসুদেৱ দৈবকী আদিৰ প্ৰভাসত প্ৰবেশ ও নিৰ্য্যান, অষ্টমহিষীৰ সহগমনঃ-**

পৰীক্ষিতক শুকে কৃষ্ণৰ কথাকে বুজনি দিছে যে যি কৃষ্ণই মৃতককে আনিদিব পাৰিছিল, সেই কৃষ্ণই নিজকো ৰাখিব নোৱাৰিলে। মনুষ্য লোকত যে কাৰো সুস্থ গতি নাই তাকে তেওঁ প্ৰদৰ্শন কৰিলে। ব্ৰহ্মলোক পৰ্য্যন্ত কালৰ হাতসাৰিব নোৱাৰি।

"ব্ৰহ্মলোক পৰ্য্যন্তে কালৰ নেৰাই হাত।
জানি সবে তেজি ভজা কৃষ্ণক সাক্ষাত।।"৪৮৫।।

দাৰুকে গৈ উদ্‌বাউল হৈ থকা বসুদেৱ-দৈবকী আদিক খবৰ দিয়াত তেওঁলোক বলিয়াৰ দৰে প্ৰভাশ পালেগৈ আৰু মৰা পতি-পুত্ৰ সবক দেখি ব্যাকুল হৈ মহাশোকে ক্ৰন্দন কৰিলে। কৃষ্ণ কৃষ্ণ বুলি বসুদেৱ দৈবকী, ৰোহিণীয়ে প্ৰানত্যাগ কৰিলে। ৰজা উগ্ৰসেনেও কৃষ্ণক চিন্তি প্ৰান ত্যাগ কৰিলে।

ৰুক্মিনী আদি কৃষ্ণৰ অষ্টমহিষীয়ে কৃষ্ণক বিচাৰি নাপাই ৰনভূমিতে বিলাপ কৰি কৰি কৃষ্ণ গুন স্মৰি চিতা জুইত জাপ দি প্ৰান এৰে।

(জ) **বিদুৰ-উদ্ধৱৰ কথোপকথন ও মৈত্ৰেয়ৰ ওচৰলৈ বিদুৰৰ প্ৰস্থানঃ-**

কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়ানৰ পাচতে কৃষ্ণৰ পৰামৰ্শানুসৰি উদ্ধৱে বিদুৰক বিচাৰি





বিচাৰি যমুনাৰ পাৰত পালেগৈ আৰু বিদুৰে যাদব বংশ আৰু পাণ্ডৱৰ সকলো খা খবৰ সোধাত উদ্ধৱে সকলো কথা বিবৰি কলে। শ্ৰীকৃষ্ণৰ গুন স্মৰি উদ্ধৱে বিলাপ কৰিলে। কৃষ্ণই বিদুৰক লগ কৰি সকলো কথা কবলৈ উদ্ধৱক আজ্ঞা কৰে আৰু বিদুৰে মৈত্ৰেয়ৰ পৰা (বদৰিকাশ্ৰমত) কৃষ্ণই ইতিমধ্যে মৈত্ৰেয়ক কোৱা ৰহস্য ভকতিৰ বিষয়ে শুনিবলৈ কয়। বিদুৰে সকলো শুনি কৃষ্ণ গুন স্মৰি বিলাপ কৰিলে। ৰাতিটো দুয়ো একেলগে কটোৱাৰ পিচত বিদুৰ বদৰিকাশ্ৰমলৈ যাত্ৰা কৰি গৈ মৈত্ৰেয়ক লগ কৰে আৰু তেওঁৰ পৰা ৰহস্য ভকতিৰ কথা পান কৰে।

তাৰ পাচত বিদুৰে হস্তিনা পুৰলৈ আহি কুন্তী ধৃতৰাষ্ট্ৰ গান্ধাৰী সুভদ্ৰা-দ্ৰৌপদী-পাণ্ডৱক লগ কৰিলে আৰু কৃষ্ণ নিৰ্য্যানৰ কথা শুনি পাণ্ডৱে প্ৰান এৰিব বুলি নকলে। ধৃতৰাষ্ট্ৰ-গান্ধাৰীক লৈ বিদুৰে ৰাতিয়েই হস্তিনাৰ পৰা আতৰি যায় আৰু যোগচিন্তি প্ৰান বিসৰ্জ্জন দিবলৈ কয়।

(ঝ) **অৰ্জ্জুনৰ দ্বাৰা বাল-বৃদ্ধ সকলক হস্তিনালৈ আনয়ন, যুধিষ্ঠিৰক বাৰ্ত্তা প্ৰেৰণঃ-**

অৰ্জ্জুনে দ্বাৰকালৈ কৃষ্ণৰ খবৰ লবলৈ গৈছিল আৰু তাত গৈ যদুবংশ ধ্বংস, কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়ানৰ কথা শুনি কৃষ্ণ গুন স্মৰি অৰ্জ্জুনে বিলাপ কৰিবলৈ ধৰিলে আৰু মৰ্ম্মাহত হোৱাত দাৰুকে লগপাই প্ৰবোধ দিলে আৰু কৃষ্ণই কৈ যোৱা কথা ব্যক্ত কৰিলে। অৰ্জ্জুনে কৃষ্ণৰ আজ্ঞা পালি সকলোৰে প্ৰেত কাৰ্য্য সমাধা কৰি বৃদ্ধ সকলক লৈ ইন্দ্ৰ প্ৰস্থলৈ অগ্ৰসৰ হ'ল। ইফালে ধৃতৰাষ্ট্ৰ গান্ধাৰী বিদুৰৰ অন্তৰ্দ্ধানত যুধিষ্ঠিৰে মহাচিন্তাত দিন কটালে। নাৰদে আহি কলেহি যে দুয়োকে যোগচিন্তা কৰি মুক্তি লভিবলৈ নিলে। যুধিষ্ঠিৰে নানা অমঙ্গল দেখিবলৈ ধৰিলে।

অৰ্জ্জুনে কৃষ্ণৰ কথা ৰাখি বাল বৃদ্ধ নাৰী গনক লৈ আহোতে বাটতে গুৱাল সকলে আগচি ধৰাত অৰ্জ্জুনে কথমপি গাণ্ডীৱত শৰ লগালে আৰু বান বৰষিলে কিন্তু গুৱালৰ ছালেই নিচিগিলে। কৃষ্ণৰ বিনে অৰ্জ্জুৰ সৰ্ব্বশক্তি আৰু বীৰত্ব শ্ৰীহীন হ'ল। অৰ্জ্জুনক খেদাই কৃষ্ণৰ যোড়শ হাজাৰ পত্নীক গুৱালে বধ কৰিলে। অৰ্জ্জুনে তেওঁলোকৰ প্ৰেতকাৰ্য্য কৰি বাল বৃদ্ধগনক লৈ ইন্দ্ৰ প্ৰস্থ পালেগৈ। তেওঁ গৈ ৰজাৰ আগত পৰি কান্দিবলৈ ধৰিলে।

যুধিষ্ঠিৰে অৰ্জ্জুনৰ দুখলগা শোচনীয় অৱস্থা দেখি যদুকুলৰ বাৰ্ত্তা সুধিলে। ওপৰত ৰজাই সুধিলে, "চিৰকাল প্ৰবাসত থাকি দুখ পালানেকি? কোনো আৰ্ত্তপ্ৰানীক পৰিত্ৰান নকৰিলা নেকি? কোনো বিপ্ৰক প্ৰতিশ্ৰুত দান নিদিলে নেকি? অতিথিক নিদিয়াকৈ নিজে ভোজন কৰিলে নেকি? অগম্যা গমন হ'ল নেকি? অধৰ্ম্মই বাটত জিনিলেনেকি? এই বোৰ প্ৰশ্নৰ উত্তৰ নিদি অৰ্জ্জুনে যদুকুলৰ ধ্বংসৰ কথা যুধিষ্ঠিৰক

বৰ্ননা কৰিলে।

"কিবা সোধা দাদা মোহোৰ অৱস্থা
সৰ্বনাশ ভৈলো আমি।
মাধৱ বন্ধুক হৰুৱাইলো আবে
বঞ্চিলা জগত স্বামী।" ৭৫৬।।

কৃষ্ণৰ গুন ৰাজি আৰু পাণ্ডৱক কৰা উপকাৰ সমূহ উল্লেখ কৰি অৰ্জ্জুনে বিনাই বিনাই কবলৈ ধৰিলে।



(ঞ) **পাণ্ডৱ, কুন্তীৰ বৈৰাগ্য, গৃহত্যাগ আৰু দ্ৰৌপদীৰ দেহত্যাগ-নন্দ-যশোদা-গোপীৰ দেহত্যাগঃ-**

কৃষ্ণৰ নিৰ্য্যানৰ বাতৰি পাই যুধিষ্ঠিৰ মৰ্ম্মাহত হ'ল, চাৰিও ফালে অন্ধকাৰ দেখিলে, অন্তঃপুৰত ক্ৰন্দনৰ উৰ্ম্মিৰোল উঠিল। কুন্তীয়ে বিলাপ কৰিলে, কৃষ্ণ গু বৰ্নাই বৰ্নাই উত্তৰ দিশে গমন কৰিলে। যুধিষ্ঠিৰ আকুল হ'ল আৰু বৈৰাগ্য মিলিল, ৰাজপাটত পৰীক্ষিতক স্থাপন কৰি, অনিৰুদ্ধক মথুৰাত প্ৰতিষ্ঠিত কৰি, শৰীৰৰ আভৰন খহাই, ঈশ্বৰ কৃষ্ণক চিন্তি উত্তৰ মুখে যুধিষ্ঠিৰে গমন কৰিলে। চাৰি ভায়েও একেদৰে যুধিষ্ঠিৰক অনুসৰন কৰিলে। দ্ৰৌপদীয়ে মহাশোকত দগ্ধ হৈ পঞ্চপাণ্ডৱক স্মৰন কৰি, কৃষ্ণক হৃদয়ত চিন্তি সতীয়ে প্ৰানত্যাগ কৰিলে।

নন্দ-যশোদা আৰু গোপিকাসবে কৃষ্ণৰ বিয়োগৰ বাতৰি পাই কান্দি কান্দি বিমূৰ্চ্ছিত হ'ল। কৃষ্ণৰ অশেষ প্ৰেম কৰুনা কৰ্ম্মাৱলীৰ গুন স্মৰন কৰি বিলাপ কৰিলে আৰু সকলোৱে কৃষ্ণ বুলি প্ৰান এৰি বৈকুণ্ঠ গমন কৰিলে।

একাদশ স্কন্ধ ভাগৱত কৃষ্ণ ভক্তি ৰসেৰে ভৰপূৰ। ঈশ্বৰ কৃষ্ণই ধৰাধাম এৰি বৈকুণ্ঠ গমন কৰা আৰু বিভিন্ন ভক্তক দি থোৱা ৰহস্য ভকতি, ভাগৱত ধৰ্ম্মৰ তত্ব কলিযুগৰ মানৱৰ তৰনৰ একমাত্ৰ সৰ্ব্বোত্তম উপায়। এজন মানৱ শিশু হিচাবে জীৱনৰ পাতনি মেলি ঈশ্বৰে মানৱ শৰীৰৰ মাজেদি ঈশ্বৰ লীলা কৰি জগতক আদৰ্শ দেখুৱাই গ'ল। ভুমিৰ ভাৰ হৰন কৰি ভকতক কৃপাকৰি, ধৰ্ম্ম প্ৰতিষ্ঠা কৰি, অশুভ শক্তিক সমুলঞ্চে বিনাশ কৰি, পৰিশেষত জ্ঞান-বিজ্ঞান-তদং-ৰহস্য জগতক দি বৈকুণ্ঠ গমন কৰিলে। কবিয়ে একাদশ স্কন্ধৰ কথা বৰ্ননা কৰি কাহিনীৰ মাজে মাজে মহা মূল্যবান উপদেশ মানবক দি গৈছে, তাৰে দুই এটি তলত উল্লেখ কৰা হ'ল।

"কৃষ্ণৰ চেষ্টা খেনেকে মিলান্ত সুখ খেনেকে বিপাক।" ৫০।।

"আশা সুত ধন জন যেন ছাইৰ জৰী।
পুত্ৰ পৰিবাৰ সবে সপোনৰ সৰি।।" ৫১।।



জীৱনৰ সুখ এই আছে, এইনাই। আশা কৰা, মতে সকলো নহয়। পুত্ৰ ভাৰ্য্যা-ধন অস্থায়ী। ই এটা মধুৰ সপোন, দিঠকত ইয়াৰ মূল্য নাই। পিতৃ-মাতৃ কুলৰ পূৰ্ব্ব পুৰুষ নৰকত পৰি আছে, ভক্তিবান এক পুত্ৰই তেওঁলোকক উদ্ধাৰ কৰি স্বৰ্গলৈ নিব পাৰে। মৃত পিতৃ-মাতৃয়ে দধি-দুগ্ধ ঘৃত-মধূ খাবলৈ নাহে, পুত্ৰই যদি কৃষ্ণ ভক্তি কৰে তেওঁলোকে এইবোৰ নোখোৱাকৈ স্বৰ্গসুখ ভোগ কৰে। ঈশ্বৰে ভকতে গোৱা গুন নামৰ মালা পিন্ধি পৰম সন্তোষ নাভ কৰে।

"ভকত সকলে গাৱে গুন নাম যত।
তাৰ মালা গাথি তুমি পিন্ধা হৃদয়ত।।
পূজা নমস্কাৰ ধ্যান সমস্ততে কৰি।
যশ কীৰ্ত্তনতে মাত্ৰ তুষ্ট হোন্ত হৰি।।" ৭৫।।

বন্ধু-ধন-জন- সপোনৰ ৰত্ন, বাস্তৱত কৃষ্ণহে বন্ধু-ধন-জন, জীৱন অলীক।

সপোনত নিধিসম বন্ধুধন জন।
জলৰ বুদবুদ যেন অথিৰ জীৱন।" ১১৩।।

কলিত একমাত্ৰ ধৰ্ম্ম হৰিনাম। ইয়েই যুগধৰ্ম্ম। এই যুগত সকলো বোৰ একাকাৰ হ'ল, মাত্ৰ হৰিনামহে পৰম পবিত্ৰ বস্তু হৈ ৰল। আশা এখন বুৰতী নদী, ধন এই নদীৰ জল, লোভ-তৃষ্ণা-মোহ এই নদীৰ মহাপাক (চাকনৈয়া), ইয়াত নাও বাই যোৱা সকল বিষয়ী।

"আশানামে নদী ঘোৰ একোমতে নাহি ওৰ
ধনে আৰ ভৈল মহাজল।।
লোভ তৃষ্ণা চৰে আত মোহ ভৈল মহাপাক
বজোৱাৰ বিষয় জগৰ।।
চিন্তা ভৈলা দুই পাৰ মাংস ছিণ্ডি খাই গাৰ
কাম ক্ৰোধ কুম্ভীৰ মগৰ।।" ৩৫৮।।
বেগ ভৈল দিন ৰাত্ৰি ধৈৰ্য্য বৃক্ষখানে আতি
তাৰিতে নপাৰ একোনৰে।।
নাপাই আৰ পাৰ কুল জগতৰ আদি মূল
কৃষ্ণত ভকতি নুহি যাবে।।
পৰম বান্ধব হৰি যাৰ নাম লৈলে তৰি
তাক ভজা তেজি আন কাম।।" ৩৮৬।.

নদীৰ দুই পাৰেই হৈছে চিন্তা, কাম-ক্ৰোধ নদীৰ জলস্থ কুম্ভীৰ মগৰ। নদীৰ গতি-দিন ৰাতি; ই নদীৰ পাৰ খানি নিয়ে, কাম-ক্ৰোধে-ধৈৰ্য্যহীন কৰে। নদী খন সুদূৰ, পাৰ পোৱা নাযায়। কৃষ্ণত ভকতি হলেহে জীৱন নদীৰ পাৰ পোৱা যাব। যুধিষ্ঠিৰেও

কালৰ হাতৰ পৰা পৰিত্ৰান নাপালে। আনে পোৱাৰ আশা ক'ত?

"কালৰ হাতত আৰে কোনে হুইবে থিৰ।" ৭৪৯।।

"নাহিকে কিঞ্চিতো সুখ আশাৰ সঞ্চাৰ।
যেন বিষলতা ফল ফুলে জাতিষ্কাৰ।।
প্ৰথমে মধুৰ খালি বিষ লাগে পাছে।
নজানি বৰশী যেন গিলি মৰে মাছে।।" ৭৫০।।
সেহিমতে পুত্ৰ দাৰা বিষয়ৰ সুখ।
ইহাৰ বিয়োগে উপজিৰে মহাদুখ।।" ৭৫১।।

মহাকালে সকলোকে সামৰি ল'ব। সুখ আশা কৰা অমূলক; কাৰন যতে অমৃত, তাতে বিষ থাকে, বিষৰ মাজতো অমৃত নিহিত থাকে। দেখাত অমৃতময় হলেও খোৱাৰ লগে লগে বিষ আহে। ওপৰৰ প্ৰলেপ সুৰদী, তাৰ অন্তৰভাগ বিষময়। বিষয় সংসাৰো প্ৰথমে মধুৰ, পাছতহে বিষ উত্থিত হয়।

যদুবংশ ধ্বংসৰ কাৰন আপাত দৃষ্টিত ভণ্ডামি আৰু ছালনাৰে শুভশক্তিত আঘাট হনা আৰু সুৰাপান। ভণ্ড ছালনাৰ বাবে অভিশাপ লাভ, সুৰাপানৰ বাবে বুদ্ধি ভঙ্গ হৈ আত্ম নাশ। যুদবীৰ গনৰ শক্তিৰ অহঙ্কাৰ আৰু গৰ্ব্বই ধ্বংস মাতি আনিলে। কৃষ্ণক কেন্দ্ৰ কৰিয়েই যদুবংশ, পাণ্ডৱ, তিষ্টি আছিল। কৃষ্ণই অৰ্জ্জুনৰ শক্তি সামৰ্থ্য আছিল। কৃষ্ণই ভাগৱত ধৰ্ম্ম ৰক্ষাৰ্থে উদ্ধৱ-বিদুৰ মৈত্ৰেয়ক ৰাখি থৈ যায়। ভাগৱত ধৰ্ম্মই কলি যুগৰ তৰনৰ একমাত্ৰ উপায়।

**।।দ্বাদশ স্কন্ধ।।**





**-শ্ৰীমন্ত শঙ্কৰদেৱ বিৰচিতঃ-**

**মূল বিষয়ঃ-**

(১) কলিযুগৰ ধৰ্ম্মৰ কুপ্ৰভাৱ।
(২) কল্কি অৱতাৰৰ প্ৰভাৱ।
(৩) কলিত কৃষ্ণ নামৰ প্ৰভাৱ আৰু কৃষ্ণ ভক্তিৰে সংসাৰ তৰন।
(৪) জগতৰ প্ৰলয় আৰু সৃষ্টি।
(৫) ব্ৰহ্মাৰ স্বৰূপ ব্যাখ্যা আৰু পৰীক্ষিতৰ ব্ৰহ্মজ্ঞান লাভ।
(৬) তক্ষক, কাশ্যপ ব্ৰাহ্মন, তক্ষকৰ দংশন, পৰীক্ষিতৰ মুক্তি আৰু জন্মেজয়ৰ সৰ্পযজ্ঞ।
(৭) মাৰ্কণ্ডেয় ঋষিৰ আখ্যান।
(৮) ভাগৱতৰ সংক্ষিপ্ত বিষয় বস্তু।
(৯) ভাগৱত-মাহাত্ম্য আৰু ভাগৱত তাৎপৰ্য্য।

**(১) কলিযুগৰ ধৰ্ম্মৰ কুপ্ৰভাৱঃ-**

কলিযুগৰ ৰজাসকলৰ আচাৰ ধৰ্ম্ম নাথাকে, প্ৰজা পীড়ন কৰিব, অসত্য আৰু পাতকী হ'ব, পিতামাতাক মান-মৰ্য্যদা নকৰিব, মহা অহঙ্কাৰী, ক্ৰোধী হ'ব, স্ত্ৰীবধ, শিশুবধ, গোবধ কৰিব, পৰদাৰাক হৰিব, কামাতুৰহে জাতি কুল বিচাৰ নকৰিব। তেওঁলোক অল্পায়ু হৈ মহন্ত গনক আত্যাচাৰ কৰিব, মহাম্লেচেত ৰজা বোলাব, ৰাজ্যলাভৰ নিমিত্তে কন্দল কৰিব, প্ৰজাগনৰ ওপৰত অত্যাচাৰ কৰিব আৰু প্ৰজা নিহত হ'ব। তেওঁলোক অত্যন্ত নিৰ্দয় আৰু ধনলোভী হ'ব, ধনৰ বাবেই মহাকন্দলৰ সৃষ্টি হ'ব, ধৰ্ম্মৰ চাৰিচৰন সত্য, শৌচ, ক্ষমা, দয়াক উছন কৰিব, সহৃদয়তা নিৰ্ম্মূল হৈ কেৱল কপট আচৰন কৰিব।

ঘোৰ কলিত ধনৱন্ত জনেই গুনৱন্ত সদাচাৰী বুলি পৰিগনিত হ'ব, বলীৰ জয় হ'ব, যুবতীয়ে কুলশীল বিচাৰ নকৰি ইচ্ছামতে পতি বিচাৰি ল'ব, পুৰুষেও যাকে মন যায় তেওঁকে ভাৰ্য্যা কৰিল'ব, মিছাকোৱা স্বভাব ধৰ্ম্ম হ'ব আৰু ক্ৰয় বিক্ৰয়ত কেৱল মিছাই চলিব, ৰতি শাস্ত্ৰত উত্তম পুৰুষক নাৰীয়ে বাচি বাচি ল'ব, কামাতুৰ পুৰষেও তেনে কামুকী নাৰীকে বাচি ল'ব, নিজ স্বামী এৰি উপপতি ভজিব আৰু নিজ পত্নী এৰি পুৰুষে অন্য যুৱতৰি পাছে পাছে ফুৰিব।

ব্ৰহ্মচাৰী-সন্ন্যাসীয়েও জ্ঞানপুৰি খাই কেৱন কমণ্ডলু ধাৰন কৰিব, বেদ শাস্ত্ৰ-তত্ব- আৰু পৰমাৰ্থ বিচাৰ শূন্য হ'ব, বহুবক্সী জনেই পণ্ডিত বুলি মান পাব, ধনীয়ে মহাপাপ কৰি সাধু বুলি পৰিগনিত হ'ব, চুলি ৰাখি সুন্দৰ হ'ব, মহন্ত, সাধু লোকক অনাদৰ কৰিব, অন্যায় কৰি আনৰ দ্ৰব্য আনি পেট পূৰণ কৰিব, চলেবলে আনৰ ধন আৰু স্ত্ৰী কাঢ়ি ল'ব।

অনাবৃষ্টি-দুৰ্ভিক্ষ-প্ৰাকৃতিক দুৰ্য্যোগে লোকক জ্বলা কলা কৰিব, ক্ষুধা তৃষ্ণা-ব্যাধিত লোক মৃত্যু হ'ব, পৰমায়ু কমিব, নীতি নিয়ম আচাৰ ধৰ্ম্ম একো নাথাকিব, পাষণ্ডই পণ্ডিত হৈ উপদেশ দিব, চোৰ-ডকাইটি চলিব, পত্নী পক্ষৰ লোক অতি আপোন হ'ব, আগমে দেশ জুৰিব, নিগমৰ প্ৰতি শ্ৰদ্ধা কমিব।

পৃথিৱীৰ ৰজা সকল ঘোৰ অত্যাচাৰী হ'ব আৰু ৰাজ্য ধনৰ বাবে যুদ্ধ বিগ্ৰহকৰি প্ৰজাক্ষয় কৰিব, ভায়ে ভায়ে কটা মৰা কৰিব, কলিত লোকে ভুৰি ভুৰি পাপ কৰিব।

শুকে পৰীক্ষিতৰ প্ৰশ্নৰ উত্তৰত কলে যে সত্য যুগত তপ-সত্য-দয়া, দান-শান্তি-তুষ্টি- ক্ষমা-মৈত্ৰী আদি গুনাৱলী আছিল, ঈশ্বৰত লোকৰ পৰম শ্ৰদ্ধা-ভক্তি আছিল। ত্ৰেতাত একপাদ ভাগিল, ত্ৰেতাত বিপ্ৰ প্ৰধান হ'ল, আৰু দ্বাপৰত লোক জ্ঞান ভ্ৰষ্ট হ'ল, দুইপাদ ভাগিল।ব্ৰাহ্মন-ক্ষত্ৰিয়ই ধৰ্ম্ম ধৰিলে। কলিত অধৰ্ম্মই তিনিপাদ ভাঙিলে আৰু ৪ৰ্থ পাদো নষ্ট হ'ব। কলিত লোকে কাজিয়া কৰিব, ব্ৰাহ্মন-ক্ষত্ৰিয়-বৈশ্যই হৰি কথা নুশুনিব, কৈৱৰ্ত, অন্ত্যজাতিয়ে হৰিক ভজিব, কলিত শূদ্ৰ, কৈৱৰ্ত্ত প্ৰধান হ'ব।

যেতিয়া সাত্বিক বুদ্ধি মনত উদয় হ'ব, জ্ঞানৰ ৰতি আহিব, কাম-ক্ৰোধ-লোভ-মোহ আতৰ হ'ব, তেতিয়াই সত্যৰ উদয় হ'ব। যেতিয়া লোকৰ যশস্যাত প্ৰীতি বাহিব, সকাম কৰ্ম্ম আচৰন নকৰিব, ৰজো গুনত আনন্দ আহিব, তেতিয়াই ত্ৰেতাৰ আৰম্ভনি হ'ব। লোভ-দম্ভ-অহম্মম-দ্বেষ-অসন্তোষ- ৰোষ-মোহ অপমান আহিব, কাম্যকৰ্ম্মত ৰজ-তম গুন বৃদ্ধি পাব, তেতিয়াই দ্বাপৰৰ উদয় হ'ব। যেতিয়া কপট-কুনীতি-নিদ্ৰা-হিংসা-শোক-ভয়-দুখ বিষাদ-তামস-পাপৰ প্ৰতি লিপ্সা আহিব, তেতিয়াই কলিৰ আবিৰ্ভাৱ হ'ব।

কলিযুগত প্ৰধান দোষসমূহৰ বিষয়ে শুকে পুনৰ কবলৈ ধৰিলে কলিত লোক মলমতি হ'ব,পুন্য লোপ পাব, ভাগ্য শূন্য হ'ব যদিও বহু ভোজন কৰিব পাৰিব, দীন দুখীৰ সংখ্যা বাঢ়িব, লোক কামাতুৰ হ'ব, চোৰ-ডকাইটি বাঢ়ি, পাষণ্ড সকলে বেদ পথক দুষিত কৰিব, আৰু মুখত ধৰ্ম্ম জ্ঞান ধৰিব, বিপ্ৰই ধৰ্ম্ম এৰিব।

লোকে স্ত্ৰী-ধনত বিশেষ গুৰুত্ব দিব, সন্ন্যাসীয়ে ধনৰ প্ৰতি লোভী হ'ব, নাৰী সকলে বেশ্যাৰ চৰিত্ৰ ধৰিব আৰু লাজকাজ এৰিব, মানুহৰ আকাৰ ক্ষুদ্ৰ হ'ব, যদিও আধিক আহাৰ খাব, অসত্য আৰু কটুৰ বাক্য বুলিব, ধন বিতৰ অভাৱত উত্তম জনো সমাজত বঞ্চিত হ'ব, গায়ে কম গাখীৰ দিব, লোক সাধাৰনতে স্ত্ৰী পৰাধীন হ'ব, আৰু স্ত্ৰীপক্ষৰ প্ৰতি যত্নবান হ'ব।

"কলিত হৈবেক লোক স্ত্ৰীপৰাধীন।।" ১২৫।।
"ভাৰ্য্যাৰ কুটুম্বে হৈৱে সুহৃদ লোকৰ।।"
পিতৃ মাতৃ জ্ঞাতি যত তেজিবে সোদৰ।
নিজ গোত্ৰ কুটুম্বতো তেজিবেক আশ।



ভাৰ্য্যাৰ ভাতৃক মাত্ৰ কৰিবে বিশ্বাস।।" ১২৬।।

দুৰ্ভিক্ষত লোক মৃত্যু হ'ব, ৰাজ দৰবাৰত লোকৰ হাৰা শাস্তি হ'ব, ৰাজভৃত্য সকলে হুলস্থুল কৰিব, লোকে স্নান কৰিবলৈ এৰিব, শৰীৰ শুকাই যাব, পিশাচৰ আকৃতি ধৰিব। কেইটামান টকাৰ বাবেই কন্দল লাগি মৰাকটা কৰিব, ধনৰ বাবে সুহৃদক বধ কৰিব, ভাৰ্য্যা-পুত্ৰ-পিতৃ-মাতৃক আৰ কৰি নিজৰ পেট পূৰাব কলিৰ লোকে। এইদৰে কলিযুগত অনেক কুপ্ৰভাৱে লোকক গ্ৰাস কৰিব আৰু তৰনৰ উপায় বিচাৰি লব নাজানিলে লোকৰ অধোগতি হ'ব।

**(২) কল্কি অৱতাৰৰ প্ৰভাৱঃ-**

কলিৰ শেষত শ্ৰীহৰিয়ে কল্কী অৱতাৰ গ্ৰহন কৰিব। ধৰ্ম্ম ৰক্ষাৰ কাৰনে, সাধু-সন্ত-মহন্তক ৰক্ষা কৰিবৰ বাবে, দুষ্টগনক ন্যাস কৰিবৰ কাৰনে ভগৱানে অৱতাৰ গ্ৰহন কৰিবই। সম্বল গাৱঁত বিষ্ণুযসা দ্বিজৰ ঘৰতকল্কি পুৰুষ জন্ম গ্ৰহন কৰি, মহাবেগী ঘোঁৰাত উঠি, অতি তীক্ষ্নতৰ খাণ্ডা লৈ পৃথিৱী পৰ্য্যটন কৰি ম্লেচগনক কটি মাৰি শেষ কৰিব আৰু শিষ্টগনক উদ্ধাৰ কৰিব।

ভকত সকলক কল্কি ঈশ্বৰে বল-বীৰ্য্য দান কৰিব, শুদ্ধ-সত্ব-গুন দি স্থূলকায় কৰিব, আৰু সত্যযুগৰ উদয় কৰাব। শান্তনুৰ ভাতৃ দেৱাপী আৰু মৰু এতিয়াও জীয়াই আছে। সত্যযুগ হলে দুয়ো কল্কিৰ আদেশত আহি সূৰ্য্য চন্দ্ৰ বংশ প্ৰবৰ্ত্তন কৰি পৃথিৱীৰ ৰজা হ'বহি।

**(৩) কলিত কৃষ্ণ নামৰ প্ৰভাৱ আৰু কৃষ্ণ ভক্তিৰে সংসাৰ তৰনঃ-**

শুকে কলে, যে বেদৰ ৰহস্য মহাভাগৱত শাস্ত্ৰ কলিত মলিন হোৱা লোকে শুনি নিস্তাৰ পাব, সেই উদ্দেশ্যে ইয়াক ব্যক্ত কৰা হ'ল। কলিত বহুত লোকে ইয়াক শ্ৰৱন কীৰ্ত্তন কৰিব নোৱাৰিব, কাৰন পাষণ্ডই বুদ্ধিভেদ কৰিব। কলিয়ে-দ্ৰব্য-দেশ-তনু-মন-প্ৰান কলুষিত কৰিলে। তাক দূৰ কৰিবলৈ ঈশ্বৰ কৃষ্ণই নাম ধৰ্ম্ম ব্যক্ত কৰি থৈ গ'ল। শাস্ত্ৰই তাক ধৰি ৰাখিছে আৰু তাকে শ্ৰৱন কীৰ্ত্তন কৰিলে কলিৰ দুৰ্ঘোৰ প্ৰভাৱৰ পৰা মুক্ত হ'ব পাৰিব এয়ে সংসাৰ তৰনৰ একমাত্ৰ উপায়।

"কলিৰ পৰম ধৰ্ম্ম মাধৱৰ নান কৰ্ম্ম
কীৰ্ত্তনেসে জানিবা নৃপতি।
কলিৰ পাতেক চয় কীৰ্ত্তনেসে কৰে ক্ষয়
পাৰে নৰে পৰম মুকুতি।।"
"সংসাৰৰ তিনিতাপ যেন দাবানল।
কৰিবাক লাগি আছে জীৱক বিকল।।
আক যিটো নিস্তৰিবে বাঞ্চে মহাজন।
কৰন্তোক কৃষ্ণ কথা ৰস নিসেৱন।।"১৮৬।।

আধিভৌতিক, আধিদৈবিক আৰু আধ্যাত্মিক তাপে লোকক জুলি থকা অগ্নিয়ে পুৰাদি পুৰি থাকে। কৃষ্ণ নামে তিনিতাপ দূৰ কৰে। চৰিবেদ-চৈধ্যশাস্ত্ৰৰ তত্বও এয়ে। অধৰ্ম্ম ধৰ্ম্মক খেদি অহাত কতো ঠাই নাপাই হৰিনামত শৰন লৈ ৰক্ষা পৰিল। বেদৰ ৰহস্য পৰমাৰ্থ শাস্ত্ৰ ভাগৱতত মহামুনি নাৰায়নে স্থাপন কৰি থৈছে। পদ্ম কল্পত নাৰায়নে ব্ৰহ্মাক এই ভাগৱত ৰহস্য জ্ঞান দিয়াত, ব্ৰহ্মাই নাৰদক, নাৰদে ব্যাসক, ব্যাস শুকক আৰু শুকে পৰীক্ষিতৰ আগত ব্যক্ত কৰিলে। উগ্ৰস্ৰবা সুতে শুকৰ ইঙ্গিতত এই কথা বস্তু নৈমিষাৰথাত ঋষি সমাজত ব্যক্ত কৰিলে আৰু এই দৰে লোকত প্ৰচাৰ হ'ল।

(৪) **জগতৰ প্ৰলয় আৰু সৃষ্টিঃ-**

কৃষ্ণৰ চাৰিবিধ লীলা হৈছে সৃষ্টিলীলা, স্থিতি বা পালন লীলা, সংহাৰ লীলা আৰু অৱতাৰ লীলা। প্ৰলয়ৰ পিচত ঈশ্বৰে পুনৰ সৃষ্টি কৰ্ম্ম কৰে। প্ৰলয় চাৰি বিধ-

(ক) নিত্য প্ৰলয়।

(খ) নৈমিত্তিক প্ৰনয়।

(গ) প্ৰাকৃত প্ৰলয়।

(ঘ) আত্যন্তিক প্ৰলয়।

(ক) **নিত্য প্ৰলয়ঃ-**

ব্ৰহ্মাকে আদি কৰি জীৱসমস্তৰ সকলোৰে শৰীৰ কালৰ বেগত নষ্ট হয়, ইয়াকে নিত্য প্ৰলয় বোলে।

(খ) **নৈমিতিক প্ৰলয়ঃ-**

চাৰি হাজাৰ যুগে ব্ৰহ্মাৰ এদিন আৰু এজন ব্ৰহ্মাৰ দিনত চৈধ্যজন মনুৰ ৰাজত্ব কান থাকে। ৰাতিৰো কাল একেই। নিশা হোৱাৰ লগে লগে তিনিলোকৰ প্ৰলয় ঘটে আৰু জগতক উদৰত লৈ নাৰায়নে অনন্ত শয্যাত শয়ন কৰে, তিনিলোক প্ৰলয় জলত নিমগ্ন হয়। কৃষ্ণৰ লগতে ব্ৰহ্মাণ্ড শুই থাকে। নিশা হোৱাৰ পাচত পুনৰ সৃষ্টি প্ৰৱৰ্তন হয়; ইয়াকে নৈমিত্তিক প্ৰলয় বোলে।

(গ) **প্ৰাকৃত প্ৰলয়ঃ-**

ব্ৰহ্মাৰ এশবছৰ বয়স হলে ঈশ্বৰে ব্ৰহ্মাকো সংহাৰ কৰে। ব্ৰহ্মাণ্ড বিনাশ ঘটে, জগতক ঈশ্বৰে উদৰত ধৰি ৰাখে। প্ৰচণ্ড আদিত্যই তাপ দিয়ে, অনন্তৰ মুখৰ পৰা বহ্নি ওলাই পাতাললৈকে ভষ্মীভূত কৰে, এশবছৰ বৰষুণ হয়, প্ৰলয়ৰ জলে পৃথিৱীক বুৰাই পেলায়, সাত আৱৰনো এই দৰে লয় পায়। পৃথিৱীৰ জলত, জল অগ্নিত, অগ্নি বায়ুও বায়ু আকাশত, আকাশ ইন্দ্ৰিয় দেবগন মহত্বত, মহত্ব প্ৰকৃতিত, প্ৰকৃতি ঈশ্বৰত লীন যায়। কোটি ব্ৰহ্মাণ্ড লয় পায়, আৰু পুৰুষ প্ৰকৃতি বৃত্তি শূন্য হৈ থাকে। ইয়াকে প্ৰাকৃত



প্ৰলয় বোলে।

(ঘ) **আত্যন্তিক প্ৰলয়ঃ-**

মোক্ষ লাভকেই আত্যন্তিক প্ৰলয় বোলে। বুদ্ধি, মন, ইন্দ্ৰিয়, মহত্ব, অহঙ্কাৰ, ব্ৰহ্মৰ পৰা পৃথক নহয়। ব্ৰহ্ম সত্য, বাকী বোৰ মিছা। এই বোৰ জৰীত সৰ্পভ্ৰম মাত্ৰ। জাগন, সপোন, বুদ্ধিৰ বৃতিহে; জগতো ব্ৰহ্মৰ বিকাৰ মাত্ৰ।

"এক ব্ৰহ্ম আছা সৰ্ব্ব দেহত প্ৰকটে।
যেন এক আকাশ প্ৰত্যেক ঘটে ঘটে।।
জলত সূৰ্য্যক যেন দেখি ভিন্ন ভিন্ন।
সেহিমতে জানিবা ব্ৰহ্মৰো ভেদহীন।।" ১৭৯।।

জ্ঞান অস্ত্ৰে অহঙ্কাৰ ছেদ কৰিব পাৰিলে জীৱৰ কৰ্ম্ম বন্ধ আতৰ হয়। জীৱই দেহকো তেতিয়া ব্ৰহ্মময় দেখে আৰু ইয়াকে আত্যন্তিক প্ৰলয় বোলে, অৱশ্যে ভকতি সেই মুহূৰ্তৰ পৰা থাকিবই লাগিব; তেহে দুনাই মায়াই গ্ৰাস কৰিব নোৱাৰে।

(৫) **ব্ৰহ্মৰ স্বৰূপ ব্যাখ্যা আৰু পৰীক্ষিতৰ ব্ৰহ্মজ্ঞান লাভঃ-**

ব্ৰহ্মাই আত্মা। জন্ম মৃত্যু দেহৰ হে ধৰ্ম্ম, দেহৰ পৰা দেহ উৎপন্ন হয়, আত্মা দেহত থাকিলেও দেহহীন, কাঠত অগ্নি থাকিলেও কাঠৰ লগত বেলেগ হৈ থাকে। মনে জীৱৰ শৰীৰ স্ৰজে, গুন কৰ্ম্মত মনেই স্ৰজে। মনক মায়াই স্ৰজে।

"মনে স্ৰজে জীৱৰ শৰীৰ গু কৰ্ম্ম।
মনকো মায়ায়ে স্ৰজে জানা সাৰে সাৰ।।" ২০৮।।

ব্ৰহ্মক জানিলে শোক-মোহ নাথাকে। জ্ঞান-বিৰকতি ভক্তিত বিদ্যমান। গতিকে কৃষ্ণৰ চৰন চিন্তি, হৃদয়ত কৃষ্ণক স্মৰন কৰিব লাগে।

পৰীক্ষিতে শ্ৰৱন কৰোতে কৰোতে কৃষ্ণক লাভ কৰিলে। তেওঁ ব্ৰহ্ম জ্ঞান প্ৰাপ্ত হোৱাৰ লগে লগে কৃষ্ণৰ বাদে আন একো নেদেখা হ'ল। সৰ্পই ভৰিত দংশন কৰিলেও তেওঁ সৰ্পক দেখিবলৈ নাপায়, কাৰন তেওঁক দৃষ্টিৰ পৰিধিত কেৱল কৃষ্ণইহে বিৰাজ কৰি আছে। পৰীক্ষিতৰ ইতিমধ্যে শৰীৰ মনৰ মল দূৰ হৈছে, মোহ-অহঙ্কাৰ অন্তৰ্হিত হৈছে, তেওঁৰ হিয়াত পৰম ঈশ্বৰে প্ৰৱেশ কৰিছে, তেওঁৰ চিত্ত দ্ৰব হ'ল, তনু ৰোমাঞ্চিত হ'ল আৰু আনন্দ সাগৰত নিমগ্ন হ'ল। পৰীক্ষিতে শুক দেবক অনেক প্ৰশংসা কৰি উত্তৰ মুখে মাধৱক স্মৰন কৰি কৃষ্ণৰ চৰনত শিৰথৈ বহিল। সকলো সংশয় মনৰ পৰা আতৰি গ'ল, ব্ৰহ্মময় অৱস্থা পালে আৰু দেহৰ পৰা মনক আতৰাই আনিলে, হৃদয়ত ঈশ্বৰক সাক্ষাত কৰিলে আৰা লিঙ্গ দেহ ভঙ্গ হ'ল। ৰজাক চৌদিশে সৈন্য সামন্তই বেঢ়ি ৰাখিলে, আনকি পৰুৱা এটিও সোমাব নোৱাৰে, বশিষ্ঠ প্ৰমুখ্যে দেবঋষি গনে কাষতে বহি থাকিল।

(৬) **তক্ষক, কাশ্যপ ব্ৰাহ্মন, তক্ষকৰ দংশন, পৰীক্ষিতৰ মুক্তি আৰু জন্মে জয়ৰসৰ্পযজ্ঞঃ-**

তক্ষকে বিপ্ৰশাপ অনুসৰি ব্ৰাহ্মন বেশ ধৰি ৰজাক দংশন কৰিবৰ্লৈ আহোঁতে কাশ্যপক লগ পালে। তক্ষকে সোধাত কাশ্যপে কলে যে তেওঁ ৰজাক সৰ্পদংশনৰ পৰা বচাবলৈ আহিছে। তেতিয়া দয়োৰে মাজত শক্তি পৰীক্ষা হ'ল। তক্ষকে দংশন কৰা বটবৃক্ষক কাশ্যপ মন্ত্ৰেৰে পুৰ্নজীবিত কৰিলে তাকে দেখি তক্ষকে ধনদি কাশ্যপক ঘূৰাই পঠালে আৰু পুনৰ ব্ৰাহ্মনৰ বেশ ধৰি আগবাঢ়িল। তক্ষকে ৰজাৰ কাষ পাই নিজৰূপ ধৰি ৰজাক দংশন কৰিলে আৰু ৰজাৰ দেহ ভস্মীভূত হ'ল। পুত্ৰ জন্মেজয়ে পৰীক্ষিতক জলাঞ্জলি দিলে। পৰীক্ষিতৰ ঠাইত জন্মেজয় ৰজা হ'ল। তক্ষকে কাশ্যপক ঘূৰাই পঠোৱা শুনি ৰজাই খং কৰি সৰ্পসংহাৰ কৰাৰ সিদ্ধান্ত ললে। তেওঁ সৰ্পযজ্ঞ আৰম্ভ কৰিলে।

সমস্ত সৰ্পক ধ্বংস কৰা দেখি তক্ষকে ইন্দ্ৰত শৰন লৈ অমৃত খাই লুকাই থাকিল। জন্মেজয়ে এই কথা গম পাই অগ্নিত আহুতি দিলে আৰু ইন্দ্ৰই তক্ষক ৰজাক নানা ধৰনেৰে শাস্ত্ৰীয় যুক্তি দি সৰ্পযজ্ঞ বন্ধ কৰিবলৈ অনুৰোধ কৰিলে। অনুৰোধ ৰক্ষা কৰি জন্মেজয়ে সৰ্পযজ্ঞ বন্ধ কৰিলে।

(৭) **মাৰ্কণ্ডেয় ঋষিৰ আখ্যানঃ-**

মৃকণ্ডুৰ পুত্ৰ মাৰ্কণ্ডেয় ঋষিয়ে মাধৱক মায়াদৰ্শনৰ বাবে আৰাধনা কৰিছিল। উপজিয়েই তেওঁ বেদ অধ্যয়ন কৰি ব্ৰহ্মচাৰী হৈ হাতত কমণ্ডলু, মুৰত জটা, কটিত বাকলি বস্ত্ৰ, অজীন উত্তৰী কান্দত আৰু হাতে অক্ষমালা লৈ দুয়োবেলা ভিক্ষা মাগি হৰিক অৰ্চ্চিলে। তেওঁ মায়াদৰ্শনৰ বাবে কৃষ্ণক আৰাধনা কৰিছিল। এইদৰে তেওঁ দহকোটি বছৰ মহাহৰিক আৰাধি দুৰ্জ্জয় মৃত্যুক ভকতিৰ বলত জয় কৰিলে। ছয় মন্বন্তৰ কাল অতিক্ৰম হোৱাত ৭ম মনু দেব পুৰন্দই তপস্যা দেখি, ইন্দ্ৰপদ কাঢ়ি ল'ব বুলি ভাবি ভয় খাই মদনক অপেস্বৰীগন সমে তপস্যা ভঙ্গ কৰিবলৈ পঠালে। মদনে হেমৰন্ত পৰ্ব্বতৰ উত্তৰ পাশ্বত তপস্যাৰত ঋষিক নানাগীত ধ্বনিৰে, বাদ্যৰ ধ্বনিৰে চিত মোহিবলৈ ধৰিলে, অপস্বেৰা গনে নানা ধৰনৰ নৃত্য প্ৰদৰ্শন কৰিলে, কামদেবে মদনৰ শৰ নিক্ষেপ কৰিলে; কিন্তু ভকতিত তদগদ হৈ থকা ঋষিৰ মতিভ্ৰম নহল। তেওঁলোকে বিমৰ্ষমনে ঘূৰি গ'ল।

ইন্দ্ৰক সবিশেষ জনোৱাত ইন্দ্ৰৰ বেদনা অধিক হ'ল। ঋষিৰ গভীৰ তপস্যাত সন্তোষ্ট হৈ নৰনাৰায়নে দৰ্শন দিলে। নৰ আৰু নাৰায়নৰ সুন্দৰ আদ্ভুত ৰূপ দেখি কৃতাঞ্জলি কৰি দুয়োৰে পাদপদ্মত অৰ্চ্চন কৰিলে। তাৰ পাচত ঋষিয়ে স্তুতি কৰিলে। মাৰ্কণ্ডেয়ৰ বিস্তৰ স্তুতি মিনতিত নৰনাৰায়ন সন্তোষ্ট হৈ বৰ লববলৈ কলে-

"যিটো বিষ্ণুমায়া জগতকে মোহ কৰে।
বিদ্যামান আত্মাক নিচিনে নিৰন্তৰে।।
সেহিটো মায়াক আমি দেখিবাক চাওঁ।।" ৩৬২।।

নৰনাৰয়নে কলে, "নিকটতে মোৰ মায়া দেখা দিবে আসি।।" ৩৬৩।।

ঋষিয়ে মায়া দেখিবলৈ পোৱাৰ আশাৰে আশ্ৰমত অপেক্ষা কৰিলে। তেওঁ চাৰিও ফালে হৰিময় দৰ্শন লভিলে।

**বিষ্ণুমায়া দৰ্শনঃ-**

এদিন গধূলি তেওঁ চৌদিশে প্ৰচণ্ড বায়ুৰ শব্দ শুনিবলৈ পালে। মেঘসমূহ বায়ুৰে দাঙি আনিছে, মোদনী কপোঁৱা দুৰ্ঘোৰ মেঘ-গৰ্জ্জন তেওঁ শুনিবলৈ পালে। হৃদয় বিদাৰক বিজুলীৰ চমকনি, শিলাবৃষ্টি, সঘন বজ্ৰপ্ৰহাৰে আৰু মুষল ধাৰ বৰষুণে ধৰনী মণ্ডলৰ সৃষ্টি কৰিলে। সাগৰৰ ঢৌৱে ভূমণ্ডল বুৰাই পেলালে, আকাশলঙ্ঘা ঢৌৱে পৃথিৱী আগুৰি ধৰিলে। ক্ষন্তেকতে জল মণ্ডলে চন্দ্ৰ-সূৰ্য্য-জ্যোতি-নক্ষত্ৰলোক, স্বৰ্গলোক বুৰাই পেলালে। একেশ্বৰে থকা ঋষিৰো জলত কেতিয়াবা উপঙি কেতয়াবা তলগৈ শ্ৰুতি জ্ঞান হেৰালে। কুম্ভীৰ মগৰে তেওঁক গিলি খাবলৈ আহিল। ভয়ত আতুৰ হৈ ভোকে লঘোনে ঋষিৰ অশেষ শাস্তি হয়। এইদৰে কত লক্ষকোটি বছৰ তেওঁ জলতে ভ্ৰমি ফুৰিল। দুষ্মহ দুৰন্ত দুখৰ অন্ত নপৰিল।

এই দৰে উটিবুৰি ফুৰোঁতে পৃথিৱীৰ উন্নত প্ৰদেশত মহা বটবৃক্ষ ফল পল্লৱত শোভিত স্থান দেখিলে আৰু ক্ৰমে ওচৰ চাপিলে। তাত বট পত্ৰত শয়ন কৰি থকা এটি ত্ৰৈলোক্য মোহনীয় সুকুমাৰ শিশুক দেখা পালে।

"বৃক্ষেৰ ঈশান দিকে শাখাপৰ্ন মাঝে।
শয়ন কৰিয়া শিশু তাহাতে বিৰাজে।।
কোটি দিনমনি-প্ৰভা লাগে অন্ধকাৰ।
জগতৰে পতিদেখে বালক আকাৰ।।" (বেঙ্গলি ভাগৱত)

"চৈধ্যয় ভূৱনে নাহি ৰূপক উপায়।
তনু সুকুমাৰ মহা মৰকত শ্যাম।।" ৩৯২।।

মাৰ্কণ্ডেয় ঋষিয়ে অদ্ভুত বালকক দেখি কথা সুধিবলৈ ধৰোতেই নাকৰ নিশ্বসতে গৈ ঋষি শিশুৰ হৃদয়ত প্ৰবেশ কৰিলে আৰু গৰ্ভত সমস্ত জগত দেখা পালে। নিশ্বাসত ঋষি পুনৰ বাজ হ'ল আৰু এই দৰে সাতবাৰ আহ যাহ কৰিলে। প্ৰতিটো বাৰতে একো একোটা কল্প অতিক্ৰম কৰিলে। উশাহত প্ৰৱেশ কৰি সমস্ত সৃষ্টি দেখে আৰু নিশ্বাসত দুৰ্ঘোৰ প্ৰলয় দেখিবলৈ পালে। সেই বাল মুকুন্দই একে বটবৃক্ষ পঞ্জৰতে শয়ন কৰি থকা দেখিলে। ঋষিয়ে বাল মুকুন্দক চাই চাই হৃদয় পদ্মত নি থলে-

"নয়নৰ দ্বাৰে নিয়া হৃদয় পদ্মক।
আলিঙ্গিলা মনে ঋষি বলে মুকুন্দক।।" ৪১২।।

ঋষিৰ হৃদয়তে হৰি অন্তৰ্দ্ধান হ'ল আৰু ঋষিয়ে চকুমেলি চাই পূৰ্ব্বতে থকা সংসাৰ দেখিবলৈ পালে আৰু এটা সপোন দেখাযেন পালে। তেওঁৰ বিভ্ৰম দূৰ হ'ল আৰু ভগৱানৰ যোগমায়াৰ বৈভব সাক্ষাতে দেখিবলৈ পালে। মাৰ্কণ্ডেয় ঋষিয়ে পুনৰ কৃষ্ণৰ ধ্যানত

নিমগ্ন হ'ল।

এদিন হৰে পাৰ্ব্বতী আৰু ভৃত্যগনৰ সৈতে গৈ থাকোতে মাৰ্কণ্ডেয়ক তপস্যাৰত দেখি কাষতে আসন পাৰি বহিলে। হৰিক ধ্যান কৰি থকা ঋষিয়ে সন্মুখত থকা হৰক নোচোৱাত হৰে যোগমায়া বলেৰে ঋষিৰ হৃদয়ত প্ৰবেশ কৰিলে। ঋষিয়ে হৃদয়ত ভয়ঙ্কৰ ৰূপ দেখা পাই চকুমেলি সন্মুখত থকা হৰ- পাব্বতীক দেখা পালে আৰু সতকাৰ কৰি অৰ্চ্চনা কৰিলে। মাৰ্কণ্ডেয়ৰ স্তুতিত সন্তোষ্ট হৈ হৰে বৰ দিলে যে ঈশ্বৰ কৃষ্ণও ঋষিৰ নিশ্চল ভকতি হ'ব। তেওঁৰ ব্ৰহ্মতেজ হ'ব, চাৰি বেদ, পুৰান ক'ব পাৰিব আৰু ব্ৰহ্মকো সাক্ষাত কৰিব পাৰিব। এই দৰে বৰ দি হৰ গৌৰী কৈলাসলৈ গমন কৰিলে। শিৱ ঋষি সংবাদ, নাৰায়নৰ চৰিত্ৰ, বাল-মুকুন্দৰ লীলা- শ্ৰৱন কৰিলে বৈকুণ্ঠ গতি হয়।

মাৰ্কণ্ডেয় মুনি পৰম কৃষ্ণ ভক্ত হৈ তপস্যা কৰি নৰনাৰায়ন ওচৰত বিষ্ণু মায়া দৰ্শন কৰিবলৈ বৰ ললে। বিষ্ণুৰ অসংখ্য মায়াৰ ভিতৰত ঈশ্বৰে প্ৰলয় জলধিৰ মায়া প্ৰদৰ্শন কৰিলে। শিৱক নাৰী মায়া দেখুৱাই থৰকাচুতি হেৰুৱাইছিল। ভকতে ভগৱান্তৰ মায়া চাবলৈ বাঞ্চা কৰাৰ বাবেই (মাৰ্কণ্ডেয়ই) নানা যান্ত্ৰনা ভোগ কৰি জীয়াই থাকিব লগা হ'ল। তথাপি ভগৱন্তই মায়া প্ৰদৰ্শন কৰি ভকতক স্বৰূপ জ্ঞান দিলে আৰু অৱশেষত বাল মুকুন্দ ৰূপ ধৰি আত্ম-তত্ব, ব্ৰহ্মতত্বৰ জ্ঞান প্ৰদৰ্শন কৰিলে। সপ্ত বাৰ আয়াযাত কৰোৱাই ব্ৰহ্মাণ্ডৰ সপ্ত আববনৰ ধাৰনা আৰু মন্বন্তৰৰ ধাৰনাও দিলে। ভগৱন্তক চিন্তা কৰা জনক অন্য প্ৰধান দেৱতা সকলেও মোহিব নোৱাৰে; শিৱই মাৰ্কণ্ডেয়ক তাৰ স্বৰূপ জ্ঞান দিলে। কৃষ্ণক একমাত্ৰ ধ্যান কৰিলেও তেওঁৰ অংশ অন্য দেবক অবমাননা নকৰি প্ৰাপ্য সৌজন্যতা প্ৰদৰ্শন কৰিব লাগে।

সেইবাবে কবিয়ে উপদেশ দিছে মহাভাগৱত অমৃত সংসাৰতৰনৰ একমাত্ৰ উপায়। মাৰ্কণ্ডেয় ঋষিয়ে ভগৱন্তৰ মায়াত পৰি জ্বলা কলা হোৱাৰ দৰে সংসাৰ মায়াত পৰি জীৱৰ দুৰ্গতি হয়, সেইবাবে তেওঁ কৈছে-

"পৰম অমৃত ইটোসংসাৰ মধ্যত।।" ৩০১।।
"সংসাৰ তাপক কৰে তিলেকে উচ্ছোদ।।"
"বিষয়ে সম্পদ মহা আপদৰ ঘৰ।" ৩০২।।
"ক্ষনেকে মিলান্ত সুখ ক্ষনেকে বিঘাত।
ইটো কৃষ্ণ কথা সুখ সাগৰ সক্ষাত।।" ৩০৩।।

কৃষ্ণ কথা সাগৰত মগ্ন হৈ সংসাৰ তৰিবলৈ কবিয়ে উপদেশ দিছে।

(৮) **ভাগৱতৰ সংক্ষিপ্ত বিষয় বস্তুঃ-**

মহাভাগৱতৰ ১মস্কন্ধৰ পৰা দ্বাদশ স্কন্ধ পৰ্য্যন্ত বৰ্নিত বিষয় বস্তু তলত সংক্ষেপে উল্লেখ কৰা হৈছেঃ-

**১ম স্কন্ধঃ**- ভাগৱত ধৰ্ম্ম আৰু কৃষ্ণৰ অচিন্ত্য মাহাত্ম্য কথাৰে ভৰপূৰ মহাভাগৱত শাস্ত্ৰৰ





প্ৰথম স্কন্ধত উন্মোচিত হয় বদৰিকাশ্ৰমত নাৰদৰ বক্তব্যেৰে। ব্যাসৰ আগত নাৰদে বৈকুণ্ঠৰ শাস্ত্ৰ ভাগৱত ৰচনা কৰিবলৈ পৰামৰ্শ দিয়ে জগতৰ কল্যানৰ কাৰনে। ব্ৰহ্মাস্ত্ৰৰ পৰা পৰীক্ষিতক ৰক্ষা কৰিলে, কুন্তীয়ে কৃষ্ণ স্তুতি কৰি প্ৰেম ভক্তি প্ৰদৰ্শন কৰিলে, কৃষ্ণৰ উপস্থিতিত বৈষ্ণৱ ভীষ্মৰ মুক্তি সূচীত হ'ল। পৰীক্ষিতক শুক মুনিয়ে মহাভাগৱত কবলৈ আৰম্ভ কৰে।

২য় স্কন্ধঃ- স্থুল-সূক্ষ্ম ধাৰনা, ভগৱন্তৰ বিৰাট ৰূপৰ বৰ্ননা, প্ৰকৃতিৰ পৰা সৃষ্টি কেনেকৈ হয়, সেই সম্পৰ্কত ব্ৰহ্মা-নাৰদৰ সংবাদ, মহদ অহঙ্কাৰৰ পৰা ইন্দ্ৰিয়াদিৰ সৃষ্টি সম্পৰ্কে বিবৰন ২য় স্কন্ধত বৰ্ননা কৰা হৈছে।

৩য় স্কন্ধঃ- এই স্কন্ধত কৃষ্ণৰ অৱতাৰ সমূহ বৰ্নিত হৈছে। প্ৰথমতে বিদুৰ আৰু উদ্ধৱে কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়ানত বিৰহ ব্যাকুল হোৱাৰ কথা বিদুৰে মৈত্ৰেয়ৰ পৰা তত্বজ্ঞান লাভৰ কথা, মহাপুৰুষ সংস্থান, বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টিৰ বৰ্ননা আৰু চৌবিশ তত্বৰ কথা, তাত বৈ ৰাজ পুৰুষ কেনেকৈ থাকে তাৰ কথাৰে ভৰপুৰ। স্থুল সূক্ষ্মকালৰ বৰ্ননা, ব্ৰহ্মাৰ উৎপত্তি, বৰাহ অৱতাৰ, হিৰন্যাক্ষ বধ আৰু পৃথিৱী উদ্ধাৰ, মনু-শতৰূপাৰ বিবাহ, দেবহুতি কৰ্দ্দমৰ বিবাহ, কপিল অৱতাৰ হৈ মাতৃ দেবহুতিক তত্ব জ্ঞান দানৰ বৰ্ননা এই স্কন্ধত আছে।

৪ৰ্থ স্কন্ধঃ- নব প্ৰজাপতিৰ উৎপতিৰ, দক্ষ আৰু শিৱৰ দ্বন্দ্ব, সতীৰ দেহত্যাগ, দক্ষযজ্ঞ লণ্ডভণ্ড, ধ্ৰুবৰ চৰিত্ৰ, পৃথুৰ উৎপত্তি আৰু পৃথিৱী দোহন ও হৰিভক্তি প্ৰচাৰ কৰিছিল, নাৰদে প্ৰাচীন বৰ্হিৰ হিত চিন্তা কৰি কৰ্ম্মকাণ্ডৰ অসাৰতা দেখুৱাই ৰজাক পুৰঞ্জই উপাখ্যান ব্যক্ত কৰে।

৫ম স্কন্ধঃ- নাৰদ আৰু প্ৰিয়বতৰ সংবাদ, নাভিত ঋষভ ৰূপে ভগৱানৰ অৱতাৰৰ দ্বাৰা ভকতৰ চৰিত্ৰ প্ৰচাৰ কৰা হৈছে। ৰন্থুগন ৰজাক ভক্তিদান কৰি, পৰম বৈৰাগ্য ভৰতে দুই দণ্ড সময়তে জ্ঞান দি মায়া দূৰ কৰিলে। বৰ্ষ, সপ্ত পাতাল, জ্যোতি চক্ৰৰ সঙ্গস্থান, সপ্তপাতালৰ তলত নৰক বৰ্ননা, নৰক যাতনা, পৰীক্ষিতক শুনালে।

৬ষ্ঠ স্কন্ধঃ- হৰিনামৰ মহিমা পস্পৰ্কত অজামিলৰ বৈকুণ্ঠ আৰোহন, দশ প্ৰচেতাৰ জন্ম আৰু অসংখ্য পশু-পক্ষী-বৃক্ষৰ সৃষ্টি, নৰ-নাগ-দেব-অসুৰৰ সৃষ্টি, পাৰ্ব্বতীৰ শাপত বৃত্ৰাসুৰক ইন্দ্ৰই বজ্ৰে নিধন।

৭ম স্কন্ধঃ- হিৰনকশিপু হিৰন্যাক্ষৰ জন্ম, আৰু ইন্দ্ৰক পদচুৎ কৰি স্বৰ্গলাভ, ভগৱানৰ নৰসিংহ অৱতাৰ, ভক্ত প্ৰহ্লাদক প্ৰসাদ আৰু হিৰন্যকশিপুৰ বধ বৰ্ননা কৰা হৈছে।

৮ম স্কন্ধঃ- গজেন্দ্ৰ বিমোক্ষন, ভগৱানৰ হয়গ্ৰীৱ অৱতাৰ, কুৰ্ম্মৰূপে মন্দৰগিৰি ধাৰন, দেবাসুৰৰ সাগৰ মন্থন, দেৱতাক মোহিনীৰূপে অমৃত পান কৰোৱাই দেবাসুৰৰ যুদ্ধ লগায় আৰু দেৱতাক জয়ী কৰে, অদিতিৰ গৰ্ভত বামন অৱতাৰ হৈ বলিক ছলনা কৰে। ভগৱানে মহামৎস্য অৱতাৰ লৈ সত্যব্ৰত ৰজাক বিহাৰ কৰোৱায়।

৯ম স্কন্ধঃ- ইক্ষ্বাকু, খটাঙ্গ, শৰ্য্যাতি, নহুষ, যযতি, শান্তনু, নিমি, সৌভৰি, ভৰত আদি ৰজাৰ ৰাজবংশাৱলীৰ বৰ্ননা, পৰশুৰামৰ অৱতাৰ আৰু ক্ষত্ৰিয় নিধন, ৰামচন্দ্ৰৰ চৰিত্ৰৰ বৰ্ননা এই স্কন্থৰ মূল বিষয়।

১০ম স্কন্ধঃ- যযাতিৰ পুত্ৰ যদুবংশৰ কৃষ্ণ অৱতাৰ, বসুদেৱ-দৈৱকীৰ পুত্ৰ হিচাবে মানৱ ৰূপে অৱতাৰ ধৰি কৃষ্ণই পুতনা বধৰ পৰা আৰম্ভ কৰি শিশুলীলা বৃন্দাবন লীলা মথুৰা লীলা কৰি অসংখ্য, দৈত্য দানৱ কংস আদিক বধ কৰি ৰাসলীলা কৰে, ৰুক্মিনী প্ৰমুখ্যে অষ্ট মহিষীক বিবাহ কৰে, পাণ্ডৱৰ হতুৱাই কুৰুক্ষেত্ৰত অনেক অত্যাচাৰী ৰজাক নিৰ্মূল কৰি দ্বাৰকাত লীলা কৰে আৰু পৃথিৱীৰ ভাৰ হৰন কৰে।

১১শ স্কন্ধঃ- কৃষ্ণই পৃথিৱীৰ মহাভাৰ হৰন কৰি কৰ্ম্মৰাজি সম্পন্ন কৰে আৰু অজেয় যাদাব বীৰ গনক নিৰ্মূল কৰিবৰ কাৰনে বিপ্ৰশাপ দিয়ায়। নাৰদে বসুদেৱক নিমি ৰজা আৰু নৱসিদ্ধৰ সংবাদ শুনায়। ব্ৰহ্মা আদি দেৱগনে আহি কৃষ্ণক স্তুতি কৰিলেহি আৰু উদ্ধৱে কৃষ্ণৰ নিৰ্য্যান উপলব্ধি কৰি যুগৰ তৰনৰ উপায় কৃষ্ণৰ পৰা লাভ কৰে উদ্ধৱ সংবাদৰ যোগেদি ৰহস্য ধৰ্ম্ম, জ্ঞান-কৰ্ম্ম ভকতি বাক্ত কৰি কৃষ্ণই উদ্ধৱক বদৰিসাশ্ৰমলৈ পঠাই প্ৰভাসলৈ যাদৱ সকলক নি সংহাৰ কৰোৱালে আৰু নিজেও উদ্ধৱত মহাজ্ঞান ব্যক্ত কৰি বৈকুণ্ঠ প্ৰয়ান কৰিলে।

১২শ স্কন্ধঃ- যুগৰ লক্ষন, যোগধৰ্ম্ম, কলিধৰ্ম্মৰ প্ৰভাৱ আৰু হৰি কীৰ্ত্তনৰ মহিমা ইয়াত ব্যক্ত কৰা হৈছে। চাৰিবিধ প্ৰলয়ৰ বিবৰন পৰীক্ষিতৰ তনুত্যাগ, জন্মেজয়ৰ সৰ্পযজ্ঞ আৰু মাৰ্কণ্ডেয় মুনিৰ মায়াদৰ্শনৰ বিবৰন উক্ত স্কন্ধত বিবৃত হৈছে। সমস্ত কৃষ্ণ চৰিত্ৰৰ লীলাৰে ভাগৱতৰ সামৰনি পৰিছে।

"নাহি একো শাস্ত্ৰ আৰ ইৰাৰ সমান।
মহন্ত সকলে পাৰে প্ৰত্যক্ষ প্ৰমান।।" ৫১৬।।
হেনজানি কৃষ্ণৰ চৰনে দিয়া মন।
কভিয়োক কৃষ্ণ কথা শ্ৰৱন কীৰ্ত্তন।।" ৫১৭।।

(৯) **ভাগৱত মহাত্ম্য আৰু ভাগৱত তাৎপৰ্য্যঃ-**

মাহাত্ম্যঃ- হৰি গুন নাম শ্ৰৱন আৰু কীৰ্ত্তন সমস্ত ধৰ্ম্মৰ সাৰ ভাগৱতৰ বাৰটা স্কন্ধত সেই তত্বকে প্ৰতি পন্ন কৰা হৈছে। মানৱ জীৱনৰ নানা বিপদ আপদ সংঘাটত কৃষ্ণ নামৰ মহিমা অশেষ। পৰোতে, পিচল খাওঁতে, ক্ষুধাত, তৃষ্ণাত পীড়িত হলে মাধৱৰ নামো উচ্চাৰন কৰিলে সেই সেই বিষয়ত উদ্ধাৰ পাব পাৰি। কোটি জন্মৰ সঞ্চিত পাপ ৰাশি ভগৱন্তৰ নাম অগ্নিয়ে পুৰি ভস্মীভূত কৰে। যিজনে কৃষ্ণৰ কথা শ্ৰদ্ধাৰে শ্ৰৱন কৰে বা কীৰ্ত্তন কৰে তেওঁৰ চিত্তত ভগৱন্ত নাৰায়ন প্ৰৱেশ কৰি মনৰ কলুষ কালিমা বিনাশ কৰে। প্ৰচণ্ড বায়ুৱে মেঘখণ্ডক উৰুৱাই অনাৰ দৰে হৰিনামে মনৰ দুৰ্ঘোৰ মায়াক মখিমূৰ কৰে। হৰি কীৰ্ত্তনৰ মহাফন কৈ শেষ কৰিব নোৱাৰি।

হৰিকীৰ্ত্তনৰ বাহিৰে অন্যবোৰ কথা নিৰৰ্থক; যি কথা বা বাক্যত কৃষ্ণ নাম





নাথাকে, তেনে বাক্য প্ৰলাপৰ কথাহে মাত্ৰ। তেনে মিছা বাক্য, তেনেকুৱা অসতী বাক্য অসন্ত। মহাসত্য, মঙ্গলময়, শুভনয় বাক্য বা কথা সেইবোৰ যিবোৰত কৃষ্ণৰ গুন-গান নিহিত থাকে। তেনে কথাতহে মহন্তৰ প্ৰীতিবৰ্দ্ধন হয়, তাক শুনিলে মনত প্ৰেম পুলকিত হয়, মনত আনন্দ উৎসৱৰ সৃষ্টি হয়। হৃদয়ত হৰিনামে আনন্দ বঢ়াই শোক দূৰ কৰে। কামুকলোকৰ জীৱনত হৰিভক্তিৰস নোসোমায় ৰতিৰসে তেওঁলোকৰ হৃদয় ভৰপূৰ কৰি ৰাখে। মহন্ত ভকতে হৰিযশত নিমগ্ন হৈ থাকে বাবে কাকতুল্য কামী পুৰুষৰ কথাত কান নিদিয়ে। হৰিকথা জানিলে শুনোতা সকলক কবলাগে আৰু কওঁতা থাকিলে শুনোতা সকলে হৰিনাম আময়াৰ কথা শুনিব লাগে। অকলশৰে থাকিলেও কৃষ্ণ নাম-যশ গুন স্মৰন কৰিব লাগে। ভাগৱত ধৰ্ম্মৰ মাহাত্ম্যই জীৱক বৈকুণ্ঠ লৈ যায়।

**ভাগৱত তাৎপৰ্য্যঃ-** কৰ্ম্মযুগৰ দ্বাৰা বহুযুগৰ পাচত ভগৱন্তক লাভ কৰিব পাৰে, জ্ঞান যোগৰ দ্বাৰাও নানা কষ্টৰ মাজেদি ভগৱন্তৰ সান্নিধ্য লাভ কৰিব পাৰে, কিন্তু এই যুগদ্বয়ত ভক্তি নাথাকিলে সিদ্ধিলাভ কৰাত বাধা আহে। ভক্তিযোগৰ দ্বাৰা মুক্তি লাভ সহজে হয় আৰু ভক্তিযোগৰ মূল শ্ৰৱন কীৰ্ত্তন ধৰ্ম্ম। পৰম নিৰ্ম্মল ভকতি বৰ্জ্জিত হলে জ্ঞান কৰ্ম্মই সহজে মুক্তি দিয়া কঠিন। কৰ্ম্ম কৃষ্ণত অৰ্পিত হলেহে কৰ্ম্ম দোষে নোচোৰে। সকাম কৰ্ম্ম, বৰ্নাশ্ৰমধৰ্ম্ম, তপস্যা, ব্ৰত আদিৰে পুৰুষাৰ্থ লাভ নহয়।

কেশৱৰ গুন নামৰ শ্ৰৱন কীৰ্ত্তনক আদৰ কৰিলে কৃষ্ণৰ পাদপদ্মক নাপাহৰিলে অচিৰে ফল ধৰে, কৃষ্ণত নিষ্ঠা বুদ্ধি হয়। শ্ৰৱন কীৰ্ত্তনৰ পাচতে স্মৰন ভক্তিৰ দ্বাৰাও পাপ বিনাশ হয়, বৈৰাগ্য আহে, চিত্ত শুদ্ধি হয়।

"জ্ঞানত কৰ্ম্মত কৰি ভকতিসি মহাশ্ৰেষ্ঠ
ভকতি মধ্যত মুখ্য দুই
শ্ৰৱন কীৰ্ত্তন ইটো আক ধৰিলেক যিটো
বিধিৰ কিঙ্কৰ সিটো নুই।।" ৫৩১।।

ভাগৱতৰ মহিমা ইহলোক পৰলোকৰ হিতকাৰী, ইয়াক ক্ষত্ৰিয়ই পঢ়ি সসাগৰা বসুমতীৰ অধীশ্বৰ হ'ব পাৰে, বৈশ্যই পঢ়ি নৱনিধি লাভ কৰিব পাৰে, শূদ্ৰ সবে পঢ়ি সমস্ত পাপ দূৰ কৰিব পাৰে। ভাগৱতে হৃদয়ত পূন্য অভ্যোদয় কৰে আৰু কৃষ্ণত ৰতি বঢ়ায়।

== **সমাপ্ত** ==

# পৰিশিষ্ট

## ভাগৱত অভিধান আৰু চৰিত্ৰাৱলীৰ পৰিচয়

।।'অ'।।

অকৰ্ত্তা — কাৰ্য্যহীন, ধৰ্ম্ম-অৰ্থ-কাম-মোক্ষ, যশ আৰু সম্পদৰ প্ৰতি মন লালায়িত নোহাৰা আৰু সৰ্ব্বত্যাগী, অবধূত।

অকিঞ্চন — নিঃস্ব, যাৰ একোৱেই নাই।

অকুতোভয় — ভয়হীন, যাৰ ক'তোৱেই ভয়নাই।

অকৃত ব্ৰণ — এজন ঋষি; পৰশুৰামৰ শিষ্যবিশেষ সূতৰ গুৰু।

অক্ৰূৰ — ক্ৰূৰ নোহোৱা, সৰল। যদুবংশৰ শাফল্কৰ পুত্ৰ, মাক গান্দিনী। অক্ৰূৰৰ পত্নীৰ নাম সূতনু আৰু পুত্ৰ দ্বয়, দেবক ও উপদেৱক। কংসৰ ধনু যজ্ঞ লৈ কৃষ্ণ বলৰামক আনে আৰু স্যমন্তক মনি এসময়ত নিজৰ ওচৰত ৰাখি ধন-সোন লাভ কৰিছিল, অকাতৰে দান কৰিছিল বাবে এওঁক দানপতিও বোলে। মথুৰাৰ পৰা দ্বাৰকালৈ গৈ যদুকুল ধ্বংসৰ সময়ত মৃত্যু হয়।

অক্ষয় তূণীৰ — যাৰ শৰৰ তূণ শেষ নহয়।

অক্ষৌহিনী — ৰথ, গজ, অশ্ব আৰু পদাতিৰে গঠিত চতুৰঙ্গ সেনা। এক অক্ষৌহিনী সেনাত ,২১,৮৭০ খন ৰথ, ২১,৮৭০ টা হাতী, ৬৫,৬১০ টা ঘোঁৰা আৰু, ১,০৯,৩৫০ জন পদাতি সৈন্য থাকে।

অগস্ত্য — 'অগ' মানে পৰ্ব্বত। ব্ৰহ্মাৰ পুত্ৰ মৰীচিৰ পুত্ৰ কশ্যপ, কশ্যপৰ পুত্ৰ সূৰ্য্য আৰু সূৰ্য্যৰ পুত্ৰ অগস্ত্য। যজ্ঞ স্থলীত উৰ্ব্বশীক দেখি মিত্ৰ বা সূৰ্য্যৰ আৰু বৰুণৰ (জলধাপতি) ৰেতঃ স্খলন হয়। যজ্ঞৰ কুম্ভত ৰক্ষিত ৰেতসৰ পৰা বশিষ্ঠ ও অগস্ত্যৰ উৎপতি হয় বাবে এওঁলোকক 'কুম্ভযোনি' বোলা হয়। পিতৃদ্বয়ৰ নাম অনুসাৰে এওঁলোকৰ নাম মিত্ৰাবৰুনি। অগস্ত্যৰ গৰ্ভত জন্মান্তৰে জঠৰ অগ্নি আছিল। তেওঁ কালকেয় দৈত্য নিধনৰ বাবে গণ্ডুষত লৈ সমুদ্ৰ শোষন কৰিছিল। ইল্বল দৈত্যই ভায়ক ৰাতপীৰ মাংস অগস্ত্যক ভক্ষন কৰাইছিল; যাতে অগস্ত্যৰ জঠৰাগ্নি শেষ কৰিব পাৰে; কিন্তু অগস্ত্যই ৰাতাপীক জীৰ্ন কৰি পেলালে। বিন্ধা পৰ্ব্বতকৈ ওপৰলৈ বাঢ়ি গ'ল আৰু বিন্ধাপৰ্ব্বতে নমস্কাৰ কৰি মূৰ দোৱাই থাকিল। তেওঁ মলয়াচলত আশ্ৰম পাতি থাকিলগৈ। ৰামচন্দ্ৰই বনবাস কালত এওঁৰ পৰা ইন্দ্ৰপ্ৰদও বৈষ্ণৱধনু, অক্ষয়তূণ, শৰ ও খড়গ লাভ কাৰে। এওঁ জীৱৰ শ্ৰেষ্ঠাঙ্গ সংগ্ৰহ কৰি মনোহোৰিনী লোপমূদ্ৰাক সৃষ্টি কৰি পত্নী হিচাবে গ্ৰহন কৰিছিল। এওঁ উৰ্ব্বশী,





নাৰদৰ বীনাক আৰু নহুসক অভিশাপ দিছিল। বৰ্তমান তেওঁ দক্ষিন দিশত নক্ষত্ৰৰূপে বিৰাজমান।

অগ্নি — বহ্নি, অনল। ই তিনি প্ৰকাৰ, ভৌম, দিব্য আৰু জঠৰ। কাঠ আদিৰ পৰা উৎপন্ন হোৱা অগ্নি- ভৌমাগ্নি, জল-বায়ুৰ পৰা উৎপন্ন হোৱা বিদ্যুৎ- দিব্যাগ্নি, অন্নপানাদি পৰিপাক কাৰী উদৰস্থ অগ্নি জঠৰাগ্নি। পৰম পুৰুষৰ মুখৰ পৰা অগ্নিদেৱৰ সৃষ্টি হয়। ছাগ অগ্নিৰ বাহন। স্বাহা এওঁৰ পত্নী, পূব-দক্ষিন দিশৰ দিকপাল। অগ্নিহোত্ৰ-হোমকাৰ্য্য।

অগ্নিষ্টোম — বহু প্ৰজা সৃষ্টিৰ বাবে প্ৰজাতিয়ে কৰা পাচঁদিনীয়া বসন্ত কালৰ যজ্ঞ বিশেষ।

অঘাসুৰ — ব্ৰহ্মলোকত দ্বাৰীৰূপে 'মহাবৃন্ধ' আৰু মহাৱলী আছিল আৰু নাৰদক ব্ৰহ্মালোকত প্ৰবেশৰ বাধা প্ৰদান কৰাত নাৰদৰ সাপত অঘাসূৰ আৰু বকাসূৰ নামে জন্ম গ্ৰহন কৰে আৰু অঘাসূৰে অজগৰ ৰূপ ধৰি কৃষ্ণক গিলিবলৈ লোৱাত মৰি শাপমুক্ত হয়।

অঙ্ক — কোলা।

অঙ্গ — দেহ, অঙ্গদেশ (বৰ্ত্তমানৰ ভাগলপুৰ অঞ্চল), ৱলিৰ ক্ষেত্ৰজ পুত্ৰ।

অঙ্গজ — অঙ্গৰ পৰা জন্ম যাৰ অৰ্থাৎ পুত্ৰ। অঙ্গজা মানে কন্যা।

অঙ্গিনা — চোতাল। প্ৰাঙ্গন।

অঙ্গিৰস — এজন ঋষি।

অঙ্গিৰা — ব্ৰহ্মাৰ মানস পুত্ৰ, তপস্যাৰ বলত অগ্নিসম তেজস্বী হৈছিল। কৰ্দমৰ কন্যা শ্ৰদ্ধা এওঁৰ পত্নী।

অঙ্গুৰী — আঙুলিত থকা আঙঠি।

অচ্যুত — যাৰ চ্যুতি বা স্খলন নাই। ধ্ৰুৱ, বিষ্ণু বা কৃষ্ণ।

অজ — জন্মহীন। সূৰ্য্যবংশীয় ৰজা ৰঘুৰ পুত্ৰ আৰু দশৰথৰ পিতৃ। এওঁ বিদৰ্ভৰ ৰাজকন্যা ইন্দুমতীক বিয়া কৰে।

অজগৱ — শিৱৰ ধনু।

অজগৰ — অজ-(ছাগ),গৰ (ভক্ষক)। বৃহৎ আকাৰ সৰ্প।

অজামিল — ব্ৰতভ্ৰষ্ট এজন ব্ৰাহ্মন, মহাপাপী কান্য কুব্জৰ ব্ৰাহ্মন। বেশ্যাত পতিত হৈ দশপুত্ৰৰ জন্ম দিয়ে আৰু কনিষ্ঠ পুত্ৰৰ নাৰায়ন নাম ৰাখি মৃত্যুৰ সময়ত নাৰায়ন নাম লৈ সদগতি লভে।

অজিতেন্দ্ৰিয় — জিতেন্দ্ৰিয় নোহোৱা।

অজীগৰ্ত্ত — শুনশেফৰ পিতৃ, ৰামায়নৰ ঋচিক।

অণ্ডজ — অণ্ড বা কনীৰ পৰাজন্মো, পক্ষী, সাপ, মাছ, কাছ আদি।

অঞ্জন — চকুত লগোৱা প্ৰসাধন।

অতেৰ — অতএব, এতেকে।

অত্ৰি — (১) চন্দ্ৰৰ পিতৃ, (২) ব্ৰহ্মাৰ মানস পুত্ৰ, সপ্তৰ্ষিৰ এজন। এওঁৰ

পত্নী অনসূয়া। অত্রি-অনসূয়াৰ পুত্র দুৰ্ব্বসা। বনবাসত ৰামচন্দ্ৰই এওঁক সাক্ষাত কৰিছিল। বিষ্ণু অংশে দত্তাত্রেয়, ৰূদ্র অংশে দৰ্বাসা আৰু ব্ৰহ্মাংশে সোম (চন্দ্ৰ) এওঁৰ পুত্র।

অথৰ্ব্বা — এজন ঋষি, এওঁৰ নামেৰে অথৰ্ব্ব বেদৰ নামাকৰন হয়।

অদিতি — দক্ষৰ কন্যা আৰু কশ্যপৰ পত্নী, তেওঁৰ গৰ্ভত দ্বাদশ আদিত্য, একাদশ ৰূদ্র আৰু অষ্টবসুৰ জন্ম হয়। সমুদ্র মন্থনত পোৱা কুণ্ডল ইন্দ্ৰই অদিতিক দান কৰে। বামনৰূপী বিষ্ণুক এৱেঁ জন্ম দিয়ে।

অধৰ্য্যু — যজুবেদীয় হোমকাৰী ব্ৰাহ্মন।

অধীৰা — অপণ্ডিত, অনভিজ্ঞ।

অধোক্ষজ — বিষ্ণু। অধঃ (নিম্ন) স্থিত যি অক্ষ (ইন্দ্ৰিয়)।

অনঘ — নিষ্পাপ ।

অনঙ্গ — কামদেব। অঙ্গহীন কামদেব শিৱৰ ৰোষত ভষ্মীভূত হোৱাত পাচত প্ৰদ্যুম্নৰূপে জন্ম গ্ৰহন কৰে আৰু ৰতি দেবী মায়াৱতী ৰূপে জন্মে।

অবিদ্যা — অজ্ঞানতা, অজ্ঞান, মায়া, অনাদি। ই পাঁচবিধ তমঃ, মোহ, মহামোহ, তামিশ্ৰ, অন্ধতামিশ্ৰ— অনন্তদেব, শেষ নাগ। এজন প্ৰজাপতি, দক্ষকন্যা কদ্ৰুৰ গৰ্ভত জন্ম। অনন্তৰ সহস্ৰফনা আৰু ফনত জ্যোতিৰ্ম্ময় মনি।

অনন্ত ৰাম — অনন্তৰূপী ৰাম।

অনন্য — অদ্বিতীয়।

অনুত্তমা গতি — মোক্ষ।

অনুদাস — দাসৰ দাস

অনুবৃত্তি — অনুকৰন।

অনুষ্টুপ — এবিধ ছন্দ।

অন্ধক — এটা বংশ।

অন্যবৰা — অন্যকে স্বামীৰূপে বৰন কৰা।

অপবৰ্গ — জীৱাত্মাৰ লগত পৰমাত্মাৰ যোগ। মোক্ষ।

অপা — আত্মা।

আপাহত — এবিধ মন্ত্ৰ। শ্ৰাদ্ধত ব্যৱহিত হয়।

অপাঙ্গ — চকুৰ প্ৰান্ত ভাগ, চকুৰ কোন।

অবতংস — ভূষণ, কৰ্ন আৰু শিৰোভূষণ।

অবধূত — বৰ্নাশ্ৰম ধৰ্ম্ম হীন, সংসাৰৰ প্ৰতি অনাসক্ত।

অবভৃথ — সমাপ্তি যজ্ঞ। অবভৃথস্নান, যজ্ঞৰ শেষত কৰা স্নান।

অভিচাৰ মন্ত্ৰ — অন্যৰ অনিষ্টৰ বাবে কৰা অথৰ্ব্ব বেদৰ মন্ত্ৰ।

অভিজিত মূহুৰ্ত — দুপৰীয়াৰ ২৪মিনিট পূৰ্ব ২৪মিনিট পাছৰ সময়।

অম্বৰীষ — নাভাগৰ পুত্ৰ আৰু বীৰ। এওঁৰ প্ৰতি বিষ্ণুৰ অধিক আকৰ্ষন থকাৰ কাৰনে চক্ৰেৰে দৰ্ব্বসাক খেদি পঠাইছিল আৰু অম্বৰীষত শৰন লৈ দুৰ্ব্বাসাই ৰক্ষা পৰে। অম্বৰীষৰ পুত্ৰ নহুষ। মান্ধাতাৰ পুত্ৰৰ নামো অম্বৰীষ।

অম্বৰ — আকাশ।

অম্বুজাক্ষ — অম্বুজ + অক্ষ = বিষ্ণু।

অৰণি — ঘৰ্ষনৰ দ্বাৰা অগ্নিজলোৱাৰ কাষ্ঠ।

অম্বষ্ঠ — ব্ৰাহ্মনৰ ঔৰসত বেশ্যাৰ গৰ্ভত জন্মালোক, চিকিৎসক জাতি, মাউত।

অম্বিকা — কাত্যায়নী দেবী।

অৰিষ্টাসুৰ — বলিৰ জ্যেষ্ঠ পুত্ৰ।

অৰ্জ্জুণ — ইন্দ্ৰৰ অংশেকুন্তীৰ গৰ্ভত জন্ম।

অৰাতি — শত্ৰু।

অৰিষ্টনেমি — কশ্যপৰ বীৰ্য্যত বিনতাৰ গৰ্ভৰ জন্মা যক্ষ বিশেষ।

অৰুন — কশ্যপৰ বীৰ্য্যত বিনতাৰ গৰ্ভত সৃষ্ট, কনী ৰূপত জন্ম।

অলকা — কপাল আৰু গণ্ডস্থলত তিলফুল আকৃতিৰ চিহ্ন।

অলৰ্ক — সত্য যুগৰ দংশ নামে এজন মহা অসুৰে অভিশাপ দিয়ে আৰু পৰশুৰামৰ দৃষ্টিত শাপমুক্ত হয়।

অশ্বিনীকুমাৰ — স্বৰ্গৰ বৈদ্য। সূৰ্য্যৰ ঔৰষত, সংজ্ঞাৰ গৰ্ভত অশ্বিনী আৰু ৰেৱন্ত নামে দুটি যঁজা সন্তান জন্মে; এওঁলোকেই অশ্বিনী কুমাৰ।

অষ্টপ্ৰকৃতি — ৫মহাভুত + ৩গুন।

অষ্ট বসু — কশ্যপৰ ঔৰষত দক্ষকন্যা বসুৰ গৰ্ভত জন্মা অষ্টপুত্ৰ ধ্ৰুব, ধৰ, সোম, সাবিত্ৰ, অনল, অনিল, প্ৰত্যুষ, প্ৰভাস, অষ্টবসুক গনদেৱতা বোলে।

অষ্ট ঐশ্বৰ্য্য — সম্পত্তি, সম্পদৰ অধিদেৱতা হৈছে কুবেৰ। অনিমা, লঘিমা, প্ৰাপ্তি, মহিমা, প্ৰাকাম্য, ঈশিত্ব, কামাব সায়িতা এয়ে অষ্ট ঐশ্বৰ্য্য। ইয়াক অষ্টসিদ্ধিত বোলে।

অষ্টদিকপাল — পূৰ্ব, অগ্নি, দক্ষিন, লৈৰ্ঋত, পশ্চিম, বায়ু, উত্তৰ আৰু ইশান। অষ্ট দিকৰ অধিপতি যথাক্ৰমে ইন্দ্ৰ, অগ্নি, যম, ৰাক্ষস, বৰুণ, বায়ু, কুবেৰ আৰু মহাদেৱ।

অষ্ট বক্ৰ বা অষ্টাবক্ৰ— পিতাকৰ নাম কহোৰ, মাকৰ নাম সুজাতা। বাপেকে বেদ উচ্চাৰনত ক্ৰুটি হোৱাৰ বাবেই গৰ্ভস্থ পুত্ৰ অষ্টাঙ্গ ৰূপে জন্ম লয়। তৰ্ক যুদ্ধত বন্দীক পৰাস্ত কৰি জলত থকা পিতাকক উদ্ধাৰ কৰে।

অষ্টাঙ্গ প্ৰনাম — দুই হস্ত, দুইচক্ষু, তুই আঠু সহ দুই চৰন, বুকু, কপাল, মাটিত পেলাই কৰা সেৱা।

অষ্টাঙ্গ যোগ — যম, নিয়ম, আসন, প্ৰানায়ম, প্ৰত্যাহাৰ, ধ্যান, ধাৰনা, সমাধি।

অসু — প্ৰান।

**।।আ।।**

আকুতি — স্বায়ম্ভূৱ মন আৰু শতৰূপাৰ পাৰ প্ৰিয়বত আৰু উত্তানপাদ দুই পুত্ৰ আৰু আকুতি আৰু প্ৰসূতি নামে দুই কন্যাজন্মে। মহৰ্ষি ৰুচিয়ে আকুতিক বিয়া কৰে আৰু তেওঁলোকৰ পুত্ৰ যজ্ঞ আৰু কন্যা দক্ষিনা।

আকৰ্ন — কানলৈকে টানি শৰ নিক্ষেপ।

আকিঞ্চন — নিঃস্ব, দৈন্য।

আকূতি — আগ্ৰহ, আকুলতা।

আখণ্ডল — ইন্দ্ৰ।

আগুসাৰি — অগ্ৰগামী।

আগ্নীধ — প্ৰিয়ব্ৰতৰ পুত্ৰ।

আঙ্গিৰস — বৃহস্পতি, এওঁ অঙ্গিৰাৰ পুত্ৰ।

আজগৰ — অজগৰ সম্বন্ধীয়।

আত্মা — জীৱাত্মা, ব্ৰহ্ম।

আত্মবিদ্যা — ব্ৰহ্মবিদ্যা।

আত্যন্তিক — অত্যন্ত। ব্ৰহ্মৰ সৈতে একীভূত হোৱা।

আটক — বাধা, বিঘ্ন।

আত্মজ্ঞানী — ব্ৰহ্মজ্ঞানী, আত্মজ্ঞ, আত্ম-তত্বজ্ঞ।

আত্মশুদ্ধি — গীতা অনুসাৰে কৰ্ম্মফল ত্যাগ হেতু চিত্তশুদ্ধতা।

আত্মাভ্যাস — আত্মতত্বৰ অনুশীলন।

আত্মাৰাম — পৰমানন্দত মগ্ন। দেহ, ব্ৰহ্ম, মন, বুদ্ধি, ধৃতি, যত্ন, স্বভাব। এই সাতটাত যি সুখানুভৱ কৰে।

আদ্য অৱতাৰ — পুৰুষাৱতাৰ। সৃষ্টিৰ পূৰ্ব্বত একাৰ্নৱ জলত শুই থকা ভগৱানে সত্ব ৰজ-তম, তিনিগুনৰ দ্বাৰা সৃষ্টি-স্থিতি লয়ৰ বাবে ব্ৰহ্মা, বিষ্ণু মহেশ্বৰ ৰূপে লোৱা অৱতাৰ। আদি পুৰুষাবতাৰ।

আধি-ব্যাধি — 'আধি' মানে মানসিক পীড়া, ব্যাধি মানে শাৰীৰিক ৰোগ।

অনদ্ধ — চামৰাৰে মুখবন্ধা বাজনা, যেনে, মৃদঙ্গ, তৱলা আদি।

আনৰ্ত্তদেশ — দ্বাৰকাৰ সীমান্তৱৰ্তী গুজৰাট-মালবাৰৰ এখন দেশ।

আমশ্ৰাদ্ধ — কেচা আন্নেৰে শূদ্ৰই কৰা শ্ৰাদ্ধ।

আয়স — লৌহ।

আয়ান — কৃষ্ণক পালন কৰা যশোদাৰ সম্পৰ্কীয় ভায়েক।

আয়ুধ — অস্ত্ৰ-শস্ত্ৰ।

আৰতি — বৰন (যেনে দৰাবৰন)।

আৰুনি — এজন ঋষি।

আৰ্য-দণ্ড — ৰাজদণ্ড।

আষ্টিসেন — ৰামচন্দ্ৰৰ মহিমা কীৰ্ত্তন কৰা সুগায়ক গন্ধৰ্ব।

আসৱ — মত্ততা সৃষ্টি কৰা দ্ৰব্য, সুৰা।

আসুৰি — এজন মহৰ্ষি, কপিলৰ শিষ্য।

আস্তীক — বাসুকীৰ ভনী জৰৎকাৰৰ গৰ্ভত জন্মা মুনি।

আহুতি — যজ্ঞত অগ্নিত দিয়া হোম বা ঘিউ।

**।।ই।।**

ইক্ষ্বাকু — মনুৰ নাকৰ হাঁচিৰ পৰা সৃষ্টি হোৱা এজন সূৰ্য্যবংশীয় ৰজা।

ইচ্ছাবৰী — নিজৰ ইচ্ছামতে পতি গ্ৰহন কৰা নাৰী।

ইন্দিৰা — ইন্দ মানে ঐশ্বৰ্য, 'ৰা', যি দান কৰে কমলা বা লক্ষ্মী।

ইন্দু — চন্দ্ৰ, শশী, শশাঙ্ক।

ইন্দ্ৰ — স্বৰ্গলোকৰ ৰজা। এওঁ অদিতিৰ পুত্ৰ। ৰাজধানীৰ নাম অমৰাৱতী, উদ্যানৰ নাম, নন্দন।

ইন্দ্ৰজিত — ৰাবনৰ পুত্ৰ মেঘনাদ।

ইন্দ্ৰপ্ৰস্থ — দেবগনৰ ৰজা ইন্দ্ৰই পূৰ্ব্বতে স্থাপন কৰে, যুধিষ্ঠিৰে ইয়াতেই ৰাজধানী স্থাপন কৰে।

ইন্দ্ৰযজ্ঞ — ইন্দ্ৰৰ যজ্ঞ, ইন্দ্ৰযাগ, মখউৎসব।

ইন্দ্ৰ দ্যুম্ন — অবন্তীদেশৰ বিষ্ণুভক্ত ৰজা।

ইন্দ্ৰসেন — নল দময়ন্তীৰ পুত্ৰ, পৰীক্ষিতৰ পুত্ৰ, যুধিষ্ঠিৰৰ সাৰথি।

ইন্দ্ৰিয় — আত্মাই যাৰ ওপৰত প্ৰভুত্ব কৰে। ইন্দ্ৰিয় তিনিভাগে বিভক্ত-
(১) কৰ্ম্মেন্দ্ৰিয়— ৫ টি- বাক, পানি, পাদ, পায়ু আৰু উপস্থ। অধিষ্ঠিতাদেৱতা-বাকৰ-বহ্নি, পানিৰ-ইন্দ্ৰ,পাদৰ বিষ্ণু, পায়ুৰ মিত্ৰ, উপস্থৰ-প্ৰজাপতি। (২) জ্ঞানেন্দ্ৰিয়— চক্ষু, কৰ্ন, নাসিকা জিভা, ত্বক। অধিষ্ঠাতা দেৱতা-চকুৰ-সূৰ্য কানৰ দিশ, নাকৰ অশ্বিনী কুমাৰ দ্বয়, জিহ্বাৰ-প্ৰচেতা, ত্বকৰ-বায়ু।
(৩) অন্তৰেন্দ্ৰিয়— মন, বুদ্ধি, অহঙ্কাৰ, চিত্ত। অধিষ্ঠাতা দেৱতা-মনৰ চন্দ্ৰ, বুদ্ধিৰ ব্ৰহ্মা, অহঙ্কাৰৰ শিৱ, চিত্তৰ-অচ্যুৎ।

ইলা — সূৰ্য্যৰ তনয়শ্ৰাদ্ধদেবৰ তনয়া ইলা। বশিষ্ঠৰ বলত কন্যা পুত্ৰ লৈ পৰিবৰ্ত্তিত হয়।

ইলাবৃত — জম্বুদ্বীপৰ নববৰ্ষৰ এটা হৈছে ইলাবৃত বৰ্ষ।

ইল্বল — বাতাপী দৈত্যৰ ভাতৃ। বাতাপীক অগষ্টিমুনিয়ে বধ কৰে আৰু ইল্বলে মুনিত শৰন লয়।

ইৰাৱতী — পৰীক্ষিতৰ পত্নী আৰু এওঁলোকৰ পুত্ৰ জন্মেজয়।

**।।ঈ।।**

ঈশানী — দুৰ্গা। শমীবৃক্ষ।

ঈশ্বৰ — অষ্ট ঐশ্বৰ্য্যৰ গৰাকী ভগৱান। চৈতন্য শক্তি।

।।উ।।

উগ্ৰশ্ৰবা — ব্যাসৰ শিষ্য। নৈমিষ্যাৰন্যত ব্যাসৰ আদেশত ভাগৱত শৌনক প্ৰমুখ্যে ঋষি সকলৰ আগত ব্যক্ত কৰে আৰু তেওঁৰ মুখৰ পৰা শুনি ঋষি সকলৰ নোম শিয়ৰি উঠিছিল বাবে তেওঁক ৰোমহৰ্ষন নাম দিছিল।

উগ্ৰসেন — যদুবংশীয় নৰপতি সুৰসেনে মথুৰান জয় কৰি যাদৰ সকলক শাসন কৰিছিল। তেওঁৰ দুজন পুত্ৰৰ ভিতৰত বসুদেৱে ৰাজ্যশাসন নকৰাত আনজন পুত্ৰ উগ্ৰসেন ৰজা হয়। অন্যমতে শূৰখেনৰ দুই পুত্ৰ দেৱক ও উগ্ৰসেন। কংসৰ শশুৰ জৰাসন্ধই কংসক ৰাজপাত দিয়াৰ আচনি কৰি দেবকক বধ কৰি উগ্ৰসেনক ৰজা পাতে। কংসই উগ্ৰসেনক বন্দি কৰি থৈ ৰজা হয়। কৃষ্ণই কংসক বধি উগ্ৰসেনক ৰজা পাতে।

উচ্চৈঃশ্ৰবা — উচ্চৈঃ মানে উন্নত, শ্ৰবাঃ মানে কৰ্ন। সাগৰ মন্থনত এই শ্বেতকায় ঘোঁৰা উৎপত্তি হয়। ইয়াৰ মুখ ৭খন আৰু ইন্দ্ৰই ইয়াক লাভ কৰে।

উত — তীব্ৰ, উত্তম।

উত্‌কল — উৰিষ্যা প্ৰদেশ।

উডু — তৰা, নক্ষত্ৰ।

উতঙ্ক — এজন বিষ্ণুভক্ত মুনি। কুণ্ডল এযোৰক লৈ তক্ষক ৰাজৰ লগত মনোমালিন্য হোৱাত জন্মেজয়ক এওঁ সচযিজ্ঞ কৰিবলৈ উপদেশ দিয়ে।

উতথ্য — অঙ্গিৰাৰ পুত্ৰ, মাক শ্ৰদ্ধা। উতথ্যৰ সৰু ভায়েক বৃহস্পতি আৰু পত্নীৰ নাম মমতা।

উতৰোলি — অত্যন্ত অস্থিৰ হোৱা।

উত্তমাম্বৰ — উৎকৃষ্ট বসন।

উত্তৰ কুৰু — জম্বুদ্বীপৰ অন্তৰ্গত আৰু অভিমন্যুৰ পত্নী।

উত্তৰা — বিৰাট ৰজাৰ জীয়েক আৰু অভিমৰন্যুৰ পত্নী।

উত্তমাঙ্গ — মস্তক বা মূৰ।

উত্তান পাদ — স্বায়ম্ভূৰ মনু আৰু শতৰূপাৰ পুত্ৰ। এওঁৰ দুগৰাকী পত্নী সুনীতি আৰু সুৰুচি আৰু এওঁলোকৰ দুই পুত্ৰ ক্ৰমে ধ্ৰুব আৰু উত্তম।

উত্থান পৰ্ব্ব — কাতি মাহৰ একাদশী তিথিত নাৰায়নে যোগনিদ্ৰাৰ পৰা উত্থিত হোৱা উৎসৱ।

উৎপথ — অন্যায় বা অসৎ পন্থা।

উদ্ধৱ — যাদৱ বংশীয় সত্যকে বিষ্ণু সম পুত্ৰ লাভৰ বাবে দীৰ্ঘদিন কঠিন সাধনা কৰিছিল বাবে উদ্ধৱক লাভকৰে। এওঁ কৃষ্ণৰ পৰম ভক্ত সখা। এওঁ বৃহস্পতিৰ শিষ্য আৰু বিষ্ণু বংশৰ মন্ত্ৰী। কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়ানৰ সময়ত কৃষ্ণৰ পৰা পৰম তত্ব জ্ঞান লাভ কৰি কৃষ্ণৰ পাদুকা মূৰত লৈ বদৰিকাশ্ৰমত ধ্যান আৰু যোগৰ দ্বাৰা দেহত্যাগ কৰে।

উদ্বৰ্ত্তন — তেল, চন্দন আদিৰে শৰীৰত ঘঁহি মল শোধন কৰা।

উপকৰ্ন — হাতৰ আঙুলিবোৰ পদ্মফুলৰ দৰে কৰা।

উপচাৰ — পূজাৰ দ্ৰব্য।

উপনায়িকা — উপপত্নী, ৰক্ষিতা, বেশ্যা।

উপনিষদ — বেদৰ শিৰোভাগ, বেদান্ত, ব্ৰহ্ম-জিজ্ঞাসা ইয়াৰ মূলতত্ব।

উপপাপ, উপপাতক— গোবধাদি উনপঞ্চাশ ৰকমৰ পাপ।

উপৰতি — নিবৃতি, মুক্তি, বৈৰাগ্য।

উপনন্দ — কৃষ্ণৰ পালক পিতা নন্দৰ কনিষ্ঠ ভাই।

উভৰড়ে — দ্ৰুতবেগে।

উভৰায় — প্ৰকাণ্ড শব্দ, চীৎকাৰ।

উমা — মেনকাই জীয়েকক কৈছিল, 'উ' মানে 'হে', 'মা' মানে, নিষেধ অৰ্থাৎ ইমান কঠোৰ তপস্যা নকৰিবা।

উৰসিজ — কুম্ভ, স্তন।

উৰস্থন — বক্ষস্থন।

উৰুক্ৰম — 'উৰু' মানে ডাঙৰ, 'ক্ৰম' মানে পাদক্ষেপ । বামন অৱতাৰ।

উৰুপায় — শ্ৰীকৃষ্ণ।

উৰ্ব্বশী — স্বৰ্গৰ অপসৰা। নৰনাৰায়নে বদৰিকাশ্ৰমত তপস্যা কৰাত ইন্দ্ৰই তপস্যা ভঙ্গ কৰাবলৈ কামদেব আৰু অপ্সৰা গনক পঠাইছিল, কিন্তু নৰনাৰায়নে উৰুঘৰ্ষন কৰি সৰ্ব্বসুন্দৰী উৰ্ব্বশীক সৃষ্টি কৰে।

উল্মুক — হৰিবংশ মতে বলৰামৰ পুত্ৰ আৰু বৃষ্ণি বংশীয় ৰজা।

উশনা — শুক্ৰাচাৰ্য্য।

উশীনৰ — চন্দ্ৰ বংশীয় ৰজা। এওঁৰ পুত্ৰ শিবি। যজ্ঞৰ প্ৰভাৱত তেওঁ ইন্দ্ৰতকৈ শ্ৰেষ্ঠত্ব লাভ কৰে।

উষ্ণিক — ব্ৰহ্মাৰ নোমৰ পৰা সৃষ্টি হোৱা এবিধ ছন্দ।

উষ্ণীষ — শিৰস্ত্ৰান, পাগুৰি।

।।ঊ।।

ঊন — কম।

ঊনপঞ্চাশ পবন— বায়ু, মৰুৎ, মৰুৎগন। দিতিয়ে দেবসবক পৰাজয় কৰিব পৰা এটি পুত্ৰ কশ্যপৰ পৰা বিচৰাত দিতিয়ে গৰ্ভধাৰন কৰে। ইন্দ্ৰই

কৌশলেৰে গৰ্ভস্থ পুত্ৰক বজ্ৰ প্ৰহাৰ কৰি প্ৰথমে ৭আৰু প্ৰতখণ্ডকে ৭খণ্ডকৈ কাটি মুঠ ৪৯ পবন বা বায়ু সৃষ্টি কৰে।

ঊৰ্ণনাভ — মকৰ্ট বা মকৰা।

ঊৰ্দ্ধপুণ্ড — চন্দন ঘঁহা কপালত লোৱা ডাঙৰ ফোঁট।

উধ্বৰেতাঃ — উধ্বগত, ৰেতঃ শুক্ৰ? দক্ষ যজ্ঞত সতীৰ দেহত্যাগ হোৱাত মহাদেবে ৰেতঃ উৰ্দ্ধে নিক্ষেপ কৰাত উধ্বৰেতাঃ নাম হ'ল। ভীষ্ম, চাৰিসিদ্ধাদি মুনি গনে শুক্ৰ সংযম কৰাৰ বাবে উধ্বৰেতাঃ হৈছিল।

ঊষা — বলিৰ পুত্ৰ বান আৰু বানৰ কন্যা ঊষা।

।।ঋ।।

ঋচ — ঋগ্বেদৰ মন্ত্ৰ।

ঋচীক — বিশিষ্ট মুনি। গাধি ৰজাৰ কন্যা সত্যৱতীক বিয়া কৰায়। এওঁৰ পুত্ৰ জমদগ্নি।

ঋদ্ধি সিদ্ধি — সমৃদ্ধি, উন্নতি, সাধনাত সাফল্য লাভ।

ঋক্ষকুলাচল — বিন্ধাপৰ্ব্বতৰ পূব অংসত থকা এটা পৰ্ব্বত।

ঋতধ্বজ — এজন ব্ৰহ্মৰ্ষি।

ঋভূদল — দেবগন বিশেষ। ভৃগুয়ে অগ্নিকুণ্ডৰ পৰা ঋভূ নামৰ সৈন্য সৃষ্টি কৰে।

ঋষভদেৱ — অগ্নিধ্ৰৰ পুত্ৰ নাভি ভগৱানৰ অৱতাৰ। মাক মেৰুদেবী, বাপেক নাভি। ঋষভ পৰমহংসব্ৰত আচৰে। এওঁৰ পুত্ৰ ৮১জন।

ঋষভ শৈল — এটী বগা পৰ্ব্বত।

ঋষি — মন্ত্ৰদ্ৰষ্টা মুনি। ঋষি ৭বিধ- শ্ৰতৰ্ষি, কাণ্ডৰ্ষি, পৰমৰ্ষি, পৰমৰ্ষি, ৰাজৰ্ষি, ব্ৰহ্মাৰ্ষি, দেবৰ্ষি। শ্ৰুতিজ্ঞান সম্পন্ন-শ্ৰুতৰ্ষি যেনে- সুশ্ৰুত, বেদবিভাগ কৰা- কাণ্ডৰ্ষি, যেনে-জৈমিনি, শ্ৰেষ্ঠঋষি, যেনে- ব্যাস, ব্ৰহ্মাৰ মানস পুত্ৰ, মহৰ্ষি, ঋষিবৃতি অৱলম্বন কৰা ৰাজৰ্ষি, ব্ৰাহ্মন আৰু ঋষি ব্ৰহ্মাৰ্ষি যেনে- বশিষ্ঠ,দেব অথচ ঋষি দেবৰ্ষি যেনে নাৰদ।

ঋষ্যশৃঙ্গ — বিভাণ্ডক মুনি পুত্ৰ। উৰ্ব্বশীক দেখি বিভাণ্ডকৰ ৰেতঃপাত হয়, ৰেতঃ পানীত পৰে, হৰিনীয়ে জনপান কৰে আৰু উক্ত ৰেতঃহৰ পৰা হৰিনীৰ গৰ্ভত ঋষ্য শৃঙ্গৰ জন্ম হজ। এওঁৰ মূৰত সেয়ে পহুৰ শিং আছিল।

ঋক্ষ — চিত্ৰসেনৰ পুত্ৰ।

।।এ।।

একাদশৰুদ্ৰ — কল্পান্তৰত সৃষ্টি-চিন্তাত নিমগ্ন থকা ব্ৰহ্মাৰ কপালৰ পৰা এটি কেচুৱা জন্ম হৈ কান্দিবলৈ ধৰে। ব্ৰহ্মাই তাৰ নাম 'ৰুদ্ৰ' ৰাখে আৰু বালকে পুনৰ কান্দি কান্দি চকুৰ পৰা ৭বাৰ জল পেলায় আৰু ৭টা নাম লয় ভব, শৰ্ব, ঈশান, পশুপতি, ভীম, উদ্ৰ, কপালী। তাৰ পাচত তেওঁ (ৰুদ্ৰই) ১১বাৰ ভিন ভিন মূৰ্তি ধৰে, এয়ে একাদশ ৰুদ্ৰ। অজ, একপাদ, অহিবধ্ন, পিনাকী, অপৰাজিত, ত্ৰ্যম্বক, মহেশ্বৰ, বৃষাকপি, শম্ভু, হৰ, ঈশ্বৰ।

একাদশ দ্বাৰ — মানৱ দেহৰ এঘাৰখন দুৱাৰ আছে, দুইনেত্ৰ + দুইকৰ্ন + দুইনাকৰ বিন্ধা+মুখ+নাভি+লিঙ্গ+পায়ুঃ+ব্ৰহ্মৰন্ধ্ৰ।

একুতি — যি মাতৃৰ মাত্ৰ এটি সন্তান।

একশফ — অখণ্ডিত খুৰা যুক্ত পশু; যেনে- ঘোঁৰা।

এৰাক বন — এৰক মানে নল-খাগৰি, গুল্মবন।

।।ঐ।।

ঐৰাবত — সমুদ্ৰ মন্থনত উঠা ইন্দ্ৰৰ হাতী।

ঐড়বিড়ি — খটাঙ্গ ৰজাৰ পূৰ্ব্বপুৰুষ।

ঐল — বৈৱস্বত মনুৰ কন্যা ইলাৰ কন্যাক পুৰুৰবা 'ই'লা' বোলা হয়।

।।ও।।

ওঘবান — মনুবংশীয় ৰজা।

ওঘবতী — ওঘবানৰ কন্যা।

ওৱাৰি — ৰাজ প্ৰাসাদ, ৰাজ কাৰেং।

ওৰ — সীমা, পাৰ।

ওয়াক ছৰ্দ্দি — ওয়াক মানে ৰমনৰ শব্দ, ছৰ্দ্দি মানে বমিকৰা।

।।ঔ।।

ঔৰ্ব্ব মুনি— ভৃগুবংশীয় এজন ঋষি। এজনী বিধবাৰ উৰু ভেদকৰি জন্মিছিল।

।।ক।।

কংস — হিৰন্যকশিপুৰ দুৰাত্মা পুত্ৰ কাননেমী কংস ৰূপে জন্মে। মথুৰাৰ ৰজা শুৰসেনৰ পুত্ৰ ২য় পুত্ৰ উগ্ৰসেন। উগ্ৰসেনৰ ৯জন পুত্ৰ ৫জনী কন্যা। ন জনৰ এজন কংস (ক্ষেত্ৰজ পুত্ৰ)। উগ্ৰসেনৰ ককায়েক আহুকৰ ৭জনী কন্যাৰ ভিতৰত এগৰাকী দৈবকী। কংসই শিৱৰ বৰলাভ কৰিছিল যে দৈবকীৰ অষ্টম পুত্ৰৰ হাতত দেওঁৰ মৃত্যু হব। কংসই বৈৰ ভাবে বিষ্ণুক ভক্তি কৰি কৃষ্ণৰ হাতত মৃত্যু হয়।

ককুৎস্থ — মনুৰ পুত্ৰ ইক্ষাকু, ইক্ষাকুৰ পুত্ৰ শশাদ ও তেওঁৰ পুত্ৰ পুৰঞ্জয়। তেওঁকে ককুৎস্থ বোলে।

কঙ্ক — কাঁক পক্ষীবা হাড়গিলা পক্ষী()। অজ্ঞাত বাসত যুধিষ্ঠিৰে লোৱা নাম।

কঞ্চৰ — সৈনসমূহ (কটকে কটকে যুদ্ধ)।

কন্দুয়ন — খজুওৱা।

কন্ব — প্রসিদ্ধ ঋষি। ঘোষৰ পুত্ৰ। মালিনী নদীৰ কাষতে আশ্রম পাতি আছিল আৰু শকুন্তলাক পালন কৰে।

কন্দক — আলু, মূলা, ওল, পিয়াঁজ আদি। লৰাৰ খেলাৰ বস্তু।

কন্দৰ্প — কামদেৱ। ব্ৰহ্মাৰ মানস পুত্ৰ। এওঁৰ পত্নী ৰতি। মন্মথ নামেৰে ওজনাযায়। শিৱৰ ৰোষত পৰি কামদেব ভস্ম হোৱাৰ পাচত কৃষ্ণৰ পুত্ৰ প্ৰদ্যুম্ন নামে পুনৰ জন্ম লয়।

কৰ্দ্দম — ব্ৰহ্মাৰ পুত্ৰ, দেবহুতি তেওঁৰ পত্নী আৰু কপিল তেওঁৰ পুত্ৰ।

কৰ্ম্ম-কাণ্ড — বেদোক্ত ধৰ্ম্মীয় কৰ্ম্ম বা কৃত্য। যেনে যাগ-যজ্ঞ?

কৰ্ম্ম-জড় — বেদোক্ত ধৰ্ম্মীয় কৃত্যাদিত গভীৰ বিশ্বাসভাজন।

কৰ্ম্ম-বন্ধ-চ্ছেদ — কাৰ্য্য আৰু কাৰন। কৰ্ম্ম আৰু ফলৰ আশা নিবৃত্ত। সংসাৰৰ পৰা নিবৃত্ত।

কৰ্ম্ম সত্ৰ — বহুদিন ধৰি চলা ধাৰাবাহিক যাগ-যজ্ঞ।

কলত্ৰ — প্ৰনয়িনী, ভাৰ্য্যা ।

কলল — গৰ্ভত শুক্ৰ-শোনিত মিহলি হৈ হোৱা ভ্ৰূনৰ প্ৰথমাৱস্থা।

কলাপি পণ্ডিত — কলাপ ব্যাকৰন বিশাৰদ।

কলি — চতুৰ্থযুগ, কলিযুগৰ অধিষ্ঠাতা দেৱতা। এই যুগৰ সময়ৰ পৰিমান ১২০০ দিব্যবছৰ আৰু মনুষ্য হিচাবত ৪,৩২,০০০ বছৰ। ৩,১০১ খৃঃপূঃত এই যুগ আৰম্ভ হৈছে। কলি যুগ অধৰ্ম্মৰ যুগ, ধৰ্ম্মৰ স্থিতি ১/৪ অংশহে আৰু অধৰ্ম্মৰ স্থিতি ৩/৪ অংশ। কশ্যপৰ ষোড়শ পুত্ৰৰ ভিতৰত কনিষ্ঠ কলি। অন্যমতে ক্ৰোধৰ ঔৰসত হিংসাৰ গৰ্ভত কলিৰ উৎপত্তি। পৰীক্ষিতে কলিক নিগ্ৰহ কৰাত কলিৰ প্ৰাৰ্থনাত স্থান দিলে, জুৱা-পাশা খেলা, মদ্যপান, স্ত্ৰী, প্ৰানীহত্যা, সুবৰ্ন, মিছা, গৰ্ব্ব, কাম, হিংসা আৰু শত্ৰুতা।

কলিঙ্গ — এখন দেশ, বলিৰ পুত্ৰ।

কলিঙ্গী — কলিঙ্গ বাসী।

কলিঞ্জ — তৃণ নিৰ্ম্মিত আসন।

কল্কী — বিষ্ণুৰ শেষ অৱতাৰ। সম্বল গাৱঁত বিষ্ণুযশা ব্ৰাহ্মনৰ ঔৰসত সুৰভি নাম্নী মাতৃৰ গৰ্ভত চ'তৰ দ্বাদশীত কল্কী অৱতাৰ হৈ অধাৰ্ম্মিকক সংহাৰ কৰিব।

কল্পতৰু — স্বৰ্গৰ তৰু, এই বৃক্ষৰ পৰা যিহকে আশাকৰে তাকেই পায়।

কবন্ধ — দণ্ডকাৰন্যত বাস কৰা। অতিকায় ৰাক্ষস। পিতৃৰ নাম শ্ৰী, মাতৃৰ নাম দনু। ইয়াৰ মূৰ আৰু ডিঙি নাই। শ্ৰীৰামৰ হাতত মৃত্যু হয়।

কল্পান্ত — ব্ৰহ্মাৰ দিনৰ অৱসান। প্ৰলয়। মনুষ্যৰ এবছৰ দেবতাৰ এক অহো-ৰাত্ৰ (অহঃ দিন, ৰাত্ৰ-ৰাতি)। ৩৬০ দিব্য অহোৰাত্ৰ এক দিব্যবৰ্ষ (মনুসংহিতাৰ মতে)।

কশ্যপ — বিখ্যাত প্ৰজাতি। 'কশ্য' মানে মদ, 'প' মানে পান কৰা (মাৰ্কণ্ডেয় পুৰান মতে)। বৈদিক মতে, 'যঃ সৰ্ব্বং পশ্যতি'। ব্ৰহ্মাৰ পুত্ৰ মৰীচি, মৰীচিৰ পুত্ৰ কশ্যপ। মাকৰ নান 'কলা'। দিতি আৰু অদিতি এওঁৰ ভাৰ্য্যা। দেৱতা, দৈত্য, ৰাক্ষস, দানৱ, গন্ধৰ্ব, নাগ, পিশাচ, জন্তু, পক্ষী আদিৰ সৃষ্টি হয়। দক্ষৰ ১৭ গৰাকী দুহিতাক কশ্যপে বিবাহ কৰে। চাক্ষুষ মন্বন্তৰত সুতপা প্ৰজাপতি আৰু তেওঁৰ পত্নী পৃশ্নিয়ে বিষ্ণুক পুত্ৰৰূপে পাবলৈ তপস্যা কৰাত বিষ্ণুৱে মনোবাঞ্চা পুৰ্ন কৰে আৰু সুতপাই কশ্যপ আৰু পৃশ্নিয়ে অদিতি হৈ জন্ম গ্ৰহন কৰে আৰু ভগৱানে দিতিৰ গৰ্ভত বামন অৱতাৰ লয়। পাচৰ জন্মত কশ্যপে বসুদেব আৰু দিতিয়ে দৈবকী নাম লৈ কৃষ্ণক পুত্ৰ ৰূপে পায়।

কাংস্য — তামৰ ৰঙৰ মিশ্ৰনেৰে তৈয়াৰী ধাতু বা কাঁস।

কাঁড় — ঢাক-ঢোল জাতীয় বাদ্য-যন্ত্ৰ।

কাঞ্চী — নাৰীয়ে টিকাত পিন্ধা ভূষন। মেখলা, ৰসনা, চন্দ্ৰহাৰ আদি।

কাঞ্চীপুৰী — দ্ৰাবিৰ দেশৰ ৰাজধানী। কাশী তীৰ্থ।

কাতৰ্য্য — ভীৰুতা।

কাত্যায়ন — এজন বিখ্যাত মুনি।

কাত্যায়নী — এগৰাকী দেবী।

কাত্যায়নী ব্ৰত — কাত্যায়নী দেবীৰ উদ্দেশ্যে কৰা ব্ৰত বিশেষ।

কাবেৰী নদী — দক্ষিন ভাৰতৰ নদী।

কাম কোটি — এখন নগৰ।

কামদেৱ — কন্দৰ্প। ৰতি পতি।

কামধেনু — সুৰভি বা নন্দিনী, দেবগাই ৰূপে পূজিতা। কামধেনুৰ উৎপত্তি সম্পৰ্কে বহুতো বিভিন্ন মত আছে; কোনোৰ মতে দক্ষৰ কন্যাৰ গৰ্ভত কশ্যপৰ ঔৰসত নন্দিনীৰ জন্ম হয়, কোনোৰ মতে বিষ্ণুৰ ঔৰসজাত কন্যা। কশিষ্ঠৰ ওচৰত থকা গায়, জমদগ্নিৰ ওচৰত থকা গায়ক কামধেনু বোলা হয়। অমৃত মন্থনত ওলোৱা অমৃতে গায় ৰূপ লয় বুলিও পোৱা যায়।

কামপান — বলভদ্ৰৰ আন এটি নান।

কামিনী — কামাতুৰ নাৰী।

কাৰণ্ডৱ — জলত থকা বালি হাঁহ।

কাৰ্তবীৰ্য্যাৰ্জ্জুন — মাহিষ্মতী পুৰৰ কৃতবীৰ্য্যৰ পুত্ৰ এওঁ কঠোৰ তপস্যাৰ দ্বাৰা মহাদেৱৰ পৰা বৰলাভ কৰে। অন্যমতে দত্তাত্ৰেয়ৰ প্ৰসাদত বৰ লাভ কৰে। এওঁৰ সহস্ৰ বাহু, ইচ্ছাগামী সুবৰ্নময় ৰথ লাভ কৰে আৰু ৰাৱনক পৰাস্ত কৰে। ইন্দ্ৰ, বিষ্ণুকো এওঁ যুদ্ধলৈ আহ্বান জনাইছিল।

পৰশুৰামৰ হাতত মৃত্যু হয়।

কাৰ্ম্মুক — কৰ্ম্মসমৰ্থ, ধনুৰ চাপ।

কাম্যকৰ্ম্ম — অভীষ্টকৰ্ম্ম, ফল আশা কৰি সম্পন্ন কৰা ধৰ্ম্মীয় কৃত্য।

কাৰ্য্য — হেতু কৰ্ম্ম, জগৎ সৃষ্টি, ঈশ্বৰৰ কাৰ্য্য।

কাৰন — নিৰ্মিত্ত, জগৎ সৃষ্টিৰ মূল হেতু ভগৱান।

কাল — যম, মৃত্যু, শিৱ, শনি।

কালনেমি — ৰাৱনৰ মোমায়েক। কৃষ্ণই কৌশলেৰে মুচুকুন্দৰ হতুৱাই ভস্ম কৰোৱায়।

কালিন্দী — যমুনানদী।

কালিন্দীহ্রদ — এখন হ্রদ।

কালিসৰ্প বা কালীনাগ— বিষধৰ সৰ্প, কৃষ্ণই বশ্য কৰি খেদি পঠায়।

কাশ্যপ — কশ্যপৰ পুত্ৰ, এওঁৰ এজন মুনি।

কালকূট — কাল মানে যম, কূট মানে নাশক। তীব্ৰ বিষ, সমুদ্ৰ মন্থনত উঠা বিষ। ইয়াকে হলাহল বোলে।

কালকেয় — এজন শক্তিশালী অসুৰ। অৰ্জ্জুনৰ হাতত নিধন হয়।

কালগুৰ — এটি পাহাৰ আৰু এখন প্ৰদেশৰ নাম।

কালদন্ত — মৃত্যু বা যম।

কালনেমি — হিৰন্যকশিপুৰ পুত্ৰ কালনেমীয়ে দেৱগনক পৰাস্ত কৰে। বিষ্ণুক আক্ৰমন কৰাত বিষ্ণুৱে চক্ৰেৰে নিহত কৰে।

কালব্যাজ — কালবিলম্ব, বৃথা সময় নষ্ট।

কালিকা — দহ মহাবিদ্যাৰ এক বিদ্যা। দক্ষ কন্যা সতীৰ গাত এই দহ লক্ষন আছিল, (কালী, তাৰা, ষোড়শী, ভুবনেশ্বৰী, ভৈৰবী, ছিন্নমস্তা, ধূৰ্মাৱতী, বগলা, মাতঙ্গী ও কমলা)।

কিন্নৰ — কুৎচিৎনৰ। কিন্নৰ দুবিধ, এবিধৰ শৰীৰ মানুহৰ দৰে আৰু মুখে ঘোঁৰাৰ দৰে, আনবিধৰ শৰীৰ ঘোঁৰাৰ দৰে আৰু মানুহৰ দৰে।

কিংপুৰুষ — কিম্পুৰুষ দেশ বা কিম্পুৰুষ বৰ্ষ। বৰ্ষ মানে দেশ। জম্বুদ্বীপৰ অন্তৰ্গত দশ পুত্ৰৰ মাজত জ্যেষ্ঠ অগ্নিধ। অগ্নিধৰ ঔৰসত বিপ্ৰচিত্তিৰ গৰ্ভত নটি পুত্ৰ হয় আৰু তাৰে ভিতৰত কিম্পুৰুষ অন্যতম আৰু এওঁ শাসিত দেশৰ আৰু তাৰ অধিবাসীক কম্পুৰুষ বোলা হয়। কিন্নৰ সকলেই কিম্পুৰুষ।

কিৰাত — পৰ্ব্বত অৰন্যত বাসকৰা আদিবাসী। এওঁলোক অতি নিষ্ঠুৰ আৰু চিকাৰত অতি নিপুন।

কিৰীটি — ইন্দ্ৰই সূৰ্য্যৰ দৰে সমুজ্জল এটা মুকুট যুদ্ধৰ বাবে অৰ্জ্জুনক দিছিল বাবে অৰ্জ্জুনৰ নাম কিৰীটি।

কীৰ্ত্তিমালা — কীৰ্ত্তিময়ী মালা।

কুকুৎ — গৰুৰ চুট।

কুকুৰ — কু মানে গোত্ৰ, কুৰ মানে ত্যাগ কৰা। যযাতিৰ শাপত যি কুল ত্যাগ কৰিছিল।

কুচ — যুৱতীৰ স্তনযুগল।

কুঞ্জৰ — হস্তী।

কুণ্ড — সধবা স্ত্ৰীৰ গৰ্ভত তাইৰ উপপতিৰ ঔৰসজাত সন্তান। জলাশয়।

কুন্টুৰণি — কাজিয়া বিচাৰি ফুৰা লোক।

কুতাণ্ড — এটি ভুল, প্ৰকৃত শব্দটি ‘কুস্তাণ্ড’ অৰ্থাৎ এজন বীৰ; এওঁ বলৰামৰ লগত যুদ্ধ কৰিছিল।

কুন্তী — যদুবংশীয় শূৰৰ কন্যা বসুদেৱৰ ভনীয়েক, কুন্তীভোজ ৰজাই বন্ধু শূৰসেনৰ পৰা লাভ কৰি তুলি লৈছিল। এওঁৰ নাম ‘পৃথা’ আছিল যদিও কুন্তী ভোজৰ নামানুসৰি কুন্তী নাম পায়। পাণ্ডুৰ পত্নী। দুৰ্ব্বসাৰ পৰা কুন্তীয়ে দেৱহুতি নামে মন্ত্ৰ লাভ কৰি তাৰ দ্বাৰা পঞ্চ পাণ্ডৱক পায়।

কুন্তীভোজ — শূৰসেনৰ বন্ধু। শূৰসেনৰ দুহিতা পৃথাক বন্ধুসূত্ৰে লাভ কৰে।

কুণ্ঠুৰ লটক — যুদ্ধ বিচাৰি ফুৰা, লটক মানে দুষ্ট লোক।

কুমেৰু — পৃথিৱীৰ দক্ষিন প্ৰন্ত।

কুবলয়পীড় — কংসৰ অনুচৰ, গজৰূপী দৈত্য। কুবলয় নীলোৎপল, আপীড় মানে শিৰোভূষন।

কুবেৰ — ধনৰ অধিপতি, যক্ষৰাজ। বিশ্ৰবা আৰু দেববৰ্নিনীৰ পুত্ৰ। কুবেৰ উত্তৰ দিশৰ দিকপাল। কুবেৰৰ সতীয়া মাকৰ পুত্ৰ ৰাৱন। ব্ৰহ্মাক তুষ্ট কৰি অমৰত্ব বৰ লাভ কৰে আৰু যক্ষও কিন্নৰ গনক এওঁ অধীন কৰি ৰাখে। ৰাৱনে এওঁক খেদি পঠোৱাত কৈলাসত ৰাজ্য পাতি থাকে। এওঁৰ আঠটা দাঁত আৰু তিনিখন ভৰি।

কুম্ভকৰ্ন — ৰাৱনৰ ভাতৃ। বিশ্ৰবা মুনি আৰু নৈকষীৰ পুত্ৰ। ৰামৰ হাতত মৃত্যু হয়।

কুভাণ্ড — বলি পুত্ৰ, বানৰ মন্ত্ৰী।

কুৰঙ্গ — মৃগ, হৰিন।

কুৰঙ্গী — মৃগী, হৰিনী।

কুৰৰী — উযক্ৰোশ পক্ষী। মেষ বা ভেড়া, অৱধূত চোবিশ গুৰুৰ এজন।

কুৰুক্ষেত্ৰ — প্ৰাচীন নাম সমন্ত পঞ্চক। যুদ্ধক্ষেত্ৰ-ধৰ্ম্মক্ষেত্ৰ। চন্দ্ৰবংশীয় ৰজা কুৰুৱে ইচাত ৰাজত্ব কৰাৰ বাবে কুৰুক্ষেত্ৰ নাম হয়।

কুশ — ৰাম-সীতাৰ পুত্ৰ।

কুসাৰু — মেত্ৰেয়ৰ পিতাক।

কুৰুজাঙ্গ — গঙ্গা-যমুনাৰ উত্তৰে অৱস্থিত অৰন্যভুমি।

কুৰু যুদ্ধ — কুৰুক্ষেত্ৰত হোৱা কৌৰব-পাণ্ডৱৰ যদ্ধ।

কুল-কজ্জ্বলা — বংশৰ কাজল বা কালিমা স্বৰূপিনী স্ত্ৰী।

কুলটা — নিজৰ স্বামী কুলৰ সৈতে গমন কৰা নাৰী, অসতী নাৰী।

কুলিঙ্গ — যি অলপমাত্ৰ গমন কৰিব পাৰে, চৰাইৰ পাখী।

কুলিশ — ইন্দ্ৰৰ বজ্ৰ।

কুলীন — উচ্চ বংশ জাত।

কুৰ্ম — কাছ, ভাগৱানৰ ২য় অৱতাৰ।

কৃৰ্কলাস — সৰীসৃপ প্ৰানী।

কৃচ্ছ্ৰ — কষ্ট, পাপ, পাপমোচনৰ বাবে কৰা ব্ৰত। গোময়, গোমুত্ৰ, দুগ্ধ, দধি, ঘৃত, কুশৰপানী- ছয়দ্ৰব্য ছদিন খাই এৰাতি উপবাসে থকা ব্ৰত। কৃচ্ছসাধন- কষ্টসহ্য কৰা।

কৃতদ্যুতি — চিত্ৰ কেতুৰ ৰানী।

কৃত্যানল — দুৰ্বসাৰ জঁটাৰ পৰা ওলোৱা দৈত্য আৰু অম্বৰীষক মাৰিবলৈ খেদি গৈৰিল।

কৃতবৰ্ম্মা — যদুবংশীয় এজন বীৰ।স্যমন্তমনি সম্পৰ্কীয় বিষয়ত জৰিত আছিল, অভিমন্যু বধৰ সপ্তৰথী এজন।

কৃতান্ত — ‘কৃত’ মানে অনুষ্ঠিত, অন্ত মানে নাশ বা শেষ। যম।

কৃত্তিবাস — মহাদেৱ।

কৃষ্ণ — বিষ্ণুৰ পূৰ্ন অৱতাৰ। বসুদেব-দৈবকীৰ পুত্ৰ। নন্দ-যশোদা পালক পিতৃ-মাতৃ। দুষ্ট দৈত্যক ধ্বংস কৰি পৃথিৱীৰ মহাভাৰ খণ্ডন কৰে।

কৃষ্ণ দ্বৈপায়ন — ব্যাসদেৱ।

কৃষ্ণভুমি — কৰ্ষিত ক্ষেত্ৰ, চহোৱা মাটি।

কেকয় — এখন ৰাজ্য। ইয়াত বাস কৰা সকল কৈকেয়।

কেতন/কেতু — পতাকা, নিচান।

কেশৰ — কেশী দৈত্যক বধ কৰা বাবে কৃষ্ণক কেশৰ বোলে।

কেশী — কৃষ্ণই বধ কৰা এটা দৈত্য।

কেতুমাল — অগ্নিধ্ৰৰ ন পুত্ৰ ভিতৰত কনিষ্ঠ পুত্ৰ। জম্বুদ্বীপৰ নটি বৰ্ষৰ ভিতৰত কেতুমাল বৰ্ষ।

কেন্দে — কন্দা।

কেয়ুৰ — বাহুৰ অলঙ্কাৰ, বাজু।

কেশৰী — সিংহ। দীঘল নোম যুক্ত।

কৈকেয়ী — কৈকেয়ৰ কন্যা, দশৰথৰ পত্নী, ভৰতৰ মাতৃ।

কৈকস — দৈত্য, দানৱ।

কৈকেষী — ৰাবন-কুম্ভকৰ্ণৰ মাতৃ।

কৈৱল্য — নিৰ্বান সুখ, কেৱল ভক্তিক আশ্ৰয় কৰি লাভ কৰা মুক্তি।

কৈলাস — মহাদেৱ পাৰ্বতীৰ নিবাস।

কোঙৰ — কুমাৰ, পুত্ৰ।

কোট্ৰৱী — উলঙ্গ স্ত্ৰী, কালী, চণ্ডিকা।

কোদণ্ড — ধনু, এখন প্ৰাচীন দেশ।

কোপিল — খং উঠা।

কোবিদাৰ — কাঞ্চন গছ, মন্দাৰ, পাৰিজাত।

কোশল — এখন দেশ।

কৌমুদকী গদা — অগ্নিয়ে কৃষ্ণক দিয়া গদা বিশেষ।

কৌশাম্বী — মগধৰ এখন নগৰ।

কৌশল্যা — কোশল ৰজাৰ কন্যা, দশৰথৰ পত্নী, ৰামৰ মাতৃ।

কৌশিক — এজন তপস্বী ব্ৰাহ্মন।

কৌবেৰ — কুবেৰৰ অধিষ্ঠিত দিক্।

কৌস্তভ — সমুদ্ৰ মন্থনত ওলোৱা মগামনি, কৃষ্ণই বুকুত পৰিধান কৰা মনি।

ক্ৰতু — এজন প্ৰজাপতি, এওঁৰ পত্নী দক্ষসন্যা সন্নতি।

ক্ৰব্যাদ — ৰাক্ষস, ৰন্ধা মঙহ।

ক্ৰমচ — বল, প্ৰভাৱ।

ক্ৰঞ্চ — সপ্তদ্বীপৰ এটা দ্বীপ, এবিধ চৰাইৰ নাম।

ক্ৰীড়া পুত্তলি — খেলাৰ পুতলা।

ক্ৰোধাগাৰ — ৰাজমহিষী গনৰ খং উঠিলে যি গৃহত আশ্ৰয়।

।।খ।।

খত্বাঙ্গ — সূৰ্য্যবংশীয় ৰজা, মুদগৰ।

খত্বাঙ্গ বায়ক — শিৱ, মহাদেৱ।

খৰ-দূষণ — ৰাবনৰ সেনাপতি; দুয়ো ককাই-ভাই।

খুই — খুলি খুলি খোৱা।

খগৰাজ — ‘খ’ মানে আকাশ খগ অৰ্থে আকাশ গামী। গৰুড়।

খগেন্দ্ৰ-ঈশ্বৰ — গৰুড়ৰ ঈশ্বৰ (বিষ্ণু বা কৃষ্ণ)

খট্ৰাশ — গন্ধই আমোল মোলোৱা।

খড়গ — ছেদন কৰা অস্ত্ৰবিশেষ।

খদ্যোত — ‘খ’- আকাশ, দ্যুৎ- দীপ্তি। জোনাকী পৰুৱা।

গমক — ধ্বন্যাত্মক বাদ্য বিশেষ।

খৰতৰ — প্ৰখৰ, অত্যন্ত তীক্ষ্ণ।

খৰ্পৰ — কপাল, মূৰৰ খোলা, ভিক্ষাপাত্ৰ।

খাণ্ডৱ — ইন্দ্ৰ প্ৰস্থৰ সন্নি কস্থ প্ৰদেশ বা অৰন্য।

খেচৰ — পক্ষী। শূন্য গামী সকল।

খেদায় — আতৰায়।

।।গ।।

গঙ্গা — পবিত্র নদী। বিষ্ণুৰ ভৰি ধুওৱা পানীৰ পৰা গঙ্গাৰ উৎপত্তি। ঋষি শাপত নিজবংশৰ লোকক উদ্ধাৰ কৰিবলৈ ভগীৰথে গঙ্গাৰ অৱতৰন কৰাইছিল। ভীষ্মৰ মাতৃ আৰু শান্তনুৰ পত্নী।

গঙ্গাৰ কুমাৰ — ভীম।

গজ — হস্তী।

গজমতি — গজমুক্তা বা গজমণি।

গনক — জ্যোতির্বিদ।

গণিকা — বেশ্যা, গননাকাৰিণী।

গণেশ — শিৱ, পাৰ্ব্বতীৰ ২য় পুত্ৰ। গনদেৱতা।

গন্ধৰ্ব্ব — স্বৰ্গৰ গায়ক আৰু বায়ক।

গন্ধমাদন — এখন পৰ্ব্বতৰ নাম।

গণ্ডকী তীৰ্থ — গণ্ডকী নদীৰ পাৰৰ পবিত্ৰ ক্ষেত্ৰ।৷

গদ — ৰোহিনীৰ গৰ্ভত বসুদেৱৰ পুত্ৰ।

গদা — লোহময় মুদগৰ।

গদাধৰ — কশ্যপৰ পুত্ৰ গদ নামে অসুৰক বিষ্ণুৱে বধ কৰে; বিশ্বকৰ্ম্মাই তাৰ অস্থিৰে এক মুদগৰ নিৰ্ম্মান কৰে আৰু তাৰ নাম গদা হয়। বিষ্ণুৱে এই গদা ধাৰন কৰে বাবে বিষ্ণুক গদাধৰ বোলে।

গন্তুকাম — গমন কৰিবলৈ উৎসুক।

গন্ধৰ্ব্ব — যি গান গায়। গান-ধৰ্ম্ম যাৰ। গন্ধৰ্ব্ব সকল দেৱযোনি বিশেষ। কশ্যপৰ ঔৰসত দুই পত্নীৰ গৰ্ভত যোড়শ ও দশ সংখ্যক গন্ধৰ্ব্বৰ সৃষ্টি হয়।

গয় — এজন ধৰ্ম্মিক ৰজা। বিখ্যাত বিষ্ণুভক্ত অসুৰ। সুগ্ৰীৱৰ বান্দৰ অনুচৰ।

গৰুড় — কশ্যপ আৰু বিনতাৰ পুত্ৰ। বিষ্ণুভক্ত বাহন। বিনতাই দুটি অশু জন্ম দিয়ে এটিৰ পৰা অৰুন আৰু আনটিৰ পৰা গৰুড়ৰ জন্ম হয়। উৰুহীন অৰুন সূৰ্য্যৰথৰ সাৰথি হয়। বিষ্ণুৰ ৰথ ধ্বজৰ ওপৰত গৰুড়ৰ আসন নিৰ্ম্মিত হল।

গৰুড়কেতু — বিষ্ণু, নাৰায়ন, গৰুড়ধ্বজ।

গৰ্গ — অঙ্গিৰসৰ পুত্ৰ গৰ্গমুনি। অন্দক আৰু বৃষ্ণিসকলৰ কুল গুৰু।

গাগৰী — কলসী।

গাণ্ডীৱ — প্ৰথমে এই ধনু ব্ৰহ্মাই তৈয়াৰ কৰে আৰু বৰুনক দিয়ে। আনমতে প্ৰজা পতিৰ পৰা ইন্দ্ৰই, ইন্দ্ৰৰ পৰা সোম(চন্দ্ৰ) আৰু চন্দ্ৰৰ পৰা বৰুণে এই ধনু অৰ্জ্জুনক দিয়ে। স্বৰ্গা ৰোহনৰ সময়ৰ এই ধনু তেওঁ সাগৰত (বৰুনক) নিক্ষেপ কৰে।

গান্দিনী — অক্ৰূৰৰ মাক।

গান্দিনী সূত — কৃষ্ণৰ খুড়াক অক্ৰূৰ।

গালব — বিশ্বামিত্ৰৰ প্ৰিয় শিষ্য।

গাধি — নৃপতি কুশৰ পুত্ৰ আৰু বিশ্বমিত্ৰৰ পিতাক।

গায়ত্ৰী — সবিতামন্ত্ৰ, গায়ত্ৰীমন্ত্ৰ, ব্ৰহ্মাৰ পত্নী।

গুহ্য/গুহ্যক — দেৱযোনি বিশেষ, কুবেৰৰ অনুচৰ।

গুঞ্জাফল — বৃন্দাবন সম্পদ, কুঁচ বা ৰক্তিকা।

গুণক — তাঁতিৰ ঘৰত জন্মে। তন্তুবায়, কৃষ্ণদাস। তাঁতী।

গুৱাক — সুপাৰি।

গুৰু — গধূৰ, সৰ্ব্বপূজ্য ব্যক্তি। অজ্ঞান অন্ধকাৰ দূৰ কৰোঁতা।

গুৰু শয্যাশায়ী — গুৰু তল্প গামী। তল্প মানে শয্যা। গুৰুৰ শয্যাত শায়িত হোৱা ব্যক্তি। প্ৰকৃত অৰ্থ গুৰু পত্নীৰ লগত যৌন ক্ৰিয়া কৰা চন্দ্ৰই দেৱগুৰু বৃহস্পতিৰ পত্নী তাৰাক হৰণ কৰি সম্ভোগ কৰে বাবে তেওঁ মহাপাতকী।

গুহ — নিষাদ পতি, চণ্ডালৰ ৰজা।

গৃহমেধী — গৃহস্থ।

গৃধ্ৰ — লোভী, শগুন।

গৃহাশ্ৰম — সংসাৰী লোক।

গৈহ — গৃহ, ঘৰদুৱাৰ।

গোকৰ্ণ — তীৰ্থ বিশেষ, গৰু খুঁটি, বৃন্দাবন।

গোপী — গোৱালৰ পত্নী সকল। কৃষ্ণৰ পৰম ভক্তা।

গোবিন্দ — গোপ+ইন্দ্ৰ, গোপ শ্ৰেষ্ঠ, নাৰায়ন, কৃষ্ণ।

গোঙাইনু — সময় কটোৱা।

গোঠ — গোষ্ঠ, গৰু চৰোৱা ঠাই, কৃষ্ণৰ গোচৰন লীলা।

গোপেন্দ্ৰ — গোপগনৰ ৰজা।

গোবৰ্দ্ধন — দেৱৰাজ ইন্দ্ৰৰ গৰ্ব খৰ্ব কৰিবৰ বাবে বৃন্দাবন বাসীক শ্ৰীকৃষ্ণই ইন্দ্ৰ যজ্ঞ ভঙ্গ কৰি গোবৰ্দ্ধন পৰ্ব্বতক পূজিবলৈ নিৰ্দ্দেশ দিয়ে আৰু দোবৰ্দ্ধন পৰ্ব্বত দাঙি ধৰি বতাহ বৰষুনৰ পৰা ৰক্ষা কৰে।

গোৰক্ষ — গৰখীয়া।

গোমতী — গোমতী নামে তীৰ্থক্ষেত্ৰ।

গোমেধ যজ্ঞ — গৰু বলি দি কৰা যজ্ঞ।

গোৰোচনা — শুষ্ক পিত্ত, গৰুৰ মস্তকজাত পীতবৰ্ন সামগ্ৰী।

গোলোক বিহাৰী — কৃষ্ণ, বৈকুণ্ঠত থকা নাৰায়ন।

গৌতম — অহল্যাৰ স্বামী। শতানন্দ ঋষি। বুদ্ধৰ নাম।

গৌতমী — গৌতম ঋষিৰ পত্নী অহল্যা। গৌতম ঋষিৰ দ্বাৰা ৰচিত ন্যায়

দৰ্শন।

গ্ৰাম্যকৰ্ম্ম — কাম উদ্দীপক নীচকৰ্ম্ম। গ্ৰাম্যক্ৰিয়া।

গ্ৰাম্যগীত — কামনা যুক্ত গীত।

।।ঘ।।

ঘনিয়োক — অবধান কৰক, কান দিয়ক।

ঘটত্ব পটত্ব — ঈশ্বৰ ঘট বা ছবিত ব্যাপ্ত আছে বুলি কৰা ধাৰনা।

ঘৃতাচী — উৰ্বশী, মেনকা, তিলোত্তমা, প্লামোচা অপসৰাৰ দৰে ঘৃতাচীএ অপসৰা।

।।চ।।

চক্ৰবাত — ঘূৰ্নিবায়ু, বাল কৃষ্ণই বধ কৰা দৈত্য।

চক্ৰপানি — কৃষ্ণ, বিষ্ণু, নাৰায়ন।

চতুৰ্দ্দশ ত্ৰিভুবন — প্ৰথমে লোকাশ্ৰয় স্বৰূপে ত্ৰিভুবন সৃষ্টি হ'ল, স্বৰ্গ-মৰ্ত্য-পাতাল। ত্ৰিভুবনকে চতুৰ্দ্দশ ভুবন হিচাবে বিভক্ত কৰা হ'ল। ভূ-পৃথিৱী, ভূবঃ - আকাশ, স্বঃ (স্বৰ্গ), মহ, জন, তপ, সত্য-সপ্তভূবন। বিতল, অতল, মিতল, সুতল, মহাতল, ৰসাতল, তলাতল- সপ্ত পাতাল।

চতুৰ্দ্দোল — চাৰিজনলোকে বহন কৰা দোলা।

চতুৰ্ব্বৰ্গ — ধৰ্ম্ম-অৰ্থ-কাম-মোক্ষ।

চতুৰ্ব্বিধঅন্ন — চব্য, চুষ্য, লেহ্য, পেয়- চাৰিবিঘ আহাৰ।

চতুৰ্ব্যূহ — চতুৰাত্মাক বিষ্ণু- বাসুদেব বা কৃষ্ণ, বলৰাম বা সংকৰ্ষণ, প্ৰদ্যুম্ন আৰু অনিৰুদ্ধ।

চতুৰ্ভিত — চাৰি দিক।

চতুৰঙ্গ — চাৰি অঙ্গ যুক্ত সেনাবাহিনী- হস্তী বা গজ, অশ্বাৰোহী, ৰথ, পদাতি।

চন্দ্ৰ — অত্ৰি ঋষিৰ পুত্ৰ। এওঁ দক্ষৰ ২৭জনী কন্যাক বিবাহ কৰিছিল। দক্ষৰ অভিশাপত চন্দ্ৰৰ কুষ্ঠৰোগ হয় আৰু শিৱৰ প্ৰসাদত ৰোগমুক্ত হয়।

চন্দ্ৰচূড় — 'চূড়া' মানে শিৰোভুষণ। চন্দ্ৰ যাৰ শিৰোভাগত আছে মহাদেৱ। সেই বাবে মহাদেৱক চন্দ্ৰচূড় বা চন্দ্ৰশেখৰ বোলা হয়। ব্ৰহ্ম বৈবৰ্ত্ত পুৰানৰ মতে অশ্বিনী, ভৰনী, ৰোহিনী আদি ১৭জনী পত্নীৰ ভিতৰত ৰোহিনীৰ প্ৰতি অধিক আকৃষ্ট হোৱাত (দক্ষৰ কন্যা ১৭গৰাকী) অন্য পত্নী সকলে দক্ষক আপত্তি দৰ্শোৱাত দক্ষই চন্দ্ৰৰ কুষ্ঠৰোগ হ'ব বুলি অভিশাপ দিয়ে। শিৱৰ শৰনাপন্ন হোৱাত শিৱই কুষ্ঠৰোগ দূৰ কৰে আৰু শিৰতস্থান লয়। সেই বাবে শিৱৰ মুৰত কপালত চন্দ্ৰকলা বিদ্যমান।

চন্দ্ৰবংশ — অত্ৰিৰ পুত্ৰ চন্দ্ৰ। চন্দ্ৰৰ পুত্ৰ বুধ, বুধৰ পুত্ৰ পুৰূৰবা। এই দৰে বংশৰ পৰাই যদুবংশ, পৌৰব বংশ, কৌৰৱ বংশাদিৰ সৃষ্টি হয়।

চন্দ্ৰাৱলী — ৰাধা আৰু কৃষ্ণৰ এগৰাকী প্ৰিয় সখী।

চমৰী — এবিধ কৃষ্ণবৰ্ণ গৰু।

চৰ্ম্ম — জন্তুৰ টান চালেৰে তৈয়াৰী ঢাল।

চব্বিশ তত্ব — ৫মহাভূত তন্মাত্ৰ+৫জ্ঞানেন্দ্ৰিয়+৫কৰ্ম্মেন্দ্ৰিয়+মন+বুদ্ধি+চিত্ত+অহঙ্কাৰ।

চমুৰন — সেনাদল।

চম্বু — পোন।

চাঁচৰ — কুঞ্চিত। কোঁচখোৰা।

চাতুৰ্ম্মাস্য — আহাৰ মাহৰ শুক্লদ্বাদশীৰ পৰা কাতিমাহৰ শুক্লাদ্বাদশীলৈকে চাৰি মাহ ধৰি কৰা ব্ৰত।

চান্দ্ৰায়ন — চন্দ্ৰব্ৰত। শুক্লাপ্ৰতিপদৰ পৰা অমাবশ্যালৈকে প্ৰতিদিনে এক গ্ৰাস অন্ন কমাই অমাবশ্যাত সম্পূৰ্ণ উপবাসে থাকি কৰা ব্ৰত।

চানুৰ — কংসৰ অনুচৰ। ধনুযজ্ঞত বলৰামৰ হাতে মুষ্টিক আৰু কৃষ্ণৰ হাতত চানুৰ মৃত্যু হয়।

চামৰ — 'চমৰী' দ্ৰষ্টব্য।

চাৰুদেষ্ণ — কৃষ্ণ-ৰুক্মিনীৰ দশম পুত্ৰ।

চিকুৰ — কেশ, চুলি।

চিত্ৰগুপ্ত — চিত্ৰ-লেখন, গুপ্ত-ৰক্ষক। যমৰলেখক। জীৱৰ কৃত কৰ্ম্মৰ হিচাবে ৰক্ষক কেৰানী।

চিত্ৰৰেখা — এজনী বিখ্যাত অপ্সৰা।

চিত্ৰলেখা — চন্দ্ৰলেখা, বান ৰজাৰ মন্ত্ৰী কুভাণ্ডৰ কন্যা আৰু ঊষাৰ সখী।

চিত্ৰা — এজনী অপ্সৰা।

চিত্ৰাঙ্গদ — সত্যৱতীৰ গৰ্ভত শান্তনুৰ ঔৰসত চিত্ৰাঙ্গত আৰু বিচিত্ৰ বীৰ্যৰ জন্ম হয়। এজন গন্ধৰ্ব্ব ৰাজৰ হাতত চিত্ৰাঙ্গদৰ মৃত্যু হয়।

চিদানন্দ — চিৎ-জ্ঞান, স্বৰূপ আনন্দ, ব্ৰহ্ম, ঈশ্বৰ।

চিদাভাস — চিৎ+আভাস, জ্ঞানৰ আভাস, জ্ঞান ৰূপ জীৱাত্মা।

চিত্ৰকেতু — সুৰসেন দেশৰ নৃপতি। তেওঁৰ বহুস্ত্ৰীৰ ভিতৰত মাত্ৰ কৃত দ্যুতিয়ে পুত্ৰ সন্তান জন্ম দিছিল, কিন্তু তেওঁৰ সতিনীয়েক বোৰে এই পুত্ৰটিক হত্যা কৰে।

চিন্তামনি — অভীষ্ট দায়ক মনি।

চিৰজীৱী — ১০জন চিৰদিন জীয়াই থকা বক্তি- বিষ্ণু, মাৰ্কণ্ডেয়, ব্যাস, বলি, কৃপ, অশ্বত্থামা, পৰশুৰাম, বিভীষন, হনুমান, বায়স (কাক)। শাল্মলি বৃক্ষও চিৰজীৱী।

চীৰবাস — পত্ৰবস্ত্ৰ বিশেষ।

চেদি — এখন দেশ। শিশুপাল চেদি দেশৰ ৰজা।

চেলখণ্ড — বস্ত্ৰখণ্ড।

চৈধ্য ইন্দ্ৰিয় দেৱতা— (১) চকুত আদিত্য (২) নাকত অশ্বিনী কুমাৰ (৩) জিভাত বৰুল (৪) বাক্যত বহ্নি (৫) কানত দিশ দেৱতা (৬) ছালত বায়ু (৭) ভুজত ইন্দ্ৰ (৮) পদত বিষ্ণু (৯) গুহ্যত মিত্ৰ (সূৰ্য্য) (১০) চিত্তত বাসুদেৱ (১১) উপস্থত প্ৰজাপতি (১২) আহঙ্কাৰত ৰূদ্ৰ (১৩) মনত চন্দ্ৰ (১৪) বুদ্ধিত ব্ৰহ্মা।

চৌৰাশী নৰক — ৰৌৰৱ, তামিশ্ৰ, অন্ধতামিশ্ৰ, কুম্ভীপাক আদি ৮৪খন নৰক।

চৌষষ্ঠি কলা — গীত, নৃত্য, বাদ্য, নাট্য, চিত্ৰ, ভাস্কৰ্য্য, নৃপতি, আলেখ্যাদি ৬৪বিধ কলা।

চ্যবন — মহৰ্ষি ভৃগু আৰু পুলোমাৰ পুত্ৰ।

।।ছ।।

ছয়উৰ্ম্মি — শোক, মোহ, জৰা, মৃত্যু, ক্ষুধা, পিপাসা।

ছয় চক্ৰ — যোগশাস্ত্ৰ মতে দেহৰ ছয় স্থানৰ ছটা চক্ৰ- পায়ুং, লিঙ্গ, নাভি, হৃদি , তালু, ললাট। পায়ুত- মূলাধাখ, লিঙ্গত স্বধিষ্ঠান, নাভিত- মনিপুৰ, হৃদিত অপ্লাহত, তালুত- বিশুদ্ধ আৰু ললাটত- আজ্ঞাচক্ৰ।

ছয় ছল — ঠগ, ফাকি, প্ৰবঞ্চনা, প্ৰতাৰনা, সত্যক ঢাকি ৰখা, অসত্য কথা দেখুৱাই দিয়া।

ছয় ৰাগ — ভৈৰৱ, শ্ৰী, মেঘ, কৌশিক, হিন্দোল, দীপক (হনুমন মতে) মালৱকোষ কৌশিকৰ পৰিবৰ্তে। ভৈৰৱ- শৰত কালত গোৱা হয়, শীতকালে- শ্ৰী, বৰ্ষাকালে- মেঘ, বসন্ত কালে বসন্ত, গ্ৰীষ্ম কালে পঞ্চম, হেমন্ত কালে- নটনাৰায়ন গোৱা হয়।

ছত্ৰিশ ৰাগিনী — প্ৰতি ৰাগৰ ছটাকৈ ৰাগিনীধৰি মুঠ ৩৬ ৰাগিনী।

ছেন্দে — ছান্দিয়া।

ছাঁয়া পুতলা — কোনো এটা বস্তুৰ আকৃতিৰ ছাঁটো কাপেৰাত প্ৰতিফলন কৰি দেখুওৱা বিদ্যা।

ছাৱাল — পোৱালি।

।।জ।।

জগত — ভুৱন লোক বিশ্বব্ৰহ্মাণ্ড, যাৰ আনুভৱিক সত্যতা আছে; কিন্তু পাৰমাৰ্থক সত্যতা নাই।

জগত কাণ্ডাৰী — ভৱসংসাৰৰ কাণ্ডাৰী। জীৱন বিশাল সমূদ্ৰ, ঈশ্বৰ ভৱ নৌকাৰ কাণ্ডাৰী (মাঝি)।

জগঝম্প — এবিধ প্ৰাচীন চাল জাতীয় ৰণবাদ্য।



জদতীছন্দ — দ্বাদশাক্ষৰ ছন্দ বিশেষ। অনুষ্টুভ ছন্দ।

জঙঘ — এটা প্ৰচীন জাতি।

জঙ্গম — যি গমন বা লৰচৰ কৰিব পাৰে।

জটায়ু — গৰুড়ৰ জ্যেষ্ঠভাই অৰুনৰ পুত্ৰ। পক্ষীৰ ৰজা। ৰাৱনৰ হাতৰ পৰা সীতাক উদ্ধাৰ কৰিবলৈ গৈ মৃত্যু বৰণ কৰে আৰু ৰামক সীতৰ বাৰ্ত্তা দিয়ে।

জড়ভৰত — ভৰত নামে প্ৰাচীন ৰজা। এওঁ বানপ্ৰস্থ গ্ৰহন কৰি অৰন্যত জীৱন কটায়। হৰিণ পোৱালিৰ যত্ন লবলৈ গৈ হৰিনৰ চিন্তাতে প্ৰানএৰি হৰিণ জন্ম লাভ কৰে আৰু অৱশেষত ব্ৰহ্মজ্ঞান লভি মোক্ষলাভ কৰে।

জনক — মিথিলাৰ ৰজা আৰু ঋষি। সীতাৰ ধৰ্ম্ম পিতৃ, ৰামচন্দ্ৰৰ শহুৰেক।

জনাৰ্দন — জন নামৰ অসুৰক মৰ্দ্দন কৰাৰ বাবে বিষ্ণুকে জনাৰ্দ্দন বোলা হয়। ‘জন’ অৰ্থাৎ মানুহৰ মায়া নাশ কৰে বাবে জনাৰ্দ্দন নাম হৈছে।

জন্ম-চিন্তামনি — মানৱ জন্মলৈ মুক্তিলাভ কৰিব পাৰি বাবে মানৱ জন্মক জন্ম চিন্তামণি বোলা হয়।

জন্মেজয় — পৰীক্ষিতৰ পুত্ৰ। তক্ষকৰ ওপৰত প্ৰতিশোধ লবৰ বাবে তেওঁ সৰ্প যজ্ঞ কৰে।

জমদ্বগ্নি — বেদত পাৰদৰ্শী ঋষি। ভৃগু পুত্ৰ ঋচীকৰ ঔৰসত, সত্যৱতীৰ গৰ্ভত এওঁৰ জন্ম। এওঁৰ পুত্ৰ- পৰশুৰাম।

জম্বুদ্বীপ — পৃথিৱীৰ সপ্তদ্বীপৰ অন্তৰ্গত এটা দ্বীপ। লৱন সাগৰে আবৃত। জম্বুদ্বীপ নববৰ্ষত বিভক্ত ইলাবৃত্ত, ৰম্যক, হিৰন্ময়, কুৰু, হৰিবৰ্ষ, কিম্পুৰুষ, ভাৰত, কেতুমাল, ভদ্ৰাশ্ব।

জম্বুবৃক্ষ — জাম গছ। সনাতন জম্বুবৃক্ষ জোপাৰ নাম সুদৰ্শন । এই বৃক্ষৰ নাম অনুসৰি জম্বুদ্বীপ হৈছে। বছৰৰ সকলো সময়তে এই বৃক্ষই ফল্ ফুল ধাৰন কৰে। ইলাবৃত্তৰ মাজেদি এই বৃক্ষৰ পৰা জম্বুনদী বৈ গৈছে।

জমদগ্নি-সুত — পৰশুৰাম।

জম্ভাসুৰ — কয়াধুৰ পিতৃ, এটা অসুৰ।

জনমশ্লাঘ্য — জন্ম সাৰ্থক।

জলন্ধৰ - এটা দৈত্য। মহাদেৱৰ মস্তকৰ অগ্নি সমুদ্ৰত নিক্ষেপ কৰাত জলন্ধৰৰ সৃষ্টি হয়।

জল্প — আনৰ মত খণ্ডন কৰি নিজৰ মত স্থাপন।

জৰায়ুজ — জৰায়ুৰ পৰা জন্ম হোৱা।

জৰাসন্ধ — চন্দ্ৰবংশীয় বৃহদ্ৰথৰ পুত্ৰ। মন্ত্ৰসিদ্ধ আম এটি দুয়ো ৰানীয়ে ভগাই খোৱাত প্ৰতি গৰাকীয়ে এফালকৈ পুত্ৰ জন্ম দিয়ে। জৰা ৰাক্ষসীয়ে

দুয়োফাল সংলগ্ন কৰাৰ পৰা জৰাসন্ধ হয় আৰু ভীমে বধ কৰে।

জটিলা — গোপৰ স্ত্ৰী বিশেষ।

জয়-বিজয় — বৈকুণ্ঠৰ দুৱৰী। চাৰি সিদ্ধক বৈকুণ্ঠৰ অভ্যন্তৰ লৈ যাবলৈ বাধা দিয়াৰ বাবে জয়-বিজয়ক মৰ্ত্যত জন্ম লবলৈ অভিশাপ দিয়ে আৰু তিনিবাৰ মত্ত্যত জন্ম গ্ৰহন কৰে।

জলদ — জলদান কৰোঁতা- মেঘ।

জলসই — জলমগ্ন।

জহ্নু — সংবৰনৰ ঔৰসত কুৰৰ জন্ম হয়, কুৰুৰ চাৰিপুত্ৰৰ এক পুত্ৰ জহ্নু।

জাম্বুবান — কৃষ্ণৰ লগত ২৮দিন যুদ্ধ কৰে। পাচত চিনি পাই কৃষ্ণক শৰন ল আৰু জাম্বৱতীক বিয়া দি স্যমন্ত মনি দান কৰে।

জাম্বৱতী — জাম্ববানৰ জীয়েক, কৃষ্ণত বিয়া দিয়ে।

জাৱলে — প্ৰচণ্ড বলেৰে সাবটি ধৰা।

জাহ্নবী — ভগীৰথে গঙ্গাক নমাই আনোতে গঙ্গাৰ পানায়ে জহ্নুৰ আশ্ৰাম প্লাবিত কৰে আৰু গঙ্গাক পান কৰি পেলায়। ভগীৰথৰ অনুৰোধত জানু ফালি গঙ্গাক বুৰাই দিয়াৰ বাবে জাহ্নৱী নাম হয়।

জাঠা — জাঠীৰ দৰে লোৰে তৈয়াৰী অস্ত্ৰ।

জাতিস্মৃতি — জাতিস্মৰ। পূৰ্ব্বজন্মৰ কথা কব পৰা।

জাতুকৰ্ণ — দেৱদত্তৰ তনয় অগ্নিবেশ্য বা জাতুকৰ্ণ।

জালুক — জালোপজীৱী। জালেৰে মাছ ধৰি চলা লোক।

জিগীষু — জয় লাভৰ আশা বা অভিলাষী।

জিতেন্দ্ৰিয় — ইন্দ্ৰিয়ক সংযত কৰি ৰাখিব পৰা ব্যক্তি।

জিষ্ণু — যি পৰাজয় কাক বোলে নাজানে। বিষ্ণু, ইন্দ্ৰ, শিৱ, অৰ্জ্জুণ।

জীৱ — জীৱাত্মা, দেহ অবচ্ছিন্ন আত্মা।

জীৱাত্মা — শৰীৰত অধিষ্ঠাতা চেতন পদাৰ্থ, জীৱ পুৰুষ, দেহাভিমান জীৱ। বেদান্ত মতে আত্মা দুই প্ৰকাৰ- জীৱাত্মা, পৰমাত্মা। প্ৰতি জীৱৰ শৰীৰৰ অভ্যন্তৰস্থ স্বচ্ছ চৈতন্য অংশ জীৱাত্মা। জীৱাত্মাতেই পৰমাত্মাৰ প্ৰতিবিম্ব পৰে।

জীমূত — ‘জী’ মানে জল, মূত মানে বুদ্ধ মেঘ।

জ্যোতিষ চক্ৰ — চন্দ্ৰ, সূয্য, গ্ৰহ, নক্ষত্ৰাদি, দ্বাদশৰাশি আদি।

জৈমিনী — পূৱ মিমাংসা দৰ্শন প্ৰনেতা মুনি। বেদৰ কৰ্ম্মকাণ্ডৰ সূত্ৰ সমূহক সুসংবদ্ধ আৰু সংশোধিত কৰে।

জ্ঞেয়ানী — জ্ঞানী।

জ্যোতিষ্টোম — ‘ষ্টো’ম মানে যজ্ঞ। যজ্ঞ বিশেষ।

জ্বৰাসুৰ — বান কৃষ্ণৰ যুদ্ধৰ সময়ত শিৱ বিষ্ণুৰ দ্বাৰা জৰাসুৰৰ সৃষ্টি হয়।

।।ঝ।।

ঝকা ঝকী — পৰস্পৰৰ মাজত হাই কাজীয়া লগা।

ঝুনা — এটা ছন্দ, লঘু সঙ্গীত, শুকান নাৰিকল।

ঝোৰে — চকু পানী ওলায়।

।।ট।।

টাই — আত্মম্ভৰী, বৰকথা, প্ৰোঢ়ী।

টালি — দুষ্টালি, লৰা ধেমালী, টালি-তুলি।

টিকাৰা — দুন্দুভি বাদ্য।

টিট্ৰিভ — পক্ষি বিশেষ।

টোৰাইয়া — ওপৰত দিয়া (টোৰাইয়া দিল হস্তী কৃষ্ণৰ ওপৰ)

।।ঠ।।

ঠকঠৈটা — ঠক- মানে প্ৰতাৰক, ঠেটা- মানে নিৰ্লজ।

ঠাই — স্থান বা আশ্ৰয়।

ঠাটে — পুনৰ যুঁজা।

ঠাৰে — ইঙ্গিতে।

।।ড।।

ডঙ্কা — দুন্দুভি।

ডম্ফ — এবিধ বাদ্যযন্ত্ৰ।

ডম্বৰু — ডম্ ডম্ শব্দ কৰা ডম্বৰু বাদ্যৰ ধ্বনি।

ডৰ — ভয়।

ডাকিনী-যোগিনী — ডাক মানে মন্ত্ৰসিদ্ধ, ডাকিনী, পিশাচী, শিৱৰ পাৰ্ৱতীৰ অনুচৰী।

ডহুকা — ডাক পক্ষী। স্ত্ৰীলিঙ্গত ডাহুৰী।

ডোৰ — বন্ধন সূত্ৰ।

।।ঢ।।

ঢেল — চকুৰ মনিৰ চাৰিওফালে থকা বগা অংশ।

ঢলা ঢলা সুৰ — আকুল হৃদয়ৰ পৰা ওলোৱা কৰুন সুৰ।

।।ত।।

তঙ্ক — অকস্মাতে উঠা খং। আতঙ্ক।

তন্ট — দুখ কষ্ট, পাপ।

| | | |
|---|---|---|
| তক্ষক | — | কশ্যপৰ ঔৰসত কদ্ৰুৰ গৰ্ভত উৎপত্তি হোৱা আঠজন নাগৰ ভিতৰত অন্যতম। |
| তত্ব | — | প্ৰকৃত বিষয়। |
| তত্বমসি | — | তুমিয়েই (ব্ৰহ্মই) সেই পৰম তত্ব। অৰ্থাৎ জীৱ আৰু ব্ৰহ্ম এক আৰু অভিন্ন। |
| তৰ্ক | — | বাদানুবাদ। |
| তৰ্কবাদ | — | যুক্তি তৰ্ক। বস্তুনিষ্ঠ বিচাৰ-বিশ্লেষন। |
| তদন্তভাৰতী | — | তদন্ত মানে বিশেষ বৃত্তান্ত, ভাৰতী মানে- বাক্য। বৃতান্তৰ কথা। |
| তন্ত্ৰ-মন্ত্ৰ | — | শিৱও শক্তিৰ উপাসনা বিষয়ক শাস্ত্ৰ। বেদৰ অংশ বিশেষ, দেৱতাৰ ুপাসনাৰ বাক্য। |
| তপোবন | — | তপস্যা সাধনাৰ বন। ঋষিৰ আশ্ৰম। |
| তমিস্ৰ | — | ঘোৰ অন্ধকাৰময় নৰক। |
| তাণ্ডৱ | — | উদ্ধত নৃত্য, পুৰুষৰ নৃত্য, স্ত্ৰীৰ নৃত্য লাস্য। |
| তাত | — | পিতা। |
| তামস | — | চতুৰ্থ মন্বন্তৰৰ অধিপতি। মনু। |
| তামসী | — | ঘোৰ অন্ধকাৰ ৰাতি। |
| তাম্ৰপৰ্নী | — | কৰ্নাতকৰ এখন নদী। |
| তাৰক | — | তাৰক অসুৰ। |
| তাল | — | এক পৰিমান বোঘক শব্দ। সঙ্গীতৰ সপ্তসুৰ। |
| তাৰা | — | বালিৰ পত্নী। |
| তিতিক্ষা | — | শীত-উষ্ম, বৈৰাগ্য, ক্ষমা। |
| তিৰ্যক গন | — | পশু-পক্ষী আদি। |
| তীখাল | — | তীক্ষ্ণতৰ। |
| তুণ্ড | — | মুখ, চৰাইৰ ঠোঁট। |
| তুণ্ডাঘাট | — | চকুৰ আঘাত। |
| তুম্বৰু | — | সংঙ্গীত বিদ্যাৰ ঋষি। |
| তুৰঙ্গম | — | ঘোঁৰা, অশ্ব। |
| তুষিত | — | বিষ্ণু। |
| তুৰী | — | ৰণশিঙা। |
| তৃৰ্ণাৱত | — | কৃষ্ণই বধ কৰা এটি অসুৰ। |
| তৃৰ্ণ | — | শীঘ্ৰে। |
| তৃণ বিন্দু | — | এজন ৰাজৰ্ষি। |
| তৃষ্ণীম্ভাৱ | — | মৌন অৱলম্বন। |
| তেয়াগ | — | ত্যাগ। |
| তেলাকুচ | — | তেলৰ দৰে ৰঙা। |
| তোল-বোল | — | তেজেৰে তোল বুলীয়া হোৱা। |
| তোমৰ | — | হাতেৰে নিক্ষেপ কৰা অস্ত্ৰবিশেষ। |
| ত্ৰয়ীবাৰ্ত্তা | — | তিনিবেদৰ জ্ঞান (ঋক, যজুঃ আৰু সাম) |
| ত্ৰসদস্যু | — | ৰাবন আদি দস্যুগণ মান্ধাতাৰ প্ৰভাৱত কম্পিত হোৱাৰ বাবে মান্ধাতাক ইন্দ্ৰই ত্ৰসদস্যু বোলে। |
| ত্ৰিকুট | — | দেৱতা সকল। |
| ত্ৰিনয়ন | — | শিৱ, শিৱৰ তিনিচকু। |
| ত্ৰিগৰ্ত | — | এখন তীৰ্থক্ষেত্ৰ (কেৰেলাত অৱস্থিত)। |
| ত্ৰিজগদীশ্বৰ | — | তিনি জগতৰ ঈশ্বৰ বিষ্ণু। |
| ত্ৰিত | — | সৰস্বতীৰ নিকতবৰ্ত্তী তীৰ্থক্ষেত্ৰ। |
| ত্ৰিতকূপ | — | তীৰ্থক্ষেত্ৰ সদৃশ। |
| ত্ৰিতাপ | — | আধ্যাত্মিক, আধিভৌতিক, আধিদৈবিক তাপ। |
| ত্ৰিদণ্ডী | — | যতি বা সন্ন্যাসী। |
| ত্ৰিপুৰ | — | শক্তিশালী অসুৰ বিশেষ, শিৱই ত্ৰিপুৰক বধ কৰি ত্ৰিপুৰাৰী নাম লয়। |
| ত্ৰিপুৰাসুৰ | — | শিৱই বধ কৰা অসুৰ বিশেষ। |
| ত্ৰিবিক্ৰম | — | বামনৰূপী, ৰাজসিক, তামসিক। |
| ত্ৰিবক্ৰা | — | কুবুজা। |
| ত্ৰিভঙ্গ | — | শ্ৰীকৃষ্ণৰ দণ্ডায়মান ভঙ্গী। মূৰ দক্ষিনলৈ হালি, ককাঁল উন্নতকৰি সোভৰি বাঁও ভৰিৰ ওপৰত বেকাকৈ ৰাখি বাঁহী বজোৱা ভঙ্গিমা। |
| ত্ৰিলোক | — | স্বৰ্গ মৰ্ত্য পাতাল। |
| ত্ৰিলোক নিবাসী | — | প্ৰতিলোকত বাস কৰা লোক। |
| ত্ৰিষ্টুপ | — | ব্ৰহ্মাৰ পৰা সৃষ্টি হোৱা ছন্দ। |
| ত্ৰিসবন স্নান | — | তিনিবেলা স্নান। প্ৰভাত-মধ্যাহ্ন আৰু সন্ধ্যাস্নান। |
| ত্ৰিশিৰা | — | জ্বৰৰ দেৱতা। ৰামচন্দ্ৰই বধ কৰা এটা ৰাক্ষসবীৰ। |
| ত্ৰিসিৰা | — | দুৰ্ব্বাৰ দানৱ। |
| ত্ৰেতা | — | কাতিমাহৰ শুক্লা নৱমী তিথিত সোমবাৰে ত্ৰেতাযুগৰ আৰম্ভ। ত্ৰেতা যুগৰ আয়ু ১২,৯৬,০০০ বছৰ। এই যুগত সত্যৰ ১/৪ অংশ লোপ পায়। সেয়ে ৩ পাদ সত্য এক পাদ পাপ। এই যুগৰ অৱতাৰ ৰামচন্দ্ৰ। |
| ত্বৰাত্বৰি | — | অতিশীঘ্ৰে। |

।।দ।।

| | | |
|---|---|---|
| দণ্ডিকা | — | দণ্ড প্ৰদান কৰোঁতা। |
| দত্তাত্ৰেয় | — | এজন মুনি, অত্ৰিৰ পত্নী অনসূয়াৰ গৰ্ভত বিষ্ণুৱে দত্তাত্ৰেয় ৰূপে |

অৱতীৰ্ন হয়। বিষ্ণুৱে কৈছিল- মই পুত্ৰ ৰূপে দত্ত হলো।

দগড় — ৰণ বাদ্য বিশেষ।

দণ্ডক কানন — দণ্ড ৰজাৰ কানন।

দণ্ডনীতি — দমন বা শাসন নীতি নিয়ম।

দধীচি — অথৰ্ব্ব মুনি আৰু পত্নী শান্তিৰ পুত্ৰ দধীচি মুনি। দধীচিৰ অস্থিৰ পৰা বিশ্বকৰ্মাই বজ্ৰ নিৰ্মান কৰে আৰু ইন্দ্ৰই বজ্ৰেৰে বৃত্ৰাসুৰক বধ কৰে।

দনু — প্ৰজাপতি দক্ষৰ কন্যা আৰু কশ্যপৰ পত্নী। দনুৰ পুত্ৰ সকলক দানব বোলা হয়।

দন্তবক্ৰ — শিশুপালৰ ভায়েক। শিশুপালৰ মৃত্যুৰ পাচত কৃষ্ণই দন্ত বক্ৰক বধ কৰে। দন্তবক্ৰ আৰু শিশুপাল দমঘোষৰ পুত্ৰ।

দম — কৰ্ম্মেন্দ্ৰিয় সমূহক দমন কৰাক 'দম' বোলে।

দময়ন্তী — বিদৰ্ভৰাজ ভীমৰ কন্যা। ব্ৰহ্মৰ্ষি দমনৰ বৰত জন্ম হেতু এওঁৰ নাম দময়ন্তী। তেওঁ নিষধ ৰাজ নলৰ লগত বিয়া হয়। এওঁৰ সতী নাৰী আছিল।

দম্ভ — অহঙ্কাৰ।

দশন — (১) ইক্ষ্বাকু বা সগৰ বংশৰ বালিকৰ পুত্ৰ। (২) অজৰ পুত্ৰ দশৰথ আৰু এওঁৰ পুত্ৰ ৰামচন্দ্ৰ।

দশানন — দশ আনন (মুণ্ড) ৰাবন।

দৰ্শান — বিন্ধাচলৰ দঃপূবে অৱস্থিত এখন ৰাজ্য।

দামোদৰ — শ্ৰীকৃষ্ণৰ এটা নাম। যশোদাই পঘাৰে কৃষ্ণক পেটত বন্ধাৰ বাবে তেওঁৰ উদৰত চিহ্ন হৈছিল। দাম- মানে পঘা, উদাৰ- পেট, গতিকে দামোদৰ নাম।

দামোদৰ দেৱ — এজন বৈষ্ণৱ সন্ত পুৰুষ।

দামোদৰ বিপ্ৰ — কৃষ্ণৰ সহপাঠী আৰু বন্ধু ব্ৰাহ্মন।

দাশৰথি — দশৰথৰ পুত্ৰৰ বাবে (দশৰথ+ষ্ণিঃ) দাশৰথি অৰ্থাৎ ৰাম হৈছে।

দাক্ষায়নী — স্বায়ম্ভুৱ মনুৰ কন্যা আৰু দক্ষৰ পত্নী।

দাৰা — ভাৰ্য্যা, কাম, দাৰা ৰাজ্য।

দাৰুক — কৃষ্ণৰ ৰথৰ সাৰথি।

দাড়িম্ব — ডালিম ফল।

দাৰ্শাহ — দ্বাৰকাৰ নিকতৱৰ্ত্তী ৰাজ্য।

দিকপাল — দহ দিকত অধিষ্ঠীত দহজন দেৱতা।

দিকহস্তী — দহ দিশত থকা দেৱতাৰ প্ৰতি জনৰ লগত থকা একোটা একোটা হস্তী। পূবত- ঐৰাবত, অগ্নিকোনত পুণ্ডৰীক, দক্ষিনত বামুন, নৈঋত কোনত কুমুদ, পশ্চিমত অঞ্জন, বায়ু কোনত পুষ্পদন্ত, উত্তৰত সাৰ্বভৌম, ঈশান কোনত সুপ্ৰতীপহস্তী।

দিগম্বৰ — দিকেই যাৰ কাপোৰ বা বস্ত্ৰ, বিবস্ত্ৰ, মহাদেৱ।

দিব্যজ্ঞান — উৎকৃষ্টবোধ, স্বৰ্গীয় জ্ঞান। দিব্যদৃষ্টি ইয়াৰ সমাৰ্থক।

দিব্যবান — দেৱতাৰ প্ৰদত্ত শৰ।

দিব্যৌষধি — স্বৰ্গীয় ভেষজ।

দিতি — প্ৰজাপতি দক্ষৰ কন্যা, কশ্যপৰ পত্নী। দিতিৰ গৰ্ভত জন্মা পুত্ৰগন দৈত্য।

দিনান্ত — দিনৰ অন্ত অৰ্থাৎ গধূলি।

দিলীপ — সগৰ বংশীয় নৃপতি। ৰাম চন্দ্ৰৰ পূৰ্ব্ব পুৰুষ।

দীৰ্ঘবাহু — যাৰ বাহু দীঘল।

দীয়তাং ভূজ্যতাং — দান ও ভোজন।

দীৰ্ঘসত্ৰ — সুদীৰ্ঘকাল ব্যাপি যজ্ঞ।

দুইফল — সুখ-দুখ, সংসাৰ বৃক্ষৰ দুই ফল।

দুৰ্গা — পৰমা শক্তিৰ অধিকাৰী দেবী, মহামায়া। দুৰ্গম অসুৰক বধ কৰাৰ বাবে তেওঁৰ নাম দুৰ্গা।

দুৰ্য্যোধন — ধৃতৰাষ্ট্ৰ আৰু গান্ধাৰীৰ শত পুত্ৰৰ ভিতৰত জ্যেষ্ঠ আৰু শ্ৰেষ্ঠ জন। তেওঁ অত্যন্ত অহঙ্কাৰী, অভিমানী, প্ৰতিশোধ পৰায়ন, লোভী আৰু গদাযুদ্ধত পাৰ্গত। ভীমৰ হাতত মৃত্যু হয়।

দুৰ্ব্বাসা — অত্ৰি আৰু অনসূয়াৰ পুত্ৰ। তেওঁ শক্তিশালী, ক্ৰোধ আছিল। মহাৰাজ অম্বৰীষৰ ওচৰত দোষকৰি শেষত গৰ্ব্ব খৰ্ব্ব হয়। দুৰ্ব্বসাৰ শাপত যদুবংশৰ ধ্বংস হয়।

দুঃশাসন — ধৃতৰাষ্ট্ৰৰ ৩য় পুত্ৰ। ২য় পুত্ৰ যুযুৎসু। দুৰ্বৃত্ত আৰু খল স্বভাৱৰ। ৰাজসভাত দ্ৰৌপদীৰ কেশাকৰ্ষণ আৰু বস্ত্ৰহৰন কৰিছিল। ভীমৰ হাতত মৃত্যু বৰন কৰে, ভীমে তেওঁৰ ৰক্তপান কৰে।

দুন্দুভি — বৃহৎ আকাৰৰ ঢাল।

দুশিৰা — দুটা শিৰ থকা।

দুস্ত্যজ — যাক ত্যাগ কৰিব নোৱাৰি।

দুৰাধৰ্ষ — দুধৰ্ষনীয়।

দুৰ্গাসুৰ — দুৰ্গ নামৰ অসুৰ। ত্ৰিভুবন বিজয়ী দুৰ্গঅসুৰক দুৰ্গাদেবীয়ে বধ কৰে। ই মহিষ ৰূপ ধাৰন কৰিছিল।

দুৰ্ম্মদ — দুধৰ্ষ, উন্মত্ত, ধৃতৰাষ্ট্ৰৰ এজন পুতেকৰ নাম।

দুৰ্ম্মুখ — ৰজক বা ধোৱা। কৃষ্ণই এই ধোবাক নিহিত কৰে।

দুষ্মন্ত-শকুন্তলা — পুৰুবংশৰ বিখ্যাত ৰজা। মেনকা আৰু বিশ্বামিত্ৰৰ কন্যা শকুন্তলা। মহৰ্ষি কন্বৰ আশ্ৰমত লালিত পালিত শকুন্তলাক দুষ্মন্তই গন্ধৰ্ব প্ৰথামতে বিয়া কৰাইছিল। তেওঁলোকৰ পুত্ৰৰ নাম ভৰত আৰু

ভৰতৰ নামানুসাৰে ভাৰত বৰ্ষ হয়।

দৃষ্ট — যাক দেখা যায়। অৱলোকিত।

দূষ্যযান — দোষযুক্ত যান।

দেৱঋষি — দেৱতা আৰু ঋষি, দেবৰ্ষি, নাৰদ দেবৰ্ষি।

দেৱধানি নগৰ — (১) ইন্দ্ৰৰ নগৰ, (২) এখন নগৰৰ নাম। তাত্বিক অৰ্থত মানৱ হৃদয়ত অধিষ্ঠান কৰি আছে।

দেবৰ্ষি — নাৰদ, ব্ৰহ্মাৰ মানস পুত্ৰ।

দেৱহুতি — ধৌমাৰ ককায়েক। মহৰ্ষি অসিতৰ পুত্ৰ।

দেৱহুতি — স্বায়ম্ভুৱ মনুৰ কন্যা আৰু প্ৰজাপতি কৰ্দ্দমৰ ভাৰ্য্যা। এওঁ কপিল মুনিৰ মাতৃ।

দেৱকী — কংসৰ পিতৃ উগ্ৰসেন। উগ্ৰসেনৰ ভ্ৰাতা দেৱক। দেৱকৰ কনিষ্ঠা কন্যা দেৱকী। বসুদেৱে দেৱকৰ সাত গৰাকী কন্যা বিয়া কৰে তাৰ ভিতৰত দেৱকী আছিল। বসুদেৱ দেৱকীৰ পুত্ৰ ভগৱান কৃষ্ণ।

দেৱবালা — কিন্নৰীগন, গন্ধৰ্ব্ব কন্যাগন।

দেৱব্ৰত — ভীষ্ম।

দ্বাদশ আদিত্য — বিৰস্বান, অৰ্য্যমা, পুষা, ত্বষ্টা, ভগ, ধাতা, বিধাতা, বৰুন, মিত্ৰ, শত্ৰু, উৰুক্ৰম।

দ্বাদশ ৰাশি — মেষ, বৃষ, মিথুন, কৰ্কট, সিংহ, কন্যা, তুল্য, বৃশ্চিক, ধনু. মকৰ, কুম্ভ, মীন।

দ্বাৰকা — শ্ৰীকৃষ্ণৰ নগৰ। বিশ্বকৰ্মাই কৃষ্ণৰ আদেশত নিৰ্ম্মাণ কৰে। যদুবংশ ধ্বংস হোৱাৰ পাচত যাদৱ স্ত্ৰী সকলক অৰ্জ্জুনে হস্তিনা পুৰলৈ অনাৰ পাচতে এই নগৰ সাগৰত প্লাবিত হয়।

দ্বাপৰ — ভাদ্ৰ মাহৰ কৃষ্ণ ত্ৰয়োদশীত বৃহস্পতি বাবে এই যুগ আৰম্ভ হয়। এই যুগৰ পৰিমাণ ৮,৬৪,০০০ বছৰ।

দ্বিজ — দুই বাৰ জন্মলোৱা। ব্ৰাহ্মণ ক্ষত্ৰিয় বশ্য প্ৰথম মাতৃ গৰ্ভৰ পৰা নিষ্ক্ৰমন জন্ম আৰু সংস্কাৰৰ জৰিয়তে ২য় বাৰ জন্ম।

দ্বিবিদ — ত্ৰেতাযুগতে জন্মলোৱা এটি বান্দৰ আৰু সুগ্ৰীৱৰ মন্ত্ৰী আছিল। দ্বাপৰত কৃষ্ণত বিদ্বেষী হোৱাত বলৰামে বধ কৰে।

দ্বিশফ — শফ- মানে খুৰা। খুৰা ফটা জন্তু গৰু মহ আদি।

দ্বীপ — চাৰিওফালে পানীৰে আগুৰা বিস্তৃৰ্ণ ভূভাগ।

দ্ৰাবিৰদেশ — দাক্ষিনাত্যৰ দেশ।

দ্ৰুপদ — পাঞ্চাল দেশৰ নৃপতি দ্ৰোনৰ সহপাঠী আছিল আৰু বন্ধু আছিল। দ্ৰুপদ ৰজা হ'লে দ্ৰোনকো ৰজা পাতিম বুলি কৈছিল আৰু দ্ৰুপদ ৰজা হোৱাত দ্ৰোনই প্ৰতিজ্ঞা মনত পেলাই দিয়াতো ৰাজ্য নিদিয়াত দ্ৰোনই অৰ্জ্জুনৰ হতুৱাই দ্ৰুপদক বন্ধাই অনালে আৰু দ্ৰুপদে এক খণ্ড ৰাজ্য দিলে। দ্ৰোনক প্ৰতিশোধ লবৰ বাবে দ্ৰুপদে যজ্ঞ পাতিলে আৰু যজ্ঞৰ অগ্নিৰ পৰা ধৃষ্টিদ্যুন্ন আৰু দ্ৰৌপদীৰ জন্ম হয়। ধৃষ্টদ্যুন্নই দ্ৰোনক বধ কৰে। দ্ৰোপদৰ নপুংশক সন্তান শিখণ্ডীয়ে ভীষ্ম বধৰ কাৰন হয়।



দ্ৰোন — ভৰদ্বাজৰ পুত্ৰ। যজ্ঞৰ পাত্ৰ দ্ৰোনৰ পৰা জন্ম হোৱাৰ বাবে এওঁক দ্ৰোন বোলে। পত্নী কৃপী, পুত্ৰ অশ্বত্থামা।

দ্ৰোন বসু — পূৰ্ব্বজন্মত নন্দ দ্ৰোন বসু আছিল। দ্ৰোন বসুৰ পত্নী ধাৰা আৰু এই ধাৰাই যশোদা নাম লৈ জন্মে।

দ্ৰোনি — অশ্বত্থমা।

দ্ৰোণী — দ্ৰোনৰ পত্নী কৃপী।

দ্ৰৌপদী — পাঞ্চাল ৰজা দ্ৰুপদৰ যজ্ঞবেদীৰ পৰা জন্ম। এওঁ আজন্ম যুবতী, শ্যামবৰ্ণা, পদ্ম পলাশ লোচনী, নীল আৰু কুঞ্চিত কেশ কলাপ ভূষিতা। অৰ্জ্জুনে লক্ষ্য ভেগ কৰি লাভ কৰে আৰু কুন্তীৰ আদেশত পঞ্চপাণ্ডৱে পত্নী হিচাবে গ্ৰহন কৰে।

দ্বৈপায়ন — ব্যাস। এখন হ্ৰদ। দুৰ্য্যোধনে এই হ্ৰদত লুকাই আছিল।

।।ধ।।

ধড়া — কঁকালৰ বসন, কৌপীন।

ধনঞ্জয় — ৩য় পাণ্ডৱ অৰ্জ্জুন। অগ্নি, শৰীৰস্থ বায়ু।

ধনু — মৰুভুমি। বান, ক্ষেপনাস্ত্ৰ।

ধনৰ্ব্বেদ — শাস্ত্ৰ গ্ৰন্থ। মহৰ্ষি বিশ্বামিত্ৰ এই গ্ৰন্থৰ প্ৰনেতা।

ধনুৰ্ম্মেধ — ধনুযজ্ঞ।

ধন্বন্তৰী — দেৱবিদ্যা। ভগৱানৰ ষোড়শ অৱতাৰ। চাক্ষুষ মনুৰ অৱতাৰ কালত সমুদ্ৰ মন্থনত উথিত হয়।

ধৰশ্বেৰ — ধৰণী পতি। ৰাজা।

ধৰ্ম্ম — ব্ৰহ্মাৰ দক্ষিণ হাতৰ পৰা জন্মে। সত্যযুগত ৪পদ, ত্ৰেতাত ৩পদ, দ্বাপৰত ২পদ, কলিত ১পদ লৈ প্ৰজাপালন কৰে। এওঁৰ পত্নী অহিংসা, পুত্ৰ চাৰি সিদ্ধ বুলিও কয়।

ধৰ্ম্মৰায় — যুধিষ্ঠৰ, যম।

ধৰ্ম্মহংস — ধৰ্ম্ম মানে পুন্যদায়ক, হংস অৰ্থে পৰম ব্ৰহ্ম। দুয়োপদে বিষ্ণুক বুজায়।

ধাতা — ধাৰণ কৰ্তা, বিধাতা।

ধাৰা — পূৰ্ব্বজন্মত যশোদাৰ নাম।

ধাৰি বাটি — শাৰী শাৰী কৈ যাত্ৰা কৰা।

ধাত্ৰী — ধাৰণ কৰ্ত্ৰী, ভগৱতী, উপমাতা, ধাইমা।

ধুন্ধহা — মধু কৈটভৰ পুত্ৰ ধুন্ধু। উতঙ্ক মুনিৰ অনুৰোধত কুবলাশ্বৰ দ্বাৰা মৃত্যু হয় আৰু কুবলাশ্বই ধুন্ধুমাৰ নাম লয়।

ধুন্ধুমাৰ — কুবলাশ্ব।

ধুৰ্মাজয় — তুমুল, ধুৰ্মাজাৰন।

ধৃষ্ট — নিৰ্লজ্জ। উন্মত্ত।

ধৃতৰাষ্ট্ৰ — ধৃত মানে গৃহীত হয়। ৰাষ্ট্ৰ মানে ৰাজ্য। বেদব্যাসৰ ঔৰসত অম্বিকাৰ গৰ্ভত জন্মলাভ আৰু জন্মান্ধ।

ধেনুকাসুৰ — তালবনৰ ৰক্ষক কংসৰ অনুচৰ। গদৰ্ভৰ আকাৰ ধাৰন কৰি বলৰামক আক্ৰমন কৰাত মৃত্যু হয়।

ধেনুশালা — ধনু ৰখা ঘৰ।

ধৌম্য — পাণ্ডৱ সকলৰ পুৰুহিত। ঋষি অসিতৰ পুত্ৰ।

ধ্ৰুব — উত্তান পাদ ৰজাৰ পুত্ৰ, মাক- সুনীতি। অষ্টবসুৰ এজন ‘ধ্ৰুব’।

## ।।ন।।

নকুলেশ বিমোহিনী— শিৱ, ন- নাই, কুল-নকুল-অৰ্থাৎ শিৱ। শিৱক যি বিমোহিত কৰিব পাৰে। দুৰ্গা বা পাৰ্ব্বতী।

নক্ৰ — ন-ক্ৰম+অৰ্থাৎ যি গমন নকৰি এঠাইত পৰি থাকে।

নক্ষত-পাঠক — জ্যোতিষী, গ্ৰহাচাৰ্য্য।

নগৰানী — ‘নগ’ মানে পৰ্ব্বত বা হিমালয়ৰ কন্যা মেনকা।

নগেন্দ্ৰ — পৰ্ব্বতৰ মাজত শ্ৰেষ্ঠ হিমালয়। হিমালয়ৰ কন্যা পাৰ্ব্বতীক নগেন্দ্ৰ নন্দিনী বোলে।

নগ্নজিতী — কোশলৰাজ নগ্নজিতৰ কন্যা। কৃষ্ণৰ পত্নী।

নন্দ — গোকুলৰ অধিপতি কৃষ্ণৰ পিতৃ। পূৰ্ব্বজন্মত দ্ৰোন নামৰ বসু।

নন্দী — শিৱৰ অনুচৰ। কৈলাশৰ দ্বাৰপাল।

নট — যি নৃত্য কৰে। অভিনেতা।

নন্দা — দুৰ্গা।

নন্দীশ্বৰ — শিৱ।

নভগ — বৈবস্বত মনুৰ দহজন পুত্ৰৰ ভিতৰত অন্যতম।

নমুচি — বামন পুৰানৰ মতে শুম্ভৰ পুত্ৰ। ইন্দ্ৰই সাগৰৰ ফেনৰ ৰূপলৈ নমুচিক বধ কৰে।

নৰ — মানৱ। মনুষ্য।

নৰক — (নৰ+ক) বৰাহৰূপী বিষ্ণুৰ ঔৰসত পৃথিৱীৰ গৰ্ভত জন্ম হয়। প্ৰাগজ্যোতিষপুৰৰ ৰজা। কৃষ্ণই বধ কৰে।

নৰ নাৰায়ন — নৰ-অৰ্জ্জুন, নাৰায়ন কৃষ্ণ। কৃষ্ণাৰ্জ্জুন।

নফৰ — (আৰবী শব্দ) ভৃত্য। ছাকৰ।

নবদ্বাৰ — শৰীৰৰ নখন দ্বাৰা। দুই কান, দুই চক্ষু, মুখ, পায়ু (মলদ্বাৰ), উপাস্থ (লিঙ্গ বা যোনি)।

নৱনী — নৱনীত, ননী বা মাখন।

নবীন-নীৰদ-কায় — নতুন মেঘ বৰ্ন দেহ। কৃষ্ণ, শ্যাম বৰনৰ।

নব্যা-ভব্যা — নবীন বয়স্কা আৰু ভদ্ৰব্যৱহাৰ শালিনী।

নন্দ ব্ৰজ কুমাৰিকা — অবিবাহিতা কন্যা।

নৰসিংহ — ভগৱন্ত বিষ্ণুৰ অৱতাৰ। হিৰন্যকশিপুক বধ কৰে।

নল — (১) নিষধৰাজ, দময়ন্তীৰ স্বামী। কলিৰ নিগ্ৰহত নল-দময়ন্তীয়ে অশেষ কষ্ট ভোগ কৰি হৰিভক্তিৰ বলত জয়ী হয়। (১) ৰামৰ লগত লঙ্কালৈ যোৱা এটা বান্দৰ।

নবগ্ৰহ — ৰবি, চন্দ্ৰ, বুধ, বৃহস্পতি, শুক্ৰ, শনি, ৰাহু, কেতু আৰু মঙ্গল।

নবনিধি — কুবেৰৰ ধনৰ ভঁৰাল মহাপদ্ম, পদ্ম, শঙ্খ, মকৰ, কচ্ছপ, মুকুন্দ, কুন্দ, নীল আৰু খৰ্ব্ব।

নব প্ৰশ্ন — ভাগৱত ধৰ্ম্ম, ভক্তি, মায়া, মায়াতৰনৰ উপায়, ব্ৰহ্ম, কৰ্ম্মযুগ, অৱতাৰ, যুগনিৰ্নয় আৰু অভক্তৰ গতি আদিৰ বিষয়ে নিমিয়ে নবসিদ্ধৰ ওচৰত কৰা প্ৰশ্ন।

নববিধা ভকতি — শ্ৰৱন, কীৰ্ত্তন, স্মৰন, পাদ সেৱন, অৰ্চন, বন্দন, সখ্য, আত্ম নিবেদন।

নবসিদ্ধ — কবি, হবি, অন্তৰীক্ষ, প্ৰবুদ্ধ, পিপ্পলায়ন, অবিহোত্ৰ, দ্ৰমিল, চমস, কৰভাজন।

নহুষ — পুৰূৰবাৰ ঔৰসত উৰ্ব্বশীৰ গৰ্ভত আয়ুৰ জন্ম হয় আৰু আয়ুৰ পুত্ৰ নহুষ। নহুষৰ পুত্ৰ যযাতি। ব্ৰহ্মবধ পাপৰ বাবে ইন্দ্ৰই আত্মগোপন কৰি থকা সময়ত স্বৰ্গত নহুষক ৰজা পাতে আৰু শশীৰ প্ৰতি আকৰ্ষিত হৈ বিয়া কৰিবলৈ লোৱাত দেৱগুৰু বৃহস্পতিৰ কৌশলত অগস্ত্যক পদাঘাত কৰি অভিশপ্ত হৈ অজগৰ হয় আৰু যুধিষ্ঠিৰৰ দ্বাৰা শাপমুক্ত হয়।

নৰ্ম্মদা — হিন্দুৰ পবিত্ৰ সপ্ত নদীৰ ভিতৰত অন্যতম।

নক্ষত্ৰ — তাৰকা, তৰা।

নাগ — হাতী, সাপ।

নাগ-পাশ বান — সৰ্পৰূপী পাশ। ৰচিৰ দৰে পকোৱা অস্ত্ৰ। নাগ পাশৰ প্ৰতি ৰোধক বান গৰুড়-বান।

নাগৰী — ৰসিকা নাৰী। মথুৰাৰ মহিলাগন।

নাগলোক — পাতাল, বিতল ও সুতল + এই তিনিলোক লৈ নাগ ৰাজ্য।

নাগ্নজিতী — ‘নগ্নজিৎ’ দ্ৰষ্টব্য।

নাড়ী — তিনিনাড়ী- ঈৰা, পিঙ্গলা, সুষুমা।

নাম — পদাৰ্থ বা জীৱ মাত্ৰেই একোটা নামেৰে মতা হয়।

নাম ৰূপ — নামীৰ একোটি ৰূপ আছে; ৰূপটোও অসত্য। সত্য হৈছে ৰূপৰ অন্তৰালত থকা জীৱ বা আত্মাহে।

নামৰ সাত কাৰ্য্য — (১) পাপ নষ্ট কৰে (২) পুণ্য অৰ্জ্জন কৰে (৩) বিষয়ত বিৰক্তি আনে (৪) কৃষ্ণক প্ৰেমভক্তি জন্মায় (৫) পৰম জ্ঞান লাভ কৰোৱায় (৬) মায়া অবিদ্যা নাশ কৰে (৭) লীন মুক্তি দিয়ে।

নাৰদ — ব্ৰহ্মাৰ মানস পুত্ৰ, দেবৰ্ষি, ত্ৰিকালজ্ঞ, ত্ৰিকাল দৰ্শী, বেদজ্ঞ, তপস্বী, 'নাৰ' মানে জন তৰ্পনৰ বাবে তেওঁ সদায়েই জল দান কৰে বাবে তেওঁক নাৰদ বোলে।

নাৰায়ন — 'নাৰ' মানে পানী, অয়ন- শয়ন কৰা; নিজৰ দেহৰ পৰা ওলোৱা পানী বা জলত তেওঁ শয়ন কৰে। ব্ৰহ্মাণ্ড পুৰানত কৈছে- "আপোনাৰাঁৰে তনৰই তৎপাং শুশ্ৰম। অপ্সুশেতে যত্তস্মাত্তেন নাৰায়ন স্মৃত।"

নাভ — ভগীৰথৰ পুত্ৰ শ্ৰুত আৰু শ্ৰুতৰ পুত্ৰ নাভ।

নাভি — অগ্নীধৰ পুত্ৰ। তেওঁৰ পত্নী মেৰুদেবী। এওঁৰ পুত্ৰ ঋষভদেৱ।

নান্দীমুখ — অন্ন প্ৰাশন। গৰ্ভৱতী নাৰীৰ ৪ৰ্থ, ৬ষ্ঠৰ্স, ৮ম মাহত কৰা সংস্কাৰ।

নাৰাচ — লৌহ নিৰ্ম্মিত তীক্ষ্ণ শলাকা।

নাৰায়ন কবচ — বিশ্বৰূপ বৰ্নিত নাৰায়ন কবচটিৰ মাজত 'ওঁ নমো নাৰায়নায়' অষ্টক্ষাৰৰ দ্বাৰা অঙ্গন্যাস, 'ওঁনমো ভগৱতে বাসুদেবায়' দ্বাদশক্ষৰৰ দ্বাৰা কৰন্যাস উল্লেখ আছে।

নাৰায়ন মায়া — বিষ্ণুমায়া বা বৈষ্ণৱী মায়া।

নাৰয়নী — নাৰায়নৰ শক্তি; লক্ষ্মী, দুৰ্গা গঙ্গা। নাৰায়নীসেনা, সংশপ্তক।

নকষ প্ৰস্তৰ — 'নিকষ' মানে কষ্টিপাথৰ। ইয়াত কৰ্ষন কৰি সোন পৰীক্ষা কৰা হয়।

নিগড় — শিকলী।

নিগম — বেদ তন্ত্ৰাদি শাস্ত্ৰ।

নিদাঘ্য — গ্ৰীষ্মকাল।

নিধি — গচ্ছিত ধন, কুবেৰৰ নবিধ সম্পতি।

নিবসেন — নিবাস কৰা।

নিবাতকবচ — নিবাত মানে দৃঢ়। কবচ মানে বৰ্ম্ম। হিৰন্যকশিপুৰ নাতি মহা বলী ৩ কোটি অসুৰ। অৰ্জ্জুনে বধ কৰে।

নিবৃত্তি-প্ৰবৃত্তি — নিবৃত্তি মানে বিৰত থকা, প্ৰবৃত্তি মানে প্ৰকৃত থকা।

নিবেবন — নিবেদন।

নিমি — মহাৰাজ ইক্ষ্বাকুৰ পুত্ৰ। ধৰ্ম্ম পৰায়ন ৰজা আৰু যজ্ঞ কৰাত ব্যস্ত।

নিৰুপাধি — সত্ত্ব-ৰজ-তম গুন ৰহিত, পৰমেশ্বৰ।

নিৰুপমা — অনিন্দ সুন্দৰী নাৰী।

নিঋতি — নিৰ- মানে নিৰ্গত, ঋতি- সৌভাগ্য। মিছা বা পাপৰ আশ্ৰয়। সৌভাগ্যৰ বিপৰীত।

নিৰ্দ্ধাৰ্য্য — মিৰ্নয় কৰা, নিৰূপন কৰা।

নিৰ্ব্বিন্ধ্যা — বিন্ধা পৰ্ব্বতৰ পৰা ওলোৱা নদী।

নিৰ্ব্বেদ — আত্মগ্লানি, বৈৰাগ্য, বেদবৰ্হিভূত।

নিৰ্ব্বৈৰ — বিদ্বেষ শূন্য।

নিৰ্ম্মৎসৰ — ঈৰ্ষাশূন্য।

নিষধ — নল ৰজাৰ ৰাজধানী।

নিষাদিনী — নিষাদ মানে চণ্ডান, স্ত্ৰী লিঙ্গত চণ্ডালিনী। কিৰাতিনী। ব্যাধৰ পত্নী।

নিষ্ক — সুবৰ্নৰ পৰিমান।

নিষ্পন্ন-মাপক-অন্ন — সিদ্ধ কৰা বোৰো ধানৰ ভাত।

নিশিত ক্ষুৰত্ৰবান — নিশিত মানে তীক্ষ্ণ বা শানিত। তীক্ষ্ণ শৰ।

নিগুতি — নিঃচিহ্ন। সঁচ নথকা।

নিৰ্গুন — সত্ত্ব-ৰজ-তম- তিনি গুনহীন।

নিৰ্গুন ব্ৰহ্ম — জন্ম- বিকাশ- মৃত্যু নোহোৱা, অজ, শ্বাশ্বত, নাম-ৰূপ বিহীন।

নিৰ্গুন ভক্তি — কামনা-বাসনা শূন্য ভক্তি।

নিম্মোচতী — বৰুনৰ নগৰী।

নিশুম্ভ — শুম্ভ অসুৰৰ ভাতৃ, দেবীৰ হাতত মৃত্যু।

নিশ্ৰেয়স — মুক্তি, মোক্ষ, আত্যন্তিক ভক্তি।

নিষ্পান — স্থিৰ।

নিশঠ — বলৰামৰ পুত্ৰ।

নিস্ত্ৰিংশ — খড়গ। খণ্ডা।

নীবি — কঁকালৰ গ্ৰন্থি।

নীৰদ — মেঘ, দন্তহীন (ৰদ-দাঁত)।

নীল-লোহিত — শিৱৰ পৰিচয় জ্ঞাপক নাম।

নীলকণ্ঠ — সমুদ্ৰ মন্থনত ওলোৱা হলাহল শিৱই পান কৰাত তেওঁৰ কণ্ঠ নীল বৰ্নৰ হোৱা বাবে শিৱৰ নাম নীলকণ্ঠ।

নৃগৰাজ — বৈবস্তত মনুৰ পুত্ৰ।

নৃদেহ — নৰদেহ।

নেট খোন্টাজালি — নেট- পাটৰ কাপোৰ, ঘূৰিৰ দৰে পিন্ধা কাপোৰ।

নেহাৰি — দৃষ্টি পাত কৰি।

নৈমিষ — বিষ্ণুৰ পুন্যস্থান (অৰন্য)। ২৮,০০০ ঋষিয়ে সুতৰ পৰা ভাগৱত শুনিছিল। এই স্থান অসুৰ বিহীন হোৱাৰ বাবে তপস্যাৰ বাবে উপযুক্ত।

নৈকেয় — দৈত্য, দানব।

নৈকেষী — নিকষা, সুমালী ৰাক্ষসৰ কন্যা। এওঁৰ পুত্ৰ ৰাৱন, কুম্ভকৰ্ণ, বিভীষন। এওঁ ক কৈকেষীও বোলে।

নৈঋত — পশ্চিম-দক্ষিন দিশৰ অধিপতি বা দিকপাল।

নৈষধ — নিষধ ৰাজ্য। নিষধ ৰাজ্যৰ ৰজা নল।

নৈষধ পৰ্ব্বত — হিন্দু কুশ পৰ্ব্বত।

নৈসৰ্গিক — প্ৰাকনতিক।

নোঙায় — মূৰ দোঁৰাই প্ৰনাম কৰা।

ন্যবকৃত — তিৰস্কৃত।

ন্যগ্ৰোধ — বট বৃক্ষ, শমী বৃক্ষ।

ন্যাসাদি — যোগীয়ে সাধন কালত নিশ্বাস পূৰন। স্থিৰীকৰণ ও মন্ত্ৰ প্ৰয়োগ।

।।প।।

পঞ্চ উপনিষদ — উপনিষদৰ সংখ্যা অধিক যদিও মুখ্য পাঁচখন হৈছে- (১) ঐতৰেয়, (২) কৌশীতকী, (৩) ছান্দোগ্য, (৪) কেন, (৫) তৈত্তিৰীয়।

পংক্তি — ছন্দ প্ৰকৰনত পঞ্চাক্ষৰ আৰু দশাক্ষৰ ছন্দকৈ পংক্তি বোলে।

পঞ্চদব্য — দধি, দুগ্ধ, ঘৃত, গোবৰ, গোমুত্ৰক পঞ্চগব্য বোলে।

পঞ্চতন্মাত্ৰ — ৰূপ-ৰস-গন্ধ-স্পৰ্শ-শব্দক পঞ্চতন্মাত্ৰে বোলে।

পঞ্চ তপা — পঞ্চাগ্নিৰ মাজত তপস্যা কৰা।

পঞ্চধ্বৰ — পঞ্চমহাধ্বৰ।

পঞ্চ নখ — পাঁচ নখ থকা জীৱ-কাছ, গুঁই আদি।

পঞ্চ প্ৰান — প্ৰান, অপান, সমান, উদান, ব্যান। হৃদয়ত পান, গুহ্যে অপান, নাভিত সমান, কণ্ঠত উদান আৰু সবাঙ্গ ব্যান বায়ু থাকে। পানে ৰক্ত সঞ্চালন, অপানে প্ৰানক সহায় কৰে আৰু আহাৰ চালিত কৰে, উদানে শ্বাস কাৰ্য্য, সমানে হজম, ব্যানে সৰ্ব্বশৰীৰক ৰক্ষাকৰে।

পঞ্চবান — পঞ্চশৰ, সন্মোহন, উন্মাদন, শোষন, তাপন, তম্ভন।

পঞ্চভূত — ক্ষিতি (মাটি), অপ (পানী), তেজঃ (অগ্নি), মৰুৎ (বায়ু), ব্যোম (আকাশ)।

পঞ্চসুৰ — পঞ্চমসুৰ বা পঞ্চমৰাগ। সুৰ ৭টি- ষড়জ, ঋষভ, গান্ধাৰ, মধ্যম, পঞ্চম, ধৈৱত, নিষাদ। ইয়াৰ ভিতৰত পঞ্চম সুন্দৰ যেনে কুলিৰ মাত।

পঞ্চ যজ্ঞ — ব্ৰহ্ম যজ্ঞ, নৃযজ্ঞ, দৈব যজ্ঞ, পিতৃ যজ্ঞ, ভূত যজ্ঞ। বেদ অধ্যজন ব্ৰহ্মযজ্ঞ, অতিথি সেৱাত নৃযজ্ঞ, হোম কাৰ্যত দৈবযজ্ঞ তৰ্পনত পিতৃযজ্ঞ বলিদানত ভূতযজ্ঞ।

পঞ্চসূনা — পাঁচ বিধ হিংসা- কুণ্ডনী, পেষনী, চুল্লী, কলসী, মাৰ্জ্জনী।

পঞ্চশক্তি — সুদৰ্শন চক্ৰ, শিৱৰ ত্ৰিশূল, কুবেৰৰ পুষ্পক ৰথ, কাৰ্তিকৰ শক্তি নামৰ অস্ত্ৰ, এই বোৰ নাৰায়নৰ ইচ্ছাত বিশ্বকৰ্মাই সূৰ্য্যৰ অংশলৈ নিৰ্মান কৰে।

পঞ্চশিখ — বিখ্যাত দাৰ্শনিক মুনি।

পঞ্চানন — পাঁচখন মুখ শিৱ, সিংহ।

পঞ্চাপ্সৰ — এখন সৰোবৰ।

পজাল — ভৰিৰ শব্দ শুনিয়েই কোন আহিছে তাক চিনিপোৱা।

পটোৱাৰ — থিয় হৈ থকা মানুহ।

পৱন — বায়ু।

পয়ো — পানী, গাখীৰ।

পয়োনিধি — সাগৰ।

পয়োব্ৰত — কেৱল জল পান কৰি জীয়াই থকা ব্ৰত।

পৰম — উৎকৃষ্ট। শ্ৰেষ্ঠ।

পৰম ব্ৰহ্ম — অনাদি অনন্ত পৰব্ৰহ্ম।

পৰমাত্মা — পৰম ব্ৰহ্ম ()  ।

পৰম্পৰা — অবিচ্ছিন্নভাবে চলি অহা।

পট্ৰ শাটী — ৰেচমী শাৰী।

পথাৰ ৰোধন — পথঅবৰোধ কৰা।

পদাৰবিন্দ — পদৰূপ অৰবিন্দ (পদুম), পাদপদ্ম।

পদ্ম কোষ — পদুমৰ মুকুল।

পদ্ম নাভ — বিষ্ণু, কৃষ্ণ।

পদ্ম পলাশ-নয়ন — পদ্ম পলাশ লোচন, বিষ্ণু, কৃষ্ণ।

পদ্ম বিম্ব ওষ্ঠাধৰ — পদুমৰ পাপৰিৰ দৰে ৰঙা ঠোঁট।

পদ্ম যোনি — ব্ৰহ্মা। বিষ্ণুৰ পদ্ম-নাভিয়েই যাৰ জন্মযোনি।

পদ্মৰাগ — এবিধ ৰঙা মণি।

পন্নগ — সৰ্প, যি ভৰিৰে খোজ নাকাঢ়ে।

পৱন — বায়ু।

পৱন নন্দন — ভীম আৰু হনুমান।

পয়ান — গমন কৰা।

পয়োধৰ — স্তনযুগল।

পৰক — পৰীক্ষা কৰা।

পৰকুচ্ছ — পৰৰ নিন্দা।

পৰপুষ্ট — অইনৰ দ্বাৰা পালিত। যেনে- কাউৰী বাহত কাউৰীৰ দ্বাৰা কুলীৰ পোৱালি পালিত হয়।

পৰবসু — 'বিশ্বাবসু' দ্ৰষ্টব্যত চাওক। বিশ্বাবসুৱেই পৰবসু।
পৰব্ৰহ্ম — পৰম ব্ৰহ্ম, পৰমেশ্বৰ।
পৰমহংস — মহাযোগী, সন্ন্যাসী।
পৰশু — কুঠাৰ।
পৰশুৰাম — জমদগ্নিৰ পুত্ৰ। ২১ বাৰ ভূমি প্ৰদক্ষিণ কৰি ক্ষত্ৰিয় নিধন কৰিছিল।
পৰাত্মা — পৰ-শ্ৰেষ্ঠ। শ্ৰেষ্ঠ আত্মা। পৰমাত্মা।
পৰাৎপৰ — মহতত কৈয়ো মহৎ। ঈশ্বৰ।
পৰানন্দ — পৰমানন্দ।
পৰাশৰ — ব্যাসৰ পিতৃ। মৎস্যগন্ধাক বিয়া কৰায় আৰু তেওঁৰ পুত্ৰ কৃষ্ণদ্বৈপায়ন বেদব্যাস।
পৰিঘ — গদা- অগ্ৰভাগ লৌহ নিৰ্মিত।
পৰিবেত্তা — জ্যেষ্ঠ ভাতৃ অবিবাহিত হৈ থকা অৱস্থাত কনিষ্ঠ ভাকৃয়ে বিবাহ কৰিলে পৰিবেত্তা হয়।
পৰিবেশনিক — খাদ্য পৰিবেশন সম্পৰ্কীয়।
পৰীক্ষিৎ — অভিমন্যু আৰু উত্তৰাৰ পুত্ৰ। মাতৃ গৰ্ভত থাকোতেই অশ্বত্থামাই ব্ৰহ্মাস্ত্ৰ প্ৰয়োগ কৰি বধ কৰিবলৈ ধৰাত কৃষ্ণই গৰ্ভতে ৰক্ষা কৰাৰ বাবে নাম পৰীক্ষিৎ বা বিষ্ণুৰাৎ নাম হয়। ঋষি অভিশাপত ৭ দিনৰ পাচত সৰ্পই দংশন কৰিব বুলি জানি মহাভাগৱত শাস্ত্ৰ শুকৰ মুখে শ্ৰৱন কৰে।
পৰীবাদ — অপবাদ, নিন্দা।
পৰ্ব্ব — চতুৰ্দশী, অষ্টমী, পূৰ্ণিমা, অমাবশ্যা- এই চাৰিদিনক পৰ্ব্বদিন বোলে। পৰ্ব্বদিনে- স্ত্ৰী সম্ভোগ, তৈলমৰ্দন, মাংস ভোজন নিষিদ্ধ।
পৰ্ব্বযাত্ৰা — পৰ্ব্ব অনুসাৰে যাত্ৰা আৰম্ভ কৰা।
পৰ্য্যাঙ্ক — খাট, বিচনা।
পলল — মাংস।
পাত — গছৰ পাত।
পশুপতি — ইন্দ্ৰৰ পৰা কীট-পতঙ্গ লৈকে সকলোৱেই পশু (জীৱ) আৰু সকলোৰে অধিকাৰীয়েই পশুপতি। বিষ।
পসাৰি — প্ৰসাৰ।
পাচৰস — কটু (জ্বলা), তিক্ত (তিতা), কষায়, অম্ল, মধুৰ।
পাঞ্চাল — এখন দেশ। বৰ্ত্তমানৰ পাঞ্জাৱ। দ্ৰূপদ পাঞ্চালৰ ৰজা আছিল।
পাঞ্চালী — পাঞ্চাল দেশৰ কন্যা হোৱাৰ বাবে দ্ৰৌপদীক পাঞ্চালী বোলে।
পাণ্ডৱ — পাণ্ডুৰ পুত্ৰ সকলক পাণ্ডৱ বোলে।
পাতঞ্জলী — মহৰ্ষি পাতঞ্জল প্ৰনীত দৰ্শন। স্ত্ৰীলিঙ্গত পাতঞ্জলী।
পাত্ৰমন্ত্ৰী — ৰাজসভাৰ পৰিষদ আৰু মন্ত্ৰী সকল।

পাৰমেষ্টি — সৰ্ব্ব শ্ৰেষ্ঠ, উৎকৃষ্ট।
পাৰ্ব্বতী — পৰ্ব্বতৰ কন্যা (হিমালয়ৰ কন্যা), গতিকে পাৰ্ব্বতী, শিৱ পত্নী।
পিতৃ — বাপেক, জনক।
পিতৃগন — হিৰন্য গৰ্ভ মনুৰ পৰা মৰীচি আদি যি সকল পুত্ৰৰ জন্ম হৈছিল তেওঁলোক পুত্ৰ পৰম্পৰাৰ পিতৃগন।
পাঁতি — পত্ৰ বা চিঠি। শাৰী।
পাক — প্ৰতাপী অসুৰ বিশেষ।
পাক শাট — পক্ষীৰ পাখিৰ জাপ।
পাখানিল — ধোৱা পা পখালা।
পাঞ্চজন্য — হিৰন্যকশিপুৰ পুত্ৰ পঞ্চজন, সি শঙ্খ ৰূপ লৈ সমুদ্ৰত বাস কৰিছিল।কৃষ্ণই গুৰু পুত্ৰৰ বাবে অসুৰক বধ কৰে আৰু তাৰ অস্থিৰ পৰা শঙ্খটি লাভ কৰে।
পাণ্ড্যদেশ — দক্ষিণ ভাৰতৰ এখন প্ৰচীন দেশ।
পাটেশ্বৰী — পাটৰাণী।
পাতাল — অধোভুবন। বিতল, অতল, যিতল, সুতল, ৰসাতল, তলাতল।
পাতিত্য — পতিতৰ ভাব, ধৰ্ম্মভ্ৰংশ।
পাথাৰ — সাগৰ।
পাদপ — বৃক্ষ, ছাগ, পাদপীঠ।
পাদোদক — পাদস্পৃষ্ট বা ভৰি ধোৱাজল।
পাৰক্য — পৰলোক সম্বন্ধীয়।
পাৰণ — উপবাসৰ শেষত ভোজন।
পাৰিজাত — সমুদ্ৰমন্থনত উৎপন্ন হোৱা পাৰিজাত ফুল। এই বৃক্ষ ইন্দ্ৰৰ নন্দন নামৰ উদ্যানত ৰোপণ কৰিছিল।
পাৰমাৰ্থিক — পৰম তত্ত্ব সম্বন্ধীয়। মঙ্গলজনক।
পাৰমেষ্ঠী — সৰ্ব্বশ্ৰেষ্ঠ, উৎকৃষ্ট।
পাৰিষদ — সভাসদ।
পাষণ্ড — বেদৰ বিৰোধী আচাৰ, অধাৰ্ম্মিক, নাস্তিক।
পাসৰিলা — পাহৰি যোৱা, ভূলি যোৱা।
পাহি — পাহাৰত থকা।
পিকবৰ — কোকিল।
পিচুমৰ্দ্দ — নিমগছ।
পিণ্ডাৰক তীৰ্থ — দ্বাৰকাৰ ওচৰৰ তীৰ্থ।
পিতৃযজ্ঞ — তৰ্পন, শ্ৰাদ্ধ।
পিতৃস্বসা — পেহীয়েক।
পিনাক — শিৱৰ ধনু। শিৱক পিনাক পানিও বোলা হয়।

পিপ্পল — ব্ৰহ্মচাৰী ঋষি। অশ্বত্থমা বৃক্ষ।
পিপ্পলান্ন — অশ্বত্থ বৃক্ষৰ ফল। বন্ধন যুক্ত পখি, অৰ্থাৎ জীৱাত্মা।
পিয়াইয়া — পান কৰোৱাই
পিশাচ — ভূত বা প্ৰেত।
পুংশ্চলী — অসতী, ব্যভিচাৰিনী।
পুংসবন — গৰ্ভিনী নাৰীৰ ২য় ৩য় মাহত কৰা সংস্কাৰ কৰ্ম্ম।
পুংস্ত্ব-স্ত্ৰীত্ব — পুৰষত্ব ও স্ত্ৰীৰ ধৰ্ম্ম।
পুক্কশ — চণ্ডাল বা ব্যাধ।
পুক্কসী — চণ্ডাল বা ব্যাধৰ ৰমনী।
পুঞ্জিকাস্থলী — অঞ্জনা, মাৰ্কণ্ডেয় মুনিৰ তপস্যা ভঙ্গৰ বাবে থোৱা অন্যতমা অপ্সৰা।
পুটপাণি — পুট মানে পাত্ৰ, পানি মানে হস্ত। কৃতাঞ্জলি পাত্ৰ।
পৰঞ্জণ — আত্মা, জীৱ।
পুৰন্দৰ — ইন্দ্ৰ, দেবেন্দ্ৰ, বাসব।
পুৰুবংশ — চন্দ্ৰবংশীয় ৰজা সকল যযাতি আৰু শৰ্ম্মিষ্ঠাৰ পুত্ৰ।
পুৰুষ — জগতৰ আদি কাৰন।
পুৰুষ পুৰাণ — জগতৰ আদিম তম পুৰুষ, ব্ৰহ্মাৰ চিদাভাস।
পুলস্তি/পুলস্ত্য — ব্ৰহ্মাৰ মানস পুত্ৰ। ব্ৰহ্মাৰ কৰ্ণৰ পৰা জন্মে।
পুলহ — ব্ৰহ্মাৰ মানস পুত্ৰ নাভিৰ পৰা জন্মে।
পুলুমা/পুলোমা/পুলোমন- দানৱ বিশেষ। কশ্যপ আৰু দনুৰ পুত্ৰ। দুনৰ জীয়েক শশী (ইন্দ্ৰৰ পত্নী)
পৰীষ — বিষ্ঠা, মল।
পুৰুকুৎস — ৰজা মান্ধাতা আৰু বিন্দুমতীৰ তিনিপুত্ৰ পুৰুকুৎস, মুচুকুন্দ আৰু অম্বৰীষ।
পুৰুষ-সূক্ত — ঋকবেদীয় সূক্ত বা স্তোত্ৰ।
পুৰূৰবা — ইলাৰ পুত্ৰ। চন্দ্ৰবংশীয় প্ৰথম নৰপতি। পিতৃ-চন্দ্ৰ। এওঁ ১০০ টা যুক্ত কৰিছিল। এওঁ উৰ্বশীক এককালীন বিয়া কৰাইছিল।
পুৰোধা — পূজাৰী, পুৰুহিত।
পুলস্ত্য — ব্ৰহ্মাৰ মানস পুত্ৰ আৰু সপ্তৰ্ষিৰ অন্যতম। আন ছজন হৈছে মৰীচি, অত্ৰি, অঙ্গিৰা, ক্ৰুতু আৰু বশিষ্ঠ।
পুষ্পধনু — পুষ্পৰচিত ধনু। কামদেৱে এই ধনুৰে শৰ নিক্ষেপ কৰে।
পুতনা — ৰাক্ষসী। পূৰ্ব্বজন্মত বলিৰ কন্যা ৰত্নমালাই বামনক পুত্ৰৰূপে পাবলৈ কামনা কৰাৰ বাবে পাচৰ জীৱনত পুতনা নাম লৈ জন্মগ্ৰহন কৰে আৰু কৃষ্ণক স্তন পান কৰোৱাই মুক্তি (মাতৃগতি) লভে।
পূতিকা — বিষ্ঠা বা মল।
পূৰ্ব্বচিত্তি — প্ৰিয়বতৰ পুত্ৰ অগ্নিধ্ৰৰ লগত অপ্সৰা পূৰ্ব্বচিত্তিৰ বিয়া হয় আৰু নাভিকে আদি কৰি নটি পুত্ৰ জন্ম হয়।
পূৰ্ব্বসূত্ৰ — আগেয়ে, থকা সম্পৰ্ক।
পিতৃ — বাপ, পিতাক।
পৃথক পুত্ৰ — কুন্তীৰ পূৰ্ব্ব নাম পৃথা আৰু পৃথাৰ পুত্ৰ কৰ্ণ, যুধিষ্ঠিৰ, ভীম, অৰ্জ্জুন।
পৃথু — বেন ৰজীৰ পুত্ৰ। ১০০ টা যজ্ঞ কৰিছিল। পৃথিৱীক দোহন কৰে আৰু মৰ্ত্তলোকৰ প্ৰথম ৰজা। এওঁৰ নামৰ পৰাই পৃথিৱী নাম হয়।
পৃথদক তীৰ্থ — সৰস্বতী নদীৰ তীৰৰ এখন তীৰ্থ।
পৃশ্নিগৰ্ভ — সুতপা প্ৰজাপতিৰ পত্নী পৃশ্নিসতী। পৃশ্নীয়ে বহুবছৰ সাধনা কৰি বিষ্ণুকে পুত্ৰ ৰূপে গৰ্ভধাৰন কৰাৰ বাবে পৃশ্নিগৰ্ভ কোৱা হয়।
পৈল — ব্যাসৰ শিষ্য। ঋক বেদ সংগ্ৰহ কৰে।
পৌগণ্ড — ৫ ৰ পৰা ১০ বছৰ শিশুক পৌগণ্ড বোলে।
পৌণ্ড্ৰক — পৌণ্ড্ৰক বাসুদেৱ আছিল পৌণ্ড্ৰ দেশৰ প্ৰতাপী ৰজা। তেওঁ নিজকে বাসুদেব বুলি ঘোষনা কৰিছিল। তেওঁ কৃষ্ণক দ্বাৰকাত আক্ৰমন কৰে আৰু কৃষ্ণই বধ কৰে।
প্ৰকৃতি — ঈশ্বৰ সৃষ্টিৰ যাবতীয় পদাৰ্থৰ নাম। সত্ব-ৰজ-তম-গুন জগতৰ মূল কাৰন। আদ্যা শক্তি, পঞ্চভূতাত্মক শৰীৰ।
প্ৰকৃতি আশ্ৰয় আদি বৃক্ষ- পৰিদৃশ্য মান জগতক এজোপা গছৰ লগত তুলনা কৰা হৈছে ইয়াৰ মূল ওপৰৰ ফালে আৰু শাখা তলৰ ফালে। গছজোপা সংসাৰ-ৰূপক মাত্ৰ। সুখ-দুই- দুবিধ ফল, মূল বা শিপা ৩ গুন। ধৰ্ম্ম- অৰ্থ- কাম-মোক্ষ- ৪ টি ৰস, চাৰুলীলা ছুলিশিপা ইন্দ্ৰিয় সমূহ আৰু ইন্দ্ৰিয়ৰ বল, গছৰ আত্মা- ছয়ভ্ৰৰ্ম্মি, ছাল ৭ ধাতু (ৰস-ৰক্ত-মাংস-মেদ-অস্থি-মজ্জা-শুক্ৰ), শাকা-প্ৰশাখা-অষ্ট প্ৰকৃতি (৫ মহাভূত+মন+বুদ্ধি+অহঙ্কাৰ), পাত-দহবিধ বায়ু।
প্ৰচেতা — পৃথুৰ বংশত প্ৰাচীন বৰ্হিৰ ঔৰসত সমুদ্ৰ কন্যা সবৰ্নাৰ গৰ্ভত দহটি পুত্ৰৰ জন্ম হয় আৰু এওঁলোকক দশ প্ৰচেতা বোলে।
প্ৰজাপতি — প্ৰজাৰ স্ৰষ্টা, বিধাতা বা ব্ৰহ্মা, বিশ্বকৰ্ম্মা। এওঁৰ বাহিৰেও মৰীচি. অত্ৰি, অঙ্গিৰা, পুলস্ত্য, পুলহ, ক্ৰুতু, দক্ষ, বশিষ্ঠ, ভৃগু, নাৰদ এই দহজনো প্ৰজাপতি নামে খ্যাত।
প্ৰনৱ — ঈশ্বৰৰ গূঢ় নাম, ওঁ, ওস্কাৰ ধ্বনি।
প্ৰতিগ্ৰহ — প্ৰতিমা সদৃশ, প্ৰতিমা প্ৰতিমূৰ্ত্তি। প্ৰতিমা ৮ বিধ- (১) প্ৰস্তৰ নিৰ্মিত, (২) কাষ্ঠ নিৰ্মিত, (৩) লৌহ, (৪) মৃত্তিকা, (৫) চিত্ৰিত, (অঙ্কিত), (৬) বালুকা, (৭) মানসিক, (মনে মনে অঙ্কিত) আৰু (৮) মনি নিৰ্মিত।
প্ৰদোষ — দোভাগমান ৰাত্ৰি, প্ৰ- মানে আৰম্ভ; ৰজনীমুখ।
প্ৰদ্যুম্ন — কৃষ্ণৰ শ্ৰেষ্ঠ পুত্ৰ। কামদেৱেই ৰুক্মিনীৰ গৰ্ভত জন্মে। অনিৰুদ্ধ

এওঁৰ পুত্ৰ।

প্ৰপঞ্চ — সৃষ্টিলোক, সংসাৰ।

প্ৰবৰ্দ্ধন পৰ্ব্বত — হিমালয়ৰ এটি গিৰি গুহা।

প্ৰবজ্যা — প্ৰবাস, বৈৰাগ্য, সন্ন্যাস।

প্ৰভাযজ্ঞ — প্ৰভা মানে সূৰ্য্য ৰশ্মি, যজ্ঞ মানে অগ্নি।

প্ৰভাস — প্ৰভাসতীৰ্থ বা সোমতীৰ্থ। চন্দ্ৰই যক্ষ্মাৰোগ নিবাৰনৰ বাবে ইয়াত স্নান কৰিছিল আৰু যদুবংশ য়িাতেই নিৰ্মূল হয়।

প্ৰমাদী — বিপদ কাৰক।

প্ৰম্লোচা — স্বৰ্গৰ অন্যতম অপ্সৰা।

প্ৰয়াগ — গঙ্গা-যমুনা ও সৰস্বতীৰ সঙ্গমস্থল।

প্ৰলম্বাসুৰ — ‘কেশী’ দ্ৰষ্টব্য চাওক।

প্ৰসূতি — এননী, প্ৰসৱ, উৎপত্তি, জন্ম। শতৰূপাৰ তিনিকন্যা আকুতি, দেৱহতি ও প্ৰসূতি। দক্ষই প্ৰসূতিক বিয়া কৰে।

প্ৰহ্লাদ — হিৰন্যকশিপু আৰু কয়াধুৰ পুত্ৰ। পৰম বৈষ্ণৱ।

প্ৰাকৃত — লৌকিক, স্বভাৱিক।

প্ৰাগজ্যোতিষপুৰ — প্ৰচীন কামৰূপৰ ৰাজধানী।

প্ৰাগদেশ — পূৰ্ব্বদিক বাসীৰ দেশ।

প্ৰচীন বৰ্হি — দশ প্ৰচেতাৰ পিতৃ। হৰ্বিধানৰ পুত্ৰ।

প্ৰাৰব্ধ কৰ্ম্ম — পূৰ্ব্ব জন্মৰ অৰ্জিত পাপ পুন্য, অদৃষ্ট।

প্ৰাশ — যাঠি সদৃশ অস্ত্ৰ।

প্ৰিয়ব্ৰত — স্বায়ম্ভু মনু আৰু শতৰূপাৰ দুই পুত্ৰৰ ভিতৰত অন্যতম। আনজন উত্তানপাদ।

প্ৰেত — ভূত, ৰাক্ষসৰ দৰে দেবযোনী বিশেষ।

প্ৰেতধূম — চিতাৰ ধোঁৱা।

প্ৰোষ্ঠী — পুঠিমাছ বা শফৰী।

।।**ফ**।।

ফল — পৰিনতি, পৰিনাম।

ফল ভোগী — সংসাৰ কৰ্ম্মৰ বাবে সুখ বা দুখ ভাগ কৰিব লগা হোৱা জীৱ। সংসাৰীলোক।

ফুলধনু — কামদেৱৰ ধনু।

ফাঁপৰ — বিপদ, হত বুদ্ধি।

ফাল্গুনী — ফাগুন মাহত অৰ্জ্জুন জন্ম হয় বাবে অৰ্জ্জুনৰ নাম ফাল্গুনি হয়।

।।**ব**।।

বক — বৃন্দাবনত শ্ৰীকৃষ্ণই বধ কৰা বক ৰূপী অসুৰ বা বকাসুৰ।

বকাৰি — বক অসুৰৰ শত্ৰু; কৃষ্ণ।

বঙ্গ — ‘বংগ’ নামধাৰী এজন ৰজাৰ নামানুসাৰে বঙ্গৰাজ্য।

বলি — ভক্ত প্ৰহ্লাদৰ পুত্ৰ বিৰোচন আৰু বিৰোচনৰ পুত্ৰ প্ৰহ্লাদ। পৰম বিষ্ণু ভক্ত। স্বৰ্গৰাজ্য দখল কৰি দেৱতাক বিতাৰন কৰে। ভগৱানে অদিতিৰ গৰ্ভত বামন অবতাৰ লৈ বলিক পাতাললৈ খেদি পঠায়।

বঞ্চে — বঞ্চনা কৰে।

বটু — বটুব্ৰাহ্মন। বটু মানেই অল্প বয়সৰ বালক ব্ৰহ্মচাৰী।

বত্ৰিশ নাড়ী — নাড়ী মূলৰ দৈৰ্ঘ্য ৩২ হাত আৰু গোলাকাৰে উদৰত থাকে।

ব্যাসাসুৰ — পূৰ্ব্বজন্মত ‘অনুদালৰ’ নামে গন্ধৰ্ব্ব আছিল আৰু ইন্দ্ৰ ভৱনৰ দুৱৰী আছিল। চাৰি সিদ্ধক ইন্দ্ৰ ভৱনত প্ৰবেশত বাধা দিয়াৰ বাবে মৰ্ত্যত অসুৰ ৰূপে জন্ম লবলৈ অভিশাপ পায়। কৃষ্ণৰ হাতত মৃত্যু হয় ও মুক্তি লাভ কৰে।

বদৰিকাশ্ৰম — ব্যাসৰ আশ্ৰম। যুধিষ্ঠিৰে ইয়াৰ পৰাই স্বৰ্গাৰোহন কৰে। বৰ্ত্তমান কাশ্মীৰত অৱস্থিত। ঋষি-সিদ্ধ-গন্ধৰ্ব্বৰ বাসস্থান।

বদান্য — সুবক্তা, দানশীল।

বঁধু — প্ৰিয়, প্ৰনয়ী।

বয়স্য — সমবয়স্ক ব্যক্তি।

বয়ান — বদন, মুখমণ্ডল।

বৰিতা — প্ৰাৰ্থিত।

বৰাহ — বিষ্ণুৰ অৱতাৰ। জলমগ্ন পৃথিৱীক উদ্ধাৰ কৰে। বৰাহে পৃথিৱীক বিয়া কৰায় আৰু নৰকাসুৰৰ জন্ম হয়।

বৰুণ — জলৰ-দেৱতা। অগ্নি জলৰ সখি। বৰুনৰ ভৱন ধ্বল, কামধেনু, সুৰুভি আদি তেওঁৰ লগত থাকে।

বৰ্নশ্ৰম — চাৰি বৰ্ণৰ চাৰি আশ্ৰম।

বৰ্ব্বৰ — নীচ জাতি সমূহ যেনে ফন, হৈহয়, শক, হূণ আদি।

বহিষ্মতী — ব্ৰহ্মাবৰ্ত দেশৰ ৰাজধানী। সৰস্বতী দযদ্বতী নদীৰ মাজ ঠাইখণ্ড।

বল — এটা অসুৰ বা দৈত্য।

বশিষ্ঠ — মিত্ৰা বৰুনৰ পুত্ৰ। ভগৱানৰ মতে ব্ৰহ্মাৰ প্ৰানৰ পৰা উৎপন্ন হয়। সূৰ্য্য বংশৰ কুলগুৰু। পত্নী অৰুন্ধতি। বশিষ্ঠৰ পুত্ৰ শক্তি, শক্তিৰ পুত্ৰ পৰাশৰ।

বষটকাৰ — হোমকৰ্ম্ম।

বসাকুপ — নৰকৰ ভিতৰত এখন।

বসু — গন দেৱতা। বসু আঠজন।

বসুদেৱ — সুৰসেনৰ পুত্ৰ, মাতৃ মাৰিষা। কৃষ্ণৰ পিতাক। বসুদেৱৰ পত্নী-দৈৱকী, ৰোহিনীয এওঁ পৰম বিষ্ণু ভক্ত।

বসুমতী — পৃথিৱী, ধৰণী।
বহুনাশ্ব — মিথিলাৰ ৰজা। পৰম বৈষ্ণৱ।
বাকল — বল্কল। গছৰ ছাল।
বাখান — প্ৰশংসা বাদ।
বাজপেয় — সামবেদ বিষয়ক যজ্ঞ বিশেষ। বাজ মানে ঘিউ বা পেষ্টীসুৰা।
বাজী — অশ্ব, ঘোঁৰা, পক্ষী, বান।
বাজু — হাতৰ অলঙ্কাৰ।
বান — দৈত ৰাজ বলিৰ ১০০ পুত্ৰৰ ভিতৰত অন্যতম। শোনিও পুৰৰ নৃপতি। উষাৰ পিতৃ।
বাঞ্ছা কল্পতৰু — এই গছৰ তলত বহি যি বাঞ্ছা কৰে, তাকে পায়।
বাড়ি — আঘাত, লাঠি।
বাতুল — উন্মত্ত, পাগল।
বাত মণ্ডলি — ঘূৰ্ণি বতাহ। দৈত্য বিশেষ আৰু কৃষ্ণৰ হাতত মৃত্যু হয়।
বাপখনে — দেউতাকে।
বাধা — ব্যাঘাত। পাদুকা, ছৰ্ম্মখৰম।
বামদেৱ — বিখ্যাত ঋষি।
বামন — বিষ্ণুৰ পঞ্চম অৱতাৰ। এওঁক উপেন্দ্ৰও বোলে। বলিক ছলি স্বৰ্গত ইন্দ্ৰক স্থাপন কৰে।
বামন পুৰান — এখন মহান পুৰাণ। বিষ্ণু-বামনৰ বৰ্ণনা আছে।
বামানয় — বেদৰ অপৌৰুষেয় বৈশিষ্ট্যৰ বিৰুদ্ধবাদী, বৌদ্ধ ধৰ্ম্মবাদী।
বামানয় শাস্ত্ৰ — বৌদ্ধশাস্ত্ৰ। বেদৰ বিৰুদ্ধবাদী শাস্ত্ৰ।
বায়ু — পৱন, মৰুৎ।
বায়ুতনু — শ্বসন, স্পৰ্শন, বায়ু মাতৰিশ্বা, সদগতি, পুষদশ্ব আদি।
বামা — নাৰী, ৰমণী।
বাৰণ — হস্তী, নিষেধ।
বাৰণী-সুধা — মদ বিশেষ। সমুদ্ৰ মন্থনত উত্থিত হয়।
বালখিল্য — আঙুলিৰ সমান ষাঠী হাজাৰ মুনি। ব্ৰহ্মাৰ নোমৰ পৰা জন্ম হয়। সূৰ্য্যৰ নিচিনা প্ৰভাৱে সূৰ্য্যৰ দেহৰক্ষী হিচাবে নিয়োজিত। ইন্দ্ৰই ক্ষুদ্ৰাকৃতি দেখি হঁহাত এওঁলোকে ইন্দ্ৰবিজয়ী গৰুড়ক বিনতাৰ গৰ্ভত জন্মায়।
বালা — ষোড়শী গাভৰু।
বাল্মীকি — প্ৰচেতাৰ দশম পুত্ৰ। 'বাল্মীকি' সম্পৰ্কত বিভিন্ন মত পোৱা যায়। এওঁ ৬০,০০০ বছৰ একে ঠাইত থাকি ৰাম নাম জপিছিল। এওঁ ৰত্নাকৰ নামে দস্যু বৃতি ত্যাগ কৰে। ব্ৰহ্মাৰ উপদেশত ৰামায়ন লিখে। আদিকবি।
বালী — কিষ্কিন্ধ্যাৰ নৃপতি । সুগ্ৰীবৰ ককায়েক। তাৰা এওঁৰ পত্নী আৰু অঙ্গদ পুত্ৰ। সুগ্ৰীবৰ বাবে ৰামে বালীক বধ কৰে।
বাসব — ইন্দ্ৰ।
বাসুকি — নাগৰাজ। কশ্যপ আৰু কদ্ৰুৰ পুত্ৰ। সাগৰ মন্থনত মথনদণ্ড বা ৰৰ্জ্জু হিচাবে ব্যৱহিত হৈছিল। এওঁ ভনীয়েক মনসাক জৰুৎকাৰ মুনিত বিয়া দিয়ে।
বাস্কল — এজন দানব।
বাহ্যবায়ু — বাহিৰৰ বায়ু।
বাহ্লীক — এজন ৰজা। ভূৰিশ্ৰবা। ভীমে বধ কৰে।
বিচিত্ৰবীৰ্য্য — শান্তনুৰ ঔৰসে সত্যবতীৰ গৰ্ভে জন্ম পায়। সত্যবতীৰ পূৰ্ব্বৰ পুত্ৰ ভীষ্ম এওঁৰ বৈমাত্ৰেয় ভ্ৰাতা। ধৃতৰাষ্ট্ৰ আৰু পাণ্ডু এওঁৰ ক্ষেত্ৰজ পুত্ৰ।
বিটলে — ধূৰ্ত, দুষ্ট।
বিদাৰ — বিদাৰন, ভেদন।
বিদুৰ — বিচিত্ৰবীৰ্য্যৰ দাসী পত্নীৰ ব্যাসদেৱৰ ঔৰসে জন্ম। বিদ-জ্ঞান + উৰ = বিদুৰ। অনীমাণ্ডব্য ঋষিৰ অভিশাপত দৰ্ম্মৰাজে বিদুৰ হৈ জন্মে। এওঁ দেৱক ৰজাৰ কন্যাক বিয়া কৰে। ত্যাগী পুৰুষ।
বিত্তশাঠ্য — বিত্তমানে 'ধন', শাঠ্য মানে ধূৰ্ত্ততা, শঠতা। ধনৰ বাবে কৰা শঠতা।
বিদৰ্ভ — বিৰাট দেশ, কুণ্ডিল নগৰ।
বিধাতা — যিয়ে বিধান কৰে। ব্ৰহ্মা, দক্ষ, প্ৰজাপতি।
বিন্ধ্যাগিৰি — পৰ্ব্বত বিশেষ।
বিভাবৰী — চন্দ্ৰৰ ৰাজ্যৰ নাম।
বিদুৰথ — যদুবংশীয় বিখ্যাত ৰজা।
বিদেহ — এখন ৰাজ্য, ৰাজধানী মিথিলা, ৰজা জনক।
বিদ্যাধৰ — সঙ্গীত বিদ্যা বা মায়াবিদ্যাৰ অভিজ্ঞ জাতি, এওঁলোক দেৱযোনি।
বিধু — চন্দ্ৰ, ব্ৰহ্মা, বিষ্ণু।
বিনতা কুমাৰ — কশ্যপ- বিনতাৰ পুত্ৰ গৰুড়।
বিন্দু সৰোবৰ — কৈলাশৰ দক্ষিনস্থ এখন সৰোবৰ।
বিন্ধসেন — মদ্ৰদেশৰ ৰজা। কৃষ্ণ পত্নী লক্ষনাৰ পিতৃ।
বিপাশা — এখন নদী, সিন্ধু নদীৰ উপনদী।
বিপ্ৰচিত্তি — এজনী অপ্সৰা। প্ৰিয়ব্ৰতৰ পুত্ৰ অগ্নীধৰ পত্নী।
বিপ্ৰানী — ব্ৰাহ্মনৰ স্ত্ৰী।
বিভৱ — প্ৰভুত্ব, মাহাত্ম্য, সামৰ্থ্য।
বিভাণ্ডক মুনি — এজন ঋষি। উৰ্ব্বশীক দেখি জলত বীৰ্য্য পাত হয় আৰু হৰিণ ৰূপিণী দেৱ কন্যাই গৰ্ভধাৰন কৰে ও তেওঁৰ পুত্ৰই ঋষ্যশৃঙ্গ মুনি।

বিভীষন — ৰাবনৰ ভাতৃ, ৰাবনৰ পিচত লঙ্কাৰ ৰজা হয়। বিশ্ৰবাৰ পুত্ৰ। পৰমধৰ্ম পৰায়ন আৰু ৰামচন্দ্ৰৰ পৰম ভক্ত ও লঙ্কাৰ যুদ্ধত ৰামৰ পৰম সহায়ক। এওঁৰ পত্নী সৰমা। ৰাবনৰ বিধবা পত্নী মন্দোদৰীকো বিয়া কৰে।

বিভু — পৰমেশ্বৰ, ব্ৰহ্মা, বিষ্ণু।

বিমৎসৰ — মৎসৰ মানে ক্ৰোধ। ক্ৰোধহীন।

বিৰহ অশনি — বিচ্ছেদ ৰূপী বজ্ৰ।

বিৰাট — এখন দেশ। প্ৰাচীন মৎস্য দেশ। পাণ্ডৱে এই বিৰাট ৰজাৰ ৰাজ্যত অজ্ঞাত বাস কৰিছিল। বিৰাটৰ জীয়েক উত্তৰাক অভিমন্যুয়ে বিয়া কৰায়।

বিৰূপাক্ষ — ত্ৰিলোচন, শিৱ, ত্ৰিলোতন হৈছে- চন্দ্ৰ-সূৰ্য্য-অগ্নি।

বিৰোচন — প্ৰহ্লাদৰ পুত্ৰ আৰু বলিৰ পিতা।

বিশাই — বিশ্বকৰ্ম্ম-দেৱশিল্পী। এওঁ বৃহস্পতিৰ ভগ্নী বৰস্ত্ৰী বা যোগসিদ্ধাৰ পুত্ৰ আৰু পিতাক প্ৰভাস নামৰ বসু। বিশ্বকৰ্ম্মাই স্বৰ্গলোক, বৰুণৰ প্ৰাসাদ, পুষ্পকৰথ, দধীচি মুনিৰ অস্থিৰে বজ্ৰ, শিৱৰ ৰথ আদি তৈয়াৰ কৰে।

বিশাথা — গোপৰ পত্নী।

বিশালা — উজ্জয়িনীৰ এখন তীৰ্থ।

বিশ্বদ্ৰোহী — সকলোৰে অনিষ্টকাৰী।

বিশ্বৰূপ — পৰমেশ্বৰ। বিশ্বৰূপ বা বিৰাট-দৰ্শন- বলিৰ যজ্ঞত প্ৰদৰ্শন কৰে। যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞত, দুৰ্য্যোধনে ৰাজসভাত কৃষ্ণক বান্ধিবলৈ ধৰোতে কুৰু ক্ষেত্ৰৰ যুদ্ধত অৰ্জ্জুনৰ আগত বিশ্বৰূপ প্ৰদৰ্শন কৰে। দেৱতাৰ পুৰুহিতৰ নামো বিশ্বৰূপ আৰু ইন্দ্ৰই এওক বধ কৰে।

বিশ্বস্ৰষ্টা — প্ৰজাপতি, দিকপাল। ব্ৰহ্মা।

বিশ্ববসু — গন্ধৰ্ব্ব ৰাজ শ্ৰীৰ পুত্ৰ। অনিন্দ সুন্দৰ পুৰুষ।

বিশ্বামিত্ৰ — কুশিক নন্দন গাধিৰ পুত্ৰ। বশিষ্ঠৰ কামধেনু লাভৰ বাবে বিশ্বমিত্ৰই বশিষ্ঠৰ লগত যুদ্ধ কৰি পৰাজয় হয়। ব্ৰহ্মশক্তিৰ ওচৰত ক্ষত্ৰিয় শক্তি পৰাজয় হোৱাত এয়ে প্ৰকৃষ্ট প্ৰমান।

বিষহাৰী — মনসাদেৱী।

বিষ্ণুমায়া — বৈষ্ণৱীমায়া বা মহামায়া। এই মায়াৰ বাবেই সকলো জীৱই নিজকে শ্ৰেষ্ঠবুলি ভাবে। একমাত্ৰ ভগৱন্ত-ভক্তিৰে এই মায়া দূৰ কৰিব পাৰি।

বিসৰ্জ্জন — যাদৱ বংশীয় এটি শাখা। ত্যাগ কৰা।

বিশ্ৰবা — মহৰ্ষি পুলস্তাৰ পুত্ৰ। বিশ্ৰবাৰ পুত্ৰ বৈশ্ৰবন। এওঁৰ পত্নী কৈকেষী। কৈকেষীৰ পুত্ৰ ৰাবন, কুম্ভকৰ্ণ, বিভীষণ।

বিষ্ণু — যি সৰ্ব্বত্ৰ ব্যাপি থাকে। (বিষ+নক্) সত্ব গুনৰ অধিকাৰী। কৃষ্ণ বিষ্ণু পূৰ্ণ অৱতাৰ।

বিষ্ণুপুৰান — বিষ্ণুৰ মাহাত্ম্য প্ৰকাশক পুৰান। পৰাশৰে ৰচনা কৰিছিল বোলা হয়।

বিষ্ণুলোক — বৈকুণ্ঠ।

বিষ্ণুৰাত — ৰাত্ৰ-ৰাত= বিষ্ণু বিষয়ক জ্ঞান, পঞ্চৰাত্ৰ/পাঞ্চৰাত্ৰ।

বীতৰাগ — আসক্তি শূন্য। নিঃস্পৃহ।

বীতিহোত্ৰ — প্ৰিয়বতৰ ঔৰসে বৰ্হিষ্মতীৰ গৰ্ভত জাত। প্ৰিয়বতৰ নৱম পুত্ৰ। আগ্নি বা সূৰ্য্য।

বীৰভদ্ৰ — ভীষন আকাৰৰ লোক। বীৰভদ্ৰৰ লগতে শিৱৰ জটাৰ পৰা ভদ্ৰকালীৰ জন্ম হয়।

বীৰসেন — সজাগতা অৱলম্বন কৰি পহৰা দিয়া ব্ৰত।

বীৰ্য্যশুল্কা — বীৰ্য্যই যাৰ মূল্য। বীৰ্য্য শালী।

বুধ — বৃহস্পতিৰ পত্নী তাৰাক হৰণ কৰি নিয়ে আৰু তাৰাৰ গৰ্ভত বুধৰ জন্ম হয়।

বৃংহতি — হাতীৰ মাত বাউকি।

বৃকাসুৰ — হিৰন্যাক্ষ দৈত্যৰ পুত্ৰ। শকুনিৰ পুত্ৰৰ নামো বৃক।

বৃকোদৰ — বৃক-অগ্নি, উদৰ-পেট। যাৰ উদৰত বৃক নামৰ অগ্নি আছে ভীম।

বৃষকেতু — কৰ্ণৰ পুত্ৰ।

বৃষ্ণিবংশ — কৃষ্ণৰ পূৰ্ব্বপুৰুষ।

বৃত্ৰাসুৰ — ত্ৰিশিৰাৰ নিধনত ক্ষব্ধ হৈ ত্বষ্টাঋষিয়ে বৃত্ৰাসুৰক উৎপাদন কৰে। ইন্দ্ৰই নিধন কৰে।

বৃদ্ধিশ্ৰাদ্ধ — উন্নতিৰ বাবে কৰা শ্ৰাদ্ধ।

বৃন্দা দেবী — কালনেমী দানবৰ কন্যা। জলন্ধৰ এওঁৰ স্বামী। তেওঁ সতী আছিল আৰু ইন্দ্ৰই জলন্ধৰৰ ৰূপ ধাৰন কৰি বৃন্দাৰ সতীত্ব নষ্ট কৰাত জলন্ধৰৰ মৃত্যু হয়। বৃন্দাৰ শাপত বিষ্ণুৰ একাংশ শালগ্ৰাম হয় আৰু বৃন্দা তুলসী বৃক্ষ হয়।

বৃন্দাবন — বৰাহ পুৰান মতে বন ১২ খন- বৃন্দা, কাম্য, কুমুদ, খদিৰ, তাল, ভদ্ৰ, ভাণ্ডীৰ, মধু, মহ, লৌহ, বহুলী আৰু শ্ৰীবন। বৃন্দাৰ কেশৰাশি যি স্থানত অসংক্য তুলসী বৃক্ষ হৈছিল সেই স্থানৰ নাম বৃন্দাবন হয়।

বৃন্দাবলী — দৈত্যৰাজ বলিৰ পত্নী।

বৃষপৰ্ব্বা — কশ্যপ আৰু দনুৰ পুত্ৰ।

বৃষকেতু — কৰ্ণৰ পুত্ৰ।

বৃষলী — শূদ্ৰ, অনুঢ়া ঋতুমতী কন্যা।

বৃষাকপি — বিষ্ণু, শিৱ, অগ্নি, ইন্দ্ৰ।
বৃষ্ণ — এজন প্ৰসিদ্ধ ৰজা।
বৃহতীছন্দ — ব্ৰহ্মাৰ প্ৰানৰ পৰা ওলোৱা বৈদিক ছন্দ বিশেষ।
বৃহস্পতি — অঙ্গিৰাৰ ঔৰসত, সুৰূপাৰ গৰ্ভত উৎপত্তি। দেৱ পুৰুহিত। বৃহস্পতিৰ পুত্ৰ 'কচ' আৰু পত্নী চান্দমসীৰ। কচে দৈত্য গুৰু শুক্ৰাচাৰ্য্যৰ পৰা সঞ্জীৱনী বিদ্যা শিকে।
বেঙ্কঠ শৈল — তিৰুপতিৰ ওচৰৰ এটা পৰ্ব্বত।
বেন — যমকন্যা সুনীথাৰ গৰ্ভত অঙ্গৰজাৰ জন্ম গ্ৰহন কৰে। বেদ ব্ৰাহ্ম দেৱতাক ঘৃণা কৰে। অত্যন্ত অত্যাচাৰী আছিল। ক্ৰোধত ঋষিগনে কুশাঘাতে বেনক নিহত কৰে। পিচত পৃথিৱী অৰাজক হোৱাত মৃত বেনৰ বাম হস্ত মন্থন কৰি এজন কদাকাৰ পাপী পুৰুষক সৃষ্টি কৰে আৰু দক্ষিণ হস্থ মন্থন কৰি পৃথক সৃষ্টি কৰে। পৃথুৰ নামৰ পৰাই পৃথিৱীৰ নাম হয়।
বেনাপত্ৰ — সুগন্ধি তৃণ বিশেষ।
বেতাল — 'বে' মানে বায়ুত, 'তাল' গমন অৰ্থাৎ শিৱৰ অনুচৰ ভূতগন।
বেদ — শ্ৰুতি, ধৰ্ম্ম আৰু ব্ৰহ্মাৰ মুখনিৰ্গত ধৰ্ম্ম জ্ঞাপক গ্ৰন্থ। বেদ অপৌৰুষেয় আৰু স্বয়ং ভগৱানৰ মুখ নিঃসৃত বানী। বেদৰ শাখা চাৰিটা- ঋক, যজু, সাম, অথৰ্ব্ব।
বেদনিধি — কৃষ্ণৰ ব্ৰাহ্মণ সখা। কৃষ্ণ ভক্ত।
বেদগুহ্য — বেদৰ গোপনীয় বিষয়।
বেদপতি — পশুপতি, বেদপতি ব্ৰহ্মা।
বেদমাতা — বেদৰ জননী। ব্ৰহ্মানী- গায়ত্ৰী আৰু সাবিত্ৰী বা সৰস্বতী।
বেদশীৰা — ভৃগুৰ পুত্ৰ ধাতা আৰু বিধাতা, বিধাতাৰ পুত্ৰ মৃকণ্ডু, মৃকণ্ডুৰ পুত্ৰ বেদশিৰা। এৱেঁই মাৰ্কণ্ডেয়।
বেদাগম — বেদ ও আগম শাস্ত্ৰ। তন্ত্ৰ শাস্ত্ৰক আগম বোলে। শিৱই পাৰ্ব্বতীক কোৱা আৰু নাৰায়নৰ অনুমোদিত আগম শাস্ত্ৰ।
বেল্লিক — নিৰ্লজ্জ, লম্পট, মুখ।
বেহাই — বৈবাহিক।
বৈকাৰিক দেৱতা — বিকৃতিজাত অৰ্থাৎ তিনিগুণৰ বিকাৰত উৎপন্ন।
বৈকুণ্ঠ — বিষ্ণু পুৰী। ব্ৰহ্মালোকৰ কোটি যোজন উৰ্দ্ধত অৱস্থিত।
বৈজয়ন্তী — কণ্ঠৰ পৰা জানু পৰ্য্যন্ত লম্বিত মালা।
বৈতৰণী — প্ৰেতনদী। যম ৰজাৰ সন্মুখবৰ্তী নদী। কথিত আছে এই নদীৰ জল অত্যন্ত উত্তপ্ত, শোনিত মাংস অস্থিৰে পৰিপূৰ্ণ দুৰ্গন্ধময় নদী। মৃত্যুৰ পাচত জীৱই এই নদী পাৰ হ'ব লাগিব।
বৈতালিক — বন্দী, স্তুতি পাঠক।
বৈবস্বত — মৰীচিৰ পুত্ৰ কশ্যপ, কশ্যপৰ পুত্ৰ বিবস্বনৰ পুত্ৰ বৈবস্বত মনু।
বৈশম্পায়ন — ব্যাসৰ শিষ্য। জন্মেজয়ৰ ৰাজ সভাত মহাভাৰত পাঠকৰে।
বৈশেষিক — ষড় দৰ্শনৰ অন্যতম। এই দৰ্শনৰ পৰা পৰমানু বাদ সৃষ্টি হৈছে। মহৰ্ষি কনাদ এই দৰ্শনৰ প্ৰনেতা।
বৈশ্বানৰ — অগ্নিদেৱ।
বৈষ্ণৱাস্ত্ৰ — বিষ্ণুৰ অস্ত্ৰ। বৰাহে পৃথিৱীৰ প্ৰাৰ্থনাত এই সংহাৰক অস্ত্ৰ দান কৰে আৰু নৰকাসুৰে নাভ কৰে। ভগদত্তই নৰকৰ পৰা এই অস্ত্ৰ লাভ কৰে আৰু কুৰুক্ষেত্ৰ সমৰত ভগদত্তই এই অস্ত্ৰ প্ৰয়োগ কৰাত কৃষ্ণই বৈজয়ন্তী মালাৰূপে নিজৰ বক্ষত ধাৰন কৰে।
ব্যজনী — তালবৃন্ত (বাহ দিয়াৰ বাবে)।
ব্যঞ্জন সান্তলন — তৰকাৰী।
ব্যভাৰ — ব্যৱহাৰ, আচৰণ।
ব্যুৎপত্তি — বিশেষ উৎপত্তি, জ্ঞান, শাস্ত্ৰ-সংস্কাৰ।
ব্যাস — ব্যাসদেৱ, পিতৃ-পৰাশৰ, মাতৃ মৎস্যগন্ধা, তেওঁ বেদ বিভাগ কৰে। মহাভাৰত আৰু ১৮ খন পুৰানৰ ৰচক।
ব্যভিচাৰ — কুক্ৰিয়া, কদাচাৰ, অন্য আচাৰ।
ব্যাজ — বিলম্ব, বিঘ্ন, ছল।
ব্যোম — ময়দানবৰ পুত্ৰ ব্যোম দৈত্য।
ব্যোমকেশ — মহাদেৱ।
ব্ৰজ — মথুৰাৰ নিকটবৰ্ত্তী স্থান বা পুৰ।
ব্ৰজলীলা — ব্ৰজ পুৰীত কৃষ্ণৰ লীলামালা।
ব্ৰহ্ম — পৰমেশ্বৰ। জ্ঞানময় অদ্বিতীয় সত্ত্বা।
ব্ৰহ্মগতি — ব্ৰহ্মৰ সৈতে একীভূত হোৱা, মোক্ষলাভ।
ব্ৰহ্ম জ্ঞান — পৰমেশ্বৰৰ বিষয়ে জ্ঞান, আত্মাতত্ত্ববোধ।
ব্ৰহ্মপুত্ৰ — এখন নদী।
ব্ৰহ্মবাদ — ব্ৰহ্মবিষয়ক আলোচনা, বেদাধ্যয়ন।
ব্ৰহ্মবিদ্যা — তত্ত্ব জ্ঞান, ব্ৰহ্মবিষয়ক জ্ঞান তত্ত্ব।
ব্ৰহ্মলোক — ব্ৰহ্মাৰ ভূৱন।
ব্ৰহ্মশৰ — অত্যন্ত শক্তি শালী বান।
ব্ৰহ্মসত্ৰ — দীৰ্ঘ দিন চলা ব্ৰহ্মবিষয়ক আলোচনা।
ব্ৰহ্মঅস্ত্ৰ — পৰমেশ্বৰ প্ৰদত্ত অস্ত্ৰ। ব্ৰহ্মশাপ।
ব্ৰহ্মঘাতী — বেদ বহিৰ্ভূত কাৰ্য্য।
ব্ৰহ্মজাল — ইন্দ্ৰজাল, শত্ৰুক মন্ত্ৰ সৃষ্ট জালে আবদ্ধ কৰা বান।
ব্ৰহ্মজ্ঞ — তত্ত্বজ্ঞ।
ব্ৰহ্মতীৰ্থ — পুষ্কৰতীৰ্থ।

ব্ৰহ্মপৰায়ন — পৰমাত্মাৰ ভক্তিনিষ্ঠ।
ব্ৰহ্মপাপ — ব্ৰহ্ম হত্যা জনিত পাপ।
ব্ৰহ্মবন্ধু — নিন্দিত ব্ৰাহ্মণ।
ব্ৰহ্মবায়ু — মাতৃ জঠৰৰ পৰা নিৰ্গত হোৱাৰ সময়ত পৰমাত্মাই যি বায়ুৰ দ্বাৰা অতি বেগেৰেহেচা দিয়ায় সেই বায়ু ব্ৰহ্মবায়ু।
ব্ৰহ্মবেদী — বেদবক্তা।
ব্ৰহ্মমেধ — ব্ৰহ্মযজ্ঞ বা ব্ৰহ্মসত্য।
ব্ৰহ্মৰাত্ৰি — ব্ৰাহ্মমুহূৰ্ত মানে সূৰ্য্যোদয়ৰ প্ৰথম দুইদণ্ড। ব্ৰহ্মাৰ ৰাতি।
ব্ৰহ্মসৰোবৰ — বৈভ্ৰাজ সৰোবৰ বা মানস সৰোবৰ।
ব্ৰহ্মসুত — ব্ৰহ্মাৰ পুত্ৰ চাৰিসিদ্ধ, সপ্তঋষি আদি।
ব্ৰহ্মা — বিধাতা, সৃষ্টিকৰ্ত্তা, ৰজঃগুনৰ প্ৰকাশক।
ব্ৰহ্মাণ্ড — জগত, বিশ্ব। প্ৰপঞ্চ।
ব্ৰাহ্মণ্যদেৱ — ব্ৰাহ্মণ সকল, বিষ্ণু, কৃষ্ণ।
ব্ৰহ্মবৰ্ত্ত — ভাৰতীয় আৰ্য্যগন বাস কৰা স্থান।
ব্ৰহ্মাসন — ব্ৰাহ্মণৰ আসন বা আধিকাৰ।
ব্ৰাহ্মমুহূৰ্ত — সূৰ্য্য উদয়ৰ ২দণ্ড (প্ৰথম) সময়।।**ভ**।।
ভকতি — ভক্তি। প্ৰবত আসক্তি, প্ৰেমৰূপা আসক্তি, গভীৰ আবেগ।
ভক্তি — ভজ + ক্তিন। উপাস্য জনৰ প্ৰতি গভীৰ অনুৰাগ।
ভক্তিমাতৃ — ভক্তি মাতৃসদৃশ। ভক্তিয়ে মাতৃৰূপলৈ নাৰদক কৈছিল। দ্ৰাবিড় দেশত মোৰ জন্ম হৈছিল।
ভক্তিযোগ — প্ৰেমভক্তিৰে ভগৱানৰ লগত সম্বন্ধ স্থাপন কৰা।
ভগদত্ত — প্ৰাগজ্যোতিষ পুৰৰ ৰজা নৰকাসুৰৰ পুত্ৰ। নৰকক কৃষ্ণই বধ কৰাৰ পাচত ভগদত্ত ৰজা হয়। পিতাকৰ ওচৰত থকা অব্যৰ্থ বৈষ্ণবাস্ত্ৰ এওঁ লাভ কৰে। কুৰুক্ষেত্ৰ সমৰত এই বান অৰ্জ্জুনৰ প্ৰতি নিক্ষেপ কৰে যদিও কৃষ্ণই বুকু পাতি লয় আৰু বিজয়ন্তি মালা হৈ পৰে। অৰ্জ্জুনে ভগদত্তক বধ কৰে।
ভগৱন্ত — ভগমানে অষ্ট ঐশ্বৰ্য্যযুক্ত পৰমেশ্বৰ বিষ্ণু, কৃষ্ণ।
ভগীৰথ — সূৰ্য্যবংশীয় ৰজা- দিলীপৰ পুত্ৰ। স্বৰ্গৰপৰা গঙ্গাক নমাই আনি সাগৰ বংশক উদ্ধাৰ কৰে।
ভদ্ৰ — কৃষ্ণ-আৰু কালিন্দীৰ অন্যতম পুত্ৰ।
ভনে — বোলে বা কয় বা ৰচে।
ভদ্ৰকালী — সতীৰ মৃত্যুৰ পাচত দক্ষযজ্ঞত মহাদেৱ উপস্থিত হৈ নিজৰ জটা জোকাৰি বীৰভদ্ৰ আৰু ভদ্ৰকালীক সৃষ্টি কৰে। এওঁৰ ষোড়শ ভুজ আছে।
ভদ্ৰা — কৃষ্ণৰ সপ্তম পত্নীৰ নাম ভদ্ৰা।
ভদ্ৰাশ্ব — পৃথিৱীৰ নবৰ্ষৰ অন্যতম আৰু ইলাবৃত্ত বৰ্ষৰ পূবে অৱস্থিত।
ভৱ — শিৱৰ এটা নাম।
ভৱদায — ভৱ মানে সংসাৰ, দায় মানে বিপদ, সংসাৰৰ বিপদ।
ভৱাৰ্নৱ — সংসাৰ ৰূপসমুদ্ৰ, ভৱসাগৰ, সংসাৰৰূপ সাগৰ।
ভৱাটবী — ভৱ মানে সংসাৰ, অটবী মানে অৰন্য, সংসাৰ অৰন্য।
ভৰত — ভাগৱত মতে- ঋষব দেৱৰ শতপুত্ৰৰ জ্যেষ্ঠপুত্ৰ ভৰত। পৰম বৈষ্ণৱ। অন্যমত অনুসৰি দুষ্যন্ত- শকুন্তলাৰ পুত্ৰ ভৰত। অন্যমতে দশৰথৰ পুত্ৰ।
ভৰদ্বাজ — উতযোৰ পত্নী মমতাৰ গৰ্ভত বৃহস্পতিৰ ঔৰসত ভৰদ্বাজৰ জন্ম হয়। অপ্সৰা ঘৃতাচীক দেখি ভৰদ্বাজৰ বীৰ্য্য স্খলিত হয় আৰু তাৰ পৰাই দ্ৰোনৰ জন্ম হয়।
ভৰ্গ — ভৰ্গদেৱ।
ভল্ল — বৰ্শাঅস্ত্ৰ। এবিধ ক্ষেপনাস্ত্ৰ।
ভাণ্ড — পাত্ৰ। বাদ্যযন্ত্ৰ।
ভাগৱত — ভগৱান মানে ভগ (জ্ঞান ঐশ্বৰ্য্য)। ভগবৎ ওভগবান একাৰ্থক। ভাগবৎ অৰ্থে ভগৱত-সম্বন্ধী। ভাগৱত ধৰ্ম্মমানে ভগবানৰ কৃপালাভৰ দ্বাৰা সংসাৰ বন্ধন ছিন্নকৰাৰ উপায়। জীৱই মুক্তি লাভৰ উপায়, জ্ঞান-বিজ্ঞান-তদং-ৰহস্য-ভক্তিৰ বিষয়ে সম্যক বিবৰন থকা পুৰান-সূৰ্য্য, বৈকুণ্ঠৰ কল্পতৰু শাস্ত্ৰ মহাভগৱত। বাস্ময়-মুক্তি ভাগৱত-শ্ৰবন কৰিলে, সেৱাকৰিলে, দৰ্শন কৰিলে পাঠ কৰিলে- পাপ বিনাশ হয় আৰু পৰমপদ লাভ কৰে।
ভাণ্ডৰি — ভাণ্ডৰি এজন মুনি এওঁ ব্যাকৰন প্ৰনয়ন কৰে।
ভাথৰ — ভাত খোৱা ভতুৰা কুকুৰ। অপদাৰ্থ।
ভাৰ্গবী — ভাৰ্গৱ অৰ্থাৎ শুক্ৰাচাৰ্য্যৰ কন্যা দেৱযানী।
ভাস্কৰ — সূৰ্য্য, তপন, ৰবি, অগ্নি আদি।
ভাৰত — (মহা)- ভাৰতবৰ্ষ, ভৰতৰ নামেৰে হোৱাদেশৰ নাম, মহাভাৰত।
ভাৰতবষ — এচিয়া মহাদেশৰ অন্তৰ্গত দেশ, হিন্দুস্থান।
ভাৰত বৰিষ — ভাৰতবৰ্ষৰ পৰা ভাৰত বৰিষ হৈছে।
ভাণ্ডাইল — প্ৰতাৰনা কৰা।
ভানু — কৃষ্ণ- সত্যভ্ৰমাৰ দশপুত্ৰৰ অন্যতম।
ভাবিনী — নাৰী, কামিনী।
ভালতট — ভালৰ মানে- কপালৰ, তটমানে ক্ষেত্ৰ বা স্থান, কপালৰ স্থান।
ভিন্দিপাল — নিক্ষেপনীয় অস্ত্ৰ, বন্দুক।
ভীম — বিজয়ৰ পুত্ৰ। পুৰূৰবা-উৰ্বশীৰ ছয়পুত্ৰৰ এক পুত্ৰ বিজয়।

দময়ন্তীৰ পিতৃৰ নামো ভীম হয় পাণ্ডৱ ভীম, বায়ুৰ পুত্ৰ।

ভীষ্ম — শান্তনু আৰু গঙ্গাৰ পুত্ৰ বাবে এওঁৰ নাম গাঙ্গেয়। আচল নাম সত্যব্ৰত। ভীষন প্ৰতিজ্ঞা কৰাৰ বাবে তেওঁৰ নাম ভীষ্ম। তেওঁ ইচ্ছামৃত্যু বৰন কৰে।

ভীষ্মক — কুণ্ডিলৰ ৰজা। ৰুক্মিনীৰ পিতৃ।

ভুকুতি — সংস্কৃতত ভুক্তি।

ভুবনকোষ — পৃথিৱী পদ্মৰ কোষৰূপী। ভুবলকোষ কীৰ্তন- পৃথিৱীৰ সপ্তদ্বীপ ও সপ্তসমুদ্ৰফনা বৰ্ণনা।

ভুৰিসেন — শৰ্য্যাতিৰ পুত্ৰ। ভুৰিসেনৰ ভনীয়েক সুকন্যা অৰ্থ্যাৎ চ্যৱনৰ পত্নী।

ভূষণ্ডী — পাষান বা পাথৰ ক্ষেপন কাৰি চৰ্ম্মময় যন্ত্ৰ, গুলতি।

ভূত — দেবযোনি বিশেষ। প্ৰানীবৰ্গ। পঞ্চমহাভূত। শিৱৰ অনুচৰ।

ভূপ — ভূপতি বা নৃপতি।

ভূৰিশ্ৰবা — চন্দ্ৰবংশীয় এজন ৰজা।

ভৃগু — এজন মহৰ্ষি। ব্ৰহ্মাৰ ছালৰ পৰা জন্মে। এওঁ দক্ষকন্যা খ্যাতিক বিবাহ কৰে।

ভৃঙ্গ — ভ্ৰমৰ।

ভৃঙ্গাৰ — জলপাত্ৰ।

ভেকবেশ — ছদ্মবেশ।

ভেৰী — দুন্দুভী।

ভৈমী — বিপৰ্ভ ৰাজ ভীষ্মকৰ পূৰ্বে ভীম বিদৰ্ভৰ ৰজা আছিল আৰু ভীমৰ কন্যা দময়ন্তীক ভৈমী বোলা হৈছিল।

ভোজ — যদুবংশীয় এজন ৰজা।

ভোজপতি — বিষ্ণু পুৰানৰ মতে। যযাতিৰ পুত্ৰ যদুৰ বংশত সত্ত্বতৰ পুত্ৰ মহাভোজ আৰু মহাভোজৰ বংশত ভোজ ৰাজ ৰজা হয়।

ভোৰঙ্গ — বাদ্যযন্ত্ৰ বিশেষ।

।।ম।।

মকৰ — তিৰ্য্যক যোণিৰ অন্তভুক্ত জলচৰ প্ৰানী বিশেষ।

মকামুকি — বেঙৰ নিচিনা কৈ ডাঙৰ শব্দ কৰি মতা।

মৎকুন — মাকুন্দ বা চেলাউৰীহীন পুৰুষ।

মৎস্য — এখন দেশ। বিৰাটৰ ৰাজ্য।

মথুৰা — যমুনা নদীৰ দক্ষিন পাৰত থকা ৰাজ্য, কৃষ্ণৰ জন্মভুমি। মধুপুৰী বা মধুবন নামেৰেও জনা যায়।

মদ্ৰৰাজ — পঞ্জাবৰ এখন ৰাজ্য, ৰাজধানী শাকল। শল্য মদ্ৰৰাজ। মাদ্ৰী মদ্ৰৰাজ্যৰ ৰাজকন্যা।



মধুকাৰী বৃত্তি— মৌমাখিৰ বৃত্তি। ফুলৰ মৌচুহি আনি মধু তৈয়াৰ কৰা বৃত্তি।

মধুচ্ছন্দ — বিশ্বামিত্ৰৰ ঋষি পুত্ৰৰ নাম। ঋকবেদৰ ১ম মণ্ডলৰ নব সূক্তৰ (মন্ত্ৰৰ) প্ৰনেতা।

মধুপৰ্ক — পঞ্চামৃত।

মধুপুৰ — মথুৰা নগৰী।

মধুবংশ — যদু আৰু তেওঁৰ পত্নী নাগকন্যা ধূম্ৰবৰ্নাৰ পুত্ৰ।

মধুমাস — চৈত্ৰমাস, বসন্তকাল।

মধুসূদন — যোগনিদ্ৰাকালত বিষ্ণুৰ কানৰ মলিৰ পৰা মধু আৰু কৈটভৰ জন্ম হয় আৰু বিষ্ণুৱে বধ কৰাৰ বাবে বিষ্ণুক মধুসূদন বোলে।

মনু — ব্ৰহ্মাৰ দেহৰ পৰা ওলোৱা প্ৰথম মানৱ স্বয়ম্ভুৱ মনু। মনুৰ পত্নী শতৰূপা। মনুৰ পাচত ১৩জন মনুৰ জন্ম হয়- স্বাৰোচিষ, ৩উত্তম, তামস ৰৈবত, চাক্ষুষ, বৈবস্বত (সত্যব্ৰত), সাবৰ্ণি, দক্ষসাবৰ্নি, ব্ৰহ্মসাবৰ্ণি, ৰূদ্ৰসাবৰ্ণি, ৰুচি বা ৰৌচ্য সাবৰ্ণি, ইন্দ্ৰ সাবৰ্ণি। প্ৰতি মনুৰ ৰাজত্ব কাল এক মন্বন্তৰ। চৈধ্য মন্বন্তৰত ব্ৰহ্মাৰ এককল্প।

মণিগ্ৰীব — কুবেৰৰ দুই পুত্ৰনলকুবেৰ আৰু মণিগ্ৰীৱ। নাৰদৰ শাপত দুয়ো যমলাৰ্জ্জুণ হৈ থাকে কৃষ্ণৰ পাদস্পৰ্শত মুক্ত হয়।

মৎস্যৰূপ — ভগৱান বিষ্ণুৰ প্ৰথম অৱতাৰ। প্ৰলয় জলত হয়গ্ৰীবে বেদ পাতাললৈ লৈ যায়। মৎস্যৰূপী বিষ্ণুৱে হয়গ্ৰীবক বধ কৰি বেদ উদ্ধাৰ কৰে

মদাদৰ্প — গৰ্ব্ব বা মত্ততা।

মন্ত্ৰ — বেদৰ অঙ্গবিশেষ। 'মন্ত্ৰ শব্দৰ অৰ্থ- গোপনে উচ্চাৰণ কৰা। ছন্দোময় উচ্চৈস্বৰে উচ্চাৰিত মন্ত্ৰ- ঋক, গদ্যময় মৃদু উচ্চাৰিত মন্ত্ৰ যজুঃ, সুৰময় ভাৱে উচ্চাৰিত মন্ত্ৰ সাম।

মন্তৰ/মন্দৰগিৰি—বিশিষ্ট পৰ্ব্বত। সাগৰ মন্থনত মন্থদণ্ড হিচাবে ব্যৱহিত হৈছিল। মলয় পৰ্ব্বত।

মন্বন্তৰ — একো একোজন মনুৰ ৰাজত্বকাল।

মন্দপাল — এজন অপুত্ৰক ঋষি। নৰকত পতিত হৈছিল আৰু চাতক (শাৰ্ঙ্গক) পক্ষীৰূপে জন্ম গ্ৰহন কৰে।

মৰ্কট — বান্দৰ।

মন্দাগি — অগ্নিমান্দ্য, হজম শক্তি হীনতা।

মন্দিৰ — ভবন বা গৃহ। দেবগৃহ। পুৰ বা নগৰ।

মন্দিৰা — ধ্বনিযুক্ত কাঁহৰ কৰতাল।

মন্দোদৰী — ময়দানবৰ ঔৰসে হেমা অপ্সৰাৰ গৰ্ভত জন্ম। ৰাবনৰ পত্নী। ৰাবনৰ মৃত্যুত ৰামৰ পৰামৰ্শত বিভীষনৰ লগত বিয়া হয়।

ময়দানৱ — কশ্যপ-দনুৰ পুত্ৰ। দানৱ শিল্পী। স্থাপত্য বিদ্যাত পাৰ্গত। এওঁ স্বৰ্গত হেমাক বিয়া কৰে। দুন্দুভি আৰু মায়াবী এওঁৰ পুত্ৰ।

মৰকত — মণি বিশেষ।

মৰালবাহন — ব্ৰহ্মা। 'মৰাল' মানে ৰাজহংস বাহন যাৰ।

মৰীচি — ধ্যানমগ্ন ব্ৰহ্মাৰ মনৰ সৃষ্টি হোৱা মানস পুত্ৰ। সপ্তঋষিৰ অন্যতম। কৰ্দ্দম দেৱহুতিৰ কন্যা কলাক বিয়া কৰায়। কশ্যপ মৰীচিৰ পুত্ৰ।

মৰু — মৰুভূমি।

মৰুৎসোম — এবিধ যজ্ঞ। দিতিয়ে কশ্যপৰ পৰা দেববিজয়ী পুত্ৰ কামনা কৰাত ইন্দ্ৰই গৰ্ভতে কাটি ৪৯খণ্ড কৰে আৰু এই ৪৯টি পুত্ৰই মৰুৎগন। মৰুৎসকলৰ কাৰনে কৰা যজ্ঞই মৰুৎসোম।

মলয় পৰ্ব্বত — নীলগিৰিৰ আন নাম মলয় পৰ্ব্বত। চন্দনগিৰিও বোলা হয়।

মল্ল — বাহুযুদ্ধা বা কুস্তিগীৰ। চানুৰ, মুষ্টিক আদি মল্লবীৰ।

মহত্ব — প্ৰধান্য, বৃহত্ব, অধিক্য, ঔদাৰ্য্য।

মহাক্ৰতু — বৃহস্পতি, মহাযজ্ঞ, অশ্বমেধ যজ্ঞ।

মহাজ্ঞান — পৰমজ্ঞান, অভীষ্ট মন্ত্ৰ।

মহাপ্ৰলয় — ব্ৰহ্মাণ্ডৰ বিনাশ। দেৱতা, ঋষি, ব্ৰহ্মাকে আদি কৰি সকলো বিনাশ হয়। এক কল্পৰ শেষত মহাপ্ৰলয় হয়।

মহাভাগৱত — শ্ৰীমদ্ভাগৱত পুৰাণ। দশলক্ষণ বিশিষ্ট মহাপুৰান।

মহাভাৰত — মহাকাব্য।

মহামায়া — দুৰ্গা, অবিদ্যা।

মহাৰথ — শ্ৰেষ্ঠযুদ্ধা।

মহাসত্ৰ — দীৰ্ঘদিন ধৰি চলা যজ্ঞ।

মহৰ্লোক — সপ্তস্বৰ্গৰ ৪ৰ্থ লোক।

মহাব্যাল — মহান শক্তিশালী হিংস্ৰজন্তু।

মহিষী গীতা — কৃষ্ণৰ মহিষীৰ সম্পৰ্কীয় গীতা।

মহেন্দ্ৰ — মহেন্দ্ৰগিৰি।

মহোৰগ — নাগৰ ভিতৰত যি প্ৰধান।

মাগধ — জৰাসন্ধ।

মাঝা — কটি বা কোমৰ।

মাতঙ্গ — হাস্তী, এজন মুনি।

মাতুল-বসতি — মোমায়েকৰ ঘৰবাৰী থকাস্থান।

মাতৃযসা — মাতাৰ ভগিনী। মাহী।

মাথুৰ — মথুৰাৰ যদুবংশীগন।

মাদোল — মাদল মৃদঙ্গ। চাওতালৰ বাদ্য।

মাদ্ৰীৰ কুমাৰ — নকুল-সহদেৱ।

মাধৱ — যদুবংশৰ প্ৰতিষ্ঠাতা যদু আৰু নাগকন্যা ধূম্ৰবৰ্ণাৰ পুত্ৰ মাধৱ। যদুবংশৰ শ্ৰেষ্ঠ কৃষ্ণক মাধববোলে।

মানস-সৰোবৰ — ব্ৰহ্মসৰোবৰ (কৈলাশত) ব্ৰহ্মাৰ মানসনিৰ্ম্মিত সৰোবৰ।

মাণ্ডব্যঋষি — আন এটা নাম অনীমাণ্ডব্য। মাণ্ডব্যক যমে অনুচিতভাবে শাস্তি দিয়াৰ বাবে যমক অভিশাপ দিয়ে শূদ্ৰাৰ যোনিত জন্মগ্ৰহন কৰিবলৈ, তাৰ ফলত বিদুৰ ৰূপে জন্ম লয়।

মান্ধাতা — সূৰ্য্যবংশৰ নৃপতি যুবনাশ্বৰ পুত্ৰ, তেওঁৰ পত্নী বিন্দুমতী, তেওঁলেকৰ গৰ্ভত পুৰুকুৎস, অম্বৰীষ আৰু মুচুকুন্দ।

মায়া — ভগৱন্তৰ যাদুকৰী শক্তি।
মায়াৰ কাৰ্য্য দুটা-
(১) আচ্ছাদন- সত্যক চাকিৰাখে
(২) বিক্ষেপন- অসত্যক দেখুৱাই দিয়ে।

মায়াৱতী — কামদেৱৰ পত্নী ৰতি। দক্ষৰ দেহৰ পৰা উৎপতি আৰু কামদেবৰ লগত বিয়া হয় মাৰীচ হিৰন্যকশিপুৰ বংশত সুন্দ অসুৰৰ ঔৰসত তাৰকা ৰাক্ষসীৰ গৰ্ভত জন্ম। ৰাবনৰ অনুচৰ হৈ মায়া সুবৰ্ন হৰিনবেশে ৰাম লক্ষ্মনক আতৰাই নিয়ে আৰু ৰামৰ হাতত মৃত্যু হয়।

মাৰুতি — মাৰুৎ মানেপবন বা বায়ু। পবনৰ পুত্ৰ- ভীম, হনুমান।

মাৰ্কণ্ডেয় — ভৃগুৰ দুই পুত্ৰ- ধাতা আৰু বিধাতা। বিধাতাৰ পুত্ৰ মৃকণ্ড, মৃকণ্ডৰ পুত্ৰ বেদশিৰা আৰু তেৱেঁই মৃকণ্ডু বা মাৰ্কণ্ডেয় মুনি। মাৰ্কণ্ডেয় পূৰানৰ ৰচক এৱেঁই।

মাৰ্গদেশ — বায়ু নিৰ্গম স্থান, নিতম্ব। গুহ্যস্থান।

মাৰ্গশীৰ্ষ — অগ্ৰহায়ন মাহ।

মাল্যবান — সুকেশ ৰাক্ষসৰ পুত্ৰ (ৰামায়নৰমতে)। ৰাবনৰ মন্ত্ৰী।

মাহিষ্মতী — নৰ্ম্মদাৰ দক্ষিনস্থ এখন ৰাজ।

মালাৰী — এবিধ খেল (লৰাই খেলা)।

মালি — ৰাক্ষস ৰাজ সুকেশৰ- মাল্যবান, সুমালী আৰু মালী নামৰ তিনিটি পুত্ৰৰ ভিতৰত মালি বা মালী অন্যতম। অত্যাচাৰী মালীক বিষ্ণুৱে বধ কৰে।

মাহুত — মাউত, হাতীচালক।

মিত্ৰবৰুন — বা মিত্ৰা-বৰুন। মিত্ৰ ও বৰুন। ঋকবেদত উল্লেখ থকা মতে মিত্ৰ হৈছে আলো বা পাহৰৰ দেৱতাৰূপ বৰুনক আবৰনৰ দেৱতা ৰূপে স্তুতি কৰা হৈছিল। পুৰানত অলোক দেৱতা- সূৰ্য্য আৰু জলদেৱতা বৰুন।

মিত্ৰবিন্দা — কৃষ্ণৰ এগৰাকী পত্নী।

মিথিলা — নিমিৰ পুত্ৰ মিথি। এওঁৰ অন্য জনক বা বিদেহ।

মিহিৰ — মিহ মানে সেৱাকৰা, ইৰ-ৰ্ত্তৃ। যি কিৰন দিয়ে। সূৰ্য্য, চন্দ্ৰ।

মীন — মাছ, মৎস্য।
মীনকেতু — মৎস্য চিহ্নিত কেতন (পতাকা) যাৰ কামদেৱ। প্ৰদুম্ন।
মীমাংসা — সিদ্ধান্ত, নিষ্পতি, ছয়দৰ্শনৰ অন্তৰ্গত জৈমিলিকৃত দৰ্শনশাস্ত্ৰ।
মুক্তি — মোক্ষ, (সালোক্য- সাষ্টি- সামীপ্য- সাৰূপ্য- সাযুজ্য- পঞ্চমুক্তি)
মুকুতি — মুক্তিৰ অপভ্ৰংশ- মুকুতি।
মুকুন্দ — মোক্ষন্দাতা, নাৰায়ন।
মুচঙ্গ — বা মুখচঙ্গ। লৌহ নিৰ্ম্মিত চোঙাৰ আকাৰৰ বাদ্যযন্ত্ৰ।
মৃকণ্ডু — ভৃগু আৰু দক্ষকন্যা খ্যাতিৰ গৰ্ভত বিধাতাৰ জন্ম আৰু বিধাতাৰ পুত্ৰ মৃকণ্ডু। মাৰ্কণ্ডেয়ৰ পিতা।
মৃগেন্দ্ৰ — সিংহ। মৃগৰ ভিতৰত শ্ৰেষ্ঠ বা ৰজা।
মৃতসঞ্জীৱনী — বিদ্যাবলত মৃতকক পুনৰায় জীৱিত কৰা। দৈত্যগুৰু শুক্ৰাচাৰ্য্যই জানিছিল। দেবাসুৰ যুদ্ধত মৃত দৈত্যগনক এই বিদ্যাৰ দ্বাৰা পুনৰ জীয়াই দিছিল। বৃহস্পতিৰ পুত্ৰ কচে শুক্ৰাচাৰ্য্যৰ পৰা এই বিদ্যা শিকিছিল।
মৃদঙ্গ — মৃৎ (মাটিৰে) যাৰ অঙ্গ হৈছে। খোল।
মেখলা — কটিভূষন, কোমৰ বা কমৰৰ অলঙ্কাৰ।
মেঘচাৰি — চাৰিমেঘ-আৰু (যি মেঘত জল নাথাকে), দ্ৰোঁন (শস্য আদিৰ প্ৰপূৰক), পুষ্কৰ জ্বেলেৰে পৰিপূৰ্ন), সংবৰ্ত (জলেৰেভৰপুৰ প্ৰলয়কাৰী মেঘ)।
মেঢ় — পুৰুষৰ লিঙ্গ, উপস্থ, শিশ্ন, লিঙ্গ।
মেধাতিথি — মনুসংহিতাৰ টীকাকাৰ, মেধাবী।
মেৰু — সুমেৰু আৰু কুমেৰু।
মেনকা — গিৰিৰাজ হিমালয়ৰ পত্নী। এজনী স্বৰ্গৰ অপ্সৰা।
মৈত্ৰী — মিত্ৰতা, বন্ধুত্ব।
মৈত্ৰেয় — অত্ৰি পুত্ৰ চন্দ্ৰৰ বংশত জন্মহোৱা বিখ্যাত ঋষি। মৈত্ৰেয় মুনিয়ে দুৰ্য্যোধনক পাণ্ডৱৰ বিৰোধিতা নকৰিবলৈ কোৱাত দুৰ্য্যোধনে নামানিলে আৰু দুৰ্য্যোধনক অভিশাপ দিলে- ভীমৰ হাতত উৰুভঙ্গ হব।
মৈত্ৰেয় মদিৰা — মিৰা নামৰ নগৰৰ প্ৰচলিত এবিধ মিশ্ৰন মদ। এই মদ অত্যন্ত কামউদ্দীপক।
মোহিনী — বিষ্ণুৰ নাৰীৰূপ। শিৱক মোহিবৰ বাবে এই ৰূপ ধাৰন কৰিছিল।
মোক্ষ — জীৱনৰ শেষ অৰ্থ, মুক্তিলাভ।
মৌন — অভাযন, কথা নোকোৱাকৈ থকা।
ম্লেচ — অসভ্য জাতি। কিৰাত, শবৰ, পুলিন্দ, যবন প্ৰভৃতি।মুচুকুন্দ — মান্ধাতাৰ পুত্ৰ। আজন্ম নিৰামিষাশয়ী। পৰম বৈষ্ণৱ। দেবতাৰ হকে যুদ্ধকৰি দেব বৰ লাভ কৰি গুহাত শুই আছিল আৰু কালযবনে নিদ্ৰা ভঙ্গ কৰাত ভস্ম হয়।
মুদগৰ — গদা।
মুনি — ঋষি, তপস্বী।
মুনি-মন্যু — মন্যু মানে ক্ৰোধ বা ৰোষ। মুনি ক্ৰোধত কৃষ্ণত নিমৰ্জ্জিত হোৱা।
মুমুক্ষু — মুক্তিপ্ৰাথী।
মুৰজ — মৃদঙ্গ কাঁহি।
মুৰ — এটা দৈত্য, বিষ্ণুৱে বধ কৰে।
মুৰাৰি — মুৰ অসুৰ নিধন কাৰী, বিষ্ণু।
মুৰলীধৰ — কৃষ্ণ।
মুষল — মুদগৰ, গদা।
মুষ্ক — অশুকোষ।
মুষ্টিক — এটা মল্ল, বলৰামে বধ কৰে।
মূলমন্ত্ৰ — বীজমন্ত্ৰ।
মকৰ — তিৰ্য্যক যোনিৰ অন্তভুক্ত জলচৰ প্ৰানী বিশেষ।
মকামুকি — বেঙৰ নিচিনাকৈ ডাঙৰ শব্দ কৰি মতা।
মৎকুন — মাকুন্দ বা চেলাউৰীহীন পুৰুষ।
মৎস — এখন দেশ। বিৰাটৰ ৰাজ্য।
মথুৰা — যমুনা নদীৰ দক্ষিন পাৰত থকা ৰাজ্য, কৃষ্ণৰ জন্মভূমি মধুপুৰী বা মধুবন নামেৰেও জনা যায়।
মদ্ৰৰাজ — পঞ্জাবৰ এখন ৰাজ্য, ৰাজধানী শাকল। শল্য মদ্ৰৰাজ। মাদ্ৰী মদ্ৰৰাজ্যৰ ৰাজকন্যা।
মধবৃতি — মৌমাখিৰ বৃতি। ফুলৰ মৌচুহি আনি মধু তৈয়াৰ কৰা বৃতি।
মধুচ্ছন্দ — বিশ্বামিত্ৰৰ ঋক্‌পুত্ৰৰ নাম। ঋসবেদৰ প্ৰথম মণ্ডলৰ নব সূত্ৰৰ (মন্ত্ৰৰ) প্ৰনেতা।
মধুপৰ্ক — পঞ্চামৃত।
মধুপুৰ — মথুৰা নগৰী।
মধুবংশ — যদু আৰু তেওঁৰ পত্নী নাগকন্যাৰ ধূম্ৰবৰ্নাৰ পুত্ৰ।
মধুমাস — চৈত্ৰমাস, বসন্তকাল।
মধুসূদন — যোগনিদ্ৰাকালত বিষ্ণুৰ কানৰমলিৰ পৰা মধু আৰু কৈটভৰ জন্ম হয় আৰু স্বাৰোচিষ, উত্তম, তামস ৰৈবত,চাক্ষুষ, বৈবস্বত (সত্যব্ৰত), সাৱৰ্নি, দক্ষসাৱৰ্নি, ব্ৰহ্মসাৱৰ্নি, ৰূদ্ৰসাৱৰ্নি, ৰুচিবা ৰৌচ্য সাৱৰ্নি, ইন্দ্ৰসাৱৰ্নি। প্ৰতিমনুৰ ৰাজত্ব কাল এক মন্বন্তৰ। চৈধ্য মন্বন্তৰত ব্ৰহ্মাৰ এককল্প।
মনিগ্ৰীব — কুবেৰৰ দুই পুত্ৰ নলকুবেৰ আৰু মনিগ্ৰীব। নাৰদৰ শাপত দুয়ো

যমলাৰ্জ্জু হৈ থাকে। কৃষ্ণৰ পদস্পৰ্শত মুক্ত হয়।

মৎসৰূপ — ভগৱান বিষ্ণুৰ প্ৰথম অৱতাৰ। প্ৰলয় জলত হয়গ্ৰীৱে বেদ পাতাললৈ লৈ যায়। মৎসৰূপী বিষ্ণুৱে হয়গ্ৰীৱক বধ কৰি বেদ উদ্ধাৰ কৰে।

মদাদৰ্প — গৰ্ব্ব বা মত্ততা।

মন্ত্ৰন্যাস — মন্ত্ৰৰ দ্বাৰা শৰীৰৰ বিভিন্ন অঙ্গৰ উপাস্য দেৱতাৰ উদ্দেশ্যে অৰ্পন কৰা পদ্ধতি। অঙ্গন্যাস, কৰন্যাস আদিয়েই মন্ত্ৰন্যাস।

মন্ত্ৰ — বেদৰ অঙ্গ-বিশেষ। মন্ত্ৰ শব্দৰ অৰ্থ- গোপনে উচ্চাৰন কৰা। ছন্দোময় উচৈচস্বৰে উচ্চাৰিত মন্ত্ৰ-ঋক, গদ্যময় মৃদু উচ্চাৰিতমন্ত্ৰ যজুঃ, সুৰময় ভাৱে উচ্চাৰিত মন্ত্ৰ সাম। মন্দৰ বা মন্দৰ গিৰি- বিশিষ্টপৰ্ব্বত। সাগৰ মন্থনত মন্থনদণ্ড হিচাবে ব্যৱহিত হৈছিল। মলয় পৰ্ব্বত।

মন্বন্তৰ — একো একোজন মনুৰ ৰাজত্বকাল।

মন্দপাল — এজন অপুত্ৰক ঋষি। নৰকত পতিত হৈছিল আৰু চাতক (শাঙ্গক) পক্ষীৰূপে জন্ম গ্ৰহন কৰে।

মৰ্কট — বান্দৰ।

মদাগ্নি — অগ্নিমান্দ্য, হজমশক্তি হীনতা।

মন্দিৰ — ভৱন বা গৃহ। দেৱগৃহ। পুৰ বা নগৰ।

মন্দিৰা — ধ্বনিযুক্ত কাঁহৰ কৰতাল।

মন্দোদৰী — ময়দানবৰ ঔৰসে হেমাঅপ্সৰাৰ গৰ্ভত জন্ম। ৰাবনৰ পত্নী। ৰাবনৰ মৃত্যুত ৰামৰ পৰামৰ্শত বিভীষনৰ লগত বিয়া হয়।

ময়দানৱ — কাশ্যপ মনুৰ পুত্ৰ। দানৱ শিল্পী। স্থাপত্য বিদ্যাত পাৰ্গত। এওঁ স্বৰ্গত হেমাক বিয়া কৰে দুন্দুভি আৰু মায়াবী এওঁৰ পুত্ৰ।

মৰকত — মনি বিশেষ।

মৰালবাহন — ব্ৰহ্মা। মৰালমানে ৰাজ হংস বাহন যাৰ।

মৰীচি — ধ্যানমগ্ন ব্ৰহ্মাৰ মনৰ পৰা সৃষ্টি হোৱা মানস পুত্ৰ। সপ্তঋষিৰ অন্যতম। কৰ্দ্দম-দেৱহুতিৰ কন্যা কলাক বিয়া কৰায়। কশ্যপ মৰীচিৰ পুত্ৰ।

মৰু — মৰুভূমি।

মৰুৎসোম — এবিধ যজ্ঞ। দিতিয়ে কশ্যপৰ পৰা দেৱবিজয়ী পুত্ৰ কামনা কৰাত ইন্দ্ৰই গৰ্ভতে কাটি ৪৯খণ্ড কৰে আৰু এই ৪৯টি পুত্ৰই মৰুৎগন। মৰুৎসকলৰ কাৰনে কৰা যজ্ঞই মৰুৎসোম।

মলয় পৰ্ব্বত — নীলগিৰিৰ আন নাম মলয়পৰ্ব্বও। চন্দনগিৰিত বোলা হয়।

মল্ল — বাহুযুদ্ধা বা কুস্তিগীৰ। চানুৰ, মুষ্টিৰ আদি মল্লবীৰ।

মহত্ব — প্ৰাধান্য, বৃহত্ব, আধিক্য, ঔদাৰ্য্য।

মহাক্রতু — বৃহস্পতি, মহাযজ্ঞ, অশ্বমেধযজ্ঞ।

মহাজ্ঞান — পৰমজ্ঞান, অভীষ্টমন্ত্ৰ।

মহাপ্ৰলয় — বহ্মাণ্ডৰ বিনাশ। দেৱতা, ঋষি, ব্ৰহ্মাকে আদি কৰি সকলো বিনাশ হয়। এক কল্পৰ শেষত মবাপ্ৰলয় হয়।

মহাভাগৱত — শ্ৰীমদ্ভাগৱত পুৰান। দশলক্ষন বিশিষ্ট মহাপুৰান।

মহাভাৰত — মহাকাব্য।

মহাভাৰ — পাপী আৰু পাপীলোকৰ সমষ্টিক মহাভাৰ বোলে।

মহামায়া — দুৰ্গা, অবিদ্যা।

মহাৰথ — শ্ৰেষ্ঠযুদ্ধা।

মহাসত্ৰ — দীৰ্ঘদিন ধৰি চলা যজ্ঞ।

মহৰ্লোক — সপ্তস্বৰ্গৰ চতুৰ্থ লোক।

মহাব্যাল — মহান শক্তিশালী হিংস্ৰজন্তু।

মহিষী গীতা — কৃষ্ণৰ মহিষীৰ সম্পৰ্কীয় গীতা।

মহেন্দ্ৰ — মহেন্দ্ৰগিৰি।

মহোৰগ — নাগৰ ভিতৰত যি প্ৰধান।

।।য।।

যোগমায়া — মহামায়া ভগৱতীৰ ৰূপবিশেষ। কল্পনান্তৰত বিষ্ণুৱেভ গৱতীৰ প্ৰভাৱত গভীৰ নিদ্ৰাত (যোগনিদ্ৰাত) থাকোতে ব্ৰহ্মাৰ নাভিৰ কমলত ব্ৰহ্মাৰ সৃষ্টি হয়।

যোগশাস্ত্ৰ — শিৱ যোগৰ স্ৰষ্টা। যোগ বিষয়ক শাস্ত্ৰক ৰুদ্ৰগীতা বোলা হয়। যোগাশাস্ত্ৰৰ প্ৰতো পতঞ্জলি।

যোগী — যোগাভ্যাসী, তপস্বী।

যোগেশ্বৰ — বিষ্ণু, শিৱ।

যক্ষ — দেৱযোনি বিশেষ। ব্ৰহ্মাৰ জন্মৰ পাচক এওঁৰ জন্ম। অন্যমতে কশ্যপৰ পুত্ৰ। যক্ষগন ধনাধিপতি কুবেৰৰ অনুচৰ।

যক্ষপতি — কুবেৰ।

যক্ষবন — যক্ষৰাজৰ কানন।

যক্ষেশ্বৰ — কুবেৰ।

যজ্ঞ — স্বয়ম্ভু মনুৰ কন্যা আকুতিৰ গৰ্ভত প্ৰজাপতি ৰুচিৰ ঔৰসে নাৰায়নে যজ্ঞ নামেৰে জন্মগ্ৰহন কৰে। যজ্ঞৰ সহোদৰা দক্ষিনা, দুয়ো ভ্ৰাতা-ভগ্নী যদিও প্ৰনয়পাশত আবদ্ধ হয়।

যজ্ঞমূৰ্ত্তি — যজ্ঞৰূপ মূৰ্ত্তিধাৰী বিষ্ণু।

যজ্ঞেশ — বিষ্ণু, কৃষ্ণ।

যতি — ঋষি বা মুনিৰ সমাৰ্থক। তাপস।

যদিস্যাৎ — যদিও বা যদিবা।

যদু — চন্দ্ৰৰ পুত্ৰ বুধ, বুধৰ পুত্ৰ পুৰূৰবা। পুৰূৰবাৰ পুত্ৰ আয়ু, আয়ুৰ

পুত্ৰ নহুষ, নহুষৰ পুত্ৰ যযাতি। যযাতিৰ ১মা পত্নীদেবযানী, ২য়া পত্নী শৰ্ম্মিষ্ঠা। দেবযানীৰ পুত্ৰ যদু।

যবন — যযাতিৰ আভিশপ্ত পুত্ৰ তুৰ্বসুৰ বংশধৰগন যবন নামে বিখ্যাত। এওঁলোক স্বেচ্ছাচাৰী আৰু বিধৰ্ম্মী আছিল।

যম — মৃত্যুৰ অধিপতি, দক্ষিনৰ দিগপাল। সূৰ্য্যৰ ঔৰসত সংজ্ঞাৰ গৰ্ভত যমৰ জন্ম হয়। বৈবস্বত মনুৰ ভাতৃ যমেই বিদুৰৰূপে জন্মে।

যমলাৰ্জ্জুন — দুজোপা যঁজা অৰ্জ্জুন গছ। নাৰদৰ শাপত কুবেৰৰ দুই পুত্ৰ মনীগ্ৰিব আৰু নলকুবেৰ দুজোপা গছ হৈ আছিল আৰু কৃষ্ণৰ পৰশত মুক্তি লাভ কৰে।

যমালয় — যম পুৰী।

যমুনা — কালিন্দী নদী। যমুনাৰ পাৰত বৃন্দাবন অৱস্থিত। যমী।

যযাতি — চন্দ্ৰ বংশীয় ৰজা নহুষৰ পুত্ৰ। দেবযানী আৰু শৰ্মিষ্ঠাৰ স্বামী।

যশোদা — কৃষ্ণৰ পালিতা মাতৃ। নন্দৰ পত্নী। পুৰানৰ মত অনুসৰি বসুগনৰ ভিতৰত দ্ৰোন আৰু তেওঁৰ পত্নীধৰাই নন্দ যশোদা ৰূপে জন্ম লয়।

যাজ্ঞবল্ক্য — বল্ক মানে বক্তা। ব্যাসৰ শিষ্য, এজন ঋষি। মহাভাৰতৰ মতে বিশ্বামিত্ৰৰ পুত্ৰ। এওঁ সংহিতাকাৰ।

যাদৱ — যদুৰ সন্তান-সন্ততি।

যাম — দুটি যাম। এক প্ৰহৰ সময়কে যাম বোলে। যামৰ পৰা যামিনী (ৰাতি) হৈছে।

যামুন — এখন তীৰ্থ। যমুনাৰ নিকতবৰ্ত্তী তীৰ্থ।

যাম্য — দক্ষিন দিক।

যুগধৰ্ম্ম বিপৰ্য্যয় —কলিৰ আৰম্ভত সত্য- ত্ৰেতা- দ্বাপৰ যুগৰ দেব-ধৰ্ম্ম-পুন্যৰ বিভ্ৰাত ঘটা।

যুদ্ধজিত — কৃষ্ণ-ভদ্ৰাৰ পুত্ৰ সংগ্ৰামজিৎ বা যুদ্ধজিত।

যুধিষ্ঠিৰ — পাণ্ডুৰ জ্যেষ্ঠ ক্ষেত্ৰজ পুত্ৰ। কুন্তীৰ পুত্ৰ। ধৰ্ম দেবতাৰ অৱতাৰ। ধৰ্ম্মৰাজ। যুদ্ধত স্থিৰ বাবে যুধিষ্ঠিৰ।

যুবনাশ্ব — সূৰ্য্যবংশীয় এজন ৰজা। মান্ধাতা যুবনাশ্বৰ পুত্ৰ।

যুযুৎসু — ধৃতৰাষ্ট্ৰৰ এজন পুত্ৰ, মাতৃ এগৰাকী বেশ্যা।

যুথ — পশু-পক্ষীৰ দল বা পাল।

যোগ — ব্যক্তিগত আত্মাৰ সৈতে পৰমাত্মাৰ মিলন আৰু তপশ্চৰ্য্যাই হৈছে যোগৰ অন্যতম লক্ষ্য। পতঞ্জলি যোগদৰ্শনথ প্ৰনেতা। চঞ্চলমনক নিয়ন্ত্ৰন কৰি বা পৰমাত্মাত কেন্দ্ৰীভূত কৰি সত্য উপলব্ধি কৰাই যোগ দৰ্শন। পৰমাত্মা-জীৱাত্মাৰ মিলন কৰাই যোগ সাধন।

।ৰ।।

ৰক্ষ — দানৱ, দৈত্য, ৰাক্ষস।

ৰক্ষাকবচ — ৰাখিবন্ধন। প্ৰিয়জনক ৰাখি পুৰ্ণিমাৰ দিনা ৰঙা সুতাৰে বন্ধা অনুষ্ঠান।

ৰঘু — সূৰ্য্যবংশীয় ৰজা দিলিপৰ পুত্ৰ। ৰঘুৰ পুত্ৰ অজ, অজৰ পুত্ৰ দশৰথ, ধশৰথৰ পুত্ৰ ৰাম।

ৰঘুনাথ — ৰঘুবংশৰ সৰ্ব্বশ্ৰেষ্ঠজন শ্ৰীৰাম বা জানকীনাথ।

ৰজাসত্যব্ৰত — সূৰ্য্য বংশীয় ৰজা। ভগবানে মৎসৰূপে অৱতাৰ হৈ সত্যব্ৰত ৰজাক নিজমায়া প্ৰদৰ্শন কৰিছিল।

ৰনচেৰ — ৰনত পৰাজয় বৰন কৰা।

ৰদে — হ্ৰদত।

ৰজি — পুৰুৰবাৰ পুত্ৰ আয়ু, আয়ুৰ পুত্ৰ ৰজি। ৰজিৰ পাঁচশ পুত্ৰ আছিল। দেবপক্ষৰ বাবে যুদ্ধতৰি জয়ী হয়।

ৰণবাদ্যকৰ গন — নিজদলৰ যুদ্ধজয়ৰ বাবে,সেন্যগনৰ উৎসাহ বঢ়াবৰ কাৰনে বাজনা বজোৱা সকল।

ৰণভেৰী — যুদ্ধত ব্যৱহিত বাদ্য বিশেষ।

ৰণশূৰ — শূৰ মানে বীৰ্যবান। মহাযুদ্ধা।

লড়ালড়ি — বেগেৰে, দ্ৰুতগতিৰে।

ৰতি — মায়াবতী, প্ৰীতি, কামিনী, কামকলা, কেলিকলা।

ৰতিঘৰ — নাৰী- পুৰুষৰ দেহমিলনৰ ঘৰ বা শয্যা।

ৰন্তিদেব — চন্দ্ৰবংশীয় দুষ্মন্তৰ পুত্ৰ ভৰতৰ দশম উত্তৰপুৰুষ ৰতিদেৱ। মহাৰাজ সম্ভুতিৰ পুত্ৰ। অতিথি সৎকাৰী, অশেষ অন্নৰ অধিকাৰী।

ৰমনী ৰমন — ৰমনী গনৰ মন হৰন কাৰী কৃষ্ণ, গোপীপ্ৰেমী কৃষ্ণ।

ৰসাল — মধুৰ ধ্বনি, আনন্দ জনক তাল।

ৰা — শব্দ, বাক্য, কথা।

ৰাক্ষস — সকলোজীৱ আৰু প্ৰানস্বৰপজলৰ ৰাজ্জ কৰ্তা হোৱাৰ বাবে তেওঁলোকক ৰাক্ষস বোলে। পৰবতী কালত ৰক্ষা কৰ্ম্মৰ বিৰোধী হয়।

ৰাক্ষস বিবাহ —পিতা-মাতা বা আত্মীয় স্বজন হত্যাকৰি জোৰ পূৰ্ব্বক বিয়া কৰোৱা বিবাহক ৰাক্ষস বিবাহ বোলে।

ৰাজৰ্ষি — ৰজা হৈও ঋষিৰ দৰে আচৰন কৰিলে ৰজৰ্ষি বোলে।

ৰাজসূয় যজ্ঞ — ৰাজচক্ৰবৰ্তী হবৰ কাৰনে কৰা যজ্ঞ, যত কোনো ৰজা সম্ৰাটৰ অসূয়া (বিৰোধিতা) নকৰে।

ৰাধাচক্ৰ — ৰাধা অৰ্থে লক্ষ্য, চক্ৰ অৰ্থে নিম্নস্থ অস্ত্ৰ। সুদৰ্শন চক্ৰ, লক্ষ্য ভেদৰ বাবে ছিদ্ৰপথ।

ৰাৱন — লঙ্কাৰ অধিপতি ৰাক্ষসৰাজ। বিশ্ৰবা পিতৃ, কৈকেসী বা নিকষা মাতৃ। এওঁ বৰলাত কৰি কুবেৰক পৰাস্তকৰি খেদি

পঠায় আৰু পুষ্পকৰথ হস্তগত কৰে। মন্দোদৰীক বিয়াকৰে, মেঘনাদ তেওঁৰ পুত্ৰ। দিগ্বিজয় কৰোতে-বালি, কাৰ্তবী য্যাৰ্জ্জুন, মান্ধাতা, বলিৰ বাহিৰে সকলোকে জয় কৰে। দেবকন্যা, দানবকন্যা, ঋষিকন্যা, তপস্বিনী আদিক অপহৰন কৰে আৰু তপস্বিনী বেদবৃতীক বলাৎকাৰ কৰাত অভিশপ্ত হয়। বলপ্ৰয়োগ কৰিলে মৃত্য হব। সেয়ে সীতাক হৰণ কৰি আশোক বনত সন্মতিপাবৰ বাবে বন্দীকৰি ৰাখিছিল। ৰামৰ হাতত- মৃত্যু হয়।

ৰাম — দশৰথৰ পুত্ৰ। বিষ্ণুৰ অৱতাৰ।

ৰামচন্দ্ৰ — অযোধ্যাৰ ৰজা, সীতা স্বামী।

ৰামদামোদৰ — ৰাম-বলৰাম, দামোদৰ- কৃষ্ণ, ৰাম-কৃষ্ণ, কৃষ্ণ-বলোৰাম।

ৰামৰম্ভাতৰু — ৰামকল গছ।

ৰামশিঙা — ৰাম-দীৰ্ঘ, শিঙা-শিং। বাদ্য-যন্দ্ৰ বিশেষ।

ৰামা-ৰম — ক্ৰিয়াকৰ + অ, নাৰী।

ৰাসলীলা-কৃষ্ণ — গোপীৰ অনঙ্গ কেলি।

ৰাহুকেতু — দানব বিপ্ৰচিতিৰ ঔৰসত, দানবীৰাক্ষসী সিংহিকাৰ গৰ্ভত ৰাহুৰ জন্ম। বিষ্ণুৰ চক্ৰেৰে ৰাহু-কেতু দুভাগত বিভক্ত কৰে। চন্দ্ৰ আৰু সূৰ্য্যক ৰহুৱে গ্ৰাস কৰে।

ৰাহুত — ঘোঁৰাচালিক।

ৰিষ্টিশান্তি — অশুভ বা অমঙ্গল বা গ্ৰহদোষ দূৰকৰি শান্তি প্ৰতিষ্ঠা।

ৰুক্ম — বিদৰ্ভৰাজ ভীষ্মকৰ জ্যেষ্ঠ পুত্ৰ। কৃষ্ণবিৰোধী, কৃষ্ণৰ হাতত মৃত্যু।

ৰুক্মী — ৰুক্মৰ আন নাম।

ৰুচি — এজন প্ৰজাপতি। প্ৰম্লোচাৰ কন্যা মালিনীক বিয়াকৰায়। মালিনীৰ গৰ্ভত ৰুচিৰ জন্ম হয়। এওঁ এজন মনু।

ৰুদ্ৰ — ঋকবেদত অগ্নিয়েই ৰুদ্ৰ। ৰুদ্ৰ মানে কান্দোন বা শব্দকৰা। ৰুদ্ৰ মকৎ সকলৰ পিতাক। মেঘৰূপী দেৱতা। ৰুদ্ৰক ত্ৰ্যম্বক বুলিও কয়।

ৰুদ্ৰগন — ৰুদ্ৰ এঘাৰজন-একাদশ ৰুদ্ৰ-অহিৰ্ব্ধ্ন, বিৰূপাক্ষ, বৈবত, হৰ, বহুৰূপ, ত্ৰ্যম্বক, সাবিত্ৰ, জয়ন্ত, পিনাকী, অজৈকপাদ, সুশ্বেৰ।

ৰুৰু — হৰিণ বিশেষ।

ৰেবত — গুজৰাটৰ ওচৰৰ এখন নগৰ আনন্দপুৰ আৰু ৰাজধানী কুশস্থলী। সেই দেশৰ ৰজা আনৰ্ত বাবে দেশখনৰ নামে আনৰ্ত। ৰজা আনৰ্তৰ পুত্ৰ ৰেবত। ৰেবতৰ জীয়েক ৰেবতীক বলৰামে বিয়া কৰে। ৰেবতী ৰজাৰ কন্যা।

ৰোমহৰ্ষন — ব্যাসৰ শিষ্য-ৰোমহৰ্ষনৰ পুত্ৰ সৌতি বা উগ্ৰশ্ৰক। এওঁ পুৰান বক্তা।

ৰোহিনী — বসুৱেৰ পত্নী। দৈৱকীৰ ৭ম সন্তাটি সঙ্কৰ্ষন কৰি ৰোহিনীৰ গৰ্ভলৈ নিয়া হয় আৰু সেই সন্তানেই হলিৰাম বা বলভদ্ৰ।

ৰোহিতাশ্ব — (১) হৰিশ্চন্দৰ পুত্ৰ (২) গনবিশেৰ, (৩) অগিনৰ ঘোঁৰাৰনাম, সতাভ্ৰমাৰ পুত্ৰ।

।।ল।।

লক্ষনা — মদ্ৰৰাজ বিন্ধ্যাসন বা বৃহ্যসেনৰ কন্যা। কৃষ্ণৰ পত্নী। এওঁৰ পুত্ৰ দহজন। দুৰ্য্যোধনৰ জীয়েক আৰু শাম্বৰ লগত বিয়া হয়।

লটক — দুষ্ট, পাষণ্ড।

লৱৰাযম — বুঢ়া যম।

লক্ষন — সুমিত্ৰাৰ পুত্ৰ, ৰামৰ ভাতৃ, ঊৰ্ম্মিলাৰ স্বামী।

লক্ষ্মী — ঐশ্বৰ্য্যৰ দেবী। সমুদ্ৰ মন্থনত নিৰ্গতা হৈছিল।

লক্ষ্মীপতি — বিষ্ণু, নাৰায়ন।

লড়ি — লাঠি।

লাঙ্গল ঈশা — নাঙলৰ দণ্ড, হলদণ্ড।

লিঙ্গদেহ — সূক্ষ্মদেহ, সূক্ষ্মশৰীৰ। বেদান্তমতেসপ্ত আবৰনৰ দেহ। এঘাৰইন্দ্ৰিয় + পঞ্চবায়ু + বুদ্ধি = ১৬ ইন্দ্ৰিয়।

লোকালোক — লোক + আলোক = অন্তৰ্ভাগ- সূৰ্য্যৰ পোহৰে আলোতি (দৃশ্য) আৰু বাহিৰ্ভাগ- সূৰ্য্যৰ আলোকৰ অভাৱত অলোক (অদৃশ)।

লোমশ — মহাসিদ্ধ মুনি। প্ৰতিকল্পত তেওঁৰ এডালকৈ নোম নষ্ট হয় বাবে তেওঁৰ নাম লোমশ।

লোলিত — শিথিল, ঢিলা।

লোহিত ৰুদ্ৰ — শিৱৰ অংশভুত প্ৰলয়ৰ মূৰ্ত্তিসমূহৰ ভিতৰত এটা মূৰ্তি।

লেচেঙ্গা — এলেহুৱা, বৰ কথাকোৰা মানুহ।

।।শ।।

শক — এটাজনগোষ্ঠী। কামধেনুৰ স্তনৰ পৰাও লোৱা শক্তিশালী যুদ্ধাৰ দল।

শকট-ভ ঞ্জন — কংস প্ৰেৰিত দূত, পাত্ৰত ব্যৱহিত গৰু-যান (গৰুগাড়ী)। কৃষ্ণক বধিবৰ কাৰনে গাড়ীত অদৃশ্যমান হৈ আছিল, কৃষ্ণই বধ কৰে।

শকুন্তলা — বিশ্বামিত্ৰ-মেনকাৰ কন্যা, কন্বমুনিৰ পালিতা। ৰজা দুষন্তই বিয়া কৰায় আৰু ভৰত তেওঁলোকৰ পুত্ৰ।

শকুল মৎস্য — শলমাছ।

শক্ৰ — ইন্দ্ৰ।

শঙ্কৰদাৰা — শিৱৰ পত্নী, পাৰ্ব্বতী বা দুৰ্গা।

শঙ্কৰদেব — মহাপুৰুষ শঙ্কৰদেব। নববৈষ্ণৱ ধৰ্ম্ম প্ৰবৰ্ত্তন কাৰী। ধৰ্ম্মগুৰু সাহিত্যগুৰু, সংস্কৃতিৰ গুৰু, যুগ প্ৰবৰ্তনকাৰী।

শক্তি — (১) ক্ষমতা, বল, পৰাক্ৰম। (২) শক্তি তিনিবিধ- প্ৰভাৱজ, উৎসাহজ, মন্ত্ৰজ। (৩) কাৰ্য্য উৎপাদন যোগ্য ধৰ্ম্ম। প্ৰকৃতিৰ, দুৰ্গা, গোৰী, মহাকালী।

শঙ্খচূড় — এজন দৈত্যৰ নাম। তুলসীৰ স্বামী, শিৱৰ দ্বাৰা নিহত।

শাচী — ইন্দ্ৰৰ পত্নী।

শচীপতি — ইন্দ্ৰ, বাসৱ।

শচীনাথ — ইন্দ্ৰ। তেওঁৰ পত্নী শচী বাবে শচীনাথ। জয়ন্ত পুত্ৰ আৰু জয়ন্তী কন্যা।

শতক্ৰতু — শত অশ্বমেধযজ্ঞকাৰী ইন্দ্ৰ।

শতধনু — এজন ৰজা, তেওঁৰ পত্নী শব্যা।

শতধন্বা — কৃষ্ণ বিদ্বেষী যাদব ৰজা।

শতৰূপাসতী — স্বায়ম্ভুব মনুৰ পত্নী। ব্ৰহ্মাৰ কন্যা।

শতঘ্নী — শতসীখ্যক শত্ৰুক বিনাশকাৰী গদাৰ আকৃতিৰ অস্ত্ৰ। কামান।

শ তপুৰ — বহু বেষ্টন যুক্ত।

শক্ৰজিত — এজন বিশিষ্ট ৰজা। পুত্ৰৰ নাম ঋতধ্বজ।

শব্দময় ব্ৰহ্ম — বেদ, শ্ৰুতি, শব্দত্মক ব্ৰহ্ম।

শফল্ক — অক্ৰুৰৰ পিতাক।

শমীক — মুনিবিশেষ। এওঁৰ ডিঙিত পৰীক্ষিতে মৰাসাপ এটা আঁৰি দিথিল।

শৰ্য্যাতি — বৈৱস্বত মনুৰ পুত্ৰ।

শনি — বিশ্বকৰ্মাৰ কন্যা সংজ্ঞাৰ গৰ্ভত বৈবস্বত মনু যম ও যমুনাৰ জন্ম। সংজ্ঞাই স্বামী সূৰ্য্যৰ তেজ সহ্য কৰিব নোৱাৰি সঙ্গিনী ছাঁয়াক নিজৰদৰে কৰি পলায়ন কৰে আৰু ছাঁয়াৰগৰ্ভত, সূৰ্য্যৰ ঔৰসত শনি, সাবৰ্নি, মনু ও মনুকন্যা তপতীৰ জন্ম হয়। চিত্ৰগুপ্তৰ কন্যাৰ লগত শনিৰ বিবাহ হয় আৰু ধ্যানমগ্নহৈ শনি থকাৰ অৱস্থাত পত্নীয়ে কাম আহ্বান কৰাত শনিয়ে নুশুনিলে, ফলত পত্নীয়ে শনিক অভিশাপ দিলে যে-শনিয়ে যাকে দৃষ্টিপাত কৰিব সি বিনষ্ট হ'ব। শনিৰ দৃষ্টিত গণেশৰ মূৰ ছিগি পৰে।

শম — চিত্তৰ স্থিৰতা।

শমন — যম।

শম্বৰ — এজন মায়াবী দৈত্য। কশ্যপ ও দনুৰ পুত্ৰ। দেৱতাৰ লগত বহুবাৰ যুদ্ধকৰে।

শশধৰ — চন্দ্ৰ।

শশাদ — ৰজাইক্ষাকুৰ পুত্ৰ বিকুক্ষি।

শশীপ্ৰভা — ভীষ্মকৰ পত্নী। ৰুক্মিনীৰ মাতৃ।

শৰস্তম্ভ — তৃণ।

শৰ্ম্মিষ্ঠা — 'যযাতি' দ্ৰষ্টব্য চাওক।

শল্য বা শাল্ব — দানব বৃষপৰ্বাৰ কনিষ্ঠ ভাতৃ অজকে দ্বাপৰ যুগৰ শাল্বৰাজ ৰূপে জন্মে। অম্বা এওঁৰ পানিপ্ৰাৰ্থী। দ্বাৰকা আক্ৰমণ কৰিছিল, কৃষ্ণই তাৰ বিমান ধ্বংস কৰে আৰু কুৰুক্ষেত্ৰৰ যুদ্ধত যুধিষ্ঠিৰৰ হাতত মৃত্যু হয়। শশব্যস্ত শশৰ দৰে ন্যায়ব্যস্ত।

শশীৰেখা — ৰাধাৰ প্ৰধান ৮গৰাকী সখীৰ প্ৰত্যেকৰ লগত থকা ৮গৰাকী সখী।

শান্তনু — কুৰুবংশীয় ৰজা, মহাবীৰ ভীষ্মৰ পিতৃ।গঙ্গাদেবীক এওঁ সৰ্ত সাপেক্ষে বিয়াকৰায়। পিতৃ শান্তনুৰ বাবে ভীষ্মই বিয়া নকৰোঁ বুলি প্ৰতিজ্ঞা কৰে।

শাম্ব — কৃষ্ণৰ পত্নী জাম্বৱতীৰ পুত্ৰ।

শাল্য — (১) অজক অসুৰৰ পুত্ৰ।(২)শিশুপালৰ বন্ধু। শিশুপাল বধৰ প্ৰতিশোধ লবৰ কাৰণে তেওঁ দ্বাৰকাপুৰী আক্ৰমণ কৰে। কৃষ্ণই বধ কৰে।

শাৰঙ্গপানি — শাৰঙ্গধনুধাৰী কৃষ্ণ। বিশ্বৰ্কমাই তৈয়াৰ কৰা শিবৰ ধনু কৃষ্ণই পায়।

শাৰণ — দৈবকীৰ গৰ্ভজাত, কৃষ্ণৰ অনুজ।

শাল্য — শল্য-(দ্ৰষ্টব্য)

শ্বাশ্বত — হস্তিনাপুৰৰ উঃপশ্চিমে অৱস্থিত পুৰী আৰু বীৰ বৰ্ম্মাৰ ৰাজধানী।

শিখি — ময়ূৰ। কাৰ্ত্তিকৰ বাহন। শিখিপুচ্ছ মানে ময়ূৰৰ পালক।

শিঙ্গা — শৃঙ্গ বা শিং নিৰ্ম্মিত বাদ্য বিশেষ। শিৱৰ বাদ্যযন্ত্ৰ, যুদ্ধৰ ব্যৱহাৰ হয়।

শিবকৃত্যা — 'কৃত্যা' মানে অভিচাৰ ক্ৰিয়াৰ দ্বাৰা দেৱতাৰ মূৰ্ত্তিভেদ।

শিবা — শিবানী,পাৰ্বতী, দূৰ্গা।

শিবিকা — যানবিশেষ,পাল্কী।

শিৰোমনি — চূড়ামনি, মূৰৰ মনি।অশ্বথামাৰ শিৰৰ ৰত্ন।

শিশুপাল — চেদি ৰাজ্যৰ ৰজা।দমঘোষৰ পুত্ৰ,বসুদেবৰ ভনীয়েক শ্ৰুতশ্ৰবাৰ পুত্ৰ।কৃষ্ণ বিদ্বেষী।যুধিষ্ঠিৰৰ ৰাজসূৰ্য যজ্ঞত কৃষ্ণই বধ কৰে।

শিশ্ন — পুৰুষৰ জননেন্দ্ৰিয়, লিঙ্গ।

শীলতা — সাধুতা।

শীল-শিক্ষা-শীল — সৎচৰিত্ৰ, শিক্ষা-ভাল অভ্যাস।সুআচৰণ ।

শীলোঞ্জা — বৃত্তি-লেচেৰীবুটলা কাৰ্য্য।

শুকদেৱ — মহামুনি ব্যাসৰ পুত্ৰ। মহাভাৰতৰ মতে ব্যাসে অগ্নি, বায়ু, ভূমিও আকাশৰ সমান গুণসম্পন্ন পুত্ৰৰ বাবে শিৱক তপস্যা কৰাত শিৱই বৰ দিয়ে। ঘৃতাচী অপ্সৰাক দেখি ব্যাসৰ বীৰ্য্য অৱণিত পৰে আৰু ঘৃতাচী শুক পক্ষীৰ ৰূপ ধাৰণ কৰে আৰু আতঁৰি যায়। অৰুণি মন্থণ কৰি ব্যাসৰ বীৰ্য্যৰ পৰা এটি শিশুজাত হয় আৰু শুকপক্ষীৰ

নামানুসাৰে তেওঁৰ পুত্ৰৰ নাম শুকদেব হয়।

শুক্ৰ — দৈত্যগুৰু। দৈত্যাচাৰ্য্য বাবে শুক্ৰাচাৰ্য্য নাম হয়। ভৃগু-পুলোমাৰ পুত্ৰ হোৱাৰ বাবে তেওঁক ভাৰ্গৱ বোলে। দেবযানীৰ পিতৃ।

শুনঃশেফ — এজন ঋষি। ঋচিক মুনিৰ পুত্ৰ।

শুম্ভ — দূৰ্গাদেবীয়ে বধ কৰা এটা দৈত্য।

নিশুম্ভ — শুম্ভৰ ভায়েক, পৰাক্ৰমী দৈত্য। দূৰ্গাই বধ কৰে।

শুদ্ধ-সত্ব — ব্ৰহ্মৰূপে ভগৱান সকলোৰে জনক, হৰ ৰূপে সংহাৰক, সমুদ্ৰবাসী জনাসুৰৰ পীড়ক, জনৰ প্ৰাৰ্থনীয়- বাবে তেওঁ জৰ্নাদন। সেই ঈশ্বৰ শুদ্ধ সত্ব।

শুভঙ্কৰী — হিতকাৰক,পাৰ্ব্বতী।

শুম্ভ নিশুম্ভ নাশিনী—দূৰ্গাদেবী।

শূলব্যাধি — শেল বা শূলৰ দৰে উদৰত পীড়াকৰি খোচা-বিন্ধা কৰা ব্যাধি।

শূৰ্পনখা — ৰাবনৰ ভগ্নী। বিদ্যুৎজীহ্ব তাইৰ স্বামী। মাৰীচৰ মাতৃ। সীতাক অপহৰণ কৰিবলৈ যাঁওতে লক্ষ্মণে নাক ছেদন কৰে।

শোন-তীৰ্থ — শোন নদীৰ পাৰৰ তীৰ্থ বিশেষ।

শোণিত নগৰ — শোনিতপুৰ (তেজপুৰ)

শৃঙ্গী — শমীকৰ পুত্ৰ।পৰীক্ষিতক অভিশাপ দিওঁতা ঋষি।

শৌচ — পৰিত্ৰতা, বিশুদ্ধতা।

শৌচমুনি — বেদজ্ঞ ব্ৰাহ্মণ মুনি বিশেষ।

শৌনক — নৈমিষাৰন্যত বাস কৰা।যাজ্ঞিক ঋষিসকলৰ অন্যতম।

শোৰি — শ্ৰীকৃষ্ণ, শনিগ্ৰহ।

শ্ৰবণ-কীৰ্ত্তন — শুনা আৰু মুখেৰে উচ্চাৰণ কৰি পঢ়া। নববিধ ভক্তিৰ ভিতৰত শ্ৰেষ্ঠতম ভক্তি।

শ্ৰাদ্ধদেব — বৈবস্বত মনু, যম, পিতৃলোক।

শ্ৰীকান্ত — লক্ষ্মীৰ মনোৰম স্বামী-বিষ্ণু।

শ্ৰীদাম — ব্ৰজৰ বালকৰ ভিতৰত শ্ৰীদাম, সুদাম কৃষ্ণৰ প্ৰিয়সঙ্গী।

শ্ৰীনিবাস — বিষ্ণু।

শ্ৰীপতি — বিষ্ণু।

শ্ৰীমতী — ৰাধিকা, পানী আনিবলৈ যোৱা ৰাধাৰ সখীগন।

শ্ৰীমধুসূদন — লক্ষ্মীনাৰায়ন।লক্ষ্মীজনাৰ্দন।

শ্ৰীধৰ স্বামী — মদ্ভাগৱত পুৰানৰ টীকাকাৰ। তেওঁৰ প্ৰণীত টীকাৰ নাম ভাগৱত ভাবাৰ্থ দীপিকা।

শ্ৰীবৎসপান্তি — কৃষ্ণৰ বক্ষস্থলৰ সোঁফালে থকা নোমৰ শাৰী।শ্ৰীবৎসলাঞ্চন; শ্ৰীযুক্ত।

শ্ৰীশৈল — কৃষ্ণানদীৰ তীৰস্থ পৰ্ব্বত।

শ্ৰুতশ্ৰবা — 'শ্ৰুত'মানে শুনা,শ্ৰবঃমানে কীৰ্তি শূৰসেনৰ কন্যা।

শ্ৰোত্ৰিয় — (শৌত্ৰমুনি দ্ৰষ্টব্য চাওক।)

শ্ববৃত্তি — 'শ্বণ'-মানে কুকুৰ, বৃত্তিমানে আচৰণ। উচ্ছিষ্ট ভোজন কৰা অভ্যাস। পদলেইন, চাটুতা।

শ্বেতকী — সত্যযুগৰ এজন বিখ্যাত ৰজা। অত্যন্ত ধৰ্ম্মপৰায়ণ ৰজা।

।। ষ ।।

ষড়ানন — কাৰ্ত্তিক। সপ্তৰ্ষিমণ্ডলৰ যজ্ঞকুঞ্জৰ পৰা অগ্নিয়ে সপ্তঋষিপত্নীক দৰ্শন কৰে আৰু কামাতুৰ হয়। তেওঁ তেওঁলোকক উপভোগ কৰা অসম্ভৱ দেখি দেহত্যাগ কৰিবলৈ লোৱাত প্ৰেমিকা স্বাহাই এক এক ঋষিপত্নী হৈ ৰতিসুখদান কৰিছিল। প্ৰতি বাৰেই অগ্নিৰ বীৰ্য্য এটা সোনৰ পাত্ৰত ৰাখি গৈছিল। বশিষ্ঠৰ পত্নি সতী অৰুন্ধতীৰ মুৰ্ত্তি ধাৰণ কৰিবলৈ স্বাহা অসমৰ্থ হ'ল। ছয়বাৰ নিক্ষিপ্ত বীৰ্য্যৰ পৰা এটি শিশুৰ জন্ম হ'ল আৰু তাৰ মুৰ ছটা হ'ল। সেয়ে তেওঁক স্কন্ধ বা কাৰ্ত্তিক বা ষড়ানন বোলে।

ষড়ৈশ্বৰ্য্য — ভগৱানৰ ছটা মহিমা- অনিমা, লঘিমা,ব্যাপ্তি,প্ৰাকাম্য,মহিমা আদি ছয়টি মহিমাৰ উপৰিও দুটি মহিমা আছে। ছটা ষড়ৈশ্বৰ্য্য আৰু আঠটিক অষ্ট ঐশ্বৰ্য্য বোলে।

ষণ্ডামৰ্ক — শুক্ৰাচাৰ্য্যৰ দুই পুত্ৰ ষণ্ড আৰু অমৰ্ক। দেবপক্ষ হৈ অসুৰৰ বিৰোদ্ধে যুদ্ধ কৰিছিল।প্ৰহলাদক শিক্ষা দিবৰ বাবে হিৰণ্যকশিপুৰে ষণ্ডামৰ্কক নিয়োগ কৰিছিল।

ষোড়শোপচাৰ — পূজাৰ ষোল বিধ উপকৰণ।

।। স ।।

সংকৰ্ষণ — হলিৰাম বা বলভদ্ৰ। দৈবকীৰ গৰ্ভ সংকৰ্ষণ কৰি ৰোহিনীৰ গৰ্ভত স্থাপন কৰে আৰু সেইবাবে ৰোহিনীৰ পুত্ৰক সংকৰ্ষণ বোলে।

সংযবান্ন-মৃত-দুগ্ধ— ময়দা মিশ্ৰিত খাদ্য বিশেষ।

সংযমনীপুৰ — যমপুৰী, যমালয়।

সংহাৰি — ধ্বংস কৰি।

সংহিতা — মনু আদিৰ প্ৰণীত ধৰ্ম্মশাস্ত্ৰ।

সংহ্লাদ — হিৰণ্যকশিপুৰ চাৰি পুত্ৰৰ ভিতৰত অনুজ পুত্ৰ।

সখাশ্ৰী — সাতগৰাকী সখীৰ ভিতৰত অন্যতমা।

সগৰ — বিখ্যাত ৰজা।(সগৰ বংশাৱলী দ্ৰষ্টব্য)

সংসাৰ — জন্ম-মৃত্যুৰ চক্ৰ।

সগুণ — তিনিগুণ। সত্ব-ৰজ-তম।

সগুণ ঈশ্বৰ — সগুন ব্ৰহ্ম, সাকাৰ ঈশ্বৰ বা ব্ৰহ্ম।

সগুণ ব্ৰহ্ম — সাকাৰ ঈশ্বৰ।

সগুণ ভক্তি— সকাম ভক্তি।
সচ্চিদানন্দ— সৎ চিৎ আনন্দময়। ব্ৰহ্মসত্য (সৎ), চিন্ময় (চিৎ), আনন্দময় (আত্মকাম);গতিকে পূৰ্ণানন্দৰ গৰাকী।
সঘন — মেঘযুক্ত, নিৰন্তৰ।
সজনী — স্বজনী, সখী।
সতী — দক্ষপ্ৰজাপতিৰ কন্যা, শিৱৰ পত্নি ৷দক্ষযজ্ঞত শিবনিন্দা শুনিসতীয়ে দেহত্যাগ কৰে।
সত্যব্ৰত — (ৰজা সত্যব্ৰত দ্ৰষ্টব্য চাওক)
সত্যবতী — বেদব্যাসৰ মাতৃ,আচলনাম মৎস্যগন্ধা। মৎস্য ৰজাৰ কন্যা। পৰাশৰ মুনিয়ে বিয়া কৰিছিল ৷এই মুনিৰ বাবে কৃষ্ণৰ লগত বিবাদ হয়। কৃষ্ণই অনুসন্ধান কৰি জাম্ববানৰ পৰা মনি আনি সত্ৰাজিতক দিয়ে আৰু সত্ৰাজিতে জীয়েক সত্যভামাক কৃষ্ণলৈ বিয়া দিয়ে।
সত্যলোক— ব্ৰহ্মলোক।
সত্ৰযোগ — সোমযোগ অৰ্থাৎ সোমলতাৰ ৰস প্ৰধান উপকৰণ।
সদস্য — সভাসদ।
সদত — সদা, নিতৌ।
সদানন্দ — ব্ৰহ্মাৰ মানস পুত্ৰ, চাৰি সিদ্ধৰ অন্যতম।
সনাতন — চাৰি সিদ্ধৰ এজন।
সন্তৰ্দ্দন — ধৃষ্টকেতুৰ পুত্ৰ।
সন্ধান — গদাযুদ্ধৰ বিশেষ কৌশল।
সন্ধাৰণ — সম্যক ভাৱে বিদ্ধ কৰা।
সন্নাহ — কবচ, বৰ্ম্ম।
সপটে — সৰ্বস্ত্ৰে,কাপোৰৰ সৈতে।
সপোন — স্বপ্ন,সমাজক।
সপ্তঋষি — মৰীচি,অত্ৰি,অঙ্গিৰা, পুলহ,পুলস্ত্য, ক্ৰুতু, বশিষ্ঠ।
সপ্ত গোদাবৰী— গোদাবৰী নদীৰ ৭টি মোহনা-স্থান।
সপ্ত তাল— সপ্ত সংখ্যাক তাল গছৰ দৈৰ্ঘ্যৰ পৰিমান।
সপ্তদ্বীপ — জম্বু, প্লক্ষ, শাল্মলী, কুশ, ক্ৰৌঞ্চ, শাক, পুষ্কৰ।
সপ্তপাতাল— অতল,বিতল,সুতল,তলাতল, মহাতল,ৰখাতল, পাতাল।
সপ্তপৃথিৱী— ভূঃ, ভুবঃ, স্বঃ, মহঃ, জন, তপঃ, সত্য।
সপ্তসাগৰ— লবন, ইক্ষু, সুধা, সৰ্পিঃ, দধি, দুগ্ধ, জল।
সপ্তপৰ্ব্বত — হিমবান, হেমকুট, নিষধ, মেৰু শ্বেত, নীল, শৃঙ্গী।
সপ্তস্বৰ — ষড়জ-ঋষভ-গান্ধাৰ-মধ্যম-পঞ্চম-ধৈবত-নিষাদ। সংক্ষিপ্ত ভাৱে সা-ঋ-গ-ম-প-ধ-নি ৷সঙ্গীত শাস্ত্ৰ মতে ময়ূৰ-বৃষভ-ছাগ-ক্ৰৌঞ্চ-কোকিল-ঘোটক-হস্তীক স্বৰ আনি সপ্ত সুৰৰ সৃষ্টি হৈছে।
সপ্তস্বৰা — জলতৰঙ্গ নামৰ বাদ্যযন্ত্ৰ।
সফৰী — পুথিমাছ।
সবিতা — সূৰ্য্য,ঈশ্বৰ।
সব্যাহৃতি— গায়ত্ৰী মন্ত্ৰ।'ব্যাহৃতি'মন্ত্ৰ(ভাগৱতৰ মতে) হৃদয়ৰ পৰা উদ্ভুত।
সমাধি — সমস্তমহাপুৰুষাৰ্থ ,স্থিৰ,ধ্যানৰ পৰৱৰ্ত্তীস্তৰ সমাধি ৷একাগ্ৰতা।
সম্বৰবীৰ — শম্বৰাসুৰ ৷মহাবলী অসুৰ ৷এওঁ প্ৰদ্যুম্নক হৰণ কৰি নি পানীত পেলায় দিয়ে আৰু মৎস্যই গ্ৰাস কৰে। পুনৰ মাছৰ পেটৰ পৰা পাই মায়াৱতীক লালন পালন কৰিবলৈ দিয়ে। ৰতিদেৱীয়ে মায়াৰতীৰূপে শম্বৰাসুৰৰ গৃহত আছিল। প্ৰদ্যুম্ন ডাঙৰহৈ অসুৰক বধ কৰি মায়াবতীক বিয়া কৰে।
সৰস্বতী — বাগদেবী ৷পৰমাত্মাৰ মুখৰ পৰা জন্ম হয়। বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী।
সমিত্ৰ — জাম্বৱতীৰ পুত্ৰ। সুমিধ বা সুৰথ নামেৰেও জনাজাত।
সমিভাৰে— একত্ৰগমনে।
সমুদ্ৰমন্থন— দুৰ্বাসাই ইন্দ্ৰক পাৰিজাত ফুল এপাহ দিয়ে আৰু ইন্দ্ৰই সেই ফুল অনাদৰ কৰি ঐৰাৱতৰ মূৰত দিয়াত দুৰ্বাসাই ইন্দ্ৰক লক্ষ্মীভ্ৰষ্ট হ'বলৈ অভিশাপ দিয়ে ৷ঐৰাবত,পাৰিজাত বৃক্ষাদিনষ্ট হোৱাত সমুদ্ৰমন্থনৰ দ্বাৰাপুনৰ - লক্ষ্মী, পাৰিজাত, অপ্সৰা আদি লাভ কৰে।
সম্বৰণ — এটা শক্তিশালী মন্ত্ৰপুত বান।
সম্বৰ — গৰম ঘিউ বা তেলত মছলা দি ব্যঞ্জন তৈয়াৰ কৰা; ফোড়ন।
সম্বৰি — সংবৰণ বা নিবাৰণ।
সম্মোহন — মোহপ্ৰাপ্ত হোৱা শক্তিশালী শৰ। কামদেৱৰ পঞ্চবানৰ একবান।
সল্ল-তোসল্ল— কৃষ্ণ বলৰামৰ বিৰুদ্ধে কংসৰ নিয়োজিত দুটা মলবামল্ল ৷সব্যসাচী-অৰ্জ্জুণ,বাওঁহাতেৰেও অস্ত্ৰ চলাব পাৰে বাবে সব্যসাচী।
সহস্ৰাজ্জৰ্ণ— সহস্ৰবাহুযুক্ত কাৰ্ত্তবীৰ্য্যাজ্জুৰ্ণ। জমদগ্নিৰ সুৰভিক কাঢ়ি নিয়াৰ

বাবে পৰশুৰামে বধ কৰে।
সহদেৱ — কণিষ্ঠপাণ্ডৱ,মাতৃগৰ্ভত অশ্বিনীকুমাৰৰ ঔৰসত জন্ম হয়। জৰাসন্ধৰ পুত্ৰৰ নামো মহাদেৱ।
সয়ম্বৰ বা সয়ম্বৰা—বিবাহস্থলীত কন্যাই ইচ্ছামতে বৰ বাচি মাল্যদান কৰে।সাধাৰণতে ৰাজকন্যাৰ ক্ষেত্ৰত প্ৰযোজ্য।
সৰথ — সৰথ বা সমিত্ৰ।
সৰযু — এখন নদী।
সহস্ৰীক্ষ — ইন্দ্ৰ, বিষ্ণুসবস্ৰাক্ষ। অহল্যৰ সতীত্ব নষ্ট কৰাৰ বাবে গৌতম মুনিয়ে ইন্দ্ৰৰ সহস্ৰযোনি হবলৈ অভিশাপ দিয়ে। ইন্দ্ৰৰ কাতৰ অনুৰোধৰ বাবে সহস্ৰাযোনিৰ পৰিবৰ্ত্তে সহস্ৰঅক্ষ হবলৈ গৌতমে কয়। তৃনাবৰ্ত অসুৰ পূৰ্ব্বজন্মত সহস্ৰাক্ষ নামধাৰী আছিল।
সাঙ্খ — ষড় দৰ্শনৰ ভিতৰত কপিলৰ সাঙ্খ্য দৰ্শন। সাঙ্খ্যই ঈশ্বৰৰ আস্তিত্ব স্বীকাৰ নকৰে। পুৰুষ-প্ৰকৃতিত হে গুৰুত্ব দিয়ে।
সাংখ্যযোগন— মহৰ্ষি কপিল প্ৰনীত দৰ্শন। পঞ্চবিংশতি তত্ব সাংখ্যৰ তত্ব।
সাংখ্যায়ন— এজন মুনি। এওঁৰ ধৰ্ম্ম- পৰমহংস ধৰ্ম্ম।
সাতধাতু — ৰস- ৰক্ত- মাংস- মেদ- অস্থি- মজ্জ্য- শুক্ৰ।
সাধ্য — সাধন যোগ্য। সাধনীয়।
সাত্যকি — সত্যকৰ পুত্ৰ। কৃষ্ণৰ শিষ্য আৰু যোদ্ধা। কুৰুক্ষেত্ৰ যুদ্ধৰ পাণ্ডৱৰ পক্ষ হৈ যুদ্ধ কৰিছিল।
সাগৰ সঙ্গম— নদী সাগৰত মিলিযোবা থোৰা স্থান।
সাবিদ্যা তন্মতিৰ্যয়া— শাস্ত্ৰভ্যাস বা অধ্যয়নৰ দ্বাৰা যি জ্ঞান লাভ হয়, সেই জ্ঞানে মানুহৰ মোক্ষলাভ নহয়, যি বিদ্যাই মানুহৰ ন্তিক একনিষ্ঠকৰি ভক্তি আনি দিয়ে সিহে আচলবিদ্যা।
সাধুচয় — সৎলোক সকল। ধাৰ্ম্মিক মহগুগন।
সান্দীপনি— কৃষ্ণ-বলৰামৰ শিক্ষাগুৰু। মহাযোগী। তেওঁৰ পুত্ৰ মৃতহোৱাত কৃষ্ণই সমুদ্ৰগৰ্ভৰ পৰা উদ্ধাৰ কৰি আনে।
সামবেদ — গান ৰূপে আবৃতি কৰিব পৰা বেদ। ঋকমন্ত্ৰৰ সুৰদি সামবেদত গোৱা হয়।
সাযুজ্য — পঞ্চম মুক্তিৰ একমুক্তি, ব্ৰহ্মাৰ সৈতে এক হৈ যোৱাই সাযুজ্যমুক্তি।
সাৰঙ্গধনু — বিষ্ণু বা কৃষ্ণৰ ধনু।
সাৰাৎসাৰ— সাৰৰ ভিতৰত সাৰ। শ্ৰেষ্ঠতম.



সাবিত্ৰী — (১) সত্যবানৰ পত্নী, (২) বেদমাতা গায়ত্ৰী।
সাৰঙ্কাৰা — অলঙ্কাৰ সহিত, ভুষন- ভূষিতা।
সালোক্য — ইষ্টদেৱতাৰ লগত সমলোকত বাস।
সিদ্ধ — ত্ৰিকালজ্ঞ মুনি।
সিন্ধুৰাজ — মহাসাগৰ।
সিংহাদ্বাৰ ধ্বজা— সিংহদুৱাৰৰ ওপৰৰ পতাকা।
সিহিকা নন্দন— দক্ষকন্যা সিংহিকাৰ পুত্ৰ।
সিন্ধুজা — সমুদ্ৰ বা নদী।
সিন্ধুৰাজ্য— সিন্ধুদেশ।
সীতা — জনকৰ পালিতা কন্যা, ৰামৰ পত্নী। সীতাৰ বাবেই ৰামে লঙ্কা আক্ৰমন কৰি ৰাক্ষসকুল ধ্বংস কৰে।
সুগ্ৰীৱ — বালিৰ ভাতৃ। ৰাম চন্দ্ৰৰ মিত্ৰ, কিষ্কিন্ধ্যাৰ ৰজা।
সুতপা প্ৰজাপতি— এগৰাকী প্ৰজাপতি।
সুতল — সপ্তপাতুলৰ এখন।
সুদৰ্শন চক্ৰ— মহাদেৱৰ আদেশত বিশ্বকৰ্ম্মাই সৰ্ব্বদেৱতাৰ তেজ সংমিশ্ৰন কৰি এই চক্ৰ অস্ত্ৰ প্ৰস্তুত কৰে। দৈত্য- দানৱ বধৰ অৰ্থে এই চক্ৰ মহাদেৱে বিষ্ণুক প্ৰদান কৰে।
সুদৰ্শন বিদ্যাধৰ— অজগৰ, নন্দন গ্ৰাস কৰিবলৈ উদ্যত হওঁতেই কৃষ্ণই সৰ্পক স্পৰ্শ কৰাত বিদ্যাধৰলৈ ৰূপান্তৰিত কৰি কৃষ্ণ প্ৰিয় হয়।
সুদক্ষিন — পৌণ্ড্ৰক।
সুদাস — আৰ্য্যৰাজা, বহুযজ্ঞ কৰিছিল। সুদাসতীৰ্থ এবেঁ প্ৰতিষ্ঠাকৰে।
সুধৰ্ম্মা-সভা— স্বৰ্গৰ ইন্দ্ৰৰ ৰাজসভা। কৃষ্ণৰ আদেশত উগ্ৰসেনৰ প্ৰতি এই সভাদান কৰে। কৃষ্ণৰ নিৰ্বানৰ লগেলগে পাৰিজাত সহ এই সভা স্বৰ্গলৈ যায়।
সুধাই — জিজ্ঞাসা কৰি, অনুসন্ধান কৰি।
সুনন্দ — নন্দ- মৰ্ত্যলোকত থকা বিষ্ণুপৰায়ন লোক সকল।
সুধাংশু — চন্দ্ৰ, অমৃতময়, কিৰন দিওঁতা।
সুনাভ — সুদৰ্শন চক্ৰ।
সুপৰ্ন — কশ্যপ আৰু বিনতাৰ অৰুন আৰু গৰুড় দুই পুত্ৰ। গৰুড় পক্ষীৰাজ কদ্ৰুৰ দাসী বিনতা। মাতৃক মুক্ত কৰিবৰ কাৰনে গৰুড়ে অমৃত আৰু সুধা ইন্দ্ৰৰ পৰা বিচৰাত যুদ্ধ হয়। ইন্দ্ৰই বজ্ৰপ্ৰহাৰ কৰাত গৰুড়ে পাখিৰ পৰা এটি পৰ্ন (দেহৰক্ষক)ৰ সৃষ্টি কৰিলে। সেয়ে সুপৰ্ন।
সুবৰ্ন — ভৃঙ্গাৰ-সোনৰ জলপাত্ৰ।

সুভদ্ৰ — কৃষ্ণ পত্নী ভদ্ৰাৰ গৰ্ভজাত দহপুত্ৰৰ ভিতৰত অন্যতম।
সুভদ্ৰা — বসুদেৱ- ৰোহিনীৰ জীয়েক। বলোৰামৰ ভনীয়েক। অৰ্জ্জুনে হৰন কৰে। পুত্ৰ অভিমন্যু।
সুৰেল — চিত্ৰকুট পৰ্ব্বত।
সুমতি — মহাধাৰ্ম্মিক ৰজা ভৰতৰ পুত্ৰ। সুবিখ্যাত পুৰান বিদ।
সুমন্ত — মহামনি ব্যাসৰ শিষ্য। এওঁৰ বাহিৰে- অসিত, দেৱাল, বৈশম্পায়ন, জৈমিনী- ব্যাসৰ শিষ্য।
সুমলী — ৰাক্ষস সুকেশ ও দেববতীৰ তিনি পুত্ৰ- মাল্যবান, সুমালী আৰু মালী।
সুমেৰু — মেৰু পৰ্ব্বত। উত্তৰ মেৰু। সুবলগিৰি, দেবসবৰ বাসস্থান।
সুমিত্ৰা — দশৰথৰ পত্নী। লক্ষ্মন আৰু শত্ৰুঘ্নৰ মাতৃ।
সুৰাসুৰ — সুৰ + অসুৰ। সুৰ- দেবতা, অসুৰ = কুভাব বিশিষ্ট লোক। দেবতা আৰু অসুৰ।
সুৰুচি — উত্তান পাদৰ ২য় পত্নী, উত্তমৰ মাতৃ।
সুৰসেন বা শূৰসেন— যদুবংশীয় লোক। পিতা দেবমীৰ। এওঁ মথুৰাধিপতি। উগ্ৰসেন আৰু বসুদেব- সুৰলেনৰ পুত্ৰ। কুন্তী ১মা কন্যা, আৰু ২য়া কন্যা শ্ৰুতশ্ৰবা।
সুৰা — সদ্য। মদ্য ৩প্ৰকাৰৰ- দৌড়ী, গুৰৰ পৰা, পুষ্পৰস বা মধুৰ পৰা মাধ্বী, ভাতৰ পৰা পৈষ্ঠীসুৰা।
সূচি — বেজি। নৰ্তকী।
সূত — সাৰথি, ব্ৰহ্মনীৰ গৰ্ভত ক্ষত্ৰিয়ৰ ঔৰসত জাত প্ৰতিলোমজ জাতি। ব্যাসৰ শিষ্য, ৰোমহৰ্ষণ পুৰান বক্তা।
সূতিকা আগাৰ- সূতিকা গৃহ নিৰ্মান দীঘ- প্ৰস্থাদিৰ বিবৰন থকা সম্পৰ্কীয়।
সূৰ্পনখা — বিশ্ৰবা মুনিৰ আৰু কৈকেসীৰ পুত্ৰী সূৰ্পনখা ভীষন ভয়লগা আতৃতিৰ ৰাক্ষসী। বিদ্যুৎ জিহ্বালৈ বিয়া দিয়া হয়। ভুলক্ৰমে ৰাবনৰ হাতত নিধন হোৱাত সূপৰ্নখাক পঞ্চতীবনত ৰখীয়াসহ বিচৰন কৰিবলৈ দিয়ে। লক্ষ্মনৰ হাতত নাক কটা যায়
সূৰ্পবাত — সূৰ্প মানে কুলা, বাত মানে বায়ু। কুলাৰ বতাহ, অস্পৃশ্য বায়ু।
সূৰ্য্য — শক্তিৰ আধাৰ। আগ্নি- ৰুদ্ৰ আৰু বিষ্ণুৰ লগত অভিন্ন।
সূৰ্য্যবংশ — সূৰ্য্যৰ পুত্ৰ বৈবস্বত মনু। কৈস্বত মনুৰ পুত্ৰ ইক্ষাকু আৰু এওঁৰ সতি সততি- সগৰ, ভগীৰথ, দশৰথ, ৰাম আদি। ৰামায়ন সৰ্য্য বংশৰ কীৰ্ত্তিকথা।
সৃষ্টিকৰ — জগত স্ৰষ্টা, ব্ৰহ্মা।
সেতুবন্ধ — ৰাশ্বেৰম- মাদ্ৰাজৰ মাদুৰা জিলাৰ এখন তীৰ্থ। লঙ্কালৈ যোৱা দলং।
সৈৰিন্ধ্ৰী — ৰাজ অন্তঃপুৰত ৰানীৰ কেশাদি পাৰচৰ্য্যা কৰা নাৰী। অজ্ঞাত বাস কলত দ্ৰৌপদীয়ে বিৰাট ৰজাৰ ৰানী সুদেষ্ণাৰ পৰিচৰ্য্যা কৰিছিল- এই নাম লৈ।
সোমদত্ত — কুৰুবংশৰ এজন ৰজা, বহ্লিকৰ পুত্ৰ।
সোমবংশ— চন্দ্ৰবংশ। এইবংশৰ প্ৰধান ৰজাসকল পুৰুৰবা,আয়ু নহুষ, যমাতি,পুৰু, যজু, ধৃতৰাষ্ট্ৰ,পাণ্ডু আদি।
সোহং — ব্ৰহ্মাৰ সৈতে আত্মাৰ অভিনত্ব বোধক তত্ত্ব।
সোমৰস — সোমলতাৰ ৰস। মাদক দ্ৰব্য গুণযুক্ত ৰস।
সৌতি — সূতবংশৰ শ্ৰেষ্ঠ সন্তান। পুৰাণ পাঠক।
সৌধ — সুধা-ধবলিত গৃহ। ৰাজভৱন।
সৌবীৰ — ('সিন্ধু' দ্ৰষ্টব্য চাওক)।
সৌভৰি — এজন ঋষি। তপৰ প্ৰভাৱেৰে ৰূপ যৌবন ঘুৰাই পাই মান্ধাতাৰ ৫০জনী কন্যাক বিয়া কৰায়। অৱশেষত বিৰক্ত হৈ ভগৱানত লীন যায়।
সৌৰি — যম, শনি,কৃষ্ণ।
সৌৰাষ্ট্ৰ — সৌৰাষ্ট্ৰ ৰাজ্য, গুৰ্জৰ ৰাজ্য।
স্তেয়ী — চোৰ্য্য,চুৰিকাৰ্য্য।
স্ত্ৰীজিত — স্ত্ৰৈন,স্ত্ৰীৰ বশীভূত পুৰুষ।
স্থানু — স্থিৰ। শাখাহীনবৃক্ষ।খুটাবা গোজ।
স্থাৱৰজাঙ্গম— স্থিতিশীল ও গতিশীল।
স্বায়ম্ভুৱ মনু— প্ৰথম মনু, এওঁৰ পাছত ১৩ জন মনুৰ জন্ম হয়। পত্নী- শতৰূপা।
স্বেদজ — ঘামৰ পৰা যাৰ জন্ম হৈছে।
স্ৰুব-স্ৰুচ — হোমদণ্ড।
স্থূণাকৰ্ণ — কুবেৰৰ মন্ত্ৰী। স্থূনা-মানে কামদেব,এনে ধৰণৰ কাম যাৰ।
স্মৰহৰ — শিৱ।
স্মৃতিশাস্ত্ৰ— স্মৰণে সঞ্চিত যি জ্ঞান গুৰু শিষ্যৰ মুখে মুখে প্ৰচলিত হৈছিল। এনে অৰ্থত বেদো স্মৃতি। ধৰ্ম্ম সংহতি সমূহেই স্মৃতিশাস্ত্ৰ।
স্যমন্তক মনি— দেবযুক্ত মনি। প্ৰথমে ইন্দ্ৰৰ ওচৰত আছিল। তাৰ পাছত শঙ্খচূড়ে পায়, তেওঁক বধি কৃষ্ণই পায়। কৃষ্ণৰ পৰা শ্ৰীৰাধাই পায় আৰু অৰ্ঘ্য হিচাবে সূৰ্য্যক অৰ্পণ কৰে।

সত্ৰাজিতে সূৰ্য্যৰ পৰা পায়। ইত্যাদি।

স্যমন্ত পঞ্চ— এখন তীৰ্থ।

স্বৰ্ণকাঞ্চী— চন্দ্ৰহাৰ।

স্বৰ্পাৰক — তীৰ্থক্ষেত্ৰ।

স্বস্ত্যয়ন — মঙ্গলৰ বাবে কৰা অনুষ্ঠান।

স্বাৰূপ্য — সমান ৰূপ,এবিধ মুক্তি।

স্বৈৰিণী — স্বেচ্ছাচাৰিণী, ব্যভিচাৰিণী।

।।হ ।।

হংসৰূপ — তপস্বী, বিষ্ণু, ব্ৰহ্মা, শিৱ, সূৰ্য্য, পৰমাত্মা।

হটবাদ — অবিবেকিতা, বিচাৰ শূণ্যতা।

হনুমান/হনুমন্ত—বায়ুৰ ঔৰসত, অঞ্জনাৰ গৰ্ভত জন্ম হয়। ৰামভক্ত।

হয় — ঘোঁৰা।

হয়গ্ৰীৱ — দৈত্যবিশেষ। বিষ্ণুৰ অৱতাৰ ।

হৰ — শিৱ, মায়া-মমতা হৰণ কৰোঁতা।

হৰি — বিষ্ণু, কৃষ্ণ, নাৰায়ন।

হৰিবংশ — বিষ্ণুৰ মাহাত্ম্য, কৃষ্ণৰ লীলা,বংশৰ বৰ্ণনা থকা কাব্য

হৰিদ্বাৰ — হিমালয়ত অৱস্থিত বিশেষ তীৰ্থস্থান।

হৰিশ্চন্দ্ৰ — সূৰ্য্যবংশৰ শ্ৰেষ্ঠৰজা। পিতাকৰ নাম ত্ৰিশঙ্কু, পত্নীৰ নাম শব্যা, পুত্ৰৰ নাম ৰোহিতাশ্ব। এওঁ দান,ধ্যান আৰু ন্যায় বিচাৰ থকা ৰজা। সত্যৰ বাবে ৰাজ্য-ধন-ভাৰ্য্যা-পুত্ৰাদি বিক্ৰি কৰি নিজেও চণ্ডালত্ব গ্ৰহণ কৰে।

হৰিবৰ্ষ — জম্বুদ্বীপৰ নৱবৰ্ষৰ অন্যতম।

হৰিহয় — ইন্দ্ৰদেৱতা।

হল — কৰ্ষণ কৰা, লঙ্গল, কৃষক,বলৰাম।

হবি — হোমৰ ঘিউ।

হব্য — আহুতি সাধন।

হব্যবাহ — অগ্নি।

হস্তিনাপুৰ— চন্দ্ৰবংশীয় ‘হস্তি’ নামৰ ৰজাৰ দ্বাৰা নিৰ্ম্মিত নগৰ। প্ৰাচীন দিল্লীনগৰ।

হাঁকাৰি বা হাঙ্কাৰিয়া—হুঙ্কাৰ ধ্বনি।

হাহা আৰু হুহু — স্বৰ্গৰ গন্ধৰ্ব্ব, সূৰ্য্যৰ শ্ৰেষ্ঠগায়ক।

হিৰন্ময় — স্বৰ্ণময়, সোন হালধীয়া, পৰমব্ৰহ্ম।

হিৰণ্যকশিপু— আদিদৈত্য, প্ৰহলাদৰ পিতৃ। বিষ্ণুৱে নৰসিংহৰ ৰূপ ধৰি হিৰণ্যকশিপুক বধ কৰে।

হিৰণ্যাক্ষ — হিৰণ্যকশিপুৰ ভাতৃ। বৰাহৰূপী বিষ্ণুৱে বধ কৰিছিল।

হিৰন্যনাভ— ইক্ষাকু বংশীয় ৰজা সৃঞ্জয়ৰ পুত্ৰ। নাৰদৰ অনুগ্ৰহত মৰি মাৰ জীৱন পায়।

হুতভোজী— অগ্নি।

হূন — যবন, শক, হূন আদি জাতি।

হৃষীকেশ— জ্ঞানেন্দ্ৰিয়ৰ ঈশ্বৰ।

হেতি — অস্ত্ৰ- শস্ত্ৰ। সূৰ্য্যৰ কিৰন।

হৈহয় — (১) এজন ক্ষত্ৰিয় ৰজা, (২) কাৰ্তবীৰ্য্যাৰ্জ্জুন হৈহয় সকলৰ ৰজা।

হোতা — পুৰুহিত।

হোত্ৰবান— কাশীৰাজ হিৰন্যবৰ্নৰ শশুৰ অৰ্থাৎ অম্বা, অম্বালিকাৰ জাননী কৌশল্যাৰ পিতাক।

হ্ৰেষনি — ঘোঁৰাৰ চিঞৰ বা মাত।

।ক্ষ।।

ক্ষত্ৰী — পৰমশক্তিমান, ক্ষত্ৰিয়, চতুবৰ্নৰ এটি বৰ্ন বা জাতি। ব্ৰহ্মাৰ বাহুৰ পৰা ক্ষত্ৰিয়ৰ সৃষ্টি।

ক্ষয়াহ — কৃষ্ণপক্ষীয় শেষ দিবস। অমাবশ্যা।

ক্ষিতি — পৃথিবি, ৰাজ্য। পঞ্চভূতৰ একভূত।

ক্ষীৰসাগৰ— সপ্তসাগৰৰ এখন সাগৰ- গাখীৰৰ সাগৰ শ্বেতসাগৰ।

ক্ষীৰোদধি— ক্ষীৰ হা গাখীৰৰ দৰে স্বাদুজলৰ সমুদ্ৰ। প্ৰলয় অবসান কালত এই সাগৰৰ জলত অনন্ত শয্যাত যোগানিদ্ৰাত থাকে নাৰায়ন।

ক্ষুৰপ্ৰ — ক্ষুৰতুল্য তীক্ষ্ন বান বিশেষ। নাৰাচ ভিন্দিপাল আদিশৰ।

ক্ষেত্ৰ — ভূমি, স্থান, শৰীৰ, তীৰ্থস্থান।

ক্ষেত্ৰজ্ঞ — জীৱাত্ম বা পৰমাত্মা। অন্তৰ্য্যামী পুৰুষ।

ক্ষেত্ৰজ — নিজৰ পত্নীৰ গৰ্ভত আনপুৰুষৰ দ্বাৰা সন্তান উৎপাদন।

ক্ষেপানাথ— ক্ষেপমানে পাগল, উন্মত্তদেব, মহাদেৱ, শিৱ।

ক্ষেত্ৰঙ্কৰা — ক্ষেম অৰ্থাৎ ক্ষমা, বা মঙ্গল, দুৰ্গা, পাৰ্ব্বত।

ক্ষৌনীবস্ত্ৰ— পাতৰ বস্ত্ৰ।

**।।সমাপ্ত।।**